দ্বিতীয় বাৰ্ষিকৰ বাবে

উচ্চতৰ মাধ্যমিক বুৰঞ্জী

(আধুনিক ভাৰত বুৰঞ্জী আৰু সাম্প্ৰতিক বিশ্ব বুৰঞ্জী)

নতুন বৰ্দ্ধিত সংস্কৰণ

ড° ৰমেশ চন্দ্ৰ কলিতা,
প্ৰাক্তন মুৰব্বী অধ্যাপক, ইতিহাস বিভাগ,
তেজপুৰ কলেজ, তেজপুৰ,
শোণিতপুৰ, অসম

'অশোক বুক ষ্টল'
পানবজাৰ, গুৱাহাটী-১

UCCHATTAR MADHYAMIK BURANJI A Text Book on History for Higher Secondary Final Year Course by Dr Ramesh Chandra Kalita, M A ,Ph D , and Published by Ashok Book Stall, Panbazar, Guwahati-1 **Price Rs 130 00**

২০০৬-০৭ শিক্ষা বৰ্ষৰপৰা কাৰ্যকৰী হোৱা অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ চূড়ান্ত বৰ্ষৰ (+২ স্তৰৰ) ইতিহাসৰ নতুন পাঠ্যক্রম অনুসৰি প্রস্তুত কৰা হৈছে।

প্রকাশক : মাধৱ দাস
'অশোক বুক ষ্টল'
পানবজাৰ, গুৱাহাটী-১
ফোন : ৯৪৩৫০-৪৪৫২৫

সংশোধিত সংস্কৰণ : জুন ২০০৮

মূল্য : ১৩০ ০০ টকা

মুদ্রক : অৰিন্দম অফ্ছেট এণ্ড ইমেজিং চিষ্টেমচ্
বাজগড়, গুৱাহাটী-৩

History Syllabus for Higher Secondary Second Year Course

(Effective from Academic Session-2006-07)

One Paper Three hours 100 Marks

Unit No.	Title	Marks	Periods
	History of Modern India (1857-1947)		
Unit-1	Revolt of 1857	12	14
Unit-2	British Policy After 1858	12	15
Unit-3	British Policy Towards India's neighbours	8	10
Unit-4	Growth of New India. Religious and Social Reforms After 1857	10	14
Unit-5	National Movement	23	37
Unit-6	Map of Modern India	5	5
	Contemporary World Since 1919		
Unit-7	Introduction	5	5
Unit-8	The World Since 1919	10	20
Unit-9	Second World War 1939 1945	5	10
Unit-10	World After the Second World War	10	25
		100	**155**

Unitwise Distribution of Course Contents.

History of Modern India

Unit-1 Revolt of 1857 Causes of discontent against the British Rule, Early Revolts, Immediate Causes of the Revolt of 1857, Spread of the Revolt, Causes of Defeat, Nature and Results

Unit-2 British Policy After 1858 Act of 1858 Administration, Provincial Administration, Local Bodies, Change in Army, Public Services, Relation with the Princely States, Hostility to Educated Indians,Attitude towards the Zamindars, Attitude towards Social Reforms, Backwardness of Social Services, Labour legislation, Restriction of the Press, Racial Arrogance, Disruption of Traditional Economy, Ruin of Artisans, Craftmen, Impoverishment of the Peasantry, Ruin of Old Zamindars and Rise of New Landlordism, Stagnation of Agriculture, Development of Modern Industries, Poverty and Famine.

Unit-3 British Policy Towards India's Neighbours War wit' Nepal, Conquest of Burma, Relation with Afghanistan, Tibet, Sikkii and Bhutan

Unit-4 Growth of New India Religous and Social Reforms after 1857 Prartyhana Samaj, Ram Krishna Mission, Arya Samaj, Theosophical Society, Aligar Movement, Religious Reforms amongst the Sikhs, Social Reforms Emancipation of Women, Struggle against Caste System

Unit-5 National Movement (1858-1947) Causes of National Movement-Consequences of Foreign Domination, Administrative and Economical Unification of the country, Western thought and Education, Role of the Press and Literature, Rediscovery of India's past, Racial Arrogance of the Rulers, Immediate predecessors of Indian National Congress,The Indian Natioanl Congress, Congress during 1885-1905, Partition of Bengal, Muslim League, Growth of Communalism, Swadeshi Movement, Split in the Congress, Government of India Act, 1909, Extremist Rising, Home Rule Movement, 1st Wiorld War and National Movement, Mont-Ford Report, Government of India Act, 1919, National Movement under Gandhiji, Champaran, Satyagrah Movement against the Rowlatt Act, Jaliwanwala Bagh massacre, Khilaphat-Non-Co-Operation Movement, Simon Commission-Purna Swaraj, Civil Dis-obedience Movement, Government of India Act, 1935, Formation of Peasant and Worker's Organisations, Growth of Socialist Ideas, Congress and International Developments, Movement of the People of the Princely States,Growth of Communalism, Nationalist Movement during 2nd World War,Cripps Mission, Quit India Movememnt, INA, Nationalist Movement After World War II, Cabinet Mission, Achievement of Independence, Salient Features of the Indian Constitution

Unit-6 Map of Modern India.

Contemporary World Since 1919

Unit-7 Introduction Circumstances leading to the First World War

Unit-8 World Since 1919· (a) Attempt at maintenance of World Peace: Treaty of Versailles, League of Nations, Locarno Treaty, Kellog-Briand Pact. (b) Rise of Modern China-Role of Sun-Yet-Sen, Chiang-kai-Shek and Mao-Ze-Dong (c) Rise of Dictatorship and Failure of Democracy in Germany, Italy, Spain and Japan (d) Emergence of USSR-Role of Lenin and Stalin.

Unit-9. Second World War, 1939-45 (a) Causes of the Second World War (b) German invasion of Poland and outbreak of Hostilities (c) U S entry into the War (d) Consequence of the War

Unit-10 World After the Second World War

(a) U N Historical Background, Main Organs, Peace initiatives taken by the U N till 1991 (b) Cold War and the Role of U.N (c) Emergence of Asian, African and Latin American Countries and the Role in Maintenance of World Peace Non-alignment movement (d) Progress in Science, Technology and Culture in the Post World War Period

সূচীপত্ৰ

			পৃ
পাতনি			
		আধুনিক ভাৰতবৰ্ষৰ ইতিহাস (১৮৫৭-১৯৪৭)	
প্ৰথম অধ্যায়	ঃ	১৮৫৭ চনৰ মহাবিদ্ৰোহ	৩
দ্বিতীয় অধ্যায়	ঃ	১৮৫৮ চনৰ মহাবিদ্ৰোহোত্তৰ কালত বৃটিশ-ভাৰত চৰকাৰে লোৱা নীতি	২৭
তৃতীয় অধ্যায়	ঃ	চুবুৰীয়া দেশৰ প্ৰতিবৃটিশ-ভাৰত চৰকাৰে লোৱা নীতি	৭১
চতুৰ্থ অধ্যায়	ঃ	ভাৰতবৰ্ষত জাতীয় চেতনাৰ উন্মেষ	৯৫
পঞ্চম অধ্যায়	ঃ	ভাৰতবৰ্ষত জাতীয় আন্দোলনৰ সূচনা	১০৯
ষষ্ঠ অধ্যায়	ঃ	মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতীয় জাতীয় আন্দোলন	১৩৩
সপ্তম অধ্যায়	ঃ	আইন অমান্য আন্দোলন	১৪৩
অষ্টম অধ্যায়	ঃ	বিয়াল্লিশৰ গণ অভ্যুত্থান আৰু স্বাধীনতা প্ৰাপ্তি	১৬৯
নৱম অধ্যায়	ঃ	বৃটিশ আমোলৰ ভাৰতবৰ্ষৰ মানচিত্ৰ	২০১
		সাম্প্ৰতিকবিশ্বৰ ইতিহাস (১৯১৯-১৯৯১)	
দশম অধ্যায়	ঃ	প্ৰথম বিশ্ব যুদ্ধৰ উৎপত্তি আৰু কাৰক	২০৯
একাদশ অধ্যায়	ঃ	প্ৰথম বিশ্ব যুদ্ধোত্তৰ (১৯১৯) কালৰ বিশ্ব ৰাজনীতিৰ গতিধাৰা	২৩৯
দ্বাদশ অধ্যায়	ঃ	দ্বিতীয় মহাসমৰঃ ১৯৩৯-৪৫	৩০৭
ত্ৰয়োদশ অধ্যায়	ঃ	দ্বিতীয় মহাসমৰোত্তৰ কালৰ বিশ্ব	৩৩৫
চতুৰ্দশ অধ্যায়	ঃ	দ্বিতীয় বিশ্ব মহাসমৰোত্তৰ কালত এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ অভ্যুদয়	৩৭১
পঞ্চদশ অধ্যায়	ঃ	দ্বিতীয় বিশ্ব মহাসমৰোত্তৰ কালত বিশ্বত বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু সাংস্কৃতিক বিকাশ	৪২১

পাতনি

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ নতুন পাঠ্যক্রম (২০০৬-০৭) অনুযায়ী পাঠপুথিখনি প্ৰস্তুত কৰি উলিওৱা হৈছে। গ্ৰন্থখন প্ৰস্তুত কৰোঁতে বিগত ৩০/৪০ বছৰত আধুনিক ভাৰতবৰ্ষ আৰু বিশ্বৰ ইতিহাস চৰ্চাৰ ক্ষেত্ৰত প্ৰয়োগ কৰা পদ্ধতি আৰু তাৰেই ফলশ্ৰুতিত উদঘাটিত তথ্য-পাতি গ্ৰন্থখনত সন্নিবিষ্ট কৰা হৈছে। বহু ক্ষেত্ৰতে দেখা যায় যে এনে ধৰণৰ গ্ৰন্থত চন-তাৰিখ আৰু ঘটনাক্ৰমৰ কিছু কিছু বিসংগতি থাকে। ইয়াত যিমানদূৰ পৰা যায় তেনে ধৰণৰ বিসংগতি আঁতৰোৱাৰ চেষ্টা কৰা হৈছে যাতে ছাত্ৰ-ছাত্ৰীসকলে ঘটনা আৰু ঘটনাক্ৰমৰ সঠিক চন-তাৰিখ জনাৰ পৰা বঞ্চিত নহয়।

গ্ৰন্থখন প্ৰস্তুত কৰোঁতে বস্তুনিষ্ঠ ইতিহাস চৰ্চাৰ ধাৰা আৰু আদৰ্শ অনুসৰণ কৰা হৈছে। কিন্তু গ্ৰন্থখনত তাৰ প্ৰতিফলন কিমানখিনি হৈছে সেইটো বিচাৰ কৰাৰ ভাৰ সহৃদয় শিক্ষক-শিক্ষয়িত্ৰীসকলৰ হাতত এৰিছোঁ। গ্ৰন্থখনত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে প্ৰস্তুত কৰি উলিওৱা পাঠ্যক্ৰমৰ যাতে যথাযথ প্ৰতিফলন ঘটে তাৰ প্ৰতি যথেষ্ট সতৰ্কতা অৱলম্বন কৰা হৈছে।

গ্ৰন্থখন প্ৰস্তুত কৰি উলিয়াওতে বিভিন্ন দিশত সহায় কৰা ব্যক্তিসকল হ'ল তেজপুৰ কলেজৰ গ্ৰন্থাগাৰিক প্ৰয়াত অমূল্য শইকীয়াদেৱ আৰু মোৰ সহধৰ্মিণী আৰু তেজপুৰ কলেজৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপিকা ড°জয়শ্ৰী কলিতা। এই সুযোগতে তেওঁলোক দুয়ো গৰাকীকে মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। লগতে গ্ৰন্থখন প্ৰণয়ন কৰোঁতে যিসকল প্ৰথিতযশা ঐতিহাসিকৰ গ্ৰন্থৰাজিৰ সহায় লৈছোঁ তেখেতসকলৰ প্ৰতিও আমি নতশিৰে কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ।

সদৌ শেহত অতি কম সময়ৰ ভিতৰতে ছাত্ৰ-ছাত্ৰীসকলে পোৱাকৈ আৰু সৰ্বাংগ সুন্দৰকৈ গ্ৰন্থখন প্ৰকাশ কৰি উলিওৱা বাবে গুৱাহাটীৰ অশোক বুক ষ্টলৰ স্বত্বাধিকাৰী শ্ৰীযুত মাধৱ দাসদেৱৰ প্ৰতি মোৰ আন্তৰিক ধন্যবাদ জনালোঁ। গ্ৰন্থখনে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰপৰা সমাদাৰ পালে আমাৰ পৰিশ্ৰম সাৰ্থক হৈছে বুলি ভাবিম। লগতে গ্ৰন্থখনত কিবা ভুল-ভ্ৰান্তি থাকিলে সেইটো উনুকিয়াই দিলে আমি নথৈ কৃতজ্ঞ হৈ থাকিম।

তেজপুৰ, তাৰিখ ৪/৩/২০০৮ — ড° ৰমেশ চন্দ্ৰ কলিতা

আধুনিক ভাৰতবৰ্ষৰ ইতিহাস

(১৮৫৭-১৯৪৭)

প্ৰথম অধ্যায়

১৮৫৭ চনৰ মহাবিদ্ৰোহ

'We must not forget that in the sky of India, serene as it is a small cloud may arise at first no bigger than a man s hand, but which growing bigger and bigger, may at last threaten to overwhelm us with ruin Governor-General Designate Lord Canning at a Parting meeting in London before he had set sail to India in 1856

I believe it is now also the universal conviction that the description originally given of these unfortunate and extraordinary movements in India was not authorized by the circumstances of the case

Day by day we have seen that which was at first characterised as a slight and accidental occurrence is in fact one of those great events which form epochs in the history of mankind, and which can only be accounted for by considerations demanding the deepest attention from statesmen and nations Beaconsfield Disraeli on the Revolt of 1857 in the course of a speech at Aylesbury on 30th September 1857

'The movement now assumed a more important aspect it became the rebellion of a whole people Charles Ball

(ক) আৰম্ভণিঃ

১৮৫৭ চনত ভাৰতবৰ্ষত ইংলিশ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনৰ বিৰুদ্ধে সংঘটিত বিদ্ৰোহটোক কোনো কোনোৱে চিপাহী বিদ্ৰোহৰূপে চিনাক্ত কৰিছে। এই বিদ্ৰোহ গৱৰ্ণৰ-জেনেৰেল লৰ্ড কেনিঙৰ শাসন কালৰ আৰম্ভণিতে সংঘটিত হৈছিল। তেতিয়া ভাৰত পৰিক্ৰমাৰ মন্ত্ৰী আছিল আৰ্ল ষ্টেন্‌লি (Earl Stanley)। তেওঁ ভাৰতবৰ্ষত চলা বিদ্ৰোহাত্মক ঘটনাৱলীৰ বিষয়ে বৃটিশ সংসদত বিবৃতি দিওতে তাক চিপাহীসকলৰ বিদ্ৰোহ ("Mutiny") বুলি কৈছিল। বিদ্ৰোহ যে পোনতে চিপাহীসকলে আৰম্ভ কৰিছিল তাত কোনো সন্দেহ নাই। গতিকে তেওঁৰ এই বক্তব্যক কেন্দ্ৰ কৰিয়েই বহু ঐতিহাসিকে ১৮৫৭ চনৰ বিদ্ৰোহক চিপাহী বিদ্ৰোহ বুলি অভিহিত কৰি আহিছে। অৱশ্যে এই বিদ্ৰোহ অকল চিপাহীসকলৰ বিদ্ৰোহেই নাছিল, ই আছিল কোম্পানীৰ শাসনৰ বিৰুদ্ধে শোষিত আৰু

নিপীড়িত ভাৰতীয় জনগণৰ বিদ্ৰোহ। এই বিদ্ৰোহৰ এক ব্যাপক সামাজিক ভিত্তি আছিল।

(খ) ১৮৫৭ চনৰ বিদ্ৰোহৰ পূৰ্বৰ বৃটিশ বিৰোধী বিদ্ৰোহৰ খতিয়ান ঃ

পলাশী যুদ্ধত জয় লাভকৰাৰ (১৭৫৭) পিচৰেপৰা ইংলিশ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতবৰ্ষত ৰাজনৈতিক-প্ৰশাসনিক ক্ষমতা লাভ কৰে। তেতিয়াৰপৰাই তেওঁলোকে বংগদেশক কেন্দ্ৰ কৰি ৰাজ্য বিস্তাৰৰ কাৰ্যসূচী হাতত লৈ তাক সময়-সুবিধা বুজি কাৰ্যকৰী কৰি আহিছিল আৰু তাৰেই পৰিণতি স্বৰূপে নতুন নতুন ৰাজ্যক্ষেত্ৰ কোম্পানীৰ শাসনাধীন হৈছিল। এই ৰাজ্য বিস্তাৰ প্ৰক্ৰিয়া কোনো ক্ষেত্ৰতে প্ৰতিৰোধবিহীন নাছিল। আনহাতে ৰাজ্য বিস্তাৰ কাৰ্য সাফল্যমণ্ডিত হলেও বৃটিশ শাসন প্ৰতিষ্ঠা হোৱাৰ প্ৰায় লগে লগে বা তাৰ পিচত সেই সেই ৰাজ্য বা অঞ্চলত প্ৰতিৰোধ সংগ্ৰাম বা বিদ্ৰোহ সংঘটিত হৈছিল। গতিকে দেখা যায় ইংলিশ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ৰাজ্য বিস্তাৰ কৰোঁতে আৰম্ভণিৰেপৰাই ভাৰতীয় দেশীয় ৰজা আৰু সামন্ত শ্ৰেণীসমূহৰ-পৰা সময়ে সময়ে প্ৰতিৰোধৰ সম্মুখীন হৈ আহিছিল। সেই প্ৰতিৰোধ সংগ্ৰামসমূহৰ চৰিত্ৰ আছিল বহু ক্ষেত্ৰতে আঞ্চলিক আৰু বিক্ষিপ্ত ধৰণৰ। পলাশী যুদ্ধৰ বছৰটোৰপৰা ১৮৫৭ চনৰ বিদ্ৰোহৰ মাজৰ এশ বছৰৰ কালছোৱাত দেশত অতিক্ৰমেও তেনেধৰণৰ সৰু-বৰ প্ৰায় অৰ্দ্ধ শতাধিক বিদ্ৰোহ সংঘটিত হৈছিল। কোনো কোনো ক্ষেত্ৰতএই বিদ্ৰোহসমূহৰ বিস্তৃত ইতিহাসো সম্পূৰ্ণৰূপে ৰচিত হোৱাই নাই। আৰৌ কোনো কোনো ক্ষেত্ৰত এই বিদ্ৰোহসমূহ সংঘটিত হৈছিল দেশৰ বিভিন্ন অঞ্চলৰ আদিবাসী লোকৰ মাজত বিশেষকৈ মহাজনী শোষণ আৰু সামাজিক নিৰ্যাতনৰ প্ৰতিবাদ কৰে।

বংগদেশৰ মদিনাপুৰৰ পশ্চিম অঞ্চলৰপৰা বিহাৰৰ দক্ষিণাঞ্চললৈ বিস্তৃত সমগ্ৰ এলেকাটোত আৰু ছোটনাগপুৰ আৰু উৰিষ্যাত কেবাটাও আদিবাসী লোকৰ বাসস্থান আছিল। বিশেষকৈ জঙ্গল মহলৰ চুৱৰ, সিংভূমৰ হো, ছোটনাগপুৰৰ কোল আৰু মুণ্ডা, বাৰভূম আৰু মানভূমৰ ভূমিজ তথা চুৱৰ আৰু ৰাজমহলত চাওতাল নামে জনাজাত আদিবাসী লোকেবসবাস কৰিছিল। জগন্নাথ ধল নামে ধলভূমৰ ৰজাজনে এই মানভূম আৰু বাৰভূমৰ চুৱৰ তথা ভূমিজসকলক সংগঠিত কৰি ১৭৬৮ চনত বৃটিশৰ বিৰুদ্ধে সংগ্ৰামত লিপ্ত হৈছিল। বৃটিশ বিৰোধী এই বিদ্ৰোহকে চুৱৰ বিদ্ৰোহ ৰূপে জনা যায়। নবাবগঞ্জ আৰু ঝৰিয়া আদি ওচৰ-চুবুৰীয়া অঞ্চলৰ অন্যান্য ৰজা আৰু জমিদাৰেও এই বিদ্ৰোহৰ প্ৰতি সমৰ্থন দিছিল। ১৮৩২ চনত গঙ্গানাৰায়ণ বোলা এজনে ৰবৰাজাৰৰ চৰকাৰী কাৰ্যালয় দখল কৰি বাৰভূম বোলা মহলটো অধিকাৰ কৰি লৈছিল। সিংভূমৰ হোসকলেও তেওঁৰ সৈতে সহযোগ কৰিছিল। বিদ্ৰোহ ইমানেই শক্তিশালী আছিল যে বৃটিশে সামৰিক

বাহিনীৰ সহায়তহে সেই বিদ্রোহ দমন কৰিবলৈ সক্ষম হৈছিল। ইতিপূৰ্বে ১৮২০-২২ চনৰপৰা ১৮৩১ চনলৈ ছোটনাগপুৰ, সিংভূম, মানভূমৰ আদিবাসীসকলে চেগাছোৰোকাকে বিদ্রোহত মিলিত হৈ চৰকাৰক হাৰাশাস্তি কৰি ৰাখিছিল।

১৮৫৫ চনত ৰাজমহলৰ পাহাৰী এলেকাত বসবাস কৰা চাঁওতালসকলে বৃটিশৰ বিৰুদ্ধে বিদ্রোহ কৰিছিল। তেওঁলোকে ইতিপূৰ্বে ১৮৩৬ চনতে হাজাৰিবাগ আৰু মানভূমৰপৰা প্রব্রজন কৰি তাৰ দামানিকোহ বোলা এলেকাত বসবাস কৰিবলৈ লৈছিল। এই চাঁওতাল লোকসকল এফালে দেশীয় জমিদাৰ-মহাজন আৰু আনফালে বৃটিশ চৰকাৰী বিষয়া-আমোলা আৰু পুলিচৰ দ্বাৰা সততে নিৰ্যাতিত আৰু শোষিত হৈ আহিছিল। তেওঁলোকে প্রধানতঃ ধেনু-কাড় লৈ বিদ্রোহত মিলিত হৈছিল। বৃটিশে চাঁওতাল বিদ্রোহ কঠোৰ হাতেৰে দমন কৰিছিল আৰু ভৱিষ্যতে যাতে সেই অঞ্চলত চাঁওতালসকলে বিদ্রোহ কৰিব নোৱাৰে সেইটো সুনিশ্চিত কৰিবলৈ ছোটনাগপুৰৰ চাঁওতাল পৰগণা নামে এটি পৃথক প্রশাসনিক গোট গঠন কৰিছিল।

সাধাৰণ লোকৰ তেনেধৰণৰ বিদ্রোহৰ ভিতৰত অন্য এটি উল্লেখযোগ্য বিদ্রোহ আছিল সন্যাসী-ফকিৰ বিদ্রোহ। পলাশী যুদ্ধৰ তিনি বছৰ পিচতে ১৭৭০ চনত বংগদেশত সংঘটিত হোৱা দুৰ্ভিক্ষৰ সময়ত অসংখ্য লোকৰ প্রাণ হানি হৈছিল। এই দুৰ্ভিক্ষ যে কোম্পানীৰ শাসনৰ তীব্ৰ আৰু নিৰ্মম শোষণৰ ফলশ্রুতি তাক মানুহে নুবুজাকৈ থকা নাছিল। আনহাতে কোম্পানীৰ শাসন প্রতিষ্ঠা হোৱাৰ লগে লগে খৃষ্টান পাদ্ৰীসকলৰ উপস্থিতি আৰু দেশত খৃষ্টান ধৰ্ম প্রচাৰৰ বাবে তেওঁলোকে লোৱা কাৰ্যপন্থাৰ বাবে বিশেষতঃ হিন্দু সন্যাসী আৰু মুছলমান ফকিৰসকল শঙ্কিত হৈ পৰিছিল। গতিকে কোম্পানীৰ আমোলত মানুহৰ দুখ-দুৰ্দশা বৃদ্ধি পোৱাৰ লগতে হিন্দু-মুছলমান উভয়ে নিজ নিজ ধৰ্ম হেৰুওৱাৰ আশঙ্কাও বাঢ়ি আহিছিল। সেয়ে হিন্দু সন্যাসী আৰু মুছলমান ফকিৰসকলে চৰকাৰৰ বিৰুদ্ধে বিদ্রোহৰ পাতনি মেলিছিল। তেওঁলোকে উভয় সম্প্রদায়ৰে শোষিত-নিষ্পেষিত সাধাৰণ খেতিয়কসকলক সংগঠিত কৰি ইংৰাজৰ বিৰুদ্ধে এক শক্তিশালী বিদ্রোহত মিলিত হৈছিল। বিদ্রোহৰ উপৰুৱা কাৰণ ধৰ্ম আছিল যদিও তাৰ অন্তর্নিহিত কাৰণ আছিল অৰ্থনৈতিক।

এই বিদ্রোহৰ অংশৰূপেই সন্যাসী-ফকিৰসকলে ১৭৬৩ চনৰেপৰাই ইংৰাজৰ বাণিজ্যিক কুঠীসমূহত আক্রমণ কেন্দ্রীভূত কৰি আহিছিল। ১৭৭৬-৭৭ চনত মাজনুম ছাহ আৰু ১৭৮৮-৯০ চনত তেওঁৰ পুত্ৰ ছিৰাগ আলি ছাহৰ নেতৃত্বত ফকিৰসকল পুনৰ বিদ্রোহত মিলিত হৈছিল। ১৭৮৮-৯০ চনৰ বিদ্রোহৰ সময়ত ভৱানী পাঠক আৰু দেবী

চৌধাৰিণী বৃটিশ বিৰোধী সংগ্ৰামৰ অংশীদাৰত পৰিণত হৈছিল। ১৭৯৩ চনৰপৰা ১৮০০ চনৰ ভিতৰত পূৰ্বে দেশীয় ৰজাৰ অধীনত কাম কৰা প্ৰাক্তন পাঠান আৰু ৰাজপুত সৈনিকসকলেও এই বিদ্ৰোহত চামিল হৈ বংগত কোম্পানীৰ চৰকাৰক হাৰাশাস্তি কৰিছিল।

টিপু ছাহ নামে এজন লোকৰ নেতৃত্বত ছুচাং পৰগণাত পাগল পন্থী নামে এটি বিদ্ৰোহী সংগঠনৰ সৃষ্টি হৈছিল। তেওঁৰ শিষ্যসকলৰ ভিতৰত হিন্দু-মুছলমান লোকতো আছিলেই লগতে আছিল গাৰো আৰু হাজং জন গোষ্ঠীৰ জনজাতীয় লোক। টিপুৰ নেতৃত্বত পাগল পন্থীৰ সদস্যসকলে ১৮২৫ আৰু ১৮৩১ চনত জামিদাৰসকলক আক্ৰমণ কৰিছিল আৰু নিজ এলেকাত ভালেমান বছৰলৈ নিজস্ব শাসন ব্যৱস্থা প্ৰবৰ্তন কৰিছিল।

ফৈৰাদী বিদ্ৰোহো আপাততঃ লোক দৰ্শিতভাৱে ধৰ্ম ৰক্ষাৰ নামতেই সংগঠিত আৰু পৰিচালিত হৈছিল। এই লানি বিদ্ৰোহ পোনতে বংগদেশ আৰু বিহাৰত সংগঠিত আৰু সংঘটিত হৈছিল। বৃটিশ বিৰোধী এই ফৈৰাদী বা ফৈৰাজী বিদ্ৰোহৰ স্ৰষ্টা আছিল পূৰ্ববংগৰ ফৰিদপুৰৰ হাজী শ্বাৰিতউল্লাহ। তেওঁৰ পুত্ৰ দাদু মিএগাই বংগদেশত কোম্পানীৰ শাসনৰ অৱসান ঘটাই পুনৰ মুছলমান শাসন ব্যৱস্থা প্ৰবৰ্তন কৰাৰ চেষ্টা কৰিছিল। ১৮৩৮ আৰু ১৮৫৭ চনত দাদু মিএগাই বংগদেশত জমিদাৰী শোষণৰ প্ৰতিৰোধ কৰাৰ লগতে কোম্পানীৰ শাসনৰ ৰাজহাড় লৰাই দিছিল।

পিচত বিদ্ৰোহৰ প্ৰভাৱ আৰু কৰ্ম ক্ষেত্ৰ উত্তৰ প্ৰদেশলৈ বিস্তাৰিত হৈছিল আৰু সেই অঞ্চলত উক্ত বিদ্ৰোহ ওৱাহবী বিদ্ৰোহৰূপে পৰিচিত হৈ পৰিছিল। এই বিদ্ৰোহৰো লক্ষ্য আছিল খৃষ্টান ধৰ্মৰ আগ্ৰাসান প্ৰতিৰোধ কৰি ডিন অৰ্থাৎ স্বধৰ্ম ৰক্ষা কৰা। ইংৰাজসকল খৃষ্টান ধৰ্মাৱলম্বী আছিল, গতিকে বিদ্ৰোহৰ লক্ষ্যও আছিল ইংৰাজ তথা কোম্পানীৰ চৰকাৰ।

ওৱাহাবী বিদ্ৰোহ বা আন্দোলনৰ সংগঠক আছিল সৈয়দ আহম্মদ। তেওঁ উত্তৰ প্ৰদেশৰ ৰায় বেৰেলিৰ লোক আছিল আৰু ধৰ্মীয় শিক্ষা আহৰণৰ বাবে মক্কালৈ গৈছিল। তাতে তেওঁ আৰবৰ আব্দুল ওৱাহেব বোলা লোকজনৰ নেতৃত্বত মুছলমানসকলৰ মাজত পৰিচালিত এটি সংস্কাৰ আন্দোলনৰ সংস্পৰ্শলৈ আহিছিল। গতিকে তাৰপৰা দেশলৈ ওভতি আহোঁতে তেওঁ মক্কাৰপৰা ওৱাহাবী (ওৱাহাবী শব্দৰ অৰ্থ নৱজাগৰণ) আন্দোলনৰ আদৰ্শ লৈ আহে আৰু সেই মৰ্মে নিজ সম্প্ৰদায়ৰ মাজত ধৰ্মীয়, সামাজিক, সাংস্কৃতিক দিশত সংস্কাৰ তথা নৱজাগৰণ আনিবলৈ চেষ্টা কৰে। গতিকে ওৱাহাবী আন্দোলনৰ আন্দোলনৰ লক্ষ্য আছিল দুটা—প্ৰথমতে প্ৰচলিত স্বধৰ্মৰ আভ্যন্তৰীণ কুসংস্কাৰ আঁতৰ কৰা আৰু দ্বিতীয়তে অন্য ধৰ্মৰ বিপৰীতে নিজ ধৰ্মৰ সংৰক্ষণ কৰা।

সৈয়দ আহম্মদে ইংৰাজ অধিকৃত ভাৰতবৰ্ষক দাৰুল-হাৰব অৰ্থাৎ শত্ৰুৰ দেশৰূপে অভিহিত কৰিছিল। তেওঁ ১৮২০-২৭ চনৰ ভিতৰত সমগ্ৰ উত্তৰ ভাৰতত ধৰ্মীয় প্ৰচাৰ কাৰ্য চলাইছিল। বিহাৰৰ পাটনা আছিল ওৱাহাবী আন্দোলনৰ কেন্দ্ৰ। উত্তৰ ভাৰতত হাজাৰ হাজাৰ মুছলমান লোকে তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। ১৮২৭ চনত তেওঁৰ নেতৃত্বত শিখসকলৰ বিৰুদ্ধে ঘোৰতৰ সংগ্ৰামৰ সূচনা হয় আৰু এই সংগ্ৰামৰ মাজতেই ১৮৩২ চনত শিখসকলৰ হাতত তেওঁৰ মৃত্যু হয়। তেওঁৰ মৃত্যুৰ পিচত এই আন্দোলন তথা বিদ্ৰোহৰ কেন্দ্ৰ উত্তৰ প্ৰদেশৰ সিতানা নামে ঠাইলৈ স্থানান্তৰিত কৰা হয়। পিচত ইয়াৰপৰাই ইংৰাজৰ বিৰুদ্ধে ওৱাহাবী আন্দোলন পৰিচালিত হৈছিল। বংগদেশৰ তিতুমিৰ এই বিদ্ৰোহৰ অন্যতম প্ৰধান নেতা আছিল। তেওঁৰ নেতৃত্বতেই ২৪-পৰগণা, যশোহৰ আৰু নদিয়া জিলাক লৈ ওৱাহাবীসকলৰ এখন স্বাধীন ৰাজ্য স্থাপিত হৈছিল। পাটনাত এই সময়ত আন্দোলনৰ নেতা আছিল সৈয়দ আহম্মদৰ শিষ্য উলায়েত আলি আৰু এনায়েত আলি। এই বিদ্ৰোহ ১৮৫৭-৫৮ চনৰ বিদ্ৰোহৰ সময়ত অতি ক্ৰিয়াশীল হৈ পৰিছিল আৰু ১৮৬৩ চনলৈ এই বিদ্ৰোহৰ অন্ত পৰা নাছিল।

বংগ, বিহাৰ, উৰিষ্যা আৰু উত্তৰ প্ৰদেশত সংঘটিত উক্ত বিদ্ৰোহসমূহৰ সমসাময়িক ভাৱে উত্তৰ-পূব ভাৰতৰ বিশেষকৈ খাচী-জয়ন্তীয়া পাহাৰতো ইংৰাজসকলৰ বিৰুদ্ধে এলানি শক্তিশালী বিদ্ৰোহ সংঘটিত হৈছিল।

সমসাময়িকভাৱে দক্ষিণ ভাৰততো সাধাৰণ লোক বৃটিশৰ বিৰুদ্ধে ভালেমান বিদ্ৰোহত চামিল হৈছিল। এই বিদ্ৰোহৰ মূল কাৰক আছিল বৃটিশৰ শোষণমূলক ভূমি ৰাজস্ব নীতি। ১৭৬৫ চনৰপৰা ১৮৪৪ চনলৈ দাক্ষিণাত্যৰ বিভিন্ন অঞ্চলত সাধাৰণ প্ৰজা বিদ্ৰোহ সংঘটিত হৈছিল। সেই বিদ্ৰোহবিলাকৰ ভিতৰত উল্লেখযোগ্য আছিল ভিজিয়ানাগ্ৰামৰ ৰজাৰ নেতৃত্বত হোৱা বিদ্ৰোহ, ১৮০১ চনৰপৰা ১৮১৪ চনলৈ ডিন্দিগুল আৰু মালাবৰ উপকূলত সংঘটিত হোৱা বিদ্ৰোহ, ১৮৩০-৩৪ চনত বিশাখাপট্টনমৰ বিদ্ৰোহ, ১৮৩৫-৩৭ আৰু ১৮৪৬-৪৭ চনৰ গঞ্জাম আৰু কাৰ্ণুলৰ জামিদাৰসকলৰ বিদ্ৰোহ, ১৮০৫ চনত ত্ৰিবাংকোৰত সংঘটিত দেৱান ভেলী থাম্পিৰ বিদ্ৰোহ আদি।

দেশৰ অকল সাধাৰণ লোক, জনজাতি আৰু আদিবাসীসকলেই যে ইংৰাজ বা কোম্পানীৰ চৰকাৰৰ বিৰুদ্ধে বাৰম্বাৰ বিদ্ৰোহত মিলিত হৈছিল সেইটো নহয়, কোম্পানীৰ চিপাহীসকলৰ মাজতো পূৰ্বতে দেশৰ ভালেমান ঠাইত কেবাটাও বিদ্ৰোহ সংঘটিত হৈছিল। চিপাহীসকলৰ মাজত গোনতেবিদ্ৰোহ সংঘটিতহৈছিল ১৮০৬ চনত ভেলোৰত। কোম্পানীৰ চৰকাৰে হিন্দু-মুছলমান-শিখ চিপাহীসকলক দেশ-সত্তৰ মতে পূৰ্বাপৰ কৰি বা মানি অহা

কিছুমান কাম কৰিবলৈ বাৰণ কৰিছিল। সেই মতে হিন্দু চিপাহীসকলক কপালত ফোঁট-ৰেঘা লোৱা, শিখ চিপাহী সকলক পাগুৰী মৰা আৰু মুছলমান চিপাহী সকলক ডাডি ৰাখিবলৈ নিষেধ কৰিছিল আৰু তাৰেই পৰিণতিত সেই বিদ্ৰোহ সংঘটিত হৈছিল।

প্ৰথম ইংগ-বৰ্মী যুদ্ধৰ সময়ত ১৮২৪ চনত বৰাকপুৰত চিপাহীসকলে পুনৰ বিদ্ৰোহ কৰিছিল। হিন্দুসকলৰ বিশ্বাস আছিল যে সাগৰ যাত্ৰ কৰাটো জাতিভ্ৰষ্ট হোৱাৰ সমাৰ্থক। গতিকে সাগৰ পাৰ হৈ ব্ৰহ্মদেশলৈ যাবলৈ দিয়াত জাতি-ধৰ্ম নষ্ট পোৱাৰ ভয়ত বৰাকপুৰত চিপাহীসকলে বিদ্ৰোহ কৰিছিল। তাৰ পিচতো কম বেতন, তুচ্ছ-তাচ্ছিল্য আৰু অবমাননা কৰা আদি বিভিন্ন কাৰণত কোম্পানীৰ ভাৰতীয় চিপাহীসকলে ১৮৩৮ চনত চোলাপুৰ, ছেকন্দাৰাবাদ, মালেগাঁও আৰু হায়দাৰাবাদত আৰু ১৮৪৩ চনত্ৰ জব্বলপুৰত বিদ্ৰোহ কৰিছিল। ১৮৪৪ চনত ফিৰোজপুৰত চিপাহীসকলৰ কেবাটাও গোটে বিদ্ৰোহ কৰাত তাৰ নেতাসকলক শাস্তি বিহা হৈছিল আৰু দুটামান গোট ভাঙি পেলোৱা হৈছিল।

গতিকে কোম্পানীৰ সামৰিক বাহিনীত কৰ্মৰত ভাৰতীয় চিপাহীসকলে চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰাটো এক সাধাৰণ পৰম্পৰাত পৰিণত হৈছিল। ১৮৫৭ চনৰ পূৰ্বে সংঘটিতচিপাহী বিদ্ৰোহৰ সৈতে বিশেষকৈ কোনো অৰ্থনৈতিক আৰু ৰাজনৈতিক কাৰণ জড়িতনাছিল। আনহাতে সেই বিদ্ৰোহবিলাকৰ বিস্তৃতি নিৰ্দিষ্ট সামৰিক ছাউনীৰ ভিতৰতে সীমাবদ্ধ আছিল। সেয়ে সেইবিলাকৰ কোনো সৰ্বভাৰতীয় চৰিত্ৰও নাছিল।

(গ) বৃটিশ শাসনৰ বিৰুদ্ধে জনসাধাৰণৰ পঞ্জীভূত ক্ষোভৰ কাৰণ আৰু উৎসঃ ১৮৫৭ চনৰ বিদ্ৰোহৰ কাৰণঃ

অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক, সামৰিক, সাংস্কৃতিক আৰু ধৰ্মীয় আদি ভালেমান কাৰণত এই বিদ্ৰোহৰ সূচনা হৈছিল।

ভাৰতবৰ্ষত কোম্পানীয়ে প্ৰবৰ্তন কৰা আৰ্থিক নীতিয়ে ভাৰতীয় লোকৰ জীৱন ধাৰণৰ মানদণ্ডৰ যথেষ্ট অৱনতি ঘটাইছিল। ১৭৫৭ চনতপলাশী যুদ্ধত জয় লাভ কৰাৰ পিচৰেপৰা বিগত এশ বছৰত তেওঁলোকে পৰম্পৰাগতভাৱে বৰ্তি থকা ভাৰতবৰ্ষৰ অৰ্থনৈতিক গাঁঠনিটো সম্পূৰ্ণৰূপে বিধ্বস্ত কৰি পেলাইছিল। ভাৰতীয় সমাজখন আছিল মূলতঃ কৃষিজীৱী সমাজ। সেই সমাজখনৰ উপজীব্যৰ অন্যতম অৱলম্বন আছিল হস্তশিল্প। কৃষি আৰু শিল্প আছিল এটা আনটোৰ পৰিপূৰক। সেয়ে কৃষি আৰু হস্তশিল্প আছিল ভাৰতীয় সমাজৰ অৰ্থনৈতিক বুনিয়াদ। এই দুয়োটাৰ সুসমন্বয়ৰ মাধ্যমত দেশৰ অৰ্থনৈতিক ভেটিটো গঢ়ি উঠিছিল। নতুন ভূমি বন্দোবস্তী আৰু ৰাজস্ব নীতিৰ জৰিয়তে ইংৰাজসকলে গোনতে দেশৰ কৃষি অৰ্থনীতি বিধ্বস্ত কৰিছিল আৰু তাৰ সমসাময়িকভাৱে হস্তশিল্পৰো ক্ষতি সাধন কৰিছিল।

পলাশী যুদ্ধত জয় লাভ কৰাৰ কেইবছৰমানৰ ভিতৰতে (১৭৬০ চনত) ইংলেণ্ডত শিল্প বিপ্লৱৰ সূচনা হৈছিল। ইংলেণ্ডত আৰম্ভ হোৱা শিল্প বিপ্লৱৰ তাৎক্ষণিক প্ৰভাৱ ইংলেণ্ডৰ পদানত ভাৰতবৰ্ষৰ অৰ্থনীতিৰ ওপৰত পৰিছিল। কোম্পানীৰ আমোলত ভাৰতবৰ্ষৰ অৰ্থনৈতিক অধঃপতনৰ প্ৰক্ৰিয়াটো দুই ধৰণে ঘটিছিল। প্ৰথমতে, তাৰ শিল্পপতিসকলৰ স্বাৰ্থত ভাৰতবৰ্ষক কেঁচামাল যোগান ধৰোতা দেশলৈ পৰিবৰ্তিত কৰা হৈছিল। দ্বিতীয়তে, ভাৰতবৰ্ষকইংলেণ্ডৰ শিল্পজাত পণ্যৰ বজাৰলৈ ৰূপান্তৰিত কৰা হৈছিল। ভাৰতবৰ্ষৰ কৃষি উন্নয়নৰ বাবে কোম্পানীৰ চৰকাৰে কোনো কাৰ্য ব্যৱস্থা হাতত লোৱা নাছিল। ভূমি ৰাজস্বৰ নামত সংগ্ৰহ কৰা সমুদায় ধন ইংলেণ্ডলৈ লৈ গৈছিল। প্ৰাচীন আৰু মধ্য যুগত ভাৰতীয় শাসনকৰ্তাসকলৰ আমোলত কৃষকৰপৰা আদায় কৰা ভূমি ৰাজস্ব জন কল্যাণমূলক আঁচনি ৰূপায়নৰ মাধ্যমত পুনৰ জনসাধাৰণৰ মাজলৈ ওভতিআহিছিল। সেইটো আছিল জলীয় বাষ্পৰ মাধ্যমত সূৰ্যৰ উত্তাপে শুহি লোৱা নৈ-বিল-খালৰ পানী পুনৰ বৰষুণৰ মাধ্যমত কৃষি পথাৰলৈ নামি অহাৰ দৰে। সেই পানীয়ে কৃষি ভূমি উৰ্বৰা কৰিছিল। কোম্পানীৰ আমোলত ভূমি ৰাজস্বৰ নামত আদায় কৰা ধন এবাৰ ইংলেণ্ডলৈ যোৱাৰ পিচত আৰু দুনাই ভাৰতীয় জনসাধাৰণৰ কল্যাণৰ বাবে ইয়ালৈ ঘূৰি অহা নাছিল।

আনহাতে কোম্পানীৰ আমোলত ভূমি ব্যৱস্থাত মধ্য স্বত্ব ভোগী এশ্ৰেণী লোকৰ সৃষ্টি হৈছিল। ভূমি ব্যৱস্থাৰ সৈতে জড়িত মধ্য স্বত্বভোগীসকলৰ শোষণ-নিষ্পেষণৰ লগতে কোম্পানীৰ আমোলত নতুনকৈ গঢ়ি উঠা সুদখোৰ মহাজনসকলৰ নিষ্ঠুৰ শোষণ-নিষ্পেষণেও ভাৰতীয় কৃষকৰ হাড় ভাঙি পেলাইছিল। ঋণ পৰিশোধ কৰিব নোৱাৰা কৃষকে নিজৰ ভূমি সম্পত্তি হেৰুওৱাটো সাধাৰণ ঘটনাত পৰিণত হৈছিল। কোম্পানী তথা ইংৰাজৰ আমোলত ভাৰতীয় কৃষকে ঋণৰ বোজা লৈ জন্ম পাইছিল, ঋণৰ বোজা লৈ জীয়াই আছিল আৰু ঋণৰ বোজা লৈয়ে মৃত্যু বৰণ কৰিছিল। কৃষি ক্ষেত্ৰৰ পশ্চাদ পদতা, মাৰি-মৰক, অতিবৃষ্টি তথা বানপানী আৰু অনাবৃষ্টি আদিৰ গৰাহত পৰি ভাৰতীয় কৃষক সৰ্বশ্ৰান্ত হৈছিল।

অকল সাধাৰণ কৃষকৰ অৰ্থনৈতিক অৱস্থাৰেই যে অৱনতি ঘটিছিল তেনে নহয়, সাধাৰণ কাৰিকৰ, মধ্যবিত্ত শ্ৰেণীৰ লোক আৰু সামৰিক বাহিনীত কৰ্মৰত সাধাৰণ সৈনিকৰ অৱস্থাও কোনো ক্ষেত্ৰতে উন্নত নাছিল। পূৰ্বৰ ৰাজ পৰিয়ালক কেন্দ্ৰ কৰি বৰ্তি থকা অভিজাত তথা ডা-ডাঙৰীয়া শ্ৰেণীটোৰ লোকে দেশীয় শাসনকৰ্তাসকলৰ বিলুপ্তিৰ লগে লগে কৰ্ম সংস্থান হেৰুৱাইছিল। দেশীয় শাসনকৰ্তাসকলে ৰাজ্য হেৰুওৱাৰ লগে লগে তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰি বৰ্তি থকা অভিজাত শ্ৰেণীৰ লোকে কৰ্ম সংস্থান হেৰুওৱাৰ ফলত সেইসকলৰ দৈনন্দিন চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি বিশেষকৈবিলাসী পণ্য

উৎপাদন কৰা কাৰিকৰসকল ৰাতিটোৰ ভিতৰতে নিৰালম্ব হৈ পৰিছিল। অৱশ্যে কোম্পানীৰ আমোলত এটি নতুন মধ্যবিত্ত শ্ৰেণী গঢ়ি উঠিছিল যদিও চৰকাৰী চাকৰী-বাকৰীৰ ক্ষেত্ৰত তেওঁলোকইংৰাজসকলৰ জাতীয় উন্নাসিকতা তথা জাত্যাভিমানৰ বলি হৈছিল। কোম্পানীৰ আমোলত অধিক দা-দৰমহাৰ উচ্চ পদস্থ চৰকাৰী বিষয়-বাবসমূহ ইংৰাজ লোকে লাভ কৰাত নতুন মধ্যবিত্ত শ্ৰেণীৰ লোকসকল সততেবঞ্চিত হৈ থাকিব লগীয়া হৈছিল। ফলত কোম্পানীৰ চৰকাৰৰ প্ৰতি তেওঁলোকৰ কোনো ধৰণৰ আন্তৰিক শ্ৰদ্ধা আৰু আনুগত্য নাছিল।

আনহাতে পূৰ্বৰ দেশীয় শাসনকৰ্তাসকলক নিৰ্ভৰ কৰি বৰ্তি থকা পণ্ডিত-পুৰোহিত, মোল্লা-মৌলবী আদি বৃত্তিৰ লোকসকলো দেশীয় শাসনকৰ্তাসকলৰ অবিহনে আৰ্থিক ক্ষতিৰ সন্মুখীন হৈছিল আৰু কোম্পানীৰ চৰকাৰৰ প্ৰতি বিক্ষুব্ধ হৈ থাকিছিল।

সামৰিকবাহিনীত নিযুক্তি পোৱা ভাৰতীয় লোকৰ অৱস্থা অধিক পুতৌ লগা আছিল। সামৰিক বাহিনীত নিযুক্ত কোনো এজন ভাৰতীয় লোকে চুবেদাৰতকৈ উচ্চ পদবীলৈ পদোন্নতি নাপাইছিল। চুবেদাৰজনৰ মাহিলী দা-দৰমহাও ৬০/৭০ টকাৰ অধিক নাছিল।

সামাজিকভাৱে ভাৰতীয় লোকক সততে নিম্ন খাপৰ লোকৰূপে গণ্য কৰা হৈছিল। ইংৰাজসকল ভাৰতবৰ্ষলৈ আহিছিল বিদেশী হিচাপে, থাকিছিল বিদেশী হিচাপে আৰু দেশীয় লোকৰ সৈতে কোনো ধৰণৰ সামাজিক সম্পৰ্ক নাৰাখিছিল। তেওঁলোকৰ চাল-চলনত সততে বিদেশীৰ গৰ্ব পৰিস্ফুট হৈ পৰিছিল। এক উন্নাসিক বোধে আৰু জাত্যা-ভিমানে তেওঁলোকক আচুতীয়াকৈ ৰাখিছিল। তেওঁলোকে আনকি উচ্চ শ্ৰেণীৰ দেশীয় লোকৰ সৈতেও উঠা-বহা নকৰিছিল। তেওঁলোকৰ আচৰণত সদায়েই জাত্যাভিমানে প্ৰাধান্য পাইছিল, প্ৰশাসনৰ উচ্চ পদস্থ বিষয়-বাবসমূহ তেওঁলোকেই হস্তগতকৰিছিল আৰু নিম্ন খাপৰ দেশীয় কৰ্মচাৰীসকলক ঘৃণাৰ চকুৰে চাইছিল। ইংৰাজসকলৰ পূৰ্বে যিসকল বিদেশী শাসকে ভাৰতবৰ্ষলৈ আহি দেশ শাসন কৰিবলৈ লৈছিল, তেওঁলোকৰ মাজত এই ধৰণৰ মনোভাৱ বিৰাজ কৰা নাছিল, তেওঁলোকে দেশীয় লোকৰ সৈতেঅভিন্নভাৱে মিলি গৈছিল। ভাৰতবৰ্ষৰ জন সমুদ্ৰত ইংৰাজসকলৰ অৱস্থান আছিল অসংলগ্ন দ্বীপ সদৃশ। গতিকে শাসক আৰু শাসিতৰ মাজত জাতিগত ব্যৱধান বাঢ়ি গৈছিল।

ৰাজনৈতিকভাৱে কোম্পানীৰ নামত ইংৰাজসকলৰ শাসন কোনো ক্ষেত্ৰতে ভাৰতীয় লোকৰ মনঃপুত হোৱা নাছিল। ন্যায়-অন্যায়, ভাল-বেয়া, শুভ-অশুভ একো বাচ-বিচাৰ নকৰাকৈ ইংৰাজসকলে দেশীয় শাসনকৰ্তাসকলক ক্ষমতাৰপৰা অপসাৰিত কৰি তেওঁলোকৰ ৰাজ্যসমূহ কাঢ়ি লৈছিল। বহু ক্ষেত্ৰতে দেশীয় ৰজা আৰু প্ৰজা সাধাৰণক ভুৱা প্ৰতিশ্ৰুতি দি নিজ ৰাজ্য ক্ষেত্ৰৰ পৰিসৰ বৃদ্ধি কৰিছিল আৰু সুবিধা পালেই প্ৰতিশ্ৰুতি ভঙ্গ কৰি

নিজৰ সাম্ৰাজ্যিক স্বাৰ্থ পূৰণ কৰিছিল। নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত ইংলেণ্ডৰ জাতীয় স্বাৰ্থই সদায়েই অগ্ৰাধিকাৰ পাইছিল। লৰ্ড ডেলহাউচিৰ সম্প্ৰসাৰণবাদী নীতিয়ে ভালেমান দেশীয় ৰাজ্যৰ অস্তিত্ব বিপন্ন কৰিছিল। বিশেষকৈ স্বত্ব বিলোপ নীতিৰ দোহাই দি তেওঁ ভালেমান দেশীয় ৰাজ্য কোম্পানীৰ ৰাজ্যৰ সৈতে চামিল কৰিছিল। এই ঘটনাই সমগ্ৰ ভাৰতবৰ্ষতে কোম্পানীৰ চৰকাৰৰ প্ৰতি সন্দেহ, সংশয় আৰু অবিশ্বাসৰ পৰিবেশ তৈয়াৰ কৰিছিল। স্বত্ব বিলোপ নীতিয়ে দেশীয় ৰজা তথা শাসনকৰ্তাসকলৰ তোলনীয় পুত্ৰ ল'ব পৰা অধিকাৰৰ অৱসান ঘটাইছিল। স্বাভাৱিক পুত্ৰ সন্তানৰপৰা বঞ্চিত ভাৰতীয় লোকে তোলনীয় পুত্ৰ গ্ৰহণ কৰিব পৰাটো শাস্ত্ৰ সম্মত পৰম্পৰা আছিল, ইংৰাজে সেই পৰম্পৰা নীতিগতভাৱেই নিষিদ্ধ কৰাত অকল দেশীয় ৰজা বা শাসনকৰ্তাসকলেই যে অসন্তুষ্ট হৈছিল তেনে নহয়, তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল ডা-ডাঙৰীয়াসকলো অসন্তুষ্ট হৈ পৰিছিল।

দেশীয় ৰজাসকলৰ উপাধি কাঢ়ি লোৱা আৰু পেঞ্চন বন্ধ কৰি দিয়া ঘটনাই পূৰ্বৰ শাসকীয় পৰিয়ালসমূহৰ মাজত ক্ষোভ আৰু অসন্তুষ্টিৰ মনোভাব দুগুণে বৃদ্ধি কৰিছিল। কু-শাসনৰ অচিলা লৈ অযোধ্যা দখল কৰা কাৰ্যই অকল তাৰ নবাব পৰিয়ালকেই ক্ষতিগ্ৰস্ত কৰা নাছিল, তাৎক্ষণিকভাৱে তাৰ তালুকদাৰ নামধাৰী জমিদাৰসকলক অধিক ক্ষতিগ্ৰস্ত কৰি তুলিছিল। অযোধ্যা দখল কৰাৰ পৰিণতি স্বৰূপে তাৰ ডা-ডাঙৰীয়াসকলে জীৱিকাৰ পথ হেৰুৱাইছিল, হাজাৰ হাজাৰ ঘৰুৱা কৰ্মচাৰী আৰু ৰক্ষীবাহিনীয়ে কৰ্ম সংস্থান হেৰুৱাইছিল, লগতে বণিক-বেপাৰী-পোহাৰী-কাৰিকৰৰ আয়ৰ পথ বন্ধ হৈ পৰিছিল। তদুপৰি মাটিগিৰি তালুকদাৰসকলে হেৰুৱাইছিল তেওঁলোকৰ অধীনত থকা প্ৰচুৰ ভূ-সম্পত্তি। সেই ভূ-সম্পত্তিসমূহ কোম্পানীৰ চৰকাৰে বাজেয়াপ্ত কৰিছিল। ভূ-সম্পত্তি হেৰুওৱা অযোধ্যাৰ তালুকদাৰসকল ৰাতিটোৰ ভিতৰতেই কোম্পানীৰ শাসনৰ দুৰ্ঘোৰ শত্ৰুত পৰিণত হৈছিল। অযোধ্যা কোম্পানীৰ ৰাজ্যভুক্ত হোৱাত কোম্পানীৰ বেংগল আৰ্মিৰ সৈনিকসকলো ক্ষতিগ্ৰস্ত হৈছিল, কিয়নো বেংগল আৰ্মিৰ অধিকাংশ সৈনিকেই আহিছিল অযোধ্যাৰ কৃষক পৰিয়ালৰপৰা।

এইবিলাকৰ ওপৰিও লৰ্ড ডেলহাউচিৰ আমোলত ইনাম কমিছনৰ (Inam Commission,1852) পৰামৰ্শ মৰ্মে মহাৰাষ্ট্ৰত মুঠতে ২০,০০০ জমিদাৰী বাজেয়াপ্ত কৰা হৈছিল। লৰ্ড ডেলহাউচিৰ এই কাৰ্যই পশ্চিম ভাৰতত কোম্পানীৰ শাসনৰ বিৰুদ্ধে জনসাধাৰণৰ ক্ষোভ যথেষ্ট পৰিমাণে বৃদ্ধি কৰিছিল।

তাৰো ভালেমান বছৰৰ পূৰ্বে ১৮৪৯ চনত লৰ্ড ডেলহাউচিয়ে ঘোষণা কৰিছিল যে বাহাদুৰ ছাহৰ মৃত্যুৰ পিচত তেওঁৰ উত্তৰাধিকাৰীয়ে দিল্লীৰ লাল কিল্লা (Red Fort)

পৰিত্যাগ কৰিব লাগিব আৰু লৰ্ড কেনিঙে কাৰ্যভাৰ গ্ৰহণ কৰিয়েই (১৮৫৬) ঘোষণা কৰিছিল যে বাহাদুৰ ছাহৰ পিচত মোগল ৰাজ পৰিয়ালৰ কোনেও আৰু ৰজা তথা ৰাজকীয় উপাধি ল'ব নোৱাৰিব।

এই ঘটনা-পৰিঘটনাবিলাকে পূৰ্বৰ ৰজা তথা শাসক কুলৰ লগতে তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল বিভিন্ন দেশীয় লোকৰ মাজত ইংৰাজৰ বিৰুদ্ধে এক ক্ৰমবৰ্দ্ধমান ৰাজনৈতিক বিচ্ছিন্নতাবোধৰ জন্ম দিছিল।

যি কোনো বিদ্ৰোহত সামৰিক বাহিনীৰ ভূমিকা সদায়েই গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। ১৮৫৭ চনৰ বিদ্ৰোহত অগ্ৰণী ভূমিকা লৈছিল কোম্পানীৰ চিপাহীসকলে। চিপাহীসকল আছিল ভাৰতীয় সমাজৰ অংশীদাৰ আৰু সেয়ে দেশীয় সামাজিক, ধৰ্মীয় আৰু সাংস্কৃতিক প্ৰমূল্য আৰু পৰম্পৰাৰ প্ৰতি তেওঁলোকৰ স্বাভাৱিক আনুগত্য আছিল। যিহেতু তেওঁলোক ভাৰতীয সমাজখনৰ অংশীদাৰ আছিল, সেয়ে কোম্পানীৰ আমোলত তেওঁলোক আছিল ভাৰতীয়সকলৰ সুখ-দুখৰ সমভাগী। সামৰিক বাহিনীত কাম কৰিলেও চিপাহীসকলে নিজ নিজ ধৰ্মীয় অনুশাসন মানি চলাৰ পক্ষপাতী আছিল। সেই অনুপাতে তেওঁলোকে কপালত তিলক-ফোঁট-ৰেঘা, মূৰত পাগুৰী, আৰু মুখ মণ্ডলত দাৰী ৰাখি ভাল পাইছিল আৰু ৰাখিব বিচাৰিছিল। হিন্দু চিপাহীসকলে বিশেষকৈ সাগৰ যাত্ৰা ধৰ্ম বিৰুদ্ধ বুলি বিবেচনা কৰি তাৰপৰা নিষ্কৃতি পোৱাতো পছন্দ কৰিছিল। কিন্তু ১৮৫৬ চনত গ্ৰহণ কৰা এখন সামৰিক আইনৰ জড়িয়তে নৱ নিযুক্ত সামৰিক লোকৰ বাবে সাগৰ যাত্ৰা বাধ্যতামূলক কৰা হৈছিল।

তদুপৰি ভাৰতীয চিপাহীয়ে ইংৰাজ বা ইয়োৰূপীয সৈনিকৰ সমানুপাতিক হাৰত দা-দৰমহা নাপাইছিল, পদোন্নতিৰ ক্ষেত্ৰতো তেওঁলোকক প্ৰাপ্য সুবিধাৰপৰা বঞ্চিত কৰা হৈছিল। অযোধ্যাৰ দখল কাৰ্যই বেংগল আৰ্মিৰ চিপাহীসকলক ভীষণভাৱে অসন্তুষ্ট কৰি তুলিছিল। কিয়নো তাৰ দ্বাৰা তেওঁলোকৰ পৰিয়াল-পৰিজনো বিপুল আৰ্থিক ক্ষতিৰ সন্মুখীন হৈছিল। আনহাতে সিন্ধু আৰু পাঞ্জাবত কৰ্মৰত চিপাহীয়ে বিদেশী সেৱাৰ বাবদ পাবলগীয়া ভাট্টা বাতিল কৰাত ভাৰতীয় চিপাহীসকলৰ মাজত অসন্তুষ্টি বৃদ্ধি পাইছিল। অৱশ্যে ইতিপূৰ্বে প্ৰথম ইংগ-আফগান যুদ্ধ (১৮৩৮-৪২) আৰু ক্ৰিমিয়াৰ যুদ্ধত (১৮৫৪-৫৬) ইংৰাজ সৈনিকে সন্মুখীন হোৱা বিপৰ্যয়ে ভাৰতীয় চিপাহীসকলৰ বৃটিশ বিৰোধী মনোবল যথেষ্ট বৃদ্ধি কৰি তুলিছিল। বিদ্ৰোহ আৰম্ভ হোৱা বছৰটোতভাৰতবৰ্ষত৩,১১,০০০ তিনি লাখ এঘাৰ হাজাৰ চিপাহীৰ বিপৰীতে মাত্ৰ ৪০,১৬০ চল্লিশ হাজাৰ একশ বাঠিজন ইংৰাজ তথা ইয়োৰূপীয় সৈনিক আৰু ৫,৩৬২ জন ইংৰাজ বিষয়াৰ অৱস্থানেও ভাৰতীয় চিপাহীসকলৰ মানসিক স্থিতি সবল কৰি তুলিছিল। গতিকে কোম্পানীৰ বিৰুদ্ধে বিদ্ৰোহ

আৰম্ভ কৰাটো তেওঁলোকৰ বাবে এটি সময়ৰ প্ৰশ্ন হৈ পৰিছিল।

বিদ্ৰোহৰ অন্যতম কাৰণ আছিল ধৰ্মীয় আৰু সাংস্কৃতিক। কোম্পানীৰ ৰাজ্য বিস্তাৰ আৰু তাৰ সম্প্ৰসাৰণৰ সৈতে সংগতি ৰাখি নতুন শাসন ব্যৱস্থা প্ৰবৰ্তন কৰা হৈছিল। সেই শাসন ব্যৱস্থা প্ৰবৰ্তন কৰাৰ প্ৰায় লগে লগেই খৃষ্টান ধৰ্ম প্ৰচাৰকসকলে (Christian Missionaries) আহি লাহে লাহে ভাৰতবৰ্ষত খৃষ্টান ধৰ্ম প্ৰচাৰ কৰিবলৈ লৈছিল। ভাৰতবৰ্ষত খৃষ্টান ধৰ্মৰ প্ৰচাৰ আৰু তাৰ সম্প্ৰসাৰণৰ ফলত হিন্দু আৰু মুছলমান উভয় সম্প্ৰদায়ৰ লোকেই নিজ নিজ ধৰ্ম বিশ্বাস হেৰুৱাব বুলি শঙ্কিত হৈ পৰিছিল। চৰকাৰী পৃষ্ঠপোষকতা পাই খৃষ্টান মিছনাৰীসকলে বহু ঠাইতে হস্পিতাল, স্কুল-কলেজ, গীৰ্জা গঢ়ি তুলিছিল। কোম্পানীৰ আমোলত খৃষ্টান ধৰ্মৰ প্ৰচাৰ আৰু ৰাজদণ্ড একেটা মুদ্ৰাৰে দুটা পিঠি আছিল। চৰকাৰী প্ৰচেষ্টাতেই পাঞ্জাবৰ মহাৰাজা ৰণজিৎ সিঙৰ নাবালক পুত্ৰ দিলীপ সিং আৰু কুৰ্গৰ ৰাজকুমাৰীক খৃষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত কৰা কাৰ্যই চৰকাৰৰ মতলব সম্পৰ্কে দেশীয় লোকৰ মাজত সন্দেহৰ সৃষ্টি কৰিছিল।

দেশীয় ধৰ্ম বিশ্বাস, মূৰ্ত্তি পূজা, আচাৰ-অনুষ্ঠান, ঐতিহ্য-পৰম্পৰা খৃষ্টান ধৰ্ম প্ৰচাৰকসকলৰ ঠাট্টা-মস্কৰা আৰু উপলুঙাৰ বিষয় হৈ পৰিছিল। প্ৰতিকূল পৰিবেশত খৃষ্টান ধৰ্ম প্ৰচাৰ কৰোঁতে পাব পৰা সাম্ভাব্য বিপদৰপৰা হাত সাৰিবলৈ চৰকাৰে মিছনাৰী-সকলক নিৰাপত্তা ৰক্ষী দি কৃতাৰ্থ কৰিছিল। নিজ ধৰ্ম পৰিত্যাগ কৰি খৃষ্টান ধৰ্মত দীক্ষা লোৱা লোকে ৰক্ষণশীল ভাৰতীয় সমাজৰপৰা যথেষ্ট বাধাৰ সন্মুখীন হ'ব লাগিছিল। কোনো কোনো ক্ষেত্ৰত তেনে লোকক জুই-পানীৰপৰা আলাগ কৰাকে ধৰি পৈতৃক সা-সম্পত্তিৰ উত্তৰাধিকাৰৰপৰাও বঞ্চিত কৰা হৈছিল। ভাৰতীয় লোকৰ খৃষ্টান ধৰ্মলৈ ধৰ্মান্তকৰণ প্ৰক্ৰিয়াত সহায় কৰাৰ অভিপ্ৰায়েৰে চৰকাৰে ১৮৫০ চনত এখন আইন প্ৰহণ কৰিছিল। এই আইনৰ অধীনত খৃষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত লোকে পৈতৃক সা-সম্পত্তি লাভ কৰাৰ অধিকাৰ প্ৰদান কৰা হৈছিল।

এইবিলাককাৰ্যই ইংলেণ্ডতযথেষ্ট উৎসাহ-উদ্দীপনাৰ সৃষ্টি কৰিছিল। বিদ্ৰোহ সংঘটিত হোৱা বছৰটোতে বৃটিশ সংসদত এজন সাংসদে আনন্দৰে সৈতে উল্লেখ কৰিছিল যে ভগৱানে ভাৰতবৰ্ষখন ইংলেণ্ডৰ সৈতে এই কাৰণেই চামিল কৰিছে যাতে ভাৰতবৰ্ষৰ ইমূৰৰপৰা সিমূৰলৈ খৃষ্টান ধৰ্মৰ জয় সম্পাদিত হয়। তাৰ বাবে সকলোৱে যাতে নিজ নিজ শক্তি সামৰ্থ অনুযায়ী ভাৰতবৰ্ষক খৃষ্টান ধৰ্মৰ অধীনলৈ আনিবলৈ কাম কৰি যায় তেওঁ তাকে আশা কৰিছিল।

ভাৰতীয় মানুহক খৃষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত কৰিব বুলি ভয় কৰাৰ অন্য এটি কাৰণ আছিল মঠ-মন্দিৰ-মছজিদৰ অধীনত থকা নিষ্কৰ ভূ-সম্পত্তিৰ ওপৰত বহুওৱা খাজনা।

প্ৰাচীন আৰু মধ্য যুগত দেশীয় শাসনকৰ্তাসকলে মঠ-মন্দিৰ-মছজিদ আৰু পণ্ডিত-পুৰোহিত-পীৰ আদিৰ পৰিচালনা আৰু ভৰণ-পোষণৰ বাবে নিষ্কৰ ভূ-সম্পত্তি দান কৰিছিল। কোম্পানীৰ চৰকাৰে সেইবিলাকৰপৰাও ভূমি ৰাজস্ব আদায় কৰাত ভাৰতীয় লোক ভীত-সন্ত্ৰস্ত হৈ পৰিছিল।

এই ভীতি শিক্ষা ক্ষেত্ৰলৈও সম্প্ৰসাৰিত হৈ পৰিছিল। পৰম্পৰাগতভাৱে চলি অহা দেশীয় শিক্ষা ব্যৱস্থাত ব্ৰাহ্মণ-পুৰোহিত, মোল্লা-মৌলবীৰ যথেষ্ট প্ৰাধান্য আছিল, কোম্পানীৰ আমোলত প্ৰবৰ্তিত শিক্ষা ব্যৱস্থাত তাৰ পৰিবৰ্তন ঘটিল। শিক্ষক হিচাপে তেওঁলোকৰ কোনো গুৰুত্বই নোহোৱা হৈ পৰিল। চৰকাৰী অনুদান প্ৰাপ্ত শিক্ষানুষ্ঠানত সংস্কৃত, আৰবী, পাৰ্চী আদি ধ্ৰুপদী ভাষাৰ বিপৰীতে ইংৰাজী ভাষাক শিক্ষাৰ মাধ্যম কৰি তোলাত ভাৰতীয় লোকৰ মনত এই ধাৰণা বদ্ধমূল হৈছিল যে ইংৰাজে দেশীয় লোকসকলক খৃষ্টান কৰিবলৈহে তেনে কৰিছিল। মিছনাৰীসকলে পৰিচালনা কৰা স্কুল-কলেজ বহু ক্ষেত্ৰতে দেশীয় লোকৰ ঘৃণাৰ পাত্ৰ হৈছিল।

এইদৰে ধৰ্মীয়-সাংস্কৃতিক দিশতো কোম্পানীৰ চৰকাৰৰ বিৰুদ্ধে ক্ষোভ পুঞ্জীভূত হৈছিল।

(ঘ) বিদ্ৰোহৰ তাৎক্ষণিককাৰণ ঃ

১৮৫৭ চনৰ বিদ্ৰোহৰ তাৎক্ষণিক কাৰণ আছিল এনফিল্ড ৰাইফলৰ গুলী। এই বিধ গুলী বন্দুকত ভৰোৱাৰ আগতে দাঁতেৰে কামুৰি তাৰ পেকেটটো খুলিব লাগিছিল। গুলিসমূহত চৰ্বী জাতীয় এবিধ পিচল বস্তু মিহলাই দিয়া হৈছিল। এই পিচল সংমিশ্ৰণ বিধ গাহৰী আৰু গৰুৰ চৰ্বীৰ দ্বাৰা তৈয়াৰ কৰা হৈছিল বুলি প্ৰচাৰ হৈছিল। গাহৰী মুছলমানৰ আৰু গৰু হিন্দুৰ অভক্ষ্য আছিল যিহেতু দুয়োটা সম্প্ৰদায় ভুক্ত চিপাহীসকলে তাক ব্যৱহাৰ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰিছিল। কিয়নো তেওঁলোকে বিশ্বাস কৰিছিল যে এই কাৰ্যৰ দ্বাৰা ইংৰাজে দেশীয় চিপাহীসকলৰ ধৰ্ম নষ্ট কৰিবলৈ বিচাৰিছিল।

১৮৫৭ চনৰ ২৩ জানুৱাৰী তাৰিখে বংগদেশৰ দমদমৰ সেনা ছাউনীত থকা চিপাহীসকলে পোনতে এই বিধ গুলী ব্যৱহাৰ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰিছিল। সেই গুলী ব্যৱহাৰ কৰিবলৈ দিয়াৰ প্ৰতিবাদত ২৯ মাৰ্চত বৰাকপুৰৰ সেনা ছাউনীত মঙ্গল পাণ্ডে ইয়োৰুপীয় সামৰিক বিষয়া এজনক আক্ৰমণ কৰি আঘাত কৰিছিল। বৃটিশে মঙ্গল পাণ্ডেক তাৰ কাৰণে মৃত্যু দণ্ডেৰে দণ্ডিত কৰি মাৰিছিল আৰু দুটা দেশীয় পদাতিক বাহিনী ভঙ্গ কৰি দিছিল। উক্ত দুয়োটা পদাতিক বাহিনীৰ চিপাহীসকল আছিল অযোধ্যাৰ। চাকৰী হেৰুওৱা এই চিপাহীসকলে নিজ গৃহ ভূমিলৈ গৈ তাত সামৰিক বাহিনীত প্ৰবৰ্তন কৰা

আপত্তিজনক নতুন গুলী আৰু মঙ্গল পাণ্ডেৰ বিদ্ৰোহৰ কথা-কাহিনী সদৰি কৰে। অতি সোনকালে অযোধ্যাৰ অন্যান্য ঠাইৰ লগতে মিৰাটতো নতুন গুলি আৰু মঙ্গল পাণ্ডেৰ কথা সদৰি হৈ পৰে। মিৰাটত থকা অশ্বাৰোহী বাহিনীৰ ৯০ জন সৈনিকৰ ভিতৰত ৮৫ জনেই নতুন গুলী-বন্দুকব্যৱহাৰ কৰাৰ ক্ষেত্ৰত অনিচ্ছা প্ৰকাশ কৰে। তেওঁলোক প্ৰত্যেককে সামৰিকআদালতত বিচাৰ কৰি দহ বছৰলৈ কাৰাদণ্ড দিহে।

এই ঘটনাৰ পৰিণতি স্বৰূপে মিৰাটত থকা সামৰিক বাহিনীৰ লোকৰ মাজত ইংৰাজ বিৰোধী উত্তেজনা দুগুণে বৃদ্ধি পাই আহে আৰু ১০ মে' তাৰিখ ৰবিবাৰে প্ৰায় কেবা শ অশ্বাৰোহী বাহিনীৰ লোকে সামৰিক অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত হৈ জেইললৈ গৈ তেওঁলোকৰ সহকৰ্মীসকলৰ লগতে অন্যান্য কাৰাবন্দীসকলক মুকলি কৰি দিয়ে। এই ঘটনাৰ লগে লগে মঙ্গল পাণ্ডে সূচনা কৰা বিদ্ৰোহে সামৰিক বাহিনীৰ সমৰ্থন লাভ কৰিবলৈ সক্ষম হয়।

এই ঘটনাক অনুসৰণ কৰি বেংগল আৰ্মিৰ সকলো দেশীয় চিপাহীয়েই এক সৰ্বাত্মক বিদ্ৰোহত মিলিত হৈ পৰে। কোম্পানীৰ বিৰুদ্ধে সামৰিক বাহিনীৰ লোকে বিদ্ৰোহত চামিল হোৱাত তেওঁলোকক অনুসৰণ কৰি হাজাৰ হাজাৰ সাধাৰণ ভাৰতীয় লোকেও বৃটিশ বিৰোধী বিদ্ৰোহত অংশ গ্ৰহণ কৰে। ফলত বিদ্ৰোহ অকল সামৰিক লোকৰ মাজতে সীমিত হৈ নাথাকি দেশৰ সাধাৰণ লোকৰ বিদ্ৰোহলৈ উন্নীত হয়। অৰ্থাৎ যতেই সামৰিক বাহিনীৰ লোকে বিদ্ৰোহত নামি পৰিছে তাতেই তেওঁলোকৰ সমৰ্থনত সাধাৰণ নাগৰিক, কৃষক, সমাজৰ অন্যান্য অংশৰ শ্ৰমজীৱী লোক আৰু ৰাজ্য আৰু পেঞ্চন হেৰুওৱা ৰজা, ৰজা-পোৱালী, সম্ভ্ৰান্ত শ্ৰেণীৰ লোক, জমিদাৰ, তালুকদাৰ, পণ্ডিত-পুৰোহিত-মোল্লা-মৌলবী আদিয়ে স্বেচ্ছা-প্ৰণোদিতভাৱে বিদ্ৰোহৰ অংশীদাৰত পৰিণত হৈছিল।

গতিকে দেখা যায় যে ১৮৫৭ চনৰ বিদ্ৰোহ সংঘটিত হোৱাত এনফিল্ড ৰাইফৰ গুলীৰ যথেষ্ট অৱদান আছিল, এই গুলীৰ প্ৰবৰ্তনে ভাৰতবৰ্ষত বৃটিশসকলক বাৰুকৈয়ে বিপৰ্যস্ত কৰিছিল। বাহাদুৰ ছাহে তলত উল্লেখ কৰা কবিতা ফাকিত কৈছিল যে যি ইংৰাজে ৰাচিয়া আৰু ইৰাণক পৰাভূত কৰা বুলি ফিতাহি মাৰিছিল, সেই ইংৰাজকে ভাৰতবৰ্ষত এনফিল্ড ৰাইফৰ নতুন গুলীয়ে সাময়িকভাৱে হলেও ধাৰাশায়ী কৰিছিল-

না ইৰাণ নে কিয়া না ছাহ ৰুচনে

অংগ্ৰেজ কো তাবাহ কিয়া কাৰ্তোজ নে

(ঙ) বিদ্ৰোহৰ বিস্তৃতি, সম্প্ৰসাৰণ আৰু নেতৃত্ব :

মিৰাটত বিদ্ৰোহ সংঘটিত কৰি চিপাহীসকলে দিল্লীলৈ যাত্ৰা কৰে আৰু মোগল ৰাজ পৰিয়ালৰ লোক আবু জাফৰ মোহাম্মদ ছিৰাজুদ্দিনবাহাদুৰ ছাহ যাজী অৰ্থাৎ বাহাদুৰ

ছাহক ভাৰতৱৰ্ষৰ সম্ৰাটৰূপে ঘোষণা কৰে। মোগল সম্ৰাটজন দেশৰ ৰাষ্ট্ৰীয় সংহতিৰ প্ৰতীক আছিল আৰু বাহাদুৰ ছাহক ভাৰতৱৰ্ষৰ সম্ৰাটৰূপে ঘোষণা কৰাৰ লগে লগে বিদ্ৰোহে এটি নতুন ৰাজনৈতিক মাত্ৰা লাভ কৰে। তেতিয়া বাহাদুৰ ছাহৰ বয়স আছিল ৮২ বছৰ। বিদ্ৰোহৰ পূৰ্বৰেপৰা তেওঁ বৃটিশৰপৰা বাৰ্ষিক এক লাখ টকাৰ পাৰিতোষিক লাভ কৰিছিল আৰু তেওঁ ৰাণী জিন্নট মহল আৰু এটি পুত্ৰ সন্তানৰ সৈতে দিল্লীৰ লাল কিল্লাতে থাকিবলৈ লৈছিল।

বিদ্ৰোহী চিপাহীসকলে বাহাদুৰ ছাহক সম্ৰাট তথা বিদ্ৰোহৰ নেতা মানি লৈছিল যদিও দিল্লীতবিদ্ৰোহৰ প্ৰকৃত নেতা বা বিদ্ৰোহীসকলৰ সেনাধ্যক্ষ আছিল বখট খাঁ। তেওঁ ইংৰাজৰ বিৰুদ্ধে যুদ্ধ কৰি ১৮৫৯ চনৰ ১৩ মে' তাৰিখে মৃত্যু বৰণ কৰিছিল।

মিৰাটত সংঘটিত বিদ্ৰোহ অতি সোনকালেই সমগ্ৰ উত্তৰ ভাৰতত আৰুপৰ্যায়ক্ৰমে ই কম-বেছি পৰিমাণে সমগ্ৰ ভাৰতবৰ্ষতে বিয়পি পৰিছিল। সম্বলপুৰ, ছোটনাগপুৰ, হাজাৰীবাগ, ৰাঁচী, সিংভূম, অযোধ্যা, ৰোহিলখণ্ড, বুন্দেলখণ্ড, আগ্ৰা, এলাহাবাদ, সম্বল তথা চাওতাল পৰগণা, পূৰ্ণিয়া, চম্পাৰণ, চাহাবাদ, পাটনা, গয়া, বেনাৰছ, আজমগড়, গোৰখপুৰ, কানপুৰ, লক্ষ্ণৌ, মথুৰা, প্ৰয়াগ, দিল্লী, হিছাৰ, ৰোহতক, বুলান্দচহৰ, বাগপত, আলিগড, ছাহৰাণপুৰ, মৈইনপুৰি, ইটৱা আদি অঞ্চলত বিদ্ৰোহৰ তীব্ৰতাই ভালেমান মাহলৈ কোম্পানীৰ শাসনৰ অস্তিত্ব নোহোৱা কৰি পেলাইছিল। মধ্য ভাৰতত ঝান্সী, সৌগড়, জব্বলপুৰ, নাগপুৰ, গোৱালিয়ৰ, ইন্দোৰ, ভূপাল, মান্দাসোৰ, ধৰ আদি বিদ্ৰোহৰ প্ৰধান কেন্দ্ৰ আছিল। পশ্চিম ভাৰতৰ মহাৰাষ্ট্ৰ, মালৱা, সিন্ধু, দক্ষিণ ভাৰতত মাদ্ৰাজ আৰু হায়দাৰাবাদতো বিদ্ৰোহৰ উকমুকনি উঠিছিল। এই বিদ্ৰোহৰ প্ৰভাৱৰপৰা তেতিয়া অসমো বাদ পৰা নাছিল।

১৮৫৭ চনৰ বিদ্ৰোহৰ নেতৃত্ব দিছিল মূলতঃ দেশীয় চিপাহীসকলে। তেওঁলোকৰ লগত যুক্ত হৈছিল দেশৰ বিভিন্ন অঞ্চলৰ ৰজা আৰু পেঞ্চন হেৰুওৱা ৰজা, ৰজা-পোৱালি, নবাব-জমিদাৰ, ডা-ডাঙৰীয়া শ্ৰেণীৰ লোক, পণ্ডিত-পুৰোহিত-মোল্লা-মৌলবী, সাধাৰণ কাৰিকৰ, কৃষক আদি। বিদ্ৰোহত অংশ লোৱা প্ৰতিটো সামাজিক শ্ৰেণীৰে কোম্পানীৰ চৰকাৰৰ বিৰুদ্ধে কিবা নহয় কিবা এটা অভিযোগ তথা বিদ্বেষভাব আছিল। এই বিদ্বেষভাবে তেওঁলোকক কোম্পানীৰ চৰকাৰৰ বিৰুদ্ধে একত্ৰিত হৈ কোম্পানীৰ চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহত অংশ ল'বলৈ প্ৰৰোচিত কৰিছিল। বিদ্ৰোহৰ প্ৰথম নেতা আৰু শ্বহীদ আছিল মঙ্গল পাণ্ডে। বাহাদুৰ ছাহক হিন্দুস্তানৰ সম্ৰাট ঘোষণা কৰিছিল যদিও বাৰ্দ্ধক্যৰ বাবে তেওঁ বিদ্ৰোহীসকলক ইংৰাজৰ বিৰুদ্ধে নেতৃত্ব দিব পৰা নাছিল। দিল্লীত সেয়ে বিদ্ৰোহৰ নেতৃত্ব

দিছিল বখ্‌ট খাঁই। অৱশ্যে বিদ্ৰোহৰ ৰাজনীতিত বাহাদুৰ ছাহৰ নামটোৱে যথেষ্ট কাম দিছিল।

সম্বলপুৰত তাৰ ৰজা পোৱালী সুৰেন্দ্ৰ ছাহী আৰু উজ্জ্বল ছাহীয়ে বিদ্ৰোহৰ নেতৃত্ব দিছিল। জগদিশপুৰৰ কোঁৱৰ সিং এজন ৰাজপুত জমিদাৰ আছিল। তেওঁ সেই অঞ্চলৰ বিদ্ৰোহৰ প্ৰধান নেতা হোৱাৰ ওপৰিও তেওঁ হাজাৰীবাগ, সিংভূম, ৰাঁচী, ছাহাবাদ, পাটনা, গয়া, বেৰা, বান্দা, কাল্পী আৰু কানপুৰ অঞ্চলতো বিদ্ৰোহৰ নেতৃত্ব দিছিল আৰু সুবিধা বুজি নানা চাহেবকো সাহায্য দিছিল। বিদ্ৰোহৰ সময়ত তেওঁৰ বয়স আছিল ৮০ বছৰ। তথাপিও তেওঁ আছিল বিদ্ৰোহৰ অন্যতম বিচক্ষণ সামৰিক নেতা আৰু সমৰ কুশলী ব্যক্তি। ১৮৫৮ চনৰ ২৭ এপ্ৰিল তাৰিখে তেওঁ বিহাৰৰ জগদীশপুৰত ইংৰাজৰ বিৰুদ্ধে যুদ্ধ দি প্ৰাণ আহুতি দিছিল। এজন প্ৰখ্যাত আৰু পাকৈত গৰিলা যোদ্ধাৰূপেও তেওঁৰ খ্যাতি আছিল। কোঁৱৰ সিঙৰ ভাতৃ অমৰ সিঙও বিদ্ৰোহৰ এজন প্ৰখ্যাত নেতা আছিল আৰু কোঁৱৰ সিঙৰ মৃত্যুৰ পিচত তেঁৱেই ককায়েকৰ অনুগামীসকলক নেতৃত্ব দিছিল। বিহাৰৰ পাটনা অঞ্চলত কোঁৱৰ সিঙৰ ওপৰিও পিৰ আলি, ইউচুফ আলি আদিয়ে সেই অঞ্চলৰ ৰাজপুত আৰু মুছলমান জমিদাৰসকলক একত্ৰিত কৰি বিদ্ৰোহত নেতৃত্ব দিছিল।

মিৰাটত বিদ্ৰোহ সংঘটিত হোৱাৰ লগে লগে সমগ্ৰ উত্তৰ প্ৰদেশতে সাধাৰণ লোকে বিদ্ৰোহত মিলিত হৈ পৰিছিল। সাধাৰণ লোকক বিদ্ৰোহত চামিল কৰাবলৈ তাৰ মৌলবী আৰু পণ্ডিত-পুৰোহিতসকলে বিশেষভাৱে চেষ্টা কৰিছিল। তেওঁলোকৰ নেতৃত্বতেই জাত, গুজৰ, চৌহান, বৈশ্য, ৰোহিলা আদি সমাজৰ বিভিন্ন অংশৰ লোকে বিদ্ৰোহতঅংশ গ্ৰহণ কৰিছিল। উত্তৰ প্ৰদেশৰ ফৈজাবাদত ৰাণা বেণী মাধৱ সিং, গোৰখপুৰত গজাধৰ সিং আৰু মহম্মদ হাছান খাঁই হাজাৰ হাজাৰ লোকক বিদ্ৰোহত নেতৃত্ব দিছিল। ৰোহিলখণ্ডত বিদ্ৰোহৰ নেতৃত্ব দিছিল খাঁ বাহাদুৰ খাঁই। বেৰেলী, ৰামপুৰ, মুৰাদাবাদ, বদাউন, আমৰোহী, ছাজাহানপুৰ, ফাৰুখাবাদ, ছিতাপুৰ আদিত বিদ্ৰোহৰ নেতৃত্বত আছিল নৱাব তফজ্জুল হুছৈন খাঁ।

এলাহাবাদতস্বতস্ফূৰ্তভাৱে বিদ্ৰোহ সংঘটিত হৈছিল যদিও মৌলবী লিয়াকত আলিয়ে নেতৃত্ব লোৱাৰ পিচৰপৰা সেই অঞ্চলত বিদ্ৰোহৰ তীব্ৰতা বৃদ্ধি পাইছিল। লগে লগে ফতেহপুৰ, বান্দা, হামিৰপুৰ আদি অঞ্চলতো বিদ্ৰোহে মূৰ দাঙি উঠে আৰু বিদ্ৰোহৰ সকলো গোট লিয়াকত আলিৰ নেতৃত্বতএলাহাবাদৰ বিদ্ৰোহৰ সৈতে চামিল হৈ পৰে।

বান্দা আৰু ঝান্সী আছিল মাৰাঠা ৰাজ্য। ঝান্সীৰ ৰজা গঙ্গাধৰ ৰাওৰ অপুত্ৰক অৱস্থাত মৃত্যু হোৱাত লৰ্ড ডেলহাউচিয়ে স্বত্ব বিলোপ নীতিৰ অধীনত ঝান্সী ৰাজ্য কোম্পানীৰ

ৰাজ্যভুক্ত কৰিছিল। অন্যত্ৰ সূচনা হোৱা বিদ্ৰোহৰ সুযোগ লৈ ৰাণী লক্ষ্মীবাইয়ে নিজ ৰাজ্য উদ্ধাৰৰ আশাত কোম্পানীৰ বিৰুদ্ধে বিদ্ৰোহত লিপ্ত হৈ পৰে। ৰাণীৰ তলতীয়া কৰ্মচাৰী লচমন ৰাওৱে ৰাজ্যত থকা ভালেমান ইংৰাজ বিষয়াক হত্যা কৰাত মুখ্য ভূমিকা লৈছিল। গোৱলিয়ৰৰ ২০,০০০ সৈনিকে তাঁতীয়া টোপী আৰু ৰাণী লক্ষ্মীবাইৰ সমৰ্থনত বিদ্ৰোহত মিলিত হৈছিল। ৰাণীয়ে নিজেও ইংৰাজৰ বিপক্ষে বিদ্ৰোহীসকলক দক্ষতাৰে নেতৃত্ব দি বীৰত্বৰ পৰিচয় দিছিল। তেওঁ ১৮৫৮ চনৰ ১৭ জুন তাৰিখে ৰণ ক্ষেত্ৰতে ইংৰাজৰ হাতত প্ৰাণ বলি দিছিল।

বান্দাত বিদ্ৰোহৰ নেতৃত্ব দিছিল তাৰ নবাবজনে।

নবাব ৱাজিদ আলি ছাহকবিতাড়িত কৰি লৰ্ড ডেলহাউচিয়ে অযোধ্যা দখল কৰাত অযোধ্যা আৰু তাৰ আশে-পাশে ইংৰাজ বিৰোধী মনোভাৱে জনসাধাৰণৰ মন উতলা কৰি থৈছিল। ফৈজাবাদৰ মৌলবী আহমদ উল্লা ছাহে ১৮৫৬-৫৭ চনৰ শীতকালত ওচৰ-পাজৰৰ সকলো অঞ্চলতে ভ্ৰমণ কৰি মানুহৰ মন বিদ্ৰোহাত্মক কৰি তুলিছিল। ফলত ১৮৫৭ চনৰ মে' মাহৰপৰা জুন মাহৰ ভিতৰত লক্ষ্ণৌ, ছিতাপুৰ, মাহমুদী, লখিমপুৰ ফৈজাবাদ, চুলতানপুৰ, গোন্দা আদি সকলোতে বিদ্ৰোহৰ দাবানল জ্বলি উঠিছিল। বিদ্ৰোহীসকলে ৱাজিদ আলি ছাহৰ এঘাৰ বছৰীয়া পুত্ৰ ব্ৰিজিছ কাদিৰক অযোধ্যাৰ নবাব পাতি মাকহজৰত মহলক তেওঁৰ অভীকত্ৰী পাতিছিল। হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ লোকে এই বিদ্ৰোহত একত্ৰে বৃটিশৰ বিৰুদ্ধে পৰম বিক্ৰমেৰে যুঁজিছিল। মৌলবী আহমদ উল্লা ছাহ ফৈজাবাদ, অযোধ্যা, ৰোহিলখণ্ডত বিদ্ৰোহৰ অদ্বিতীয় নেতা আছিল। পোৱাইনৰ ৰজাজনে এক ষড়যন্ত্ৰৰ জড়িয়তে তেওঁক হত্যা কৰিছিল আৰু তাৰ বাবে তেওঁ কোম্পানীৰ চৰকাৰৰপৰা ৫০,০০০ টকাৰ পুৰস্কাৰ লাভ কৰিছিল। তেওঁ একেধাৰে এজন দুৰন্ত সাহসী লোক হোৱাৰ ওপৰিও আছিল এজন উচ্চ পৰ্যায়ৰ সমৰ কুশলী ব্যক্তি আৰু পৰম দেশভক্ত লোক। আনকি বৃটিশ সামৰিক বিষয়া জি বি মেলছনেও তেওঁৰ উক্ত গুণাৱলী আৰু চাৰিত্ৰিক বৈশিষ্ট্যৰ ভূয়সী প্ৰশংসা কৰি গৈছে।

অযোধ্যাৰ ৰাজধানী লক্ষ্ণৌতবিদ্ৰোহৰ পোনতে নেতৃত্ব দিছিল ৱাজিদ আলি ছাহৰ বেগম হজৰত মহলে। তাত তেঁৱেই আছিল বিদ্ৰোহৰ কেন্দ্ৰীয় শক্তি আৰু উদ্যোক্তা। বিদ্ৰোহী চিপাহীসকলে ১৮৫৮ চনৰ ৩০ জুন তাৰিখে লক্ষ্ণৌৰ বৃটিশ নিবাসটো অৱৰোধ কৰে। এই নিবাসটোতসামৰিক আৰু অসামৰিক বহু ইংৰাজলোকে আশ্ৰয় লৈ আছিল। এই অৱৰোধ কাৰ্য প্ৰতিহত কৰিবলৈ চেষ্টা কৰি বৃটিশ ৰাজনৈতিক বিষয়া ছাৰ হেনৰী লৰেঞ্চ মৃত্যু মুখত পৰে। তেওঁৰ পিচত হেভলকো ব্যৰ্থ হোৱাত আউটৰামক দায়িত্ব

দিয়াত তেওঁ বিদ্রোহীসকলকবিতাড়িতকৰিবলৈ সক্ষম হয়। বিদ্রোহীসকলে পশ্চাদাপসাৰণ কৰাত বেগম হজৰত মহলে নিৰাপত্তাৰ বাবে নেপালত প্ৰবেশ কৰে। অযোধ্যাত বিদ্রোহ ইমান তীব্র আছিল যে তাত বৃটিশৰ বিৰুদ্ধে যুঁজ দি মৃত্যু বৰণ কৰা ১,৫০,০০০ জন বিদ্রোহীৰ ভিতৰতসাধাৰণ নাগৰিকেই আছিল ১,০০,০০০।

কানপুৰত বিদ্রোহৰ নেতৃত্ব দিছিল পেছোৱা দ্বিতীয় বাজী ৰাওৰ তোলনীয় পুত্ৰ নানা চাহেবে, তেওঁৰ ৰাজনৈতিক পৰামৰ্শদাতা আছিল আজিমুল্লা খাঁ আৰু সামৰিক সহযোগী আৰু যোদ্ধা তাঁতীয়া টোপী। তেওঁ কানপুৰৰপৰা ইংৰাজসকলক সমূলঞ্চে বিতাড়িত কৰি নিজকে পোছোৱা বুলি ঘোষণা কৰিছিল। পিচত তেওঁ নিজকে বাহাদুৰ ছাহৰ তলতীয়া চুবেদাৰৰূপেও স্বীকৃতি দিছিল। বিদ্রোহত পৰম বিক্রমেৰে নেতৃত্ব দিছিল যদিও কানপুৰত পৰাজয় বৰণ কৰাৰ পিচত নানা চাহাবে ১৮৫৯ চনৰ আদি ভাগতে নেপালৰ অৰণ্যত আশ্ৰয় লৈছিলগৈ। ইফালে তেওঁৰ সহযোদ্ধা তাঁতীয়া টোপীয়ে ইংৰাজৰ হাতত হাৰ মানি মধ্য ভাৰতৰ অৰণ্যত আশ্ৰয় লয় আৰু তাৰেপৰা ইংৰাজৰ বিৰুদ্ধে গৰিলা যুদ্ধত লিপ্ত হৈ পৰে। কিন্তু বন্ধু জমিদাৰ এজনৰ বিশ্বাসঘাটকতাৰ বাবে ৰাতি শুই থকা অৱস্থাত তেওঁ শত্ৰু পক্ষৰ হাতত ধৰা পৰে। ইংৰাজে তেওঁৰ বিৰুদ্ধে ততাতৈয়াকৈ বিচাৰ চলাই ৰাজদ্ৰোহৰ অপৰাধত ১৮৫৯ চনৰ ১৫ এপ্ৰিল তাৰিখে তেওঁক ফাঁচী দি মাৰে। দেশীয় শত্ৰুৰ বিশ্বাসঘাটকতাৰ কাৰণে তাঁতীয়া টোপীৰ দৰে এজন উচ্চ খাপৰ সমৰ কুশলী আৰু দেশপ্ৰেমিক লোকৰ প্ৰাণ হানি হৈছিল।

সিন্ধু প্ৰদেশত ছাহজাদা পিৰ মহম্মদ, ইমাম বকস আৰু আলিফ খাঁই মিলিত হৈ ইংৰাজক খেদি নিজ ৰাজ্য মুক্ত কৰাৰ চেষ্টা কৰিছিল।

মহাৰাষ্ট্ৰত ৰংগ বাপুজী গুপ্তে নামে এজন বিলাত ফেৰৎ উকিলে ধাৰৱাৰ, ছাতাৰা, কোহলাপুৰ আদিত সৈনিক সংগ্ৰহ কৰি জুন আৰু জুলাই মাহত যথাক্ৰমে ছাতাৰা আৰু পান্ধাৰপুৰত বিদ্রোহৰ সূচনা কৰিছিল। বিদ্রোহত অংশ গ্ৰহণ কৰাৰ অপৰাধত বহু লোকক বন্দী কৰি জেইলতৰখাৰ ওপৰিও মানসিং ৰাজপুত বোলা লোক এজনক ফাঁচী দি মাৰিছিল।

অন্ধ্ৰ প্ৰদেশত বিশেষকৈ উপকূলবৰ্তী অঞ্চলত বিদ্রোহৰ তীব্ৰতা পৰিলক্ষিত হৈছিল। বিষ্ণুখাপট্টনম, ৰাজামুন্দ্ৰী, কাৰ্ণুল, গুন্টুৰ, নেল্লোৰ আৰু হায়দাৰাবাদ বিদ্রোহৰ কেন্দ্ৰ আছিল।

(চ) বিদ্রোহৰ বিফলতাৰ কাৰণ ঃ

ইতিপূৰ্বে উল্লেখ কৰি অহা হৈছে যে বিদ্রোহ কম-বেছি পৰিমাণে বৃটিশ শাসনাধীন ভাৰতবৰ্ষৰ প্ৰায় সকলো অঞ্চলতে সংঘটিত হৈছিল। সেইটো হৈছিল যদিও বিদ্রোহৰ তীব্ৰতা সমগ্ৰ দেশখনতে সমানেপৰিলক্ষিত হোৱা নাছিল। আনহাতে বংগদেশ, ৰাজস্থান,

আৰু পাঞ্জাবৰ দৰে ডাঙৰ গুৰুত্বপূৰ্ণ অঞ্চল বিদ্ৰোহৰপৰা সম্পূৰ্ণৰূপে মুক্ত আছিল আৰু অসমৰ দৰে কোনো কোনো অঞ্চলত বিদ্ৰোহৰ প্ৰস্তুতি চলিছিল যদিও তাক কলিতে নিপাত কৰা হৈছিল। ভাৰতবৰ্ষৰ দৰে বিশাল দেশখনত একে সময়তে ইংৰাজৰ দৰে এটি বৃহৎ ঔপনিবেশিক-সাম্ৰাজ্যবাদী শক্তিৰ বিৰুদ্ধে বিদ্ৰোহ সংগঠিত কৰাটো কোনো মতে সহজ কাম নাছিল। তেনে কৰিবলৈ সেই সময়ত বিদ্ৰোহৰ এটি সৰ্বভাৰতীয় নেতৃত্বও গঢ়ি উঠা নাছিল।

ভাৰতবৰ্ষত পলাশী যুদ্ধৰ পৰবৰ্তী এশ বছৰত যেনেকৈ ইংৰাজৰ তথা কোম্পানীৰ শাসনৰ বিৰুদ্ধে ভাৰতীয় জনগণৰ ক্ষোভ আৰু অসন্তুষ্টি বৃদ্ধি পাই আহিছিল তেনেদৰে একাংশ লোকৰ মাজত তেওঁলোকৰ শাসনৰ প্ৰতিসহানুভূতি আৰু আনুগত্যও গঢ়ি উঠিছিল। ভাৰতীয় সমাজৰ সেই অংশটো গঠিত হৈছিল একাংশ দেশীয় ৰাজ্যৰ ৰজা আৰু শাসনকৰ্তা, জমিদাৰ-ভূস্বামী, সুদখোৰ মহাজন, বৃহৎ বণিক-সদাগৰ আৰু আধুনিক পশ্চিমীয়া শিক্ষাৰে শিক্ষিত শ্ৰেণীৰ লোকৰ দ্বাৰা। ভাৰতীয় সমাজৰ তদানীন্তন এই গোটসমূহে বিদ্ৰোহত অংশ গ্ৰহণ কৰাৰপৰা বিৰত আছিল। বৃটিশৰ প্ৰতি সহানুভূতিশীল দেশীয় ৰজা বা শাসনকৰ্তাসকলৰ ভিতৰত উল্লেখযোগ্য আছিল গোৱালিয়ৰৰ সিন্ধিয়া, ইন্দোৰৰ হোলকাৰ, হায়দাৰাবাদৰ নিজাম, যোধপুৰৰ ৰজা, ভূপালৰ নবাব, নোভা, পাতিয়ালা আৰু ঝিন্দৰ ৰাজপুত ৰজাসকল, কাশ্মীৰৰ মহাৰজা আৰু নেপালৰ ৰজা জং বাহাদুৰ থাপ্পা আদি। আনকি নেপালৰ গোৰ্খা সৈনিকসকলে বিদ্ৰোহ দমনত কোম্পানীৰ চৰকাৰক সহায় কৰিছিল। আফগানিস্তানৰ আমিৰ দোস্ত মহম্মদে ইংৰাজৰ সৈতে বন্ধুত্ব অক্ষুণ্ণ ৰাখিছিল। সিন্ধুৰ আমিৰ জনেও ইংৰাজৰ প্ৰতি অনুগত হৈ থাকিছিল। চিৰহিন্দৰ শাসনকৰ্তাও বৃটিশৰ ভক্ত আছিল। দিনকৰ ৰাৱে সিন্ধিয়াৰ ৰাজ্য গোৱালিয়ৰত আৰু ছলাৰ জঙে হায়দাৰাবাদত বৃটিশৰ অনুকূলে শান্তি-শৃংখলা অটুট ৰাখিছিল। আনকি অযোধ্যা অধিগ্ৰহণ কৰাৰ লগে লগে তাৰ যিসকল তালুকদাৰে ভূমি স্বত্ব হেৰুওৱাৰ কাৰণে পোনতে বিদ্ৰোহত চামিল হৈছিল কোম্পানীৰ চৰকাৰে তেওঁলোকৰ ভূ-সম্পত্তি পুনৰ ওভোতাই দিয়াৰ প্ৰতিশ্ৰুতিদিয়াত তেওঁলোকে বিদ্ৰোহৰপৰা আঁতৰি গৈছিল।

আনহাতে কোম্পানীৰ শাসনৰ আমোলত গঢ়ি উঠা নতুন সামাজিক শ্ৰেণী সুদখোৰ মহাজনসকল বিদ্ৰোহৰ সময়ত সততে আক্ৰান্ত হৈছিল। বিদ্ৰোহত অংশ গ্ৰহণ কৰা সাধাৰণ নাগৰিক তথা কৃষকসকলে সততে সুদখোৰ মহাজনসকলক আক্ৰমণ কৰি তেওঁলোকৰ সৈতে থকা ঋণ সম্পৰ্কীয় সমুদায় নথি-পত্ৰ ধ্বংস কৰি পেলাইছিল। দেশৰ বহু অঞ্চলতে বণিক-সদাগৰ-বেপাৰী-পোহাৰীয়ে সাধাৰণ ব্যৱসায়-বাণিজ্যৰ সৈতে ঋণদাতাৰ কামো

কৰিছিল। গতিকে বিদ্ৰোহীসকলৰ দ্বাৰা আক্ৰান্ত হোৱাত তেওঁলোকে লাহে লাহে চৰকাৰক সমৰ্থন দিবলৈ লৈছিল। বহু ক্ষেত্ৰতে বেপাৰীসকলে বিদ্ৰোহীসকলক ৰছদ-পাতিৰ যোগান ধৰাটোও বন্ধ কৰি দিছিল। আনহাতে নিজ নিজ বাণিজ্যিক স্বাৰ্থৰ প্ৰতি সন্দিহান আৰু সচেতন বিশেষকৈ বোম্বে, মাদ্ৰাজ আৰু কলকাতাৰ বৃহৎ বণিক-সদাগৰসকলে দেশীয় বিদ্ৰোহীসকলৰ বিপৰীতে বৃটিশক সমৰ্থন কৰিছিল।

কোম্পানীৰ আমোলতবৃটিশৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত গঢ়ি উঠা বংগদেশৰ জমিদাৰ আৰু শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ লোকসকল বিদ্ৰোহৰ দুৰ্ঘোৰ বিৰোধী আছিল। সংকট কালত তেওঁলোক ইংৰাজৰ পৰম মিত্ৰ হৈ থাকিছিল। বংগদেশ আৰু অন্যান্য ঠাইৰ শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ লোকে বিদ্ৰোহক কুসংস্কাৰ আৰু অন্ধ-বিশ্বাসৰ বাৰ্তাবাহক আৰু প্ৰগতিশীল ভাবধাৰাৰ বিৰোধী বুলি গণ্য কৰিছিল আৰু সেয়ে তেনে বিদ্ৰোহৰ সৈতে সংশ্ৰৱ ৰাখিব বিচৰা নাছিল। আধুনিকতাৰ বাৰ্তাবাহকৰূপে ইংৰাজক তেওঁলোকে অবিতৰ্কিতভাৱে সন্মান আৰু সহায় কৰিছিল।

বিদ্ৰোহত মিলিত হোৱা ভাৰতীয় চিপাহীসকলৰ উপযুক্ত অস্ত্ৰ-শস্ত্ৰও নাছিল। যিসকল চিপাহীয়ে এনফিল্ড ৰাইফলৰ গুলীৰ পেকেটত গৰু আৰু গাহৰীৰ চৰ্বি মিহলি থকাৰ প্ৰতিবাদত তাক ব্যৱহাৰ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰি বিদ্ৰোহ কৰিছিল, সেইসকল চিপাহীৰ একাংশই তেনে বন্দুকৰে ইংৰাজৰ বিৰুদ্ধে সংগ্ৰামত লিপ্ত হৈছিল। আনহাতে সামগ্ৰীকভাৱে বিদ্ৰোহী চিপাহীসকলৰ প্ৰধান অস্ত্ৰ আছিল মান্ধাতাযুগীয়া ধেনু-কাড়, যাঁঠি আৰু বল্লম। চৰকাৰী পক্ষই ব্যৱহাৰ কৰা অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ তেওঁলোকৰ বাবে দুষ্প্ৰাপ্য আছিল।

বিদ্ৰোহৰ নেতা বা চিপাহীসকলৰ কোনো সামুহিক আঁচনি বা কাৰ্যসূচী নাছিল, নাছিল তেওঁলোকৰ মাজত সামৰিকবাহিনীত থাকিবলগীয়া কঠোৰ অনুশাসন, কৰ্তব্য পৰায়ণতা আৰু নিয়ানুবৰ্তিতা। তদুপৰি তেওঁলোকৰ মাজত সুসংহত কোনো কেন্দ্ৰীয় নেতৃত্বও নাছিল। ঐতিহাসিক ড° তাঁৰা চাঁদে কৈছে, " there was no stable well-ordered organisation behind the movement as a whole It lacked plan, programme and funds The only thing which united the rebels was the desire to eliminate foreign rule " নিজস্ব সামৰিক দক্ষতা আৰু বীৰত্ব থাকিলেও তেওঁলোকৰ মাজত গা কৰি উঠা পাৰস্পৰিক সন্দেহ, অবিশ্বাস আৰু ঈৰ্ষাপৰায়ণতাই আত্মঘাটী সংঘৰ্ষৰ সৃষ্টি কৰিছিল।

বিদ্ৰোহৰ পিচত দেশত কি ধৰণৰ চৰকাৰ বা শাসন ব্যৱস্থা প্ৰবৰ্তন কৰা হ'ব সেই সম্পৰ্কে বিদ্ৰোহৰ নেতাসকলৰ কোনো স্পষ্ট ধাৰণা বা আঁচনি নাছিল। বহু ক্ষেত্ৰতে বিদ্ৰোহৰ নেতাসকলে নিজ নিজ স্বাৰ্থ পূৰণৰ উদ্দেশ্য আগত ৰাখি বিদ্ৰোহত চামিল

হৈছিল। বিদ্ৰোহৰ নেতাসকলৰ মাজত কোনো ধৰণৰ সামুহিক ৰাজনৈতিক পৰিকল্পনা আৰু আঁচনি নাছিল। শাসকসকলৰ বিৰুদ্ধে কেৱল ঘৃণাৰ দ্বাৰাই এটি বিদ্ৰোহ সাফল্যমণ্ডিত কৰিব নোৱাৰি। তাৰ বাবে সুস্থ ৰাজনৈতিক মতাদৰ্শ আৰু আঁচনিৰ প্ৰয়োজন।

কৃষকসকলে বিপুল পৰিমাণে বিদ্ৰোহত অংশ গ্ৰহণ কৰিছিল যদিও জমিদাৰ আৰু সুদখোৰ মহাজনসকলৰ বিশেষকৈ মাটি-বাৰী আৰু ঋণ সম্পৰ্কীয় নথি-পত্ৰসমূহ ধ্বংস কৰাৰ পিচত নতুন কৰ্ম আঁচনিৰ অভাৱত তেওঁলোক নিষ্কৰ্মা আৰু হতাশ হৈ বহি পৰিছিল। অকল সেইটোৱে তেওঁলোক বহু পৰিমাণে বিদ্ৰোহৰপৰাও বিচ্ছিন্ন হৈ পৰিছিল। বিদ্ৰোহৰ এক বিশাল কৰ্মী বাহিনীৰ শক্তিৰ এনেদৰে অপচয় হৈছিল।

বিদ্ৰোহীসকলৰ মাজত গঢ়ি উঠা আনুগত্য আছিল নিজ নিজ অঞ্চল বা ৰাজ্যৰ শাসনকৰ্তাসকলৰ প্ৰতি, সেই আনুগত্য দেশ বা ৰাজ্যৰ প্ৰতি নাছিল। সামন্তবাদী সমাজ ব্যৱস্থাত মানুহৰ আনুগত্য দেশ বা ৰাষ্ট্ৰৰ প্ৰতি গঢ়ি নুঠি সেই আনুগত্য গঢ়ি উঠে সামন্তবাদী শাসনকৰ্তাৰ প্ৰতি। আনহাতেইংৰাজসকলৰ আনুগত্য আছিল নিজ দেশ আৰু ৰাষ্ট্ৰৰ প্ৰতি। সেইটো সম্ভৱ হৈছিল ইংলেণ্ডত সংসদীয় গণতন্ত্ৰৰ প্ৰচলন আছিল বাবেই। গণতান্ত্ৰিক সমাজ বা ৰাষ্ট্ৰ-ব্যৱস্থাত নাগৰিকৰ আনুগত্য গঢ়ি উঠে ৰাষ্ট্ৰৰ প্ৰতি। সেই অৱস্থা ভাৰতবৰ্ষত আছিল অনুপস্থিত। আনহাতে ভাৰতবৰ্ষত তেতিয়া জাতীয়তাবাদী মতাদৰ্শৰো জন্ম বা বিকাশ হোৱা নাছিল। পুঁজিবাদৰ বিকাশৰ কালত জন্ম লাভ কৰা জাতীয়তাবাদী মতাদৰ্শ এফালে জাতি-ৰাষ্ট্ৰ আৰু আনফালে গণতন্ত্ৰৰ চালিকা শক্তিৰূপে প্ৰতিভাত হৈছিল। গতিকে সেই সময়ত ভাৰতবৰ্ষত জাতীয়তাবাদৰ উন্মেষ নোহোৱাটোও বিদ্ৰোহ বিফল হোৱাৰ অন্যতম কাৰণ আছিল। সকলো ভাৰতীয় এক দেশ এক ৰাষ্ট্ৰৰ নাগৰিক—এই সৰ্বভাৰতীয় ধাৰণা বা চেতনা তেতিয়া গঢ়ি উঠা নাছিল, গঢ়ি উঠাৰ বাস্তৱ পৰিবেশো নাছিল।

১৮৫৭ চনৰ ২০ ছেপ্তেম্বৰ তাৰিখে ইংৰাজসকলে দিল্লী মুক্ত কৰাৰ লগে লগে বিদ্ৰোহৰ পতন ঘটাতো খাটাং হৈ পৰিছিল। সেইদিনাখনেই বাহাদুৰ ছাহক বন্দী কৰি মোগল ৰাজপৰিয়ালৰ অন্যান্যসকলক নিশংসভাৱে হত্যা কৰা হৈছিল। বাহাদুৰ ছাহক বন্দী কৰি ব্ৰহ্মদেশৰ ৰেঙ্গুনলৈ নি তাতে নিৰ্বাসন দিয়া হৈছিল, আৰু তাতেই ১৮৬২ চনত তেওঁ মৃত্যু বৰণ কৰিছিল। তাৰ পিচত পৰ্যায়ক্ৰমে এটা এটাকৈ বিদ্ৰোহৰ নেতাসকল হয় বৃটিশৰ হাতত পৰাভূত হৈ মৃত্যু বৰণ কৰিছিল নহয় দেশ এৰি বিদেশলৈ পলায়ন কৰিবলৈ বাধ্য হৈছিল। বৃটিশৰ বিৰুদ্ধে যুঁজ দি কানপুৰত পৰাজয় বৰণ কৰি নানা চাহাবে ১৮৫৯ চনৰ আদিতে নেপাললৈ পলায়ন কৰিছিল। ১৮৫৯ চনৰ এপ্ৰিল মাহত মধ্য প্ৰদেশতএক ষড়যন্ত্ৰৰ পৰিণতি স্বৰূপে তাঁতীয়া টোপী বৃটিশৰ হাতত ধৰা পৰে আৰু সিহঁতে তেওঁক

ফাঁচী দি হত্যা কৰে। ঝান্সীৰ ৰাণী লক্ষ্মীবাইও ইতিপূৰ্বে ১৮৫৮ চনৰ ১৭ জুন তাৰিখে ৰণ ক্ষেত্ৰতে প্ৰাণ ত্যাগ কৰিছিল। এইদৰে বিদ্ৰোহৰ নেতাসকলৰ পতন হোৱাত ১৮৫৯ চনৰ ভিতৰত বৃটিশে পুনৰ ভাৰতবৰ্ষত নিজৰ ৰাজনৈতিক আধিপত্য স্থাপন কৰিবলৈ সক্ষম হৈছিল।

(ছ) বিদ্ৰোহৰ প্ৰকৃতিআৰু পৰিণতিঃ

ইতিপূৰ্বে উল্লেখ কৰি অহা হৈছে যে ১৮৫৭ চনত ভাৰতবৰ্ষত সংঘটিত ঘটনাৱলীক ভাৰত পৰিক্ৰমাৰ মন্ত্ৰী আৰ্ল ষ্টেন্‌লিয়ে বৃটিশ সংসদত চিপাহীৰ বিদ্ৰোহ বুলি কোৱাৰ গইনা লৈ ভালেমান ঐতিহাসিকে সেই বিদ্ৰোহক চিপাহী বিদ্ৰোহ বুলি অভিহিত কৰিবলৈ প্ৰয়াস পাইছে। তেওঁক অনুসৰণ কৰি ভাৰতবৰ্ষৰ সেই সময়ৰ ঘটনাৱলীক চিপাহী বিদ্ৰোহ বুলি অভিহিত কৰা ঐতিহাসিকসকল হ'ল চাৰ্লছ বল (Charles Ball), টি আৰ হোমছ (T R Holmes), জে ডব্লিউ কে (J W Kaye), জি বি মেলচন (G B malleson), চি টি মেটকাফ (C T Metcalfe), জি ডাব্লিউ ফৰেষ্ট (G W Forrest) আদি। বিকনছফিল্ড ডিজৰেলীয়ে (Beaconsfield Disraeli) বিদ্ৰোহ চলি থকা অৱস্থাতে ১৮৫৭ চনৰ ২৭ জুলাই তাৰিখে বৃটিশ সংসদত কৈছিল যে এই বিদ্ৰোহ চিপাহীসকলৰ বিদ্ৰোহ বা চিপাহী বিদ্ৰোহ ("military mutiny") নহয়, বৰং জাতীয় বিদ্ৰোহ ("national revolt")। সাম্যবাদী দাৰ্শনিক কাৰ্ল মাৰ্ক্সে এই বিদ্ৰোহৰ সমসাময়িকভাৱে এলানি ভাৰত সম্পৰ্কীয় প্ৰবন্ধ লিখি উলিয়াইছিল। এই প্ৰবন্ধসমূহ আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউ ইয়ৰ্ক চহৰৰপৰা প্ৰকাশিত টাইমছ ("New York Times") নামে কাকতত প্ৰকাশ পাইছিল। এই প্ৰবন্ধ লানিত ভাৰতবৰ্ষত সংঘটিত বিদ্ৰোহক তেওঁ দেশৰ স্বাধীনতাৰ প্ৰথম সংগ্ৰাম বুলি উল্লেখ কৰিছিল। ১৮৫৭ চনৰ বিদ্ৰোহক কেন্দ্ৰ কৰি দামোদৰ বিনায়ক চাভাৰকৰে ৰচনা কৰা গ্ৰন্থখনতো তেওঁ তাক ভাৰতবৰ্ষৰ স্বাধীনতাৰ সংগ্ৰাম ('The War of Indian Independence") ৰূপে অভিহিত কৰিছে। পৰৱৰ্তী কালত অন্যান্য ভালেমান ঐতিহাসিকে এই বিদ্ৰোহক ভাৰতবৰ্ষৰ স্বাধীনতাৰ সংগ্ৰামৰূপে আখ্যা দিছে।

কিন্তু ১৮৫৭ চনৰ বিদ্ৰোহক এফালে চিপাহী বিদ্ৰোহ বুলিও মানি লব নোৱাৰি আৰু আনফালে দেশৰ জাতীয় স্বাধীনতাৰ প্ৰথম সংগ্ৰাম বুলিও মানি ল'ব নোৱাৰি, কিয়নো সেই সময়ত অকল কোম্পানীৰ চৰকাৰৰ ভাৰতীয় চিপাহীসকলেই বিদ্ৰোহ কৰা নাছিল, তদানীন্তন ভাৰতীয় সমাজৰ অন্যান্য অংশৰ লোকেও বিদ্ৰোহত অংশ গ্ৰহণ কৰিছিল। বৃটিশৰ দ্বাৰা প্ৰতাৰিত আৰু ৰাজ্য হেৰুৱাবলৈ বাধ্য হোৱা একাংশ প্ৰাক্তন দেশীয় ৰজা আৰু শাসনকৰ্তাইও এই বিদ্ৰোহত জড়িত আছিল। লগতে দেশৰ একাংশ মোল্লা-মৌলবী,

ব্ৰাহ্মণ পণ্ডিত-পুৰোহিত, একাংশ সামন্ত ডা-ডাঙৰীয়া, ভূ-সম্পত্তি হেৰুওৱা ভূ-স্বামী, তালুকদাৰ-জমিদাৰ আৰু সাধাৰণ কৃষক এই বিদ্ৰোহত প্ৰত্যক্ষভাৱে জড়িত আছিল। গতিকে ই অকল চিপাহীসকলৰেই বিদ্ৰোহ নাছিল, লগতে আছিল একাংশ ভাৰতীয় লোকৰ বিদ্ৰোহ। দ্বিতীয়তে, কোম্পানীৰ আমোলত ভাৰতবৰ্ষ আজিৰ দৰে ৰাষ্ট্ৰীয় একতা আৰু সংহতি থকা এখন ৰাজনৈতিকভাৱে পৰিচিত জাতি-ৰাষ্ট্ৰ ("nation-satate") নাছিল। অৱশ্যে বিদ্ৰোহ যে বিদেশী শাসনৰ বিৰুদ্ধে সংঘটিত হৈছিল তাত কোনো সন্দেহ নাই। তাতে আকৌ ভাৰতবৰ্ষৰ সকলো ৰাজ্য বা অঞ্চলেই বৃটিশৰ শাসনাধীন নাছিল আৰু যিখিনিত বৃটিশ শাসন চলিছিল তাকো বৃটিশ-ভাৰতৰূপেহে জনা গৈছিল। আৰু বৃটিশ শাসনৰ বাহিৰত থকা ৰাজ্যাঞ্চলসমূহক দেশীয় ৰাজ্য বোলা হৈছিল। সেই ফালৰপৰা চাবলৈ গ'লে অন্যান্য স্থানীয় বিভাজনৰ ওপৰিও ভাৰতবৰ্ষ তেতিয়া বৃটিশ-ভাৰত আৰু দেশীয় ৰাজ্যৰ সমষ্টিহে আছিল। তাত ৰাজনৈতিক সংহতি বা একতা নাছিল। আন কথাত তেতিয়া ভাৰতবৰ্ষ বিভিন্ন ৰাজ্যত বিভক্ত আৰু বিভিন্ন ৰাজনৈতিক অভিধাৰে পৰিচিত অসংখ্যা ৰাজ্যৰ সমষ্টি আছিল। অৱশ্যে ঐতিহাসিক সুৰেন্দ্ৰ নাথ সেনে কোৱা কথাষাৰ অস্বীকাৰ কৰাৰ উপায় নাই, তেওঁ কৈছিল, "What began as a fight for religion ended as a war of independence for there is not the slightest doubt that the rebels wanted to get rid of the alien government and restore the old order of which the king of Delhi was the rightful representative"

সেই বিদ্ৰোহক জাতীয়তাবাদী বিদ্ৰোহ বুলিও কব নোৱাৰি এই কাৰণেই যে সেই সময়ত ভাৰতবৰ্ষত জাতীয়তাবাদী মতাদৰ্শৰ সৃষ্টি হোৱা নাছিল আৰু বিদ্ৰোহীসকলো জাতীযত্ৰবাদী আদৰ্শৰে অনুপ্ৰণিত হৈ বিদ্ৰোহৰ নেতৃত্ব লোৱা নাছিল। ভাৰতবৰ্ষত তেতিয়া কেৱল আছিল পাঞ্জাবৰ শিখ বা পাঞ্জাবী, মহাৰাষ্ট্ৰৰ মাৰাঠী, গুজৰাটৰ গুজৰাটী, মাদ্ৰাজৰ মাদ্ৰাজী, মহীশূৰ বা কৰ্ণাটকৰ কন্নডী, উৰিষ্যাৰ ওৰিয়া, বংগদেশৰ বঙালী, বিহাৰৰ বিহাৰী, ৰাজপুতনা বা ৰাজস্থানৰ ৰাজপুত বা ৰাজস্থানী, অসমৰ অসমীয়া, ইত্যাদি ইত্যাদি। এইসকলৰ কোনো ভাৰতীয় চেতনা নাছিল। অৰ্থাৎ উক্ত লোক সমষ্টিসমূহৰ মাজত তেতিয়ালৈ ভাৰতীয় চেতনা জাগৰুক হৈ উঠা নাছিল। কোনেও নিজকে ভাৰতীয় বুলি গণ্য কৰা নাছিল। গতিকে সেই সময়ত জাতীয়তাবাদী স্বাধীনতা আন্দোলন বা মুক্তি সংগ্ৰাম সংগঠিত আৰু সংঘটিত হৈছিল বুলি কোৱাটো কোনো পধ্যেই যুক্তিসংগত নহয়। বিভিন্ন প্ৰান্তত বিভক্ত হৈ থকা ভাৰতবৰ্ষৰ লোকে বৃটিশক নিজৰ সামূহিক শত্ৰু বুলি গণ্য কৰিবলৈ লোৱাৰপৰাহে দেশত জাতীয়তাবাদী মতাদৰ্শ গঢ়ি উঠিবলৈ লৈছিল। গতিকে বহু জাতিক

বহু ভাষিক ভাৰতবৰ্ষত জাতীয়তাবাদী আদৰ্শ বা মতাদৰ্শ গঢ় লৈ উঠোঁতে আৰু ভালেমান বছৰ বাট চাব লগীয়া হৈছিল। অৱশ্যে এইটো স্বীকাৰ কৰিব লাগিব যে অন্যান্য কাৰকৰ লগতে ১৮৫৭ চনৰ বিদ্ৰোহে পৰবৰ্তী কালত ভাৰতবৰ্ষত জাতীয়তাবাদী মতাদৰ্শ গঢ়ি উঠাত প্ৰভূত অৱদান দিছিল। ভাৰতবৰ্ষৰ ইতিহাসত ১৮৫৭ চনৰ বিদ্ৰোহৰ গুৰুত্ব আৰু তাৎপৰ্যও তাতেই নিহিত হৈ আছে।

বিদ্ৰোহৰ পৰিণতিঃ

১৮৫৭ চনৰ এই বিদ্ৰোহৰ পৰিণতি স্বৰূপে ইংলিশ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতবৰ্ষত তেওঁলোকৰ ৰাজ্য হেৰুৱাইছিল। ১৭৫৭ চনৰপৰা ১৮৫৭ চনলৈ মুঠতে এশটা বছৰ ধৰি ইংলিশ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতবৰ্ষত ৰাজত্ব কৰিছিল। বিদ্ৰোহৰ পৰিণতিয়ে তেওঁলোকক সেই অধিকাৰৰপৰা বঞ্চিত কৰিলে। ১৮৫৮ চনত বৃটিশ সংসদত গ্ৰহণ কৰা ভাৰত শাসন আইন (Act of the Better Government of India, August, 1858) মৰ্মে ভাৰতবৰ্ষৰ শাসনভাৰ কোম্পানীৰ পৰিবৰ্তে ইংলেণ্ডৰ ৰাজমুকুটৰ হাতলৈ যায়। অৰ্থাৎ সেই বছৰতে ভাৰতবৰ্ষৰ শাসন ক্ষমতা কোম্পানীৰপৰা ৰাজমুকুটলৈ হস্তান্তৰিত কৰা হয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে ভাৰতবৰ্ষৰ ১৮৫৭-৫৮ চনৰ বিদ্ৰোহ দমন কৰোঁতে বৃটিশ চৰকাৰে মুঠতে ৪০ মিলিয়ন পাউণ্ড ষ্টাৰ্লিং খৰচ কৰিছিল। আনহাতে সম্পত্তি হেৰুওৱাৰ বাবদ কোম্পানীৰ অংশীদাৰসকলক বৃটিশ চৰকাৰে বিপুল পৰিমাণৰ ক্ষতিপূৰণ দিবলগীয়া হৈছিল। এই সমুদায় খৰছৰ টকাকে ভাৰতবৰ্ষৰ ৰাজহুৱা ঋণৰূপে স্বীকৃতি দি বৃটিশ গৃহ চৰকাৰে পৰ্যায়ক্ৰমে ভাৰতীয় লোকৰপৰা কৰ-কাটল আৰু ভূমি ৰাজস্বৰ মাধ্যমত সংগ্ৰহ কৰি নিছিল। গতিকে দেখা যায় বিদ্ৰোহৰ পিচত ভাৰতীয় লোকৰ ওপৰত আৰ্থিক বোজা যথেষ্ট পৰিমাণে বৃদ্ধি পাইছিল, আৰু স্বৰূপাৰ্থত ভাৰতীয় লোকে কোনো ধৰণৰ উন্নত প্ৰশাসন ব্যৱস্থা লাভ কৰা নাছিল।

***

আৰ্হি প্ৰশ্নমালাঃ

<u>ৰচনা ধৰ্মী প্ৰশ্নঃ</u>

১। ১৮৫৭ চনৰ বিদ্ৰোহৰ পূৰ্বৰ বৃটিশ বিৰোধী বিদ্ৰোহৰ এক চমু খতিয়ান দাঙি ধৰা।

২। ১৮৫৭ চনৰ বিদ্ৰোহৰ অৰ্থনৈতিক আৰু সামাজিক কাৰণ সমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা।

৩। ১৮৫৭ চনৰ বিদ্ৰোহৰ ৰাজনৈতিকআৰু সামৰিক কাৰণ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

৪। ১৮৫৭ চনৰ বিদ্ৰোহৰ ধৰ্মীয় আৰু সাংস্কৃতিক কাৰণ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

৫। ১৮৫৭ চনৰ বিদ্ৰোহৰ তাৎক্ষণিককাৰণ সম্পৰ্কে আলোচনা কৰা।

৬। ১৮৫৭ চনৰ বিদ্ৰোহৰ বিস্তৃতি সম্পৰ্কে আলোচনা কৰা।

৭। ১৮৫৭ চনৰ বিদ্ৰোহৰ বিফলতাৰ কাৰণ সম্পৰ্কে আলোচনা কৰা।

৮। ১৮৫৭ চনৰ বিদ্ৰোহৰ প্ৰকৃতিআৰু পৰিণতি সম্পৰ্কে আলোচনা কৰা।

চমু টোকা লিখাঃ

(১) চাঁওতাল বিদ্ৰোহ,

(২) সন্যাসী-ফকিৰ বিদ্ৰোহ,

(৩) ফৈৰাদী বিদ্ৰোহ,

(৪) ওৱাহাবী বিদ্ৰোহ,

(৫) স্বত্ব বিলোপ নীতি,

(৬) ১৮৫৭ চনৰ বিদ্ৰোহৰপৰিণতি,

(৭) তাঁতীয়া টোপী,

অতি চমু উত্তৰ দিয়াঃ

(১) কোনে ১৮৫৭ চনত ভাৰতবৰ্ষত সংঘটিত হোৱা বিদ্ৰোহাত্মক ঘটনাৱলীক চিপাহীসকলৰ বিদ্ৰোহ ("Mutiny")বুলি কৈছিল?

(২) দেৱী চৌধাৰিণী কোন?

(৩) চিপাহীসকলৰ মাজত পোনতেক'ত বিদ্ৰোহ সংঘটিত হৈছিল?

(৪) ১৮৫৭ চনৰ পূৰ্বে চিপাহীসকলৰ মাজত পোনতে কোন চনত বিদ্ৰোহ সংঘটিত হৈছিল?

(৫) ইনাম কমিছনৰ (Inam Commission, 1852)পৰামৰ্শ মৰ্মে মহাৰাষ্ট্ৰত মুঠতে কিমানখন জমিদাৰী বাজেয়াপ্ত কৰা হৈছিল?

(৬) অযোধ্যাত বৃটিশৰ বিৰুদ্ধে যুঁজ দি মৃত্যু বৰণ কৰা সাধাৰণ নাগৰিকৰ পৰিমাণ কিমান আছিল?

(৭) ভাৰতবৰ্ষৰ ১৮৫৭-৫৮ চনৰ বিদ্ৰোহ দমন কৰোঁতে বৃটিশ চৰকাৰে কিমান পাউণ্ড ষ্টাৰ্লিং খৰচ কৰিছিল?

দ্বিতীয় অধ্যায়

১৮৫৭-৫৮ চনৰ মহাবিদ্ৰোহোত্তৰ কালত বৃটিশ-ভাৰত চৰকাৰে লোৱা নীতি

প্ৰশাসনঃ কেন্দ্ৰীয় আৰু প্ৰাদেশিক শাসনঃ

১৮৫৭ চনৰ বিদ্ৰোহৰ পিচতবৃটিশ-ভাৰতবৰ্ষৰ প্ৰশাসনিক ক্ষেত্ৰত পৰিবৰ্তন সাধন কৰিবলৈ বৃটিশ গৃহ চৰকাৰে অসহযোগ আন্দোলন সংঘটিত হোৱাৰ আগলৈ প্ৰণয়ন কৰা বিধি আৰু চৰকাৰী ঘোষণা আৰু অধিসূচনাসমূহ আছিল এনেধৰণৰ—

১। ভাৰত শাসন বিধি, ১৮৫৮

২। মহাৰাণী ভিক্টোৰিয়াৰ ঘোষণা পত্ৰ, ১ নবেম্বৰ ১৮৫৮

৩। ভাৰতবৰ্ষৰপৰিষদ আইন, ১৮৬১

৪। ভাৰতবৰ্ষৰপৰিষদ আইন, ১৮৯২

তলত এইবিলাকৰ ওপৰত বিতংভাৱে আলোচনা কৰা হৈছে।

১। ভাৰত শাসন বিধি, ১৮৫৮ঃ

১৮৫৮ চনৰ আগষ্ট মাহত বৃটিশ সংসদে গ্ৰহণ কৰা **ভাৰত শাসন বিধি** (Act for the Better Government of India) মৰ্মে দেশৰ শাসনভাৰ ইংলিশ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰপৰা ইংলেণ্ডৰ ৰাজ মুকুটৰ হাতলৈ অৰ্থাৎ ইংলেণ্ডৰ গৃহ চৰকাৰৰ হাতলৈ যায়। এই বিধিখনত মুঠতে ৭৫ টা ধাৰা সন্নিবিষ্ট কৰা আছিল। এই বিধিয়ে পূৰ্বৰ ইংলিশ ইষ্ট ইণ্ডিয়া কোম্পানী আৰু নিয়ন্ত্ৰণ পৰিষদৰ (Board of Control) ঠাইত ভাৰতবৰ্ষৰ প্ৰশাসনৰ সকলো ক্ষমতা ভাৰত পৰিক্ৰমাৰ মন্ত্ৰীজনৰ (Secretary of State for India) হাতত ন্যস্ত কৰিছিল। এই বিধি মৰ্মে লৰ্ড ষ্টেন্‌লি (১৮৫৮) প্ৰথমজন ভাৰত পৰিক্ৰমাৰ মন্ত্ৰী আছিল, দ্বিতীয়জন আছিল ছাৰ চাৰ্লছ উড (১৮৫৯)। তেওঁ বৃটিশ মন্ত্ৰীসভাৰ সদস্য হোৱাটো বাধ্যতামূলক আছিল আৰু সেই প্ৰসংগতে তেওঁ বৃটিশ সংসদৰ প্ৰতি দায়বদ্ধ আছিল। তেওঁক দিহা-পৰামৰ্শ দিয়াৰ বাবে ১৫-জনীয়া এখন পৰিষদ (Council) আছিল আৰু এই পৰিষদখনকে ভাৰত পৰিষদ (Council of India) বোলা হৈছিল। ভাৰত পৰিক্ৰমাৰ মন্ত্ৰীৰ তত্বাবধানত লণ্ডনত থকা কাৰ্যালয়টোক "India Office" বোলা হৈছিল।পৰিষদখন পৰামৰ্শ দাতাহে আছিল, অৱশ্যে ভাৰত পৰিক্ৰমাৰ মন্ত্ৰীজনে সেই পৰামৰ্শ অগ্ৰাহ্য কৰি নিজ ইচ্ছা মতে কাৰ্যনিৰ্বাহ কৰাৰ স্বাধীনতা লাভ কৰিছিল।

পৰিষদৰ প্ৰতিজন সদস্যই বাৰ্ষিক ১২০০ পাউণ্ড ষ্টাৰ্লিঙকৈ দৰমহা পাইছিল। এই পৰিষদৰ সদস্যসকলৰ বেছি ভাগেই বৃটিশ-ভাৰত চৰকাৰৰ অৱসৰপ্ৰাপ্ত উচ্চ পদস্থ বিষয়া আছিল। ভাৰত পৰিক্ৰমাৰ মন্ত্ৰী, ভাৰত পৰিষদৰ সদস্যসকলৰ দা-দৰমহা, ভাট্টা, পৰিষদৰ গৃহ আৰু আচবাব, কাগজ-কলম, ৰাবাৰ-পেঞ্চিল, অৱসৰকালিন পেঞ্চন আদিৰ বাবদ সকলো খৰছ ভাৰতবৰ্ষৰ ৰাজকোষৰপৰা কৰা হৈছিল।

পূৰ্বৰ গৱৰ্ণৰ-জেনেৰেলৰ পদবীটোৰ লগতে এই বিধি মতে ভাইচৰয় অভিধাটো সংযুক্ত কৰি দিয়া হৈছিল। অৰ্থাৎ ১৮৫৮ চনৰ ভাৰত শাসন বিধি মতে বৃটিশ-ভাৰতবৰ্ষৰ শাসনৰ মুৰব্বীজন **গৱৰ্ণৰ-জেনেৰেল আৰু ভাইচৰয়** (Governor-General and Viceroy) ৰূপে জনা গৈছিল, তেওঁ গৱৰ্ণৰ-জেনেৰেল হোৱাৰ ওপৰিও আছিল ভাৰতবৰ্ষত ইংলেণ্ডৰ ৰাজ মুকুটৰ ব্যক্তিগত প্ৰতিনিধি (Viceroy)। বিদ্ৰোহৰ সময়ৰেপৰা কাৰ্যনিৰ্বাহ কৰি থকা গৱৰ্ণৰ-জেনেৰেল লৰ্ড কেনিঙেই আছিল এই বিধি অনুযায়ী নিযুক্তি পোৱা প্ৰথমজন গৱৰ্ণৰ-জেনেৰেল আৰু ভাইচৰয়। তেতিয়াৰপৰা তেওঁ ভাইচৰয়ৰূপেহে বেছিকৈ পৰিচিত আছিল। অন্যান্য ভাট্টাৰ ওপৰিও তেওঁ বাৰ্ষিক ২,৫০,০০০ টকা দৰমহা হিচাপে লাভ কৰিছিল। গৱৰ্ণৰ-জেনেৰেল আৰু ভাইচৰয় জনক আৰু বোম্বে আৰু মাদ্ৰাজ প্ৰেছিডেঞ্চিৰ গৱৰ্ণৰ দুজনক ইংলেণ্ডৰ ৰাজ মুকুটে নিযুক্তি দিছিল, আনহাতেদুৱলীয়া লাট (Lieutenant-Governors) আৰু চীফ্ কমিছনাৰসকলক(Chief Commissioners) গৱৰ্ণৰ-জেনেৰেল আৰু ভাইচৰয়জনে নিযুক্তি দিব পাৰিছিল।

উক্ত বিধি মতে গৱৰ্ণৰ-জেনেৰেল আৰু ভাইচৰয়জনক প্ৰশাসনিক দিশত সহায় কৰিবলৈ তেওঁৰ এখন ৫-জনীয়া কাৰ্যনিৰ্বাহকপৰিষদ আছিল। সেনা বাহিনীৰ প্ৰধান সেনাধ্যক্ষজন উক্ত ৫-জনীয়া সদস্যৰ এজন হিচাপেপৰিষদৰ সদস্য হোৱাটো অপৰিহাৰ্য আছিল।পৰিষদৰ প্ৰতিজন সদস্যই বিভিন্ন বিভাগবা প্ৰশাসনিক দপ্তৰৰ মুৰব্বী আছিল আৰু তেওঁলোক মন্ত্ৰীসভাৰ সদস্যৰ লেখীয়া আছিল। পৰিষদে সকলোবোৰ গুৰুত্বপূৰ্ণ বিষয় সম্পৰ্কে আলোচনা কৰিব পাৰিছিল আৰু সংখ্যা গৰিষ্ঠ ভোটাধিকাৰৰ ভিত্তিত সিদ্ধান্তত উপনীত হব পাৰিছিল। কিন্তু গৱৰ্ণৰ-জেনেৰেল আৰু ভাইচৰয়জনে তেনে যি কোনো সিদ্ধান্ত বাতিল কৰি নিজ ইচ্ছা মতে কাৰ্যনিৰ্বাহ কৰাৰ অধিকাৰ আৰু ক্ষমতা লাভ কৰিছিল। ১৯০৯ চনলৈ কাৰ্যনিৰ্বাহক পৰিষদৰ সদস্যসকল বৃটিশ তথা ইয়োৰূপীয় নাগৰিক আছিল।

২। মহাৰাণী ভিক্টোৰিয়াৰ ঘোষণা পত্ৰ, ১ নবেম্বৰ ১৮৫৮ঃ

বিদ্ৰোহৰ অব্যৱহিত পিচৰ কালছোৱাত বৃটিশ-ভাৰতৰ প্ৰশাসনিকদিশত বৃটিশ গৃহ চৰকাৰে যি নীতি অনুসৰণ কৰিবলৈ লৈছিল সেই সম্পৰ্কে ১৮৫৮ চনৰ ১লা নবেম্বৰৰ দিনা মহাৰাণী ভিক্টোৰিয়াই দিয়া ঘোষণা পত্ৰত তাৰ স্পষ্ট উল্লেখ আছিল। মহৰাণীৰ এই

বহু কথিত ঘোষণা পত্ৰখন বৃটিশ ভাইচৰয় লৰ্ড কেনিঙে সেই দিনাখনেই এলাহাবাদত এখন বৃহৎ দৰবাৰ পাতি আনুষ্ঠানিকভাৱে পাঠ কৰি দিছিল। ঘোষণা পত্ৰত উল্লেখ থকা প্ৰধান নীতি(Policy) কেইটা আছিল—

(১) ইংলিশ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতবৰ্ষৰ দেশীয় ৰজা-মহাৰজাসকলৰ সৈতে কৰা সন্ধি, চুক্তি আদিৰ চৰ্তসমূহ ইংলেণ্ডৰ ৰাজমুকুটে মানি লৈছে,

(২) বৃটিশ গৃহ চৰকাৰে ভাৰতবৰ্ষত ভৱিষ্যতে আৰু ৰাজ্য বিস্তাৰ নকৰে,

(৩) বৃটিশ গৃহ চৰকাৰে ভাৰতবৰ্ষৰ দেশীয় ৰজা-মহাৰজা আৰু শাসনকৰ্তাসকলৰ স্বত্ব, অধিকাৰ আৰু মান-সন্মান নিজৰ স্বত্ব, অধিকাৰ আৰু মান-সন্মান বুলি গণ্য কৰি চলিব,

(৪) বিগত বিদ্ৰোহ তথা অশান্তিৰ কালছোৱাত বৃটিশ নাগৰিকক হত্যা কৰা কাৰ্যত জড়িত থকাসকলক বাদ দি যিসকলে বৃটিশৰ বিৰুদ্ধে সংঘৰ্ষত লিপ্ত আছিল আৰু অস্ত্ৰ হাতত লৈছিল সেই সকলো বিলাকক সাধাৰণ ক্ষমা দান কৰা হ'ব। হত্যাকাৰীসকলক ক্ষমাদান কৰাটো আইন বিৰুদ্ধ কথা,

(৫) জাতি ধৰ্ম নিৰ্বিশেষে সকলো ভাৰতীয় লোকক যোগ্যতা অনুসৰি আৰু পক্ষপাতহীনভাৱে চৰকাৰী সেৱাসমূহত নিযুক্তি দিয়া হ'ব,

(৬) চৰকাৰী কোনো কৰ্তৃত্বশীল লোকে বা বিষয়া-আমোলাই নিজ নিজ কৰ্তব্য পালন কৰাৰ সময়ত কোনো ক্ষেত্ৰতে ভাৰতীয় দেশীয় লোকৰ উপসনা, ধৰ্ম বিশ্বাস, আচাৰ-বিচাৰ, ঐতিহ্য-পৰম্পৰাৰ ওপৰত কোনো ধৰণৰ হস্তক্ষেপ নকৰিব।

তদুপৰি গৱৰ্ণৰ-জেনেৰেল আৰু ভাইচৰয় লৰ্ড কেনিঙে কানপুৰত অন্য এখন দৰবাৰ পাতি ঘোষণা কৰিছিল যে চৰকাৰে স্বাভাৱিক পুত্ৰ সন্তানৰপৰা বঞ্চিত ভাৰতীয় দেশীয় শাসনকৰ্তা তথা লোকসকলে তোলনীয়া পুত্ৰ লোৱাৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা বাতিল কৰিছে। তাৰ দ্বাৰা সামগ্ৰীকভাৱে স্বত্ব বিলোপ নীতিকেই বিসৰ্জন দিয়া হৈছিল। এই দৰবাৰতে তেওঁ ঘোষণা কৰিছিল যে ভাৰতীয় লোকে পৈতৃক ভূ-সম্পত্তি উত্তৰাধিকাৰ সূত্ৰে লাভ কৰিব পাৰিব।

৩। **ভাৰতবৰ্ষৰ পৰিষদ আইন, ১৮৬১ঃ**

ভাৰত পৰিক্ৰমাৰ মন্ত্ৰী ছাৰ চাৰ্লছ উডে ১৮৬০ চনৰ জানুৱাৰী মাহত বৃটিশ সংসদত দাখিল কৰা ভাৰতবৰ্ষৰ শাসন সংস্কাৰ বিলখন ১৮৬১ চনত বৃটিশ সংসদে ভাৰতবৰ্ষৰ পৰিষদ আইনৰূপে (Council Act, 1861) গ্ৰহণ কৰে আৰু সেই বছৰে ১লা আগষ্ট তাৰিখে ৰাজকীয় অনুমোদন লাভ কৰে। এই নতুন পৰিষদ আইনৰ অধীনত—

(১) গৱৰ্ণৰ-জেনেৰেল আৰু ভাইচৰয়ৰ কাৰ্যবাহী পৰিষদখন ৫ জন সাধাৰণ সদস্যৰ দ্বাৰা গঠিত হ'ব,

(২) তাৰে ৩ জন সদস্য নিম্নতম ১০ বছৰ কোম্পানীৰ আমোলত নতুবা ৰাজমুকুটৰ অধীনত ভাৰতবৰ্ষত কাৰ্যনিৰ্বাহ কৰা লোক হ'ব লাগিব,

(৩) এজন বেৰিষ্টাৰ বা উকিল পৰিষদৰ সদস্য হ'ব পাৰিব, তেওঁ অতিকমেও পাঁচ বছৰ ওকালতি ব্যৱসায়ত জড়িত থকা লোক হ'ব লাগিব।

(৪) ভাৰত পৰিক্ৰমাৰ মন্ত্ৰীজনে সেনা বাহিনীৰ প্ৰধান সেনাধ্যক্ষজনক (Commander-in-Chief) কাৰ্যনিৰ্বাহক পৰিষদৰ অতিৰিক্ত সদস্যৰূপে নিযুক্তি দিব পাৰিব।

(৫) আইন প্ৰণয়নৰ সুবিধাৰ কাৰণে এই কাৰ্যনিৰ্বাহক পৰিষদখনৰ পৰিসৰ বৃদ্ধি কৰিব পৰাৰ ব্যৱস্থা আছিল। তেনে ক্ষেত্ৰত গৱৰ্ণৰ-জেনেৰেল আৰু ভাইচৰয়জনে নিজা বৰীয়াকৈ নিম্নতম ৬ জন আৰু উৰ্দ্ধতম ১২ জন অতিৰিক্ত সদস্য (Additional Members) মনোনীত কৰিব পাৰিব। তেনেদৰে মনোনীত কৰা সদস্যসকলৰ কাৰ্যকাল হ'ব দুবছৰ। এই সদস্যসকল ইয়োৰুপীয় আৰু ভাৰতীয় হ'ব পাৰিছিল। এই অতিৰিক্ত সদস্যসকলৰ পঞ্চাশ শতাংশ বেচৰকাৰী লোক হ'ব লাগিব। প্ৰায় দুই দশক ধৰি দেশীয় ৰজা-মহাৰজা, দেৱান, বৃহৎ জমিদাৰ আৰু অৱসৰপ্ৰাপ্ত চৰকাৰী চাকৰিয়ালসকলকেই বেচৰকাৰী সদস্যৰূপে মনোনীত কৰা হৈছিল। উল্লেখযোগ্য যে ১৮৬১ চনৰপৰাই এই কাৰ্যনিৰ্বাহক পৰিষদখনক কেন্দ্ৰীয় বিধান পৰিষদ (Imperial legislative Council) বোলা হৈছিল।

প্ৰদোশিক চৰকাৰ ঃ

১৮৬১ চনৰ পৰিষদ আইনৰ অধীনত মাদ্ৰাজ আৰু বোম্বেত দুখন প্ৰাদেশিক বিধান পৰিষদ গঠন কৰা হৈছিল। লগতে এই আইনে বংগদেশত এখন বিধান পৰিষদ গঠন কৰিবলৈ গৱৰ্ণৰ-জেনেৰেল আৰু ভাইচৰয়ক আইন সংগত কৰ্তৃত্ব প্ৰদান কৰিছিল। আনহাতে গৱৰ্ণৰ-জেনেৰেলক উত্তৰ-পশ্চিম প্ৰদেশ তথা উত্তৰ প্ৰদেশ আৰু পাঞ্জাবতো একোখনকৈ বিধান পৰিষদ গঠন কৰাৰ বাবে সাংবিধানিক কৰ্তৃত্ব প্ৰদান কৰিছিল।

১৮৬১ চনৰ পৰিষদ আইন বলবৎ হোৱাৰ সময়ত বৃটিশ-ভাৰতবৰ্ষ তিনিধৰণৰ প্ৰশাসনিক গোটত বিভক্ত আছিল—(১) গৱৰ্ণৰৰ শাসনাধীন তিনিখন প্ৰেছিডেন্সি,

(ক) বেংগল প্ৰেছিডেন্সি,

(খ) মাদ্ৰাজ প্ৰেছিডেন্সি, আৰু

(গ) বোম্বে প্ৰেছিডেন্সি।

বেংগল প্ৰেছিডেন্সিত প্ৰশাসনৰ মুৰব্বী আছিল এজন দুবলীয়া লাট, আনহাতে মাদ্ৰাজ আৰু বোম্বেত আছিল একোজনকৈ গৱৰ্ণৰ।

বংগদেশৰ ওপৰিও দুবলীয়া লাটৰ শাসনাধীন প্ৰশাসনিক গোট বা প্ৰদেশ আছিল ৫ খন—বিহাৰ, উৰিষ্যা, ব্ৰহ্মদেশ, পাঞ্জাব, আৰু সংযুক্ত প্ৰদেশ।

চীফ কমিছনাৰৰ শাসনাধীন প্ৰদেশ আছিল ৮ খন—আজমেৰ-মাৰবাৰ, আন্দামান দ্বীপপুঞ্জ, অসম, বেলুচিস্তান, মধ্য প্ৰদেশ, কুৰ্গ, দিল্লী, আৰু উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশ। কম-বেছি পৰিমাণে এই বিভাজন ব্যৱস্থা ১৯১৮ চনলৈ বৰ্তি আছিল।

বিচাৰ ব্যৱস্থা ঃ

১৮৫৮ চনৰ ভাৰত শাসন বিধি, মহাৰাণীৰ ঘোষণা পত্ৰ (১৮৫৮) আৰু ১৮৬১ চনৰ পৰিষদ আইনৰ সৈতে সংগতি ৰাখি বৃটিশ-ভাৰতবৰ্ষৰ বিচাৰ ব্যৱস্থাৰো পুনৰ গঠন আৰু সংস্কাৰ সাধন কৰা হৈছিল। ১৮৬১ চনত কলকাতা, মাদ্ৰাজ আৰু বোম্বেত একোখনকৈ উচ্চ ন্যায়ালয় (High Court) স্থাপন কৰা হৈছিল। পূৰ্বৰ কোম্পানীৰ আদালত আৰু পিচৰ ৰাজকীয় আদালতৰ একত্ৰীকৰণৰ জড়িয়তে উচ্চ ন্যায়ালয় কেইখন গঢ়ি তোলা হৈছিল। ছাৰ বাৰ্ণেছ পিকক (Sir Barnes Peacock) কলকাতা উচ্চ ন্যায়ালয়ৰ প্ৰথমজন প্ৰধান বিচাৰপতি (Chief Justice) আছিল। ৰাজা ৰামমোহন ৰায়ৰ পুত্ৰ ৰমা প্ৰসাদ ৰায় কলকাতা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি পোৱা প্ৰথমজন ভাৰতীয় লোক আছিল। কলকাতা উচ্চ ন্যায়ালয়ৰ অন্যতম ভাৰতীয় ন্যায়াধীশ আছিল দ্বাৰকা নাথ মিত্ৰ।

৪। ভাৰতবৰ্ষৰ পৰিষদ আইন, ১৮৯২ ঃ

ভাৰতবৰ্ষৰ পৰিষদ আইনখন মূলতঃ ১৮৬১ চনৰ পৰিষদ আইনৰ সংশোধনী আইন আছিল। ভাৰত পৰিক্ৰমাৰ উপমন্ত্ৰী জৰ্জ নাথানিয়েল কাৰ্জনে (George Nathaniel Curzon, the Under Secretary of State for India) ১৮৯২ চনৰ মাৰ্চ মাহৰ ২৮ তাৰিখে ইংলেণ্ডৰ নিম্ন সদন তথা কমনছ সভাত উত্থাপন কৰিছিল। ইতিপূৰ্বে ১৮৮৯ চনত বোম্বেত অনুষ্ঠিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ পঞ্চম বাৰ্ষিক অধিবেশনত ভাৰতবৰ্ষৰ পৰিষদ আইনৰ সংশোধন সম্পৰ্কীয় এটি প্ৰস্তাৱ গৃহীত হৈছিল। এই অধিবেশনত বৃটিশ সংসদৰ বিৰোধী দলৰ সদস্য আৰু ভাৰতবৰ্ষৰ প্ৰতি সহানুভূতিশীল ৰাজনীতিক চাৰ্লছ ব্ৰেডলাফ (Charles Braudlaugh) নামে লোকজন উপস্থিত আছিল আৰু তেওঁ কংগ্ৰেছত গ্ৰহণ কৰা প্ৰস্তাৱৰ সৈতে সংগতি ৰাখি বৃটিশ সংসদত এখন বিল উত্থাপন কৰাৰ প্ৰতিশ্ৰুতি দিছিল। প্ৰতিশ্ৰুতি দিয়া মতে তেওঁ তাত গৈ বিল এখন উত্থাপন কৰিছিল যদিও বিভিন্ন কাৰণত লক্ষ্যত উপনীত হ'ব পৰা নাছিল। এই প্ৰক্ৰিয়াৰেই ফলশ্ৰুতি আছিল কাৰ্জনে উত্থাপন কৰা বিলখন। সি যি কি নহওক, ১৮৯২ চনৰ ২০ জুন তাৰিখে বৃটিশ সংসদত গৃহীত হোৱাত বিলখন আইনত পৰিণত হয়।

এই আইনখনৰ জড়িয়তে ভাইচৰয়ৰ কাৰ্যনিৰ্বাহক পৰিষদ আৰু অন্যান্য পৰিষদ কেইখনৰ গঠন আৰু পৰিচালনাৰ ক্ষেত্ৰত সাংবিধানিক চৰ্ত প্ৰায় একেই আছিল। তথাপিও আইনখনে প্ৰস্তাৱ কৰা পৰিবৰ্তন তথা সংস্কাৰসমূহ আছিল এনেধৰণৰ—

(১) ভাইচৰয়ৰ কাৰ্যনিৰ্বাহক পৰিষদৰ অতিৰিক্ত সদস্যৰ (Additional Members) সংখ্যা নিম্নতম ১০ আৰু উৰ্দ্ধতম ১৬ জনলৈ বৃদ্ধি কৰা হৈছিল, আৰু পূৰ্বৰ দৰে ইয়াৰ অৰ্দ্ধেক সদস্য বেচৰকাৰী হ'ব লাগিছিল,

(২) মাদ্ৰাজ আৰু বোম্বে পৰিষদৰ প্ৰতিখনতেই একোজন এডভোকেট জেনেৰেলৰ ওপৰিও নিম্নতম ৮ আৰু উৰ্দ্ধতম ২০ জন সদস্য থাকিব, ইয়াৰে অৰ্দ্ধেক সদস্য হ'ব বেচৰকাৰী।

(৩) বংগ পৰিষদৰ অতিৰিক্ত সদস্যৰ সংখ্যা (Additional Members) ১২ৰপৰা ২০ লৈ বৃদ্ধি কৰা হৈছিল,

(৪) উত্তৰ পশ্চিম প্ৰদেশ তথা সংযুক্ত প্ৰদেশৰ পৰিষদৰ অতিৰিক্ত সদস্যৰ সংখ্যা (Additional Members) ৯ পৰা ১৫ লৈ বৃদ্ধি কৰা হৈছিল, ইয়াৰে এক-তৃতীয়াংশ বেচৰকাৰী হ'ব লাগিছিল। ভাৰতবৰ্ষত বসবাস কৰা যি কোনো লোকক কেন্দ্ৰীয় বিধান পৰিষদ আৰু প্ৰাদেশিক বিধান পৰিষদৰ অতিৰিক্ত সদস্যৰূপে মনোনীত কৰিব পৰা হ'ব।

(৫) ১৮৯২ চনৰ পৰিষদ আইনে ভাৰত পৰিক্ৰমাৰ মন্ত্ৰীৰ অনুমোদন সাপেক্ষে অতিৰিক্ত সদস্য মনোনয়নৰ ক্ষেত্ৰত ভাইচৰয়ক নতুন অধিনিয়ম (Regulations) তৈয়াৰ কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰিছিল। পিচত গ্ৰহণ কৰা এই অধিনিয়ম অনুযায়ী কেন্দ্ৰীয় বিধান পৰিষদৰ অতিৰিক্ত সদস্যৰ সংখ্যা ১৬ জনলৈ বৃদ্ধি কৰা হৈছিল, তাৰে ৬ জন চৰকাৰী আৰু ১০ জন বেচৰকাৰী সদস্য আছিল।

(৬) এইদৰে মনোনীত বেচৰকাৰী ১০ জন সদস্যৰ ৪ জন মাদ্ৰাজ, বোম্বে, বংগ আৰু উত্তৰ-পশ্চিম প্ৰদেশৰ বিধান পৰিষদে পোনতে নিৰ্বাচিত কৰিব। ব্ৰহ্মদেশ আৰু পাঞ্জাবত বিধান পৰিষদ গঠন কৰা হ'লে তেওঁলোকে প্ৰত্যেকে একোজনকৈ বেচৰকাৰী সদস্য নিৰ্বাচিত কৰিব পাৰিব।

(৭) কলকাতাৰ ব্যৱসায়ী সংস্থাৰ (Calcutta Chambers of Commerce) অনুমোদন সাপেক্ষে আৰু এজন বেচৰকাৰী সদস্য কেন্দ্ৰীয় বিধান পৰিষদলৈ পঠিয়াব পাৰিব।

স্থানীয় শাসন ব্যৱস্থাঃ

কেন্দ্ৰীয় আৰু প্ৰাদেশিক চৰকাৰৰ পৰিবৰ্তন আৰু সংস্কাৰৰ লগে লগে স্থানীয় স্বায়ত্ত শাসনৰ ক্ষেত্ৰতো কিছু সংস্কাৰ সাধন কৰা হৈছিল। ১৮৬৪-১৮৬৮ চনৰ ভিতৰত

পোন প্ৰথম বাৰৰ বাবে বৃটিশৰ আমোলত স্থানীয় স্বায়ত্ব শাসনৰ ক্ষেত্ৰত কিছু অগ্ৰগতি লাভ কৰা হয়। সেই মতে স্থানীয় নিকায়সমূহ সততে মনোনীত সদস্যৰে গঠিত হৈছিল আৰু ক্ষমতা প্ৰায়েই কেন্দ্ৰীভূত আছিল জিলা দণ্ডাধীশৰ হাতত। কিন্তু দেশৰ বিত্তীয় ব্যৱস্থাৰ বিকেন্দ্ৰীকৰণৰ প্ৰায় সমসাময়িকভাৱে স্বায়ত্ব শাসনৰ ক্ষেত্ৰত আৰু কিছু পৰিবৰ্তন সাধন কৰা হয়। লৰ্ড মেয়োৰ কাৰ্যকালতে ১৮৭০ চনত পোন প্ৰথম বাৰৰ বাবে বিত্তীয় ব্যৱস্থাক কেন্দ্ৰীয় আৰু প্ৰাদেশিক এই দুভাগত বিভক্ত কৰা হৈছিল। এই ব্যৱস্থাৰ সৈতে সংগতি ৰাখি পোনতে নগৰ সমিতি (Municipalities) আৰু জিলা পৰিষদৰ (District Boards) গঠন কৰা হৈছিল।

এইবিলাকৰ মাধ্যমতবিশেষকৈ এটা নিৰ্দিষ্ট এলেকাৰ বাসিন্দাসকলৰ মাজত জনস্বাস্থ্য, শিক্ষা, পানী যোগান, ৰাস্তা-পদুলি আদিৰ লগতে অন্যান্য নাগৰিক সা-সুবিধাৰ সম্প্ৰসাৰণ কৰিবলৈ বিচৰা হৈছিল। উদ্দেশ্য আছিল অঞ্চলটোৰ বাসিন্দাসকলৰপৰা পুঁজি সংগ্ৰহ কৰি এই ধৰণৰ জনহিতকৰ কামবিলাক যাতে কেন্দ্ৰীয় বা প্ৰাদেশিক চৰকাৰৰপৰা বাধা নোপোৱাকৈ আৰু অতি সুকলমে সম্পাদন কৰিব পাৰে তাৰ প্ৰতি দৃষ্টি ৰখা। লগতে উক্ত ধৰণৰ কামবিলাক সম্পাদন কৰাৰ বাবে প্ৰয়োজনীয় পুঁজি যাতে নিকায়সমূহে স্থানীয়ভাৱে সংগ্ৰহ কৰিব পাৰে তাৰ প্ৰতি দৃষ্টি ৰাখি সেই নিকায়সমূহক নিৰ্দিষ্ট কিছুমান কৰ-কাটল সংগ্ৰহৰ দায়িত্বও অৰ্পণ কৰা হৈছিল।

বৃটিশ ভাইচৰয় লৰ্ড ৰিপনৰ কাৰ্যকালতে (১৮৮০-৮৪) ভাৰতবৰ্ষত স্থানীয় স্বায়ত্ব শাসনৰ ক্ষেত্ৰত বহুখিনি অগ্ৰগতি লাভ কৰা হৈছিল। ১৮৮২ চনত তেওঁ দেশত প্ৰচলিত স্বায়ত্ব শাসনৰ উন্নয়ন কল্পে এটি প্ৰস্তাৱ গ্ৰহণ কৰিছিল। তেওঁ গাঁও আৰু নগৰ অঞ্চলৰ বাবে দুই ধৰণৰ স্থানীয় নিকায়ৰ সৃষ্টি কৰি সেইবিলাকৰ জৰিয়তেৰাজহুৱা কাম-কাজবিলাক সম্পাদন কৰাৰ পোষকতা কৰিছিল। তেনে স্থানীয় নিকায়ত বেচৰকাৰী সদস্যৰ সংখ্যাধিক্যৰ ব্যৱস্থা কৰিছিল। লগতে তেওঁ স্থানীয় নিকায়ৰ সভাপতিজন বেচৰকাৰী আৰু নিৰ্বাচিত হোৱাটো পছন্দ কৰিছিল। কিন্তু বৃটিশ গৃহ চৰকাৰে ৰিপনৰ প্ৰস্তাৱৰ প্ৰতি সম্পূৰ্ণ সমৰ্থন নিদি তাৰ যথেষ্ট সংশোধন কৰিছিল।

সি যি কি নহওক, সীমিত ভোটাধিকাৰৰ ভিত্তিত নিৰ্বাচিত স্থানীয় নিকায়ত বেচৰকাৰী সদস্যৰ সংখ্যা কম হোৱাত জিলা দণ্ডাধীশজনেই সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। অৱশ্যে এইটো স্বীকাৰ কৰিব লাগিব যে লৰ্ড ৰিপনৰ এই প্ৰস্তাৱৰ পিচৰপৰাই লাহে লাহে স্থানীয় স্বায়ত্ব শাসনৰ ক্ষেত্ৰত জিলা বৰ্ড (District Board) আৰু লোকেল বৰ্ড (Local Board) গঠন কৰাৰ পৰম্পৰাৰ সৃষ্টি হৈছিল। আনহাতে

চৰকাৰৰ হাতত স্থানীয় নিকায়সমূহ নিয়ন্ত্ৰণ কৰাৰ বাবে প্ৰচুৰ ক্ষমতা আছিল আৰু তাৰেই আধাৰত জিলা দণ্ডাধীশ বা অন্য চৰকাৰী বিষয়াই উক্ত নিকায়সমূহ ভাঙি দিব পাৰিছিল।

সামৰিকবাহিনীঃ সামৰিক সেৱা ঃ

দেশৰ প্ৰশাসনৰ দায়িত্ব বৃটিশ ৰাজমুকুটৰ হাতলৈ যোৱাত বৃটিশ-ভাৰতবৰ্ষৰ সেনা বাহিনীৰ সাংগঠনিক আৰু প্ৰশাসনিক ক্ষেত্ৰতো যথেষ্ট পৰিবৰ্তন সাধন কৰা হৈছিল। বিদ্ৰোহৰ পিচত বৃটিশ-ভাৰতবৰ্ষৰ সেনা বাহিনীৰ সংখ্যা যথেষ্ট বৃদ্ধি কৰা হৈছিল। মুঠতে ৭০,০০০ ইয়োৰূপীয় আৰু ১,৩৫,০০০ ভাৰতীয় সৈনিক দেশত মোতায়েন কৰি ৰখা হৈছিল। সময়ৰ অগ্ৰগতিৰ লগে লগে এই বিশাল সেনা বাহিনীৰ স্যখ্যা বৃদ্ধি কৰি যোৱা হৈছিল। অকল দেশৰ নিৰাপত্তাৰ বাবেই নহয়, বৃটিশ সাম্ৰাজ্যবাদৰ স্বাৰ্থত দেশৰ বাহিৰত বিশেষকৈ এছিয়া আৰু আফ্ৰিকাৰ বিভিন্ন দেশত এই সেনা বাহিনীটোক কামত লগোৱা হৈছিল।

বৃটিশ-ভাৰতবৰ্ষত যাতে ১৮৫৭-৫৮ চনৰ দৰে বিদ্ৰোহ সংঘটিত হ'ব নোৱাৰে তাৰ প্ৰতি দৃষ্টি ৰাখি সামৰিক বাহিনীৰ সাংগঠনিক দিশত ভালেমান পৰিবৰ্তন সাধন কৰা হৈছিল। সেনা বাহিনীৰ পুনৰ গঠন কৰোঁতে এইটো লক্ষ্য কৰা হৈছিল যাতে সৈনিক-সকলৰ মাজত বিদ্ৰোহ কৰাৰ সাহস আৰু সম্ভাৱনা নোহোৱা হৈ পৰে। কোম্পানীৰ ইয়োৰূপীয় সৈনিকসকলক ৰাজকীয় সেনা বাহিনীৰ সৈতে চামিল কৰা হৈছিল। সেনা বাহিনীত যাতে ইয়োৰূপীয় তথা বৃটিশ সৈনিকৰ প্ৰধান্য অটুট থাকে তালৈ সততে লক্ষ্য কৰা হৈছিল। ভাৰতবৰ্ষত বৃটিশ সাম্ৰাজ্যৰ ধৰণী আছিল সামৰিক বাহিনী, সেয়ে সামৰিক গোটবিলাক পুনৰ গঠন কৰোঁতে যথেষ্ট সৰ্তকতা অবলম্বন কৰা হৈছিল। ১৮৫৭ চনত বিদ্ৰোহত নেতৃত্ব লৈছিল বেংগল আৰ্মিয়ে, সেয়ে বেংগল আৰ্মি পুনৰ গঠন কৰোঁতে প্ৰতি দুজন ভাৰতীয় সৈনিকৰ বিপৰীতে এজনকৈ ইয়োৰূপীয় সৈনিক মকৰল কৰিছিল। সেইদৰে মাদ্ৰাজ আৰু বোম্বে সেনা বাহিনীত প্ৰতি ৫ জন দেশীয় সৈনিকৰ বিপৰীতে ২ জন ইয়োৰূপীয় নিয়োগ কৰিছিল।

বিদ্ৰোহৰ আগতেও দেশীয় লোকে সামৰিক বাহিনীত উচ্চ পদস্থ বিষয়-বাব নাপাইছিল, সেই নীতিকে বিদ্ৰোহৰ পিচতো অনুসৰণ কৰা হৈছিল। অন্ততঃ ১৯১৪ চনৰ আগলৈ কোনো দেশীয় লোকে সামৰিক বাহিনীত আনকি চুবেদাৰৰ ওপৰৰ পদবীলৈও পদোন্নতি লাভ কৰা নাছিল।

বেংগল আৰ্মিৰ সৈনিকসকল আছিল প্ৰধানতঃ অযোধ্যা, বিহাৰ, দাক্ষিণাত্য আৰু মধ্য প্ৰদেশৰ লোক। এই বেংগল আৰ্মিৰ সৈনিকসকলেই পোনতে বিদ্ৰোহৰ নেতৃত্ব

লৈছিল। সেয়ে বিদ্ৰোহৰ পিচত সেনা বাহিনীৰ পুনৰ গঠন কৰোঁতে উক্ত অঞ্চল-সমূহৰপৰা সৈনিক নিয়োগ কৰাটো বৃটিশ-ভাৰত চৰকাৰে নীতিগতভাৱেই পৰিহাৰ কৰি চলিছিল। সামৰিক বাহিনীত নিয়োগ নীতিৰ এইটো বৰ তাৎপৰ্যপূৰ্ণ দিশ আছিল।

আনহাতে বিদ্ৰোহ দমন কৰোঁতে যিবিলাক জনগোষ্ঠী বা অঞ্চলে বৃটিশক সহায় কৰিছিল বিদ্ৰোহৰ পিচত তেনে অঞ্চল বা জনগোষ্ঠীৰ লোকক সামৰিক বাহিনীত নিয়োগ কৰিছিল আৰু তাক পৰৱৰ্তী কালটো এক সামৰিক নীতি হিচাপে অনুসৰণ কৰি আহিছিল। তাৰেই ফলশ্ৰুতিত নেপালী বা গোৰ্খা, শিখ বা পাঞ্জাবী আৰু পাঠানসকলে সামৰিক বাহিনীত অধিক হাৰত নিযুক্তি পাইছিল। কিয়নো তেনে গোষ্ঠীৰ লোকসকলে ১৮৫৭ চনৰ বিদ্ৰোহ দমন কৰাত বৃটিশক সহায় কৰিছিল।

আনহাতে দেশীয় লোকৰ দ্বাৰা গঠিত সামৰিক গোট বা বাহিনীবিলাকত (Regi-ments) বিভিন্ন জাত-পাত, ধৰ্ম আৰু অঞ্চলৰ লোক আছিল। বৃটিশে সেই সকলো লোকৰে মাজত নিজ নিজ জাতি, গোষ্ঠী, ধৰ্ম আৰু অঞ্চলৰ প্ৰতি আনুগত্য গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল, যাতে দেশীয় সৈনিকসকল জাতি-গোষ্ঠীগত, ধৰ্মীয় আৰু আঞ্চলিক বিভিন্নতাৰে বিভক্ত হৈ থাকে আৰু তেওঁলোকৰ মাজত ভাৰতীয় জাতীয়তাবোধ গঢ়ি উঠিব নোৱাৰে।

দেশীয় সৈনিকসকলে বাতৰি কাকত, আলোচনী, ভাৰতীয় জাতীয়তাবাদী মতাদৰ্শৰ প্ৰভাৱদুষ্ট কোনো গ্ৰন্থ যাতে পঢ়া-শুনা কৰিব নোৱাৰে তাৰ প্ৰতি সততে দৃষ্টি ৰাখিছিল।

সেইবিলাকৰ ওপৰিও আৰম্ভণিৰেপৰা গোলান্দাজ বাহিনী (Artillery) আৰু প্ৰথম বিশ্ব যুদ্ধৰ পিচৰপৰা টেঙ্ক আৰু যুদ্ধাস্ত্ৰৰ দায়িত্ব সদায়েই ইয়োৰুপীয় সৈনিকৰ হাতত ন্যস্ত কৰিছিল।

তদুপৰি পূৰ্বে উল্লেখ কৰি অহাৰ দৰে বৃটিশ-ভাৰতীয় সেনা বাহিনীটো অকল দেশৰ প্ৰতিৰক্ষা আৰু নিৰাপত্তাৰ কামতেই ব্যৱহাৰ কৰা হোৱা নাছিল, লগতে সেই বাহিনীটোক দেশৰ বাহিৰত বৃটিশ সাম্ৰাজ্যৰ স্বাৰ্থত বিশ্বৰ যিকোনো দেশ আৰু অঞ্চলতে ব্যৱহাৰ কৰা হৈছিল। তাৰ বিনিময়ত বৃটিশ গৃহ চৰকাৰে এটা ফুটা কড়িও খৰচ কৰা নাছিল, দা-দৰমহাকে ধৰি সমুদায় খৰচ ভাৰতবৰ্ষৰ ৰাজকোষৰপৰাই কৰা হৈছিল।

অসামৰিক সেৱাঃ

মহাৰাণী ভিক্টোৰিয়াৰ ঘোষণা পত্ৰৰ যোগেদি এইটো কোৱা হৈছিল যে বৃটিশে জাতি, ধৰ্ম, সম্প্ৰদায় নিৰ্বিশেষে যোগ্যতা অনুসৰি ভাৰতীয় লোকক অসামৰিক সেৱাত নিযুক্তি দিব। ভাৰতীয় লোকৰ মাজত পূৰ্বৰেপৰা এটি আশা আছিল যে নিজ দেশৰ

প্ৰশাসনিক ক্ষেত্ৰত থকা বিভিন্ন পদবীত তেওঁলোকে স্বাভাৱিক কাৰণতেই নিযুক্তি পোৱাটো বাঞ্ছনীয়। যিহেতু তেনে পদবীত মকৰল কৰা বিষয়াসকলৰ দা-দৰমহা আদি ভাৰতবৰ্ষৰ ৰাজকোষৰপৰাই দিয়া হৈছিল সেয়ে তেওঁলোকে পোষণ কৰা তেনে এটা আশা নিশ্চয় যুক্তিসংগত আৰু বৈধ আছিল। দেশত ভাৰতীয় লোকৰ মাজত আধুনিক পশ্চিমীয়া শিক্ষাৰ সম্প্ৰসাৰণৰ লগে লগে সেই আশা-আকাংক্ষা আৰু বৃদ্ধি পাইছিল। আনহাতে মহাৰাণীৰ ঘোষণাই তাত সাৰ-পানী যোগাইছিল।

কিন্তু আচৰিত কথা যে বৃটিশৰ পূৰ্বৰ বহু প্ৰতিশ্ৰুতিৰ দৰে মহাৰাণীৰ প্ৰতিশ্ৰুতিও ফুটুকাৰ যেনত পৰিণত হ'ল। বৃটিশে কৌশলপূৰ্ণভাৱে ভাৰতীয় লোকক সামৰিক সেৱাৰ দৰে নিজ দেশৰ অসামৰিক সেৱাৰপৰাও বঞ্চিত কৰি ৰখাৰ নীতিকে কাৰ্যকৰী কৰি যাবলৈ ধৰিলে। তাতে আকৌ ভাপ জাহাজৰ চলাচল, ছুয়েজ খালৰ উন্মোচন (১৮৬৯), টেলিগ্ৰাফ আৰু টেলিফোন ব্যৱস্থাৰ প্ৰবৰ্তন আৰু ইংলেণ্ড আৰু ভাৰতবৰ্ষৰ সৈতে সাগৰতলীৰ কেবল (Cable) ব্যৱস্থাই ভাৰতবৰ্ষৰ সমগ্ৰ প্ৰশাসন যন্ত্ৰটোক বৃটিশ গৃহ চৰকাৰৰ ওপৰত নিৰ্ভৰশীল কৰি তুলিছিল। গতিকে ভাৰতবৰ্ষৰ উদীয়মান শিক্ষিত শ্ৰেণীৰ লোকসকলক ন্যায্য দাবীৰপৰা বঞ্চিত কৰি হ'লেও বৃটিশ সাম্ৰাজ্যবাদীসকলে দেশৰ শাসন ব্যৱস্থা চলাই নিয়াত বিশেষ অসুবিধা পোৱা নাছিল।

লৰ্ড কৰ্ণৱালিছে কোম্পানীৰ সকলো উচ্চ পদস্থ চাকৰী ইংৰাজ বা ইয়োৰুপীয় লোকৰ বাবে সংৰক্ষিত কৰি ৰাখিছিল। জাত্যাভিমানী কৰ্ণৱালিছে ভাৰতীয়সকল অসৎ আৰু অবিশ্বাসী আছিল বুলি ধৰি লৈছিল আৰু তেওঁৱেই কোম্পানীৰ নিয়োগ ব্যৱস্থাত পোনতে বৰ্ণবৈষম্যবাদী নীতি (Policy of racial discrimination) প্ৰয়োগ কৰিছিল। লৰ্ড ওৱেলেছলিয়ে তেওঁৰ কাৰ্যকালত ইংলেণ্ডত নিযুক্তি লাভ কৰি ভাৰতলৈ কোম্পানীৰ তলত চাকৰী কৰিবলৈ অহা ইংৰাজলোকৰ প্ৰশিক্ষণৰ বাবে কলকাতাত পোনতে এটি কলেজ স্থাপন কৰিছিল। ১৮০৬ চনত ইংলেণ্ডৰ হেইলবেৰীতো তেনে এখন কলেজ স্থাপন কৰা হৈছিল। কিন্তু সেইবিলাক কৰিলেও কোম্পানীৰ উৰ্দ্ধতন কৰ্তৃপক্ষই বা গৱৰ্ণৰ-জেনেৰেলসকলে অসামৰিক সেৱাত ভাৰতীয় লোকৰ নিযুক্তিৰ ক্ষেত্ৰত কোনো ধৰণৰ নীতিগত উদাৰতা প্ৰদৰ্শন কৰা নাছিল।

বিদ্ৰোহ আৰু মহাৰাণীৰ ঘোষণাৰ পিচত মাত্ৰ ১৮৬০ চনত ভাৰতীয় লোকৰ অসামৰিক সেৱাত নিযুক্তিৰ প্ৰশ্নটো বিবেচনা কৰিবলৈ ভাৰত পৰিক্ৰমাৰ মন্ত্ৰীজনে এটি সমিতি গঠন কৰি দিছিল। সমিতিখনৰ মূল উদ্দেশ্য আছিল মহাৰাণীৰ ঘোষণাৰ জড়িয়তে ভাৰতীয়সকলৰ প্ৰতি দিয়া প্ৰতিশ্ৰুতিৰ ৰূপায়ন কৰা। এই সমিতিৰ পৰামৰ্শ মৰ্মেই ১৮৬১

চনত বৃটিশ সংসদত ভাৰতীয় লোক সেৱা আইনখন (Indian Civil Service Act, 1861) গ্ৰহণ কৰা হৈছিল। কিন্তু এই আইনখনে কোম্পানীয়ে পূৰ্বতে নিয়োগ কৰা উচ্চ পদস্থ বিষয়াসকলকহে আইনসংগত স্বীকৃতি দিয়াৰ লগতে সকলো উচ্চথাপৰ পদবী ইংৰাজ বা ইয়োৰূপীয়সকলৰ বাবে সংৰক্ষণ কৰাৰ দিহা কৰিছিল।

লণ্ডনত অনুষ্ঠিত বাৰ্ষিক প্ৰতিযোগিতামূলক পৰীক্ষাৰ মাধ্যমত ভাৰতীয় লোক সেৱাৰ পদবীসমূহত নিযুক্তি দিয়াৰ পৰম্পৰা আছিল। উক্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ হ'লে প্ৰাৰ্থীজনৰ অন্যান্য বিষয়ৰ বাদেও ধ্ৰুপদী গ্ৰীক আৰু লেটিন সাহিত্যৰ লগতে ইংৰাজী ভাষাত ব্যুৎপত্তি থাকিব লাগিছিল আৰু তেওঁৰ উৰ্দ্ধতম বয়স হ'ব লাগিছিল ২৪ বছৰ। লণ্ডনত অনুষ্ঠিত ভাৰতীয় লোক সেৱাৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰথমজন ভাৰতীয় লোক আছিল ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাই সত্যেন্দ্ৰনাথ ঠাকুৰ। তেওঁ ১৮৬৩ চনত উক্ত পৰীক্ষাত উত্তীৰ্ণ হৈছিল। তাৰ পিচত ১৮৬৯ চনত ৪ জন ভাৰতীয় লোকে উক্ত পৰীক্ষাত সফল হৈছিল, তেওঁলোক হ'ল—ৰমেশ চন্দ্ৰ দত্ত, সুৰেন্দ্ৰনাথ বেনাৰ্জী, বিহাৰীলাল গুপ্ত আৰু শ্ৰীপদ বাবাজী ঠাকুৰ (বোম্বে)। ১৮৭০ চনত উত্তীৰ্ণ হোৱা ব্যক্তিজন আছিল অসমৰ প্ৰখ্যাত সংস্কৃত পণ্ডিত আনন্দৰাম বৰুৱা। তেওঁক পঞ্চমজন চিভিলিয়ান বুলি কোৱা হয় যদিও, বৰুৱা ষষ্ঠজন চিভিলিয়ানহে আছিল। অৱশ্যে বেংগল প্ৰেছিডেঞ্চিৰ ভিতৰত আনন্দৰাম বৰুৱা যে পঞ্চমজন চিভিলিয়ান আছিল সেই সম্পৰ্কে কোনো সন্দেহ নাই, কিয়নো শ্ৰীপদ বাবাজী ঠাকুৰ বোম্বে প্ৰেছিডেঞ্চিৰহে লোক আছিল।

১৮৭০ চনত গ্লেডষ্টোন ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী থাকোঁতে বৃটিশ সংসদে ভাৰতীয় লোক সেৱা সম্পৰ্কীয় আন এখন আইন গ্ৰহণ কৰিছিল। এই আইনৰ জৰিয়তে ভাৰতীয় লোকক, যোগ্যতা অনুসৰি, অসামৰিক সেৱাত নিযুক্তি দিয়াৰ পোষকতা কৰা হৈছিল। কিন্তু সেই আইনেও কোনো কাম নিদিলে। লৰ্ড নৰ্থব্ৰুকে মাত্ৰ বিচাৰ বিভাগৰ কেইটামান পদত ভাৰতীয় লোকক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছিল। লৰ্ড লিটনে আকৌ ভাৰতীয় লোকক অসামৰিক সেৱাৰপৰা আঁতৰাই ৰখাৰ অভিসন্ধিহে কৰিলে।

এই অভিসন্ধিৰ অংশৰূপে তেওঁ প্ৰাৰ্থীৰ বয়সৰ উৰ্দ্ধতম সীমা ১৯ বছৰলৈ হ্ৰাস কৰি দিছিল। ঐতিহাসিক বিপান চন্দ্ৰই কৈছে, "If the young Indian of twenty-three found it difficult to succeed in the Civil Service competition, the Indian of nineteen found it impossible to do so." তদানীন্তন ভাৰতীয় পৰিৱেশত কোনো বিদ্যাৰ্থীয়ে কম বয়সতে স্কুললৈ নাযায় আৰু সেয়ে ১৯ বছৰৰ পূৰ্বে স্নাতক হোৱাটো সম্ভৱ নহয়, কাজেই তেনে ক্ষেত্ৰত এই সময় সীমাই ভাৰতীয় লোকক উক্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাত বাধা প্ৰদান কৰিবলৈ লৰ্ড লিটনে আইনী ব্যৱস্থা কৰিছিল বুলি বিশ্বাস

কৰি ভাৰতীয়সকলে তাৰ বিৰুদ্ধে ব্যাপক প্ৰতিবাদী আন্দোনত মিলিত হৈছিল। ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সংগঠন গঢ়ি উঠাৰ পিচৰপৰা এই সংগঠনে ভাৰতীয় লোক সেৱাৰ নিযুক্তি সম্পৰ্কীয় প্ৰশ্নত মাত মাতিবলৈ লৈছিল।

প্ৰাৰ্থীৰ বয়স বৃদ্ধি কৰিবলৈ দাবী কৰাৰ লগতে কংগ্ৰেছে ইংলেণ্ড আৰু ভাৰতবৰ্ষত একে সময়তে ভাৰতীয় লোক সেৱাৰ বাছনি পৰীক্ষা পাতিবলৈ দাবী উত্থাপন কৰিবলৈ ধৰিলে। লিটনৰ সময়ৰপৰা চলি অহা বাদ-প্ৰতিবাদ আৰু কংগ্ৰেছে শেহতীয়াকৈ উত্থাপন কৰা এই দাবীৰ পৰিপ্ৰেক্ষিতত বৃটিশ ভাইচৰয় লৰ্ড ডাফৰিণে ১৮৮৬ চনত এটি লোক সেৱা আযোগ (Public Service Commission) নিয়োগ কৰি সমগ্ৰ বিষয়টো অধ্যয়ন কৰি প্ৰতিবেদন দাখিল কৰিবলৈ পৰামৰ্শ দিলে। এই আযোগৰ সভাপতি আছিল পাঞ্জাবৰ তদানীন্তন দুৱলীয়া লাট, ছাৰ চাৰ্লছ আটছিচন (Sir Charles Atchison)। উক্ত আযোগে দিয়া পৰামৰ্শসমূহ আছিল এনেধৰণৰ—

(ক) প্ৰধান আৰু গুৰুত্বপূৰ্ণ পদবীসমূহ ইংৰাজ লোকৰ বাবে সংৰক্ষিত কৰি ৰখা,

(খ) একমাত্ৰ ইংলেণ্ডতে উক্ত প্ৰতিযোগিতামূলক পৰীক্ষা পতা,

(গ) পৰীক্ষাৰ্থীৰ উৰ্দ্ধতম বয়স ২৩ বছৰলৈ বৃদ্ধি কৰা,

(ঘ) পুলিচ, গড় কপ্তানী, বন বিভাগৰ মুখ্য চাকৰী ইংৰাজ লোকৰ বাবে সংৰক্ষণ কৰা।

গতিকে এই প্ৰতিবেদনৰ পৰিণতি স্বৰূপেও ভাৰতীয় লোকৰ আশা-আকাংক্ষা পূৰণ হোৱাৰ কোনো সম্ভৱনা দেখা নগ'ল। সেয়ে প্ৰশাসনিক বিভাগবিলাকত ভাৰতীয় লোকৰ নিযুক্তি বৃদ্ধি নাপালে। ১৮৯৯ চনলৈ বৃটিশ-ভাৰতীয় লোক সেৱাত বাৰ্ষিক ১২,০০০ টকা আৰু তাৰ ওপৰৰ দৰমহা পোৱা মুঠ ১,২০০ উচ্চ পদস্থ বিষয়াৰ ভিতৰত ভাৰতীয় লোক আছিল মাত্ৰ ৫৫ জন। অকল প্ৰশাসনিক বিভাগতেই নহয়, গড় কপ্তানী, ডাক-তাৰ, পুলিচ প্ৰশাসন, বন বিভাগ, চিকিৎসা সেৱা, কাৰিকৰী বিভাগ, ৰেল আদি বিভিন্ন বিভাগৰ উচ্চ হাৰৰ বেতন পোৱা উচ্চ পদস্থ বিষয়-বাবসমূহ সততে ইংৰাজসকলৰ বাবে সংৰক্ষিত আছিল। তাত কদা-কাচিৎহে ভাৰতীয় লোকৰ প্ৰবেশ ঘটিছিল। প্ৰশাসনৰ প্ৰতিটো বিভাগতে বৃটিশৰ নিৰঙ্কুশ নিয়ন্ত্ৰণ আৰু আধিপত্য বজাই ৰখাৰ প্ৰয়োজনতেই সেইটো কৰা হৈছিল।

ভাৰতবৰ্ষত গঢ়ি তোলা এই আমোলাতন্ত্ৰ বৃটিশ সাম্ৰাজ্যবাদৰ শক্তি আৰু ক্ষমতাৰ আধাৰ আছিল। লৌহ কঠিন (Steel-frame) পৰিকাঠামোৰে নিৰ্মিত এই আমোলাতন্ত্ৰ বিশ্বৰ ভিতৰতে নিপুন, কৰ্মতৎপৰ, কষ্ট সহিষ্ণু, পাৰদৰ্শী আৰু সাহসী আমোলাতন্ত্ৰৰূপে পৰিচিত আছিল। ভাৰতবৰ্ষৰ দৰে বিশাল বৃটিশ সাম্ৰাজ্যখনক নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰি ৰখাৰ তাগিদাতেই ভাৰতীয় লোক সেৱাৰ ওপৰত ইংৰাজসকলৰ আধিপত্য থকাটো

অপৰিহাৰ্য আছিল বুলি বৃটিশ ভাইচৰয় লৰ্ড লেন্সডাউনেই (১৮৮৮-৯৪) (Lord Lansdowne) স্বীকাৰ কৰি গৈছে, " the absolute necessity of keeping the government of this widespread Empire in European hands, if that Empire is to be maintained " এই নীতিৰ কথা ভাৰত পৰিক্ৰমাৰ মন্ত্ৰী লৰ্ড কিম্বাৰ্লিয়েও ১৮৯৩ চনতে স্বীকাৰ কৰি গৈছে, " it is indispensable that an adequate number of the members of the Civil Service shall always be Europeans "

প্ৰথম বিশ্ব যুদ্ধৰ পিচৰপৰা বিশেষকৈ ১৯১৮ চনৰপৰা লাহে লাহে ভাৰতীয় লোকৰ অনুকূলে এই অৱস্থাৰ পৰিবৰ্তন হ'বলৈ লৈছিল। তাৰো আগতে ১৯১২ চনত সমগ্ৰ বিষয়টো খৰছি মাৰি অধ্যয়ন কৰি পৰামৰ্শ দিবলৈ বৃটিশ গৃহ চৰকাৰে 'Royal Commission' এটি গঠন কৰি দিছিল। লৰ্ড ইছলিংটন (Lord Islington) এই কমিছনৰ সভাপতি আছিল। এই কমিছনৰ প্ৰতিবেদন ১৯১৭ চনত প্ৰকাশ কৰা হৈছিল আৰু তাত সন্নিবিষ্ট কৰা তিনিটা প্ৰধান পৰামৰ্শ আছিল—

(ক) লোক সেৱাত নিযুক্তিৰ বাবে প্ৰতিযোগিতামূলক পৰীক্ষা ইংলেণ্ডতে অনুষ্ঠিত হ'ব,

(খ) সেই পৰীক্ষাৰ জড়িয়তে ৭৫ শতাংশ প্ৰাৰ্থী ইংলেণ্ডতে বাছনি কৰা হ'ব,

(গ) প্ৰাৰ্থীৰ বয়সৰ উৰ্দ্ধতম সীমা পূৰ্বৰ ২৪ বছৰৰ পৰিবৰ্তে ১৯ বছৰলৈ হ্ৰাস কৰা। অৱশ্যে মন্টেগো-চেমছফোৰ্ড সংস্কাৰ (১৯১৮-১৯) মৰ্মেহে বৃটিশ-ভাৰত লোক সেৱাক ভাৰতীয় লোক সেৱালৈ পৰিবৰ্তন কৰাৰ প্ৰাৰম্ভিক কাম-কাজ খিনিৰ সূচনা কৰা হয়। এই সংস্কাৰ প্ৰস্তাৱে বৃটিশ-ভাৰত লোক সেৱাত ভাৰতীয় লোকক অধিক হাৰত নিযুক্তি দিয়াৰ পোষকতা কৰে। সেই প্ৰস্তাৱক বাস্তৱৰূপ দিয়াৰ উদ্দেশ্যে ১৯২৩ চনত লৰ্ড লিৰ সভাপতিত্বত আন এটি কমিছন নিয়োগ কৰা হয়। এই কমিছনকে লি কমিছন (Lord Lee Commission) বোলা হৈছিল।

পিচৰ বছৰত এই কমিছনে প্ৰতিবেদন দাখিল কৰে আৰু তাৰ পৰামৰ্শৱলী মতে

(ক) ভাৰতীয় লোক সেৱা, ভাৰতীয় পুলিচ সেৱা, ভাৰতীয় বন সেৱা আৰু জলসিঞ্চন বিভাগত কাৰিকৰী বিশেষজ্ঞ নিযুক্তিৰ ক্ষমতা পূৰ্বৰ দৰে ভাৰত পৰিক্ৰমাৰ মন্ত্ৰীৰ হাতত ন্যস্ত ৰাখে,

(খ) ভাৰতীয় শিক্ষা সেৱা, ভাৰতীয় চিকিৎসা সেৱা, ভাৰতীয় পশু চিকিৎসা সেৱা আদি সৰ্বভাৰতীয় সেৱাৰ অৱসান ঘটোৱা হয়,

(গ) কেন্দ্ৰীয় লোক সেৱাৰ ১০ শতাংশ পদৱী প্ৰাদেশিক লোক সেৱাৰ জ্যেষ্ঠ বিষয়াৰ পদোন্নতিৰ জড়িয়তে পূৰণ কৰাৰ ব্যৱস্থা কৰা হয়,

(ঘ) প্ৰাদেশিক লোক সেৱাত নিযুক্তিৰ দায়িত্ব প্ৰাদেশিক চৰকাৰৰ ওপৰত ন্যস্ত কৰা হয়, আৰু সেই দায়িত্ব পালন কৰিবলৈ প্ৰদেশসমূহে নিজা নিজা বৰীয়াকৈ প্ৰাদেশিক লোক সেৱা আয়োগ গঠন কৰি লব পাৰিব। এই পৰামৰ্শৱলী পিচত কাৰ্যত পৰিণত কৰা হয়।

সেই মৰ্মে ১৯২৫ চনত ৫ জন সৰ্বক্ষণৰ সদস্যক লৈ কেন্দ্ৰীয় লোক সেৱা আয়োগ এটি গঠন কৰা হয়।

বৃটিশ-ভাৰতীয় লোক সেৱাৰ সেৱাসমূহ ভাৰতীয়কৰণৰ ক্ষেত্ৰত ১৯৩৫ চনৰ ভাৰত শাসন বিধিয়েও ভালেমান সদৰ্থক ভূমিকা লৈছিল। এই বিধিয়ে পোনেত ভাৰতীয় সামৰিক আৰু অসামৰিক সেৱাৰ বিষয়াসকলৰ অধিকাৰসমূহ অধিক স্পষ্ট কৰি দিছিল। পূৰ্বৰ দৰে ভাৰতীয় লোক সেৱাৰ লগতে পুলিচ প্ৰশাসনৰ নিযুক্তিও ভাৰত পৰিক্ৰমাৰ মন্ত্ৰীজনৰ হাতত ন্যস্ত ৰাখিছিল। এই আইনে সংঘীয় তথা কেন্দ্ৰীয় লোক সেৱা আয়োগ এটি গঢ়ি তোলাৰ পোষকতা কৰিছিল। কেন্দ্ৰীয় আৰু প্ৰাদেশিক লোক সেৱা আয়োগে সুকীয়া সুকীয়াকৈ নিজ নিজ প্ৰয়োজন অনুযায়ী কেন্দ্ৰীয় আৰু প্ৰাদেশিক সেৱাসমূহত নিযুক্তি দিব পাৰিছিল।

এইদৰে স্বাধীনতাৰ পূৰ্বে লাহে লাহে বৃটিশ-ভাৰতীয় লোক সেৱাৰ ভাৰতীয়কৰণ প্ৰক্ৰিয়াৰ সূচনা হৈছিল আৰু তাৰেই ফলশ্ৰুতিত ভাৰতীয় লোক সেৱাৰ নিযুক্তিত ভাৰতীয় লোকে অগ্ৰাধিকাৰ পাবলৈ লৈছিল। অৰ্থাৎ দীৰ্ঘদিনৰ বাক-বিতণ্ডা, বাদ-প্ৰতিবাদ আৰু আন্দোলন-সংগ্ৰামৰ পৰিণতি স্বৰূপে লোক সেৱাক ভাৰতীয়কৰণ কৰা হৈছিল।

দেশীয় ৰজা-মহাৰজাসকলৰ সৈতে বৃটিশ-ভাৰতৰ সম্পৰ্কঃ

ইতিপূৰ্বে উল্লেখ কৰি অহা হৈছে যে মহাৰাণীৰ ঘোষণা পত্ৰৰ যোগেদি ভাৰতবৰ্ষৰ দেশীয় ৰাজ-মহাৰজাসকলৰ প্ৰতি এটি আশ্বাসৰ বাণী প্ৰচাৰ কৰা হৈছিল যে বৃটিশ গৃহ চৰকাৰে—

(ক) ইংলিশ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতবৰ্ষৰ দেশীয় ৰজা-মহাৰজাসকলৰ সৈতে কৰা সন্ধি, চুক্তি আদিৰ চৰ্তসমূহ মানি লৈছে,

(খ) ভৱিষ্যতে ভাৰতবৰ্ষত ৰাজ্য বিস্তাৰ নকৰে,

(গ) ভাৰতবৰ্ষৰ দেশীয় ৰজা-মহাৰজা আৰু শাসনকৰ্তাসকলৰ স্বত্ব, অধিকাৰ আৰু মান-সন্মান নিজৰ স্বত্ব, অধিকাৰ আৰু মান-সন্মান বুলি গণ্য কৰি চলিব।

উক্ত প্ৰতিশ্ৰুতিৰ ওপৰিও ভাৰতবৰ্ষৰ নব-নিযুক্ত গৱৰ্ণৰ-জেনেৰেল আৰু ভাইচৰয় লৰ্ড কেনিঙে ঘোষণা কৰিছিল যে চৰকাৰে স্বাভাৱিক পুত্ৰ সন্তানৰপৰা বঞ্চিত ভাৰতীয় দেশীয় ৰজা-মহাৰজাসকলে তোলনীয়া পুত্ৰ লোৱাৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা বাতিল কৰিছে। গতিকে বিদ্ৰোহৰ অব্যৱহিত পিচৰ কালছোৱাত এই ঘোষণাৰ ওপৰত ভিত্তি

কৰিয়েই বৃটিশে দেশীয় ৰজা-মহাৰজাসকলৰ প্ৰতি এটি নতুন আৰু সাম্ৰাজ্যবাদী স্বাৰ্থৰ পৰিপূৰক নীতি হাতত লৈছিল।

বিদ্ৰোহৰ সময়ত দেশীয় ৰজা-মহাৰজাসকলৰ একাংশৰ সহায়ে বৃটিশক ইতিমধ্যে কৃতজ্ঞতাপাশত আবদ্ধ কৰি ৰাখিছিল আৰু ভৱিষ্যতেও যাতে আপদৰ সময়ত তেওঁলোকৰ সহায় পাব পাৰে সেই লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখিয়েই বৃটিশে দেশীয় ৰাজ্যসমূহৰ প্ৰতি নীতি নিৰ্দ্ধাৰণ কৰিছিল। বৃটিশে আভ্যন্তৰীণ যি কোনো বিপদৰ সময়ত স্থানীয় ঢোকা হিচাপে এই দেশীয় ৰাজ্যসমূহক ব্যৱহাৰ কৰাৰ পক্ষপাতী আছিল। আনহাতে সাৰ্বভৌম ক্ষমতাৰ প্ৰশ্নত বৃটিশে কোনোপধ্যেই কাৰো সৈতে আপোচ কৰাৰ পক্ষপাতী নাছিল। বৃটিশ ভাইচৰয় লৰ্ড কেনিঙে ১৮৬২ চনতে কৰা ঘোষণাৰপৰাই তাৰ সম্ভেদ পাব পাৰি, " the Crown of England stood forth as the unquestioned Ruler and Paramount Power in all India "

দ্বিতীয়তে, বিদ্ৰোহৰপৰা বৃটিশে এইটো শিক্ষা লৈছিল যে ভাৰতবৰ্ষত বৃটিশ সাম্ৰাজ্য টিকি থাকিবলৈ হ'লে বিভাজনৰ নীতি প্ৰয়োগ কৰিব লাগিব। গতিকে বৃটিশ ভাৰতৰপৰা দেশীয় ৰাজ্যসমূহক পৃথকে আৰু সুকীয়াকৈ সংগঠিত কৰি ৰাখিব লাগিব যাতে দেশীয় ৰাজ্যসমূহত ভাৰতীয়ত্বৰ চেতনা গঢ়ি নুঠে।

তৃতীয়তে, বৃটিশে দেশীয় ৰাজ্যসমূহৰ ৰজা-মহাৰজাসমূহক তেওঁলোকৰ স্থানীয় প্ৰতিনিধি হিচাপে গণ্য কৰিছিল, বৃটিশ ৰাজমুকুটৰ সৈতে সমানাধিকাৰৰ দৃষ্টিৰে চোৱা নাছিল। তেওঁলোক বৃটিশ ৰাজমুকুটতকৈ সম্মান আৰু ক্ষমতাৰ ফালৰপৰা নিম্নখাপৰ আছিল। সেয়ে বৃটিশ ৰাজমুকুটে ১৮৭৭ চনত ভাৰত সাম্ৰাজ্ঞী উপাধি লৈ সেই দেশীয় ৰাজ-মহাৰজাসকলক তলতীয়া ৰজাৰূপে প্ৰতিপন্ন কৰিছিল।

গতিকে ভাৰতবৰ্ষত, বৃটিশ-ভাৰত আৰু দেশীয় ৰাজ্যসমূহক লৈ, ইংলেণ্ডৰ ৰাজমুকুটেই সাৰ্বভৌম ক্ষমতাৰ গৰাকী আৰু অধিকাৰী আছিল। সেয়ে দেশীয় ৰাজ্যসমূহৰ আভ্যন্তৰীণ ৰাজনৈতিক-প্ৰশাসনিক বিষয়ত বৃটিশৰ হস্তক্ষেপ কৰাৰ অধিকাৰ আছে। বৃটিশে ভাৰতবৰ্ষৰ প্ৰশাসনৰ ক্ৰমোন্নয়নৰ লগে লগে বা তাৰ সৈতে তাল মিলাই দেশীয় ৰাজ্যসমূহৰ প্ৰশাসনিক উন্নয়ন হোৱাটোও বিচাৰিছিল, কিয়নো সেইটো হলে বৃটিশ পণ্যৰ বজাৰৰ সম্প্ৰসাৰণ হোৱাৰ সম্ভৱনা আছিল।

ইতিমধ্যে বৃটিশে প্ৰবৰ্তন কৰা ৰেল লাইন, ভাপ জাহাজ, ডাক-তাৰ, মুদ্ৰা, টেলিফোন, টেলিগ্ৰাফ লাইনে বৃটিশ-ভাৰত আৰু দেশীয় ৰাজ্যসমূহক প্ৰায় একেটা অৰ্থনৈতিক-সামাজিক ব্যৱস্থাৰ অংশীদাৰত পৰিণত কৰিছিল। সেয়ে প্ৰয়োজন সাপেক্ষে দেশীয় ৰাজ্যসমূহৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰাটোবৃটিশৰ এক সাধাৰণ নীতিত পৰিণত হৈছিল। ১৮৭৪

চনত কুশাসনৰ অচিলা লৈ বৰোদাৰ গাইকোঁৱৰক গাদীচ্যুত কৰি সেই পৰিয়ালৰে অন্য এজন লোকক শাসনৰ গাদীত বহুৱাইছিল। আনহাতে মহীশূৰৰ ক্ষেত্ৰত তেওঁলোকৰ ঘোষিত নীতিৰ দোহাই দি বৃটিশে পূৰ্বৰ ৰজাজনৰ তোলনীয় পুত্ৰক ১৮৮১ চনত পুনৰ সিংহাসনত বহুৱাইছিল। লৰ্ড বেণ্টিঙ্কে ১৮৩১ চনতে তাৰ ৰজাজনক গাদীচ্যুত কৰি প্ৰশাসন ক্ষমতা কোম্পানীৰ হাতলৈ আনিছিল।

সি যি কি নহওক, দেশত বৃটিশ বিৰোধী স্বাধীনতা আন্দোলনৰ অগ্ৰগতিৰ লগে লগে দেশীয় ৰাজ্যসমূহতো ৰাজনৈতিক আন্দোলনৰ সূত্ৰপাত হৈছিল। দেশীয় ৰাজ্যসমূহক যাতে দেশৰ অন্যান্য অংশত চলা স্বাধীনতা আন্দোলনৰপৰা আঁতৰাই ৰাখিব পাৰি সেই উদ্দেশ্য আগত ৰাখিযেই বৃটিশে ১৯২১ চনত দেশীয় ৰজাসকলক লৈ চেম্বাৰ অব প্ৰিন্সেছ ("Chamber of Princes") গঠন কৰিছিল।

ভাৰতবৰ্ষৰ ভৌগোলিক সীমাৰেখাৰ ভিতৰত অতি কমেও সৰু-বৰ ৫৬২ খন দেশীয় ৰাজ্যৰ অস্তিত্ব আছিল। সেই দেশীয় ৰাজ্যসমূহৰ মুঠ মাটি-কালি আছিল ৭,২০,০০০ বৰ্গ মাইল আৰু জনসংখ্যা ৯৩ মিলিয়ন। স্বাধীনতা আন্দোলনৰ অন্তিম কালছোৱাত এই দেশীয় ৰাজ্যসমূহে ভাৰতবৰ্ষৰ ঐক্য আৰু সংহতিৰ প্ৰতি এক ভীষণ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল। ভূপাল, হায়াদাৰাবাদ, ত্ৰিবাঙ্কোৰ, যোধপুৰ, জুনাগড, কাশ্মীৰ, জয়চেলমাৰ আদি দেশীয় ৰাজ্যই ভাৰতবৰ্ষৰ ভিতৰতে স্বাধীনভাৱে বৰ্তি থকাৰ ইচ্ছা কৰিছিল যদিও তেওঁলোকৰ সেই আকাংক্ষা পূৰণ নহ'ল। দেশে স্বাধীনতা লাভ কৰাৰ আগে-পিচে প্ৰায় আটাইবিলাকেই ভাৰতবৰ্ষৰ সৈতে চামিল হৈ পৰে।

ভাৰতীয় শিক্ষিত শ্ৰেণীৰ সৈতে বৃটিশৰ মত বিৰোধঃ

ইংলিশ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন প্ৰবৰ্তন হোৱাৰ প্ৰায় কেবা দশকৰো পিচত ভাৰতবৰ্ষত আধুনিক পশ্চিমীয়া শিক্ষাৰ প্ৰচলন হ'বলৈ ধৰে। কোম্পানীৰ চৰকাৰে পোনতে শিক্ষাৰ প্ৰচাৰ আৰু প্ৰচলনৰ বাবে বিশেষ একো কৰা নাছিল, সেয়ে বেচৰকাৰী-ভাৱে মিছনাৰীসকলৰ নেতৃত্বত এই আধুনিক শিক্ষাৰ প্ৰচাৰ আৰু সম্প্ৰসাৰণ হ'বলৈ লৈছিল। ব্যক্তিগত বেচৰকাৰী উদ্যোগত ১৮১৮ চনত শ্ৰীৰামপুৰত বেপ্‌টিষ্ট মিছন কলেজ, ১৮৩০ চনত কলকাতাত বিছপ কলেজ, ১৮৩২ চনত বোম্বেত উইলছন কলেজ আদি গঢ়ি উঠিছিল। অৱশ্যে উনবিংশ শতিকাৰ তৃতীয় দশকমানৰপৰা কোম্পানীৰ চৰকাৰে ভাৰতীয় লোকৰ শিক্ষাৰ ক্ষেত্ৰত কিছু সদৰ্থক ভূমিকা ল'বলৈ আৰম্ভ কৰিছিল। বৃটিশ সংসদে গ্ৰহণ কৰা ১৮৩৩ চনৰ চনদ আইনৰ আধাৰত কোম্পানীৰ চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত নিজস্ব দায়িত্ব পালন কৰাৰ অৱকাশ পাইছিল।

থমাছ বেবিংটন মেকলেৰ প্ৰতিবেদন (১৮৩৬) আৰু ছাৰ চাৰ্লছ উদৰ প্ৰেৰণ পত্ৰই (১৮৫৪) ভাৰতবৰ্ষত আধুনিক শিক্ষাৰ ভেটি নিৰ্মাণ কৰিছিল। বিদ্ৰোহৰ বছৰটোতে প্ৰেছিডেন্সি চহৰ তিনিখনত—কলকাতা, মাদ্ৰাজ,বোম্বেত—একোখনকৈ বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল। উক্ত বিশ্ববিদ্যালয় কেইখন লণ্ডন বিশ্ববিদ্যালয়ৰ আৰ্হি-আদৰ্শত গঢ়ি তোলাৰ পোষকতা কৰি সেই মতে গঢ়ি তোলা হৈছিল। ভাৰতীয় ৰক্ষণশীল সমাজখনে ক্ৰমাগতভাবে ইংৰাজী ভাষাৰ মাধ্যমত পশ্চিমৰ আধুনিক শিক্ষাক আদৰি লৈছিল। গতিকে সংখ্যাত তাকৰ হলেও বিদ্ৰোহ সংঘটিত হোৱাৰ পূৰ্বতে ভাৰতীয় সমাজত আধুনিক ইংৰাজী বা পশ্চিমীয়া শিক্ষাৰে শিক্ষিত এক শ্ৰেণী লোকৰ সৃষ্টি হৈছিল। প্ৰসঙ্গত উল্লেখযোগ্য যে এই শ্ৰেণীৰ লোকে ১৮৫৭ চনৰ বিদ্ৰোহৰ প্ৰতি কোনো ধৰণৰ অনুকম্পা বা সহানুভূতি প্ৰদৰ্শন কৰা নাছিল বৰং, বিদ্ৰোহ দমন কাৰ্যত বৃটিশৰ প্ৰতি সমৰ্থন দিছিল। স্বল্পাৰ্থত ক'বলৈ গ'লে ভাৰতীয় শিক্ষিত মধ্যবিত্ত শ্ৰেণীটো বৃটিশৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত গঢ়ি উঠিছিল আৰু সেয়ে তেওঁলোক বৃটিশ শাসনৰ উগ্ৰ সমৰ্থক আছিল। শিক্ষিত মধ্যবিত্ত শ্ৰেণীটোৱে ভাৰতবৰ্ষত প্ৰচলিত বৃটিশ শাসন ভগৱানৰ দান ৰূপে গণ্য কৰি ধন্য মানিছিল।

কিন্তু এই শিক্ষিত শ্ৰেণীটোৰ মাজত এফালে উচ্চ পদস্থ চৰকাৰী চাকৰী-বাকৰীৰ প্ৰতিআকৰ্ষণ আৰু আনফালে ৰাজনৈতিক ইচ্ছা-আকাংক্ষা বৃদ্ধি পোৱাৰ লগে লগে বিদ্ৰোহৰ পিচৰপৰা বৃটিশে লাহে লাহে তেওঁলোকৰ প্ৰতি সন্দেহৰ চকুৰে চাবলৈ লৈছিল। আনহাতে এই শ্ৰেণীটো থলুৱাভাৱে ভাৰতবৰ্ষত আধুনিকতাৰ বাৰ্তাবাহক আৰু প্ৰেৰণাদায়ক শ্ৰেণীৰূপে পৰিগণিত হৈছিল। মান্ধাতা যুগীয় কুপমণ্ডুকতা, কুসংস্কাৰ, অন্ধবিশ্বাস, ধৰ্মীয় গোড়ামী, জাতি-ভেদ প্ৰথা আদিৰ পৰিবৰ্তে তেওঁলোকে দেশ আৰু সমাজৰ উন্নয়নৰ কথা চিন্তা কৰিবলৈ লৈছিল। সেই দিশত দাবী-দাবাৰো উত্থাপন কৰিবলৈ লৈছিল। কিন্তু বিদ্ৰোহৰ পিচত মহাৰাণী ভিক্টোৰিয়াৰ ঘোষণাৰ জৰিয়তে বৃটিশে ভাৰতীয় সমাজৰ প্ৰচলিত উপাসনা বিধি, ধৰ্ম বিশ্বাস, আচাৰ-ব্যৱহাৰ, ঐতিহ্য-পৰম্পৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ হস্তক্ষেপ নকৰাৰ প্ৰতিশ্ৰুতি দিছিল। কাজেই বৃটিশে ধৰি লৈছিল যে ভাৰতীয় শিক্ষিত শ্ৰেণীৰ বৰ্দ্ধিত ইচ্ছা-আকাংক্ষা এই প্ৰতিশ্ৰুতিৰ সম্পূৰ্ণ পৰিপন্থী আছিল। অন্ততঃ বৃটিশ সাম্ৰাজ্যবাদৰ স্বাৰ্থত দেশত আৰু বেছি আধুনিকতাৰ বিকাশ হোৱাটো বিপজ্জনক আছিল, গতিকে বৃটিশে বিদ্ৰোহৰ পৰবৰ্তী কালত দেশীয় শিক্ষিত শ্ৰেণীক অবহেলা আৰু সন্দেহৰ দৃষ্টিৰে চাবলৈ লৈছিল। ফলশ্ৰুতিত দুয়োটা পক্ষৰ মাজত দ্বন্দ্ব-সংঘাতে যথেষ্ট পৰিমাণে বৃদ্ধি পাই আহিছিল। বিদ্ৰোহ দমন কৰাৰ পিচৰ সময়ছোৱাত বৃটিশে এইটো সুন্দৰকৈ উপলব্ধি কৰিছিল যে দেশীয় শিক্ষিত শ্ৰেণীটো ভাৰতবৰ্ষত তেওঁলোকৰ একমাত্ৰ শক্তিশালী ৰাজনৈতিক প্ৰতিদ্বন্দ্বী।

জমিদাৰসকলৰ প্ৰতি বৃটিশৰ দৃষ্টিভঙ্গীঃ

বিদ্ৰোহৰ পূৰ্বে একাংশ জমিদাৰৰ ভূ-সম্পত্তি বাজেয়াপ্ত কৰি বৃটিশে বিদ্ৰোহৰ সময়ত তেওঁলোকৰ ৰোষৰ বলি হৈছিল। বিদ্ৰোহৰ পিচত বৃটিশে সেয়ে পূৰ্বৰ নীতিৰ সলনি তেওঁলোকৰ প্ৰতি তোষামোদ আৰু বন্ধুত্বৰ নীতি অনুসৰণ কৰিবলৈ লৈছিল। এক ফালৰপৰা দেশীয় ৰজা-মহাৰজাসকলো ভূ-স্বামী বা জমিদাৰেই আছিল। গতিকে বিদ্ৰোহৰ পিচত দেশীয় ৰজা-মহাৰজাসকলৰ প্ৰতি যি নীতি লৈছিল বৃটিশে সেই নীতিকে জমিদাৰ-ভূ-স্বামীসকলৰ প্ৰতি ল'বলৈ আৰম্ভ কৰিছিল। বিদ্ৰোহৰ পূৰ্বে যিসকল জমিদাৰ-ভূ-স্বামীৰ ভূ-সম্পত্তি বাজেয়াপ্ত কৰিছিল বিদ্ৰোহৰ পিচত সেইসকলৰ বহুতকে ভূ-সম্পত্তিসমূহ পুনৰ ওভতাই দিছিল। অকল তাতেই সন্তুষ্ট নাথাকি তেওঁলোকে এই পৰিবৰ্তিত পৰিস্থিতিত জমিদাৰ, মাটিগিৰি, ভূ-স্বামীসকলক ভাৰতীয় সমাজৰ স্বাভাৱিক নেতাৰূপে স্বীকৃতি দিছিল। বৃটিশৰ সাম্ৰাজ্যিক স্বাৰ্থৰ হীন-দেৰী বা ক্ষয়-ক্ষতি নোহোৱাকৈ বৃটিশে বিদ্ৰোহৰ পিচৰেপৰাই দেশীয় জমিদাৰসকলৰ প্ৰতি সদ্ভাব-সম্প্ৰীতিৰ মনোভাৱ পোষণ কৰিবলৈ লৈছিল।

এই জমিদাৰ-ভূ-স্বামীসকল ভাৰতীয় সমাজত শক্তিশালী অভিজাত তথা সুবিধাভোগী শ্ৰেণীৰূপে পৰিগণিত হৈছিল আৰু তেনে এটি সুবিধাভোগী শ্ৰেণীৰ সমৰ্থন বৃটিশৰ বাবে অপৰিহাৰ্য হৈ পৰিছিল। ভাইচৰয় লৰ্ড লিটনে ১৮৭৬ চনতে ঘোষণা কৰিছিল যে “ the Crown of England should henceforth be identified with the hopes, the aspirations, the sympathies and interests of a powerful native aristocracy ” আনহাতে নিজ শ্ৰেণীৰ স্বাৰ্থৰ প্ৰতি সচেতন জমিদাৰ-ভূ-স্বামীসকলেও বৃটিশক অন্যান্য সামাজিক শ্ৰেণীৰ বিপৰীতে ত্ৰাণকৰ্তা আৰু বিপদৰ বন্ধুৰূপে আকোৱালি লৈছিল। বৃটিশৰ সাম্ৰাজ্যবাদী স্বাৰ্থৰ বিপৰীতে দেশত শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ মাজত গঢ়ি উঠা জাতীয়তাবাদী মতাদৰ্শৰ বিপৰীতে বৃটিশে এই জমিদাৰ-ভূ-স্বামীসকলক বিৰুদ্ধবাদী শক্তিৰূপে ব্যৱহাৰ কৰাৰ পোষকতা কৰি সেই মতে কাম কৰি গৈছিল।

দেশৰ বিভিন্ন অঞ্চলত জমিদাৰসকলক ৰায় চাহেব, ৰায় বাহাদুৰ, খাঁ চাহেব, খাঁ বাহাদুৰ আদি উপাধিৰে বিভূষিত কৰি তেওঁলোকক বৃটিশ শাসনৰ মজবুত অংশীদাৰ আৰু সমৰ্থকত পৰিণত কৰিছিল। বহু জমিদাৰৰে সতি-সন্ততিক দেশৰ সামৰিক আৰু অসামৰিক সেৱাত নিযুক্তি দি বৃটিশৰ সৈতে তেওঁলোকৰ সম্পৰ্ক আৰু বন্ধুত্ব আৰু অধিক শক্তিশালী কৰি তুলিছিল।

সামাজিক সংস্কাৰ আন্দোলনৰ প্ৰতি দৃষ্টিভঙ্গীঃ

সমাজিক সংস্কাৰ আন্দোলনৰ প্ৰতিও বৃটিশৰ দৃষ্টিভঙ্গীৰ যথেষ্ট পৰিবৰ্তন ঘটিছিল। সতী প্ৰথা নিবাৰণ, বিধবা বিবাহৰ প্ৰচলন, বহু বিবাহৰ বিৰোধীতা, শিশু বধ নিবাৰণ আদি

সমাজিক সংস্কাৰমূলক কামত উৎসাহ-উদগনি দিয়াটো ১৮৫৭ চনৰ বিদ্ৰোহৰ অন্যতম কাৰক বুলি বৃটিশে বিশ্বাস কৰিবলৈ লৈছিল আৰু বিদ্ৰোহৰ পিচৰপৰা তেনে সামাজিক সংস্কাৰ আন্দোলনৰ প্ৰতি সমৰ্থন দিয়াটো বৃটিশ প্ৰশাসনে নীতিগতভাৱেই বন্ধ কৰিছিল। ভাৰতীয় ৰক্ষণশীল সমাজক অসন্তুষ্ট কৰাটো বৃটিশ প্ৰশাসনৰ পৰিপন্থী কাৰ্য বুলি পৰিগণিত হৈছিল। মহাৰাণীৰ ১৮৫৮ চনৰ ঘোষণা পত্ৰৰ জড়িয়তে বৃটিশে ভাৰতীয় লোকৰ উপসনা, ধৰ্মীয় বিশ্বাস আৰু অনুভূতি আৰু সামাজিক ঐতিহ্য-পৰম্পৰাৰ ক্ষতি কৰিব পৰা কোনো কাম নকৰাৰ প্ৰতিশ্ৰুতি দিছিল, বৰং সেইবিলাকক সন্মান কৰি চলাৰ প্ৰতিশ্ৰুতি দিছিল। বিদ্ৰোহৰ পিচৰ কালছোৱাত তেওঁলোকে পৰাপক্ষত সেইটো মানি চলিবলৈ চেষ্টা কৰিছিল। বিদ্ৰোহৰ পূৰ্বে আইনৰ জড়িয়তে সমাজ সংস্কাৰৰ যি নীতি বৃটিশে লৈছিল, তাৰ পিচৰ কালছোৱাত সেই নীতিৰ পৰিবৰ্তন ঘটাই নিজকে স্থিতাৱস্থাৰ ধাৰক-বাহকত পৰিণত কৰিছিল। ফলত দেশত জাতিগত বিভেদ আৰু সাম্প্ৰদায়িকতাবোধ বৃদ্ধি পাই আহিছিল। গতিকে বৃটিশৰ এই কাৰ্যৰ ফলত দেশত সামজিক প্ৰতিক্ৰিয়া বাহুল্য পৰিমাণে বৃদ্ধি পাই আহিছিল।

সামাজিক সেৱাসমূহৰ পশ্চাদপদতাঃ

চৰকাৰী দপ্তৰসমূহৰ ওপৰিও জন কল্যাণমূলক অন্যান্য যিবিলাক সেৱা আছিল সেইবিলাক বিদ্ৰোহৰ পৰবৰ্তী কালত প্ৰায় সম্পূৰ্ণৰূপে অবহেলিত আৰু পৰিত্যাক্ত হৈ পৰিছিল। জন স্বাস্থ্য, শিক্ষা, পানী যোগান, জলসিঞ্চন, ৰাস্তা-পদুলি নিৰ্মাণ, চিকিৎসা সেৱা আদিত পশ্চাদপদতা আছিল লক্ষণীয় আৰু ক্ষতিকাৰক। সামাজিক উন্নয়নৰ সেই শিতানবিলাকত পুঁজিৰ যোগান আছিল শূণ্য বা নগণ্য। সেনা বাহিনী মোতায়েন কৰা আৰু সাধাৰণ প্ৰশাসন কাৰ্যত দেশৰ সংগৃহীত ৰাজস্বৰ অধিকাংশই খৰছ কৰা হৈছিল। ঐতিহাসিকবিপান চন্দ্ৰই দেখুৱাইছে যে ১৮৮৬ চনত যি সময়ত দেশৰ মুঠ সংগৃহীত ৪৭ কোটি টকাৰ ৰাজস্বৰ ১৯ ৪১ কোটি টকা সেনা বাহিনীৰ বাবদ, ১৭ কোটি টকা সাধাৰণ প্ৰশাসনৰ বাবদ খৰছ কৰা হৈছিল সেই সময়ত শিক্ষা, চিকিৎসা আৰু জনস্বাস্থ্যৰ শিতানত ব্যায় কৰা হৈছিল মাত্ৰ ২ কোটি টকা আৰু জলসিঞ্চনত ৬৫ লাখ টকা। গতিকে দেখা যায় বৃটিশৰ আমোলত এই দিশৰ উন্নয়ন সততে অবহেলিত হৈ থাকিছিল।

কাৰখানা বা শ্ৰমিক আইনঃ

পুঁজিবাদৰ বিকাশৰ লগে লগে গঢ়ি উঠা শিল্প-উদ্যোগ আৰু কল-কাৰখানাত কাম কৰা শ্ৰমিকৰ অৱস্থা তথা জীৱন ধাৰণৰ মানদণ্ড সদায়েই নিকৃষ্ট পৰ্যায়ৰ হয়। শিল্প-উদ্যোগ, কল-কাৰখানা আৰু মিলৰ মালিকে পাৰ্যমানে শ্ৰমিকক শোষণ কৰি নিজৰ ধন-সম্পদ বৃদ্ধি কৰে। গতিকে শ্ৰমিকসকল সাধাৰণতে শোষিত আৰু নিৰ্যাতিত হৈ থাকে।

তেওঁলোকৰ থকা-খোৱাৰ কোনো সু-বন্দোবস্ত নাথাকে, শ্ৰম-সময়ৰ ধৰা-বন্ধা নিয়ম-নীতি নাথাকে। অপৰিষ্কাৰ-অপৰিচ্ছন্ন পৰিবেশত খাদ্য-বস্ত্ৰৰ নাটনিৰে পুষ্টিহীনতাত থাকি অত্যাধিক সময়ৰ বাবে শাৰিৰীক শ্ৰম কৰি এইসকল লোকে দিন অতিবাহিত কৰে। কোনো কোনো ক্ষেত্ৰত একোজন শ্ৰমিকে ২০/২২ ঘন্টালৈ কাম কৰে।

বৃটিশৰ আমোলত ভাৰতবৰ্ষতো শিল্পায়নৰ লগে লগে শিল্প শ্ৰমিকসকলৰ জীৱনত এই দশাই ঘটিছিল। বিশেষকৈ উনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধতভাৰতীয় শিল্প শ্ৰমিকসকলৰ জীৱন আছিল দুখ-কষ্ট, শোষণ-নিৰ্যাতনেৰে পৰিপূৰ্ণ।পুৰুষ-মহিলা-শিশু নিৰ্বিশেষে সকলো শ্ৰমিকে দিনটোৰ প্ৰায় ১২ৰপৰা ১৬ ঘন্টাকে কাম কৰিব লাগিছিল। খনিত কাম কৰা শ্ৰমিকৰ অৱস্থা আৰু শোচনীয় আছিল। সপ্তাহত কোনো দিন জিৰণি নাছিল। দা-দৰমহা বা পাৰিশ্ৰমিকো আছিল নগণ্য, মাহিলী ৪/৫ টকাৰপৰা ২০ টকালৈ।

ভাৰতবৰ্ষৰ শ্ৰমিকসকল প্ৰধানতঃ দুটা ভাগত বিভক্ত আছিল—শিল্প শ্ৰমিক (Industrial labour) আৰু বাগান শ্ৰমিক (Plantation labour)। শিল্প শ্ৰমিকৰ তুলনাত বাগান শ্ৰমিকৰ অৱস্থা আৰু অধিক শোচনীয় আছিল, কিয়নো কফি আৰু চাহ বাগানসমূহ বৃটিশ শিল্পপতিসকলৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণত আছিল। বাগানসমূহৰ মালিক আৰু পৰিচালক-সকল আছিল একো একোজন মধ্য যুগীয় সামন্ত প্ৰভু। তেওঁলোকে শ্ৰমিকসকলক সততে কৃত দাসৰ দৰে গণ্য কৰিছিল। বাগান শ্ৰমিকসকল আছিল প্ৰধানতঃ আদিবাসী আৰু জনজাতীয় লোক। গতিকে তেওঁলোকৰ মানৱীয় প্ৰয়োজন নিম্নতম বুলি ধৰি লৈয়েই মালিক আৰু পৰিচালকসকলে তেওঁলোকৰ ওপৰত অকথ্য শোষণ আৰু নিৰ্যাতন চলাইছিল। তেওঁলোকৰ তুলনাত শিল্প শ্ৰমিকসকলৰ অৱস্থা কিছু পৰিমাণে উন্নত আছিল।

আনহাতে জনবহুল ভাৰতবৰ্ষৰ শ্ৰমিক বজাৰখন আছিল বিশাল আৰু সস্তা, সেই অনুপাতে শিল্প উদ্যোগ, কল-কাৰখানা, মিল, খনি আদি যথেষ্ট কম। গতিকে উদ্যোগপতি, শিল্পপতিসকলে কম মজুৰিতে শ্ৰমিক নিয়োগ কৰি অধিক লাভ কৰিব পাৰিছিল। এই অৱস্থাই ভাৰতীয় শিল্পপতিসকলক ইংলেণ্ডৰ শিল্পপতিসকলৰ ঈৰ্ষাৰ পাত্ৰ কৰি তুলিছিল। এই ঈৰ্ষা পিচৰ পিনে প্ৰতিদ্বন্দ্বিতালৈ ৰূপান্তৰিত হৈ পৰিছিল। ভাৰতবৰ্ষৰ সস্তীয়া বজাৰৰ শ্ৰমিকৰ সহায় লৈ যাতে অধিক কম খৰছতে পণ্য উৎপাদন কৰি ভাৰতীয় শিল্পপতিসকলে ইংলেণ্ডৰ শিল্পজাতপণ্যৰ বজাৰৰ বাবে সংকটৰ সৃষ্টি কৰিব নোৱাৰে সেইটোৰ প্ৰতি দৃষ্টি ৰাখি তেওঁলোকে বৃটিশ-ভাৰত চৰকাৰক উনবিংশ শতিকাৰ শেহৰ পিনে শ্ৰম আইন তৈয়াৰ কৰিবলৈ হেঁচা দিছিল। এই ক্ষেত্ৰত বিশেষ ভূমিকা লৈছিল মানচেষ্টাৰ আৰু লাঙ্কাচায়াৰৰ বস্ত্ৰশিল্পৰ মালিকসকলে। ঐতিহাসিক বিমানবিহাৰী মজুমদাৰে কৈছে, " the *motive behind its passing was not so much humanitarian as it was to*

safeguard the interests of Lancashire and Manchester " তাৰেই পৰিণতি স্বৰূপে লৰ্ড ৰিপনে পোন প্ৰথম বাৰৰ বাবে ১৮৮১ চনত এখন শ্ৰম আইন (Indian Factory Act, 1881) গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল। এই আইনখন প্ৰণয়নৰ সময়ত বোম্বেৰ কটন মিলবিলাকত প্ৰায় ৭,০০০ ৰপৰা ৮,০০০ হাজাৰ শিশু শ্ৰমিকে কাম কৰিছিল। এই আইনখন প্ৰধানতঃ শিশু শ্ৰমিকসকলৰ বাবেহে প্ৰযোজ্য আছিল, প্ৰধান ধাৰাসমূহ আছিল—

(ক) ৭ বছৰৰ তলৰ শিশুক কল-কাৰখানত শ্ৰমিক হিচাপে নিয়োগ কৰাটো নিষেধ আছিল,

(খ) ৭ ৰপৰা ৯ বছৰ বয়সৰ শিশুক মাত্ৰ দিনে ৯ ঘন্টাতকৈ অধিক সময় কাম কৰাব নোবাৰিব,

(গ) শিশু শ্ৰমিকক বিপদসংকুল যন্ত্ৰ-পাতি ব্যৱহাৰ কৰিবলৈ দিব নোৱাৰিব,

(ঘ) উক্ত শিশু শ্ৰমিকসকলে প্ৰতি মাহে ৪ দিনকৈ ছুটি পাব।

এই আইনখনত শিশু শ্ৰমিকসকলৰ দৈনিক মজুৰিৰ পৰিমাণৰ কোনো উল্লেখ নাছিল। লগতে আইনখনে অন্যান্য শ্ৰমিকৰ কামৰ সময়, মজুৰি আৰু সাপ্তাহিক ছুটি সম্পৰ্কে কোনো কথাই কোৱা নাছিল। দহ বছৰৰ পিচত বৃটিশ চৰকাৰে ১৮৯১ চনত দ্বিতীয়খন শ্ৰম তথা কাৰখানা আইন গ্ৰহণ কৰিছিল। এই আইনে শিশু শ্ৰমিক আৰু মহিলাসকলৰ বাবে দৈনিক যথাক্ৰমে ৭ ঘন্টা আৰু ১১ ঘন্টা কামৰ সময় নিৰ্দ্ধাৰণ কৰিছিল। পুৰুষ শ্ৰমিকৰ কামৰ সময় সম্পৰ্কে আইনখনত একো কোৱা হোৱা নাছিল। আনহাতে পুৰুষ, মহিলা আৰু শিশু নিৰ্বিশেষে সকলো শ্ৰমিকে প্ৰতি সপ্তাহত এদিনকৈ জিৰণি পোৱাৰ ব্যৱস্থা কৰিছিল।

ওপৰত উল্লেখ কৰি অহা কোনো এখন আইনেই বাগান শ্ৰমিকসকলৰ সম্পৰ্কত একো কোৱা নাছিল। কফি আৰু চাহ বাগানসমূহৰ প্ৰায় আটাইবোৰেই ইংৰাজ পুঁজিপতিৰ মালিকানাধীন আছিল, গতিকে তেওঁলোকৰ স্বাৰ্থৰ পৰিপন্থী কোনো আইনেই বৃটিশ-ভাৰত চৰকাৰে সেই সময়ত কৰাটো সম্ভৱপৰ নাছিল। কাৰণ সমগ্ৰ ভাৰতবৰ্ষখনেই আছিল তেওঁলোকৰ অবাধ লুণ্ঠনৰ ক্ষেত্ৰ। বিশেষকৈ অসমৰ চাহ বাগিচাত কাম কৰা আদিবাসী আৰু জনজাতীয় শ্ৰমিক লোকৰ উন্নয়নৰ বাবে চৰকাৰে নতুবা বাগানৰ মালিক পক্ষই বৰ বিশেষ একো কৰা নাছিল। বৰং প্ৰয়োজন হলে শ্ৰমিকসকলৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লবলৈ মালিকপক্ষকহে আইনসংগত অধিকাৰ আৰু ক্ষমতা প্ৰদান কৰিছিল। বিশেষকৈ অসমৰ বাগান শ্ৰমিকৰ স্বাৰ্থৰ বিপৰীতে মালিকসকলৰ অনুকূলে ১৮৬৩, ১৮৬৫, ১৮৭০,

১৮৭৩ আৰু ১৮৮২ চনত চৰকাৰে ভালেমান আইন প্ৰণয়ন কৰিছিল। কিন্তু পিচৰ পিনে বিশেষকৈ বিংশ শতিকাৰ দ্বিতীয় দশকমানৰপৰা দেশত শ্ৰমিক সংগঠন গঢ়ি উঠা আৰু স্বাধীনতা আন্দোলনৰ অগ্ৰগতিৰ পৰিপ্ৰেক্ষিতত চৰকাৰে বাগান শ্ৰমিকৰ কল্যাণৰ বাবেও কিছু আইন গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল।

সংবাদ পত্ৰৰ প্ৰচাৰ, প্ৰসাৰ আৰু তাৰ ওপৰত নিষেধাজ্ঞাঃ

আধুনিক যুগত সমাজত সংবাদ পত্ৰৰ এক বিশেষ ভূমিকা আছে। ইয়োৰূপত পোনতে ছপা যন্ত্ৰৰ আবিষ্কাৰৰ লগে লগে ব্যাপক হাৰত গ্ৰন্থ আদি প্ৰকাশ কৰিব পৰা হোৱাৰ লগতে সংবাদ পত্ৰ প্ৰকাশৰ কামো আৰম্ভ হয়। সংবাদ পত্ৰৰ মাধ্যমত সমাজত নতুন নতুন চিন্তা-চৰ্চা, ধ্যান-ধাৰণা, আদৰ্শ, মতামত আদি দ্ৰুতগতিত প্ৰচাৰ কৰিব পৰা হয়। সংবাদ পত্ৰই পোনতে ব্যক্তিগত চিন্তাক সামাজিক মৰ্যদা আৰু আদৰ্শৰূপে দাঙি ধৰি তাক এক সামজিক শক্তিত পৰিণত কৰাত সহায় কৰে। সেয়ে প্ৰায় আৰম্ভণিৰেপৰা সংবাদ পত্ৰ সমাজৰ চতুৰ্থ স্তম্ভৰূপে পৰিগণিত হৈ আহিছে।

ভাৰতবৰ্ষত ইংলিশ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন প্ৰবৰ্তন হোৱাত ইয়াতো সংবাদ পত্ৰৰ প্ৰকাশ হ'বলৈ ধৰে। পৰ্টুগীজসকলে ষোড়শ শতিকাতেভাৰতবৰ্ষলৈ এটি ছপাশাল আনে আৰু তাতেই ১৫৫৭ চনত ভাৰতবৰ্ষৰ ভিতৰতে প্ৰথমে ছপাপুথি প্ৰকাশ কৰি উলিয়ায়। দ্বিতীয়টো ছপাশাল স্থাপন কৰে ইংৰাজে, ১৬৮৪ চনত বোম্বাইত। ভাৰতবৰ্ষত বাতৰি কাকত প্ৰকাশ তথা সংবাদ পত্ৰৰ ক্ষেত্ৰত বাটকটীয়া আছিল উইলিয়াম হিকি (William Hicky)। তেওঁ ১৭৮০ চনত কলকাতাৰপৰা বেংগল গেজেট (Bengal Gazette) নামে এখন সাপ্তাহিক কাকত প্ৰকাশ কৰি উলিয়াইছিল। ইংৰাজীত প্ৰকাশ হোৱা কাকতখন গৱৰ্ণৰ-জেনেৰেল হেষ্টিংছৰ সৈতে আৰম্ভ হোৱা কাজিয়াৰ পৰিণতি স্বৰূপে ১৭৮২ চনত বন্ধ হৈ যায়। সমসাময়িকভাৱে ইংৰাজী ভাষাত অন্য কেবাখনো সংবাদ পত্ৰ প্ৰকাশ হৈছিল, তাৰ ভিতৰত কলকাতা গেজেট (১৭৮৪), কলকাতা ক্ৰণিকল (১৭৮৬), মাদ্ৰাজ কুৰিয়াৰ (১৭৮৮) আৰু বোম্বে হেৰাল্ড (১৭৮৯) বিখ্যাত আছিল।

এই সংবাদ পত্ৰসমূহত মৃদু ভাষাত হলেও কোম্পানীৰ শাসনৰ সমালোচনা কৰা হৈছিল। কিন্তু লৰ্ড ওৱেলেছলিৰ শাসন কালত (১৭৯৮-১৮০৫) চৰকাৰে সংবাদ পত্ৰত চৰকাৰৰ কোনো ধৰণৰ সমালোচনা কৰাটো সহ্য কৰা নাছিল। তেওঁৰ শাসনকালটো আছিল অবাধ ৰাজ্য জয়ৰ আৰু দেশীয় ৰাজ্যৰ ওপৰত বৃটিশৰ কৰ্তৃত্ব স্থাপনৰ যুগ। আনহাতে টিপু চুলতান আছিল বৃটিশৰ এক নম্বৰ শত্ৰু আৰু ফৰাচীসকলৰ মিত্ৰ। গতিকে গোড়া সাম্ৰাজ্যবাদী লৰ্ড ওৱেলেছলিয়ে ভাৰতবৰ্ষত বাতৰি কাকতৰ স্বাধীনতা হৰণ কৰাটো

একো আচৰিত কথা নাছিল। তেওঁ ১৭৯৯ চনৰ প্ৰেছ আইন (Press Act,1799) মৰ্মে সংবাদ পত্ৰৰ স্বাধীনতা হৰণ কৰিলে। এই অৱস্থা ১৮০৭ চনমানলৈ বৰ্তি থাকিল। অৱশ্যে লৰ্ড হেষ্টিংছৰ কাৰ্যকালত (১৮১৩-২২) ভাৰতীয় সংবাদ পত্ৰই হেৰোৱা স্বাধীনতা পুনৰ ওভতাই পালে। তেওঁ সংবাদ পত্ৰৰ সামাজিক-ৰাজনৈতিক গুৰুত্ব উপলব্ধি কৰি সংবাদ পত্ৰৰ ওপৰত বাহাল থকা নিষেধাজ্ঞা আঁতৰাই দিছিল। অকল তাতেই ক্ষান্ত নাথাকি তেওঁ সংবাদ পত্ৰৰ প্ৰতি সঠিকভাৱে কাম কৰি যাবলৈ অনুপ্ৰেৰণাও যোগাইছিল। সংবাদ পত্ৰৰ সামাজিক ভূমিকা সম্পৰ্কে ৰাজা ৰাম মোহন ৰায়ৰ দৃষ্টিভঙ্গী আছিল সমসাময়িক অন্যান্যসকলতকৈ বহুত আগবঢ়া। তেওঁ সংবাদ পত্ৰৰ স্বাধীনতা আৰু সদৰ্থক ভূমিকাৰ প্ৰতি সচেতন থাকি ১৮২১ চনত বাংলা ভাষাত সম্বাদ-কৌমুদী আৰু আৰবী ভাষাত মিৰাট-উল-আকবৰ প্ৰকাশ কৰিছিল।

কিন্তু বৃটিশ গৃহ চৰকাৰে ভাৰতবৰ্ষত সংবাদ পত্ৰৰ ভূমিকাক শুভ দৃষ্টিৰে চাব পৰা নাছিল। সংবাদ পত্ৰৰ স্বাধীনতা মচীমূৰ কৰাৰ অভিপ্ৰায়েৰে তেওঁলোকে ছাৰ থমাছ মানৰোক (Sir Thomas Munro) অনুসন্ধান কৰিবলৈ ভাৰতবৰ্ষলৈ পঠিয়াইছিল। তেওঁ অনুসন্ধান কৰি ইংৰাজী সংবাদ পত্ৰসমূহতকৈ দেশীয় সংবাদ পত্ৰসমূহ চৰকাৰৰ বাবে অধিক ক্ষতিকাৰক বুলি মত পোষণ কৰিছিল। তেওঁ দেশীয় সংবাদ পত্ৰসমূহৰ প্ৰতি লক্ষ্য ৰাখি কৈছিল, "It might spread among the people the principles of liberty and stimulate among them to expel the strangers who rule over them and to establish a national government" তেওঁৰ পৰামৰ্শ মৰ্মেই ১৮২৩ চনত সংবাদ পত্ৰ নিয়ন্ত্ৰণ বিধি (Press Regulation, 1823) প্ৰনয়ণ কৰি প্ৰয়োগ কৰা হৈছিল। কিন্তু পিচৰ দশকত ভাৰপ্ৰাপ্ত গৱৰ্ণৰ-জেনেৰেল চাৰ্লছ মেট্‌কাফ (Sir Charles Metcalf) আৰু তেওঁৰ কাৰ্যবাহী পৰিষদৰ আইন সদস্য লৰ্ড মেকলে (Lord Babington Macaulay) চাহাব মুক্ত সংবাদ পত্ৰৰ সমৰ্থক হোৱাত ১৮৩৫ চনত সংবাদ পত্ৰৰ ওপৰত থকা সকলো বাধা-নিষেধ তেওঁলোকে আঁতৰাই দিয়ে। ১৮৫৭ চনত বিদ্ৰোহ আৰম্ভ হোৱালৈ ভাৰতীয় সংবাদ পত্ৰই সেই স্বাধীনতা উপভোগ কৰিব পাৰিছিল। মেট্‌কাফ আৰু মেক্‌লেৰ মহানুভৱতাৰ বাবে অন্ততঃ ১৮৩৫ চনৰপৰা ১৮৫৬/৫৭ চনলৈ ভাৰতবৰ্ষত সংবাদ পত্ৰৰ সুস্থ বিকাশ সম্ভৱ হৈছিল।

উক্ত সময়ছোৱাত বংগত দ্বাৰকানাথ ঠাকুৰ, প্ৰসন্ন কুমাৰ ঠাকুৰ, ৰাম মোহন ৰায় আদিৰ নেতৃত্বত বংগ দূত (১৮৩০), ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ নেতৃত্বত সোম প্ৰকাশ আদি সংবাদ পত্ৰৰ প্ৰকাশ হৈছিল। ১৮৪৩ চনত দেবেন্দ্ৰনাথ ঠাকুৰে তত্ত্ববোধিনী পত্ৰিকা প্ৰকাশ কৰিছিল।

১৮৩২ চনত বাল শাস্ত্ৰী জাম্ভেকাৰ নামে শিক্ষাবিদ এজনে বোম্বে দৰ্পন নামে ইংগ-মাৰাঠী দ্বি-ভাষী কাকত এখন উলিয়াইছিল। ১৮৪৬ চনত আমেৰিকান বেপ্‌টিষ্ট মিছনে শিৱসাগৰৰপৰা (অসম) অসমীয়া ভাষাত অৰুণোদয় নামে এখন আলোচনী প্ৰকাশ কৰিছিল। ১৮৫১ চনত দাদাভাই নৌৰজীয়ে বোম্বেত ৰাষ্ট গফ্‌তাৰ নামে এখন বাতৰি কাকত প্ৰকাশ কৰিছিল।

বিদ্ৰোহৰ কালছোৱাক বাদ দি উনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত ভাৰতবৰ্ষত জাতীয়াতাবাদী মতাদৰ্শ পুষ্ট ভালেমান নতুন নতুন সংবাদ পত্ৰৰ প্ৰকাশ হৈছিল। তাৰ ভিতৰত দেশীয় ভাষাত প্ৰকাশ হোৱা সংবাদ পত্ৰৰ সংখ্যাই আছিল অধিক। বহু ক্ষেত্ৰতে সমাজ সংস্কাৰক আৰু জাতীয়তাবাদী নেতাসকলে এই ক্ষেত্ৰত আগভাগ লৈছিল। তেওঁলোকে সমাজ সংস্কাৰৰ লগে লগে দেশীয় লোকৰ মাজত জাতীয়তাবাদী ভাৱধাৰা প্ৰচাৰৰ বাবে চেষ্টা কৰিছিল। এই সময়ছোৱাত ভাৰতবৰ্ষত জাতীয়তাবাদী মতাদৰ্শৰ প্ৰচাৰ আৰু প্ৰসাৰ হোৱাৰ ফলতেই সংবাদ পত্ৰৰ সংখ্যা বাঢ়ি গৈছিল আৰু লগতে তাৰ পাঠকৰ সংখ্যাও। সংবাদ পত্ৰ আৰু জাতীয়তাবাদ এটা আনটোৰ পৰিপূৰক আছিল।

১৮৫৭ চনৰ বিদ্ৰোহৰ কালছোৱাত ভাৰতীয় সংবাদ পত্ৰৰ ওপৰত বলবৎ কৰা কঠোৰ নিষেধাজ্ঞা বিদ্ৰোহ দমন কৰাৰ কেইবছৰমানৰ ভিতৰতে শিথিল কৰি দিয়া হৈছিল যদিও লৰ্ড লিটনে (১৮৭৬-৮০) ভাৰতীয় বিশেষকৈ দেশীয় সংবাদ পত্ৰসমূহৰ ওপৰত পুনৰ নিষেধাজ্ঞা জাৰি কৰিছিল। দেশীয় সংবাদ পত্ৰৰ ওপৰত এই নিষেধাজ্ঞা ১৮৭৮ চনৰপৰা বলবৎ কৰা হৈছিল। তেওঁৰ উত্তৰাধিকাৰী লৰ্ড ৰিপনেহে (১৮৮০-৮৪) সেই আইন বাতিল কৰি (১৮৮২) ভাৰতবৰ্ষত সংবাদ পত্ৰৰ স্বাধীনতা ঘূৰাই দিছিল।

সি যি কি নহওক, বিদ্ৰোহৰ পিচৰপৰা ১৮৮১ চনৰ ভিতৰত দেশৰ বিভিন্ন অঞ্চলত ভালেমান নতুন নতুন সংবাদ পত্ৰ প্ৰকাশ হৈছিল। তাৰ ভিতৰত বংগদেশৰ 'Hindu Patriot', 'Indian Mirror'(1862) নৱ গোপাল মিত্ৰৰ 'National Paper'(1865), 'Amrita Bazar Patrika'(1868) 'The Statesman' (1875), 'The Bengali'(1879), বোম্বেৰ 'The Times of India' (1861), এলাহাবাদৰ 'The Pioneer' (1865), মাদ্ৰাজৰ 'Madras Mail'(1868), আদি প্ৰধান আছিল। ১৮৭০ চনতভাৰতবৰ্ষতঅতিকমেও ৬৪৪ খন সংবাদ পত্ৰ আছিল, তাৰে ভিতৰত দেশীয় ভাষাত প্ৰকাশিত সংবাদ পত্ৰৰ সংখ্যা আছিল প্ৰায় ৪০০বো অধিক।

বৃটিশ ভাইচৰয় হিচাপে লৰ্ড ৰিপনৰ আগমনে ভাৰতবৰ্ষত সংবাদ পত্ৰৰ স্বাধীনতাৰ ক্ষেত্ৰত বিশেষ অৱদান দিছিল। তেওঁৰ কাৰ্যকালত বংগদেশত বংগবাসী (১৮৮১), আৰু সঞ্জিৱনী (১৮৮৩), মহাৰাষ্ট্ৰত বাল গংগাধৰ তিলকৰ কেশৰী (১৮৮১) আৰু 'The

Mahratta' (1881) প্ৰকাশ হৈছিল। তাৰে আগতে মাদ্ৰাজৰপৰা ১৮৮০ চনত 'The Hindu' আৰু 'The Indian Reviw' নামৰ সংবাদ পত্ৰ কেইখন প্ৰকাশ পাইছিল।

লৰ্ড কাৰ্জনৰ বংগভংগ আঁচনিৰ প্ৰতিবাদ স্বৰূপে গঢ়ি উঠা স্বদেশী আন্দোলনৰ সমৰ্থকৰূপে বংগদেশত যুগান্তৰ আৰু বন্দে মাতৰম নামে দুখন বৃটিশ বিৰোধী আৰু স্বদেশী মাতাদৰ্শত বিশ্বাসী সংবাদ পত্ৰ প্ৰকাশ হৈছিল। দুয়োখন বাতৰি কাকতেই প্ৰকাশ হোৱাৰ লগে লগে অত্যন্ত জনপ্ৰিয় আৰু শক্তিশালী সংবাদ মাধ্যমৰূপে পৰিগণিত হৈছিল। তদুপৰি তেতিয়াই সেই আন্দোলনৰ সন্ত্ৰাসবাদী ধাৰা এটিৰো বিকাশ হৈছিল। গতিকে আন্দোলন স্তিমিতকৰাৰ কাৰণেবৃটিশ চৰকাৰে ১৯০৮ চনত সংবাদ পত্ৰৰ স্বাধীনতা হৰণ কৰিবলৈ এক অত্যন্ত কঠোৰ আইন বলবৎ কৰিছিল আৰু তাৰেই ফলত দেশত সংবাদ পত্ৰৰ ওপৰত চৰকাৰী নিয়ন্ত্ৰণ স্থাপন কৰা হৈছিল। তৎস্বত্বেও বাতৰি কাকতৰ কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰিব নোৱাৰি চৰকাৰে অৱশেষত ১৯১০ চনত পুনৰ আন এখন শক্তিশালী আইন (Indian Press Act,1910) গ্ৰহণ কৰি সংবাদ পত্ৰৰ কঁকাল ভাঙি দিছিল।

স্বদেশী আন্দোলনৰ সময়ৰপৰা ভাৰতীয় দেশীয় সংবাদ পত্ৰসমূহে কম-বেছি পৰিমাণে প্ৰকাশ্যভাৱে জাতীয়তাবাদী ৰাজনৈতিক চৰিত্ৰ পৰিগ্ৰহ কৰিছিল। অৱশ্যে প্ৰথম বিশ্ব যুদ্ধৰ সময়ছোৱাত ভাৰতীয় দেশীয় সংবাদ পত্ৰৰ ভূমিকা আৰু সমৰ্থন বৃটিশ সাম্ৰাজ্যৰ সংৰক্ষণৰ লক্ষ্যত নিয়োজিত হৈছিল। তথাপিতো 'Home Rule Movement' ৰ নেত্ৰী আৰু প্ৰবক্তা এনি বেছান্টে 'Madras Standard' ৰ নাম সলনি কৰি নতুনকৈ 'New India' নামে প্ৰকাশ কৰিবলৈ লৈছিল। যুদ্ধৰ সামৰণি পৰাৰ পিচত মোহন দাস কৰমদাস গান্ধীয়ে 'Young India' (1919), মতিলাল নেহৰুৱে 'Independent' আৰু স্বৰাজ দলে 'Hindustan Times' (1929) আদি বাতৰি কাকত প্ৰকাশ কৰিবলৈ লৈছিল। এই আটাইবোৰ বাতৰি কাকতেই তেতিয়া ঔপনিবেশিক স্বায়ত্ব শাসনৰ দাবীৰ প্ৰতি নিৰঙ্কুশ সমৰ্থন দিছিল।

১৯৩০ চনৰ পিচৰপৰা দ্বিতীয় বিশ্ব যুদ্ধ আৰু ভাৰত ত্যাগ আন্দোলনৰ শেষলৈ চৰকাৰী নিষেধাজ্ঞাৰ হেঁচাত দেশত সংবাদ পত্ৰৰ স্বাধীনতা পুনৰ বিলুপ্ত হৈছিল। তথাপিও এটি পৰিসংখ্যা মতে ১৯৪১ চনত দেশত সৰু-বৰ মুঠতে ৪০০০ খন সংবাদ পত্ৰৰ প্ৰকাশ আৰু প্ৰচাৰ হৈছিল। এই বাতৰি কাকতসমূহ দেশৰ ১৭ টা ভাষাত প্ৰকাশ পাইছিল।

বৃটিশৰ জাত্যাভিমানী দম্ভালিঃ

ইংৰাজসকল ভাৰতবৰ্ষলৈ আহিছিল ইংৰাজ হিচাপে, থাকিছিল ইংৰাজ হিচাপে আৰু ভাৰতবৰ্ষৰপৰা ওভতিও গৈছিল ইংৰাজ হিচাপেই। তেওঁলোকৰ চাল-চলন, দেশীয় লোকৰ প্ৰতি ব্যৱহাৰ, দেশীয় সাহিত্য-সংস্কৃতিৰ প্ৰতি দৃষ্টিভঙ্গী, সামাজিক আদব-কায়দা সকলোতে

তেওঁলোকৰ জাতিগত ভেম তথা উন্নাসিকতা প্ৰকাশ পাইছিল। সামৰিক আৰু অসামৰিক সেৱাসমূহতো তেওঁলোকৰ এই চাৰিত্ৰিক বৈশিষ্ট্যৰ প্ৰতিফলন ঘটিছিল। এক কথাত ক'বলৈ গ'লে তেওঁলোকে ভাৰতবৰ্ষত দেশীয় লোকসকলৰ প্ৰতি বৰ্ণ-বৈষম্যবাদৰ প্ৰয়োগ কৰিছিল। তেওঁলোকৰ আগমনৰ সমসাময়িকভাৱে গঢ়ি উঠা ক্লাব, ৰেষ্টুৰাঁ, হোটেল, ৰেল ষ্টেচন, চৰকাৰী অতিথিশালা (Circuit House, Inspection Bunglow), আমোদ উদ্যান (Parks), সাঁতোৰ পুখুৰী (Swimming Pools), খেলৰ মৈদান (Polo-ground/ field, Race course, Golf Club) আদি তেওঁলোকৰ বাবে সদায়েই সংৰক্ষিত এলেকাৰূপে পৰিগণিত হৈছিল, তাত অন্যৰ প্ৰবেশাধিকাৰ নাছিল। ভাৰতীয় দেশীয় লোকসকলক সততে লঘু-লাঞ্ছনা, গালি-গালাজ কৰি ভাল পাইছিল। ভাৰতবৰ্ষ শাসন কৰাটো তেওঁলোকে ঈশ্বৰ প্ৰদত্ত অধিকাৰ আৰু স্বত্ব বুলি ধৰি লৈছিল। কোনো কোনোৰ মতে আছিল বগা চামাৰাৰ লোকৰ বোজা (White man's burden)। ইংৰাজসকলৰ এই জাতিগত আৰু বৰ্ণ-বৈষম্যবাদী মনোভাৱৰ বিষয়ে এসময়ত জৱহৰলাল নেহৰুৱে কৈছিল, " We in India have known racialism in all its forms ever since the commencement of British rule generation after generation and year after year, India as a nation and Indians as individuals, were subjected to insult, humiliation and contemptuous treatment The English were an Imperial Race, with the God-given right to govern us and keep us in subjection, if we protested we were reminded of the "tiger qualities of an imperial race "

পূৰ্বাপৰ চলি অহা অৰ্থনৈতিক ব্যৱস্থাৰ ধ্বংস সাধনঃ

১৭৫৭ চনৰপৰা ১৮৫৭ চনলৈ ভাৰতবৰ্ষত ইংলিশ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে যি ধৰণৰ আৰ্থিক নীতি প্ৰবৰ্তন কৰিছিল তাৰেই সৰ্বগ্ৰাসী পৰিণতি স্বৰূপে ভাৰতবৰ্ষৰ অৰ্থনৈতিক অৱস্থাৰ ব্যাপক অৱনতি ঘটিছিল। শতাব্দী জোৰা কোম্পানীৰ শাসনে দেশৰ অৰ্থনীতি ইতিমধ্যেই সম্পূৰ্ণৰূপে বিকলাঙ্গ কৰি পেলাইছিল, যিখিনি অৱশিষ্ট আছিল তাকো বিদ্ৰোহৰ পিচৰ এশ বছৰত বৃটিশে নিশেষ কৰি পেলাইছিল। লৰ্ড ডেলহাউচিৰ শাসনৰ শেষ বছৰত চৰকাৰী ঋণৰ (Public Debt) পৰিমাণ আছিল ৫৯ ৫ মিলিয়ন পাউণ্ড ষ্টাৰ্লিং (অৰ্থাৎ ৯ ৫২ কোটি টকা)। বিদ্ৰোহৰ প্ৰথমবছৰটোতে তাৰ লগত আৰু ১০ মিলিয়ন পাউণ্ড ষ্টাৰ্লিং (অৰ্থাৎ ১ ৬০ কোটি টকা) যোগ হৈছিল। এইদৰে ১৮৫৮ চনৰ ৩০ এপ্ৰিলত মুঠ চৰকাৰী ঋণৰ পৰিমাণ হৈছিলগৈ ৬৯ ৫ মিলিয়ন পাউণ্ড ষ্টাৰ্লিং (অৰ্থাৎ ১১ ১২ কোটি টকা)। উক্ত চৰকাৰী ঋণৰ লৈতে যুক্ত কৰা হৈছিল বিদ্ৰোহ দমন

কৰাৰ খৰছ ৪০ মিলিয়ন পাউণ্ড ষ্টাৰ্লিং (অৰ্থাৎ ৬ ৪০ কোটি টকা)।

সেই কালৰপৰা বিদ্ৰোহ দমন কৰা বা ক্ষমতা হস্তান্তৰ কৰাৰ সময়ত চৰকাৰী ঋণৰ পৰিমাণ হৈছিলগৈ ১০৯ ৫ মিলিয়ন পাউণ্ড ষ্টাৰ্লিং অৰ্থাৎ ১৭ ৫২ কোটি টকা। ইয়াৰ ওপৰিও আছিল কোম্পানীৰ অংশীদাৰসকলক দিয়া ক্ষতিপূৰণ। আচৰিত কথা যে এই সকলো ঋণৰ বোজা ইংলেণ্ডৰ গৃহ চৰকাৰে মূৰ পাতি ল'ব লাগিছিল, কিন্তু সমূদায় ঋণৰ বোজা ভাৰতবৰ্ষৰ ওপৰতহে জাপি দিছিল। গতিকে ক্ৰমবৰ্দ্ধমান সুতসহ এই বৃহৎ পৰিমাণৰ ঋণৰ বোজা বহন কৰোঁতেই বিদ্ৰোহৰ পৰবৰ্তী কালছোৱাত ভাৰতীয় লোকৰ কঁকাল ভাঙিছিল।

বিদ্ৰোহৰ পিচত ভাৰতবৰ্ষৰ অৰ্থনৈতিক পৰিকাঠামোটোৰ পুনৰ গঠনৰ বাবে বৃটেইনৰপৰা জেইমছ উইলছনক (James Wilson) ভাইচৰয়ৰ কাৰ্যবাহী পৰিষদৰ বিত্তীয় সদস্যৰূপে নিযুক্তি দি ভাৰতবৰ্ষলৈ পঠিয়াইছিল। তেওঁ আহিয়েই ১৮৬২ চনত কাগাজী মুদ্ৰা (Paper Currency) তৈয়াৰ কৰাকে ধৰি লাইচেঞ্চ কৰ (Licence Tax) আৰু আয়কৰ (Income Tax) বহুৱাই বৰ্দ্ধিত খৰছৰ জোৰা মাৰিবলৈ চেষ্টা কৰিছিল। ইতিপূৰ্বে বিদ্ৰোহৰ সময়তে ১৮৫৮ চনত ভাৰতবৰ্ষত ষ্টেম্প ডিউটী (Stamp duty) বা কৰ বহুওৱা হৈছিল। আনহাতে ইতিপূৰ্বে উল্লেখ কৰি অহা চৰকাৰী ঋণৰ বোজাটো ভাৰতীয় লোকৰ ওপৰত জাপি দিয়াৰ অৰ্থই আছিল ভূমি ৰাজস্বকে ধৰি সকলো ধৰণৰ কৰ-কাটলৰ প্ৰবৰ্তন আৰু বৃদ্ধি। গতিকে ৰাজমুকুটৰ আমোলত ভাৰতবৰ্ষৰ জনসাধাৰণৰ উন্নয়ন আশা কৰাটো আছিল অনৰ্থক।

ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত বৃটিশ গৃহ চৰকাৰৰ আৰ্থিক নীতিৰ ফলতেই যে ভাৰতবৰ্ষৰ অৰ্থনৈতিকঅৱস্থাৰ অৱনতি ঘটিছিল সেই কথা উইলিয়াম ডিগ্‌বী (*'Prosperous' British India*, 1969), দাদাভাই নৌৰজী (*Poverty and Un-British Rule in India*, 1901) আৰু ৰমেশ চন্দ্ৰ দত্তৰ (*The Economic History of India*, vols I-II,1901/1970) লিখনীৰপৰা স্পষ্টভাৱে জনা যায়।

ডিগ্‌বী, নৌৰজী আৰু দত্তৰ লিখনীৰপৰা এইটো স্পষ্ট হৈ পৰিছে যে বৃটিশ গৃহ চৰকাৰে ভাৰতবৰ্ষৰ ওপৰত কৰা অবাধ লুণ্ঠনৰ বাবেই দেশৰ অৰ্থনৈতিক অৱস্থাৰ দ্ৰুত অৱনতি ঘটিছিল আৰু অৰ্থনৈতিক উৎপাদনৰ সকলো ক্ষেত্ৰতে অনগ্ৰসৰতা, অনুৎসাহ আৰু পশ্চাদপদতাৰ লগতে দুৰ্ভিক্ষ, আকাল, মহামাৰী আদি ভাৰতীয় লোকৰ চিৰসহচৰত পৰিণত হৈছিল। দেশৰ ভূমি ৰাজস্ব, অন্যান্য কৰ-কাটল, কোটি কোটি টকাৰ চৰকাৰী ঋণৰ মূল আৰু সূতৰ বাবদ, সামৰিক-অসামৰিক বিভাগত কাম কৰা ইংৰাজ বিষয়া-

আমোলাৰ দা-দৰমহা, গ্ৰেচুইটী, পেঞ্চন আদিৰ জড়িয়তে বছৰে বছৰে কোটি কোটি টকা ভাৰতবৰ্ষৰপৰা ইংলেণ্ডলৈ উলিয়াই নিয়া হৈছিল। আৰু তাৰ সমান্তৰালভাৱে ভূমি ৰাজস্বৰ লগতে প্ৰায় বছৰে বছৰে অন্যান্য কৰ-কাটলৰ পৰিমাণ বৃদ্ধি কৰি দেশৰ জনসাধাৰণৰ অৱস্থা আৰু অধিক শোচনীয় কৰি তুলিছিল। বৃটিশৰ আমোলতএইদৰে ইংলেণ্ডলৈ হোৱা পুঁজিৰ বৰ্হিগমনক ভাৰতবৰ্ষৰ জাতীয় সম্পদৰ (National Wealth) লুণ্ঠন বুলি ধৰিব পাৰি। দেশৰ জাতীয় সম্পদৰ এই অবাধ লুণ্ঠনৰ পদ্ধতিকে দাদাভাই নৌৰজীয়ে 'Economic Drain' বুলি অভিহিত কৰিছিল। তাৰ ওপৰত নিৰ্ভৰ কৰিয়েই গঢ়ি উঠিছিল ভাৰতবৰ্ষৰ অৰ্থনৈতিক নিষ্কাষণৰ তত্ত্ব, 'Economic Drain Theory'।

জাতীয় সম্পদৰ এই লুণ্ঠন কেনেদৰে সংঘটিত হৈছিল তাক ৰমেশ চন্দ্ৰ দত্তই বিস্তাৰিতভাৱে ফঁহিয়াই দেখুৱাইছে। ভাৰতবৰ্ষই বৃটিশ গৃহ চৰকাৰক দেয় ধনৰূপে (Home Charges) দেখুওৱা এই লুণ্ঠনৰ স্বৰূপ আছিল এনেধৰণৰ—

(ক) ভাৰতবৰ্ষৰপৰা অৱসৰ প্ৰাপ্ত হাজাৰ হাজাৰ বৃটিশ নাগৰিকক দিয়া পেঞ্চন, গ্ৰেচুইটী আদি,

(খ) চৰকাৰী ঋণৰ বাবদ পঠিওৱা সুত,

(গ) বৃটিশ সাম্ৰাজ্যৰ স্বাৰ্থতভাৰতৱৰ্ষৰ বৰ্হিভাগত বিশেষকৈ আফগানিস্তান, ইৰাণ, তিব্বত আদিৰ বিৰুদ্ধে পঠিওৱা সামৰিকঅভিযানৰ বাবদ কৰা খৰছ,

(ঘ) ইংলিশ ইষ্ট ইণ্ডিয়া কোম্পানীৰ অংশীদাৰসকলক দিয়া লভ্যাংশ,

(ঙ) লণ্ডনত থকা ভাৰত পৰিক্ৰমাৰ মন্ত্ৰীৰ কাৰ্যালয়ৰ বাবদ কৰা খৰছ, আদি।

পূৰ্বে উল্লেখ কৰি অহা হোম চাৰ্জৰ বাবদ বৃটিশ-ভাৰত চৰকাৰে বিংশ শতিকাৰ আদি ভাগতো প্ৰতি বছৰে লণ্ডনত প্ৰায় ১৭ মিলিয়ন পাউণ্ড ষ্টাৰ্লিং খৰছ কৰিব লগা হৈছিল। তদুপৰি ভাৰতবৰ্ষত কৰ্মৰত ইংৰাজ বিষয়াসকলেও দা-দৰমহাৰ নামত পোৱা কোটি কোটি টকা ইংলেণ্ডলৈ পঠিওৱা হৈছিল। গতিকে এনে এটা নীতিয়ে ভাৰতবৰ্ষক অৰ্থনৈতিকভাৱে নিশকতীয় কৰি তুলিছিল।

কাৰিকৰ আৰু হস্তশিল্পীসকলৰ পতনঃ

শিল্প বিপ্লৱ যি সময়ত ইংলেণ্ডৰ বাবে আশীৰ্বাদৰূপে প্ৰতিভাত হৈছিল, ইংলেণ্ডৰ পদানত ভাৰতবৰ্ষৰ বাবে সি হৈ পৰিছিল চূড়ান্ত অভিশাপ। শিল্প বিপ্লৱৰ আশীৰ্বাদতেই ইংলেণ্ডে ভাৰতবৰ্ষৰ ওপৰত সম্পূৰ্ণ অৰ্থনৈতিক আৰু ৰাজনৈতিক নিয়ন্ত্ৰণ স্থাপন কৰিছিল। যি সকল ভাৰতীয় কাৰিকৰ বা শিল্পীয়ে পূৰ্বতে পণ্য উৎপাদনত, বিশেষকৈ বস্ত্ৰ শিল্পত, বিশেষীকৰণ আয়ত্ব কৰি উৎপাদনৰ উৎকৰ্ষ সাধন কৰিছিল আৰু ইংলেণ্ডকেধৰি বিশ্বৰ বজাৰতসমাদাৰ লাভকৰিছিল, সেই কাৰিকৰ বা শিল্পীসকলৰ দ্বাৰা উৎপাদিত সামগ্ৰী যন্ত্ৰ-

উৎপাদিত সামগ্ৰীৰ সৈতে ফেৰ মাৰি বজাৰত তিষ্ঠি থাকিব পৰা নাছিল।

দ্বিতীয়তে, ভাৰতবৰ্ষ বৃটিশৰ পদানত আছিল বাবেই ইয়াৰ কাৰিকৰ আৰু হস্ত শিল্পীসকলে আনকি নিজৰ গৃহ বজাৰখনতো ইংলেণ্ডৰ যন্ত্ৰ উৎপাদিত পণ্যৰ প্ৰতিদ্বন্দ্বিতাৰ পৰা তিষ্ঠি থাকিবলৈ চৰকাৰৰপৰা কোনো সহায় পোৱা নাছিল। আনফালে বৃটিশ গৃহ চৰকাৰে ইংলেণ্ডত সেই দেশৰ কল-কাৰখানা আৰু উদ্যোগৰ উত্তৰোত্তৰ উন্নয়ন আৰু শ্ৰীবৃদ্ধিৰ বাবে তাত ভাৰতীয় পণ্যৰ ওপৰত শুল্কৰ পৰিমাণ বৃদ্ধি কৰি গৈছিল। ভাৰতবৰ্ষৰ আভ্যন্তৰীণ আৰু বহিঃবাণিজ্যতহস্ত শিল্পজাত সামগ্ৰী বৃটিশ শিল্পজাত সামগ্ৰীৰপৰা তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ সন্মুখীন হৈছিল।

তৃতীয়তে, ১৮৩৩ চনৰেপৰা বৃটিশে অনুসৰণ কৰা মুক্ত বাণিজ্যিক নীতি আছিল একপক্ষীয়। কিয়নো যি সময়ত ইংলেণ্ডৰ শিল্পজাত পণ্যই ভাৰতবৰ্ষৰ বজাৰত বৰপীড়া পাৰি বহিছিল সেই সময়ত হস্ত নিৰ্মিত ভাৰতীয় পণ্যই ইংলেণ্ডৰ বজাৰত তিষ্ঠিব পৰা নাছিল। বৃটিশে যেনেকৈ ভাৰতবৰ্ষত তেওঁলোকৰ পণ্য সামগ্ৰী শুল্কবিহীন বা কৰ-বিহীনভাৱে বিক্ৰি কৰিছিল, তেনেকৈ ভাৰতীয় পণ্য শুল্কবিহীনভাৱে ইংলেণ্ডৰ বজাৰত বিক্ৰি কৰিবলৈ এৰি দিয়া নাছিল।

চতুৰ্থতে, দেশীয় ৰজাসকলৰ শাসন কালত তেওঁলোকৰ আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল ডা-ডাঙৰীয়া আদি অভিজাত শ্ৰেণীৰবাবে উৎপাদন কৰা কলা-কীৰ্তি সম্বলিত বিলাসী হস্ত শিল্পজাত সামগ্ৰীৰ চাহিদা বৃটিশৰ শাসন কালত হ্ৰাস পাই আহিছিল। বৃটিশৰ আমোলত যিটো বিষয়া-আমোলা শ্ৰেণী গঢ়ি উঠিছিল, তাৰ প্ৰায় সকলোখিনিয়েই ইংলেণ্ডৰ ইংৰাজ লোক আছিল, তেওঁলোকে নিজৰ জাতীয় স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি ইংলেণ্ডত উৎপাদিত শিল্পজাতপণ্য ব্যৱহাৰ কৰিছিল। গতিকে বিলাসী ভাৰতীয় হস্তশিল্পজাত সামগ্ৰীৰ উৎপাদন কমি অহাত তাৰ কাৰিকৰ তথা শিল্পীসকল ক্ষতিগ্ৰস্ত হৈছিল।

পঞ্চমতে, যন্ত্ৰ উৎপাদিত পণ্যৰ বজাৰ মূল্য হস্তশিল্পজাত পণ্যতকৈ অধিক কম আছিল, কিয়নো যন্ত্ৰত কম খৰছ, কম সময় আৰু কম শ্ৰমিকৰ সহায়ত অধিক উৎপাদন কৰিব পৰা হৈছিল।

ষষ্ঠতে, ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত ভাৰতবৰ্ষত ৰেল লাইন বহুওৱা আৰু ৰেল চলাচলৰ সূচনা হোৱাৰ লগে লগে দেশত বৃটিশ শিল্পজাত পণ্যৰ বজাৰৰ সম্প্ৰসাৰণ ঘটিছিল। দেশৰ চুকে-কোনে সেই পণ্যৰ বজাৰ বিয়পি পৰিছিল।

সপ্তমতে, ৰেল চলাচল হোৱাৰ লগে লগে ইংলেণ্ডৰ কল-কাৰখানা আৰু শিল্প-উদ্যোগৰ বাবে ভাৰতবৰ্ষত উৎপাদিত কেঁচামাল সংগ্ৰহ কৰাটো উজু হৈ পৰিছিল। ভাৰতবৰ্ষৰ

কেঁচামাল ইংলেণ্ডলৈ নি তাত তাক পণ্যলৈ ৰূপান্তৰিত কৰি পুনৰ ভাৰতবৰ্ষৰ বজাৰলৈ পঠিয়াই দিয়া হৈছিল। এইটোৱে দুই ধৰণৰ ক্ষতি কৰিছিল, পোনতে কপাঁহ, চামৰা আদি কেঁচামালৰ মূল্য ভাৰতীয় কাৰিকৰৰ ক্ৰয় ক্ষমতাৰ বাহিৰ হৈ গৈছিল, দ্বিতীয়তে বহু কাৰিকৰে বহুৰৰ পিচত বছৰ ধৰি পুৰুষানুক্ৰমে চলাই অহা শিল্প বাদ দি কৃষি ক্ষেত্ৰলৈ ঢাপলি মেলিছিল।

অষ্টমতে, ইংলেণ্ডত শিল্প বিপ্লৱৰ অগ্ৰগতি তথা কল-কাৰখানা আৰু উদ্যোগৰ সম্প্ৰসাৰণৰ লগে লগে ইংৰাজ শিল্পপতিসকলৰ হেঁচাত বৃটিশ-ভাৰত চৰকাৰে ভাৰতবৰ্ষত কল-কাৰখানা, শিল্প উদ্যোগ গঢ়ি তোলাৰ প্ৰতি মন-কাণ দিয়া নাছিল। ফলশ্ৰুতিত ভাৰতীয় কাৰিকৰ আৰু হস্তশিল্পীসকলে কৰ্ম-সংস্থান বা নিযুক্তিৰ বিকল্প অৱলম্বন হিচাপে একো পোৱা নাছিল।

নৱমতে, বৃটিশ-ভাৰতবৰ্ষৰ আৰু বহু ক্ষেত্ৰতে দেশীয় ৰাজ্যত, প্ৰয়োজন হোৱা সামৰিক আৰু অসমাৰিক বিভাগৰ সকলো সা-সামগ্ৰী, কাপোৰ-কানি, কাগজ-কলম-চিয়াহী-পেঞ্চিল আৰু অস্ত্ৰ-শস্ত্ৰকে ধৰি সকলোবোৰ বস্তু ইংলেণ্ডৰপৰাই যোগান ধৰিছিল। ফলত দেশত যিবিলাক পুৰাতন শিল্প কেন্দ্ৰ আছিল—যেনে, চুৰাট, ঢাকা, মুৰ্চিদাবাদ, বেনাৰস—সেইবোৰ লাহে লাহে ধ্বংসমুখী হৈছিল। ভাৰতবৰ্ষৰ পতনমুখী পুৰাতন শিল্প-চহৰসমূহৰ এই অৱস্থা সম্পৰ্কে লৰ্ড বেণ্টিঙ্কে ১৮৩৪-৩৫ চনতে উনুকিয়াই গৈছে, "The misery hardly finds a parallel in the history of commerce The bones of the cotton-weavers are bleaching the plains of India "

দশমতে, ভাৰতবৰ্ষতশ শ বছৰ ধৰি কৃষি আৰু হস্ত শিল্পৰ মাজত এটা পাৰস্পৰিক সহযোগিতাৰ সম্পৰ্ক চলি আহিছিল, এটা আনটোৰ পৰিপূৰক আছিল। কাৰ্ল মাৰ্কসে কৈছে, "It was the British intruder who broke up the Indian handloom and destroyed the spinning-wheel England began with driving the Indian cottons from the European market, it then introduced twist into Hindustan and in the end inundated the very mother country of cotton with cottons British steam and science uprooted, over the whole surface of Hindustan, the union between agriculture and manufacturing industry " গাঁওসমূহ আছিল স্বয়ং-সম্পূৰ্ণ আৰু আত্মনিৰ্ভৰশীল। বৃটিশে লোৱা আৰ্থিক নীতিয়ে সেই সম্পৰ্ক নিচিহ্ন কৰি পেলাইছিল। হস্তশিল্পী তথা কাৰিকৰসকলে কৰ্ম সংস্থানৰ অন্য অৱলম্বন নাপাই কৃষি ক্ষেত্ৰত সোমাই পৰিছিল। ফলত কৃষি ভূমিৰ ওপৰত মানুহৰ হেঁচা ক্ৰমাগতভাৱে বাঢ়ি আহিছিল। ১৯০১ চনৰপৰা ১৯৪১ চনৰ ভিতৰত

কৃষিৰ ওপৰত নিৰ্ভৰশীল মানুহৰ সংখ্যা ৬৩.৭ শতাংশৰপৰা ৭০ শাতংশলৈ বৃদ্ধি পাইছিল। এই অৱস্থাই লাহে লাহে কৃষি শ্ৰমিকৰো সৃষ্টি কৰিছিল।

কৃষকৰ পশ্চাদপদতাঃ

হস্তশিল্পৰ দৰে কৃষি ক্ষেত্ৰতো স্থবিৰতা, পশ্চাদপদতা আৰু উৎপাদন হ্ৰাসৰ সমস্যাই দেখা দিছিল। ইয়াৰ কাৰণ আছিল প্ৰায় বছৰে বছৰে বৃদ্ধি কৰা ভূমি ৰাজহ বা খাজনা, খাজনা সংগ্ৰহৰ সময়ত জমিদাৰ আৰু তেওঁৰ কৰ্মচাৰীয়ে কৰা জোৰ-জুলুম, আৰু সুদখোৰ মহাজন-শস্য বেপাৰীৰ অবাধ লুণ্ঠন। এই অৱস্থা কোম্পানীৰ শাসন প্ৰবৰ্তনৰ সময়ৰেপৰা চলি আহিছিল যদিও বিদ্ৰোহৰ পৰৱৰ্তী সময়ত তাৰ প্ৰকোপ বাঢ়ি আহিছিল।

পূৰ্বে উল্লেখ কৰি অহা হৈছে যে ১৮৫৮ চনত ১৭.৫২ কোটি টকাৰ যি চৰকাৰী ঋণৰ বোজা ভাৰতীয় জনসাধাৰণৰ ওপৰত জাপি দিয়া হৈছিল, তাৰেই অৱধাৰিত পৰিণতি আছিল ভূমি ৰাজস্বকে ধৰি অন্যান্য খাজনা কৰ-কাটলৰ বৃদ্ধি। তদুপৰি দেশৰ প্ৰশাসনিক খৰছ বৃদ্ধি পোৱাটোও ভূমি ৰাজস্ব বৃদ্ধিৰ অন্যতম কাৰণ আছিল। ইফালে বৃটিশ-ভাৰত চৰকাৰে দেশৰ বৰ্হিভাগত চলোৱা সামৰিক অভিযানসমূহৰ খৰছো বাহুল্য পৰিমাণে এই ভূমি ৰাজস্বৰ মাধ্যমতেই সংগ্ৰহ কৰিছিল।

কোম্পানীৰ আমোলৰ দৰে বৃটিশৰ প্ৰত্যক্ষ শাসন কালতো দেশৰ ভূমি নীতিৰ বিশেষ কোনো পৰিবৰ্তন হোৱা নাছিল। দেশৰ প্ৰচলিত প্ৰধান ভূমি বন্দোবস্তী কেইটা আছিল—জমিদাৰী, মহলৱাৰী, মালগুজাৰী আৰু ৰায়তৱাৰী। ৰায়তৱাৰী বন্দোবস্তীৰ বাহিৰে অন্য আটাইকেওটা ভূমি বন্দোবস্তীৰ অধীনত ভালেমান মধ্যস্বত্ব-ভোগী আছিল আৰু তেওঁলোকে ৰায়তৰপৰা যেতিয়াই যি সুবিধা পায় সেই মতে নিৰ্দ্ধাৰিত হাৰতকৈও অধিক হাৰত খাজনা সংগ্ৰহ কৰিছিল। ৰায়তৱাৰী বন্দোবস্তীত মধ্যস্বত্বভোগী নাছিল যদিও তাতো বৰ্দ্ধিত হাৰত খাজনা নিৰ্দ্ধাৰণ কৰা আৰু তাক বছৰে বছৰে বৃদ্ধি কৰাটো কৃষকৰ কাৰণে অত্যন্ত ক্ষতিকাৰক আছিল। ফলত খাজনাৰ বোজাই ভাৰতীয় কৃষকৰ ৰাজহাড় ভাঙি পেলাইছিল। আনকি দুৰ্ভিক্ষ বা আকালৰ সময়তো চৰকাৰে খাজনা সংগ্ৰহ কাৰ্য বাদ দিয়া নাছিল, উদাহৰণ স্বৰূপে ১৮৯৭-৯৮ চনত প্ৰায় সমগ্ৰ দেশতে দুৰ্ভিক্ষ চলি থকা অৱস্থাতোবৃটিশে ১৭ মিলিয়ন পাউণ্ড ষ্টাৰ্লিং ভূমি ৰাজস্ব আদায় কৰিছিল। বিপান চন্দ্ৰই দেখুৱাইছে যে ১৮৫৭-৫৮ চনত ১৫.৩ কোটি ভূমি ৰাজস্বৰ বিপৰীতে ১৯৩৬-৩৭ তাৰ পৰিমাণ হৈছিলগৈ ৩৫.৮ কোটি টকা।

গতিকে দেখা যায় যে কৃষকৰ বাবে ভূমি ৰাজস্ব অকল অসহনীয় বোজাই নাছিল লগতে আছিল ধ্বংসকাৰী। ভাৰতীয় কৃষকৰ ওপৰত ভূমি ৰাজস্বৰ এই সৰ্বনাশী ক্ৰিয়াৰ

প্ৰতি লক্ষ্য ৰাখি জন ষ্টুৱাৰ্ট মিলে কৈছিল, "The government of a people by itself has a meaning and a reality, but such a thing as government of one people by another does not, and cannot exist One people may keep another for its own use, a place to make money in, a human-cattle farm to be worked for the profits of its own inhabitants " দাৰ্শনিক জন ষ্টুৱাৰ্ট মিলৰ এই মন্তব্যৰ পিচতো কিন্তু সাম্ৰাজ্যবাদী ৰাজনীতিক, বিশেষকৈ ব্ৰাইট, হেন্দৰিক্‌ছ, ব্ৰিগ্‌ছ আদিয়ে ক'বলৈ প্ৰয়াস পাইছিল যে ভাৰতীয় কৃষকে দিয়া ভূমি ৰাজস্ব আছিল নগণ্য, বৰ লঘু পৰিমাণৰ। মাৰ্ক্‌সে তেওঁলোকৰ এই অভিমতৰ বিপৰীতে কৈছিল, " this apparently light taxation crushes the Indian people to the dust "

বৃটিশে প্ৰবৰ্তন কৰা মুদ্ৰা অৰ্থনীতিয়ে কৃষকক সততে বিপদত পেলাইছিল। টকাৰ কাৰণে তেওঁলোকে বিশেষকৈ সুদখোৰ মহাজন বা শস্য বেপাৰীৰ শৰণাপন্ন হ'ব লাগিছিল। অধিক হাৰত ঋণ লৈ ঋণ পৰিশোধ কৰিব নোৱাৰা কৃষকে কৃষি ভূমিৰ লগতে কেতিয়াবা কেতিয়াবা ভেটি মাটিও হেৰুৱাইছিল। সুদখোৰ মহাজন বা শস্য বেপাৰীয়ে কোনো কেনো ক্ষেত্ৰত শস্য নৌ-চপোৱাতেই বজাৰ মূল্যতকৈকম্ হাৰত তাৰ মূল্য নিৰ্দ্ধাৰণ কৰি কৃষকক আগধন দিছিল। গতিকে বৃটিশৰ আমোলত ঋণৰ বোজাই ভাৰতীয় কৃষকক ত্ৰাহিমধুসূধন সোৰঁৱাইছিল। গ্ৰাম্য অঞ্চলত কৃষকৰ ঋণৰ বোজা অত্যাধিক বৃদ্ধি পাইছিল। ঐতিহাসিক বিপান চন্দ্ৰই দেখুৱাইছে যে ১৯১১ চনত ৩০০ কোটি টকাৰ গ্ৰাম্য ঋণৰ বিপৰীতে ১৯৩৭ চনত তাৰ পৰিমাণ হৈছিলগৈ ১,৮০০ কোটি টকা। অৰ্থাৎ ২৬ বছৰত গ্ৰাম্য ঋণৰ পৰিমাণ ৬ গুণ বৃদ্ধি পাইছিল, সেই অনুপাতে কিন্তু কৃষকৰ আয় ১ গুণো বৃদ্ধি পোৱা নাছিল।

চৰকাৰে নতুবা জমিদাৰে কৃষি ভূমিৰ উন্নয়নৰ বাবে কোনো ধৰণৰ কাম কৰা নাছিল। সাৰ, বীজ, পানী যোগান তথা জলসিঞ্চন ব্যৱস্থাৰ প্ৰতি চৰকাৰে কোনো মন-কাণ দিয়া নাছিল। বিপান চন্দ্ৰৰ মতে যি সময়ত বৃটিশে ইংৰাজ শিল্পপতিসকলৰ হেঁচাত ভাৰতবৰ্ষৰ ৰেল লাইনৰ সম্প্ৰসাৰণৰ বাবদ ১৯০৫ চনত ৩৬০ কোটি টকাতকৈ অধিক টকা খৰছ কৰাৰ বিপৰীতে সেই সময়ত জলসিঞ্চনৰ বাবদ তেওঁলোকে খৰছ কৰিছিল মাত্ৰ ৫০ কোটি টকাৰো কম টকা। ফলত প্ৰয়োজন অনুপাতেকৃষি ক্ষেত্ৰৰ উৎপাদন হ্ৰাস পাই আহিছিল। এইবলাক কাৰণতেই বৃটিশৰ আমোলত ভাৰতীয় কৃষকে ভালকৈ দুবেলা দুমুঠি খাবলৈ পোৱা নাছিল। বংগদেশৰ দুবলীয়া লাট ছাৰ চাৰ্লছ্ এলিয়টে লিখিছিল যে পঞ্চাশ শতাংশ ভাৰতীয় কৃষকে দিনৰ পিচত দিন এসাজ ভাত নোখোৱাকৈ কাল কটাইছিল, বছৰটোৰ কোনো এটা দিনতে তেওঁলোকে পেট পুৰাই খাবলৈ নাপাইছিল। (" fifty

per cent of the agricultural population of India go hungry from day to day, not having a single square meal in the course of a whole year"- Sir Charles Elliott, the Lieutenant-Governor of Bengal) কেন্দ্ৰীয় পৰিসংখ্যা বিভাগৰ সঞ্চালক হান্টাৰে কৈছিল, "forty millions of Indians pass through life with only one meal a day"-(Sir W W Hunter, the Director of Indian Statistics)

দাৰিদ্ৰতা আৰু দুৰ্ভিক্ষ তথা আকালঃ

বৃটিশৰ নিৰ্মম শোষণৰ পৰিণতি স্বৰূপে যে ভাৰতীয় কৃষকৰ অৰ্থনৈতিক অৱস্থা দিনক দিনে শোচনীয় হৈ গৈছিল আৰু তেওঁলোকে বছৰৰ অৰ্দ্ধেক দিন আধাপেটী থাকিব লগা হৈছিল সেই কথা আনকি ওপৰত উল্লেখ কৰা উচ্চ পদস্থ বৃটিশ আমোলা-বিষয়াসকলেই তেওঁলোকৰ বিভিন্ন প্ৰতিবেদনত স্বীকাৰ কৰি গৈছে। এইবিলাক কাৰণতেই বৃটিশ আমোলত, সি কোম্পানীৰ আমোলতেই হওক বা ৰাজমুকুটৰ আমোলতেই হওক, ভাৰতবৰ্ষত পৌনঃপৌনিক হাৰত দুৰ্ভিক্ষ আৰু আকাল মহামাৰীয়ে দেখা দিছিল। কোম্পানীয়ে দেৱানী লাভ কৰাৰ কেইবছৰ মানৰ ভিতৰতে ১৭৭০ চনত বংগত ভীষণ দুৰ্ভিক্ষই দেখা দিছিল। এই দুৰ্ভিক্ষত বংগৰ মুঠ জনসংখ্যাৰ এক-তৃতীয়াংশ অৰ্থাৎ ৩৩ লাখ লোক মৃত্যু মুখত পৰিছিল। ১৭৬৫ চনৰ পৰা ১৮৫৮ চনৰ ভিতৰত অৰ্থাৎ কোম্পানীৰ শাসনৰ ৯৩ বছৰত মুঠতে ১২ টা দুৰ্ভিক্ষ আৰু ৪ টা ভীষণ আকালে ভাৰতীয় লোকক জুৰুলা কৰিছিল।

১৮৪০ চনৰপৰা ১৯৪৩ চনলৈ বৃটিশৰ আমোলত ভাৰতবৰ্ষত হোৱা আটাইতকৈ ক্ষতিকাৰক দুৰ্ভিক্ষসমূহৰ এক খতিয়ান দাঙি ধৰা হ'ল—

দুৰ্ভিক্ষৰ বছৰ	ক্ষতিগ্ৰস্ত এলেকা	মৃত লোকৰ সংখ্যা
১৮৩০-৪০	গোদাবৰী জিলা	১,৬১ ১১৮
১৮৩৮	আগ্ৰা	৮ ০০,০০০
১৮৬০	উত্তৰ ভাৰত	১ ৩০ কোটি
১৮৬০-৬১	উত্তৰ-পশ্চিম প্ৰদেশ	৫ ০০ ০০০
১৮৬৬-৬৭	উৰিষ্যা	১০ ০০,০০০
	বংগ, বিহাৰ মাদ্ৰাজ	১০ ০০ ০০০
১৮৬৮-৭০	ৰাজস্থান বা ৰাজপুতনা	২৫-৩৩ শতাংশ
	বোম্বে পাঞ্জাব পশ্চিম উত্তৰ প্ৰদেশ	১৪ ০০ ০০০
১৮৭৭	মাদ্ৰাজ	৫০ ০০,০০০
১৮৭৬-৭৮	দক্ষিণ ভাৰত (বোম্বে মাদ্ৰাজ হায়দাবাবাদ, মহীশূৰ, পাঞ্জাব পশ্চিম উত্তৰ প্ৰদেশ)	৫২,৫০ ০০০

১৮৯৬-৯৭	পাঞ্জাব, বিহাৰ, বংগদেশ, বোম্বে, মাদ্ৰাজ, উত্তৰ পশ্চিম প্ৰদেশ	৪৫,০০ ০০০
১৮৯৯-১৯০০	বোম্বে আজমেৰ বেৰাৰ বৰোদা, মধ্য ভাৰত, ৰাজপুতনা, কাথিওৱাৰ হায়দাবাবাদ, পাঞ্জাবৰ হিছাৰ জিলা	১২,৫০,০০০
		২৫,০০,০০০ (ডিগ্‌বী)
১৯৪৩	বংগদেশ	১৫,০০,০০০

(ৰমেশ চন্দ্ৰ দত্তৰ '*The Economic History of India,* vol II'আৰু জি কৌশলৰ''*Economic History of India*, 1757-1966', নামৰ গ্ৰন্থৰপৰা)

বৃটিশ আমোলত ভাৰতবৰ্ষত এইদৰে পৌনঃপৌনিক হাৰত হোৱা দুৰ্ভিক্ষৰ প্ৰধান কাৰক আছিল—

(ক) অতি উচ্চ হাৰত নিৰূপন আৰু আদায় কৰা ভূমি ৰাজস্ব।

(খ) হস্তশিল্পৰ ধ্বংস সাধন আৰু কাৰিকৰ আৰু হস্তশিল্পীসকলৰ কৃষিৰ ওপৰত নিৰ্ভৰশীলতা,

(গ) কৃষি ভূমিৰ ওপৰত মানুহৰ অত্যাধিক হেঁচা,

(ঘ) কৃষকৰ মাজত অত্যাধিক ঋণগ্ৰস্ততা,

(ঙ) চৰকাৰৰ ফালৰপৰা কৃষি ভূমিৰ উন্নয়নৰ প্ৰতি অনীহা,

(চ) জলসিঞ্চনৰ অভাব,

(ছ) অতিবৃষ্টি আৰু অনাবৃষ্টিৰ সময়তো ইংলেণ্ড আৰু অন্যান্য দেশলৈ খাদ্য শস্যৰ তথা সামগ্ৰীৰ ৰপ্তানি। উদাহৰণ হিচাপে ১৮৯৭-৯৮ চনত যেতিয়া সমগ্ৰ দেশখনেই দুৰ্ভিক্ষৰ কবলত পৰিছিল তেনে সময়তো বৃটিশে কৃষকসকলৰপৰা ভূমি ৰাজস্বৰ শিতানত ১৭ মিলিয়ন পাউণ্ড ষ্টাৰ্লিং সংগ্ৰহ কৰিছিল আৰু কৃষকে নিজৰ খাদ্য শস্য বিক্ৰি কৰি সেই ভূমি ৰাজস্ব আদায় দিবলৈ বাধ্য হৈছিল।

(জ) সুদখোৰ মহাজন আৰু শস্য বেপাৰীসকলৰ লুণ্ঠন,

(ঝ) কৃষকসকলক উৎপাদিত শস্যৰ উপযুক্ত মূল্যৰ পৰা বঞ্চিতকৰণ,

(ঞ) কৃষকৰ মাজত সঞ্চয়ৰ সুবিধাৰ অভাব,

(ট) যোগাযোগ আৰু পৰিবহনৰ অনুন্নত অৱস্থা, আদি।

পুৰাতন জমিদাৰৰ পতন আৰু নতুন ভূস্বামীৰ উত্থানঃ

বিদ্ৰোহ দমন কৰাৰ পিচত নতুন বৃটিশ-ভাৰত চৰকাৰে পূৰ্বে লৰ্ড ডেলহাউচিয়ে বাজেয়াপ্ত কৰা বহু জমিদাৰৰে ভূ-সম্পত্তি পুনৰ ওভতাই দিছিল। তেওঁলোকৰ ভূ-সম্পত্তি

ওভতাই দি তেওঁলোকক বৃটিশে নতুনকৈ বন্ধু আৰু সহযোগী হিচাপে পোৱাৰ আশা কৰিছিল। আনহাতে কোনো কোনো প্ৰদেশ বা ৰাজ্যত একাংশ জমিদাৰে বিদ্ৰোহত অংশ ললেও সকলো প্ৰদেশ বা ৰাজ্যতে জমিদাৰসকল বৃটিশ বিদ্বেষী হৈ উঠা নাছিল। গতিকে তেওঁলোকৰ সৈতে বন্ধুত্ব অটুট ৰখাটো বিদ্ৰোহৰ পৰৱৰ্তী বৃটিশ চৰকাৰৰ বাবে প্ৰয়োজনীয় হৈ পৰিছিল। নিজৰ বৈষয়িক স্বাৰ্থৰ ফালকাৰা চাবলৈ গ'লে বৃটিশ শাসনৰ আৰম্ভণিৰেপৰা বৃটিশৰ সৈতে তেওঁলোকৰ কোনো দ্বন্দ্ব-বিৰোধ নাছিল। অন্যান্য সামাজিক শ্ৰেণীৰ দৰে জমিদাৰসকলো বৃটিশৰেই সৃষ্টি আছিল, আৰু কোম্পানীৰ চৰকাৰে তেওঁলোকক বিপদৰ বন্ধু হিচাপে পাবলৈ সদায়েই আশা কৰিছিল। বিশেষকৈবংগদেশত লৰ্ড কৰ্ণৱালিছে চিৰস্থায়ী বন্দোবস্তীৰ (১৭৯৩) মাধ্যমত সৃষ্টি কৰা জমিদাৰসকলৰ বৃটিশৰ যে প্ৰয়োজন আছিল সেই কথা লৰ্ড কাৱেণ্ডিছ বেণ্টিঙ্কে (১৮২৮-১৮৩৫) সুন্দৰকৈ স্বীকাৰ কৰি গৈছে। তেওঁ কৈছিল যে বৃটিশৰ বিৰুদ্ধে যি কোনো ৰাজনৈতিক বিদ্ৰোহৰ সময়ত এই শ্ৰেণীটোৰেই হ'ব বৃটিশৰ একমাত্ৰ ভৰষাৰ থলী, কিয়নো এক বিপুল পৰিমাণৰ কৃষক তেওঁলোকৰ নিয়ন্ত্ৰণত থাকিব। আৰু লগতে সেই শ্ৰেণীটোৱে তেওঁলোকৰ নিজৰ স্বাৰ্থতেই ভাৰতবৰ্ষত বৃটিশ শাসন টিকি থকাটো বিচাৰিব।

বিদ্ৰোহৰ পিচৰ কালছোৱাত বৃটিশ-ভাৰতবৰ্ষৰ ভালেমান প্ৰদেশত এশ্ৰেণী নতুন জমিদাৰ বা ভূস্বামীৰ আবিৰ্ভাব হৈছিল। যিবিলাক অঞ্চলত পূৰ্বৰেপৰা জমিদাৰী ব্যৱস্থা প্ৰচলিত আছিল সেইবিলাকতটো এই নব্য জমিদাৰসকলৰ সৃষ্টি হৈছিলেই, আনকি ৰায়তৱাৰী ভূমি বন্দোবস্তী প্ৰচলন থকা অঞ্চল বা ৰাজ্যতো এই ধৰণৰ জমিদাৰৰ সৃষ্টি হৈছিল। এওঁলোকৰ বহুতেই পূৰ্বতে আছিল সুদখোৰ মহাজন তথা শস্য বেপাৰী। কৃষকক প্ৰয়োজন হলেই ঋণ দিয়াৰ বিনিময়ত আৰু ঋণ পৰিশোধ কৰিব নোৱাৰাৰ অজুহাতত এইসকল ঋণদাতাই কৃষকৰ ভূ-সম্পত্তি কাঢ়ি লৈ সময়ত একো একোখন জমিদাৰীৰ গৰাকীত পৰিণত হৈছিল। বহু ৰাজ্যতে কৃষি ভূমি এই দৰে ব্যাপক হাৰত অনা-খেতিয়ক তথা দোকানী-পোহাৰী-বণিক-বেপাৰী-মহাজন-ঋণদাতাৰ হাতলৈ গুছি গৈছিল। তেওঁলোক সেইবোৰ ভূমিৰ গৰাকীত পৰিণত হলেও পূৰ্বৰ খেতিয়কসকলেই সেই ভূমিত ৰায়ত (Tenants) হিচাপে আধি-চুকানী আদি চৰ্তত খেতি কৰিছিল।

এই প্ৰক্ৰিয়াৰ পৰিণতি স্বৰূপে বৃটিশ-ভাৰতবৰ্ষৰ গ্ৰাম্য অঞ্চলত দুটা নতুন সামাজিক শ্ৰেণীৰ উৎপত্তি হ'বলৈ লৈছিল এটা আছিল অনা-কেতিয়াক ভূস্বামী বা জমিদাৰ (Absentee landlords) আৰু আনটো আধি-চুকানী আদি চৰ্তত কৃষি কাৰ্য কৰি পেট প্ৰৱৰ্তোৱা ভূমিহীন খেতিয়ক (Landless agriculturists)। এই নব্য ভূস্বামীসকলে কৃষি ক্ষেত্ৰত

অধিক উৎপাদনৰ বাবে কৃষি ভূমিৰ উন্নয়ন, যেনে পানী, সাৰ, বীজ আদিৰ যোগান ধৰা নাছিল। অৱশ্যে পূৰ্বৰেপৰা থকা জমিদাৰী এলেকাসমূহতো জমিদাৰে কেতিয়াও কৃষি ভূমিৰ উন্নয়নৰ কাৰণে বিশেষ একো কৰা নাছিল।

পূৰ্বৰ ভূস্বামীসকলৰ গ্ৰাম্য সমাজখনৰ সৈতে প্ৰত্যক্ষ যোগাযোগ আৰু সম্পৰ্ক আছিল। তেওঁলোকে সাধাৰণ কৃষকৰ মাজতে গ্ৰাম্য অঞ্চলত বসবাস কৰিছিল, গ্ৰাম্য সমাজখনৰ সুখ-দুখৰ সৈতে সমভাগী আৰু সহমৰ্মী আছিল। কেৱল বৈষয়িক সম্পৰ্কই নহয়, সাধাৰণ কৃষকৰ সৈতে তেওঁলোকৰ এক আবেগিক সম্পৰ্কও আছিল। কিন্তু নব্য ভূস্বামীসকল আছিল নগৰ কেন্দ্ৰীক আৰু গ্ৰাম্য সমাজৰপৰা বিচ্ছিন্ন। নগৰ বা চহৰত বাসস্থান থকা এই ভূস্বামী বা নব্য জমিদাৰসকল পূৰ্বৰ জমিদাৰসকলতকৈও নিষ্ঠুৰ আৰু শোষণত পাকৈত আছিল। গ্ৰাম্য সমাজত তথা কৃষকৰ সৈতে তেওঁলোকৰ সম্পৰ্ক বৰ্তি আছিল কেৱল বৈষয়িক কাৰণত, এক কথাত টকাৰ খাটিৰত।

আনহাতে চহৰ অঞ্চলৰ বহু চহকী লোকে বিনিয়োগৰ উপযুক্ত স্থান নাপাই গ্ৰাম অঞ্চলত ভূমি সম্পত্তি ক্ৰয় কৰি তেওঁলোকৰ বৰ্দ্ধিত আয় তাতেই বিনিয়োগ কৰিছিল। ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধতঅলপ-অচৰপকৈ হলেও দেশত বৃটিশে আৰম্ভ কৰা পুঁজিবাদী বিকাশৰ ধাৰাই ভাৰতীয় সমাজৰ বিত্তবান শ্ৰেণীৰ লোকক সেই দিশত আকৰ্ষণ কৰিলেও ইংৰাজ বিনিয়োগকাৰীসকলৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ বাবে তেওঁলোকে বিনিয়োগৰ বাবে বিশেষ সুযোগ-সুবিধা পোৱা নাছিল। নীল, কফি, চাহ শিল্পত ইংৰাজ পুঁজিপতিসকলেই প্ৰাধান্য পাইছিল। কাজেই ভাৰতীয় বিত্তবানসকলৰ একাংশৰ বাবে পথ খোলা আছিল কেৱল ভূমি সম্পত্তি ক্ৰয় কৰি পৰম্পাৰগতভাবে জমিদাৰী চলাই জীৱন প্ৰবৰ্তোৱাতো।

তদুপৰি ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰপৰা দেশীয় ৰজা-মহাৰজাসকলো একো একোজন জমিদাৰলৈ পৰ্যবসিত হৈছিল। তেওঁলোক ৰজাৰ পৰিবৰ্তে হৈ পৰিছিল ক্ষেত্ৰীয় জমিদাৰ। তেওঁলোকৰ ৰাজ্যৰ সকলো প্ৰশাসনিক কাম-কাজ বৃটিশে নিয়োগ কৰা মন্ত্ৰী-দেৱান আৰু ৰাজনৈতিক বিষয়াজনে সম্পাদন কৰিছিল। গতিকে তেনে ক্ষেত্ৰত দেশীয় ৰজাসকল কেৱল খাজনা খোৱা জমিদাৰত পৰিণত হৈছিল। সামাজিক আদব-কায়দা, চাল-চলনত তেওঁলোকে বৃটিশক অনুসৰণ কৰিছিল আৰু অন্যান্য জমিদাৰসকলে অনুসৰণ কৰিছিল ৰজা-মহাৰজা নামধাৰী উক্ত দেশীয় জমিদাৰসকলক। ফলত মৰণ হৈছিল সাধাৰণ খেতিয়কসকলৰ।

ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰপৰা দেশে স্বাধীনতা পোৱালৈ (আৰু স্বাধীনতাৰ পিচতো) এই দুই ধৰণৰ জমিদাৰী ব্যৱস্থা সমান্তৰালভাৱে চলি আহিছিল। সময় অতিবাহিত

হোৱাৰ লগে লগে বিদ্ৰোহৰ পূৰ্বৰ দৰে জমিদাৰী ব্যৱস্থাতএশ্ৰেণী মধ্যস্বত্ব-ভোগী লোকৰ আবিৰ্ভাব হৈছিল। খাজনা সংগ্ৰহৰ সময়ত এইসকল মধ্যস্বত্বভোগীয়ে কৃষকৰ অৱস্থা আৰু অধিক শোচনীয় কৰি তুলিছিল। অন্যান্য কাৰকৰ লগতে এইবিলাকে ভাৰতীয় কৃষি ক্ষেত্ৰত কৃষি শ্ৰমিকৰো (Agricultural labourers) সৃষ্টি কৰিছিল। কৃষিক জীৱিকা হিচাপে ললেও তেওঁলোক আছিল আন ৰ কৃষি ক্ষেত্ৰত বনুৱা হিচাপে কাম কৰা লোক।

আধুনিক কল-কাৰখানাৰ স্থাপন আৰু উন্নয়নঃ

লৰ্ড ডেলহাউচিৰ কাৰ্যকালতে ১৮৫৩ চনত পোনতে দেশত ৰেল লাইন বহুওৱাৰ কাম আৰম্ভ কৰা হৈছিল। এই কাৰ্যই দেশত আধুনিক শিল্পায়নৰ সম্ভাৱনা কটিয়াই আনিছিল। সেই ফালৰপৰা ক'ব পাৰি যে উনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত ভাৰতবৰ্ষত ভালেমান যন্ত্ৰচালিতকল-কাৰখানা, শিল্প প্ৰতিষ্ঠান গঢ়ি উঠিছিল। এইদৰে গঢ়ি উঠা কল-কাৰখানা, শিল্প প্ৰতিষ্ঠানসমূহৰ ভিতৰত আছিল—বস্ত্ৰ উদ্যোগ, মৰাপাট উদ্যোগ, লো-তীখা উদ্যোগ, কয়লা উদ্যোগ, চিমেন্ট উদ্যোগ, চেনী উদ্যোগ, কাগজ উদ্যোগ, চাহ উদ্যোগ আদি। তলত তাৰে কেইটামান উদ্যোগৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল।

বস্ত্ৰ উদ্যোগঃ (Cotton Textile Industry)

১৮১৮ চনত ভাৰতবৰ্ষত বাউৰিয়া কটন মিল (Bowreah Cotton Mill) নামে প্ৰথমটো বস্ত্ৰ উদ্যোগ স্থাপন কৰা হৈছিল। তাৰ পিচত এন চি ডাবাৰ (N C Davar) নামে পাৰ্চী বণিক এজনে ১৮৫১-৫৪ চনত বোম্বেত দ্বিতীয়টো কটন মিল স্থাপন কৰে। তাৰ পিচত কৱাজী নানাভয় (Cowasjee Nanabhoy) নামে লোক এজনে ১৮৫৩ চনত বোম্বেত তৃতীয়টো কটন মিল স্থাপন কৰে। ১৮৬১ চনত ভাৰতবৰ্ষত কটন মিলৰ সংখ্যা ১২ টালৈ বৃদ্ধি পায়। ১৮৭২-৭৩ চনত কটন মিলৰ সংখ্যা ২০ টালৈ বৃদ্ধি পায়, তাৰে ১৮ টা আছিল বোম্বেত আৰু দুটা বংগদেশত। ১৮৭৯ চনত ইয়াৰ সংখ্যা হয়গৈ ৫৬ টা আৰু কৰ্মৰত শ্ৰমিকৰ সংখ্যা ৪৩,০০০। তাৰ পৰৱৰ্তী ২৫ বছৰত কটন মিলৰ সংখ্যা ২০৪ টালৈ বৃদ্ধি পাইছিল আৰু সেই অনুপাতে কৰ্মৰত শ্ৰমিকৰ সংখ্যা হৈছিলগৈ ১,৮৫,০০০। এই মিলসমূহৰ ৮৪ টা আছিল বোম্বে আৰু ৩২ টা আহমেদাবাদ, বাকী ৮৮ টা দেশৰ অন্যান্য চহৰত অৱস্থিত আছিল।

স্বদেশী আন্দোলনে দেশত বস্ত্ৰ উদ্যোগৰ সম্প্ৰসাৰণত প্ৰভূত অৰিহণা যোগাইছিল, আৰু তাৰেই পৰিণতি স্বৰূপে ১৯০৫-১৪ চনৰ ভিতৰত বস্ত্ৰ উদ্যোগৰ সংখ্যা ২৬৪ টালৈ বৃদ্ধি পোৱাৰ লগতে শ্ৰমিকৰ সংখ্যা হৈছিলগৈ ২,৬০,৮৪৭। ১৯২৭ চনত কটন মিলৰ সংখ্যা ৩৩৪ টালৈ বৃদ্ধি পাইছিল, আৰু তাৰ পৰৱৰ্তী কালত ১৯৩৯ চনত তাৰ পৰিমাণ

হৈছিলগৈ ৩৮৯ টা। এই কালৰপৰা দেখা যায় উক্ত সময়ছোৱাত বস্ত্ৰ শিল্পৰ দ্ৰুত সম্প্ৰসাৰণ ঘটিছিল। সেই সময়ছোৱাৰ ভিতৰত বস্ত্ৰ শিল্পৰ আৰু অধিক উন্নয়ন সাধিত হৈছিল। দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত কিন্তু ভাৰতীয় বস্ত্ৰ শিল্পৰ এই অগ্ৰগতি অব্যাহত থকা নাছিল। বিভিন্ন কাৰণত উৎপাদন দ্ৰুতভাৱে হ্ৰাস পাই আহিছিল। উদাহৰণ স্বৰূপে ১৯৪২-৪৩ চনত ১৯০৩৮-৩৯ চনৰ তুলনাত ২৪ কোটি গজ কাপোৰ কম উৎপাদন হৈছিল। সি যি কি নহওক, বৃটিশ আমোলতেই যন্ত্ৰ চালিত বস্ত্ৰ উদ্দ্যোগ ভাৰতবৰ্ষৰ ক্ৰমবৰ্দ্ধমান আধুনিক উদ্দ্যোগৰূপে গঢ়ি উঠিছিল।

মৰাপাট উদ্দ্যোগঃ (Jute Industry)

বস্ত্ৰ উদ্দ্যোগৰ পিচতে অন্যতম প্ৰধান যন্ত্ৰ চালিত উদ্দ্যোগ আছিল মৰাপাট উদ্দ্যোগ। আৰম্ভণিৰেপৰা মৰাপাট উদ্দ্যোগটো কম-বেছি পৰিমাণে বৃটিশ শিল্পপতিসকলৰ নিয়ন্ত্ৰণত আছিল। ১৮৫৪ চনৰ পূৰ্বে ভাৰতবৰ্ষত যন্ত্ৰ চালিত মৰাপাট উদ্দ্যোগ গঢ়ি উঠা নাছিল। সেই বছৰতে জৰ্জ অকলেণ্ড নামে বৃটিশ লোক এজনে বংগদেশৰ শ্ৰীৰামপুৰত প্ৰথমটো মৰাপাট কল স্থাপন কৰে। তাৰ পিচত ১৮৫৯ চনত কলকাতাৰ বৰনগৰত অন্য এটা মিল স্থাপন কৰা হৈছিল। তাৰ পিচত এই উদ্দ্যোগৰ দ্ৰুত সম্প্ৰসাৰণ ঘটিছিল। ১৮৮২ চনত সমগ্ৰ ভাৰতবৰ্ষত গঢ়ি উঠা মৰাপাট কলৰ সংখ্যা আছিল ২০ টা আৰু সেইবোৰত কৰ্মৰত শ্ৰমিকৰ সংখ্যা ২০,০০০। ১৯০১ চনত মৰাপাট কলৰ সংখ্যা আছিল ৩৬ টা আৰু তাত কৰ্মৰত শ্ৰমিকৰ সংখ্যা ১,১৫,০০০। প্ৰথম বিশ্ব যুদ্ধৰ ঠিক আগ মুহূৰ্ত্তত (১৯১৩-১৪) ভাৰতবৰ্ষত মুঠতে মৰাপাট কলৰ সংখ্যা আছিল ৬৪ টা আৰু এইবিলাকত কৰ্মৰত শ্ৰমিকৰ সংখ্যা আছিল ২,১৬,০০০।

প্ৰথম বিশ্ব যুদ্ধৰ সময়ত মৰাপাট সামগ্ৰীৰ, বিশেষকৈ বস্তা আৰু বেগৰ, চাহিদা দ্ৰুতভাৱে বৃদ্ধি পাইছিল আৰু তাৰ সুবাদতেই দেশত মৰাপাট উদ্দ্যোগৰো সম্প্ৰসাৰণ ঘটিছিল। ১৯১৯ চনত দেশত মৰাপাট কলৰ সংখ্যা হৈছিলগৈ ৭৬ টা আৰু তাৰ কৰ্মৰত শ্ৰমিকৰ সংখ্যা ২,৭৬,০০০। তদুপৰি এই সময়ছোৱাত দেশত ২১১ টা মৰাপাট প্ৰেছো স্থাপিত হৈছিল, তাতো অতি কমেও ৩৩,৩১৬ জন লোকে কৰ্মসংস্থান পাইছিল।

১৯২৯ চনত আমেৰিকা যুক্তৰাষ্ট্ৰত আৰম্ভ হোৱা অৰ্থনৈতিক মন্দাই ভাৰতবৰ্ষৰ মৰাপাট উদ্দ্যোগতো বিৰূপ প্ৰভাৱ পেলাইছিল। ১৯৩৪ চনৰ একেবাৰে শেষৰ পিনে লাহে লাহে এই উদ্দ্যোগ পুনৰ টনকিয়াল হৈ উঠিছিল। সেই সময়ৰ মৰাপাট উদ্দ্যোগৰ দ্বাৰা ৰপ্তানিকৃত মৰাপাট সামগ্ৰীৰ বৰ্দ্ধিত পৰিমাণৰ প্ৰতি লক্ষ্য কৰিলে সেই কথাৰ সম্ভেদ পাব পাৰি। ১৯৩৩-৩৪ চনত ৬,৭০,০০০ টন মৰাপাট সামগ্ৰী ৰপ্তানি কৰা হৈছিল, আৰু

বিপৰীতে ১৯৩৭-৩৮ চনত ৰপ্তানি কৰা সামগ্ৰীৰ পৰিমাণ ১০,০০,০০০ টন। কিন্তু দ্বিতীয় বিশ্ব যুদ্ধৰ সমসাময়িকভাৱে এই মৰাপাট উদ্যোগৰ যথেষ্ট অৱনতি ঘটিছিল। স্বাধীনতা আৰু দেশ বিভাজনৰ পিচত ভাৰতবৰ্ষৰ মৰাপাট উদ্যোগৰ পূৰ্বৰ স্থিতি নোহোৱা হৈছিল। তাৰ কাৰণ আছিল কেঁচা মৰাপাট উৎপাদনৰ অধিকাংশ ক্ষেত্ৰই পূৰ্ব পাকিস্তান তথা বাংলাদেশৰ অন্তৰ্ভুক্ত হৈছিল। তলৰ তালিকাখনত ১৯১৯ চনৰপৰা ১৯৪০ চনলৈ ভাৰতবৰ্ষত থকা মৰাপাট কলৰ সংখ্যা দিয়া হ'ল—

বছৰ	কলৰ সংখ্যা	মাকো	শাল
১৯১৮-১৯	৭৬	৮,৩৯,৯১৯	৪০,০৪৩
১৯২৩-২৪	৮৯	১০,৪৩,৪১৭	৪৯,০৩৮
১৯২৭-২৮	৯৩	১১,০৫,৬৩৪	৫২,২২১
১৯৩০-৩১	১০০	১২,২৪,৯৮২	৬১,৮৩৪
১৯৩৪-৩৫	১০০	১২,২১,৭৮৬	৬১,৩৮৭
১৯৩৯-৪০	১১০	১৩,৬৯,৮২১	৬৮,৫২৮

উৎসঃ *The Industrial Evolution of India in Recent Times*, 1860-1939, D R Gadgil, 1974, p 274

লো-তীখা উদ্যোগঃ

লো আৰু তীখা হ'ল আধুনিক শিল্পৰ মূল আহিলা বা উপাদান। ভাৰতবৰ্ষত লোৰ খনি আছিল যদিও তাক নিষ্কাষন কৰি বিংশ শতিকাৰ দ্বিতীয় দশকলৈ তাক ব্যৱহাৰৰ উপযোগী কৰিব পৰা হোৱা নাছিল। হিথ্ (Heath) নামে বৃটিশ লোক এজনে পোনতে ১৮৩০ চনত মাদ্ৰাজ প্ৰেছিডেন্সিৰ পৰ্টুনভোত এটি লো আৰু তীখা উদ্যোগ স্থাপন কৰিছিল যদিও তেওঁ কৃতকাৰ্য হ'ব পৰা নাছিল। লো-তীখা উদ্যোগ স্থাপনৰ ক্ষেত্ৰত দ্বিতীয়টো পদক্ষেপ লোৱা হৈছিল ১৮৭৫ চনত। সেই বছৰতে বৰাকৰত স্থাপন কৰা লো-তীখা উদ্যোগটো কৃতকাৰ্য হৈছিল যদিও পিচত ১৮৮৯ চনত সেইটো বেংগল আইৰণ কোম্পানীয়ে (Bengal Iron Company) কিনি লৈছিল। তাৰ পিচৰ পদক্ষেপটো লৈছিল জামছেদজী টাটাই। তেওঁ ১৯০৭ চনত টাটা আইৰণ এণ্ড ষ্টীল কোম্পানী (Tata Iron and Steel Company) গঠন কৰে। তেওঁক এই ক্ষেত্ৰত সেই সময়ৰ ভাৰত পৰিক্ৰমাৰ মন্ত্ৰী লৰ্ড জৰ্জ হেমিল্টনে (Lord George Hamilton) যথেষ্ট সহায় কৰিছিল।

দৰাচলতে ক'বলৈ গ'লে জামছেদপুৰত ১৯১১ চনত জামছেদজী টাটাৰ উদ্যোগত লো-তীখাৰ কল (Tata Steel Plant) স্থাপন কৰাৰ লগে লগে ভাৰতবৰ্ষত আধুনিক লো-তীখা উৎপাদনৰ ইতিহাসৰ সূচনা হয়। পোনতে লোৰ আঁকৰ (Pig Iron) তৈয়াৰ কৰি পিচৰ বছৰতে (১৯১২) তাকেৰে তীখা (Steel) তৈয়াৰ কৰা হৈছিল। প্ৰথম বিশ্ব যুদ্ধৰ পূৰ্বে ভাৰতবৰ্ষত মুঠতে ৪০,০০০ টন লো উৎপাদন কৰা হৈছিল।

১৯১৯ চনত 'Indian Iron and Steel Company' নামে অন্য এটি কোম্পানী গঢ়ি উঠে। এই কোম্পানীটোৱে আছানছোলৰ ওচৰত হৰিপুৰ নামে ঠাইত উৎপাদন কেন্দ্ৰ এটি স্থাপন কৰিছিল। ১৯৩৭ চনত এই কোম্পানীটোৱে বেংগল আইৰণ কোম্পানীটো ক্ৰয় কৰি 'Steel Corporation of Bengal' নামেৰে পৰিচিত হৈ পৰে। ১৯২০ চনত ভদ্ৰবতীত 'The Mysore Iron and Steel Works' নামে অন্য এটি কোম্পানী স্থাপন কৰা হৈছিল। তাৰ পিচতো দেশত অন্যান্য ভালেমান লো-তীখাৰ কোম্পানী স্থাপন কৰা হৈছিল। তাৰ ভিতৰত উল্লেখযোগ্য কেইটা হ'ল—'Steel Ware Products Ltd ', 'Enamelled Ironwares Ltd ', 'Indian Tin-Plate Co ', 'The Tata Company ' আদি।

১৯১৮ চনত ভাৰতবৰ্ষত ১ ৯৮ লাখ টন পিগ আইৰণ আৰু ১ ৩০ লাখ টন ষ্টীল উৎপাদন কৰা হৈছিল। ১৯১৪-১৯১২১ চনৰ ভিতৰত অকল টাটা আইৰণ এণ্ড ষ্টীল কোম্পানীয়ে মুঠতে প্ৰচুৰ লাভ কৰিছিল। সেই সময়ছোৱাত তেওঁলোকৰ লাভৰ পৰিমাণ আছিল ৪ ১৫ মিলিয়ন পাউণ্ড ষ্টাৰ্লিং। ১৯১৮ চনত তেওঁলোকে হিৰাপুৰ নামে ঠাইত অন্য এটি উৎপাদন কেন্দ্ৰ স্থাপন কৰিছিল। ১৯২২ চনত ভাৰতবৰ্ষত ষ্টীলৰ উৎপাদন আছিল ১ ৩১ লাখ টন। তাৰ পিচতো উৎপাদনৰ পৰিমাণ বহু পৰিমানে হ্ৰাস পাইছিল, বিশেষকৈ বিশ্ব ব্যাপি আৰম্ভ হোৱা অৰ্থনৈতিক মন্দাৰ পৰিপ্ৰেক্ষিতত ভাৰতবৰ্ষত লো-তীখাৰ উৎপাদন বহু পৰিমাণে হ্ৰাস পাইছিল। কিন্তু ১৯৩৪ চন মানৰপৰা লাহে লাহে উৎপাদনৰ পৰিমাণ বৃদ্ধি পাবলৈ ধৰিছিল। ১৯৩৯ চনত ভাৰতবৰ্ষত ষ্টীলৰ উৎপাদন ১০ ৪২ লাখ টনলৈ বৃদ্ধি পাইছিল। ১৯৩৮-৩৯ চনত তীখাৰ উৎপাদন ৭ ২৬ লাখ টনৰ বিপৰীতে ১৯৪৫-৪৬ চনত হৈছিলগৈ ৯ ৪৯ লাখ টন। উৎপাদন বৃদ্ধিয়ে লগে লগে কোম্পানীবিলাকৰ লাভৰ পৰিমাণো বৃদ্ধি কৰি আনিছিল। ১৯৩৯-৪৫ চনৰ ভিতৰত অকল জামছেদজী টাটাৰ কোম্পানীটোৱেই লাভ কৰিছিল ৪৫ ৬ কোটি টকা।

চিমেন্ট উদ্যোগঃ

ভাৰতবৰ্ষত চিমেন্ট উদ্যোগ গঢ়ি উঠে বিংশ শতিকাৰ প্ৰথম দশকত। ১৯০৪ চনত মাদ্ৰাজত প্ৰথমটো চিমেন্ট কাৰখানা স্থাপিত হৈছিল। ১৯১২-১৩ চনত যথাক্ৰমে পোৰবন্দৰ,

কাটনী আৰু বান্দীত আৰু তিনিটা চিমেন্ট কাৰখানা গঢ়ি তোলা হৈছিল যদিও সেইবিলাকত উৎপাদন কাৰ্য আৰম্ভ কৰা হৈছিল প্ৰথম বিশ্ব যুদ্ধৰ পিচত। গতিকে প্ৰথম বিশ্ব যুদ্ধৰ পূৰ্বে ভাৰতবৰ্ষত মাত্ৰ এটাহে উৎপাদনশীল চিমেন্ট কাৰখানা আছিল। যুদ্ধৰ পিচত দেশত চিমেন্ট কাৰখানা আৰু চিমেন্ট উৎপাদন দুয়োটাই দ্ৰুত গতিত বৃদ্ধি পাইছিল। ১৯২২-২৫ চনৰ ভিতৰত দেশত নতুনকৈ আৰু ৭টা চিমেন্ট কোম্পানীয়ে প্ৰতিষ্ঠা লাভ কৰিছিল। ১৯১৪ চনত মাদ্ৰাজৰ চিমেন্ট কোম্পানীটোৱে ৯৪৫ টন চিমেন্ট উৎপাদন কৰিছিল। ১৯১৯ চনত দেশত চিমেন্ট উৎপাদনৰ পৰিমাণ ৮৭,০০০ টনলৈ বৃদ্ধি পাইছিল। ১৯২৪ চনত এই ১০ টা চিমেন্ট কোম্পানীয়ে উৎপাদন কৰা চিমেন্টৰ পৰিমাণ হৈছিলগৈ ৫ ৫ লাখ টন।

১৯২৪-৩০ চনৰ ভিতৰত কোম্পানীসমূহৰ মাজত আৰম্ভ হোৱা তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ ফলস্বৰূপে চিমেন্ট উৎপাদনতযথেষ্ট ব্যাঘাত জন্মিছিল। অৱশ্যে কোম্পানীসমূহৰ মাজত সহযোগিতা বাঢ়ি অহাৰ পিচত লাহে লাহে পুনৰ উৎপাদন বাঢ়িবলৈ লৈছিল। উৎপাদন আৰু বজাৰ মূল্য নিয়ন্ত্ৰণৰ প্ৰতি লক্ষ্য ৰাখি এই কোম্পানীসমূহে লাহে লাহে কেবাটাও সংঘ গঢ়ি তোলে, সেইবিলাকৰ ভিতৰত আছিল ইণ্ডিয়ান চিমেন্ট মাৰ্কেটিং এছোচিয়েচন (১৯২৬) (Indian Cement Marketing Association), কনক্ৰিত এছোচিয়েচন অব ইণ্ডিয়া (১৯২৭) (Concrete Association of India), এছোচিয়েটেড চিমেন্ট কোম্পানীছ(১৯৩৬) (Associated Cement Companies-A C C) আদি। ১৯৩৭ চনত ডালমিয়া কোম্পানীয়ে মুঠতে ৫ টা চিমেন্ট কাৰখানা তৈয়াৰ কৰি এই চিমেন্ট উদ্যোগত জড়িত হৈ পৰে। এইদৰে দেশত চিমেন্ট কাৰখানাৰ বৃদ্ধি হৈ হৈ অৱশেষত ১৯৩৯ চনত তাৰ সংখ্যা মুঠতে ২১ টা হয়গৈ। তাৰে ১২ টা কাৰখানা এছোচিয়েটেড চিমেন্ট কোম্পানীছৰ, ৫টা ডালমিয়াৰ, আৰু অন্যান্যসকলৰ অধীনত আছিল ৪ টা কাৰখানা।

১৯৩৭ আৰু ১৯৪০ চনত দেশত যথাক্ৰমে মুঠতে ১ ১ মিলিয়ন আৰু ১ ৫ মিলিয়ন টন চিমেন্ট উৎপাদন হৈছিল। দেশত চিমেন্ট উৎপাদনত ইমান উৎকৰ্ষ সাধিত হৈছিল যে ১৯৪০ চনৰপৰা বিদেশৰপৰা চিমেন্টৰ আমদানি প্ৰায় বন্ধ হৈ গৈছিল।

চেনী উদ্যোগঃ

কুঁহিয়াৰৰ ৰসৰপৰা গুড় উৎপাদন কৰাটো প্ৰায় বহু শ বছৰ আগৰেপৰা ভাৰতবৰ্ষত চলি আহিছিল। ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত ভাৰতবৰ্ষত উৎপাদিত গুড়ে ইংলেণ্ডৰ মুঠ চাহিদাৰ ২৫ শতাংশ পূৰণ কৰিছিল। কিন্তু শতিকাটোৰ শেষৰ ফালে এই ব্যৱসায় পৰি আহিছিল, কিয়নো জাভা আৰু মৰিচাচত বীটৰপৰা উৎপাদন কৰা এবিধ চেনী ইংলেণ্ডত জনপ্ৰিয় হৈ পৰিছিল আৰু ফলত ভাৰতীয় গুড়ৰ চাহিদা কমি আহিছিল।

সি যি কি নহওক, ১৯০৩ চনত বিদেশী উদ্দ্যোগপতিৰ নেতৃত্বত পোনতে বিহাৰত চেনী তৈয়াৰ কৰিব পৰা আধুনিক কাৰখানা গঢ়ি উঠিছিল। ইয়াৰ সমসাময়িকভাৱে দেশীয় উদ্দ্যোগপতিয়েও চেনী কাৰখানা স্থাপন কৰি চেনী তৈয়াৰ কৰা শিল্পত জড়িত হৈ পৰিছিল। ১৯০৬ চনত উত্তৰ প্ৰদেশৰ কানপুৰত দুটা দেশীয় চেনী কল গঢ়ি উঠিছিল। তথাপিও ১৯৩০ চন মানলৈ চেনী উদ্দ্যোগত বিদেশী উদ্দ্যোপতিসকলৰেই প্ৰাধান্য আছিল, তাৰ ভিতৰত প্ৰধান আছিল বেগ-চুদাৰলেণ্ড (Begg-Sutherland), এনড্ৰিউ য়েল (Andrew Yule) আদি। ১৯৩১-৩২ চনত দেশত মুঠতে ৩১ টা চেনী কাৰখানা আছিল, ১৯৩৬ চনত তাৰ সংখ্যা হৈছিলগৈ ১৩৫ টা। সেই অনুপাতে উৎপাদনো যথেষ্ট বৃদ্ধি পাইছিল, ১৯৩১-৩২ চনত উৎপাদিত চেনীৰ পৰিমাণ আছিল ১,৫৮,০০০ টন, ১৯৩৬ চনত সি হৈছিলগৈ ৯,১৯,০০০ টন। ১৯৪৫-৪৬ চনত চেনী মিলৰ সংখ্যা আছিল ১৩৮ টা আৰু চেনী উৎপাদিত হৈছিল ৯,৩৮,০০০ টন।

চাহ উদ্দ্যোগঃ

কফি, নীল আদিবাগান উদ্দ্যোগৰ দৰে চাহ শিল্পও বৃটিশ পুঁজিপতিসকলৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণত গঢ়ি উঠিছিল।

১৮২৩ চনত ৰবাৰ্ট ব্ৰুচ (Robert Bruce) নামে ইংৰাজ এজনে অসমৰ চিংফৌসকলৰ বসতি অঞ্চলত চাহ গছ আবিষ্কাৰ কৰে। সেই অঞ্চলত স্বভাৱিক প্ৰক্ৰিয়াৰে চাহ গছ গজিছিল আৰু চিংফৌসকলে সেই গছৰ পাতৰপৰা চাহ তৈয়াৰ কৰি এবিধ পনীয় পান কৰাৰ অভ্যাস আয়ত্ব কৰিছিল। চীনাসকলৰ মাজতো চাহ পান কৰাৰ পৰম্পৰা আছিল। গতিকে ব্ৰুচৰ জড়িয়তে অসমত চাহ গছৰ সম্ভেদ পোৱাত ইংৰাজসকলে অসমত চাহ উদ্দ্যোগ গঢ়ি তোলাৰ চেষ্টা কৰে। অসমত যে চাহ উদ্দ্যোগ বৃটিশৰ বাবে অৰ্থকৰী হ'ব পাৰে সেইটো আশা কৰি ৰবাৰ্ট ব্ৰুচৰ ভাই চি.এ.ব্ৰুচে (A C.Bruce) ১৮২৯ চনত চাহৰ নমুনা লৈ ইংলেণ্ড পাইছিলগৈ।

সেই দিশত আশা কৰা মতে সঁহাৰি পোৱাত ১৮৩৯ চনত আসাম কোম্পানী (The Assam Company) নামে এটি চাহ কোম্পানী খোলা হয়। এই কোম্পানীৰ মুঠ পুঁজি আছিল ৫ লাখ পাউণ্ড ষ্টাৰ্লিং। ১৮৫৯ চনত এই কোম্পানীৰ চাহ বাগিচাৰ মুঠ মাটি কালি আছিল ৪,০০০ একৰ আৰু উৎপাদিত চাহৰ পৰিমাণ আছিল ৭,৬০ ০০০ পাউণ্ড। ১৮৫৩-৬৯ চনৰ ভিতৰত অসমত চাহ উদ্দ্যোগৰ দ্ৰুত বিকাশ হৈছিল, চাহ বাগিচাৰ সংখ্যা ২৬ গুণ বৃদ্ধি পাইছিল, চাহ খেতি কৰা কৃষি ভূমিৰ পৰিমাণ ১০ গুণ আৰু উৎপাদন ১২ গুণ বৃদ্ধি পাইছিল।

অসমত চাহ শিল্পৰ এই সমৃদ্ধিয়ে দেশৰ অন্যান্য অঞ্চলতো তাৰ সম্প্ৰসাৰণৰ বাবে প্ৰেৰণা যোগাইছিল। ফলত বংগদেশৰ দাৰ্জিলিং আৰু মহাৰাষ্ট্ৰৰ নীলগিৰি পাহাৰতো চাহৰ বাগিচা খোলা হৈছিল। ফলশ্ৰুতিত চাহৰ কৃষি ভূমিৰ দ্ৰুত সম্প্ৰসাৰণ ঘটিছিল, আৰু সেই অনুপাতে উৎপাদন আৰু লভ্যাংশ। ১৯০৩ চনত দেশত উৎপাদিত মুঠ চাহৰ পৰিমাণ আছিল ২০৯ মিলিয়ন পাউণ্ড। উৎপাদনৰ অগ্ৰগতিৰ প্ৰতি লক্ষ্য ৰাখি কৃষি ভূমিৰো সম্প্ৰসাৰণ ঘটোৱা হৈছিল আৰু ১৮৯৬ চনত চাহৰ কৃষি ভূমিৰ পৰিমাণ আছিল ৪,৩০,০০০ একৰ। ১৯১৭ চনত চাহৰ মুঠ কৃষি ভূমিৰ পৰিমাণ আছিল এনে ধৰণৰ—

অসমত	৩০,০০০ একৰ,
বংগদেশ আৰু মাদ্ৰাজত	১০,০০০ একৰৰ ওপৰত
ত্ৰিবাঙ্কোৰত	৬,০০০ একৰৰ ওপৰত।

সেই অনুপাতে উৎপাদনো বহুল পৰিমাণে বৃদ্ধি পাইছিল। ১৯৩৮-৩৯ চনত দেশত মুঠতে ৪৩৭ মিলিয়ন পাউণ্ড চাহ উৎপাদন হৈছিল। ১৯৪৫-৪৬ চনত তাৰ পৰিমাণ আছিল ৫৩৪ মিলিয়ন পাউণ্ড।

***

আৰ্হি প্ৰশ্নমালাঃ

ৰচনা ধৰ্মী প্ৰশ্নঃ

১। ১৮৫৮ চনৰ ভাৰত শাসন বিধি মৰ্মে দেশৰ শাসন ব্যৱস্থাৰ কি ধৰণৰ পৰিবৰ্তন হৈছিল চমুকৈ উল্লেখ কৰাঁ।

২। মহাৰাণী ভিক্টোৰিয়াৰ ঘোষণা পত্ৰৰ প্ৰধান চৰ্তসমূহ উল্লেখ কৰাঁ।

৩। ১৮৫৮ চনৰ পিচত সামৰিকবাহিনীত নিযুক্তিৰ ক্ষেত্ৰত বৃটিশে কি নীতি লৈছিল চমুকৈ আলোচনা কৰাঁ।

৪। ১৮৫৮ চনৰ পিচত অসামৰিক সেৱা নিযুক্তিৰ ক্ষেত্ৰত বৃটিশে কি নীতি লৈছিল চমুকৈ আলোচনা কৰাঁ।

৫। ১৮৫৮ চনৰ পিচত দেশীয় ৰজা-মহাৰজাসকলৰ সৈতে বৃটিশে কেনে ধৰণৰ সম্পৰ্ক গঢ়ি তুলিছিল চমুকৈ লিখাঁ।

(৬) "স্বৰূপাৰ্থত ক'বলৈ গ'লে ভাৰতীয় শিক্ষিত মধ্যবিত্ত শ্ৰেণীটো বৃটিশৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত গঢ়ি উঠিছিল।" কথাষাৰৰ যুক্তিযুক্ততা দাঙি ধৰা।

(৭) ১৮৫৮ চনৰ পিচত জমিদাৰ আৰু সংস্কাৰ আন্দোলনৰ প্ৰতি বৃটিশে কেনে মনোভাব পোষণ কৰিছিল বিতংভাৱে আলোচনা কৰাঁ।

(৮) ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত ভাৰতীয় সংবাদপত্ৰৰ ক্ৰমবিকাশৰ ইতিহাস বিবৃত কৰা।

(৯) ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত ভাৰতীয় অৰ্থনীতিৰ ওপৰত এটি টোকা লিখা।

(১০) ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত ভাৰতীয় কাৰিকৰ আৰু হস্তশিল্পীসকলৰ পতনৰ কাৰণ সম্পৰ্কে আলোচনা কৰা।

(১১) ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত ভাৰতবৰ্ষত প্ৰচলিত দাৰিদ্ৰতা আৰু দুৰ্ভিক্ষ তথা আকাল সম্পৰ্কে এটি টোকা লিখা।

(১২) ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধতভাৰতবৰ্ষত আধুনিক শিল্পায়ন সম্পৰ্কে এটি টোকা লিখা।

<u>চমু টোকাঃ</u>

(১) ভাৰতবৰ্ষৰপৰিষদ আইন, ১৮৬১, (২) লি কমিছন, (৩) ১৮৮১ চনৰ শ্ৰম আইন, (৪) চাহ উদ্দ্যোগ, (৫) চিমেন্ট উদ্দ্যোগ, (৬) চেনী উদ্দ্যোগ।

<u>অতি চমু উত্তৰ ঃ</u>

(১) মহৰাণীৰ ঘোষণা পত্ৰখন এলাহাবাদত এখন বৃহৎ দৰবাৰ পাতি কোনে আনুষ্ঠানিকভাবেপাঠ কৰি দিছিল ?

(২) ১৮৬১ চনৰ পৰিষদ আইন মৰ্মে দুৱলীয়া লাটৰ শাসনাধীন প্ৰদেশ কেইখন আছিল ?

(৩) ১৮৬১ চনৰ পৰিষদ আইন মৰ্মে চীফ কমিছনাৰৰ শাসনাধীন প্ৰদেশ কেইখন আছিল ?

(৪) কলকাতা উচ্চ ন্যায়ালয়ৰ প্ৰথমজন প্ৰধান বিচাৰপতি কোন আছিল ?

(৫) কলকাতা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি পোৱা প্ৰথমজন ভাৰতীয় লোক কোন আছিল ?

(৬) কোন চনত কলকাতা, মাদ্ৰাজ আৰু বোম্বেত একোখনকৈ উচ্চ ন্যায়ালয় স্থাপন কৰা হৈছিল ?

(৭) কোন চনত পোন প্ৰথম বাৰৰ বাবে বিত্তীয় ব্যৱস্থাক কেন্দ্ৰীয় আৰু প্ৰাদেশিক এই দুভাগত বিভক্ত কৰা হৈছিল ?

(৮) বৃটিশ সংসদে কোন চনত ভাৰতীয় লোক সেৱা আইনখন গ্ৰহণ কৰিছিল ?

(৯) কোন জন ভাৰতীয় লোকে প্ৰথমে ভাৰতীয় লোক সেৱা পৰীক্ষা পাচ কৰিছিল ?

(১০) দাদাভাই নৌৰজীয়ে প্ৰকাশ আৰু সম্পাদনা কৰা বাতৰি কাকতখনৰ নাম কি ?

(১১) বাল গংগাধৰ তিলকেপ্ৰকাশ কৰা সংবাদ পত্ৰ দুখনৰ নাম কি আছিল ?

তৃতীয় অধ্যায়

চুবুৰীয়া দেশৰ প্ৰতি বৃটিশ-ভাৰত চৰকাৰে লোৱা নীতি

অৱতৰণিকাঃ

দুটা প্ৰধান বিষয়ক কেন্দ্ৰ কৰি চুবুৰীয়া দেশসমূহৰ সৈতে বৃটিশ-ভাৰতৰ সম্পৰ্ক গঢ়ি উঠিছিল। প্ৰথমটো আছিল বৃটিশৰ সাম্ৰাজ্যবাদী-ঔপনিবেশিক স্বাৰ্থ অৰ্থাৎ ৰাজনৈতিক-সামৰিক আৰু দ্বিতীয়টো আছিল অৰ্থনৈতিক-বাণিজ্যিক। আপাততঃ দেখাত দুটা যেন লাগিলেও এই নীতি আছিল এটা মুদ্ৰাৰ দুটা পিঠি। ভাৰতবৰ্ষত বৃটিশ সাম্ৰাজ্যৰ সম্প্ৰসাৰণৰ লগে লগে তেওঁলোকে লাহে লাহে ভাৰতবৰ্ষৰ নিৰাপত্তাৰ বাবে উত্তৰ সীমান্ত, পশ্চিম সীমান্ত আৰু পূৰ্ব সীমান্ত সুৰক্ষিতকৰাৰ প্ৰয়োজনে দেখা দিছিল। বৃটেইনৰ সাম্ৰাজ্যবাদী স্বাৰ্থৰ বাবে ভাৰতবৰ্ষ আছিল আটাইতকৈসম্পদশালী দেশ। ভাৰতবৰ্ষৰ লোভনীয় বাণিজ্যিক সম্পদৰ প্ৰতি অন্যান্য সাম্ৰাজ্যবাদী-ঔপনিবেশিক ৰাষ্ট্ৰৰ লুভীয়া দৃষ্টি সদায়েই আছিল।

ভাৰতবৰ্ষত বৃটিশৰ ৰাজ্য জয় আৰু সাম্ৰাজ্য বিস্তাৰৰ ইতিহাসৰ সৈতে ইংগ-ফৰাছী, ইংগ-পৰ্টুগীজ, ইংগ-ওলন্দাজ সংঘৰ্ষৰ ইতিহাস জড়িত হৈ আছে। এই ইয়োৰূপীয় ঔপনিবেশিক-সাম্ৰাজ্যবাদী প্ৰতিদ্বন্দ্বীসকলক ভাৰতবৰ্ষৰপৰা বিতাড়িতকৰাৰ পিচতো বৃটিশ-ভাৰতচৰকাৰ সাম্ভাব্য বৈদেশিক আক্ৰমণৰ আশংকাত ত্ৰস্তমান হৈ আছিল। ঐতিহাসিক বিপান চন্দ্ৰই দেখুৱাইছে যে ১৮৭০ৰপৰা ১৯১৪ চনলৈ বজাৰ নিয়ন্ত্ৰণ আৰু উপনিবেশ স্থাপনৰ তাগিদাত ইয়োৰূপীয় শক্তিসমূহে এছিয়া আৰু আফ্ৰিকা মহাদেশৰ বিভিন্ন অংশত টিঘিলঘিলাই আছিল আৰু তেনে কৰোঁতে অনবৰত সামৰিক সংঘৰ্ষত লিপ্ত হৈ পৰিছিল। সেই সময়ছোৱাতে পুঁজিবাদৰ বিকাশৰ ফল স্বৰূপে জাতি-ৰাষ্ট্ৰৰূপে বিকাশ লাভ কৰা পশ্চিম ইয়োৰূপীয় দেশসমূহে উপনিবেশ স্থাপন কৰাটো এক জাতীয় সন্মান বা মৰ্যদাৰ প্ৰশ্ন হিচাপে গণ্য কৰিবলৈ লৈছিল।

সেই কাৰ্যসূচীৰেই অংশ হিচাপে ইয়োৰূপীয় দেশবিলাকেশ্ৰীলংকা, দক্ষিণ-পূৰ্ব এছিয়া, চীন, তিব্বত, আফগানিস্তান, ব্ৰহ্মদেশ আদিত নিজ নিজ আধিপত্য স্থাপনৰ দিশত অগ্ৰসৰ হৈছিল। আনকি ভালেমান ইয়োৰূপীয় দেশে চীনৰ অভ্যন্তৰতো প্ৰবেশ কৰিছিল আৰু নিজ নিজ প্ৰভাৱাধীন অঞ্চল তৈয়াৰ কৰি সাম্ৰাজ্যবাদী-ঔপনিবেশিক স্বাৰ্থ পূৰণৰ কামত

ব্যস্ত আছিল। সেয়ে ভাৰতবৰ্ষৰ ওপৰত সাম্ভাব্য বৈদেশিক আক্ৰমণৰ প্ৰতিষেধকৰূপে বৃটিশ-ভাৰত চৰকাৰে অগ্ৰবৰ্তী সীমান্ত নীতি লৈ ভাৰতবৰ্ষৰ বাবে প্ৰাকৃতিক-ভৌগোলিক সীমাৰেখা তৈয়াৰ কৰাৰ কামত মনোনিবেশ কৰিছিল।

এই ক্ষেত্ৰত বিশেষ ভূমিকা লৈছিল গৱৰ্ণৰ-জেনেৰেল লৰ্ড কাৰ্জনে (১৮৯৯-১৯০৫)। কাৰ্জন হাড়ে-হিমজুৰে এজন সাম্ৰাজ্যবাদী লোক আছিল। তেওঁ আহিয়েই বৃটিশ-ভাৰতবৰ্ষৰ বাবে এটি বিজ্ঞান সম্মত সীমান্ত নীতিৰ কাৰ্যকৰীকৰণত মনোনিবেশ কৰিবলৈ ধৰিলে। তেওঁৰ ধাৰণা মতে ভাৰতবৰ্ষৰ আন্তৰাষ্ট্ৰীয় সীমাৰেখা প্ৰাকৃতিক সীমাৰেখাৰ (Natural boundary line) সৈতে অভিন্ন বা একাকাৰ হৈ থাকিব লাগিব, তেহে দেশৰ সংহতি আৰু অখণ্ডতা সুৰক্ষিত হৈ থাকিব।

আনহাতে দেশৰ আন্তৰাষ্ট্ৰীয় সীমাৰ বৰ্হিভাগত বৃটিশৰ প্ৰতি শত্ৰুভাৱপন্ন কোনো ৰাজনৈতিক শক্তি থাকিব নোৱাৰিব। আনকথাত তেওঁ সেই দেশসমূহত বৃটিশৰ প্ৰতি অনুগত আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্ক থকা ৰাজনৈতিক শক্তিৰ আধিপত্য থকাটো কামনা কৰিছিল। অন্যাথা বৃটিশ-ভাৰত চৰকাৰে সেই দেশৰ আভ্যন্তৰীণ ৰাজনৈতিক-প্ৰশাসনিক বিষয়ত চলে-বলে কৌশলে হস্তক্ষেপ কৰাৰ নীতি অনুসৰণ কৰিছিল। এই নীতি অৱশ্যে বৃটিশ-ভাৰত চৰকাৰে বহু বছৰ পূৰ্বৰেপৰাই চলাই আহিছিল, কাৰ্জনে যেনিবা তাক অধিক শক্তিশালী ৰূপত প্ৰয়োগ কৰিছিল, বিশেষকৈ তিব্বতৰ ক্ষেত্ৰত। গতিকে এই অৱধাৰিত পৰিণতি স্বৰূপে বৃটিশ-ভাৰতচৰকাৰে চুবুৰীয়া দেশসমূহৰ বিৰুদ্ধে সময়ে সময়ে সামৰিকঅভিযান চলাই আহিছিল।

নেপালঃ ইংগ-নেপাল যুদ্ধঃ

তেনেদৰে বৃটিশ-ভাৰত চৰকাৰে প্ৰথমে সামৰিক সংঘৰ্ষত লিপ্ত হৈছিল হিমালয় পাৰ্বত্য দেশ নেপালৰ সৈতে। সম্প্ৰতি এই দেশখনৰ মুঠ মাটিকালি হ'ল ১,৪৭,১৮১ বৰ্গ কিলোমিটাৰ আৰু জনসংখ্যা ২,৭৬,৭৬,৫৪৭ জন আৰু ৰাজধানী কাঠমাণ্ডু। এইখন ভাৰতবৰ্ষৰ সীমামূৰীয়া দেশ।

অষ্টবিংশ শতিকাৰ মাধ্য ভাগৰ পূৰ্বে নেপাল আছিল মল্ল ৰজাসকলৰ অধীনত। ১৭৪২-১৭৬৮ চনৰ ভিতৰত পৃথ্বিনাৰায়ণ ছাহ নামে গোৰ্খা গোষ্ঠী প্ৰধান এজনে নেপাল দখল কৰি বিক্ৰম ছাহ জং বাহাদুৰ ৰাণা উপাধি লৈ নিজকে নেপালৰ ৰজাৰূপে প্ৰতিষ্ঠা কৰে। ১৮৪৬ চনৰপৰা ১৯৫১ চনলৈ ৰাণা পৰিয়ালৰ লোকসকলে নেপালত নিৰ্বিবাদে ৰাজত্ব কৰিছিল। ৰাজপৰিয়ালৰ লোক এজনেই প্ৰধানমন্ত্ৰীৰ পদবীও খাইছিল।

১৭৯২ চনত লৰ্ড কৰ্ণৱলিছৰ শাসন কালতে বৃটিশসকল নেপালৰ সৈতে গোন প্ৰথমবাৰৰ বাবে সম্পৰ্কলৈ অহাৰ চেষ্টা কৰিছিল। সেই বছৰতে তেওঁ নেপাল দৰবাৰৰ

সৈতেবাণিজ্যিক চুক্তি এখন স্বাক্ষৰ কৰাৰ বাবে চেষ্টা চলাইছিল যদিও সি কৃতকাৰ্য নহ'ল। ইফালে লৰ্ড ওৱেলেছলিৰ কাৰ্যকালত অযোধ্যাৰ একাংশ কোম্পানীৰ ৰাজ্যৰ সৈতে চামিল কৰাত নেপাল আৰু বৃটিশ-ভাৰত সাম্ৰাজ্যৰ সীমাৰেখা একে হৈ পৰিল। তাৰ পিচৰপৰাই বস্তি আৰু গোৰখপুৰ জিলাৰ মালিকী স্বত্ব লৈ বৃটিশ-ভাৰত চৰকাৰ আৰু নেপালৰ মাজত সংঘৰ্ষ অনিবাৰ্য হৈ পৰিছিল। লৰ্ড ওৱেলেছলিৰ কাৰ্যকালত বিষয়টো অমীমাংসিত হৈ থাকিল। লৰ্ড হেষ্টিংছৰ কাৰ্যকালত ১৮১৪ চনত গোৰ্খাসকলে পুনৰ বৃটিশ অধিকৃত ৰাজ্যৰ তিনিখন পুলিচ চকী আক্ৰমণ কৰাত দুয়োপক্ষৰ মাজত সামৰিক সংঘৰ্ষ অনিবাৰ্য হৈ পৰিল। এইদৰে প্ৰথম ইংগ-নেপাল যুদ্ধৰ সূচনা হয়। বৃটিশ গৱৰ্ণৰ-জেনেৰেল লৰ্ড হেষ্টিংছে জেনেৰেল মৰ্লি, জেনেৰেল জেলেপছি, জেনেৰেল মাৰ্টিণ্ডেল আৰু জেনেৰেল ছুলিভান উড আৰু অৱশেষত জেনেৰেল অক্টাৰলনিৰ নেতৃত্বত এটা এটাকৈ মুঠতে পাঁচটা সামৰিক অভিযান চলাই ১৮১৫-১৬ চনত গোৰ্খাসকলক পৰাভূত কৰিবলৈ সক্ষম হয়। উপায়ন্তৰ হৈ নেপাল দৰবাৰে ১৮১৬ চনৰ মাৰ্চ মাহত বৃটিশ-ভাৰত চৰকাৰৰ সৈতে নিম্ন লিখিত চৰ্তসমূহৰ ভিত্তিত সগৌলীতশান্তি চুক্তি কৰিবলৈ বাধ্য হয়।

(১) নেপাল দৰবাৰে নেপাল তৰাইৰ ভালেমান অঞ্চল বিশেষকৈ কুমায়ুন, গাঢ়োৱাল আদি জিলা বৃটিশক এৰি দিয়ে। এই অঞ্চলতেআছিল চিমলা, মিছৌৰী, আলমোৰা, ৰাণীখেত আৰু নৈনীতাল আদি পৰৱৰ্তী কালত গঢ়ি উঠা শৈলপুৰ কেইখন।

(২) দ্বিতীয়তে নেপাল দৰবাৰে চিক্কিমৰ ওপৰত তেওঁলোকৰ সমস্ত দাবী প্ৰত্যাহাৰ কৰিলে।

(৩) তৃতীয়তে কাঠমাণ্ডুত বৃটিশ ৰাজনৈতিক বিষয়া (Resident) এজন ৰাখিবলৈ সম্মতি প্ৰকাশ কৰে।

চিক্কিমঃ ইংগ-চিক্কিম সম্পৰ্কঃ

বৃটিশে ৰাজনৈতিক সম্পৰ্ক স্থাপন কৰা দ্বিতীয়খন হিমালয় পাৰ্বত্য ৰাজ্য হ'ল চিক্কিম। ইংগ-গোৰ্খা সামৰিক সংঘৰ্ষৰ (১৮১৪-১৬) পৰিণতি স্বৰূপে নেপালে চিক্কিমৰ ওপৰত নিজ অধিকাৰ প্ৰত্যাহাৰ কৰাত বৃটিশে চিক্কিমৰ ওপৰতো ৰাজনৈতিক আধিপত্য স্থাপন কৰিবলৈ সুযোগ পায়। এই হিমালয় পাৰ্বত্য ৰাজ্যখন তিব্বতৰ দক্ষিণ আৰু বংগদেশৰ উত্তৰত অৱস্থিত। ৰাজ্যখনৰ পশ্চিমে নেপাল আৰু পূবে ভূটানৰ অৱস্থান। বহু বছৰ পূৰ্বৰেপৰা চীন আৰু ভাৰতবৰ্ষৰ মাজৰ বাণিজ্যিক আদান-প্ৰদান চিক্কিমৰ মাধ্যমতেই আৰু চিক্কিমৰ মাজেৰেই সম্পাদিত হৈছিল। সেই ফালৰপৰা বৃটিশৰ বাবে চিক্কিমৰ যথেষ্ট গুৰুত্ব আছিল।

চিক্কিমৰ আদিবাসীসকল আছিল লেপছা, ষোড়শ শতাব্দীত তিব্বতৰ ভালেমান বৌদ্ধ ধৰ্মাৱলম্বী তথা লামালোকে ইয়ালৈ প্ৰব্ৰজন কৰে আৰু প্ৰায় লগে লগেই লামাসকল চিক্কিমৰ শাসনকৰ্তা হৈ পৰে। ১৬৪২ চনত তেওঁলোকে নিজ সম্প্ৰদায়ৰ প্ৰধানজনক নামগিয়াল বা ৰজা পাতে। ১৮৩৫ চনত চিক্কিমৰ ৰজাক চলাই-ভুলাই ইংৰাজে বাৰ্ষিক ৩,০০০ টকাৰ বিনিময়মতদাৰ্জিলিঙ আৰু কুৰ্চিয়ঙপাৰ্বত্য অঞ্চলটো অধিকাৰ কৰে। পিচত সেই টকাৰ পৰিমাণ ৩০,০০০ লৈ বৃদ্ধি কৰা হৈছিল। এই দাৰ্জিলিঙ অঞ্চলতেই ইংৰাজে উৎকৃষ্ট শ্ৰেণীৰ চাহ বাগিছা খুলিছিল।

১৮৬১ চনত স্বাক্ষৰ কৰা এখন নতুন চুক্তি মৰ্মে চিক্কিমৰ ওপৰত বৃটিশ-ভাৰত চৰকাৰৰ সাৰ্বভৌমত্ব স্থাপিত হয়। ১৮৮৭ চনত তিব্বতে চিক্কিম আক্ৰমণ কৰে যদিও বৃটিশে সেই আক্ৰমণ প্ৰতিহত কৰি তিব্বতীসকলক নিজ দেশলৈ খেদি পঠিয়ায়। ১৮৯৩ চনত চীন আৰু ইংলণ্ডৰ মাজত স্বাক্ষৰিত হোৱা চুক্তি অনুযায়ী চীনে চিক্কিমক বৃটিশ-ভাৰতৰ আশ্ৰিত ৰাজ্যৰূপে স্বীকৃতি দিয়ে। তেতিয়াৰপৰা ১৯৪৭ চনলৈ চিক্কিম বৃটিশ-ভাৰতৰ আশ্ৰিত ৰাজ্য আছিল। দেশে ইংৰাজৰপৰা স্বাধীনতা পোৱাৰ পিচত চিক্কিম স্বতন্ত্ৰ ৰাজ্যৰূপে বৰ্তি আছিল যদিও ১৯৭৫ চনত চিক্কিমে স্বেচ্ছাই স্বাধীন ভাৰতবৰ্ষৰ সৈতে চামিল হৈ এখন অংগ ৰাজ্যত পৰিণত হয়। বৰ্তমান ইয়াৰ মাটিকালি ৭,৩০০ বৰ্গ কিলোমিটাৰ আৰু জনসংখ্যা ৪ লাখ।

ভুটানঃ ইংগ-ভুটান সম্পৰ্কঃ

বংগদেশ আৰু অসমৰ উত্তৰ, চিক্কিমৰ পূব, চীনৰ দক্ষিণ আৰু অৰুণাচলৰ পশ্চিমত অৱস্থিত হিমালয় পাৰ্বত্য ৰাজখনৰ নামেই হ'ল ভুটান। তিব্বতী উপভাষাতৰাজ্যখনৰ নাম ড্ৰুক-য়ুল (Druk-Yul)। ভোটানৰ অধিবাসীসকলক ভুটীয়াৰূপে জনা যায়, তেওঁলোক তিব্বতীসকলৰেই এটি ঠাল বা উপজাতি। ৰজাক গিয়ালপো বোলে। ইংলিশ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বংগদেশৰ দেৱানী লাভ কৰাৰ সময়ত গোৱালপাৰা, কামৰূপ আৰু দৰঙৰ সৈতে বাণিজ্যিক আদান-প্ৰদানৰ বাবে থকা দুৱাৰসমূহ মূলতঃ ভুটানৰ দখলতে আছিল।

১৭৭৪ চনত কোম্পানীৰ চৰকাৰ পোনতে ভুটানৰ সৈতে বাণিজ্যিক সম্পৰ্কলৈ আহে। সেই বছৰতে ভুটানে বংগদেশৰ বণিকসকলক তেওঁলোকৰ দেশৰ মাজেৰে তিব্বতৰ সৈতে বাণিজ্য কৰিবলৈ অনুমতি প্ৰদান কৰে। এইবাণিজ্যিক আদান-প্ৰদানৰ আট ধৰিয়েই বৃটিশে ভুটানৰ দুৱাৰ অঞ্চল অধিগ্ৰহণ কৰাৰ প্ৰয়াস কৰে। ১৮৪১ চনত বৃটিশ গৱৰ্ণৰ-জেনেৰেল লৰ্ড অকলেণ্ডে ভুটান দুৱাৰসমূহ বৃটিশ-ভাৰত সাম্ৰাজ্যৰ সৈতে চামিল কৰে। এই ঘটনাৰ পিচৰপৰা ভুটান আৰু বৃটিশ-ভাৰত চৰকাৰৰ মাজত সম্পৰ্কৰ যথেষ্ট অৱনতি ঘটে আৰু ১৮৬৫ চনত দুয়োখন দেশৰ

মাজত সামৰিক সংঘৰ্ষ অনিবাৰ্য হৈ পৰে। অতিকম সময়ৰ ভিতৰতে সামৰণি পৰা এই যুদ্ধত ভূটানে বৃটিশৰ ওচৰত হাৰ মানে আৰু এটি দ্বিপাক্ষিক চুক্তিৰ চৰ্ত মৰ্মে বাৰ্ষিক ৫০,০০০ টকাৰ বিনিময়ত ভূটানে বংগ আৰু অসমৰ উত্তৰাংশত থকা সমূদায় দুৱাৰ ইংৰাজক এৰি দিবলৈ বাধ্য হয়।

বৃটিশ-ভাৰত চৰকাৰৰ দূতৰূপে ১৮৬৩ চনত ভূটান ভ্ৰমণ কৰা এছলি ইডেনে ভূটান সম্পৰ্কে কৈছিল, "The Province is one of the finest in India and under our Government would in few years become one of the wealthiest It is the only place I have seen in India in which the theory of European settlement could, in my opinion, take a really practical form."

সম্প্ৰতি ভূটানৰ মাটিকালি ৪৬,৫০০ বৰ্গ কিলোমিটাৰ আৰু জনসংখ্যা ২২,৩২,২৯১ জন। এই ৰাজ্যখনৰ ৰাজধানী থিম্পু। বৰ্তমান ভূটানৰ বৈদেশিক নীতি ভাৰত চৰকাৰে পৰিচালনা কৰে আৰু দেশখনৰ নিৰাপত্তা আৰু প্ৰতিৰক্ষাৰ দায়িত্বও ভাৰত চৰকাৰৰ ওপৰত ন্যস্ত আছে। আন সকলো ক্ষেত্ৰতে ভূটানে আভ্যন্তৰীণ স্বায়ত্ব শাসন লাভ কৰিছে। বৰ্তমান তাৰ ৰজাজনৰ নাম জিগমে ছিংগে ৱাংচুক (Jigme Singye Wangchuk)।

তিব্বতঃ ইংগ-তিব্বত সম্পৰ্ক ঃ

চিকিম, ভূটান আৰু নেপালৰ উত্তৰে আৰু চীনৰ দক্ষিণে অবস্থিত হিমালয় পাৰ্বত্য ৰাজ্যখনে হ'ল তিব্বত। তিব্বত বৌদ্ধ ধৰ্মাৱলম্বী দেশ। তিব্বতৰ মুঠ মাটিকালি ১২,২২,০০০ বৰ্গ কিলোমিটাৰ। তাত শাসনৰ মূৰব্বী আছিল দলাই লামা আৰু তেওঁৰ সহযোগী আৰু তলতীয়া শাসনকৰ্তা আছিল তাছি লামা বা পাঞ্চেন লামা। প্ৰথমজনৰ বাসস্থান আছিল লাছা আৰু দ্বিতীয়জনৰ চিগাৎছি। দুয়োজনেই আছিল ধৰ্মগুৰু, গতিকে তিব্বতত তেওঁলোকৰ নেতৃত্বত লামাতন্ত্ৰ চলিছিল। তাকে বৌদ্ধ ধৰ্মীয় অভিজাততন্ত্ৰও বুলিব পাৰি। তিব্বতে অতীজৰেপৰা চীনৰ সাৰ্বভৌমত্ব মানি আহিছিল যদিও মাজে মাজে তিব্বতে চীনৰ কৰ্তৃত্ব উলাই কৰাৰ চেষ্টা কৰি আহিছিল।

আনহাতে ওচৰ-চুবুৰীয়া দেশসমূহৰো তিব্বতৰ ওপৰত লুভীয়া দৃষ্টি পৰিছিল। ১৭৮৮ আৰু ১৭৯১ চনত নেপালৰ গোৰ্খাসকলে এবাৰ এবাৰকৈ দুবাৰ তিব্বত আক্ৰমণ কৰে। প্ৰথমবাৰ তেওঁলোকে তিব্বতৰ একাংশ অধিকাৰ কৰি নিজৰ দখললৈ অনাৰ লগতে তিব্বতৰপৰা বৰ্ষিক কৰ-ভাৰ লাভ কৰাৰ প্ৰতিশ্ৰুতি আদায় কৰে। দ্বিতীয়বাৰ আক্ৰমণ কৰিছিল এই কৰ-ভাৰ বন্ধ কৰি দিয়াৰ অজুহাতত। এইবাৰ গোৰ্খাসকলে চিগাৎছি দখল কৰি তাছি তথা পাঞ্চেন লামাৰ গুম্ফ বা বিহাৰ লুণ্ঠন কৰে। তিব্বতৰ ওপৰত নেপালৰ গোৰ্খাসকলৰ এই আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ তিব্বতে চীনৰপৰা সামৰিক সাহায্য বিচাৰে

আৰু চীনৰ চৰকাৰেও এটি সামৰিক বাহিনী পঠিয়াই ১৭৯২ গোৰ্খাসকলক তিব্বতৰপৰা বিতাড়িত কৰে। এই ঘটনাৰ পিচৰপৰা তিব্বতৰ বৈদেশিক নীতি চীনে নিজৰ ৰাজনৈতিক বিষয়া এজনৰ নিৰ্দেশ আৰু কৰ্তৃত্বত পৰিচালনা কৰাৰ ব্যৱস্থা কৰে।

তাৰ পিচতো অৱশ্যে তিব্বতৰ ওপৰত বৈদেশিক আক্ৰমণৰ অন্ত পৰা নাছিল। ১৮৪১ চনত চীনত ইংলেণ্ডৰ সৈতে আফিং যুদ্ধ (Opium War,1841) চলি থকাৰ সুযোগ লৈ জম্মুৰ ডোগ্ৰা চৰ্দাৰ গোলাপ সিঙে তিব্বত আক্ৰমণ কৰে যদিও হাৰ মানি তাৰপৰা আঁতৰি আহিবলৈ বাধ্য হয়।

গবৰ্ণৰ-জেনেৰেল লৰ্ড ৱাৰেণ হেষ্টিংছৰ কাৰ্যকালতে(১৭৭২-৮৫) ইংলিশ ইষ্ট ইণ্ডিয়া কোম্পানীৰ চৰকাৰ পোন প্ৰথমবাৰৰ বাবে ১৭৭৪ চনত তিব্বতৰ সৈতে সম্পৰ্কলৈ আহে। সেই বছৰতে তিব্বতৰ সৈতে এটি বাণিজ্যিক চুক্তি কৰাৰ অভিপ্ৰায়েৰে লৰ্ড হেষ্টিংছে পঠিওৱা বৃটিশ কটকী জৰ্জ বগল তাৰপৰা ব্যৰ্থ মনোৰথ হৈ ওভতি আহে।

তাৰ পিচত ১৮৮৭ চনত তিব্বতে বৃটিশৰ আশ্ৰিত ৰাজ্য চিক্কিম আক্ৰমণ কৰাক কেন্দ্ৰ কৰি ইংগ-তিব্বত সম্পৰ্কৰ অধিক অবনতি ঘটে। বৃটিশ-ভাৰত চৰকাৰে তাৰ পিচৰ বছৰত তিব্বতৰ এই আক্ৰমণ ওফৰাই পেলাই চিক্কিমত পুনৰ নিজ অধিকাৰ সাব্যস্ত কৰে। এই ঘটনাৰ কেইবছৰমানৰ ভিতৰতে তিব্বতক লৈ ১৮৯৩ চনত ইংগ-চীন বাণিজ্যিক চুক্তি এটি সম্পাদিত হয়। সেই চুক্তি মৰ্মে বৃটিশে চীনৰপৰা তিব্বতৰ চুম্বি উপত্যকাত বাণিজ্যিক ঘাটি এটি নিৰ্মাণ কৰাৰ অনুমতি লাভ কৰে। সেইটো হলেও তিব্বতৰ চৰকাৰে ঊনবিংশ শতিকাৰ শেহলৈকে নিজ দেশত বৃটিশৰ ৰাজনৈতিক আধিপত্য স্থাপন কৰিবলৈ দিয়া নাছিল।

কিন্তু তাৰ সমসাময়িকভাৱে তিব্বতত ক্ৰমবৰ্দ্ধমান ৰুচ প্ৰভাৱে ভাৰতবৰ্ষত বৃটিশক সংকিত কৰি তুলিছিল। বৃটিশ-ভাৰত সাম্ৰাজ্যৰ উত্তৰ দিশত প্ৰকৃতিক সীমাৰেখাৰ বহিৰ্ভাগত তিব্বতৰ দৰে সামৰিকভাৱে অত্যন্ত গুৰুত্বপূৰ্ণ ৰাজ্যখনত ক্ৰমবৰ্দ্ধমান ৰুচ প্ৰভাৱ বৃটিশৰ বাবে কোনো পধ্যেই উলাই কৰিব পৰা বিধৰ নাছিল। আনহাতে কোনো কোনো ঐতিহাসিকে কথ খোজে যে এই ৰুচ প্ৰভাৱৰ তত্বটো কাৰ্জন তথা বৃটিশ সাম্ৰাজ্যবাদীসকলৰ মনে সঁজা কথাহে আছিল, তাৰ জৰিয়তে তেওঁলোকে তিব্বতত সামৰিক-ৰাজনৈতিক হস্তক্ষেপ কৰাৰ এটি অজুহাতহে বিচাৰি পাইছিল।

সি যি কি নহওক, ৰুচ প্ৰভাৱ প্ৰতিহত কৰিবলৈ লৰ্ড কাৰ্জনে ১৯০৪ চনত কৰ্ণেল ফ্ৰেন্সিছ ইয়ংহাছবেণ্ডৰ (Colonel Francis Younghusband) নেতৃত্বত তিব্বতৰ বিৰুদ্ধে এটি সামৰিক অভিযান পঠিয়াই দিয়ে। বৃটিশৰ এই সামৰিক অভিযান প্ৰতিৰোধ কৰিবলৈ

গৈ তিব্বতৰ প্ৰায় ৭০০ সৈনিকে প্ৰাণ হেৰুৱায় আৰু তেওঁলোকে বৃটিশৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হয়। সেই বছৰৰে আগষ্ট মাহত দুয়োপক্ষৰ মাজত স্বাক্ষৰিত লাছা চুক্তি (Treaty of Lhasa) মৰ্মে—

(১) তিব্বতে তেওঁলোকৰ ৰাজ্যৰ চুম্বী উপত্যকাটো তিনি বছৰৰ বাবে ইংৰাজক এৰি দিবলৈ মান্তি হয়,

(২) যুদ্ধৰ ক্ষতিপূৰণ বাবদ বৃটিশক ২৫ লাখ টকা দিবলৈ সন্মতি প্ৰকাশ কৰে,

(৩) তিব্বতৰ চৰকাৰে গিয়ানছিত (Gyantse) বৃটিশ বাণিজ্যিক প্ৰতিনিধি এজন ৰাখিবলৈ প্ৰতিশ্ৰুতি দিয়ে,

(৪) বৃটিশে তিব্বতত হস্তক্ষেপ নকৰাৰ প্ৰতিশ্ৰুতি দিয়াত ৰুচসকলেও অনুৰূপ প্ৰতিশ্ৰুতি দিয়ে আৰু তিব্বতৰপৰা আঁতৰি যায়,

(৫) তিব্বতীসকলে তেওঁলোকৰ দেশত অন্য কোনো বৈদেশিক শক্তিক ৰাজনৈতিক প্ৰাধান্য স্থাপন কৰিবলৈ অসন্মতি প্ৰকাশ কৰাৰ লগতে চীনৰ সাৰ্বভৌমত্ব মানি লয়।

(৬) বৃটিশ আৰু ৰুচসকলেও তিব্বতত চীনৰ সাৰ্বভৌমত্ব মানি লয়।

গতিকে দেখা যায় বৃটিশৰ তিব্বত অভিযান বৰ বিশেষ কৃতকাৰ্য নহ'ল অৰ্থাৎ তিব্বতত ৰাজনৈতিক আধিপত্য স্থাপন কৰিবলৈ গৈ লৰ্ড কাৰ্জন ব্যৰ্থ হৈছিল। আনহাতে তিব্বত সম্পৰ্কত বৃটিশে যি চুক্তি কৰিছিল তাত তেওঁলোক সন্তুষ্ট হ'ব পৰা নাছিল, এই চুক্তি কৰাৰ পিচতো ৰুচ ভীতিয়ে সেই সময়ত বৃটিশক সপোনতো খেদি ফুৰিছিল। সেয়ে লাছা চুক্তি স্বাক্ষৰিত হোৱাৰ সমসাময়িকভাৱে ইয়োৰূপত ইংগ-ৰুচৰ বন্ধুত্ব স্থাপন হোৱাৰ গইনা লৈ ১৯০৭ চনত ইৰাণ আৰু আফগানিস্তানৰ লগতে তিব্বতক কেন্দ্ৰ কৰি ইংগ-ৰুচ দ্বিপাক্ষিকবুজাপৰা (Anglo-Russian Convention,1907) সম্পাদিত হোৱাতহে বৃটিশে স্বস্তিৰ নিশ্বাস পেলাইছিল। এই দ্বিপাক্ষিক বুজাপৰাৰ জড়িয়তে ৰাচিয়া আৰু ইংলেণ্ডে তিব্বতৰ আভ্যন্তৰীণ ৰাজনীতিত হস্তক্ষেপ নকৰাৰ সিদ্ধান্তত উপনীত হয়। আনহাতে তিব্বতৰ সৈতে যোগাযোগ কৰাৰ প্ৰয়োজন হ'লে কেৱল চীনৰ জড়িয়তেহে তেনে কৰিবলৈ সন্মতি প্ৰকাশ কৰে। অৰ্থাৎ এই আন্তৰাষ্ট্ৰীয় চুক্তিৰ মাধ্যমত তিব্বতত চীনৰ সাৰ্বভৌমত্ব স্বীকাৰ কৰি লোৱা হৈছিল। চতুৰ ইংৰাজে আশা কৰিছিল যে ক্ষয়িষ্ণু মাঞ্চুসকলে তিব্বতত নিজৰ সাৰ্বভৌমত্ব খটুৱাব নোৱাৰিব আৰু ৰুচসকলক তাৰপৰা আঁতৰাই ৰাখিব পাৰিলে অৱশেষত ইংৰাজেই অধিক লাভবান হ'ব।

ইতিপূৰ্বে চীনৰ ক্ষয়িষ্ণু মাঞ্চু শাসনকৰ্তাসকলৰ দুৰ্বলতাৰ সুযোগ লৈ বৃটেইনকে আদি কৰি ফ্ৰান্স, জাৰ্মানী, ৰাচিয়াই ক্ৰমান্বয়ে চীনৰ বৈদেশিকআৰু আভ্যন্তৰীণ বাণিজ্যত

প্ৰাধান্য লাভ কৰাৰ অভিপ্ৰায়েৰে নিজ নিজ ৰাজনৈতিক অধিকাৰ স্থাপন কৰিবলৈ চেষ্টা কৰি আহিছিল। এই প্ৰতিদ্বন্দ্বিতাত ক্ৰমান্বয়ে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু জাপানেও নামি পৰিছিল। আনকি এই দেশসমূহে চীনৰ মাঞ্চু শাসনকৰ্তাসকলৰ ওপৰতো প্ৰধান্য স্থাপনৰ চেষ্টা কৰিছিল। কিন্তু চীনত ড° ছান ইয়েৎ-চেনৰ নেতৃত্বত পৰিচালিত জাতীয়তাবাদী আন্দোলনৰ পৰিপ্ৰেক্ষিতত ১৯১১ চনত ক্ষয়িষ্ণু মাঞ্চু ৰাজতন্ত্ৰৰ পতন ঘটিছিল। তাৰ অব্যৱহিত পিচৰ কালছোৱাত আৰম্ভ হোৱা গৃহ যুদ্ধই জাতীয়তাবাদীসকলকঅত্যন্ত দুৰ্বল কৰি পেলোৱাৰ লগতে চীনৰ কেন্দ্ৰীয় শাসন যন্ত্ৰটোকো নিশকতীয়া কৰি তুলিছিল। এই সুযোগতে (১৯১১-১৩) তিব্বতীসকলে চীনৰ সাৰ্বভৌমত্বও দলিয়াই পেলাই স্বতন্ত্ৰভাবে বৰ্তি থকাৰ প্ৰয়াস কৰে।

এনে এটা পৰিস্থিতিত চীন, তিব্বত আৰু বৃটিশৰ প্ৰতিনিধিক লৈ ১৯১৩ চনৰ অক্টোবৰ মাহত চিমলাত এখন ত্ৰিপাক্ষিক সন্মিলন অনুষ্ঠিত হয়। এই ত্ৰিপাক্ষিক সন্মিলন আৰম্ভ হৈছিল বৃটিশৰ কূটনীতিৰ ফলস্বৰূপে। সন্মিলনৰ উদ্দেশ্য আছিল তিব্বত আৰু বৃটিশ-ভাৰতবৰ্ষৰ মাজৰ সীমাৰেখা নিৰূপন কৰা। এই সন্মিলনত বৃটিশ-ভাৰতবৰ্ষক প্ৰতিনিধিত্ব কৰিছিল বৈদেশিক সচিব ছাৰ হেনৰি মেকমোহনে, চীনক আইভান চেনে আৰু তিব্বতক সেই দেশৰ মুখ্যমন্ত্ৰী বসংছ্ গ্ৰাই। এই তিনিজন প্ৰতিনিধিৰ আলোচনা মৰ্মেই পোনতে ১৯১৪ চনৰ এপ্ৰিল মাহত আৰু পিচত জুলাই মাহৰ ৩ তাৰিখে তিব্বত তথা চীন আৰু বৃটিশ-ভাৰতবৰ্ষৰ মাজৰ আন্তৰাষ্ট্ৰীয় সীমাৰেখা নিৰ্দ্ধাৰণ কৰা হয়। এই সীমাৰেখাকে **মেকমোহন লাইন বা সীমাৰেখা** (McMohan Line) বোলা হয়।

ইংগ-বৰ্মী সম্পৰ্কঃ

ব্ৰহ্মদেশ বৰ্তমান মিয়ানমাৰ নামে পৰিচিত। ব্ৰহ্মদেশৰ বৰ্তমান মাটিকালি ৬,৭৮, ০০০ বৰ্গ কিলোমিটাৰ।

বৃটিশৰ ব্ৰহ্মদেশ আক্ৰমণ কৰি দখল কৰাৰ অন্তৰালত চাৰিটা প্ৰধান কাৰকে কাম কৰিছিল—(১) দক্ষিণ-পূৰ্ব এছিয়াত ফ্ৰান্সৰ ক্ৰমবৰ্দ্ধমান আগ্ৰাসান প্ৰতিহত কৰা, (২) ব্ৰহ্মদেশত বৃটিশ শিল্পজাত পণ্য সামগ্ৰীৰ বজাৰ সৃষ্টি কৰাৰ লগতে বৃটিশ উদ্দ্যোগপতিসকলৰ বাবে কেঁচামাল সংগ্ৰহৰ ক্ষেত্ৰ প্ৰস্তুত কৰা, (৩) ব্ৰহ্মদেশৰ পশ্চিম আৰু বৃটিশ-ভাৰতবৰ্ষৰ পূবত অৱস্থিত বৰ্তমান ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলত অৱস্থিত অসমসহ সমূদায় ৰাজ্যৰ ওপৰত নিজ আধিপত্য স্থাপন কৰা, আৰু (৪) বৃটিশ-ভাৰত সাম্ৰাজ্যৰ পূৰ্ব সীমান্ত সুৰক্ষিত কৰা।

পোনতে ব্ৰহ্মদেশৰ সৈতে সামৰিক সংঘৰ্ষ সীমা বিবাদক কেন্দ্ৰ কৰি আৰম্ভ হৈছিল। বৰ্মী বা মানসকলে ১৮১৯ চনত ব্ৰহ্মপুত্ৰ উপত্যকাত আহোম ৰাজ্য আক্ৰমণ কৰি তাত

নিজৰ ৰাজনৈতিক প্ৰভুত্ব স্থাপন কৰিছিল। ফলস্বৰূপে কোম্পানীৰ ৰাজ্যৰ পূৰ্ব সীমান্ত মানসকলৰ পশ্চিম সীমান্তৰ সৈতে একাকাৰ হৈ পৰিছিল। গতিকে অসমৰপৰা মানসকলক বিতাড়িত কৰাটো বৃটিশৰ বাবে এক প্ৰাথমিক দায়িত্ব হৈ পৰিছিল, কিয়নো অসমত মানৰ উপস্থিতিয়ে ভৱিষ্যতে বংগদেশত বৃটিশৰ পয়মাল ঘটাব পাৰে। অসমৰ প্ৰচুৰ প্ৰাকৃতিক সম্পদৰ প্ৰতি বৃটিশসকলো লালায়িত হৈ পৰিছিল। ইতিপূৰ্বে কেপ্তেইন থমাছ ওৱেলছৰ ১৭৯৪ চনৰ অসম সম্পৰ্কীয় গোপন প্ৰতিবেদনৰ জড়িয়তে তেওঁলোকে সেই প্ৰাকৃতিক সম্পদ সম্পৰ্কে সম্পূৰ্ণৰূপে অৱহিত হৈ আছিল। গতিকে মানসকলে বৃটিশ দখলাধীন বঙ্গোপসাগৰৰ ছাহপুৰী নামে দ্বীপটোত হানা দিয়াৰ লগে লগে গৱৰ্ণৰ-জেনেৰেল লৰ্ড আমৰ্হাষ্টে (Lord Amherst) ১৮২৪ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে ব্ৰহ্মদেশৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। এইখনেই প্ৰথম ইংগ-বৰ্মী যুদ্ধ, (১৮২৪-২৬)। প্ৰথমখন ইংগ-বৰ্মী যুদ্ধ আপাততঃ দেখাত সীমা বিবাদক কেন্দ্ৰ কৰি সংঘটিত হৈছিল যদিও তাৰ অন্তৰ্নিহিত কাৰণ আছিল সম্প্ৰসাৰণবাদী মনোভাব। যুদ্ধৰ প্ৰথম স্তৰপতে বৃটিশে মানসকলক পৰাভূত কৰি তেওঁলোকে অসম, কাছাৰ, মনিপুৰ আৰু আৰাকানৰপৰা খেদি পঠিয়াবলৈ সক্ষম হয়। এই যুদ্ধখন বৰ ৰক্তক্ষয়ী আছিল। ব্ৰহ্মদেশৰ এই ৰণত অকল বৃটিশ পক্ষতেই ৪০,০০০ সৈনিকৰ ভিতৰত মৃত্যুৰ সংখ্যা আছিল ১৫,০০০ জন।

১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে ব্ৰহ্মদেশৰ ইয়ান্দাবু নামে ঠাইত স্বাক্ষৰ কৰা শান্তি চুক্তি (Treaty of Yandaboo, 1826) মৰ্মে এই যুদ্ধৰ সমৰণি পোলোৱা হয়। এই চুক্তি মৰ্মে বৃটিশৰ প্ৰচুৰ লাভ হয়। সন্ধিৰ গুৰুত্বপূৰ্ণ চৰ্তসমূহ তলত উল্লেখ কৰা হ'ল—

(১) মান ৰজাই অসম, জয়ন্তীয়া, কাছাৰ আৰু মণিপুৰৰ ওপৰত তেওঁৰ সকলো দাবী প্ৰত্যাহাৰ কৰে,

(২) ভৱিষ্যতে দুয়োখন ৰাজ্যৰ মাজত সীমা বিবাদ এৰাই চলাৰ উদ্দেশ্যে বৃটিশে ইতিমধ্যে ব্ৰহ্মদেশৰপৰা জয় কৰা আৰু আৰাকান নামে প্ৰদেশখনৰ সৈতে মান ৰজাই য়েহ, টেভয়, মাৰ্গুই আৰু টেনাছেৰিম বোলা ৰাজ্য কেইখন বৃটিশক এৰি দিয়ে,

(৩) যুদ্ধৰ ক্ষতিপূৰণ বাবদ মান ৰজাই বৃটিশক এক কোটি টকা আদায় দিবলৈ প্ৰতিশ্ৰুতি দিয়ে,

(৪) দুয়োখন দেশৰে পাৰস্পৰিক সুবিধা হোৱাকৈ এটি বাণিজ্যিক চুক্তি স্বাক্ষৰ কৰিবলৈ দুয়োখন দেশে সম্মতি প্ৰকাশ কৰে,

(৫) মান ৰজাই তেওঁৰ দেশত এজন বৃটিশ দূত আৰু বৃটিশে কলকাতাত এজন বৰ্মী দূত ৰাখিবলৈ সম্মতি প্ৰকাশ কৰে।

গতিকে দেখা যায় এই চুক্তিৰ মাধ্যমত বৃটিশে অসম, জয়ন্তীয়া, কাছাৰ, মণিপুৰ, আদি দেশ নিজ ৰাজ্যভূক্ত কৰাৰ লগতে ব্ৰহ্মদেশৰ সমুদায় উপকূলবৰ্তী অঞ্চল দখল কৰি নিজ ৰাজ্যৰ পৰিসৰ বৃদ্ধি কৰে। বৃটিশৰ এই সম্প্ৰসাৰণে পৰবৰ্তী কালত সমগ্ৰ ব্ৰহ্মদেশ দখলৰ সম্ভৱনা প্ৰকত কৰি তুলিছিল।

লৰ্ড ডেলহাউচিৰ কাৰ্যকালত ১৮৫২ চনৰ এপ্ৰিল মাহত দ্বিতীয় ইংগ-বৰ্মী যুদ্ধ সংঘটিত হয়। ব্ৰহ্মদেশত বৃটিশৰ বাণিজ্যিক স্বাৰ্থ ৰক্ষাৰ তাগিদাতেই এই যুদ্ধ সংঘটিত হৈছিল যদিও তাৰ সৈতে বৃটিশৰ সম্প্ৰসাৰণবাদী লক্ষ্যও জড়িত হৈ আছিল। যুদ্ধ আৰম্ভ হোৱাৰ অলপ দিনৰ ভিতৰতে ৰেঙ্গুনৰ লগতে এখন এখনকৈ বেছেইন, প্ৰোম আদি চহৰসমূহ বৃটিশৰ দখললৈ আহে। গতিকে তেনে এটা অৱস্থাত বৃটিশৰ হাতত ব্ৰহ্মদেশৰ পতন নিশ্চিত হৈ পৰে। লৰ্ড ডেলহাউচিয়ে এই যুদ্ধৰ পৰিণতি স্বৰূপে ১৮৫২ চনৰ ২০ ডিচেম্বৰ তাৰিখে ব্ৰহ্মদেশৰ পেগু তথা নামনি ব্ৰহ্মদেশ দখল কৰি বৃটিশৰ অধীনলৈ আনে। গতিকে দ্বিতীয় ইংগ-বৰ্মী যুদ্ধৰ পিচত ব্ৰহ্মদেশৰ বাকী থাকিল মাত্ৰ উজনি ব্ৰহ্মদেশ। সেই অঞ্চলটো দখল কৰাটোও সাম্ৰাজ্যবাদী বৃটিশৰ বাবে আছিল মাত্ৰ এটি সময়ৰ প্ৰশ্ন। তথাপিও মানসকলে বৃটিশৰ প্ৰতি কোনো ভাবুকিৰ সৃষ্টি নকৰাত আৰু প্ৰায় তিনি দশকৰ অধিক কাল শান্তিৰে থকাত বৃটিশে ব্ৰহ্মদেশৰ অৱশিষ্ট অঞ্চলটো দখল কৰাৰ কোনো চেষ্টা কৰা নাছিল। অৱশ্যে আভ্যন্তৰীণ বাণিজ্যক কেন্দ্ৰ কৰি ব্ৰহ্মদেশৰ ৰজাৰ সৈতে বৃটিশ বণিক আৰু উদ্দ্যোগপতিসকলৰ সম্পৰ্কৰ যথেষ্ট অৱনতি ঘটিছিল। এই প্ৰশ্নটোৰ মীমাংসা কৰো ১৮৮২ চনত ব্ৰহ্মদেশৰ ৰজাই বৃটিশৰ সৈতে আলোচনাৰ মাধ্যমত তেওঁৰ সকলো ধৰণৰ বাণিজ্যিক সা-সুবিধা প্ৰত্যাহাৰ কৰে।

এনেতে ব্ৰহ্মদেশৰ ৰজাই বৃটিশৰ বৈৰী ফ্ৰান্সৰ সৈতে ৰাজনৈতিক আৰু বাণিজ্যিক সম্পৰ্ক স্থাপন কৰিবলৈ লোৱাত বৃটিশৰ ধৈৰ্যচ্যুতি ঘটে আৰু বৃটিশ ভাইচৰয় লৰ্ড ডাফৰিণে ১৮৮৫ চনৰ ১৩ নবেম্বৰ তাৰিখে ব্ৰহ্মদেশৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। এইখনেই তৃতীয় ইংগ-বৰ্মী যুদ্ধ। যুদ্ধ আৰম্ভ হোৱাৰ কেইদিনমানৰ ভিতৰতে ব্ৰহ্মদেশৰ ৰজাই বৃটিশৰ ওচৰত আত্মসমৰ্পণ কৰে। ব্ৰহ্মদেশৰ প্ৰতিৰোধ সম্পূৰ্ণৰূপে বিকল হৈ পৰে। লৰ্ড ডাফৰিণে সেই বছৰৰে ২৮ নবেম্বৰ তাৰিখে এটি চৰকাৰী ঘোষণাৰে উজনি ব্ৰহ্মদেশখন বৃটিশ সাম্ৰাজ্যৰ সৈতে চামিল কৰে। তাৰ পিচত ১৮৮৬ চনৰ ১লা জানুৱাৰী তাৰিখে সমগ্ৰ ব্ৰহ্মদেশ একত্ৰিত কৰি বৃটিশ-ভাৰতবৰ্ষৰ এখন প্ৰদেশত পৰিণত কৰে। এইদৰে তিনিখন যুদ্ধৰ পৰিণতি স্বৰূপে ব্ৰহ্মদেশ বৃটিশ ৰাজ্যভূক্ত হৈ পৰে। ব্ৰহ্মদেশ দখল কৰি বৃটিশে দক্ষিণ-পূৰ্ব এছিয়াত ফ্ৰান্সৰ বাণিজ্যিক আৰু সাম্ৰাজ্যিক অগ্ৰগতি প্ৰতিহত কৰাত সফলকাম হয়।

সি যি কি নহওক, ব্ৰহ্মদেশত বৃটিশৰ ৰাজনৈতিক আধিপত্য স্থাপনৰ সমসাময়িকভাৱে তাত আভ্যন্তৰীণভাৱে বৃটিশ বিৰোধী প্ৰতিৰোধ সংগ্ৰাম গঢ়ি উঠিছিল। বিশেষকৈ তাৰ দেশপ্ৰেমিক সৈনিক আৰু জনসাধাৰণে বৃটিশৰ দাসত্ব ভাল পোৱা নাছিল। সেয়ে তেওঁলোকে ভালেমান বছৰলৈ বৃটিশৰ বিৰুদ্ধে প্ৰতিৰোধ সংগ্ৰামৰ নেতৃত্ব লৈছিল, সেই সংগ্ৰাম মাজে মাজে আনকি গৰিলা যুদ্ধলৈ পৰিবৰ্তিত হৈছিল। এই পটভূমিতেই প্ৰথম বিশ্ব যুদ্ধৰ অব্যাবহিত পিচৰ কালছোৱাত ব্ৰহ্মদেশত জাতীয়তাবাদী আন্দোলনে গা কৰি উঠিছিল। বহু ক্ষেত্ৰতে ব্ৰহ্মদেশৰ এই জাতীয়তাবাদী আন্দোলন ভাৰতবৰ্ষৰ জাতীয়তাবাদী আন্দোলনৰ লক্ষ্য আৰু আদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। গতিকে ভাৰতবৰ্ষৰ জাতীয়তাবাদী আন্দোলনৰ প্ৰভাৱৰপৰা মুক্ত কৰাৰ অভিপ্ৰায়েৰে বৃটিশে ১৯৩৭ চনত ব্ৰহ্মদেশক ভাৰতবৰ্ষৰ ৰাজনৈতিক-প্ৰশাসনিক পৰিমণ্ডলৰপৰা আঁতৰাই নিয়ে।

দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত জাপানে কিছু দিনৰ বাবে ব্ৰহ্মদেশ আক্ৰমণ কৰি দখল কৰিছিল। ১৯৪৫ চনত মিত্ৰ শক্তিৰ হাতত জাপানৰ পতনৰ লগে লগে বৃটিশে পুনৰ ব্ৰহ্মদেশত নিজ অধিকাৰ স্থাপন কৰে। আনহাতে দ্বিতীয় বিশ্ব যুদ্ধৰ পিচত ব্ৰহ্মদেশত বৃটেইনৰ বিৰুদ্ধে জাতীয়তাবাদী মুক্তি আন্দোলন তীব্ৰ হৈ পৰে আৰু অৱশেষত তাৰেই ফলশ্ৰুতিত ১৯৪৮ চনৰ ৪ জানুৱাৰী তাৰিখে ব্ৰহ্মদেশে বৃটেইনৰপৰা স্বাধীনতা লাভ কৰে।

ইংগ-আফগান সম্পৰ্কঃ

আফগানিস্তানত বৃটিশৰ ৰাজনৈতিক হস্তক্ষেপ ঊনবিংশ শতিকাৰ মাজ ভাগৰপৰা তীব্ৰৰূপ লোৱা ইংগ-ৰুচ প্ৰতিদ্বন্দ্বিতাৰ অৱধাৰিত পৰিণতি। ৰাচিয়াই এফালে বাল্টিক সাগৰ আৰু আনফালে কৃষ্ণ সাগৰেৰে পশ্চিমলৈ যোৱা এটি পথৰ সন্ধানত অনবৰত চেষ্টা কৰি আহিছিল। কিন্তু তেওঁলোকৰ সেই চেষ্টা ইংলেণ্ডৰ প্ৰতিৰোধৰ বাবেই বাৰে বাৰে ব্যৰ্থ হৈ পৰিছিল। কাৰণ এফালে বাল্টিক সাগৰীয় অঞ্চলত আৰু নতুবা আনফালে কৃষ্ণ সাগৰ হৈ ভূমধ্যসাগৰত এবাৰ খোপনি পুতিবলৈ পাৰিলে ৰুচসকলক যে বিতাড়িত কৰাটো সম্ভৱপৰ নহ'ব সেই কথা সাম্ৰাজ্যবাদী বৃটেইনে মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰিছিল। গতিকে বৃটেইন আৰু ৰাচিয়াৰ মাজত ভালেমান বছৰৰপৰাই সাম্ৰাজ্যবাদী স্বাৰ্থৰ সংঘাট বৰ্তি আছিল।

আনহাতে ভাৰতবৰ্ষত বৃটিশ সাম্ৰাজ্যৰ ক্ৰমবৰ্দ্ধমান বিস্তৃতিয়ে বৃটেইনক উত্তৰ-পশ্চিম সীমান্তটো সুৰক্ষিত কৰি ৰাখিবলৈ প্ৰৰোচিত কৰিছিল। ইতিমধ্যে আফগানিস্তানৰ মাজেৰে ৰুচসকলে ভাৰতবৰ্ষত বৃটিশক আক্ৰমণ কৰিব পাৰে বুলি বৃটেইনৰ সন্দেহ এটা আছিলেই। অৱশ্যে ইৰাণৰ সৈতে থকা বন্ধুত্বৰ পৰিপ্ৰেক্ষিতত বৃটেইনে সেই সন্দেহক বৰ বিশেষ

গুৰুত্ব দিয়া নাছিল। কিন্তু ১৮৩৩ চনত মহম্মদ মির্জা ইৰাণৰ নতুন ছাহ (সম্রাট) ৰূপে সিংহাসনত আৰোহণ কৰাত বৃটেইনৰ আন্তৰাষ্ট্ৰীয় ৰাজনীতিৰ সমীকৰণত আউল লাগে। কাৰণ ইৰাণৰ নতুন ছাহ মহম্মদ মির্জা ইংৰাজৰ বৈৰী আৰু ৰুচসকলৰ মিত্ৰ আছিল। তাতে আকৌ সিংহাসনত আৰোহণ কৰাৰ চাৰি বছৰৰ (১৮৩৭) ভিতৰতে ৰুচসকলৰ উচতনি পাই তেওঁ আফগানিস্তানৰ হিৰাট দখল কৰি তাত নিজ অধিকাৰ সাব্যস্ত কৰে।

এই ঘটনাৰ এবছৰ পূৰ্বে (১৮৩৬) লৰ্ড অকলেণ্ড ভাৰতবৰ্ষৰ গৱৰ্ণৰ-জেনেৰেলৰ পদবীত সমাসীন হয়। মধ্য এছিয়াৰ পৰিবৰ্তিত আন্তৰাষ্ট্ৰীয় ৰাজনৈতিক পৰিস্থিতিত বৃটেইনে আফগানিস্তানৰ প্ৰতি এটি অগ্ৰবৰ্তী সীমান্তনীতিৰ পোষকতা কৰি লৰ্ড অকলেণ্ডক প্ৰয়োজন হ'লে ইৰাণ আৰু আফগানিস্তানৰ আভ্যন্তৰীণ ৰাজনীতিত হস্তক্ষেপ কৰিবলৈও নিৰ্দেশ দিয়ে। ইতিপূৰ্বে ১৮১৮ চনতে আফগানিস্তানৰ আমিৰৰূপে প্ৰতিষ্ঠা লাভ কৰা বৰকজাই ফৈদৰ দোস্ত মহম্মদে ইৰাণৰ ছাহে হিৰাট দখল কৰাত অসন্তুষ্ট হৈ পৰে। সেয়ে যেতিয়া লৰ্ড অকলেণ্ডে আলেকজেণ্ডাৰ বাৰ্ণেছক (Captain Alexander Burnes) দোস্ত মহম্মদৰ তালৈ পঠিয়াই মৈত্ৰী স্থাপনৰ প্ৰস্তাব দিয়ে তেতিয়া দোস্ত মহম্মদেও সকাহ পোৱা যেন পাইছিল যদিও পেছোৱাৰৰ প্ৰশ্নক কেন্দ্ৰ কৰি দুয়ো পক্ষৰ মাজত বন্ধুত্ব স্থাপন হোৱাটো অসম্ভৱ হৈ পৰিল। বাৰ্ণেছৰ দূতীয়ালী ব্যৰ্থ হৈ পৰিল। বৃটিশৰ পৰম মিত্ৰ পাঞ্জাবৰ মহাৰজা ৰণজিৎ সিংগে ভালেমান বছৰৰ পূৰ্বেই আফগানিস্তানৰপৰা পেছোৱাৰ চহৰখন কাটি (১৮২৩) নি নিজ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিছিল। বন্ধুত্বৰ চৰ্তৰূপে দোস্ত মহম্মদে বৃটিশৰ মধ্যস্থতাত ৰণজিৎ সিঙৰপৰা পেছোৱাৰখন ঘূৰাই পোৱাৰ আশা কৰিছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে যি সময়ত আলেকজেণ্ডাৰ বাৰ্ণেছ দোস্ত মহম্মদৰ সৈতে বন্ধুত্ব স্থাপন কৰিব গৈ কাবুলত আছিল সেই সময়তে ৰুচ দূত এজনো সেই একে উদ্দেশ্যৰেই কাবুলত আছিল গৈ। দোস্ত মহম্মদে সেই ৰুচ দূতজনকো বিমুখ কৰি ওভতাই পঠিয়াইছিল।

কূটনীতিৰ জৰিয়তে আফগানিস্তানত নিজৰ প্ৰভুত্ব স্থাপনত ব্যৰ্থ হৈ বৃটিশে এইবাৰ সমৰ কৌশলত মনোনিৱেশ কৰিলে। যেন-তেন প্ৰকাৰেণ আফগানিস্তানত হস্তক্ষেপ কৰাৰ নীতি হাতত লৈ লৰ্ড অকলেণ্ডে আফগানিস্তানৰ পলাতক আমিৰ ছাহ ছুজা আৰু পাঞ্জাবৰ মহাৰজা ৰণজিৎ সিঙৰ সৈতে এটি ত্ৰিপাক্ষিক সামৰিক চুক্তি (২৬ জুন, ১৮৩৮) সম্পাদন কৰিলে। তাৰ উদ্দেশ্য আছিল আফগানিস্তান আক্ৰমণ কৰি ছাহ ছুজাক তাৰ আমিৰৰূপে স্বীকৃতি দি আফগানিস্তানত বৃটিশৰ একচেটীয়া আধিপত্য স্থাপন কৰা। ছাহ ছুজা নামে ডুৰাণী ফৈদৰ এই লোকজন ক্ষমতাৰ যুঁজত পৰাভূত হৈ আফগানিস্তানৰপৰা পলায়ন কৰি (১৮০৯) পোনতে ৰণজিৎ সিঙৰ আৰু পিচত বৃটিশৰ আশ্ৰয়ত লুধিয়ানাত থাকিবলৈ

লৈছিল। ছাহ ছুজাক আফগানিস্তানৰ আমিৰ পাতিব পাৰিলে বৃটিশক আৰু কোনো পায়, প্ৰকৃতাৰ্থত তেওঁলোকেই আফগানিস্তানৰ হৰ্তকৰ্তা বিধাতাত পৰিণত হ'ব। কিন্তু এই পৰিকল্পনা ৰূপায়ন কৰিবলৈ গৈ বৃটিশে যিখন যুদ্ধত লিপ্ত হ'ল তাকেই প্ৰথম ইংগ-আফগান যুদ্ধ (১৮৩৮-৪২) বোলে।

যুদ্ধৰ আৰম্ভণিতে চুক্তিৰ অন্যতম অংশীদাৰ ৰণজিৎ সিঙে বিধি পথালি দিলে, তেওঁ নিজ ৰাজ্যৰ মাজেৰে আফগানিস্তানলৈ বৃটিশৰ সামৰিক অভিযান পঠিওৱাৰ ক্ষেত্ৰত অসম্মতি প্ৰকাশ কৰে। গতিকে তেনে অৱস্থাতবৃটিশে সিন্ধু আৰু বেলুচিস্তানৰ আমিৰসকলৰ ৰাজ্যৰ মাজেৰে অৰ্থাৎ মৰুভূমিৰ মাজেৰে অশেষ কষ্টেৰে বোলান পাছ হৈ আফগানিস্তানলৈ যাত্ৰা কৰিবলৈ বাধ্য হৈছিল। পৰিণতি স্বৰূপে বাটতে বহু সৈনিকে উপযুক্ত ৰছদ-পাতিৰ অভাৱত মৃত্যু মুখত পৰিছিল।

সি যি কি নহওক, ১৮৩৮ চনৰ ডিচেম্বৰ মাহত সিন্ধু বাহিনীৰ লগতে মূল বৃটিশ বাহিনীটোৱে ছাৰ জন কিন (Sir John Keane) আৰু ছাৰ উইলবি কটনৰ (Sir Willoughby Cotton) নেতৃত্বত ছাহ ছুজাক লগত লৈ বোলান গিৰিসংকটেৰে আফগানিস্তানত প্ৰবেশ কৰে। পিচৰ বছৰৰ এপ্ৰিল মাহত কান্দাহাৰ আৰু জুলাই মাহত গজনী দখল কৰি আগষ্ট মাহত ৰাজধানী কাবুলত ছাহ ছুজাক আমিৰৰ সিংহাসনত বহুৱায়। আপাততঃ ইমানখিনিলৈ আফগানিস্তানৰ বিৰুদ্ধে পঠিওৱা বৃটিশৰ এই সামৰিক অভিযান প্ৰায় কৃতকাৰ্যই হৈছিল। যুদ্ধত জড়িত থকা সামৰিক-অসামৰিক উচ্চ পদস্থ আমোলা-বিষয়াসকলক পদোন্নতিৰে পুৰস্কৃত কৰা হৈছিল।

যুদ্ধত বৃটিশে উপৰ্যুপৰি সাফল্য লাভ কৰাত দোস্ত মহম্মদে ৰুচ সাহায্য পোৱাৰ আশাত সোনতে বোখৰালৈ পলায়ন কৰে আৰু তাত ব্যৰ্থ হৈ ১৮৪০ চনৰ ২ নৱেম্বৰ তাৰিখে বৃটিশৰ বিপক্ষে যুদ্ধত অৱতীৰ্ণ হয়। কিন্তু তেওঁ এই যুদ্ধত জয় লাভ কৰিছিল যদিও শেষলৈ বৃটিশৰ বিৰুদ্ধে টিকি থাকিব নোৱাৰিব বুলি সন্দেহ কৰি আত্মসমৰ্পন কৰে। বৃটিশে তেওঁক বন্দী কৰি কলকাতালৈ পঠিয়ায় দিয়ে।

কিন্তু আফগানিস্তানত বৃটিশ আৰু আফগানসকলৰ মাজত আচল ৰূপখন তাৰ পিচতহে সংঘটিত হয়। ছাহ ছুজা আফগানসকলৰ মনঃপুত লোকনাছিল, তেওঁক আফগানিস্তানৰ আমিৰ হিচাপে আফগান লোকসকলে পূৰ্বেই নাকচ কৰিছিল, তেনে অৱস্থাত বলপূৰ্বকভাৱে তেওঁকেই পুনৰ আমিৰৰ সিংহাসনত বহুওৱাত তেওঁলোক বৃটিশৰ ওপৰত ৰুষ্ট হৈ পৰে আৰু সুবিধা পালেই বৃটিশৰ ওপৰত আক্ৰমণ চলাবলৈ ধৰিলে। এই প্ৰতিৰোধ সংগ্ৰামত নেতৃত্ব দিলে দোস্ত মহম্মদৰ পুত্ৰ আকবৰ খাঁই। বৃটিশৰ দিক্কে অৱস্থাৰ এই দ্ৰুত পৰিবৰ্তনৰ

পৰিপ্ৰেক্ষিতত বৃটিশ-ভাৰত চৰকাৰে কাবুলত ছাৰ উইলবি কটনৰ সলনি জেনেৰেল এলফিনষ্টনক (General Elphinstone) বৃটিশ বাহিনীৰ সেনাধ্যক্ষ নিযুক্ত কৰিলে।

বিদ্ৰোহে সমগ্ৰ আফগানিস্তানখন ছানি পেলালে। বৃটিশে ত্ৰাহি মধুসুধন সোঁৱৰিব ধৰিলে। ১৮৪১ চনৰ ২ নৱেম্বৰ তাৰিখে কেবাটাও আফগান জনজাতিৰ প্ৰধানসকলে কাবুলত মিলিত হৈ বৃটিশ দখলদাৰী সৈনিকৰ বিৰুদ্ধে বিদ্ৰোহ সংঘটিত কৰে। আকবৰ খাঁৰ নেতৃত্বত বিদ্ৰোহী আফগানসকলে আলেকজেণ্ডাৰ বাৰ্ণেছ, ভায়েক চাৰ্লছ বাৰ্ণেছ আৰু লেফটানেন্ট ব্ৰেডফুটক সেনা বাহিনীৰ ছাউনীৰপৰা উলিয়াই আনি ৰাজ আলিতে টুকুৰা-টুকুৰকৈ কাটি পেলালে। তাতেই ক্ষান্ত নাথাকি তেওঁলোকে বৃটিশ সেনা বাহিনীৰ ৰছদ-পাতি আৰু বন্দুক-বাৰুদ সকলো হস্তগত কৰি বৃটিশ বাহিনীক নিশ্চিত ধ্বংসৰ মুখত পেলালে। তেনেতে গৱৰ্ণৰ-জেনেৰেল লৰ্ড অকলেণ্ডে এলফিনষ্টনক কাবুলৰপৰা পশ্চাদাপসাৰণ কৰিবলৈ নিৰ্দেশ দিয়ে। এই বিপৰ্যয়ৰ পৰিপ্ৰেক্ষিতত বৃটিশে ছাহ ছুজাক বালা হিচাৰ দুৰ্গত আশ্ৰয় ল'বলৈ দি চিপাহী-চন্তৰীৰে তেওঁক তাতে ৰাখাৰ ব্যৱস্থা কৰি দিয়ে আৰু তেনেদৰে ছাহ ছুজা তিনি বছৰ ধৰি (১৮৩৯-৪২) বৃটিশ সৈনিকৰ ৰক্ষাবেক্ষণতে বালা হিচাৰ দুৰ্গতেআবদ্ধ হৈ থাকিল।

তাৰ পিচত ১৮৪১ চনৰ ডিচেম্বৰ মাহৰ ১১ তাৰিখে আফগান চৰ্দাৰসকলে বৃটিশক এটি চুক্তি কৰিবলৈ বাধ্য কৰায়। সেই চুক্তি মৰ্মে তেওঁলোকে আফগানিস্তান পৰিত্যাগ কৰাৰ প্ৰতিশ্ৰুতি দিয়াৰ লগতে দোস্ত মহম্মদক মুকলি কৰি দি পুনৰ আফগানিস্তানৰ আমিৰ ৰূপে স্বীকৃতি দিবলৈ সন্মতি প্ৰকাশ কৰে। ঘটনাৰ সিমানতে অন্ত নপৰিল। বৃটিশ সেনা বাহিনীয়ে পশ্চাদপসাৰণ কৰাৰ লগে লগে আফগানসকলে তেওঁলোকৰ ওপৰত আক্ৰমণ আৰম্ভ কৰি দিয়ে আৰু তাৰ পৰিণত স্বৰূপে ১৬,০০০ সৈনিকৰ মাত্ৰ ১ জনহে কথমপি প্ৰাণ লৈ বটিশ সীমান্তত উপনীত হৈছিল। অৱশ্যে আকবৰ খাঁৰ হাতত যুদ্ধ বন্দী হিচাপে তাৰে আৰু ১২০ জনমান সৈনিক শেষলৈ জীয়াই আছিল। ৰণক্ষেত্ৰত বৃটিশ-ভাৰতবৰ্ষৰ সেনাবাহিনীয়ে সন্মুখীন হোৱা এইটোৱেই আছিল বৃটিশৰ বাবে আটাইতকৈ ভয়ানক সামৰিক বিপৰ্যয়।

এই সামৰিক বিপৰ্যয়ৰ পিচতো তেওঁলোকে ১৮৪২ চনৰ ১৬ ছেপ্তেম্বৰ তাৰিখে আফগানিস্তানৰ বিৰুদ্ধে অন্য এটি শাস্তিমূলক সামৰিক অভিযান পঠিয়াই কাবুল দখল কৰে। প্ৰতিশোধ লিপ্সা পূৰণ হোৱাৰ পিচত তেওঁলোকে দোস্ত মহম্মদৰ সৈতে এটি চুক্তি কৰি তেওঁক আফগানিস্তানৰ স্বাধীন আমিৰৰূপে স্বীকৃতি দি তাৰপৰা সম্পূৰ্ণৰূপে প্ৰত্যাবৰ্তন কৰে। এইদৰে প্ৰথম ইংগ-আফগান যুদ্ধৰ সামৰণি পৰে। ইফালে বৃটিশে কাবুলত এৰি

থৈ অহা ছাহ ছুজাক আফগানসকলে বালা হিচাৰ দুৰ্গৰপৰা উলিয়াই আনি টুকুৰা-টুকুৰকৈ কাটি নিশংসভাৱে হত্যা কৰে। এই যুদ্ধত বৃটিশৰ মুঠতে ২০,০০০ লোকৰ মৃত্যু হোৱাৰ ওপৰিও ১৫ মিলিয়ন পাউণ্ড ষ্টাৰ্লিঙ খৰছ হৈছিল। লগতে লৰ্ড অকলেণ্ডও বৃটিশ-ভাৰতবৰ্ষৰ গৱৰ্ণৰ-জেনেৰেলৰ পদবীৰপৰা অপসাৰিত হৈ পৰে। ১৮৪২ চনৰ ফেব্ৰুৱাৰী মাহত তেওঁৰ স্থলাভিসিক্ত হৈ আহে লৰ্ড এলেনবৰো।

আফগানিস্তানত প্ৰত্যক্ষ হস্তক্ষেপ কৰি তাত ৰাজনৈতিকআধিপত্য স্থাপনেৰে মধ্য এছিয়াত ৰুচসকলৰ আগ্ৰাসান ৰোধ কৰাৰ বাবে বৃটিশে যি পৰিকল্পনা কৰিছিল প্ৰথম ইংগ-আফগান যুদ্ধৰ পৰিণতিয়ে তাক সম্পূৰ্ণৰূপে ধূলিস্যাৎ কৰি পেলাইছিল। আনহাতে এই যুদ্ধৰ অব্যাবহিত পিচৰ কালছোৱাত মধ্য এছিয়াৰ পিনে ৰুচসকলৰ আগ্ৰাসান আৰু বৃদ্ধি পাইছিল। ইতিমধ্যে বৃটেইনৰ প্ৰতিৰোধৰ বাবেই ৰুচসকলে এফালে বাল্টিক সাগৰ হৈ পশ্চিম ইয়োৰূপ আৰু আনফালে কৃষ্ণ সাগৰ হৈ ভূমধ্য সাগৰীয় অঞ্চলত আধিপত্য স্থাপনত ব্যৰ্থ হৈ পৰিছিল। সেই দুয়ো দিশতে ব্যৰ্থ হৈ ৰুচ দেশে লাহে লাহে মধ্য এছিয়াৰ ক্ষুদ্ৰ ক্ষুদ্ৰ মুছলমান ৰাজ্যসমূহ আক্ৰমণ কৰি নিজৰ দখললৈ অনাৰ আঁচনি লৈ তাত বিশেষভাৱে কৃতকাৰ্যকতা লাভ কৰে। বিশেষকৈ ক্ৰিমিয়াৰ যুদ্ধত (১৮৫৪-৫৬) হোৱা পৰাজয়ে ৰুচসকলক মধ্য এছিয়াত ৰাজ্য বিস্তাৰ কৰিবলৈ দুগুণে প্ৰৰোচিত কৰি তুলিছিল। তাৰেই পৰিণতি স্বৰূপে তেওঁলোকে ক্ৰমান্বয়ে মধ্য এছিয়াৰ বোখৰা (১৮৬৬), তাছখণ্ড (১৮৬৭), ছমৰখণ্ড (১৮৬৮), আৰু খিভা (১৮৭৩) দখল কৰি নিজ সাম্ৰাজ্যৰ অৰ্ন্তভূক্ত কৰে। ৰুচ সাম্ৰাজ্যৰ এই বিস্তৃতিয়ে ৰুচ সাম্ৰাজ্য আৰু আফগানিস্তানৰ সীমাৰেখা একাকাৰ কৰি পেলায় আৰু ভাৰতবৰ্ষত বৃটিশ সাম্ৰাজ্যৰ নিৰাপত্তাৰ প্ৰশ্নটো অধিক জটিল কৰি তোলে।

এইখিনি সময়ত আফগানিস্তানত দোস্ত মহম্মদৰ নেতৃত্বত প্ৰায় ২১ বছৰ ধৰি (১৮৪২-৬৩) এক সুস্থিৰ চৰকাৰ চলিছিল। দোস্ত মহম্মদে তেওঁৰ দ্বিতীয় বাৰৰ ৰাজত্ব কালত বৃটিশৰ অনুকূল বৈদেশিক নীতি এটা অনুসৰণ কৰিছিল। বৃটিশৰ বাবে তেওঁৰ ৰাজত্বৰ সেইটো এটা সদৰ্থক দিশ আছিল। দোস্ত মহম্মদৰ মৃত্যুৰ পিচত তেওঁৰ তৃতীয় পুত্ৰ ছেৰ আলিয়ে আফগানিস্তানৰ আমিৰৰ সিংহাসনত আৰোহণ কৰে। ছেৰ আলিৰ সিংহাসন প্ৰাপ্তি নিষ্কন্টক নাছিল, কিয়নো পিতৃৰ মৃত্যুৰ লগে লগে ছেৰ আলিৰ কেবাজনো ককাই-ভাইয়ে সিংহাসন প্ৰাপ্তিৰ বাবে গৃহযুদ্ধত লিপ্ত হৈ পৰে।

এই গৃহ যুদ্ধৰ সময়ত বৃটিশৰ সাহায্য বিচাৰি ছেৰ আলিয়ে কেবাবাৰো বৃটিশ-ভাৰত চৰকাৰৰ সৈতে যোগাযোগ কৰি সম্পূৰ্ণৰূপে বিফল হয়, কিয়নো সেই সময়ত বৃটিশ

ভাইচৰয় ছাৰ (পিচলৈ লৰ্ড) জন লৰেঞ্চে (Sir John Lawrence) (১৮৬৪-৬৯) আফগানিস্তানৰ প্ৰতি অহস্তক্ষেপ নীতি লৈ কাৰ্যকৰী কৰিছিল। তেওঁৰ নীতি আছিল এই যে যিয়ে নিজ বাহুবলেৰে আফগানিস্তানৰ আমিৰৰ সিংহাসনত আৰোহণ কৰিব সেই জনকেই তেওঁ সেই দেশৰ আমিৰৰূপে স্বীকৃতি দিব, কিন্তু সিংহাসন প্ৰাপ্তিৰ ৰণত তেওঁ কোনো ভূমিকা নলয়। লৰেঞ্চৰ পৰবৰ্তী ভাইচৰয় লৰ্ড মেয়ো (Lord Mayo) আৰু লৰ্ড নৰ্থব্ৰুকেও (Lord Northbrook) সেই একে নীতিকেই অনুসৰণ কৰিছিল। আফগানিস্তানৰ প্ৰতি তেওঁলোকে অনুসৰণ কৰা নীতিকেই বিজ্ঞজনোচিত অহস্তক্ষেপ নীতি("Policy of masterly inactivity")বোলা হৈছিল।

আফগানিস্তানৰ প্ৰতি লৰেঞ্চে লোৱা এই নীতিৰ ভিত্তি আছিল প্ৰথম ইংগ-আফগান যুদ্ধ। অপ্ৰৰোচিত যুদ্ধখনত ইংৰাজৰ কি লটি-ঘটি হৈছিল সেই কথা লৰেঞ্চৰ অবহিত আছিল, কাজেই তেওঁ পুনৰ আফগানিস্তানত হস্তক্ষেপ কৰি অনাহক যুদ্ধ এখন মাতি আনাৰ বাবে প্ৰস্তুত নাছিল। আনহাতে তেওঁৰ উত্তৰাধিকাৰী আন দুজন বৃটিশ ভাইচৰয় ইংলেণ্ডৰ লিবাৰেল দলৰ চৰকাৰৰ প্ৰতিনিধি হিচাপে ভাৰতবৰ্ষত কাৰ্যনিৰ্বাহ কৰিছিল। আফগানিস্তানৰ প্ৰতি তেওঁলোকে অনুসৰণ কৰা নীতি বৃটিশ গৃহ চৰকাৰৰ মনঃপুত হৈছিল, গতিকে সেই কালৰপৰা তেওঁলোকৰ নীতিৰ প্ৰতি গৃহ চৰকাৰৰ অনুমোদন আছিল বুলি ধৰিব পাৰি। কিন্তু তথাপিও ইংলেণ্ডত তেওঁলোকৰ নীতি জাতীয় স্বাৰ্থৰ পৰিপন্থী আছিল বুলি তেওঁলোক আনহাতে সমালোচনাৰো সম্মুখীন হৈছিল। আনহাতে মধ্য এছিয়াতৰুচ আগ্ৰাসানে বৃটিশৰ আফগান নীতি অপ্ৰাসঙ্গিক কৰি তোলাত আৰু প্ৰায় সমসাময়িকভাৱে ইংলেণ্ডত ডিজৰেলীৰ ৰক্ষণশীল দল ক্ষমতালৈ অহাত সেই নীতিৰ পৰিবৰ্তন ঘটোৱাটো খাটাং হৈ পৰিছিল।

মধ্য এছিয়াত ৰুচসকলৰ আগ্ৰাসানৰ সমসাময়িকভাৱে সমগ্ৰ বিশ্বতে ৰাজ্য বিস্তাৰৰ বাবে সাম্ৰাজ্যবাদী দেশসমূহৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ সূচনা হৈছিল। গতিকে ইংগ-ৰুচ প্ৰতিদ্বন্দ্বিতাও সেই সাধাৰণ প্ৰতিদ্বন্দ্বিতাৰে অংশ আছিল। সেই সময়ত উক্ত দুয়োটা সাম্ৰাজ্যবাদী শক্তিৰ পাৰস্পৰিক প্ৰতিদ্বন্দ্বিতা চলিছিল বিশেষতঃ পূৰ্ব ইয়োৰূপৰ বলকান উপমহাদেশ আৰু মধ্য এছিয়াক কেন্দ্ৰ কৰি। ইতিমধ্যে ১৮৭৪ চনত ইংলেণ্ডত চৰাকাৰৰ পৰিবৰ্তন হয়। সাধাৰণ নিৰ্বাচনত গ্লেডষ্টোনৰ লিবাৰেল দলৰ পতন হয় আৰু ডিজৰেলীৰ নেতৃত্বত ৰক্ষণশীল দলে ক্ষমতা দখল কৰে। ডিজৰেলী আছিল উৎকট সাম্ৰাজ্যবাদী ৰাজনীতিক। তেওঁ মধ্য এছিয়াত ৰুচ দেশৰ আগ্ৰাসনৰ পৰিপ্ৰেক্ষিতত বৃটিশ ভাইচৰয় লৰ্ড নৰ্থব্ৰুকক আফগানিস্তানৰ প্ৰতি এটি শক্তিশালী অগ্ৰবৰ্তী সীমান্ত নীতি (Forward

Frontier Policy) লবলৈ কঢ়া নির্দেশ দিয়ে। কিন্তু নৰ্থব্ৰুকে সেইটো কৰিবলৈ অমান্তি হোৱাত তেওঁক ভাইচৰয়ৰ পদবীৰপৰা ইস্তফা দিবলগীয়া হ'ল। তেওঁৰ ঠাইত লৰ্ড লিটনক ভাইচৰয়ৰ পদবীত নিযুক্তি দি পঠিয়ায়। লৰ্ড লিটনে ১৮৭৬ চনত ভাইচৰয়ৰ পদবীত যোগদান কৰে। লৰ্ড লিটনো আছিল একেই ৰক্ষণশীল দলৰ ৰাজনীতিক আৰু ডিজৰেলীৰ দৰে দুৰ্ধৰ্ষ সাম্ৰাজ্যবাদী মানসিকতাৰ লোক।

ইতিমধ্যে মধ্য এছিয়াৰ দিশত ৰুচ দেশৰ সম্প্ৰসাৰণে আফগানিস্তানৰ আমিৰ ছেৰ আলিকো সন্ত্ৰস্ত কৰি তুলিছিল আৰু সেয়ে তেওঁ বৃটিশ-ভাৰত চৰকাৰৰ সৈতে ৰুচ বিৰোধী প্ৰতিৰক্ষামূলক আৰু আক্ৰমণাত্মক সামৰিক চুক্তি কৰাৰ পক্ষপাতী আছিল। সেই মৰ্মে তেওঁ ১৮৭৩ চনত ভাৰতবৰ্ষলৈ কটকীও পঠিয়াইছিল। বৰং বৃটিশ-ভাৰত চৰকাৰে আফগানিস্তানৰ বৈদেশিক নীতি নিয়ন্ত্ৰণ আৰু পৰিচালনাৰ কাৰণে কাবুলত বৃটিশ দূতাবাস গঢ়ি তোলাৰহে পোষকতা কৰিলে। কিন্তু ছেৰ আলি সেইটো মানি লোৱাৰ পক্ষপাতী নাছিল, গতিকে তেওঁৰ কল্পনাৰ আফগান-বৃটিশ সামৰিক চুক্তিৰো সিমানতে অন্ত পৰিল। গতিকে নিজ দেশৰ নিৰাপত্তাৰ স্বাৰ্থত এইবাৰ তেওঁ লাহে লাহে ৰুচসকলৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি তোলাৰ দিশত অগ্ৰসৰ হয়।

এনেতে নতুন ভাইচৰয় লৰ্ড লিটনৰ আগমনৰ লগে লগে বৃটিশ-ভাৰত চৰকাৰৰ আফগান নীতিয়ে এটি নতুন মোৰ লয়। লৰ্ড লিটনে ছেৰ আলিৰ ওচৰলৈ কটকী পঠিয়ায় জনাই দিলে যে তেওঁ পূৰ্বে (১৮৭৩) যিবোৰ চৰ্ত সাপেক্ষে বৃটিশৰ সৈতে চুক্তি কৰাৰ পক্ষপাতী আছিল সেইবোৰ চৰ্ত লৈয়ে বৃটিশে তেওঁৰ সৈতে চুক্তি কৰাৰ বাবে সাজু আছে। আনহাতে লৰ্ড লিটনে যি কোনো মূল্যৰ বিনিময়তআফগানিস্তানতবৃটিশ আধিপত্য স্থাপনৰ ক্ষেত্ৰত দৃঢ় সংকল্প আছিল। সেয়ে চুক্তি কৰা হওক নহওক সেই লৈ তেওঁ মাঠা ঘমোৱা নাছিল, বৰং আফগানিস্তানত ছেৰ আলিৰ প্ৰভুত্ব খতম কৰি বৃটিশৰ ৰাজনৈকি আধিপত্য স্থাপনৰ দিশত অগ্ৰসৰ হৈছিল। লৰ্ড অকলেণ্ডৰ পদাঙ্ক অনুসৰণ কৰি তেওঁ ক্ৰমাগতভাৱে আফগানিস্তানৰ খণ্ডিতকৰণ আৰু আফগান শক্তিক নিশকতীয়া কৰাৰ ("the gradual disintegration and weakening of the Afghan power") কামত ব্যস্ত হৈ পৰিল।

ইতিপূৰ্বে ছেৰ আলিয়ে ৰুচসকলৰ সৈতে সামৰিক চুক্তি এখন কৰাৰ বাবে ইচ্ছা প্ৰকাশ কৰি সেই দেশৰ সৈতে যোগাযোগ কৰিছিল। তাৰেই পৰিণতি স্বৰূপে তাছখণ্ডৰ ৰুচ গবৰ্ণৰ ষ্টলিটফে (General Stoletoff) ১৮৭৮ চনৰ জুলাই মাহত কাবুল ভ্ৰমণ কৰে আৰু ছেৰ আলিৰ সৈতে ৰুচ-আফগান চুক্তি এটি স্বাক্ষৰ কৰে। এই চুক্তি কৰাৰ লগে

লগে লৰ্ড লিট্টনেও সেই বছৰৰে ছেপ্তেম্বৰ মাহত ছেৰ আলিলৈ কটকী এজন পঠিয়াই কাবুলত এজন বৃটিশ কূটনৈতিক বিষয়া (Resident) ৰাখিবলৈ দাবী উত্থাপন কৰিলে। অকল তাতেই সন্তুষ্ট নাথাকি তেওঁ ২ নবেম্বৰ তাৰিখে ছেৰ আলিক এই বুলি এখন চৰমপত্ৰ দিয়ে যে ২০ নবেম্বৰৰ পূৰ্বে তেওঁৰ এই দাবী পূৰণ নকৰিলে বৃটিশে আফগানিস্তান আক্ৰমণ কৰিব। গতিকে এনে এটা অৱস্থাত ছেৰ আলিয়ে নিজ দেশৰ প্ৰতিৰক্ষাৰ বাবে ৰুচ চৰকাৰৰ সাহায্য বিচাৰিলে। কিন্তু সেই বছৰৰে (১৮৭৮) জুন-জুলাই মাহতসম্পাদিত বাৰ্লিন চুক্তিৰ পৰিপ্ৰেক্ষিতত ৰুচ দেশে ছেৰ আলিক সাহায্য দিব নোৱাৰাৰ কথা জনাই দিয়ে। ইফালে চৰম-পত্ৰৰ সময়-সীমা উকলি যোৱাত লৰ্ড লিট্টনে ১৮৭৮ চনৰ ২১ নবেম্বৰ দিনা আফগানিস্তানৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। এয়ে দ্বিতীয ইংগ-আফগান যুদ্ধ (১৮৭৮-৮০)।

তিনিজন বৃটিশ সেনাধ্যক্ষৰ নেতৃত্বত বৃটিশ সেনা বাহিনীয়ে তিনিটা পথেৰে আফগানিস্তানত প্ৰবেশ কৰে। ছাৰ ছেমুৱেল ব্ৰাউনে খাইবাৰ গিৰিসংকটেৰে, মেজৰ-জেনেৰেল ৰবাৰ্টছে কুৰম উপত্যকাৰে আৰু জেনেৰেল ষ্টুৱাৰ্টে কুৱেটাৰে আফগানিস্তানৰ পিনে অগ্ৰসৰ হৈছিল। এইদৰে তিনিও ফালৰপৰা আক্ৰান্ত হোৱাতআফগান লোকসকল হতচকিত হৈ পৰে। ইফালে ৰুচ সাহায্যৰপৰা বঞ্চিত হৈ আমিৰ ছেৰ আলিয়ে ৰুচ দেশলৈ পলায়ন কৰে আৰু তাতে পুনৰ ৰুচ সাহায্যৰ বাবে চেষ্টা কৰি ব্যৰ্থ হয়। এই হতাশাৰ ফলশ্ৰুতিতেই পিচৰ বছৰৰ ফেব্ৰুৱাৰী মাহৰ ২১ তাৰিখে ৰুচ দেশতে তেওঁ মৃত্যু বৰণ কৰে।

ছেৰ আলিয়ে আফগানিস্তানৰপৰা পলায়ন কৰাৰ পিচতেই তেওঁৰ পুত্ৰ ইয়াকুব খাঁ আফগানিস্তানৰ আমিৰ হয় আৰু বৃটিশেও তেওঁক আফগাস্তিানৰ আমিৰ ৰূপে স্বীকৃতি দিয়ে। এই নতুন আমিৰ ইয়াকুব খাঁ আৰু বৃটিশসকলৰ মাজত ১৮৭৯ চনৰ মে' মাহত গন্দামাকত এটি দ্বিপাক্ষিক চুক্তি সম্পাদিত হয়। গন্দামাকৰ এই ইংগ-আফগান চুক্তিৰ চৰ্তসমূহ আছিল—

(১) আফগান আমিৰ ইয়াকুব খাঁই বৃটিশ চৰকাৰৰ অনুমোদন আৰু পৰামৰ্শ মৰ্মে নিজ দেশৰ বৈদেশিক নীতি পৰিচালনা কৰিব,

(২) তেওঁ কাবুলত এজন পূৰ্ণ পৰ্যায়ৰ বৃটিশ কূটনৈতিক বিষয়া ৰখাৰ প্ৰতি সম্মতি

(৩) কুৰম গিৰিসংকটসহ পিচিন আৰু চিবি বোলা সীমান্তৱৰ্তী জিলা দুখন বৃটিশক এৰি দিব,

(৪) উক্ত তিনিটা চৰ্ত পূৰণ কৰাৰ বিনিময়ত বৃটিশে আমিৰক ভৱিষ্যতে যিকোনো বৈদেশিক আক্ৰমণ প্ৰতিহত কৰিবলৈ ধন আৰু জনেৰে সহায় কৰাৰবাবে প্ৰতিজ্ঞাবদ্ধ হয়,

(৫) বৃটিশে তেওঁক বাৰ্ষিক ৬০ লাখ টকাৰ এটি অনুদান দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে, আৰু

(৬) কান্দাহাৰত মোতায়েন কৰা সৈন্যবাহিনীক বাদ দি আন সকলো বৃটিশ সৈনিকক আফগানিস্তানৰপৰা অপসাৰিত কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

বৃটিশ প্ৰধানমন্ত্ৰী বিকনছফিল্ড ডিজৰেলীৰ মতে এই চুক্তি স্বাক্ষৰ কৰাৰ লগে লগে ভাৰতবৰ্ষত বৃটিশ-ভাৰত সাম্ৰাজ্যই পশ্চিম দিশত এটি বিজ্ঞানসম্মত আৰু যথোপযুক্ত সীমাৰেখা লাভ কৰে (a scientific and adequate frontier for our Indian empire ")।

কিন্তু আফগানিস্তানৰ বিপক্ষে বৃটিশৰ এই সামৰিক বিজয় আছিল ক্ষন্তেকীয়া আৰু অত্যন্ত বিপদসংকুল। কিয়নো এই চুক্তিৰ চৰ্ত মৰ্মে ২৪ জুলাই তাৰিখে ছাৰ লুই কাভেগনাৰীয়ে (Sir Louis Cavagnari) বৃটিশ কূটনৈতিক বিষয়াৰূপে কাবুলত পদাৰ্পণ কৰাৰ পিচৰেপৰা আফগানিস্তান পুনৰ বৃটিশৰ বাবে অগ্নিগৰ্ভা হৈ পৰে। তেওঁ আ ফগানিস্তানৰ দেৱালৰ লিখন বুজিব নোৱাৰি ২ ছেপ্তেম্বৰ তাৰিখে ভাইচৰয়লৈ টেলিগ্ৰাম কৰি জনালে ইয়াত সকলো ভাল ("All well") বুলি। তাৰ পিচদিনাখনে বিদ্ৰোহী আফগান লোকসকলে কাবুলত বৃটিশ কূটনৈতিক বিষয়া ছাৰ লুই কাভেগনাৰীসহ তেওঁৰ নিৰাপত্তাৰক্ষা বাহিনীৰ সকলো সদস্যকে কাটি পেলালে। আফগানিস্তানত ১৮৩৮-৪০ৰ ভূতে পুনৰ বৃটিশক সংগ দিলে। বৃটিশৰ প্ৰতি সহানুভূতিশীল আমিৰ ইয়াকুব খাঁ লোক দৰ্শিতভাবে বিদ্ৰোহীসকলৰ সমৰ্থক নাছিল যদিও বৃটিশে তেওঁক গোপনে বিদ্ৰোহীসকলৰ সৈতে জড়িত থকাৰ সন্দেহ কৰি সিংহাসন ত্যাগ কৰিবলৈ বাধ্য কৰাই পিচত ভাৰতবৰ্ষলৈ পঠিয়াই দিছিল। তাৰ আগতে ছাৰ ডোনাল্ড ষ্টিৱাৰ্টে (Sir Donald Stewart) কান্দাহাৰ দখল কৰিছিল আৰু জেনেৰেল ৰবাৰ্টছে (General Frederick Roberts) পুনৰ কুৰম উপত্যকাৰে আফগানিস্তানত প্ৰবেশ কৰি বৃটিশ বিৰোধী প্ৰতিৰোধ সংগ্ৰাম মশিমূৰ কৰিছিল। বিদ্ৰোহ দমন কৰি বৃটিশ দখলদাৰী সৈন্য বাহিনীয়ে তেতিয়াৰপৰা ১৮৮০ চনৰ জুলাই মাহলৈ তাতে অৱস্থান কৰি থাকিল।

ইতিমধ্যে সাধাৰণ নিৰ্বাচনত ইংলেণ্ডত ডিজৰেলী নেতৃত্বাধীন ৰক্ষণশীল দলৰ চৰকাৰৰ পতন ঘটিল (এপ্ৰিল, ১৮৮০) আৰু লিবাৰেল দলৰ নেতা গ্লেডষ্টোন প্ৰধানমন্ত্ৰী হল। তেওঁ আফগান সমস্যা সমাধান কল্পে লৰ্ড ৰিপনক ভাইচৰয় নিযুক্ত কৰি ভাৰতবৰ্ষলৈ পঠিয়াই দিয়ে।

দ্বিতীয় ইংগ-আফগান যুদ্ধৰ পৰিণতিও যে প্ৰথম ইংগ-আফগান যুদ্ধৰ লেখীয়া হ'ব সেই সম্পৰ্কে গ্লেডষ্টোনৰ অকনো সন্দেহ নাছিল। যুদ্ধ আৰম্ভ হোৱাৰ লগে লগে বৃটিশ সংসদৰ বিৰোধী পক্ষৰ নেতা হিচাপে গ্লেডষ্টোনে কৈছিল, "We made war ın error upon Afghanıstan ın 1838 To err ıs human and pardonable But we have erred a second tıme on the same ground and wıth no better justıficatıon " গ্লেডষ্টোনৰ ভৱিষ্যত বাণী সম্পূৰ্ণৰূপে সঁচা প্ৰমাণিত হ'ল। সঁচাই পূৰ্বৰ খনৰ দৰে এইখন যুদ্ধৰো কোনো যুক্তিযুক্ততা নাছিল। আফগানিস্তান এখন স্বাধীন সাৰ্বভৌম দেশ আছিল আৰু সেই অনুসৰী সেই দেশৰ আমিৰে যি কোনো স্বাধীন ৰাষ্ট্ৰৰ সৈতে বন্ধুত্ব স্থাপন কৰা বা সামৰিক আৰু বাণিজ্যিক যি কোনো সন্ধি-চুক্তি আদি কৰাৰ সম্পূৰ্ণ অধিকাৰ আৰু ক্ষমতা আছিল।

সি যি কি নহওক, লৰ্ড ৰিপনে কাৰ্যভাৰ গ্ৰহণ কৰিয়েই (৮ জুন ১৮৮০) আফগান সমস্যা সমাধান কল্পে ৰাচিয়াত ৰাজনৈতিক আশ্ৰয় লৈ থকা আব্দুৰ ৰহমান নামে দোস্ত মহম্মদৰ নাতি এজনক আফগানিস্তানৰ আমিৰৰূপে স্বীকৃতি দিয়ে আৰু সেই মৰ্মে আব্দুৰ ৰহমানে জুলাই মাহতে আফগানিস্তানৰ আমিৰৰ সিংহাসনত আৰোহণ কৰে। তেওঁ ১৮৮০ চনৰপৰা ১৯০১ চনলৈ আফগানিস্তানৰ আমিৰৰূপে কাৰ্যনিৰ্বাহ কৰে। লৰ্ড ৰিপনেও আব্দুৰ ৰহমানৰ সৈতে নতুন চুক্তি এটা স্বাক্ষৰ কৰে। এই চুক্তি মৰ্মে আব্দুৰ ৰহমানে বৃটিশৰ বাহিৰে অন্য কোনো দেশৰ সৈতে বৈদেশিক সম্পৰ্ক নাৰাখিবলৈ সন্মতি প্ৰকাশ কৰে আৰু বৃটিশে তাৰ বাবদ তেওঁক বাৰ্ষিক ১২ লাখ টকাৰ অনুদান এটিৰে অনুগৃহীত কৰে। আনহাতে তেওঁ বিদেশী শক্তিৰ দ্বাৰা আক্ৰান্ত হ'লে বৃটিশে সামৰিক সাহায্য দিবলৈ প্ৰতিশ্ৰুতি দিয়ে। গতিকে দেখা যায় এই চুক্তিৰ মাধ্যমত আমিৰে স্বাধীনভাৱে আফগানিস্তানৰ বৈদেশিক নীতি পৰিচালনা কৰাৰপৰা বঞ্চিত হয়। অৱশ্যে এই চুক্তিৰ জড়িয়তে আফগানিস্তানত বৃটিশ কূটনৈতিক বিষয়া মোতায়েন কৰাৰ পূৰ্বৰ প্ৰস্তাৱ ৰিপনৰ চৰকাৰে প্ৰত্যাহাৰ কৰে।

তৃতীয় ইংগ-আফগান যুদ্ধঃ

১৯০১ চনত আব্দুৰ ৰহমানৰ মৃত্যু হোৱাত তেওঁৰ পুত্ৰ হবিবুল্লাহ খাঁই আমিৰৰ সিংহাসনত আৰোহণ কৰে। তেওঁৰ আমোলত প্ৰথম বিশ্ব যুদ্ধৰ প্ৰায় শেষলৈ ইংগ-আফগান সম্পৰ্কত বৰ বিশেষ আহুকালৰ সৃষ্টি হোৱা নাছিল। দুয়োখন দেশৰ মাজত শান্তিপূৰ্ণ সম্পৰ্ক বিৰাজ কৰিছিল যদিও ৰুচ ভীতিয়ে ইংৰাজক সততেবিত্তকৰি ৰাখিছিল। অৱশ্যে ১৯০৭ চনত সম্পাদিত ইংগ-ৰুচ দ্বিপাক্ষিক বুজাপৰাৰ পৰিণতি স্বৰূপে আফগানিস্তানৰ প্ৰব্দিত থকা ৰুচসকলৰ আগ্ৰাসান নীতিৰ প্ৰায় অৱসান ঘটিছিল। গতিকে

সেই কালৰপৰা বৃটিশ-ভাৰত সাম্রাজ্যৰ বিপদ বহুলাংশে হ্রাস পাই আহিছিল। তাৰ পিচত অৱশ্যে প্ৰথম বিশ্ব যুদ্ধৰ সময়ত জাৰ্মানী তথা কেন্দ্ৰীয় শক্তি জোঁটৰ পক্ষত আৰু বৃটেইনকে আদি কৰি মিত্ৰ পক্ষৰ বিৰুদ্ধে তুৰস্কৰ অংশ গ্ৰহণে (২০ অক্টোবৰ, ১৯১৪) বিশ্বৰ অন্যান্য মুছলমান ৰাষ্ট্ৰৰ লগতে আফগানিস্তানতো বৃটিশ বিৰোধী উত্তেজনা বৃদ্ধি কৰিছিল। তাৰ সম্পূৰ্ণ তিনি বছৰ পিচত ৰুচ দেশত সংঘটিত হোৱা সমাজতান্ত্ৰিক অক্টোবৰ বিপ্লৱৰ (১৯১৭) পৰিপ্ৰেক্ষিতত আফগানিস্তানৰ প্ৰতি ছোভিয়েট ৰাচিয়াই ৰাজ্য বিস্তাৰৰ নীতি পৰিহাৰ কৰাত বৃটিশ-ভাৰত চৰকাৰ ৰুচ ভীতিৰপৰা বাহুল্য পৰিমাণে সকাহ পাইছিল। আনহাতে ৰুচ ভীতিৰ অৱসান আৰু বৃটিশ বিদ্বেষ বৃদ্ধি পোৱাত আভ্যন্তৰীণভাৱে আফগানিস্তানেও নিজৰ স্বকীয় নিৰাপত্তা আৰু জাতীয় মৰ্যদাৰ প্ৰতি লক্ষ্য ৰাখি বৃটিশ নিয়ন্ত্ৰণপৰা সম্পূৰ্ণৰূপে মুক্ত হোৱাৰ প্ৰয়াস কৰিছিল। এনে অৱস্থাতে ১৯১৯ চনৰ ২০ ফেব্ৰুৱাৰী তাৰিখে আঁততায়ীৰ হাতত হবিবুল্লাহৰ মৃত্যু হোৱাত তেওঁৰ পুত্ৰ আমানুল্লাহ আফগানিস্তানৰ আমিৰ হয়। তেওঁ সিংহাসনত আৰোহণ কৰাৰ কেই মাহ মানৰ ভিতৰতে বৃটিশৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। এইখনেই তৃতীয় ইংগ-আফগান যুদ্ধ (১৯১৯-২১)। ১৯২১ চনত বৃটিশৰ সৈতে কৰা চুক্তিৰ চৰ্ত মতে আফগানিস্তান সম্পূৰ্ণৰূপে বৃটিশ নিয়ন্ত্ৰনৰপৰা মুক্ত হৈ পৰে আৰু এখন স্বাধীন ৰাষ্ট্ৰৰূপে বৰ্তি থকাৰ আন্তৰাষ্ট্ৰীয় মৰ্যদা লাভ কৰে।

বৃটিশৰ সিন্ধু প্ৰদেশ দখলঃ

প্ৰথম ইংগ-আফগান যুদ্ধৰ পাৰ্শ্ব ক্ৰিয়াৰ ফল স্বৰূপে বৃটিশে ১৮৪৩ চনত সিন্ধু প্ৰদেশ দখল কৰে। পাঞ্জাবৰ দক্ষিণে সিন্ধু নদৰ নামনি অৱবাহিকাৰপৰা আৰব সাগৰলৈ বিস্তৃত শুকান অঞ্চলটোৱেই সিন্ধু প্ৰদেশ। অষ্টাদশ শতিকাত এই অঞ্চলত বেলুচিস্তানৰ টালপুৰা জনজাতিৰ গোষ্ঠী প্ৰধানসকলে শাসন কৰিছিল, আফগানিস্তানৰ দৰে সিন্ধুৰ এই শাসনকৰ্তাসকলকো আমিৰ বোলা হৈছিল। ১৮৩১ চনত ছাৰ আলেকজেণ্ডাৰ বাৰ্ণেছৰ লাহোৰ যাত্ৰাৰ সময়তে এই অঞ্চলটো বৃটিশৰ সংস্পৰ্শলৈ আহে। তেতিয়াৰপৰা বৃটিশে উক্ত অঞ্চলটো দখল কৰি নিজ ৰাজ্যভুক্ত কৰাৰ প্ৰয়াস কৰিবলৈ ধৰে। ইফালে তেওঁলোকৰ বন্ধু পাঞ্জাবৰ মহাৰজা ৰণজিৎ সিঙেও ১৮৩১ আৰু ১৮৩৪-৩৬ চনৰ ভিতৰত দুবাৰো সেই অঞ্চলটো অধিকাৰ কৰি নিজ ৰাজ্য বহলোৱাৰ ইচ্ছা কৰে যদিও বৃটিশৰ পৰা সঁহাৰি নাপাই সেই আশা পৰিত্যাগ কৰিবলৈ বাধ্য হয়।

১৮৩২ চনত লৰ্ড কাবেণ্ডিছ বেন্টিংকৰ চৰকাৰে সিন্ধুৰ আমিৰসকলৰ সৈতে এটি চুক্তি কৰি পোনতে সিন্ধুৰ আমিৰসকলৰ সৈতে সম্পৰ্ক স্থাপন কৰে। এই সম্পৰ্ক আছিল

বাণিজ্যিক স্বাৰ্থ জড়িত। এই চুক্তিকে ১৮৩৪ আৰু ১৮৩৮ চনত বৃটিশৰ স্বাৰ্থৰ অনুকূলে দুবাৰো সংশোধন কৰা হয়। দ্বিতীয়বাৰৰ সংশোধনী মৰ্মে আমিৰসকলে হায়দাৰাবাদত বৃটিশ কূটনৈতিক বিষয়া এজন নিযুক্ত কৰাৰ প্ৰতি সম্মতিদিয়ে। সেই মৰ্মে গৱৰ্ণৰ-জেনেৰেল লৰ্ড এলেন-বৰোৱে (Lord Allenborough) ছাৰ জেইমছ আউতৰামক (Sir James Outram) হায়দাৰাবাদত কূটনৈতিক বিষয়াৰূপে নিযুক্তি দিয়ে। এই ব্যৱস্থাই সিন্ধুৰ আমিৰসকলৰ বৈদেশিক নীতি পৰিচালনা কৰাৰ দায়িত্ব বৃটিশ-ভাৰত চৰকাৰৰ ওপৰত ন্যস্ত কৰে আৰু তাৰেই পৰিণতি স্বৰূপে তেওঁলোকৰ স্বতন্ত্ৰতা বহু পৰিমাণে হ্ৰাস পাই আহে।

লৰ্ড অকলেণ্ডৰ কাৰ্যকালত প্ৰথম ইংগ-আফগান যুদ্ধৰ সময়ত বৃটিশে সিন্ধুৰ আভ্যন্তৰীণ ৰাজনৈতিক বিষয়তহস্তক্ষেপ কৰাৰ প্ৰয়াস কৰে। এই যুদ্ধৰ সময়তে সিন্ধুক আফগানিস্তানৰ বিৰুদ্ধে সূচনা কৰা যুদ্ধৰ ঘাটি হিচাপে ব্যৱহাৰ কৰা হয়। তাতেই সন্তুষ্ট নাথাকি ১৮৩৯ চনত বৃটিশে সিন্ধুৰ আমিৰসকলৰ ওপৰত বৈশ্যতামূলক মিত্ৰতা নীতি জাপি দি নতুন চুক্তি এটি সম্পাদন কৰে। এই চুক্তিৰ অধীনত আমিৰসকলে—

(১) সিন্ধুত এটি বৃটিশৰ সহায়ক সেনা বাহিনী মজুত কৰি ৰাখিব লাগিছিল,

(২) সেই বাহিনীটোৰ ভৰণ-পোষণৰ বাবদ কোম্পানীৰ চৰকাৰক বাৰ্ষিক ৩ লাখ টকা আদায় দিব লাগিছিল,

(৩) সিন্ধু নদত চলাচল কৰা বৃটিশ জাহাজৰ ইন্ধনৰ খৰছ বহন কৰিব লাগিছিল,

(৪) নিজৰ নামত মুদ্ৰা তৈয়াৰ কৰিব নোৱাৰিছিল,

(৫) এই চুক্তিৰ অধীনত বৃটিশ চৰকাৰে মুদ্ৰা তৈয়াৰ কৰিব আৰু তেনে মুদ্ৰাৰ এফালে ইংলেণ্ডৰ ৰাজমুকুটৰ প্ৰতিকৃতি অঙ্কিত কৰা থাকিব।

বৈশ্যতামূলক মিত্ৰতা নীতিৰ আধাৰত স্বাক্ষৰিত এই চুক্তিটো হায়দাৰাবাদৰ কূটনৈতিক বিষয়া ছাৰ জেইমছ আউতৰামক কাৰ্যকৰী কৰিবলৈ নিদি বৰং সেইটো কৰিবলৈ ছাৰ চাৰ্লছ নেপিয়াৰক (Sir Charles Napier) দায়িত্ব অৰ্পণ কৰি সিন্ধুলৈ পঠিয়াইছিল। এই চুক্তিয়ে সিন্ধুৰ আমিৰসকলক তলে তলে ভীষণ বিদ্ৰোহী কৰি তুলিছিল, কিন্তু তেওঁলোকে বিশেষ একো কৰিবলৈ নৌপাওতেই নেপিয়াৰে, কোনো আনুষ্ঠানিক যুদ্ধ ঘোষণা নকৰাকৈ, এফালৰপৰা সিন্ধুখন মহতিয়াই যায়। মিয়ানী, হায়দাৰাবাদ আৰু খৈইপুৰৰ আমিৰসকলে এটা এটাকৈ নেপিয়াৰৰ হাতত পৰাস্ত হয়। মিয়ানীত তেওঁ প্ৰায় ৩,০০০ হাজাৰ সৈনিকৰ নেতৃত্ব কৰি সিন্ধুৰ প্ৰায় ৩০,০০০ হাজাৰ সৈন্যৰে গঠিত প্ৰকাণ্ড সেনা বাহিনী এটিক পৰাভূত কৰি বিজয় সাব্যস্ত কৰে। এই যুদ্ধত সিন্ধুৰ প্ৰায় ৫,০০০ সৈনিক ৰণত পৰে।

নেপিয়াৰে অকল হায়দাৰাবাদতে ১০,৫০,০০০ টকাসহ প্ৰচুৰ সা-সম্পত্তি লুণ্ঠন কৰে। আমিৰসকলক দেশান্তৰিত কৰি তেওঁলোকৰ দেশখন ১৮৪৩ চনৰ আগষ্ট মাহত নেপিয়াৰে কোম্পানীৰ বৃটিশ-ভাৰতসাম্ৰাজ্যৰ সৈতে চামিল কৰে।

সিন্ধু অধিকাৰ কৰি বৃটিশ-ভাৰত সাম্ৰাজ্যভূক্ত কৰাৰ কোনো যুক্তিসংগত কাৰণ নাছিল, আনকি সিন্ধু বিজেতা ছাৰ চাৰ্লছ নেপিয়াৰে তেওঁৰ দিনপঞ্জীত লেখিছিল, "We have no right to seize Sind, yet we shall do so, and a very advantageous, useful, humane piece of rascality it will be "

***

আৰ্হি প্ৰশ্নমালাঃ

<u>ৰচনা ধৰ্মী প্ৰশ্নঃ</u>

১। উনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত বৃটিশে ভাৰতবৰ্ষৰ চুবুৰীয়া দেশৰ প্ৰতি কেনে ধৰণৰ নীতি লৈছিল চমুকৈ আলোচনা কৰা।

২। অকল প্ৰাকৃতিক-ভৌগোলিক সীমাৰেখা লাভৰবাবেই বৃটিশে ভাৰতবৰ্ষৰ চুবুৰীয়া দেশসমূহৰ প্ৰতি আক্ৰমণাত্মক নীতি লৈছিলনে?

৩। উনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত ইংগ-আফগান সম্পৰ্কৰ বিষয়ে আলোচনা কৰা।

৪। উনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত কি কাৰণে বৃটিশে আফগানিস্তানৰ প্ৰতি অগ্ৰবৰ্তী সীমান্ত নীতি লৈছিল? তাৰ পৰিণতি কি আছিল উল্লেখ কৰিবা।

৫। বিংশ শতিকাৰ আৰম্ভণিতে তিব্বতৰ প্ৰতিবৃটিশে কি নীতি লৈ কাৰ্যকৰী কৰিছিল চমুকৈ আলোচনা কৰা।

৬। দ্বিতীয় ইংগ-বৰ্মী যুদ্ধৰ কাৰণ আৰু পৰিণতি সম্পৰ্কে আলোচনা কৰা।

৭। ভাৰতবৰ্ষৰ উত্তৰ সীমান্তত থকা চিক্কিম আৰু ভূটানৰ প্ৰতি বৃটিশে কেনে ধৰণৰ নীতি লৈ কাৰ্যকৰী কৰিছিল আলোচনা কৰা।

৮। বৃটিশৰ সিন্ধু আক্ৰমণ আৰু অধিগ্ৰহণ ন্যায় সংগত আছিলনে? যুক্তি দৰ্শাই আলোচনা কৰা।

৯। ইংগ-নেপাল যুদ্ধ আৰু তাৰ পৰিণতি আলোচনা কৰা।

চমু টোকা লিখাঃ

(১) সগৌলী শান্তি চুক্তি,

(২) ১৮৬৫ চনৰ ইংগ-ভূটান সামৰিক সংঘৰ্ষ,

(৩) লাছা চুক্তি,

(৪) ইয়ান্দাবু সন্ধি,

(৫) গন্দামাকৰ চুক্তি।

(৬) দোস্ত মহম্মদ

অতি চমু উত্তৰ দিয়াঃ

(১) পৃথ্বিনাৰায়ণ ছাহ কোন আছিল?

(২) কোন ৰাজাৰ নাম দ্ৰুক-যুল?

(৩) তিব্বতৰ শাসনৰ মুৰব্বীজনৰ নাম কি আছিল?

(৪) মেকমোহন লাইন কি?

চতুৰ্থ অধ্যায়

ভাৰতবৰ্ষত জাতীয় চেতনাৰ উন্মেষ

১৮৫৭ চনৰ পৰৱৰ্তী কালত ধৰ্মীয় আৰু সামাজিক সংস্কাৰ আন্দোলন ঃ

১৮৫৭ চনৰ পিচৰ ধৰ্মীয় আৰু সামাজিক সংস্কাৰ আন্দোলনৰ এক এৰাব নোৱাৰা ধাৰাবাহিকতা আছে। অৰ্থাৎ উনবিংশ শতিকাৰ আৰম্ভণিতে সূচনা কৰা ধৰ্মীয় আৰু সামাজিক সংস্কাৰ আন্দোলনসমূহ পূৰ্বৰ আন্দোলনসমূহৰেই বিস্তৃতি আৰু সম্প্ৰসাৰণ। বিদ্ৰোহৰ আগে-পিচে ভাৰতবৰ্ষত পশ্চিমীয়া আধুনিক শিক্ষাৰ যথেষ্ট সম্প্ৰসাৰণ হৈছিল। অন্য কথা বাদেই সেই সময়ত অকল বেংগল প্ৰেছিডেঞ্চিত শিক্ষিতৰ সংখ্যালৈ চালেই সেই কথা পৰিষ্কাৰ হৈ পৰে। ১৮৫৭ আৰু ১৮৭১ চনৰ ভিতৰত তলত কলকাতা বিশ্ব-বিদ্যায়লৰপৰা ফাৰ্ষ্ট আৰ্টছ (First Arts- F A), বি এ (Bachalor of Arts-B A) আৰু এম এ (M A -Master of Arts) পাচ কৰা লোকৰ সংখ্যা আছিল এনধৰণৰ—

	ফাৰ্ষ্ট আৰ্টছ	বি এ	এম এ
১৮৫৭-৭১	১,৪৯৫	৫৪৮	১১২
১৮৭২-৮২	২,৬৬৬	১,০৩৭	২৮৪

১৮৫৭ চনৰ পূৰ্বৰ ধৰ্মীয় আৰু সামাজিক সংস্কাৰ আন্দোলনে ভাৰতবৰ্ষৰ মুছলমান সমাজখনত বৰ বিশেষ প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাছিল। কিন্তু বিদ্ৰোহৰ পৰৱৰ্তী কালত তেওঁলোকৰ মাজতো ধৰ্মীয় আৰু সামাজিক সংস্কাৰ আন্দোলনে গা কৰি উঠিছিল। সেয়ে বিদ্ৰোহৰ পিচৰ ভাৰতবৰ্ষৰ ধৰ্মীয় আৰু সামাজিক সংস্কাৰ আন্দোলনৰ অন্যতম প্ৰধান লক্ষণীয় বিষয় আছিল মুছলমানসকলৰ মাজত গঢ়ি উঠা ধৰ্মীয় আৰু সামাজিক সংস্কাৰ আন্দোলন। তেওঁলোকৰ বদ্ধমূল ধাৰণা আছিল যে যিহেতু ইংৰাজে ভাৰতবৰ্ষত মুছলমান শাসনকৰ্তাসকলক অপসাৰিত কৰি নিজেই শাসনৰ গাদীত অধিষ্ঠিত হৈ পৰিছে সেয়ে তেওঁলোকে বৃটিশে প্ৰৱৰ্তন কৰা আধুনিক পশ্চিমীয়া শিক্ষা গ্ৰহণৰপৰা আঁতৰি আছিল। আনকি বৃটিশৰ শাসন প্ৰৱৰ্তনৰ সমান্তৰালভাৱে দেশত যিবিলাক নতুন নতুন সামাজিক-ৰাজনৈতিক ধ্যান-ধাৰণাৰ সৃষ্টি হৈছিল সেইবিলাকৰপৰাও তেওঁলোক সততে আঁতৰি আছিল। তেওঁলোকে ইংৰাজ আৰু বৃটিশ শাসনৰ সৈতে বৰ-বেছি সংস্ৰৱ ৰখা নাছিল।

যে হিন্দুৰেই হওক বা মুছলমানেই হওক, ধৰ্মীয় আৰু সামাজিক সংস্কাৰ আন্দোলন বহু

সময়তে পুনৰুত্থানবাদী (Revivalist movements) আন্দোলনলৈ পৰ্যবসিত হৈছিল। বিশেষকৈ বংগৰ ব্ৰাহ্ম সমাজ, মহাৰাষ্ট্ৰৰ প্ৰাৰ্থনা সমাজ, পাঞ্জাবৰ আৰ্য সমাজ আৰু মুছলমানসকলৰ মাজত চলা ওৱাহাবী আৰু আলিগড় আন্দোলন পুনৰুত্থানবাদী আন্দোলনৰূপে আত্ম প্ৰকাশ কৰিছিল।

আনহাতে বিদ্ৰোহৰ আগত বা পিচত আৰম্ভ হোৱা ধৰ্মীয় আৰু সামাজিক সংস্কাৰ আন্দোলন বহু পৰিমাণে দেশীয় মানৱতাবাদ আৰু পশ্চিমীয়া যুক্তিবাদৰ সংশ্লেষণৰ ফল স্বৰূপে গঢ়ি উঠিছিল। দেশীয় সমাজখনৰ একাংশ লোক সদায়েই মানৱতাবাদী আছিল, কিন্তু যুক্তিবাদৰ অভাৱত গৰিষ্ঠ সংখ্যাক লোকৰ মাজত তাক প্ৰকাশ্যে লৈ যোৱাতো জটিল আছিল। ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত বিশেষকৈ তিনিওখন প্ৰেছিডেঞ্চিৰ বিশ্ববিদ্যালয় আৰু কলেজসমূহৰপৰা ওলোৱা প্ৰাক স্নাতক, স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰীধাৰী লোকৰ সংখ্যা বৃদ্ধিৰ লগে লগে সমাজত যুক্তিবাদী মনৰ মানুহৰ সংখ্যাও বৃদ্ধি পাইছিল। তেওঁলোকে নিজ নিজ সমাজত প্ৰচলিত ধৰ্মীয় অন্ধবিশ্বাস, কুসংস্কাৰ আৰু সেইবিলাকক আশ্ৰয় কৰি চলি অহা তথাকথিত সামাজিক নীতি-নিয়ম, আচাৰ-অনুষ্ঠান, ঐতিহ্য-পৰম্পৰাসমূহক বৈজ্ঞানিক দৃষ্টিৰে যুক্তিবাদৰ কষতি শিলত ঘহি-পিহি পংখানুপুংখভাৱে চালি-জাৰি চাই আঁতৰ কৰিবলৈ সক্ষম হৈ উঠিছিল। সামাজিক নীতি-নিয়ম ধৰ্ম কেন্দ্ৰীক হৈ বৰ্তি থকাটো কঠিন হৈ পৰিছিল। কোনো এটা পৰম্পৰা, যেনে সতীদাহ বা বাল্য বিবাহ, ধৰ্মাশ্ৰয়ী বুলি ক'লেই নহ'ব, সি যুক্তিবাদী আদৰ্শৰ ফালৰপৰা গ্ৰহণযোগ্যও হ'ব লাগিব। গতিকে যুক্তি-তৰ্কাতীত কোনো কথাই সৰ্বজনগ্ৰাহ্য হৈ পৰাটো কঠিন হৈ পৰিছিল।

ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত ধৰ্মীয় আৰু সমাজ সংস্কাৰৰ ঢৌৱে কেৱল হিন্দু আৰু মুছলমান সমাজকে চুই যোৱা নাছিল, লগতে পাৰ্চী আৰু শিখ সমাজকো সেই আন্দোলনৰ কোবাল বতাহে সমানেই জোকাৰি গৈছিল।

এইখিনিতে উল্লেখ কৰিব পাৰি যে ঊনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ ধৰ্মীয় আৰু সমাজ সংস্কাৰ আন্দোলন কেৱল হিন্দু সমাজ কেন্দ্ৰীক আছিল। হিন্দু সমাজতো সংস্কাৰ আন্দোলনৰ প্ৰধান বিষয় আছিল ধৰ্মৰ নামত চলি থকা কুসংস্কাৰ, অন্ধবিশ্বাসৰ অৱসান ঘটোৱা, তাৰ বাবে সমাজত পশ্চিমীয়া আধুনিক শিক্ষাৰ প্ৰচাৰ, প্ৰসাৰ আৰু সম্প্ৰসাৰণ ঘটোৱা। দ্বিতীয়তে, হিন্দু সমাজত প্ৰচলিত ব্যাধি আছিল সমাজত নাৰীৰ অৱনমিত অৱস্থান। হিন্দু সমাজত নাৰীক কেন্দ্ৰ কৰি কেবা শতিকাৰ পূৰ্বৰেপৰা চূড়ান্ত ব্যাভিচাৰ চলি আহিছিল। সতী দাহ প্ৰথা, বাল্য বিবাহ, শিশু কন্যা বধ আদি ভালেমান সামাজিক ব্যাধি তথাকথিত ধৰ্মৰ নামত চলি আহিছিল। গতিকে হিন্দু সমাজত সূচনা হোৱা সংস্কাৰ আন্দোলনৰ মূল বিষয় আছিল নাৰী। তৃতীয়তে, সংস্কাৰ আন্দোলনৰ আনটো বিষয় আছিল নিম্ন জাতৰ লোকৰ ক্ষেত্ৰত

চলি অহা শোষণ-অন্যায়-অত্যাচাৰ-নিৰ্যাতনৰ অৱসান ঘটোৱা। এই ধৰ্মীয় আৰু সামাজিক সংস্কাৰ আন্দোলনত দেশৰ ভালেমান ব্যক্তি আৰু সংগঠনে এক সদৰ্থক ভূমিকা লৈছিল। তলত সেই বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হ'ল।

প্ৰাৰ্থনা সমাজঃ

বোম্বেত প্ৰাৰ্থনা সমাজৰ প্ৰতিষ্ঠাতা আছিল ডাঃ আত্মাৰাম পাণ্ডুৰংগ। বংগৰ ব্ৰাহ্ম সমাজৰ অন্যতম নেতা কেশৱ চন্দ্ৰ সেনে (১৮৩৮-৮৪) ১৮৬৭ চনত তেওঁৰ বোম্বে ভ্ৰমণৰ কালত পাণ্ডুৰংগৰ সৈতে ঘনিষ্ঠ সম্পৰ্কলৈ আহিছিল। বোম্বে বা মহাৰাষ্ট্ৰৰ প্ৰাৰ্থন সমাজ আছিল বংগৰ ব্ৰাহ্ম সমাজৰ মাৰাঠীৰূপ বা সংস্কৰণ। কাৰণ প্ৰাৰ্থনা সমাজে ব্ৰাহ্ম সমাজৰ নীতি আৰু আদৰ্শ আৰু কাৰ্যসূচীকেই গ্ৰহণ কৰি সমাজ সংস্কাৰৰ কামত ব্ৰতী হৈ পৰিছিল। সংগঠিত হোৱাৰপৰাই ঐতিহাসিক আৰু বিখ্যাত সংস্কৃত পণ্ডিত আৰ জি ভাণ্ডাৰকাৰ আৰু মহাদেৱ গোবিন্দ ৰানাডে (১৮৪২-১৯০১) আদি এই সমাজৰ সৈতে আদিৰেপৰা জড়িত হৈ পৰিছিল। উচ্চ-নীচ ভাব পৰিহাৰ কৰি সমাজৰপৰা জাত প্ৰথা আঁতৰ কৰা, নাৰী শিক্ষাৰ ব্যৱস্থা কৰা আৰু বিধবা বিবাহৰ প্ৰচলন কৰা আদি উক্ত সমাজৰ প্ৰধান কাৰ্যসূচী আছিল।

প্ৰাৰ্থনা সমাজে সমাজ সংস্কাৰ আৰু শিক্ষা প্ৰচাৰৰ বাবে মহাৰাষ্ট্ৰত কেবাটাও অন্যান্য ভগ্নী সংগঠন গঢ়ি তুলিছিল, সেইবিলাকৰ ভিতৰত প্ৰধান আছিল—বিধবা বিবাহ সমাজ, দলিত উদ্ধাৰ মিছন, ডেক্কান এডুকেচনেল ছচাইটি (Deccan Educational Society) আদি।

ৰামকৃষ্ণ মিছনঃ

ৰামকৃষ্ণ মিছনৰ প্ৰতিষ্ঠাতা আছিল স্বামী বিবেকানন্দ (১৮৬৩-১৯০২) তেওঁৰ প্ৰকৃত নাম আছিল নৰেন্দ্ৰনাথ দত্ত। তেওঁ কলকাতাৰ এটি প্ৰসিদ্ধ অভিজাত পৰিয়ালত জন্ম লাভ কৰিছিল। কলেজত অধ্যয়ন কৰা কালত তেওঁ ব্ৰাহ্ম সমাজৰ উগ্ৰ সমৰ্থক আৰু সদস্য আছিল। ব্ৰাহ্ম সমাজৰ সৈতে মত বিৰোধ হোৱাত পিচত তেওঁ ৰামকৃষ্ণ পৰমহংসৰ শিষ্যত্ব গ্ৰহণ কৰিছিল আৰু সন্যাস ব্ৰত লৈ জীৱন অতিবাহিত কৰিছিল। বিবেকানন্দ দুৰ্গতজনৰ ত্ৰাণকৰ্তা আছিল। তেওঁ সন্যাস, আধ্যাত্মিক সাধনা আৰু বিশ্ব ভ্ৰাতৃত্বত বিশ্বাস কৰিছিল। ১৮৯৭ চনত গুৰুৰ নামানুসাৰে দুৰ্গতজনৰ সাহায্যৰ্থে ৰামকৃষ্ণ মিছন স্থাপন কৰে। ই বৰ্তমানৰ বেচৰকাৰী সেৱা সংগঠনৰ দৰে আছিল। ৰামকৃষ্ণ মিছন স্থাপন কৰাৰ কেইবছৰমান পূৰ্বে ১৮৯৩ চনত তেওঁ বিশ্ব ধৰ্মীয় মহা সন্মিলনত অংশ গ্ৰহণ কৰিবলৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিকাগো চহৰলৈ গৈছিল। ১৮৯৯ চনত তেওঁ কলকাতাৰ ওচৰত বেলুৰ মঠ স্থাপন কৰিছিল। বেলুৰ মঠেই ৰামকৃষ্ণ মিছনৰ প্ৰধান কাৰ্যালয়।

ৰামকৃষ্ণ মিছনে দেশৰ ভিতৰে-বাহিৰে ভালেমান শিক্ষানুষ্ঠান, চিকিৎসালয়, পুথিভঁৰাল, নিৰাশ্ৰৰ আশ্ৰয় গৃহ, সভাগৃহ আদি স্থাপন কৰি দিছে। সংগঠনটো প্ৰতিষ্ঠা কৰাৰেপৰা মানৱ কল্যাণমূলক কামত জড়িত হৈ আছে।

আৰ্য সমাজঃ

স্বামী দয়ানন্দ চৰস্বতীয়ে (১৮২৫-৮৩) পোনেত ১৮৭৫ চনত বোম্বেত আৰু পিচত (১৮৭৭) লাহোৰত আৰ্য সমাজ প্ৰতিষ্ঠা কৰিছিল। দয়ানন্দৰ আচল নাম আছিল মূলাশঙ্কৰ। তেওঁ কাথিওবাৰৰ এটি ব্ৰাহ্মণ পৰিয়ালত জন্ম লাভ কৰিছিল। তেওঁ প্ৰতিষ্ঠা কৰা আৰ্য সমাজৰ আদৰ্শ আছিল বেদলৈ ওভতি যোৱা। আৰ্য সমাজৰ ধৰ্মীয় আৰু সমাজ সংস্কাৰৰ আৰ্হি-আদৰ্শও আছিল বেদ নিসৃত। দয়ানন্দ আৰু তেওঁৰ অনুগামীসকলে বেদক অভ্ৰান্ত বুলি স্বীকাৰ কৰিছিল। তেওঁ বেদক সকলো শক্তিৰ আধাৰ আৰু সকলো জ্ঞানৰ উৎসৰূপে গণ্য কৰিছিল। তেওঁ **সত্যাৰ্থ প্ৰকাশ** নামে গ্ৰন্থ এখন প্ৰনয়ণ কৰিছিল।

তেওঁ ইছলাম আৰু খৃষ্টান দুয়োটা ধৰ্মকে হিন্দু ধৰ্মৰ শত্ৰু জ্ঞান কৰিছিল। যিসকল হিন্দুৱে ইছলাম বা খৃষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত হৈছিল তেওঁলোকক পুনৰ হিন্দু ধৰ্মৰ গণ্ডীলৈ ওভতাই অনাৰ উদ্দেশ্যে তেওঁ শুদ্ধী আৰু সংগঠন (Suddhi and Sangathan movement) নামে এটি প্ৰতিবাদী আন্দোলন (Counter movement) গঢ়ি তুলিছিল। তেওঁ হিন্দু সমাজত প্ৰচলিত সতী প্ৰথা আৰু বাল্য বিবাহৰ বিৰোধী আছিল আৰু সেই কুপ্ৰথাৰপৰা সমাজখন মুক্ত কৰাৰ বাবে তেওঁ আৰু তেওঁৰে প্ৰতিষ্ঠা কৰা আৰ্য সমাজে চেষ্টা কৰিছিল।

আৰ্য সমাজ যদিও পোনতে বোম্বেত প্ৰতিষ্ঠা কৰা হৈছিল, সেই সমাজে আৰম্ভ কৰা আন্দোলন পিচৰ পিনে পাঞ্জাব আৰু উত্তৰ প্ৰদেশতহে অধিক ক্ৰিয়াশীল আৰু তীব্ৰ আছিল। স্বামী শ্ৰদ্ধানন্দ, লালা লাজপত ৰায়, লালা হংসৰাজ আদি আৰ্য সমাজৰ প্ৰধান সহযোগী আৰু কাৰ্যকাৰক আছিল। আৰ্য সমাজে দেশৰ ভালেমান অঞ্চলত বহুবিলাক স্কুল-কলেজ গঢ়ি তুলিছিল। সেইবিলাকৰ ভিতৰত ১৮৮৬ চনত হংসৰাজৰ নেতৃত্বত লাহোৰত স্থাপন কৰা "Dayananda Anglo-Vedic School" খনেই আছিল উল্লেখনীয়।

থিওছফিকেল ছচাইটিঃ

থিওছফিকেল ছচাইটি দুগৰাকী ব্যক্তিৰ যুটীয়া সাধনাৰ সৃষ্টি। এগৰাকী আছিল ৰুচ মহিলা হেলেনা পেট্ৰোভনা ব্লাভাট্স্কী (Helena Petrovna Blavatsky) আৰু দ্বিতীয় গৰাকী আমেৰিকা যুক্তৰাষ্ট্ৰৰ লোক, কৰ্ণেল অলকট (Colonel H.S Olcott)। দুয়োজনে ১৮৭৫ চনত পোনতে আমেৰিকাৰ নিউ ইয়ৰ্ক চহৰত থিওছফিকেল ছচাইটিৰ প্ৰতিষ্ঠা কৰিছিল। পিচত তেওঁলোক দুয়োজনে ১৮৭৯ চনত ভাৰতবৰ্ষলৈ আহে আৰু মাদ্ৰাজৰ ওচৰৰ আদিয়াৰত উক্ত সংগঠনৰ মুখ্য কাৰ্যালয় স্থাপন কৰে।

এই সংগঠনৰ সৈতে জড়িত তৃতীয় গৰাকী ব্যক্তিও বিদেশী, তেওঁ আছিল আইৰিচ মহিলা, নাম এনি বেছান্ত (Mrs Annie Besant) (১৮৪৭-১৯৩৩)। তেওঁ ১৮৮৩ চনত ভাৰতবৰ্ষলৈ আহিছিল। এওঁৰ উদ্যোগতেই এই সংগঠনটো ভাৰতবৰ্ষৰ সমাজ সংস্কাৰৰ এক উল্লেখনীয় আহিলাত পৰিণত হয়। আত্মজ্ঞানৰ সহায়ত আধ্যাত্মিক প্ৰশান্তি লাভ কৰাটোৱেই এই সমাজৰ মুখ্য লক্ষ্য আছিল। এই সমাজে মাত্ৰ এক ভগবানৰ অস্তিত্বত বিশ্বাস কৰিছিল আৰু হিন্দু আৰু জুৰাথুষ্ট্ৰ ধৰ্মৰ মাজত সমন্বয় অনাটো বিচাৰিছিল। এনি বেছান্ত ১৯০৭ চনৰপৰা মৃত্যুৰ সময়লৈ অৰ্থাৎ ১৯৩৩ চনলৈ প্ৰায় ২৬ বছৰ ধৰি এই সংগঠনৰ সভানেত্ৰী আছিল।

এইখিনিতে উল্লেখ কৰিব পাৰি যে এনি বেছান্তে ১৯১৬ চনৰপৰা দেশত হোম ৰুল মোভমেন্ট নামে এটি ৰাজনৈতিক আন্দোলনৰো নেতৃত্ব বহন কৰিছিল। ১৯১৮ চনত তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভানেত্ৰী হৈছিল।

আলিগড় আন্দোলনঃ

আলিগড আন্দোলনৰ কথা ওলালে ছাৰ ছৈয়দ আহম্মদ খাঁৰ (১৮১৭-৯৮) কথা আহিবই, কিয়নো ছাৰ ছৈয়দ আহম্মদ খাঁ আৰু আলিগড় আন্দোলন আছিল এটা মুদ্ৰাৰ দুটা পিঠি। মুঠতে তেওঁ আলিগড আন্দোলনৰ জনক আছিল। তেওঁ জীৱনৰ আদিৰেপৰা ধৰ্মীয় গোড়ামিৰ প্ৰতি বীতশ্ৰদ্ধ আছিল। কোনো ক্ষেত্ৰতে ধৰ্মীয় মতান্ধতাৰ সৈতে তেওঁৰ ৰাহি-জোৰা নাছিল। ১৮৩৩ চনত তেওঁ ইংলিশ ইষ্ট ইণ্ডিয়া কোম্পানীৰ সাধাৰণ কেৰাণীৰূপে কাৰ্যনিৰ্বাহ কৰিবলৈ লৈছিল। তাৰ পিচত তেওঁ ১৮৪১ চনত মুনচিফ আৰু ১৮৫৭ চনত সদৰামিনলৈ পদোন্নতি লাভ কৰিছিল।

১৮৭৬ চনত চৰকাৰী চাকৰীৰপৰা অৱসৰ পোৱাৰ পিচত তেওঁ কেন্দ্ৰীয় লোক সেৱা আয়োগৰ সদস্য নিৰ্বাচিত হৈছিল আৰু ১৮৭৮-৮২ চনৰ কালছোৱাত তেওঁ ভাইচৰয়ৰ কাৰ্যবাহী পৰিষদৰ সদস্য মনোনীত হৈছিল। গতিকে দেখা যায় যিজন ব্যক্তিয়ে আলিগড় আন্দোলনৰ সূচনা কৰিছিল তেওঁৰ চৰকাৰী বিষয়াৰূপে প্ৰচুৰ অভিজ্ঞতা আছিল।

ভাৰতীয় মুছলমানসকলৰ অনগ্ৰসৰতা আৰু পশ্চাদপদতা দেখি ছাৰ ছৈয়দ আহম্মদ খাঁ মৰ্মাহত হৈছিল আৰু সেই লোকসকলৰ ধৰ্মীয় আৰু সামাজিক কল্যাণ সাধন কৰিবলৈ তেওঁ বদ্ধপৰিকৰ হৈ পৰিছিল। স্বধৰ্মী মুছলমানসকলক ধৰ্মীয় গোড়ামিৰপৰা মুক্ত কৰাৰ উদ্দেশ্য আগত ৰাখি তেওঁ পোনতে ধৰ্ম সংস্কাৰত মনোনিবেশ কৰিছিল। সেইটো কৰিবলৈ তেওঁ লগতে মুছলমানসকলৰ বাবে এক উদাৰ শিক্ষা নীতি আৰু ব্যৱস্থাৰ পোষকতা কৰি কৰ্মক্ষেত্ৰত নামি পৰিছিল। ভাৰতীয় মুছলমানসকলৰ মাজৰপৰা ধৰ্মীয় গোড়ামি আৰু ধৰ্মান্ধতা আঁতৰ কৰিবলৈ হ'লে যে তেওঁলোকৰ মাজত শিক্ষা প্ৰচাৰৰ প্ৰয়োজন তেওঁ

সেই কথা ভালদৰে উপলব্ধি কৰিছিল। তেওঁ ভালেমান বছৰ ইংলেগুত আছিল আৰু তেতিয়াই তেওঁ পশ্চিমীয়া শিক্ষা, সভ্যতা-সংস্কৃতিৰ উপাসক হৈ পৰিছিল।

ভাৰতীয় মুছলমানসকলক পশ্চিমীয়া সভ্যতা-সংস্কৃতিৰ প্ৰতি আকৰ্ষণ কৰিবলৈ তেওঁ পোনতে দুখন মাদ্ৰাছা স্থাপন কৰিছিল—এখন মোৰাদাবাদত আৰু আমনখন গাজীপুৰত। এইখিনিতে উল্লেখ কৰিব পাৰি যে চৰকাৰী চাকৰিয়াল হৈ থাকোঁতেও তেওঁ বিভিন্ন ঠাইত ভালেমান স্কুল স্থাপন কৰিছিল। তেওঁৰ দ্বিতীয় পদক্ষেপটো আছিল কলেজ স্থাপন কৰাৰ ক্ষেত্ৰত। ইংৰাজ বিষয়া-আমোলা, আৰু হিন্দু আৰু মুছলমান মধ্যবিত্ত শ্ৰেণীৰ সমৰ্থনত তেওঁ সেই দিশতো কৃতকাৰ্যতা লাভ কৰে। ১৮৭৫ চনত তেওঁ আলিগড়ত মহম্মেদান এংলো-অৰিয়েন্টেল কলেজ (Muhammedan Anglo-Oriental College) স্থাপন কৰে। পিচত ইয়াক Aligarh Muslim University লৈ উন্নীত কৰা হয়। এই কলেজ স্থাপন কৰাৰ সম্পৰ্কত তেওঁ হিন্দু, মুছলমান, পাৰ্চী, খৃষ্টান আদি বিভিন্ন লোকৰপৰা সহায় লাভ কৰিছিল।

এইখিনিতে এটা কথা উল্লেখ কৰাটো উচিত হ'ব যে বিদ্ৰোহৰ আগত আৰু বিদ্ৰোহৰ পিচত ভালেমান বছৰলৈ বৃটিশে ভাৰতীয় মুছলমানসকলক বিশেষ বিশ্বাসত লোৱা নাছিল, কিন্তু হিন্দুসকলৰ মাজত বাঢ়ি অহা চৰকাৰ বিৰোধী মানসিকতাই বৃটিশক লাহে লাহে মুছলমানসকলৰ প্ৰতি সহানুভূতিশীল হ'বলৈ বাধ্য কৰিছিল। সেয়ে ছাৰ ছৈয়দ আহম্মেদ খাঁক তেওঁলোকে পৃষ্ঠপোষকতা কৰিবলৈ ধৰিছিল। তেওঁক কেন্দ্ৰ কৰি মুছলমানসকলৰ মাজত হিন্দুসকলৰ বিৰুদ্ধে এটি প্ৰতিসম আৰু বৃটিশ ভক্ত সামাজিক শক্তি তৈয়াৰ কৰিবলৈ বৃটিশসকল সচেষ্ট হৈ পৰিছিল। গতিকে ইংৰাজসকলে ছৈয়দ আহম্মেদ খাঁক কলেজ খোলাত সহায় কৰিছিল। বৃটিশে এইটো ভালকৈ জানিছিল যে ছাৰ ছৈয়দ আহম্মদ খাঁ ধৰ্ম মুক্ত হ'লেও তেওঁৰ অনুগামীসকল ইমান ধৰ্ম মুক্ত নহয়, বিশেষকৈ ছাৰ ছৈয়দ আহম্মদ খাঁৰ সৈতে আলিগড় আন্দোলনত জড়িত অন্যান্য মুছলমান ব্যক্তিসকল আধুনিক শিক্ষাৰে শিক্ষিত আধুনিক মনৰ লোক নাছিল, তেওঁলোক আছিল সামন্তবাদী ধ্যান-ধাৰণাপুষ্ট নবাব, জমিদাৰ আৰু চৰকাৰী আমোলা-বিষয়া। তেওঁলোক সততে প্ৰতিক্ৰিয়াশীল আৰু হিন্দুসকলৰ বিৰোধী আৰু বৃটিশৰ বন্ধু। তেওঁলোক বৃটিশ ঔপনিবেশিক শাসনৰ সমৰ্থক।

ৰাজনৈতিক সামাজিক দৃষ্টিভঙ্গীত ছাৰ ছৈয়দ আহম্মদ খাঁ জাতয়ীতাবাদী মুছলমান আছিল। তেওঁ প্ৰতিষ্ঠা কৰা আলিগড়ৰ মহম্মেদান এংলো-অৰিয়েন্টেল কলেজত ১৮৯৮ চনত ২৮৫ জন ছাত্ৰৰ মাজত ৬৪ জন আছিল হিন্দু, ৭ জন ভাৰতীয় শিক্ষকৰ ভিতৰত ২ জন আছিল হিন্দু, আৰু তাৰো এজন আছিল সংস্কৃত পণ্ডিত। কিন্তু বৃটিশৰ স্বাৰ্থত তেওঁলোকে তেওঁক চলাই-ভুলাই তেওঁলোকৰ ফলীয়া কৰাৰ চেষ্টা আৰম্ভ কৰিছিল। ফ্ৰেঞ্চিছ ৰবিনছন

বোলা ইংৰাজ এজনে কৈছে, " through government policy, Sayyid Ahmad was raised up as the advocate of his community "

ছাৰ ছৈয়দ আহম্মদ খাঁ তেওঁৰ ৰাজনৈতিক সামাজিক জীৱনৰ আদি ভাগত জাতীয়তাবাদী মুছলমান আছিল আৰু তেওঁ হিন্দু আৰু মুছলমানৰ মাজত সম্ভাৱ-সম্প্ৰীতি অটুট থকাটো পছন্দ কৰিছিল। তেওঁ কৈছিল যে হিন্দু আৰু মুছলমানসকল এজনী সুন্দৰ ছোৱালীৰ চকু দুটা সদৃশ, এটাক কষ্ট নিদিয়াকৈ আনটোক আঘাত কৰাটো অসম্ভৱ কথা। তেওঁ আৰু কৈছিল, "The word nation (Qaum) applies to people who inhabit a country, Remember that Hindu and Musulman are religious words, otherwise Hindus, Musulmans and even Christians who inhabit this country- all constitute, on this account, one nation "

কিন্তু সময়ত এইটো দেখা গৈছিল যে আলিগড়ত প্ৰতিষ্ঠা কৰা মহম্মেদান এংলো-অৰিয়েন্টেল কলেজ লাহে লাহে মুছলমানসকলৰ মাজত বিভেদকামী ৰাজনীতি প্ৰচাৰ আৰু প্ৰসাৰৰ এক কেন্দ্ৰত পৰিণত হৈছিল। বৃটিশৰ উদ্দেশ্য আছিল আলিগড় কলেজক কেন্দ্ৰ কৰি ক্ৰমবৰ্দ্ধমান ভাৰতীয় জাতীয়তাবাদক হিন্দু আৰু মুছলমান দুটা পৃথক আৰু প্ৰতিসম ৰাজনৈতিক শক্তিত বিভক্ত কৰা। তেওঁলোক এই ক্ষেত্ৰত বাহুল্য পৰিমাণে সফল হৈছিল। আলিগড়ক কেন্দ্ৰ কৰি যিসকল মুছলমান বুদ্ধিজীৱিৰ সৃষ্টি হৈছিল তেওঁলোকৰ প্ৰায় আটাইখিনিয়েই আছিল বৃটিশৰ প্ৰতি অনুগত।

ছাৰ ছৈয়দ আহম্মদ খাঁ তথা আলিগড আন্দোলনৰ তৃতীয়টো পদক্ষেপ আছিল মুছলমানসকলৰ বাবে পৃথক শিক্ষা সন্মিলন গঠন কৰাটো। তাতো তেওঁ কৃতকাৰ্যতা লাভ কৰিছিল, বিশেষকৈ নাজিৰ আহম্মদ, ছিৰাগ আলি, মৌলানা ছিবি নোমানী, খোদা বক্স আৰু আলটাফ হুছেইন হালিৰ সহযোগত তেওঁ মহম্মেদান এডুকেচনেল কনফাৰেঞ্চ (Muhammedan Educational Conference) সংগঠন কৰিছিল। বিশেষতঃ এই সকলেই আছিল আলিগড় আন্দোলনৰো কৰ্মকৰ্তা আৰু মূল ব্যক্তি।

আলিগড় আন্দোলনে ভাৰতীয় মুছলমানসকলৰ মাজত যথেষ্ট আলোড়নৰ সৃষ্টি কৰিছিল। এই আন্দোলনেই তেওঁলোকৰ মাজত নব জাগৰণৰ সূচনা কৰিছিল যদিও পিচৰ পিনে বৃটিশৰ বিভেদকামী পৃষ্ঠপোষকতা আৰু জাইগিৰদাৰ, জমিদাৰ, নবাব আদি প্ৰতিক্ৰিয়াশীল মুছলমানৰ প্ৰাধান্যৰ ফলশ্ৰুতিত এই আন্দোলন বিপথগামী হৈছিল। নব জাগৰণৰ বিপৰীতে ৰক্ষণশীলতা আৰু ধৰ্মান্ধতা ইয়াৰ মূল আদৰ্শত পৰিণত হৈছিল।

মুছলমানসকলৰ মাজত নব জাগৰণ অনাত অন্য এজন জাতীয়তাবাদী পুৰুষে বিশেষ ভূমিকা লৈছিল, আৰু তেৱেঁই হ'ল ছাৰ (ড°) মহম্মদ ইক্‌বাল (১৮৭৬-১৯৩৮)। তেওঁ একেধাৰে আছিল এজন প্ৰখ্যাত কবি আৰু ভাৰতীয় জাতীয়তাবাদী লোক, এজন

আগশাৰীৰ দাৰ্শনিক আৰু উচ্চ খাপৰ মানৱতাবাদী লোক। তেওঁ স্থবিৰতাৰ বিপৰীতে নিৰবচ্ছিন্ন কৰ্ম সংস্কৃতিৰ প্ৰবক্তা আছিল। তেওঁ ব্যক্তি তথা সমাজত দেখা দিয়া উদাসীনতা পছন্দ নকৰিছিল। সময়ৰ পৰিবৰ্তনৰ লগে লগে সমাজলৈ যি নতুন নতুন চিন্তা-চৰ্চ্চা আৰু ধ্যান-ধাৰণা আহে তেওঁ তাৰ সৈতে তাল মিলাই চলাৰ পক্ষপাতী আছিল। আনকথাত তেওঁ আছিল পৰিবৰ্তনৰ সপক্ষে—ধৰ্ম, সমাজ আৰু দাৰ্শনিক চিন্তা-চৰ্চ্চা সকলোতে।

কিন্তু তেৰোঁ পিচৰ পিনে মুছলমান পৃথকত্ববাদীৰূপে পৰিগণিত হৈছিল। তেওঁৰ এই ভূমিকাৰ বাবেই বৃটিশে তেওঁক ১৯২২ চনত নাইট উপাধিৰে বিভূষিত কৰিছিল। **তৰংগ-ই-হিন্দ** তেওঁৰ বিখ্যাত কবিতাৰ পুথি আৰু তাতেই সন্নিবিষ্ট হৈ আছে তেওঁৰ বিখ্যাত কবিতা **চাৰে জাহাসে আচ্ছা** বোলা কবিতাটি।

পাৰ্চীসকলৰ মাজত ধৰ্মীয় সংস্কাৰ আন্দোলনঃ

হিন্দু আৰু মুছলমান সমাজত চলা ধৰ্মীয় আৰু সমাজ সংস্কাৰ আন্দোলনে ভাৰতীয় পাৰ্চী লোকসকলৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰিছিল। এফালে আধুনিক শিক্ষা আৰু আনফালে সমসামযিক ধৰ্মীয় আৰু সমাজ সংস্কাৰমূলক আন্দোলনে শিক্ষিত পাৰ্চী লোক বিশেষকৈ নৌৰজী ফ্ৰাৰদুনজী, দাদাভাই নৌৰজী, কে আৰ কামা, ফিৰোজ ছাহ মেহ্‌তা, ছোৰাবজী চাপ্ৰুজী বেঙ্গলী (১৮৩১-৯৩) আদিয়ে পাৰ্চীসকলৰ মাজত সংস্কাৰ আন্দোলনৰ গুৰি-বঠা ধৰিছিল।

১৮৫১ চনত পোনতে নৌৰজী ফাৰদুনজী, দাদাভাই নৌৰজী, কে আৰ কামা, ফিৰোজ ছাহ মেহ্‌তা আদি কেইজনমান পাৰ্চী লোকে ৰেহনুমাই মাজদায়চান সভা (Rehnumai Mazdaysan Sabha) নামে এটি ধৰ্ম সংস্কাৰ আন্দোলন বা সংগঠন গঢ়ি তুলিছিল। তেওঁলোকে পাৰ্চী সমাজত মহিলাৰ অৱস্থান উন্নত কৰিবলৈ কেবাটাও কাৰ্যসূচী হাতত লৈছিল, তাৰ ভিতৰত বিবাহৰ সময় বৃদ্ধি, শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ, পৰ্দা প্ৰথাৰ বিলুপ্তি আদি উল্লেখযোগ্য আছিল। তেওঁলোকৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্য আছিল পাৰ্চী সমাজত প্ৰচলিত ধৰ্মীয় গোড়ামিৰ অৱসান ঘটোৱা আৰু সামাজ সংস্কাৰৰ মাজেৰে সামাজিক কল্যাণ সাধন কৰা। সেই একে বছৰতে উক্ত সংগঠনটিয়ে **ৰাষ্ট গফ্‌তাৰ** নামে এখন সংবাদ পত্ৰও প্ৰকাশ কৰিছিল। দাদাভাই নৌৰজী আছিল তাৰ সম্পাদক।

পাৰ্চীসকলৰ মাজত ধৰ্ম তথা সমাজ সংস্কাৰৰ সৈতে দাদাভাই নৌৰজী ইমানকৈ জড়িত আছিল যে তেওঁক বাদ দি পাৰ্চী সমাজৰ কথা চিন্তা কৰিবই নোৱাৰি। দাদাভাই নৌৰজীক সমসাময়িক ভাৰতীয় লোকে শ্ৰদ্ধাৱশতঃ 'The Grand Old Man of India' বুলিছিল। ব্যৱসায় সূত্ৰে তেওঁ ১৮৫৫ চনত ইংলেণ্ডলৈ যায় আৰু তাতে থাকিবলৈ লয়। ১৮৯২-৯৫ চনত লিবাৰেল দলৰ প্ৰাৰ্থী হিচাপে তেওঁ বৃটিশ সংসদলৈ নিৰ্বাচিত

হৈছিল আৰু তেনেদৰে বৃটিশ সংসদলৈ নির্বাচিত হোৱা তেঁৱেই প্রথমজন ভাৰতীয় লোক আছিল।

তেওঁ ভাৰতবৰ্ষত বৃটিশৰ অৰ্থনৈতিক লুণ্ঠনৰ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল, তেওঁৰ লেখা-মেলাবিলাকত তাৰ বিস্তৃত প্রমাণ পোৱা যায়। তেওঁৰ *"Poverty and Un-British Rule in India"* গ্ৰন্থখন ভাৰতবৰ্ষত বৃটিশে কৰা ভদ্ৰবেশী ডকাইতি বা লুণ্ঠনৰ এক বলিষ্ঠ ঐতিহাসিক দস্তাবেজ। তেওঁ বৃটিশে কৰা ভাৰতবৰ্ষৰ এই অৰ্থনৈতিক লুণ্ঠনক "Economic Drain"বুলি অভিহিত কৰিছিল, আৰু তাৰেপৰাই "Drain Theory"ৰ উদ্ভৱ হৈছিল। আনকথাত তেওঁ ভাৰতবৰ্ষত অৰ্থনৈতিক জাতীয়তাবাদৰ স্ৰষ্টা আছিল। ভাৰতবৰ্ষৰ সমসাময়িক জাতীয় জীৱনৰ প্ৰতি তেওঁ দিয়া অৱদানৰ প্ৰতি লক্ষ্য ৰাখি দেশৰ লোকে তেওঁক এবাৰ এবাৰকৈ তিনিবাৰ— ১৮৮৬, ১৮৯৪ আৰু ১৯০৬—ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতিৰ আসনত বহুৱাইছিল।

শিখসকলৰ মাজত ধৰ্মীয় সংস্কাৰ আন্দোলনঃ

সমসাময়িক ভাৰতবৰ্ষৰ শিখসকলৰ মাজত সংস্কাৰ আন্দোলন ত্ৰিধাৰা স্ৰোতত প্ৰবাহিত হৈছিল—ধৰ্ম, সমাজ আৰু ৰাজনীতি। গুৰু ৰামসিং নামে লোক এজনে পোনতে ১৮৫৭ চনত পাঞ্জাবত **নামধাৰী** নাম ভূমিকাত এটি ধৰ্মীয়-সামাজিক-ৰাজনৈতিক গোট বা সম্প্ৰদায়ৰ সৃষ্টি কৰিছিল। তেওঁৰ এই সম্প্ৰদায়ত জাত-পাতৰ কোনো প্ৰভেদ নাছিল। নামধাৰীসকল অসবৰ্ণ আৰু বিধবা বিবাহৰ সমৰ্থক আছিল। আনকি বৰ্ণ হিন্দু আৰু তথাকথিত অস্পৃশ্য লোকৰ মাজত বৈবাহিক সম্পৰ্ক স্থাপিত হোৱাটোও তেওঁলোকে পছন্দ কৰিছিল। তেওঁলোকে মদ-ভাং আদি মাদক দ্ৰব্য সেৱন নকৰিছিল। নামধাৰীসকলক কোকাও বুলিছিল। ধৰ্মীয় ক্ষেত্ৰত তেওঁলোকৰ অৱস্থান আছিল হিন্দু আৰু শিখৰ মধ্য ভাগত, অৰ্থাৎ তেওঁলোকৰ অৱস্থান আছিল সমদূৰত্বত।

১৮৭৩ চনত শিখসকলৰ মাজত **সিঙ সভা** অন্য এটি সংগঠন গঢ়ি উঠে। শিখ সভাই শিক্ষা সম্প্ৰসাৰণৰ মাজেৰে শিখসকলৰ মাজত ধৰ্মীয় আৰু সামাজিক সংস্কাৰৰ সূচনা হোৱাটো বিচাৰিছিল আৰু সেই মতে কামত অগ্ৰসৰ হৈছিল। এই সিঙ সভাই সমগ্ৰ পাঞ্জাবতে খালছা স্কুল আৰু কলেজ স্থাপনৰ কাৰ্যসূচী লৈ তাক কাৰ্যকৰী কৰিছিল। তাৰেই ফলশ্ৰুতিত ১৮৯২ চনত অমৃতসৰত বিখ্যাত খালছা কলেজে প্ৰতিষ্ঠা লাভ কৰিছিল।

এইদৰে নানা ধৰণে শিখসকলৰ মাজত সংস্কাৰ আন্দোলনৰ প্ৰসাৰ হলেও বিংশ শতিকাৰ দ্বিতীয় দশকত **আকালী দল** (১৯২০) গঠন হোৱাৰ লগে লগে সেই দলৰ নেতৃত্বত আৰম্ভ হোৱা আন্দোলনেহে শিখসকলক নৱ জীৱনৰ সম্ভেদ দিছিল। আকালী আন্দোলনৰ মূল আৰু প্ৰধান লক্ষ্য আছিল শিখ গুৰুদ্বাৰাসমূহত চলি অহা অবাধ দুৰ্নীতিৰ

অৱসান ঘটাই মন্দিৰসমূহৰ পবিত্ৰতা আৰু সুস্থতা পুনৰ স্থাপন কৰি শিখসকলৰ ধৰ্মীয় আৰু সামাজিক জীৱনৰ পৰিবৰ্তন সাধন কৰা। ধৰ্ম প্ৰাণ শিখসকলে মন্দিৰৰ প্ৰতি প্ৰচুৰ টকা-পইচাৰ লগতে অজস্ৰ ভূ-সম্পত্তি দান কৰি আহিছিল। কিন্তু মন্দিৰ পৰিচালনাৰ বাবে নিয়োজিত মহান্তসকলে অসৎ আৰু দুৰ্নীতিপৰায়ণ মানসিকতাৰে মন্দিৰৰ বাবে দান কৰা ধন-বিত নিজেই আত্মসাৎ কৰি চহকী হোৱাৰ পথ লৈছিল। ফলত শিখসকলৰ মাজত ধৰ্মীয় আৰু সামাজিক ক্ষেত্ৰত চুড়ান্ত ব্যভিচাৰে দেখা দিছিল।

দ'ৰাচলতে আকালী আন্দোলন আছিল তাৰে প্ৰতিবাদত সংগঠিত হোৱা ধৰ্মীয়-সমাজিক আন্দোলন। এই আন্দোলনৰ পৰিণতি স্বৰূপে চৰকাৰে ১৯২২ চনত শিখ গুৰুদ্বাৰ সম্পৰ্কীয় এখন আইন পাচ কৰিবলৈ বাধ্য হয়। ১৯২৫ চনত এই আইনখন পুনৰ সংশোধন কৰা হৈছিল। এই আন্দোলনৰ পৰিণতি আৰু চৰকাৰে পাচ কৰা আইনৰ ফল স্বৰূপে বহু গুৰুদ্বাৰৰপৰা অসৎ আৰু দুৰ্নীতি পৰায়ণ মহান্তসকলক বিতাড়িত কৰিছিল। তেনে কৰোঁতে দুয়ো পক্ষৰ মাজত ঘোৰতৰ সংঘৰ্ষও সংঘটিত হৈছিল আৰু এনেধৰণৰ সংঘৰ্ষত বহু হাজাৰ শিখ লোকৰ প্ৰাণ বায়ু উৰি গৈছিল।

মাষ্টাৰ তাৰা সিং (১৮৫৫-১৯৬৭) আকালী আন্দোলনৰ অন্যতম বিখ্যাত নেতা আৰু সংগঠক আছিল। তেওঁৰ কাম-কাজ দেশৰ সমসাময়িক ৰাজনৈতিক ক্ষেত্ৰলৈও সম্প্ৰসাৰিত হৈ পৰিছিল। তেওঁ ১৯২৮ চনত ছাইমন কমিছন বয়কোট কৰা কাৰ্যত জড়িত থকাৰ ওপৰিও ১৯৩০ চনৰ আইন অমান্য আন্দোলনতো নেতৃত্ব লৈছিল। আইন অমান্য আন্দোলনত অংশ গ্ৰহণ কৰাৰ গইনা লৈ চৰকাৰে তেওঁক গ্ৰেপ্তাৰ কৰি কাৰাবাস দিছিল আৰু কাৰাবাসত থাকোঁতেই তেওঁক শিখসকলে শিৰোমণি গুৰুদ্বাৰ প্ৰবন্ধক সমিতিৰ সভাপতি নিৰ্বাচিত কৰিছিল। দেশৰ স্বাধীনতা আন্দোলনৰ শেষৰ পিনে পাকিস্তান দাবীৰ পৰিপ্ৰেক্ষিতত শিখ আৰু পাঞ্জাবৰ স্বাৰ্থ ৰক্ষাৰ খাটিৰত তেওঁৰ কংগ্ৰেছৰ সৈতেও মতবিৰোধ হৈছিল, আৰু তাৰেই পৰিণতিত তেওঁ কংগ্ৰেছৰ সৈতে সম্পৰ্ক ত্যাগ কৰিছিল।

সামাজিক সংস্কাৰ আৰু নাৰী মুক্তি আন্দোলনঃ

ইতিপুৰ্বে আলোচনা কৰি অহা প্ৰতিটো সামাজিক সংস্কাৰ আন্দোলনৰে অন্যতম প্ৰধান কাৰ্যসূচী আছিল নাৰী মুক্তি। প্ৰতিটো ভাৰতীয় সামাজিক গোটতে—হিন্দু, মুছলমান, পাৰ্চী, শিখ—নাৰীৰ সামাজিক মৰ্যদা বাহুল্য পৰিমাণে অৱনমিত হৈছিল, গতিকে নাৰী মুক্তিৰ প্ৰশ্নটো বাদ দি কোনো সামাজিকসংস্কাৰমূলক কামেই সম্পূৰ্ণ হোৱাটো সম্ভৱপৰ নাছিল। সতীদাহ প্ৰথা, পৰ্দা প্ৰথা, বাল্য বিবাহ, শিশু কন্যা বধ আদি পৰম্পৰাই ভাৰতীয় সমাজৰ অৰ্দ্ধেকক মানৱীয় প্ৰমূল্যসমূহৰপৰা বঞ্চিত কৰি ৰখাৰ লগতে সাধাৰণ নাগৰিক অধিকাৰৰপৰাও বঞ্চিত কৰি ৰখা হৈছিল। গতিকে সতী দাহ প্ৰথা নিবাৰণ, পৰ্দা প্ৰথাৰ

অৱসান, বাল্য বিবাহৰ অৱসান, বহু বিবাহৰ অৱসান, শিশু কন্যা বধ নিবাৰণ আদি বিষয় প্ৰতিটো ধৰ্মীয় আৰু সামাজিক সংস্কাৰ আন্দোলনৰে কাৰ্যসূচীৰ অৰ্ন্তভূক্ত আছিল। অন্যান্য বিষয়তকৈ সংস্কাৰৰ বিষয়সমূহে সদায়েই অগ্ৰাধিকাৰ লাভ কৰিছিল।

ৰাজপুতনা তথা ৰাজস্থানৰ ৰাজপুত আৰু জাত, আৰু উত্তৰ প্ৰদেশ, পাঞ্জাব আৰু অযোধ্যাৰ ৰাজপুত, জাত আৰু অন্যান্য হিন্দু সম্প্ৰদায়ৰ লোকৰ মাজত কন্যা শিশু বধ কৰাৰ পৰম্পৰা এটি চলি আহিছিল। এই অন্যায় প্ৰথা নিবাৰণৰ বাবে কোনো কোনো দেশীয় ৰজা-মহাৰজা আৰু বৃটিশ চৰকাৰে চেষ্টা কৰি অহাৰ পিচতো তাৰ কোনো পৰিবৰ্তন হোৱা নাছিল। শিশু কন্যা বধ প্ৰথা নিবাৰণ কৰি কেন্দ্ৰীয় বিধান পৰিষদে ১৮৭০ চনত এইখন আইন পাচ কৰিছিল। কিন্তু তাতো একো কাম হোৱা নাছিল। তাৰ পিচত বাৰানসী জিলাত কৰা এটি তদন্তৰ অন্তত দেখা গৈছিল যে ৩০৮ খন গাঁৱৰ ভিতৰত ৬২ খন গাঁৱত ৬ বছৰৰ তলৰ কোনো কন্যা সন্তান জীৱিত নাছিল। অৰ্থাৎ সকলোবোৰ কন্যা সন্তানকেই জন্মৰ পিচতে হত্যা কৰি পোলোৱা হৈছিল।

১৮২৯ চনত সতীদাহ প্ৰথা বেআইনী ঘোষণা কৰা হৈছিল। আৰ্য সমাজৰ প্ৰচাৰৰ ফলস্বৰূপে পাঞ্জাৱত বিধবা বিবাহৰ সংখ্যা দিনে দিনে বৃদ্ধি পাই আহিছিল।

সমাজৰ উচ্চ বৰ্ণ ব্ৰাহ্মণসকলৰ মাজত প্ৰচলিত কুলিন প্ৰথাই বংগদেশত বাল্য বিবাহৰ প্ৰকোপ বঢোৱাৰ লগতে কোমল বয়সীয়া বিধবাৰ সংখ্যা দ্ৰুতভাৱে বৃদ্ধি কৰিছিল, আৰু সেয়ে বংগদেশতে ইয়াৰ প্ৰতিকাৰৰ বাবে তীব্ৰ আন্দোলন সংঘটিত হৈছিল। ১৮৫৬ চনত চৰকাৰে এখন আইন পাচ কৰি বিধবা বিবাহক স্বীকৃতি দিছিল। ১৮৫৬-১৯০০ চনৰ ভিতৰত অকল বংগদেশতে বিধবা বিবাহৰ সংখ্যা আছিল ১১৭ খন তাৰে ৪৬ খন বিয়া ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ জীৱিত কালতে সম্পন্ন হৈছিল। সমসাময়িকভাৱে অন্যান্য প্ৰদেশতো বিধবা বিবাহৰ বাবে দাবী উঠিছিল।

সেই একেই কালছোৱাত বোম্বে প্ৰেছিডেঞ্চিত বিধবা বিবাহৰ সংখ্যা আছিল ১০০ খন। মহাদেৱ গোবিন্দ ৰাণাডেৰ মতে ১৯০০ চনত সমগ্ৰ ভাৰতবৰ্ষতে অনুষ্ঠিত হোৱা বিধবা বিবাহৰ সংখ্যা আছিল প্ৰায় ৩০০ খন। ১৯১৫ চনত তাত বিধবা বিবাহৰ পৰিমাণ আছিল ১১৭৬ খন আৰু ১৯২৮ চনত তাৰ পৰিমাণ হৈছিলগৈ ১৮০৫ খন।

মহাৰাষ্ট্ৰ তথা পশ্চিম ভাৰততো বিধবা বিবাহ প্ৰচলনৰ বাবে দাবী উত্থাপিত হৈছিল। মাৰাঠী লিখক বাবু পদ্মানজী, জগন্নাথ ওৰফে নানা শঙ্কৰছেট (১৮০৩-৬৫), ড° ভাও ডাজী (১৮২১-৭৪), নানা মাৰোজী, জ্যোতিবা গোবিন্দ ফুলে (১৮২৭-৯০), বিষ্ণু শাস্ত্ৰী পণ্ডিত (১৮২৭-৭৬), ছোৰাবজী চাপুৰজী বেংগলী (১৮৩১-৯৩), বিষ্ণু শাস্ত্ৰী চিপলোঙ্কাৰ (১৮৫০-৮২) আদিয়ে বিধবা বিবাহৰ সমৰ্থনত আগ বাঢ়ি আহিছিল। বাবু পদ্মানজীয়ে ১৮৫৭ চনতে বিধবা বিবাহৰ প্ৰতি সমৰ্থন দিছিল আৰু তেওঁৰ উপন্যাস যমুনা পৰ্যাতনত তাক বলিষ্ঠ ৰূপত দাঙি ধৰিছিল। দক্ষিণ ভাৰত তথা মাদ্ৰাজত বীৰলিঙ্গম পান্তুলো (১৮৪৮-

১৯১৯) এই ক্ষেত্ৰত আগৰণুৱা আছিল। তেওঁক সেই কাৰণে দক্ষিণ ভাৰতৰ বিদ্যাসাগৰ বুলিও কোৱা হৈছিল।

বংগদেশৰ একাংশ ব্ৰাহ্মণ পৰিয়ালত প্ৰচলিত কুলিন প্ৰথা নিবাৰণৰ বাবে চৰকাৰৰ ওচৰত দাখিল কৰিবলৈ বিদ্যাসাগৰে প্ৰস্তুত কৰা আবেদনত প্ৰায় ২৫,০০০ লোকে স্বাক্ষৰ দান কৰিছিল। আবেদনখনত কোৱা হৈছিল, "The Kulins marry soley for money and with no intention to fulfil any of the duties which marriage involves." বংগদেশৰ কুলিন প্ৰথা বহু বিবাহৰ নামান্তৰ আছিল মাত্ৰ। বিদ্যাসাগৰে এই প্ৰথাটোও সমাজৰপৰা আঁতৰোৱাৰ বাবে দ্বিতীয়বাৰ চৰকাৰৰ ওচৰত ১৮৬৬ চনত আৰু এখন আবেদন দাখিল কৰিছিল। কুলিন প্ৰথাৰ গইনা লৈ বংগৰ ভালেমান ব্ৰাহ্মণ লোকে বহু বিবাহ সম্পন্ন কৰি বহু ছোৱালীৰ জীৱনলৈ দৰ্যোগ নমাই আনিছিল। উদাহৰণ হিচাপে ৫৫ বছৰ বয়সীয়া ভোলানাথ বেনাৰ্জীৰ ৮০ জনী, ৬৪ বছৰ বয়সীয়া ভগৱান চেটাৰ্জীৰ ৭২ জনী, ৫৫ বছৰ বয়সীয়া পূৰ্ণচন্দ্ৰ মুখাৰ্জীৰ ৬২ জনী, ২০ বছৰ বয়সীয়া দুৰ্গা চৰণ বেনাৰ্জীৰ ১৬ জনী ঘৈণী আছিল। ১৮৬০ চনত গ্ৰহণ কৰা এখন আইন মৰ্মে দেশত বাল্য বিবাহ নিষিদ্ধ কৰা হৈছিল।

সংস্কাৰ আন্দোলনৰ নেতাসকলে মহিলাৰ শিক্ষাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। দেশৰ ভালেমান ঠাইত মহিলাৰ শিক্ষাৰ বাবে পৃথক শিক্ষানুষ্ঠান—স্কুল-কলেজ গঢ়ি তোলা হৈছিল। এই ক্ষেত্ৰত বিশেষকৈ বেথুন ছচাইটিৰ নেতৃত্বত গঢ়ি উঠা কলকাতাৰ বেথুন কলেজ মহাৰাষ্ট্ৰত মাহাৰাষ্ট্ৰৰ অধ্যাপিকা কাৰ্ভে গঢ়ি তোলা মহিলা বিশ্ববিদ্যালয়ৰ নাম ল'ব পাৰি।

জাতি প্ৰথা বিৰোধী আন্দোলনঃ

বৰ্ণ হিন্দুসকলৰ মাজত প্ৰচলিত জাত-পাতৰ চিন্তাই হিন্দু সমাজখনক ভিতৰৰপৰা পঙ্গু আৰু নিশকতীয়া কৰি আনিছিল। বাহিৰৰপৰা দেখাত হিন্দু যেন লাগিলেও সেই সমাজখনত পাৰস্পৰিক দ্বন্দ্ব-সংঘাত তুংগত উঠিছিল। একাংশ হিন্দু লোক হিন্দু সমাজৰ অংশ হোৱাৰ পিচতো হিন্দুত্ববাদীসকলৰ দ্বাৰা সততে নিৰ্যাতিত আৰু অপমানিত হৈ আহিছিল। এই দ্বন্দ্ব-সংঘাত এনে এটা অৱস্থাত উপনীত হৈছিল যে ওপৰৰপৰা জাপি দিয়া সংস্কাৰে অস্পৃশ্য বুলি পৰিগণিত লোকসকলৰ মন কোনো পধ্যেই তলাব পৰা নাছিল। তেনে অৱস্থাত হিন্দু সমাজৰ সেই অৱহেলিত আৰু নিৰ্যাতিত অংশৰ মাজৰপৰাই সংস্কাৰকৰ আৰ্বিভাৱ হৈছিল আৰু তেওঁলোকেই নিজ নিজ সমাজ সংস্কাৰৰ কামত নিষ্ঠা সহকাৰে ব্ৰতী হৈ পৰিছিল।

এই ধৰণৰ সংস্কাৰ আন্দোলনৰ নেতৃত্ব লোৱা লোকসকলৰ ভিতৰত উল্লেখযোগ্য আছিল মহাৰাষ্ট্ৰৰ জ্যোতিবা গোবিন্দ ফুলে (১৮২৭-৯০) আৰু কেৰেলাৰ নাৰায়ণ গুৰু

(১৮৫৪-১৯২৮)। মহাৰাষ্ট্ৰত জ্যোতিবা গোবিন্দ ফুলে বিধবা বিবাহৰ প্ৰচাৰ কাৰ্য কৰাৰ লগে লগে বহু বিবাহৰো বিৰোধীতা কৰিছিল। জ্যোতিবা ফুলে অৱশ্যে মহাৰাষ্ট্ৰ আৰু লগতে ভাৰতবৰ্ষত হিন্দু সমাজৰ অবদমিত, অবহেলিত আৰু নিৰ্যাতিত লোকসকলৰ সামাজিক মৰ্যদা আৰু সম্মানৰ কাৰণে সূচনা কৰা ব্ৰাহ্মণ বিৰোধী আন্দোলনৰ বাবেহে অধিক জনপ্ৰিয় আৰু বিখ্যাত আছিল। তেওঁ যি মানসিক শক্তি, সাধনা আৰু নিষ্ঠাৰে সৈতে উক্ত আন্দোলনৰ গুৰি ধৰিছিল তাৰে চাই তেওঁক তেওঁৰ সমসাময়িকসকলে মহাত্মা উপাধিৰে বিভূষিত কৰিছিল। সেই সূত্ৰে তেওঁ মহাত্মা ফুলেৰূপে পৰিচিত আছিল।

জ্যোতিবা ফুলেৰ জন্ম হৈছিল পুনাৰ এটি ফুল যোগানিয়াৰপৰিয়ালত। তেওঁলোকৰ পৰিয়ালৰ পেঁচা আছিল পেছোৱাৰ ঘৰত ফুলৰ যোগান ধৰাটো। তেওঁ সমাজত জন্মসূত্ৰে প্ৰচলিত হৈ অহা জাতি-ভেদ প্ৰথাৰ বিৰোধীতা কৰাৰ লগতে হিন্দু সমাজৰ অন্যান্য অংশৰ ওপৰত ব্ৰাহ্মণসকলৰ প্ৰভূত্ব অস্বীকাৰ কৰিছিল। তেওঁ সমসাময়িক অন্যান্য সমাজ সংস্কাৰকসকলৰ দৰে বৃটিশ ভক্ত আছিল আৰু কৈছিল, "The Creator has purposely sent the English people to this country to liberate the disabled Sudras from the slavery of the crafty Aryas" তেওঁ সমাজৰ অবহেলিত আৰু অৱনমিত লোকসকলৰ মুক্তিৰ কাৰণে অহৰহ কাম কৰি গৈছিল। তেওঁ নিজ সমাজখনৰপৰা বিশেষকৈ বাল্য বিবাহ নিবাৰণ কৰা আৰু বিধবা বিবাহ প্ৰচলন কৰাৰ সপক্ষে কাম কৰিছিল। অকল তাতেই ব্যস্ত নাথাকি তেওঁ মহিলাৰ শিক্ষাৰ কাৰণেও সদৰ্থক ভূমিকা লৈছিল। তেওঁ ১৮৫১ চনত তেওঁৰ সহধৰ্মিণীৰ সৈতে লগ লাগি এখন ছোৱালী শিক্ষাৰ স্কুল স্থাপন কৰিছিল।

তেওঁ ১৮৭১ চনত **দীনবন্ধু** নামে এখন বাতৰি কাকত প্ৰকাশ কৰি তাত অবহেলিত শ্ৰেণীৰ লোকৰ বাবে মাত মাতিছিল। ১৮৭২ চনত তেওঁ **গোলামগিৰি** নামে এখন গ্ৰন্থ প্ৰকাশ কৰি সেইখন আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিৰ্যাতিত নিগ্ৰোসকলৰ নামত উৎসৰ্গা কৰিছিল। তাত তেওঁ ব্ৰাহ্মণসকলক ইংৰাজ শোষণকাৰী সকলতকৈও অধিক নিকৃষ্ট বুলি দেখুৱাইছে। ১৮৭৩ চনত তেওঁ আকৌ **সত্যশোধক সমাজ** নামে এটি সংগঠন গঢ়ি তুলিছিল। এই সংগঠনৰ মূল উদ্দেশ্য আছিল ভণ্ড ব্ৰাহ্মণসকল আৰু তেওঁলোকৰ সুবিধাবাদী শাস্ত্ৰসমূহৰ কবলৰপৰা অবহেলিত জাতিসমূহক ৰক্ষা কৰাটো (" from the hypocritical Brahmanas and their opportunistic scriptures ")।

পৰৱৰ্তী কালত তেওঁৰ পদাঙ্ক অনুসৰণ কৰিয়েই ড° ভীমৰাও আম্বেদকাৰে (১৮৯১-১৯৫৬) মহাৰাষ্ট্ৰৰ আৰু লগতে ভাৰতবৰ্ষৰ অবদমিতবা অবহেলিত লোকসকলৰ স্বাৰ্থ ৰক্ষা কৰাৰ কাৰণে নিখিল ভাৰত অবদমিত জাতিসমূহৰ ফেডাৰেচন (All India Depressed Classes Federation) গঠন কৰিছিল। প্ৰথম বিশ্ব যুদ্ধৰ পিচত অবদমিত

জাতিসমূহৰ আন্দোলনে ভাৰতবৰ্ষত ব্যাপক গণ ভিত্তি লাভ কৰিছিল। এই ধৰণৰ আন্দোলন পৰিচালনা কৰিবলৈ কেবাটাও সংগঠনো গঢ়ি তোলা হৈছিল, তাৰ ভিতৰত "All India Depressed Classes Association" আৰু "Self-Respect Movement" আছিল প্ৰধান।

নিপীড়িতবা অবদমিত বা অবহেলিত জাতি সত্তাসমূহৰ স্বাধিকাৰ ৰক্ষাৰ আন্দোলনৰ অন্যতম নেতা আছিল কেৰেলাৰ নাৰায়ণ গুৰু (১৮৫৪-১৯২৮)। তেওঁ কেৰেলাৰ এজাৱা (Ezhava) নামে পৰিচিত অস্পৃশ্য পৰিয়ালতজন্ম লাভ কৰা লোক আছিল। তেওঁ সূচনা কৰা আন্দোলনৰ মূল মৰ্মও আছিল ব্ৰাহ্মণ্যবাদৰ কবলৰপৰা তেওঁলোকৰ সমাজক মুক্ত কৰা। সেই সূত্ৰেই তেওঁৰ অনুগামীসকল ব্ৰাহ্মণ্যবাদ আৰু পুৰোহিততন্ত্ৰৰ বিৰোধী আছিল। এবাৰ এই নাৰায়ণ গুৰু আৰু মহাত্মা গান্ধীৰ মাজত চৰ্তুবৰ্ণ সম্পৰ্কে কথা-বাতৰা হৈছিল। গান্ধীয়ে নাৰায়ণ গুৰুক কৈছিল যে এদাল গছৰ পাতবিলাক কেতিয়াও একে নহয়, কোনোবাটো সৰু আৰু কোনোবাটো ডাঙৰ। তাৰ উত্তৰত নাৰায়ণ গুৰুৱে কৈছিল যে তেওঁ কোৰা পাৰ্থক্যটো উপৰৰা, প্ৰকৃত সত্য নহয়, এদাল বিশেষ গছৰ পাতবিলাক পিহি ললে যিখিনি ৰস ওলাব সেইখিনিহে আচল বস্তু। সেয়ে তেওঁ মানব জাতিৰ বাবে এক ধৰ্ম, এটা জাতি আৰু এক ভগৱানৰ কথা কৈছিল। তাৰপৰা এইটো প্ৰমাণ হৈছিল যে নাৰায়ণ গুৰুৱে ব্ৰাহ্মণ্যবাদ আৰু পুৰোহিততন্ত্ৰ সম্পূৰ্ণৰূপে নাকচ কৰিছিল।

***

আৰ্হি প্ৰশ্নমালাঃ

ৰচনা ধৰ্মী প্ৰশ্নঃ

১। ১৮৫৭ চনৰ পৰৱৰ্তী কালত ধৰ্মীয় আৰু সামাজিক সংস্কাৰ আন্দোলন সম্পৰ্কে এটিটোকা লিখাঁ।

২। সামাজিক সংস্কাৰ আৰু নাৰী মুক্তি আন্দোলন সম্পৰ্কে আলোচনা কৰাঁ।

৩। সামাজিক সংস্কাৰ আৰু জাতি প্ৰথা বিৰোধী আন্দোলন সম্পৰ্কে আলোচনা কৰাঁ।

৪। আলিগড আন্দোলনৰ সামাজিক আৰু ৰাজনৈতিক তাৎপৰ্য ব্যাখ্যা কৰাঁ।

চমু টোকা লিখাঁঃ

(১) প্ৰাৰ্থনা সমাজ, (২) আৰ্য সমাজ, (৩) এনি বেছান্ত, (৪) দাদাভাই নৌৰজী, (৫) আকালী দল আৰু আন্দোলন, (৬) জ্যোতিবা গোবিন্দ ফুলে।

পঞ্চম অধ্যায়

ভাৰতবৰ্ষত জাতীয় আন্দোলনৰ সূচনা

উনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰপৰা কম-বেছি পৰিমাণে ভাৰতবৰ্ষত জাতীয় আন্দোলনৰ সূচনা হ'বলৈ ধৰে। জাতীয় আন্দোলন আৰু জাতি গঠন প্ৰক্ৰিয়া দুয়োটাই একে সময়তে আৰম্ভ হৈছিল বুলি ক'ব পাৰি। জাতি হিচাপে ভাৰতবৰ্ষ বহু শ বছৰ পূৰ্বৰেপৰা বহু জাতিক। গতিকে দেশখন বৃটিশৰ আমোলতো এক জাতি-ৰাষ্ট্ৰ নাছিল। গতিকে বিভিন্ন জাতিৰ মিলনভূমি ভাৰতবৰ্ষত জাতীয় আন্দোলনৰ সূত্ৰপাত হৈছিল বৃটিশ বিৰোধী আন্দোলনৰূপে। কাৰণ বৃটিশে ভাৰতবৰ্ষ নামৰ বিশাল ভৌগোলিক ভূখণ্ডক নিজৰ জাতীয় স্বাৰ্থৰ পৰিপূৰকৰূপে পদানত কৰি ৰাখিছিল। ভাৰতবৰ্ষত জাতীয় আন্দোলন গঢ়ি উঠাত কেবাটাও উপাদানে সহায় কৰিছিল। প্ৰাচীন আৰু মধ্য যুগত ভাৰতবৰ্ষ নামৰ এই বিশাল ভূখণ্ড কেতিয়াও ৰাজনৈতিকভাৱে একত্ৰিত হোৱা নাছিল, বৃটিশৰ পূৰ্বে ভাৰতবৰ্ষৰ (বৰ্তমানৰ পাকিস্তান আৰু বাংলাদেশক লৈ) ৰাষ্ট্ৰীয় সংহতি আৰু একতা নাছিল। এই কথা অস্বীকাৰ কৰাৰ উপায় নাই যে ভাৰতবৰ্ষত বৃটিশেই ৰাজনৈতিকসংহতি আৰু একতা স্থাপন কৰিছিল, তেওঁলোকৰ সাম্ৰাজ্যিক আৰু ঔপনিবেশিক স্বাৰ্থৰ খাটিৰত। প্ৰায় দুশ বছৰ জোৰা ৰাজনৈতিক-সামৰিক-প্ৰশাসনিক কাম-কাজৰ জড়িয়তে তেওঁলোকে এই সমগ্ৰ ভূখণ্ডত এক কেন্দ্ৰীভূত শাসন ব্যৱস্থা প্ৰবৰ্তন কৰিছিল। ক্ৰমে ক্ৰমে তেওঁলোকে তাৰ সামৰিক বাহিনী, অসামৰিক সেৱা, ডাক-তাৰ ব্যৱস্থা, ৰেল লাইন, মুদ্ৰা, যোগাযোগ, যাতায়ত আৰু পৰিবহন ব্যৱস্থা, আইন (প্ৰণয়ন), ইংৰাজী ভাষাৰ মাধ্যমত আধুনিক পশ্চিমীয়া শিক্ষা, বাজেট আৰু অৰ্থনীতি, শিল্পনীতি, বৈদেশিক নীতি আৰু সম্পৰ্ক সকলো সৰ্বভাৰতীয় সাঁচতগঢ়ি তুলিছিল। এইবিলাকে বিভিন্ন অঞ্চলত পৃথকে পৃথকে শ শ বছৰ ধৰি বসবাস কৰি থকা লোকসকলৰ মাজত আৰু মনত এক ভাৰতীয় ভাবৰ সৃষ্টি কৰিছিল।

এইবিলাকৰ ওপৰিও দেশৰ বিভিন্ন অঞ্চলৰ লোকৰ ওপৰত চলি অহা নিৰ্মম ঔপনিবেশিক-সাম্ৰাজ্যবাদী শোষণে তেওঁলোকক বৃটিশৰ বিপৰীতেআমি ভাৱেৰে ("We feeling") সংঘবদ্ধ কৰাৰ বাস্তৱিক পৰিবেশৰ সৃষ্টি কৰিছিল। অৰ্থাৎ এই বিশাল ভূখণ্ডৰ লোকসকল একেটা ঔপনিবেশিক-সাম্ৰাজ্যবাদী শক্তিৰ দ্বাৰা শাসিত আৰু শোষিত হৈ থকাটোৱে প্ৰকাৰন্তৰে তেওঁলোকৰ মাজত এক সংহতি আৰু একতাৰ ভাব গঢ়ি তুলিছিল। বৃটিশৰ বিপৰীতে ভাৰতীয়সকলৰ মাজত গঢ়ি উঠা আমি ভাবে শেষত ভাৰতবৰ্ষত বৃটিশ বিৰোধী জাতীয় আন্দোলনৰ বিকাশত সহায় কৰিছিল।

তদুপৰি পশ্চিমীয়া আধুনিক শিক্ষাৰ মাজেৰে ইতিপূৰ্বে বিভিন্ন প্ৰান্তত বিভক্ত হৈ থকা লোকসকলে নিজকে ভাৰতীয় বুলি পৰিচয় দিবলৈ লৈছিল আৰু সময় অতিবাহিত হোৱাৰ লগে লগে তেওঁলোকে আমেৰিকা যুক্তৰাষ্ট্ৰৰ স্বাধীনতা ৰণ (১৭৭৪-৮৩), ইংলেণ্ডৰ গৌৰৱময় বিপ্লৱ (১৬৮৮), ফৰাছী বিপ্লৱ (১৭৮৯), ৰুচ বিপ্লৱ (১৯১৭) আদিৰ ৰাজনৈতিক আৰ্হি-আদৰ্শ আয়ত্ব কৰিবলৈ লৈছিল। ইয়োৰূপত জাতি-ৰাষ্ট্ৰৰ উৎপত্তি, ইংলেণ্ডত প্ৰচলিত সংসদীয় গণতান্ত্ৰিক শাসন ব্যৱস্থা, ইয়োৰূপীয় দাৰ্শনিক মণিষী হিউম, লক, হবছ, বেন্থাম, ৰুচো, মন্টেস্কু, কাৰ্ল মাৰ্ক্স, আদিৰ ৰচনাই ভাৰতীয় মনটোক লাহে লাহে জাতীয় চেতনাৰে জীপাল আৰু শক্তিশালী কৰি তুলিছিল।

এইবিলাকৰ ওপৰিও ইটালীৰ জাতীয়তাবাদী নেতা গুইছেপে মাজ্জিনী, গেৰিবল্ডী আদিৰ আদৰ্শই ভাৰতীয় আধুনিক মনটোক ৰাজনৈতিক দিশত কৰ্ম তৎপৰ হ'বলৈ অনুপ্ৰেৰণা যোগাইছিল।

আধুনিক শিক্ষাৰ অগ্ৰগতিৰ অঙ্গাঙ্গীভাৱে দেশত সংবাদ পত্ৰৰ প্ৰকাশ আৰু গ্ৰন্থ অধ্যয়নৰ প্ৰৱনতাও বাঢ়ি আহিছিল। বাল গঙ্গাধৰ তিলকৰ কেশৰী আৰু মাহৰাট্টা, অমৃত বাজাৰ পত্ৰিকা, যুগান্তৰ, আদি বহু ইংৰাজী আৰু দেশীয় ভাষাৰ সংবাদ পত্ৰই ভাৰতীয় লোকৰ মনত জাতীয়তাবাদী মনোভাব গঢ়ি তোলাত প্ৰভূত ইন্ধন যোগাইছিল। পশ্চিমীয়া সাহিত্যৰ অধ্যয়নে ইমান দিনে ভাৰতবৰ্ষই পৃথিবীখন যেন ভাবি থকা সেই মনটোক বিশাল মুকলি দিগন্তলৈ লৈ গৈছিল, সাহিত্য, সংগীত, শিল্পকলা সকলোতে এক নতুন এক সামুহিক এক ভাৰতীয় মনৰ প্ৰতিধ্বনি উঠিবলৈ লৈছিল। বঙ্কিম চন্দ্ৰ চেটাৰ্জীৰ আনন্দ মঠ আৰু তাত থকা বন্দে মাতৰাম গীতটোৱে বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত দেশত জাতীয়তাবাদী ভাব ধাৰাৰ উন্নয়নত বিশেষ অৰিহণা দিছিল।

উনবিংশ শতিকাত ইয়োৰূপীয় পণ্ডিত মণিষী মেক্স মূলাৰ, উইলিয়াম জোনছ, চাৰ্লছ উইলকিন্স, এইছ টি কলব্ৰুক, এইছ এইছ উইলচন, ছাৰ জন মাৰ্ছাল, জেইমছ প্ৰিন্সেপ আদিৰ দ্বাৰা ভাৰতবৰ্ষৰ অতীত ইতিহাসৰ অধ্যয়নে ভাৰতীয় লোকক তেওঁলোকৰ অতীত সম্পৰ্কে সচেতন আৰু গৌৰৱান্বিত কৰি তুলিছিল। এই ইয়োৰূপীয় পণ্ডিত মণিষীসকলৰ সৈতে যুক্ত হৈছিল ভাৰতীয় আৰ জি ভাণ্ডাৰকাৰ, এ এছ আলটেকাৰ, হেম চন্দ্ৰ ৰায়চৌধুৰী, কালিকিঙ্কৰ দত্ত, ৰমেশ চন্দ্ৰ মজুমদাৰ, দয়াৰাম ছাহনী, বাল গঙ্গাধৰ তিলকআদি ভাৰতীয় ইতিহাসবিদ, পুৰাতত্ত্ববিদ আৰু প্ৰাচীন ধ্ৰুপদী সাহিত্যৰ টীকা-ভাষ্যকাৰসকল। বিদেশী আৰু দেশীয় পুৰাতত্ত্ববিদৰ দ্বাৰা ১৯২২ চনত সিন্ধু সভ্যতাৰ আবিষ্কাৰে ভাৰতীয়সকলক নিজৰ অতীত সম্পৰ্কে আনন্দিত আৰু উৎসাহিত কৰি তুলিছিল। ভাৰতীয় সাহিত্য-সংস্কৃতি আৰু ইতিহাসৰ অধ্যয়ন আৰু পুনৰীক্ষণে দেশত জাতীয়াতবাদী মনোভাব অধিক

শক্তিশালী কৰাত ইন্ধন যোগাইছিল। নিজৰ অতীত সম্পৰ্কে ভাৰতীয় মানুহে লাভ কৰা এই জ্ঞানে তেওঁলোকৰ মনত আত্মবিশ্বাস ওভতাই আনিছিল আৰু তেওঁলোকক নিজ দেশ আৰু সমাজ সম্পৰ্কে আৰু বেছি উৎসাহিত কৰি তুলিছিল।

ভাৰতবৰ্ষত বৃটিশে অনুসৰণ কৰা বৰ্ণ বৈষম্যবাদ নীতিওে দেশত আত্ম-মৰ্যদা স্থাপনৰ বাবে জাতীয় চেতনা জাগৰুক কৰিছিল। বিশেষকৈ লৰ্ড লিট্টনৰ সময়ত গ্ৰহণ কৰা দেশীয় ভাষাৰ বাতৰি কাকতৰ নিষিদ্ধকৰণ আইন আৰু লৰ্ড ৰিপণৰ কাৰ্যকালত সংঘটিত ইলবাৰ্ট বিল বিতৰ্কই দেশত জাতীয় চেতনা বৃদ্ধিত প্ৰভূত ইন্ধন যোগাইছিল।

আন্তৰাষ্ট্ৰীয় ঘটনাইয়ো ভাৰতীয় লোকৰ মাজত জাতীয় চেতনাৰ বিকাশ ঘটাইছিল। উদাহৰণ হিচাপে ১৯০৪-০৫ চনৰ ৰুচ-জাপান যুদ্ধৰ কথাকে ধৰিব পাৰি। উক্ত যুদ্ধত ক্ষুদ্ৰ এছিয় দেশ জাপানৰ হাতত ইয়োৰূপীয় বিশাল দেশ ৰাচিয়াৰ পতনে ভাৰতবৰ্ষত ইংৰাজ বিৰোধী মনোভাব গঢ়ি তুলিছিল। আয়াৰলেণ্ড, ৰুচ দেশ, তুৰস্ক, ইজিপ্ত আৰু চীন দেশত চলি থকা সমসাময়িক ৰাজনৈতিক আন্দোলন বিপ্লৱে ভাৰতীয় লোকৰ মনতো অনুপ্ৰেৰণাৰ সৃষ্টি কৰিছিল।

১৮৫৮ চনৰপৰা দেশৰ শাসনৰ ক্ষেত্ৰত সূচনা হোৱা ৰাজনৈতিক-প্ৰশাসনিক পৰিবৰ্তনে, বিশেষকৈ কেন্দ্ৰীয় আৰু প্ৰাদেশিক বিধান পৰিষদৰ গঠনে দেশৰ শিক্ষিত শ্ৰেণীৰ লোক প্ৰতিনিধিত্বমূলক চৰকাৰৰ প্ৰতি উৎসাহিত আৰু আশান্বিত কৰি তুলিছিল। দেশত সাংবিধানিক শাসনতন্ত্ৰ প্ৰতিষ্ঠা হোৱাৰ আশাত তেওঁলোকে বৃটিশৰ প্ৰতি কৃতজ্ঞ আৰু অনুগত হৈ পৰিছিল।

বৃটেইনত প্ৰচলিত সংসদীয় গণতন্ত্ৰৰ আৰ্হি-আদৰ্শ আগত লৈয়েই উনবিংশ শতিকাৰ ভাৰতীয় শিক্ষিত শ্ৰেণীৰ লোকে পোনতে প্ৰেছিডেঞ্চি চহৰ কেইখনক কেন্দ্ৰ কৰি ভালেমান ৰাজনৈতিক সংগঠন বা এছোচিয়েচন গঢ়ি তুলিছিল। ভাৰতীয় জাতীয় কংগ্ৰেছৰ পূৰ্বসুৰী সেই সংগঠনবিলাকৰ ভিতৰত উল্লেখযোগ্যবিলাকআছিল—

বেংগল লেণ্ড হলদাৰছ ছচাইটী, ১৮৩৮,
বেংগল বৃটিশ ইণ্ডিয়া ছচাইটী, ১৮৪৩,
(ইষ্ট ইণ্ডিয়া এছোচিয়েচন, লণ্ডন, ১৮৬৬,)
বৃটিশ ইণ্ডিয়া এছোচিয়েচন, ১৮৫১,
বোম্বে এছোচিয়েচন, ১৮৫২,
মাদ্ৰাজ প্ৰেছিডেঞ্চি এছোচিয়েচন,
মাদ্ৰাজ নেটিভ এছোচিয়েচন, ১৮৫২,

পুণা সাৰ্বজনিক সভা, ১৮৭১,
হিন্দু মেলা, ১৮৭৫,
ইণ্ডিয়ান লীগ, ১৮৭৫,
ইণ্ডিয়ান এছোচিয়েচন, ১৮৭৬,
উৎকল সভা, ১৮৮১,
নেচনেল কনফাৰেঞ্চ, কলকাতা, ১৮৮১,
মাদ্ৰাজ মহাজন সভা, ১৮৮১/১৮৮৪
নিখিল অসম আহোম সভা, ১৮৯৩,
তামিল সংগম, ১৯০১,
অসম এছোচিয়েচন, ১৯০৩,
অন্ধ্ৰ সভা, ১৯১১
চাউথ ইণ্ডিয়া পিপোলছ এছোচিয়েচন, ১৯১৬ (জাষ্টিছ পাৰ্টি)।

ভাৰতীয় জাতীয় কংগ্ৰেছঃ ১৮৮৫-১৯০৫ ৰ কালছোৱাৰ কংগ্ৰেছ, বংগ বিভাজন, স্বদেশী আন্দোলন, কংগ্ৰেছৰ বিভাজন, মুছলিম লীগ, সাম্প্ৰদায়িকতাৰ উদ্ভৱঃ

উনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰপৰা গঢ়ি উঠা প্ৰাদেশিক ৰাজনৈতিক সংগঠনবিলাকে দেশীয় লোকৰ মাজত আঞ্চলিক ভিত্তিত ৰাজনৈতিক আৰু জাতীয় স্বাৰ্থৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰিছিল। প্ৰায় অৰ্দ্ধ শতিকা জোৰা ৰাজনৈতিক কাম-কাজৰ জড়িয়তে এই সংগঠনবিলাকে লাহে লাহে বিভিন্ন অঞ্চলত বিভক্ত হৈ থকা ভাৰতীয় মানুহৰ মনত এটি সৰ্বভাৰতীয় দৃষ্টিভঙ্গী সৃষ্টি কৰাত মুখ্য ভূমিকা লৈছিল। তাৰেই পৰিণতিত অৱসৰ প্ৰাপ্ত বৃটিশ প্ৰশাসনিক বিষয়া এলেন অক্টেভিয়ান হিউমৰ (১৮২৯-১৯১২) চেষ্টা আৰু উদ্যোগত ১৮৮৫ চনৰ ডিচেম্বৰ মাহত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সংগঠন গঢ়ি উঠিছিল। ওপৰত উল্লেখ কৰি অহা প্ৰাদেশিক ৰাজনৈতিক সংগঠনবিলাক নথকাহেঁতেন ১৮৮৫ চনত হিউমৰ নেতৃত্বত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সংগঠন গঢ়ি উঠাটো সম্ভৱ নহ'লহেঁতেন।

বোম্বেত অনুষ্ঠিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম অধিবেশনত (১৮৮৫) বংগদেশৰ উমেশ চন্দ্ৰ বেনাৰ্জীয়ে সভাপতিত্ব কৰিছিল আৰু এই অধিবেশনত ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ ৭২ জন লোকে অংশ গ্ৰহণ কৰিছিল। কংগ্ৰেছৰ প্ৰতিষ্ঠাপক ব্যক্তি এলেন অক্টেভিয়ান হিউম সাধাৰণ সম্পাদক নিৰ্বাচিত হৈছিল। কংগ্ৰেছৰ আনুষ্ঠানিক সংগঠন গঢ়ি তোলাৰ পূৰ্বে হিউমে তদানীন্তন বৃটিশ ভাইচৰয় লৰ্ড ডাফৰিণৰ সৈতে এই ধৰণৰ সংগঠন এটি গঢ়ি তোলা সম্পৰ্কত বিস্তৃতভাৱে আলোচনা কৰিছিল।

১৮৫৭ চনৰ বিদ্ৰোহৰ সময়ত হিউম উত্তৰ প্ৰদেশৰ ইটৱা জিলাৰ জিলাধিপতি

আছিল আৰু তেওঁ কেন্দ্ৰীয় চৰকাৰৰ কৃষি সচিবৰূপে কাৰ্য নিৰ্বাহ কৰাৰ পিচত চৰকাৰী চাকৰীৰপৰা অৱসৰ লৈছিল। কৃষি সচিবৰূপে কাৰ্য নিৰ্বাহ কৰোঁতে তেওঁ বিভিন্ন চৰকাৰী টোকা, প্ৰতিবেদন আৰু নথিৰপৰা কৃষকসকলৰ মাজত বিৰাজ কৰা ক্ৰমবৰ্দ্ধমান ক্ষোভ আৰু অসন্তুষ্টিৰ সম্ভেদ পাইছিল। তাৰপৰা তেওঁ এইটো অনুসিদ্ধান্ত কৰিছিল যে বৃটিশে অদূৰ ভৱিষ্যতত ১৮৫৭ চনৰ বিদ্ৰোহতকৈও অত্যন্ত ৰক্তক্ষয়ী এটি বিদ্ৰোহৰ সন্মুখীন হ'ব। ভয়ঙ্কৰ আগ্নেয়গিৰি সদৃশ সেই বিদ্ৰোহৰ পৰিণতি স্বৰূপে ভাৰতবৰ্ষৰপৰা বৃটিশ চৰকাৰ উফৰি পৰিব। গতিকে তেনে এটি বিদ্ৰোহ যাতে ভাৰত ভূমিতসংঘটিত নহয় তাৰ বিকল্প প্ৰতিষেধকৰূপে তেওঁ দেশৰ উদীয়মান শিক্ষিত মধ্যবিত্ত শ্ৰেণীকএক বৃটিশ-ভক্ত ৰাজনৈতিকশক্তিৰূপে গঢ়ি তোলাৰ পৰিকল্পনা কৰিছিল। তেওঁৰ উদ্দেশ্য আছিল ভাৰতীয় শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ হাতত দেশৰ ৰাজনৈতিক ঘটনাৱালী নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা থাকিলে দেশৰ ৰাজনৈতিক আশা-আকংক্ষা আইনসংগত দিশত পৰিচালিত হ'ব, আৰু সেইটোৱে হ'ব বৃটিশৰ বাবে সংকটৰপৰা পৰিত্ৰাণ পোৱাৰ একমাত্ৰ নিৰাপদ সুৰুঙা ('Safety-valve')। আৰু সেই পৰিকল্পনা মৰ্মেই ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম হৈছিল।

সভাপতি উমেশ চন্দ্ৰ বেনাৰ্জীসহ উক্ত অধিবেশনত উপস্থিত থকা ব্যক্তিসকলৰ কেইজনমান আছিল—

(ক) উমেশ চন্দ্ৰ বেনাৰ্জী আৰু ফিৰোজ ছাহ মেহতা—উকিল,

(খ) সুৰেন্দ্ৰ নাথ বেনাৰ্জী, বালগঙ্গাধৰ তিলক, গোপাল কৃষ্ণ গোখলে—শিক্ষক

(গ) মতিলাল ঘোষ, সুব্ৰমন্য আইয়াৰ—সাংবাদিক,

(ঘ) ৰমেশ চন্দ্ৰ দত্ত, ৰাজা মাধৱ ৰাও—চৰকাৰী বিষয়া আৰু প্ৰশাসক।

জন্ম লগ্নৰেপৰা কংগ্ৰেছ আছিল পশ্চিমীয়া আধুনিক শিক্ষাৰে শিক্ষিত ভাৰতীয় মধ্যবিত্ত শ্ৰেণীৰ লোকৰ দ্বাৰা গঠিতবৃটিশ-ভক্ত ৰাজনৈতিক অনুষ্ঠান। বৃটিশ ৰাজৰ প্ৰতি আনুগত্য প্ৰকাশ কৰাটো প্ৰতিজন কংগ্ৰেছী লোকৰে প্ৰধান কৰ্তব্য আছিল। সভাপতি উমেশ চন্দ্ৰ বেনাৰ্জীয়ে নিৰ্দ্ধাৰণ কৰা মতে ইয়াৰ লক্ষ্য আছিল—

(১) দেশৰ কাৰণে নিষ্ঠাৰে সৈতে কাম কৰা আৰু বৃটিশ সাম্ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকা সকলো লোকৰ সৈতে ব্যক্তিগত পৰ্যায়ত ঘনিষ্ঠতা গঢ়ি তোলা,

(২) জাতিগত, আদৰ্শগত আৰু প্ৰাদেশিক সংকীৰ্ণতা পৰিহাৰ কৰি জাতীয় একতাৰ হকে কাম কৰি জাতীয় চেতনা বৃদ্ধি কৰা,

(৩) সাম্প্ৰতিক কালৰ আটাইতকৈ প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ সকলো সামাজিক প্ৰশ্ন সম্পৰ্কত দেশৰ শিক্ষিত শ্ৰেণীয়ে কৰ্তৃত্বশীলভাৱে তেওঁলোকৰ অভিজ্ঞ মতামত

লিপিবদ্ধকৰণ কৰা,

(৪) আগন্তুক বছৰটোত দেশীয় ৰাজনীতিকসকলে কি ধৰণে দেশৰ জনসাধাৰণৰ স্বাৰ্থত তেওঁলোকৰ ৰাজনৈতিক কাম-কাজ আগবঢ়াই নিব সেইটো থিৰাং কৰা।

প্ৰথম অধিবেশনত গ্ৰহণ কৰা কেইটামান প্ৰস্তাৱৰ বিষয়-বস্তু আছিল এনধেৰণৰ—

(ক) এটি ৰাজকীয় আয়োগৰ (Royal Commission) দ্বাৰা ভাৰতীয় প্ৰশাসনিক ব্যৱস্থাটোৰ অনুসন্ধান কৰা,

(খ) লণ্ডনত থকা ভাৰত পৰিক্ৰমাৰ মন্ত্ৰীৰ পৰিষদখনৰ বিলুপ্তি ঘটোৱা,

(গ) ১৮৬১ চনৰ ভাৰত পৰিষদ আইনৰ অধীনত গঠন কৰা কেন্দ্ৰীয় আৰু প্ৰাদেশিক বিধান পৰিষদৰ সম্প্ৰসাৰণ ঘটোৱা,

(ঘ) ইংলেণ্ড আৰু ভাৰতবৰ্ষত একে সময়তে ইণ্ডিয়ান চিভিল চাৰ্ভিচৰ (Indian Civil Service Examination) পৰীক্ষা অনুষ্ঠিত কৰা, আৰু

(ঙ) সামৰিক শিতানত ব্যায় সঙ্কোচন কৰা।

১৮৮৫ চনৰপৰা ১৯০৫ চনলৈ প্ৰায় বিশ বছৰ ধৰি বৃটিশৰ প্ৰতি ভাৰতীয় জাতীয় কংগ্ৰেছৰ নীতি আছিল সহযোগিতামূলক আৰু বন্ধুত্বপূৰ্ণ। কিন্তু ১৯০৫ চনত লৰ্ড কাৰ্জনে গ্ৰহণ কৰা আঁচনি মৰ্মে কাৰ্যকৰী কৰা বংগ বিভাজনে কংগ্ৰেছ আৰু বৃটিশৰ মাজত পোন প্ৰথমবাৰৰ বাবে বৈৰী ভাবৰ সৃষ্টি কৰে। বংগদেশৰ বিভাজনক কেন্দ্ৰ কৰি যি আন্দোলনৰ সূচনা হৈছিল সেই আন্দোলনে বৃটিশ আৰু কংগ্ৰেছৰ মাজৰ সম্পৰ্কৰ অৱনতি ঘটায়। কংগ্ৰেছৰ অংশ গ্ৰহণৰ লগে লগে অতি সোনকালেই স্বদেশী আন্দোলন সৰ্বভাৰতীয় জাতীয় আন্দোলনৰ পৰ্যায়লৈ উন্নীত হৈছিল।

বংগ ভঙ্গ আঁচনি আৰু তাৰ কাৰ্যকৰীকৰণঃ

১৯০৫ চনৰ ২০ জুলাই তাৰিখে বৃটিশ ভাইচৰয় লৰ্ড কাৰ্জনে বংগদেশক দুভাগত বিভক্ত কৰি এভাগক অসমৰ সৈতে সংযুক্ত কৰি পূৰ্ব বংগ আৰু অসম নামেৰে এখন নতুন প্ৰদেশ গঠন কৰে। এই বিভাজনৰ পূৰ্বে বংগদেশৰ সৈতে থকা ৰাজ্যাঞ্চলসমূহ আছিল উৰিষ্যা আৰু বিহাৰ। অবিভক্ত বংগদেশৰ মুঠ জনসংখ্যা আছিল ৫৪ মিলিয়ন, তাৰে ১৮ মিলিয়ন বঙালী বাকী ৩৬ মিলিয়ন বিহাৰী আৰু উৰিয়া। নতুনকৈ গঠন কৰা পূৰ্ববংগ আৰু অসমৰ মুঠ মাটিকালি আছিল ১,০৬,৫৪০ বৰ্গ মাইল। অসমৰ সৈতে নতুনকৈ সংলগ্ন কৰা বংগদেশৰ এলেকাসমূহ আছিল পূৰ্ব আৰু উত্তৰ বংগ, চট্টগ্ৰাম, ঢাকা আৰু ৰাজছাহী সংমণ্ডল, ত্ৰিপুৰা আৰু ভাগলপুৰ সংমণ্ডলৰ মালদহ জিলা। নব গঠিত প্ৰদেশখনৰ মুঠ জনসংখ্যা আছিল ৩১ মিলিয়ন, তাৰে ১৮ মিলিয়ন মুছলমান আৰু ১২ মিলিয়ন হিন্দু, আৰু ১ মিলিয়ন অন্যান্য। নতুন প্ৰদেশখনত বাংলাভাষীৰ পৰিমাণ আছিল

২,৭২,৭২,৮৯৫ গৰাকী আৰু অসমীয়া ভাষী ১৩,৪৯,৭৮৪ গৰাকী।

লৰ্ড কাৰ্জনৰ এই বংগ বিভাজনে বংগদেশত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। সুৰেন্দ্ৰনাথ বেনাৰ্জী, কৃষ্ণকুমাৰ মিত্ৰ আদি বঙালী জাতীয়তাবাদী ৰাজনৈতিক নেতাসকল জাণ্ডুৰ খাই উঠিছিল। ১৯০৫ চনৰ ৭ আগষ্ট তাৰিখে তেওঁলোকে কলকাতা টাউন হলত এক বিশাল জন সভা অনুষ্ঠিত কৰি বংগভংগ বিৰোধী আন্দোলনৰ সূচনা কৰে। পূৰ্ব সিদ্ধান্ত অনুযায়ী চৰকাৰে ১৬ অক্তোবৰ তাৰিখে বংগভংগ আঁচিনি কাৰ্যকৰী কৰিছিল। আন্দোলনকাৰীসকলে সেই দিনটো জাতীয় শোকৰ দিনৰূপে পালন কৰি তাৰ বিৰুদ্ধে তেওঁলোকৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল। আন্দোলনৰ প্ৰাথমিক কাৰ্যসূচী আছিল হৰতাল, সভা, শোভাযাত্ৰা, আৰু ৰাখি বন্ধন। আন্দোলনকাৰীসকলে কলকাতা আৰু অন্যান্য নগৰ-চহৰৰ লগতে বংগৰ ৰাস্তাই-ঘাটে বঙ্কিম চন্দ্ৰ চেটাৰ্জীৰ বন্দে মাতৰাম বোলা গীতটো গাই সকলোতে আকাশ-বতাহ মুখৰিত কৰি তুলিছিল। বংগভংগৰ প্ৰতিবাদত অনুষ্ঠিত সভা-সমিতিত হাজাৰ হাজাৰ মানুহে অংশ গ্ৰহণ কৰিছিল।

স্বদেশী আন্দোলনঃ

এই ধৰণৰ সাৰ্বজনিক প্ৰতিবাদ আৰু গণ আন্দোলনে কোনো কাম নিদিয়াত নেতাসকলে এই আন্দোলনক স্বদেশী আন্দোলনৰ ৰূপ দিয়াৰ চেষ্টা কৰে। এই স্বদেশী



লৰ্ড জৰ্জ নাথানিয়েল কাৰ্জন

আন্দোলনৰ প্ৰধান অংগ বা কাৰ্যসূচী আছিল তিনিটা—স্বদেশী, বয়কট আৰু জাতীয় শিক্ষা। এই তিনিটা কাৰ্যসূচীক তেওঁলোকে বৃটিশৰ বিৰুদ্ধে ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিবলৈ লৈছিল।

স্বদেশীৰ মাধ্যমত তেওঁলোকে দেশজাত সামগ্ৰী অৰ্থাৎ ভাৰতবৰ্ষত প্ৰস্তুত কৰা সকলো ধৰণৰ পণ্য ব্যৱহাৰ কৰাৰ ওপৰত জোৰ দিছিল। আকৌ স্বদেশীয়ে আত্ম-নিৰ্ভৰশীলতা আৰু আত্ম-সহায়তাও সামৰি লৈছিল।

জাতীয়তাবাদী বাবে স্বদেশী আছিল বৃটিশৰ বিৰুদ্ধে এপাত অৰ্থনৈতিক, ৰাজনৈতিক আধ্যাত্মিক আন্দোলনৰ

অস্ত্র। এইবিলাকৰ সাধাৰণ অৰ্থ আছিল সকলো ক্ষেত্ৰতে স্বাৱলম্বী হোৱা।

স্বদেশী আন্দোলনৰ দ্বিতীয়টো অংগ আছিল বয়কট। সকলো ভাৰতীয় লোকে ইংলেণ্ডত উৎপাদিত সকলো পণ্য ত্যাগ কৰিব লাগিব—কাপোৰ, চেনী আৰু নিমখ। দ্বিতীয়তে, ইংৰাজী ভাষা পৰিত্যাগ কৰিব। তৃতীয়তে ভাৰতীয়সকলে ইংৰাজে দিয়া সকলো উপাধি আৰু অধনুৱা বাব আৰু পৰিষদৰ সদস্য পদ ত্যাগ কৰিব। চতুৰ্থতে, ইংলেণ্ডত উৎপাদিত সামগ্ৰী ব্যৱহাৰ কৰা লোকক সামাজিক বৰ্জন কৰিব। ইয়াৰ অন্তৰ্নিহিত অৰ্থ আছিল ইংলেণ্ডৰ ওপৰত অৰ্থনৈতিক অৱৰোধ কাৰ্য চলাই সেই দেশক অৰ্থনৈতিকভাৱে ক্ষতিগ্ৰস্ত কৰা।

স্বদেশী আন্দোলনৰ তৃতীয়টো অংগ আছিল জাতীয় শিক্ষা। বৃটিশে প্ৰদান আৰু প্ৰবৰ্তন কৰা ইংৰাজী শিক্ষা বৰ্জন কৰি জাতীয় শিক্ষা গ্ৰহণ কৰিব। এই কাৰ্যসূচীৰ ৰূপায়ন কৰোঁতে প্ৰাচীন ভাৰতীয় শিক্ষা, সাহিত্য-সংস্কৃতি আৰু ভাষাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল, যাতে মানুহে অতীতক লৈ গৌৰবান্বিত বোধ কৰিব পাৰে। অৰ্থাৎ অতীতক গৌৰবান্বিত কৰাটো জাতীয় শিক্ষাৰ লগতে স্বদেশী আন্দোলনৰ অন্যতম প্ৰধান উদ্দেশ্য আছিল।

গতিকে স্বদেশী আন্দোলনৰ কাৰ্যসূচী ৰূপায়ন কৰিবলৈ যাওঁতেএফালে বৃটিশপণ্য সামগ্ৰী বিক্ৰ কৰা দোকান-পোহাৰত পিকেটিং কৰা আৰু আনহাতে দেশজাত বস্ত্ৰ-বাহানী ব্যৱহাৰ কৰা। সেয়ে স্বদেশী ব্যৱহাৰ, বিদেশী পণ্যৰ দোকানত পিকেটিং আৰু বয়কট আৰু জাতীয় শিক্ষা বিস্তাৰেই আছিল এই আন্দোলনৰ প্ৰধান কাৰ্যসূচী। বংগভংগ বিৰোধী আন্দোলনৰ সমসাময়িকভাৱে (১৯০৪-০৫) জাপানৰ হাতত ৰুচ দেশৰ পৰাজয়ে বংগদেশ তথা ভাৰতবৰ্ষৰ মানুহৰ মনত উৎসাহ আৰু অনুপ্ৰেৰণাৰ উদ্ৰেক কৰিছিল। আন্দোলনকাৰীসকলে বৃটিশ শিল্পজাত পণ্যৰ বিপৰীতে প্ৰয়োজন হলে জাপানী পণ্য ব্যৱহাৰ কৰিবলৈ প্ৰচাৰ চলাইছিল। এই আন্দোলনৰ প্ৰচাৰৰ পৰিণতিতেই দেশত ভালেমান নতুন নতুন শিল্প উদ্যোগ গঢ়ি উঠিছিল। দেশীয় উদ্যোগপতিসকলে উদ্যোগ স্থাপন কৰিবলৈ উৎসাহ লাভ কৰিছিল। এই সময়তেই কলকাতাত বংগলক্ষ্মী কটন মিল গঢ়ি উঠিছিল। কলকাতা বিশ্ববিদ্যালয়ৰ ৰসায়ন শাস্ত্ৰৰ অধ্যাপক (আচাৰ্য) প্ৰফুল্ল চন্দ্ৰ ৰায়ে বেংগল কেমিকেল নামে এটি প্ৰতিষ্ঠান স্থাপন কৰি আদৰ্শ দেখুৱাইছিল। ৰবীন্দ্ৰনাথ ঠাকুৰেও সেই সময়তে এখন স্বদেশী দোকান খোলাত আগভাগ লৈছিল। মকুন্দ দাসে গোৱা স্বদেশী গীত মানুহৰ অনুপ্ৰেৰণাৰ উৎস হৈ পৰিছিল, তেওঁ বংগৰ বাটে-ঘাটে স্বদেশী গীত গাই ফুৰিছিল। ৰবীন্দ্ৰনাথ আৰু ৰজনী কান্ত সেনেও এই সময়ত ভালেমান স্বদেশী গীত ৰচনা কৰিছিল।

স্বদেশীৰ স্বাৰ্থত বংগদেশত তেতিয়া জাতীয় শিক্ষাৰ বেছ প্ৰচাৰ হৈছিল। এই আন্দোলনৰ গইনা লৈ তেতিয়া ভালেমান জাতীয় শিক্ষানুষ্ঠান গঢ়ি উঠিছিল। ১৯০৬ চনৰ ১৫ আগষ্টত কলকাতাত জাতীয় শিক্ষা পৰিষদ (National Educational Conference) নামে এটি অনুষ্ঠান গঢ়ি তোলা হৈছিল। জাতীয় শিক্ষা পৰিষদৰ উদ্দ্যোগতেই অৰবিন্দ ঘোষক অধ্যক্ষ হিচাপে লৈ কলকাতাত এখন জাতীয় কলেজ স্থাপন কৰা হৈছিল।

বংগত আৰম্ভ হোৱা স্বদেশী আন্দোলনৰ প্ৰতি লাহে লাহে ভাৰতীয় জাতীয় কংগ্ৰেছেও সমৰ্থন দিবলৈ লৈছিল। ১৯০৫ চনত বেনাৰসত অনুষ্ঠিত কংগ্ৰেছৰ বাৰ্ষিক অধিবেশনত সভাপতিত্ব কৰি কংগ্ৰেছৰ নৰমপন্থী নেতা গোপাল কৃষ্ণ গোখলে লৰ্ড কাৰ্জনৰ বংগভংগ আঁচনিক গৰিহণা দিয়াৰ লগতে তেওঁৰ প্ৰশাসনকো প্ৰতিক্ৰিয়াশীল বুলি অবমাননা কৰিছিল। ১৯০৬ চনত দাদাভাই নৌৰজীৰ সভাপতিত্বত কলকাতাত ভাৰতীয় জাতীয় কংগ্ৰেছে বংগভংগ বিৰোধী স্বদেশী আন্দোলনৰ প্ৰতি সমৰ্থন দিছিল। কংগ্ৰেছৰ নেতৃত্বত বংগদেশৰ স্বদেশী আন্দোলনে সৰ্বভাৰতীয় মৰ্যদা লাভ কৰিছিল। কংগ্ৰেছৰ নৰমপন্থী নেতাসকলে, বিশেষকৈ ফিৰোজ ছাহ মেহতা (১৮৪৫-১৯১৫), সুৰেন্দ্ৰনাথ বেনাৰ্জী (১৮৪৮-১৯২৫), গোপাল কৃষ্ণ গোখলে (১৮৬৬-১৯১৫) আদিয়েবংগভংগ আঁচনিৰ বিৰোধীতা কৰি আন্দোলনৰ প্ৰতি সমৰ্থন দিয়াত সেই আন্দোলনৰ স্থিতি অধিক শক্তিশালী হৈছিল যদিও তেওঁলোকে বৃটিশৰ ন্যায় পৰায়নতা আৰু সুবিচাৰৰ প্ৰতি আস্থা হেৰুওৱা নাছিল।

স্বদেশী আন্দোলনৰ কাৰ্যসূচী ৰূপায়নক কেন্দ্ৰ কৰি সেই সময়তেই বংগদেশত সন্ত্ৰাসবাদী আন্দোলেন গা কৰি উঠিছিল। স্বদেশী আন্দোলনৰ সন্ত্ৰাসবাদী ধাৰাটোৰ মুখ্য প্ৰবক্তা আছিল বিপিন চন্দ্ৰ পাল (১৮৫২-১৯৩২), বাল গঙ্গাধৰ তিলক, লালা লাজপত ৰায় (১৮৬৫-১৯২৮), অৰবিন্দ ঘোষ (১৮৭২-১৯৫০), বাৰীণ ঘোষ, উল্লাসকৰ দত্ত, প্ৰফুল্ল চাকী, ক্ষুদিৰাম বসু আদি। বিপিন চন্দ্ৰ পাল, বাল গঙ্গাধৰ তিলক, লালা লাজপত ৰায়—এই ত্ৰিমূৰ্ত্তি সেই সময়তে—লাল-বাল-পাল ৰূপে বিখ্যাত হৈ পৰিছিল।

বৃটিশে সাম্প্ৰদায়িক ভেদ নীতিৰে মুছলমানসকলক বংগভংগ তথা স্বদেশী আন্দোলনৰপৰা আঁতৰাই নিছিল। লৰ্ড কাৰ্জনে মুছলমানসকলক বাৰে বাৰে আশ্বাস দিছিল যে তেওঁলোকে পূৰ্ব বংগ আৰু অসম নামে নতুন প্ৰদেশখনত নিজস্ব এখন গৃহভূমি লাভ কৰিব। গতিকে তেওঁলোকে আন্দোলন কৰিব নালাগে। তেওঁৰ উত্তৰাধিকাৰী লৰ্ড মিন্টোৱে আৰু এধাপ আগুৱাই গৈ তেওঁলোকক পৃথক ৰাজনৈতিক সংগঠন মুছলীম লীগ গঠন (১৯০৬) কৰাত সহায় কৰিছিল। তৃতীয়টো পদক্ষেপত বৃটিশে ১৯০৯ চনৰ শাসন সংস্কাৰৰ মাধ্যমত পৃথক ভোটাধিকাৰেৰে মুছলমানসকলক পৃথক আৰু বৃটিশৰ অনুগতৰাজনৈতিকশক্তিতপৰিণতকৰিছিল। লৰ্ড কাৰ্জনৰ শাসন কালটো যদি ভাৰতবৰ্ষত

মুছলমান সাম্প্ৰদায়িক ৰাজনীতিৰ বীজ সিঁচাৰ যুগ বোলা হয় তেনেহলে লৰ্ড মিন্টোৰ শাসন কালটো হ'ল সেই বীজৰ গজালি ওলোৱাৰ যুগ।

এই ধৰণৰ পৃথকত্ববাদী কাৰ্যত লিপ্ত থকাৰ ওপৰিও বৃটিশে আন্দোলনটো মশীমূৰ কৰিবলৈ দমনমূলক কাৰ্য আৰম্ভ কৰিছিল। বংগৰ ৰাজহুৱা ৰাস্তা-ঘাটত বন্দে মাতৰম ধ্বনি দিয়াটো নিষিদ্ধ কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলক আন্দোলনৰপৰা আঁতৰাই নিয়াৰ বাবে শাস্তিমূলক অধিসূচনা জাৰি কৰিছিল। আনকি বহু ছাত্ৰকে শাৰিৰীক শাস্তি বিহা হৈছিল। ৰাজহুৱা সভা-সমিতি বেআইনী ঘোষাণা কৰিছিল। বংগদেশত ৰাজনৈতিক কৰ্মীসকলৰ বিৰুদ্ধে শ শ মামলা-মোকৰ্দমা ৰুজু কৰা হৈছিল। বংগদেশৰপৰা প্ৰকাশিত **যুগান্তৰ, বন্দে মাতৰম, সন্ধ্যা** আদি ভালেমান বাতৰি কাকতৰ ওপৰত নিষেধাজ্ঞা জাপি দিয়া হৈছিল। আন্দোলনৰ আগ শাৰীৰ নেতা কৃষ্ণ কুমাৰ মিত্ৰ আৰু অশ্বিনী কুমাৰ দত্তসহ কেবাজনকো ১৯০৮ চনৰ ডিচেম্বৰ মাহত দেশান্তৰিত কৰা হৈছিল। বংগদেশৰ বাহিৰত দেশৰ অন্যান্য প্ৰদেশতো ভালেমান নেতাক বন্দী কৰি হয়তো জেইলত ৰখা হৈছিল, নহয়তো দেশান্তৰিত কৰা হৈছিল। তেনে নেতাসকলৰ ভিতৰত প্ৰধান আছিল মাদ্ৰাজৰ চিদাম্বৰম পিল্লাই, অন্ধ্ৰ প্ৰদেশৰ হৰিসৰ্বোত্তম ৰাও, আৰু মহাৰাষ্ট্ৰৰ বাল গংগাধৰ তিলক। আন্দোলনৰ প্ৰায় শেষৰপিনে বিপিন চন্দ্ৰ পাল আৰু অৰবিন্দ ঘোষে ৰাজনৈতিক সন্যাস লোৱাত আন্দোলন আৰু অধিক কাললৈ চলাই থকাটো অসম্ভৱ হৈ উঠিছিল।

এজন বৃটিশ বিষয়াক হত্যা কৰিবলৈ চেষ্টা কৰাৰ অপৰাধত বৃটিশ চৰকাৰে ১৯০৮ চনত ক্ষুদিৰাম বসুক ফাঁচী দি মাৰিছিল। স্বদেশী আন্দোলনৰ পৰিপ্ৰেক্ষিতত ১৯১১ চনৰ ২ ডিচেম্বৰ তাৰিখে বৃটিশ চৰকাৰে দিল্লীত দৰবাৰ পাতি বংগভংগ আঁচনি বাতিল কৰে আৰু তাৰ লগে লগে স্বদেশী আন্দোলনৰো ইতি পৰে। অৱশ্যে বংগভংগ আঁচনি বাতিল কৰাৰ পূৰ্বে তেওঁলোকে বৃটিশ-ভাৰতবৰ্ষৰ ৰাজধানী কলকাতাৰপৰা দিল্লীলৈ স্থানান্তৰিত কৰে। ৰাজধানী স্থানান্তৰৰ প্ৰস্তাৱ লৰ্ড কাৰ্জনেই বৃটিশ গৃহ চৰকাৰৰ ওচৰত দি থৈছিল।

কংগ্ৰেছৰ বিভাজনঃ

বংগভংগৰ প্ৰতিবাদত গঢ়ি উঠা স্বদেশী আন্দোলন আৰম্ভ হোৱাৰপৰাই ভাৰতীয় জাতীয় কংগ্ৰেছৰ অভ্যন্তৰত ৰাজনৈতিক কাৰ্যসূচী ৰূপায়নক লৈ নৰমপন্থী (Moderates) আৰু চৰমপন্থীসকলৰ (Extremists) মাজত মতানৈক্য চলি আহিছিল। বিশেষকৈ বংগদেশত গা কৰি উঠা সন্ত্ৰাসবাদী আন্দোলনক কেন্দ্ৰ কৰিয়েই কংগ্ৰেছৰ নেতাসকলৰ মাজত এই মতানৈক্যৰ সূত্ৰপাত হৈছিল। কংগ্ৰেছৰ একাংশ নেতা শান্তিপূৰ্ণ আৰু সাংবিধানিক পন্থাৰে কেৱল স্বদেশী আৰু বয়কটক কেন্দ্ৰ কৰি আন্দোলনটো বংগদেশৰ ভিতৰতে সীমিত কৰি ৰখাৰ পক্ষপাতী আছিল, অৰ্থাৎ তেওঁলোকে সন্ত্ৰাসবাদী ৰাজনৈতিক কাৰ্যসূচীৰ প্ৰতি বিৰূপ মনোভাৱ প্ৰকাশ কৰিছিল। আনহাতে আন একাংশ কংগ্ৰেছ নেতাই এই আন্দোলনৰ

সৈতে জড়িত উগ্ৰ জাতীয়তাবাদীসকলৰ (Militant nationalists) চিন্তা ধাৰাক জাতে-পাতে সৰ্বভাৰতীয় ৰূপ দিয়াৰ পোষকতা কৰিছিল।

বেনাৰসত গোপাল কৃষ্ণ গোখলেৰ সভাপতিত্বত অনুষ্ঠিত কংগ্ৰেছ অধিবেশনতে (১৯০৫) চৰমপন্থী নেতা বাল গংগাধৰ তিলক আৰু লালা লাজপত ৰায়ে কংগ্ৰেছৰ কাৰ্যসূচীত ৰাজনৈতিক আন্দোলনত প্ৰত্যক্ষভাৱে জড়িত হৈ পৰাৰ হকে তেওঁলোকৰ ফালৰপৰা সুকীয়া আঁচনি দাঙি ধৰিছিল। কিন্তু নৰমপন্থীসকলৰ— দাদাভাই নৌৰজী, ফিৰোজ ছাহ মেহতা, গোপাল কৃষ্ণ গোখলে, সুৰেন্দ্ৰনাথ বেনাৰ্জীৰ—বাবে সেইটো সম্ভৱপৰ নাছিল, কিয়নো সেই ধৰণৰ ৰাজনৈতিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰাটো কংগ্ৰেছৰ বাবে সংবিধান বৰ্হিভূত কাৰ্য আছিল। কিন্তু যিহেতু নৰমপন্থী বা চৰমপন্থী কোনোটো উপদলেই স্বদেশী আন্দোলন চলি থকা কাৰণে প্ৰত্যক্ষ সংঘাতলৈ অহাৰ পক্ষপাতী নাছিল সেয়ে সেইবাৰলৈ কোনো মতে লোকদৰ্শিতভাৱে ভাৰতীয় জাতীয় কংগ্ৰেছৰ একতা অক্ষুণ্ন ৰখা হৈছিল।

কিন্তু বেনাৰসৰ তিক্ততা মাৰ নৌ-যাওতেই ভাৰত পৰিক্ৰমাৰ মন্ত্ৰী লৰ্ড মৰ্লিৰ ঘোষণাই চৰমপন্থীসকলৰ ৰাজনৈতিক ধাৰণা আৰু স্থিতি আৰু অধিক শক্তিশালী কৰি তুলিলে। লৰ্ড মৰ্লিয়ে ঘোষণা কৰিছিল যে কোনো ক্ষেত্ৰতে বংগভংগ আঁচনিৰ সলনি কৰা নহয়। তাৰেই পৰিপ্ৰেক্ষিতত চৰমপন্থীসকল নিশ্চিত হৈছিল যে ভাৰতীয়সকলে নিজৰ ৰাজনৈতিক অধিকাৰৰ বাবে বৃটিশৰ বিৰুদ্ধে সংগ্ৰাম কৰিব লাগিব। আনহাতে নৰমপন্থীসকলো তেওঁলোকৰ বিশ্বাসত নাছোৰবান্দা আছিল।

গতিকে দুয়োটা উপদলেই নিজ নিজ কাৰ্যসূচী লৈ ১৯০৬ চনৰ কংগ্ৰেছ অধিবেশনৰ বাবে কলকাতাত হাজিৰ হ'লগৈ। সভাপতি নিৰ্বাচনক কেন্দ্ৰ কৰি পোনতে মতানৈক্যৰ সূত্ৰপাত হল, বিপিন চন্দ্ৰ পালে প্ৰস্তাৱ দিলে তিলক সভাপতি হওক, নৰমপন্থীসকলৰ বাবে গ্ৰহণযোগ্য নহ'ল। ফিৰোজ ছাহ মেহতাই অশেষ চেষ্টা কৰি দাদাভাই নৌৰজীক কোনোমতে সভাপতিপদৰ বাবে সন্মত কৰোঁৱাতকংগ্ৰেছ সেইবাৰলৈ নিশ্চিত বিভাজনৰ-পৰা ৰক্ষা পৰিছিল। কিন্তু তাৰ দ্বাৰা ৰাজনৈতিক মতাদৰ্শগত সমস্যা-বিৰোধৰ অন্ত পৰা নাছিল।

এই মতানৈক্যই চুৰাট কংগ্ৰেছৰ (১৯০৭) আগমুহূৰ্তত তীব্ৰৰূপ ধাৰণ কৰে। দুয়োটা উপদলৰ মাজত এইবাৰো পোনতে কংগ্ৰেছ প্ৰেছিডেন্টৰ নিৰ্বাচনক কেন্দ্ৰ কৰি প্ৰত্যক্ষ টনা-আঁজোৰাৰ সৃষ্টি হয়, প্ৰত্যেকটো উপদলেই নিজ নিজ প্ৰাৰ্থীক কংগ্ৰেছ প্ৰেছিডেন্ট ৰূপে নিৰ্বাচিত কৰাৰ বাবে কঁকালত টঙালি বান্ধি ওলাল। চুৰাট কংগ্ৰেছৰ অভ্যৰ্থনা সমিতিয়ে ড°ৰাসবিহাৰী ঘোষক সভাপতি নিৰ্বাচিত কৰাত চৰমপন্থীসকলে সেই কাৰ্যক অগণতান্ত্ৰিক বুলি কৈ প্ৰতিবাদ সাব্যস্ত কৰে যদিও সভাপতি ঘোষে অভিভাষণ পাঠ কৰিবলৈ লওতেই

দুয়োটা উপদলৰ মাজত প্ৰত্যক্ষ সংঘৰ্ষৰ সূত্ৰপাত হয়। দুয়োটা উপদলৰ সদস্যসকলে পৰস্পৰক জোতা-চেন্দেলেৰে সম্ভাষণ জনাবলৈ ধৰাত সভাপতি ঘোষে সভা সিমানতে সামৰি থয়। কংগ্ৰেছৰ ইতিহাসত প্ৰথমবাৰৰ বাবে বিভাজন সংঘটিত হয়। কংগ্ৰেছৰ নৰম আৰু চৰমপন্থীসকল সোঁ-পন্থী বাওঁ-পন্থী দুটা শিবিৰত বিভক্ত হৈ পৰে। গতিকে দেখা যায় ১৯০৭ চনৰ ডিচেম্বৰত অনুষ্ঠিত চুৰাট কংগ্ৰেছত ৰাজনৈতিক মতানৈক্যই বিভাজনৰ ৰূপ লয়। বৃটিশ চৰকাৰেও স্বস্তিৰ নিশ্বাস পেলালে। তেওঁলোকে এই ঘটনাৰ পূৰ্ণ সুযোগ ললে, এফালে নৰমপন্থীসকলক সন্তুষ্ট কৰা আৰু আনহাতে চৰমপন্থীসকলক এঘৰীয়া কৰাৰ উদ্দেশ্যে তেওঁলোকে শাসন সংস্কাৰৰ প্ৰস্তাৱ ঘোষণা কৰে। সি যি কি নহওক, কংগ্ৰেছৰ এই বিভাজন ১৯১৬ চনলৈ বৰ্তি থাকে।

ভাৰত শাসন বিধি, ১৯০৯ : মুছলিম লীগ, সাম্প্ৰদায়িকতাৰ উদ্ভৱ :

বৃটিশ সংসদে ইতিপূৰ্বে গ্ৰহণ কৰা পৰিষদ আইনসমূহে ভাৰতবৰ্ষৰ শিক্ষিত শ্ৰেণীৰ মনোবাঞ্ছা পূৰণ কৰিব পৰা নাছিল। বিশেষকৈ ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ গঢ়ি উঠাৰ পিচৰপৰা সেই মঞ্চত দেশৰ ৰাজনৈতিক উন্নয়নৰ বাবে ইতিমধ্যে গঢ়ি তোলা পৰিষদৰ পৰিসৰ বৃদ্ধি কৰাৰ পোষকতা কৰি আহিছিল। লগতে কানাডা বা অষ্ট্ৰেলিয়াৰ আৰ্হিত বৃটিশ ৰাজমুকুটৰ অধীনত ভাৰতবৰ্ষৰ বাবে স্বায়ত্ব শাসনৰ দাবীও উত্থাপিত হৈছিল। ভাৰতীয় জাতীয় কংগ্ৰেছৰ বেনাৰস অধিবেশনত (১৯০৫) সভাপতিত্ব কৰি গোপাল কৃষ্ণ গোখলে কৈছিল যে বৃটিশ সাম্ৰাজ্যৰ উপনিবেশসমূহৰ আৰ্হিত দেশৰ বাবে স্বায়ত্ব শাসন (self-governing Colonies of the British Empire") তথা ঔপনিবেশিক স্বায়ত্ব শাসন লাভ কৰাটো হ'ল কংগ্ৰেছৰ লক্ষ্য। তেওঁ ১৯০৬ চনত কেন্দ্ৰীয় বিধান পৰিষদতো এই দাবী উত্থাপন কৰিছিল। কংগ্ৰেছৰ অন্যতম নৰমপন্থী নেতা দাদাভাই নৌৰজীয়েও সেইবছৰেই কংগ্ৰেছৰ কলকাতা অধিবেশনত পৌৰাহিত্য কৰি ভাৰতীয়সকলৰ বাবে স্বৰাজৰ দাবী উত্থাপন কৰিছিল। তেওঁ কৈছিল যে ভাৰতবৰ্ষৰ সমগ্ৰ ৰাজনৈতিক প্ৰশ্নটো মাত্ৰ এটা শব্দত প্ৰকাশ কৰিব পাৰি আৰু সেইটো হ'ল "Self-Government or Swaraj, like that of the United Kingdom or the Colonies ". সাংবিধানিক বিশেষজ্ঞ বেৰিডেল কেইথৰ মতে স্বৰাজৰ অৰ্থ আছিল পৃথক পৃথক, নৰমপন্থীসকলে তাৰ অৰ্থ কৰিছিল সংসদীয় স্বায়ত্ব শাসন, চৰমপন্থীসকলে স্বাধীনতা, আৰু ইংৰাজৰ প্ৰতি সহানুভূতিশীলসকলে ঔপনিবেশিক স্বায়ত্ব শাসন ('Swaraj "to the moderates meant parliamentary self-government, to the extremists independence, to English sympathisers self-government of Colonial type "))। এই দাবীৰ সমসাময়িকভাৱে ভাৰতবৰ্ষত চলি আছিল বংগ ভংগ বিৰোধী তথা স্বদেশী আন্দোলন (১৯০৫-১১)।

গতিকে এনে এটা ৰাজনৈতিক পৰিবেশত বৃটিশ গৃহ চৰকাৰে ভাৰতবৰ্ষৰ পৰিষদ আইন সংশোধন তথা শাসন সংস্কাৰৰ দিশত মনোনিবেশ কৰিবলৈ বাধ্য হৈছিল। কিন্তু চৰকাৰৰ বংগ বিভাজন আঁচনিক কেন্দ্ৰ কৰি ১৯০৫ চনৰপৰা আৰম্ভ হোৱা বংগভংগ বিৰোধী তথা স্বদেশী আন্দোলন আৰু সেই আন্দোলনৰ ওপৰত ভেঁজা দি গঢ়ি উঠা সন্ত্ৰাসবাদী আন্দোলন আৰু সেই আন্দোলনৰ প্ৰতি জনসাধাৰণৰ সহাঁৰি আৰু কংগ্ৰেছৰ অংশ গ্ৰহণে বৃটিশ-ভাৰত আৰু গৃহ চৰকাৰক ভাৰতবৰ্ষত সাম্প্ৰদায়িক বিভাজন আনিবলৈ প্ৰৰোচিত কৰিছিল। আনহাতে ইতিপূৰ্বে ভাইচৰয় হিচাপে লৰ্ড কাৰ্জনৰ কাৰ্যকালতে ভাৰত পৰিক্ৰমাৰ মন্ত্ৰী লৰ্ড হেমিলণ্টনে (Lord Hamilton) ভাৰতবৰ্ষৰ ক্ৰমবৰ্দ্ধমান ৰাজনৈতিক আন্দোলনৰ পৰিপ্ৰেক্ষিতত পাৰিলে হিন্দুসকলৰ মাজতেই বিভাজন মুখী ৰাজনীতিৰ প্ৰবৰ্তন কৰাৰ কথা চিন্তা কৰিছিল।

সি যি কি নহওক, লৰ্ড মিণ্টো (Lord Minto) লৰ্ড কাৰ্জনৰ উত্তৰাধিকাৰীৰূপে বৃটিশ-ভাৰতবৰ্ষৰ ভাইচৰয় হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ লগে লগে ভাৰতবৰ্ষ আৰু ইংলেণ্ড উভয়তে দেশৰ শাসন সংস্কাৰৰ প্ৰশ্নটোৱে বিশেষ অগ্ৰাধিকাৰ লাভ কৰে। ইতিমধ্যে জন মৰ্লিয়ে (John Morley) ভাৰত পৰিক্ৰমাৰ মন্ত্ৰীৰূপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। ভাইচৰয় লৰ্ড মিণ্টো আৰু জন মৰ্লি দুয়োজনেই ইংলেণ্ডৰ উদাৰপন্থী দলৰ সদস্য আৰু ৰাজনীতিক আছিল। আদৰ্শগতভাৱে উদাৰপন্থী হ'লেও দুয়োজনেই ভাৰতবৰ্ষত বৃটিশ সাম্ৰাজ্যৰ অতন্দ্ৰ প্ৰহৰী আছিল। ৰক্ষণশীলেই হওক বা উদাৰপন্থীয়েই হওক, তেওঁলোক ইংৰাজ আৰু ইংৰাজেই, বৃটিশ সাম্ৰাজ্যৰ স্বাৰ্থৰ বিপৰীতে ভাৰতীয় লোকৰ কল্যাণৰ কথা তেওঁলোকে ভাবিব নোৱাৰে বা নাভাবে। এইটো আছিল তেওঁলোকৰ জাতীয় চৰিত্ৰ।

শাসন সংস্কাৰৰ বাবে ভাৰতবৰ্ষত চলি থকা দাবীৰ পৰিপ্ৰেক্ষিতত ভাৰত পৰিক্ৰমাৰ মন্ত্ৰী জন মৰ্লি আৰু ভাইচৰয় লৰ্ড মিণ্টো দুয়োজনে ভালেমান দিন ধৰি মত বিনিময় কৰে। তেওঁলোক এটা কথাত একমত হৈছিল যে ভাৰতবৰ্ষত সংসদীয় আৰ্হিৰ কোনো ৰাজনৈতিক অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়ি তোলা নহয়। তথাপিও নিজৰ ৰাজনৈতিক লক্ষ্য আৰু উদ্দেশ্য গোপনে ৰাখি দুয়োজনে ১৯০৬ চনৰ প্ৰায় আৰম্ভণিৰেপৰা শাসন সংস্কাৰৰ নামত এক প্ৰহসনৰ সূচনা কৰে। সংসদীয় আৰ্হিত শাসন সংস্কাৰৰ প্ৰশ্নটো বিবেচনা কৰিবলৈ লৰ্ড মিণ্টোৱে জন মৰ্লিৰ অনুমোদন সাপেক্ষে আগষ্ট মাহত ছাৰ এ টি অৰুণডেলৰ নেতৃত্বত এটি ৫-জনীয়া সমিতি গঠন কৰি দিয়ে, ইয়াকে অৰুণডেল সমিতি (Arundel Committee) বোলা হৈছিল। কিন্তু সমস্যা সমাধানতকৈ তৰ্ক আৰু যুক্তিৰ মকৰাজাল তৈয়াৰ কৰাৰ বাবেহে এই সমিতি গঠন কৰা হৈছিল।

তাৰ পিচত বৃটিশ-ভাৰত চৰকাৰ বিৰোধী বংগভংগ তথা স্বদেশী আন্দোলনৰপৰা ভাৰতীয় মুছলমানসকলক আঁতৰাই অনাৰ বাবে চৰকাৰী প্ৰচেষ্টাক বাস্তৱিকৰূপ দিয়াৰ

বাবে দৃঢ় পদক্ষেপ লোৱা হৈছিল। ভাইচৰয়ৰ ব্যক্তিগত সচিব আছিল কৰ্ণেল ডান্লপ্ স্মিথ (Colonel Dunlop Smith)। কৰ্ণেল ডানলপ স্মিথ আৰু লৰ্ড মিন্টোৰ প্ৰধান লক্ষ্য আছিল দুটা—প্ৰথমে, ভাৰতীয় মুছলমানসকলক স্বদেশী আন্দোলনৰপৰা আঁতৰাই অনা আৰু দ্বিতীয়তে, মুছলমানসকলক লৈ ভাৰতবৰ্ষত এফালে কংগ্ৰেছৰ প্ৰতিসম আৰু প্ৰতিদ্বন্দ্বী আৰু আনফালে চৰকাৰৰ সহযোগীৰূপে এটি ৰাজনৈতিক সংগঠন গঢ়ি তোলা।

কৰ্ণেল ডানলপ স্মিথৰ প্ৰত্যক্ষ উচতনি আৰু সহযোগতেই বোম্বেৰ আগা খাঁৰ নেতৃত্বত ১৯০৬ চনৰ ১লা অক্টোবৰ তাৰিখে এটি মুছলমান সঁজাতি দলে চিমলাত গৈ ভাইচৰয় লৰ্ড মিন্টোৰ সৈতে গোপন আলোচনাত মিলিত হয়। এই সঁজাতি দলটোৰ অন্যান্য সদস্য আছিল ঢকাৰ নবাব ছালিমুল্লা, নবাব মহছিন-উল-মূলক আদি মুছলমান জমিদাৰ আৰু নবাব। স্বদেশী আন্দোলনৰ বিৰোধী পক্ষত লোৱা স্থিতিৰবাবেই কেন্দ্ৰীয় চৰকাৰে ঢাকাৰ নবাব ছালিমুল্লাক ইতিপূৰ্বে ১৪,০০,০০০ টকাৰ ঋণ দি বৃটিশৰ পক্ষলৈ নিছিল। এই সঁজাতি দলটোৱে ভাৰতীয় মুছলমানসকলক এটি পৃথক সম্প্ৰদায়ৰূপ স্বীকৃতি দিবলৈ আৰু নতুন শাসন সংস্কাৰত তেওঁলোকৰ বাবে পৃথক ভোটাধিকাৰৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাইছিল। তাৎপৰ্যৰ কথা যে এই সঁজাতি দলৰ সদস্যসকলৰ নেতৃত্বতেই আৰু বৃটিশৰ প্ৰত্যক্ষ সহযোগত তিনি মাহ পিচত (ডিচেম্বৰ, ১৯০৬) নিখিল ভাৰত মুছলীম লীগৰ (All India Muslim League) জন্ম হৈছিল।

এইদৰে সাম্প্ৰদায়িক বিভাজন নীতিৰে ভাৰতবৰ্ষত বৃটিশৰ সাম্ৰাজ্যিক স্বাৰ্থ পূৰণৰ বাস্তৱিক ভিত্তি তৈয়াৰ কৰাৰ পিচত জন মৰ্লিয়ে ১৯০৯ চনৰ ফেব্ৰুৱাৰী মাহত বৃটিশ সংসদত উত্থাপন কৰা ভাৰতীয় পৰিষদ বিলখন ১৫ মে' তাৰিখে সংসদে গ্ৰহণ কৰাত ই আইনত পৰিণত হয়। বিলখনে বৃটিশ সংসদত কোনো ধৰণৰ উৎকণ্ঠা বা উত্তেজনাৰ সৃষ্টি কৰা নাছিল, বিলখনৰ আলোচনাৰ সময়ত সংসদত চৰকাৰ পক্ষৰ মাত্ৰ ১৪ জন আৰু বিৰোধী পক্ষৰ ৮ জন সদস্য উপস্থিত আছিল। এই আইনখন ১৯১০ চনৰ ১ জানুৱাৰীৰপৰা বলবৎ কৰা হয়।

এই আইনখনে ভাৰতবৰ্ষত ভাইচৰয়ৰ কাৰ্যানিৰ্বাহক পৰিষদ তথা কেন্দ্ৰী বিধান পৰিষদ আৰু প্ৰদেশিক বিধান পৰিষদসমূহৰ সদস্য সংখ্যা যথেষ্ট পৰিমাণে বৃদ্ধি কৰিছিল। এই আইনে সৃষ্টি কৰা পৰিবৰ্তনসমূহ আছিল এনেকুৱা ধৰণৰ—

(ক) কেন্দ্ৰীয় বিধান পৰিষদৰ অতিৰিক্ত সদস্যৰ সংখ্যা উৰ্দ্ধতম ৬০ জনলৈ, মাদ্ৰাজ, বোম্বে, বংগ, সংযুক্ত প্ৰদেশ, বিহাৰ আৰু উৰিষ্যাৰ বিধান পৰিষদৰ প্ৰতিখনৰে ৫০ জনলৈ, আৰু পাঞ্জাব, ব্ৰহ্মদেশ আৰু অসমৰ প্ৰতিখনৰে ৩০ জনলৈ বৃদ্ধি কৰা হৈছিল।

(খ) অতিৰিক্ত সদস্যসকল আকৌ চৰকাৰী আৰু বেচৰকাৰী দুভাগত বিভক্ত আছিল। চৰকাৰী সদস্যসকলৰ ভিতৰত আছিল পদেন (Ex-officio) আৰু মনোনীত (nomi-

nated) সদস্য। বেচৰকাৰী সদস্যসকলৰ ভিতৰত আছিল মনোনীত (nominated) আৰু নিৰ্বাচিত (Elected) সদস্য। জন মৰ্লিয়ে যি কোনো ক্ষেত্ৰতে কেন্দ্ৰীয় বিধান পৰিষদত চৰকাৰী সদস্যৰ সংখ্যা গৰিষ্ঠতা অক্ষুন্ন ৰখাৰ পক্ষপাতী আছিল আৰু আইনখনতো তাৰ প্ৰতিফলন ঘটিছিল।

(গ) কেন্দ্ৰীয় বিধান পৰিষদৰ সদস্যসকলৰ ৩৭ জন আছিল চৰকাৰী আৰু ৩২ জন বেচৰকাৰী। সেই ৩৭ জনৰে আকৌ ২৮ জনক ভাইচৰয়জনে মনোনীত কৰিব পাৰিব আৰু বাকী ৯ জন পদেন সদস্য হ'ব। উক্ত ২৮ জন মনোনীত সদস্যৰ ভিতৰত আকৌ পাঞ্জাবৰ জমিদাৰ, পাঞ্জাবৰ মুছলমান আৰু ভাৰতীয় বণিক এই তিনিটা গোট বা সম্প্ৰদায়ৰপৰা এজনকৈ মুঠ তিনিজন সদস্য বাছনি কৰি লোৱা হ'ব।

(ঘ) ৩২ জন বেচৰকাৰী সদস্যৰ ভিতৰত ৫ জনক ভাইচৰয়ে মনোনীত কৰিব পাৰিব আৰু বাকী ২৭ জনক তলত উল্লেখ কৰা নিৰ্বাচক মণ্ডলীয়ে নিৰ্বাচিত কৰিব—

(১) প্ৰাদেশিক বিধান পৰিষদে	১৩ জন
(২) মাদ্ৰাজ, বোম্বে, বংগ, সংযুক্ত প্ৰদেশ, বিহাৰ, উৰিষ্যা আৰু মধ্য প্ৰদেশৰ জমিদাৰসকলে	০৬ জন
(৩) মাদ্ৰাজ, বোম্বে, বংগ, সংযুক্ত প্ৰদেশ, বিহাৰ আৰু উৰিষ্যাৰ মুছলমান সম্প্ৰদায়ে	০৫ জন
(৪) সংযুক্ত প্ৰদেশ আৰু বংগৰ মুছলমান সম্প্ৰদায়ে এবছৰৰ ব্যৱধানত এবাৰকৈ	০১ জন
(৫) বোম্বে আৰু কলকাতাৰ বণিক সংস্থাই	০২ জন

(ঙ) ১৯০৯ চনৰ পৰিষদ আইন মৰ্মে প্ৰাদেশিক বিধান পৰিষদৰ গঠন আছিল নিম্নৰূপ—

প্ৰদেশ	পদেন সদস্য	মনোনীত	নিৰ্বাচিত আৰু বিশেষজ্ঞ
অসম	১	১৩ (৯)	১১+১=২৬
বংগ	৫	২০(১৬)	২৮+২=৫৪
বোম্বে	৫	২১(১৫)	২১+২=৪৯
বিহাৰ+ উৰিষ্যা	৪	১৯(১৫)	২১+১=৪৫
ব্ৰহ্মদেশ	১	১৪(৬)	১+২= ১৮
মাদ্ৰাজ	৫	২১(১৬)	২১+২=৪৯
পাঞ্জাব	১	১৬(১০)	৮+২= ২৭
মধ্য প্ৰদেশ	১	১৭(১০)	৭+১= ২৬
সংযুক্ত প্ৰদেশ	১	২৬(২০)	২১+২=৫০

(চ) ১৯০৯ চনৰ পৰিষদ আইনে পৰিষদৰ ক্ষমতাৰ ক্ষেত্ৰত কোনো ধৰণৰ পৰিবৰ্তন সাধন কৰা নাছিল, কেৱল আলোচনাৰ পৰিসৰহে বৃদ্ধি কৰিছিল। কেন্দ্ৰীয় বিধান পৰিষদত

বিত্ত বিভাগৰ দায়িত্বত থকা সদস্যজনে দাখিল কৰা বাৰ্ষিক আয়-ব্যয়ৰ খতিয়ান তথা বাজেটৰ ওপৰত সদস্যসকলে আলোচনা কৰিব পাৰিছিল। প্ৰতি বছৰৰ ২৪ মাৰ্চত কেন্দ্ৰীয় বিধান পৰিষদত বাজেট উত্থাপন কৰাটো বাধ্যতামূলক আছিল। প্ৰতিজন সদস্যকে বাজেটৰ ছপা কপি দিয়াটো নিয়ম আছিল।

(ছ) আনহাতে মাদ্ৰাজ, বোম্বে আৰু বংগ পৰিষদৰ কাৰ্যবাহী সদস্যৰ (Executive Councillor) সংখ্যা ৪ জনলৈ বৃদ্ধি কৰিছিল, তাৰে দুজন ১২ বছৰ ধৰি ৰাজমুকুটৰ অধীনত ভাৰতবৰ্ষত কাৰ্যনিৰ্বাহ কৰা লোক হ'ব লাগিছিল।

(জ) এই আইনৰ অধীনত ভাইচৰয়ে নতুন অধিনিয়ম তৈয়াৰ কৰিব পাৰিছিল।

(ঞ) বিধান পৰিষদৰ সদস্যসকলৰ কাৰ্যকাল তিনি বছৰীয়া আছিল।

১৯০৯ চনৰ পৰিষদ আইনে পোন প্ৰথম বাৰৰ বাবে ভাৰতবৰ্ষত সাম্প্ৰদায়িক ভোটাধিকাৰৰ সৃষ্টি কৰি ভাৰতীয় সমাজত ধৰ্মৰ ভিত্তিত ৰাজনৈতিক বিভাজন আনিছিল। এই আইন আনহাতে পৰবৰ্তী কালত মুছলীম লীগে উত্থাপন কৰা দ্বি-জাতি তত্ত্বৰ আধাৰৰূপে পৰিগণিত হৈছিল।

প্ৰথম বিশ্ব যুদ্ধ আৰু ভাৰতীয় জাতীয় আন্দোলনঃ হোম ৰুল মোভমেন্টঃ

১৯১৪ চনৰ জুন মাহৰ ২৮ তাৰিখে অষ্ট্ৰিয়াই ছাৰ্বিয়া আক্ৰমণ কৰাৰ লগে লগে ইয়োৰূপত প্ৰথম বিশ্ব যুদ্ধৰ সূচনা হয়। এই যুদ্ধত এফালে আছিল কেন্দ্ৰীয় শক্তি জোঁট আৰু আনফালে মিত্ৰ শক্তি জোঁট। কেন্দ্ৰীয় শক্তি জোঁটৰ সদস্য ৰাষ্ট্ৰ আছিল জাৰ্মানী, অষ্ট্ৰিয়া-হাঙ্গেৰী আৰু তুৰষ্ক। মিত্ৰ শক্তি জোঁটৰ সদস্য ৰাষ্ট্ৰ আছিল ইংলেণ্ড, ফ্ৰান্স, ইটালী, ৰুচ দেশ, জাপান আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ।

এই যুদ্ধ আৰম্ভ হোৱাৰ লগে লগে কংগ্ৰেছৰ নৰমপন্থী আৰু চৰমপন্থী সকলোৱে বৃটিশৰ প্ৰতি সমৰ্থন দি যুদ্ধ প্ৰচেষ্টাত সহযোগ কৰাৰ নীতি লৈছিল। বৃটিশৰ প্ৰতি সহায় দিয়াৰ কাৰণ আছিল এইটো যে যুদ্ধ অন্ত পৰাৰ পিচত বৃটিশে ভাৰতীয় নেতাসকলৰ প্ৰতি সদয় হৈ ভাৰতবৰ্ষত ঔপনিবেশিক স্বায়ত্ত্ব শাসন প্ৰবৰ্তন কৰিব। সেয়ে ঔপনিবেশিক স্বায়ত্ব শাসনৰ আশাত বন্দী দেশীয় নেতাসকলৰ বাবে বৃটিশ সাম্ৰাজ্যৰ সংৰক্ষণ প্ৰাথমিক কৰ্তব্যত পৰিণত হৈছিল।

যুদ্ধখনৰ সূচনা হৈছিল প্ৰধানতঃ সাম্ৰাজ্যবাদী শক্তিসমূহৰ মাজত বিশ্বত বজাৰ দখলৰ প্ৰতিযোগিতাৰ পৰিণতি স্বৰূপে। আনকথাত উপনিবেশৰ পুনৰ ভাগ-বাটোৱাৰাক কেন্দ্ৰ কৰি। দুইটা শিবিৰে বিশ্বত তেওঁলোকৰ দখলাধীন উপনিবেশসমূহৰ ওপৰত নিজৰ নিয়ন্ত্ৰণ অক্ষুন্ন ৰাখিবলৈ আৰু পাৰিলে নতুনকৈ উপনিবেশ স্থাপন কৰিবলৈ সামৰিক সংঘৰ্ষত লিপ্ত হৈছিল। ভাৰতবৰ্ষৰ ৰাজনৈতিক নেতাসকলে যুদ্ধখনৰ এই চৰিত্ৰ উপলব্ধি কৰিব পৰা নাছিল। ঐতিহাসিক বিপান চন্দ্ৰই কৈছে, 'They did not realise fully

that the different popwers were fighting the First World War precisely to safeguard their existing colonies "

ভাৰতবৰ্ষও বৃটিশৰ উপনিবেশ আছিল, গতিকে সেই উপনিবেশৰপৰা বৃটিশে যে নিজৰ অধিকাৰ প্ৰত্যাহাৰ কৰিব সেইটো আছিল আকাশ কুসুম আৰু এক ভীষণ ৰাজনৈতিক ভ্ৰান্তি। এইটো ঠিক যে জাতীয়তাবাদী নেতাসকলে বৃটেইনৰ প্ৰতি আনুগত্যবশতঃ এই সাহায্য দিয়া নাছিল নতুবা এই সাহায্য সহানুভূতিসূচকো নাছিল। ই আছিল ৰাজনৈতিক হিচাপ-নিকাচৰ পৰিণতি।

কিন্তু যুদ্ধৰ তাৎক্ষণিক প্ৰভাৱে ভাৰতবৰ্ষত যথেষ্ট প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। পোনতে, তুৰস্কই কেন্দ্ৰীয় শক্তি জোটৰ অংশীদাৰৰূপে ইংলেণ্ডৰ বিৰুদ্ধে যুদ্ধত লিপ্ত হোৱাত ভাৰতীয় মুছলমানসকল ইংৰাজ বিৰোধী হৈ পৰিছিল, কিয়নো তুৰস্কৰ ৰাষ্ট্ৰ-প্ৰধান আছিল ইছলাম ধৰ্মৰো প্ৰধান গুৰু—খলিফা। গতিকে তুৰস্ক বা খলিফাৰ শত্ৰু—ইংলেণ্ড—ভাৰতীয় মুছলমানসকলৰো শত্ৰু। গতিকে ভাৰতবৰ্ষত ইংৰাজ আৰু মুছলমানৰ মাজৰ মৈত্ৰী বন্ধনত ভাঙোনে ধৰিছিল। এইটো জাতীয় আন্দোলনৰ বাবে শুভ লক্ষণ আছিল। দ্বিতীয়তে, যুদ্ধৰ ফলস্বৰূপে ভাৰতীয় জনসাধাৰণৰ ওপৰত কৰ-কাটলৰ বোজা বৃদ্ধি পোৱাৰ লগতে নিত্য ব্যৱহাৰ্য বয়-বস্তুৰ নাটনি আৰু মূল্য বৃদ্ধিয়ে দেখা দিয়াত সাধাৰণ লোকৰ অবস্থা পানীত হাঁহ নচৰা হৈছিল। গতিকে জনসাধাৰণৰ মনত বৃটিশ বিৰোধী চেতনা যথেষ্ট বৃদ্ধি পাইছিল। তৃতীয়তে, বৃটিশৰ প্ৰতি থকা আনুগত্যই কংগ্ৰেছৰ নৰমপন্থীসকলক জনসাধাৰণৰ মাজত অপ্ৰিয় আৰু ৰাজনৈতিক আন্দোলনৰ বাবে অপ্ৰাসংগিক কৰি তুলিছিল। চতুৰ্থতে, যুদ্ধ আৰম্ভ হোৱাৰ লগে লগে বৃটিশে পোনতে অধিসূচনা জাৰি কৰি ভাৰত ৰক্ষা আইন (Defence of India Rules, 1914) জাৰি কৰি দেশৰ জনসাধাৰণৰ ৰাজনৈতিক অধিকাৰ কাঢ়ি লৈছিল আৰু পিচত তাক পূৰ্ণ পৰ্যায়ৰ আইনলৈ ("Defence of India Act, 18 March 1915") পৰিবৰ্তিত কৰি নিপীড়নৰ কাম আৰম্ভ কৰিছিল।

গতিকে যুদ্ধৰ কালছোৱাত ভাৰতবৰ্ষত জাতীয় চেতনা বৃটিশৰ বিৰুদ্ধে ক্ৰমশ বৃদ্ধি পাই গৈছিল, দেশৰ জনসাধাৰণ ৰাজনৈতিক আন্দোলনৰ কাৰণে প্ৰস্তুত হৈছিল। কিন্তু নৰম আৰু চৰমপন্থীতবিভক্ত ভাৰতীয় জাতীয় কংগ্ৰেছ ৰাজনৈতিক আন্দোলনৰ নেতৃত্ব দিয়াৰ জোখাৰে শক্তিশালী নাছিল।

বৃটিশৰ বিৰুদ্ধে আভ্যন্তৰীণভাৱে কোনো ৰাজনৈতিকআন্দোলন সংগঠিত নহ'লেও কিন্তু দেশৰ বাহিৰত ভাৰতীয় বিপ্লৱীসকলে এই সময়ত সংগ্ৰামৰ বাবে প্ৰস্তুতি চলাইছিল। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু কানাডাত থকা ভাৰতীয় বিপ্লৱীসকলে ১৯১৩ চনতে গদ্দৰ পাৰ্টি নামে এটি সংগঠন গঢ়ি তুলিছিল। গদ্দৰ পাৰ্টিৰ মুখ্য নেতাসকল আছিল বাবা

গুৰমুখ সিং, ৰহমত আলি ছাহ, ভাই পৰমানন্দ, সোহান সিং, কাৰ্তাৰ সিং ছাবাবা আদি। তেওঁলোকে যুদ্ধ আৰম্ভ হোৱাৰ লগে লগে ভাৰতবৰ্ষত সংশস্ত্ৰ সংগ্ৰাম চলোৱাৰ বাবে বিদেশত ধন-বিত আৰু অস্ত্ৰ-শস্ত্ৰ সংগ্ৰহৰ কামত ব্যস্ত হৈ পৰিছিল। তেওঁলোকে ভাৰতীয় সৈনিকসকলৰ সৈতে গোপনে যোগাযোগ কৰি ১৯১৫ চনৰ আৰম্ভণিতে দেশত শসস্ত্ৰ অভ্যুত্থান ঘটোৱাৰ চেষ্টা চলাইছিল। কিন্তু বৃটিশ চোৰাংচোৱাৰ তীক্ষ্ণ নজৰৰপৰা তেওঁলোকৰ এই প্ৰস্তুতিৰ কথা গোপনে থকা নাছিল। সকলো কথা সদৰি হৈ পৰাত পাঞ্জাবত গড্ডৰ পাৰ্টিৰ বহু নেতা আৰু কৰ্মীক বিভিন্ন ধৰণৰ শাস্তি দিয়া হৈছিল। তাৰ ভিতৰত ৪২ জনক ফাঁচী দি হত্যা কৰিছিল আৰু আন বহুতকে দেশান্তৰিত কৰাৰ লগতে জেইলত বন্দী কৰি থৈছিল।

যুদ্ধৰ দ্বিতীয় বছৰত ভাৰতবৰ্ষত কংগ্ৰেছৰ দুজন খ্যাতনামা নৰমপন্থী নেতাৰ পৰলোক প্ৰাপ্তি ঘটে—১৯১৫ চনৰ ১৯ ফেব্ৰুৱাৰী তাৰিখে গোপাল কৃষ্ণ গোখলে আৰু সেই বছৰৰে নবেম্বৰ মাহত ফিৰোজ ছাহ মেহতা। গতিকে দেশত পুৰণি ছামৰ প্ৰভাৱশালী ৰাজনৈতিক নেতা বাকী থাকিল বাল গংগাধৰ তিলক। ১৯০৮ চনত বৃটিশে গ্ৰেপ্তাৰ কৰি ব্ৰহ্মদেশৰ মান্দালয়ত ৬ বছৰ জেইলত বন্দী কৰি থোৱাৰ পিচত তেওঁক ১৯১৪ চনৰ ১৬ জুন তাৰিখে মুকলি কৰি দিছিল। ১৯১৫ চনৰ ডিচেম্বৰ মাহত বোম্বেত অনুষ্ঠিত কংগ্ৰেছ অধিবেশনৰ সময়ত এনি বেছান্তৰ মধ্যস্থতাত লাহে লাহে কংগ্ৰেছৰ নৰম আৰু চৰমপন্থীসকলৰ মিলনৰ প্ৰাৰম্ভিক কাম-কাজৰ সূচনা হয়। পিচৰ বছৰৰ জানুৱাৰী মাহত তিলকে কংগ্ৰেছত যোগদান কৰি ডিচেম্বৰ মাহত অনুষ্ঠিত লক্ষ্ণৌ অধিবেশনত যোগদান কৰে।

কংগ্ৰেছৰ লক্ষ্ণৌ অধিবেশনৰ পূৰ্বে ভাৰতবৰ্ষৰ ৰাজনৈতিক মঞ্চত আৰু এটা উল্লেখনীয় ঘটনা ঘটিছিল। সেই বছৰতে পৃথকে পৃথকে বাল গংগাধৰ তিলক আৰু এনি বেছান্তৰ নেতৃত্বত হোম ৰুল লীগ নামে দুটা ৰাজনৈতিক সংগঠন গঢ়ি উঠিছিল। তিলকে তেওঁৰ সহযোগীসকলৰ সৈতে আলোচনা কৰি পুনাক কেন্দ্ৰ হিচাপে লৈ ১৯১৬ চনৰ ২৮ এপ্ৰিল তাৰিখে হোম ৰুল লীগ গঠন কৰে। তাৰ কেইমাহমান পিচত ১ ছেপ্তেম্বৰ তাৰিখে মাদ্ৰাজক কেন্দ্ৰ হিচাপে লৈ এনি বেছান্তে অন্য এটি হোম ৰুল লীগ গঠন কৰে।

সংগঠিত হোৱাৰপৰা তিলক আৰু বেছান্তৰ হোম ৰুল লীগে পৃথকে পৃথকে দেশত স্বায়ত্ব শাসন স্থাপনৰ বাবে অহৰহ প্ৰচাৰ চলাইছিল। যুদ্ধৰ সময়ছোৱাত এই হোম ৰুল লীগৰ আন্দোলনেহে বৃটিশৰ বিৰুদ্ধে স্বায়ত্ব শাসনৰ হকে মাত মাতিছিল। এই সময়তেই তিলকে উদাত্তকণ্ঠে ঘোষণা কৰিছিল, "Home Rule is my brith-right, and I will have it" (স্বায়ত্ব শাসন মোৰ জন্মস্বত্ব আৰু মই তাক পামেই।) তিলক আৰু বেছান্তৰ হোম ৰুল লীগ বিশেষকৈ পশ্চিম আৰু দক্ষিণ ভাৰতত বৰ জনপ্ৰিয় হৈ পৰিছিল। ১৯১৭

চনৰ প্ৰথম ভাগতে তিলকৰ লীগৰ সদস্য সংখ্যা ১৪,০০০ হৈছিল আৰু প্ৰায় একে সময়তে বেছান্তৰো সদস্য সংখ্যা প্ৰায় ৭০০ লৈ বৃদ্ধি পাইছিল। জৰ্জ অৰুণডেল, বি পি ৱাডিয়া, মতিলাল নেহৰু, মহম্মদ আলি জিন্না, জৱহৰলাল নেহৰু আদি বহু ৰাজনৈতিক নেতাই এনি বেছান্তৰ নেতৃত্বাধীন হোম ৰুল লীগৰ সদস্য হৈছিল।

হোম ৰুল লীগৰ আন্দোলনে বৃটিশ প্ৰশাসনৰ টোপনি হৰণ কৰিছিল। তেওঁলোকে ইয়াক দমন কৰাৰ সুযোগ বিচাৰি আছিল। ১৯১৬ চনৰ ২৩ জুলাই তাৰিখে তিলকৰ জন্মদিন আছিল। সেই উপলক্ষে তেওঁৰ অনুগামীসকলে এটি এক লাখ টকীয়া ধনৰ টোপোলা দি তেওঁৰ জন্মদিন পালন কৰাৰ অভিনৱ পন্থা লৈছিল। সেই দিনটোতে বৃটিশেও তেওঁক আগন্তুক এবছৰলৈ চুপ-চাপ থাকিবলৈ আৰু তাৰ প্ৰতিশ্ৰুতিৰূপে চৰকাৰৰ ঘৰত ৬০,০০০ টকাৰ আমনত জমা দিবলৈ এখন আদেশপত্ৰ জাৰি কৰিছিল। চৰকাৰৰ এই কাৰ্যৰ প্ৰতিবাদত তেওঁ আদালতত মোৰ্কদমা দাখিল কৰিছিল। মহম্মদ আলি জিন্না আদিয়ে তেওঁৰ হৈ ওকালতি কৰিছিল। নিম্ন আদালতত তেওঁ হাৰিছিল যদিও হাই কোৰ্টত তিলকৰ জয় হৈছিল। এই ঘটনাই সমগ্ৰ ভাৰতবৰ্ষতে হোম ৰুল লীগৰ আন্দোলনক বিশেষ মৰ্যদা দিছিল।

হোম ৰুল লীগৰ আদৰ্শ প্ৰচাৰৰ কাৰণে এনি বেছান্তে দুখন সংবাদ পত্ৰও প্ৰকাশ কৰিছিল—এখন "New India" আৰু আনখন "Commonweal"। তেওঁ এই বাতৰি কাকতকেইখনৰ জড়িয়তে যুদ্ধ শেষ হোৱাৰ লগে লগে যাতে অন্যান্য বৃটিশ উপনিবেশত কৰাৰ দৰে ভাৰতবৰ্ষতো ঔপনিবেশিক স্বায়ত্ব শাসন প্ৰবৰ্তন কৰা হয় তাৰ বাবে প্ৰচাৰ কৰিছিল। হোম ৰুল আন্দোলনৰ বাবে চৰকাৰে বেছান্তসহ বি পি ৱাডিয়া আৰু জৰ্জ অৰুণডেলক ১৯১৭ চনৰ জুন মাহত গ্ৰেপ্তাৰ কৰি অন্তৰীণ কৰি ৰাখিছিল।

হোম ৰুল লীগৰ আন্দোলন চলি থকা সময়তে ১৯১৬ চনৰ ডিচেম্বৰ মাহত অম্বিকা চৰণ মজুমদাৰৰ সভাপতিত্বত লক্ষ্ণৌত কংগ্ৰেছ অধিবেশন বহিছিল। এই অধিবেশনৰ দুটা প্ৰধান বৈশিষ্ট্য আছিল—প্ৰথমতে, কংগ্ৰেছৰ নৰম আৰু চৰমপন্থীসকলৰ মিলন, দ্বিতীয়তে, কংগ্ৰেছ আৰু মুছলীম লীগৰ মাজত হোৱা ৰাজনৈতিক বুজাপৰা। লক্ষ্ণৌত একে সময়তে কংগ্ৰেছ আৰু মুছলীম লীগৰ অধিবেশন বহিছিল, আৰু বাল গংগাধৰ তিলকৰ প্ৰযত্নত দুয়োটা দলৰ দ্বাৰা দেশত সাম্প্ৰদায়িক সম্প্ৰীতি স্থাপনৰ বাবে পৃথকে পৃথকে হ'লেও একে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। সেই কাৰণে এই ঘটনাক লক্ষ্ণৌ বুজাপৰা (Lucknow Pact, 1916) বোলা হয়। ইয়াক হিন্দু-মুছলমান একতাৰ এক মাইলৰ খুটাৰূপে গণ্য কৰা হয়। এই বুজাপৰাৰ জড়িয়তে কংগ্ৰেছ আৰু মুছলীম লীগে পৃথক ভোটাধিকাৰৰ ভিত্তিত পৰৱৰ্তী শাসন সংস্কাৰৰ বাবে দাবী উত্থাপন কৰাৰ লগতে বৃটিশ চৰকাৰক দেশত স্বায়ত্ব শাসন প্ৰবৰ্তন কৰিবলৈ দাবী জনাইছিল। এই কাৰ্যৰ দ্বাৰা কংগ্ৰেছে বৃটিশ আৰু মুছলীম

লীগৰ সাম্প্ৰদায়িক ৰাজনীতিৰ প্ৰতি সমৰ্থন দিছিল।

মন্টেগো-চেমছফোৰ্ড সংস্কাৰ, ১৯১৯ঃ

প্ৰথম বিশ্ব যুদ্ধৰ কালছোৱাত (১৯১৪-১৮) ভাৰতীয় জাতীয় নেতাসকলে বৃটিশ সাম্ৰাজ্যৰ স্বাৰ্থত কেন্দ্ৰীয় শক্তি জোঁটৰ বিপক্ষে মিত্ৰ শক্তিক সাহায্য দিছিল। যুদ্ধ আৰম্ভ হোৱাৰ লগে লগে ভাৰতীয় লোক, দেশীয় ৰাজনৈতিক নেতা, দেশীয় ৰজা-মহাৰজা, ভাৰতীয় জাতীয় কংগ্ৰেছ—সকলোৱে ইংলেণ্ডৰ পক্ষত থিয় দিছিল। মোহনদাস কৰমচাঁদ গান্ধীয়ে বৃটিশৰ বিপদৰ সময়ত তেওঁলোকৰ প্ৰতি সমৰ্থন দিবলৈ আবেদন জনাই কৈছিল, " If we could improve our status through the help and co-operation of the British, it was our duty to win their help by standing by them in their our of need " সুৰেন্দ্ৰনাথ বেনাৰ্জীয়ে দেশৰ বিভিন্ন নগৰ-চহৰলৈ গৈ ভাৰতীয় লোকসকলক বৃটিশ সেনা বাহিনীত নাম ভৰ্ত্তি কৰি বৃটিশ সাম্ৰাজ্যৰ স্বাৰ্থত ৰণক্ষেত্ৰত অস্ত্ৰ ধাৰণ কৰিবলৈ আহ্বান জনাইছিল। এই যুদ্ধত ভাৰতীয় লোকে বিপুল ধন-জনেৰে বৃটিশক সহায় কৰিছিল। প্ৰায় ১২,৫০,০০০ ভাৰতীয় লোকে সৈন্য বাহিনীত ভৰ্ত্তি হৈ পৃথিবীৰ বিভিন্ন ৰণাঙ্গনত বৃটিশ তথা মিত্ৰ পক্ষৰ হৈ ৰণত অবতীৰ্ণ হৈছিল। তদুপৰি বাৰ্ষিক ৩ কোটি পাউণ্ড ষ্টাৰ্লিঙ যুদ্ধ পুঁজিৰূপে যোগান ধৰাৰ ওপৰিও যুদ্ধ ঋণৰূপে দিছিল ৭,৫০,০০,০০০ সাত কোটি পঞ্চাশ লাখ পাউণ্ড ষ্টাৰ্লিঙ। আশা আছিল যুদ্ধ অন্ত পৰাৰ লগে লগে ভাৰতবৰ্ষৰ ৰাজনৈতিক প্ৰশ্নটোৰ সঠিক সমাধান হ'ব, ভালেমান বছৰৰ পূৰ্বৰেপৰা দাবী কৰি অহা দৰে ভাৰতীয় লোকে ঔপনিবেশিক স্বায়ত্ব শাসন লাভ কৰিব।

জাতীয়তাবাদী ৰাজনৈতিক নেতাসকলৰ লগতে ভাৰতীয় লোকৰ ৰাজনৈতিক ইচ্ছা-আকাংক্ষা এইদৰে আকাশলঙ্ঘী হৈ থকা অৱস্থাতে ১৯১৭ চনৰ ২০ আগষ্ট তাৰিখে নৱ নিযুক্ত ভাৰত পৰিক্ৰমাৰ মন্ত্ৰী এডৱিন এছ মণ্টেগোৱে বৃটিশ সংসদত এইবুলি ঘোষণা কৰিছিল, "The policy of His Majesty's Government, is that of increasing association of Indians in every branch of the administration and the gradual development of self-governing institutions with a view to the progressive realisation of responsible government in India as an integral part of the British Empire " প্ৰস্তাৱিত শাসন সংস্কাৰ সম্পৰ্কে মণ্টেগোৰ এই ঘোষণাই ভাৰতবৰ্ষত তীব্ৰ ৰাজনৈতিক আলোড়নৰ সৃষ্টি কৰিছিল।

সি যি কি নহওক, এই ঘোষণাৰ পিচতেই তেওঁ নবেম্বৰ মাহত ভাৰতবৰ্ষলৈ আহে আৰু ভাইচৰয় লৰ্ড চেমছফোৰ্ডৰ (Lord Chelmsford) সৈতে বিশদভাৱে আলোচনা কৰাৰ ওপৰিও ভাৰতীয় ৰাজনৈতিক নেতাসকলৰ সৈতেও বিস্তাৰিতভাৱে আলোচনা কৰে। এই আলোচনা-বিলোচনাৰ অন্তত বৃটিশ সংসদত দাখিল কৰাৰ বাবে ভাৰতবৰ্ষৰ

শাসন সংস্কাৰ সম্পৰ্কীয় এটি প্ৰস্তাৱ প্ৰস্তুত কৰি উলিয়ায় আৰু এই প্ৰস্তাৱত ভাৰত পৰিক্ৰমাৰ মন্ত্ৰী মণ্টেগো আৰু ভাইচৰয় লৰ্ড চেমছ্‌ফোৰ্ড উভয়ে স্বাক্ষৰ দান কৰিছিল। সেই কাৰণেই এই প্ৰস্তাৱক মণ্টেগো-চেমছ্‌ফোৰ্ড ৰিপৰ্ট (Montegu-Chelmsford Report,1918) বা প্ৰস্তাৱ নামে জনা যায়।

এইদৰে প্ৰস্তুত কৰা প্ৰতিবেদনৰ ওপৰতো পুনৰ ভাৰতীয় নেতাসকলৰ সৈতে বিশদভাৱে আলোচনা-বিলোচনা কৰাৰ অন্তত ভাৰতবৰ্ষৰ শাসন সংস্কাৰ সম্পৰ্কীয় বিলখন প্ৰস্তুত কৰি বৃটিশ সংসদত উত্থাপন কৰে। তাক বৃটিশ সংসদে গ্ৰহণ কৰাৰ পিচত ৰাজকীয় অনুমোদন লাভ কৰাৰ লগে লগে ১৯১৯ চনৰ ২৩ ডিচেম্বৰত ই আইনত পৰিণত হয় আৰু ১৯২১ চনৰ ১ এপ্ৰিলৰপৰা তাক বলবৎ কৰা হয়। ইয়াকে ১৯১৯ চনৰ ভাৰত শাসন বিধিৰূপে জনা যায়। এই আইনৰ প্ৰধান বিশেষত্ব সমূহ আছিল—

(১) এই আইনে গৱৰ্ণৰৰ শাসনাধীন প্ৰদেশৰ সংখ্যা পূৰ্বৰ ৩ খনৰপৰা ৮ খনলৈ বৃদ্ধি কৰিছিল, অৰ্থাৎ এই আইনে পূৰ্বৰ দুৱলীয়া লাট আৰু চীফ কমিছনাৰৰ শাসনাধীন আন ৫ খন প্ৰদেশকো গৱৰ্ণৰৰ শাসনাধীন প্ৰদেশলৈ উন্নীত কৰে। ফলত গৱৰ্ণৰৰ শাসনাধীন মুঠ প্ৰদেশৰ সংখ্যা ৮ খনলৈ বৃদ্ধি পায়। পূৰ্বৰ তিনিখন প্ৰেছিডেঞ্চিসহ এই ৮ খন প্ৰদেশ হ'ল—বংগদেশ, মাদ্ৰাজ, বোম্বে, সংযুক্ত প্ৰদেশ, পাঞ্জাব, বিহাৰ আৰু উৰিষ্যা, মধ্য প্ৰদেশ আৰু অসম।

(২) প্ৰতিখন গৱৰ্ণৰ শাসিতপ্ৰদেশতে ৪ জন সদস্যৰে গঠিত এখোকখনকৈ কাৰ্যনিৰ্বাহক পৰিষদ (Executive Council) ৰ ব্যৱস্থা কৰা হয়।

(৩) ভাৰত পৰিক্ৰমাৰ মন্ত্ৰীৰ দা-দৰমহা বৃটিশ-ভাৰতবৰ্ষৰ ৰাজকোষৰপৰা দিয়াৰ যি নিয়ম আছিল তাক বাতিল কৰি তেওঁৰ দা-দৰমহা বৃটিশ ৰাজকোষৰপৰা দিয়াৰ নিয়ম কৰা হয়।

(৪) এই আইনে কেন্দ্ৰীয় বিধান পৰিষদৰ গঠন প্ৰক্ৰিয়াৰ পৰিবৰ্তন ঘটায়। পূৰ্বৰ এক-সদন যুক্ত বিধান পৰিষদৰ (Unicameral legislature) পৰিবৰ্তে দ্বি-সদন (Bi-cameral Legislature) যুক্ত বিধান পৰিষদৰ ব্যৱস্থা কৰে। এখনৰ নাম বিধান পৰিষদ (নিম্ন সদন) (Legislative Assembly) আৰু আনখনৰ ৰাজ্য সভা বা উচ্চ সদন (Upper House or Council of State)।

(৫) উচ্চ সদন বা ৰাজ্য সভা ৬০ জন সদস্যৰে গঠিত হ'ব, তাৰে ২৭ জন গৱৰ্ণৰ-জেনেৰেলে মনোনীত কৰিব আৰু ৩৩ জন নিৰ্বাচিত। মনোনীত সদস্যসকলৰ ভিতৰত ১৭ জন চৰকাৰী আৰু ১০ জন নিৰ্বাচিত। ৩৩ জন নিৰ্বাচিত সদস্যৰ ১৬ জন সাধাৰণ, ১১ জন মুছলমানে, ৩ জন ইয়োৰোপীয়, ২ জন অন্যান্য আৰু ১ জন সদস্য শিখসকলে নিৰ্বাচন কৰিব।

(৬) বিধান পৰিষদ ১৪৫ জন সদস্যৰে গঠিত হ'ব, তাৰে ১০৩ জন নিৰ্বাচিত আৰু ৪২ জন মনোনীতি সদস্য। কেন্দ্ৰীয় বিধান পৰিষদখন তলত দিয়া ধৰণে গঠিত হ'ব,

মুঠ সদস্য—১৪৫ জন

মনোনীত	চৰকাৰী	বেচৰকাৰী
৪১	২৬	১৫
নিৰ্বাচিত		
১০৪	সাধাৰণ সমষ্টি	৫২
	মুছলমান	৩০
	শিখ	০২
	মাটিগিৰি	০৭
	ইয়োৰুপীয়	০৯
	ভাৰতীয় বণিক সম্প্ৰদায়	০৪

(৭) কেন্দ্ৰীয় বিধান পৰিষদে সকলো বিষয়ে আলোচনা কৰিব পাৰিব আৰু বিত্তীয় বিষয়ৰ লগতে সকলো বিষয়তে প্ৰস্তাৱ ল'ব পাৰিব। কিন্তু সেইটো হ'লেও গবৰ্ণৰ-জেনেৰেলৰ হাতত স্বৈৰতান্ত্ৰিক ক্ষমতা অৰ্পণ কৰা আছিল, তেওঁ তাৰ বলতেই বিধান পৰিষদৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰিব পৰিছিল। গবৰ্ণৰ-জেনেৰেলৰ হাতত ন্যস্ত কৰা ক্ষমতাই বিধান পৰিষদক অৰ্থহীন কৰি তুলিছিল।

(৮) এই আইনৰ অধীনত প্ৰাদেশিক চৰকাৰসমূহে পূৰ্বতকৈ অধিক স্বায়ত্ব শাসন লাভ কৰিছিল।

(৯) প্ৰাদেশিক বিধান পৰিষদসমূহ (Legislative Councils) তিনি প্ৰকাৰৰ সদস্যৰ দ্বাৰা গঠিত হ'ব—(ক) পদেন (Ex-officio), (খ) মনোনীতি (Nominated) আৰু (গ) নিৰ্বাচিত (Elected)।

(১০) গবৰ্ণৰ শাসিত প্ৰদেশসমূহৰ প্ৰাদেশিক বিধান সভাসমূহৰ সদস্য সংখ্যা নিম্নৰূপ হ'ব,

বংগদেশ	১৩৯ জন,
মাদ্ৰাজ	১২৭ জন,
বোম্বে	১১১ জন,
সংযুক্ত প্ৰদেশ	১২৩ জন,
পাঞ্জাব	৯৩ জন,
বিহাৰ আৰু উৰিষ্যা	১০৩ জন,

মধ্য প্ৰদেশ	৭০ জন,
অসম	৫০ জন।

(১১) চৰকাৰী সদস্যৰ সংখ্যা কেতিয়াও ২০ শতাংশৰ অধিক হ'ব নোৱাৰিব আৰু নিৰ্বাচিত সদস্যৰ সংখ্যা ৭০ শতাংশ হ'ব লাগিছিল।

(১২) সাম্প্ৰদায়িক ভিত্তিতপৃথক ভোটাধিকাৰৰ ব্যৱস্থা পূৰ্বৰ দৰে বাহাল ৰখা হৈছিল আৰু তাৰ পৰিণতি স্বৰূপে খৃষ্টীয়ান, ইংগ-ভাৰতীয় বা এংলো-ইণ্ডিয়ান আৰু মুছলমানসকলে পৃথকে পৃথকে প্ৰতিনিধি পঠিওৱাৰ অধিকাৰ লাভ কৰিছিল।

(১৩) বিধান পৰিষদৰ কাৰ্যকাল তিনি বছৰীয়া আছিল।

(১৪) কেন্দ্ৰীয় আৰু প্ৰাদেশিক চৰকাৰৰ মাজৰ ক্ষমতাৰ পৃথকীকৰণ কৰাৰ অভিপ্ৰায়েৰে কাৰ্য পৰিচালনা কৰিব লগা বিষয়সমূহ দুটা শিতানত বিভক্ত কৰা হৈছিল— (ক) কেন্দ্ৰীয় বিষয় (Central Subjects) আৰু (গ) প্ৰাদেশিক বিষয় (Provincial Subjects)। প্ৰাদেশিক বিষয়সমূহক আকৌ দুভাগত ভাগ কৰা হৈছিল—(ক) সংৰক্ষিত (Reserved Subjects) আৰু (গ) প্ৰাদেশিক (Transferred)।

***

আৰ্হি প্ৰশ্নমালাঃ

<u>ৰচনা ধৰ্মী প্ৰশ্নাঃ</u>

১। ভাৰতবৰ্ষত বিকাশ লাভ কৰা জাতীয় আন্দোলনৰ কাৰণসমূহ আলোচনা কৰা।

২। ভাৰতবৰ্ষত জাতীয় আন্দোলনৰ বিকাশৰ ক্ষেত্ৰত সংবাদ পত্ৰ আৰু সাহিত্যৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

৩। ভাৰতীয় জাতীয় কংগ্ৰেছৰ পূৰ্বসুৰী ৰাজনৈতিক সংগঠনসমূহৰ এক ঐতিহাসিক বিৱৰণ দাঙি ধৰা।

৪। বংগ ভঙ্গ আঁচনি কি আৰু তাৰ কাৰ্যকৰীকৰণৰ প্ৰতিবাদত হোৱা আন্দোলনৰ এটি চমু আলোচনা লিখা।

৫। স্বদেশী আন্দোলন কি? ইয়াৰ প্ৰধান কাৰ্যসূচীসমূহ কি আছিল আলোচনা কৰা।

৬। স্বদেশী আন্দোলনৰ মূল উদ্দেশ্য কি আছিল? এই আন্দোলনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ভূমিকা উল্লেখ কৰা।

৭। কংগ্ৰেছৰ লক্ষ্যসমূহ কি আছিল বিতংকৈ আলোচনা কৰা।

৮। ১৯০৯ চনৰ ভাৰত শাসন বিধিৰ ধাৰাসমূহ উল্লেখ কৰা।

৯। মুছলিম লীগৰ উৎপত্তি আৰু ভাৰতবৰ্ষৰ ৰাজনীতিত তাৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা।

১০। প্ৰথম বিশ্ব যুদ্ধৰ সময়ত ভাৰতীয় জাতীয় আন্দোলনৰ স্বৰূপ সম্পৰ্কে উল্লেখ কৰা।

১১। হোম ৰুল মোভমেণ্টৰ স্ৰষ্টা কোন? তেওঁলোকে কি কি লক্ষ্য আৰু উদ্দেশ্য আগত লৈ উক্ত আন্দোলন গঢ়ি তুলিছিল?

১২। ১৯১৯ চনৰ ভাৰত শাসন বিধিৰ প্ৰধান ধাৰাসমূহ উল্লেখ কৰা।

<u>চমু টোকা লিখাঃ</u>

(১) এলেন অক্টেভিয়ান হিউম,

(২) কংগ্ৰেছৰ বিভাজন, ১৯০৭,

(৩) ভাৰত শাসন বিধি, ১৯০৯,

(৪) মুছলিম লীগ,

(৫) গড্ডৰ পাৰ্টি,

(৬) লক্ষ্মৌ বুজাপাৰা,

<u>অতি চমু উত্তৰ দিয়াঃ</u>

(১) কংগ্ৰেছৰ প্ৰথম অধিবেশনত কিমানজন লোক উপস্থিত আছিল?

(২) কংগ্ৰেছৰ প্ৰথম অধিবেশনত কোনে সভাপতিত্ব কৰিছিল?

(৩) কংগ্ৰেছৰ প্ৰথম অধিবেশনত কিমানজন উকিল উপস্থিত আছিল?

(৪) কংগ্ৰেছৰ প্ৰথম অধিবেশনত কোন কোন চৰকাৰী বিষয়া উপস্থিত আছিল?

(৫) কংগ্ৰেছৰ প্ৰথম সম্পাদকজন কোন আছিল?

(৬) কংগ্ৰেছ গঠন কৰাৰ ক্ষেত্ৰত এলেন অক্টেভিয়ান হিউমৰ উদ্দেশ্য কি আছিল?

(৭) বন্দে মাতৰামৰ লিখকজনৰ নাম কি?

(৮) কংগ্ৰেছৰ বেনাৰস অধিবেশনত কোনে সভাপতিত্ব কৰিছিল?

(৯) "স্বায়ত্ব শাসন মোৰ জন্মস্বত্ব আৰু মই তাক পামেই" কথাষাৰ কোনে কৈছিল?

(১০) এনি বেছান্তে প্ৰকাশ কৰা সংবাদ পত্ৰ দুখনৰ নাম কি?

ষষ্ঠ অধ্যায়

মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতীয় জাতীয় আন্দোলন

চম্পাৰণৰ কৃষক বিদ্ৰোহঃ

বৃটিশৰ আমোলত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত সংঘটিত হোৱা কৃষক বিদ্ৰোহে দ'ৰাচলতে ভাৰতীয় জাতীয়তাবাদী আন্দোলনক সাৰ-পানী দি জীপাল কৰি তুলিছিল, বিশেষকৈ গান্ধীৰ নেতৃত্ব আৰু পৰিচালনাত গঢ়ি উঠা বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ ভাৰতীয় জাতীয়তাবাদী আন্দোলনৰ এইটো আছিল প্ৰধান বৈশিষ্ট্য। সেই কৃষক বিদ্ৰোহবিলাকৰ ভিতৰত উত্তৰ-পশ্চিম বিহাৰৰ চম্পাৰণ নামে অঞ্চলটোত সংঘটিত হোৱা বিদ্ৰোহটো বিশেষকৈ গান্ধীৰ ৰাজনৈতিক দৰ্শন আৰু উত্থানৰ বাবে আছিল গুৰুত্বপূৰ্ণ ঘটনা।

ঊনবিংশ শতিকাৰ প্ৰায় মধ্য ভাগৰপৰাই চম্পাৰণত ভূমি ৰাজস্বৰ তিনকাথিয়া পদ্ধতিক কেন্দ্ৰ কৰি সেই অঞ্চলৰ নীল খেতিয়ক আৰু ইয়োৰূপীয় তথা ইংৰাজ প্লেন্টাৰসকলৰ মাজত সংঘৰ্ষ চলি আহিছিল। প্লেন্টাৰসকলে বিশেষকৈ বেটীয়া, ৰামনগৰ আৰু মধুবনৰ বৃহৎ ভূস্বামীসকলৰপৰা ঠিকাদাৰী পদ্ধতিত নীল খেতিৰ বাবে কৃষি-ভূমি ভাড়াত (Lease) লৈ পুনৰ খেতিয়কসকলৰ মাজত অধিক খাজনাত বিতড়ন কৰিছিল। কিন্তু নীল খেতিয়কসকলে নীল খেতিৰপৰা পোৱা ধন কষ্ট আৰু খৰছ অনুপাতে যথেষ্ট কম আছিল, অৰ্থাৎ এই ব্যৱস্থাটো একেবাৰেই লাভজনক নাছিল। এনেতে ১৯০০ চনত জাৰ্মানীত ৰসায়নিক নীল (Synthetic dyes) আবিষ্কাৰ হোৱাৰ পিচৰপৰা কৃষিজাত নীলৰ চাহিদা বিশ্ব বজাৰত দ্ৰুতভাৱে হ্ৰাস পাই আহে।

সেয়ে প্লেন্টাৰসকলে নীল খেতি লাভজনক নোহোৱাৰ আশংকাত লাহে লাহে ভাড়াত লোৱা কৃষি ভূমি ইস্তফা দিবলৈ সিদ্ধান্ত কৰে। সেইটো কৰিবলৈ যাওঁতে তেওঁলোকে এফালে জমিদাৰসকলক চুক্তিবদ্ধ ভূমি-ৰাজস্ব উচল কৰি দিব লগা হৈছিল। এই ভূমি ৰাজস্বৰে এটি অংশ কৃষকৰ কান্ধলৈ ঠেলি দিয়াৰ মানসেৰে প্লেন্টাৰসকলে তেওঁলোকৰ ওপৰত নিৰ্দ্ধাৰিত খাজনাৰ পৰিমাণ বৃদ্ধি কৰে। দ্বিতীয়তে, যিহেতু নীল খেতি লাভজনক নহয়, সেয়ে প্লেন্টাৰসকলে নীল খেতিয়সকলকো সেই দায়িত্বৰপৰা ৰেহাই দিবলৈ বাধ্য হয়। তাৰ বিনিময়তো তেওঁলোকে কৃষকসকলৰপৰা ক্ষতিপূৰণ আদায় কৰাৰ ব্যৱস্থা কৰে। গতিকে এইবিলাক কাৰণতে চম্পাৰণৰ নীল খেতিয়ক আৰু প্লেন্টাৰসকলৰ মাজত সংঘৰ্ষ অনিবাৰ্য হৈ পৰে। ১৯০৫-০৮ চনৰ সময়ছোৱাত মতিহাৰী-বেটীয়া অঞ্চলত নীল খেতিয়ক

আৰু প্লেন্টাৰসকলৰ মাজত তীব্ৰ সংঘৰ্ষৰ সূত্ৰপাত হয়। চম্পাৰণৰ ৪০০ বৰ্গ মাইল জোৰা এলেকা এটাত এই সংঘৰ্ষ বিয়পি পৰিছিল। সংঘৰ্ষত প্লেন্টাৰসকলৰ নীল কাৰখানাৰ ব্লুমফিল্ড (Bloomfield) নামে মেনেজাৰ এজনৰ মৃত্যু হৈছিল। বিদ্ৰোহী কৃষকসকলৰ বিৰুদ্ধে ৫৭ টা ফৌজদাৰী মোৰ্কদমা ৰুজু কৰা হৈছিল আৰু মুঠতে ২৭৭ জন খেতিয়কক জেইল দিয়া হৈছিল।

এই সংঘৰ্ষৰ পিচতো কৃষকসকলৰ ওপৰত প্লেন্টাৰসকলৰ অত্যাচাৰ-নিৰ্যাতন আৰু খাজনা শোষণৰ অন্ত পৰা নাছিল। ফলশ্ৰুতিত দুয়োপক্ষৰ মাজত সংঘৰ্ষও অব্যাহত আছিল। বিশেষকৈ অঞ্চলটোৰ চহকী আৰু ৰাজনৈতিকভাৱে সচেতন ভালেমান কৃষকে কংগ্ৰেছৰ সৈতে যোগাযোগ কৰিছিল। ৰাজ কুমাৰ শুক্লা নামে সেই অঞ্চলৰে চহকী কৃষক আৰু সুদখোৰ মহাজন এজনে ১৯১৬ চনৰ লক্ষ্ণৌ কংগ্ৰেছৰ সময়ত গান্ধীৰ সৈতে সম্পৰ্ক স্থাপন কৰিছিল। তেওঁ গান্ধীক চম্পাৰণলৈ গৈ তাৰ কৃষকসকলৰ অৱস্থা সম্পৰ্কে বুজ ল'বলৈ আমন্ত্ৰণ জনাইছিল। গান্ধীয়ে সেই মতে ১৯১৭ চনৰ আৰম্ভণিতে চম্পাৰণলৈ যায় আৰু জুলাই মাহত কৃষকসকলৰ উক্ত অৱস্থা সম্পৰ্কে অধ্যয়ন কৰিবলৈ এটি অনুসন্ধানৰ ব্যৱস্থা কৰে। এই কাৰ্যত তেওঁক সহায় কৰা কংগ্ৰেছ কৰ্মীসকল আছিল ব্ৰীজ কিশোৰ প্ৰসাদ মহাদেৱ দেশাই, মজফৰপুৰ কলেজৰ শিক্ষক জে বি কৃপালনী, অনুগ্ৰহ নাৰায়ণ সিন্হা আদি। অৱশেষত এই অনুসন্ধানৰ পিচত চৰকাৰৰ সৈতে হোৱা এটি আপোচৰ মাধ্যমত তিনকাথিয়াৰ বিলুপ্তি ঘটোৱা হয় আৰু ক্ষতিপূৰণ বাবদ কৃষকসকলে প্লেন্টাৰসকলৰপৰা ২৫ শতাংশ ভূমি ৰাজস্ব ওভতাই পাইছিল। এইদৰে চম্পাৰণৰ কৃষক সমস্যা সমাধান কৰা হৈছিল। এই ঘটনাই গান্ধীৰ ৰাজনৈতিক ভাব-মূৰ্ত্তি যথেষ্ট উন্নত কৰিছিল। তেওঁ কৃষকৰ নেতাত পৰিণত হৈছিল।

ৰাওলাট আইন বিৰোধী আন্দোলনঃ জালিয়ানৱালাবাগৰ নৰসংহাৰঃ

১৯১৮ চনতপ্ৰথম বিশ্ব যুদ্ধৰ সামৰণি পৰাৰ লগে লগে বিশ্বৰ আন্তৰাষ্ট্ৰীয় ৰাজনীতিৰ লগতে ভাৰতবৰ্ষৰ আভ্যন্তৰীণ ৰাজনীতিৰ সমীকৰণতো কিছু কিছু নতুন ঘটনা প্ৰবাহৰ সৃষ্টি হয়। ১৯১৪ চনত আৰম্ভ হোৱা সাম্ৰাজ্যবাদী এই বিশ্ব মহাৰণত ভাৰতে ১৩ লাখ ২ হাজাৰ সৈন্যৰ যোগান ধৰাৰ ওপৰিও ১০ কোটি পাউণ্ড ষ্টাৰ্লিং দান আৰু ৭ কোটি ৩০ লাখ পাউণ্ড ষ্টাৰ্লিং ঋণ হিচাপে বৃটিশ সমৰায়োজনত অৱদান দিয়ে। তদুপৰি যুদ্ধাস্ত্ৰ ক্ৰয় কৰিও ভাৰতে ৮ কোটি পাউণ্ড ষ্টাৰ্লিঙৰ ব্যয় ভাৰ পাতি লৈছিল।

বৃটিশৰ যুদ্ধ পুঁজিৰ বাবে অসমত নবীন চন্দ্ৰ বৰদলৈ, তৰুণ ৰাম ফুকন আদিয়ে জনসাধাৰণৰপৰা চাঁদা আদায় কৰাটো এতিয়া এক ইতিহাসৰ তথ্যত পৰিণত হৈছে। বৃটিশ সাম্ৰাজ্যবাদীসকলৰ তথাকথিত ন্যায় পৰায়ণতা আৰু উদাৰ-নীতিবাদৰ প্ৰতি মোহান্ধ ভাৰতীয়

ৰাজনৈতিক নেতাসকলে—কংগ্ৰেছৰ নৰম আৰু চৰমপন্থী আৰু মুছলীম লীগৰ —বিশ্ব বজাৰ পুনৰ বন্টনৰ বাবে সৃষ্টি কৰা এই সমবায়োজনৰ প্ৰকৃত চৰিত্ৰ অনুধাৱন কৰিব নোৱাৰি তাকেই 'a war to end war' or 'a war to make the world safe for democracy' জাতীয় সাম্ৰাজ্যবাদী ৰাজনৈতিক চাতুৰীত বিনা বাক্য ব্যয়ে মূৰ গুজি দিছিল। ফলত বঞ্চিতৰ ইতিহাসৰ দ্ৰুত উত্তৰণ ঘটিছিল।

বিশ্ব যুদ্ধ আৰম্ভ হোৱাৰ প্ৰায় লগে লগেই বৃটিশ-ভাৰত চৰকাৰে ১৯১৪ চনত দেশত "ভাৰত ৰক্ষা আইন" (Defence of India Rules) প্ৰৱৰ্তন কৰি প্ৰয়োগ কৰিছিল আৰু লগতে আশ্বাস দিছিল যে যুদ্ধৰ সামৰণি পৰাৰ লগে লগে সেই আইন প্ৰত্যাহাৰ কৰিব। কিন্তু চৰকাৰে সেই প্ৰতিশ্ৰুতি পালন কৰাৰ পৰিবৰ্তে যুদ্ধ সমাপ্তিৰ পিচত ৰাওলাট আইনৰ মাধ্যমত তাতকৈও আৰু অধিক কঠোৰ আইন প্ৰনয়ন কৰি প্ৰয়োগ কৰিলে। ইতিপূৰ্বে ভাইচৰয় লৰ্ড ছেমছ্ফোৰ্ডে ১৯১৭ চনৰ ১০ ডিচেম্বৰ তাৰিখে চিদনী ৰাওলাট (Sir Sydney Rowlatt) নামে ইংৰাজ ন্যায়াধীশ এজনৰ সভাপতিত্বত বিদ্ৰোহাত্মক কাম-কাজ প্ৰতিহত কৰাৰ উদ্দেশ্যে আইন তৈয়াৰ কৰিব পৰাকৈ এখন বিল প্ৰস্তুত কৰিবলৈ এখন সমিতি গঠন কৰি দিছিল। এই সমিতিয়ে দিয়া পৰামৰ্শবলীৰ ভিত্তি দুখন বিল প্ৰস্তুত কৰি *Gazette of India* ত ৰাওলাট বিল (Rowlatt Bills) ৰূপে প্ৰকাশ কৰিছিল। এই বিলৰ ধাৰাসমূহ ভাৰত ৰক্ষা আইনৰ ধাৰাসমূহতকৈ অধিক কঠোৰ আছিল। ভাৰতীয় বেচৰকাৰী সদস্যসকলৰ তীব্ৰ বিৰোধীতা স্বত্বেও কেন্দ্ৰীয় বিধান পৰিষদে ১৯১৯ চনৰ ১৮ মাৰ্চত গ্ৰহণ কৰি তাক আইনত পৰিণত কৰে।

কংগ্ৰেছকে ধৰি ভাৰতীয় ৰাজনৈতিক দল আৰু নেতাই গেজেটত প্ৰকাশ হোৱাৰ লগে লগে ৰাওলাট বিলৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰিছিল। কিন্তু সেই বিল কেইখনকেই আইনত পৰিণত কৰাত্ দেশত ৰাজনৈতিক পৰিস্থিতি অত্যন্ত বিস্ফোৰক হৈ পৰে। এই আইনৰ প্ৰতিবাদত গান্ধীৰ পৰামৰ্শ মৰ্মে ১৯১৯ চনৰ ৬ এপ্ৰিল তাৰিখে সৰ্বভাৰতীয় স্তৰত সৰ্বাত্মক হৰতাল পালন কৰা হয়। এই ৰাওলাট আইন বিৰোধী আন্দোলনক গান্ধীয়ে সত্যাগ্ৰহ আন্দোলনলৈ পৰিবৰ্তিত কৰিবলৈ চেষ্টা কৰে।

সেই মৰ্মে তেওঁ আন্দোলনৰ ত্ৰিধাৰা সূত্ৰৰ উদ্ভাৱন কৰে—প্ৰথমটো হোম ৰুল লীগ, দ্বিতীয়টো ঐছলামিক গোট আৰু তৃতীয়টো সত্যাগ্ৰহ সভা। এই তিনিটা গোটক একত্ৰে লৈ তেওঁ ৰাওলাট আইন বিৰোধী আন্দোলনৰ কাৰ্যসূচী আগবঢ়াই নিয়াৰ পৰিকল্পনা কৰে। যুদ্ধই সৃষ্টি কৰা আভ্যন্তৰীণ অৰ্থনৈতিক সংকট আৰু দ্ৰুত পৰিবৰ্তনশীল বিশ্ব ৰাজনীতিৰ ঘটনা প্ৰবাহে ইতিমধ্যে দেশৰ ৰাজনৈতিক পৰিস্থিতি অত্যন্ত বিস্ফোৰক কৰি তুলিছিল। বিশেষকৈ ৰুচ দেশত সংঘটিত সমাজতান্ত্ৰিক বিপ্লৱে (১৯১৭) ভাৰতীয় বিপ্লৱী

আৰু মুছলমান যুৱকসকলৰ একাংশক বৃটিশ বিৰোধী আৰু ছোভিয়েট ৰাষ্ট্ৰৰ প্ৰতি সহানুভূতিশীল কৰি তুলিছিল। গতিকে ৰাওলাট আইন বিৰোধী প্ৰতিবাদী আন্দোলনে ভাৰতবৰ্ষৰ জনসাধাৰণৰ সমৰ্থন লাভ কৰাটো আছিল স্বাভাৱিক। সেই আইনৰ প্ৰতিবাদ কৰিবলৈ (১৯১৯ চনৰ) ১৩ এপ্ৰিল তাৰিখে পাঞ্জাবৰ জালিৱানৱালাবাগত হাজাৰ হাজাৰ লোকৰ সমাবেশ অনুষ্ঠিত হৈছিল। পাঞ্জাব ভালেমান মাহ আগৰপৰাই ৰাজনৈতিকভাৱে উত্তপ্ত হৈ আছিল। হিন্দু-মুছলমান-শিখ আটাইকেওটা ধৰ্মীয়-ৰাজনৈতিক গোটৰ মাজত পাৰস্পৰিক বুজাপৰা, একতা আৰু সংহতি যথেষ্ট বৃদ্ধি পাইছিল। আটাইকেওটা সম্প্ৰদায়ৰ সহযোগত আনকি ৩০ মাৰ্চ আৰু ৬ এপ্ৰিল তাৰিখে অমৃতসৰত পালন কৰা হৰতাল আছিল শান্তিপূৰ্ণ আৰু সৰ্বাত্মক। ৯ এপ্ৰিল তাৰিখ আছিল ৰাম নৱমী। সেইদিনাখন তিনিওটা সম্প্ৰদায়ৰ নেতৃত্বত অমৃতসৰত বিশাল শোভাযাত্ৰা উলিওৱা হৈছিল। পাঞ্জাৱত সংঘটিত এই সকলোবোৰ আন্দোলন, সভা-সমাবেশ-শোভাযাত্ৰা আছিল শান্তিপূৰ্ণ।



জেনেৰেল দায়েৰঃ নৰ-সংহাৰৰ নায়ক

কিন্তু তথাপিও প্ৰশাসনৰ সন্দেহ বাঢি গৈছিল। জিলা প্ৰশাসনৰ ঘমঘণ্টা লৰি গৈছিল। পাঞ্জাৱৰ দুৱলীয়া লাট ছাৰ মাইকেল ও দায়াৰে (Sir Michel O' Dwyer) ইতিমধ্যে এজন ৰুক্ষ প্ৰশাসকৰূপে পাঞ্জাৱত কুখ্যাতি অৰ্জন কৰিছিল। তেওঁ ভীত-সন্ত্ৰস্ত হৈ অমৃতসৰৰ স্থানীয় কংগ্ৰেছ নেতা ড°কিছলো (Dr Kitchlew) আৰু ড°সত্যপালক (Dr Satyapal) ১০ এপ্ৰিল তাৰিখে অমৃতসৰৰপৰা বহিষ্কাৰ কৰে আৰু গান্ধীৰ পাঞ্জাব প্ৰবেশৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰে। আনহাতে সেই দিনাখনে তেওঁ সমগ্ৰ পাঞ্জাৱত তৎকালেই কাৰ্যকৰী হোৱাকৈ সামৰিক আইন বলবৎ কৰে। সেই দিনাখন পাঞ্জাৱৰ কোনো কোনো ঠাইত চৰকাৰে গুলি চালনাও কৰিছিল। গতিকে অধিক বিপদৰ আশংকা কৰি তেওঁ অমৃতসৰৰ শাসনভাৰ সামৰিক বিষয়া জেনেৰেল ৰেজিনেল্ড দায়েৰৰ (General Reginald Dyer) হাতত অৰ্পণ কৰে।

১৯১৯ চনৰ ১৩ এপ্ৰিল তাৰিখে বৈশাখীৰ দিনা অমৃতসৰৰ জালিৱানৱালা বাগত প্ৰায় ২০,০০০ লোক সমবেত হৈছিল। এই সমাবেশৰ মূল উদ্দেশ্য আছিল ১০ তাৰিখৰ

গুলী চালনাৰ প্ৰতিবাদ কৰা। ওখ দেৱালেৰে পৰিবেষ্টিত বাগত মাত্ৰ ওলোৱা-সোমোৱাৰ বাবে এটাহে পথ আছিল। অমৃতসৰৰ সামৰিক বিষয়া জেনেৰেল দায়াৰে লগত প্ৰায় ১৫০ জন বন্দুকধাৰী সৈনিক লৈ গৈ সেই বাগৰ একমাত্ৰ পথটোতে অৱস্থান কৰি তাত সমবেত হোৱা সকলো লোককে তৎকালেই তাৰপৰা আঁতৰি যাবলৈ নিৰ্দেশ জাৰি কৰে আৰু প্ৰায় ২/৩ মিনিটৰ ভিতৰতে সৈনিকসকলক সেই নিৰস্ত্ৰ লোকসকলৰ ওপৰত বাৰুদ শেষ নোহোৱালৈকে গুলি চালনা ("till the ammunition exhausted") কৰিবলৈ হুকুম দিয়ে। এই ধৰণে নিৰস্ত্ৰ লোকৰ ওপৰত প্ৰায় এঘন্টা ধৰি গুলি চালনা কৰাৰ ফলত পুৰুষ-মহিলা আৰু শিশুকে ধৰি ৩৭৯ জনৰ থিতাতে মৃত্যু হৈছিল আৰু ১,৫০০ লোক চিৰ দিনলৈ পঙ্গু হৈছিল।

জালিৱানৱালাবাগৰ এই নৰ-সংহাৰ ভাৰতবৰ্ষত বৃটিশ শাসনৰ অন্য এক মুচিব নোৱাৰা কলঙ্ক। পৰৱৰ্তী কালত পাঞ্জাব বিশ্ববিদ্যালয়ত কৰা বিস্তৃত আৰু পুংখানুপুংখ গৱেষণাৰ মাধ্যমত এইটো সদৰি হৈ পৰিছে যে জালিৱানৱালা বাগৰ নৰ-সংহাৰৰ বাবে পাঞ্জাবৰ দুৰ্বলীয়া লাট ছাৰ মাইকেল দায়াৰৰ তত্বাৱধানত আৰু লাহোৰত ৯ এপ্ৰিল তাৰিখেই এটি নিখুঁট পৰিকল্পনা সম্পূৰ্ণ কৰি তোলা হৈছিল। তাৰ প্ৰতি বৃটিশ-ভাৰত চৰকাৰেও সময়মতে অনুমোদন জনাইছিল। এই পৰিকল্পনাৰ অন্তৰ্নিহিত উদ্দেশ্য আছিল পাঞ্জাবত ক্ৰমাগতভাৱে বৃদ্ধি পাই অহা গণ বিক্ষোভ নিপাত কৰা। গতিকে জালিৱানৱালা-বাগৰ নৰ-সংহাৰ যে পূৰ্ব পৰিকল্পিত আছিল সেই সম্পৰ্কে কোনো সন্দেহ নাই।

সাম্ৰাজ্যবাদী সমৰোদ্যমতবৃটিশ ৰাজশক্তিক সাহায্য দি কৃতাৰ্থ মনা ভাৰতীয় জাতীয় ৰাজনৈতিক নেতাসকল এইদৰে বৃটিশ সাম্ৰাজ্যবাদী চৰকাৰৰপৰা বাৰম্বাৰ কেৱল প্ৰতাৰিতহে হৈ আহিছিল। ১৯১৯ চনৰ শাসন সংস্কাৰ কংগ্ৰেছে সাদৰেৰে গ্ৰহণ কৰিছিল যদিও ৰাওলাট আইন, জালিয়ানৱালাবাগৰ নৰসংহাৰ আৰু ৰাজ্য বৰ্হিভূত খিলাফটৰ প্ৰশ্নই কংগ্ৰেছৰ নেতৃবৃন্দৰ মাজত যথেষ্ঠ তিক্ততা, আলোড়ন আৰু অসন্তুষ্টিৰ সৃষ্টি কৰিছিল। জালিৱানৱালাবাগৰ এই নাৰকীয় নৰ-সংহাৰৰ প্ৰতিবাদত সাহিত্যত নোবেল পুৰষ্কাৰ বিজেতা (১৯১৩) কবি ৰবীন্দ্ৰনাথ ঠাকুৰে বৃটিশৰ নাইট উপাধি পৰিত্যাগ (১৯১৯) কৰিছিল।

খিলাফট-অসহযোগ আন্দোলনঃ

ৰাজ্যবৰ্হিভূত ঘটনাটো আছিল মিত্ৰ শক্তিয়ে সেভী শান্তি চুক্তিত তুৰস্কৰ ৰাষ্ট্ৰীয় অখণ্ডতাৰ প্ৰতি সৃষ্টি কৰা ভাবুকি আৰু সেই দেশৰ ৰাষ্ট্ৰ-প্ৰধান খলিফাৰ পদ মৰ্যদাৰ প্ৰতি দেখুওৱা অবজ্ঞা আৰু অশালীন ব্যৱহাৰ। বৃটিশ আৰু মিত্ৰ শক্তিয়ে ১৯১৯ চনৰ ভাৰ্চাই শান্তি চুক্তিৰ মাধ্যমত তুৰস্কৰ খলিফাৰ পদ-মৰ্যদা আৰু তেওঁৰ ৰাজ্যৰ ৰাষ্ট্ৰীয় অখণ্ডতাৰ প্ৰতি পূৰ্বৰ প্ৰতিশ্ৰুতি ভঙ্গ কৰি দুয়োটা দিশতে ক্ষতিকাৰক স্থিতি গ্ৰহণ কৰাত বিশ্বৰ ইছলাম

ধৰ্মাবলম্বী লোকৰ মাজত বৃটিশৰ বিৰুদ্ধে ব্যাপক উত্তেজনাৰ সৃষ্টি হৈছিল।

ভাৰতবৰ্ষতো ইছলাম ধৰ্মাবলম্বী লোকৰ মাজত তেনে বৃটিশ বিৰোধী মনোভাৱৰ সৃষ্টি হৈছিল। তুৰস্কৰ ৰাষ্ট্ৰীয় অখণ্ডতা আৰু খলিফাৰ পদ-মৰ্যদাৰ ক্ষতি সাধন কৰাত তাৰ প্ৰতিকাৰ কৰিবলৈ ভাৰতবৰ্ষত কেন্দ্ৰীয় খিলাফট সামতি গঠিত হয়। কেন্দ্ৰীয় খিলাফট সমিতি গঠন কৰা সভাত মহাত্মা গান্ধী, মতিলাল নেহেৰু, মদন মোহন মালব্য আদি আগশাৰীৰ কংগ্ৰেছ নেতা উপস্থিত আছিল। পিচত ১৯২০ চনৰ জানুৱাৰী মাহত দিল্লীত অনুষ্ঠিত হোৱা কেন্দ্ৰীয় খিলাফট সমিতিৰ সভাত গান্ধীৰ উপস্থিতি আৰু পৰামৰ্শ মতে পোনতে বৃটিশ-ভাৰত চৰকাৰৰ সৈতেঅসহযোগ আন্দোলনৰ নীতি আৰু কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল।

অসহযোগ আন্দোলন পৰিচালনাৰ দায়িত্ব দিয়া হৈছিল মহাত্মা গান্ধীক আৰু আন্দোলনত অহিংসা পন্থা অৱলম্বন কৰিলে ভাৰতবৰ্ষই এবছৰৰ ভিতৰতে স্বাধীনতা (স্বৰাজ) লাভ কৰিব বুলি গান্ধী আৰু তেওঁৰ অনুগামীসকলে বিশ্বাস আৰু প্ৰচাৰ কৰিছিল। অসহযোগ আন্দোলনৰ প্ৰধান কাৰ্যসূচী আছিল দুটা—এটা গঠনমূলক আৰু আনটো ধ্বংসমূলক। অসহযোগ আন্দোলনৰ সমুদায় কাৰ্যসূচীৰ এটি ৰূপৰেখা তলত দিয়া ধৰণে দাঙি ধৰিব পাৰি—

ক) গঠনমূলক	খ) ধ্বংসমূলক
(১) শিক্ষাৰ জাতীয়কৰণ,	(১) বৃটিশ আইন-আদালত বৰ্জন কৰা,
(২) স্বদেশী গ্ৰহণ আৰু প্ৰচাৰ,	(২) বৃটিশ শিক্ষানুষ্ঠান বৰ্জন কৰা,
(৩) যঁতৰ আৰু খাদী ব্যৱহাৰ,	(৩) বিধান পৰিষদৰ নিৰ্বাচন বৰ্জন কৰা,
(৪) যঁতৰত সূতা কটা,	(৪) চৰকাৰী কাৰ্যসূচী, উৎসৱ বৰ্জন কৰা,
(৫) সেৱাদলত সদস্য ভৰ্ত্তি,	(৫) বৃটিশ পণ্য বৰ্জন কৰা,
(৬) তিলক স্বৰাজ ভঁৰালৰ পুঁজি সংগ্ৰহ।	

১৯২০ চনৰ ১ আগষ্ট তাৰিখে মহাত্মা গান্ধীয়ে আনুষ্ঠানিকভাৱে অসহযোগ আন্দোলন আৰম্ভ কৰে আৰু সেইদিনাখনে বাল গংগাধৰ তিলকে ইহলীলা সম্বৰণ কৰে। আন্দোলন আৰম্ভ কৰাৰ পিচৰ মাহত (ছেপ্তেম্বৰ, ১৯২০) কলকাতাত অনুষ্ঠিত কংগ্ৰেছৰ বিশেষ অধিবেশনত খিলাফটৰ সমৰ্থনত চৰকাৰৰ সৈতে অসহযোগৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয় আৰু পিচত সেই বছৰৰে ডিচেম্বৰ মাহত নাগপুৰত অনুষ্ঠিত কংগ্ৰেছৰ পূৰ্ণ পৰ্যায়ৰ অধিবেশনতো সেই প্ৰস্তাৱৰ প্ৰতি অনুমোদন জনোৱা হয়। গতিকে গান্ধীৰ নেতৃত্বত আৰু কংগ্ৰেছ আৰু কেন্দ্ৰীয় খিলাফট সমিতিৰ যুটীয়া উদ্যোগত ভাৰতবৰ্ষত পোন প্ৰথম বাৰৰ

বাবে বৃটিশ বিৰোধী গণ আন্দোলনৰ সূচনা কৰা হয়। তিলকৰ মৃত্যুৰ পিচত তিলক স্বৰাজ ভঁৰাল নামে এটি পুঁজি গঠনৰ ব্যৱস্থা কৰি তাক পূৰ্বে উল্লেখ কৰি অহা গঠনমূলক কাৰ্যসূচীৰ অৰ্ন্তভূক্ত কৰা হৈছিল।

বৃটিশ বিৰোধী আন্দোলনৰ প্ৰতি পূৰ্বৰেপৰাই জনসাধাৰণৰ মাজত ভালেমান আকৰ্ষণ আৰু উত্তেজনাই বিৰাজ কৰিছিল। গতিকে আন্দোলন আৰম্ভ কৰাৰ লগে লগে সমগ্ৰ ভাৰতবৰ্ষতে জনসাধাৰণে গান্ধীৰ নেতৃত্বত আন্দোলনৰ অংশীদাৰত পৰিণত হৈছিল। সেয়ে সকলো ঠাইতে আন্দোলনে যথেষ্ট অগ্ৰগতি লাভ কৰিছিল। দেশৰ বহু ঠাইতে জাতীয় শিক্ষানুষ্ঠান গঢ়ি তোলা হৈছিল আৰু চৰকাৰী স্কুল-কলেজ বৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলে উক্ত জাতীয় শিক্ষানুষ্ঠানত অধ্যয়ন কৰিবলৈ লৈছিল। তেনেদৰে গঢ়ি উঠা জাতীয় শিক্ষানুষ্ঠানবিলাকৰ ভিতৰত প্ৰধান আছিল কলকাতাৰ National College, বিহাৰৰ পাটনাত স্থাপন কৰা বিহাৰ বিদ্যাপীঠ, আলিগড়ত National Muslim University, Bengal National University, গুজৰাট বিদ্যাপীঠ, কাশী বিদ্যাপীঠ আদি।

তিলক স্বৰাজ ভঁৰালৰ পুঁজি সংগ্ৰহৰ ক্ষেত্ৰতো যথেষ্ট অগ্ৰগতি লাভ কৰা হৈছিল। দেশৰ বহু অঞ্চলত ছাত্ৰ-ছাত্ৰী আৰু মহিলাসকলে তিলক স্বৰাজ ভঁৰালৰ পুঁজি সংগ্ৰহৰ কামত জড়িত হৈ পৰিছিল। বহু ক্ষেত্ৰতে মহিলাসকলে নিজৰ আ-অলঙ্কাৰো তিলক স্বৰাজ ভঁৰাললৈ দান কৰিছিল। তেওঁলোকে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে লগ লাগি আৰু কেতিয়াবা পৃথকে বিদেশী বস্ত্ৰ, মদৰ দোকান, মদৰ মহল আৰু অন্যান্য ব্যৱসায়ী প্ৰতিষ্ঠানত পিকেটিং কৰা কাৰ্যতো অংশ গ্ৰহণ কৰিছিল। আই চি এছ পৰীক্ষা পাচ কৰি চৰকাৰী চাকৰীত যোগদান কৰা সুভাষ চন্দ্ৰ বসুয়ে কাম ইস্তফা দি আন্দোলনত নামি পৰিছিল। গ্ৰাম্য অঞ্চলত ডেকা-যুৱকসকলৰ লগতে হাজাৰ হাজাৰ কৃষকে অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

দেশৰ বহু শিল্প প্ৰতিষ্ঠান আৰু কাৰখানাৰ শ্ৰমিকসকলেও আন্দোলনত অংশ গ্ৰহণ কৰি নিৰ্মল স্বাধীনতা স্পৃহাৰ নিদৰ্শন দাঙি ধৰিছিল। শ্ৰমিক-কৃষকৰ ওপৰত পুলিচৰ জোৰ-জুলুম আৰু নিৰ্যাতনো দ্ৰুত হাৰত বৃদ্ধি পাই আহিছিল। দেশৰ বিভিন্ন প্ৰান্তত বহু হাজাৰ লোকক আন্দোলনত অংশ গ্ৰহণ কৰাৰ অপৰাধতেই বৃটিশ চৰকাৰে জেইলত বন্দী কৰি থৈছিল। গান্ধীক বাদ দি সমগ্ৰ দেশতে আগশাৰীৰ অন্যান্য নেতাসকলকো চৰকাৰে গ্ৰেপ্তাৰ কৰি কাৰাগাৰত নিক্ষেপ কৰিছিল। দেশৰ কোনো কোনো অঞ্চলত খাজনা বন্ধ আন্দোলনো আৰম্ভ কৰা হৈছিল।

পুলিচী নিৰ্যাতনত অতীষ্ঠ হৈ উত্তৰ প্ৰদেশৰ চৌৰীচৌৰাৰ কৃষকসকলে ১৯২২ চনৰ ৫ ফেব্ৰুৱাৰী তাৰিখে তাৰ পুলিচ চকী এটা জ্বলাই পুৰি পেলাইছিল। সেই পুলিচ চকীটোত জামাদাৰ আৰু দাৰোগাসহ প্ৰায় ১৮ৰপৰা ২২ জনমান পুলিচ কৰ্মী অগ্নিদগ্ধ হৈ

মৃত্যুৰ মুখত পৰিছিল। এই আন্দোলনটো গান্ধীয়ে অহিংসা পন্থাৰে চলাটো পছন্দ কৰিছিল, গতিকে আন্দোলনে চৌৰীচৌৰাত হিংসাৰ পথ লোৱাত গান্ধীয়ে ১৯২২ চনৰ ২২ ফেব্ৰুৱাৰী তাৰিখে বৰদলীৰপৰা আন্দোলন স্থগিত ৰখাৰ ঘোষণা কৰি আন্দোলন বন্ধ কৰিছিল। মহাত্মা গান্ধীৰ দ্বাৰা আন্দোলন বন্ধ কৰা কাৰ্যই নেতা-কৰ্মী আৰু অংশগ্ৰহণকাৰী সকলোকে স্তম্ভিত কৰি তুলিছিল।

অসহযোগ আন্দোলনৰ সময়ত কৃষক তথা ছাত্ৰসকলৰ সংগ্ৰামী ভূমিকা আৰু লগতে আন্দোলনৰ তীব্ৰতাই মহাত্মা গান্ধীৰ লগতেচৰকাৰকো সচকিত আৰু শঙ্কিতকৰি তুলিছিল। তাতে আকৌ ৰুচ দেশত সংঘটিত হোৱা ১৯১৭ চনৰ সমাজতান্ত্ৰিক বিপ্লৱৰ পৰিণতিয়ে ভাৰতীয় জাতীয় বুৰ্জোৱা শ্ৰেণীৰ লগতে বৃটিশ সাম্ৰাজ্যবাদৰো চকুৰ টোপনি হৰিছিল। দেশৰ বিভিন্ন অঞ্চলত গঢ়ি উঠা কৃষক বিদ্ৰোহে এই আশঙ্কা আৰু বেছি ঘণীভূত কৰি তুলিছিল। অসহযোগৰ সময়ত চলা খাজনা বন্ধ আন্দোলনে এফালে কৃষক-জমিদাৰৰ সম্পৰ্কৰ অৱনতি ঘটাইছিল আৰু আনফালে আন্দোলনৰ নেতৃত্বও কংগ্ৰেছৰ হাতৰপৰা ওলাই যোৱাৰ সম্ভাৱনা অধিক কৰি তুলিছিল। সেয়ে চৌৰীচৌৰাত সংঘটিত এটা সামান্য হত্যাকাণ্ডৰ অজুহাত লৈ ভাৰতীয় জনগণৰ স্বাধীনতাৰ দৰে বৃহৎ স্বাৰ্থৰ পৰিপূৰণৰ বিপৰীতে মহাত্মা গান্ধীয়ে হঠাতে আন্দোলন প্ৰত্যাহাৰৰ কথা ঘোষণা কৰে। লগে লগে অসহযোগ আন্দোলনৰ সামৰণি পৰিল, দেশে এবছৰৰ ভিতৰতে স্বাধীনতা বা স্বৰাজ নাপালে।

গান্ধীৰ এই কাৰ্যই দেশৰ বিভিন্ন অঞ্চলত কংগ্ৰেছৰ ভালেমান নেতা-কৰ্মকৰ্তা আৰু আন্দোলনত অংশ গ্ৰহণকাৰী জনতাৰ মাজত ভীষণ ক্ষোভ আৰু অসন্তুষ্টিৰ জন্ম দিলে। চৌৰীচৌৰা ৰ ঘটনাৰ অজুহাত লৈ মহাত্মা গান্ধীয়ে হঠাতে অসহযোগ আন্দোলন স্থগিত ৰখাত দেশতকংগ্ৰেছকেআদি কৰি বিভিন্ন ৰাজনৈতিকমহলতবিশেষকৈছাত্ৰ-যুৱকৰ মাজত যথেষ্ট অসন্তুষ্টিয়ে দেখা দিছিল। ৰাজনৈতিক অস্ত্ৰ হিচাপে মহাত্মা গান্ধীৰ দ্বাৰা নিৰ্দেশিত অহিংসা পন্থাৰ প্ৰতিবহুতৰে মোহ ভঙ্গ হৈছিল আৰু নেতৃত্বৰ এনে বিশ্বাসঘাটকতাৰ প্ৰতি বিৰাগভাজন হৈ বিভিন্ন মহলে স্বাধীনতা সংগ্ৰামৰ বাবে বিকল্প পন্থাৰ সন্ধানত ব্ৰতী হৈছিল। আন কিছুমানে আকৌ গান্ধীৰ সংস্কাৰবাদত মোহ গৈ খাদী আদিৰ প্ৰচাৰৰ কামতব্যস্ত হৈ পৰিছিল। স্বাধীনতা অৰ্জনত গান্ধী পন্থাৰ প্ৰতি বিশ্বাস হেৰুওৱাসকলে বিকল্প পথৰ সন্ধান কৰি লাহে লাহে এফালে বৈপ্লৱিক সন্ত্ৰাসবাদ (Revolutionary terrorism) আৰু আনফালে সমাজবাদৰ প্ৰতি অনুৰক্ত-আকৰ্ষিত হৈ পৰিছিল।

সমাজবাদৰ প্ৰতি আকৰ্ষিত হোৱাত বিশেষকৈ বিশ্ব ইতিহাসৰ আটাইতকৈ চমকপ্ৰদ আৰু গুৰুত্বপূৰ্ণ ১৯১৭ চনৰ ৰুচ দেশৰ সমাজতান্ত্ৰিক (অক্টোবৰ) বিপ্লৱে প্ৰভূত সহায় কৰিছিল। অৰ্থনৈতিক আৰু সামাজিক ভাৱে শোষিত আৰু নিপীড়িত আৰু সাম্ৰাজ্যবাদৰ

দ্বাৰা পদানত বিশ্বৰ কোটি কোটি মানুহৰ বাবে সমাজবাদৰ বিপৰীতে পৰিত্ৰাণৰ কোনো বিকল্প নাছিল। সেয়ে সমাজবাদী আদৰ্শৰে পৰিচালিত ৰুচ দেশৰ সেই বিপ্লৱে মুক্তি পিয়াসী লোকৰ মনত নৱ-জন্মৰ আশাৰ সঞ্চাৰ কৰিছিল। বেছিকৈ আকৰ্ষিত হৈছিল বিশ্বৰ বিভিন্ন দেশৰ ছাত্ৰ-যুৱকসকল। তদানীন্তন ৰাজনৈতিক পৰিস্থিতিত ভাৰতবৰ্ষতো সেইটোৱেই ঘটিছিল। ধৰণী গোস্বামী বোলা কমিউনিষ্ট কৰ্মী এজনে কৈছিল, "The disillusioned youth and students who had joined the non-cooperation movement now began to veer towards the Socialist ideology" এফালে বৃটিশ সাম্ৰাজ্যবাদৰ প্ৰতি অনুগত আৰু আনফালে ভাৰতবৰ্ষৰ স্থবিৰ, পুৰাতন আৰু ৰক্ষণশীল ৰাজনৈতিক চিন্তা-চৰ্চা আৰু পৰিমণ্ডলত এই ঘটনা আছিল যথাৰ্থভাৱেই আলোড়নকাৰী।

কেন্দ্ৰীয় খিলাফট সমিতি আৰু কংগ্ৰেছৰ নেতৃত্বত যুটীয়াভাৱে পৰিচালিত অসহযোগ আন্দোলনৰ প্ৰায় পূৰ্বাহ্নৰপৰাই ভাৰতীয় ৰাজনীতিত ৰুচ বিপ্লৱ আৰু তাৰ লগতে মাৰ্ক্সবাদৰ প্ৰভাৱ পৰিবলৈ ধৰে আৰু এই সময়ছোৱাৰপৰাই সাম্যবাদী আন্দোলনৰ প্ৰাৰম্ভিক কাম-কাজৰ সূচনা হয়। জাৰতন্ত্ৰৰ অৱসান ঘটোৱা আৰু সাম্ৰাজ্যবাদৰ মহামৰণ পন কৰি সংগঠিত হোৱা ৰুচ বিপ্লৱে স্বাধীনতাকামী ভাৰতীয়লোকৰ মনতো প্ৰেৰণাৰ উদ্ৰেক কৰিছিল।

অসহযোগৰ অব্যৱহিতপিচৰ কালছোৱাতবিশেষকৈবঙ্গভঙ্গ তথা স্বদেশী আন্দোলনৰ সময়তে (১৯০৫-১১) আত্মপ্ৰকাশ কৰা সন্ত্ৰাসবাদীসকলৰ মনতো সাম্যবাদী দৰ্শনে নতুন দিগন্তৰ উন্মোচন কৰিলে। পৰৱৰ্তী অধ্যায়ত এই বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হ'ব।

কংগ্ৰেছৰ ভিতৰত অসহযোগ আন্দোলনৰ বিফলতাৰ তাৎক্ষণিক পৰিণতি আছিল লক্ষণীয়। দ্বিতীয় বাৰৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছ বিভাজনৰ সন্মুখীন হ'ল। গান্ধীৰ নীতিয়ে একাংশ কংগ্ৰেছ নেতাক অসন্তুষ্ট কৰিলে আৰু তেওঁলোকে বিধান পৰিষদৰ নিৰ্বাচনত অংশ গ্ৰহণ কৰাৰ প্ৰতি আগ্ৰহী হৈ পৰিল। আনহাতে একাংশই তাৰ বিৰোধীতা কৰিলে। ফলত কংগ্ৰেছ পৰিবৰ্তনমুখী (Pro-changers) আৰু পৰিবৰ্তন বিৰোধী (No-changers) এই দুটা শিবিৰত বিভক্ত হৈ পৰিছিল। এই বিভাজন গয়া কংগ্ৰেছত সম্পূৰ্ণ হৈ পৰে।

১৯২২ চনৰ ডিচেম্বৰ মাহত গয়াত অনুষ্ঠিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশনত সভাপতিত্ব কৰিছিল বংগৰ প্ৰখ্যাত নেতা চিত্তৰঞ্জন দাসে। চিত্তৰঞ্জন দাস আৰু তেওঁৰ অনুগামীসকল আছিল পৰিবৰ্তনমুখী। তেওঁলোকে ১৯১৯ চনৰ ভাৰত শাসন বিধি মতে অনুষ্ঠিত কৰিবলৈ লোৱা নিৰ্বাচনত অংশ গ্ৰহণ কৰাৰ পোষকতা কৰি বৃটিশ-ভাৰত প্ৰশাসন ব্যৱস্থাটো ভিতৰৰপৰা ধ্বংস কৰাৰ নীতি লৈ তাক কাৰ্যকৰী কৰাৰ পক্ষপাতী আছিল। চক্ৰৱৰ্তী ৰাজা গোপালাচাৰী আৰু তেওঁৰ অনুগামীসকলে পৰিবৰ্তনকাৰীসকলৰ নীতিৰ বিৰোধীতা

কৰাত সভাপতি চিত্তৰঞ্জন দাসে পদত্যাগ কৰে আৰু ৩১ ডিচেম্বৰৰ দিনা স্বৰাজ দল নামে এটি নতুন ৰাজনৈতিক দল গঠন কৰে। চিত্তৰঞ্জন দাস এই নতুন দলটোৰ সভাপতি আৰু মতিলাল নেহৰু সম্পাদক নিৰ্বাচিত হয়। ভাৰতীয় জাতীয় কংগ্ৰেছৰ দৰে স্বৰাজ দলৰ ৰাজনৈতিক আদৰ্শও আছিল দেশৰ বাবে ঔপনিবেশিক স্বায়ত্ব শাসন লাভ কৰাটো। গতিকে দুয়োটা দলৰ কাৰ্যসূচীৰ মাজত বৰ বিশেষ পাৰ্থক্য নথকাত স্বৰাজ দলে দেশত বিশেষ আলোড়নৰ সৃষ্টি কৰিব পৰা নাছিল। ই প্ৰধানতঃ কংগ্ৰেছৰ সমসাময়িক সাংগঠনিক ৰাজনীতিৰ আভ্যন্তৰীণ বিষয় হৈয়েই থাকিল। দেশৰ স্বাধীনতা আন্দোলনত বৰ বিশেষ প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিলে।

***

আৰ্হি প্ৰশ্নমালাঃ

ৰচনা ধৰ্মী প্ৰশ্নঃ

১। চম্পাৰণৰ কৃষক বিদ্ৰোহৰ কাৰণ আৰু পৰিণতি সম্পৰ্কে আলোচনা কৰা।

২। ৰাওলাট বিল বিৰোধী আন্দোলন আৰু জালিৱানৱালা বাগৰ নৰ-সংহাৰৰ বিষয়ে আলোচনা কৰা।

৩। চম্পাৰণৰ কৃষক বিদ্ৰোহৰপৰা অসহযোগা আন্দোলন আৰম্ভ কৰালৈ ভাৰতীয় জাতীয়তাবাদী আন্দোলনত গান্ধীৰ ভূমিকাৰ বিষয়ে উল্লেখ কৰা।

৪। অসহযোগ আন্দোলনৰ কাৰ্যসূচী আৰু আন্দোলনৰ পৰিণতি সম্পৰ্কে আলোচনা কৰা।

চমু টোকা লিখাঃ

(১) ৰাওলাট আইন,

(২) খিলাফট আন্দোলন,

(৩) জেনেৰেল ৰেজিনেল্ড দায়াৰ,

(৪) গয়া কংগ্ৰেছ

সপ্তম অধ্যায়

আইন অমান্য আন্দোলন

ছাইমন কমিছন বা সংবিহিত আয়োগঃ

১৯১৯ চনৰ ভাৰত শাসন বিধিত কোৱা হৈছিল যে এই আইন বলবৎ হোৱাৰপৰা সম্পূৰ্ণ দহ বছৰৰ পিচত ভাৰতবৰ্ষৰ শাসন ক্ষেত্ৰত সংস্কাৰ সাধন কৰিবলৈ পুনৰ এটি নতুন আয়োগ গঠন কৰা হ'ব। কিন্তু তদানীন্তন ভাৰতবৰ্ষৰ উত্তপ্ত ৰাজনৈতিক বাতাৱৰণলৈ চাই বৃটিশ গৃহ চৰকাৰে নিৰ্দ্ধাৰিত সময়তকৈ দুবছৰ আগতেই সেই প্ৰস্তাৱিত আয়োগ গঠনৰ কথা ঘোষণা কৰিলে ১৯২৭ চনৰ ৮ ছেপ্তেম্বৰ তাৰিখে। ভাৰত পৰিক্ৰমাৰ মন্ত্ৰী বৰ্কেনহেডে (Birkenhead) সময়তকৈ আগতে সংবিহিত আয়োগ গঠন কৰা সম্পৰ্কে কৈছিল যে তেওঁলোকে সময়ৰ সৈতে খেলা কৰিবৰ কাৰণেই সেইটো কৰিছে। তেওঁৰ ভাষাত, "Mere antedating the setting up of the Commission means nothing We can play with time as we want" গতিকে ভাৰতবৰ্ষৰ ৰাজনৈতিক সমস্যা সমাধান কৰাটো তেওঁলোকৰ লক্ষ্য নাছিল। সি যি কি নহওক, ইয়াকে সংবিহিত আয়োগ (Statutory Commission) বোলে। আয়োগৰ সভাপতি ছাৰ জন ছাইমন আছিল বাবে তেওঁৰ নামানুসাৰে তাক ছাইমন কমিছনো (Simon Commission) বোলা হয়। এই ৭-জনীয়া আয়োগৰ সভাপতি আৰু সদস্যসকল আছিল—

ছাৰ জন ছাইমন (Sir John Simon)	—সভাপতি
বাৰ্ণহাম (Burnham)	—সদস্য
ষ্ট্ৰেথকোনা (Strathcona)	—সদস্য
লেন ফক্স (Lane-Fox)	—সদস্য
কেৰোগান (Cadogan)	—সদস্য
ক্লিমেণ্ট এট্লি (Clement Atlee)	—সদস্য
ভাৰনন হাৰ্টচন (Vernon Hartshorn)	—সদস্য

সভাপতিকে আদি কৰি আয়োগৰ ৭ জন সদস্যই বৃটিশ নাগৰিক হোৱাত ভাৰতীয় ৰাজনৈতিক নেতাসকলে এই আয়োগে ভাৰত ভ্ৰমণ কৰিলে বয়কট কৰাৰ সিদ্ধান্ত লয়। ১৬ নবেম্বৰ তাৰিখে মহম্মদ আলি জিন্নাই সংবাদ পত্ৰলৈ দিয়া এটি বিবৃতিত এই বুলি কৈছিল যে 'ভাৰতীয় জাতীয় কংগ্ৰেছ, মুছলীম লীগ, নিখিল ভাৰত লিবাৰেল ফেডাৰেচন,

ফেডাৰেচন অব ইণ্ডিয়ান চেম্বাৰছ অব কৰ্মাছ, মিল মালিক সংস্থা, হিন্দু মহাসভা আদিৰ নেতৃবৃন্দই কৈছিল যে তেওঁলোকে সম্প্ৰতি গঠন কৰা সংবিহিত আয়োগৰ সৈতে কোনো ধৰণৰ আলোচনা বা কামত অংশ গ্ৰহণ কৰিব নোৱাৰে' (could not "conscientiously take any part or share in the work of the Commission as at present constituted ")। জিন্নাই উল্লেখ কৰা সেই বিবৃতিত স্বাক্ষৰ কৰা ৰাজনৈতিক নেতাসকল আছিল তেজ বাহাদুৰ ছাপ্ৰু, শিৱস্বামী আইয়াৰ, চিমনলাল চিতলবাদ, দিনাশ্ব পেটিট, জিন্না, আব্দুল ৰহিম, আলি ইমাম আৰু এনি বেছান্ত।

কংগ্ৰেছ প্ৰেছিডেন্ট শ্ৰীনিবাস আয়েঙ্গাৰে ইতিপূৰ্বে ১৪ নৱেম্বৰ তাৰিখেই সংবিহিত আয়োগৰ সৈতে কোনো সম্পৰ্ক নাৰাখে বুলি মত প্ৰকাশ কৰিছিল। কংগ্ৰেছে অকল তাতেই ক্ষান্ত নাথাকি নিজা বৰীয়াকৈ এটি সংবিধান সমিতি গঠন কৰিব বুলিও ঘোষণা কৰিছিল। সেই মতে মতিলাল নেহৰুৰ সভাপতিত্বত এটি সংবিধান সমিতি গঠন কৰি দিয়া হৈছিল। ইফালে বৃটিশ চৰকাৰে ঘোষণা কৰা মতে সংবিহিত আয়োগে ১৯২৮ চনৰ ৩ ফেব্ৰুৱাৰী তাৰিখে বোম্বেত আহি উপস্থিত হয়। ছাইমন কমিছন বা সংবিহিত আয়োগে দুবাৰ ভাৰত ভ্ৰমণ কৰিছিল—প্ৰথম বাৰ ৩ ফেব্ৰুৱাৰীৰপৰা ৩১ মাৰ্চলৈ (১৯২৯), আৰু দ্বিতীয় বাৰ ২১ মাৰ্চৰপৰা ১৩ এপ্ৰিললৈ।

ভাৰতীয় জাতীয়তাবাদী ৰাজনৈতিক দলসমূহে পূৰ্বৰ সিদ্ধান্ত অনুসৰি ১৯২৮-২৯ চনত সংবিহিত আয়োগে (Statutory Commission/Simon Commission) ভাৰত ভ্ৰমণ কৰোঁতে তাক বৰ্জন কৰে। আয়োগে ভ্ৰমণ কৰা ঠাইসমূহত বিপুল জনতাই বিক্ষোভ প্ৰদৰ্শন কৰি 'Simon go back' ধ্বনি দিছিল। লাহোৰত তেনেদৰে বিক্ষোভ প্ৰদৰ্শন কৰি লালা লাজপত ৰায় পুলিচৰ অত্যাচাৰতআহত হৈ শেষত হাস্পাতালত প্ৰাণ ত্যাগ কৰিছিল।

এই ঘটনাই সমগ্ৰ ভাৰতবৰ্ষত ৰাজনৈতিক কৰ্ম তৎপৰতা আৰু উত্তেজনা আৰু বৃদ্ধি কৰিছিল। ঐতিহাসিক ৰাম গোপালে কৈছে যে এই সময়তে "A militant youth organisation, the Naujawan Bharat Sabha, was formed at Lahore to propagate socialist ideas, preach direct action against the British, and make recruitment for a terrorist party " এছ.কে মিটালে জনোৱা মতে লক্ষ্মণস্বৰূপ ত্ৰিপাঠী নামে এজন ছাত্ৰই মিৰাটত এটি Youth League সংগঠন কৰি লালা লাজপত ৰায়ৰ হত্যাৰ প্ৰতিশোধ লোৱাৰ ব্যৱস্থা কৰিছিল।

সাম্যবাদী মতাদৰ্শৰ প্ৰচাৰ আৰু তাৰেই আৰ্হিত সাম্যবাদী সংগঠন গঢ়ি তোলাৰ প্ৰৱনতাও এই সময়ছোৱাত বৃদ্ধি পাইছিল, হয়তো তাৰেই ফলশ্ৰুতিত ভাৰতবৰ্ষত "the flood-tide of communism was at its height "

ৰাজনৈতিক ঘটনা প্ৰৱাহৰ এনে এটা পৰিৱেশতেই ১৯২৮ চনৰ ডিচেম্বৰ মাহত মতিলাল নেহেৰুৰ সভাপতিত্বত কলকাতাত কংগ্ৰেছৰ অধিৱেশন অনুষ্ঠিত হৈছিল। মাদ্ৰাজ কংগ্ৰেছৰ (১৯২৭) প্ৰায় পূৰ্বৰে পৰাই দেশৰ ৰাজনৈতিক বা-বতাহ কোন ফালে বলিবলৈ লৈছিল তাক সহজে অনুমান কৰিব পাৰি। মাদ্ৰাজ কংগ্ৰেছত জনতাৰ বিপুল সমৰ্থনত পূৰ্ণ স্বৰাজৰ প্ৰস্তাৱ গৃহীত হৈছিল যদিও তাৰ প্ৰতি গান্ধীয়ে কোনো ধৰণৰ উৎসাহ দেখুওৱা বা সমৰ্থন দিয়া নাছিল। আনহাতে প্ৰস্তাৱৰ সমৰ্থনত দেশত কোনো আন্দোলনো সংগঠিত হোৱা নাছিল। কলকাতা কংগ্ৰেছৰ সময়ত গান্ধীয়ে আপোচ সূত্ৰ এটা উদ্ভাৱন কৰি পৰামৰ্শ আগবঢ়ালে এই বুলি যে ছাইমন কমিছনৰ বিকল্প হিচাপে গঠিত মতিলাল নেহেৰু সমিতিয়ে দাখিল কৰা প্ৰতিবেদন গ্ৰহণ কৰি বৃটিশ চৰকাৰৰ ওচৰত এবছৰৰ ভিতৰতে ভাৰতবৰ্ষৰ বাবে ঔপনিবেশিক স্বায়ত্ব শাসন দিবলৈ দাবী কৰিব লাগে আৰু তেওঁলোকে সেই দাবী মানি নললে এবছৰৰ সময় উকলি যোৱাৰ লগে লগে তেওঁ স্বেচ্ছাই দেশত স্বাধীনতা আন্দোলনৰ নেতৃত্ব দিব। জৱহৰলাল নেহেৰু আৰু সুভাষ চন্দ্ৰ বসুৰ নেতৃত্বত কংগ্ৰেছৰ যুৱ শক্তিয়ে গান্ধীৰ প্ৰস্তাৱত সংশোধনী আনিলে এই বুলি যে পূৰ্ণ স্বৰাজৰ বাদে তেওঁলোকক একোৱেই সন্তুষ্ট কৰিব নোৱাৰে। সংখ্যাধিক্য ভোটত নেহেৰু-বসুৰ সংশোধনী প্ৰস্তাৱ বাতিল হ'ল যদিও কিন্তু পূৰ্ণ স্বাধীনতাৰ ধ্বনি মাৰ নগ'ল।

গতিকে এফালে মহাত্মা গান্ধীৰ বৃটিশ সাম্ৰাজ্যবাদৰ প্ৰতি নৰম দৃষ্টিভংগী আৰু আনফালে অগণিত ভাৰতীয় জনতাৰ আৰ্থিক অৱনতিৰ লগতে পুলিচী নিৰ্যাতনৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ-যুৱক-কৃষকৰ অদমনীয় স্বাধীনতা স্পৃহাই গুপ্ত হত্যা আৰু সন্ত্ৰাসবাদী আন্দোলন অধিক জোৰদাৰ কৰি তুলিছিল। লাহোৰত ছাইমন কমিছনৰ বিপক্ষে বিক্ষোভকাৰীসকলৰ ওপৰত কৰা পুলিচী নিৰ্যাতনৰ নায়ক আছিল পুলিচ উপাধ্যক্ষ ছ'ণ্ডাৰ। সেই হত্যাকাণ্ডৰ প্ৰতিশোধ কল্পে হিন্দুস্থান ছচিয়েলিষ্ট ৰিপাব্লিকান এছোচিয়েচনে ভগত সিঙৰ নেতৃত্বত ছ'ণ্ডাৰক হত্যা কৰাৰ আঁচনি প্ৰস্তুত কৰি তাক বাস্তৱায়িত কৰে।

ইয়াৰ পাচত ১৯২৯ চনৰ এপ্ৰিল মাহত ভগত সিং আৰু বটুকেশ্বৰ দত্তই কেন্দ্ৰীয় বিধানপৰিষদতপৰিষদে 'Trade Disputes Bill'খনৰ ওপৰতআলোচনা কৰি থাকোঁতেই বিধান পৰিষদৰ সভা গৃহত ওপৰা-ওপৰিকৈ দুটা বোমা নিক্ষেপ কৰে। এই বিলখনেৰে ভাৰতীয় শিল্প শ্ৰমিকৰ আন্দোলনৰ অধিকাৰ হৰণ কৰিবলৈ বিচৰা হৈছিল। সি যি কি নহওক, ভগত সিং আৰু বটুকেশ্বৰ দত্তক পুলিচে গ্ৰেপ্তাৰ কৰে আৰু লগে লগে লাহোৰ, পঞ্জাব, উত্তৰ প্ৰদেশ, বিহাৰ আদি বিভিন্ন প্ৰদেশত ভীষণ ধৰ-পাকৰ আৰু পুলিচী নিৰ্যাতন আৰম্ভ কৰে। ছ'ণ্ডাৰৰ হত্যাক কেন্দ্ৰ কৰি প্ৰায় ১৩ জন যুৱকক গ্ৰেপ্তাৰ কৰি লাহোৰ ষড়যন্ত্ৰ

মামলা (Lahore Conspiracy Case) ৰুজু কৰিলে। লাহোৰ কাৰাগাৰত বিচাৰাধীন কয়দীসকলৰ ওপৰতঅকথ্য নিৰ্যাতন জাপি দিয়াত তাৰ প্ৰতিবাদ কৰে তেওঁলোকে আমৰণ অনশন কৰিবলৈ বাধ্য হয়। সুদীৰ্ঘ ৬৩ দিন আমৰণ অনশন কৰাৰ পিচত কয়দীসকলৰ অন্যতম ব্যক্তি যতীন্দ্ৰ নাথ দাসে প্ৰাণত্যাগ কৰে। ১৯৩১ চনৰ ২৩ মাৰ্চত ভগত সিং, ৰাজগুৰু আৰু শুকদেৱকচৰকাৰে ফাঁচীকাঠততুলি বাকী ৭ জনক যাৱজ্জীৱন দেশান্তৰিত কৰিলে। যতীন্দ্ৰ নাথ দাসে বৃটিশৰ লৌহ কাৰাগাৰত আমৰণ অনশন কৰি স্বাধীনতাৰ বেদীত আত্মাহুতি দিয়া কাৰ্যই দেশৰ যুৱ-ছাত্ৰসকলৰ মাজত ভীষণ আলোড়নৰ সৃষ্টি কৰিছিল। গতিকে দেখা যায় দেশত পুনৰ ৰাজনৈতিক উত্তেজনা আৰু আন্দোলন মুখী পৰিস্থিতিয়ে বিৰাজ কৰিছিল।

পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ আৰু আইন অমান্য আন্দোলনঃ

এনে এটা উত্তপ্ত ৰাজনৈতিক পৰিৱেশতে জৱহৰলাল নেহেৰুৰ পৌৰাহিত্যত ১৯২৯ চনৰ ডিচেম্বৰ মাহত লাহোৰতকংগ্ৰেছ বাৰ্ষিক অধিৱেশন বহিছিল। মহাত্মা গান্ধীয়ে বৃটিশ চৰকাৰকপৰা এবছৰৰ ভিতৰতে ঔপনিৱেশিক স্বায়ত্ব শাসন পোৱাৰ যি দুৰন্ত আশা কৰি আনকো আশ্বাস দিছিল, সেইটো বাস্তৱত ফলৱতী নহ'ল। এবছৰৰ সময় উকলিল, বৃটিশ চৰকাৰে ভাৰতৰ ৰাজনৈতিক প্ৰশ্নটো মীমাংসা কৰাৰ কোনো চেষ্টাই নকৰিলে। গতিকে কংগ্ৰেছে গান্ধীৰ নেতৃত্বত পুনৰ আন্দোলনৰ পথ ল'বলৈবাধ্য হ'ল। জৱহৰলাল নেহেৰুৰ পৌৰাহিত্যত অনুষ্ঠিত লাহোৰ কংগ্ৰেছে পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ লৈ পুনৰ আন্দোলন মুখী ৰাজনীতিৰ আৰম্ভণী কৰিলে।

১৯২৯ চনৰ ডিচেম্বৰৰ শেহৰ পিনে এদিন মাজনিশা কংগ্ৰেছ সভাপতি জৱহৰলাল নেহেৰুৱে লাহোৰত ৰাবী নদীৰ পাৰত কংগ্ৰেছৰ পতকা উত্তোলন কৰি পূৰ্ণ স্বাধীনতাৰ ধ্বনি দিলে। লাহোৰ কংগ্ৰেছত পূৰ্বে কলকাতা কংগ্ৰেছত দি অহা প্ৰতিশ্ৰুতিৰ প্ৰতি শ্ৰদ্ধা দৰ্শাই মহাত্মা গান্ধীয়ে এইবাৰ পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ উৎথাপন কৰিলে, "The Congress therefore in pursuance of the resolution passed at its session at Calcutta last year declares that the word Swaraj in article 1 of the Congress Constitution shall mean Complete Independence "

ইতিপূৰ্বে ইয়োৰূপ ভ্ৰমণৰ সময়কাৰাই (১৯২৭) জৱহৰলাল নেহেৰুৱে নিজকে সমাজবাদী বুলি পৰিচয় দিবলৈ লৈছিল আৰু তাৰেই আপাহতে কংগ্ৰেছৰ ভিতৰতে এটা বামপন্থী গোষ্ঠীৰ সৃষ্টি কৰি উপদলীয় ৰাজনীতিৰ ক্ষেত্ৰ প্ৰস্তুত কৰিছিল। নেহৰুৰ এই ধৰণৰ বামপন্থী চিন্তাধাৰা গান্ধীৰ ৰাজনৈতিকমতাদৰ্শৰ সম্পূৰ্ণ বিপৰীতআছিল। তথাপিও

গান্ধীয়ে বল্লভভাই পেটেলৰ দৰে শক্তিশালী লোকৰ প্ৰাৰ্থীত্বৰ বিপৰীতে জবহৰলাল নেহৰুক লাহোৰ কংগ্ৰেছৰ সভাপতিৰূপে নিৰ্বাচিত কৰাত প্ৰধান ভূমিকা লৈছিল।

সি যি কি নহওক, দেখাত পূৰ্ণ স্বৰাজ তথা আইন অমান্য আন্দোলনৰ প্ৰতি সমৰ্থন দিলেও গান্ধীৰ ভূমিকা আছিল এই সময়তো যথেষ্ট সন্দেহজনক। নেহেৰুক কংগ্ৰেছৰ সভাপতিপাতি গান্ধীয়ে এফালে কংগ্ৰেছৰ ভিতৰতে গঢ়ি উঠিবলৈ লোৱা বামপন্থী গোষ্ঠীটোক নিশকতীয়া আৰু আনফালে কংগ্ৰেছ কাৰ্যকৰী সমিতিত নিজৰ একাধিপত্য স্থাপন কৰিছিল। আনহাতে লাহোৰ কংগ্ৰেছত গৃহীত পূৰ্ণ স্বাধীনতাৰ পৰিপ্ৰেক্ষিতত আন্দোলন চলাবলৈ মহাত্মা গান্ধীৰ হাতত কোনো কাৰ্যসূচী নাছিল। লাহোৰ কংগ্ৰেছৰ পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱৰ পৰিপ্ৰেক্ষিতত ল'বলগীয়া আন্দোলনৰ কাৰ্যসূচী সম্পৰ্কে কবি ৰবীন্দ্ৰনাথ ঠাকুৰে কৰা এটি প্ৰশ্নৰ উত্তৰত গান্ধীয়ে কৈছিল; "I am furiously thinking night and day and I do not yet see any light coming out of the surrounding darkness " অৰ্থাত লাহোৰ কংগ্ৰেছৰ প্ৰস্তাৱে গান্ধীক অন্ধকাৰতহে নিক্ষেপ কৰিছিল। কেৱল লোণ সত্যাগ্ৰহৰ আঁচনিয়েহে তেওঁক সেই অন্ধকাৰৰপৰা ত্ৰাণ কৰিছিল। ১৯৩০ চনৰ ২ মাৰ্চত তেওঁ বৃটিশ ভাইচৰয়লৈ ১১-দফীয়া দাবী সম্বলিতদীঘলীয়া চিঠি এখনৰ মাধ্যমত লোণ সত্যাগ্ৰহৰ বিষয়ে তেওঁক অৱগত কৰে আৰু এই চিঠিৰ মাধ্যমতেই তেওঁ উল্লেখিত দাবীসমূহৰ আশু সমাধানৰ কামনা কৰে। ঐতিহাসিক ড° ঈশ্বৰী প্ৰসাদৰ মতে, "For a lay man, who is not a saint, the eleven points and the letter are in clear contradiction of the Lahore Resolution "

লাহোৰত পূৰ্ণ স্বৰাজৰ প্ৰস্তাৱ লোৱাৰ প্ৰায় আঢ়ৈ মাহ পিচত লোণ আইন ভঙ্গ কৰাক কেন্দ্ৰ কৰি ১৯৩০ চনৰ মাৰ্চ মাহত আনুষ্ঠানিকভাৱে আইন অমান্য আন্দোলন আৰম্ভ কৰা হয়। সেই বছৰৰে মাৰ্চ মাহৰ ১২ তাৰিখে গান্ধীয়ে তেওঁৰ ৭৮ জন অনুগামীক লৈ সবৰমতী আশ্ৰমৰপৰা প্ৰায় ২৪১ মাইল দূৰত্বত সাগৰৰ তীৰত থকা দাণ্ডীলৈ লোণ আইন ভঙ্গ কৰিবলৈ যাত্ৰা কৰে আৰু ৫ এপ্ৰিল তাৰিখে দাণ্ডীত উপস্থিত হৈ ৬ তাৰিখে সাগৰৰ পানী তপতাই লোণ তৈয়াৰ কৰি লোণ আইন ভঙ্গ কৰে।এইদৰে কংগ্ৰেছ তথা গান্ধীৰ নেতৃত্বত বৃটিশৰ বিৰুদ্ধে স্বাধীনতা আন্দোলনৰ দ্বিতীয়টো পৰ্যায়ৰ সূচনা হয়।

পূৰ্ণ স্বৰাজৰ বাণীয়ে সমগ্ৰ দেশতে বিশেষ আলোড়নৰ সৃষ্টি কৰিছিল। দেশৰ বিভিন্ন অঞ্চলত হাজাৰ হাজাৰ লোকে আন্দোলনত নামি পৰিছিল। দেশত পূৰ্ণ স্বৰাজৰ বাণী ইখন চহৰৰপৰা সিখন চহৰলৈ, ইখন গাঁৱৰপৰা সিখন গাঁৱলৈ দ্ৰুত গতিত বিয়পি পৰিছিল। বহু ঠাইতে চৰকাৰৰ অস্তিত্ব নোহোৱা হৈ পৰিছিল, হৰতাল, পিকেটিং, সভা-শোভাযাত্ৰা

স্বাধীনতা সংগ্ৰামীসকলৰ প্ৰধান কাৰ্যসূচী আৰু কৰ্তব্যত পৰিণত হৈছিল। হাজাৰ হাজাৰ মানুহে পুলিচৰ লাঠীৰ কোব খাইয়ো আন্দোলনৰপৰা আঁতৰি অহা নাছিল। উত্তৰ পশ্চিম সীমান্তপ্ৰদেশত সীমান্ত গান্ধীৰূপে খ্যাত খাঁ আব্দুল গফুৰ খাঁৰ (Khan Abdul Gaffaur Khan-the Frontier Gandhi) নেতৃত্বত গঢ়ি উঠা আৰু লাল চোলা পৰিহিত স্বেচ্ছাসেৱীসকলে (Red Shirts Volunteers) আনকি খাজনা কৰ-কাটল আদি বন্ধ কৰাটোও আন্দোলনৰ কাৰ্যসূচীত অন্তৰ্ভুক্ত কৰি সেই অঞ্চলত চৰকাৰৰ অস্তিত্ব বিপদাপন্ন কৰি তুলিছিল। পেছোৱাৰত পুলিচে সেই আন্দোলনকাৰীসকলৰ ওপৰত গুলি চালনা কৰিছিল। কিন্তু গাৰহোৱাল ৰেজিমেণ্টৰ সৈনিকসকলে সেই স্বেচ্ছাসেৱী-সকলৰ ওপৰত গুলি চলাবলৈ অমান্তি হৈছিল, ফলত উক্ত ৰেজিমেণ্টৰ সকলো সৈনিকক দীৰ্ঘ দিনলৈ জেইল দিয়া হৈছিল।

দেশত আইন অমান্য আন্দোলন আৰম্ভ কৰাৰ অপৰাধত বৃটিশ-ভাৰত চৰকাৰে ১৪ এপ্ৰিল (১৯৩০) তাৰিখে কংগ্ৰেছ সভাপতি জৱহৰলাল নেহেৰুক গ্ৰেপ্তাৰ কৰে আৰু ৫ মে' তাৰিখে (১৯৩০) গান্ধীকো গ্ৰেপ্তাৰ কৰাত সমগ্ৰ দেশতে আন্দোলনেও এটি নতুন গতিবেগ লাভ কৰিছিল। গান্ধীয়ে বোম্বেৰপৰা প্ৰায় ১৫০ মাইল দূৰত্বত ধৰচনাত অৱস্থিত চৰকাৰী লোণ কাৰখানাত লোণ তৈয়াৰ কৰিবলৈ লওতেই তেওঁক গ্ৰেপ্তাৰ কৰিছিল। গান্ধীক গ্ৰেপ্তাৰ কৰাৰ লগে লগে তৈয়াবজী আগবাঢ়ি আহিছিল, তেওঁকো গ্ৰেপ্তাৰ কৰাত আহিছিল সৰোজনী নাইডু। পুলিচে এজন এজনকৈ সকলোকে গ্ৰেপ্তাৰ কৰি অৱশেষত তেওঁলোকৰ অনুগামীসকলক লাঠিৰে নিৰ্মমভাৱে প্ৰহাৰ কৰিছিল।

ইতিপূৰ্বে বৃটিশ প্ৰধানমন্ত্ৰী ৰামজে মেকডোনাল্ডৰ সভাপতিত্বত ১৯৩০ চনৰ ১২ নবেম্বৰৰপৰা ১৯৩১ চনৰ ১৯ জানুৱাৰীলৈ লণ্ডনত প্ৰথম ঘূৰণীয়া মেজ মেল (First Round Table Conference) বহিছিল। সেই মেলত কংগ্ৰেছৰ কোনো প্ৰতিনিধিয়ে অংশ গ্ৰহণ কৰা নাছিল। প্ৰধানমন্ত্ৰী মেকডোনাল্ডকে ধৰি মেলত উপস্থিত থকা সকলোৱে উপলব্ধি কৰিছিল যে কংগ্ৰেছৰ উপস্থিতি অবিহনে ভাৰতবৰ্ষৰ ৰাজনৈতিক সমস্যাৰ কোনো সমাধান সম্ভৱ নহয়। আনহাতে ভাৰতবৰ্ষত বৃটিশ পণ্যৰ বয়কোট কাৰ্য তুংগত উঠিছিল। এনে এটা অৱস্থাত বৃটিশ গৃহ চৰকাৰেও কংগ্ৰেছৰ নেতৃবৃন্দৰ সৈতে এটি আপোচ কৰিবলৈ তৎপৰ হৈ পৰিছিল। গতিকে উত্তেজনাৰ উপশম ঘটাবলৈ বৃটিশ ভাইচৰয় লৰ্ড আৰউইনে ১৯৩১ চনৰ ২৫ জানুৱাৰী তাৰিখে সকলোবোৰ প্ৰধান ৰাজনৈতিক নেতাকে কাৰাগাৰৰপৰা মুকলি কৰি দিয়ে। ইফালে আন্দোলন চলি থকা অৱস্থাতে ছাৰ তেজবাহাদুৰ ছাপ্ৰু আৰু ড° জয়কাৰে ভাইচৰয়ক সাক্ষাত কৰিবলৈ গান্ধীক সৈমান কৰায়। সেই মৰ্মে গান্ধী আৰু ভাইচৰয়ৰ মাজত এলানি

আলোচনা অনুষ্ঠিত হয়। গান্ধী আৰু ভাইচৰয়ৰ মাজত এই আলোচনা প্ৰায় ১৫ দিন ধৰি চলিছিল আৰু অৱশেষত ৫ মাৰ্চ তাৰিখে দুয়োজনৰ মাজত এটি চুক্তি স্বাক্ষৰ কৰা হয়। ইয়াকে গান্ধী-আৰউইন চুক্তি (Gandhi-Irwin Pact, 1931) বোলা হয়। এই চুক্তিৰ মূল উদ্দেশ্য আছিল কংগ্ৰেছক ঘূৰণীয়া মেজ মেলৰ অংশীদাৰ কৰা। তাৎপৰ্যৰ কথা যে এই চুক্তিৰ চৰ্তাৱলীত দেশৰ পূৰ্ণ স্বাধীনতাৰ কোনো কথাৰ উল্লেখ নাছিল। চুক্তিৰ চৰ্তসমূহ আছিল—

(১) ভাৰতবৰ্ষৰ ৰাজনৈতিক সমস্যা সমাধানৰ ক্ষেত্ৰত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাক ভিত্তি হিচাপে লোৱা হ'ব,

(২) কংগ্ৰেছক ঘূৰণীয়া মেজ মেললৈ নিমন্ত্ৰণ দিয়া হ'ব,

(৩) চলি থকা আইন অমান্য আন্দোলন স্থগিত কৰা হ'ব,

(৪) কংগ্ৰেছৰ ফালৰপৰা ৰাজনৈতিক অস্ত্ৰ হিচাপে বৃটিশ পণ্যৰ বয়কোট প্ৰত্যাহাৰ কৰা হ'ব,

(৫) আইন সংগতভাৱে বিদেশী পণ্য আৰু মদৰ দোকান-পোহাৰৰ বিৰুদ্ধে পিকেটিং কাৰ্য চলি থাকিব পাৰিব,

(৬) আইন অমান্য আন্দোলনৰ বিৰুদ্ধে প্ৰয়োগ কৰা চৰকাৰী নিষেধাজ্ঞাসমূহ প্ৰত্যাহাৰ কৰা হ'ব,

(৭) বেআইনী ঘোষণা কৰা সংগঠনসমূহৰ বিৰুদ্ধে থকা অধিসূচনাসমূহ প্ৰত্যাহাৰ কৰা হ'ব,

(৮) হিংসাত্মক কাৰ্যৰ সৈতে জড়িত নথকা কাৰাবন্দীসকলক মুকলি কৰি দিয়া হ'ব,

(৯) শাস্তিমূলক ব্যৱস্থা হিচাপে আদায় কৰা জড়িমনাৰ ধনবিলাক ওভতাই দিয়া হ'ব,

(১০) আন্দোলনত জড়িত থকাৰ অপৰাধত, নতুবা ভূমি ৰাজহ আদায় কৰাৰ উদ্দেশ্যে বাজেয়াপ্ত কৰা অস্থাৱৰ সা-সম্পত্তিসমূহ ওভতাই দিয়া হ'ব।

চৰ্দাৰ বল্লভভাই পেটেলৰ সভাপতিত্বত কৰাচীত অনুষ্ঠিত কংগ্ৰেছে (২৯ মাৰ্চ, ১৯৩১) এই চুক্তিৰ প্ৰতি অনুমোদন জনাইছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে কৰাচী কংগ্ৰেছ অধিবেশনৰ পূৰ্বে ২৩ মাৰ্চত বৃটিশ-ভাৰত চৰকাৰে ভগৎ সিং, ৰাজগুৰু আৰু শুকদেৱক ফাঁচী কাঠত তুলি হত্যা কৰিছিল।

সি যি কি নহওক, গান্ধী-আৰউইন চুক্তি স্বাক্ষৰিত হোৱাৰ পিচত আইন অমান্য আন্দোলন স্থগিত ৰখা হৈছিল। ১৯৩১ চনৰ ৭ ছেপ্তেম্বৰৰপৰা ১ ডিচেম্বৰলৈ অনুষ্ঠিত দ্বিতীয় ঘূৰণীয়া মেজ মেলত গান্ধীয়ে কংগ্ৰেছৰ একমাত্ৰ প্ৰতিনিধি হিচাপে অংশ গ্ৰহণ

কৰিছিল। কিন্তু বৃটিশ গৃহ চৰকাৰে ভাৰতবৰ্ষৰ বাবে ঔপনিবেশিক স্বায়ত্ব শাসন প্ৰবৰ্তন কৰিবলৈ অনিচ্ছুক হোৱাত দ্বিতীয় ঘূৰণীয়া মেজ মেল ব্যৰ্থ হৈ পৰে।

বৃটিশ প্ৰধানমন্ত্ৰী ৰামজে মেকডোনাল্ড আৰু সাম্প্ৰদায়িক বাঁটোৱাৰাঃ

দ্বিতীয় ঘূৰণীয়া মেজ মেল ব্যৰ্থ হোৱাৰ প্ৰায় ৮ মাহৰ ভিতৰতে বৃটিশ প্ৰধানমন্ত্ৰী ৰামজে মেকডোনাল্ডে ১৯৩২ চনৰ ১০ আগষ্ট তাৰিখে ভাৰতবৰ্ষৰ বাবে সাম্প্ৰদায়িক বাঁটোৱাৰাৰ (Communal Award,1932) ঘোষণা কৰে। উল্লেখযোগ্য যে সাম্প্ৰদায়িক বাঁটোৱাৰাৰ বিষয়ে তেওঁ ইতিপূৰ্বে দ্বিতীয় ঘূৰণীয়া মেজ মেলৰ সামৰণি ভাষণত উল্লেখ কৰিছিল। পূৰ্বে ১৯০৯ আৰু ১৯১৯ চনৰ ভাৰত শাসন বিধিত মুছলমান আৰু শিখসকলৰ বাবে পৃথক ভোটাধিকাৰৰ ব্যৱস্থা কৰা হৈছিল। বৰ্তমানৰ ঘোষণাৰ জৰিয়তে আৰু ভালেমানক সেই অধিকাৰ দিয়াৰ ব্যৱস্থা কৰা হৈছিল। মেকডোনাল্ডৰ ঘোষণাৰ জৰিয়তে বৃটিশ গৃহ চৰকাৰে ভাৰতবৰ্ষৰ নিম্ন লিখিত জাতিসমূহকো সংখ্যালঘুৰূপে স্বীকৃতি দি তেওঁলোককো পৰবৰ্তী শাসন সংস্কাৰত পৃথক ভোটাধিকাৰ দিয়াৰ পথ প্ৰশস্ত কৰে—

(১) মুছলমান (Muslims),
(২) অৱদমিত শ্ৰেণী (Depressed Classes),
(৩) অৱহেলিত শ্ৰেণী (Backward Classes),
(৪) ভাৰতীয় খৃষ্টান (Indian Christians),
(৫) এংলো-ইণ্ডিয়ান (Anglo-Indians),
(৬) ইয়োৰুপীয় (Europeans),
(৭) বণিক আৰু উদ্যোগপতি শ্ৰেণী (Commercial and Industrail Classes),
(৮) মাটিগিৰি (Landholders),
(৯) শ্ৰমিক (Labour),
(১০) বিশ্ববিদ্যালয় (Universities), আৰু
(১১) শিখ (Sikhs)।

ইতিমধ্যে দ্বিতীয় লানি ঘূৰণীয়া মেজ মেল ব্যৰ্থ হোৱাৰ পিচৰপৰাই চৰকাৰে আইন অমান্য আন্দোলন দমন কৰিবলৈ কংগ্ৰেছ সংগঠনক বেআইনী ঘোষণা কৰে। ইতিমধ্যে লৰ্ড ওৱেলিংডনে (১৯৩১-৩৬) (Lord Wellingdon) বৃটিশ ভাইচৰয় হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। নতুন ভাইচৰয় লৰ্ড ওৱেলিংডনে আন্দোলন সম্পূৰ্ণৰূপে মশীমূৰ কৰাৰ উদ্দেশ্যে সকলোতে ধৰ-পাকৰ আৰম্ভ কৰি দিয়ে। ১৯৩২ চনৰ ৪ জানুৱাৰী তাৰিখে গান্ধী আৰু চৰ্দাৰ বল্লভভাই পেটেলকে আদি কৰি ভালেমান আগশাৰীৰ নেতাক গ্ৰেপ্তাৰ

কৰে। তেনে অৱস্থাত গান্ধীয়ে কংগ্ৰেছৰ অন্যান্য নেতাসকলক ব্যক্তিগত সত্যাগ্ৰহ আন্দোলন কৰিবলৈ পৰামৰ্শ দিয়ে। তাৰ পিচত তেওঁ ১৯৩৩ চনৰ ৮ মে' তাৰিখে হৰিজন সেৱাৰ নামত ২১-দিনীয়া অণশন কাৰ্য আৰম্ভ কৰে। ১৪ জুলাইৰপৰা তেওঁ গণ সত্যাগ্ৰহৰ বিপৰীতে ব্যক্তিগত সত্যাগ্ৰহ আন্দোলনৰ সূচনা কৰে আৰু অৱশেষত ১৯৩৪ চনৰ ৭ এপ্ৰিল তাৰিখে আইন অমান্য আন্দোলন সম্পূৰ্ণৰূপে স্থগিত কৰাৰ কথা ঘোষণা কৰে আৰু সেই মৰ্মে ১৯৩৪ চনৰ ২০ মে'ৰপৰা আন্দোলনৰ সামৰণি পৰে।

১৯৩৪ চনৰ ২০ মে' তাৰিখে কংগ্ৰেছৰ দ্বাৰা আইন অমান্য আন্দোলন স্থগিতকৰণ কাৰ্য ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাসতএক বিস্ময়কৰ ঘটনা। ১৯৩৩ চনৰ ৮ মে' তাৰিখে গান্ধীয়ে জেলৰপৰাই ঘোষণা কৰে যে তেওঁ হৰিজন সেৱাত আত্মনিয়োগ কৰাৰ বাবে নিজকে প্ৰস্তুত কৰাৰ বাবে ২১-দিনীয়া অনশন ব্ৰত ল'বলৈ সিদ্ধান্ত কৰিছে। সেয়ে তেওঁ এমাহ বা ছয় সপ্তাহৰ বাবে আইন অমান্য আন্দোলন স্থগিত ৰাখিবলৈ কংগ্ৰেছ সভাপতিক পৰামৰ্শ দিছে। এই বিষয়ে তেওঁ যুক্তি দৰ্শাই এই বুলি কৈছিল যে 'The whole purpose of the fast will be frustrated if I allowed my brain to be occupied by any extraneous matter, that is, any matter outside the Harijan work "

এই কাৰ্যৰ জৰিয়তে গান্ধীয়ে দেখ দেখকৈ স্বাধীনতা আন্দোলনৰ কাৰ্যসূচীৰ বাস্তৱায়নতকৈ তেওঁৰ প্ৰস্তাৱিত ২১-দিনীয়া অনশনক অত্যাধিক প্ৰাধান্য দি ৰাজনৈতিক উত্তেজনা প্ৰশমিত কৰিছিল।

১৯৩৫ চনৰ ভাৰত শাসন বিধিঃ

১৯৩৫ চনত বৃটিশ সংসদে গ্ৰহণ কৰা ভাৰত শাসন বিধি সুদীৰ্ঘ ৮ বছৰ জোৰা চেষ্টাৰ পৰিণতি। ১৯২৭ চনৰ নৱেম্বৰ মাহৰ ৮ তাৰিখে সংবিহিত আয়োগ গঠন কৰাৰপৰা ১৯৩৫ চনৰ ৪ আগষ্টত ইংলেণ্ডৰ ৰাজকীয় অনুমোদন লাভ কৰালৈ এই আইনখন প্ৰস্তুত কৰালৈ মুঠতে ৮ বছৰ সময় লৈছিল। কোনো কোনো ভাৰতীয় সংবিধান বিশেষজ্ঞৰ মতে এই আইনখন একে সময়তে আছিল প্ৰতিক্ৰিয়াশীল আৰু পশ্চাদগামী।

সি যি কি নহওক, এই আইনখনে ভাৰতবৰ্ষত যুক্তৰাষ্ট্ৰীয় শাসনতন্ত্ৰ প্ৰবৰ্তনৰ ব্যৱস্থা কৰিছিল। আইনখনৰ প্ৰধান ধাৰাসমূহ আছিল—

(১) যুক্তৰাষ্ট্ৰখন গঠিত হ'ব বৃটিশ-ভাৰতৰ (ক) গৱৰ্ণৰৰ শাসনাধীন প্ৰদেশকেইখন, (খ) চীফ কমিছনাৰৰ শাসনাধীন প্ৰদেশকেইখন, (গ) দেশীয় ৰাজ্যসমূহক লৈ। দেশীয় ৰাজ্যসমূহে একত্ৰীকৰণ চুক্তি (Instruments of Accession) এখন স্বাক্ষৰ কৰাৰ জড়িয়তে যুক্তৰাষ্ট্ৰৰ অংগভূক্ত হ'ব পাৰিব। ক্ষমতাৰ বিভাজন প্ৰায় পূৰ্বৰ দৰেই আছিল

সংঘীয় বা কেন্দ্ৰীয় সূচী (Union List), প্ৰাদেশিক সূচী (Provincial List) আৰু সমবৰ্তী সূচী (Concurrent List)।

(২) যুক্তৰাষ্ট্ৰখনৰ কেন্দ্ৰীয় চৰকাৰৰ সমুদায় ক্ষমতা আৰু কৰ্তৃত্ব ইংলেণ্ডৰ ৰাজমুকুটৰ প্ৰতিনিধি হিচাপে ভাইচৰয়জনৰ হাতত ন্যস্ত থাকিব,

(৩) এই আইনে কেন্দ্ৰত দ্বৈত শাসন (Dyarchy) ব্যৱস্থাৰ সৃষ্টি কৰিছিল, (ক) ভাইচৰয়ক সহায় কৰিবলৈ উৰ্দ্ধতম ৩ জন সদস্যৰে গঠিত এখন পৰিষদ আৰু (খ) উৰ্দ্ধতম ১০ জন সদস্যৰে গঠিত এখন মন্ত্ৰীসভা থাকিব। ভাইচৰয়জনে মন্ত্ৰীসভাত সভাপতিত্ব কৰাৰ কৰ্তৃত্ব থাকিব।

(৪) কেন্দ্ৰীয় বিধান বা আইন সভা ভাইচৰয়জনক লৈ দ্বি-সদন (Bicameral) যুক্ত হ'ব—(ক) ৰাজ্য সভা বা উচ্চ সদন (Council of State or Upper House) আৰু (খ) বিধান সভা বা নিম্ন সদন (House of Assembly or Lower House)।

(৫) ৰাজ্য সভাৰ সদস্য সংখ্যা হ'ব ২৬০ গৰাকী। ইয়াৰে ১৫৬ গৰাকী সদস্য আহিব বৃটিশ-ভাৰতৰপৰা, তাৰে ৬ গৰাকীক ভাইচৰয়ে মনোনীত কৰিব, আৰু ১০৪ গৰাকী দেশীয় ৰাজ্যৰপৰা। ৰাজ্য সভা স্থায়ী সদন হ'ব আৰু প্ৰতি তিনি বছৰত ইয়াৰ এক-তৃতীয়াংশ সদস্যই অৱসৰ পাব।

(৬) বিধান সভাৰ সদস্য সংখ্যা হ'ব ৩৭৫ গৰাকী। বৃটিশ-ভাৰতৰ প্ৰতিনিধি থাকিব ২৫০ গৰাকী আৰু ১২৫ গৰাকী থাকিব দেশীয় ৰাজ্যৰ প্ৰতিনিধি। ইয়াৰ কাৰ্যকাল হ'ব ৫ বছৰীয়া। অৱশ্যে ভাইচৰয়ে যি কোনো সময়তে তাক ভংগ কৰিব পাৰিব।

(৭) প্ৰাদেশিক বিধান সভাও গৱৰ্ণৰসহ এক বা দ্বি-সদন যুক্ত আইন সভাৰ দ্বাৰা গঠিত হ'ব। (ক) বংগদেশ, মাদ্ৰাজ, বোম্বে, সংযুক্ত প্ৰদেশ (উত্তৰ প্ৰদেশ), বিহাৰ আৰু অসমৰ দ্বি-সদন যুক্ত বিধান সভা থাকিব, এখনক বিধান পৰিষদ (Legislative Council) আৰু আনখনক বিধান সভাৰূপে (Legislative Assembly) জনা যাব। তলৰ তালিকাত প্ৰদেশসমূহৰ বিধান পৰিষদ আৰু বিধান সভাৰ সদস্য সংখ্যা দিয়া হ'ল—

প্ৰদেশ	বিধান পৰিষদ	বিধান সভা
অসম	২১ বা ২২	১০৮
বংগ	৬৩ বা ৬৫	২৫০
বিহাৰ	২৯ বা ৩০	১৫২
সংযুক্ত প্ৰদেশ	৫৮ বা ৬০	২২৮

পাঞ্জাব	নাই	১৭৫
মধ্য প্ৰদেশ	নাই	১১২
আৰু বেৰাৰ		
উত্তৰ-পশ্চিম সীমান্ত		
প্ৰদেশ	নাই	৫০
উৰিষ্যা	নাই	৬০
সিন্ধু	নাই	৬০
মাদ্ৰাজ	৫৪ বা ৫৬	২১৫
বোম্বে	২৯ বা ৩০	১৭৫

সমাজবাদী আদৰ্শৰ প্ৰচাৰ আৰু প্ৰসাৰঃ

কেন্দ্ৰীয় খিলাফট সমিতি আৰু কংগ্ৰেছৰ নেতৃত্বত যুটীয়াভাৱেপৰিচালিত অসহযোগ আন্দোলনৰ প্ৰায় পূৰ্বাহ্নৰপৰাই ভাৰতীয় ৰাজনীতিত ৰুচ বিপ্লৱ আৰু তাৰ লগতে মাৰ্ক্সবাদৰ প্ৰভাৱ পৰিবলৈ ধৰে আৰু এই সময়ছোৱাৰপৰাই দেশত সাম্যবাদী আন্দোলনৰ প্ৰাৰম্ভিক কাম-কাজৰ সূচনা হয়। জাৰতন্ত্ৰৰ অৱসান ঘটোৱা আৰু সাম্ৰাজ্যবাদৰ মহামৰণ পন কৰি সংগঠিত হোৱা ৰুচ বিপ্লৱে স্বাধীনত্ৰকাংক্ষী ভাৰতীয়লোকৰ মনতো প্ৰেৰণাৰ উদ্ৰেক কৰিছিল। অসহযোগৰ অব্যৱহিত পিচৰ কালছোৱাত বিশেষকৈবঙ্গভঙ্গ তথা স্বদেশী আন্দোলনৰ সময়তে (১৯০৫-১১) আত্ম প্ৰকাশ কৰা সন্ত্ৰাসবাদীসকলৰ মনতো সাম্যবাদী দৰ্শনে নতুন দিগন্তৰ উন্মোচন কৰিলে। ভাৰতবৰ্ষ তথা বিশ্ব ৰাজনীতিৰ এনে এটা দ্ৰুত পৰিবৰ্তনশীল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ১৯১৯ চনত তৃতীয় আন্তৰ্জাতিকে প্ৰাচ্যত জাতীয়তাবাদী আন্দোলনসমূহৰ প্ৰতি সমৰ্থন দিয়াৰ সিদ্ধান্ত লয়।

প্ৰথম বিশ্ব যুদ্ধৰ অব্যৱহিত পিচৰ কালছোৱাত বিশ্বৰ ভালেমান ঔপনিবেশিক আৰু অৰ্দ্ধ-ঔপনিবেশিক দেশত কমিউনিষ্ট সংগঠন আৰু আন্দোলনৰ সৃষ্টি আৰু প্ৰসাৰ ঘটিছিল, তাৰ ভিতৰত প্ৰধান আছিল তুৰস্ক (১৯২০), ইৰান (১৯২০), ইজিপ্ত (১৯২০), চীন (১৯২১), আৰু ভিয়েটনাম (১৯৩০)। ভাৰতবৰ্ষতো কমিউনিষ্ট পাৰ্টিৰ সংগঠন গঢ়ি তোলাৰ চেষ্টা চলিছিল। এই সময়ছোৱাত প্ৰবাসী ভাৰতীয় ছাত্ৰসকলৰ মাজতো সেই দিশত চিন্তা-চৰ্চা আৰম্ভ হৈছিল। ইয়াতে উল্লেখ কৰিব পাৰি যে বীৰেন্দ্ৰনাথ চট্টোপাধ্যায়ে ৰুচ দেশৰ কমিউনিষ্ট তথা অক্টোবৰ বিপ্লৱৰ প্ৰথম শ্ৰেণীৰ নেতাসকলৰ সৈতে ১৯১৭ চনতে সম্পৰ্ক স্থাপন কৰিছিল, আৰু সেই দিশত তেঁৱেই আছিল প্ৰথমজন ভাৰতীয়লোক। সমাজতান্ত্ৰিক ৰুচ দেশৰ তাছখণ্ডতেই ১৯২০ চনৰ ১৭ অক্টোবৰ তাৰিখে নিম্ন লিখিত

ব্যক্তিসকলক লৈ ভাৰতৰ কমিউনিষ্ট পাৰ্টি গঠন কৰা হৈছিল—

এম এন ৰায়,

এভলিন্ ট্ৰেন্ট-ৰায়,

এ এন মুখাৰ্জী,

ৰোজা ফিটিংগ',

মহম্মদ আলি (আহমদ হাছান),

মহম্মদ ছফিক ছিদ্দিকী, আৰু

আচাৰ্য (এম প্ৰতিবাদী ভয়ঙ্কৰ)।

গতিকে ১৯২০ চনত তাছখণ্ডত ভাৰতীয় প্ৰবাসী ছাত্ৰসকলৰ দ্বাৰা ভাৰতৰ কমিউনিষ্ট পাৰ্টি গঠন হোৱাতো খাটাং।

ভাৰতবৰ্ষত সাম্যবাদী আন্দোলন তথা সংগঠন আৰু কমিউনিষ্ট আন্তৰ্জাতিকৰ মধ্যমণি আছিল মানবেন্দ্ৰনাথ ৰায়, তেওঁৰ প্ৰকৃত নাম আছিল নৰেন্দ্ৰনাথ ভট্টাচাৰ্য। তেওঁ ১৯২১-২৩ ৰ কালছোৱাত ইয়োৰূপৰ বিভিন্ন ঠাইৰপৰা *The Vanguard* আৰু *The Masses of India* প্ৰকাশ কৰি তাৰে কিছু সংখ্যা ভাৰতবৰ্ষলৈ পঠিয়াইছিল। সমসাময়িক-ভাৱে শ্ৰীপদ অমৃত ডাঙ্গেই মোম্বাইৰপৰা ইংৰাজীত *Socialist* আৰু কলকাতাৰপৰা মজফ্‌ফৰ আহমেদে বাংলাত জনবাণী প্ৰকাশ কৰিছিল।মানবেন্দ্ৰনাথ ৰায়কে ধৰি ভাৰতবৰ্ষত সাম্যবাদী আন্দোলনৰ সংগঠকসকলৰ ভিতৰত শ্ৰীপদ অমৃত ডাঙ্গে, মজফ্‌ফৰ আহমদ, নলিনী গুপ্ত, অবনী মুখাৰ্জী, ৰফিক আহমদ, চৌকত ওচমানী আদি উল্লেখযোগ্য আছিল।

আনহাতে সন্ত্ৰাসবাদী সংগঠন গঢ়ি তোলা কাৰ্যৰো যতি পৰা নাছিল। গান্ধীৰ আদৰ্শৰ বিপৰীতে ছাত্ৰসকলে বঙ্গদেশ আৰু উত্তৰ প্ৰদেশত সন্ত্ৰাসবাদী সংস্থা গঠন কৰি তুলিছিল। ১৯২২ চনৰ এপ্ৰিল মাহত চট্টগ্ৰামত অনুষ্ঠিত বঙ্গীয় প্ৰাদেশিক সন্মিলনৰ বাৰ্ষিক সভাত বঙ্গৰ বিভিন্ন অঞ্চলৰ বিদ্ৰোহীসকলে মিলিত হোৱাৰ সুবিধা পাইছিল।আনন্দবজাৰপত্ৰিকা, প্ৰবৰ্তক, সাৰথী আদি বাতৰি কাকত আৰু সাময়িকীয়ে প্ৰকাশ্যভাৱেই সন্ত্ৰাসবাদীসকলক উৎসাহিত কৰিছিল। বঙ্গৰ বিভিন্ন অঞ্চলত অনুশীলন সমিতি আৰু যুগান্তৰ সমিতিৰ শাখা পুনৰ সংগঠিত হ'বলৈ ধৰে।

এই সংগঠনসমূহত যুবক শক্তিয়ে বিশেষকৈ ছাত্ৰসকলে আগভাগ লৈছিল। উত্তৰ প্ৰদেশত ১৯২৪ চনত *Hindustan Republican Association* ৰ সংগঠন গঢ়ি উঠিছিল কেৱল ছাত্ৰসকলৰ চেষ্টা আৰু উদ্যোগতেই। ভগত সিং, শুকদেৱ, বিজয় কুমাৰ সিন্‌হা, শিৱ ভাৰ্মা, চন্দ্ৰ শেখৰ আজাদ আদি বৈপ্লৱিক সমাজবাদীসকলৰ চেষ্টাত উক্ত

সংগঠনটো অচিৰেই *Hindustan Socialist Republican (Army) Association* ৰ নাম ভূমিকাত পুনৰ সংগঠিত হৈ উত্তৰ প্ৰদেশ, পঞ্জাব আদি প্ৰদেশত পৰিব্যাপ্ত হৈ পৰিছিল।

এই এছোচিয়েচনৰেই প্ৰকাশ্য সংগঠন নওজোৱান ভাৰতসভাই ১৯২৮ চনত ৰুচ বিপ্লৱৰ সোঁৱৰণীত পতা উৎসৱ সভাত আনকি কংগ্ৰেছৰ উগ্ৰপন্থীসকলেও যোগদান কৰিছিল। এই উৎসৱ উপলক্ষে দেশভক্ত নামে জাতীয় বাতৰি কাকতখনে চৌকত ওচমানীৰ দ্বাৰা ৰচিতৰুচ যাত্ৰাৰ অংশ বিশেষ প্ৰকাশ কৰি সেই বিপ্লৱৰ সৈতে একাত্মবোধ কৰিছিল।

হিন্দুস্থান ছোচিয়েলিষ্ট ৰিপাব্লিকান এছোচিয়েচনৰ সংগঠন গঢ়ি তোলাৰ ক্ষেত্ৰত মানবেন্দ্ৰনাথ ৰয়ৰ সহযোগী শচীন্দ্ৰ সান্যাল আৰু ৰাম প্ৰসাদ বিষমীলৰ অৱদান আছিল লেখত লবলগীয়া। গতিকে দেখা যায় কংগ্ৰেছৰ অসহযোগ আন্দোলন প্ৰত্যাহাৰৰ পিচতো স্বাধীনতা সংগ্ৰামৰ যতি পৰা নাছিল।

এই সময়ছোৱাত কংগ্ৰেছতো লাহে লাহে বামপন্থী চিন্তাধাৰাই ক্ৰিয়া কৰিবলৈ ধৰে। জৱহৰলাল নেহেৰু আৰু সুভাষ চন্দ্ৰ বসুৰ নেতৃত্বত কংগ্ৰেছৰ ভিতৰতে কংগ্ৰেছ বামপন্থীসকলকলৈ *Independence League* গঠিত হৈছিল। জৱহৰলাল নেহেৰুৱে ইয়োৰূপত ২১ মাহ জোৰা ভ্ৰমণ কালত বিশ্বৰ বিভিন্ন দেশৰ কমিউনিষ্ট, সমাজবাদী, বিপ্লৱী আদি সাম্ৰাজ্যবাদ বিৰোধী ৰাজনৈতিকব্যক্তি আৰু গোষ্ঠীসমূহৰ সংস্পৰ্শলৈ আহে আৰু ব্ৰুচেলছতঅনুষ্ঠিত বিশ্বৰ নিপীড়িত জাতিসমূহৰ সভাত কংগ্ৰেছৰ প্ৰতিনিধি হিচাপে যোগদান কৰে। এই সময়তেই তেওঁ সাম্যবাদী বিপ্লৱ বিধৌতবিশ্বৰ প্ৰথম সমাজবাদী ৰাষ্ট্ৰ ছোভিয়েট সমাজতান্ত্ৰিক দেশ ভ্ৰমণ কৰি সমাজ বিজ্ঞানৰ নতুন কাৰ্যকৰী অভিজ্ঞতা অৰ্জন কৰিলে আৰু তাৰেই ভিত্তিতলিখিছিল, "Soviet Russia, despite certain unpleasant aspects, attracted me greatly, and seemed to hold forth a message of hope to the world."

১৯৩০ চনত সেই দেশৰ দ্বাৰা নিমন্ত্ৰিত হৈ ৰবীন্দ্ৰনাথ ঠাকুৰেও সমাজতান্ত্ৰিকৰুচ দেশ ভ্ৰমণ কৰি তাত অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, শৈক্ষিক, জনস্বাস্থ্য বিষয়ক সকলো দিশতে ৰাষ্ট্ৰ পুনৰ গঠনৰ আৰ্হি-আঁচনিৰ সফল ৰূপায়নত লাভ কৰা সাফল্য দেখি বিস্ময়-বিমুগ্ধ অন্তৰেৰে লিখি প্ৰকাশ কৰিছিল। তৎকালিনভাৱে বঙ্গদেশৰ সেই সময়ৰ বাংলা আলোচনী প্ৰবাসীত খণ্ড খণ্ডকৈ প্ৰকাশিত ৰবীন্দ্ৰনাথৰ সেই বিস্ময়াভিভূত অভিজ্ঞতা সঞ্চিত লিখনিসমূহ চিঠি আকাৰে খণ্ড খণ্ডকৈ প্ৰকাশ পোৱাত সেইবেলা বঙ্গদেশ তথা ভাৰতবৰ্ষত তীব্ৰ আলোড়নৰ সৃষ্টি কৰিছিল। নিৰ্মম অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক

শোষণ নির্যাতনকাৰা পৰিত্ৰাণৰ বাবে উদ্বাউল ভাৰতীয় লোকে তাৰ মাজতেই বিচাৰি পাইছিল নিজৰ মুক্তিৰ সোপান বাস্তৱায়িত হোৱাৰ এক মহিয়সী আদৰ্শ।

আলোচিত সময়ছোৱাত ভাৰতবৰ্ষৰ অৰ্থনৈতিক অৱস্থাৰো যথেষ্ট অৱনতি ঘটে। প্ৰথম বিশ্ব যুদ্ধৰ সময়ৰপৰাই ভাৰতৰ অৰ্থনীতিৰ এই অৱনতি আৰম্ভ হ'বলৈ ধৰে। কৃষি আৰু উদ্দ্যোগ উভয় দিশতেই আৰ্থিকঅৱনতিৰ ছবি আছিল অত্যন্ত ভয়াবহ। দেশৰ মুঠ জনসংখ্যাৰ ৭৪ শতাংশ আছিল কৃষক আৰু এই অংশটোৱেই গুৰুতৰ ধৰণৰ দুৰ্ভিক্ষত ভুগিছিল।শিল্প শ্ৰমিকসকলৰ বিষয়ে ১৯২৮-২৯ চনৰ এট চৰকাৰী প্ৰতিবেদনত্তৈ কোৱা হৈছিল, "The industrial life of India was far more disturbed than during the preceding years" ১৯২৯-৩০ চনত বিশ্বজুৰি দেখা দিয়া পুঁজিবাদী সংকটে ভাৰতবৰ্ষতো প্ৰভাব পেলাইছিল। খাদ্য সামগ্ৰীৰ লগতে নিত্য-ব্যৱহাৰ্য বস্তু-বাহানীৰ দাম আকাশলণ্ডঘী হৈছিল, টকাৰ ক্ৰয় ক্ষমতা দ্ৰুতভাৱে হ্ৰাস পাইছিল আৰু দেশৰ বিভিন্ন ঠাইত শৰীৰ ঢাকিব নোৱাৰি পিন্ধা কাপোৰৰ অভাৱত অনেক গাভৰু-বোৱাৰীয়ে আত্মহত্যাৰ পথ বাছি লৈছিল।

এই দ্ৰুত অৱক্ষীয়মান আৰ্থিক অৱস্থা কেৱল মাৰ্কিন যুক্তৰাষ্ট্ৰৰ গৃহ যুদ্ধৰ (১৮৬১-৬৫) অব্যৱহিতপিচৰ কালছোৱাত সেই ৰাষ্ট্ৰৰেই দক্ষিণ অঞ্চলৰ দেশসমূহত দেখা দিয়া অৱস্থাৰ লগতহে তুলনা কৰিব পাৰি, তাৰ মানুহে তেতিয়া গৃহ যুদ্ধৰ আগৰ অৱস্থাৰ সৈতে পিচৰ অৱস্থাৰ তুলনা কৰি ক'বলৈ লৈছিল, "Before the war I went to market with the money in my pocket, and brought back my purchases in a basket, now I take the money in the basket, and bring the things home in my pocket" প্ৰথম বিশ্ব যুদ্ধৰ অব্যৱহিত পিচৰ কালছোৱাত জাৰ্মানীত দেখা দিয়া এই ধৰণৰ অৱক্ষীয়মান অৰ্থনৈতিকঅৱস্থাই হিটলাৰৰ নেতৃত্বত ফেচীবাদৰ জন্ম দি মানব সভ্যতাৰেই চৰম বিপদ মাতি আনিছিল।

কংগ্ৰেছ সমাজবাদী দল গঠনঃ

পূৰ্বে উল্লেখ কৰি অহা হৈছে যে অসহযোগৰ সমসাময়িক কালকাৰাই ভাৰতীয় ৰাজনীতিতমাৰ্ক্সীয় দৰ্শনৰ আধাৰতসাম্যবাদী দল-সংগঠন গঢ়ি তোলাৰ প্ৰৱনতা প্ৰবল হৈ উঠিছিল। এতিয়া সেই একেই আদৰ্শৰ ভিত্তিতেসমাজবাদী দল গঠনৰ চেষ্টা চলোৱা হৈছিল আইন অমান্য আন্দোলনৰ সমসাময়িক কালছোৱাত।এইবিলাকেযথাৰ্থভাৱে সূচায় যে গান্ধীৰ নেতৃত্বৰ প্ৰতি নতুবা তেওঁৰ অহিংসাপন্থাৰ প্ৰতিকংগ্ৰেছৰ ভিতৰতেই একাংশৰ নেতা-কৰ্মীৰ আস্থা নাছিল। ফলশ্ৰুতিত ১৯৩৪ চনতকংগ্ৰেছৰ ভিতৰতে সমাজবাদী দল

এটাৰ সংগঠন সম্ভৱ হৈ উঠে। ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু স্বাধীনতা আন্দোলনৰ ইতিহাসতই একউল্লেখনীয় ঐতিহাসিকঘটনা আছিল।

আচাৰ্য নৰেন্দ্ৰ দেৱৰ সভাপতিত্বত মে' মাহৰ ১৭ তাৰিখে পাটনাত কংগ্ৰেছ সমাজবাদী দলৰ প্ৰথম সৰ্বভাৰতীয় অভিবৰ্তন অনুষ্ঠিত হয়। দেশৰ স্বাধীনতা আন্দোলনৰ ৰাজনৈতিক প্ৰশ্নটোৰ সৈতে আৰ্থ-সামাজিক দিশত সাম্যবাদ অথবা সমাজবাদ যে অপৰিহাৰ্যভাৱে সংপৃক্ত হৈ আছিল তদানীন্তন ৰাজনীতিৰ এই ঘটনা-পৰিঘটনাই তাকেই স্পষ্ট আৰু দ্বিধাহীনভাৱে প্ৰমাণ কৰি দিছিল। এসময়ত এলেন অক্টেভিয়ান হিউমে সাম্ৰাজ্যবাদী স্বাৰ্থৰ পৰিপূৰকৰূপে গঢ়ি তোলা কংগ্ৰেছে দেশৰ স্বাধীনতা আন্দোলনৰ নেতৃত্ব ল'বলৈ ওলাই অহাৰ লগে লগে ই ভাৰতীয় জনগণৰ প্ৰায় সকলো শ্ৰেণীৰ লোকৰেই সাম্ৰাজ্যবাদ বিৰোধী এক উমৈহতীয়া ৰাজনৈতিক মঞ্চত পৰিণত হৈ পৰিছিল। এই মঞ্চত এতিয়া সাম্যবাদী আৰু সমাজবাদীসকলৰো আবিৰ্ভাৱ ঘটে।

কংগ্ৰেছ সংগঠনৰ ভিতৰতে সমাজবাদী চিন্তাধাৰাৰ বিকাশ আৰু সেই দিশত উপ-দলীয় ৰাজনৈতিক সংগঠন গঢ়ি উঠাৰ বিষয়ে ড° অৰুমগামে লিখিছে, "The mighty upheaval of 1930-32 unleashed the socialist trend inside the Congress as a new force The Congressmen of Socialist persuasion, organised groups, first in the Province of Bihar (1931) later in the Nasik Central Prison (1932-33), and then in the Provinces of Bombay and the United Provinces (1933-34)"

নাছিক চেণ্ট্ৰেল জেইলত সমাজবাদী দল গঠন সম্পৰ্কে আলোচনা কৰি কৰ্মপন্থা হাতত লোৱাসকলৰ ভিতৰত প্ৰধান আছিল জয়প্ৰকাশ নাৰায়ণ, মিনু মাছানী, অচ্যুত পট্টৱৰ্দ্ধন, অশোক মেহতা, এন জি গোৰে, এছ.এম যোশী আৰু অধ্যাপক এন এন দন্তৱালা। এইখিনিতে উল্লেখ কৰিব পাৰি যে সাম্যবাদীয়েই হওক বা সমাজবাদীয়েই হওক তেনে কোনো ৰাজনৈতিক সংগঠন তথা আদৰ্শৰ প্ৰতি গান্ধীৰ কোনো সহানুভূতি নাছিল। সেয়ে সমাজবাদৰ প্ৰতি কংগ্ৰেছ সেৱী আৰু কৰ্মকৰ্তাসকলৰ ভালেমানৰ মাজত দেখা দিয়া আসক্তি আৰু আকৰ্ষণে গান্ধীক সততে বিতত আৰু অসহিষ্ণু কৰি তুলিছিল। গতিকে কংগ্ৰেছ সমাজবাদী সংগঠন আৰু তাৰ লগে লগে কংগ্ৰেছৰ ভিতৰত সমাজবাদী-সকলৰ ভূমিকা গান্ধীৰ বাবে অত্যন্ত অসহনীয় হৈ পৰিছিল।

সি যি কি নহওক, আইন অমান্য আন্দোলনৰ সমসাময়িকভাৱে ভাৰতবৰ্ষত কংগ্ৰেছ সংগঠনৰ ভিতৰতেই গোপনটীয়াকৈ সমাজবাদী দল এটি গঢ়ি উঠাতো আছিল দেশৰ

ৰাজনৈতিক ইতিহাসৰ এক উল্লেখনীয় আৰু গুৰুত্বপূৰ্ণ ঘটনা। জাতীয় বুৰ্জোৱা শ্ৰেণীৰ নেতৃত্বতকংগ্ৰেছে আইন অমান্য আন্দোলন স্থগিত ৰাখিবলৈ গুণা-গঁথা কৰিবলৈ লোৱাৰ সময়তেই কংগ্ৰেছৰ ভিতৰত এই ৰাজনৈতিক সংগঠনৰ উৎপত্তি বাৰুকৈয়ে তাৎপৰ্যপূৰ্ণ ঘটনা।

কংগ্ৰেছ সমাজবাদী দলৰ আশু ৰাজনৈতিক কাৰ্যসূচী আৰু আদৰ্শ ১৯৩৬ চনত মিৰাটতঅনুষ্ঠিতদ্বিতীয় সৰ্বভাৰতীয় সন্মিলনতগ্ৰহণ কৰা হৈছিল। সমাজবাদী দলৰ ইতিহাসত 'মিৰাট থিছিছ' (Meerut Thesis) ৰূপে খ্যাত এই ৰাজনৈতিক দলিলত ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য আৰু স্বাধীনতা আন্দোলনত ইয়াৰ ভূমিকা কি হ'ব সেই সম্পৰ্কেবিস্তৃতভাৱে ঘোষণা কৰা হৈছিল। কংগ্ৰেছ সমাজবাদীসকলেও মাৰ্ক্সীয় আদৰ্শকে ৰাজনৈতিক আদৰ্শৰূপে গ্ৰহণ কৰিছিল।

মাৰ্ক্সীয় আদৰ্শত কংগ্ৰেছ সমাজবাদী দল গঠন হোৱাৰ ওপৰিও আইন অমান্য আন্দোলনৰ অব্যৱহিত পিচৰ কালছোৱাৰ ৰাজনৈতিক মঞ্চত ভাৰতীয় জনগণৰ ব্যাপক ৰাজনৈতিক আৰু অৰ্থনৈতিক স্বাৰ্থ জড়িত আৰু কেইটামান যুগান্তকাৰী ঘটনা ঘটিছিল। এই আটাইবিলাকৰে সৃষ্টি হৈছিল বিশেষকৈ বিংশ শতিকাৰ প্ৰায় আৰম্ভণীকেপৰা চলি অহা দেশীয় আৰু আন্তৰ্জাতিক ক্ষেত্ৰৰ ঘটনা প্ৰৱাহৰ অভিঘাট-প্ৰতিঘাটৰ পৰিণতি স্বৰূপে। ভাৰতবৰ্ষৰ ৰাজনৈতিক মঞ্চৰ সেই উল্লেখনীয় ঘটনা আছিল নিখিল ভাৰত কৃষক সভাৰ (১৯৩৬) আৰু নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ (১৯৩৬) সংগঠন গঢ়ি উঠাটো।

কৃষক আৰু শ্ৰমিক সংগঠনৰ আৱিৰ্ভাৱঃ

আধুনিক যুগত ভাৰতবৰ্ষত বৃটিশে অনুসৰণ কৰা অৰ্থনৈতিক নীতিৰ পৰিপ্ৰেক্ষিতত বিক্ষিপ্ত আৰু স্বাভাৱিকভাৱে সংঘটিত হোৱা কৃষক আৰু শ্ৰমিক বিদ্ৰোহসমূহ সুসংহত আৰু পৰিকল্পিতভাৱে নেতৃত্ব দিয়াৰ প্ৰয়োজনতেই কৃষক আৰু শ্ৰমিক সংগঠনৰ সৃষ্টি হৈছিল। উনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰপৰা বৃটিশ-ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশতস্বত-স্ফূৰ্তভাৱে বৃটিশৰ বিৰুদ্ধে অনেক কৃষক আৰু শ্ৰমিক বিদ্ৰোহ সংঘটিত হৈছিল যদিও ৰাজনৈতিক নেতৃত্বৰ অভাৱত সেই বিদ্ৰোহসমূহ ব্যাপক অৰ্থনৈতিক সংগ্ৰামলৈ উন্নীত হোৱাৰপৰা বঞ্চিত হৈছিল। কিন্তু দেশত সাম্ৰাজ্যবাদ বিৰোধী ৰাজনৈতিক স্বৰাজ আন্দোলন (ঔপনিবেশিক স্বায়ত্ব শাসন) আৰু পূৰ্ণ স্বাধীনতা সংগ্ৰামৰ অগ্ৰগতিৰ লগে লগে সূচনা হোৱা জনসাধাৰণৰ ব্যাপক ৰাজনৈতিকায়ানে লাহে লাহে দেশত কৃষক আৰু শ্ৰমিক সংগঠন গঢ়ি উঠাত সহায় কৰিছিল।

প্ৰথম বিশ্ব যুদ্ধৰ সমাপ্তিৰ পিচত পোনতে অন্ধ্ৰ প্ৰদেশত ৰায়ত সংগঠন গঢ়ি উঠিছিল

আৰু তাৰ সমসাময়িকভাৱে বংগদেশ, বিহাৰ, উত্তৰ প্ৰদেশ, পাঞ্জাব, গুজৰাট, মালাবৰ আদি অঞ্চলত ১৯২৬-২৭ চনত ভালেমান কৃষক সংগঠন গঢ়ি উঠিছিল। জমিদাৰী শোষণ আৰু জানমী প্ৰথা প্ৰচলিত প্ৰদেশ বা অঞ্চলত এই বিদ্ৰোহৰ প্ৰকোপ আছিল অধিক। বিশেষকৈ মালাবৰ অঞ্চলত প্ৰচলিত জানমী প্ৰথাৰ বিৰুদ্ধেই কৃষকসকলে পোনতে বিদ্ৰোহত চামিল হৈছিল। গতিকে উক্ত কৃষক সংগঠনসমূহৰ নেতৃত্বত কৃষক বিদ্ৰোহ সংঘটিত হোৱাটো প্ৰায় এক সাধাৰণ ঘটনাত পৰিণত হৈছিল। এফালে চৰকাৰৰ দ্বাৰা ভূমি ৰাজস্ব বৃদ্ধি আৰু আনফালে জমিদাৰী শোষণ আৰু জোৰ-জুলুমেই আছিল এইবিলাক বিদ্ৰোহৰ প্ৰধান কাৰণ। বহু প্ৰদেশতে কৃষকৰ সংগঠন গঢ়ি তোলা আৰু কৃষক বিদ্ৰোহ সংগঠিত কৰাত কংগ্ৰেছৰ প্ৰগতিশীল নেতা, কমিউনিষ্ট আৰু সমাজবাদীসকলে মুখ্য ভূমিকা লৈছিল। এই সময়ছোৱাত অন্ধ্ৰ প্ৰদেশত কৃষক সংগঠন গঢ়ি তোলাত কংগ্ৰেছ নেতা অধ্যাপক এন জি ৰংগই বিশেষ ভূমিকা লৈছিল। বিহাৰত কৃষক বিদ্ৰোহৰ নেতৃত্ব লৈছিল স্বামী সহজানন্দ চৰস্বতীয়ে আৰু ১৯২৭-২৮ চনত তাত বিহাৰ কিষাণ সভা নামে কৃষকৰ এক সুকীয়া সংগঠন গঢ়ি তোলা হৈছিল। উত্তৰ প্ৰদেশত প্ৰাদেশিক কিষাণ সভাৰ সংগঠন গঢ়ি উঠিছিল ১৯৩৫ চনত। ১৯৩০-৩৯ চনৰ কালছোৱাত একাংশ কংগ্ৰেছ নেতাই অসমতো ৰায়ত সভা নামে এলানি কৃষক সংগঠন গঢ়ি তুলিছিল।

এইদৰে দেশৰ বিভিন্ন প্ৰদেশ আৰু অঞ্চলত সুকীয়া সুকীয়াকৈ গঢ়ি উঠা কৃষক সংগঠনসমূহক একত্ৰিত কৰি এক সৰ্বভাৰতীয় কৃষক সংগঠন আৰু তাৰেই পতকাৰ তলত এক সৰ্বভাৰতীয় কৃষক আন্দোলন গঢ়ি তোলাৰ আশাতেই ১৯৩৬ চনৰ জানুৱাৰী মাহত মিৰাটত সমাজবাদীসকলৰ দ্বিতীয় সৰ্বভাৰতীয় প্ৰস্তুতি সমিতিৰ সভা অনুষ্ঠিত হোৱাৰ সময়ত বিভিন্ন প্ৰদেশৰ কৃষক নেতাসকলো সমবেত হৈছিল। তাতেই অধ্যাপক এন জি ৰংগ আৰু জয়প্ৰকাশ নাৰায়ণক যুটীয়া আহ্বায়ক হিচাপে লৈ লক্ষ্ণৌত পূৰ্ণ পৰ্যায়ৰ অভিবৰ্তন পাতিবলৈ কৰ্তৃত্ব প্ৰদান কৰা হৈছিল। সেই মতে সেই বছৰৰে এপ্ৰিল মাহত লক্ষ্ণৌত অনুষ্ঠিত সৰ্বভাৰতীয় কিষাণ অভিৰ্বতনত নিখিল ভাৰত কিষাণ কংগ্ৰেছ বা কোনো কোনোৰ মতে নিখিল ভাৰত কিষাণ সভাৰ সংগঠন গঢ়ি তোলা হৈছিল।

এই অভিবৰ্তন সেই বছৰৰ লক্ষ্ণৌ কংগ্ৰেছৰ সময়তে অনুষ্ঠিত কৰা হৈছিল। এই অভিৰ্বতনত এন জি ৰংগ (অন্ধ্ৰ প্ৰদেশ), জয়প্ৰকাশ নাৰায়ণ (বিহাৰ), স্বামী সহজানন্দ চৰস্বতী (বিহাৰ), ইন্দুলাল যগনিক (গুজৰাট), মোহনলাল গৌতম (উত্তৰ প্ৰদেশ), কে এম আশ্ৰফ (উত্তৰ প্ৰদেশ), সোহান সিং যোশ আৰিক আহমদ দিন (পাঞ্জাব), কমল চৰকাৰ আৰু সুধীন প্ৰামাণিক (বংগদেশ), ৰাম মনোহৰ লোহিয়া (উত্তৰ প্ৰদেশ), বিষ্ণুৰাম

মেধি আৰু শৰৎ চন্দ্ৰ সিংহ (অসম) আৰু অন্যান্য সমাজবাদী আৰু কমিউনিষ্ট মতাদৰ্শৰ লোক উপস্থিত আছিল।

উনবিংশ শতিকাৰ শেহৰ ফালে ভাৰতবৰ্ষত আধুনিক শিল্পায়নৰ সমসাময়িকভাৱে লাহে লাহে শ্ৰমিক আন্দোলন আৰু সংগঠন গঢ়ি উঠিবলৈ লৈছিল। বিশেষকৈ বংগদেশত শশীপদ বেনাৰ্জী আৰু বোম্বেত এন এম লখান্দে পোনতে শ্ৰমিকৰ স্বাৰ্থৰ বিষয়ে মাত মাতিবলৈ আৰু তেওঁলোকৰ সমৰ্থনত কাম কৰিবলৈ ওলাই আহিছিল। বেনাৰ্জীয়ে ১৮৭৪ চনত ভাৰত শ্ৰমজীৱি আৰু লখান্দে ১৮৮০ চনত দীনবন্ধু নামে সাপ্তাহিক কাকত প্ৰকাশ কৰিছিল। শ্ৰমিকৰ সমস্যাক লৈ প্ৰকাশ কৰা এই দুখনেই আছিল প্ৰথম ভাৰতীয় বাতৰি কাকত। ১৮৮০ চনত বোম্বেত হৰিজনসকলে তেওঁলোকৰ বিভিন্ন দাবীৰ সমৰ্থনত ধৰ্মঘট কৰিছিল আৰু ১৮৮২-১৮৯০ চনৰ ভিতৰত বোম্বেত মুঠতে ২৫ টা শ্ৰমিক ধৰ্মঘট সংঘটিত হৈছিল বুলি জনা যায়। উক্ত শ্ৰমিক ধৰ্মঘটসমূহৰ নেতৃত্ব দিছিল দীনবন্ধুৰ সম্পাদক লখান্দে বোলা ব্যক্তিজনে আৰু বোধহয় তেঁৱেই ভাৰতবৰ্ষৰ প্ৰথম শ্ৰমিক নেতা। বোম্বেত থকা মিল আৰু কাৰখানাসমূহত সাধাৰণ শ্ৰমিক (Bombay Mills Hand Association) হিচাপে কাম কৰা শ্ৰমিক সংগঠনৰো তেওঁ আছিল প্ৰেছিডেন্ট। এইটোৱে আছিল বোধহয় ভাৰতবৰ্ষৰ প্ৰথম সংগঠিত শ্ৰমিক সংঘ।

বিংশ শতিকাৰ আৰম্ভণিতে বংগভংগ আঁচনিক কেন্দ্ৰ কৰি দেশত গঢ়ি ৰাজনৈতিক আন্দোলনে শিল্প শ্ৰমিকসকলৰ মাজতো উত্তেজনা আৰু ৰাজনৈতিক কৰ্ম-তৎপৰতা বৃদ্ধি কৰিছিল। ১৯০৮ চনত স্বদেশী মতাদৰ্শ প্ৰচাৰ কৰা অপৰাধতেই বাল গংগাধৰ তিলক গ্ৰেপ্তাৰ কৰি ৬ বছৰ জেইল দিয়াৰ প্ৰতিবাদত বোম্বেৰ শিল্প শ্ৰমিকসকলে প্ৰায় সপ্ত জোৰ ধৰ্মঘটত মিলিত হৈছিল। এই ঘটনাই দেশৰ শ্ৰমিকসকলৰ মাজত ৰাজনৈতি আৰু অৰ্থনৈতিক চেতনা দ্ৰুত হাৰত বৃদ্ধি কৰিছিল। তাৰেই পৰিণতিত প্ৰথম বিশ্ব যুদ্ধ আগে-পিচে দেশত লাহে লাহে ভালেমান শ্ৰমিক সংগঠন গঢ়ি উঠিবলৈ ধৰে।

এনি বেছান্তৰ সহকৰ্মী আৰু অনুগামী বি পি ওবাডিয়াই ১৯১৮ চনত মাদ্ৰাজত মাদ্ৰাজ শ্ৰমিক সংঘ (Madras Labour Union) গঠন কৰিছিল। প্ৰথম বিশ্ব যুদ্ধই দেশত সৃষ্টি কৰা অৰ্থনৈতিক বিপৰ্যয়ৰ পৰিণতি স্বৰূপে ১৯১৯-২০ চনতকানপুৰ, বোম্বে, কলকাতা, জামছেদপুৰ, মাদ্ৰাজ, আহমেদাবাদ আদি বিভিন্ন শিল্প নগৰীত অহৰহ শ্ৰমিক ধৰ্মৰ্ঘট সংঘটিত হৈছিল। শ্ৰমিক ধৰ্মঘট বৃদ্ধিৰ সমান্তৰালভাৱে দেশত শ্ৰমিক সংগঠনৰো বৃদ্ধি হৈছিল। অকল ১৯২০ চনতে বোম্বে প্ৰেছিডেন্সিতে ৯৩ টা শ্ৰমিক সংঘ গঢ়ি উঠিছিল আৰু সেই সংগঠনসমূহৰ মুঠ সদস্য সংখ্যা আছিল ১,২০,০০০। সেই বছৰটোতে ভাৰতবৰ্ষৰ

অন্যান্য প্ৰদেশতো শ্ৰমিক সংগঠন দ্ৰুতভাৱে বৃদ্ধি পাই আহিছিল আৰু সকলোবোৰ শ্ৰমিক সংগঠনক সৰ্বভাৰতীয় ৰূপ দিয়াৰ অভিপ্ৰায়েৰে ১৯২০ চনত বোম্বেত এখন সৰ্বভাৰতীয় শ্ৰমিক অভিবৰ্তন অনুষ্ঠিত হৈছিল। সেই অভিবৰ্তনত সভাপতিত্ব কৰিছিল লালা লাজপত ৰায়ে। সেই অভিবৰ্তনতেই নিখিল ভাৰত শ্ৰমিক সংঘ (All India Trade Union Congress-AITUC) গঢ়ি তোলা হৈছিল। উক্ত অভিবৰ্তনত মতিলাল নেহৰু, এনি বেছান্ত, বি পি ওৱাডিয়া, এন এম যোশী, চি এফ এন্দ্ৰুজ আদি ভালেমান নেতা উপস্থিত আছিল।

শ্ৰমিক ধৰ্মঘট আৰু সংগঠন অকল শিল্প শ্ৰমিকসকলৰ (Industrial Labour) মাজতে সীমিত থকা নাছিল, বাগান শ্ৰমিকসকলৰ (Plantation Labour) মাজতো শ্ৰমিক সংগঠন গঢ়ি উঠিছিল। ১৯২১ চনত অসহযোগ আন্দোলনৰ সময়তে অসমৰ চাৰগোলা ভেলীৰ ১২,০০০বাগান শ্ৰমিকে ধৰ্মঘট কৰি কৰ্ম স্থান ত্যাগ কৰিছিল। সেই বছৰটোত ভাৰতবৰ্ষত সংঘটিত হোৱা শ্ৰমিক আন্দোলনৰ সংখ্যা আছিল ৩৯৬ টা আৰু তাত জড়িত থকা শ্ৰমিকৰ সংখ্যা আছিল ৬,০০,০০০। নিজস্ব অৰ্থনৈতিক দাবীৰ লগতে তেওঁলোকে দেশৰ স্বাধীনতাৰ দাবী উত্থাপন কৰি লগতে স্বাধীনতা সংগ্ৰামীৰ ভূমিকাতো অৱতীৰ্ণ হৈছিল।

১৯২৭ চনৰপৰা লাহে লাহে শ্ৰমিক সংগঠনৰ ভিতৰত ৰাজনৈতিক মেৰুকৰণ প্ৰক্ৰিয়াৰ সূচনা হ'বলৈ ধৰিছিল আৰু তাৰেই পৰিণতিত পিচৰ চাৰি বছৰমানৰ ভিতৰতে নিখিল ভাৰত ট্ৰেড ইউনিয়ন কংগ্ৰেছ দুভাগত বিভক্ত হৈ পৰে—এভাগ কংগ্ৰেছৰ নেতৃত্বাধীন হৈ থাকে আৰু আনভাগ কমিউনিষ্টসকলৰ নেতৃত্বলৈ আহে। ১৯৩১ চনত বিভক্ত হৈ পৰাৰপৰা কমিউনিষ্ট পন্থী শ্ৰমিক সংগঠনটো লাল ঝাণ্ডাৰ শ্ৰমিক সংগঠনৰূপে (Red Trade Union Congress) পৰিগণিত হ'বলৈ ধৰে। ১৯৩৫ চনত শ্ৰমিক আন্দোলনত পুনৰ একতা স্থাপন কৰা হৈছিল যদিও সি আছিল ক্ষণস্থায়ী।

ইটালী, জাৰ্মানী আৰু স্পেইনত ফেচিষ্ট একনায়কতন্ত্ৰ প্ৰতিষ্ঠা হোৱা আৰু বিশ্বৰ ফেচিষ্ট জোঁটে আন্তৰ্জাতিক যুদ্ধৰ আশংকা বৃদ্ধি কৰি তোলাৰ পৰিপ্ৰেক্ষিতত ভাৰতবৰ্ষত জাতীয়তাবাদী শিবিৰ আৰু কমিউনিষ্ট পন্থীসকলৰ মাজত লাহে লাহে মতাদৰ্শগত সংগ্ৰাম বৃদ্ধি পাই আহে। এই মতবিৰোধ দেশৰ স্বাধীনতা আন্দোলনলৈও সম্প্ৰসাৰিত হৈ পৰে। বিশেষকৈ বিয়াল্লিশৰ গণ আন্দোলনৰ আগৰ কালছোৱাত কমিউনিষ্ট নেতৃত্বাধীন দল-সংগঠনে বৃটিশৰ বিৰুদ্ধে প্ৰত্যক্ষ সংগ্ৰামৰ পথ লোৱাত শ্ৰমিক আন্দোলন আৰু সংগঠনতো পূৰ্বে দেখা দিয়া বিভাজন পুনৰ উক্ দি উঠে। অৱশ্যে এইটো ঠিক যে বিয়াল্লিশৰ পৰৱৰ্তী

কালৰ স্বাধীনতা সংগ্ৰামত দেশৰ সকলো মতাদৰ্শৰ ৰাজনৈতিক নেতা-কৰ্মী দল-সংগঠনে সংগ্ৰামৰ স্বাৰ্থত একত্ৰে মিলিত হোৱাত সাময়িকভাৱে হ'লেও শ্ৰমিক আন্দোলনত একতা আৰু সংহতি বিৰাজ কৰিছিল।

কংগ্ৰেছ আৰু আন্তৰাষ্ট্ৰীয় ৰাজনীতিঃ

ভাৰতীয় জাতীয় কংগ্ৰেছে জন্মলগ্নৰপৰাই গুৰুত্বপূৰ্ণ আন্তৰ্জাতিক বিষয়ত নিজস্ব মতামত দিয়াৰ লগতে বলিষ্ঠ ভূমিকা লৈ আহিছিল। ভাৰতীয় জাতীয় কংগ্ৰেছে ব্ৰহ্মদেশ, আফগানিস্তান, চীন, ইজিপ্ত, চুদান আদি দেশৰ সংগ্ৰামী লোকৰ দ্বাৰা সংগঠিত শোষণ বিৰোধী সংগ্ৰামৰ প্ৰতি সমৰ্থন দি আহিছিল। বৃটিশে নিজৰ সাম্ৰাজ্য বিস্তাৰৰ বাবে দেশৰ বাহিৰত ভাৰতীয় সেনা বাহিনী ব্যৱহাৰ কৰাৰো কংগ্ৰেছে তীব্ৰ বিৰোধীতা কৰিছিল। নিজ দেশক সাম্ৰাজ্যবাদৰ কবলপৰা মুক্ত কৰাৰ সংগ্ৰামত জড়িত কংগ্ৰেছে একে সময়তে বিশ্বৰ অন্যান্য পদানত আৰু নিপীড়িত জাতিসমূহৰ মুক্তি আৰু স্বাধীনতাৰ বাবেও চেষ্টা কৰাটো এক পৰম্পৰাত পৰিণত হৈছিল।

১৯২৭ চনৰ ফেব্ৰুৱাৰী মাহত কংগ্ৰেছৰ প্ৰতিনিধি হিচাপে জৱহৰলাল নেহেৰুৱে ব্ৰুচেলছত অনুষ্ঠিত বিশ্বৰ নিপীড়িত জাতিসমূহৰ আন্তৰ্জাতিক সন্মিলনত অংশ গ্ৰহণ কৰিছিল। এই সন্মিলনখন অনুষ্ঠিত কৰিছিল এছিয়া, আফ্ৰিকা, লেটিন আমেৰিকাৰ পদানত আৰু নিপীড়িত দেশসমূহৰ বিপ্লৱী আৰু নিৰ্বাসিত ৰাজনৈতিক নেতাসকলে। তদুপৰি এই সন্মিলনত বিশ্বৰ ভালেমান বামপন্থী বুদ্ধিজীৱিয়েও অংশ গ্ৰহণ কৰিছিল। সেই সন্মিলনত ভাষণ দি জৱহৰলাল নেহেৰুৱে কৈছিল, "We realise that there is much in common in the struggle which various subject and semi-subject and oppressed peoples are carrying on today Their opponents are often the same, although they sometimes appear in different guises and the means employed for their subjection are often similar"

এই সন্মিলনত সাম্ৰাজ্যবাদ বিৰোধী এটি আন্তৰ্জাতিক সংগঠন গঢ়ি তোলা হৈছিল, তাৰ নাম আছিল *League Against Imperialism* আৰু নেহৰু সেই সংগঠনৰ অন্যতম সদস্য নিৰ্বাচিত হৈছিল। তেতিয়াৰপৰা কংগ্ৰেছে আৰু অধিক শক্তিশালীভাৱে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে মাত মাতিবলৈ লৈছিল। সেই বছৰৰে শেষৰ ফালে অনুষ্ঠিত মাদ্ৰাজ কংগ্ৰেছে ইংলেণ্ডে চলোৱা কোনো সাম্ৰাজ্যবাদী যুদ্ধতে সমৰ্থন নিদিয়াৰ সিদ্ধান্ত লৈছিল। এইবিলাকৰ মাজেদি কংগ্ৰেছে ধীৰ পদক্ষেপেৰে সাম্ৰাজ্যবাদ বিৰোধী স্থিতি লবলৈ ধৰিছিল। ১৯৩৬ চনৰ লক্ষ্ণৌ কংগ্ৰেছত সভাপতিত্ব কৰি জৱহৰলাল নেহৰুৱে কৈছিল, "Our

struggle was but part of a far wider struggle for freedom, and the forces that moved us were moving millions of people all over the world and driving them into action "

এইবিলাকৰ ওপৰিও ইয়োৰূপত ফেছিজিমৰ অভ্যুদয়ৰ সময়তো কংগ্ৰেছে গণতন্ত্ৰৰ পক্ষত স্থান লৈছিল। বিশেষকৈ জেনেৰেল ফ্ৰেঙ্কোৰ বিৰুদ্ধে স্পেইনত গঢ়ি উঠা "Popular Front"ৰ সমৰ্থনত কাম কৰি গৈছিল।

১৯৩৩ চনৰ ৩০ জানুৱাৰী তাৰিখে নাজী পাৰ্টিৰ নেতা হিটলাৰে জাৰ্মানীত ক্ষমতা দখল কৰে। তাৰো আগতে ইটালীত ফেছিষ্ট নেতা বেনিটো মুছ্ছলিনিয়ে ৰাষ্ট্ৰ ক্ষমতা দখল কৰিছিল। কিছুদিনৰ ভিতৰতেই দুয়োখন ৰাষ্ট্ৰ বন্ধু ৰাষ্ট্ৰত পৰিণত হৈছিল। দুয়োখন দেশৰ মাজত গোপন সামৰিক চুক্তিও স্বাক্ষৰিত কৰা হৈছিল। পিচত স্পেইনত জেনেৰেল ফ্ৰেঙ্কো আৰু জাপানত ট'জোৱে ক্ষমতা দখল কৰাৰ লগে লগে সেইবিলাক দেশেও লাহে লাহে ইটালী আৰু জাৰ্মানীৰ বন্ধু ৰাষ্ট্ৰত পৰিণত হৈছিল। অৰ্থাৎ অতি কম সময়ৰ ভিতৰতে জাৰ্মানী, ইটালী, স্পেইন আৰু জাপান বিশ্বৰ ফেছিষ্ট জোটৰ সক্ৰিয় অংশীদাৰত পৰিণত হৈছিল। বিশ্বৰ ফেছিষ্ট ৰাষ্ট্ৰসমূহৰ মাজৰ এই মৈত্ৰী বন্ধনে গণতন্ত্ৰ আৰু সমাজবাদৰ বিপদ মাতি আনিছিল। কংগ্ৰেছৰ নেতাসকল এই সম্পৰ্কে সম্পূৰ্ণ অবহিত আছিল আৰু ব্যক্তিগত আৰু সাংগঠনিকভাৱে তেওঁলোকে সাম্ৰাজ্যবাদৰ লগতে ফেছিবাদৰো বিৰোধীতা কৰিবলৈ লৈছিল। ফেছিবাদৰ স্বৰূপ সম্পৰ্কে ১৯৩৬ চনৰ লক্ষ্ণৌ কংগ্ৰেছত সভাপতিত্ব কৰি জৱহৰলাল নেহৰুৱে কৈছিল, "Capitalism, in its difficulties, took to fascism It became, even in some of its homelands, what its imperialist counterpart had long been in the subject colonial countries the rising nationalism of the Eastern and other dependent countries opposed this combination of fascism and imperialism." গতিকে দেখা যায় দ্বিতীয় বিশ্ব যুদ্ধ আৰম্ভ হোৱাৰ আগলৈ ভাৰতীয় জাতীয় কংগ্ৰেছৰ স্থিতি আছিল সাম্ৰাজ্যবাদ আৰু ফেছিবাদ বিৰোধী। ব্যৱহাৰিক ৰাজনীতিত কিছু হীন-দেৱী হলেও কংগ্ৰেছে কম-বেছি পৰিমাণে এই স্থিতি দেশে স্বাধীনতা প্ৰাপ্তিৰ সময়লৈ অক্ষুন্ন ৰাখিছিল। কংগ্ৰেছৰ এই আপোচবিহীন সাম্ৰাজ্যবাদ বিৰোধী স্থিতিৰ বাবেই দেশৰ স্বাধীনতা আন্দোলনে এছিয়া আৰু আফ্ৰিকা মহাদেশৰ অন্যান্য দেশতো প্ৰভাৱ বিস্তাৰ কৰিবলৈ পাৰিছিল।

দেশীয় ৰাজ্যসমূহত প্ৰজা বিদ্ৰোহ ঃ

ভাৰতবৰ্ষৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বৃটিশৰ প্ৰত্যক্ষ শাসনৰ অধীনৰ পৰা

মুক্ত প্ৰায় ৫৬২ খন সৰ-বৰ ৰাজ্য আছিল আৰু সেই ৰাজ্যসমূহৰ শাসনকৰ্তাসকল আছিল দেশীয় ৰজা-মহাৰজা। লোক দৰ্শিতভাবে দেশীয় ৰজাজন শাসনৰ মূৰব্বী আছিল যদিও তেনে ৰাজ্যৰ প্ৰকৃত শাসনকৰ্তা আছিল বৃটিশ। বৃটিশ ৰাজনৈতিক তথা কূটনৈতিক বিষয়া এজনৰ দিহা-পৰামৰ্শ মৰ্মে প্ৰতিখন দেশীয় ৰাজ্যৰে শাসন কাৰ্য চলিছিল। ১৮৫৮ চনৰ পিচৰপৰা তেনে ৰাজ্যসমূহৰ ওপৰত বৃটিশে অধিক মনোযোগ দিবলৈ লৈছিল, কিয়নো বৃটিশ-ভাৰতবৰ্ষত বিদ্ৰোহ-বিপ্লৱ হ'লে তেওঁলোকে সেই ৰাজ্যসমূহক প্ৰতিৰক্ষাৰ ঘাটি হিচাপে ব্যৱহাৰ কৰাৰ আশা কৰিছিল। প্ৰশাসনৰ নামত সেই ৰাজ্যবিলাকত প্ৰচলিত আছিল অৱক্ষীয়মান সামন্তবাদী শাসন ব্যৱস্থা আৰু তাৰ প্ৰজা সাধাৰণৰ ওপৰত চলিছিল নিৰ্মম শোষণ আৰু নিৰ্যাতন। বৃটিশ-ভাৰতবৰ্ষৰ দৰে তাতো অৰ্থনৈতিক অনগ্ৰসৰতা, ভূমি-ৰাজস্ব আৰু অন্যান্য কৰ-কাটলৰ অসহনীয় বোজাই জনজীৱন অত্যন্ত দুৰ্বিসহ আৰু অতিষ্ঠ কৰি তুলিছিল। আনহাতে তেওঁলোকৰ শোষণৰ ওপৰত নিৰ্ভৰ কৰি বৰ্তি থকা সামন্ত শ্ৰেণীসমূহৰ লাহ-বিলাসৰ জীৱন ধাৰণ পদ্ধতিয়ে শাসক আৰু শাসিতৰ মাজৰ সম্পৰ্কৰ ব্যাপক অৱনতি ঘটাইছিল।

কংগ্ৰেছে বৃটিশ-ভাৰতত যি ধৰণে ৰাজনৈতিক সংগঠন আৰু আন্দোলনৰ কামত ব্যস্ত আছিল দেশীয় ৰাজ্যবিলাকত কিন্তু সেই ধৰণৰ কাম-কাজ কৰাৰপৰা সম্পূৰ্ণৰূপে বিৰত আছিল। গতিকে তাৰ প্ৰজা সাধাৰণৰ বৃটিশ-ভাৰতৰ লোকৰ ৰাজনৈতিক কাম-কাজৰ সৈতে কোনো সম্পৰ্ক গঢ়ি উঠা নাছিল। কংগ্ৰেছেও জন্ম লগ্নৰপৰা দেশীয় ৰাজ্যসমূহক নিজৰ ৰাজনৈতিক কৰ্ম ক্ষেত্ৰৰূপে গণ্য কৰা নাছিল। বিশেষকৈ বিংশ শতিকাৰপৰা কংগ্ৰেছৰ নেতৃত্বত পৰিচালিত আন্দোলনে দেশীয় ৰাজ্যসমূহক স্পৰ্শ কৰা নাছিল। কিন্তু বৃটিশ-ভাৰতত ৰাজনৈতিক আন্দোলনৰ প্ৰসাৰে লাহে লাহে দেশীয় ৰজ্যসমূহতো আলোড়নৰ সৃষ্টি কৰিবলৈ ধৰিছিল। তালৈ লক্ষ্য ৰাখি বৃটিশে দেশীয় ৰাজ্যসমূহত যাতে জাতীয়তাবাদী আন্দোলনে গা কৰি উঠিব নোৱাৰে তাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখিছিল। তেওঁলোকৰ উদ্দেশ্য আছিল দেশীয় ৰাজ্যসহত জাতীয় সংহতিৰ ভাৱধাৰা গঢ়ি উঠাত বাধা প্ৰদান কৰা আৰু সেই ধৰণৰ চিন্তা-চৰ্চা বা কৰ্ম আঁচনি প্ৰতিৰোধ কৰা। দেশীয় ৰজা-মহাৰজাসকলেও প্ৰজা বিদ্ৰোহৰপৰা হাত সাৰিবলৈ সততে বৃটিশৰ শৰণাপন্ন হৈছিল। স্বৰূপাৰ্থত কবলৈ গ'লে দেশীয় ৰজা-মহাৰজাসকলে জাতীয়তাবাদী আন্দোলনৰ প্ৰতি বৈৰী ভাব পোষণ কৰিছিল। গতিকে দেখা যায় জাতীয়তাবাদী আন্দোলন আৰু আদৰ্শৰ প্ৰতি বৃটিশ আৰু দেশীয় শাসনকৰ্তাসকলৰ মনোভাৱ একেই আছিল।

সমগ্ৰ বৃটিশ-ভাৰতত অসহযোগ আন্দোলন চলি থকা অৱস্থাতেই ১৯২১ চনত

বৃটিশে দেশীয় ৰাজ্যৰ ৰজা-মহাৰজাসকলক লৈ "Chamber of Princes" নামেৰে এটি সংগঠন গঢ়ি তুলিছিল। তাৰ কেইবছৰমানৰ ভিতৰতে ১৯২৭ চনত "All India States' Peoples Conference" নামেৰে দেশীয় ৰাজ্যসমূহৰ প্ৰজা মণ্ডলৰ সংগঠন এটিও গঢ়ি তোলা হৈছিল। ১৯৩০ চনৰ আইন অমান্য আন্দোলনে দেশীয় ৰাজ্যৰ প্ৰজা সাধাৰণৰ ওপৰত ব্যাপক প্ৰভাৱ পেলাইছিল। ৰাজকোট, কাশ্মীৰ, হায়দাৰাবাদ, ত্ৰিবাঙ্কোৰ, জয়পুৰ আদি ভালেমান দেশীয় ৰাজ্যত গণ আন্দোলনৰ সূত্ৰপাত হৈছিল। বিশেষকৈ ১৯৩৫-৩৬ চনত দেশীয় ৰাজ্যসমূহত প্ৰজা বিদ্ৰোহৰ চিত্ৰখন সুস্পষ্ট হৈ পৰিছিল। জয়পুৰৰ চিকৰ ঠিকানা (জাইগীৰ), পাঞ্জাবৰ লোহানু আদিত কৃষকসকলে খাজনা বন্ধ আন্দোলন আৰম্ভ কৰিছিল। লোহানুত কৃষক আন্দোলন সংঘটিত হৈছিল উটৰ ওপৰত কৰ বহুওৱাৰ প্ৰতিবাদত। গান্ধী, ভোলাভাই দেশাই আদি কংগ্ৰেছৰ শীৰ্ষস্থানীয় নেতাসকলে দেশীয় ৰাজ্যৰ ৰাজনৈতিক আন্দোলন আৰু কৃষক বিদ্ৰোহৰপৰা সততে আঁতৰি থকাৰ নীতি লৈছিল। তেওঁলোকে দেশীয় ৰাজ্যৰ এই ধৰণৰ বিদ্ৰোহৰ ক্ষেত্ৰত হস্তক্ষেপ নকৰাৰ নীতি লৈছিল। ১৯৩৬ চনত জৱহৰলাল নেহৰুৱে "All India States' Peoples Conference"ৰ পঞ্চম সন্মিলনত সভাপতিত্ব কৰি দেশীয় ৰাজ্যসমূহত আৰম্ভ হোৱা প্ৰজা বিদ্ৰোহৰ প্ৰতি মুকলিভাৱে সমৰ্থন জনাইছিল। তাৰ পিচৰপৰাই বলৱন্তৰাই মেহতাৰ নেতৃত্বত "All India States' Peoples Conference" অধিক শক্তিশালী হৈ পৰিছিল।

১৯৩৭ চনৰ অক্টোবৰ মাহত লোৱা প্ৰস্তাৱৰ যোগেদি কংগ্ৰেছে মহীশূৰৰ প্ৰজা বিদ্ৰোহৰ প্ৰতি পূৰ্ণ সমৰ্থন দিছিল। তাৰ পিচৰ বছৰত (১৯৩৮) সুভাষ চন্দ্ৰ বসুৰ সভাপতিত্বত অনুষ্ঠিত হৰিপুৰ কংগ্ৰেছে বৃটিশ-ভাৰতবৰ্ষৰ লগতে দেশীয ৰাজ্যসমূহৰ বাবেও পূৰ্ণ স্বাধীনতাৰ দাবী উত্থাপন কৰিছিল। ১৯৩৯ চনত সকলোবোৰ দেশীয় ৰাজ্যতে প্ৰজা বিদ্ৰোহ তুংগত উঠিছিল। উৰিষ্যা, হায়াদাৰাবাদ, ত্ৰিবাঙ্কোৰ, ৰাজপুতনা, পাতিয়ালা, কাপুৰথলা, চিৰমুৰ, ৰাজকোট আদিত ব্যাপক প্ৰজা বিদ্ৰোহ সংঘটিত হৈছিল। ১৯৩৯ চনত জৱহৰলাল নেহৰু দ্বিতীয়বাৰৰ বাবে "All India States' Peoples Conference"ৰ সভাপতি নিৰ্বাচিত হৈছিল। এইদৰে স্বাধীনতা আন্দোলনৰ সময়তে দেশীয় ৰাজ্যসমূহত সূচনা হোৱা প্ৰজা বিদ্ৰোহে সমগ্ৰ দেশৰে প্ৰজা সাধাৰণৰ মাজত ৰাষ্ট্ৰীয় একতা আৰু সংহতি স্থাপন কৰাত সহায় কৰিছিল।

সাম্প্ৰদায়িকতাবাদৰ প্ৰসাৰঃ

আইন অমান্য আন্দোলনৰ সময়ৰপৰা দেশত সাম্প্ৰদায়িকতাবাদে যথেষ্ট প্ৰসাৰ লাভ কৰিছিল। ইতিপূৰ্বে ১৯০৯ আৰু ১৯১৯ চনৰ ভাৰত শাসন আইন মৰ্মে বিশেষকৈ

মুছলমানসকলৰ বাবে কেন্দ্ৰীয় আৰু প্ৰাদেশিক বিধান পৰিষদসমূহত সংৰক্ষিত আসনৰ ব্যৱস্থাই মুছলমান মধ্যবিত্ত শ্ৰেণীৰ লোকক যথেষ্ট উপকৃত কৰিছিল। দেশত শাসন সংস্কাৰৰ লক্ষ্য আগত ৰাখি ১৯২৭ চনত বৃটিশ গৃহ চৰকাৰে ছাৰ জন ছাইমনৰ নেতৃত্বত গঠন কৰি দিয়া সংবিহিত আয়োগে ভাৰত ভ্ৰমণ কৰাকৈপেৰা সাম্প্ৰদায়িকতাবাদে আৰু অধিক প্ৰসাৰ লাভ কৰিছিল। পূৰ্বতে মুছলমান আৰু শিখসকলক পৃথক ভোটাধিকাৰ প্ৰদান কৰি জাতযীতাবাদী আন্দোলন দুৰ্বল কৰাৰ লগতে দেশত বৃটিশৰ স্থিতি শক্তিশালী কৰি তোলা হৈছিল।

সংবিহিত আয়োগ গঠন কৰাৰ পিচকৈপেৰা হিন্দু সমাজৰ অন্যান্য অৱহেলিত আৰু অৱদমিত শ্ৰেণীৰ লোকৰ বাবেও বিধান পৰিষদসমূহত আসন সংৰক্ষণৰ সম্ভৱনাই দেখা দিছিল। সেই ৰাজনৈতিক সম্ভৱনাক বাস্তৱ ৰূপ দিছিল বৃটিশ প্ৰধানমন্ত্ৰী ৰামজে মেকডোনাল্ডৰ ১৯৩২ চনৰ সাম্প্ৰদায়িক বাঁটোৱাৰাই। তাৰ দুবছৰ পিচত বৃটিশ চৰকাৰে গ্ৰহণ কৰা ভাৰত শাসন আইনে (১৯৩৫) মেকডোনাল্ডৰ ঘোষণাক সাংবিধানিক ৰূপ দিয়াত ভাৰতবৰ্ষৰ সাম্প্ৰদায়িক পৃথকীকৰণ তথা মেৰুকৰণ প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ হৈ পৰিছিল। সেই আইনৰ মাধ্যমত দেশত মুছলমান আৰু শিখসকলৰ লগতে হিন্দু সমাজৰ অৱহেলিতঅংশৰ বাবেও পৃথক ভোটাধিকাৰৰ ব্যৱস্থা কৰা হৈছিল।

১৯৩৫ চনৰ ভাৰত শাসন আইন মৰ্মে ১৯৩৭ চনত দেশত অনুষ্ঠিত সাধাৰণ নিৰ্বাচনত ১১ খন প্ৰদেশত মুছলীম লীগে আশা কৰা মতে ভাল ফল দেখুৱাব নোৱাৰাত তেওঁলোকে সমগ্ৰ ভাৰতবৰ্ষতে নিজকে মুছলমানসকলৰ একমাত্ৰ প্ৰতিনিধিৰূপে দেখুৱাবলৈ বদ্ধপৰিকৰ হৈ পৰিছিল। ইফালে উক্ত নিৰ্বাচনত মুছলমানৰ বাবে সংৰক্ষিত মুঠ ৪৮২ টা সমষ্টিত মুছলমান প্ৰাৰ্থীক প্ৰতিদ্বন্দ্বিতা কৰাই কংগ্ৰেছে মাত্ৰ ২৬ টা সমষ্টিত জয় লাভ কৰিবলৈ সক্ষম হৈছিল।

এই নিৰ্বাচনৰ ফলাফলৰ পৰিণতি স্বৰূপে মুছলীম লীগৰ মাজত ৰাজনৈতিক কৰ্ম তৎপৰতা যথেষ্ট বৃদ্ধি পাইছিল। কিয়নো এই নিৰ্বাচনে দেখুৱাইছিল যে মুছলীম লীগৰ বিপৰীতে পাঞ্জাবত মুছলমান নেতৃত্বাধীন ইউনিয়নিষ্ট পাৰ্টি (Unionist Party) জনসাধাৰণৰ মাজত অধিক জনপ্ৰিয় আৰু গ্ৰহণযোগ্য আছিল। সেইদৰে উত্তৰ প্ৰদেশত তাৰ মুছলমানসকলে চাতাৰীৰ নবাবৰ নেতৃত্বাধীন জাতীয়তাবাদী কৃষক দলক (Nationalist Agricultural Party of Nabab of Chatari) ভোট দিছিল। আকৌ বংগদেশৰ মুছলমানসকলে ফজলুল হকৰ কৃষক দলক (Krishak Party), সিন্ধু প্ৰদেশত আব্দুল্লা হাৰুণৰ নেতৃত্বাধীন স্বতন্ত্ৰ মুছলীম দলক (Independent Muslim Party),

উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশত সীমান্ত গান্ধী খাঁ আব্দুল গফুৰ খাঁৰ অনুগামীসকলক ভোট দি জয়যুক্ত কৰিছিল।

গতিকে দেখা যায় ১৯৩৭ চনৰ নিৰ্বাচনী যুঁজত উল্লেখিত প্ৰদেশসমূহত মুছলীম লীগৰ অকৃতকাৰ্যতাই মুছলীম লীগক মুছলমানসকলৰ বাবে এখন পৃথক গৃহভূমিৰ বাবে নিৰন্তৰ কাম কৰি যাবলৈ আৰু অধিক প্ৰৰোচিত আৰু উত্তেজিত কৰি তুলিছিল। মুছলীম লীগৰ বিপৰীতে উক্ত ৰাজনৈতিক দলবিলাকৰ বিজয়ৰ পৰিপ্ৰেক্ষিতত মুছলীম লীগৰ নেতা মহম্মদ আলি জিন্নাই ইছলামৰ বিপদ ("Islam in Danger") জাতীয় ধ্বনি দি সমগ্ৰ ভাৰতবৰ্ষৰ মুছলমানসকলক একত্ৰিত কৰাৰ চেষ্টা চলাইছিল। ১৯৪০ চনত লাহোৰত অনুষ্ঠিত মুছলীম লীগৰ অধিবেশনত তেওঁ পাকিস্তান প্ৰস্তাব উত্থাপন কৰে। এই প্ৰস্তাব গ্ৰহণ কৰাৰ পৰৱৰ্তী ৭ বছৰত জিন্না আৰু মুছলীম লীগে সেই প্ৰস্তাবৰ বাস্তৱায়নতে তেওঁলোকৰ চিন্তা-চৰ্চা, সময় আৰু সাধনা কেন্দ্ৰীভূত কৰি ৰাখিছিল আৰু তাৰেই ফলশ্ৰুতিত অৱশেষত তেওঁলোকে লাভ কৰিছিল পাকিস্তান। বৃটিশৰ বিভাজন নীতি আৰু জিন্নাৰ নিৰৱচ্ছিন্ন চেষ্টা আৰু অবিচলিত স্থিতিৰ বাবেই তেওঁৰ ৰাজনৈতিক পৰিকল্পনা বাস্তৱত ৰূপায়িতকৰাটো সম্ভৱ হৈছিল।

***

আৰ্হি প্ৰশ্নমালাঃ

ৰচনা ধৰ্মী প্ৰশ্নঃ

১। কি কাৰণে ভাৰতীয় নেতৃবৰ্গই ছাইমন কমিছন বৰ্জন কৰিছিল? ছাইমন কমিছন গঠনৰ উদ্দেশ্য কি আছিল আলোচনা কৰা।

২। গান্ধী-আৰউইন চুক্তিৰ চৰ্তাৱলী দেশৰ স্বাধীনতা আন্দোলনৰ বাবে কিমানদূৰ সহায়ক আছিল?

৩। সাম্প্ৰদায়িক বাঁটোৱাৰা বুলিলে কি বুজা? এই বাঁটোৱাৰা কোনে ঘোষণা কৰিছিল?

৪। আইন অমান্য আন্দোলনৰ ইতিহাস বিবৃত কৰা।

৫। ১৯৩৫ চনৰ ভাৰত শাসন বিধিৰ চৰ্তসমূহ উল্লেখ কৰা। এই বিধিৰ প্ৰধান বৈশিষ্ট্য কি আছিল?

৬। কংগ্ৰেছ সমাজবাদী দল গঠনৰ ইতিহাস বিবৃত কৰা। স্বাধীনতা আন্দোলনত এই দলৰ ভূমিকা উল্লেখ কৰা।

৭। কৃষক আৰু শ্ৰমিক সংগঠনসমূহে দেশৰ স্বাধীনতা আন্দোলনত কি ধৰণে সহযোগ কৰিছিল উল্লেখ কৰা।

৮। বিংশ শতিকাৰ আৰম্ভণি কালত আন্তৰ্ৰাষ্ট্ৰীয ৰাজনীতিত কংগ্ৰেছে কি ভূমিকা লৈছিল?

৯। দেশীয় ৰাজ্যসমূহত চলা প্ৰজা বিদ্ৰোহৰ এটি চমু খতিয়ান দাঙি ধৰা।

<u>চমু টোকা লিখাঃ</u>

(১) ছাইমন কমিছন,

(২) সাম্প্ৰদায়িক বাটোৱাৰা,

(৩) নওজোৱান ভাৰতসভা

<u>অতি চমু উত্তৰ দিয়াঃ</u>

(১) ছাইমন কমিছনৰ সভাপতি কোন আছিল?

(২) ছাইমন কমিছনত কেইজন সদস্য আছিল?

(৩) কোন চনত ছাইমন কমিছন গঠন কৰিছিল?

(৩) কোনে Youth League গঠন কৰিছিল?

(৪) কোনখন কংগ্ৰেছ অধিবেশনত পোনতে পূৰ্ণ স্বৰাজৰ প্ৰস্তাৱ গৃহীত হৈছিল?

(৫) কোনজন নেতাক সীমান্ত গান্ধীৰূপে জনা গৈছিল?

(৬) ১৯৩১ চনৰ ২৩ মাৰ্চত বৃটিশ-ভাৰত চৰকাৰে ফাঁচী দি হত্যা কৰা ভাৰতীয স্বাধীনতা সংগ্ৰামী কেইজনৰ নাম কি আছিল?

৭। 'মিৰাট থিছিছ' কি?

৮। লক্ষ্ণৌত অনুষ্ঠিত সৰ্বভাৰতীয় কিষাণ অভিৰ্বতনত অংশ গ্ৰহণ কৰা অসমৰ এজন ৰাজনীতিকৰ নাম লিখা।

৯। দেশীয় ৰাজ্যৰ সংখ্যা কিমান আছিল?

অষ্টম অধ্যায়

বিয়াল্লিশৰ গণ অভ্যুত্থান আৰু স্বাধীনতা প্ৰাপ্তি

"No movement had been officially started by the AICC or Gandhiji
Press Statement by Nehru Patel and Pant 21 Sept ,1945

' I never thought it would happen I never expected to see Pakistan in my life-time " Mohammad Ali Jinnah

'Long years ago we made a tryst with destiny and now the time comes when we shall redeem our pledge not wholly or in full measure but very substantially At the stroke of the midnight hour, when the world sleeps, India will wake to life and freedom A moment comes which comes but rarely in history when we step out from the old to the new when an age ends, and when the soul of a nation long suppressed, finds utterance It is fitting that at this moment we take the pledge of dedication to the service of India and her people and to the strill larger cause of humanity' Jawarharlal Nehru 15 August 1947

দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত জাতীয় আন্দোলনঃ

১৯৩৯ চনৰ শেহৰ পিনে আন্তৰাষ্ট্ৰীয় ৰাজনীতিত যুদ্ধ পৰিস্থিতিয়ে দেখা দিয়ে। সেই বছৰৰে পহিলা ছেপ্তেম্বৰৰ দিনা জাৰ্মানীয়ে পোলেণ্ড আক্ৰমণ কৰে আৰু তিনি ছেপ্তেম্বৰত ইংলেণ্ড আৰু ফ্ৰান্সে যুটীয়াভাৱে পোলেণ্ডৰ সমৰ্থনত জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। ইংলেণ্ডে সিহঁতৰ পদানত দেশ ভাৰতবৰ্ষকো জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধৰত দেশ বুলি ঘোষণা কৰিছিল। এই ঘটনাৰ লগে লগেই ইংলেণ্ডৰ কৱলবপৰা মুক্তি পিয়াসী ভাৰতীয় লোকৰ জাতীয় সন্মান আৰু মৰ্যদাও দ্বিতীয় বিশ্ব মহাৰণৰ সৈতে সংপৃক্ত হৈ পৰিল।

ভাৰতবৰ্ষৰ জাতীয় ৰাজনৈতিক দলসমূহৰ সন্মতি ব্যতিৰেকে ইংলেণ্ডে ভাৰতকো যুদ্ধৰত দেশ বুলি ঘোষণা কৰাৰ প্ৰতিবাদত নৱেম্বৰ মাহত ১৯৩৫ চনৰ ভাৰত শাসন বিধি অনুযায়ী ১৯৩৭ চনত অনুষ্ঠিত নিৰ্বাচনৰ ফলস্বৰূপে প্ৰদেশসমূহত গঠিত কংগ্ৰেছ চৰকাৰসমূহে পদত্যাগ কৰে। যুদ্ধৰ আৰম্ভণীতে যুদ্ধকালিন সময়ত দেশৰ স্বাধীনতাৰ

প্ৰশ্নৰ বিষয়ত গোনপটীয়া আৰু আনুষ্ঠানিকভাৱে কংগ্ৰেছৰ নীতি নিৰ্দ্ধাৰণ নকৰি গান্ধী-নেহেৰুকে আদি কৰি কংগ্ৰেছ নেতৃবৃন্দই বৃটিশ সাম্ৰাজ্যৰ সাম্ভাব্য বিপদৰ আশঙ্কাত ভীতি-বিহ্বল আৰু শোকাভিভূত হৈ পৰিছিল।

৫ ছেপ্তেম্বৰ তাৰিখে গান্ধীয়ে ভাৰতস্থ বৃটিশ ৰাজপ্ৰতিনিধি লৰ্ড লিনল'থগোক সাক্ষাতকৰিছিল। যুদ্ধৰ আৰম্ভণীৰেপৰা গান্ধীৰ মনন-চিন্তনত দেশৰ স্বধীনতাতকৈ ইংলেণ্ডৰ নিৰাপত্তাৰ প্ৰশ্নটোৱে বিশেষ গুৰুত্ব লাভ কৰি আহিছিল আৰু এতিয়া এই সাক্ষাতকাৰৰ সময়ত গান্ধীৰ সেই দৃষ্টিভঙ্গীৰ বহিঃ প্ৰকাশ ঘটিছিল। এই সাক্ষাতকাৰৰ সময়ত তেওঁৰ মনত উদয় হোৱা অৱস্থাৰ বিষয়ে তেওঁ কৈছিল, "I told him that I could not contemplate without being stirred to the very depth the destruction of London which had hitherto been regarded as impregnable And as I was picturing before him the Houses of Parliament and the West Minister Abbey and their possible destruction, I broke down "

জৱহৰলাল নেহেৰু আছিল গান্ধীৰ সাৰ্থকঅনুগামী। ৮ ছেপ্তেম্বৰত তেওঁ দিয়া এটি মন্তব্যত বৃটিশ সাম্ৰাজ্যবাদৰ প্ৰতি তেওঁৰো দৰদ উথলি উঠা দেখা যায়, "We do not approach the problem with a view to taking advantage of Britain's difficulties In a conflict between democracy and freedom on the one side and Fascism and aggression on the other, our sympathies must inevitably lie on the side of democracy I should like India to play her full part and throw all her resources into the struggle for a new order" ১৯৪০ চনৰ ২০ মে'তাৰিখে নেহেৰুৱে আকৌ দোহাঁৰিছিল, "Launching a civil disobedience campaign at a time when Britain is engaged in life and death struggle would be an act derogatory to India's honour"

তেওঁৰ *Discovery of India* নামৰ গ্ৰন্থত উল্লেখ থকা মতে নেহেৰুৱে সেই সময়ত স্বাধীনতা আন্দোলন পুনৰাৰম্ভ কৰাৰ বাৰম্বাৰ বিৰোধীতা কৰিছিল। কংগ্ৰেছক "a semi-revolutionary organisation"ৰূপে আখ্যায়িত কৰি তেওঁ লিখিছে, "Congress , which had been on the verge of civil disobedience, could not think in terms of any such movement while the very existence of free England hung in the balance "

আচৰিত কথা যে গান্ধী-নেহেৰুৰ দৰে নিভাজ জাতীয়তাবাদী নেতাৰ চিন্তা আৰু কাৰ্য পদ্ধতিত দেশৰ জাতীয় স্বাৰ্থতকৈ ইংলেণ্ডৰ নিৰাপত্তাৰ প্ৰশ্নইহে বিশেষ অগ্ৰাধিকাৰ পাইছিল। তাৰ অৰ্থ আছিল, তেওঁলোকৰ মতে, ইংলেণ্ড যুদ্ধত লিপ্ত থকা অৱস্থাত সেই

দেশৰ দ্বাৰা পদানত ভাৰতবৰ্ষত স্বাধীনতা সংগ্ৰাম আৰম্ভ কৰা নহ'ব, যুদ্ধ যিমান দিনলৈ চলি থাকিব বৃটিশ সাম্ৰাজ্যৰ স্বাৰ্থত দেশ ইংলেণ্ডৰ পদানত হৈ থাকিব—এনে এটা দৃষ্টিভঙ্গীয়ে কংগ্ৰেছ মহলতবাৰুকৈয়ে ঠাই পাইছিল। অৱশ্যে কংগ্ৰেছ সভাপতি মৌলানা আবুল কালাম আজাদৰ দৃষ্টিভঙ্গী আছিল এই ক্ষেত্ৰত ব্যতিক্ৰম। বিশেষকৈ সেই সময়ত গান্ধীৰ ভূমিকা সম্পৰ্কে আজাদে লিখিছিল, "For him the issue was one of pacifism and not of India's freedom I declared openly that the Indian National Congress was not a pacifist organisation but one for achieving India's freedom To my mind, therefore, the issue raised by Gandhiji was irrelevant "

চৰকাৰ তথা ৰাষ্ট্ৰ ক্ষমতা দখল কৰাটোৱে হ'ল স্বাধীনতা সংগ্ৰামীৰ মূল আৰু প্ৰাথমিক কৰ্তব্য। বিশ্বৰ বিভিন্ন দেশৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসে তাকেই প্ৰতীয়মান কৰিছে। ১৯৩৭ চনৰ নিৰ্বাচনৰ জৰিয়তে চৰকাৰ গঠন কৰি ক্ষমতাত অধিষ্ঠিত হৈ যুদ্ধ-কালিন সময়ত দেশৰ স্বাধীনতা ঘোষণা কৰাৰ সুযোগ পোৱা স্বত্বেও কংগ্ৰেছে সেই সুযোগ গ্ৰহণ নকৰি ১৯৩৯ চনত মন্ত্ৰীত্ব ত্যাগ কৰি সাম্ৰাজ্যবাদৰহে স্বাৰ্থ পূৰণ কৰিছিল। গতিকে লোকদৰ্শিতভাৱে মন্ত্ৰীত্ব ত্যাগ কৰি কংগ্ৰেছে বৃটিশ সাম্ৰাজ্যবাদৰ স্বাৰ্থহে পূৰণ কৰিছিল, ভাৰতবৰ্ষৰ জাতীয় স্বাৰ্থ নহয়।এই সময়ছোৱাত বৃটিশ সাম্ৰাজ্যবাদীইঁতৰ লগত কেবাবাৰো আপোচ কৰিবলৈ গৈ ব্যৰ্থ হোৱাৰ পিচতহে কংগ্ৰেছে গান্ধীৰ নেতৃত্বত পুনৰ সীমিতআকাৰৰ আন্দোলনৰ পথ বাছি লৈছিল।

এইটো আছিল 'চাউলো সিজক আৰু মিতিৰো ৰওঁক' বিধৰ কামত নহা নীতি, আন্দোলনৰ ভেকোঁভাওনা পাতি দেশৰ স্বাধীনতা প্ৰত্যাশী অনুগামীসকলকো সন্তুষ্ট কৰি ৰখা হওক আৰু বৃটিশ শাসনকৰ্তাসকলৰ বিশ্বাসতো থকা হওক। মুঠতে শাসন ব্যৱস্থাৰ প্ৰতি কোনো প্ৰত্যাহ্বানৰ সৃষ্টি নহ'লেই হ'ল, কথা সিমানেই। এই সম্পৰ্কে ঐতিহাসিক তাৰা চাঁদে এষাৰ সুন্দৰ কথা কৈছে, "Gandhi had ruled out mass civil disobedience, for he did not wish to embarrass the Government The only course open was individual civil disobedience which did not amount to a challenge to authority "

গতিকেগান্ধীৰ নেতৃত্বত কংগ্ৰেছে পুনৰ আন্দোলন আৰম্ভ কৰে। এই আন্দোলন একক সত্যাগ্ৰহ ৰূপে পৰিচিত আছিল আৰু ই ১৯৪০ চনৰ ১৭ অক্টোবৰৰপৰা ১৭ নবেম্বৰলৈ চলিছিল। ১৭ নবেম্বৰৰ পৰা ১৭ ডিচেম্বৰলৈ আন্দোলনৰ নতুন পৰ্যায় এটা

চলিছিল আৰু সেইটো আছিল প্ৰতিনিধিত্বমূলক সত্যাগ্ৰহ। ১৭ ডিচেম্বৰত গান্ধীৰ দ্বাৰা স্থগিত কৰা এই আন্দোলনৰ কাৰ্যসূচী ১৯৪১ চনৰ ৫ জানুৱাৰীৰপৰা পুনৰ আৰম্ভ কৰা হৈছিল। ঐতিহাসিক ড°ৰমেশ চন্দ্ৰ মজুমদাৰে গান্ধীৰ দ্বাৰা এৰা-ধৰাকৈ পৰিচালিত এই লানি আন্দোলনে জনসাধাৰণৰ ওপৰত বিশেষ প্ৰভাৱ পেলোৱা নাছিল বুলি কৈছে, "It had created little interest and less excitement among the masses" গান্ধীৰ দ্বাৰা পৰিচালিত এই একক সত্যাগ্ৰহৰ বিষয়ে তেওঁৰ বিশ্বস্ত অনুগামী নেহৰুৱে লিখিছে, " our object was not to create trouble" ৰজনী পাম দত্তৰ ভাষাত "It was to be no struggle for freedom but a symbolic stayagraha for asserting the right of free speech"

১৯৪০ চনৰ ১৭ অক্টোবৰৰপৰা এৰা-ধৰা কৰি বিভিন্ন পৰ্যায়ৰ মাজেৰে চলা এই আন্দোলনত ১৯৪১ চনৰ ২৪ মে' পৰ্যন্ত সমগ্ৰ দেশতে ২০,০০০ সত্যাগ্ৰহীয়ে অংশ গ্ৰহণ কৰি কাৰাবৰণ কৰিছিল। তাৰ ভিতৰত আছিল ৩৯৮ জন প্ৰাদেশিক বিধান সভা সমূহৰ সদস্য আৰু ২২ জন কেন্দ্ৰীয় বিধান পৰিষদৰ সদস্য।

দ্বিতীয় বিশ্ব মহাৰণ আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত কংগ্ৰেছ নেতৃবৃন্দৰ ভূমিকা আৰু স্বাধীনতা আন্দোলনৰ গতি ধাৰাই জনগণক আকৰ্ষণ কৰাটো দূৰৰে কথা সংগঠনৰ ভিতৰতে বহুলোকক অসন্তুষ্ট তথা হতাশাগ্ৰস্ত কৰি তুলিছিল। এই সম্পৰ্কে ঐতিহাসিক মজুমদাৰে দিয়া মন্তব্য বিশেষ প্ৰণিধানযোগ্য, "The futility of such a campaign was recognised by most people, and even Congressmen who had suffered imprisonment for it joined with them in an appeal to call off the movement But Gandhi would never withdraw it, nor convert it into a mass movement as a large section desired, for he feared that the mass action during the war would embarrass the Government" ৰজনী পাম দত্তয়ো একেই সুৰত লিখিছে, "The purely symbolic method of individual satyagraha was chosen in order to cause no embarrassment, and indeed the semi-official historian, Sir Reginal Coupland has admitted that " the campaign had not seriously embarrassed the Government"

কংগ্ৰেছ নেতৃত্বৰ এই আপোচকামী দৃষ্টিভঙ্গীৰ বিপৰীতে কমিউনিষ্ট পাৰ্টিৰ ৰাজনৈতিক দৃষ্টিভঙ্গী আৰু কৰ্মপন্থা আছিল সময়োপযোগী। কিয়নো "At the end of *1940 the communists decided to capitalise on Britain's preoccupation*

with the war and seize the opportunity to overthrow the Raj in India "

১৯৪১ চনত আন্তৰাষ্ট্ৰীয় ৰাজনীতি তথা যুদ্ধ পৰিস্থিতিৰ এক বিশেষ পৰিবৰ্তন সাধিত হয়। সেই বছৰৰে জুন মাহত হিটলাৰে বিশ্বৰ প্ৰথমখন সমাজতান্ত্ৰিক ৰাষ্ট্ৰ ছোভিয়েট দেশ আক্ৰমণ কৰে। জাৰ্মানীৰ দ্বাৰা সমাজতন্ত্ৰৰ পিতৃভূমি ছোভিয়েট দেশ আক্ৰান্ত হোৱা ঘটনাই ভাৰতবৰ্ষত যথেষ্ট আলোড়নৰ সৃষ্টি কৰিছিল। বিশ্বৰ পৰ-পদানতআৰু নিপীড়িত জাতিসমূহে ছোভিয়েট সমাজতান্ত্ৰিক ৰাষ্ট্ৰক স্বাধীনতা আৰু অৰ্থনৈতিক মুক্তিৰ একআলোক স্তম্ভৰূপে গণ্য কৰি আহিছিল। বৃটিশ সাম্ৰাজ্যবাদৰ দ্বাৰা পদদলিত দেশ ভাৰতবৰ্ষতো অসহযোগ আন্দোলনৰ কালৰপৰাই ছোভিয়েট সমাজতান্ত্ৰিক ৰাষ্ট্ৰৰ আৰ্দশত ৰাজনৈতিক স্বাধীনতাৰ লগতে বিপুল জনগণৰ অৰ্থনৈতিক মুক্তিৰ দিশতো নিৰ্দিষ্ট কাৰ্যসূচী দাঙি ধৰা হৈছিল। কমিউনিষ্ট অথবা সমাজবাদীসকলৰ কথা বাদেই আনকি জাতীয় কংগ্ৰেছৰ প্ৰথম শ্ৰেণীৰ নেতা জবহৰলাল নেহেৰুৱেও ছোভিয়েট দেশত সমাজতান্ত্ৰিক ৰাষ্ট্ৰীয় পুনৰ গঠন আৰু অৰ্থনৈতিক দিশত লাভ কৰা সাফল্যৰ প্ৰতি লক্ষ্য ৰাখি সমাজবাদৰ প্ৰতি ৰাজহুৱা ভাৱে প্ৰশংসা বাণী উচ্চাৰণ কৰিছিল। কংগ্ৰেছৰ লৌক্ষ্ণপুৰ অধিৱেশনত (১৯৩৬) সভাপতিত্ব কৰি নেহেৰুৱে তেওঁৰ ভাষণত বাৰম্বাৰ ছোভিয়েট সমাজতন্ত্ৰৰ আদৰ্শৰাজিক শ্ৰোতাৰ আগত দাঙি ধৰিছিল।

গতিকে বিশ্বৰপদদলিত তথা নিপীড়িতসকলৰ মুক্তিৰ আৰ্দশ স্বৰূপ সমাজতান্ত্ৰিক ৰাষ্ট্ৰ ছোভিয়েট দেশ জাৰ্মানীৰ দ্বাৰা আক্ৰান্ত হোৱাত ভাৰতৰ্বত ভীষণ ৰাজনৈতিক প্ৰতিক্ৰিয়া হৈছিল। কংগ্ৰেছ কাৰ্যকৰী সমিতিয়ে ছোভিয়েট ৰাষ্ট্ৰৰ এই সংকট মুহূৰ্তত প্ৰস্তাৱাকাৰে ছোভিয়েট জনসাধাৰণৰ প্ৰতি গভীৰ উদ্বেগ আৰু সহানুভূতি প্ৰকাশ কৰিছিল, "The Soviet Union has stood for certain human, cultural and social values which are of great importance to the growth and progress of humanity The working Committee consider that it would be a tragedy if the cataclysm of war involved the destruction of this endeavour and achievement. They have admired the astonishing self-sacrifice and heroic courage of the Soviet people in defence of their country and freedom and send to them their warm sympathy "

১৯৪১ চনৰ শেহছোৱাতঅৰ্থাৎ জুনৰপৰা নবেম্বৰ মাহৰ ভিতৰত কমিউনিষ্ট পাৰ্টিৰ ফালৰপৰা স্বাধীনতাৰ বাবে দেশজোৰা ব্যাপক আন্দোলনৰ প্ৰস্তুতি চলোৱা হৈছিল। উল্লেখ কৰিব পাৰি যে স্বাধীনতাৰ বাবে গান্ধীৰ নেতৃত্বত কংগ্ৰেছে চলোৱা একক সত্যাগ্ৰহৰ পৰ্ব

ইতিপূৰ্বে মে' মাহতে সমাপ্ত হৈছিল। আনহাতে ১৯৩৪ চনৰেপৰা কমিউনিষ্টসকলৰ ওপৰত চলি অহা নিৰ্যাতনৰো অন্ত পৰা নাছিল, পাৰ্টিও বে-আইনী হৈয়েই আছিল। তথাপিও এই কালছোৱাত পাৰ্টিৰ বিভিন্ন গণ সংগঠনৰ জড়িয়তে স্বাধীনতা আন্দোলন জোৰদাৰ কৰাৰ বাবে সদস্য আৰু কৰ্মীসকল সচেষ্ট হৈ পৰিছিল। বৃটিশ বিৰোধী ভাষণ দিয়াৰ অপৰাধতেই ছেপ্তেম্বৰ মাহত (কমিউনিষ্ট পন্থী) নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ নেতা ফাৰুকীক গ্ৰেপ্তাৰ কৰিছিল। মাদ্ৰাজ ষ্টুডেন্টছ কন্‌ফাৰেঞ্চৰ দ্বিতীয় বাৰ্ষিক অধিৱেশনত (নবেম্বৰ) কমিউনিষ্টসকলে স্বাধীনতাৰ বাবে দেশজোৰা ছাত্ৰ আন্দোলনৰ দাবী তুলিছিল।

সেই একে মাহতেহীৰেন মুখাৰ্জীয়েপাঞ্জাব ষ্টুডেন্টছ কন্‌ফাৰেঞ্চতো ঘোষণা কৰিছিল যে "Indian people must "do all in their power to win freedom for the country" কিন্তু জাৰ্মানীৰ দ্বাৰা ছোভিয়েট দেশ আক্ৰান্ত হোৱাৰ পিচৰেপৰাই বিশ্ব যুদ্ধত ৰোম-বাৰ্লিন-টকিও জোঁট তথা ফেছিষ্ট জোঁটৰ বিজয়ৰ সম্ভাবনাই অকল যে বিশ্বতগণতন্ত্ৰৰে বিপদ চমু চপাই আনিছিল তেনে নহয়, লগতে সমাজতান্ত্ৰিক ৰাষ্ট্ৰ ছোভিয়েট দেশৰ ধ্বংসৰ আশংকাও ঘণীভূত কৰি তুলিছিল। আনহাতে ছোভিয়েট ৰাষ্ট্ৰৰ সহযোগ অবিহনে মিত্ৰ শক্তিৰো এই সময়ত কোনো গত্যন্তৰ নাছিল। গতিকে একালে গণতন্ত্ৰ আৰু আনফালে সমাজবাদৰ উত্তৰোত্তৰ বিকাশ আৰু সংৰক্ষণৰ বাবেই ঘাইকৈ মিত্ৰ শক্তি আৰু ছোভিয়েট ৰাষ্ট্ৰৰ মাজত ফেছিষ্ট বিৰোধী ঐক্য মঞ্চ গঢ়ি উঠাতো প্ৰায় নিশ্চিত আৰু অপৰিহাৰ্য হৈ পৰিছিল। আন্তৰাষ্ট্ৰীয় ৰাজনীতিৰ এই পুনৰ বিন্যাসৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ্বষতো কমিউনিষ্ট পাৰ্টিয়ে ফেছিষ্ট বিৰোধী গণতান্ত্ৰিক শক্তিসমূহৰ সমৰ্থনত যুদ্ধ প্ৰচেষ্টাত সহযোগিতাৰ নীতিহাততলৈছিল। তাৰ দ্বাৰা কিন্তু কমিউনিষ্টপাৰ্টিয়ে দেশৰ স্বাধীনতাৰ দাবী বাদ দিয়া নাছিল, কেৱল সাময়িকভাৱে সাম্ৰাজ্যবাদ বিৰোধী সক্ৰিয় ভূমিকা স্থগিত ৰাখি ১৯৪১ চনৰ ডিচেম্বৰ মাহৰ ১৫ তাৰিখে জনযুদ্ধ নীতি গ্ৰহণ কৰি তাৰ কাৰ্যকৰীকৰণত জোৰ দিছিল।

পৰিবৰ্তিতআন্তৰাষ্ট্ৰীয় ৰাজনীতি তথা যুদ্ধপৰিস্থিতি সম্পৰ্কে জৱহৰলাল নেহেৰুৱে সেই চনৰে ডিচেম্বৰ মাহত কৈছিল, "The progressive forces of the world are now aligned with the group represented by Russia, Britain, America and China" আনকি ডিচেম্বৰ মাহৰ শেহৰ পিনে কংগ্ৰেছ কাৰ্যকৰী সমিতিত গৃহীত প্ৰস্তাৱতো এই দৃষ্টিভঙ্গীয়েই প্ৰাধান্য লাভ কৰিছিল, "While there has been no change in British policy towards India, the Committee must nevertheless take into consideration the new world situation which has arisen

by the developments of the war and its approach to india The sympathies of Congress must inevitably lie with the peoples who are subject to aggression and are fighting for their freedm, but only a free and independent India can be in a position to undertake the defence of the country on a national basis " মন কৰিবলগীয়া কথা যে এই প্ৰস্তাৱ গৃহীত হোৱাৰ পৰিপ্ৰেক্ষিতত গান্ধীয়ে স্বেচ্ছাই কংগ্ৰেছৰপৰা আঁতৰি গৈছিল।

ইতিমধ্যে জাৰ্মানীৰ ফেছিষ্ট নেতা হিটলাৰে পোলেণ্ড, হলেণ্ড, বেলজিয়াম, নৰওৱে আৰু ফ্ৰান্স আক্ৰমণ কৰি পিচত ১৯৪১ চনৰ জুন মাহৰ ২২ তাৰিখে ছোভিয়েট ৰাচিয়া আক্ৰমণ কৰিছিল। পশ্চিম ইয়োৰূপত মিত্ৰ শক্তিৰ বাবে যুদ্ধ পৰিস্থিতিৰ এই বিপৰ্যয়ৰ সৈতে জড়িত আছিল প্ৰাচ্যৰ ৰণাঙ্গনত অন্যতম ফেছিষ্ট শক্তি জাপানৰ অগ্ৰগতি। জাপানে সেই বছৰৰে ডিচেম্বৰ মাহৰ ৭ তাৰিখে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পাৰ্ল হাৰ্বাৰত আক্ৰমণ চলাই তাত থকা মাৰ্কিন নৌ-বহৰটো সম্পূৰ্ণৰূপে বিধ্বস্ত কৰে। অকল তাতেই সন্তুষ্ট নাথাকি জাপানে ফিলিপাইন দ্বীপপুঞ্জ, ইন্দো-চীন, ইন্দোনেছিয়া আৰু মালয় আক্ৰমণ কৰি ১৯৪২ চনৰ মাৰ্চ মাহৰ ভিতৰতে বৃটিশ অধিকৃত ব্ৰহ্মদেশ আক্ৰমণ কৰি ৰেঙ্গুন দখল কৰে।

এনে এটা পৰিস্থিতিত ফেছিজিমক প্ৰতিহত কৰিবলৈ বিশ্বৰ বিভিন্ন দেশত স্বতস্ফূৰ্ত-ভাৱে প্ৰতিৰোধ আন্দোলন গঢ়ি উঠিছিল। ফেছিজিমে সৃষ্টি কৰা ভাবুকি আৰু বিপদৰ পৰিপ্ৰেক্ষিতত‌েই গণতান্ত্ৰিক আৰু সমাজবাদী দেশ আৰু শক্তি আৰু লগতে সাম্ৰাজ্যবাদৰ দ্বাৰা পদদলিত আৰু নিপীড়িত লোকৰ মুক্তিৰ প্ৰয়োজনতেই এই প্ৰতিৰোধ সংগ্ৰাম গঢ়ি উঠিছিল। গতিকে দেখা যায় ফেছিজিমৰ অভ্যুদয় আৰু আগ্ৰাসানে বিশ্বৰ দেশসমূহকদুটা প্ৰধান শিবিৰতবিভক্ত কৰি পেলাইছিল, এফালে আছিল সাম্ৰাজ্যবাদী-ফেছিষ্ট দেশসমূহ, (যেনে—ইটালী, জাৰ্মানী, জাপান আৰু স্পেইন) আৰু আনফালে আছিল সাম্ৰাজ্যবাদী-গণতান্ত্ৰিক দেশসমূহ (যেনে—ইংলেণ্ড, ফ্ৰান্স, আমেৰিকা যুক্তৰাষ্ট্ৰ আদি)। তাৰ লগেত আকৌ যুক্ত হৈ পৰিছিল তৃতীয় এটি গোট বা শক্তি আৰু সেইটো আছিল সমাজবাদী-গণতান্ত্ৰিক দেশ ছোভিয়েট ৰাচিয়া আৰু গণতান্ত্ৰিক-সমাজবাদী আদৰ্শত বিশ্বাসী অথচ সাম্ৰাজ্যবাদৰ দ্বাৰা পদানত আৰু স্বাধীনতা প্ৰয়াসী দেশসমূহ (যেনে—চীন, ভিয়েটনাম, কোৰিয়া, ভাৰতবৰ্ষ আৰু লেটিন আমেৰিকাৰ দেশসমূহ)।

গতিকে এই সময়ছোৱাৰ ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ ইতিহাস কোনোপধ্যেই দ্ৰুত পৰিবৰ্তনশীল বিশ্ব ৰাজনীতিৰ এই সমীকৰণৰপৰা আঁতৰাই আনি পৃথকে আৰু

আছুতীয়াকৈ আলোচনা কৰিব নোৱাৰি। ভাৰতবৰ্ষৰ দৰে পৰ-পদানত দেশৰ স্বাধীনতাৰ পূৰ্বচৰ্তই আছিল ফেছিবাদ-সাম্ৰাজ্যবাদ বিৰোধী সাম্ৰাজ্যবাদী-গণতান্ত্ৰিক শিবিৰৰ সৈতে আপোচ আৰু যৌথ সংগ্ৰামৰ প্ৰস্তুতি কৰাটো। তাৎপৰ্যৰ কথা যে ভাৰতবৰ্ষত কমিউনিষ্ট পাৰ্টিয়ে ১৯৪১ চনৰ ডিচেম্বৰ মাহত জনযুদ্ধৰ নীতি গ্ৰহণ কৰাৰ আগলৈ কংগ্ৰেছকে ধৰি সকলোবোৰ ৰাজনৈতিক দলৰে সেইটোই আছিল মূল ৰাজনৈতিক দৃষ্টিভঙ্গী।

ক্ৰিপ্‌ছ মিছনঃ (Cripps Mission)

সি যি কি নহওক, কংগ্ৰেছে কিন্তু নিজা ৰবীয়াকৈসময় সুবিধা বুজি ইংলেণ্ডৰ সৈতে দেশৰ স্বাধীনতাৰ প্ৰশ্নত আপোচ কৰাৰ নীতি চলাই আহিছিল। আনহাতে ইংলেণ্ডেও নিজৰ সুবিধাৰ অনুকূলে ভাৰতীয় ৰাজনৈতিক দল বিশেষকৈ কংগ্ৰেছৰ সৈতে আপোচ কৰাৰ পক্ষপাতী আছিল, বিশেষকৈ ইয়োৰূপ আৰু দক্ষিণ-পূৰ্ব এছিয়া আৰু সুদূৰ প্ৰাচ্যৰ যুদ্ধ পৰিস্থিতিয়ে সেইটো কৰিবলৈ ইংলেণ্ডক বাধ্য কৰাইছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে যুদ্ধ প্ৰচেষ্টাত ভাৰতবৰ্ষৰ প্ৰত্যক্ষ সহযোগ প্ৰাপ্তিৰ বাবে চীনৰ জাতীয়তাবাদী নেতা ছিয়াং-কাই-চেক আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেন্ট ৰুজভেল্টে বৃটেইনৰ তদানীন্তন সংযুক্ত মন্ত্ৰীসভাৰ প্ৰধানমন্ত্ৰী উইনষ্টন ছাৰ্চিলৰ ওপৰত বাৰম্বাৰ হেঁচা প্ৰয়োগ কৰি আহিছিল। ইফালে আভ্যন্তৰীণভাৱে বৃটিশ উপ-প্ৰধানমন্ত্ৰী ক্লিমেণ্ট এট্‌লী আৰু তেওঁৰ শ্ৰমিক দলেও এই ক্ষেত্ৰত ছাৰ্চিলৰ ওপৰত হেঁচা প্ৰয়োগ কৰিছিল। অৰ্থাৎ যুদ্ধ-প্ৰচেষ্টাতবৃটিশ পদানত দেশ ভাৰতবৰ্ষৰ সহায়-সহযোগ উপেক্ষা কৰাটো মিত্ৰ পক্ষৰ বাবে এক বিপজ্জনক পৰিস্থিতি আছিল বুলি আন্তৰাষ্ট্ৰীয় ৰাজনীতিত স্বীকৃত হৈছিল। সেয়ে ইংলেণ্ডৰ বিশেষকৈ ছাৰ্চিলৰ পক্ষে যুদ্ধ প্ৰচেষ্টাত নগ্নঠা ফকীৰ গান্ধীৰ দেশ ভাৰতবৰ্ষৰ সমৰ্থন লোৱাটো তেতিয়ালৈ আৰু সন্মানৰ প্ৰশ্ন হৈ থকা নাছিল। সেয়ে বৃটিশ প্ৰধানমন্ত্ৰী ছাৰ্চিলে ১৯৪২ চনৰ মাৰ্চ মাহত বৃটিশ সংযুক্ত মন্ত্ৰীসভাৰ সদস্য ছাৰ ষ্ট্যফৰ্ড ক্ৰিপছক (Sir Stafford Cripps) ভাৰতবৰ্ষলৈ পঠিয়াই দিয়ে। ক্ৰিপছ ইংলেণ্ডৰ বনুৱা দলৰ সদস্য আছিল আৰু তেওঁক ভাৰতবৰ্ষৰ জাতীয় আন্দোলনৰ প্ৰতিসহানুভূতিশীল লোকআছিল বুলি গণ্য কৰা হৈছিল।

ক্ৰিপছৰ জড়িয়তে বৃটিশ চৰকাৰে ভাৰতবৰ্ষৰ ৰাজনৈতিক নেতাসকলৰ বিবেচনাৰ বাবে পঠিওৱা প্ৰস্তাৱৰ মৰ্ম আছিল এনেধৰণৰ—

(ক) যুদ্ধৰ সামৰণি পৰাৰ পিচত ভাৰতবৰ্ষই বৃটিশ ৰাজমুকুটৰ অধীনত স্বায়ত্ত শাসন (Dominion Status) লাভ কৰিব,

(খ) যুদ্ধৰ পিচত ভাৰতবৰ্ষৰ বাবে এখন নতুন সংবিধান প্ৰস্তুত কৰিবলৈ এটি নিৰ্বাচিত সংস্থা গঠন কৰা হ'ব,

(গ) ভাৰতবৰ্ষৰ যি কোনো ৰাজ্যই ইচ্ছা কৰিলে তেনে সংবিধান নাকচ কৰি নিজা ববীয়াকৈ নিজৰ সংবিধান ৰচনা কৰি ল'ব পাৰিব, আৰু

(ঘ) সংবিধান ৰচনাৰ বাবে তেনেদৰে গঠিত সংস্থাত দেশীয় ৰাজ্যসমূহে নিজ নিজ ৰাজ্যৰ জনসংখ্যা অনুপাতে প্ৰতিনিধিত্ব লাভ কৰিব।

ছাৰ ষ্টাফৰ্ড ক্ৰিপছে ১৯৪২ চনৰ মাৰ্চ মাহৰ ২৩ তাৰিখে ভাৰতবৰ্ষত উপনীত হৈ প্ৰধান ৰাজনৈতিক দলৰ নেতাসকলৰ সৈতে উক্ত প্ৰস্তাৱৰ ওপৰত ভিত্তি কৰি কেবা লানিও আলোচনাত মিলিত হয়। কিন্তু ক্ৰিপছৰ প্ৰস্তাৱত ভাৰতবৰ্ষৰ পূৰ্ণ স্বাধীনতাৰ কোনো সম্ভেদ নথকাত ভাৰতীয় জাতীয় কংগ্ৰেছে সেই প্ৰস্তাৱ নাকচ কৰে। আনহাতে ক্ৰিপছে ভাৰতীয় ৰাজনৈতিক নেতাসকলৰ সৈতে আলোচনা কৰা কালত বৃটিশ মন্ত্ৰীসভাৰপৰা যি ধৰণে সহায় পাব লাগিছিল, তেওঁ সেই ধৰণৰ সহায় পোৱা নাছিল। বোধহয় এইবাৰো তেওঁলোকে সময় কটোৱাৰ ফন্দি পাতিছিল। গতিকে তেনে এটা অৱস্থাত ক্ৰিপছে ১৯৪২ চনৰ ১২ এপ্ৰিল তাৰিখে ব্যৰ্থতাৰ বোজা কান্ধত লৈ ইংলেণ্ডলৈ ওভতি যায়।

ক্ৰিপছৰ ভাৰত ভ্ৰমণৰ সুবিধা লৈ কংগ্ৰেছ নেতাসকলে ক্ৰিপছৰ সৈতে মোকাবিলাৰে ভাৰতৰ ৰাজনৈতিক প্ৰশ্নৰ এটি মীমাংশ কৰিব পাৰিব বুলি আশা কৰিছিল। কিন্তু ক্ৰিপছৰ লগত হোৱা সকলোবোৰ আলোচনা ব্যৰ্থতাত পৰ্যবসিত হোৱাত কংগ্ৰেছ নেতৃবৃন্দৰ মাজত ভীষণ হতাশাই দেখা দিছিল। নেহেৰুৱেতো এই ঘটনাৰ বিষয়ে লিখিবলৈ গৈ তেওঁৰ *Discovery of India* নামৰ গ্ৰন্থখনৰ এটা উপ-অধ্যায়ৰ নামেই দিছে 'Frustration' বুলি। আনকি জুলাই মাহত অনুষ্ঠিত কংগ্ৰেছৰ কাৰ্যকৰী সমিতিৰ প্ৰস্তাৱতো এই হতাশাৰ কথাই প্ৰাধান্য পাইছিল। সেই প্ৰস্তাৱত কোৱা হৈছিল, "This frustration has resulted in a rapid and widespread increase of ill-will against Britain and growing satisfaction at the success of Japanese arms "

ভাৰত ত্যাগ আন্দোলনঃ

সি যি কি নহওক, ক্ৰিপছৰ লগত ৰাজনৈতিক মকাবিলাত ব্যৰ্থ হৈ কংগ্ৰেছে ১৯৪২ চনৰ জুলাই মাহৰ ১৪ তাৰিখে চৰকাৰৰ সৈতে অসহযোগৰ প্ৰস্তাৱ গ্ৰহণ কৰি বৃটিশক ভাৰত ত্যাগ কৰি স্বদেশলৈ প্ৰত্যাগমণৰ বাবে নিৰ্দেশ দিছিল। এই প্ৰস্তাৱৰ শেষাংশত কোৱা হৈছিল, "In making the proposal for the withdrawal of British rule from India, the Congress had no desire whatsoever to embarrass Great Britain or the Allied Powers in their prosecution of the war, in any way to encourage aggression on India or increased pressure on China

by the Japanese or any other Power associated with the Axis Group Nor does the Congress intend to jeopardise the defensive capacity of the Allied Powers The Congress is therefore agreeable to the stationing of the armed forces of the Allies in India, should they so desire, in order to ward off and resist Japanese or other aggression, and to protect and help China " অৰ্থাৎ তেতিয়ালৈ মিত্ৰ শক্তি অথবা ইংলেণ্ডৰ যুদ্ধ প্ৰচেষ্টাত বাধাৰ সৃষ্টি কৰাটো কংগ্ৰেছৰ কাম্য নাছিল। কিন্তু সেইটো হ'লেও এই প্ৰস্তাবৰ মূল মৰ্ম আছিল " British rule in India must end immediately "

মন কৰিবলগীয়া কথা যে এই প্ৰস্তাবটোকেপৰিশোধিতৰূপত ৮/৯ আগষ্টত বোম্বে কংগ্ৰেছত ভাৰত ত্যাগ প্ৰস্তাৱ ৰূপে গৃহীত কৰা হৈছিল। ভাৰত-ত্যাগ প্ৰস্তাৱ আৰু তাৰেই পৰিপ্ৰেক্ষিতত সংঘটিত হোৱা আন্দোলনটোকে দেশৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত ভাৰত ত্যাগ আন্দোলনৰূপে জনা যায়। মিত্ৰ শক্তিৰ স্বাৰ্থৰ বিপৰীতে যুদ্ধ পৰিস্থিতিৰ দ্ৰুত অৱনতিলৈ চাই মৌলানা আবুল কালাম আজাদ আদি কিছু কংগ্ৰেছ নেতাই অৱশ্যে এনে এটা প্ৰস্তাব লোৱাতো পছন্দ কৰা নাছিল আৰু গান্ধীৰ উদ্দেশ্য সম্পৰ্কে তেওঁ লিখিছিল, "Gandhiji held that the British would regard his move for an organised mass movement as a warning and not take any precipitate action "

গতিকেআজাদে লিখাৰ দৰে যিহেতু গান্ধীৰ এই প্ৰস্তাব এটা 'সতৰ্কবাণী'হে আছিল সেয়ে আন্দোলনৰ কাৰ্যপন্থাৰ ফালৰপৰা চাবলৈ গ'লে তাত বিশেষ একোৱেই নাছিল। আন্দোলনৰ বাবে এই প্ৰস্তাবৰ পৰিপ্ৰেক্ষিতত গান্ধীয়ে জনগণৰ ওচৰত কোনো ধৰণৰ স্পষ্ট কাৰ্যসূচী বা আঁচনি দাঙি ধৰা নাছিল। ৭ আগষ্টৰ কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ সভাত গান্ধীয়ে আন্দোলনতঅংশগ্ৰহণকাৰীসকলে কিকৰিব লাগিব তাৰ খচৰা এখন দাঙি ধৰিছিল। তাত আছিল—

"(১) এটা নিৰ্দিষ্ট দিনত হৰতাল পালন কৰাৰ লগতে ২৪ ঘণ্টীয়া অনশন আৰু উপসনা ব্ৰত পালন কৰা, আৰু হৰতালৰ বাবে কোনো দোকানী-পোহাৰীকে জোৰ-জুলুম নকৰা, লগতেহৰতালৰ দিনা সভা, শোভাযাত্ৰা আদি অনুষ্ঠিতকৰি সত্যাগ্ৰহ সম্পৰ্কে ব্যাখ্যা দাঙি ধৰা।

(২) আন্দোলন মূলতঃ লোণ আইন ভঙ্গ কৰি অবৈধভাৱে লোণ প্ৰস্তুত কৰাৰ দিশত পৰিচালিত হ'ব।

(৩) ভূমি ৰাজহ আদায় নিদিয়া। তাৰো দুটা দিশ আছিল—জমিদাৰী এলেকাত জমিদাৰে আন্দোলনতঅংশ গ্ৰহণ কৰিলে তেওঁৰ ৰবীয়াকৈ প্ৰাপ্য ৰাজহখিনি (তেওঁক) আদায় দিব, কিন্তু চৰকাৰৰ অংশটো অনাদায় থাকিব, জমিদাৰে চৰকাৰৰ পক্ষ ললে ভূমি ৰাজহ সম্পূৰ্ণ আদায় নিদিব।"

আনহাতে তদানীন্তন কংগ্ৰেছ সভাপতি মৌলনা আবুল কালাম আজাদৰ মতে আন্দোলনৰ কাৰ্যসূচী তথা আঁচনি সম্পৰ্কে গান্ধীৰ কোনো স্পষ্ট ধাৰণা নাছিল।

সি যি কি নহওক, আন্দোলনত কেনে ধৰণৰ লোকে অংশ গ্ৰহণ কৰিব গান্ধীয়ে তাৰো নিৰ্দেশ দিছিল—"স্বাধীনতা অৰ্জনৰ বাবে সত্য আৰু অহিংসাত পূৰাদমে বিশ্বাসী কংগ্ৰেছী বা অ-কংগ্ৰেছীসকলো ভাৰতীয়ই আন্দোলনতঅংশ গ্ৰহণ কৰিব পাৰিব। ভাৰতীয় বা ইংৰাজ ব্যক্তিৰ প্ৰতি বিদ্বেষভাব পোষণ কৰা কোনো ব্যক্তিয়েই সত্যাগ্ৰহ কৰাটো উচিত নহ'ব।"

"চৰকাৰী কাৰ্যালয়, চৰকাৰী ফেক্টৰী, ৰেল বিভাগ, ডাকবিভাগ আদিৰ কৰ্মচাৰী-সকলে যেতিয়ালৈ তেওঁলোকে আন্দোলনত অংশ গ্ৰহণ কৰাটো প্ৰয়োজনীয় হৈ নুঠে, তেতিয়ালৈ অংশ গ্ৰহণ নকৰিব। বিধান সভা, মিউনিচিপালিটি আৰু অন্যান্য ৰাজহুৱা প্ৰতিষ্ঠানৰ সদস্যসকলে আন্দোলনত (অংশ গ্ৰহণ কৰিবলৈ) ওলাই আহিব। চৰকাৰী আৰু চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত লাকে সত্যাগ্ৰহত যোগ দিব। কিন্তু সেই ক্ষেত্ৰত্ৰে জোৰ জুলুম কৰাটো অনুচিত হ'ব।"

পূৰ্বে উল্লেখ কৰি অহা হৈছে যে বৃটিশ-ভাৰত চৰকাৰে ভাৰত ত্যাগ প্ৰস্তাৱক সতৰ্কবাণী হিচাপে গণ্য কৰি কোনো ধৰণৰ দমনমূলক ব্যৱস্থা নল'ব বুলি গান্ধীয়ে বিশ্বাস কৰিছিল। কিন্তু ৮/৯ আগষ্টৰ ৰাতি প্ৰস্তাৱ গৃহীত হোৱাৰ পাচতেই গান্ধীকে আদি কৰি কংগ্ৰেছ নেতৃবৃন্দক চৰকাৰে গ্ৰেপ্তাৰ কৰিছিল। নেতৃত্ববিহীন আন্দোলনৰ নামত ইয়াৰ পিচত যি ঘটিছিল সেই বিষয়ে ঐতিহাসিক তাঁৰা চাঁদৰ লিখনীত তাৰ উমান পাব পাৰি, "What followed can not be dignified with the name of a movement, for it was an outburst of blind anger- unorganised, unprepared and undirected, of a harassed and distracted people The leaderless masses were moved hither and thither swayed by a multiplicity of influence- the terrorists, the revolutionists, the Forward Bloc of Subhas Bose who had fled to Berlin, the Socialist followers of Jaiprakash Narayan who were in the Congress but were opposed to non-violence, and a num-

ber of nondescript anti-social elements, looking for opportunities for mischief The one force which ought to have guided them along the path of non-violent struggle had been eliminated by the action of Government "

অৱশ্যে ঐতিহাসিক তাঁৰা চাঁদৰ এই মন্তব্য মানি লব নোৱাৰি। কিয়নো বছৰৰ পিচত বছৰ ধৰি বিভিন্ন ৰাজনৈতিক দল-উপদলৰ জড়িয়তে চলি অহা ৰাজনৈতিককাম-কাজ আৰু সাম্ৰাজ্যবাদ বিৰোধী প্ৰচাৰে জনসাধাৰণক সততে সাম্ৰাজ্যবাদ বিৰোধী আৰু স্বাধীনতা প্ৰয়াসী কৰি তুলিছিল আৰু আন্দোলনত অংশ গ্ৰহণ কৰাৰ সুযোগ পোৱাৰ লগে লগে তেওঁলোকে তাৰ সৎ ব্যৱহাৰ কৰিছিল, তেহেলে নেতা বা আদৰ্শ যিয়েই নহওঁক লাগে। তাতআৰ্দশৰ প্ৰশ্ন বা নেতাৰ প্ৰয়োজনতকৈলক্ষ্যত উপনীত হোৱাটোৱেই আছিল প্ৰধান কথা। দেশৰ গণ আন্দোলনৰ আদৰ্শৰ সৈতে পৰিচিত স্বাধীনতা প্ৰয়াসী ভাৰতীয়লোকৰ বাবে তাতকৈআৰু বেছি কিহৰ প্ৰয়োজন? গান্ধীৰ অনুপস্থিতিটো যে ভাৰতীয়লোকে স্বাধীনতা সংগ্ৰামৰ ময়দানতস্বাধীনতাৰ বাবে আত্মাহুতিদিব পাৰে বিয়াল্লিশৰ আন্দোলনে তাকেই প্ৰমাণ কৰি থৈ গৈছে।

বিয়াল্লিশৰ গণ আন্দোলনত দেশৰ যুৱ-ছাত্ৰই এক বিশেষ ভূমিকা লৈছিল। যুৱ-ছাত্ৰসকলৰ এই ভূমিকাৰ কথা উল্লেখ কৰি নেহেৰুৱে লিখিছিল, "All over India, the younger generation, especially university students, played an important part in both the violent and peaceful activities of 1942 " আনকি আন্দোলনত অংশ গ্ৰহণ কৰাৰ বাবে বহু ছাত্ৰই শাস্তিও ভুগিব লগা হৈছিল। নেহেৰুৱে কৈছিল, "Vast numbers of students in schools and colleges were punished in various ways and thousands of youngmen were flogged "

এইখিনিতে আৰু এটা উল্লেখনীয় আৰু তাৎপৰ্যপূৰ্ণ কথা হ'ল এই যে অহিংসাৰ পূজাৰী মহাত্মা গান্ধীয়েও বিয়াল্লিশৰ আন্দোলনৰ প্ৰাক্ মূহুৰ্ত্তত দেশৰ স্বাধীনতা অৰ্জনৰ বাবে ৰাজনৈতিক অস্ত্ৰ হিচাপে অংহিসা পন্থাৰ প্ৰতি আস্থা হেৰুৱাইছিল। ক্ৰিপ্‌ছ মিছনৰ সৈতেআপোচমূলক আলোচনা-বিলোচনা চলি থকা সময়তে গান্ধীয়ে তেওঁৰ ৰাজনৈতিক সহকৰ্মী আৰু সহযোগীসকলককৈছিল যে তেওঁলোকেবিচাৰিলেবাপছন্দ কৰিলে অহিংসাৰ বিকল্প যি কোনো পন্থাকেই তেওঁলোকে গ্ৰহণ কৰিব পাৰে। তেওঁ কৈছিল," non-violence with me is a creed. But it is never as a creed that I placed it before India I placed it before the Congress as a political method

As a political method it can always be changed, modified, altered, or even given up in preference to another If you can not get what you want you will strike the bargain, and you may be sure that I will not shed a single tear " গতিকে এইটো খাটাংকৈ ক'ব পাৰি যে বিয়াল্লিশৰ আন্দোলনত যথাৰ্থতে গান্ধীৰ অহিংসা পন্থাৰো অন্তপৰিছিল।

ৰেল-লাইন ভঙা, টেলিফোন-টেলিগ্ৰাফৰ লাইন কাটি যোগাযোগ বিচ্ছিন্ন কৰা আৰু গৃহদাহ, ৰেল বগৰাই কূটঘাটমূলক কাৰ্যৰ জড়িয়তে চৰকাৰক সততে বিপৰ্যস্ত কৰা আদিৰ বাস্তৱায়ান আন্দোলনৰ সাধাৰণ কাৰ্যসূচীতপৰিণত হৈছিল। অন্যান্যসকলৰ লগতে এই সমুদায় কূটঘাটমূলক কাৰ্যত জড়িত থকাৰ উপৰিও ছাত্ৰসকলৰ বহুতেই পিকেটিং, শোভাযাত্ৰা আদিত দেশৰ সৰ্বত্ৰ মূখ্য ভূমিকা লৈ আন্দোলন ব্যাপক আৰু তীব্ৰ কৰি তুলিছিল। পট্টাভি সীতাৰামায়াই লিখিছে, " there were hartals throughout India despite the ordinance, prohibiting them, in which the school and college students took a big hand in picketing Educational institutions and Universities very soon emptied and closed from one end of the country to another, from Dacca to Delhi excepting Aligarh and from Lahore to Madrass The Benares University, however, was taken possession of by the military at an early stage in the movement "

আন্দোলনত বিপুল সংখ্যাকছাত্ৰৰ অংশ গ্ৰহণৰ কাৰণ সম্পৰ্কে বৃটিশ ভাইচ্ৰয় লৰ্ড লিন্‌লিথ'গই ১৯৪২ চনৰ ২২ আগষ্টত ভাৰত পৰিক্ৰমাৰ মন্ত্ৰী তথা ভাৰত-সচিব আমৰীলৈ লিখিছিল, "In all the disturbances students have been prominent and, as a particular example, the Benares University has been working as an organising centre In this last fact we should ourselves be inclined at present to see that main key to the situation The volume of revolutionary propaganda spread throughout the country by communist and other organisations combined with the nationalist and anti-British preachings of Congress has had a commulative effect on the educated and impressionable youth of the country To the younger generation the non-violent non-co-operation of Gandhi has never made a really strong appeal Either they have deliberately seized control and

exceeded the instruction of Congress, or the Congress leaders may themselves have instigated and subsidised a revolt, the violence of which may have gone beyond their expectations, or there may have been more sinister forces at work What matters for the moment is that youth is in command and has been putting into execution a revolutionary programme which could hardly have sprung into existence at a moment's notice!"

ভাৰত ত্যাগ আন্দোলনৰ ক্ষয়-ক্ষতিঃ

ভাৰত ত্যাগ আন্দোলনত উভয় পক্ষই যে বিপুল পৰিমাণৰ ক্ষতিৰ সন্মুখীন হৈছিল তাত কোনো সন্দেহ নাই। কিন্তু সেই ক্ষতিৰ সঠিক হিচাপ বা পৰিসংখ্যা পোৱাতো সম্ভৱ নহয়, তথাপিতো কেন্দ্ৰীয় গৃহ চৰকাৰে ১৯৪৩ চনৰ ৩১ ডিচেম্বৰলৈ প্ৰস্তুত কৰা প্ৰতিবেদনত উভয় পক্ষৰ ক্ষয়-ক্ষতিৰ পৰিমাণ তলত দিয়া ধৰণে দেখুৱাইছিল—

ক) চৰকাৰী কাৰ্য ব্যৱস্থাৰ পৰিণতি স্বৰূপে হোৱা ক্ষতিৰ পৰিমাণ

(১)পুলিচৰ গুলি চালনাৰ সংখ্যা ৬০১

(২) মৃত লোকৰ সংখ্যা ৭৬৩

(৩) জখম হোৱা লোকৰ সংখ্যা ১,৯৪১

খ) আন্দোলনকাৰীৰ কাৰ্যৰ পৰিণতিত হোৱা ক্ষতিৰ পৰিমাণ

(১) ধ্বংস প্ৰাপ্ত আৰু গুৰুতৰভাৱে ধ্বংসপ্ৰাপ্ত পুলিচ কাৰ্যালয়ৰ সংখ্যা ২০৮

(২) ধ্বংসপ্ৰাপ্ত আৰু গুৰুতৰভাৱে ধ্বংসপ্ৰাপ্ত চৰকাৰী কাৰ্যালয় ৭৪৯

(৩) ধ্বংসপ্ৰাপ্ত আৰু গুৰুতৰভাৱে ধ্বংসপ্ৰাপ্ত ৰাজহুৱা কাৰ্যালয় ৫২৫

(৪) ধ্বংসপ্ৰাপ্ত আৰু গুৰুতৰভাৱে ধ্বংসপ্ৰাপ্ত ব্যক্তিগত গৃহ ২৭৩

(৫) চৰকাৰী ক্ষতি (টকাৰ হিচাপত) ২৭,৩৫,১২৫

(৬) অন্যান্য পক্ষৰ ক্ষতি (টকাৰ হিচাপত) ৩০,০৭,২৭৪

গ) কূটঘাটমূলক কাৰ্য

(১) বোমা বিস্ফোৰণ ৬৬৪

(২) ৰাস্তাৰ ক্ষতি সাধন কাৰ্য ৪৭৪

ঘ) চৰকাৰী কাৰ্য ব্যৱস্থা

(১)পাইকাৰী জড়িমনা কৰওৱাৰ সংখ্যা ১৭৩

(২)পাইকাৰী জড়িমনাৰ পৰিমাণ (টকাৰ হিচাপত) ৯০,৮৭,৩৮২

(৩) বেত্ৰাঘাতৰ বা চাবুক মাৰাৰ সংখ্যা ২,৫৬২

(৪) গ্ৰেপ্তাৰৰ সংখ্যা ৯,৮৩৬

(৫) স্থানীয় শাসনৰ অৱসান ঘটোৱা কাৰ্য ১০৮

ঙ) ৰেলওৱে ক্ষতিৰ পৰিমাণ

(১) ধ্বংসপ্ৰাপ্ত বা গুৰুতৰভাৱে ধ্বংস কৰা ষ্টেচনৰ সংখ্যা ৩৮২

(২) ১৯৪২ চনৰ ১ অক্টোবৰৰপৰা ক্ষতি কৰা ৰেল লাইনৰ সংখ্যা ৪১১

(৩) ৰেলওৱেৰ সা-সম্পত্তিৰ ধ্বংসৰ সংখ্যা ২৬৮

(৪) ৰেল বগৰোৱা আৰু অন্যান্য কাৰ্য ৬৬

(৫) ৰেলওৱে সম্পত্তিৰ মুঠ ক্ষতিৰ পৰিমাণ (টকাৰ হিচাপত) ৫২,০০,০০০

(চ) ডাক-তাৰ বিভাগৰ ক্ষতি

(১) ধ্বংস বা গুৰুতৰভাৱে ধ্বংস কৰা কাৰ্যালয়ৰ সংখ্যা ৯৪৫

(২) ধ্বংস আৰু গুৰুতৰভাৱে কৰা ধ্বংস সাধন কাৰ্যৰ সংখ্যা ১২,২৮৬

(ছ) সামৰিক কাৰ্য ব্যৱস্থা

(১) গুলি চালনা কৰাৰ সংখ্যা ৬৮

(২) গুলি বিদ্ধ হৈ মৰা লোক সংখ্যা ২৯৭

(৩) গুলি চালনাত আঘাত প্ৰাপ্ত লোকৰ সংখ্যা ২৩৮

(৪) আকাশ মাৰ্গৰপৰা আকাশী যানেৰে কৰা গুলি বৰ্ষণৰ সংখ্যা ৫

(উৎসঃ Home Deptt Political (I) File No 3/52/43 , quoted in *History of the Freedom Movement in India*, Vol IV, Tara Chand, Govt of India,1972,pp/380-81)

এইদৰে দেখা যায় বিয়াল্লিশৰ আন্দোলনৰ পৰিণতি স্বৰূপে চৰকাৰ আৰু আন্দোলনকাৰী দুয়ো পক্ষৰে বিস্তৰ ক্ষতি হৈছিল।

ভাৰত ত্যাগ তথা বিয়াল্লিশৰ আন্দোলনৰ সমাপ্তিঃ

১৯৪২ চনৰ ছেপ্তেম্বৰ মাহৰ পাচৰপৰাই বিয়াল্লিশৰ আন্দোলনৰ ভাটা পৰিবলৈ লৈছিল। এফালে সাম্ৰাজ্যবাদী শাসন যন্ত্ৰৰ দমন-পীড়ন আৰু আনফালে আন্দোলনৰ সাংগঠনিক শিথিলতাই ইয়াৰ বাবে প্ৰধানতঃ দায়ী আছিল। 'ভাৰত ত্যাগ' প্ৰস্তাৱ মৰ্মে নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ আন্দোলনৰ নেতাসকলে যি আঁচনি প্ৰস্তুত কৰি সমৰ ক্ষেত্ৰত অৱতীৰ্ণ হ'ব লাগিছিল তেওঁলোকে সেই দৰে অৱতীৰ্ণ হোৱা নাছিল। আন্দোলন আৰম্ভ কৰিবলৈ নৌ-পাওতেই বৃটিশ চৰকাৰে গান্ধীকে আদি কৰি কংগ্ৰেছৰ নেতাসকলক

গ্ৰেপ্তাৰ কৰা কাৰ্যই তাকেই সূচায়। তেওঁলোকে জনসাধাৰণৰ ওচৰতো কোনো নিৰ্দ্ধাৰিত কৰ্ম-আঁচনি থৈ যোৱা নাছিল। স্বাধীনতাকাংক্ষী জনসাধাৰণে সেয়ে পৰিবেশ সাপেক্ষে আৰু সময় অনুকূলে নিজ নিজ আৰ্দশ আৰু পছন্দ অনুযায়ী দেশৰ স্বাধীনতা প্ৰাপ্তিৰ বাবে নিজস্ব কাৰ্যসূচীৰ ভিত্তিত আন্দোলনত অংশ গ্ৰহণ কৰিছিল। প্ৰদেশ আৰু অঞ্চল ভেদে আন্দোলনকাৰীসকলে ৰূপায়িত কৰা কাৰ্যসূচীও আছিল পৃথক পৃথক আৰু ভিন্ন ধৰণৰ। এই কাৰ্য আছিল মূলতঃ স্বাধীনতাকামী জনসাধাৰণৰ এক সৰ্বব্যাপক আৰু সৰ্বশেষ প্ৰচেষ্টাৰ বহিঃপ্ৰকাশ। ইয়াক স্বতৰ্স্ফূৰ্ত্ত বুলি ক'লেও সঠিক কোৱা নহ'ব, কিয়নো দীৰ্ঘদিনীয়া ৰাজনৈতিক মতাদৰ্শৰ প্ৰচাৰ আৰু কৰ্মৰাজিয়ে জনসাধাৰণক আন্দোলনৰ বাবে প্ৰস্তুত কৰি ৰাখিছিলেই। প্ৰশ্নটো আছিল কেৱল সময়ৰ আৰু সংগ্ৰামত নামি পৰাৰ আহ্বানৰ, সেইটো আহি পৰাত স্বাধীনতা সংগ্ৰামৰ সেনানীসকল আৰু বৈ থকা নাছিল। ভাৰতীয় জনগণৰ এই সৰ্বাত্মক স্বাধীনতা বিদ্ৰোহেই আছিল বিয়াল্লিশৰ গণ বিপ্লৱ।

সৌমেন্দ্ৰনাথ ঠাকুৰৰ নেতৃত্বাধীন কমিউনিষ্ট লীগ (পিচত ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি), সুভাষ চন্দ্ৰ বসুৰ ফ'ৰৱাৰ্ড ব্লক, ভগৎ সিঙৰ হিন্দুস্থান ছচিয়েলিষ্ট ৰিপাব্লিকান আৰ্মি (এছোছিয়েচন) আৰু জয়প্ৰকাশ নাৰায়ণৰ নেতৃত্বাধীন কংগ্ৰেছ সমাজবাদী দলৰ কৰ্মী-সংগঠকসকল আৰু ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ একাংশই '৪২ৰ আন্দোলনত সক্ৰিয় ভূমিকাত অৱতীৰ্ণ হৈছিল। প্ৰসঙ্গতঃ উল্লেখনীয় যে আন্দোলনত অংশ গ্ৰহণকাৰী এই কেইটা ৰাজনৈতিক দল আৰু কৰ্মীয়ে অহিংসা পন্থাক স্বাধীনতা সংগ্ৰামৰ একমাত্ৰ আদৰ্শ পন্থাৰূপে কোনো দিনেই গণ্য কৰা নাছিল। আনকি গান্ধীৰ অহিংসা পন্থাৰ প্ৰতি কংগ্ৰেছৰ যুৱকসকলৰো সহানুভূতি নাছিল। আনকি বিয়াল্লিশৰ আন্দোলনৰ প্ৰায় আগে আগে ক্ৰিপছ্ মিছনৰ সৈতে আলোচনা চলি থকাৰ সময়তে গান্ধীয়ে নিজেই তেওঁৰ বিশ্বস্ত ৰাজনৈতিক সহকৰ্মী আৰু সহযোগীসকলক তেওঁৰ অহিংসা নীতিৰ বিপৰীতে অন্য সময়োপযোগী নীতি গ্ৰহণ কৰিবলৈ আহ্বান কৰাৰ কথা ইতিপূৰ্বে উল্লেখ কৰি অহা হৈছে।

পূৰ্বে উল্লেখ কৰি অহা অহিংসা নীতিৰ এই নতুন ব্যাখ্যাৰ দ্বাৰা নিশ্চয় গান্ধীয়ে তেওঁৰ অনুগামী-সহকৰ্মীসকলক তেওঁৰ নিজস্ব দৰ্শনৰ বান্ধোনৰপৰা মুক্তি দিছিল আৰু তাৰ দ্বাৰা তেওঁলোকক স্বাধীনতা আন্দোলন পৰিচালনাৰ ক্ষেত্ৰত কিছু মুকলীমূৰীয়াকৈ কাম কৰাৰ বাবে সিদ্ধান্ত লোৱাৰ সুৰুঙা উলিয়াই দিছিল। আৰু হয়তো তেওঁ পূৰ্বৰ অভিজ্ঞতাৰপৰা একমাত্ৰ অহিংসা পন্থাকে হিংস্ৰ বৃটিশ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে স্বাধীনতা সংগ্ৰামৰ প্ৰশস্ত আহিলাৰূপে গণ্য কৰিবলৈ টান পাইছিল। তেওঁৰ দ্বাৰা পৰিচালিত পূৰ্বৰ আন্দোলন কেইটাত তেওঁ বৃটিশ সাম্ৰাজ্যবাদী শক্তিয়ে ভাৰতবৰ্ষৰ জনসাধাৰণৰ ওপৰত

কৰা অত্যাচাৰ উৎপীড়নৰ এক প্ৰত্যক্ষদৰ্শী আছিল। সেয়ে হয়তো তেওঁ তেওঁৰ অতি প্ৰিয় অহিংসা নীতিৰ বিপৰীতে অন্য কোনো নীতি বা আদৰ্শক স্বাধীনতা অৰ্জনৰ উপায় হিচাপে পৰিস্থিতি সাপেক্ষে, সময়-সুবিধা বুজি নাকচ, সংশোধন আৰু সলনি কৰি ল'ব পাৰিব বুলি দ্বীধাহীন ভাষাত ব্যক্ত কৰিছিল। বিয়াল্লিশৰ আন্দোলনৰ আগ মুহূৰ্ত্তত অহিংসা নীতি সম্পৰ্কত অহিংসাৰ পূজাৰী স্বয়ং গান্ধীৰ এই ভাষ্যই কংগ্ৰেছৰ ভিতৰ মহলত আৰু সমসাময়িক আন্দোলনমুখী ৰাজনীতিত যথেষ্ট প্ৰভাব পেলাইছিল বুলি ভাবিব পাৰি।

গতিকেবিয়াল্লিশৰ আন্দোলন গান্ধীৰ অহিংসা নীতিৰ বিপৰীতেপৰোক্ষভাৱে স্বয়ং গান্ধীৰ অনুমোদন মতেই হিংসা নীতিৰে চলিছিল বুলি কোৱাত একো ঐতিহাসিক বিসংগতি নাই। এই ঘটনাক্ৰম আগত নাৰাখিলে বিয়াল্লিশৰ আন্দোলনৰ গতি ধাৰা অনুধাৱন কৰাটো সহজ নহ'ব। ঐতিহাসিক ড°ৰমেশ চন্দ্ৰ মজুমদাৰে সেয়ে যথাৰ্থভাৱে কৈছে যে স্বাধীনতা আন্দোলনৰ বাবে গান্ধীয়ে উদ্ভাৱন কৰা অহিংসা নীতিৰো বিয়াল্লিশৰ আন্দোলনতেই শেষ হৈছিল, "As soon as Gandhi and his followers were removed to prison, the cult of non-violence, as understood and preached by them, came to an end, never more to figure as a potent force in India's struggle for freedom " অৱশ্যে ড° মজুমদাৰে কোৱাৰ দৰে গান্ধী আৰু তেওঁৰ অনুগামীসকলক জেইললৈ আঁতৰাই পঠিওৱাৰ বাবেহে যে আন্দোলনে হিংসা ৰূপ পৰিগ্ৰহ কৰিছিল সেইটো নহয়। পাহৰিলে নচলিব যে অহিংসা নীতিসম্পৰ্কে গান্ধীয়ে সূচনা কৰা মতাদৰ্শগত স্থিতিৰ পৰিবৰ্ত্তনেও তাতঅৰিহণা যোগাইছিল।

সি যি কি নহওক, বিয়াল্লিশৰ আন্দোলনৰ কাৰ্যসূচী ৰূপায়নৰ ফলশ্ৰুতিত সংঘটিত হোৱা ঘটনাবলীকৰা এই আন্দোলন হিংসা নীতিৰে পৰিচালিত হোৱাটো প্ৰমাণিত হোৱাৰ উপৰিও ই আদিৰেপৰাই বৃটিশ তথা মিত্ৰ পক্ষৰ যুদ্ধ প্ৰচেষ্টাত বাধা প্ৰদান কৰাৰ দিশতেই পৰিচালিতহৈছিল। তদানীন্তন ঐতিহাসিকপ্ৰেক্ষাপটত সেইটো আছিল অত্যন্ত বিপজ্জনক। ভাৰতবৰ্ষৰ ক্ষেত্ৰতএই নীতিয়ে দেশৰ গৰাকী সলনি হোৱাৰ সম্ভৱনা আৰু বিপদ মাতি আনিছিল। পূৰ্বে উল্লেখ কৰি অহা হৈছে যে কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ ১৯৪২ চনৰ ১৪ জুলাইৰ প্ৰস্তাৱত মিত্ৰ শক্তিৰ যুদ্ধ প্ৰচেষ্টাত বাধাদান কৰাৰ কোনো ইংগিত নাছিল। আনকি ৮/৯ আগষ্টত বোম্বে কংগ্ৰেছত অনুমোদন জনোৱা সেই প্ৰস্তাৱৰ সংশোধিত ৰূপতো দোহৰা হৈছিল, "The Committee is anxious not to embarrass in any way the defence of China or Russia, whose freedom is precious and must be preserved, or to jeopardise the defensive capacity of the United

Nations " তৎস্বত্বেও কিন্তু আন্দোলন মিত্ৰ পক্ষৰ যুদ্ধ প্ৰচেষ্টাত বাধা প্ৰদান কৰাতে সীমিত আছিল।

এই খিনিতে ১৯৪৪ চনৰ ৪ জুলাই তাৰিখে গান্ধীৰ সৈতে হোৱা লণ্ডনৰ "*News Chronicle*"ৰ সংবাদদাতা ষ্টিবাৰ্ট গিল্ডাৰৰ (Stewart Gelder) এটি সাক্ষাতকাৰৰ কথা উল্লেখ কৰিব পাৰি। আগষ্ট প্ৰস্তাৱৰ সম্পৰ্কিত গান্ধীৰ সৈতে হোৱা আলোচনাৰ ভিত্তিতগিল্ডাৰে ১১ জুলাই তাৰিখে "*Times of India*"তলিখা কথাখিনি আছিল এনে ধৰণৰ—' তেওঁৰ উদ্দেশ্য আছিল "to help and not to hinder the allies " আৰু যিহেতু তেওঁ দেশখনক ১৯৪২ লৈ ওভতাই নিব নোৱাৰে, সেয়ে এতিয়া (১৯৪৪ চনৰ জুলাই মাহত) তেওঁ দেশত "a national Government in full control of civil administration" গঠনৰ পোষকতা কৰিছে আৰু কৈছে যে তেনে এখন চৰকাৰ গঠন কৰিলে তেওঁ কংগ্ৰেছক সেই চৰকাৰত অংশ গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিব।'

এইটো দোঁহৰাৰ প্ৰয়োজন নাই যে মিত্ৰ শক্তিৰ যুদ্ধ প্ৰচেষ্টাতবাধা দিয়াটোৱেই এটা সময়তদেশৰ সৰ্বত্ৰ আন্দোলনকাৰীসকলৰ বাবে প্ৰধান কাৰ্যত পৰিণত হৈছিল। প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে মিত্ৰ শক্তিৰ যুদ্ধ প্ৰচেষ্টাতসহায়-সহযোগ কৰি কমিউনিষ্ট পাৰ্টিয়ে যি ভূমিকা লৈছিল সি বহুলাংশই আছিল বাস্তৱানুগ আৰু বিশ্বৰ ফেছিষ্ট জোঁটৰ পতনৰ বাবে প্ৰয়োজনীয় কাৰ্যকৰী পন্থা। লগতে উল্লেখ কৰিব পাৰি যে গান্ধীতকৈ কেবা বছৰো আগতেই কমিউনিষ্ট পাৰ্টিয়ে দেশত জাতীয় চৰকাৰ গঠনৰ দাবীও তুলিছিল।

পূৰ্বৰ দৰে বিয়াল্লিশৰ আন্দোলন পৰিচালনা কৰিবলৈ গান্ধীকেই দায়িত্ব দিয়া হৈছিল, ১৪ জুলাইৰ কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ প্ৰস্তাৱতস্পষ্টকৈ কোৱা হৈছিল, "Such a wide-spread struggle would inevitably be under the leadership of Gandhiji," আৰু ৮/৯ আগষ্টত গৃহীত প্ৰস্তাৱতো দোঁহৰা হৈছিল এইদৰে, "Such a struggle must inevitably be under the leadership of Gandhiji and the Committee request him to take the lead and guide the nation in the steps to be taken "

গতিকে দেখা যায় আন্দোলনৰ নেতা আছিল গান্ধী। কিন্তু আন্দোলনৰ নামত সমগ্ৰ দেশতে যি ব্যাপক ধ্বংসাত্মক আৰু হিংসাত্মক ঘটনা ঘটিছিল তাৰ দায়িত্ব ল'বলৈ গান্ধী তথা কংগ্ৰেছৰ নেতৃবৃন্দ অপৰাগ হৈছিল। কংগ্ৰেছেই আৰম্ভ কৰা আন্দোলন এটাৰ সন্দৰ্ভত যিবিলাক ঘটনা ঘটিছিল তাৰ লগত কংগ্ৰেছৰ কোনো সম্পৰ্ক নাছিল বুলি গান্ধী-নেহেৰু-পেটেল-পন্তে পোনছাটেই ঘোষণা কৰিছিল। চৰকাৰে কংগ্ৰেছ নেতৃবৃন্দক গ্ৰেপ্তাৰ কৰা

কার্যকে গান্ধীয়ে ব্যাপক ধ্বংসাত্মক তথা হিংসাত্মক ঘটনা ঘটাৰ কাৰণ বুলি দেখুৱাবলৈ বিচাৰিছে। অসহযোগ আন্দোলনৰ সময়ত (১৯২০-২২)বৃটিশ চৰকাৰে মহাত্মা গান্ধীক গ্ৰেপ্তাৰ নকৰোঁতেই ১৯২২ চনৰ ফেব্ৰুৱাৰী মাহত উত্তৰ প্ৰদেশৰ চৌৰীচৌৰাত হিংসাত্মক ঘটনা সংঘটিত হৈছিল। গতিকে গান্ধীৰ উপস্থিতিৰ পৰিপ্ৰেক্ষিততআন্দোলন অহিংসা পন্থাৰে পৰিচালিত হোৱাৰ কোনো নিশ্চিতি নাছিল। বিশাল দেশ এখনৰ ব্যাপক গণ আন্দোলনত সেইটো সম্ভৱো নাছিল। সি যি কি নহওক, বিয়াল্লিশৰ আন্দোলন সম্পৰ্কত নেহেৰু, বল্লভভাই পেটেল আৰু গোবিন্দ বল্লভ পন্তৰ দ্বাৰা স্বাক্ষৰিত ১৯৪৫ চনৰ ২১ ছেপ্তেম্বৰত কংগ্ৰেছৰ এটা বিবৃতিতো কোৱা হৈছিল, "No movement had been officially started by the AICC or Gandhiji "সেই বছৰৰে ১১ ডিচেম্বৰৰ কংগ্ৰেছ কার্যকৰী সমিতিৰ এটা প্ৰস্তাৱতো কোৱা হৈছিল যে ১৯৪২-৪৫ৰ কালছোৱাৰ ঘটনাৱলী আছিল "a series of impulsive and heroic albeit undirected aberrations "

আন্দোলনৰ তীব্ৰতা কমি অহাৰ লগে লগে আৰু যুদ্ধ পৰিস্থিতি মিত্ৰ শক্তিৰ অনুকূলে অহাত বৃটিশ চৰকাৰে কংগ্ৰেছ নেতাসকলক ক্ৰমাগতভাৱে কাৰামুক্তি দিয়াৰ ব্যৱস্থা কৰে। চৰকাৰৰ দ্বাৰা কঠোৰ হাতেৰে আন্দোলন দমন কৰা হৈছিল যদিও কংগ্ৰেছ নেতৃবৃন্দৰ ফালৰপৰা ১৯৪৪ চনতহে বিয়াল্লিশৰ আন্দোলনৰ আনুষ্ঠানিকভাৱে সামৰণি পেলোৱা হৈছিল। তথাপিও এইটো কিন্তু মানিব লাগিব যে বিয়াল্লিশৰ আন্দোলনৰ পৰিণতি স্বৰূপেই ভাৰতবৰ্ষত বৃটিশৰ শক্তি বাহুল্য পৰিমাণে টুটি আহিছিল আৰু এই আন্দোলনত চৰকাৰে চলোৱা নির্যাতনৰ অন্যতম পৰিণতি স্বৰূপে তেওঁলোকে ভাৰতীয় লোকৰ সদিচ্ছা সম্পূৰ্ণৰূপে হেৰুৱাইছিল। গতিকে তেওঁলোকৰ বাবে এই আন্দোলনৰ অব্যৱহিত পিচৰ কালছোৱাত ভাৰত ত্যাগ কৰাৰ বাহিৰে কোনো গত্যন্তৰ নাছিল।

দ্বিতীয় বিশ্ব যুদ্ধৰ অন্তত জাতীয় আন্দোলনঃ

আজাদ হিন্দ ফৌজঃ

বিশ্ব মহাৰণত ফেচীবাদী-সাম্ৰাজ্যবাদী শক্তিৰ পতনে ভাৰতবৰ্ষতো বিপুল আনন্দ আৰু আশাৰ সঞ্চাৰ কৰিছিল। কিন্তু সুভাষ চন্দ্ৰ বসুৰ ভাৰতীয় জাতীয় সেনা বাহিনী (INA- Indian National Army) ৰ যুদ্ধ বন্দী বিশেষকৈ জেনেৰেল শাহ নৱাজ, গুৰদয়াল সিং থিলন, প্ৰেম ছেহগাল আদিক বৃটিশ চৰকাৰে দিল্লীৰ লাল কিল্লাত সামৰিক আদালাত পাতি বিচাৰ কৰিবলৈ লোৱাত জনসাধাৰণৰ মাজত ভীষণ উত্তেজনা আৰু ক্ষোভৰ সৃষ্টি হয় আৰু এইবিলাকৰ ফলতেই সমগ্ৰ দেশতে শ্ৰমিক-কৃষক, ছাত্ৰ-যুৱক আৰু চৰকাৰী কৰ্মচাৰীসকলৰ ঐক্যবদ্ধ প্ৰচেষ্টাত সাম্ৰাজ্যবাদ বিৰোধী বিক্ষোভ, শোভাযাত্ৰা,

সভা-সমিতি আদি অনুষ্ঠিত হ'বলৈ ধৰে। ভাৰতীয় জাতীয় কংগ্ৰেছে আজাদ হিন্দ ফৌজ তথা ভাৰতীয় জাতীয় সেনা বাহিনীৰ উল্লেখিত যুদ্ধ-বন্দীকেইজনৰ পক্ষ সমৰ্থন কৰাৰ সিদ্ধান্ত লৈ ভোলাভাই দেশাইক মুখ্য অধিবক্তা হিচাপে লৈ তেওঁৰ সহায়ক হিচাপে জৱহৰলাল নেহেৰু আৰু তেজ বাহাদুৰ ছাপ্ৰুক দায়িত্ব অৰ্পণ কৰিছিল। আনহাতে যুদ্ধ-বন্দীসকলৰ বিনা বিচাৰে মুক্তি বিচাৰি হিন্দু-মুছলমান-শিখ আদি বিভিন্ন সম্প্ৰদায়ৰ লোকে দেশত এক শক্তিশালী গণ আন্দোলন গঢ়ি তুলিছিল। এই সাম্ৰাজ্যবাদ বিৰোধী গণ আন্দোলনত সকলোৱে একত্ৰিতভাৱে কংগ্ৰেছ, মুছলীম লীগ আৰু কমিউনিষ্ট পাৰ্টিৰ পতকা হাতে হাতে লৈ ফুৰিছিল।

দ'ৰাচলতে কবলৈ গ'লে আজাদ হিন্দ ফৌজৰ জন্মদাতা আছিল কেপ্টেইন সোহান সিং। তেওঁ পূৰ্বতে বৃটিশ-ভাৰত সেনা বাহিনীৰ এজন কেপ্টেইন আছিল। ১৯৪১ চনৰ ডিচেম্বৰ মাহত জাপানে বৃটিশ শাসনাধীন মালয় আক্ৰমণ কৰি বৃটিশ সেনা বাহিনীটোক পৰাভূত কৰে। তেতিয়া কেপ্টেইন সোহান সিঙৰ সৈতে এটি ক্ষুদ্ৰ দলে পলায়ন কৰে যদিও পিচত জাপানী সৈনিকৰ ওচৰত আত্মসমৰ্পণ কৰে। এইজন সোহান সিঙে জাপানী সৈনিকসকলৰ পৰামৰ্শ মৰ্মে যুদ্ধ-বন্দী ভাৰতীয় সৈনিকসকলক লৈ এটি বৃটিশ বিৰোধী সেনা বাহিনী গঠন কৰে। এইদৰে গঠিত সেনা বাহিনীটোৰ নামেই আছিল আজাদ হিন্দ ফৌজ, কিয়নো এই ফৌজটোৰ উদ্দেশ্য আছিল জাপানীসকলৰ সহযোগতবৃটিশক খেদি ভাৰতবৰ্ষ স্বাধীন কৰা। পৰবৰ্তী সময়ত যুদ্ধ বন্দীসকলৰ ওপৰিও বহু সাধাৰণ নাগৰিকেও আজাদ হিন্দ ফৌজত যোগদান কৰি স্বাধীনতা সংগ্ৰামৰ অংশীদাৰত পৰিণত হৈছিল।

প্ৰসঙ্গক্ৰমে এইখিনিতে আৰু এটা কথাৰ উল্লেখ কৰিব পাৰি। ইতিপূৰ্বে প্ৰথম বিশ্ব যুদ্ধৰ সময়তে ভাৰতীয় বিপ্লৱী ৰাসবিহাৰী বসুয়ে দেশৰপৰা পলায়ন কৰি জাপানত ৰাজনৈতিক আশ্ৰয় লৈ আছিল। তেঁৱেই ১৯৪২ চনৰ মাৰ্চ মাহৰ শেহত টকিওত প্ৰবাসী ভাৰতীয়সকলৰ এখন ৰাজনৈতিকঅভিবৰ্তন পাতি তাতেই "Indian Independence League" নামে এটি সংগঠন গঢ়ি তুলিছিল। তাৰ পিচত সেই বছৰৰে জুন মাহত বেংককত প্ৰাচ্য আৰু দক্ষিণ-পূৰ্ব এছিয়াৰ বিভিন্ন দেশত বসবাস কৰা প্ৰবাসী ভাৰতীয় লোকসকলৰ এখন প্ৰতিনিধিত্বমূলক অভিবৰ্তন পাতিছিল। সেই অভিবৰ্তনতেই ৰাজবিহাৰী বসুক "Indian Independence League"ৰ সভাপতি নিৰ্বাচিত কৰা হৈছিল। এই সংগঠনৰ উদ্দেশ্য আছিল ভাৰতবৰ্ষক স্বাধীন কৰা। উক্ত অভিবৰ্তনে এখন কাৰ্য পৰিষদ (Council of Action) গঠন কৰি ৰাসবিহাৰী বসুক সভাপতি আৰু সোহান সিঙক তাৰ প্ৰতিৰক্ষা মন্ত্ৰী আৰু আজাদ হিন্দ ফৌজৰ সেনাধ্যক্ষ (Minister of Defence and Commander-in-Chief) নিযুক্ত কৰিছিল।

এই অভিবৰ্তনতেই গৃহীত এটি প্ৰস্তাৱৰ জড়িয়তে সুভাষ চন্দ্ৰ বসুক জাৰ্মানীৰপৰা জাপানলৈ মাতি পঠিওৱা হৈছিল। সেই মৰ্মে সুভাষ চন্দ্ৰ বসুয়ে ১৯৪৩ চনৰ আগষ্ট মাহত

টকিওত উপস্থিত হৈছিল। সুভাষ চন্দ্রবসুৰ জাপান আগমন আছিল ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ অন্যতম বিবৰ্তন বিন্দু। টকিওত উপনীত হৈয়েই তেওঁ ৰাসবিহাৰী বসুৰ ঠাইত "Indian Independence League"ৰ সভাপতিপদত সমাসীন হয়। লগতে তেওঁ আজাদ হিন্দ ফৌজৰো সেনাধ্যক্ষৰ দায়িত্ব গ্রহণ কৰে। তেওঁ দায়িত্বভাৰ লোৱাৰ পিচতেই ১৯৪৩ চনৰ ২১ অক্টোবৰ তাৰিখে কাৰ্যপৰিষদক ভাৰতবৰ্ষৰ অস্থায়ী চৰকাৰ (Provisional Government) ৰূপে ঘোষণা কৰা হৈছিল।

জাপানৰ প্ৰত্যক্ষ সহযোগতআৰু পৃষ্ঠপোষকতাত গঠিতহ'লেও আজাদ হিন্দ ফৌজৰ লক্ষ্য আৰু উদ্দেশ্য আছিল বৃটিশৰ কবলৰপৰা ভাৰতবৰ্ষক মুক্ত কৰা আৰু যিকোনো পৰিস্থিতিতেই জাপানকভাৰতবৰ্ষত নিজৰ অধিকাৰ স্থাপন কৰাৰপৰা বিৰত কৰা। সেই লক্ষ্য আৰু উদ্দেশ্য আগতৰাখিয়েই আজাদ হিন্দ ফৌজৰ সৈনিকসকলে দেশৰ স্বাধীনতাৰ কাৰণে চৰম ত্যাগ কৰিবলৈ দায়বদ্ধ আছিল। কোনো ক্ষেত্ৰতে আজাদ হিন্দ ফৌজৰ সৈনিকসকলে জাপানৰ ভেৰোণীয়া সৈনিক হিচাপে কাম কৰাৰ আৰু জাপানৰ ৰাজনৈতিক অভিলাষ পুনৰ আহিলাত পৰিণত হোৱাৰ বিপৰীতে নিজস্ব সংগঠনৰ স্বতন্ত্ৰতা অক্ষুন্ন ৰাখিছিল।

এই বাহিনীৰ সৈনিকসকলে সুভাষ চন্দ্ৰ বসুক নেতাজী বুলি সম্বোধন কৰিবলৈ লৈছিল আৰু বসুৱেও জয় হিন্দ ধ্বনীৰে তেওঁলোকৰ সংগ্ৰামী চেতনাক উদ্দীপ্ত কৰি ৰাখিছিল। আজাদ হিন্দ ফৌজৰ সৈনিকসকলে ভাৰতবৰ্ষৰ পিনে অগ্ৰসৰ হৈ ১৯৪৪ চনৰ মাৰ্চ মাহত দেশৰ প্ৰায় ১৫০ কিলোমিটাৰ অভ্যন্তৰলৈ সোমাই আহিছিল। এইদৰে দেশৰ স্বাধীনতা সংগ্ৰামত আজাদ হিন্দ ফৌজৰ প্ৰায় ৪,০০০ সৈনিকে প্ৰাণ আহুতি দিছিল। কিন্তু এনে সময়তে যুদ্ধৰ গতিধাৰা মিত্ৰ শক্তিৰ অনুকূলে যোৱাত আজাদ হিন্দ ফৌজৰ ভাৰত যাত্ৰা স্তব্ধ হৈ পৰে। সি যি কি নহওক, সাময়িকভাৱে হ'লেও আজাদ হিন্দ ফৌজে দেশৰ স্বাধীনতা আন্দোলনৰ অগ্ৰগতিত বিশেষ অৰিহণা যোগাইছিল। দেশৰ আভ্যন্তৰীণভাৱে ভাৰত ত্যাগ আন্দোলন আৰু বহিঃ দিশৰপৰা আজাদ হিন্দ ফৌজে ভাৰতবৰ্ষত বৃটিশ সামৰিক বাহিনীৰ ভিত্তিমূলত আঘাত হানি সাম্ৰাজ্যবাদৰ শক্তি হ্ৰাস কৰি আনিছিল।

আজাদ হিন্দ ফৌজৰ সেনাধ্যক্ষ সুভাষ চন্দ্ৰ বসু সম্পৰ্কে ১৯৪৫ চনৰপৰা ইতিহাস নিমাত হৈ পৰে। আজি পৰ্যন্ত সুভাষ চন্দ্ৰ বসু সম্পৰ্কত একো কথাই জানিব পৰা হোৱা নাই। তেওঁ এটি আকাশী যানৰ দুৰ্ঘটনাত পতিত হৈ মৃত্যু বৰণ কৰিছিল বুলি বহুতে ইমান দিনে ধাৰণা কৰি আহিছিল যদিও অতি সম্প্ৰতি নিযুক্ত (২০০৪-০৬) ন্যায়াধীশ মুৰ্খাৰ্জী আয়োগে দুৰ্ঘটনাত নিহত নহৈ সুভাষ চন্দ্ৰ বসু ১৯৪৫ চনতে নিখোজ হৈছিলবুলি সাব্যস্ত কৰিছে।

নৌ-বিদ্ৰোহ ১৯৪৬ঃ

ভাৰতীয় জাতীয় সেনাবাহিনীৰ যুদ্ধ বন্দীসকলক কেন্দ্ৰ কৰি সংঘটিত হোৱা সাম্ৰাজ্যবাদ বিৰোধী ব্যাপক গণ বিক্ষোভৰ ঢৌ নৌ-মাৰ যাওতেই ১৯৪৬ চনৰ ফেব্ৰুৱাৰী মাহত বোম্বে, মাদ্ৰাজ আৰু কৰাছীত নৌ-বাহিনীৰ (RIN-Royal Indian Navy) মাজত বিদ্ৰোহে দেখা দিয়ে। টালৱাৰ প্ৰশিক্ষণ স্কুলত ১৮ ফেব্ৰুৱাৰীত আৰম্ভ হোৱা এই বিদ্ৰোহ ১৯ তাৰিখেই ব্যাপক নৌ-বিদ্ৰোহলৈ উন্নীত হয়। এই নৌ-বিদ্ৰোহ সম্পৰ্কে ৰজনী পাম দত্তই লিখিছে, "The rising of the Indian Navy in February 1946 laid bare in a flash all the maturing forces of the Indian Revolution The memories of the Potemkin in Russia in 1905, of Kronstadt in Russia in 1917 or Kid in Germany in 1918 have all deeply impressed the significance of the Navy in the vanguard of great revolutions The Naval rising in February, 1946, the mass movement of support within India and the heroic stand of the Bombay working people constituted the signal of the new era opening in India and one of the great landmarks of Indian history "

বিদ্ৰোহীসকলে নৌ-বহৰৰপৰা বৃটিশ সাম্ৰাজ্যবাদৰ প্ৰতীক 'ইউনিয়ন জেক' আজুৰি পেলাই দি তাৰ ঠাইত কংগ্ৰেছ আৰু মুছলীম লীগৰ পতকা উত্তোলন কৰিছিল। নৌ-বিদ্ৰোহীসকলৰ দ্বাৰা অনুষ্ঠিতবিক্ষোভসমূহৰ এক প্ৰধান বৈশিষ্ট্য আছিল এই যে তেওঁলোকে কংগ্ৰেছ, কমিউনিষ্ট আৰু মুছলীম লীগৰ পতকাৰ তলত সমবেত হোৱাৰ উপৰিও 'Jai Hind', 'Inquilab Zindabad', 'Hindus and Muslim Unite', 'Down with British Imperialism', 'Accept our Demands', 'Release the INA and Political Prisoners', 'Withdraw Indian Army from Indonesia', আদি শ্লোগান লিখা প্লে-কাৰ্ড লৈ ফুৰিছিল। বিদ্ৰোহীসকলে বোম্বে, মাদ্ৰাজ আৰু কৰাছীৰ নগৰবাসীসকলৰ পৰাও যথেষ্ট সহায়-সহানুভূতি লাভ কৰিছিল আৰু ই অচিৰেই এক ব্যাপক ৰাজনৈতি অভ্যুত্থানলৈ উন্নীত হৈছিল।

বিদ্ৰোহীসকলে আৰম্ভণীৰেপৰাই কংগ্ৰেছ আৰু মুছলীম লীগ নেতৃত্বৰ লগত যোগাযোগ ৰাখি আহিছিল। ইপিনে আন্দোলন পৰিচালনা কৰাৰ বাবে তেওঁলোকে 'Central Naval Strike Committee' গঠন কৰিছিল। চৰকাৰী নিৰ্দেশ মতে ভাৰতীয় সেনাই বিদ্ৰোহীসকলৰ ওপৰত গুলী চলাবলৈ নোখোজাত চৰকাৰে বৃটিশ সেনা আনি বিদ্ৰোহ দমন কৰাৰ পন্থা লৈছিল। এডমিৰেল গডফ্ৰে এই বিদ্ৰোহ কঠোৰ হাতেৰে দমন কৰিব বুলি ধমকি দিছিল, "Overwhelming forces at the disposal of the Government will be used to the utmost. even if it means the destruction

of the Navy" এডমিৰেল গড্‌ফ্ৰেৰ এই ধমকিৰ পৰিপ্ৰেক্ষিতত 'Central Naval Strike Committee' য়েও বিদ্ৰোহৰ প্ৰতি সৰ্মথন জনাবলৈ জনসাধাৰণৰ ওচৰত আহ্বান জনাইছিল। 'Strike Committee'ৰ এই আহ্বানৰ প্ৰতি সঁহাৰি দি বোম্বেৰ শ্ৰমিক সংগঠনসমূহে কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত ২২ ফেব্ৰুৱাৰীৰ দিনা ব্যাপক বিক্ষোভত মিলিত হৈছিল। বিদ্ৰোহীসকলৰ সমৰ্থনত বোম্বাইত কল-কাৰখানা, কৰ্ট-কাছাৰী সকলোতে সৰ্বাত্মক হৰতাল পালন কৰা হৈছিল। এই বিদ্ৰোহ দমন কৰিবলৈ গৈ চৰকাৰে ২১-২৩ ফেব্ৰুৱাৰীৰ ভিতৰত ২৫০ জন ব্যাক্তি আৰু ৯ জন নৌ-বাহিনীৰ লোকক গুলিয়াই হত্যা কৰিছিল।

অৱশেষত দেশৰ ৰাজনৈতিক সংগঠনসমূহৰপৰা প্ৰত্যক্ষ সহাঁৰি নাপাই 'Strike Committee'ৰ সভাপতিয়ে "We surrender to India and not to Britain" বুলি ঘোষণা দি এই ঐতিহাসিক বিদ্ৰোহৰ সামৰণি পেলাইছিল। এই নৌ-বিদ্ৰোহে ভাৰতবৰ্ষত বৃটিশ সাম্ৰাজ্যবাদৰ ক্ষমতাৰ মূল উৎসটোকে অথালি-পথালিকৈ জোঁকাৰি পেলাইছিল। নৌ-বিদ্ৰোহ সংঘটিত হোৱাৰ পৰিপ্ৰেক্ষিতত দেখা দিয়া গণ বিক্ষোভ আৰু শ্ৰমিকৰ মাজত গঢ়ি উঠা সংগ্ৰামী ঐক্যই ভাৰতবৰ্ষতবৃটিশ শাসন-শোষণৰ অন্তিম দশাও চমু চপাই আনিছিল।

তাৰ পিচতো দেশত গণ আন্দোলনৰ অন্ত পৰা নাছিল। ১৯৪৬ চনৰ জুলাই মাহত ডাক-তাৰ আৰু টেলিফোনৰ কৰ্মচাৰীসকলে দেশ জোৰা ধৰ্মঘটত মিলিত হৈছিল। ধৰ্মঘট, হৰতাল আদি দেশ জোৰা গণ আন্দোলনৰ আহিলাত পৰিণত হৈছিল। আনকি হায়দাৰাবাদ, কাশ্মীৰ, ত্ৰিবাঙ্কোৰ আদি দেশীয় ৰাজ্যৰ প্ৰজা সাধাৰণেও এই আন্দোলনৰ অংশীদাৰত পৰিণত হৈ দেশৰ মুক্তি আন্দোলন শক্তিশালী কৰি তুলিছিল। দেশৰ বিভিন্ন অঞ্চলৰ কৃষক জনসাধাৰণেও এই সময়ছোৱাত বহি থকা নাছিল। ভূমি স্বত্বৰ দাবী আৰু অধিক খাজনাৰ বিৰুদ্ধাচৰণ কৰি হায়দাৰাবাদ, মালাবাৰ উপকূল, বংগ, বিহাৰ, উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ আদিত ব্যাপক কৃষক বিদ্ৰোহ সংঘটিত হৈছিল। স্বাধীনতা অৰ্জনৰ বাবে চলি থকা এই ধৰণৰ আন্দোলনমুখী পৰিবেশৰপৰা স্কুল-কলেজ-বিশ্ববিদ্যালয়ৰ ছাত্ৰ-যুৱকসকলো পিচ পৰি থকা নাছিল। শোভাযাত্ৰা, হৰতাল, ধৰ্মঘট, বিক্ষোভ প্ৰদৰ্শনত ছাত্ৰ-যুৱকসকলেও নিজ নিজ ভূমিকা পালন কৰিছিল।

মন্ত্ৰীদূত আৰু মন্ত্ৰীদূতৰ আঁচনি : ১৯৪৬ (Cabinet Mission & Its Plan)

দ্বিতীয় বিশ্ব মহাৰণৰ সামৰণিৰ লগে লগেই (১৯৪৫) ইংলেণ্ডত অনুষ্ঠিত সাধাৰণ নিৰ্বাচনত ৰক্ষণশীল দলৰ পতন হয় আৰু চি আৰ এটলীৰ নেতৃত্বত বনুৱা দল ক্ষমতাসীন হয়। যুদ্ধোত্তৰ কালৰ পুঁজিবাদী-সাম্ৰাজ্যবাদী ইংলেণ্ডৰ ৰাজনীতিতএই ঘটনাই এটি বৃহৎ পৰিবৰ্তনকেই সূচীত কৰে। আনহাতে আন্তৰাষ্ট্ৰীয় ৰাজনীতিতো দ্ৰুত পৰিবৰ্তনে দেখা দিছিল। জাৰ্মান-জাপান-ইটালীৰ সাম্ৰাজ্যবাদী-ফেচীবাদী জোটৰ পতনৰ পিচত কেৱল

অৱশিষ্ট ৰৈছিল ইংগ-মাৰ্কিন সাম্ৰাজ্যবাদ। এই অৱশিষ্ট সাম্ৰাজ্যবাদী শক্তি দুটাইও ছোভিয়েট ৰাচিয়াৰ মুখাপেক্ষী হ'বলৈবাধ্য হৈছিল। এই আন্তৰাষ্ট্ৰীয় ৰাজনীতিৰ দ্ৰুত পৰিবৰ্তন-শীল পৰিস্থিতিত সাম্ৰাজ্যবাদীইঁতৰ পদানত উপনিৱেশবিলাকত মুক্তি আন্দোলনৰ দামামা বাজি উঠিছিল। গতিকে এনে এটা অৱস্থাত ভাৰতবৰ্ষৰ ক্ষেত্ৰত বৃটিশ প্ৰধানমন্ত্ৰী এটলীৰ উপলব্ধি আৰু সেই উপলব্ধি নিসৃতসিদ্ধান্ত আছিল—"Britain must quit"—অৰ্থাৎ ভাৰতবৰ্ষকে ধৰি পদানত দেশসমূহৰ স্বাধীনতা স্পৃহা আৰু আন্দোলনক উপেক্ষা কৰাটো ইংলেণ্ডৰ বাবে অসম্ভৱ হৈ উঠিছিল।

১৯৪৬ চনৰ ১৮ ফেব্ৰুৱাৰীত বোম্বেত নৌ-বিদ্ৰোহ আৰম্ভ হোৱাৰ পিচ দিনাই বৃটিশ প্ৰধানমন্ত্ৰী চি আৰ এটলীয়ে ভাৰতবৰ্ষৰ ৰাজনৈতিক সমস্যা সমাধান কল্পে ভাৰতবৰ্ষলৈ মন্ত্ৰীদূতপঠিওৱাৰ সিদ্ধান্তৰ কথা ঘোষণা কৰিছিল। ভাৰত-পৰিক্ৰমাৰ মন্ত্ৰী পেথিক লৰেঞ্চৰ (Pethick-Lawrence-Secretary of State) নেতৃত্বত পঠিবাবলৈ সিদ্ধান্ত কৰা এই মন্ত্ৰীদূতৰ দলভুক্ত আন দুজন সদস্য আছিল বৰ্ড অৱ ট্ৰেডৰ সভাপতি ষ্ট্যাফৰ্ড ক্ৰীপ্‌ছ (Stafford Cripps-President of the Board of Trade) আৰু নৌ-অধীক্ষক এ ভি আলেকজেণ্ডাৰ (A V Alexander- First Lord of Admiralty)। ২৩ মাৰ্চত আহি এই মন্ত্ৰীদূতে ভাৰতবৰ্ষত(কৰাচীত) পদাৰ্পণ কৰে। মন্ত্ৰীদূতৰ ভাৰত আগমনৰ আগ মুহূৰ্ত্তত ১৫ মাৰ্চত বৃটিশ প্ৰধানমন্ত্ৰী এটলীয়ে এই বুলি ঘোষণা কৰিছিল যে—"It is no good applying the formula of the past to the present position The temperature of 1946 is not the temperature of 1920, 1930 or even 1942

"Nothing increases the pace and movement of public opinion more than a great war Everyone who had anything to do with this question in the early days between the wars knows what effect the war of 1914-18 had on Indian aspirations and ideas I am quite certain that at the present time the tide of nationalism is running very fast in India and indeed all over Asia .

"India herself must choose as to what will be her future situation and her position in the world

"I hope that India may elect to remain within the British Commonwealth. It is a free association of free peoples

"If on the other hand she elects for independence- and in our view she has a right to do so- it will be for us to help make the transition as smooth and as easy as possible."

বহু আকাংক্ষিত ভাৰতবৰ্ষৰ ৰাজনৈতিক সমস্যা সমাধানৰ ক্ষেত্ৰত মন্ত্ৰীদূতে কৰিবলগীয়া কাৰ্যাবলী আছিল নিম্নৰূপ—

ক) 'সংবিধান এখন ৰচনাৰ ক্ষেত্ৰত কেন্দ্ৰীয় বিধান পৰিষদ আৰু প্ৰাদেশিক বিধান পৰিষদবোৰলৈ নিৰ্বাচিত প্ৰতিনিধিসকলৰ লগত আলোচনা মৰ্মে বহুল ভিত্তিত এক সূত্ৰ উদ্ভাৱন কৰা,

খ) 'সংবিধান ৰচনাৰ বাবে এখন পৰিষদ গঠন কৰা, আৰু

গ) 'প্ৰধান ৰাজনৈতিক দলসমূহৰ সমৰ্থনত এখন কাৰ্যকৰী পৰিষদ গঠন কৰা।'

ৰাজনৈতিক দল তথা সংগঠনসমূহৰ নেতা-নেত্ৰী আৰু চৰকাৰী বিষয়া আমোলা-সকলৰ সৈতে আলোচনাৰ পিচত মন্ত্ৰীদূতে ১৬ মে'ত যি ঘোষণা দিছিল তাৰ মৰ্ম আছিল এনেধৰণৰ—

(ক) বৈদেশিক পৰিক্ৰমা, প্ৰতিৰক্ষা আৰু যোগাযোগ ব্যৱস্থাসহ অখণ্ড ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰৰ অস্তিত্ব(Union of India) স্থাপন কৰা,

(খ) বৃটিশ-ভাৰত আৰু দেশীয় ৰাজ্যসমূহৰ দ্বাৰা নিৰ্বাচিত এখন কেন্দ্ৰীয় কাৰ্যপালিকা (Executive) আৰু বিধান পৰিষদ (Legislature) গঠন কৰা,

(গ) কেন্দ্ৰীয় চৰকাৰৰ ওপৰত ন্যস্ত বিষয়সমূহৰ বাদে অৱশিষ্ট সকলো বিষয় প্ৰাদেশিক চৰকাৰৰ অধীনলৈ অনা হ'ব,

(ঘ) কেন্দ্ৰীয় চৰকাৰৰ ওপৰত ন্যস্ত কৰা আৰু কেন্দ্ৰীয় চৰকাৰৰ এক্তিয়াৰ বহিৰ্ভূত সকলো বিষয় প্ৰাদেশিক চৰকাৰৰ হাতত ন্যস্ত থাকিব,

(ঙ) নিজস্ব কাৰ্যপালিকা আৰু বিধান পৰিষদসহ প্ৰদেশসমূহে ক, খ, আৰু গ জোঁটত (Groups or sub-federation) অংশ গ্ৰহণ কৰা-নকৰাৰ স্বাধীনতা থাকিব,

(চ) দেশৰ সংবিধান ৰচনাৰ বাবে নিম্ন লিখিত ধৰণে সদস্য লৈ এখন সংবিধান সভা (Constituent Assembly) গঠন কৰা হ'ব—বৃটিশ-ভাৰতৰপৰা ২৯২ জন, দেশীয়ৰাজ্যসমূহৰপৰা ৯৩ জন। বৃটিশ-ভাৰতৰ সদস্যসকলৰ আকৌ ২১০ জন হিন্দু, ৭৮ জন মুছলমান আৰু ৪ জন শিখ হ'ব লাগিব। অৰ্থাৎ সংবিধান সভাৰ মুঠ সদস্য সংখ্যা হ'ব ৩৮৫ জন।

মন্ত্ৰীদূতৰ আঁচনিত ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় ঐক্য অটুট ৰখাৰ প্ৰস্তাৱ কৰা হৈছিল। তাৰ বাবে প্ৰথমতে, তিনি স্তৰপ বা খলপৰ (Three tier) সংবিধানৰ ভিত্তিত কেন্দ্ৰ, জোঁট বা শাখা (Group) আৰু প্ৰদেশসমূহৰ বাবে পৃথক পৃথক সংবিধানৰ ব্যৱস্থা কৰা হৈছিল আৰু দ্বিতীয়তে, সংবিধান ৰচনাৰ কাম শেষ নোহোৱা পৰ্যন্ত প্ৰধান ৰাজনৈতিকদলসমূহৰ

অৰ্ন্তভূক্তিৰে এখন অন্তৰ্বৰ্তীকালীন চৰকাৰ (Interim Government) গঠন কৰাৰ প্ৰস্তাব কৰা হৈছিল। অৰ্থাৎ মন্ত্ৰীদূতৰ এই ঘোষণা মতে প্ৰদেশসমূহক তিনিটা শাখাত—ক, খ, আৰু গ—বিভক্ত কৰাৰ ব্যৱস্থা ৰখা হৈছিল। উল্লেখ কৰিব পাৰি যে ধৰ্মীয় দৃষ্টিভঙ্গী আগত ৰাখিয়েই এই ৰাজনৈতিক-প্ৰশাসনিক বিভাজনবোৰ কৰা হৈছিল—হিন্দু সংখ্যা গৰিষ্ঠ 'ক' শাখাৰ অন্তৰ্ভূক্ত আছিল মাদ্ৰাজ, বোম্বে, উত্তৰ প্ৰদেশ, বিহাৰ, মধ্য প্ৰদেশ আৰু উৰিষ্যা, উত্তৰ পশ্চিম মুছলীম সংখ্যা গৰিষ্ঠ 'খ' শাখাত আছিল পাঞ্জাব, উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ, সিন্ধু, আৰু বেলুচিস্তান, আৰু উত্তৰ পূবৰ মুছলীম সংখ্যা গৰিষ্ঠ 'গ' শাখাত অন্তৰ্ভূক্ত আছিল অসম আৰু বঙ্গদেশ।

ধৰ্মীয় সংখ্যা গৰিষ্ঠতাৰ ভিত্তিত প্ৰদেশসমূহক এই শাখা বা জোঁটত সাঙুৰি দি জোঁটসমূহৰ সংবিধান আৰু সেই জোঁটৰ জৰিয়তেই প্ৰদেশসমূহৰ পৃথক সংবিধান ৰচনা কৰিবলৈ ব্যৱস্থা কৰাৰ ফলত নামত নহ'লেও কাৰ্যতঃ মুছলীম লীগৰ পাকিস্তান দাবীকেই মানি লোৱা হৈছিল। মন্ত্ৰীদূতৰ আঁচনিৰ সৈতে মুছলীম লীগে লাহোৰ অধিৱেশনত (১৯৪০) গৃহীত পাকিস্তান প্ৰস্তাৱৰ সাদৃশ্য আছিল মন কৰিবলগীয়া।

অন্যৰ কথা বাদেই মন্ত্ৰীদূতৰ এই আঁচনিৰ প্ৰতি মহাত্মা গান্ধীৰ দৰদ উথলি উঠিছিল, তেওঁ মন্ত্ৰীদূতৰ প্ৰস্তাৱসমূহক " the seed to convert this land of sorrow into one without sorrow and suffering" ৰূপে গণ্য কৰিছিল। আজাদে ইয়াক ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এক গৌৰৱোজ্জ্বল ঘটনা বুলি অভিহিত কৰিছিল। আনহাতে আঁচনিখনৰ মাধ্যমত পাকিস্তান দাবীৰ বাস্তৱায়ন হোৱাত ৬ জুনত মুছলীম লীগেও মন্ত্ৰীদূতৰ আঁচনিখন মানি লৈছিল (" the basis and foundation of Pakistan are inherent in the Mission's Plan ")। ইফালে ২৬ জুন তাৰিখে কংগ্ৰেছ কাৰ্যকৰী সমিতিয়েও অন্তৰ্বৰ্তীকালিন চৰকাৰত মুছলীম লীগৰ প্ৰতিনিধিত্বৰ যি ব্যৱস্থা দিয়া আছিল তাক নাকচ কৰি মূলতঃ মন্ত্ৰীদূতৰ আঁচনিখন গ্ৰহণ কৰিছিল।

গতিকে দেখা যায় সকলোবোৰ ৰাজনৈতিক দল আৰু নেতাই মন্ত্ৰীদূতৰ আঁচনিখনক ভাৰতবৰ্ষৰ মুক্তিৰ চনদ ৰূপে গ্ৰহণ কৰা হৈছিল। কংগ্ৰেছ কাৰ্যকৰী সমিতিয়ে এই আঁচনি গ্ৰহণ কৰি লোৱা প্ৰস্তাৱৰ প্ৰতি নিখিল ভাৰত কংগ্ৰেছ সমিতিৰ (AICC) অনুমোদন লাভাৰ্থে ৭ জুলাইত বোম্বেতনিখিল ভাৰতকংগ্ৰেছ সমিতিৰ সভা আহ্বান কৰিছিল। নিখিল ভাৰত কংগ্ৰেছ সমিতিৰ সভাত প্ৰস্তাৱ উত্থাপন কৰি আজাদে পুনৰ দোঁহাৰিছিল যে মন্ত্ৰীদূতৰ আঁচনিয়ে " marked the achievement of independence without a violent and bloody uprising "

এই ফালৰপৰাও দেখা যায় যে মন্ত্ৰীদূতৰ আঁচনিয়ে কংগ্ৰেছ আৰু মুছলীম লীগ উভয়কে সন্তুষ্ট কৰিব পাৰিছিল। কিন্তু ১০ জুলাইৰ সাংবাদিক মেলত কংগ্ৰেছ সভাপতি

জৱহৰলাল নেহেৰুৱে দিয়া কিছু স্পষ্টীকৰণৰ পৰিপ্ৰেক্ষিতত, বিশেষকৈ " as President of the Congress, had every intention of modifying the Plan, " that there will be no grouping" আদিয়ে মুছলীম লীগৰ নেতৃত্বৰ মনত সন্দেহৰ সৃষ্টি কৰে। কংগ্ৰেছ সভাপতি নেহেৰুৰ এই স্পষ্টীকৰণৰ পৰিপ্ৰেক্ষিতত মুছলীম লীগে ১৯৪৬ চনৰ ২৯ জুলাইত মন্ত্ৰীদূতৰ আঁচনি সম্পৰ্কত তেওঁলোকৰ পূৰ্বৰ সিদ্ধান্তৰ বিপৰীতে পাকিস্তান দাবীৰ কাৰ্যকৰীকৰণৰ দিশত পোনপটীয়া কাৰ্যপন্থা নিৰ্দ্ধাৰণৰ কথা সদৰি কৰে। তেওঁলোকে পাকিস্তানৰ দাবী বেছি তীব্ৰভাৱে উৎথাপন কৰে আৰু সেই দাবী পূৰণৰ দিশত দৃঢ় পদক্ষেপৰূপে ১৬ আগষ্টৰ দিনটো প্ৰত্যক্ষ দাবী দিবস ('Direct Action Day') হিচাপে সমগ্ৰ দেশতে পালন কৰাৰ আহ্বান দিয়ে।

এই দাবী দিবসৰ দিনা সমগ্ৰ দেশতে হিন্দু-মুছলমান সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হয়। এই সংঘৰ্ষ বংগদেশত বৰ ব্যাপক হাৰত সংঘটিত হৈছিল। সেই দিনাখন অকল কলকাতা চহৰতেই ৫,০০০ মানুহ মৃত্যু মুখত পৰাৰ লগতে ১৫,০০০ লোক গুৰুতৰভাৱে আঘাত প্ৰাপ্ত হৈছিল। অসমৰ প্ৰগতিশীল কবি আৰু কলকাতা বিশ্ববিদ্যালয়ৰ ছাত্ৰ অমূল্য বৰুৱাৰো এই সাম্প্ৰদায়িক দাঙ্গাতে অকাল মৃত্যু হৈছিল।

সৰ্বভাৰতীয় ক্ষেত্ৰত এই ঘটনা-পৰিঘটনাৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰীদূতৰ আঁচনিৰ কাৰ্যকৰীকৰণৰ প্ৰক্ৰিয়াও স্থবিৰতাৰ পিনে অগ্ৰসৰ হয়।

অন্তৰ্বৰ্তীকালিন চৰকাৰঃ (Interim Government)

মন্ত্ৰীদূতৰ প্ৰস্তাৱিত আঁচনি মৰ্মে সংবিধান পৰিষদৰ নিৰ্বাচনৰ অগ্ৰগতিৰ সমসাময়িক-ভাৱে বৃটিশ ভাইচৰয় লৰ্ড ওৱাভেলে দেশত প্ৰধান ৰাজনৈতিক দলসমূহৰ সহযোগত এখন প্ৰতিনিধিত্বমূলক আৰু দায়িত্বশীল চৰকাৰ গঠনৰ প্ৰচেষ্টা অব্যাহত ৰাখিছিল। কিন্তু ভালেমান চিঠি-পত্ৰৰ আদান-প্ৰদান কৰাৰ পিচতো মহম্মদ আলি জিন্না তথা মুছলীম লীগে এই দিশত বিশেষ সহাঁৰি নিদিয়াত লৰ্ড ওৱাভেলে ১৯৪৬ চনৰ ৬ আগষ্ট তাৰিখে কংগ্ৰেছ সভাপতি জৱহৰলাল নেহৰুক এখন অৰ্ন্তবৰ্তীকালিন চৰকাৰ গঠন কৰিবলৈ আহ্বান জনায়। ইতিপূৰ্বে লৰ্ড ওৱাভেলে অৰ্ন্তবৰ্তীকালিন চৰকাৰ তথা মন্ত্ৰীসভাৰ সদস্য সংখ্যা ১৪ জনীয়া হোৱাৰ পোষকতা কৰিছিল। সেই মন্ত্ৰীসভাত কংগ্ৰেছে এজন অনুসূচীত জাতিৰ লোকৰ লগতে অন্য পাঁচজন, মুছলীম লীগে পাঁচজন আৰু ভাইচৰয়ে সংখ্যালঘুসকলৰ মাজৰপৰা তিনিজন সদস্য মনোনীত কৰিব পাৰিব বুলি জনাই দিছিল।

সি যি কি নহওক, ১০ আগষ্টত অনুষ্ঠিত কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ সভাত মন্ত্ৰীদূতৰ আঁচনি সম্পূৰ্ণৰূপে গ্ৰহণ কৰাৰ লগতে কংগ্ৰেছৰ ফালৰপৰা জৱহৰলাল নেহেৰুক অৰ্ন্তবৰ্তীকালিন চৰকাৰ গঠনৰ বাবে দায়িত্ব অৰ্পণ কৰা হয়। সেই মতে জৱহৰলাল নেহৰুৱে ২৪ আগষ্টৰ দিনা নিম্ন লিখিত ব্যক্তিসকলক লৈ অৰ্ন্তবৰ্তীকালিন চৰকাৰ এখন গঠন

কৰে। নেহৰুক প্ৰধানমন্ত্ৰী হিচাপে লৈ গঠিত সেই মন্ত্ৰীসভাৰ সদস্যসকল আছিল—

বল্লভভাই পেটেল,
ৰাজেন্দ্ৰ প্ৰসাদ,
আছফ আলি,
চক্ৰবৰ্তী ৰাজা গোপালাচাৰী,
শৰৎ চন্দ্ৰ বসু,
জন মাথাই,
বলদেৱ সিং,
শ্বাফাত আহম্মদ খাঁ,
জগজীৱন ৰাম,
আলি জাহিৰ, আৰু
চি এইচ ভাবা।

এই মন্ত্ৰীসভাই ১৯৪৬ চনৰ ২ ছেপ্তেম্বৰৰ দিনা কাৰ্যভাৰ গ্ৰহণ কৰে। ভালেমান দিন ঠেৰোঁগেৰোঁ কৰাৰ পিচত মুছলীম লীগেও অক্টোবৰ মাহৰ ১৩ তাৰিখে লৰ্ড ওৱাভেলৰ ওচৰত লিখিতভাৱে অন্তৰ্বৰ্তীকালিন চৰকাৰত অংশ গ্ৰহণ কৰাৰ ইচ্ছা প্ৰকাশ কৰে। তাৰেই পৰিণতি স্বৰূপে অক্টোবৰ মাহৰ ২৫ তাৰিখে পূৰ্বৰ নেহৰু মন্ত্ৰীসভাৰ শৰৎ চন্দ্ৰ বসু, শ্বাফাত আহম্মদ খাঁ আৰু আলি জাহিৰক অপসাৰিত কৰি মুছলীম লীগৰ নিম্ন লিখিত পাঁচজন সদস্য অন্তৰ্ভূক্ত কৰি এখন কংগ্ৰেছ-মুছলীম লীগ সংযুক্ত মন্ত্ৰীসভা গঠন কৰা হয়,

লিয়াকত আলি খাঁ,
আই আই চুন্দ্ৰীগড়,
আব্দুৰ ৰাব নিষ্টাৰ,
ঘাজানফৰ আলি খাঁ, আৰু
যোগেন্দ্ৰ নাথ মণ্ডল।

মহম্মদ আলি জিন্নাৰ নিৰ্দেশত মুছলীম লীগে ইতিপূৰ্বে ১৬ আগষ্টত পাকিস্তানৰ দাবীৰ সমৰ্থনত প্ৰত্যক্ষ সংগ্ৰাম দিবস (Direct Action Day) পালন কৰে। গতিকে দেখা যায় এফালে কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ দ্বাৰা মন্ত্ৰীদূতৰ আঁচনিৰ প্ৰতি পূৰ্ণ সমৰ্থন আৰু আনহাতে মুছলীম লীগৰ দ্বাৰা পাকিস্তান দাবীৰ সন্দৰ্ভত পোনপটীয়া সংঘৰ্ষই জোঁট ব্যৱস্থাক কেন্দ্ৰ কৰি অসমৰ লগতে সমগ্ৰ দেশতেৰাজনৈতিক উত্তেজনা বৃদ্ধিতঅধিক ইন্ধন যোগাইছিল।

মন্ত্ৰীদূত আঁচনি ব্যৰ্থ আৰু বৃটিশৰ ভাৰত ত্যাগৰ সিদ্ধান্তঃ দেশৰ স্বাধীনতা প্ৰাপ্তিঃ এইখিনিতে উল্লেখ কৰিব পাৰি যে অসমবাসীৰ অসম-বংগ জোঁটৰ তীব্ৰ বিৰোধিতা

কৰা হৈছিল আৰু অৱশেষত অসমৰপৰা হোৱা বিৰোধিতাৰ বাবেই মন্ত্ৰীদূতে আগবঢ়োৱা জোঁটব্যবস্থা কাৰ্যকৰী কৰাটো ভাৰতস্থ বৃটিশ চৰকাৰৰ বাবে সম্ভৱপৰ হৈ নুঠিল। মূলতঃ মন্ত্ৰীদূতে ভাৰতৰ ৰাজনৈতিক সমস্যা সমাধান কৰিবলৈ ব্যৰ্থ হোৱাত বৃটিশ গৃহ চৰকাৰে ১৯৪৮ চনৰ জুন মাহৰ ভিতৰতে ভাৰতবৰ্ষ ত্যাগ কৰাৰ কথা ঘোষণা কৰে। বৃটিশ প্ৰধান মন্ত্ৰী চি আৰ এটলীয়ে ১৯৪৭ চনৰ ২০ ফেব্ৰুৱাৰী তাৰিখে কমন্‌ছ সভাত (House of Commons) দিয়া ভাষণৰ কিয়দাংশ এইখিনিতেপ্ৰণিধানযোগ্য 'His Majesty's Government desire to hand over their responsibility to authorities established by a constitution approved by all parties in India in accordance with the Cabinet Mission's plan But unfortunately there is at present no clear prospect that such a constitution and such authorities will emerge The present state of uncertainty is fraught with danger and cannot be indefinitely prolonged His Majesty's Government wish to make it clear that it is their definite intention to take the necessary steps to effect the transference of power to responsible Indian hands by a date not later than June 1948 "

এই ক্ষমতা হস্তান্তৰৰ লক্ষ্য আগত ৰাখিয়েই বৃটিশ গৃহ চৰকাৰে বৃটিশ ভাইচৰয় লৰ্ড ওৱাভেলৰ ঠাইত লৰ্ড মাউণ্টবেটেনক নিযুক্তি দি ভাৰতবৰ্ষলৈ পঠিয়াই দিয়ে। ১৯৪৭ চনৰ ২২ মাৰ্চত ভাৰতবৰ্ষত উপনীত হৈ লৰ্ড মাউণ্টবেটেনে ২৪ মাৰ্চত কাৰ্যভাৰ গ্ৰহণ কৰে আৰু প্ৰায় লগে লগেই কংগ্ৰেছ, লীগ আৰু শিখ নেতৃবৃন্দৰ সৈতে ক্ষমতা হস্তান্তৰৰ বিষয়ে উপৰ্যুপৰি আলোচনাত ব্যস্ত হয়। এই আলোচনাৰ জৰিয়তে তেওঁ পোনতে মন্ত্ৰীদূতৰ আঁচনিৰ কাৰ্যকৰীকৰণৰ বাবে পুনৰ চেষ্টা চলাই ব্যৰ্থ হয়। তাত ব্যৰ্থ হৈ তেওঁ দেশ বিভাজনৰ দিশত অগ্ৰসৰ হয়। দেশৰ ৰাজনৈতিক পৰিস্থিতি তেওঁৰ বাবে অনুকূল আছিল। দেশ বিভাজনৰ প্ৰতি তেওঁ পোনতে কংগ্ৰেছৰ জৱহৰলাল নেহেৰু আৰু বল্লভভাই পেটেলৰ সম্মতি আদায় কৰে।

আজাদে ধৰ্মৰ ভিত্তিত দেশ বিভাজনৰ নীতি গ্ৰহণ কৰা নাছিল। তেওঁ কৈছিল, "The partition of India would be harmful not only to Moslems but to the whole country "কিয়নো ধৰ্মীয় মতবিৰোধতকৈঅৰ্থনৈতিক সমস্যাহে দেশৰ প্ৰকৃত সমস্যা বুলি তেওঁ স্বীকাৰ কৰিছিল, "The real problems of the country were economic, not communal The differences related to classes, not to communities Once the country became free, hindus, Moslems and Sikhs would all realize the real nature of the problems that faced them and commmunal differences would be resolved "

কিন্তু কংগ্ৰেছ আৰু মুছলীম লীগকে ধৰি দেশৰ প্ৰধান ৰাজনৈতিক দলসমূহে বিভাজনৰ ভিত্তিত দেশৰ স্বাধীনতাৰ প্ৰশ্নটো মানি লোৱাত বৃটিশ গৃহ চৰকাৰে ১৯৪৭ চনৰ জুলাই মাহত বৃটিশ সংসদত ভাৰতবৰ্ষৰ স্বাধীনতাৰ বিলখন গ্ৰহণ কৰি তাক আইনত পৰিণত কৰে (Indian Independence Act, 1947) আৰু সেই আইন মৰ্মেই ১৪ আৰু ১৫ আগষ্টত যথাক্ৰমে পাকিস্তান আৰু ভাৰতবৰ্ষই দীৰ্ঘদিনৰ স্বাধীনতা আন্দোলন আৰু তাৰেই সমান্তৰালভাবে চলাই অহা আপোচৰ ফল স্বৰূপে স্বাধীনতা লাভকৰে।

ভাৰতীয় সংবিধানৰ প্ৰধান বৈশিষ্ট্যসমূহ ঃ

১৯৪৬ চনত মন্ত্ৰী মিছনে দাঙি ধৰা আঁচনি মৰ্মে গোনতে অবিভক্ত ভাৰতবৰ্ষৰ বাবে এখন সংবিধান সভা নিৰ্বাচিত কৰি লোৱা হৈছিল। ইয়াৰ সদস্যসকলক পৰোক্ষ ভোটাধিকাৰেৰে প্ৰাদেশিক বিধান সভাবিলাকে নিৰ্বাচিত কৰিছিল। সংবিধান সভাৰ প্ৰথম বৈঠক অনুষ্ঠিত হৈছিল ১৯৪৬ চনৰ ৯ ডিচেম্বৰ তাৰিখে। কিন্তু দেশ বিভাজনৰ পৰিপ্ৰেক্ষিতত ১৯৪৭ চনৰ ১৪ আগষ্ট তাৰিখে স্বাধীন সাৰ্বভৌম ভাৰতবৰ্ষৰ সংবিধান সভাৰ বৈঠক অনুষ্ঠিত হৈছিল। এই সংবিধান সভাই ১৯৪৯ চনৰ ২৬ নবেম্বৰৰ দিনা সংবিধান ৰচনাৰ কাম সম্পূৰ্ণ কৰে আৰু সেইদিনাখনেই সংবিধান সভাত সেইখন গৃহীত হোৱাৰ পিচত সংবিধান সভাৰ সভাপতিয়ে সংবিধানখনত স্বাক্ষৰ দান কৰে। ১৯৫০ চনৰ ২৬ জানুৱাৰীৰপৰা এই সংবিধানখন স্বাধীন সাৰ্বভৌম ভাৰতবৰ্ষৰ ক্ষেত্ৰত কাৰ্যকৰী কৰা হয়। তাৰো পূৰ্বে সংবিধানৰ কেইটামান গুৰুত্বপূৰ্ণ বিষয় বা অনুচ্ছেদ ১৯৪৯ চনৰ ২৬ জানুৱাৰীৰপৰাই বলবৎ কৰা হৈছিল, আৰু সেই কেইটা হ'ল—নাগৰিকত্ব (Citizenship), নিৰ্বাচন (Election), অন্তৰ্বৰ্তী সংসদ (Provisional Parliament), অস্থায়ী (Temporary) আৰু পৰিবৰ্তনশীল (Transitional provisions) চৰ্ত আদি।

স্বাধীন ভাৰতবৰ্ষৰ সংবিধানখনৰ প্ৰধান বৈশিষ্ট্যসমূহ হ'ল এনেধৰণৰ—

(১) এই সংবিধানখনৰ বহু ধাৰা-উপধাৰা বিশ্বৰ অন্যান্য সংবিধানৰপৰা ধাৰ কৰা। সংবিধানখন ৰচনা কৰোঁতে সংবিধান ৰচকসকলে বিশ্বৰ ভালেমান সংবিধান তেওঁলোকৰ সন্মুখত আৰ্হি হিচাপে ৰাখিছিল আৰু প্ৰায়োজন সাপেক্ষে সেইবিলাকৰপৰা ভালেমান ধাৰা-উপধাৰা আনি এই সংবিধানখনত সন্নিবিষ্ট কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰ, জাৰ্মানী, আয়াৰলেণ্ড আদি দেশৰ সংবিধানৰ প্ৰত্যক্ষ প্ৰভাৱ ইয়াত আছে। তদুপৰি ইংলেণ্ডৰ সংসদীয় গণতন্ত্ৰৰ আৰ্হি-আদৰ্শও সংবিধান ৰচকসকলে লৈছিল। আনহাতে সংবিধানখনৰ বহু কথাই বৃটিশ সংসদে ৰচনা কৰা ১৯৩৫ চনৰ ভাৰত শাসন বিধিৰপৰা লোৱা।

(চ) এইখন বিশ্বৰ সৰ্ববৃহৎ লিখিত সংবিধান, ইয়াত গোনতে ৩৯৫ টা অনুচ্ছেদ (Articles) আৰু ৮ টা অনুসূচী (Schedules) সন্নিবিষ্ট কৰা আছিল।

(৩) সংবিধানখনৰ সংশোধনী প্ৰক্ৰিয়া বৰ উজু (Flexible), আৰু ইয়াৰ কোনো এটা অনুচ্ছেদৰেই সংশোধনী প্ৰক্ৰিয়া কঠিন (Rigid) নহয়। ইয়াৰ মাত্ৰ কেইটামান অনুচ্ছেদৰ সংশোধনীৰ ক্ষেত্ৰতহে প্ৰাদেশিক বিধান সভাৰ অনুমোদনৰ প্ৰয়োজন আছে। সেই ক্ষেত্ৰতো ৫০ শতাংশ প্ৰাদেশিক বিধান সভাৰ সমৰ্থন পালেই সেই সংশোধনী কাৰ্যকৰী হয়। আনহাতে সংবিধানৰ বাকী থকা অনুচ্ছেদসমূহ সংসদত উপস্থিত থকা নিম্নতম দুই-তৃতীয়াংশ সদস্যৰ ভোটাধিকাৰৰ ভিত্তিত সংশোধন কৰিব পাৰি যদিহে সংসদত উপস্থিত থকা সদস্যৰ সংখ্যা সংসদৰ মুঠ সদস্যৰ ভিতৰত গৰিষ্ঠ সংখ্যা হয়।

(৪) সকলো ভাৰতীয় নাগৰিককে সমাধিকাৰৰ ভিত্তিত ভাৰতীয় সংবিধানে মৌলিক অধিকাৰ প্ৰদান কৰিছে। ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰসমূহ (Fundamental Rights) কোনো ক্ষেত্ৰতে উলঙ্ঘা কৰিব পৰা বিধৰ নহয়, কৰিলেও কৰ্টৰ সহায়তভাৰ প্ৰতিকাৰ কৰাৰ সংবিধান প্ৰদত্ত ব্যৱস্থা আছে।

(৫) দেশৰ সৰ্ব্বোচ্চ আদালতে (উচ্চতম ন্যায়ালয়ে) সংবিধান সম্পৰ্কীয় যি কোনো বিষয়ৰ ওপৰত গুৰুত্বপূৰ্ণ ৰায় (Judicial Review) দান কৰিব পাৰে। সমনাধিকাৰৰ ভিত্তিত প্ৰদান কৰা ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰসমূহ অকল ৰাজনৈতিক আৰু আইনৰ ক্ষেত্ৰতে সীমিত নহয়, সামাজিক ন্যায় প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো প্ৰজোয্য।

(৬) প্ৰাপ্ত বয়স্ক লোকৰ বাবে সাৰ্বজনীন ভোটাধিকাৰ ভাৰতীয় সংবিধানৰ অন্যতম প্ৰধান বৈশিষ্ট্য। পূৰ্বতে ভোটাধিকাৰৰ সৰ্বোচ্চ বয়স আছিল ২১ বছৰ। সম্প্ৰতি ১৮ বছৰ বয়সৰ সকলো ভাৰতীয় নাগৰিকেই পুৰুষ, মহিলা, সা-সম্পত্তিৰ বৈষম্য নিৰ্বিশেষে ভোটাধিকাৰ লাভ কৰিছে।

(৭) ভাৰতীয় সংবিধানে দেশত প্ৰবৰ্তন কৰা শাসনৰ স্বৰূপটো সংসদীয় গণতন্ত্ৰ (Parliamentary Democracy)। ইবৃটেইনৰ সংসদীয় গণতান্ত্ৰিক শাসনৰ সৈতে একেই।

(৮) ভাৰতীয় সংবিধানে দেশত সংঘীয় বা যুক্তৰাষ্ট্ৰীয় পদ্ধতি (Federal System) প্ৰবৰ্তন কৰিছে যদিও শাসনৰ ক্ষেত্ৰত কেন্দ্ৰীভূত ব্যৱস্থাৰ (Unitary Government) প্ৰচলন কৰিছে।

(৯) ভাৰতীয় সংবিধানৰ অন্যতম বৈশিষ্ট্য হ'ল এই যে ই পূৰ্বৰ বৃটিশ-ভাৰতৰ প্ৰদেশসমূহৰ লগতে ৫৬২ খন দেশীয় ৰাজ্যকো (Princely States) সামৰি লৈছে।

***

আৰ্হি প্ৰশ্নমালাঃ

ৰচনা ধৰ্মী প্ৰশ্নঃ

১। দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত ভাৰতবৰ্ষৰ জাতীয় আন্দোলন সম্পৰ্কে আলোচনা কৰাঁ।

২। ক্ৰিপ্‌ছ্ মিছনৰ প্ৰস্তাৱ ব্যৰ্থ হোৱাৰ মূল কাৰণ কি? এই ব্যৰ্থতাৰ পৰিণতি কি হৈছিল আলোচনা কৰাঁ।

৩। ভাৰত-ত্যাগ প্ৰস্তাৱ গ্ৰহণৰ ৰাজনৈতিক পৰিস্থিতি আলোচনা কৰাঁ।

৪। ভাৰত-ত্যাগ আন্দোলনৰ কাৰ্যসূচী সম্পৰ্কে উল্লেখ কৰাঁ।

৫। ভাৰত-ত্যাগ আন্দোলনৰ ক্ষয়-ক্ষতিৰ এক খতিয়ান দাঙি ধৰা।

৬। নৌ-বিদ্ৰোহৰ (১৯৪৬) ইতিহাস সম্পৰ্কে কি জানা লিখাঁ।

৭। ভাৰতবৰ্ষৰ ৰাজনৈতিকসমস্যা সমাধানৰ ক্ষেত্ৰত মন্ত্ৰীদূতেদিয়া পৰামৰ্শৱলী উল্লেখ কৰাঁ।

৮। মন্ত্ৰীদূতৰ জোটশালীয় ব্যৱস্থা কি আছিল? ই মুছলীম লীগৰ পাকিস্তান প্ৰস্তাৱৰ সমৰ্থন কৰিছিল নে? আলোচনা কৰাঁ।

৯। কি পৰিস্থিতিত বৃটিশে ভাৰত ত্যাগ কৰিবলৈ প্ৰস্তুত হৈছিল?

১০। স্বাধীন ভাৰতবৰ্ষৰ সংবিধানৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰাঁ।

চমু টোকা লিখাঁঃ

(১) একক সত্যাগ্ৰহ, (২) আজাদ হিন্দ ফৌজ, (৩) সুভাষ চন্দ্ৰ বসু, (৪) ৰাস বিহাৰী বসু, (৫) জিন্নাৰ প্ৰত্যক্ষ দাবী দিৱস, (৬) জৱহৰলাল নেহৰুৰ নেতৃত্বাধীন অৰ্ন্তৱৰ্তীকালিন চৰকাৰ,

অতি চমু উত্তৰ দিয়াঃ

(১) আজাদ হিন্দ ফৌজৰ সংগঠক কোন আছিল?

(২) নৌ-বিদ্ৰোহ দমন কৰোঁতে চৰকাৰে ২১-২৩ ফেব্ৰুৱাৰীৰ ভিতৰত কিমানজন লোকক গুলিয়াই হত্যা কৰিছিল?

(৩) মন্ত্ৰীদূতৰ সদস্য কেইজন আছিল?

(৪) মন্ত্ৰীদূতৰ সদস্য কেইজনৰ নাম কি আছিল?

(৫) কোন চনৰ কোন তাৰিখে জিন্নাৰ প্ৰত্যক্ষ দাবী দিৱস পালন কৰা হৈছিল?

(৬) জৱহৰলাল নেহৰুৰ নেতৃত্বাধীন প্ৰথমবাৰৰ অৰ্ন্তৱৰ্তীকালিন চৰকাৰত কিমানজন সদস্য আছিল?

নৱম অধ্যায়ঃ

বৃটিশ আমোলৰ ভাৰতবৰ্ষৰ মানচিত্ৰ

১৭৬৫ চনৰ ভাৰতবৰ্ষৰ মানচিত্ৰ

ইংলিশ ইষ্ট ইণ্ডিয়া কোম্পানীৰ ৰাজ্যক্ষেত্ৰ গংগা নদীৰ অৱবাহিকাত উত্তৰ-পূৰ্ব ভাৰতবৰ্ষত সীমিত আছিল, সেই ৰাজ্যক্ষেত্ৰ বংগদেশৰপৰা অযোধ্যাৰ পশ্চিমলৈ বিস্তৃত আছিল। প্ৰধান দেশীয় ৰাজ্যসমূহ আছিল মাৰাঠা, মহীশূৰ, নিজামৰ শাসনাধীন হায়দাৰাবাদ, কৰ্ণাটক আদি।



১৮০৫ চনৰ ভাৰতবৰ্ষৰ মানচিত্ৰ

কোম্পানীৰ শাসনাধীন ৰাজ্যক্ষেত্ৰ সুদুৰ দক্ষিণৰ কৰ্ণাটকৰপৰা উত্তৰ দিশত দিল্লীৰ সমীপলৈ বিস্তৃত আছিল। অৰ্থাৎ ১৭৬৫-১৮০৫ চনৰ ভিতৰত তেওঁলোকৰ ৰাজ্যক্ষেত্ৰৰ ভালেমান সম্প্ৰসাৰণ ঘটিছিল। ফলত দক্ষিণৰ মাদ্ৰাজ তথা কৰ্ণাটকৰপৰা বংগদেশলৈ বংগোপসাগৰৰ সমগ্ৰ উপকূলবৰ্তী অঞ্চল আৰু তাৰপৰা অযোধ্যাৰ পশ্চিমলৈ দিল্লীৰ সমীপলৈ ইংৰাজৰ শাসনাধীন ৰাজ্যক্ষেত্ৰৰ বিস্তৃতি হৈছিল।



১৮৫৭ চনৰ ভাৰতবৰ্ষৰ মানচিত্ৰ

১৮০৫ চনৰপৰা ১৮৫৭ চনৰ ভিতৰতপ্ৰায় সমগ্ৰ ভাৰতবৰ্ষতে কোম্পানীৰ শাসন ব্যৱস্থা বিস্তাৰিত হৈ পৰিছিল, বাকী আছিল মাত্ৰ নিজামৰ হায়দাৰাবাদ, ৰাজপুতনাৰ কেইখনমান ৰাজ্য। বাদ বাকী ৰাজ্যৰ অস্তিত্ব হয় বৰ্তি আছিল বৃটিশৰ আশ্ৰিত ৰাজ্য নহয় বৃটিশৰ প্ৰতি অনুগত ৰাজ্য ৰূপে।



১৯৩৭ চনৰ পূৰ্বৰ ভাৰতীয় উপমহাদেশৰ মানচিত্ৰ

১৯৩৭ চনৰ পূৰ্বে বৃটিশৰ আমোলত ভাৰতীয় উপমহাদেশৰ সৈতে সংলগ্ন দেশসমূহ আছিল বৰ্তমানৰ স্বাধীন ভাৰতবৰ্ষ, পাকিস্তান, বাংলাদেশ আৰু ব্ৰহ্মদেশ (মিয়ানমাৰ)। দেশে স্বাধীনতা লাভ কৰাৰ প্ৰায় এক দশক পূৰ্বে (১৯৩৭ চনত) ব্ৰহ্মদেশক ভাৰতবৰ্ষৰপৰা পৃথককৰা হৈছিল।

১৯৪৭ চনত পূৰ্বৰ ভাৰতবৰ্ষ দুখন স্বাধীন আৰু সাৰ্বভৌম ৰাষ্ট্ৰত পৰিণত হৈছিল —ভাৰতবৰ্ষ আৰু পাকিস্তান। পাকিস্তান একেখন ৰাষ্ট্ৰ হলেও পৃথক ভৌগোলিক অৱস্থানৰ বাবে পশ্চিম আৰু পূৰ্ব পাকিস্তানৰূপে পৰিচিত আছিল। ১৯৭১ চনৰ ২৫ মাৰ্চ তাৰিখে পূৰ্ব পাকিস্তান পাকিস্তান ৰাষ্ট্ৰৰপৰা পৃথক হৈ পৰে আৰু তেতিয়াৰপৰা পূৰ্ব পাকিস্তান বাংলাদেশৰূপে পৰিগণিত হয়।



স্বাধীন ভাৰতবৰ্ষৰ মানচি

(১৫ আগষ্ট ১৯৪৭)



বৃটিশ আমোলৰ ভাৰতবৰ্ষৰ মানচিত্ৰ

স্বাধীনতা প্ৰাপ্তিৰ সময়ত ৰাজধানীসহ ভাৰতবৰ্ষৰ প্ৰদেশসমূহ

প্ৰদেশ	ৰাজধানী
১। অসম	চিলং
২। পশ্চিম বংগ	কলিকতা
৩। বিহাৰ	পাটনা
৪। উৰিষ্যা	ভূবনেশ্বৰ
৫। অন্ধ্ৰ প্ৰদেশ	হায়দাবাবাদ
৬। মহীশূৰ	বাংগালোৰ
৭। মাদ্ৰাজ	মাদ্ৰাজ
৮। কেৰেলা	ত্ৰিবান্দ্ৰম
৯। বোম্বে	বোম্বে
১০। মধ্য প্ৰদেশ	ভূপাল
১১। ৰাজস্থান	জয়পুৰ
১২। পাঞ্জাব	চন্দীগড়
১৩। জম্মু আৰু কাশ্মীৰ	শ্ৰীনগৰ
১৪। উত্তৰ প্ৰদেশ	লক্ষ্ণৌ
১৫। মণিপুৰ	ইম্ফল

কেন্দ্ৰীয় শাসিত অঞ্চল

১। দিল্লী	দিল্লী
২। গোৱা, দমন, ডিউ	গোৱা
৩। ত্ৰিপুৰা	আগৰতলা
৪। পণ্ডিচেৰী	পণ্ডিচেৰী

সাম্প্ৰতিক বিশ্বৰ ইতিহাস

(১৯১৯-১৯৯১)

দশম অধ্যায়

প্ৰথম বিশ্ব যুদ্ধৰ উৎপত্তি আৰু কাৰক

অৱতৰণিকাঃ যুদ্ধৰ কাৰণ, অগ্ৰগতি আৰু পৰিণতিঃ

ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদে যে ঔপনিবেশিক আৰু সাম্ৰাজ্যবাদী দেশসমূহৰ জনসাধাৰণৰ বাবে সুখ-সমৃদ্ধি আৰু স্বাচ্ছন্দ্যৰ সৃষ্টি কৰিছিল তাত কোনো সন্দেহ নাই। কিন্তু এই ব্যৱস্থাই এফালে সাম্ৰাজ্যবাদী দেশসমূহক চহকী কৰিলেও আনফালে সিহঁতৰ দ্বাৰা পদানত দেশসমূহৰ জনসাধাৰণৰ জীৱন-মান দ্ৰুতভাৱে নিম্নগামী কৰি তুলিছিল। নিৰ্মম শোষণ আৰু লুণ্ঠনৰ ফলত সেই দেশসমূহত অৰ্থনৈতিক পশ্চাদপদতা, দুৰ্ভিক্ষ, মাৰি-মৰক এক নিয়মত পৰিণত হৈছিল। শিল্প, কৃষি, বাণিজ্য আদি অৰ্থনৈতিক উন্নয়ন আৰু বিকাশ সকলোতে প্ৰায় স্থবিৰতাই বিৰাজ কৰিছিল।

উনবিংশ আৰু বিংশ শতিকাত উপনিবেশ বুলি পৰিচিত এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ দেশবিলাকৰ প্ৰধান বৈশিষ্ট্য আছিল সাম্ৰাজ্যবাদী শোষণ আৰু নিপীড়ন। দেশবিলাক কেৱল সাম্ৰাজ্যবাদী শক্তিসমূহৰ শিল্প-উদ্দ্যোগৰ কেঁচামাল যোগানধাৰী একো একোখন দুখীয়া ৰাষ্ট্ৰত পৰিণত হৈছিল। সাম্ৰাজ্যবাদৰ আটাইতকৈ লক্ষণীয় দিশ হ'ল এইটো যে এই প্ৰক্ৰিয়াই দেশ তথা জাতিসমূহৰ মাজত অৰ্থনৈতিক বৈষম্য আৰু পশ্চাদপদতা চিৰস্থায়ী কৰি তুলিছিল আৰু তাৰেই ফলশ্ৰুতিত মানৱ সমাজৰ এক বৃহৎ অংশৰ লোক বিশ্বৰ বিভিন্ন দেশত সকলো মানৱীয়, সামাজিক, নাগৰিক আৰু ৰাজনৈতিক অধিকাৰৰপৰা বহুকাল বঞ্চিত হৈ ৰৈছিল।

সাম্ৰাজ্যবাদী দেশসমূহে নিজৰ সাবেক ৰাজনৈতিক-ভৌগোলিক সীমাৰেখাৰ বাহিৰত বিভিন্ন দেশক নিজৰ ৰাজনৈতিক-সামৰিক-অৰ্থনৈতিক-প্ৰশাসনিক নিয়ন্ত্ৰণলৈ আনি সেই সেই দেশসমূহৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ ওপৰত নিজৰ আধিপত্য চলাইছিল। ৰাজনৈতিকভাৱে সাম্ৰাজ্যবাদৰ পদানত এই দেশসমূহে নিজৰ স্বাধীনতা হেৰুওৱাৰ লগতে সাৰ্বভৌম ক্ষমতাও হেৰুৱাইছিল। প্ৰশাসনিক ব্যৱস্থাটোও আছিল সাম্ৰাজ্যবাদী দেশখনৰ স্বাৰ্থ পৰিপূৰণ কৰাৰ এক আহিলাহে মাত্ৰ।

এনে এটা ব্যৱস্থাই সাম্ৰাজ্যবাদী শিবিৰৰ মাজতো নিৰন্তৰ অঁৰিয়া-অঁৰি আৰু তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ সৃষ্টি কৰিছিল। শিল্পজাত পণ্য সামগ্ৰী বিক্ৰিৰ বাবে বজাৰ দখলৰ তাগিদা আৰু নিজ দেশৰ শিল্প উদ্দ্যোগসমূহৰ বাবে কেঁচামাল সংগ্ৰহৰ আকাংক্ষাই উপনিবেশ

স্থাপনৰ বাবে ভৌগোলিক আবিষ্কাৰৰ আৰম্ভণিৰ সময়ৰপৰাই পশ্চিম ইয়োৰোপৰ দেশসমূহৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ সৃষ্টি কৰিছিল। ৰাজ্য দখলৰ বাবে সৃষ্টি হোৱা সেইপ্ৰতিদ্বন্দ্বিতাসমূহ বহু সময়তেই সামৰিক সংঘৰ্ষৰ মাধ্যমত সমাধা কৰাতো এক নীতিত পৰিণত হৈছিল। প্ৰথম অৱস্থাত বিশ্বৰ বিভিন্ন অঞ্চলত তেনে বহু ৰাজ্য ঔপনিবেশিক- সাম্ৰাজ্যবাদী শক্তিসমূহৰ দ্বাৰা অনাধিকৃত হৈ থকাত তেনে সামৰিক সংঘৰ্ষ কেৱল দুখন দেশৰ মাজতেই আৰু পৃথিবীৰ কোনো বিশেষ অঞ্চলতেই সীমিত হৈ থাকিছিল।

কিন্তু উনবিংশ শতিকাৰপৰা ইয়োৰোপৰ ভালেমান দেশ নতুনকৈ পুঁজিবাদী বিকাশৰ গণ্ডীৰ ভিতৰলৈ অহাত সেই দেশবোৰতো দ্ৰুত শিল্পায়ন হোৱাত উদ্বৃত্ত শিল্পজাত পণ্য বিক্ৰিৰ বাবে বজাৰৰ আৰু লগতে কেঁচামাল সংগ্ৰহৰ প্ৰয়োজনে দেখা দিয়াত পুঁজিবাদী-সাম্ৰাজ্যবাদী দেশসমূহৰ মাজত উপনিবেশ স্থাপনক কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিদ্বন্দ্বিতা আৰু আঁৰিয়াঅৰিৰ সূচনা হয়। আনহাতে সমসাময়িকভাৱে পুঁজিবাদী তথা সাম্ৰাজ্যবাদী ৰাষ্ট্ৰৰূপে আমেৰিকা যুক্তৰাষ্ট্ৰৰ আবিৰ্ভাৱে বিশ্বৰ পুঁজিবাদী শিবিৰত নতুন সমস্যাৰ সৃষ্টি কৰিছিল। পুঁজিবাদী সমাজৰ বজাৰ দখলৰ তাগিদা আৰু কেঁচামাল সংগ্ৰহৰ তীব্ৰতাৰ লগতে আকৌ জড়িত হৈ পৰিছিল দেশখনৰ জাতীয় মৰ্যদাৰ প্ৰশ্নটো।

এই জাতীয় মৰ্যদাৰ প্ৰশ্নটোৱে সাম্ৰাজ্যবাদী শিবিৰত প্ৰতিদ্বন্দ্বিতাৰ ক্ষেত্ৰত এক নতুন মাত্ৰাৰ সংযোগ কৰিছিল। সেয়ে বিশ্বৰ বিভিন্ন প্ৰান্তত সাম্ৰাজ্যবাদী শক্তিসমূহৰ মাজত সামৰিক সংঘৰ্ষ এক অৱধাৰিত নীতিত পৰিণত হৈছিল। উদাহৰণ হিচাপে ভাৰতবৰ্ষ আৰু ইজিপ্তত চলা ইংগ-ফৰাছী সংঘৰ্ষ, দক্ষিণ আফ্ৰিকাক কেন্দ্ৰ কৰি চলা ইংগ-জাৰ্মান সংঘৰ্ষ, চুদানক কেন্দ্ৰ কৰি সৃষ্টি হোৱা ইংগ-ফৰাছী সংঘৰ্ষ, মৰক্কোক কেন্দ্ৰ কৰি সৃষ্টি হোৱা ফ্ৰেঙ্কো-জাৰ্মান সংঘৰ্ষ, কংগোক কেন্দ্ৰ কৰি সৃষ্টি হোৱা ফৰাছী-বেলজিয়াম আৰু ইংল্যাণ্ডৰ সংঘৰ্ষ আদিৰ কথা উল্লেখ কৰিব পাৰি।

১৮৭০-১৯১৪ চনৰ ভিতৰত উপনিবেশৰ মাধ্যমত ইয়োৰোপৰ সম্প্ৰসাৰণে শীৰ্ষ বিন্দু পাইছিল। সেয়ে সেই সময়ছোৱাত সাম্ৰাজ্যবাদী শিবিৰৰ মাজত সংঘৰ্ষও আছিল ব্যাপক আৰু অত্যাধিক। তদুপৰি প্ৰশান্ত মহাসাগৰীয় অঞ্চলত জাৰ্মানী, হলেণ্ড, ইংলেণ্ড, ফ্ৰান্স, ৰাছিয়া, জাপান আৰু শেহতীয়াকৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত ভীষণ প্ৰতিদ্বন্দ্বিতা চলিছিল। সেইদৰে লেটিন আমেৰিকা আৰু মধ্য আমেৰিকাৰ দেশসমূহৰ ওপৰত আধিপত্য স্থাপনক কেন্দ্ৰ কৰিও বিশ্বৰ পুঁজিবাদী-সাম্ৰাজ্যবাদী দেশসমূহৰ মাজত ঘোৰতৰ প্ৰতিযোগিতাৰ সৃষ্টি হৈছিল।

আনহাতে ইয়োৰোপ মহাদেশৰ ভিতৰতেই বলকান উপমহাদেশৰূপে পৰিচিত ডানিউব উপত্যকাত থকা ক্ষুদ্ৰ ক্ষুদ্ৰ দেশসমূহ দখল কৰাৰ অভিপ্ৰায়েৰে সাম্ৰাজ্যবাদী দেশসমূহৰ মাজত

তীব্ৰ সংঘৰ্ষৰ সূত্ৰপাত হৈছিল। ডানিউব উপত্যকাৰ এই দেশসমূহ পূৰ্বতে অৱক্ষীয়মান অ'টোমেন সাম্ৰাজ্যৰ অধীন আছিল, কিন্তু সেই সাম্ৰাজ্যৰ শাসনকৰ্তা খলিফা দুৰ্বল হৈ পৰাত লাহে লাহে অ'টোমেন সাম্ৰাজ্য ধ্বংসৰ গৰাহত পৰে আৰু সেই ক্ষুদ্ৰ ক্ষুদ্ৰ দেশসমূহে নিজ নিজ জাতি স্বত্তাৰ ভিত্তিত স্বাধীনৰূপে প্ৰবৰ্তিবলৈ চেষ্টা কৰে।

কিন্তু ইয়োৰূপৰ বৃহৎ শক্তি কেইটাই, যথা—বৃটেইন, ফ্ৰান্স, ইটালী, জাৰ্মানী, অষ্ট্ৰিয়া-হাংগেৰী, আৰু ৰাচিয়াই সেই অঞ্চলত নিজ নিজ প্ৰভূত্ব খটুওৱাৰ অভিপ্ৰায়েৰে সময়-সুবিধা বুজি কেতিয়াবা ৰাজনৈতিকভাৱে আৰু কেতিয়াবা সামৰিকভাৱে হস্তক্ষেপ কৰিবলৈ ধৰে।

গতিকে এফালে অঞ্চলটোৰ দেশসমূহৰ স্বাধীনতা স্পৃহা তথা জাতি-ৰাষ্ট্ৰৰূপে গঢ়ি উঠাৰ তীব্ৰ আকাংক্ষা আৰু আনহাতে বৃহৎ জাতিসমূহৰ সেই দেশসমূহত নিজ নিজ আধিপত্য স্থাপনৰ সংকল্পই অৱশেষত প্ৰথম বিশ্ব মহাৰণৰ সৃষ্টি কৰিছিল। ঔপনিবেশিক-সাম্ৰাজ্যবাদী শক্তিসমূহৰ মাজত পৰ-ৰাজ্য দখলৰ বাবে চলি অহা পাৰস্পৰিক সামৰিক প্ৰতিদ্বন্দ্বিতা আৰু সংঘৰ্ষই মূলতঃ ১৯১৪-১৮ চনৰ মহাযুদ্ধৰ বাবে দায়ী আছিল।

পোনতে বিশ্বত ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ উৎপত্তি হৈছিল ইয়োৰূপত। প্ৰথম বিশ্ব যুদ্ধৰ সৃষ্টি হৈছিল সাম্ৰাজ্যবাদী দেশসমূহৰ মাজত আৰম্ভ হোৱা তীব্ৰ প্ৰতিদ্বন্দ্বিতা আৰু অঁৰিয়া-অঁৰিৰ ফলশ্ৰুতিত। এই যুদ্ধৰ উৎপত্তি হৈছিল সাম্ৰাজ্যবাদী দেশসমূহৰ মাজত উপনিবেশসমূহৰ বিভাজনৰ প্ৰশ্নক কেন্দ্ৰ কৰি। কিয়নো উপনিবেশ দখল কৰা আৰু তাৰ পৰিসৰ বৃদ্ধি কৰি নিজ নিজ দেশৰ বাণিজ্যিক ক্ষেত্ৰৰ সম্প্ৰসাৰণ ঘটোৱাটোৱেই আছিল সাম্ৰাজ্যবাদী দেশসমূহৰ মূল উদ্দেশ্য। ইয়োৰূপৰ দেশসমূহত পুঁজিবাদৰ বিকাশ সমানে আৰু একে সময়তে হোৱা নাছিল। নিজস্ব ঐতিহাসিক কাৰণতেই বহু দেশ, যেনে—জাৰ্মানী, ইটালী আদি—বৃটেইন, ফ্ৰান্স আদি ভালেমান দেশতকৈ বহু পলমকৈ জাতি-ৰাষ্ট্ৰৰূপে গঢ়ি উঠিছিল আৰু তেনে দেশবোৰত পুঁজিবাদৰ বিকাশো বৰ পলমকৈ হৈছিল। গতিকে পুৰণি আৰু নতুন ঔপনিবেশিক দেশসমূহৰ মাজত বিশেষকৈ ঊনবিংশ শতিকাৰ শেহ মানৰপৰা উপনিবেশ স্থাপন কৰা আৰু তাৰ মাধ্যমত নিজ দেশৰ বাণিজ্যিক সমৃদ্ধিত অৰিহণা যোগোৱাৰ বাবে তুমুল প্ৰতিদ্বন্দ্বিতা চলিবলৈ ধৰিছিল। এইবিলাকৰ ফলশ্ৰুতিতেই পৃথিৱীত আগতে নহটা পৃথিৱী জোৰা যুদ্ধৰ দৰে বিনাশকাৰী বিশ্ব যুদ্ধৰ বিভীষিকাই দেখা দিছিল।

ফৰাচী সম্ৰাট নেপ'লিয়ন বোনাপাৰ্টে সৃষ্টি কৰা যুদ্ধৰ বিভীষিকাৰ পিচত ইয়োৰোপ মহাদেশ কম-বেছি পৰিমাণে ব্যাপক সামৰিক সংঘৰ্ষৰপৰা প্ৰায় এটা শতিকা (১৮১৫-

১৯১৪) জুৰি নিৰাপদে আছিল। অঞ্চল ভেদে সীমিত পৰিসৰত আৰু হ্ৰস্বমেদী যুদ্ধ তথা সামৰিক সংঘৰ্ষ যে নোহোৱাকৈ আছিল সেইটো নহয়। বিশেষকৈ ক্ৰিমিয়াৰ যুদ্ধ (১৮৫৪-৫৬), ইটালী আৰু অষ্ট্ৰিয়াৰ মাজৰ যুদ্ধ (১৮৫৮-৫৯), প্ৰুচিয়া আৰু অষ্ট্ৰিয়াৰ মাজৰ যুদ্ধ (১৮৬৬), প্ৰুচিয়া আৰু ফ্ৰান্সৰ মাজৰ যুদ্ধ (১৮৭০-৭১), ৰাচিয়া আৰু তুৰস্কৰ মাজৰ যুদ্ধ (১৮৭৭ ৭৮), ৰাচিয়া আৰু জাপানৰ মাজৰ যুদ্ধ (১৯০৪-০৫), আদিয়ে উক্ত শতিকাতো ইয়োৰুপৰ জনজীৱন অশান্ত-অতীষ্ঠ কৰি তুলিছিল। তথাপিও এইবিলাক যুদ্ধৰ অভিঘাত আৰু প্ৰতিক্ৰিয়া ১৯১৪-১৮ চনৰ বিশ্ব যুদ্ধৰ দৰে ব্যাপক আৰু ক্ষয়ঙ্কৰী নাছিল।

প্ৰথম বিশ্ব যুদ্ধৰ অন্য এটি বিশেষত্ব এই যে এই যুদ্ধ—মাটি, পানী, আকাশ—সকলোতে সংঘটিত হৈছিল। মুঠতে ১৫৬৫ দিন জুৰি চলা এই যুদ্ধখনত পোন প্ৰথমবাৰৰ বাবে আকাশী জাহাজ, টেংক, বিষাক্ত গেছ আৰু ছাবমেৰিণ ব্যৱহাৰ কৰা হৈছিল। পৃথিৱীৰ ছখন মহাদেশৰ ভিতৰত পাঁচখনতেই এই যুদ্ধৰ ৰণক্ষেত্ৰ পৰিব্যাপ্ত হৈ পৰিছিল। যুদ্ধত প্ৰত্যক্ষ বা পৰোক্ষভাৱে অংশ গ্ৰহণ কৰা বা নকৰা দেশ আৰু তাৰ জনসাধাৰণো এই যুদ্ধৰ দ্বাৰা ক্ষতিগ্ৰস্ত হৈছিল। যুদ্ধখনৰ অভিঘাত আছিল সৰ্বাত্মক আৰু সুদূৰ প্ৰসাৰী। পৃথিৱীৰ ২৯ খন দেশ প্ৰত্যক্ষভাৱে আৰু ৩১ খন দেশ পৰোক্ষভাৱে এই যুদ্ধত জড়িত হৈ পৰিছিল। দুয়োপক্ষৰপৰা যুদ্ধত নিয়োজিত সৈনিকৰ সংখ্যা আছিল প্ৰায় ৬৫ মিলিয়ন, তাৰে ১৩ মিলিয়ন সৈনিকৰ কিছুমানে ৰণক্ষেত্ৰত মৃত্যুক আকোৱালি লৈছিল আৰু আন কিছুমানে জখম হোৱাৰ পিচত মৃত্যু মুখত পৰিছিল, ২২ মিলিয়ন আঘাতপ্ৰাপ্ত হৈছিল আৰু ৭ মিলিয়ন স্থায়ীভাৱে ঘূৰ্ণীয়া বা বিকলাংগ হৈছিল। যুদ্ধ কালীন নিৰপেক্ষতা বোলা ধাৰণাটো অৰ্থহীন হৈ পৰিছিল।

সাম্ৰাজ্যবাদী দেশসমূহৰ আগ্ৰাসী মনোভাব তথা পৰৰাজ্য গ্ৰাসৰ প্ৰৱণতা, পৰস্পৰৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা আৰু একাধিক বিবাদমান দেশত সামৰিক শক্তি বৃদ্ধি আৰু সেই দিশত গঢ়ি উঠা সামৰিক প্ৰতিদ্বন্দ্বিতা, একাধিক সমধৰ্মী ৰাষ্ট্ৰৰ মাজত গঢ়ি উঠা গোপন ৰাজনৈতিক-সামৰিক চুক্তি আৰু সেই প্ৰক্ৰিয়াই ৰাষ্ট্ৰসমূহৰ মাজত সৃষ্টি কৰা সন্দেহ আৰু অবিশ্বাস আৰু অনিশ্চয়তা, জাতীয়তাবাদী মতাদৰ্শ আৰু অবদমিত আৰু নিপীড়িত ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্তাসমূহৰ মাজত জাতি-ৰাষ্ট্ৰ গঢ়ি তোলাৰ প্ৰৱণতা, আৰু সেই প্ৰৱণতাই সৃষ্টি কৰা উগ্ৰ জাতীয়তাবাদৰ সম্প্ৰসাৰণ আদি বিভিন্ন ঘটনা-পৰিঘটনা প্ৰথম বিশ্ব যুদ্ধৰ কাৰণ আছিল।

ইয়োৰোপৰ ইতিহাসত ফৰাচী বিপ্লৱৰ সূচনা আৰু নেপ'লিয়নৰ অভ্যুদয়ৰ প্ৰায় সমসাময়িকভাৱে পুঁজিবাদী ব্যৱস্থাৰ গৰ্ভতেই জন্ম লাভ কৰা জাতীয়তাবাদী মতাদৰ্শ ঊনবিংশ

শতিকাৰ ভিতৰত এক শক্তিশালী ৰাজনৈতিক মতাদৰ্শৰূপে প্ৰতিষ্ঠা লাভ কৰে। আধুনিক যুগত জাতি-ৰাষ্ট্ৰৰ ধাৰণাটো পুঁজিবাদৰ বিকাশৰ লগে লগে আৰু গৃহ শিল্প- উদ্দ্যোগত উৎপাদিত শিল্প পণ্য বিক্ৰিৰ বাবে বজাৰ দখলৰ প্ৰৱণতাৰপৰা সৃষ্টি হৈছে। যথাৰ্থতে ক'বলৈ গ'লে ১৭৮৯ চনৰপৰা ১৮৭০ চনৰ মাজৰ কালছোৱা সামগ্ৰীকভাৱে ইয়োৰূপত জাতি-ৰাষ্ট্ৰ গঠনৰ যুগ আছিল। পূৰ্বতে ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাষ্ট্ৰত বিভক্ত হৈ থকা জাৰ্মান জনসাধাৰণ ১৮৫৯-৭১ৰ কালছোৱাত এখন জাতি-ৰাষ্ট্ৰত সংগঠিত হৈপৰে। সেইদৰে ইটালীও প্ৰায় একে সময়তে জাতি-ৰাষ্ট্ৰৰূপে প্ৰতিভাত হয়। এইবিলাক ঘটনা- পৰিঘটনাই বৃহৎ দেশবিলাকৰ দ্বাৰা পদানত অবদমিত আৰু নিপীডিত জাতি সত্বাসমূহৰ মাজতো নিজ নিজ জাতি সত্বাৰ আধাৰত জাতি-ৰাষ্ট্ৰৰূপে গঢ়ি উঠাৰ ক্ষেত্ৰত প্ৰভূত ইন্ধন যোগাইছিল।

এই ক্ষেত্ৰত বিশেষকৈ দক্ষিণ-পূৰ্ব ইয়োৰূপৰ ডানিউব উপত্যকাৰ বলকান উপমহাদেশৰূপে পৰিচিত অঞ্চলটোৰ কথাকে ধৰিব পাৰি। পূৰ্বতে এই অঞ্চলটো তুৰস্কক কেন্দ্ৰ কৰি গঢ়ি উঠা অ'টোমেন সাম্ৰাজ্যৰ অধীন আছিল। অঞ্চলটোৰ দেশসমূহ আছিল— বুলগেৰিয়া, থ্ৰেছ, মেচিডনিয়া, গ্ৰীচ, মণ্টেনেগ্ৰো, ছাৰবিয়া, বছনিয়া, হাৰ্জেগভিনা, আলবানিয়া আদি। এই দেশসমূহত কেবাটাও জনগোষ্ঠীয়ে বসবাস কৰিছিল, তাৰ ভিতৰত প্ৰধান আছিল—ছাৰ্ব বা শ্লাভ, আলবানিয়ান, মেচিডনিয়ান, ক্ৰোৱাট্‌ছ আৰু বুলগেৰিয়ান আদি। অ'টোমেন সাম্ৰাজ্যৰ পতনৰ লগে লগে এফালে এই দেশসমূহত নিজ নিজ জাতি সত্বাৰ ভিত্তিত জাতি-ৰাষ্ট্ৰ গঠনৰ প্ৰৱণতা বাঢ়ি আহে ।

আনফালে তুৰস্কৰ নিয়ন্ত্ৰণৰ অবিহনে সেই ৰাষ্ট্ৰৰ স্থলাভিষিক্ত হৈ ইয়োৰূপৰ আন আন বৃহৎ ৰাষ্ট্ৰসমূহে সেই দেশসমূহত নিজ নিজ আধিপত্য স্থাপনৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হয়। কিয়নো যি দেশেই সেই অঞ্চলত নিজ আধিপত্য স্থাপন কৰিব পাৰিব, সেই দেশেই ভূমধ্যসাগৰীয় অঞ্চলতো নিজ প্ৰভূত্ব খটুৱাব পাৰিব। ভূমধ্যসাগৰীয় অঞ্চলটো বহু দিনৰপৰাই বাণিজ্যিক আৰু সামৰিক তথা নিৰাপত্তাৰ দিশৰপৰা অত্যন্ত গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছিল। এই ঘটনা-পৰিঘটনাই বলকান উপমহাদেশখনক ক্ৰমান্বয়ে এক উদ্‌গীৰণমুখী আগ্নেয়গিৰি সদৃশ ৰাজনৈতিক- সামৰিক অগ্নিপিণ্ডত পৰিণত কৰি ৰাখিছিল।

গতিকে যিখন দেশে সেই অঞ্চলত নিজৰ আধিপত্য স্থাপনত কৃতকাৰ্যতা লাভ কৰিব সেইখন দেশেই সেই অঞ্চলত বাণিজ্যিক সা-সুবিধা লাভ কৰাৰ লগতে সামৰিক গুৰুত্বও লাভ কৰিব। আনহাতে বলকান উপমহাদেশৰ ৰাজ্যসমূহত গঢ়ি উঠা জাতীয়তাবাদী আন্দোলনৰ প্ৰতি ৰুচ দেশৰ সমৰ্থন আছিল। কিয়নো সেই অঞ্চলত নিজৰ প্ৰভাৱাধীন কোনো এখন দেশ থাকিলে অন্ততঃ ৰুচ দেশে সাগৰলৈ যোৱা এটি পথৰ আকাংক্ষা পূৰণ

কৰিব পাৰিব। ৰুচ দেশৰ এই আকাংক্ষা পৰম্পৰাগতভাৱে বহু দিনৰপৰা চলি আহিছিল। কিন্তু ভূমধ্য সাগৰীয় অঞ্চলত ৰুচ দেশৰ প্ৰভাৱ বঢ়াতো বিশেষকৈ ইংলেণ্ডে কেতিয়াও পছন্দ নকৰে। ৰুচ ভীতিয়ে ভূমধ্য সাগৰীয় অঞ্চলত সেয়ে ইংলেণ্ডক সততে কৰ্ম চঞ্চল কৰি ৰাখিছিল।

সি যি কি নহওক, ১৮২৯ চনত তুৰস্কৰপৰা গ্ৰীচৰ স্বাধীনতা প্ৰাপ্তিয়ে বলকান উপমহাদেশত ৰাজনৈতিক ঘটনা-পৰিঘটনাৰ দ্ৰুত পৰিবৰ্তন ঘটায়। এই ঘটনাৰ প্ৰায় সমসাময়িকভাৱে উপমহাদেশখনৰ জাতি সত্বাসমূহে নিজ নিজ অঞ্চলত তথা ৰাজ্যত জাতি-ৰাষ্ট্ৰ গঠনৰ বাবে এটাৰ পিচত আনটো আন্দোলনত মিলিত হৈছিল। বিশেষকৈ এই আন্দোলনসমূহৰ ভিতৰত ৰাচিয়া সমৰ্থিত ছাৰবিয়াৰ জাতীয়তাবাদী আন্দোলন আছিল অত্যাধিক তীব্ৰ আৰু শক্তিশালী। ছাৰবিয়াৰ নেতৃত্বত গঢ়ি উঠা জাতীয়তাবাদী আন্দোলনৰ লক্ষ্য আছিল আষ্ট্ৰিয়া-হাংগেৰীকে আদি কৰি বলকান অঞ্চলৰ বিভিন্ন দেশত বসবাস কৰা ছাৰ্বসকলক একত্ৰিত কৰি এখন বিশাল ছাৰবিয়ান জাতি-ৰাষ্ট্ৰ গঠন কৰাতো।

এই ক্ষেত্ৰত বাধাৰ প্ৰাচীৰৰূপে থিয় দিছিল অ'টোমেন সাম্ৰাজ্যৰ ৰাষ্ট্ৰীয় অখণ্ডতাৰ প্ৰতি দায়বদ্ধ ইয়োৰূপৰ বৃহৎ জাতি-ৰাষ্ট্ৰসমূহ, যেনে—ইংলেণ্ড, জাৰ্মানী আৰু আষ্ট্ৰিয়া-হাংগেৰী আদি। এই ৰাষ্ট্ৰসমূহে অ'টোমেন সাম্ৰাজ্যৰ ৰাষ্ট্ৰীয় অখণ্ডতা ৰক্ষাৰ নামত নিজ নিজ আধিপত্য অক্ষুণ্ণ ৰখাত সদা সতৰ্ক আছিল। কিন্তু বলকান উপমহাদেশত খৃষ্টানলোকসকলৰ ওপৰত তুৰস্কৰ দ্বাৰা কৰা নিৰ্যাতন আৰু নিপীড়ন অসহ্য হোৱাত অৱশেষত বছনিয়া আৰু হাৰ্জেগভিনাৰ লোকসকলে ১৮৭৫ চনত তুৰস্কৰ বিৰুদ্ধে বিদ্ৰোহ সংঘটিতকৰে। ৰুচ সমৰ্থন পুষ্ট এই বিদ্ৰোহৰ প্ৰতিবুলগেৰিয়ানসকলেও সমৰ্থন দি বিদ্ৰোহত চামিল হৈ পৰে। বিদ্ৰোহ এটা সময়ত গৈ ৰুচ-তুৰস্কৰ যুদ্ধত পৰিণত হয়।

১৮৭৭ চনত ৰুচ দেশে তুৰস্কৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰাৰ লগে লগে বলকান উপমহাদেশৰ ছাৰবিয়া, মণ্টেনেগ্ৰো, ৰোমানিয়া আৰু বুলগেৰিয়াইও ৰাচিয়াৰ পক্ষ সমৰ্থন কৰি তুৰস্কৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হয়। যুদ্ধত তুৰস্কৰ পতন হয় আৰু সেয়ে তুৰস্কই ১৮৭৮ চনত ছান ষ্টিফানোত শান্তি চুক্তিত স্বাক্ষৰ দান কৰি যুদ্ধৰ সামৰণি পেলায়। এই চুক্তিৰ ফলত বলকান উপমহাদেশত ৰুচসকলৰ প্ৰভাৱ অত্যন্ত বৃদ্ধি পোৱাত ইয়োৰূপৰ বৃহৎ শক্তিপুঞ্জই প্ৰতিবাদ কৰি তাৰ চৰ্তাৱলী বাৰ্লিন কংগ্ৰেছৰ (১৮৭৮) মাধ্যমত সংশোধন কৰে।

বাৰ্লিন কংগ্ৰেছে মণ্টেনেগ্ৰো আৰু ছাৰবিয়াক স্বাধীন ৰাষ্ট্ৰৰূপে ঘোষণা কৰে, কিন্তু তাৰ লগে লগে ছাৰবিয়ান জনসাধাৰণৰ দ্বাৰা অধ্যুষিতবছনিয়া আৰু হাৰ্জেগভিনাৰ ওপৰত

তুৰস্কৰ ৰাজনৈতিক অধিকাৰ স্বীকাৰ কৰি লয় আৰু সেই দুখন ৰাজ্য আষ্ট্ৰিয়া-হাংগেৰীক "দখল" আৰু "শাসন" কৰিবলৈ এৰি দিয়ে। এই কাৰ্যই ছাৰবিয়াক ভীষণ অসন্তুষ্ট কৰি তোলে। তদুপৰি মেচিডনিয়া আৰু থ্ৰেচৰ ওপৰত তুৰস্কৰ ৰাজনৈতিক আধিপত্য অক্ষুণ্ণ ৰখা কাৰ্যইও বলকান উপমহাদেশত অশান্তিৰ বীজ বহন কৰি ৰাখিছিল। গতিকে দেখা যায় বাৰ্লিন চুক্তিয়ে বলকান উপমহাদেশৰ ৰাজ্যসমূহৰ ৰাজনৈতিক সমস্যাৱলী সমাধান কৰিব পৰা নাছিল।

বাৰ্লিন চুক্তিক কেন্দ্ৰ কৰি তুৰস্ক আৰু জাৰ্মানীৰ মাজত সুসম্পৰ্ক গঢ়ি উঠিছিল। এই চুক্তি স্বাক্ষৰ হোৱাৰ কেইবছৰমানৰ ভিতৰতেই ১৮৯৯ চনত জাৰ্মান কোম্পানী এটাৰ উদ্দ্যোগত কনষ্টান্টিনোপলৰপৰা পাৰস্য উপসাগৰ পৰ্যান্ত "বাৰ্লিন-বাগদাদ-ৰেললাইন" নামে এটি ৰেল লাইন বহুওৱাৰ আঁচনি কাৰ্যকৰী কৰাৰ প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ কৰা হৈছিল। প্ৰথম বিশ্ব যুদ্ধৰ প্ৰাক্ মূহুৰ্ত্তত এই ৰেল লাইনৰ কাম সম্পূৰ্ণ নহলেও এই কাৰ্যই এফালে ইংলেণ্ড আৰু ফ্ৰান্স আৰু আনফালে জাৰ্মানীৰ মাজত যথেষ্ঠ উত্তেজনাৰ সৃষ্টি কৰিছিল।

সি যি কি নহওক, বাৰ্লিন চুক্তি স্বাক্ষৰিত হোৱাৰপৰাই বলকান উপমহাদেশত ক্ৰমান্বয়ে জাৰ্মানীৰ প্ৰভাৱ আৰু প্ৰভূত্ব বাঢ়ি আহিবলৈ ধৰিছিল। কিয়নো জাৰ্মানীৰ উদ্বৃত্ত জন সংখ্যাৰ সংস্থাপনৰ বাবে প্ৰায় এই সময়ৰপৰাই দক্ষিণ-পূৰ্ব ইয়োৰূপৰ বলকান উপমহাদেশ আৰু মধ্য প্ৰাচ্যক প্ৰশস্ত ক্ষেত্ৰৰূপে গণ্য কৰিবলৈ লোৱা হৈছিল। ১৮৭০ ৰপৰা ১৯১৪ চনৰ ভিতৰত জাৰ্মানীত অভূতপূৰ্ব শিল্পায়ন হোৱাৰ লগে লগে বাণিজ্যিক স্বাৰ্থৰ বাবে বজাৰৰ সম্প্ৰসাৰণৰ প্ৰয়োজনে দেখা দিছিল। সম্প্ৰসাৰণৰ বাবে মুকলি আছিল কেৱল তুৰস্কৰঅধীন বলকান উপমহাদেশ আৰু মধ্য প্ৰাচ্যৰ অনুন্নত দেশসমূহ।

গতিকে এফালে জাৰ্মানীৰ সম্প্ৰসাৰণবাদী নীতি আৰু আনফালে ছাৰবিয়াৰ জাতীয়তাবাদী আন্দোলন—এই দুয়োটা ঘটনাই বলকান উপমহাদেশৰ ৰাজনীতিত নতুন বিপদৰ সৃষ্টি কৰিছিল। ১৮৭৮ চনত বাৰ্লিন চুক্তিৰ জৰিয়তে বছনিয়া আৰু হাৰ্জেগভিনাক আষ্ট্ৰিয়াৰ ওচৰত সপি দিয়াৰপৰা ছাৰবিয়াৰ জাতীয়তাবাদী আন্দোলনৰ মূল শত্ৰু তুৰস্কৰ সৈতে নতুনকৈ যুক্ত হৈছিল আষ্ট্ৰিয়া-হাংগেৰী। তাতে আকৌ ১৯০৮ চনত তুৰস্কত সংঘটিত হোৱা আভ্যন্তৰীণ বিদ্ৰোহৰ সুযোগ লৈ আষ্ট্ৰিয়াই বছনিয়া আৰু হাৰ্জেগভিনা সম্পূৰ্ণৰূপে দখল কৰি নিজ দেশৰ সৈতে চামিল কৰি লোৱা ঘটনাই ছাৰবিয়াত ব্যাপক ৰাজনৈতিক উত্তেজনাৰ সৃষ্টি কৰিছিল। আষ্ট্ৰিয়াৰ এই কাৰ্যৰ ফলত ছাৰবিয়াৰ নেতৃত্বত বৃহৎ ছাৰবিয়া গঠনৰ ৰাজনৈতিক আঁচনি বাস্তৱায়িত হোৱাৰ ক্ষেত্ৰত প্ৰচণ্ড বাধাই দেখা দিয়ে। এনে এটি

অৱস্থাতে ৰাচিয়াৰপৰা সমৰ্থন পাই বুলগেৰিয়া, মন্টেনেগ্ৰো, ছাৰবিয়া আৰু গ্ৰীচ লগহৈ আলবানিয়া, মেচিডনিয়া আৰু থ্ৰেচক তুৰস্কৰ কবলৰপৰা স্বাধীন কৰাৰ অভিপ্ৰায়েৰে তুৰস্কৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে।

এইদৰে ১৯১২-১৩ চনত প্ৰথম বলকান যুদ্ধৰ সূচনা হয়। যুদ্ধত তুৰস্ক পৰাভূত হয়। লণ্ডন চুক্তিৰ মাধ্যমত প্ৰথম বলকান যুদ্ধৰ সামৰণি পেলোৱা হয়। এই চুক্তিৰ মাধ্যমত আদ্ৰিয়াটিক সাগৰৰ পাৰত আৰু ছাৰবিয়াৰ দক্ষিণ-পশ্চিম দিশত আলবানিয়াক স্বায়ত্ব শাসিত ৰাজ্যৰ মৰ্যদা দিয়া হয়। কিন্তু কিছু দিনৰ ভিতৰতেই আষ্ট্ৰিয়াৰ প্ৰযত্নত আলবানিয়াক স্বাধীন ৰাষ্ট্ৰৰূপে ঘোষণা কৰা হয়। এই কাৰ্যই ছাৰবিয়াৰ ধৈৰ্য চ্যুতি ঘটায়। কিযনো এই ব্যৱস্থাৰ জড়িযতে ছাৰ্বিয়াক সাগৰলৈ যাব পৰা সকলো সুবিধাৰপৰা সম্পূৰ্ণৰূপে বঞ্চিত কৰা হয।

সি যি কি নহওক, প্ৰথম বলকান যুদ্ধৰ সামৰণি পৰাৰ পিচ মূহুৰ্ত্ততে বিজিত ৰাজ্যাঞ্চলৰ ভাগ-বাটোৱোৰাক লৈ বলকান উপমহাদেশৰ ৰাজ্যসমূহৰ পৰস্পৰৰ মাজতেই ১৯১৩ চনত পুনৰ যুদ্ধৰ সূচনা হয়। ইয়াকে দ্বিতীয় বলকান যুদ্ধ বোলে। এইবাৰ যুদ্ধৰ সূচনা হয বুলগেৰিয়াই ছাৰবিয়া আৰু গ্ৰীচৰ ওপৰত আক্ৰমণ কৰাৰ লগে লগে। এই যুদ্ধতভুৰস্কই ৰোমানিয়াৰ সহযোগতছাৰবিয়া আৰু গ্ৰীচৰ পক্ষত থিয় দিয়ে। ফলত বুলগেৰিয়া পৰাভূত হয়। বুখাৰেষ্ট চুক্তিৰ মাধ্যমত দ্বিতীয় বলকান যুদ্ধৰ সামৰণি পোলোৱা হয় যদিও বলকান উপমহাদেশত সেই সময়ত ছাৰবিয়া আৰু আষ্ট্ৰিয়াৰ মাজৰ শত্ৰুতা একেবাৰে তুংগত উঠিছিল। যিকোনো মূহুৰ্ত্ততে বলকান উপমহাদেশত ৰাজনৈতিক আগ্নেগিৰিৰ বিস্ফোৰণ হোৱাৰ সম্ভৱনা গভীৰ হৈ পৰিছিল। মাত্ৰ অন্যান্য কাৰণসমূহে সেই সাম্ভাব্য বিস্ফোৰণৰ সময় অত্যন্ত চমু চপাই আনিছিল।

অকল বলকান উপমহাদেশতেই নহয, জাতীয়তাবাদী মতাদৰ্শই অন্যান্য বৃহৎ জাতি-ৰাষ্ট্ৰসমূহৰ মাজতো জাতিদম্ভ আৰু গৌৰৱ এনেদৰে বৃদ্ধি কৰি গৈছিল যে সিয়ে দেশসমূহৰ মাজত পাৰস্পৰিক সহানুভূতি, শ্ৰদ্ধা আৰু সহ্যগুণ ক্ৰমান্বয়ে নিশেষ কৰি আনিছিল। ছান ষ্টিফানো চুক্তি স্বাক্ষৰিত হোৱাৰ সময়তে (১৮৭৮) ইংলেণ্ডৰ ব্যাপক সংখ্যাক লোক ৰুচ দেশৰ বিৰুদ্ধে যুদ্ধৰ বাবে উদ্‌গ্ৰীৱ হৈ পৰিছিল। যুদ্ধৰ সমৰ্থনত ইংলেণ্ডৰ ৰাস্তাত মানুহে গাইছিল,

> "We do not want to fight,
> But by Jingo if we do,
> We've got the men, we've got the ships,

We've got the money too "

জাতীয়তাবাদী মতাদৰ্শই ইংলেণ্ড আৰু জাৰ্মানীৰ মাজতো সম্পৰ্কৰ অৱনতি ঘটাইছিল। ১৮৭০-৭১ চনৰেপৰাই ফৰাচীসকল জাৰ্মানীৰ প্ৰতি বীতশ্ৰদ্ধ আছিল। সেই বছৰত জাৰ্মানীয়ে ফ্ৰান্সৰপৰা খনিজ সম্পদেৰে পৰিপূৰ্ণ আলচেছ্ আৰু লোৰেইন কাঢ়ি লৈ নিজ ৰাজ্যভূক্ত কৰিছিল। জাতীয় আত্ম-গৌৰৱত মত্ত ফ্ৰান্সে সুবিধা পালেই জাৰ্মানীৰপৰা আলচেছ্ আৰু লোৰেইন ওভোতাই অনাৰ চেষ্টাত আছিল। প্ৰথম বিশ্ব যুদ্ধৰ আগত ইয়োৰূপত আলচেছ্ আৰু লোৰেইন আছিল অন্যতম বিপদ বিন্দু।

ঊনবিংশ শতিকাত ইয়োৰূপত ভালেমান জাতি-ৰাষ্ট্ৰ গঢ়ি উঠিলেও প্ৰথম বিশ্ব যুদ্ধ আৰম্ভ হোৱা বছৰটোত সেই মহাদেশত কোটি কোটি লোক বিদেশী শাসনৰ তলত আছিল আৰু তেনে বহু লোকে স্বদেশ-স্বজাতিৰ সৈতে চামিল হৈ এক জাতি-ৰাষ্ট্ৰৰ সদস্যৰূপে বৰ্তি থকাৰ প্ৰতি আগ্ৰহ দেখুৱাইছিল। এই উগ্ৰ প্ৰতীক্ষাই ইয়োৰূপত ৰাজনৈতিক অস্থিৰতা বৃদ্ধি কৰিছিল। ইটালীয়ানসকলে তেওঁলোকৰ জাতীয়তাবাদী ইচ্ছা-আকাংক্ষা অসম্পূৰ্ণ আৰু অতৃপ্ত হৈ থকা বুলি অনুভৱ কৰিছিল, কিয়নো তেওঁলোকৰ সগোত্ৰীয় লোক তেতিয়ালৈ আদ্ৰিয়াটিক সাগৰৰ বিপৰীত পাৰত ডালমাছিয়াত অইনৰ অধীনত জীৱন পাত কৰিব লগীয়া হৈছিল। ডালমাছিয়াৰ লোকসকলক ইটালীৰ ৰাজনৈতিক ভূখণ্ডৰ সৈতে একত্ৰিত কৰাৰ বাবে ইটালীয়ানসকল উদ্গ্ৰীৱ হৈ পৰিছিল। ঠিক তেনেদৰে জাৰ্মান অধিকৃত শ্লেছউইগত থকা ডানিশসকলক পুনৰ ডেনমাৰ্কৰ সৈতে চামিল কৰাৰ বাবে ডেনমাৰ্কৰ ফালৰপৰা দাবী উত্থাপন কৰা হৈছিল।

সমসাময়িকভাৱে বিদেশৰ পদানত পোলেণ্ড, ফিনলেণ্ডৰ অধিবাসী আৰু চেকসকলৰ মাজতো জাতীয়তাবাদী মতাদৰ্শৰ আধাৰত ৰাজনৈতিক কাৰ্য-ক্ৰমনিকাৰ দ্ৰুত সম্প্ৰসাৰণ ঘটিছিল। এইবিলাকে সমগ্ৰ ইয়োৰূপৰ ৰাজনৈতিক দৃশ্যপট অত্যন্ত জটিল, অস্থিৰ আৰু বিপদসংকুল কৰি তুলিছিল। সাম্ৰাজ্যবাদী আদৰ্শই জাতিসমূহৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ সৃষ্টি কৰিছিল। সাম্ৰাজ্যবাদী আৰু জাতীয়তাবাদী মতাদৰ্শ বিশেষ ঐতিহাসিক পৰিস্থিতিত এটা মুদ্ৰাৰে দুটা পিঠিৰ নামান্তৰ আছিল মাত্ৰ।

সাম্ৰাজ্যবাদী স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰত জাতীয়তাবাদী মতাদৰ্শই প্ৰতিবেশী ৰাষ্ট্ৰৰ প্ৰতি তীব্ৰ ঘৃণা আৰু প্ৰতিশোধৰ ভাব উদ্ৰেক আৰু জাগ্ৰত কৰি ৰখাত সহায় কৰিছিল। ফলত ৰাষ্ট্ৰসমূহৰ মাজত পাৰস্পৰিক সন্দেহ আৰু অনিশ্চয়তাৰ সৃষ্টি হৈছিল আৰু তাৰেই পৰিণতি স্বৰূপে চলিছিল ব্যাপক প্ৰতিৰক্ষামূলক আঁচনিৰ ৰূপায়ন আৰু বাস্তৱায়ন, চলিছিল সামৰিক শক্তি বৃদ্ধিৰ প্ৰতিযোগিতা। ১৮৭৯ চনত জাৰ্মানীৰ বৈদেশিক সচিবজনে কোৱা কথা

এযাৱৰপৰা সেই দেশৰ সামৰিকতাবাদী দৃষ্টিভংগীৰ উমান পাব পাৰি, তেওঁ কৈছিল—“সামৰিক শক্তি নোহোৱাকৈ, এটা শক্তিশালী সামৰিক বাহিনী আৰু এটা শক্তিশালী নৌ-বাহিনী নথকাকৈ আমাৰ কোনো কল্যাণ আশা কৰিব নোৱাৰি। সমাগত শতিকাত জাৰ্মান জাতি হয়তো এটা হাতুৰী নহয়তো এটা নিয়াৰিত পৰিণত হ’ব।” আনহাতে “শক্তিবিহীন কূটনীতি বাদ্য যন্ত্ৰহীন সংগীতৰ দৰে”—মহামতি ফ্ৰেডাৰিকৰ এই আপ্তবাক্যৰ প্ৰতি অনুগত জাৰ্মানী ১৯১৪ চনত আছিল এটি বিশাল সেনা বাহিনীৰ অধীনত। জাৰ্মানীত ৰাষ্ট্ৰীয় নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত সেনা বাহিনীৰ ভূমিকা তথা কৰ্তৃত্ব আছিল অপৰিসীম।

ইয়োৰূপ মহাদেশৰ ৰাজ্যক্ষেত্ৰৰ বাহিৰত এছিয়া, আফ্ৰিকা, লেটিন আমেৰিকা, অষ্ট্ৰেলিয়া আদি মহাদেশৰ বিভিন্ন দেশত নিজ নিজ উপনিবেশ গঢ়ি তোলাৰ সমসাময়িক-ভাৱে ইয়োৰূপৰ বিশেষকৈ ইংলেণ্ড, ফ্ৰান্স, ইটালী, জাৰ্মানী, ৰাচিয়া, বেলজিয়াম, পৰ্টুগাল আদি দেশ পৰস্পৰৰ মাজত সংঘৰ্ষ আৰু প্ৰতিদ্বন্দ্বিতাত লিপ্ত হৈছিল। ইয়োৰূপৰ শক্তিসমূহৰ এই ৰাজনৈতিক ঘটনাস্ৰোতত ক্ৰমান্বয়ে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু জাপানো জড়িত হৈ পৰিছিল। অৰ্থাৎ উপনিবেশ তথা ঔপনিবেশিক স্বাৰ্থক কেন্দ্ৰ কৰি পৃথিৱীৰ বিভিন্ন ঠাইত পুঁজিবাদী দেশসমূহৰ মাজত প্ৰায় আৰম্ভণিৰেপৰাই ঔপনিবেশিক সংঘৰ্ষ-প্ৰতিদ্বন্দ্বিতা অপ্ৰতিহত ৰূপত চলি আহিছিল। উনবিংশ শতিকাৰ শেহ সিকি শতিকামানৰপৰা এই প্ৰতিদ্বন্দ্বিতাই শীৰ্ষ বিন্দু পাইছিলগৈ।

উক্ত সময়ছোৱাত সংঘটিত আৰু অব্যাহত থকা প্ৰধান বিবাদমান ঔপনিবেশিক সংঘৰ্ষ বা প্ৰতিদ্বন্দ্বিতাসমূহ আছিল এনেধৰণৰ—(১) ইজিপ্তক কেন্দ্ৰ কৰি ফ্ৰান্স আৰু ইংলেণ্ডৰ সংঘৰ্ষ, (২) পাৰস্যক কেন্দ্ৰ কৰি ৰাচিয়া আৰু ইংলেণ্ডৰ সংঘৰ্ষ, (৩) মৰক্কোক কেন্দ্ৰ কৰি ফ্ৰান্স আৰু জাৰ্মানীৰ সংঘৰ্ষ, (৪) চীনক কেন্দ্ৰ কৰি ৰাচিয়া আৰু জাপানৰ সংঘৰ্ষ, আৰু (৫) বলকান উপমহাদেশক কেন্দ্ৰ কৰি ৰাচিয়া, জাৰ্মানী, ইংলেণ্ড আৰু আষ্ট্ৰিয়াৰ সংঘৰ্ষ আদি।

এইবিলাকৰ ওপৰিও আছিল প্ৰশান্ত মহাসাগৰীয় অঞ্চলত ইয়োৰূপীয় শক্তিসমূহৰ সৈতে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ সংঘৰ্ষ। প্ৰাচ্যত ঔপনিবেশিক সংঘৰ্ষত লিপ্ত দেশসমূহ আছিল মুখ্যতঃ জাপান, ৰাচিয়া, ইংলেণ্ড, ফ্ৰান্স আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰ।

ইয়োৰূপত সাম্ৰাজ্যবাদী শক্তিসমূহৰ মাজত গোপন সামৰিক চুক্তি সম্পাদনঃ

প্ৰথম বিশ্ব যুদ্ধ আৰম্ভ হোৱাৰ প্ৰায় ভালেমান বছৰৰ পূৰ্ব্বৰপৰাই ইয়োৰূপত বৃহৎ শক্তিসমূহৰ মাজত কেবাটাও গোপন সামৰিক চুক্তি স্বাক্ষৰিত হৈছিল। জাৰ্মানীক জাতি-ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বাবে বিচমাৰ্কে যি ৰাজনৈতিক প্ৰক্ৰিয়া আৰম্ভ কৰিছিল তাৰেই

পৰিণতিত বিশেষকৈ আষ্ট্ৰিয়া আৰু ফ্ৰান্সৰ সৈতে জাৰ্মানীৰ শত্ৰুতা বৃদ্ধি পাইছিল। ১৮৬৬ চনত সংঘটিত অষ্ট্ৰো-প্ৰুচিয়াৰ যুদ্ধত আষ্ট্ৰিয়াৰ পৰাজয় হৈছিল আৰু তাৰ চাৰি বছৰৰ পিচত ১৮৭০ চনত ফ্ৰেংকো-প্ৰুচিয়াৰ যুদ্ধতো ফ্ৰান্সৰ পৰাজয় হৈছিল। অকল সেইটোৱে নহয়, এই যুদ্ধত ফ্ৰান্সৰ সম্ৰাট তৃতীয় নেপ'লিয়ন প্ৰুচিয়াৰ হাতত যুদ্ধ-বন্দী হৈছিল। তদুপৰি এই যুদ্ধৰ পৰিণতিতেই প্ৰুচিয়া তথা জাৰ্মানীয়ে খনিজ সম্পদেৰে ভৰপূৰ ফ্ৰান্সৰ উত্তৰ সীমান্তত অৱস্থিত আলছেছ্ আৰু লোৰেইন দখল কৰি নিজ ৰাজ্যভুক্ত কৰি লৈছিল।

গতিকে প্ৰুচিয়া তথা জাৰ্মানীৰ হাতত পৰাভূত, লাঞ্ছিত, অপমানিত আষ্ট্ৰিয়া আৰু ফ্ৰান্সে সুবিধা পালেই যে যি কোনো সময়তে জাৰ্মানীৰ বিৰুদ্ধে প্ৰতিশোধমূলক যুদ্ধত অৱতীৰ্ণ নহ'ব সেই সম্পৰ্কে বিচমাৰ্কৰ কোনো সন্দেহ নাছিল। সেয়ে তেওঁ তেনে এখন প্ৰতিশোধমূলক যুদ্ধ এৰাই চলিবলৈ আৰু ৰাজনৈতিকভাৱে ফ্ৰান্সক ইয়োৰপত এঘৰীয়া কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিল। ঐতিহাসিক ড°জি পি গুচৰ (Dr G P Gooch) মতে, "১৮৭০-৭১ চনৰ পিচৰপৰা বিচমাৰ্কৰ বৈদেশিক নীতিৰ মূল মৰ্ম আছিল ফ্ৰান্সক অকলশৰীয়া কৰি ৰখাটো।" সেই নীতিৰ ফলতেই সৃষ্টি হৈছিল ১৮৭৩ চনত "ত্ৰি-সম্ৰাট মৈত্ৰী সংঘ" (Three Emperors' League)। এই সংগঠনৰ মাধ্যমত তেওঁ জাৰ্মানী, ৰাচিয়া আৰু আষ্ট্ৰিয়াৰ সম্ৰাটসকলক একেখন চুক্তিৰ গণ্ডীলৈ আনিছিল।

কিন্তু ১৮৭৫ চনত জাৰ্মানীয়ে ফ্ৰান্স আক্ৰমণ কৰিব বুলি গুজব এটা প্ৰচাৰ হোৱাত ৰাচিয়াই ফ্ৰান্সৰ পক্ষ সমৰ্থন কৰিব বুলি কোৱাত সেই ত্ৰি-সম্ৰাটৰ মৈত্ৰী সংঘ সাময়িকভাৱে নিষ্ক্ৰীয় হৈ পৰে। তেনে পৰিস্থিতিত বিচমাৰ্কে আষ্ট্ৰিয়াৰ সৈতে আৰু বেছি ঘনিষ্ঠ সম্পৰ্ক স্থাপনৰ বাবে চেষ্টা কৰে। তাৰেই পৰিণতিত ১৮৭৯ চনত গঢ়ি উঠে আষ্ট্ৰো-জাৰ্মান দ্বি-পাক্ষিক চুক্তি (Austro- German Dual Alliance)। এই চুক্তি আছিল সামৰিক সহযোগিতামূলক গোপন চুক্তি। তাৰ পিচত তেওঁ ১৮৮১ চনত ত্ৰি সম্ৰাটৰ মৈত্ৰী সংঘ পুনৰুজ্জীৱিত কৰে। কিন্তু বুলগেৰিয়াক কেন্দ্ৰ কৰি আষ্ট্ৰিয়া আৰু ৰাচিয়াৰ মাজত দেখা দিয়া সংঘৰ্ষৰ সময়ত বিচমাৰ্কে ৰাচিয়াৰ পক্ষ লোৱাত আষ্ট্ৰিয়া অসন্তুষ্ট হয় আৰু এই ত্ৰি সম্ৰাটৰ মৈত্ৰী সংঘ সম্পূৰ্ণৰূপে ভাঙি পৰে। সেয়ে বিচমাৰ্কে এইবাৰ ১৮৮৭ চনত ৰাচিয়াৰ সৈতে ৰি-ইন্সিওৰেন্স চুক্তি (Re- insurance treaty) নামে এটি নতুন চুক্তি সম্পাদন কৰি ৰুচ-জাৰ্মান সম্পৰ্ক অটুট ৰখাৰ ব্যৱস্থা কৰে।

বিচমাৰ্কে কিন্তু ইতিপূৰ্বে ফ্ৰান্স আৰু ইটালীৰ মাজত আফ্ৰিকাৰ টিউনিছক কেন্দ্ৰ কৰি ভালেমান বছৰৰপৰা চলি অহা বিবাদক নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰি কৃতকাৰ্যতা লাভ কৰে। তেওঁ অত্যন্ত গোপনে এইবাৰ ফ্ৰান্সৰ পক্ষ সমৰ্থন কৰি তেওঁলোকক

টিউনিছ দখল কৰিবলৈ উচতাই দিয়ে। বিচমাৰ্কৰ উদ্দেশ্য আছিল ফ্ৰান্স আৰু ইটালীৰ মাজত বৈৰী ভাৱৰ বৃদ্ধি কৰি ইটালীক নিজৰ ফাললৈ অনাটো।

সি যি কি নহওক, বিচমাৰ্কৰ গোপন সমৰ্থন পাই ফ্ৰান্সে ১৮৮১ চনত টিউনিছ দখল কৰি তাত ফ্ৰান্সৰ আধিপত্য স্থাপন কৰে। বিচমাৰ্কৰ উদ্দেশ্য সফল হ'ল। এই ঘটনাৰ লগে লগে সুচতুৰ কূটনীতিবিদ বিচমাৰ্কে ইটালীৰ লগত সম্পৰ্ক স্থাপন কৰে আৰু ইটালীক আষ্ট্ৰো-জাৰ্মান দ্বি-পাক্ষিক চুক্তিৰ সদস্যভুক্ত হ'বলৈ আহ্বান জনোৱাত তাৰ প্ৰতি সঁহাৰি দি ইটালীয়ে ১৮৮২ চনত উক্ত চুক্তিৰ সদস্য হৈ পৰে। ইটালীৰ অন্তৰ্ভুক্তিৰ লগে লগে আষ্ট্ৰো-জাৰ্মান দ্বি-পাক্ষিক চুক্তি আষ্ট্ৰিয়া-জাৰ্মানী আৰু ইটালীৰ মাজৰ ত্ৰি-পাক্ষিক চুক্তিলৈ (Tripple Alliance)পৰিবৰ্তিত হৈ পৰে। এই চুক্তি ১৯১৪ চনলৈ বৰ্তি আছিল যদিও ইটালীয়ে প্ৰথম বিশ্ব যুদ্ধৰ সমসাময়িকভাৱে পক্ষ সলনি কৰি ত্ৰি-পাক্ষিক চুক্তিত ভাঙোন আনিছিল।

ইতিপূৰ্বে উল্লেখ কৰি অহা হৈছে যে ফ্ৰান্সক এঘৰীয়া কৰাৰ প্ৰয়োজনতেই জাৰ্মানীৰ প্ৰধানমন্ত্ৰী বিচমাৰ্কে এটাৰ পিচত এটাকৈ গোপন চুক্তি কৰাৰ পোষকতা কৰি তাক কাৰ্যকৰী কৰিছিল। কিন্তু বিচমাৰ্কৰ এই কাৰ্যই বিপৰীত দিশত অন্যান্য দেশৰ মাজতো গোপন সামৰিক চুক্তি কৰাৰ পৰিবেশ তথা তাগিদাৰ সৃষ্টি কৰিছিল।

১৮১৪-১৫ চনৰ পিচত প্ৰায় এটা শতিকা জুৰি ইংলেণ্ডে ইয়োৰূপীয় ৰাজনীতি তথা ঘটনাৱালীৰ ক্ষেত্ৰত এক নিৰপেক্ষ দৃষ্টিভঙ্গী লৈ আহিছিল, আৰু এই নীতিয়ে কম-বেছি পৰিমাণে ইংল্যাণ্ডৰ জাতীয় স্বাৰ্থ সংৰক্ষণত বিশেষ অৰিহণা যোগাইছিল। কিন্তু ঊনবিংশ শতিকাৰ শেহৰ পিনৰপৰা ইয়োৰোপীয় ৰাজনীতিত সংঘটিত ঘটনাৱালীৰ পৰিপ্ৰেক্ষিতত ইংলেণ্ডে ক্ৰমান্বয়ে নিৰপেক্ষ হৈ থকাৰ পৰিবৰ্তে ইয়োৰূপীয় ৰাজনীতিত পুনৰ সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিবলৈ ধৰে। বিশেষকৈ বিচমাৰ্কৰ নেতৃত্বত জাৰ্মানীয়ে ইয়োৰূপত নিজৰ আধিপত্য স্থাপন কৰিছিল আৰু জাৰ্মানী আৰু বিচমাৰ্ক যথাক্ৰমে হৈ পৰিছিল ইয়োৰূপীয় ৰাজনীতিৰ কেন্দ্ৰ বিন্দু আৰু ব্যক্তি। ইংলেণ্ডৰ দৰে দেশখনৰ বাবে এইটোও আছিল অত্যন্ত ঈৰ্ষাৰ বিষয়।

সি যি কি নহওক, ১৮৯৪ চনত ৰাচিয়া আৰু ফ্ৰান্সৰ মাজত স্বাক্ষৰিত দ্বিপাক্ষিক চুক্তিয়ে এফালে বিচমাৰ্কৰ ৰাজনৈতিক সমীকৰণত প্ৰথমবাৰৰ বাবে আউল লগাইছিল আৰু আনফালে ইংলেণ্ডৰ ৰাজনৈতিক নেতৃবৃন্দৰ মনত একাকীত্বৰ মনোভাৱ সৃষ্টি কৰিছিল। এই পৰিবৰ্তিত পৰিস্থিতিয়ে ভৱিষ্যতে ইংলেণ্ডৰ বাবে বিপদৰ সৃষ্টি কৰিব পাৰে বুলি সন্দেহ কৰি ইংলেণ্ডে পুনৰ ইয়োৰূপীয় ৰাজনীতিৰ ধামখুমীয়াত সোমাই পৰাৰ বাবে কৰ্মতৎপৰ হৈ পৰে। অৱশেষে ইংলেণ্ডৰ বাবে সেই সুযোগটো আনি দিলে মহাদেশীয়

ৰাজ্যক্ষেত্ৰৰ বাহিৰত সংঘটিত এটি ঘটনাই। ১৮৯৮ চনত আফ্ৰিকাৰ নীল নদীৰ পাৰৰ ফাছোদা নামে ঠাইত ইংলেণ্ড আৰু ফ্ৰান্সৰ মাজত এক সামৰিক সংঘৰ্ষ সংঘটিত হোৱাৰ উপক্ৰম হৈছিল। কিন্তু সেই সময়ত ফ্ৰান্সৰ বৈদেশিক মন্ত্ৰী ডেল্‌কাছিৰ (Delcasse) বৃটিশ-প্ৰীতিয়ে সেই পৰিস্থিতি দুয়োখন ৰাষ্ট্ৰৰ অনুকূলে লৈ অহাত ফাছোদা সমস্যা শান্তিপূৰ্ণভাৱে সমাধা কৰা হৈছিল। এই সুযোগতে পিচৰ বছৰত ফ্ৰান্সে ইংলেণ্ডক পৰস্পৰৰ মাজত বৰ্তি থকা বিবাদৰ উৎসসমূহ শান্তিপূৰ্ণভাৱে সমাধান কৰিবলৈ আহ্বান জনায়।

এনেতে ১৯০২ চনত ইংলেণ্ডে জাপানৰ সৈতে এখন চুক্তি স্বাক্ষৰ কৰে। এই চুক্তিৰ লক্ষ্য আৰু উদ্দেশ্য আছিল সুদূৰ প্ৰাচ্যত সাম্ৰাজ্যবাদী দেশসমূহৰ মাজত যথাস্থিতি অক্ষুণ্ণ ৰাখি শান্তি বজাই ৰখাৰ লগতে চীন আৰু কোৰিয়াৰ ৰাষ্ট্ৰীয় অখণ্ডতা নিৰাপদে ৰাখি সম-অধিকাৰৰ ভিত্তিত বাণিজ্যিক সুবিধা লাভ কৰাটো। কিয়নো সেই সময়ত চীনত ইংলেণ্ড আৰু জাপানৰ চীন আৰু কোৰিয়াত বিশেষ স্বাৰ্থ জড়িত আছিল। এই চুক্তি আছিল পাৰস্পৰিক সামৰিক সাহায্য লাভৰ বাবে কৰা গোপন সামৰিক চুক্তি।

জাপানৰ সৈতে কৰা এই দ্বি-পাক্ষিক চুক্তিৰ পিচতো ইংলেণ্ডে শান্তিৰে থাকিব পৰা নাছিল। জাৰ্মানীৰ ক্ৰমবৰ্দ্ধমান আগ্ৰাসী নীতিৰ পৰিপ্ৰেক্ষিতত ইংলেণ্ডে যেন এতিয়াও নিজৰ সম্পূৰ্ণ নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিব পৰা নাই তেনে এটি ধাৰণা ইংলেণ্ডৰ ৰাজনৈতিক নেতাসকলৰ মনত বিৰাজ কৰিছিল। নিজ দেশৰ জাতীয় নিৰাপত্তাৰ প্ৰশ্নটো ইংলেণ্ডৰ বাবে অত্যন্ত জটিল হৈ পৰিছিল যেন বোধ হৈছিল, সেয়ে তেওঁলোকে মহাদেশীয় শক্তি ফ্ৰান্সৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰাৰ বাবে ব্যাগ্ৰ হৈ পৰিছিল। বিচমাৰ্কৰ কূটনৈতিক ব্যৱস্থাৰ বলি হৈ মহাদেশীয় ৰাজনীতিত এঘৰীয়া হৈ পৰা ফ্ৰান্সকো এই মুহূৰ্ত্তত এখন বন্ধু ৰাষ্ট্ৰৰ প্ৰয়োজনে দেখা দিছিল। তদানীন্তন ৰাজনৈতিক পৰিস্থিতিত ফ্ৰান্সৰ বাবে পছন্দৰ দেশ আছিল ইংলেণ্ড। গতিকে দুয়োখন দেশৰ মাজত বন্ধুত্বপূৰ্ণ সামৰিক সম্পৰ্ক গঢ়ি উঠাৰ বাবে বতৰ আছিল বিশেষভাৱে অনুকূল।

১৯০৩ চনত বৃটেইনৰ ৰজা সপ্তম এডবাৰ্ডে ফ্ৰান্স ভ্ৰমণ কৰে। তেওঁৰ ভ্ৰমণৰ প্ৰতি সঁহাৰি জনাই ফ্ৰান্সৰ প্ৰেছিডেণ্ট লুবে (Loubet) আৰু প্ৰধানমন্ত্ৰী ডেল্‌কাছিয়ে সেই বছৰতে ইংলেণ্ড ভ্ৰমণ কৰে। ৰাষ্ট্ৰনেতাসকলৰ সৌহাৰ্দপূৰ্ণ পাৰস্পৰিক ভ্ৰমণ সূচীয়ে সৃষ্টি কৰা বন্ধুত্বপূৰ্ণ পৰিৱেশত (১৯০৪ চনত) সম্পাদিত হ'ল 'এংলো-ফ্ৰেন্স আঁটাট কৰডিয়েল'(Anglo- French Entente Cordiale)। ফ্ৰান্সে এক স্বস্তিৰ নিশ্বাস পেলালে। এই বন্ধুত্বৰ মাধ্যমত পৰস্পৰে পৰস্পৰৰ ঔপনিবেশিক-সাম্ৰাজ্যিক স্বাৰ্থ অক্ষুন্ন ৰখাৰ প্ৰতি প্ৰতিজ্ঞাবদ্ধ হ'ল। ফ্ৰান্সে ইজিপ্তত ইংলেণ্ডৰ অধিকাৰ আৰু ইংলেণ্ডে মৰক্কোত

ফ্ৰান্সৰ অধিকাৰক স্বীকৃতি দিলে। এই বন্ধুত্বৰ পিচত ক্ৰমান্বয়ে দুয়োখন দেশৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীলতা বৃদ্ধি পাই আহিছিল।

ফ্ৰান্স আৰু ইংলেণ্ডৰ মাজত পাৰস্পৰিক বুজাপৰা আৰু বন্ধুত্ব বাঢ়ি অহাৰ লগে লগে ফ্ৰান্সে প্ৰতিবেশী ৰাষ্ট্ৰ ইংলেণ্ড আৰু ৰাচিয়াৰ মাজতসহযোগিতা আৰু বন্ধুত্বমূলক সম্পৰ্ক স্থাপনৰ প্ৰতি আগ্ৰহান্বিত হৈ পৰিছিল। ইতিমধ্যে ক্ষমতাৰপৰা অপসাৰিত ফ্ৰান্সৰ প্ৰাক্তন বৈদেশিক মন্ত্ৰী ডেলকাছিয়ে এই দিশত ক্ৰীয়াশীল ভূমিকা লৈছিল। তাৰেই ফলশ্ৰুতিত ১৯০৭ চনত ইংলেণ্ড আৰু ৰাচিয়াৰ (Anglo- Russian Convention, 1907) মাজত এক সুদূৰ প্ৰসাৰী ৰাজনৈতিক বুজাপৰা সংঘটিত হয়। এই চুক্তি মৰ্মে পাৰস্য, আফগানিস্তান আৰু তিব্বত— এই তিনিখন দেশক কেন্দ্ৰ কৰি ৰাচিয়া আৰু ইংলেণ্ডৰ মাজত চলি অহা ৰাজনৈতিক-সাম্ৰাজ্যিক বিবাদসমূহ শান্তি পূৰ্ণভাৱে সমাধা কৰা হয়।

এই চুক্তি মৰ্মে পাৰস্যৰ উত্তৰাংশত ৰাচিয়াৰ, দক্ষিণাংশত ইংলেণ্ডৰ আৰু মধ্যাংশত পাৰস্যৰ সম্ৰাটৰ অধিকাৰ সাব্যস্ত হয়। অৱশ্যে পাৰস্যৰ সম্ৰাটৰ অজ্ঞাতেই এই ভাগ-বাটোৱাৰা সম্পাদিত কৰা হৈছিল। আফগানিস্তান সম্পৰ্কত ৰাচিয়াই সেই দেশৰ আভ্যন্তৰীণ ৰাজনীতিত হস্তক্ষেপ নকৰাৰ নীতি লোৱাৰ পোষকতা কৰে আৰু প্ৰয়োজন সাপেক্ষে বৃটিশ চৰকাৰৰ মাধ্যমত আফগানিস্তানৰ সৈতে সম্পৰ্ক ৰখাৰ প্ৰতিশ্ৰুতি দিয়ে। তিব্বতৰ ওপৰত দুয়োখন দেশেই চীনৰ সাৰ্বভৌমত্ব স্বীকাৰ কৰে। ৰাচিয়া আৰু ইংলেণ্ডৰ মাজত এই চুক্তি স্বাক্ষৰিত হোৱাৰ লগে লগে ইংগ-ফৰাছী দ্বি-পাক্ষিক চুক্তি ত্ৰি-পাক্ষিক চুক্তিত (Tripple Entente) পৰিণত হয়।

এই ঘটনাৰ লগে লগে ইয়োৰূপ মহাদেশৰ বৃহৎ শক্তিসমূহ দুটা প্ৰতিসম সামৰিক শিবিৰত বিভক্ত হৈ পৰে, এফালে থাকিল জাৰ্মানীৰ নেতৃত্বত অষ্ট্ৰিয়া আৰু ইটালী আৰু আনফালে ইংলেণ্ডৰ নেতৃত্বত ফ্ৰান্স আৰু ৰাচিয়া। ইয়োৰূপৰ সাম্ৰাজ্যবাদী শক্তিসমূহৰ মাজত গঢ়ি উঠা এই গোপন সামৰিক চুক্তিসমূহে প্ৰথম বিশ্ব যুদ্ধ সংঘটিত কৰাত প্ৰভূত অৰিহণা যোগাইছিল। এই গোপন সামৰিক চুক্তিসমূহে বিবাদমান ৰাজনৈতিক-ঔপনিবেশিক-সাম্ৰাজ্যিক সমস্যাসমূহ শান্তিপূৰ্ণভাৱে সমাধান কৰাৰ সকলো সম্ভাৱনা ধূলিস্যাৎ কৰি পেলাইছিল। এই চুক্তিসমূহ সম্পাদিত হোৱাৰ পৰিপ্ৰেক্ষিতত বিবাদমান পক্ষ দুটাৰ মাজত পাৰস্পৰিক সন্দেহ, বিশ্বাসহীনতা আৰু সামৰিক শক্তিৰ ওপৰত নিৰ্ভৰশীলতা অধিক পৰিমাণে বৃদ্ধি পাই আহিছিল। সমসাময়িকভাৱে সংঘটিত ৰাজনৈতিক ঘটনাৱলীয়ে এই প্ৰৱনতা আৰু বৃদ্ধি কৰি বিশ্ব যুদ্ধ সৃষ্টিত ইন্ধন যোগাইছিল।

ইয়োৰূপৰ ক্ৰমবৰ্দ্ধমান ৰাজনৈতিক ঘটনাৱলী আৰু সামৰিক সংঘৰ্ষঃ

১৯০৫-০৬, ১৯০৮ আৰু ১৯১১ চনত মৰক্কোক কেন্দ্ৰ কৰি ফ্ৰান্স আৰু জাৰ্মানীৰ মাজত সামৰিক সংঘৰ্ষ সন্নিকট হৈ পৰে। যি কোনো মুহূৰ্ত্ততে জাৰ্মানীয়ে ফ্ৰান্স আক্ৰমণ কৰাৰ সম্ভৱনাই দেখা দিয়ে। এনে পৰিস্থিতিত ইংলেণ্ডে ফ্ৰান্সৰ পক্ষ সমৰ্থন কৰি মৰক্কোত ফ্ৰান্সৰ অৱস্থান শক্তিশালী কৰি তোলে। কিন্তু সেইটো হলেও ইংলেণ্ড আৰু জাৰ্মানীৰ মাজত ব্যাপকভাৱে পাৰস্পৰিক তিক্ততা বাঢ়ি আছে।

মৰক্কোক কেন্দ্ৰ কৰি প্ৰথমবাৰ ফ্ৰান্স আৰু জাৰ্মানীৰ মাজত সংঘৰ্ষ হোৱাৰ সম্ভৱনাই দেখা দিয়ে ১৯০৫-০৬ চনত। ১৯০৪ চনত স্বাক্ষৰিত এংলো-ফ্ৰেন্স আৰু ফ্ৰেংকো-স্পেনীজ চুক্তিৰ মাধ্যমত মৰক্কোৰ বিভাজনৰ বাবে গোপনে সিদ্ধান্ত কৰা হৈছিল। এই সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত জাৰ্মানীয়ে মৰক্কোক স্বাধীন দেশৰূপে স্বীকৃতি দিয়ে। তাতেই সন্তুষ্ট নাথাকি জাৰ্মান সম্ৰাট দ্বিতীয় উইলিয়ামে টাঞ্জিয়াৰত উপস্থিত হৈ মৰক্কোৰ প্ৰতি সমৰ্থনসূচক ভাষণ দিয়ে আৰু মৰক্কো সম্পৰ্কত আন্তৰ্জাতিক সন্মিলন এখন আহ্বান কৰাৰ পোষকতা কৰে।

সেই সময়ত ফ্ৰান্সে আমেৰিকা যুক্তৰাষ্ট্ৰৰো সমৰ্থন পোৱাৰ সম্ভৱনা থকাত ফ্ৰান্সে সেই সন্মিলন পতাৰ প্ৰতি সন্মতি দিয়ে আৰু ১৯০৬ চনৰ জানুৱাৰী-এপ্ৰিল মাহত দক্ষিণ স্পেইনৰ আলজিছিৰাচত(Algeciras Conference) আন্তৰ্জাতিক সন্মিলনখন অনুষ্ঠিত হয়। এই সন্মিলনে মৰক্কোৰ চুলতানৰ কৰ্তৃত্ব অক্ষুণ্ণ ৰখাৰ লগতে মৰক্কোত ফ্ৰান্স আৰু স্পেইনৰ অভিভাৱকত্ব মানি লয়। এই সন্মিলনৰ সময়ত ফ্ৰান্স আৰু বৃটেইনৰ মাজত কূটনৈতিক ক্ষেত্ৰত যি ঘনিষ্ঠতাই দেখা দিছিল সেইটো আছিল অত্যন্ত গুৰুত্বপূৰ্ণ। এই কাৰ্যই এফালে ইংগ-ফৰাচী আঁটাট শক্তিশালী কৰাৰ লগতে এই আঁটাটৰ প্ৰতি ৰাছিয়াকো আকৰ্ষিত কৰি তুলিছিল।

মৰক্কোক কেন্দ্ৰ কৰি দ্বিতীয়বাৰ সংঘৰ্ষ সৃষ্টি হোৱাৰ সম্ভৱনাই দেখা দিয়ে ১৯১১ চনত। সেই বছৰতে আভ্যন্তৰীণ আইন-শৃংখলাৰ অৱনতি হোৱাৰ অজুহাতত ফ্ৰান্সে মৰক্কোলৈ এটি সামৰিক বাহিনী প্ৰেৰণ কৰে। তাৰ প্ৰতিবাদত জাৰ্মানীয়ে আটলাণ্টিক মহাসাগৰৰ উপকূলত থকা মৰক্কোৰ সামুদ্ৰিক বন্দৰ আগাদিৰলৈ পেন্থাৰ (Panther) নামৰ নৌ-জাহাজখন প্ৰেৰণ কৰে (১ জুলাই ১৯১১)। ফলত ফ্ৰান্স আৰু জাৰ্মানীৰ মাজত আকৌ যুদ্ধ সন্নিকট হয়। ইয়াকে আগাদিৰ সমস্যা বোলা হয়।

বৃটেইনৰ মধ্যস্থতাত এইবাৰো ফ্ৰান্সৰ অনুকূলে মৰক্কো বা আগাদিৰ সমস্যাৰ সমাধান সূত্ৰ উলিওৱা হয়। ১৯১১ চনৰ ৩-৪ নবেম্বৰ তাৰিখে জাৰ্মানী, ফ্ৰান্স আৰু বৃটেইনৰ মাজত স্বাক্ষৰিত চুক্তি মৰ্মে মৰক্কোত ফ্ৰান্সৰ অধিকাৰ স্বীকৃত হয় আৰু তাৰ বিনিময়ত

জাৰ্মানীয়ে ফৰাছী অধিকৃত কংগোৰ উত্তৰ-পশ্চিম এলেকাটো নতুনকৈ লাভ কৰে। মৰক্কোত ফ্ৰান্সৰ অধিকাৰ স্থাপিত হোৱাৰ লগে লগে ফ্ৰান্স পৃথিবীৰ ভিতৰতে দ্বিতীয় বৃহৎ ঔপনিবেশিক ৰাষ্ট্ৰৰূপে পৰিগণিত হয়। সি যি কি নহওক, মৰক্কোত সংঘটিত সমস্যা ৰাজিৰ সমাধানৰ ক্ষেত্ৰত ফ্ৰান্স আৰু বৃটেইনৰ ৰাজনৈতিক আৰু সামৰিক উভয় দিশতে ক্ৰমাগতভাৱে ঘনিষ্ঠতা বৃদ্ধি পাই আহিছিল। এইটো আছিল বিশ্ব শান্তিৰ পৰিপন্থী।

মৰক্কো সমস্যা সমাধান নৌহওতেই ইটালীয়ে ১৯১১ চনৰ ছেপ্তেম্বৰ মাহত তুৰস্ক আক্ৰমণ কৰি আফ্ৰিকাত ভূমধ্য সাগৰীয় উপকূলত ত্ৰিপ'লী দখল কৰে। ইটালী অকল ত্ৰিপ'লী দখলতে ক্ষান্ত নাথাকি একে সময়তে ডাৰ্দেনেলিছ প্ৰণালীৰ প্ৰবেশ পথত বোমা নিক্ষেপ কৰি ভূমধ্য সাগৰত ৰোডছ (Rhodes) সহ অন্যান দ্বীপ দখল কৰে। তুৰস্কৰ বিৰুদ্ধে ত্ৰিপাক্ষিক চুক্তিৰ অংশীদাৰ ইটালীৰ এই আক্ৰমণৰ পৰিপ্ৰেক্ষিতত চুক্তিৰ অন্যান্য সদস্য- জাৰ্মানী আৰু আষ্ট্ৰিয়া-হাংগেৰী বিস্ময়-বিমূঢ় হৈ পৰে যদিও কোনো সক্ৰিয় ভূমিকা লোৱাৰপৰা বিৰত থাকিবলৈ বাধ্য হয়। তুৰস্কৰ বিৰুদ্ধে একে সময়তে আলবানিয়াতো বিদ্ৰোহ সংঘটিত হৈছিল। গতিকে অনিচ্ছা স্বত্বেও তুৰস্কই লুছান শান্তি চুক্তিৰ (Treaty of Lausanne) (১৫ অক্টোবৰ ১৯১২) মাধ্যমত ত্ৰিপলী ইটালীক এৰি দিবলৈ বাধ্য হয়।

প্ৰথম বিশ্ব যুদ্ধৰ তাৎক্ষণিক কাৰণঃ

উপৰ্যোপৰি সংঘটিত হোৱা আন্তৰাষ্ট্ৰীয় ৰাজনীতিৰ এই অৱনতিৰ ফলত বলকান উপমহাদেশত ইটালী আৰু আষ্ট্ৰিয়াৰ পৰৱৰ্তী ৰাজনৈতিক সম্প্ৰসাৰণবাদী কাৰ্যসূচী সম্পৰ্কে যথেষ্ঠ সন্দেহৰ সৃষ্টি হয়। এই সন্দেহ আৰু অনিশ্চয়তা যিমানেই বাঢ়ি আহিছিল সিমানেই ছাৰবিয়াৰ নেতৃত্বতবলকান উপ-মহাদেশত জাতীয়তাবাদী আন্দোলনে জংগীৰূপ ধাৰণ কৰিবলৈ লৈছিল। ইতিপূৰ্বে উল্লেখ কৰি অহা হৈছে যে ১৯০৮-০৯ চনত আষ্ট্ৰিয়াই বছনিয়া আৰু হাৰ্জেগভিনা দখল কৰি নিজ ৰাজ্যভুক্ত কৰে আৰু ১৯১২-১৩ চনত আষ্ট্ৰিয়াৰ প্ৰৰোচনাত আলবানিয়াক স্বাধীন ৰাষ্ট্ৰৰূপে গঢ়ি তোলা কাৰ্যই ছাৰ্বিয়াৰ ৰাজনৈতিক-জাতীয়তাবাদী আন্দোলনক নতুন আৰু ব্যাপক মাত্ৰা দান কৰিছিল।

এই আন্দোলন তুংগত উঠোতেই ১৯১৪ চনৰ ২৮ জুন তাৰিখে আষ্ট্ৰিয়াৰ সিংহাসনৰ উত্তৰাধিকাৰী যুৱৰাজ ফ্ৰেঞ্চিছ ফাৰ্ডিনান্দে বছনিয়াৰ ৰাজধানী ছেৰাজাভো ভ্ৰমণ কৰিবলৈ যায়। তাতে তেওঁক গাভৰাইলো প্ৰিঞ্চেপ (Gavrilo Princip) নামে বিদ্ৰোহী ছাৰ্বিয়ান যুৱক এজনে নিচেই ওচৰৰপৰা গুলিয়াই হত্যা কৰে। ছেৰাজাভোৰ এই ঘটনাই আষ্ট্ৰিয়াত আৰু লগতে ইয়োৰূপৰ বিভিন্ন দেশত ভীষণ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে।

আষ্ট্ৰিয়াই ঘটনা সম্পৰ্কত মিত্ৰ দেশ জাৰ্মানীৰ সৈতে যোগাযোগ কৰে। আষ্ট্ৰিয়াৰ

যুক্তি হ'ল ৰাচিয়াৰ সমৰ্থন পাই ছাৰ্বিয়ানসকলে ত্ৰিপাক্ষিক চুক্তিৰ অংশীদাৰ ৰাষ্ট্ৰসমূহ বিধস্ত কৰাৰ লগতে আষ্ট্ৰিয়ান সাম্ৰাজ্যও ধ্বংস কৰিবলৈ ওলাইছে। আষ্ট্ৰিয়াৰ সিংহাসনৰ উত্তৰাধিকাৰীৰ হত্যাকাণ্ডও ৰাচিয়া সমৰ্থিত ছাৰ্বিয়ান জাতীয়তাবাদী আন্দোলনৰেই পৰিণতি।

অৱশেষত জাৰ্মান সম্ৰাটৰ অনুমোদন মৰ্মে আষ্ট্ৰিয়াই ছাৰ্বিয়াৰ ওচৰত এখন চৰমপত্ৰ দাখিল কৰে। মুঠতে এঘাৰটা দাবী সম্বলিত এই চৰমপত্ৰৰ প্ৰতি সদৰ্থক সঁহাৰি জনাবলৈ ছাৰ্বিয়াক মাত্ৰ ৪৮ ঘন্টা সময় দিয়া হৈছিল। এই চৰমপত্ৰ দিয়া হৈছিল ২৩ জুলাই তাৰিখে। আকৌ ঠিক সেই দিনাখনেই ৰাচিয়াৰ বৈদেশিক মন্ত্ৰীয়ে ছেইণ্ট পিটাৰছবাৰ্গত থকা ছাৰ্বিয়াৰ ৰাষ্ট্ৰদূতক এই বুলি আশ্বাস দিছিল যে যি কোনো পৰিস্থিতিতেই ৰাচিয়াই আষ্ট্ৰিয়াক ছাৰ্বিয়া আক্ৰমণ কৰিবলৈ এৰি নিদিয়ে। গতিকে ছাৰ্বিয়াই দিয়া প্ৰত্যুত্তৰ আষ্ট্ৰিয়াৰ মনঃপুত নহ'ল। অৱধাৰিতভাৱেই আষ্ট্ৰিয়াই সামৰিক সংঘৰ্ষৰ পথ বাছি ললে।

১৯১৪ চনৰ ২৮ জুলাইৰ দিনা আষ্ট্ৰিয়াই ছাৰ্বিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি পিচদিনাখন ৰাজধানী চহৰ বেলগ্ৰেদত বোমা বৰ্ষণ কৰে। আৰম্ভ হয় বিশ্বৰ প্ৰথমখন মহাসমৰ। এই মহাযুদ্ধত ত্ৰি-পাক্ষিক চুক্তিৰ অংশীদাৰ ৰাষ্ট্ৰৰ কেৱল দুখন ৰাষ্ট্ৰইহে চুক্তিৰ প্ৰতি অনুগত হৈ থাকি সমৰাভিযানত অংশ লৈছিল, আনখন ৰাষ্ট্ৰ ইটালীয়ে প্ৰথমে নিৰপেক্ষ থাকি পিচত মিত্ৰপক্ষৰ হৈ এই মহাসমৰত সোমাই পৰিছিল। যুদ্ধখনত আষ্ট্ৰিয়া আৰু জাৰ্মানীক কেন্দ্ৰীয় শক্তিৰূপে (Central Powers) আৰু বিপক্ষক মিত্ৰ শক্তিৰূপে (Allied Powers or Allies) গণ্য কৰা হৈছিল।

সামৰিক প্ৰস্তুতি আৰু যুদ্ধৰ গতিধাৰাঃ

প্ৰথম বিশ্ব যুদ্ধত অংশ গ্ৰহণকাৰী দেশসমূহৰ সামৰিক প্ৰস্তুতি ভালেমান বছৰৰ-পৰাই চলিছিল। তুলনামূলকভাৱে দেখা যায় যে যুদ্ধাস্ত্ৰ তৈয়াৰ কৰা বা সমৰায়োজনৰ বাবে বৃহৎ সাম্ৰাজ্যবাদী দেশসমূহে বহুল পৰিমাণৰ ধন-বিত খৰছ কৰিছিল। ১৮৭০-১৯১৪ চনৰ কালছোৱাত ইয়োৰূপৰ বৃহৎ শক্তিসমূহে নিজ নিজ দেশৰ প্ৰতিৰক্ষা শিতানত ব্যয়ৰ পৰিমাণ ক্ৰমাগতভাৱে বৃদ্ধি কৰি আনিছিল। উক্ত সময়ছোৱাত প্ৰতিৰক্ষা শিতানত জাৰ্মানীয়ে ৩৩৫%, ৰাচিয়াই ২১৪%, ইটালীয়ে ১৮৫%, ইংলেণ্ডে ১৮০%, আষ্ট্ৰিয়া-হাংগেৰীয়ে ১৫৫%, আৰু ফ্ৰান্সে ১৩৩% খৰছ কৰিছিল।

কেন্দ্ৰীয় শক্তি জোঁটৰ ভিতৰত আষ্ট্ৰিয়াতকৈ জাৰ্মানী এক সুসংগঠিত সেনা বাহিনীৰ অধিকাৰী আছিল। জাৰ্মান সেনাবাহিনীৰ হাতত মেচিন গান আৰু হাউতজাৰ (Howitzer) অস্ত্ৰ মজুত আছিল। কেন্দ্ৰীয় শক্তি জোঁটৰ আভ্যন্তৰীণ যোগাযোগ ব্যৱস্থা মিত্ৰ শক্তি জোঁটতকৈ অত্যাধিক উন্নত আছিল আৰু এই যোগাযোগ ব্যৱস্থাৰ বলতেই প্ৰয়োজন

অনুপাতে যিকোনো সময়তে এখন যুদ্ধ ক্ষেত্ৰৰপৰা ক্ষীপ্ৰ গতিৰে আনখন যুদ্ধ ক্ষেত্ৰলৈ সেনা বাহিনী প্ৰেৰণ কৰিব পাৰিছিল। ১৯১৪ চনত জাৰ্মানীৰ সেনা বাহিনীত মুঠতে ১৫ লাখ প্ৰশিক্ষণপ্ৰাপ্ত সুদক্ষ সৈনিক আছিল আৰু জাৰ্মান নৌ-বাহিনীত ৪০ খন যুদ্ধ জাহাজ আৰু ৫৭ খন ক্ৰুইজাৰ আছিল। এইবিলাকৰ ওপৰিও জাৰ্মানীৰ আছিল ছাবমেৰিণ তথা 'ইউ- ব'ট'(U- boat)। প্ৰথম বিশ্ব যুদ্ধত আকাশী জাহাজো ব্যৱহাৰ কৰা হৈছিল আৰু এই জাহাজ জাৰ্মানীয়েই প্ৰথমতে ব্যৱহাৰ কৰিছিল। যুদ্ধৰ আৰম্ভণিতে জাৰ্মানীৰ ১৮০ খন আকাশী যুদ্ধ জাহাজ আছিল। জাৰ্মানীয়ে প্ৰতিপক্ষৰ সামৰিক শিবিৰত আকাশী যানেৰে বোমা বৰ্ষণ কৰিছিল।

মিত্ৰ শক্তি জোঁটৰ ভিতৰত ৰাচিয়াৰেই সেনা বাহিনী আছিল যুদ্ধৰত দেশসমূহৰ ভিতৰত আটাইতকৈ বৃহৎ আৰু সাংগঠনিকভাৱে দুৰ্বল আৰু ক্ৰটীপূৰ্ণভাৱে পৰিচালিত। এই অৱস্থাই চৰকাৰৰ অনীহা আৰু অকৰ্মণ্যতাকে সূচাইছিল।

ফ্ৰান্সৰ আছিল দ্বিতীয় বৃহৎ আৰু এক পাৰদৰ্শী সেনা বাহিনী। ফ্ৰান্সৰ সেনা বাহিনীত দহ লাখতকৈ অধিক সৈনিক আছিল। এই সেনা বাহিনীৰ হাতত আছিল অত্যাধুনিক ৭৫ এম এম ফিল্ডগান। ১৯১৪ চনত ফ্ৰান্সৰ আকাশী যুদ্ধ যানৰ সংখ্যা আছিল ৩৭ খন। আনহাতে ফৰাছী নৌ-বাহিনীত আছিল ২৮ খন যুদ্ধ জাহাজ আৰু ৩৪ খন ক্ৰুইজাৰ।

যুদ্ধৰত দেশসমূহৰ ভিতৰত ইংলেণ্ডৰেই আছিল এটি সুশিক্ষিত আৰু সুসংগঠিত পেচাদাৰী সেনা বাহিনী। যুদ্ধৰ আদিতে এই সেনা বাহিনীৰ সংখ্যা আছিল ১,২০,০০০। আনহাতে ইংলেণ্ডৰ আকাশী যুদ্ধ যানৰ সংখ্যা আছিল ১৩৬ খন। বহুকাল আগৰেপৰা ইংলেণ্ড আছিল সাগৰৰ ৰাণী, নৌ-যুদ্ধত পাৰদৰ্শী ৬৫ খন যুদ্ধ জাহাজ আৰু ১২০ খন ক্ৰুইজাৰেৰে এই দেশৰ নৌ-বাহিনী আছিল সৰ্ববৃহৎ। জাৰ্মানীয়ে ছাবমেৰিণ ব্যৱহাৰ কৰাৰ পিচত ইংলেণ্ডেও ছাবমেৰিণ তৈয়াৰ কৰি জাৰ্মানীৰ বিৰুদ্ধে ব্যৱহাৰ কৰিছিল।

প্ৰথম বিশ্ব যুদ্ধত অংশ গ্ৰহণকাৰী দেশসমূহৰ অৱস্থান আছিল নিম্নৰূপ—

ক) কেন্দ্ৰীয় শক্তি জোঁট	খ) মিত্ৰ শক্তি জোঁট
১। জাৰ্মানী	১। ফ্ৰান্স
২। অষ্ট্ৰিয়া-হাংগেৰী	২। ৰাচিয়া (১৯১৭ চনত আঁতৰি যায়)
৩। তুৰস্ক (১৯১৪ চনত অৰ্ন্তভুক্ত)	৩। ইংলেণ্ড
৪। বুলগেৰিয়া (১৯১৫ „ „)	৪। ইটালী (১৯১৫ চনত অৰ্ন্তভুক্ত)
	৫। ছাৰ্বিয়া
	৬। বেলজিয়াম

৭। ৰোমানিয়া (১৯১৬ চনত অৰ্ন্তভূক্ত)

৮। আমেৰিকা যুক্তৰাষ্ট্ৰ (১৯১৭ চনত অৰ্ন্তভূক্ত)

১৯১৪-১৮ চনৰ বিশ্ব যুদ্ধত অংশ গ্ৰহণকাৰী দেশ আছিল—

যুদ্ধৰত দেশ	অংশ গ্ৰহণৰ তাৰিখ
০১। অষ্ট্ৰিয়াই ছাৰবিয়া আক্ৰমণ কৰে	২৮ জুলাই ১৯১৪
০২। জাৰ্মানীয়ে ৰাচিয়া আক্ৰমণ কৰে	১ আগষ্ট ১৯১৪
০৩। জাৰ্মানীয়ে ফ্ৰান্স আক্ৰমণ কৰে	৩ আগষ্ট ১৯১৪
০৪। জাৰ্মানীয়ে বেলজিয়াম আক্ৰমণ কৰে	৩ আগষ্ট ১৯১৪
০৫। ইংলেণ্ডে জাৰ্মানী আক্ৰমণ কৰে	৪ আগষ্ট ১৯১৪
০৬। জাপানে জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে	২৩ আগষ্ট ১৯১৪
০৭। মণ্টেনেগ্ৰোৱে কেন্দ্ৰীয় শক্তি জোঁটৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে	আগষ্ট ১৯১৪
০৮। তুৰস্কই মিত্ৰ শক্তি জোঁটৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে	২০ অক্টোবৰ ১৯১৪
০৯। ইটালীয়ে কেন্দ্ৰীয় শক্তি জোঁটৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে	৩০ মে' ১৯১৫
১০। বুলগেৰিয়াই মিত্ৰ শক্তি জোঁটৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে	ছেপ্তেম্বৰ ১৯১৫
১১। পৰ্টুগালে জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে	৯ মাৰ্চ ১৯১৫
১২। ৰোমানিয়াই কেন্দ্ৰীয় শক্তি জোঁটৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে	ছেপ্তেম্বৰ ১৯১৬
১৩। আমেৰিকা যুক্তৰাষ্ট্ৰই জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে	৬ এপ্ৰিল ১৯১৭
১৪। গ্ৰীচে কেন্দ্ৰীয় শক্তি জোঁটৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে	২ জুলাই ১৯১৭

যুদ্ধৰ আৰম্ভণিঃ

ওপৰত উল্লেখ কৰি অহা ঘটনাক্ৰমৰপৰা দেখা গৈছে যে অস্ত্ৰ- শস্ত্ৰৰ ক্ষেত্ৰত কেন্দ্ৰীয় শক্তি জোঁটতকৈ মিত্ৰ শক্তি জোঁট বেছি পৰাক্ৰমী আছিল। ১৯১৪ চনৰ ৩ আগষ্টত জাৰ্মানীয়ে বেলজিয়ামত সোমাই অনায়সেই সেই দেশ দখল কৰি ফ্ৰান্সৰ পিনে ধাৱমান হয়। বেলজিয়ামৰপৰা ফ্ৰান্স অভিমুখে যাত্ৰা কৰোঁতে জাৰ্মান সেনা বাহিনীয়ে বাটতে বৃটিশ সেনা বাহিনীক পৰাভূত কৰি ফ্ৰান্সত প্ৰবেশ কৰে। মুঠতে সাতটা জাৰ্মান সেনা বাহিনীয়ে ফ্ৰান্স আক্ৰমণত অংশ লয়। মাৰ্ণ নদীৰ পাৰত অৱস্থান কৰি থকা ফৰাছী সেনা বাহিনীয়ে জাৰ্মান সেনা বাহিনীক আগভেটা দিছিল। ইয়াতেই সংঘটিত হৈছিল প্ৰথম বিশ্ব যুদ্ধৰ আটাইতকৈ ৰক্তাক্ত আৰু ভয়াবহ যুদ্ধখন। বাধাপ্ৰাপ্ত হৈ জাৰ্মানসকলে পশ্চাদ-পসাৰণ কৰি কিছু দূৰত ট্ৰেঞ্চ খান্দি যুদ্ধ চলোৱাৰ কাৰণে গ্ৰহণ কৰাত ফ্ৰান্সেও ট্ৰেঞ্চ খান্দি

যুদ্ধ কৰাৰ কৌশল লোৱাত ই এক অত্যন্ত লেলেটীয়া যুদ্ধলৈ পৰিবৰ্তিত হৈছিল। এইখন যুদ্ধ সুদীৰ্ঘ চাৰি বছৰ ধৰি চলিছিল। এই যুদ্ধখন সম্পৰ্কে সততে কোৱা হয় যে "The Battle of Marne saved Europe and the World" দীৰ্ঘ দিন ধৰি চলা এই যুদ্ধত কোনেও সাফল্য লাভ কৰিব পৰা নাছিল। সেয়ে যুদ্ধৰ লক্ষ্য হৈ পৰিছিল কোনে কাক কিমান দিনলৈ ব্যস্ত কৰি ৰাখিব পাৰে, আৰু কোনে কাৰ কিমান ক্ষতি সাধন কৰিব পাৰে।

পশ্চিম সীমান্তত যুদ্ধৰ গতিৰ এই চিত্ৰৰ বিপৰীতে পূৰ্ব সীমান্তত কেন্দ্ৰীয় শক্তি জোঁটৰ জাৰ্মান আৰু আষ্ট্ৰিয়াৰ সেনা বাহিনীয়ে টেনেনবাৰ্গৰ যুদ্ধত(Battle of Tannenberg) ছামচোনাভৰ দ্বাৰা পৰিচালিত ৰাচিয়াৰ সেনা বাহিনীক বিষমৰূপে পৰাভূত কৰে, ২৯ আগষ্ট, ১৯১৪ চনত। ইয়াৰ পিচতে ৰানেনকাম্পফৰ নেতৃত্বত জাৰ্মান সেনা বাহিনীয়ে মাছুৰিয়ান হ্ৰদৰ ওচৰত পুনৰ ৰুচ বাহিনীক পৰাভূত কৰি যুদ্ধৰ অগ্ৰগতি নিজৰ নিয়ন্ত্ৰণত ৰাখে। এই দুয়োখন যুদ্ধতে ৰাচিয়াৰ ৯০,০০০ সৈনিক জাৰ্মান আৰু আষ্ট্ৰিয়াৰ মিলিত সেনা বাহিনীৰ হাতত যুদ্ধ বন্দী হয়। পূৰ্ব প্ৰুছিয়াৰপৰা ৰুচ সেনা বাহিনী সম্পূৰ্ণৰূপে বিতাৰিত হয়। ইয়াৰ পিচত ৰুচসকলে কিছু সাফল্য লাভ কৰিবলৈ সক্ষম হয়। জাৰ্মানসকলৰপৰা ৱাৰশ্ব'ক ৰক্ষা কৰাৰ ওপৰিও ৰুচসকলে আষ্ট্ৰিয়াৰ আক্ৰমণৰপৰা ছাৰ্বিয়াকো ৰক্ষা কৰে। ইফালে অক্টোবৰ মাহৰ ২০ তাৰিখে (১৯১৪) তুৰস্কই কেন্দ্ৰীয় শক্তি জোঁটৰ সমৰ্থনত ৰুচসকলৰ ওপৰত আক্ৰমণ আৰম্ভ কৰে।

আনহাতে ইংলেণ্ডে আফ্ৰিকাত আৰু জেনেৰেল এলেনবিৰ নেতৃত্বত ইংৰাজসকলে এছিয়াৰ মেছ'পটেমিয়া আৰু পেলেষ্টাইনত কেন্দ্ৰীয় শক্তি জোঁটক পৰাভূত কৰিবলৈ সক্ষম হয়।

১৯১৫ চনত যুদ্ধৰ পৰিণাম মিত্ৰ শক্তিৰ প্ৰতিকূলে যায়। তুৰস্কৰ সৈতে ঘোৰতৰ যুদ্ধত লিপ্ত ৰাচিয়াৰ সাহায্যৰ বাবে ডাৰ্দেনেলিছলৈ প্ৰেৰণ কৰা ইংগ-ফৰাছী নৌ-বাহিনীটো তুৰস্কৰ হাতত গেলিপ'লিৰ নৌ-যুদ্ধত বিষমৰূপে পৰাভূত হৈ তাৰপৰা প্ৰত্যাবৰ্তন কৰিবলৈ বাধ্য হয়। এই যুদ্ধত ইংলেণ্ড আৰু ফ্ৰান্সৰ অতি কমেও ২,৫২,০০০ সৈনিক ৰণত পৰিছিল।

মিত্ৰ পক্ষৰ এই পৰাজয়ে বলকান উপমহাদেশত ভীষণ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। তেতিয়ালৈ নিৰপেক্ষ হৈ থকা বুলগেৰিয়াই ফ্ৰান্স আৰু ইংলেণ্ডৰ এই বিপৰ্যয়ৰ পিচত কেন্দ্ৰীয় শক্তি জোঁটৰ হৈ যুদ্ধত নামিপৰে আৰু আষ্ট্ৰিয়ানসকলৰ সৈতে লগ লাগি ছাৰ্বিয়া আক্ৰমণ কৰি সেই দেশখন মৰিমূৰ কৰে। এই ঘটনা ঘটে অক্টোবৰ মাহত।

ইফালে আগষ্ট মাহৰ আৰম্ভণিতে ৰুচসকলক পৰাভূত কৰি কেন্দ্ৰীয় শক্তি জোঁটৰ জাৰ্মানীয়ে ৰাজধানী ৱাৰশ্ব'সহ পোলেণ্ড দখল কৰে। এই সময়তে ভিলনাও জাৰ্মানীৰ

হস্তগত হয়। এই যুদ্ধত ৰুসকলৰ মুঠতে ৩,০০,০০০ সৈনিক ৰণত পৰে আৰু প্ৰায় ৩,০০০ বন্দুক প্ৰতিপক্ষই হস্তগত কৰে।

যুদ্ধৰ আদিৰেপৰা নিৰপেক্ষ হৈ থকা ইটালীয়ে ১৯১৫ চনৰ ৩০ মে' তাৰিখে কেন্দ্ৰীয় শক্তি জোঁটৰ বিপৰীতে মিত্ৰ শক্তি জোঁটৰ সমৰ্থনত যুদ্ধত নামি পৰে। উল্লেখ কৰিব পাৰি যে ইটালী জাৰ্মানীৰ নেতৃত্বাধীন ১৮৮২ চনৰ ত্ৰি-পাক্ষিক চুক্তিৰ সদস্য ৰাষ্ট্ৰ আছিল। কিন্তু আষ্ট্ৰিয়াৰ দখলত থকা টাইৰোল, ট্ৰেইষ্টে আৰু ট্ৰেন্টিনোক কেন্দ্ৰ কৰি ইটালী আৰু আষ্ট্ৰিয়াৰ মাজত আৰম্ভণীৰেপৰাই যথেষ্ট মত বিৰোধ আছিল আৰু এতিয়া মিত্ৰ শক্তি জোঁটৰপৰা সেই অঞ্চল কেইটা পোৱাৰ আশ্বাস পাই ইটালীয়ে মিত্ৰ পক্ষৰ হৈ যুদ্ধত নামি পৰে।

১৯১৫ চনৰ শেহৰ পিনে কেন্দ্ৰীয় শক্তি জোঁটৰ অৱস্থান তুলনামূলকভাৱে যথেষ্ট ভাললৈ আহিছিল। যুদ্ধৰ পশ্চিম সীমান্তত তেওঁলোকে বেলজিয়াম দখল কৰাৰ লগতে ফ্ৰান্সৰ ঔদ্যোগিক অঞ্চলটো নিজৰ অধিকাৰলৈ আনিছিল। আনহাতে বলকান উপমহাদেশত আষ্ট্ৰিয়াৰ এক বৃহৎ অঞ্চল তেওঁলোকে মিত্ৰ পক্ষৰপৰা নিজৰ দখললৈ আনিবলৈ সক্ষম হৈছিল। এই অৱস্থাত ১৯১৫ চনৰ ডিচেম্বৰ মাহৰ আদিতে ফ্ৰান্স, বৃটেইন, ইটালী আৰু ৰাচিয়াই ১৯১৬ চনৰ আৰম্ভণীৰেপৰা কেন্দ্ৰীয় শক্তি জোঁটৰ বিৰুদ্ধে সন্মিলিত আৰু সমান্তৰালভাৱে আক্ৰমণ কৰাৰ প্ৰস্তুতি হাতত লৈছিল।

১৯১৫ চনৰ ভিতৰত জাৰ্মানসকলে ছাবমেৰিণৰ সহায়ত বৃটিশ নৌ-বাহিনীৰ ওপৰত ঘোৰতৰ আক্ৰমণ চলায়। বৃটিশসকলে তাৰ বিকল্প ব্যৱস্থাৰূপে এই সময়তে জাৰ্মান উপনিবেশসমূহ দখল কৰাৰ লগতে জাৰ্মানীৰ বিৰুদ্ধে সামুদ্ৰিক বন্দৰসমূহ অৱৰোধ কৰাৰ আঁচনি হাতত লৈ কাৰ্যকৰী কৰে। এই অৱৰোধ কাৰ্য অৰ্থনৈতিক আক্ৰমণৰ সমপৰ্যায়ৰ আছিল আৰু ইয়াৰ ফলত বহিঃ বিশ্বৰ সৈতে জাৰ্মানীৰ বাণিজ্যিক সম্পৰ্ক সম্পূৰ্ণৰূপে ভাঙি পৰিছিল আৰু আভ্যন্তৰীণভাৱে খাদ্য সংকটৰ পূৰ্বাভাসে দেখা দিছিল। এপ্ৰিল মাহত জাৰ্মান ছাবমেৰিণে আয়াৰলেণ্ডৰ উপকূল অঞ্চলত বৃটিশ জাহাজ লুছিটানিয়া (Lusitania) বিধস্ত কৰে। এই ধ্বংস কাৰ্যৰ ফলত জাহাজত থকা ১১৮ গৰাকী মাৰ্কিন নাগৰিকসহ ১২০০ লোক মৃত্যু মুখত পৰে। এই ঘটনাৰ পৰিণতি স্বৰূপে মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু জাৰ্মানীৰ মাজৰ সম্পৰ্কৰ যথেষ্ট অৱনতি ঘটে।

১৯১৫ চনৰ ডিচেম্বৰ মাহত যুদ্ধ কৌশলৰ ক্ষেত্ৰত মিত্ৰ শক্তি জোঁটে যি আঁচনি লৈছিল সেই আঁচনি মৰ্মে কাৰ্যত অগ্ৰসৰ হ'বলৈ নৌপাওঁতেই জাৰ্মান সেনা বাহিনীৰ সেনাধ্যক্ষ ফালকেনহাইনে (Falkenhayn) ফ্ৰান্স আক্ৰমণ কৰি তাতেই ইংলেণ্ডক ব্যতিব্যস্ত

টেংক

কৰি ৰখাৰ অভিপ্ৰায়েৰে ভাৰডুন আক্ৰমণ কৰে। ১৯১৬ চনৰ ফেব্ৰুৱাৰী মাহত জাৰ্মানীয়ে ভাৰডুনৰ ওপৰত ধাৰাসাৰ বোমা বৰ্ষণ কৰে। কিন্তু ফৰাছী সেনাধ্যক্ষ পেটেইনৰ নেতৃত্বত ফৰাছী সৈনিকসকলে পৰম বিক্ৰমেৰে যুঁজি ভাৰডুনক ৰক্ষা কৰে। ফ্ৰান্স আক্ৰমণ কৰিবলৈ গৈ জাৰ্মানসকল দ্বিতীয়বাৰৰ বাবে ব্যৰ্থ হয়। জাৰ্মান আৰু ফৰাছীসকল ভাৰডুনত ব্যস্ত থাকোঁতেই জুলাই মাহৰ আৰম্ভণিতে ইংলেণ্ডৰ এটা সেনা বাহিনীয়ে সেনাধ্যক্ষ ৰাউলিনছনৰ নেতৃত্বত ছোম(Somne) নদীৰ উত্তৰ ফালৰপৰা আৰু ফ্ৰান্সৰ অন্য এটা সেনা বাহিনীয়ে দক্ষিণ ফালৰপৰা জাৰ্মান বাহিনীৰ ওপৰত তীব্ৰ আক্ৰমণ আৰম্ভ কৰে।

এই যুদ্ধ প্ৰায় পাঁচ মাহ ধৰি চলিছিল। এই যুদ্ধৰ শেষত দেখা গ'ল যে মাত্ৰ ছয় মাইল ঠাই দখল কৰিবলৈ গৈ ইংলেণ্ড আৰু ফ্ৰান্সে ৬,০০,০০০ সৈনিক হেৰুৱাব লগা হৈছিল আৰু জাৰ্মান শিবিৰত ক্ষতিৰ পৰিমাণ আছিল ৫০,০০০ জন সৈনিক। এই ছোমৰ যুদ্ধতেই ইংৰাজসকলে পোন প্ৰথমবাৰৰ টেংক ব্যৱহাৰ কৰি প্ৰতিপক্ষৰ মাজত ত্ৰাস আৰু বিস্ময়ৰ সৃষ্টি কৰিছিল।

ছোমৰ যুদ্ধত পৰাজয়ৰ পাচত আগষ্ট মাহত জাৰ্মান চৰকাৰে হিনডেনবাৰ্গক (Hındenburg) সেনা বাহিনীৰ মূখ্য সেনাধ্যক্ষ পাতে। পশ্চিমৰ ৰণক্ষেত্ৰত জাৰ্মানসকলৰ এই বিপৰ্যয়ৰ সময়ত ব্ৰাছিলভৰ (Brusılov) নেতৃত্বত ৰুচসকলে জুন-জুলাই মাহত আষ্ট্ৰিয়ানসকলৰ ওপৰত আক্ৰমণ কেন্দ্ৰীভূত কৰে। ব্ৰাছিলভৰ আক্ৰমণত আষ্ট্ৰিয়ানসকল পৰাভূত হয আৰু প্ৰায় ২,৫০,০০০ সৈনিক বন্দুক-বাৰুদসহ ৰুচসকলৰ হাতত ধৰা পৰে। আষ্ট্ৰিয়াৰ বিৰুদ্ধে ৰাচিয়াৰ এই বিজয়ে ৰোমানিয়াক মিত্ৰপক্ষৰ সপক্ষে যুদ্ধত অংশ গ্ৰহণ কৰিবলৈ প্ৰৰোচিত কৰে আৰু আগষ্ট মাহত ৰোমনিয়াই আষ্ট্ৰিয়া-হাংগেৰী আক্ৰমণ কৰে।

কিন্তু কিছু দিনৰ ভিতৰতে যুদ্ধৰ গতিধাৰা ৰুচসকলৰ বিপৰীতে যাবলৈ ধৰে। জাৰ্মান সেনানায়ক ফালকেনহাইন আৰু মেকেনছেনে যুটীয়াভাৱে যুদ্ধ পৰিচালনা কৰি বছৰটোৰ অন্ত নৌ-পৰোঁতেই ডব্ৰুজা আৰু ৰোমানিয়াৰ ৰাজধানী বুখাৰেষ্ট দখল কৰি অভিলেখ সৃষ্টি কৰে। ৰোমানিয়া অধিকাৰ কৰি জাৰ্মানসকল প্ৰভূত সম্পদৰ গৰাকী হৈ পৰে। যুদ্ধ পৰিচালনা কৰিবলৈ জাৰ্মানসকলৰ বাবে ইতিমধ্যে বিপুল পৰিমাণৰ অৰ্থৰ

প্ৰয়োজন হৈ পৰিছিল। ৰোমনিয়া অধিকাৰে জাৰ্মানসকলক সেই দিশত যথেষ্ট সকাহ দিছিল। তথাপি সেই সময়ত মিত্ৰ শক্তি জোঁটে তুৰস্কৰ বিপক্ষে বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হৈছিল। ইফালে ইংৰাজসকলে ১৯১৭ চনৰ প্ৰায় প্ৰথম ভাগতে বাগদাদ দখল কৰি মিত্ৰ পক্ষৰ অগ্ৰগতি অব্যাহত ৰাখিব পাৰিছিল।

জাৰ্মানীৰ দ্বাৰা ছাবমেৰিণ আক্ৰমণ ক্ৰমাগতভাবে বৃদ্ধি পাই অহাত ইংলেণ্ডেও জাৰ্মানীৰ সামুদ্ৰিক বন্দৰসমূহ অৱৰোধ কৰাৰ কাৰ্য পূৰ্ণ গতিত চলাই গৈছিল। জাৰ্মানীয়েও মাজে সময়ে ইংলেণ্ডৰ উপকূলবৰ্তী অঞ্চলত আক্ৰমণ চলাই গৈছিল। তাৰ মাজতে সংঘটিত নৌ-যুদ্ধত বৃটিশ এডমিৰেল বিয়েট্টিয়ে (Beatty) দোগাৰ বংকৰ (Dogger Bank) যুদ্ধত জাৰ্মান নৌ-বাহিনীক পৰাভূত কৰাৰ ওপৰিও জাৰ্মানসকলৰ ক্ৰুইজাৰ ব্লাছাৰ("Blucher") বিধ্বস্ত কৰে।

৩১ মে'ৰ দিনাখন নৰওৱেৰ উপকূল অঞ্চলত বৃটিশ আৰু জাৰ্মান নৌ-বাহিনীৰ মাজত ঘোৰতৰ যুদ্ধ সংঘটিত হয়। এই সময়তেই সেই উপকূলৰেই জুটলেণ্ড নামে ঠাইত সংঘটিত এক ভয়ানক নৌ-যুদ্ধত দুয়ো পক্ষৰে বিস্তৰ ক্ষয়-ক্ষতি হয়, আৰু কোনো পক্ষৰেই হাৰ-জিত নোহোৱাকৈ সেই যুদ্ধৰ অন্ত পৰে। তাৰ পিচত জাৰ্মানসকলে ভূমধ্য সাগৰত মিত্ৰ শক্তি জোঁটৰ নৌ-বাহিনীৰ বিৰুদ্ধে ছাবমেৰিণ যুদ্ধ অব্যাহত ৰাখে। জল পৃষ্ঠৰ ওপৰত নহলেও, তলৰপৰা জাৰ্মানসকলে ইংলেণ্ডক পৰ্যোদস্ত কৰিব পাৰিব বুলি আশা কৰি ভূমধ্য সাগৰত সেই নৌ-যুদ্ধ অক্ষুণ্ণ ৰাখিছিল।

১৯১৭ চনত যুদ্ধৰ গতিধাৰা তথা পৰিস্থিতিত বিশেষভাবে প্ৰভাৱ পেলাব পৰা দুটা বিশেষ ঘটনা সংঘটিত হৈছিল। প্ৰথমটো আছিল ৬ এপ্ৰিল তাৰিখে আমেৰিকা যুক্তৰাষ্ট্ৰৰ দ্বাৰা জামনি আৰু ডিচেম্বৰ মাহত আষ্ট্ৰিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰাটো। প্ৰথম বিশ্ব যুদ্ধত আমেৰিকা যুক্তৰাষ্ট্ৰৰ এই পক্ষভুক্তিয়ে মিত্ৰ শক্তি জোঁটৰ বিজয় সুনিশ্চিত কৰি তুলিছিল।

যুক্তৰাষ্ট্ৰৰ অন্তৰ্ভুক্তিৰ লগে লগে চীন, ব্ৰাজিল, ক'ষ্টা ৰিকা, নিকাৰাগুৱা, লাইবেৰিয়া, গুৱাটেমেলা, হেইটী, হন্দুৰাছ আদি বিশ্বৰ বিভিন্ন দেশে আমেৰিকা যুক্তৰাষ্ট্ৰক অনুসৰণ কৰি মিত্ৰ পক্ষৰ সমৰ্থনত যুদ্ধত লিপ্ত হৈ পৰে। এই ঘটনা প্ৰথম বিশ্ব যুদ্ধৰ এক বিশেষ বিবৰ্তন বিন্দু। বিশেষকৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ধন-জন আৰু সামৰিক শক্তি মিত্ৰ শক্তি জোঁটৰ সপক্ষে অহাত কেন্দ্ৰীয় শক্তি জোঁটৰ পৰাজয় সন্নিকট হৈ পৰে। যুদ্ধত অংশ গ্ৰহণ কৰিয়েই যুক্তৰাষ্ট্ৰই ফ্ৰান্সৰ ৰণক্ষেত্ৰলৈ হাজাৰ হাজাৰ মাৰ্কিন সৈন্য পঠিয়াই দিয়ে। যুদ্ধৰ চতুৰ্থ বছৰত সংঘটিত দ্বিতীয়টো উল্লেখযোগ্য ঘটনা হ'ল ৰুচ দেশৰ অক্টোবৰ সমাজতান্ত্ৰিক

বিপ্লৱ। ৰুচ দেশত ইতিমধ্যে মাৰ্চ মাহতে সংঘটিত বুৰ্জোৱা গণতান্ত্ৰিক বিপ্লৱৰ পৰিপ্ৰেক্ষিতত জাৰ দ্বিতীয় নিকোলাইয়ে সিংহাসন ত্যাগ কৰিছিল (১৫ মাৰ্চ ১৯১৭) আৰু নতুনকৈ গঠিত অন্তৰ্বৰ্তীকালিন চৰকাৰে তেওঁক পৰিয়ালৰ অন্যান্য সদস্যসহ বন্দী কৰি কিছুদিনৰ বাবে অ'ত ত'ত ৰখাৰ পিচত অৱশেষত একাটেৰিণবাৰ্গত বন্দী কৰি ৰখাৰ ব্যৱস্থা কৰিছিল। অক্টোবৰ বিপ্লৱ সফল হোৱাৰ পিচত তাতেই ১৯১৮ চনৰ ১৬ জুলাই তাৰিখে বিপ্লৱীসকলে তেওঁক আৰু তেওঁৰ পৰিয়ালৰ লোকসকলক হত্যা কৰিছিল।

সি যি কি নহওক, ৰুচ দেশত অক্টোবৰ বিপ্লৱ সাফল্যমণ্ডিত হোৱাৰ পিচত নতুন বিপ্লৱী চৰকাৰে কেন্দ্ৰীয় শক্তি জোঁটৰ নেতা তথা অংশীদাৰ জাৰ্মানীৰ সৈতে পোলেণ্ডৰ ব্ৰেষ্ট লিট'ভস্ক (Brest- Litovsk) নামে ঠাইত ১৯১৮ চনৰ ৩ মাৰ্চ তাৰিখে চুক্তি কৰি যুদ্ধৰপৰা আঁতৰি আহে। (এই চুক্তি সম্পৰ্কে পিচত উল্লেখ কৰা হৈছে।) যুদ্ধৰপৰা ৰুচ দেশ আঁতৰি অহাত অন্ততঃ পূৰ্ব প্ৰান্তৰ ৰণাঙ্গনত জাৰ্মানসকল নিষ্কণ্টক হয় যদিও পশ্চিম প্ৰান্তৰ ৰণাঙ্গনত মাৰ্কিন সৈন্যৰ উপস্থিতিয়ে জাৰ্মানসকলৰ অৱস্থা অত্যন্ত কাহিল কৰি আনিছিল।

ইতিমধ্যে বৃটেইনে আৰম্ভ কৰা জাৰ্মানীৰ সামুদ্ৰিক বন্দৰসমূহৰ অৱৰোধ কাৰ্যই সেই দেশৰ অৰ্থনৈতিক অৱস্থা অত্যন্ত জটিল কৰি তোলে আৰু তাত খাদ্য সংকটে দেখা দিয়ে। এনে এটা অৱস্থাত ১৯১৭ চনৰ জুলাই মাহত জাৰ্মান সংসদে মিত্ৰ পক্ষৰ সৈতে শান্তি স্থাপন কৰিবলৈ চৰকাৰক পৰামৰ্শ দিয়ে। শান্তি স্থাপন কৰাৰ বাহিৰে জাৰ্মানীৰ কোনো গত্যন্তৰ নাছিল, কিয়নো যুদ্ধ ঘোষণা কৰাৰ এবছৰৰ ভিতৰতে প্ৰায় দহ লাখ মাৰ্কিন সৈন্যই আহি ইয়োৰূপৰ বিভিন্ন ৰণাঙ্গনত জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধত নামি পৰিছিল। মিত্ৰ পক্ষৰ সৈতে শান্তি স্থাপনৰ বাবে জাৰ্মান সংসদে পৰামৰ্শ দিয়াৰ সময়তে বৃটিশ সেনাধ্যক্ষ ছাৰ ডোগলাছ হেইগে (Sir Douglas Haig) ফ্লেণ্ডাৰছত প্ৰতিপক্ষক আক্ৰমণ কৰে। কিন্তু পাঁচ মাহ ধৰি চলা এই যুদ্ধত ৪০,০০০ হাজাৰ সৈনিকৰ মৃত্যুৰ বিনিময়ত তেওঁ কেৱল পাঁচ মাইলৰ অগ্ৰগতিহে লাভ কৰিবলৈ সক্ষম হৈছিল। অৱশেষত নবেম্বৰ মাহত টেংক ব্যৱহাৰ কৰাৰ পিচত বৃটেইনে ফ্লেণ্ডাৰছত কিছু সাফল্য লাভ কৰে, তেওঁলোকে কেম্ব্ৰাই দখল কৰিবলৈ সক্ষম হয়।

ইফালে কেন্দ্ৰীয় শক্তি জোঁটে ইটালী আক্ৰমণ কৰি তাত যথেষ্ট অগ্ৰগতি লাভ কৰে। ইটালীয়ে এই আক্ৰমণত নিজ ৰাজ্য ক্ষেত্ৰৰ ছয় হাজাৰ বৰ্গ মাইল এলেকা হেৰুৱাব লগা হোৱাৰ ওপৰিও প্ৰায় ৩,২০,০০০ জন সৈনিক হেৰুৱাব লগা হয়। ইটালীত মিত্ৰ *শক্তিৰ এই বিপৰ্যয়ৰ বিপৰীতে পূব প্ৰন্তৰ ৰণাঙ্গনত বৃটেইনে তুৰস্কৰ বিৰুদ্ধে জয় লাভ*

কৰি বাগদাদ আৰু জেৰুজালেম দখল কৰিবলৈ সক্ষম হয়।

১৯১৭ চনৰ নবেম্বৰ মাহত মিত্ৰ পক্ষই যুদ্ধ ক্ষেত্ৰত ফ্ৰান্স, ইটালী, বৃটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈনিকসকলৰ মাজত কৰ্ম সংহতি আৰু যুদ্ধ আঁচনিৰ ৰূপায়নত অধিক সাফল্য অৰ্জনৰ বাবে এক সৰ্বোচ্চ যুদ্ধ পৰিষদ গঠন কৰে আৰু ১৯১৮ চনৰ মাৰ্চ মাহত মিত্ৰ শক্তিয়ে মাৰ্ছাল ফাৰ্দিনান্দ ফকক (Marshal Ferdinand Foch) সৰ্বময় কৰ্তৃত্ব প্ৰদান কৰে। তেওঁৰ সহায়কৰূপে মাৰ্ছাল পেটাইনৰ নেতৃত্বত ফৰাছী আৰু ছাৰ ডোগলাছ হেইগৰ নেতৃত্বত বৃটিশ সেনা বাহিনীয়ে কেন্দ্ৰীয় শক্তি জোঁটৰ বিৰুদ্ধে ৰণাঙ্গনত সমৰ অভিযানত ভাগ লয়।

ইতিমধ্যে ১৯১৭ চনৰ শেষৰ ফালে জাৰ্মানসকলেও মিত্ৰ শক্তি জোঁটৰ বিপক্ষে যুদ্ধ জয়ৰ আশা পৰিত্যাগ কৰিছিল। কিন্তু তথাপিও অসাধ্য সাধন কৰাৰ আশাত জাৰ্মান সেনাধ্যক্ষ লডেনডৰ্ফে মৰোঁ-জিও-শো-আৰ্থিকৈ শেষ বাৰৰ বাবে আকৌ এঘৰি যুঁজাৰ অভিপ্ৰায়েৰে ১৯১৮ চনৰ মাৰ্চ মাহত বৃটিশ আৰু ফৰাছী মিলিত সেনা বাহিনীৰ ওপৰত তীব্ৰ আক্ৰমণ চলায়। যুদ্ধত তেওঁ ভালেমান অগ্ৰগতি লাভ কৰিছিল যদিও জুলাই মাহৰ ভিতৰতে সকলো আশা শেষ হৈ গৈছিল। এই মাহতেই মাৰ্নত দ্বিতীয়খন বিখ্যাত যুদ্ধ সংঘটিত হৈছিল। ইয়াতো প্ৰথমখনৰ দৰে জাৰ্মানসকল পৰাভূত হয়। জাৰ্মানসকলৰ মনোবল সম্পূৰ্ণৰূপে ভাঙি যায়। তাৰ পিচতো জাৰ্মানসকলে ক্ৰমাগতভাৱে বিপৰ্যয়ৰ সন্মুখীন হৈ থাকে।

ইয়োৰূপৰ আটাইকেইটা ৰণাঙ্গনতে মিত্ৰ পক্ষৰ বিজয় সূচীত হ'বলৈ ধৰে। ২৯ (১৯১৮) ছেপ্তেম্বৰত বুলগেৰিয়াই আত্মসমৰ্পণ কৰে। ৩০ ছেপ্তেম্বৰত তুৰস্কই আত্মসমৰ্পণ কৰে আৰু ৩ নবেম্বৰত আষ্ট্ৰিয়া-হাংগেৰীয়ে। ৩ অক্টোবৰত জাৰ্মান সেনাধ্যক্ষ লডেনডৰ্ফে চৰকাৰক যুদ্ধ বিৰতি ঘোষণা কৰিবলৈ পৰামৰ্শ দিয়ে। ৯ নবেম্বৰত জাৰ্মান সম্ৰাট দ্বিতীয় উইলিয়ামে যুৱৰাজসহ হলেণ্ডলৈ পলায়ন কৰে, আৰু সেইদিনাখনেই জাৰ্মানীত প্ৰজাতান্ত্ৰিক চৰকাৰ এখন ক্ষমতালৈ আহে। এই নতুন জাৰ্মান প্ৰজাতান্ত্ৰিক চৰকাৰখনে ১৯১৮ চনৰ নবেম্বৰ মাহৰ ১১ তাৰিখে দিনৰ ১১ টা বজাৰপৰা কাৰ্যকৰী হোৱাকৈ যুদ্ধ বিৰতি চুক্তিত স্বাক্ষৰ কৰে। এইদৰে প্ৰথম বিশ্ব যুদ্ধৰ সামৰণি পৰিল, কিন্তু সমস্যা হ'ল এইবাৰ শান্তি প্ৰতিষ্ঠা কৰাক কেন্দ্ৰ কৰি। আৰম্ভ হ'ল নতুন এটা অধ্যায়।

যুদ্ধৰ সামৰণি আৰু পৰিণতিঃ নতুন নতুন ৰাষ্ট্ৰৰ সৃষ্টি, ক্ষয়-ক্ষতি, শান্তি চুক্তিঃ

প্ৰথম বিশ্ব যুদ্ধত কেন্দ্ৰীয় শক্তি জোঁট বিষমৰূপে পৰাভূত হয়, বিশেষকৈ বিচমাৰ্কে আটোমটোকাৰীকৈ গঢ়ি তোলা জাৰ্মান ৰাষ্ট্ৰ সম্পূৰ্ণৰূপে ধূলিস্যাৎ হৈ পৰে। ১৮৭১

বিষাক্ত গেচৰ দ্বাৰা আক্ৰান্ত বৃটিশ সৈনিক

চনৰপৰা ১৮৯০ চনলৈ প্ৰায় বিশ বছৰ ধৰি বিচমাৰ্ক জাতি-ৰাষ্ট্ৰৰূপে গঢ়ি উঠা জাৰ্মানীৰ প্ৰধানমন্ত্ৰী আছিল। তেওঁৰ প্ৰধানমন্ত্ৰীত্বৰ কালতে ১৮৮৮ চনৰ মাৰ্চ মাহত জাৰ্মানীৰ সম্ৰাট প্ৰথম উইলিয়ামৰ মৃত্যু হয় আৰু তেওঁৰ স্থলাভিষিক্ত হৈ দ্বিতীয় উইলিয়ামে জাৰ্মানীৰ সিংহাসনত আৰোহণ কৰে। এই নতুন সম্ৰাটজনৰ বিচমাৰ্কৰ প্ৰতি কোনো শ্ৰদ্ধা বা তেওঁ অনুসৰণ কৰা নীতিৰ প্ৰতি কোনো সহানুভূতি নাছিল, বিশেষকৈ বিচমাৰ্কে চলোৱা বৈদেশিক নীতি তেওঁৰ মনঃপূত হোৱা নাছিল। তেওঁৰ দ্বাৰা পৰিচালিত দেশৰ আভ্যন্তৰীণ নীতিও সম্ৰাটৰ ইচ্ছাৰ বিপৰীত আছিল। চফল ডেকা এই সম্ৰাটজনে দেশৰ বৈদেশিক নীতিৰ আমূল পৰিবৰ্তন ঘটাই বিশ্ব ৰাজনীতিত জাৰ্মান প্ৰভুত্ব স্থাপনৰ কল্পনাত মতলীয়া হৈ পৰিছিল। সম্ৰাটৰ এই দৃষ্টিভঙ্গী বিচমাৰ্কৰ মনঃপূত নোহোৱাত তেওঁ ১৮৯০ চনৰ ২০ মাৰ্চ তাৰিখে প্ৰধানমন্ত্ৰীত্বৰপৰা পদত্যাগ কৰে।

বিশ্ব ৰাজনীতিত জাৰ্মানীৰ বাবে এখন মৰ্যদাৰ আসন লাভ কৰিবলৈ সম্ৰাট দ্বিতীয় উইলিয়ামে যি ধৰণে দেশৰ বৈদেশিক নীতি পৰিচালনা কৰিবলৈ লৈছিল সেই কাৰ্যই যে অদূৰ ভৱিষ্যতে জাৰ্মানীৰ বাবে বিপদ চপাই আনিব সেই কথা বিচক্ষণ ৰাজনীতিজ্ঞ পুৰুষ বিচমাৰ্কে মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰিছিল। বিচমাৰ্কৰ এই সন্দেহ তেওঁৰ মৃত্যু পৰ্যন্ত চিৰসহচৰৰূপে থাকি গৈছিল আৰু মৃত্যুৰ আগমুহূৰ্ত্তত তেওঁ তেওঁৰ সেই সন্দেহৰ কথা এইদৰে প্ৰকাশ কৰিছিল, "Twenty years after my death, I mean to rise from my coffin, to see whether Germany has stood in honour before the world" আৰু যদি বিচামাৰ্কৰ বাবে কবৰৰপৰা ওলাই অহাতো সম্ভৱ হ'লহেঁতেন তেনেহলে তেওঁ দেখিলেহেঁতেন যে তেওঁ আটোমটোকাৰীকৈ গঢ়ি তোলা জাৰ্মান ৰাষ্ট্ৰ তেওঁৰ মৃত্যুৰ বিশ বছৰৰ পিচত সম্পূৰ্ণৰূপে ধূলিৰ সৈতে মিলি গৈছে। অকল জাৰ্মানীয়েই নে? লগতে

আষ্ট্ৰিয়া-হাংগেৰীও। অৰ্থাৎ প্ৰথম বিশ্ব যুদ্ধত কেন্দ্ৰীয় শক্তি জোঁটৰ পতন হৈছিল। প্ৰথম বিশ্ব যুদ্ধৰ পৰিণতি কিন্তু তাতেই সীমিত হৈ থকা নাছিল। ই সমগ্ৰ বিশ্বকে স্পৰ্শ কৰিছিল। ক্ষতিগ্ৰস্ত কৰিছিল।

প্ৰথম বিশ্ব যুদ্ধই তাৎক্ষণিকভাৱে ইয়োৰূপৰ চাৰিখন সাম্ৰাজ্যৰ পতন ঘটাইছিল। সেই বিধস্ত হোৱা সাম্ৰাজ্যকেইখন হ'ল— ৰাচিয়া, তুৰস্ক বা অ'টোমেন সাম্ৰাজ্য, জাৰ্মানী আৰু আষ্ট্ৰিয়া-হাংগেৰী।

এই বিধস্ত হোৱা সাম্ৰাজ্য কেইখনৰপৰা নতুন নতুন জাতি-ৰাষ্ট্ৰৰ সৃষ্টি হৈছিল। যুদ্ধৰ শেষৰ ফালে ৰুচ দেশত সংঘটিত হোৱা সমাজতান্ত্ৰিক বিপ্লৱৰ পৰিণতি স্বৰূপে পোলেণ্ডে স্বাধীনতা লাভ কৰিছিল, লগে লগে ৰুচ অধিকৃত এষ্টোনিয়া, লাটভিয়া আৰু লিথুৱানিয়া আদি বাল্টিক সাগৰীয় দেশসমূহেও স্বাধীনতা পাইছিল।

বলকান উপমহাদেশত শ্লাভ জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া বিপ্লৱৰ পৰিণতি স্বৰূপে যুগোশ্লাভিয়া আৰু ছেকোশ্লোভাকিয়া নামে দুখন নতুন দেশৰ সৃষ্টি হৈছিল।

জাৰ্মানী আৰু আষ্ট্ৰিয়া-হাংগেৰীৰ পতনে মিত্ৰ শক্তি জোঁটৰ অৰ্ন্তভূক্ত দেশসমূহত সাম্ৰাজ্যবাদী মতাদৰ্শ তথা ধ্যান-ধাৰণাক নতুন প্ৰেৰণা যোগাইছিল। বিশেষকৈ এই দেশসমূহে নতুন উদ্দ্যমেৰে এছিয়া আৰু আফ্ৰিকা মহাদেশৰ বিভিন্ন দেশত তেওঁলোকৰ স্থিতি আৰু বেছি শক্তিশালী কৰি তুলিছিল। এই যুদ্ধৰ ফলস্বৰূপে বিশ্বত বৃহৎ দেশসমূহৰ মাজত শক্তিৰ ভাৰসাম্যৰ পৰিৱৰ্তন ঘটিছিল।

ঊনবিংশ শতিকাত যি আমেৰিকা যুক্তৰাষ্ট্ৰ ইয়োৰূপৰ খাদ্য যোগানকাৰী দেশ আছিল, প্ৰথম বিশ্ব যুদ্ধই সেই দেশখনক ইয়োৰূপৰ বাবে পুঁজিৰ যোগান ধৰোঁতাত (Banker) পৰিণত কৰিছিল। ১৯১৪ চনৰ আগতে ইংলেণ্ডৰ ওচৰত ঋণগ্ৰস্ত দেশ আমেৰিকা যুক্তৰাষ্ট্ৰ ৰাতিটোৰ ভিতৰতে ইংলেণ্ডৰ ঋণদাতাত পৰিণত হ'ল। অকল সেইটোৱে নহয়, আমেৰিকা যুক্তৰাষ্ট্ৰ আন্তৰাষ্ট্ৰীয় ৰাজনীতিত ইংলেণ্ডৰ এক তীব্ৰ প্ৰতিদ্বন্দ্বীত পৰিণত হ'ল। ইয়োৰূপ মহাদেশৰ অভ্যন্তৰত থকা ৰাষ্ট্ৰসমূহ যুদ্ধৰ ফলস্বৰূপে অৰ্থনৈতিকভাৱে দুৰ্বল হৈ পৰাত আমেৰিকা যুক্তৰাষ্ট্ৰ সেই দেশসমূহৰ ত্ৰাণকৰ্তাৰ ভূমিকাত অৱতীৰ্ণ হ'ল।

যুদ্ধই ইয়োৰূপত এক ৰাজনৈতিক শূণ্যতাৰ সৃষ্টি কৰিছিল, সেই শূণ্যতা পূৰণ কৰিলে আমেৰিকা যুক্তৰাষ্ট্ৰই। প্ৰথম বিশ্ব যুদ্ধৰ পিচৰপৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিপত্তি ইমান বাঢ়ি গৈছিল যে তাৰপৰা আমেৰিকাহে যুদ্ধৰ প্ৰকৃত বিজেতা আছিল বুলি প্ৰতীয়মান হয়। আনহাতে প্ৰথম বিশ্ব যুদ্ধৰ পিচৰপৰা জাৰ্মানী, ৰাচিয়া আৰু চীনৰ বিপৰীতে সুদূৰ প্ৰাচ্যত জাপান যথেষ্ট পৰাক্ৰমী হৈ পৰিছিল।

প্ৰথম বিশ্ব যুদ্ধই আকৌ বিশ্বৰ ভালেমান দেশত ৰাজনৈতিক সামাজিক বিপ্লৱ সংঘটিত হোৱাত ইন্ধন যোগাইছিল। এই যুদ্ধই জাৰ শাসিত ৰুচ দেশত সমাজতান্ত্ৰিক বিপ্লৱ সংঘটিত হোৱাত সহায় কৰি এক নতুন ধৰণৰ গণতান্ত্ৰিক চৰকাৰ প্ৰতিষ্ঠা কৰাত সহায়কৰ ভূমিকা লৈছিল। সেই দৰে এই যুদ্ধৰ প্ৰত্যক্ষ ফল স্বৰূপে আষ্ট্ৰিয়া-হাংগেৰী, জাৰ্মানী, তুৰস্ক আদি দেশত আৰু লগতে নতুনকৈ সৃষ্টি হোৱা দেশবিলাকত, যেনে— যুগোশ্লাভিয়া আৰু চেকোশ্লোভাকিয়াত—প্ৰজাতান্ত্ৰিক চৰকাৰ গঢ়ি উঠাত ইন্ধন যোগাইছিল। যুদ্ধৰ সমাপ্তিৰ কেইবছৰমানৰ ভিতৰতে আকৌ কিছুমান দেশত বিশেষকৈ ইটালী, জাৰ্মানী, স্পেইন আদি দেশত ফেছিজিমৰ অভ্যুদয় হৈছিল। এই ব্যৱস্থাই আকৌ বিশ্বত দ্বিতীয়বাৰৰ বাবে বিশ বছৰমানৰ পিচত পুনৰ মহাৰণৰ সৃষ্টি কৰিছিল।

এইটো উল্লেখ কৰিব পাৰি যে প্ৰথম বিশ্ব যুদ্ধই সাম্ৰাজ্যবাদী ৰাষ্ট্ৰৰ দ্বাৰা পদানত আৰু নিপীড়িত ৰাষ্ট্ৰসমূহত জাতীয়তাবাদী আন্দোলনৰ বিকাশ হোৱাত যথেষ্ট অৰিহণা যোগাইছিল। যুদ্ধৰ সামগ্ৰীক পৰিণতিয়ে দেখুৱাইছিল যে সাম্ৰাজ্যবাদী ৰাষ্ট্ৰসমূহ যিমান শক্তিশালী বুলি ভবা হৈছিল, দ'ৰাচলতে সিহঁত সিমান শক্তিশালী নাছিল। জাৰ্মানী আৰু আষ্ট্ৰিয়া-হাংগেৰীৰ পতনে এই কথা বাৰুকৈয়ে প্ৰমাণ কৰি দিছিল। বৃটিশ সাম্ৰাজ্যবাদী ৰাষ্ট্ৰৰ দ্বাৰা পদানত ভাৰতবৰ্ষৰ দৰে দেশত প্ৰথম বিশ্ব যুদ্ধৰ সামৰণিৰপৰাই জাতীয়তাবাদী স্বাধীনতা আন্দোলনে তীব্ৰ ৰূপ ধৰিবলৈ লৈছিল।

পূৰ্বে উল্লেখ কৰি অহা হৈছে যে এই যুদ্ধত প্ৰত্যক্ষ সংগ্ৰামত জড়িত সৈনিকৰ সংখ্যা আছিল ৬৫ মিলিয়ন, তাৰে মৃত্যু হোৱা সৈনিকৰ পৰিমাণ আছিল ১৩ মিলিয়ন, আঘাতপ্ৰাপ্ত ২২ মিলিয়ন, আৰু চিৰদিনৰ বাবে ঘুণীয়া হোৱা সৈনিকৰ সংখ্যা আছিল ৭ মিলিয়ন। মৃত সৈনিকৰ বেছি ভাগৰে বয়স আছিল ১৮ ৰপৰা ৩৫ বছৰৰ ভিতৰত। ৰাচিয়াই প্ৰায় দুই মিলিয়নতকৈ অধিক আৰু জাৰ্মানীয়ে দুই মিলিয়ন সৈনিক হেৰুৱাইছিল। আমেৰিকা যুক্তৰাষ্ট্ৰই এই যুদ্ধত প্ৰায় এক মিলিয়ন সৈনিক হেৰুৱাব লগা হৈছিল।

প্ৰথম বিশ্ব যুদ্ধৰ মুঠ খৰছ ১৮,০০০,০০০,০০০ আমেৰিকান ডলাৰ বুলি ঠাঁৱৰ কৰা হৈছে।

এই যুদ্ধ ইমান ক্ষয়ঙ্কৰী আছিল যে সেই কথা ফ্ৰান্সৰ প্ৰতি লক্ষ্য কৰিলেই ধৰিব পাৰি। যুদ্ধই ফ্ৰান্সৰ কৃষি উপযোগী ভূমিৰ প্ৰায় পথাৰি পেলাইছিল। যুদ্ধই মুঠতে ফ্ৰান্সৰ প্ৰায় ৮,০০০ বৰ্গ মাইল কৃষি ভূমি বিনষ্ট কৰিছিল। তাৰ লগতে দেশখনৰ বিধস্ত হোৱা বিল্ডিংসমূহৰ সংখ্যা আছিল প্ৰায় ৫,০০,০০০ টা। যুদ্ধৰ পিচতে ফ্ৰান্সত শ্ৰমিক আৰু কেঁচামালৰ তীব্ৰ সংকটে দেখা দিছিল। ফ্ৰান্সৰ ১৯১৩ চনৰ ৩৩ মিলিয়ন চৰকাৰী ঋণৰ

বিপৰীতে ১৯১৯ চনত তাৰ পৰিমাণ হৈছিলগৈ ২১৯ মিলিয়ন ফ্ৰেস্ক। তদুপৰি ১৯১৯ চনত সেই দেশৰ বৈদেশিক ঋণৰ পৰিমাণ হৈছিলগৈ ৩৩ মিলিয়ন ফ্ৰেস্ক। সা-সম্পত্তিৰ ফালৰপৰা আটাইতকৈ অধিক ক্ষতিগ্ৰস্ত হোৱা দেশসমূহ আছিল—ছাৰবিয়া, ৰোমানিয়া, বেলজিয়াম, পোলেণ্ড আৰু ফ্ৰান্স।

***

আৰ্হি প্ৰশ্নমালা

(ক) ৰচনা ধৰ্মী প্ৰশ্নঃ

১। প্ৰথম বিশ্ব যুদ্ধৰ চাৰিটা প্ৰধান কাৰণ সম্পৰ্কে আলোচনা কৰা।

২। প্ৰথম বিশ্ব যুদ্ধৰ আগত ইয়োৰূপীয় শক্তি বৰ্গই স্বাক্ষৰিত কৰা মুখ্য সামৰিক চুক্তিসমূহৰ বিষয়ে আলোচনা কৰা।

৩। প্ৰথম বিশ্ব যুদ্ধ আৰম্ভ হোৱাৰ আগত ইয়োৰূপীয় শক্তি বৰ্গক দুটা প্ৰধান প্ৰতিদ্বন্দ্বী সামৰিক গোটত বিভাজিত কৰা পৰিস্থিতি সম্পৰ্কে আলোচনা কৰা।

৪। ১৯০২-১৪ চনৰ কালছোৱাত ইয়োৰূপ আৰু আফ্ৰিকাত সংঘটিত সামৰিক সংঘৰ্ষৰ বিষয়ে চমুকৈ আলোচনা কৰা।

৫। ১৯১৭-১৮ চনত বিশ্বৰ যুদ্ধ পৰিস্থিতি সম্পৰ্কে আলোচনা কৰা।

৬। প্ৰথম বিশ্ব যুদ্ধৰ পৰিণতি সম্পৰ্কে আলোচনা কৰা।

৭। 'প্ৰথম বিশ্ব যুদ্ধত কেন্দ্ৰীয় শক্তি জোঁটৰ পৰাজয়ে ইয়োৰূপত ভালেমান জাতি-ৰাষ্ট্ৰৰ অভ্যুদয়ত ইন্ধন যোগাইছিল।' আলোচনা কৰা।

চমু উত্তৰ দিয়াঃ

১। বলকান উপমহাদেশৰ দেশসমূহৰ নাম লিখা, ২। ১৯১৪ চনৰ যুদ্ধ পৰিস্থিতি, ৩। ১৯১৮ চনৰ যুদ্ধ পৰিস্থিতি।

অতি চমু উত্তৰ দিয়াঃ

১। ত্ৰিপাক্ষিক চুক্তিৰ সদস্য-ৰাষ্ট্ৰৰ নাম লিখা।

২। ত্ৰিপল আঁটাটৰ সদস্য-ৰাষ্ট্ৰৰ নাম লিখা।

৩। প্ৰথম বিশ্ব যুদ্ধৰ তাৎক্ষণিক কাৰণ কি আছিল?

৪। ছেৰাজাভোত অষ্ট্ৰিয়াৰ যুৱৰাজ ফ্ৰেন্‌ছিচ ফাৰ্দিনান্দক কোনে হত্যা কৰিছিল?

৫। ১৮৭০-১৯১৪ৰ কালছোৱাত জাৰ্মানীৰ প্ৰতিৰক্ষা শিতানৰ খৰছৰ শতাংশ হিচাপ কিমান আছিল?

৬। ১৮৭০-১৯১৪ৰ কালছোৱাত বৃটেইনৰ প্ৰতিৰক্ষা শিতানৰ খৰছৰ শতাংশ হিচাপ কিমান আছিল?

৭। ১৮৭০-১৯১৪ৰ কালছোৱাত ৰাছিয়াৰ প্ৰতিৰক্ষা শিতানৰ খৰছৰ শতাংশ হিচাপ কিমান আছিল?

৮। ১৮৭০-১৯১৪ৰ কালছোৱাত ইটালীৰ প্ৰতিৰক্ষা শিতানৰ খৰছৰ শতাংশ হিচাপ কিমান আছিল?

৯। কেন্দ্ৰীয় শক্তি জোঁটৰ সদস্য-ৰাষ্ট্ৰসমূহ কোন কোন আছিল?

১০। জাৰ্মানীয়ে লুইছিটানিয়াৰ ওপৰত আক্ৰমণ কৰাৰ ফলত কিমান মানুহৰ প্ৰাণ হানি হৈছিল?

১১। গেলিপলিৰ নৌ-যুদ্ধত কোন কোন দেশ পৰাভূত হৈছিল?

১২। প্ৰথম বিশ্ব যুদ্ধৰ কালছোৱাত কোন দেশে পোনতে ট্যাঙ্ক ব্যৱহাৰ কৰিছিল?

১৩। প্ৰথম বিশ্ব যুদ্ধত কিমান সৈনিক মৃত্যু মুখত পৰিছিল?

<u>তলত দিয়া ঘটনাসমূহৰ চন-তাৰিখ উল্লেখ কৰা:</u>

(ক) ক্ৰিমিয়াৰ যুদ্ধ,

(খ) অষ্ট্ৰো-প্ৰুচিয়াৰ যুদ্ধ,

(গ) ফ্ৰেঙ্কো-প্ৰুচিয়াৰ যুদ্ধ,

(ঘ) ৰুচ-তুৰস্কৰ যুদ্ধ,

(ঙ) অষ্ট্ৰো-প্ৰুচিয়াৰ দ্বি-পাক্ষিক চুক্তি,

(চ) ইংগ-ফৰাছী মৈত্ৰী চুক্তি,

(ছ) গ্ৰীচৰ স্বাধীনতা প্ৰাপ্তি,

(জ) বাৰ্লিন কংগ্ৰেছ,

(ঝ) ইংগ-জাপান চুক্তি,

(ঞ) ছেৰাজাভোৰ ঘটনা,

(ট) ব্ৰেষ্ট-লিটোভষ্ক চুক্তি।

একাদশ অধ্যায়

প্ৰথম বিশ্ব যুদ্ধোত্তৰ (১৯১৯) কালৰ বিশ্ব ৰাজনীতিৰ গতিধাৰা

বিশ্ব শান্তিৰ প্ৰচেষ্টাঃ ভাৰ্চাই শান্তি চুক্তি, লোকাৰ্ণো চুক্তি, কেল'গ-ব্ৰিয়াণ্ড চুক্তি আৰু জাতি সংঘঃ

প্ৰথম বিশ্ব যুদ্ধৰ শেহৰ ফালে ৰুচ দেশত সমাজতান্ত্ৰিক বিপ্লৱ সংঘটিত হোৱাত সেই দেশে জাৰ্মানীৰ সৈতে পোলেণ্ডৰ ব্ৰেষ্ট-লি'টোভস্ক নামে ঠাইত শান্তি চুক্তি স্বাক্ষৰ কৰে। এই চুক্তিৰ দ্বাৰা ৰাচিয়াই পোলেণ্ডক স্বাধীন ৰাষ্ট্ৰৰূপে মানি লয় আৰু ইউক্ৰেইনক স্বাধীন সাৰ্বভৌম প্ৰজাতান্ত্ৰিক ৰাষ্ট্ৰৰূপে স্বীকৃতি দিয়ে। ৰাচিয়াই লগতে বাল্টিক সাগৰৰ উপকূলবৰ্তী অঞ্চলত এষ্টোনিয়া, লাটভিয়া, লিথুৱানিয়া আদি জাৰৰ আমোলত ৰুচ দেশৰ অধীনত থকা দেশসমূহকো স্বাধীন বুলি স্বীকৃতি দিয়ে। এই চুক্তিৰ জড়িয়তে মহামতি পিটাৰৰ ৰাজত্ব কালৰপৰা ৰাচিয়াই জয় কৰা সমুদায় ৰাজ্য এৰি দিবলৈ বাধ্য হয়। তদুপৰি ৰাচিয়াই জাৰ্মানীক বিপুল পৰিমাণৰ ধন যুদ্ধৰ ক্ষতিপূৰণৰূপে দিবলৈ প্ৰতিজ্ঞাবদ্ধ হয়। এই চুক্তিৰ চৰ্তসমূহ অত্যন্ত কঠোৰ আছিল।

ব্ৰেষ্ট-লি'টোভস্ক শান্তি চুক্তিৰ চৰ্তাবলীয়ে জাৰ্মানী যুদ্ধত জয় লাভ কৰিলে মিত্ৰপক্ষই জাৰ্মানীৰপৰা কি ধৰণৰ শান্তি পালেহেঁতেন তাৰ এটি পূৰ্বাভাস কঢ়িয়াই আনিছিল।

জাৰ্মানীৰ দ্বাৰা যুদ্ধ বিৰতি চুক্তি স্বাক্ষৰিত হোৱাৰ পিচত যুদ্ধ বিধ্বস্ত ইয়োৰূপত তথা বিশ্বত শান্তি প্ৰতিষ্ঠাৰ বাবে চেষ্টা চলোৱা হৈছিল। তাৰেই ফলশ্ৰুতিত ১৯১৯ চনৰ ১৮ জানুৱাৰী তাৰিখে ফ্ৰান্সৰ ভাৰ্চাই নামে চহৰত শান্তি সন্মিলন অনুষ্ঠিত হৈছিল। এই শান্তি সন্মিলনত বিশ্বৰ ৩২ খন ৰাষ্ট্ৰৰপৰা মুঠতে ৭০ জন প্ৰতিনিধি মিলিত হৈছিল।

প্ৰথম বিশ্ব মহাৰণৰ সামৰণিৰপৰা (১৯১৮) দ্বিতীয় বিশ্ব মহাৰণৰ আৰম্ভণিলৈ (১৯৩৯)—এই সুদীৰ্ঘ বিশ-একৈশ বছৰৰ সময়চোৱাত ইয়োৰূপ মহাদেশত ভালেমান ৰাজনৈতিক ঘটনা-পৰিঘটনা সংঘটিত হৈছিল। প্ৰতিটো ঘটনা-পৰিঘটনাই আন এটা ঘটনাৰ জন্ম দিছিল আৰু ক্ৰমান্বয়ে এটাৰ পিচত এটাকৈ সংঘটিত এই ঘটনা-পৰিঘটনাবিলাকে ইয়োৰূপত যুদ্ধৰ পৰিবেশ সৃষ্টি কৰি পূৰ্বৰ দৰে এইবাৰো সমগ্ৰ বিশ্বৰে মানৱ সমাজক পুনৰ বিপদৰ মাজলৈ ঠেলি দিছিল। উল্লেখ কৰিব পাৰি যে প্ৰথম বিশ্ব যুদ্ধতকৈও এই দ্বিতীয় বিশ্ব যুদ্ধ আৰু অধিক ভয়ানক আৰু বিপজ্জনক আছিল।

প্ৰথম বিশ্ব যুদ্ধত অংশ গ্ৰহণ কৰাৰ সময়ত আমেৰিকা যুক্তৰাষ্ট্ৰই সদম্ভে ঘোষণা কৰিছিল যে সেই যুদ্ধখন আছিল পৃথিবীৰপৰা যুদ্ধ শেষ কৰা আৰু পৃথিবীখনক গণতন্ত্ৰৰ বাবে মুক্ত কৰাৰ বাবে কৰা সৰ্বশেষ যুদ্ধ। কিন্তু প্ৰথম বিশ্ব যুদ্ধ শেষ হোৱাৰ পিচত বিশ্বৰ সাম্ৰাজ্যবাদী দেশসমূহে এছিয়া আৰু আফ্ৰিকাত আৰু পৃথিবীৰ অন্যান্য অঞ্চলত নিজ নিজ সাম্ৰাজ্যবাদী স্বাৰ্থৰ শ্ৰীবৃদ্ধি ঘটোৱা আৰু সেইবোৰৰ সংৰক্ষণৰ বাবেহে নিজৰ সমষ্ট শক্তি সামৰ্থ নিয়োজিত কৰিবলৈ লৈছিল। উদাহৰণ হিচাপে ক'ব পাৰি যে এই যুদ্ধৰ ফল স্বৰূপে বৃটিশ ঔপনিবেশিক ৰাজ্য ক্ষেত্ৰৰ সম্প্ৰসাৰণ ঘটিছিল ১৬,০৭,০৫৩ বৰ্গ মাইল এলেকাৰ। এই ঔপনিবেশিক ৰাজ্য ক্ষেত্ৰৰ মুঠ জনসংখ্যা আছিল ৩,৫০,০০,০০০ জন। দ'ৰাচলতে ক'বলৈ গ'লে প্ৰথম বিশ্ব যুদ্ধ আছিল পুৰণি আৰু নতুন সাম্ৰাজ্যবাদী শক্তিসমূহৰ মাজত উপনিবেশসমূহৰ সমবিতৰণৰ দাবীক কেন্দ্ৰ কৰি সংঘটিত হোৱা যুদ্ধ। যুদ্ধৰ ফলশ্ৰুতিত দেখা গ'ল যে তুলনামূলকভাৱে নতুন সাম্ৰাজ্যবাদী দেশ জাৰ্মানী পুৰণা সাম্ৰাজ্যবাদী শক্তি জোঁটৰ হাতত বিষমৰূপে পৰাভূত হ'ল।


উদ্ৰু উইলছন

এই পৰাজয়ৰ সুযোগ লৈয়ে জাৰ্মানীক সকলোফালৰপৰা পৰ্যোদস্ত কৰিবলৈ জাৰ্মানীৰ ওপৰত পুনৰ শক্তি প্ৰদৰ্শন কৰি ভাৰ্চাই শান্তি চুক্তি জাপি দিয়া হৈছিল। ভাৰ্চাই শান্তি চুক্তিৰ মাধ্যমত জাৰ্মানীৰ প্ৰতি মিত্ৰ শক্তি জোঁটে সহানুভূতি প্ৰদৰ্শন কৰাহেঁতেন হয়তো ইয়োৰূপৰ ইতিহাসে অন্য পথেদি গতি কৰিলেহেঁতেন। কিন্তু সেই সুযোগটো জাৰ্মানীয়ে ব্ৰেষ্ট-লিট'ভস্ক (Treaty of Brest-Litovsk, 1918) চুক্তিৰ মাধ্যমত নিজেই পূৰ্বতে ধ্বংস কৰি থৈছিল। সমাজতান্ত্ৰিক বিপ্লৱ বিধৌত ৰাচিয়াৰ ওপৰত জাপি দিয়া ব্ৰেষ্ট-লিট'ভস্ক চুক্তিৰ কঠোৰতা দেখি সেই সময়ৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেণ্ট উদ্ৰু উইলছনৰ দৰে শান্তিপ্ৰিয় লোকজনো স্তম্ভিত হৈছিল আৰু জাৰ্মানীৰ প্ৰতি প্ৰতিশোধ প্ৰৱণতাৰ বশৱৰ্তী হৈ কাম কৰাৰ বাবে মানসিকভাৱে প্ৰস্তুত হৈছিল। ব্ৰেষ্ট-লিট'ভস্ক চুক্তিৰ কঠোৰতাৰ প্ৰতি দৃষ্টি ৰাখি উইলছনে কৈছিল, "I accept the challenge Germany has once more said that force, and force alone, shall decide whether Justice and Peace shall reign in the affairs of men There is, therefore, but one response from us Force, Force to the utmost, Force without stint or limit. " শান্তিপ্ৰতিষ্ঠাৰ বাবে বিশ্ব সম্প্ৰদায়ৰ

প্ৰতি উইলছনে ১৪-দফীয়া পৰামৰ্শাৱলী দিয়াৰ পিচত জাৰ্মানীয়ে সমাজতান্ত্ৰিক ৰুচ দেশৰ ওপৰত ব্ৰেষ্ট-লিট'ভষ্ক চুক্তি জাপি দিছিল। গতিকে দেখা যায় শান্তি স্থাপনৰ বাবে যি বাতাবৰণ লাগে প্ৰথম বিশ্ব যুদ্ধৰ সামৰণিৰ সময়ত সেই পৰিবেশ আছিল নিতান্তই অনুপস্থিত।

আনহাতে, যুদ্ধৰ পৰিসমাপ্তিৰ পিচত পৃথিৱীখন গণতন্ত্ৰৰ বাবে মুক্ত নহ'ল। নতুন সাম্ৰাজ্যবাদী শক্তি জাৰ্মানীৰ পৰাজয়ে পুৰণা সাম্ৰাজ্যবাদী শক্তিসমূহক সেই দিশত আৰু বেছি উৎসাহিত আৰু কৰ্ম চঞ্চলহে কৰি তুলিলে। তেওঁলোকৰ দ্বাৰা পদানত আৰু নিপীড়িত এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহত সাম্ৰাজ্যবাদী শক্তিসমূহৰ শোষণ নিৰ্যাতন আৰু বেছি বৃদ্ধিহে পালে। ভাৰতবৰ্ষ তাৰ এক জলন্ত উদাহৰণ। যুদ্ধ শেষ হোৱাৰ লগে লগে গণতন্ত্ৰৰ ধ্বনি মাৰ গ'ল।

সি যি কি নহ'ওক, প্ৰথম বিশ্ব যুদ্ধৰ মাজতে জাৰ শাসিত (Czarist Russia) ৰুচ দেশত সমাজতান্ত্ৰিক বিপ্লৱৰ (Socialist Revolution, also known as October Revolution, 1917) সূচনা (১৯১৭) আৰু তাৰ সাফল্যই বিশ্বৰ ইতিহাসত এক নতুন অধ্যায়ৰ সৃষ্টি কৰে। এই ঘটনাৰ পিচৰপৰা ক্ৰমান্বয়ে জাৰ্মানী (১৯১৯), অষ্ট্ৰিয়া (১৯২০), চেকোশ্লোভাকিয়া (১৯২০), এষ্টোনিয়া (১৯২০), লাটভিয়া (১৯২০), ফিনলেণ্ড (১৯২০), লিথুৱানিয়া (১৯২০), পোলেণ্ড (১৯২১) আৰু তুৰস্কত (১৯২৩) প্ৰজাতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰবৰ্তিত হয়। জাৰ্মানী আৰু অষ্ট্ৰিয়াক বাদ দি এই ৰাষ্ট্ৰসমূহ ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্তাসমূহৰ ইচ্ছা-আকাংক্ষা অনুযায়ী কম-বেছি পৰিমাণে আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ ভিত্তিতগঢ়ি উঠিছিল। অৰ্থাৎ এই কাৰ্যই দেখুৱাইছে যে যুদ্ধ-বিধ্বস্ত ইয়োৰোপত মানুহৰ মনত ৰাজতন্ত্ৰৰ প্ৰতি চূড়ান্ত ঘৃণা আৰু অৱহেলাৰ সৃষ্টি হৈছিল আৰু আনহাতে প্ৰজাতান্ত্ৰিক শাসন ব্যৱস্থা আদৰণীয়, গ্ৰহণীয় আৰু মনঃপুত হৈ পৰিছিল। এক নতুন ৰাজনৈতিক পৰিবৰ্তনৰ ঢৌৱে সমগ্ৰ ইয়োৰোপ মহাদেশকে অথালি-পথালিকৈ জোঁকাৰি গৈছিল।

কিন্তু যুদ্ধ-বিধ্বস্ত এই দেশসমূহৰ সকলোতে প্ৰজাতান্ত্ৰিক শাসন ব্যৱস্থা দীৰ্ঘদিনৰ বাবে স্থায়ী নহ'ল। মহাযুদ্ধৰ ফলস্বৰূপে প্ৰায় সকলোবোৰ দেশৰেই অৰ্থনীতি সম্পূৰ্ণৰূপে ভাঙি পৰিছিল। যুদ্ধৰ সময়ত নিজৰ দেশ আৰু জাতিৰ প্ৰতি আনুগত্য বজাই ৰাখি সকলোৱে বাট চাই আছিল কেৱল বিজয়ৰ দিনটোলৈ। কিন্তু যিদিনাখন বিজয় আহিল, সি সকলোৱে বাবে সমানে নাহিল। যিসকলে বিজয় লাভ কৰিলে তেওঁলোকে তাক লাভ কৰিলে মহিশালিৰ ধ্বংসস্তূপৰ মাজত। ৰণত পৰা সকলতো পৰিলেই, ৰণাংগনত পংগু হৈ ঘৰলৈ ওভতি অহাসকলৰ চিকাৰ হৈ আছিল এক বেদনা বিধুৰ গৃহহীন-গোসা মন। বহু দেশতে

সৈনিকসকলে নিযুক্তি হেৰুৱালে, লগে লগে দা-দৰমহা, বানচ, পাৰিতোষিক, সকলো। উৎপাদনমুখী কল-কাৰখানা, উদ্যোগ প্ৰতিষ্ঠান বিধ্বংসী যুদ্ধই বহু দেশতে নিশ্চিহ্ন কৰি পেলাইছিল। য'ত যি বৰ্তি আছিল তাতো উৎপাদন প্ৰক্ৰিয়া ব্যাহত হৈ পৰিছিল। যুদ্ধৰ মাজ মানৰপৰা জাৰ্মানী আদি ভালেমান দেশত খাদ্য সংকটে ভয়ঙ্কৰ ৰূপ ধাৰণ কৰিছিল। নিবনুৱা সমস্যাই প্ৰায় সকলোবোৰ দেশতে ভয়াবহ আকাৰ ধাৰণ কৰিছিল। খাদ্য সামগ্ৰীকে আদি কৰি নিত্য প্ৰয়োজনীয় বয়-বস্তুৰ মূল্য দিনক দিনে বাঢ়ি গৈছিল। টকাৰ ক্ৰয় ক্ষমতা দ্ৰুতভাৱে হ্ৰাস পাই আহিছিল। যুদ্ধত লিপ্ত থকা সকলো দেশতে কম-বেছি পৰিমাণে অৰ্থনৈতিক অৱস্থা প্ৰায় একেই আছিল।

প্ৰথম বিশ্ব যুদ্ধৰ শেহৰ ফালে ৰুচ দেশত সমাজতান্ত্ৰিক বিপ্লৱ সংঘটিত হোৱাত সেই দেশে জাৰ্মানীৰ সৈতে পোলেণ্ডৰ ব্ৰেষ্ট-লি'টোভস্ক নামে ঠাইত শান্তি চুক্তি স্বাক্ষৰ কৰে। এই চুক্তিৰ দ্বাৰা ৰাচিয়াই পোলেণ্ডক স্বাধীন ৰাষ্ট্ৰৰূপে মানি লয় আৰু ইউক্ৰেইনক স্বাধীন সাৰ্বভৌম প্ৰজাতান্ত্ৰিক ৰাষ্ট্ৰৰূপে স্বীকৃতি দিয়ে। ৰাচিয়াই লগতে বাল্টিক সাগৰৰ উপকূলবৰ্তী অঞ্চলত এষ্টোনিয়া, লাটভিয়া, লিথুয়ানিয়া আদি জাৰৰ আমোলত ৰুচ দেশৰ অধীনত থকা দেশসমূহকো স্বাধীন বুলি স্বীকৃতি দিয়ে। এই চুক্তিৰ জড়িয়তে মহামতি পিটাৰৰ ৰাজত্ব কালৰপৰা ৰাচিয়াই জয় কৰা সমুদায় ৰাজ্য এৰি দিবলৈ বাধ্য হয়। তদুপৰি ৰাচিয়াই জাৰ্মানীক বিপুল পৰিমাণৰ ধন যুদ্ধৰ ক্ষতিপূৰণৰূপে দিবলৈ প্ৰতিজ্ঞাবদ্ধ হয়। পূৰ্বে কৈ অহা হৈছে যে এই চুক্তিৰ চৰ্তসমূহ অত্যন্ত কঠোৰ আছিল।

ব্ৰেষ্ট-লি'টোভস্ক শান্তি চুক্তিৰ চৰ্তাৱলীয়ে জাৰ্মানী যুদ্ধত জয় লাভ কৰিলে মিত্ৰপক্ষই জাৰ্মানীৰপৰা কি ধৰণৰ শান্তি পালেহেঁতেন তাৰ এটি পূৰ্বাভাস কঢ়িয়াই আনিছিল। জাৰ্মানীৰ দ্বাৰা যুদ্ধ বিৰতি চুক্তি স্বাক্ষৰিত হোৱাৰ পিচত যুদ্ধ বিধস্ত ইয়োৰোপত তথা বিশ্বত শান্তি প্ৰতিষ্ঠাৰ বাবে চেষ্টা চলোৱা হৈছিল। তাৰেই ফলশ্ৰুতিত ১৯১৯ চনৰ ১৮ জানুৱাৰী তাৰিখে ফ্ৰান্সৰ ভাৰ্চাই (Versailles) নামে চহৰত শান্তি সন্মিলন অনুষ্ঠিত হৈছিল। এই শান্তি সন্মিলনতবিশ্বৰ ৩২ খন ৰাষ্ট্ৰৰপৰা মুঠতে ৭০ জন প্ৰতিনিধিয়ে যোগদান কৰিছিল।

যুদ্ধত পৰাভূত দেশসমূহৰ কোনো প্ৰতিনিধি তাত উপস্থিত নাছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিনিধি দলৰ নেতৃত্ব কৰিছিল সেই দেশৰ প্ৰেছিডেণ্ট উদ্ৰু উইলছনে (Woodrow Wilson)। ইংল্যাণ্ডৰ প্ৰতিনিধি আছিল প্ৰধানমন্ত্ৰী লয়ড জৰ্জ (Lloyd George), ফ্ৰান্সৰ প্ৰধানমন্ত্ৰী ক্লিমেন্সো (Clemenceau) আৰু ইটালীৰ প্ৰধানমন্ত্ৰী অৰলাণ্ডো (Orlando)।

শান্তি স্থাপনৰ মূল ভিত্তি আছিল ইতিপূৰ্বে ১৯১৮ চনৰ জানুৱাৰী মাহৰ ৮ তাৰিখে

আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেন্ট উড্ৰ' উইলছনে মাৰ্কিন কংগ্ৰেছত দিয়া ভাষণৰ মাধ্যমত দাঙি ধৰা ১৪-দফীয়া পৰামৰ্শাৱলী (Fourteen Points)। এই পৰামৰ্শৱলীৰ ভিত্তিতেই মোটামুটিভাৱে শান্তি স্থাপনৰ বাবে উপস্থিত প্ৰতিনিধিসকলৰ মাজত আলোচনা চলিছিল। ভালেমান দিন ধৰি আলোচনা চলাৰ পিচত মিত্ৰ শক্তি জোঁট আৰু কেন্দ্ৰীয় শক্তি জোঁটৰ মাজত মুঠতে পাঁচটা শান্তি চুক্তি স্বাক্ষৰিত হৈছিল। জাৰ্মানীৰ সৈতে কৰা শান্তি চুক্তিটোক ভাৰ্চাই শান্তি চুক্তি বোলা হয়, আৰু ১৪ টা খণ্ডত বিভক্ত এই চুক্তিত সৰ্বমুঠ ৪৪০ টা চৰ্ত বা অনুচ্ছেদ আছিল। তদুপৰি পৰিশিষ্টত আছিল বহুল পৰিমাণৰ নথি-পত্ৰ। সি যি কি নহওক, উল্লেখিত পাঁচটা চুক্তি আছিল—

১। মিত্ৰ শক্তি আৰু জাৰ্মানীৰ মাজত ভাৰ্চাই শান্তি চুক্তি, ২৮ জুন ১৯১৯,

২। মিত্ৰ শক্তি আৰু আষ্ট্ৰিয়াৰ মাজত ছেইন্ট জাৰ্মাইন শান্তি চুক্তি, ১০ ছেপ্তেম্বৰ, ১৯১৯,

৩। মিত্ৰ শক্তি আৰু বুলগেৰিয়াৰ মাজত নিউলি শান্তি চুক্তি, ২৭ নৱেম্বৰ, ১৯১৯,

৪। মিত্ৰ শক্তি আৰু হাংগেৰীৰ মাজত ট্ৰিয়াননৰ চুক্তি, ৪ জুন ১৯২০,

৫। মিত্ৰ শক্তি আৰু তুৰস্কৰ মাজত চাৰ্ভেছৰ শান্তি চুক্তি, ২০ আগষ্ট ১৯২০

জাৰ্মানীৰ ক্ষেত্ৰত ভাৰ্চাই শান্তি চুক্তিৰ চৰ্তসমূহ অত্যন্ত কঠোৰ বুলি পৰিগণিত হৈছিল, আনকি চৰ্তসমূহৰ ওপৰত আলোচনা চলি থকা সময়তে ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী লয়ড জৰ্জে জাৰ্মানীৰ প্ৰতি কিছু নৰম তথা সহানুভূতিশীল হ'বলৈ আবেদন জনাইছিল। তেওঁ কৈছিল, "Was it sensible to treat her as a cow from which to extract milk and beef at the same time?" অৰ্থাৎ গাইজনীৰপৰা কোনেও যেনেকৈ একে সময়তে গাখীৰ আৰু মাংস বিচৰাটো অৰ্থহীন তেনেকৈ সম্পূৰ্ণৰূপে বিধ্বস্ত জাৰ্মানীৰ ওপৰত কঠোৰ চৰ্ত কিছুমান জাপি দি সেইবিলাক কাৰ্যকৰী কৰিবলৈ কোৱাটোও নিৰৰ্থক।

সি যি কি নহওক, ভাৰ্চাইত মিলিত প্ৰতিনিধিসকলে জাৰ্মানীৰ প্ৰতি কঠোৰ তথা প্ৰতিশোধমূলক মনোভাৱ লৈ তাক কাৰ্যকৰী কৰাৰ দিশত অগ্ৰসৰ হৈছিল। চুক্তিৰ চৰ্তসমূহ ঠিককৰাৰ পিচত জাৰ্মান প্ৰতিনিধিসকলক সভাকক্ষলৈ মাতি নিয়া হৈছিল। তাত তেওঁলোকক সাধাৰণ অপৰাধীৰ দৰে ব্যৱহাৰ কৰা হৈছিল আৰু তেওঁলোকৰ প্ৰতি অন্যান্য দেশৰ প্ৰতিনিধিসকলৰ ক্ষেত্ৰত কৰাৰ দৰে কোনো ধৰণৰ সৌজন্য বা শালিনতা প্ৰদৰ্শন কৰা হোৱা নাছিল। তেওঁলোকক অনবৰতে পুলিছ-মিলিটাৰীয়ে পহৰা দি লৈ ফুৰিছিল। জাৰ্মানীৰ বিৰুদ্ধে পুনৰ যুদ্ধ ঘোষণা কৰাৰ ভাবুকিৰে এই চুক্তিৰ প্ৰতি জাৰ্মানীৰ সম্মতি আদায় কৰা হৈছিল। এই মনোভাৱ তথা ব্যৱস্থাই দ্বিতীয় বিশ্ব যুদ্ধ সংঘটিত হোৱাৰ আগলি বাতৰি

কটিয়াই আনিছিল। এটা অত্যন্ত প্ৰতিকূল ৰাজনৈতিক পৰিস্থিতিত ১৯১৯ চনৰ ২৮ জুন তাৰিখে জাৰ্মানীয়ে ভাৰ্চাই শান্তি চুক্তিত স্বাক্ষৰ দান কৰিবলৈ বাধ্য হৈছিল।

ভাৰ্চাই শান্তি চুক্তিৰ চৰ্তসমূহ আছিল এনে ধৰণৰ—

(ক) ৰাজ্যক্ষেত্ৰ সম্পৰ্কীয় চৰ্ত, (খ) ঔপনিবেশিক- ৰাজ্যক্ষেত্ৰ সম্পৰ্কীয় চৰ্ত, (গ) সামৰিক চৰ্ত আৰু (ঘ) আইন সঙ্গত আৰু বিত্তীয় তথা অৰ্থনৈতিক চৰ্ত।

(ক) ৰাজ্যক্ষেত্ৰ সম্পৰ্কীয় চৰ্তঃ

১। ফ্ৰান্সে জাৰ্মানীৰপৰা আলছেছ্ আৰু লোৰেইন ওভোতাই পালে। ইয়াৰ ওপৰিও জাৰ্মানীৰ শ্বাৰ অৱবাহিকাৰ (Saar Basin) ওপৰতো ১৫ বছৰৰ বাবে ফ্ৰান্সৰ অধিকাৰ সাব্যস্ত কৰা হ'ল।

২। জাৰ্মানীৰ অন্তৰ্গত কিয়েল কেনেল (Kiel Canal) এলেকাটো নিৰস্ত্ৰীকৰণ কৰি তাক সকলো দেশৰ বাবে মুক্ত কৰা হ'ল।

৩। ৰাইন উপত্যকা সম্পূৰ্ণৰূপে নিৰস্ত্ৰীকৰণ কৰা হ'ল। ৰাইন নদীৰ দুয়োপাৰে থকা জাৰ্মানীৰ সামৰিক কোঠসমূহ বিধ্বস্ত কৰা হ'ল। ভৱিষ্যতৰ বাবেও কোঠ নিৰ্মান কাৰ্য নিষিদ্ধ কৰা হ'ল।

৪। বেলজিয়ামে জাৰ্মানীৰপৰা মালমাদী, মৰেছনেট আৰু ইউপেন লাভ কৰিলে। বেলজিয়ামক নিৰপেক্ষ দেশৰূপে ঘোষণা কৰা হ'ল।

৫। লুক্সেমবাৰ্গক স্বাধীন আৰু নিৰপেক্ষ দেশৰূপে স্বীকৃতি দিয়া হ'ল।

৬। পোলেণ্ডে জাৰ্মানীৰপৰা লাভ কৰিলে পোজেন আৰু পশ্চিম প্ৰুচিয়া আৰু অষ্ট্ৰিয়াৰপৰা লাভ কৰিলে গেলিচিয়া।

৭। জাৰ্মানীৰ অন্তৰ্ভূক্ত আৰু ভিষ্টুলা নদীৰ মোহনাত থকা সামুদ্ৰিক বন্দৰ চহৰ ডানজিগক মুক্ত নগৰৰূপে স্বীকৃতি দিয়া হ'ল যাতে পোলেণ্ডে তাক নিজ দেশৰ বৰ্হিবাণিজ্যৰ বাবে ব্যৱহাৰ কৰিব পাৰে।

৮। জাৰ্মানীৰপৰা বাল্টিক সাগৰৰ উপকূলত থকা মেমেল নামে সামুদ্ৰিক বন্দৰ চহৰখন কাঢ়ি লৈ পিচত তাক লিথুয়ানিয়াক দিয়া হয়।

৯। অষ্ট্ৰিয়া-হাংগেৰীক বিভক্ত কৰি অষ্ট্ৰিয়া আৰু হাংগেৰী নামে দুয়োখনকে পৃথক ৰাজ্যৰ মৰ্যদা দিয়া হ'ল। পৃথক ৰাজ্য অষ্ট্ৰিয়াই ভালেমান অঞ্চল ইটালী আৰু যুগোশ্লাভিয়াক এৰি দিব লগা হ'ল।

১০। ঠিক তেনেকৈ হাংগেৰীয়ে চেকোশ্লোভাকিয়া, ৰোমানিয়া আৰু পোলেণ্ডক ভালেমান অঞ্চল এৰি দিব লগা হৈছিল।

১১।ইটালীয়ে আষ্ট্ৰিয়াৰপৰা লাভ কৰিলে টাইৰোল।

১২। ৰোমানিয়াই লাভ কৰিলে ৰাচিয়াৰপৰা বেছাৰাবিয়া, আষ্ট্ৰিয়াৰপৰা বাকোভিনা আৰু হাংগেৰীৰপৰা ট্ৰেনছিলভেনিয়া।

১৩। জাৰ্মানীৰ অন্তৰ্গত ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য বোহেমিয়া, মোৰাভিয়া আৰু ছুডেটানল্যাণ্ডক লৈ নতুন ৰাষ্ট্ৰ ছেকোশ্লোভাকিয়া গঠন কৰা হৈছিল।

১৪। বলকান উপমহাদেশৰ ছাৰ্বিয়া, বছনিয়া, মণ্টেনেগ্ৰো, হাৰ্জেগভিনা, ক্ৰোৱাচিয়া আৰু ডালমাচিয়াক লৈ গঠন কৰা হৈছিল অন্য এখন নতুন ৰাষ্ট্ৰ'—যুগোশ্লাভিয়া।

১৫। গ্ৰীচে লাভ কৰিছিল মেচিডনিয়া।

এইদৰে ভাৰ্চাই শান্তি চুক্তিয়ে যুদ্ধ-বিধ্বস্ত ইয়োৰুপৰ ৰাজনৈতিক মানচিত্ৰখন পুনৰ নিৰ্মাণ কৰি উলিয়াইছিল। শান্তি চুক্তিৰ চৰ্তসমূহৰ প্ৰতি ভালদৰে দৃষ্টি নিক্ষেপ কৰিলে দেখা যায় যে ভাৰ্চাইত মিলিত হোৱা প্ৰতিনিধিবৰ্গই আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেণ্ট উদ্ৰু উইলছনে ১৪-দফীয়া পৰামৰ্শাৱলীত গুৰুত্ব দিয়া জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ নীতিটোৰ ওপৰত বিশেষ মনোযোগ দিছিল। সেই বাবেই ইয়োৰুপৰ বিশেষকৈ কেন্দ্ৰীয় শক্তি জোঁটৰ আৰু তুৰস্কৰ দ্বাৰা পদানত ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্তাসমূহক মুক্ত কৰাৰ দিশত ভাৰ্চাইত মিলিত হোৱা ৰাষ্ট্ৰনেতাসকলে ভালেমান পদক্ষেপ লৈছিল। অৱশ্যে ইয়োৰুপৰ বাহিৰে অন্য দেশত বিশেষকৈ এছিয়া মহাদেশত সাম্ৰাজ্যবাদী শক্তিসমূহৰ দ্বাৰা পদানত দেশবিলাকত, যেনে ভাৰতবৰ্ষ আৰু চীনৰ ক্ষেত্ৰত, সেই আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ নীতি প্ৰয়োগ কৰাৰপৰা তেওঁলোক বিৰত আছিল।

(খ) ঔপনিবেশিক ৰাজ্যক্ষেত্ৰ সম্পৰ্কীয় চৰ্তঃ

এই চুক্তিৰ মাধ্যমত জাৰ্মানীয়ে সকলোবোৰ উপনিবেশ হেৰুৱালে। সেইবিলাক আছিল—পূৰ্ব আফ্ৰিকা (টাঙ্গানিকা), দক্ষিণ-পশ্চিম আফ্ৰিকা (নামিবিয়া), ট'গোলেণ্ড, কেমেৰুণ, প্ৰশান্ত মহাসাগৰৰ ছামোৱা দ্বীপপুঞ্জ আৰু নিউ গুইনা আদি। সেই আটাইবিলাককে মিত্ৰ শক্তি জোঁটে তেওঁলোকৰ মাজতে ভাগ-বাটোৱাৰা কৰি ললে।

তদুপৰি জাৰ্মানীক মৰক্কো, ইজিপ্ত, লাইবেৰিয়া, থাইলেণ্ড (ছিয়াম) আৰু চীনত থকা সকলোবোৰ অৰ্থনৈতিক সা-সুবিধাৰপৰা বঞ্চিত কৰা হ'ল। আনহাতে ছিৰিয়া, মেছ'পটেমিয়া, পেলেষ্টাইন আদি কাঢ়ি আনি মিত্ৰ শক্তি জোঁটৰ অংশীদাৰ ফ্ৰান্সক ছিৰিয়া আৰু আন দুখন বৃটেইনক দিয়া হৈছিল।

(গ) সামৰিক চৰ্তঃ

ভাৰ্চাই শান্তি চুক্তিয়ে জাৰ্মানীৰ নিৰস্ত্ৰীকৰণত বিশেষ প্ৰাধান্য দিছিল। জাৰ্মানীত

বাধ্যতামূলকভাৱে সামৰিক সেৱাত লোক নিযুক্ত কৰাৰ নীতি বাতিল কৰা হৈছিল। জাৰ্মানীৰ সাধাৰণ সেনা বাহিনীৰ সংখ্যা মাত্ৰ ১,০০,০০০ এক লাখত সীমিত কৰা হৈছিল। সেই অনুপাতে নৌ-বাহিনীৰ ক্ষমতাও সীমিত কৰি পেলাইছিল। নৌ-বাহিনীত মাত্ৰ ১৫,০০০ সৈনিক থাকিব পাৰিব আৰু যুদ্ধ জাহাজৰ সংখ্যাও ৬ খনলৈ হ্ৰাস কৰা হৈছিল। লগতে ক্ৰুইজাৰ ৬ খনলৈ আৰু ডেষ্ট্ৰয়াৰ ১২ খনলৈ হ্ৰাস কৰা হৈছিল। জাৰ্মানীয়ে ছাবমেৰিণ ৰখাতো নিষিদ্ধ কৰা হৈছিল। জাৰ্মানীয়ে ৰাইন উপত্যকাৰ ওপৰিও হেলিগোলেণ্ডত থকা সামৰিক কোঠ বিধস্ত কৰি পেলাব লাগিছিল।

(ঘ) আইন সঙ্গত আৰু বিত্তীয় তথা অৰ্থনৈতিক চৰ্তঃ

জাৰ্মানীক মিত্ৰ শক্তি জোঁট আৰু তেওঁলোকৰ সহযোগীসকলৰ বিৰুদ্ধে যুদ্ধ সংঘটিত কৰাৰ অভিযোগত দোষী সাব্যস্ত কৰা হৈছিল আৰু জাৰ্মানীয়ে সেই অভিযোগ মানি লৈছিল। মিত্ৰ শক্তিয়ে জাৰ্মানীৰ সম্ৰাট দ্বিতীয় উইলিয়ামক তেওঁলোকৰ ওচৰত সমৰ্পন কৰিবলৈ দাবী কৰিছিল যাতে যুদ্ধ চলোৱাৰ অপৰাধত তেওঁৰ বিৰুদ্ধে বিচাৰ কৰি শাস্তি দিব পৰা যায়।

কিন্তু তেওঁ গৈ নেডাৰল্যাণ্ডত ৰাজনৈতিক আশ্ৰয় লৈ থকাত সেই দেশৰ চৰকাৰে তেওঁক প্ৰত্যাৰ্পণ নকৰাত তেওঁক বিচাৰৰ কাঠগড়াত উঠোৱাৰপৰা মিত্ৰ শক্তিপক্ষ বিৰত থাকিবলৈ বাধ্য হয়। কিন্তু যুদ্ধৰ ক্ষতিপূৰণ আদায়ৰ ক্ষেত্ৰত মিত্ৰ শক্তি নাচোৰবান্দা আছিল। সেই বাবে ক্ষতিপূৰণৰ পৰিমাণ নিৰ্দ্ধাৰণ কৰিবলৈ নিয়োগ কৰা সমিতিয়ে ১৯২১ চনৰ ২৮ এপ্ৰিল তাৰিখে দিয়া হিচাপ মতে জাৰ্মানীয়ে মিত্ৰ পক্ষক দিব লগীয়া ক্ষতিপূৰণৰ পৰিমাণ আছিল ৬,৬০০ মিলিয়ন পাউণ্ড ষ্টাৰ্লিং। এই ক্ষতিপূৰণ আদায় দিয়াৰ বাবে মিত্ৰ পক্ষই জাৰ্মানীক নিৰ্দিষ্ট পদ্ধতি আৰু সময় ধৰি দিছিল।

অকল শান্তি চুক্তি স্বাক্ষৰ কৰাতে ব্যস্ত নাথাকি বিশ্বৰ ৰাষ্ট্ৰ নেতাসকলে আগন্তুক কালত বিশ্বত শান্তি অক্ষুণ্ণ ৰাখিবলৈ এটি আন্তৰাষ্ট্ৰীয় সংগঠন গঢ়ি তোলাৰ পোষকতা কৰি সেই মৰ্মে এখন গঠনতন্ত্ৰ (Covenant) প্ৰস্তুত কৰি তাক ভাৰ্চাই চুক্তিৰ অৰ্ন্তভূক্ত কৰিছিল। তাৰেই ভিত্তিত পিচৰ বছৰত (১৯২০ চনত) জাতিসংঘ (League of Nations) গঢ়ি তোলা হৈছিল। জাতিসংঘ সম্পৰ্কত বিস্তৃতভাৱে আলোচনা কৰাৰ পূৰ্বে এইখিনিতে বিশ্বত শান্তি প্ৰচেষ্টা অব্যাহতৰাখাৰ কাৰণে স্বাক্ষৰ কৰা দুটা বহুজাতিক তথা বহু-ৰাষ্ট্ৰীয় চুক্তি সম্পৰ্কে আলোচনা কৰিবলৈ লোৱা হৈছে। সেই চুক্তি দুটা হ'ল লোকাৰ্ণো চুক্তি (১৯২৫) আৰু কেলোগ-ব্ৰিয়াণ্ড চুক্তি (১৯২৮)।

লোকাৰ্ণো চুক্তি (১৯২৫) (Locarno Pact, 1925) :

ব্ৰিয়াণ্ড আৰু ষ্ট্ৰেজ্‌মেন

যুদ্ধ বিধ্বস্ত ইয়োৰূপত শান্তি প্ৰতিষ্ঠাৰ উদ্দেশ্যে ১৯১৯ চনৰ ২৮ জুন তাৰিখে বিশেষকৈ মিত্ৰ শক্তি আৰু জাৰ্মানীৰ মাজত ভাৰ্চাই চুক্তি স্বাক্ষৰিত হোৱাৰ পিচত শান্তি অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত দ্বিতীয় প্ৰধান পদক্ষেপটো লোৱা হৈছিল লোকাৰ্ণো চুক্তি (Locarno Pact, 1925) স্বাক্ষৰ কৰাৰ মাধ্যমত। ১৯২৫ চনত ফ্ৰান্সৰ বৈদেশিক মন্ত্ৰী আৰিষ্টাইডে ব্ৰিয়াণ্ড (Aristide Briand) আৰু জাৰ্মানীৰ বৈদেশিক মন্ত্ৰী গষ্টাভ ষ্ট্ৰেজ্‌মেনৰ (Gustav Stresemann) সদ্‌ইচ্ছাৰ পৰিণতি স্বৰূপে দুয়োখন চুবুৰীয়া দেশৰ মাজত পাৰস্পৰিক সম্পৰ্কৰ যথেষ্ট উন্নতি হয়। তাৰেই গইনা লৈ তেওঁলোকেদুয়োখন দেশৰ পাৰস্পৰিক নিৰাপত্তাৰ সমস্যাটো সমাধান কৰে আৰু তাক সুদৃঢ় কৰিবলৈ চুক্তি ৰূপায়নৰ দিশত অগ্ৰসৰ হয়। এই ক্ষেত্ৰত বৃটেইনৰ বৈদেশিক মন্ত্ৰী অষ্টিন চেম্বাৰলেইনেও সহমত পোষণ কৰি আনকি তেওঁলোকৰ অন্যতম চুবুৰীয়া দেশ ইটালীকো সন্মত কৰায়। পাৰস্পৰিক সহযোগীতা, নিৰাপত্তা আৰু শান্তি স্থাপনৰ বাবে এইদৰে প্ৰাৰম্ভিক কাম-কাজখিনি সম্পূৰ্ণ হোৱাৰ পিচত চুইজাৰলেণ্ডৰ লোকাৰ্ণোত ১৯২৫ চনৰ ৫ অক্টোবৰৰপৰা ১৬ অক্টোবৰলৈ ফ্ৰান্স, জাৰ্মানী, ইটালী, পোলেণ্ড, বৃটেইন, ছেকোশ্লোভাকিয়া আৰু বেলজিয়ামৰ প্ৰতিনিধিসকল মিলিত হয়। ভাৰ্চাইত দৃশ্যমান হোৱা পাৰস্পৰিক সংশয়, সন্দেহ আৰু ঘৃণাৰ পৰিবৰ্তে লোকাৰ্ণোত সমবেত প্ৰতিনিধিসকলৰ মাজত বন্ধুত্ব আৰু শুভেচ্ছাৰ মনোভাব আৰু পৰিবেশ এটি গঢ়ি উঠাটো পৰিদৃশ্যমান হৈ পৰিছিল। তেনে এটা সদ্ভাব আৰু সম্প্ৰীতিৰে পৰিপূৰ্ণ পৰিবেশত লোকাৰ্ণোত কেবাটাও আন্তৰাষ্ট্ৰীয় চুক্তি স্বাক্ষৰ কৰা হৈছিল। যিহেতু এই চুক্তিবিলাক লোকাৰ্ণোত স্বাক্ষৰ কৰা হৈছিল সেয়ে সেই চুক্তিবিলাকক একত্ৰে লোকাৰ্ণো চুক্তিৰূপে জনা যায়।

প্ৰথমতে, লোকাৰ্ণোত জাৰ্মানী, ফ্ৰান্স, ইটালী, বেলজিয়াম আৰু বৃটেইনৰ মাজত স্বাক্ষৰিত এটা চুক্তিৰ মাধ্যমত এফালে ফ্ৰান্স আৰু জাৰ্মানীৰ সীমাৰেখা আৰু আনফালে বেলজিয়াম আৰু জাৰ্মানীৰ সীমাৰেখাৰ প্ৰতি পাৰস্পৰিক স্বীকৃতি আৰু দায়বদ্ধতা প্ৰদান কৰা হৈছিল। দ্বিতীয়তে,পাৰস্পৰিক বিবাদ নিষ্পত্তি কৰণৰ বাবে এফালে জাৰ্মানী আৰু বেলজিয়ামৰ মাজত আৰু আনফালে জাৰ্মানী আৰু ফ্ৰান্সৰ মাজত দ্বিপাক্ষিকৰাজনৈতিক অভিবৰ্তন অনুষ্ঠিত কৰা হৈছিল। তৃতীয়তে, এফালে জাৰ্মানী আৰু পোলেণ্ড আৰু আনফালে জাৰ্মানী আৰু ছেকোশ্লোভাকিয়াৰ মাজতো বিবাদ নিষ্পত্তি কৰণৰ বাবে দ্বিপাক্ষিক চুক্তি

স্বাক্ষৰিত কৰা হৈছিল। চতুৰ্থতে, জাৰ্মানীৰপৰা হ'ব পৰা সাম্ভাব্য আক্ৰমণৰ পৰিপ্ৰেক্ষিতত এফালে ফ্ৰান্স আৰু পোলেণ্ড আৰু আনফালে ফ্ৰান্স আৰু ছেকোশ্লোভাকিয়াৰ মাজত পাৰস্পৰিক সামৰিক সহযোগিতাৰ চুক্তি স্বাক্ষৰিত কৰা হৈছিল। পঞ্চমতে, জাৰ্মানীয়ে পুনৰ জাতিসংঘৰ সদস্যপদ লোৱাৰ পোষকতা কৰিছিল।

এই চুক্তিৰ জড়িয়তে জাৰ্মানীয়ে ফ্ৰান্স আৰু বেলজিয়ামৰ সৈতে থকা পশ্চিম দিশৰ আন্তৰ্ৰাষ্ট্ৰীয় সীমাৰেখা স্থায়ীৰূপে মানি লৈ তাৰ সুৰক্ষাৰ প্ৰতি দায়বদ্ধ থকাৰ প্ৰতিশ্ৰুতি দিছিল। এই সীমাৰেখা ইতিপূৰ্বে ভাৰ্চাই শান্তি চুক্তিয়ে নিৰ্দ্ধাৰণ কৰি দিছিল আৰু তাৰ প্ৰতি জাৰ্মানীৰ দায়বদ্ধতাই এইটো সাব্যস্ত কৰিছিল যে জাৰ্মানীয়ে ভৱিষ্যতে বলপূৰ্বকভাৱে ফ্ৰান্সৰ অন্তৰ্ভুক্ত আলচেছ-লোৰেইন অধিগ্ৰহণ কৰাৰপৰা বিৰত থাকিব। লগতে জাৰ্মানীয়ে প্ৰতিশ্ৰুতি দিছিল যে সেই দেশে আগন্তুক কালত ৰাইন উপত্যকাত সামৰিক ঘাটি নিৰ্মাণৰ-পৰাও বিৰত থাকিব। আনহাতে, জাৰ্মানী আৰু ফ্ৰান্স—এই দুয়োখন দেশে পাৰস্পৰিক আক্ৰমণৰপৰা সম্পূৰ্ণৰূপে আঁতৰি থাকিব। তাৰ অন্যথা হ'লে অপ্ৰৰোচিত আক্ৰমণৰ বলি হোৱা দেশখনে চুক্তিভূক্ত যিকোনো দেশৰপৰা সামৰিক সাহায্য লাভ কৰিব। ভাৰ্চাই চুক্তিৰ পিচত লোকাৰ্ণো চুক্তি আছিল বিশ্বত শান্তি স্থাপনৰ ক্ষেত্ৰত লাভ কৰা আটাইতকৈ শক্তিশালী কূটনৈতিক সাফল্য।

কেলোগ-ব্ৰিয়াণ্ড চুক্তি, ১৯২৮ঃ (Kellogg-Briand Pact, 1928)

ব্ৰিয়াণ্ড

ভাৰ্চাই পৰবৰ্তী কালত বিশ্ব শান্তি সুৰক্ষাৰ বাবে লোৱা দ্বিতীয়টো পদক্ষেপ আছিল ১৯২৮ চনত স্বাক্ষৰিত কৰা কেলোগ-ব্ৰিয়াণ্ড চুক্তি। এই চুক্তি স্বাক্ষৰৰ ক্ষেত্ৰত মূখ্য ভূমিকা লৈছিল ফ্ৰান্সৰ বৈদেশিক মন্ত্ৰী আৰিষ্টাইডে ব্ৰিয়াণ্ড (Aristide Briand) আৰু মাৰ্কিন বৈদেশিক সচিব ফ্ৰেঙ্ক কেলোগ (Frank Kellogg)। তেওঁলোকে দুয়োখন দেশৰ হৈ এইদৰে পাৰস্পৰিক বুজাপৰাত উপনীত হৈছিল যে কোনো এখন দেশেই ভৱিষ্যতে যুদ্ধক নিজ দেশৰ জাতীয় সমস্যা অথবা দুয়োখন দেশৰ বিবাদমান সমস্যা সমাধানৰ পথ হিচাপে অবলম্বন নকৰি বৰং সেইবোৰ শান্তিপূৰ্ণভাৱে সমাধান কৰিব। এই বুজাপৰাৰ দ্বাৰা তেওঁলোকে মূলতঃ যুদ্ধক সমস্যা সমাধানৰ পথ হিচাপে সম্পূৰ্ণৰূপে নাকচ কৰিছিল।

আনুষ্ঠানিকভাৱে চুক্তি স্বাক্ষৰ কৰাৰ পূৰ্বে দুয়োখন দেশে যুদ্ধক যিকোনো দেশৰে

পৰৰাষ্ট্ৰ নীতিৰ অংগ হিচাপে নাকচ কৰাৰ দিশত সকলো ৰাষ্ট্ৰৰে সহমতত এটি আন্তৰাষ্ট্ৰীয় চুক্তি স্বাক্ষৰ কৰাৰ পোষকতা কৰিছিল। বৃটেইন আদি দেশেও এই নীতি মানি লোৱাত ১৯২৮ চনৰ ২৭ আগষ্টৰ দিনা ফ্ৰান্সৰ পেৰী চহৰত মুঠতে ১৫ খন দেশে তাত আনুষ্ঠানিকভাৱে স্বাক্ষৰ দান কৰিছিল। ১৯৩০ চনৰ শেহলৈ ছোভিয়েট দেশসহ মুঠতে ৬১ খন দেশে তাত স্বাক্ষৰ দান কৰি বিশ্ব শান্তি স্থাপন আৰু সুৰক্ষাৰ ক্ষেত্ৰত এক দৃঢ় পদক্ষেপ লৈছিল। অৱশেষত এই চুক্তিৰ স্বাক্ষৰকাৰী ৰাষ্ট্ৰৰ সংখ্যা ৬৫ খনলৈ বৃদ্ধি পাইছিল। পেৰী চহৰত স্বাক্ষৰ কৰা বাবে ইয়াক পেৰী চুক্তিৰূপেও জনা যায়।

জাতিসংঘ (League of Nations) : অৱতৰণিকাঃ লক্ষ্য আৰু উদ্দেশ্যঃ

> Throughout recorded History mankind has shown a blind faith in the efficacy of force although the experience of unnumbered generations demonstrates that war like gunpowder destroys but cannot build, and that the liquidation of national problems by the method of coercion creates fresh problems in their place By substituting collective action for individual action the League was designed to give the peoples of the earth a sense of security which would make them think in terms of peace and not as in past ages in terms of conflict Hitherto war had been conceived as the radical medicine of State henceforth it was to be regarded as an obsolete relic of a barbarous age Thus the League sought to achieve the profoundest of all psychical revolutions—to transform the war mentality of man into a peace mentality In the light of its history the conception may appear impracticable, even fantastic but we must remember that it is the essence of the civilizing process to bring the influence of reason to bear upon the human psychology in order to moderate the primitive instincts which if unchecked can end only in destruction
>
> (- E Lipson)

ইয়োৰোপৰ ইতিহাসত সপ্তদশ শতিকাৰ পৰাই আন্তঃৰাষ্ট্ৰীয় সংগঠন গঢ়ি তোলাৰ এক পৰম্পৰা তথা প্ৰক্ৰিয়াৰ সৃষ্টি হৈছিল। গোনতে ত্ৰিশ বছৰীয়া ৰণৰ (১৬১৮-৪৮) অন্ত পেলাবলৈ ওৱেষ্টফেলিয়াত এখন আন্তঃৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হৈছিল। তাতেই ইয়োৰোপীয় ৰাষ্ট্ৰ-ব্যৱস্থাৰ মোটামুটি ৰূপৰেখা এটি তৈয়াৰ কৰা হৈছিল। তাকে কেন্দ্ৰ কৰিয়েই জাতি-

ৰাষ্ট্ৰৰ গঠন হ'বলৈ লৈছিল। লগতে ওয়েষ্টফেলিয়াত স্বাক্ষৰিত বহু-জাতিক বা বহু-ৰাষ্ট্ৰীয় চুক্তিকেই আন্তৰাষ্ট্ৰীয় আইনৰ ভেটিৰূপে গণ্য কৰা হৈছিল। ফ্ৰান্সৰ সম্ৰাট চতুৰ্দশ লুইয়ে চলোৱা সামৰিক অভিযানৰ সামৰণি পেলাবলৈ ১৭১৩ চনত অনুষ্ঠিত কৰা হৈছিল ইউট্ৰেক্টৰ সন্মিলন। আকৌ ফৰাছী সম্ৰাট নেপ'লিয়নৰ পতনৰ পিচত ১৮১৫ চনত অষ্ট্ৰিয়াৰ ৰাজধানী ভিয়েনাত এখন আন্তৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত কৰা হৈছিল। সেই সন্মিলনৰো লক্ষ্য আৰু উদ্দেশ্য আছিল ইয়োৰূপত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰাটো আৰু যুদ্ধৰ বিপৰীতে দ্বি-পাক্ষিক বা বহু-পাক্ষিক আলোচনাৰ মাধ্যমত চলি অহা বা নতুনকৈ সৃষ্টি হোৱা বিবাদ বা সমস্যাসমূহৰ সমাধান কৰাটো। এই উদ্দেশ্য আগত ৰাখিয়েই ভিয়েনা কংগ্ৰেছে ইয়োৰূপত এক আন্তৰাষ্ট্ৰীয় সংগঠন গঢ়ি তুলিছিল, আৰু তাৰেই নাম আছিল ইয়োৰূপৰ শক্তিসংঘ (Concert of Europe)। এই সংগঠনৰ মাধ্যমত ইয়োৰূপৰ ৰাষ্ট্ৰসমূহৰ কেবাখনো মহাসন্মিলন অনুষ্ঠিত হৈছিল আৰু উক্ত সংগঠনটো ১৮২২ চনলৈ বৰ্তি আছিল।

প্ৰথম বিশ্ব যুদ্ধৰ সামৰণি পৰাৰ পিচত বিশ্বত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰিবলৈ ১৯২০ চনৰ ১০ জানুৱাৰী তাৰিখে জাতিসংঘ (League of Nations) গঠন কৰা হৈছিল। উল্লেখ কৰিব পাৰি যে সেই দিনটোতে ভাৰ্চাই শান্তি চুক্তি বলবৎ কৰা হৈছিল। ইয়াৰ মূখ্য কাৰ্যালয় আছিল ছুইজাৰল্যাণ্ডৰ ৰাজধানী চহৰ জেনেভাত। ইয়াৰ প্ৰধান লক্ষ্য আছিল আন্তৰ্জাতিক সমস্যাসমূহ শান্তিপূৰ্ণভাৱে সমাধান কৰি যুদ্ধ নীতি পৰিহাৰ কৰাটো। কিন্তু ইটালীত ফেছিবাদ আৰু জাৰ্মানীত নাজিবাদৰ আৰু জাপানত সাম্ৰাজ্যবাদী-সামৰিক শক্তিৰ অভ্যুদয়ৰ ফলত বিশ্বত আকৌ শান্তি বিঘ্নিত হয়। কিয়নো সেই দেশবিলাকে চুবুৰীয়া দেশৰ ওপৰত চলোৱা আক্ৰমণ আৰু পৰৰাজ্য গ্ৰাস কৰাৰ নীতি লোৱাত জাতিসংঘ নিষ্ক্ৰীয় হৈ পৰে আৰু দ্বিতীয় বিশ্ব যুদ্ধ আৰম্ভ হোৱাৰ পৰিপ্ৰেক্ষিতত ১৯৩৯-৪০ চনত তাৰ কোনো অস্তিত্বই নোহোৱা হৈ পৰে।

সি যি কি নহওক, প্ৰথম বিশ্ব যুদ্ধৰ অন্ত পৰাৰ পিচতো ৰাষ্ট্ৰসমূহৰ মাজত চূড়ান্ত নিৰাপত্তাহীনতাই বিৰাজ কৰিছিল, আৰু যুদ্ধ বিধ্বস্ত দেশসমূহে নিজা ৰবীয়াকৈ নিজ দেশৰ স্বাধীনতা ৰক্ষা কৰি জনসাধাৰণক নিৰাপত্তা দিব পৰাৰ সম্ভাৱনা প্ৰায় নাইকীয়া হৈ পৰিছিল। ৰাষ্ট্ৰনেতাসকলেও যে নিজাৰবীয়া আৰু আচুতীয়াকৈ নিজ দেশৰ জনসাধাৰণক নিৰাপত্তা দিব পাৰিব তাৰো কোনো ইয়াত্তা নোহোৱা হৈছিল। সকলোৱে মনত কেৱল সামূহিক নিৰাপত্তাৰ প্ৰশ্নটোৱে ভুমুকি মাৰিছিল, অকলে বৰ্তি থকাৰ পৰিবৰ্তে সকলোৱে সামূহিক নিৰাপত্তাৰ ভিত্তিত সামূহিকভাৱে বৰ্তি থকাৰ পোষকতা কৰিছিল। ক'বলৈ গ'লে এই

সামূহিক নিৰাপত্তাৰ প্ৰশ্নই অৱশেষত জাতিসংঘৰ উৎপত্তিত ব্যৱহাৰিক ইন্ধন যোগাইছিল।

জাতিসংঘ গঢ়ি তোলাৰ জৰিয়তে প্ৰধানতঃ মানুহৰ মনৰপৰা যুদ্ধৰ ভীতি আঁতৰোৱাৰ লগতে যুদ্ধৰ প্ৰতি থকা মানুহৰ সমগ্ৰ দৃষ্টিভঙ্গীটোকেই সলনি কৰি দিবলৈ চেষ্টা কৰা হৈছিল। এই কাৰ্যৰ দ্বাৰা যুদ্ধ প্ৰীতিৰ পৰিবৰ্তে মানুহৰ মনত শান্তিৰ মনোভাৱ গঢ়ি তুলিবলৈ এক মনস্তাত্বিক আন্দোলনেই আৰম্ভ কৰা হৈছিল। জাতিসংঘৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে গঠনতন্ত্ৰৰ প্ৰস্তাৱনাতো কোৱা হৈছিল যে সমস্যা সমাধানৰ পথ হিচাপে যুদ্ধৰ সহায় নোলোৱাকৈ ৰাষ্ট্ৰসমূহৰ মাজত পাৰস্পৰিক সহযোগিতা বৃদ্ধি কৰাৰ লগতে শান্তি আৰু নিৰাপত্তাৰ বিকাশ সাধন কৰাৰ প্ৰতি দায়বদ্ধ থকাটো ('To promote international co-operation and to achieve international peace and security, by the acceptance of obligations not to resort to war')। গঠনতন্ত্ৰৰ দশম অনুচ্ছেদত (Article X) কোৱা হৈছিল যে জাতিসংঘৰ সদস্য ৰাষ্ট্ৰসমূহে বৈদেশিক আক্ৰমণৰ পৰিপ্ৰেক্ষিতপৰস্পৰেপৰস্পৰৰ ৰাজ্য ক্ষেত্ৰৰ ৰাষ্ট্ৰীয় অখণ্ডতা আৰু ৰাজনৈতিক স্বাধীনতাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাৰ লগতে তাৰ সুৰক্ষাৰ বাবে দায়বদ্ধ থাকিব (The members of the League undertake to respect and preserve as against external aggression the territorial integrity and existing political independence of all members of the League')।

উপৰুক্ত অনুচ্ছেদৰ লগতে দ্বাদশ আৰু ষোড়শ অনুচ্ছেদতো দ্বি-পাক্ষিক অথবা আন্তৰাষ্ট্ৰীয় সমস্যা সমাধানৰ বাবে যুদ্ধ প্ৰচেষ্টাৰ বিৰোধীতা কৰা হৈছিল। দ্বি-পাক্ষিক আৰু আন্তৰাষ্ট্ৰীয় সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত অস্ত্ৰ ধাৰণ নকৰাকৈ আলোচনাৰ মাধ্যমত শান্তিপূৰ্ণভাৱে সেইবোৰৰ সমাধান কৰাটোৱেই জাতিসংঘৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্য আছিল। সমস্যা সমাধানৰ সকলোবোৰ উৎস উদঘাটন নকৰাকৈ কোনো সদস্য ৰাষ্ট্ৰই বিবাদ নিষ্পত্তিৰ বাবে অস্ত্ৰধাৰণ কৰিব বা যুদ্ধ ঘোষণা কৰিব নোৱাৰিছিল।

জাতিসংঘৰ গঠনঃ

জাতিসংঘ নামৰ আৰ্ন্তজাতিক সংগঠন এটি গঢ়ি তোলাৰ ক্ষেত্ৰত মুখ্য ভূমিকা লোৱা বিশ্বৰ ৰাজনৈতিক নেতাসকল আছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেণ্ট উড্ৰ উইলছন (Woodrow Wilson), ইংলেণ্ডৰ লৰ্ড ৰবাৰ্ট চেছিল (Lord Robert Cecil), দক্ষিণ আফ্ৰিকাৰ জ্যা স্মাটছ (Jan Smuts), ফ্ৰান্সৰ লিঅ বুৰ্জো (Leon Bourgeois) আদি। ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী লিয়ড জৰ্জে (Llyod George) তেনে এটি আৰ্ন্তজাতিক সংগঠন বৃটেইনৰ বাবে যুদ্ধ প্ৰচেষ্টাৰ মূল লক্ষ্য ৰূপে লৈছিল। আনহাতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ

প্ৰেছিডেন্ট উদ্ৰ উইলছনে তেওঁৰ ১৪-দফীয়া পৰামৰ্শাৱলীত তেনে এটি সংগঠনৰ বিষয়ে উল্লেখ কৰিছিল। এইদৰে বিভিন্ন ব্যক্তিৰ চিন্তা প্ৰসূত আঁচনিকেই পিচত ইংলেণ্ডৰ লৰ্ড ৰৰ্বাট চেছিল আৰু জ্যা স্মাট্ছে অন্যান্য দুজনমান ইংগ-মাৰ্কিন আইনজ্ঞৰ সহযোগত যথাৰ্থ ৰূপ দিছিল। উক্ত ব্যক্তিসকলে প্ৰস্তুত কৰা এই গঠনতন্ত্ৰখনকে (Covenant) ১৯১৯ চনৰ ২৮ এপ্ৰিলৰ দিনা পেৰী শান্তি সম্মিলনত গ্ৰহণ কৰা হৈছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেন্ট উদ্ৰ উইলছনৰ ইচ্ছা মতে ইয়াক ভাৰ্চাই শান্তি চুক্তিৰ অঙ্গীভূত কৰা হৈছিল। জাতিসংঘৰ গঠনতন্ত্ৰত প্ৰস্তাৱনাক বাদ দি মুঠতে ২৬ টা অনুচ্ছেদ আছিল।

জাতিসংঘৰ চাৰিটা প্ৰধান অংগ আছিল–সাধাৰণ সভা (Assembly), পৰিষদ (Council), সচিবালয় (Secretariat) আৰু আন্তৰ্জাতিক স্থায়ী বিচাৰালয় (Permanent Court of International Justice)। ইয়াৰ ওপৰিও জাতিসংঘৰ আন কেইটামান আনুষঙ্গিকঅংগ আছিল আন্তৰ্জাতিক শ্ৰমিক সংগঠন (International Labour Organisation), অৰ্থনৈতিক আৰু বিত্তীয় সংগঠন (Economic and Financial Organisation), আৰু স্বাস্থ্য সংগঠন (Health Organisation)। প্ৰতিষ্ঠা লাভ কৰাৰপৰা (১৯২০) জাতিসংঘৰ প্ৰধান কাৰ্যালয় চুইজাৰলেণ্ডৰ জেনেভাত স্থাপন কৰা হৈছিল।

সাধাৰণ সভা জাতিসংঘৰ সৰ্বোচ্চ ক্ষমতাৰ উৎস আৰু অধিকাৰী আছিল আৰু ই প্ৰতিখন সদস্য-ৰাষ্ট্ৰৰ দ্বাৰা গঠিত হৈছিল। এই সভালৈ প্ৰতিখন সদস্য-ৰাষ্ট্ৰই তিনিজনকৈ প্ৰতিনিধি পঠিয়াব পাৰিছিল যদিও ভোটাধিকাৰ আছিল মাত্ৰ এটাহে। প্ৰতি বছৰৰ ছেপ্তেম্বৰ মাহত এবাৰকৈ সাধাৰণ সভাৰ অধিবেশন অনুষ্ঠিত হব লাগিছিল। জাতিসংঘৰ বিত্তীয় দিশ নিয়ন্ত্ৰণ আৰু পৰিচালনাৰ দায়িত্বৰ ওপৰিও সাধাৰণ সভাই জাতিসংঘৰ নতুন সদস্য ভৰ্তিৰ লগতে পৰিষদৰ সদস্য আৰু আন্তৰ্জাতিক বিচৰালয়ৰ বিচাৰপতি নিৰ্বাচনৰ অধিকাৰ লাভ কৰিছিল। এই সকলোবোৰৰ বাহিৰেও সাধাৰণ সভাৰ প্ৰাথমিক আৰু প্ৰধান দায়িত্ব আছিল শান্তি বিঘ্নিত হ'ব পৰা সকলো বিষয়ৰ ওপৰত আলোচনা কৰাটো। তদুপৰি সাধাৰণ সভা আন্তৰ্জাতিক আইন সভাৰ লেখীয়া আছিল। সাধাৰণ সভাৰ এজন সভাপতি আৰু ৮ জন উপ-সভাপতি আছিল।

চাৰিজন স্থায়ী সদস্য আৰু এঘাৰজন অস্থায়ী সদস্যৰ দ্বাৰা জাতিসংঘৰ পৰিষদ (Council) সংগঠিত হৈছিল। পৰিষদৰ অস্থায়ী সদস্য কেইজনক ক্ষুদ্ৰ ৰাজ্যসমূহৰ মাজৰপৰা সময়ে সময়ে নিৰ্বাচন কৰি লোৱা হৈছিল। পৰিষদে জাতিসংঘৰ সচিব-প্ৰধানজনক নিযুক্তি দিব পাৰিছিল, অৱশ্যে এই নিযুক্তিৰ প্ৰতি সাধাৰণ সভাৰ অনুমোদন অপৰিহাৰ্য আছিল। পৰিষদৰ সকলো সিদ্ধান্তই সৰ্বসন্মতিক্ৰমে গৃহীত হ'ব লাগিছিল, অৰ্থাৎ পৰিষদৰ সিদ্ধান্ত

বাধ্যতামূলক হোৱাটো আইনসংগত আছিল। পৰিষদ জাতিসংঘৰ কাৰ্যপালিকা সদৃশ আছিল। পৰিষদৰ কাৰ্যৰ ভিতৰত উল্লেখযোগ্য আছিল বিবাদমান ৰাষ্ট্ৰৰ মাজত মধ্যস্থতা কৰি শান্তিপূৰ্ণভাৱে বিবাদ নিষ্পত্তি কৰাৰ চেষ্টা কৰা, অনমনীয় ৰাষ্ট্ৰৰ প্ৰতি অৰ্থনৈতিক অৱৰোধকে ধৰি শাস্তিমূলক ব্যৱস্থা লোৱা আৰু নিৰস্ত্ৰীকৰণৰ প্ৰতি সতৰ্ক থাকি সেই দিশত বিহিত ব্যৱস্থা হাতত লোৱা।

সচিবালয়ে (Secretariat) জাতিসংঘৰ সমুদায় প্ৰশাসনিক কাম-কাজসমূহ পৰিচালনা কৰিছিল। সচিবালয়টো মুঠতে এঘাৰটা শাখাত বিভক্ত আছিল আৰু প্ৰতিটো শাখা পৰিচালনা কৰিবলৈ একোজনকৈ সঞ্চালক নিযুক্ত কৰা হৈছিল। সচিবালয়ত প্ৰায় ৫০ খনতকৈও অধিক দেশৰপৰা নিযুক্তি দিয়া প্ৰায় ৭৫০ তকৈও অধিক লোকে কাৰ্যনিৰ্বাহ কৰিছিল। সচিব প্ৰধান তথা চেক্ৰেটাৰী-জেনেৰেলৰ (Secretary-General) তলতে আছিল ২ জনকৈ ডেপুটি চেক্ৰেটাৰী (Deputy Secretary) আৰু ২ জনকৈ আণ্ডাৰ চেক্ৰেটাৰী (Under Secretary)। জাতিসংঘৰ প্ৰথমজন সচিব-প্ৰধান আছিল এৰিক ড্ৰামণ্ড (Sir Eric Drummond)। তেওঁ বৃটেইনৰ লোক আছিল। তেওঁৰ পিচত সচিব-প্ৰধানৰ পদবীত সমাসীন আন দুজন লোক আছিল যথাক্ৰমে ফ্ৰান্সৰ এভেনল (Avenol) আৰু আয়াৰলেণ্ডৰ লেষ্টাৰ (Lester)।

১৯২০ চনৰ ডিচেম্বৰ মাহত জাতিসংঘৰ অধীনত এটি আন্তৰ্জাতিক স্থায়ী বিচাৰালয় (Permanent Court of International Justice) স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। বিচাৰপতিসকলক সাধাৰণ সভা আৰু পৰিষদৰ যুটীয়া বৈঠকত নিৰ্বাচিত কৰা হৈছিল। আৰম্ভণিতে বিচাৰপতিৰ সংখ্যা আছিল ১১ জন, ১৯৩০ চনত বিচাৰপতিৰ সংখ্যা ১৫ জনলৈ বৃদ্ধি কৰা হৈছিল। বিচাৰপতিসকলৰ ওপৰিও আৰম্ভণিৰেপৰা ৪ জন ডেপুটি বিচাৰপতিও নিয়োগ কৰা হৈছিল। প্ৰতিজন বিচাৰকক ৯-বছৰীয়া কাৰ্যকালৰ বাবে নিৰ্বাচিত কৰা হৈছিল। বিচাৰ কাৰ্য দুটা ক্ষেত্ৰতে সীমিত আছিল—স্বেচ্ছা-প্ৰণোদিত (Voluntary) আৰু বাধ্যতামূলক (Compulsory)। আন্তৰ্জাতিক বিচৰালয় ডি হেগত (The Hague) অৱস্থিত আছিল।

এই বিচাৰালয়ৰ বিচাৰপতিসকলক পোনতে ১৯২১ চনৰ ছেপ্তেম্বৰ মাহত নিৰ্বাচন কৰা হৈছিল আৰু ১৯২২ চনৰ ১৫ ফেব্ৰুৱাৰী তাৰিখে বিচাৰালয়টো ডি হেগৰ শান্তি প্ৰাসাদৰ বৃহৎ ন্যায় ভৱনত (Great Hall of Justice of the Peace Palace) মুকলি কৰা হৈছিল।

বিশ্বৰ বিশেষকৈ শিল্প শ্ৰমিকসকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে জাতিসংঘৰ নেতৃত্বত এটি আন্তৰ্জাতিক শ্ৰমিক সংগঠনো (International Labour Organisation) গঢ়ি তোলা

হৈছিল। জাতিসংঘৰ দৰে এই সংগঠনৰ সাংগঠনিক নীতি-নিৰ্দেশনাও ভাৰ্চাই শান্তি চুক্তিৰ অৰ্ন্তগত আছিল। আৰ্ন্তজাতিক শ্ৰমিক সংগঠন সম্পৰ্কীয় নীতি-নিৰ্দেশনাসমূহ ভাৰ্চাই শান্তি চুক্তিৰ ত্ৰয়োদশ খণ্ডত (Part XIII) সুকীয়াকৈ সন্নিবিষ্ট কৰা আছিল। জাতিসংঘৰ কৰ্তৃত্বাধীন হলেও এই শ্ৰমিক সংগঠনটোৱে বহু ক্ষেত্ৰতে প্ৰায় স্বকীয় সংগঠনৰূপে কাৰ্যনিৰ্বাহ কৰিব পাৰিছিল। এই সংগঠনটো তিনিটা শাখাত বিভক্ত আছিল—সাধাৰণ সভা (General Conference), পৰিচালনা সমিতি(Governing Body) আৰু কাৰ্যালয় (International Labour Office)। তাৎপৰ্যৰ কথা যে এই সংগঠনটোৱে দ্বিতীয় বিশ্ব যুদ্ধৰ কালছোৱাতো কাৰ্যনিৰ্বাহ কৰিছিল আৰু ৰাষ্ট্ৰসংঘৰ উৎপত্তিৰ সময়ত ১৯৪৬ চনৰ ডিচেম্বৰ মাহত ইয়াক ৰাষ্ট্ৰসংঘৰ অৰ্ন্তভূক্ত কৰা হৈছিল।

জাতিসংঘৰ সদস্য সংখ্যা (Member-States of the League)ঃ

প্ৰাৰম্ভিকঅৱস্থাতজাতিসংঘৰ সদস্য সংখ্যা আছিল ২০ খন ৰাষ্ট্ৰ আৰু তাৰ পৰবৰ্তী কালত, দুই-এক ব্যতিক্ৰম বাদ দিলে, সেই সংখ্যা ক্ৰমাগতভাৱে বৃদ্ধি পাই আহিছিল। তলৰ তালিকাখনত জাতিসংঘৰ ক্ৰমবৰ্দ্ধমান সদস্য-ৰাষ্ট্ৰৰ সংখ্যা দিয়া হ'ল–

১৯২০ চনত ৪১	১৯২১ চনত ৫১
১৯২৬ চনত ৪২	১৯২৮ চনত ৫৪
১৯৩২ চনত ৫৭	১৯৩৪ চনত ৬০
১৯৩৫ চনত ৬২	

১৯৩৫ চনত মহাদেশ অনুযায়ী জাতিসংঘৰ সদস্য-ৰাষ্ট্ৰৰ সংখ্যা আছিল এনেধৰণৰ–

ইয়োৰূপ	২৮
আমেৰিকা	২১
এছিয়া	৮
আফ্ৰিকা	৩
অষ্ট্ৰেলিয়া	২

১৯২৬ চনত পৰিষদৰ সদস্য পদক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা অশোভনীয় পৰিস্থিতিৰ বাবে ব্ৰাজিল আৰু স্পেইনে জাতিসংঘৰপৰা নিজ নিজ সদস্যপদ প্ৰত্যাহাৰ কৰিছিল। ১৯৩৩ চনত ভিন্ন কাৰণত জাৰ্মানী আৰু জাপানে আৰু ১৯৩৭ চনত ইটালীয়ে জাতিসংঘৰপৰা নিজ নিজ সদস্যপদ প্ৰত্যাহাৰ কৰে। অৱশেষত মৃত্যুৰ দুৱাৰ-দলিত উপনীত হোৱাৰ সময়ত ১৯৩৯ চনত জাতিসংঘই ছোভিয়েট ৰাচিয়াৰ সদস্যপদ খাৰিজ কৰে।

জাতিসংঘৰ পুঁজি (Fund of the League of Nations) ঃ

জাতিসংঘৰ বাৰ্ষিক বাজেটৰ পৰিমাণ আছিল ৬০,০০,০০০ ষাঠি লাখ মাৰ্কিন ডলাৰ। এই সমুদায় ধন ৰাশিক ৯২৩ টা গোটত বিভক্ত কৰি সদস্য ৰাষ্ট্ৰসমূহৰপৰা সংগ্ৰহ কৰা হৈছিল। সেই অনুপাতে বৃটেইনে দিব লাগিছিল ১০৮ টা গোট, ছোভিয়েট ৰাচিয়াই ৯৪ টা, ফ্ৰান্সে ৮০ টা, ইটালীয়ে ৬০টা ভাৰতবৰ্ষই ৪৯ টা, চীনে ৪২ টা, ইত্যাদি।

জাতিসংঘৰ কৃতকাৰ্যতাঃ (Achievements of the League) ঃ

জন্ম লগ্নৰেপৰা জাতিসংঘই বিশ্বত শান্তি স্থাপনৰ ক্ষেত্ৰত বিশেষ কৃতকাৰ্যতা লাভ কৰিছিল। জাতিসংঘই বিশেষকৈ ইয়োৰূপত শান্তিপূৰ্ণভাবে ভালেমান দ্বি-পাক্ষিক আৰু বহু-পাক্ষিক সমস্যা সমাধান কৰি বিশ্ব জনতাৰ সমাদাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯২০ চনত ফিনলেণ্ড আৰু চুইডেনৰ মাজত এটি দ্বীপৰ মালিকীস্বত্ব লৈ চলি অহা দ্বি-পাক্ষিক বিবাদ মীমাংসা কৰিছিল। ১৯২১ চনত ছাৰ্বিয়াৰ বিৰুদ্ধে অৰ্থনৈতিক অৱৰোধ কাৰ্য আৰম্ভ কৰাৰ ভাবুকি দি আলবানিয়াৰপৰা সেই দেশৰ সেনাবাহিনী প্ৰত্যাহাৰ কৰাত সাফল্য লাভ কৰিছিল। সেই একেই বছৰতে উজনি চাইলেছিয়াক কেন্দ্ৰ কৰি পোলেণ্ড আৰু জাৰ্মানীৰ মাজৰ দ্বি-পাক্ষিক বিবাদ সমাধান কৰিছিল। তাৰ পিচত ১৯২৩ চনত কাৰ্ফু নামে দ্বীপটোৰ মালিকীস্বত্বক কেন্দ্ৰ কৰি গ্ৰীচ আৰু ইটালীৰ মাজত উদ্ভৱ হোৱা দ্বি-পাক্ষিক সমস্যা সামাধান কৰিছিল। ১৯২৪-২৫ চনত ইৰাক আৰু তুৰস্কৰ মাজত সৃষ্টি হোৱা দ্বি-পাক্ষিক সীমা বিবাদ জাতিসংঘৰ প্ৰত্যক্ষ মধ্যস্থতাতসমাধান কৰা হৈছিল। ইফালে ১৯২৫ চনত গ্ৰীচ আৰু বুলগেৰিয়াৰ মাজত সীমা বিবাদক কেন্দ্ৰ কৰি দেখা দিয়া সমস্যা শান্তিপূৰ্ণভাবে নিষ্পত্তি কৰিছিল। পোলেণ্ড আৰু লিথুৱানিয়াৰ মাজত উদ্ভৱ হোৱা অশান্তিৰ উৎসও জাতিসংঘই নিষ্পত্তি কৰি দুয়োখন দেশৰ মাজত শান্তিৰ বাতাৱৰণ তৈয়াৰ কৰিছিল। আনহাতে ১৯৩৩ চনত লেটিন আমেৰিকাত এটি সীমামূৰীয়া অঞ্চলক কেন্দ্ৰ কৰি কলম্বিয়া আৰু পেৰুৰ মাজত সৃষ্টি হোৱা সমস্যাৰ শান্তিপূৰ্ণ সমাধান সূত্ৰ উদ্ভাৱন কৰি সেই মহাদেশতো শান্তি প্ৰক্ৰিয়া আৰম্ভ কৰিছিল।

জাতিসংঘই প্ৰশাসনিক দায়িত্বও পালন কৰিছিল। ছাৰ উপত্যকা সম্পৰ্কত জাতিসংঘৰ ভূমিকা আছিল ৰচনাত্মক, জাতিসংঘই এই অঞ্চলটো প্ৰায় ১৫ বছৰ ধৰি শাসন কৰিছিল।

এইবিলাকৰ ওপৰিও জাতিসংঘই কোনো কোনো ৰাষ্ট্ৰৰ অৰ্থনৈতিক পুনৰ গঠনতো সদৰ্থক ভূমিকা পালন কৰিছিল। জাতিসংঘই বিশেষকৈ যুদ্ধ-বিধ্বস্ত অষ্ট্ৰিয়া আৰু হাঙ্গেৰীৰ অৰ্থনৈতিক জীৱন প্ৰবাহত নতুন জোৱাৰ আনিছিল। সেই সময়ত পশ্চিম এছিয়া আৰু গ্ৰেচৰ পূৰ্বাংশৰপৰা গ্ৰীচলৈ প্ৰায় ১০ লাখতকৈও অধিক গ্ৰীক মূলৰ লোকে প্ৰব্ৰজন

কৰিছিল। এই প্ৰব্ৰজনকাৰী লোকসকলক গ্ৰীচত পুনৰবাসন দিয়া কাৰ্যত জাতিসংঘই বিশেষ ভূমিকা পালন কৰিছিল।

লোকাৰ্ণা চুক্তি (১৯২৫) আৰু কেলোগ-ব্ৰিয়াণ্ড (১৯২৮) চুক্তি স্বাক্ষৰ কৰাত প্ৰত্যক্ষভাৱে জাতিসংঘই কোনো ভূমিকা পালন কৰা নাছিল যদিও সেই চুক্তিবিলাকত জাতিসংঘৰ দ্বাৰা সূচনা কৰা শান্তি প্ৰক্ৰিয়া আৰু প্ৰচেষ্টাৰ স্পষ্ট প্ৰতিফলন হোৱাটো দেখা যায়। এই প্ৰক্ৰিয়াৰ ফলতেই জাতিসংঘৰ আন্তৰ্জাতিক খ্যাতি আৰু মৰ্যদাই মুধচ চুইছিলগৈ।

জাতিসংঘৰ পতনৰ কাৰণ (Causes of Failure of the League) :

শান্তি কামী বিশ্ব নাগৰিকৰ সমৰ্থন পালেও, আৰু বহু ক্ষেত্ৰতে শান্তি স্থাপনত আশানুৰূপ কৃতকাৰ্যতা লাভ কৰিলেও, বিশেষকৈ ইটালীত ফেছিজিম আৰু জাৰ্মানীত নাজিজিমৰ প্ৰাদুৰ্ভাৱৰ সময়ৰপৰা লাহে লাহে এই আন্তৰাষ্ট্ৰীয় সংগঠনটো নিস্তেজ আৰু নিশকতীয়া হৈ পৰিছিল। অৱশেষত এই আন্তৰাষ্ট্ৰীয় সংগঠনটোৰ পতন ঘটিছিল। এই সংগঠনৰ পতন সম্পৰ্কে তলত আলোচনা কৰা হ'ল।

বিশ্বত যুদ্ধাৱস্থা হ্ৰাস পাই অহাৰ লগে লগে ৰাষ্ট্ৰনেতাসকলে লাহে লাহে সামুহিক নিৰাপত্তাৰ বিপৰীতে গাইগুটীয়া নিৰাপত্তাৰ প্ৰশ্নটোক গুৰুত্ব দিবলৈ ধৰিলে। সেই অৱস্থাৰ সৈতে সংগতি ৰাখি ভালেমান ৰাষ্ট্ৰই গাইগুটীয়া কূটনৈতিক দিশটোৰ ওপৰত প্ৰাধান্য দি বহু-ৰাষ্ট্ৰীক তথা সামুহিক কূটনৈতিক সম্পৰ্কৰ প্ৰতি পিঠি দি বহিবলৈ লৈছিল। লাহে লাহে ৰাষ্ট্ৰসমূহৰ মাজত নিজ নিজ দেশৰ সাৰ্বভৌমত্ব আৰু স্বাধীনতাৰ বিষয়টোয়ে প্ৰাধান্য পাবলৈ ধৰে। সময়ত জাতিসংঘৰ অৰ্ন্তভূক্তিয়ে কোনো কোনো ৰাষ্ট্ৰৰ মাজত নিজ দেশৰ সাৰ্বভৌমত্ব আৰু স্বাধীনতাৰ প্ৰশ্নটোৰ সৈতে আপোচ কৰাটো সূচাইছিল বুলি ধাৰণা হৈছিল। গতিকে তেনে ৰাষ্ট্ৰৰ বাবে জাতিসংঘৰ সদস্যপদ বাঞ্চোন স্বৰূপ আছিল।

দ্বিতীয়তে, যিহেতু জাতিসংঘৰ জন্মৰ ইতিহাস ভাৰ্চাই চুক্তিৰ সৈতে সংপৃক্ত হৈ আছিল সেয়ে ভালেমান ৰাষ্ট্ৰৰ মানত সি পশ্চিমীয়া শক্তিসমূহৰ হাতত নিপীড়নৰ অন্য এক হাতিয়াৰ বা অস্ত্ৰৰূপেহে পৰিচিত হৈ পৰিছিল। আনকথাত সি বিজিত ৰাষ্ট্ৰসমূহৰ স্বাৰ্থৰ বিপৰীতে বিজেতা শক্তিসমূহৰ এক সংঘত পৰিণত হৈছিল। জাতিসংঘ সেয়ে 'অসভ্য মাতৃৰ সন্মানীয় কন্যা' ("The League appeared as "the honourable daugther of a disreputable mother") যেন অনুভূত হৈছিল।

তৃতীয়তে, আমেৰিকা যুক্তৰাষ্ট্ৰ জাতিসংঘৰ সদস্যপদ নোলোৱাকৈ থকাটো সেই সংগঠনৰ এক ডাঙৰ দুৰ্বলতা আছিল। এই দুৰ্বলতাই সংগঠনটোক আৰম্ভণিৰেপৰা নিশকতীয়া আৰু নিস্তেজ কৰি তুলিছিল। সেই দেশখনে আনকি ভাৰ্চাই শান্তি চুক্তিৰ প্ৰতি কোনো ধৰণৰ স্বীকৃতিও প্ৰদান কৰা নাছিল।

চতুৰ্থতে, আৰম্ভণিৰেপৰা জাৰ্মানী আৰু ছোভিয়েট ৰাচিয়াক জাতিসংঘৰপৰা বিচ্ছিন্ন কৰি ৰখা হৈছিল। লোকাৰ্ণো চুক্তিৰ পিচত (১৯২৬) জাৰ্মানীক আৰু ছোভিয়েট ৰাচিয়াক ১৯৩৪ চনত সদস্যপদ দিয়া হৈছিল। গতিকে সেই কালৰপৰা চা'বলৈ গ'লে দেখা যায় যে জাতিসংঘ সাৰ্বজনীন আন্তৰাষ্ট্ৰীয় সংগঠন নাছিল নতুবা তেনে দাবী কৰাটো সত্যৰ অপলাপ মাত্ৰ।

পঞ্চমতে, জাতিসংঘ আছিল স্বাধীন আৰু জাতীয় সাৰ্বভৌমত্ব থকা ৰাষ্ট্ৰসমূহৰ এক আন্তৰাষ্ট্ৰীয় সংগঠন ("a world organisation of national sovereign states")। সেয়ে তাৰ কাৰ্য পৰিচালনা কৰাৰ ক্ষেত্ৰতো নতুন আৰু পুৰণি জাতীয় সাৰ্বভৌম ৰাষ্ট্ৰসমূহৰ মাজত থকা চিৰাচৰিত প্ৰতিদ্বন্দ্বিতা, আঁৰিয়া-আঁৰি আৰু ঈৰ্ষা কোনো কোনো সময়ত বাধাৰ প্ৰাচীৰৰূপে দেখা দিছিল। বিশেষকৈ তেতিয়ালৈ সূৰ্য অস্ত নোযোৱা বৃটিশ সাম্ৰাজ্যৰ গৰাকীসকলে অন্যৰ সৈতে বিশ্ব শান্তিৰ বাবে সমানে সমানে কাম কৰাৰ বাবে মানসিকভাৱে প্ৰস্তুত হ'ব পৰা নাছিল। নিজ দেশৰ জাতীয় স্বাৰ্থও তেনে কাৰ্যৰ বাবে অন্তৰায় হৈ পৰিছিল।

ষষ্ঠতে, ১৯২৬ চনত জাৰ্মানীয়ে জাতিসংঘৰ সদস্যপদ ললেও, জাতিসংঘৰ উৎপত্তি জাৰ্মানীৰ জাতীয় চেতনাৰ প্ৰতি অত্যন্ত অপমানজনক ভাৰ্চাই শান্তি চুক্তিৰ অংগ হোৱাত সেই সংগঠনৰ প্ৰতি কোনো দিনেই আন্তৰিক আনুগত্য প্ৰকাশ কৰিব পৰা নাছিল। জাৰ্মানীৰ দৰে স্বাধীনতা প্ৰিয় জাতি এটাক যে কোনো দিনেই অবদমিত কৰি ৰাখিব নোৱাৰিব সেই সাধাৰণ কথাটো সমসাময়িক বিশ্ব নেতাসকলে উপলব্ধি কৰিব নোৱাৰাটো আছিল দুৰ্ভাগ্যজনক।

সপ্তমতে, ছোভিয়েট ৰাচিয়াই জাতিসংঘক নিজ পিতৃভূমিৰ বিৰুদ্ধে সংঘঠিত এক ষড়যন্ত্ৰ বুলি গণ্য কৰিছিল। আনহাতে ফ্ৰান্সে নিজৰ ৰাষ্ট্ৰীয় স্বাধীনতা আৰু সাৰ্বভৌমত্বৰ প্ৰতি নিৰাপত্তা লাভৰ আশাতহে জাতিসংঘৰ প্ৰতি অনুগত হৈ ৰৈছিল। লোকাৰ্ণো আৰু কেলোগ-ব্ৰিয়াণ্ড চুক্তিয়ে সেই নিৰাপত্তাৰ প্ৰশ্নটো প্ৰায় নিশ্চিত ৰূপত সমাধান কৰাত জাতিসংঘৰ প্ৰতি ফ্ৰান্সৰ আকৰ্ষণ প্ৰায় নিশেষ হৈ আহিছিল।

অষ্টমতে, ১৯২৯-৩০ৰ কালছোৱাত আৰম্ভ হোৱা বিশ্ব অৰ্থনৈতিক মন্দাৰ পৰিণতি স্বৰূপে বিশেষকৈ আমেৰিকা যুক্তৰাষ্ট্ৰ, জাৰ্মানী আৰু জাপানত সকলো ধৰণৰ অৰ্থনৈতিক আৰু সামাজিক ন্যায় আৰু শৃংখলা নিশেষ হৈ পৰিছিল। তাৰে পৰিণতি স্বৰূপে জাৰ্মানীত নাজিজিমৰ নেতৃত্বত একনায়কতন্ত্ৰৰ আৰু জাপানত সামৰিকতাবাদী শাসনতন্ত্ৰৰ অভ্যুদয় ঘটিছিল।

দশমতে, ১৯৩৩ চনত নাজি দলে হিটলাৰৰ নেতৃত্বত জাৰ্মানীত ৰাজনৈতিক-প্ৰশাসনিক ক্ষমতা দখল কৰাৰ পিচত সেই দেশে প্ৰথমে নিৰস্ত্ৰীকৰণ সন্মিলনৰপৰা নিজৰ প্ৰতিনিধিত্ব প্ৰত্যাহাৰ কৰাৰ লগে লগে জাতিসংঘৰপৰাও ওলাই আহে। হিটলাৰে জাৰ্মানীত নতুনকৈ সমৰসজ্জাত ব্যস্ত হৈ পৰে। এই অৱস্থাই জাতিসংঘৰ অস্তিত্বৰ প্ৰতি এক প্ৰচণ্ড ভাবুকিৰ সৃষ্টি কৰাৰ লগে লগে শান্তি প্ৰক্ৰিয়াতো ব্যাঘাত জন্মাইছিল।

আনহাতে, মাঞ্চুৰিয়াক কেন্দ্ৰ কৰি জাপান আৰু চীনৰ মাজত সৃষ্টি হোৱা ৰাজনৈতিক সংকটত জাতিসংঘই বিশেষ কোনো সদৰ্থক ভূমিকা পালন কৰিব পৰা নাছিল। জাপানে ইতিমধ্যে মাঞ্চুৰিয়াত বিপুল পৰিমাণৰ পুঁজি বিনিয়োগ কৰি তাত নিজস্ব অৰ্থনৈতিক স্বাৰ্থ তৈয়াৰ কৰি লৈছিল, কিন্তু মাঞ্চুৰিয়াৰ প্ৰশাসনিক কৰ্তৃত্বৰ সৈতে লগ লাগি চীনে তাত ৰেললাইন বহুওৱাত জাপানৰ সৈতে মাঞ্চুৰিয়াৰ সম্পৰ্কৰ অবনতি ঘটে। ১৯৩১ চনত জাপানে সামৰিক শক্তি প্ৰয়োগ কৰি মাঞ্চুৰিয়াৰ ৰাজধানী মুক্‌ডেন হস্তগত কৰে। চীন চৰকাৰে জাপানৰ বিৰুদ্ধে জাতিসংঘত সহায় বিচৰাত জাতিসংঘই জাপানক মাঞ্চুৰিযাৰপৰা আঁতৰি যাবলৈ নিৰ্দেশ দিয়ে। জাপানে সেই নিৰ্ধেশ অমান্য কৰি বৰং পূৰ্বৰ চীন সম্ৰাটক ৰাষ্ট্ৰ মুৰব্বী কৰি তাত মাঞ্চুকো নামে এখন পৃথক ৰাজ্য তৈয়াৰ কৰি শাসন চলাবলৈ ধৰে। মাঞ্চুৰিয়াত জাতিসংঘৰ প্ৰকাশ্যব্যৰ্থতাই সংগঠনটোৰ অস্তিত্ব সম্পূৰ্ণ অপ্ৰাসঙ্গিক কৰি তুলিলে।

এই ঘটনাৰ কেইবছৰমান পিচতে (১৯৩৫) ইটালীয়ে আবিছিনিয়া দখল কৰোঁতেও জাতিসংঘই সেই আক্ৰমণ প্ৰতিহত কৰি আবিছিনিয়াক নিৰাপত্তা দিব নোৱাৰিলে। এইদৰে এটাৰ পিচত এটাকৈ সংঘটিত সামৰিক অভিযান তথা আক্ৰমণৰ পৰিপ্ৰেক্ষিতত জাতিসংঘৰ অস্তিত্ব প্ৰায় নোহোৱাই হৈ পৰিছিল। আৰু হিটলাৰে পোলেণ্ড আক্ৰমণ (১৯৩৯) কৰাৰ লগে লগে জাতিসংঘ নামে পৰিচিত এই আন্তৰাষ্ট্ৰীয় সংগঠনটো বিশ্বৰ ৰাজনৈতিক মঞ্চৰপৰা সম্পূৰ্ণৰূপে নিচিহ্ন হৈ পৰে।

আধুনিক চীনৰ অভ্যুদয়ঃ ছান-ইয়েৎ চেন, চিয়াং-কাই- চেক আৰু মাও-জে-দুঙৰ ভূমিকা ঃ(Rise of Modern China Role of Sun Yat-Sen, Chiang Kai-Shek and Mao-Ze-Dong)

১৯১১ চনৰ অক্টোবৰ মাহত হেনকৌত (Hankow) সংঘটিত বিপ্লৱৰ ফলশ্ৰুতিত চীনত মাঞ্চুসকলৰ টা ছিং ৰাজবংশৰ ৰাজত্বৰ অন্ত পৰে। এই ৰাজবংশটোৱে ১৬৪৪ চনৰপৰা প্ৰায় ২৬৭ বছৰ ধৰি চীনত শাসন কৰি আহিছিল। ৰাজতান্ত্ৰিক শাসনৰ অন্ত পৰাৰ লগে লগে চীনত ডা° ছান ইয়েৎ-চেনক (১৮৬৬-১৯২৫) (Dr Sun Yat-sen)

প্ৰেছিডেন্ট হিচাপে লৈ এখন অস্থায়ী চৰকাৰ গঠন কৰা হৈছিল। বিপ্লৱীসকলৰ লক্ষ্য আৰু আদৰ্শ আছিল চীনৰ পাঁচটা প্ৰধান জনগোষ্ঠীক লৈ এখন প্ৰজাতান্ত্ৰিক চৰকাৰ গঠন কৰা। সেই জনগোষ্ঠী কেইটা আছিল—মাঞ্চু, চীনা, মঙ্গোল, মহেম্মেদান আৰু তীব্বতী।

সি যি কি নহওক, ইতিপূৰ্বে ১৯০৫ চনত ছান ইয়েৎ-চেনে জনসাধাৰণৰ সামগ্ৰীক ৰাজনৈতিক-অৰ্থনৈতিক অধিকাৰৰ প্ৰতি লক্ষ্য ৰাখি জাতীয়তাবাদ, গণতন্ত্ৰ আৰু সমাজবাদৰ ভিত্তিত টুং-মেং-হাই (Tung-meng-hai, United League) নামে এটি জাতীয়তাবাদী ৰাজনৈতিক সংগঠন গঢ়ি তুলিছিল। চীনৰ সোতৰখন প্ৰদেশত এই ৰাজনৈতিক সংগঠনৰ শাখা সমিতি গঠিত হৈছিল, আনকি ছিঙ্গাপুৰ, ব্ৰুছেলচ, হনলুলু আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ছান ফ্ৰান্সিছকো চহৰতো ইয়াৰ শাখা সমিতি গঢ়ি তোলা হৈছিল। দলৰ আভ্যন্তৰীণ কন্দলৰ বাবে ছান ইয়েৎ-চেন দীৰ্ঘ দিন চীনৰ প্ৰেছিডেন্ট হৈ থাকিব নোৱাৰিলে, তেওঁ পদত্যাগ কৰাত য়ুৱান ছিহ্-কাইক (Yuan Shih-kai) প্ৰেছিডেন্ট নিযুক্ত কৰা হৈছিল। তথাপিও দলৰ আভ্যন্তৰীণ ৰাজনৈতিক কন্দল তথা উপদলীয় সংকট আঁতৰি নগ'ল, বৰং বৃদ্ধিহে পালে। টুং-মেং-হাইৰ অন্য এটি উপদলে ছুং ছিয়াও-জেন(Sung Chiao-jen)ৰ নেতৃত্বত নতুন ৰাজনৈতিক দল এটিৰ সৃষ্টি কৰিলে, নাম দিলে কোউমিনটাং (Koumintang, Nationalist Party)।

১৯১৩ চনৰ ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত নিৰ্বাচনত কোউমিনটাঙে দ্বি-সদনযুক্ত সংসদত সংখ্যা গৰিষ্ঠতা লাভ কৰে। ঘটনা বিষম দেখি য়ুৱান ছিহ্-কাইয়ে ছুং ছিয়াও জেনক হত্যা কৰে। এই হত্যাকাণ্ডৰ পিচতে সাতখন প্ৰদেশিক চৰকাৰে পিকিঙৰ কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল যদিও সেই বিদ্ৰোহ ব্যৰ্থ হোৱাত ছান ইয়েৎ-চেনসহ ভালেমান জাতীয়তাবাদী বিদ্ৰোহী জাপানলৈ পলায়ন কৰে।

য়ুৱান ছিহ্-কাইয়ে চীনত প্ৰজাতন্ত্ৰৰ বিপৰীতে একনায়কতান্ত্ৰিক শাসন প্ৰবৰ্তন কৰিছিল। তেওঁ ভিন্ন মতাৱলম্বী লোকক কঠোৰ হাতেৰে দমন কৰিছিল। ১৯১৬ চনৰ জুন মাহত তেওঁৰ মৃত্যু হয়।

প্ৰথম বিশ্ব যুদ্ধ আৰু চীনৰ ৰাজনৈতিক পৰিস্থিতিঃ

চীনত বিশ্বৰ কোনো ঔপনিবেশিক দেশৰে পোনপটীয়া ৰাজনৈতিক আধিপত্য স্থাপিত হোৱা নাছিল যদিও মুক্ত বাণিজ্যক সম্পৰ্ক অক্ষুণ্ণ ৰখাৰ দোহাই দি সকলো দেশেই কম-বেছি পৰিমানে চীনৰ ৰাজনীতিত তীব্ৰ প্ৰভাৱ পেলাইছিল। তদুপৰি প্ৰথম বিশ্ব যুদ্ধ আৰম্ভ হোৱাৰ ভালেমান বছৰৰ পূৰ্বৰেপৰাই জাপানে চীনৰ ওপৰত নিজৰ সাম্ৰাজ্যবাদী আগ্ৰাসন আৰম্ভ কৰিছিল।

এছিয়াত নিজৰ বাবে উপনিবেশ স্থাপন কৰাৰ অভিপ্ৰায়েৰে জাপানে ঊনবিংশ শতিকাৰ শেহ দশকত চুবুৰীয়া দেশ চীনৰ ওপৰত সামৰিক অভিযান চলাবলৈ লৈছিল। এটি শক্তিশালী সেনা বাহিনী গঢ়ি তোলাৰ পিচত জাপানে ১৮৯৫ চনত চীনৰ ওপৰত আক্ৰমণ চলাই চীনক পৰাভূত কৰে। এই যুদ্ধৰ ফল স্বৰূপে জাপানে চীনৰপৰা ফৰমোছা (পিচত টাইৱানৰূপে পৰিচিত) দ্বীপটো দখল কৰে আৰু চীনক কোৰিয়াৰ ওপৰত নিজৰ অধিকাৰ প্ৰত্যাহাৰ কৰি কোৰিয়াক স্বাধীন দেশৰূপে মানি লবলৈ বাধ্য কৰায়। ১৯০৫ চনত জাপানে কোৰিয়াৰ ওপৰত আধিপত্য স্থাপন কৰে আৰু তাৰপাঁচ বছৰৰ পিচত (১৯১০ চনত) কোৰিয়াক জাপানৰ সৈতে চামিল কৰে।

১৯০৪-০৫ চনৰ ৰুচ-জাপান যুদ্ধত ৰুচ দেশৰ পৰাজয়ৰ লগে লগে সুদূৰ প্ৰাচ্যৰ এছিয়া মহাদেশীয় অঞ্চলত জাপানৰ প্ৰভূত্ব সুপ্ৰতিষ্ঠিত হৈছিল।

ইংলেণ্ডৰ সৈতে থকা মৈত্ৰী বন্ধনৰ (ইংগ-জাপান চুক্তি, ১৯০২) বাবে জাপানে ১৯১৪ চনৰ ২৩ আগষ্ট তাৰিখে জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে আৰু জামনীৰ অধিকাৰত থকা চীনৰ ছানটুং (Shantung) প্ৰদেশখন হস্তগত কৰাৰ লগতে কিয়া-ছাও (Kiao-Chou) আৰু ছিংটাও(Tsingtao)ৰ পৰা ছিনানলৈ (Tsinan) থকা ৰেলপথছোৱা দখল কৰে। ইয়াৰ পিচতে জাপানে চীনত নিজৰ ৰাজনৈতিক অধিকাৰ স্থাপনৰ উদ্দেশ্যে ১৯১৫ চনৰ ১৮ জানুৱাৰীত চীনৰ ওচৰত ২১-দফীয়া দাবী-পত্ৰ দাখিল কৰি কিছুদিন পিচতে সেই দাবী পূৰণৰ অভিপ্ৰায়েৰে চীনৰ ওচৰত এক চৰমপত্ৰ দাখিল কৰে। পোনতে চীনে প্ৰতিবাদ কৰিছিল যদিও পিচত প্ৰায়বোৰ দাবীয়েই মানি ল' বলৈ বাধ্য হৈছিল।

চীনৰ ক্ষেত্ৰত জাপানৰ এই আগ্ৰাসান নীতিৰ পৰিণতিত চীনত লাহে লাহে জাতীয়তাবাদী ৰাজনৈতিক কাম-কাজে প্ৰাধান্য লাভ কৰিবলৈ ধৰিছিল। জাপানৰ এই আধিপত্যবাদী নীতিৰ প্ৰতিবাদতেই চীনে নিজ দেশৰ মুক্তি আন্দোলনৰ পদক্ষেপ ৰূপে অৱশেষত ১৯১৭ চনৰ আগষ্ট মাহত প্ৰথম বিশ্ব যুদ্ধত লিপ্ত হৈ পৰে। কিন্তু এই কাৰ্যই চীনৰ ৰাজনৈতিক অৱস্থানৰ বিশেষ পৰিবৰ্তন সাধন নকৰিলে। মিত্ৰ পক্ষই চীনত জাপানৰ বিশেষ অধিকাৰক স্বীকৃতি দিলে, আনহাতে আমেৰিকা যুক্তৰাষ্ট্ৰইও তাতেই হয়ভৰ দিলে।

সি যি কি নহওক, চীনে ১৯১৯ চনত পেৰী শান্তি আলোচনাত ভাগ ললে, কিন্তু তাতো একো ফল নধৰিল। আনকি বিশ্ব যুদ্ধৰ পূৰ্বৰেপৰা জাৰ্মানীয়ে দখল কৰি থকা ছানটুং প্ৰদেশখন চীনক ওভোতাই দিয়াৰ পৰিবৰ্তে জাৰ্মানীৰ পতনৰ পিচত ভাৰ্চাই চুক্তিয়ে সেইখন জাপানকহে সমৰ্পন কৰিলে। ছানটুং প্ৰদেশখনক চীনা লোকসকলে চৈনিক সভ্যতাৰ গৃহভূমিৰূপে মানি আহিছিল। আনহাতে সেইখন কনফুছিয়াচৰ জন্মভূমি আছিল বাবে চীনা লোকে তাক চীনৰ বাবে পবিত্ৰ বুলিও জ্ঞান কৰি আহিছিল। গতিকে সেই সকলো কাৰণৰপৰা

যুক্তি দৰ্শাই পেৰী শান্তি আলোচনাত থকা চীনা প্ৰতিনিধিয়ে জাৰ্মানীৰ অধিকাৰত থকা ছানটুং প্ৰদেশখন ওভোতাই দিবলৈ কাকুতি-মিনতি কৰিছিল। তেওঁলোকে উদ্ৰ' উইলচনৰ ১৪-দফীয়া পৰামৰ্শৱলীত সন্নিবিষ্ট আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ দোঁহাই দিলে। নাই, তাতো কোনো কাম নিদিলে, আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ নীতি প্ৰাচ্যৰ দেশসমূহৰ বাবে প্ৰযোজ্য নহয় বুলি চীনৰ যুক্তি ওফোৰাই দিয়া হ'ল। চীনে ভাৰ্চাই শান্তি চুক্তিত স্বাক্ষৰ দান নকৰি বিফল মনোৰথ হৈ ওভতি আহিল। তেনে অৱস্থাত চীনৰ বাবে খোলা থাকিল মাত্ৰ জাপানৰ বিৰুদ্ধে প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তোলাৰ পথ।

সমগ্ৰ চীনতে পশ্চিমৰ দেশসমূহৰ বিৰুদ্ধে এক ঘৃণাৰ মনোভাৱ গঢ়ি উঠিছিল। চীনত ৰাজনৈতিক উত্তেজনা বৃদ্ধি পালে। কলেজ-বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে চীনত থকা সকলোবোৰ বিদেশী শক্তিৰ বিৰুদ্ধে প্ৰতিবাদ সভা, সমিতি, ধৰ্মঘট, আন্দোলন, বিক্ষোভ আদি অনুষ্ঠিত কৰিলে। ১৯১৯ চনৰ ৪ মে'ৰ দিনা ৰাজধানী পিকিং চহৰত দেশৰ প্ৰায় ৩০০০ ছাত্ৰ সমবেত হৈ 'জাতীয় অৱমাননা দিৱস' (National Humiliation Day) পালন কৰিলে। তেওঁলোকে বিদেশী দখলদাৰী শক্তিৰ বিৰুদ্ধে প্ৰায় যুদ্ধই ঘোষণা কৰিলে। তেওঁলোকৰ আন্দোলনৰ ধ্বনী হ'ল—"চীনক কোনোবাই জয় কৰিলেও ইয়াক এৰি দিয়া নহব, চীনা জনসাধাৰণক নৰ সংহাৰেৰে নিধন কৰিব পাৰিব কিন্তু তেওঁলোকে আত্মসমৰ্পন নকৰে, আমাৰ দেশ প্ৰায় নিশেষ হোৱাৰ পথত, সেয়ে বন্ধুসকল, জাগি উঠা।"

বিদেশীৰ পদলেহনকাৰী চীনৰ যুদ্ধবাজ পিকিং চৰকাৰে ১১৫০ জন ছাত্ৰক বন্দী কৰি জেইলত ভৰালে। পিকিঙৰ ৪ৰ্থ মে' ছাত্ৰ আন্দোলনৰ সমৰ্থনত দেশজোৰা ছাত্ৰ আন্দোলনৰ সূত্ৰপাত হ'ল আৰু এই ছাত্ৰ আন্দোলনৰ পৰিপ্ৰেক্ষিতত বিদেশী শক্তিৰ লেমটো পিকিং চৰকাৰে সমগ্ৰ দেশতে কঠোৰ নিৰ্যাতন আৰম্ভ কৰিলে। ৪ৰ্থ মে'ৰ ছাত্ৰ আন্দোলনে চীনৰ ৰাজনৈতিক জীৱন উতলা কৰি তুলিলে। চীনত আৰম্ভ হ'ল নতুন জাতীয়তাবাদী আন্দোলন, নাম তাৰ "নৱ সংস্কৃতি আন্দোলন" (New Culture Movement)।

ইতিমধ্যে চীনৰ ছাত্ৰ-যুবকৰ লগতে সংগ্ৰামী ৰাজনৈতিক নেতা-কৰ্মী আৰু একাংশ জনসাধাৰণৰ মাজত ১৯১৭ চনত ৰুচ দেশত সংঘটিত অক্টোবৰ বিপ্লৱৰ প্ৰভাৱ পৰিছিলহি। মাতৃভূমিৰ মুক্তিৰ উদ্দেশ্যেৰে হাজাৰ হাজাৰ ছাত্ৰ-যুবকে ছুন ইয়েং-চেনৰ নেতৃত্বত পুনৰ সংগঠিত কোউমিনটাং জাতীয়তাবাদী দলত যোগদান কৰি তাক প্ৰাণ-চঞ্চল আৰু কৰ্ম-চঞ্চল কৰি তুলিলে। তাৰ সমসাময়িকভাৱে দেশত নতুন নতুন ৰাজনৈতিক সংগঠন গঢ়ি

উঠিবলৈ ধৰিলে। তাৰ ভিতৰত প্ৰধান আছিল ছাংহাইত গঢ়ি উঠা সমাজবাদী যুৱ দল আৰু দেশৰ বিভিন্ন অঞ্চলত সংগঠিত হোৱা ক্ষুদ্ৰ ক্ষুদ্ৰ কমিউনিষ্ট দলবোৰ। ১৯২১ চনৰ জুলাই মাহত চীনা কমিউনিষ্ট দলৰ প্ৰথম সন্মিলন অনুষ্ঠিত হ'ল ছাংহাই চহৰত। এই সন্মিলনত অন্যান্য সকলৰ লগতে উপস্থিত আছিল মাও জে-দুং (১৮৯৩-১৯৭৬)। অতি সোনকালেই দেশৰ বিভিন্ন ঠাইত কমিউনিষ্ট দলৰ শাখা গঢ়ি উঠিল।

গৃহ যুদ্ধঃ (Civil War in China)

এই সাংগঠনিক পৰ্বৰ লগে লগে আৰম্ভ হ'ল চীনত গৃহ যুদ্ধ। পিকিঙৰ কেন্দ্ৰীয় চৰকাৰৰ দুৰ্বলতাৰ সুযোগ লৈ প্ৰাদেশিক চৰকাৰৰ মূৰব্বীসকলে স্বাধীনভাৱে বৰ্তি থকাৰ উদ্দেশ্য আগত ৰাখি কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। এফালে কেন্দ্ৰীয় চৰকাৰ আৰু আনফালে প্ৰাদেশিক চৰকাৰসমূহৰ পৰস্পৰৰ মাজত আৰম্ভ হোৱা এই গৃহ যুদ্ধই চীনৰ ভৱিষ্যত বিপদাপন্ন কৰি তুলিছিল। প্ৰথমে এই গৃহ যুদ্ধ আৰম্ভ হৈছিল উত্তৰ চীন আৰু মধ্য চীনৰ যুদ্ধবাজ সামৰিক নেতাসকলৰ মাজত ৰাজনৈতিক ক্ষমতাক কেন্দ্ৰ কৰি। মাঞ্চুৰিয়া পিকিঙৰপৰা একেবাৰে স্বাধীন হৈ পৰে। মধ্য চীনতো জাতীয়তাবাদীসকলে চীনৰ জনসাধাৰণক ভালমতে নেতৃত্ব দিব পৰা নাছিল। গতিকে তেনে এটা অৱস্থাত চীনৰ প্ৰাদেশিক শাসনকৰ্তাসকলে নিজ নিজ অঞ্চল তথা প্ৰদেশত ক্ষমতা দখল কৰি স্বাধীনভাৱে বৰ্তি থকাৰ প্ৰৱনতা বাঢ়ি গৈছিল। চীনৰ ৰাষ্ট্ৰীয় সংহতি আৰু একতা নিশেষ হোৱাৰ আশংকাই দেখা দিছিল। তাতে চীনৰ ওপৰত আকৌ বিদেশী শক্তিৰ লোলুপ দৃষ্টি আছিলেই।

চীনৰ এই ৰাষ্ট্ৰীয় বিপদৰ সময়ত একমাত্ৰ ছান ইয়েৎ-চেনে সকলো বিপ্লৱী শক্তিকে একত্ৰিত কৰি দেশৰ যুদ্ধবাজ সমৰকৰ্তাসকলৰ বিৰুদ্ধে যুঁজ কৰি ৰাষ্ট্ৰীয় সংহতি আৰু একতা অক্ষুণ্ণ ৰাখিবলৈ চেষ্টা কৰিছিল। এই বিপদৰপৰা দেশক ৰক্ষা কৰিবলৈ ছান ইয়েৎ-চেনে ছোভিয়েট ৰাচিয়াৰ দ্বাৰা পৰিচালিত কমিউনিষ্ট আন্তৰ্জাতিক (Communist International, i e , Comintern) আৰু চীনা জাতীয়তাবাদী আন্দোলনৰ মাজত এক কাৰ্যকুশলী যোগসূত্ৰ স্থাপন কৰিছিল। আভ্যন্তৰীণভাৱে চীনা কমিউনিষ্ট দলেও তেওঁলোকৰ দ্বিতীয় মহা সন্মিলনত ছান ইয়েৎ-চেনৰ নেতৃত্বত কোউমিনটাং দলৰ সৈতে সহযোগ কৰাৰ নীতি লৈছিল।

ছোভিয়েট দেশৰ পৰামৰ্শ মতে ছান ইয়েৎ-চেনে কেন্টনত ওৱাম্পো সামৰিক একাডেমী (Whampo Military Academy) নামে এটি সামৰিক প্ৰশিক্ষণ কেন্দ্ৰ গঠন কৰাৰ উদ্দেশ্যে তেওঁৰ ৰাজনৈতিক সহযোগী ছিয়াং কাই-চেকক সামৰিক প্ৰশিক্ষণ ল'বলৈ ছোভিয়েট দেশলৈ পঠিয়াইছিল। প্ৰায় ছমাহ ধৰি ছোভিয়েট দেশত প্ৰশিক্ষণ লোৱাৰ পিচত ওভতি আহি ছিয়াং-কাই-চেকে কেন্টনত এটি সামৰিক একাডেমী গঠন কৰি

ছোভিয়েট দেশৰ লাল ফৌজৰ আৰ্হিত এটি সেনা বাহিনী তৈয়াৰ কৰি লৈছিল। এই সেনা বাহিনীৰ সংগঠনৰ ক্ষেত্ৰত তেওঁৰ পৰামৰ্শদাতা আছিল ছোভিয়েট বিশেষজ্ঞ মাইকেল বৰোদিন। বৰোদিনৰ পৰামৰ্শ আৰু ছিয়াং কাই-চেকৰ প্ৰযত্নত কেন্টন চৰকাৰ এটি বিপ্লৱী সংগঠনলৈ ৰূপান্তৰিত হৈছিল।

১৯২৪ চনৰ জানুৱাৰী মাহত কোউমিনটাং দলৰ প্ৰথম ৰাষ্ট্ৰীয় মহা সন্মিলন অনুষ্ঠিত হয়। চীনত প্ৰজাতান্ত্ৰিক চৰকাৰ স্থাপন কৰিবলৈ সহযোগীসকলক উদ্দেশ্যি ছান ইয়েৎ-চেনে ছটা ভাষণ দিছিল আৰু সেই ভাষণ কেইটাকে পুস্তিকা আকাৰে ছপাই উলিয়াওতে তাৰ নাম দিয়া হৈছিল চান-মিন-ছু-ই (San-Min-Chu-Yi)অৰ্থাৎ জনগণৰ নীতি। এই নীতি কেইটা আছিল জাতীযতাবাদ, গণতন্ত্ৰ আৰু সমাজবাদ। এই লক্ষ্যত উপনীত হ'বলৈ এই সন্মিলনতেই ছান ইযেৎ-চেনে তিনিটা প্ৰাথমিক কামৰ প্ৰতি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল—প্ৰথমতে, ছোভিযেট দেশৰ সৈতে সহযোগিতাৰ চুক্তি স্বাক্ষৰ কৰা, দ্বিতীয়তে, চীনৰ কমিউনিষ্ট দলৰ সৈতে সহযোগিতা স্থাপন কৰা আৰু তৃতীয়তে, শ্ৰমিক-কৃষকৰ মাজত গণসংগ্ৰামৰ ভিত্তি প্ৰস্তুত কৰা।

এই তিনিটা নীতি আৰু তিনিটা কাৰ্যসূচীৰ ভিত্তিতেই ১৯২৫ চনৰ ১২ মাৰ্চত, তেওঁৰ মৃত্যুৰ পিচত, সেই বছৰৰে ১লা জুলাইত কেন্টনত জাতীয় চৰকাৰ গঠন কৰা হয়। এই চৰকাৰ সামৰিক একনায়কতন্ত্ৰৰ সমপৰ্যায়ৰ আছিল।

কোউমিনটাং আৰু চীনৰ কমিউনিষ্ট দলে সাম্ৰাজ্যবাদ আৰু চীনা সমৰকৰ্তাসকলৰ যুদ্ধবাজ নীতিক জাতীয়তাবাদৰ শত্ৰু জ্ঞান কৰিছিল। ১৯২৫ চনৰপৰা চীনত শ্ৰমিক আৰু শ্ৰমিকৰ স্বাৰ্থত ধৰ্মঘট আদি সংঘটিত হ'বলৈ ধৰে। সেই বছৰতে ছাত্ৰসকলে ছাংহাইত জাপানী উদ্দ্যোগসমূহত শ্ৰমিকৰ দুৰৱস্থাৰ বিৰুদ্ধে শান্তিপূৰ্ণ প্ৰতিবাদ আন্দোলন গটি তোলে। এই আন্দোলনকাৰীসকলৰ ওপৰত বৃটিশ পুলিচে গুলি চালনা কৰে। তাৰ প্ৰতিবাদত হোৱা এই ধৰণৰ প্ৰতিবাদ-বিক্ষোভৰ ওপৰতো পুলিচে গুলি চালনা কৰাত সমগ্ৰ দেশ জুৰি আন্দোলনৰ জোঁৱাৰ উঠে।

এই ঘটনাবিলাকে চীনৰ জাতীয়তাবাদী আন্দোলনত নতুন অধ্যায়ৰ সংযোজন কৰে। কিন্তু লাহে লাহে কমিউনিষ্টসকলৰ প্ৰতি সমৰ্থন আৰু বিৰোধীতাক কেন্দ্ৰ কৰি জাতীয়তাবাদী শিবিৰত কিছু মত বিৰোধেও দেখা দিয়ে। জনসাধাৰণৰ মাজত কমিউনিষ্টসকলৰ প্ৰতি গটি উঠা ক্ৰমবৰ্দ্ধমান আকৰ্ষণ আৰু তাৰেই পৰিণতিত তেওঁলোকে লাভ কৰা শক্তিৰ দ্বাৰা শঙ্কিত হৈ ছিয়াং কাই-চেকে ১৯২৬ চনৰ ২০ মাৰ্চত কেন্টনত ক্ষমতা দখল কৰি ছোভিয়েট দেশৰ পৰামৰ্শদাতাসকলক বিতাড়িত কৰাৰ লগতে চীনৰ

কমিউনিষ্টসকলকো ক্ষমতাৰ অংশীদাৰৰপৰা অপসাৰিত কৰে। এই সময়ৰপৰাই চীনৰ জাতীয়তাবাদীসকলে চীনৰ কমিউনিষ্টসকলৰ ওপৰত নিৰ্যাতন আৰম্ভ কৰে। নিৰ্যাতন ইমান বৃদ্ধি পাইছিল যে চীনৰ সকলো কমিউনিষ্টকেই গ্ৰেপ্তাৰ কৰি জেইলত ভৰাইছিল আৰু ছোভিয়েট পৰামৰ্শদাতা বৰোদিন নিজ দেশলৈ প্ৰত্যাবৰ্তন কৰিবলৈ বাধ্য হৈছিল।

১৯২৮ চনৰ জুন মাহত জাতীয়তাবাদীসকলে পিকিং দখল কৰি কেন্দ্ৰত নিজৰ অৱস্থান মজবুত কৰি লয়। ছিয়াং কাই-চেকৰ নেতৃত্বাধীন এই জাতীযতাবাদী চীন চৰকাৰৰ প্ৰতি জুলাই মাহত আমেৰিকা যুক্তৰাষ্ট্ৰই স্বীকৃতি প্ৰদান কৰে আৰু আমেৰিকাক অনুসৰণ কৰিবছৰটোৰ ভিতৰতে অন্যান্য বহু ৰাষ্ট্ৰইও স্বীকৃতি প্ৰদান কৰে।

কোউমিনটাং আৰু কমিউনিষ্টসকলৰ মাজত গৃহ যুদ্ধ চলি থকা সময়তে ১৯৩১ চনত জাপানে মাঞ্চুৰিয়াৰ ওপৰত আক্ৰমণ চলায়। পিচৰ বছৰৰ ফেব্ৰুৱাৰী মাহত জাপানে মাঞ্চুৰিয়াত এক পুতলা চৰকাৰ পাতি তাক চীনৰপৰা সম্পূৰ্ণৰূপে পৃথক কৰে আৰু তাৰ নাম দিয়ে মাঞ্চুকো (Manchukuo)। এইদৰে মাঞ্চুৰিযাত জাপানৰ আধিপত্য সম্পূৰ্ণৰূপে স্থাপিত হয়।

গতিকে মাঞ্চুৰিযাত জাপানৰ আগ্ৰাসানে চীনৰ বাবে এক নতুন বিপদৰ সৃষ্টি কৰিলে। আনহাতে জাপানে মাঞ্চুৰিয়াতে ক্ষান্ত নাথাকি লাহে লাহে চীনৰ অভ্যন্তৰলৈ সোমাই যাবলৈ ধৰে। ১৯৩৩ চনত চীনৰ বিৰুদ্ধে লাভ কৰা সামৰিক বিজয়ৰ ফলশ্ৰুতিত জাপানে উত্তৰ চীনৰ চহকী জেহল প্ৰদেশখন দখল কৰি চীনৰ বিখ্যাত প্ৰাচীৰৰ ওচৰ পাইগৈ।

এই নতুন বিপদৰ পৰিপ্ৰেক্ষিতত চীনৰ জাতীয়তাবাদী চৰকাৰৰ মুৰব্বী ছিয়াং কাই-চেকে জাপানৰ প্ৰতি তোষণমূলক নীতি লৈহে সন্তুষ্ট থকাৰ পোষকতা কৰে। জাপানৰ বিৰুদ্ধে প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তোলাৰ পৰিবৰ্তে তেওঁ প্ৰথমে চীনৰ কমিউনিষ্টসকলক নিপাত কৰিবলৈহে মনস্থ কৰিলে। ১৯৩১-৩৫ৰ কালছোৱাত তেওঁৰ নিৰ্দেশত দেশত কমিউনিষ্ট বিৰোধী অভিযান আৰম্ভ কৰা হয় আৰু তাৰ ফলত হাজাৰ হাজাৰ কমিউনিষ্ট নেতা-কৰ্মী জাতীয়তাবাদীসকলৰ হাতত নিহত হয়। কিন্তু ছিয়াং কাই-চেকৰ এই নীতি আত্মঘাতী বুলি পৰিগণিত হোৱাত চীনৰ জনগণে তাৰ প্ৰতিবাদ কৰিবলৈ ধৰিলে। ইয়াৰ বিৰুদ্ধে চীনৰ অ-কমিউনিষ্ট বুদ্ধিজীৱী, লিখক সাহিত্যিক ছাত্ৰ-যুবকে ১৯৩৬ চনত গঢ়ি তুলিলে জাতীয় মুক্তি সংস্থা(National Salvation Association)। ছাত্ৰসকল তাতেই ক্ষান্ত নাথাকি সমগ্ৰ দেশতে গঢ়ি তুলিলে প্ৰত্যক্ষ প্ৰতিৰোধ সংগ্ৰাম, দেশৰ বিভিন্ন ঠাইত সঘনে ছাত্ৰ বিক্ষোভ হ'বলৈ ধৰিলে। তেওঁলোকে জাপানৰ বিৰুদ্ধে কমিউনিষ্ট আৰু জাতীয়তাবাদীসকলক লৈ যৌথ ফ্ৰন্ট গঠনৰ পোষকতা কৰিলে।



ছিয়াং-কাই-চেক

এনেতে ছিয়াং কাই-চেকৰ নেতৃত্বত থকা তেওঁৰ সহযোগী সৈনিকসকলৰ মাজতো বিক্ষোভে দেখা দিলে। বিক্ষুব্ধ সৈনিকৰ একাংশই ১৯৩৬ চনৰ ১২ ডিচেম্বৰৰ দিনা ছিয়াং কাই-চেকক অপহৰণ কৰিলে। এফালে কমিউনিষ্টসকলৰ ওপৰত চলাই যোৱা নিৰ্যাতন বন্ধ আৰু আনফালে জাপানৰ বিৰুদ্ধে তৎকালেই প্ৰতিৰোধ সংগ্ৰাম আৰম্ভ নকৰিলে অপহৰণকাৰীসকলে তেওঁক হত্যা কৰাৰ ভাবুকি দিলে। কিন্তু তেওঁক মৃত্যু দণ্ডেৰে দণ্ডিত কৰি হত্যা কৰাৰ আগমুহূৰ্ত্তত কমিউনিষ্ট নেতা মাও-জে-দুং আৰু জৌ-এন-লাইয়ে তেওঁৰ প্ৰাণ ৰক্ষা কৰে, কাৰণ তেওঁলোকৰ মতে জাতীয়তাবাদীসকলৰ ওপৰত ছিয়াং-কাই-চেকৰ তেতিয়াও যথেষ্ট প্ৰভাৱ আছিল আৰু তেওঁৰ সেই প্ৰভাৱৰ জড়িয়তে জাতীয়তাবাদীসকলক জাপান বিৰোধী যৌথ ফ্ৰন্টৰ সহায়কৰূপে কামত লগোৱাৰ প্ৰয়োজন আছিল। তদুপৰি ছিয়াং-কাই-চেকৰ হত্যাই জাতীয়তাবাদী শিবিৰতো ভাঙোন অনাৰ সম্ভাৱনা আছিল আৰু তেনে অৱস্থাত জাপান বিৰোধী জাতীয়তাবাদী আন্দোলনৰ শক্তি টুটি আহিব পাৰে। সেয়ে মাও-জে-দুং আৰু জৌ-এন-লাইয়ে তেওঁৰ প্ৰাণ ৰক্ষা কৰাত বিশেষ ভূমিকা লৈছিল যদিও ছিয়াং-কাই-চেক কমিউনিষ্টসকলৰ দুৰ্ঘোৰ শত্ৰু আছিল।

চীনৰ আভ্যন্তৰীণ ৰাজনীতিৰ এই নাটকীয় ঘটনাৰ পিচত জাতীয়তাবাদী আৰু কমিউনিষ্টসকলৰ যৌথ উদ্যোগ আৰু সহযোগত জাপান বিৰোধী তীব্ৰ প্ৰতিৰোধ সংগ্ৰাম গঢ়ি উঠে। ১৯৩৭ চনৰপৰা জাপানৰ বিৰুদ্ধে পূৰ্ণ পৰ্যায়ৰ যুদ্ধ সংঘটিত হয়। যুদ্ধত জাপানে চীনৰ বিৰুদ্ধে উপৰ্যোপৰি সাফল্য লাভ কৰি থাকে। ১৯৩৭ চনত নানকিং চৰকাৰৰ পতন হোৱাত সমগ্ৰ ইয়াংছিকিয়াং উপত্যকা জাপানৰ দখললৈ যায় আৰু জাপানে পিকিঙত অস্থায়ী চীন চৰকাৰ স্থাপন কৰে। মধ্য চীন দখল কৰি জাপানে নান্‌কিঙতো ১৯৩৮ চনৰ মাৰ্চত এক পুতলা চৰকাৰ গঠন কৰে। তাৰ পিচত সেই বছৰৰে জুলাই মাহত হেনকো আৰু অক্তোবৰ মাহত কেণ্টনৰ পতন হয়। এইদৰে চীন জাপানৰ পদানত হৈ পৰিল। জাতীয়তাবাদীসকলৰ এই বিপৰ্যয়ৰ বিপৰীতে চীনৰ জনগণৰ বাবে কিন্তু কমিউনিষ্টসকলে কিছু আশাৰ ৰেঙনি আনিছিল। চীনৰ উত্তৰাংশত কমিউনিষ্টসকলৰ প্ৰভাৱ বৃদ্ধি হোৱাটোলৈ চাই মাও-জে-দুঙে য়েনান চহৰলৈ কমিউনিষ্টৰ মুখ্য কাৰ্যালয় স্থানান্তৰিতকৰে। জাপানৰ বিৰুদ্ধে ব্যাপক হাৰত সমুখ সমৰত প্ৰবৃত্ত হোৱাতকৈ কমিউনিষ্টসকলে কেৱল ক্ষুদ্ৰ ক্ষুদ্ৰ

গোটত বিভক্ত হৈ গৰিলা যুদ্ধতহে প্ৰতিপক্ষক বিপৰ্যস্ত কৰিবলৈ লৈছিল।

কিন্তু ১৯৪৫ চনৰ আগষ্ট মাহত জাপানে দ্বিতীয় বিশ্ব যুদ্ধত হাৰ মানি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ওচৰত আত্মসমৰ্পণ কৰাৰ লগে লগে চীনত পুনৰ কোউমিনটাং আৰু কমিউনিষ্ট-সকলৰ মাজত গৃহ যুদ্ধই মূৰ দাঙি উঠে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সাহায্য পাই কোউমিনটাং অৰ্থাৎ জাতীয়তাবাদীসকল প্ৰথম অৱস্থাত প্ৰায় বিজয়ী হৈয়েই আছিল, কিন্তু শেষৰ পিনে তেওঁলোকে বাৰম্বাৰ কমিউনিষ্টসকলৰ হাতত হাৰ মানিবলৈ ধৰে। ১৯৪৮ চনৰ ভিতৰত কমিউনিষ্টসকলে চীনৰ সমগ্ৰ উত্তৰাংশ দখল কৰে। ইয়াৰ পিচতে মাও-জে-দুঙৰ নেতৃত্বত কমিউনিষ্টসকলে ব্যাপক হাৰত জাতীয়তাবাদীসকলৰ ওপৰত আক্ৰমণ কেন্দ্ৰীভূত কৰিবলৈ ধৰে। তাৰ পৰিণতি স্বৰূপে এখনৰ পিচত এখনকৈ চীনৰ দক্ষিণাংশৰ চহৰসমূহ কমিউনিষ্টসকলৰ দখললৈ যায়। ১৯৪৯ চনৰ ১০ জানুৱাৰীৰ দিনা জাতীযতাবাদীসকলে কমিউনিষ্টসকলৰ ওচৰত আত্মসমৰ্পণ কৰে। সেই মাহৰ ভিতৰতেই টিযেনচিন আৰু পিকিং চৰকাৰে আত্মসমৰ্পণ কৰে। ইয়াৰ পিচত এপ্ৰিলত কমিউনিষ্টসকলে ইয়াংছিকিযাং উপত্যকা, মে' মাহত ছাংহাই, অক্টোবৰ মাহত কেন্টন আৰু নবেম্বৰ মাহত ছুংকিং দখল কৰে। ইতিপূৰ্বে গ্ৰীষ্ম কালতে ছিয়াং কাই-চেকে তেওঁৰ অনুগামী জাতীয়তাবাদীসকলকলৈ দলে-বলে ফৰমোছালৈ (টাইৱান) পলায়ন কৰিছিল। মাও-জে-দুঙে ১৯৪৯ চনৰ ১লা অক্টোবৰৰ দিনা চীনক জনগণতান্ত্ৰিক চীনা সাধাৰণতন্ত্ৰৰূপে (People's Republic of China) ঘোষণা কৰে। ছোভিয়েট ৰাছিয়া আৰু পূৰ্ব ইয়োৰূপৰ কমিউনিষ্ট দেশবোৰে প্ৰায় লগে লগেই এই নতুন কমিউনিষ্ট ৰাষ্ট্ৰখনক স্বীকৃতি দি আদৰণি জনায়।

ইফালে টাইৱানলৈ পলায়ন কৰি গৈ চীন জাতীয় চৰকাৰ গঠন কৰা ছিয়াং-কাই-চেকক আমেৰিকা যুক্তৰাষ্ট্ৰই স্বীকৃতি প্ৰদান কৰে। এইখিনিতে উল্লেখ কৰিব পাৰি যে চীনত ছিয়াং-কাই-চেকৰ নেতৃত্বাধীন জাতীয়তবাদী চৰকাৰক জাপান আৰু কমিউনিষ্টসকলৰ বিৰুদ্ধে যুঁজিবলৈ আমেৰিকা যুক্তৰাষ্ট্ৰই ১৯৪৫ৰ পৰা ১৯৪৮ চনলৈ মুঠতে দুই বিলিয়ন ডলাৰৰ আৰ্থিক সাহায্য দিছিল। এই বিপুল পৰিমাণৰ আৰ্থিক সাহায্য পায়ো জাতীয়তাবাদীসকল পৰাভূত হৈছিল আৰু চীনৰ জনগণে কমিউনিষ্টৰ নেতৃত্বত এইদৰে মুক্তি লাভ কৰিছিল।



চীনক জনগণতান্ত্ৰিক সাধাৰণতন্ত্ৰ ৰূপে ঘোষণা কৰি থকা অৱস্থাত মাও-জে-দুঙ, ১৯৪৯

১৯৪৯ চনৰ ১০ অক্তোবৰ তাৰিখে চীনা জনগণৰ পৰামৰ্শদাত্ৰ মহাসন্মিলনে (Chinese People's Consultative Conference) মাও-জে-দুঙক চীনৰ জনগণতান্ত্ৰিক সাধাৰণতন্ত্ৰৰ চেয়াৰমেন নিৰ্বাচিত কৰে। তেওঁৰ তলত আন ৬ জন সহায়ক চেয়াৰমেন আছিল। জৌ-এন-লাই আছিল চীনৰ প্ৰধানমন্ত্ৰী। ১৯৫৪ চনৰ ২১ ছেপ্তেম্বৰৰপৰা চীনত কমিউনিষ্ট সংবিধান কাৰ্যকৰী কৰা হয়।

জাৰ্মানী, ইটালী, স্পেইন আৰু জাপানত গণতন্ত্ৰৰ পতন আৰু একনায়কতন্ত্ৰ আৰু স্বৈৰতন্ত্ৰৰ অভ্যুদয়ঃ

জাৰ্মানীত নাজিজিম তথা একনায়কতন্ত্ৰৰ অভ্যুদয়ঃ

প্ৰথম বিশ্ব যুদ্ধৰ ফল স্বৰূপে জাৰ্মানীৰ অৰ্থনৈতিক ব্যৱস্থাও সম্পূৰ্ণৰূপে ভাঙি পৰিছিল। খাদ্য সামগ্ৰী, কৰ্ম সংস্থান তথা জীৱিকাৰ সন্ধানত মানুহে হাহাকাৰ কৰি ফুৰিছিল। ৭০ মিলিয়ন লোকৰ দেশখনত কৰ্ম সংস্থানহীন লোক আছিল ৫ মিলিয়ন। জাৰ্মানীত টকাৰ (জাৰ্মানীত টকাক মাৰ্ক বোলে) ক্ৰয় ক্ষমতা দ্ৰুতভাৱে হ্ৰাস পাই আহিছিল। মুদ্ৰাস্ফীতি আছিল অত্যন্ত ভয়াবহ। যুদ্ধৰ আৰম্ভণিতে জাৰ্মানীত ইংলেণ্ডৰ এক পাউণ্ডৰ মূল্য আছিল ২০ মাৰ্ক, ১৯২১ চনৰ ডিচেম্বৰ মাহত সি হ'লগৈ ৭৭০ মাৰ্ক। তাৰ পিচতো এই অৱস্থা অপৰিবৰ্তিত আছিল। তলৰ তালিকাখনত ইংলেণ্ডৰ পাউণ্ডৰ বিপৰীতে জাৰ্মানীৰ মাৰ্কৰ মূল্যমান দেখুওৱা হ'ল—

১৯১৮ চনৰ নবেম্বৰত ১ পাউণ্ড = ২০ মাৰ্ক

১৯২২ চনৰ ফেব্ৰুৱাৰীত ১ পাউণ্ড = ১,০০০ মাৰ্ক

১৯২২ চনৰ জুনত ১ পাউণ্ড = ১,৫০০ মাৰ্ক

১৯২২ চনৰ ডিচেম্বৰত ১ পাউণ্ড = ৫০,০০০ মাৰ্ক

১৯২৩ চনৰ ফেব্ৰুৱাৰীত ১ পাউণ্ড = ১,০০,০০০ মাৰ্ক

১৯২৩ চনৰ নবেম্বৰত ১ পাউণ্ড = ২১,০০০,০০০,০০ মাৰ্ক

ঐতিহাসিক ই. লিপছনে প্ৰথম বিশ্ব যুদ্ধৰ ঠিক পিচতে জাৰ্মানীত দেখা দিয়া অৰ্থনৈতিক দৃশ্যপটৰ লগত গৃহ যুদ্ধৰ ঠিক পিচতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ দক্ষিণৰ দেশ-বিলাকত দেখা দিয়া অৰ্থনৈতিক দৃশ্যপটৰ সৈতে সাদৃশ্য বিচাৰি পাইছে। গৃহ যুদ্ধৰ পিচত যুক্তৰাষ্ট্ৰৰ দক্ষিণৰ দেশবিলাকত মানুহৰ না-জল না-থল অৱস্থা হৈছিল। সেই মুদ্ৰাস্ফীতিৰ পৰিপ্ৰেক্ষিতত মানুহে তাত ক'বলৈ লৈছিল, "Before the war I went to market with the money in my pocket, and brought back my purchases in a basket,

now I take the money in the basket, and bring the things home in my pocket " তাতে আকৌ আছিল ভাৰ্চাই শান্তি চুক্তিৰ মাধ্যমত জাৰ্মানীৰ প্ৰতি কৰা অন্যায়ৰ বোজা আৰু জাতীয় সন্মানৰ প্ৰতি দেখুওৱা চুড়ান্ত অৱহেলা। এই চুক্তিৰ মাধ্যমত জাৰ্মানীয়ে মুঠতে নিজ ৰাজ্য ক্ষেত্ৰৰ ২৫,০০০ বৰ্গ মাইল (অৰ্থাৎ ১৩%) সহ হেৰুৱাইছিল সৰ্বমুঠ ৬০,০০,০০০ ষাঠি লাখ জাৰ্মান লোক। লগতে হেৰুৱাইছিল খনিজ সম্পদেৰে ভৰপূৰ ভালেমান অঞ্চল, ৬৫% লোৰ খনি, ৪৫% কয়লা, ৭২% জিঙ্ক, ৫৭% সীহ। তদুপৰি জাৰ্মানীয়ে হেৰুৱাইছিল নিজৰ অধীনত থকা প্ৰায় ৯০,০০,০০০ নবৈ হাজাৰ বৰ্গ মাইল জোৰা উপনিবেশ। স্বাভাৱিকতেই সাম্ৰাজ্যবাদী দেশ হিচাপে পৰাভূত জাৰ্মানীৰ ক্ষোভ নিশ্চয় আছিল।

প্ৰথম বিশ্ব যুদ্ধৰ অব্যৱহিত পিচৰ কালছোৱাৰ জাৰ্মানীৰ আভ্যন্তৰীণ ৰাজনৈতিক ঘটনা-পৰিঘটনাই সেই ক্ষোভ আৰু স্ফীত কৰি তুলিছিল। যুদ্ধৰ সময়ছোৱাতে বৃটেইনে আৰম্ভ কৰা জাৰ্মানীৰ সামুদ্ৰিক বন্দৰসমূহৰ অৱৰোধ কাৰ্যই সৃষ্টি কৰা অৰ্থনৈতিক সংকটে যুদ্ধৰ শেষৰ কেইমাহত অত্যন্ত জটিল ৰূপ ধাৰণ কৰিছিল। মানুহৰ দুখ-দুৰ্দশাই লাহে লাহে ৰাজনৈতিক নেতাসকলৰ বিৰুদ্ধে আন্দোলনৰ ৰূপ ল'বলৈ লৈছিল। নেতৃত্ব ললে ইয়াতো সামৰিক বাহিনীৰ লোকে, কিয়েল কেনেলত ১৯১৮ চনৰ অক্টোবৰ মাহৰ শেষৰ ফালে নৌ সৈনিক তথা নাবিকসকলে বিদ্ৰোহত নামি পৰিল। অতি সোনকালেই এই বিদ্ৰোহৰ প্ৰভাৱ লুবেক, ব্ৰিমেন, হামবাৰ্গ আদি অন্যান্য উপকূলবৰ্তী চহৰলৈ বিয়পি পৰাৰ লগে লগে হানোভাৰ, ড্ৰেছডেন, লেই প্জিগ্ আদিলৈও সম্প্ৰসাৰিত হৈ পৰিছিল। এনে পৰিস্থিতিত অক্টোবৰ মাহত সম্ৰাট দ্বিতীয় উইলিয়ামে হলেণ্ডলৈ পলায়ন কৰে।

ইয়াৰ পিচতে ছোচিয়েল ডেমোক্ৰেট দলৰ নেতা হেৰ্ এবাৰ্টক ছেঞ্চেলাৰ তথা প্ৰধানমন্ত্ৰী নিয়োগ কৰা হয়। তেওঁ দেশত শান্তি প্ৰতিষ্ঠা কৰিবলৈ বদ্ধপৰিকৰ হয় যদিও ক্ষমতা লোৱাৰ প্ৰায় লগে লগেই জাৰ্মানীত স্পাৰ্টাকাছ উইনিয়নৰ (কমিউনিষ্ট পাৰ্টি) নেতৃত্বত এলানি ব্যাপক বিদ্ৰোহ সংঘটিত হয়। ডিচেম্বৰ আৰু মে' (১৯১৮-১৯) মাহৰ ভিতৰত সংঘটিত এই বিপ্লৱত হাজাৰ হাজাৰ লোকে অংশ গ্ৰহণ কৰিছিল আৰু চৰকাৰে এই বিদ্ৰোহ কঠোৰ হাতেৰে দমন কৰিছিল। বিদ্ৰোহৰ নেতা কাৰ্ল লেইবনেখ্ আৰু ৰোজা লুক্ছেমৰ্বাগক নিষ্ঠুৰভাৱে হত্যা কৰা হৈছিল।

স্পাৰ্টাকাছ বিদ্ৰোহীসকলে ক্ষমতা দখল কৰিবলৈ গৈ ব্যৰ্থ হৈছিল যদিও জাৰ্মানীত কিন্তু উচ্চ মধ্যবিত্ত, বিত্তবান শ্ৰেণীৰ লোক, বৃহৎ ভূস্বামী, কল-কাৰখানাৰ মালিক, পুঁজিপতি, শিল্প তথা উদ্দ্যোগপতিসকলৰ মাজত কমিউনিষ্ট ভীতি ভালেমান দিনলৈ থাকি গ'ল।

কমিউনিষ্টসকলৰ বিদ্ৰোহে জাৰ্মানীৰ সম্পদশালী শ্ৰেণীৰ মাজত সততে ৰুচ দেশত সংঘটিত হোৱা সমাজতান্ত্ৰিক বিপ্লৱৰ কথা সোঁৱৰাই দিছিল আৰু যুদ্ধই সৃষ্টি কৰা অস্থিৰ ৰাজনৈতিকপৰিস্থিতিত ভীষণভাৱে ভীত হৈ পৰিছিল। পিচৰ পিনে এই ভীতিয়ে হিটলাৰৰ নেতৃত্বত জাৰ্মানীত নাজি পাৰ্টিৰ দ্ৰুত বিকাশত যথেষ্ট সহায় কৰিছিল।

এই বিদ্ৰোহৰ মাজতেই দেশৰ সংবিধান ৰচনা কৰিবলৈ ১৯১৯ চনৰ জানুৱাৰী মাহত জাতীয় সংসদৰ সদস্যসকলৰ নিৰ্বাচন অনুষ্ঠিত হৈছিল। ৪২৩ জন সদস্য থকা এই সংসদলৈ নিৰ্বাচিত সমাজবাদী দলৰ সদস্য আছিল ১৮৭ জন, কেথলিক চেন্টাৰ পাৰ্টিৰ ৯১ জন আৰু নিউ ডেমোক্ৰেটিক দলৰ ৭৫ জন। সংসদৰ সভা বহিছিল ওৱেমাৰ নামে চহৰখনত। এই সংসদে জাৰ্মানীৰ বাবে নতুন সংবিধান এখন ৰচনা কৰি উলিয়াইছিল। ওৱেমাৰত ৰচনা কৰা বাবেই জাৰ্মানীৰ এই সংবিধানখনক ওৱেমাৰ সংবিধান আৰু এই সংবিধানতেই জাৰ্মানীক প্ৰজাতন্ত্ৰৰূপে ঘোষণা কৰা হৈছিল বাবে জাৰ্মান প্ৰজাতন্ত্ৰক ওৱেমাৰ প্ৰজাতন্ত্ৰৰূপে জনা গৈছিল। প্ৰধানমন্ত্ৰী হেৰ্ এবাৰ্টকেই এই জাৰ্মান প্ৰজাতন্ত্ৰৰ প্ৰেছিডেন্টৰূপে স্বীকৃতি দিয়া হৈছিল।

কিন্তু বিপৰ্যস্ত অৰ্থনৈতিক অৱস্থাই বিশেষকৈ জাৰ্মানীত প্ৰজাতান্ত্ৰিক চৰকাৰখনক প্ৰথমৰপৰাই বিপদগ্ৰস্ত কৰি তুলিছিল। জাৰ্মানীৰ এই আৰ্থ-সামাজিক আৰু ৰাজনৈতিক অৱস্থাই হিটলাৰৰ নেতৃত্বত নাজি পাৰ্টি জন্ম দি তাত ফেছিজিমৰ ৰাজত্ব সম্ভৱ কৰি তুলিছিল।



নাজি দলৰ প্ৰতীক

১৯২০ চনৰ এপ্ৰিল মাহত জাৰ্মানীত জাতীয় সমাজবাদী জাৰ্মান শ্ৰমিক দল (National Socialists German Workers' Party) চমুকৈ নাজি পাৰ্টিৰ সংগঠন গঢ়ি তোলা হৈছিল। এই ৰাজনৈতিক দলটোৰ সংগঠক আৰু তাত্বিক আছিল এডলফ্ হিটলাৰ (১৮৮৯-১৯৪৫)। জন্মসূত্ৰে আষ্ট্ৰিয়ান এই লোকজনে জীৱিকাৰ তাগিদাত এটা এটাকৈ কেবাটাও বৃত্তিত বিফল মনোৰথ হৈ শেষত যুদ্ধোত্তৰ পৰিবেশত এজন ৰাজনৈতিক আন্দোলনকাৰীৰূপে ওলাই আহে। শ্ৰোতাক মন ভুলোৱা কথা কৈ নিজৰ মতলৈ আনিব পৰা ক্ষমতা আছিল হিটলাৰৰ। কথিত আছে যে বক্তা হিচাপে তেওঁৰ বেছ খ্যাতি আছিল। তেওঁ কৈছিল, "Every great movement on the globe owes its rise to the great speakers and not to the great writers."

তেওঁ জাৰ্মানীয়ে সন্মুখীন হোৱা সকলো সমস্যাৰ বাবে দায়ী কৰিছিল ভাৰ্চাই শান্তি চুক্তিকআৰু সেইআপাহতেমিত্ৰ শক্তি জোঁটৰ অংশীদাৰসকলক। আনহাতে আভ্যন্তৰীণভাবে জাৰ্মানীৰ সকলোবোৰ দুখ-দুৰ্দশাৰবাবে দোষী সাব্যস্ত কৰিছিল জাৰ্মানীৰ ইহুদি নাগৰিক-সকলক। সেয়ে যুদ্ধ-বিধস্ত জাৰ্মানীৰ দুৰ্গত লোকে পানীত পৰি কক্‌বকাই থকা মানুহে খেৰকুটা এডালকে পৰিত্ৰাণৰ আলম বুলি লোৱাৰ দৰেকৈ হিটলাৰে যি কয় তাকে মন-প্ৰাণ দি শুনিছিল আৰু যিহকে কৰিবলৈ কয় তাকে অত্যন্ত নিষ্ঠাৰে সৈতে কৰিবলৈ লৈছিল। সেইটোৱে জাৰ্মানীৰ বাবে বিপদ মাতি অনাৰ লগতে বিশ্বতো শান্তি বিঘ্নিত কৰিছিল।

১৯২৩ চনত মিউনিখ্‌ত বলপূৰ্বক ক্ষমতা দখল কৰিবলৈ গৈ অত্যুগ্ৰ হিটলাৰে ব্যৰ্থ হৈ ধৰা পৰি জেইলৰ ভাত খাবলগীয়া হৈছিল। শুদ্ধকৈ জাৰ্মান ভাষাটো লিখিব নজনা হিটলাৰে এই জেইল জীৱনতে লিখি উলিয়াইছিল "মেইন কেম্পফ" (Mein Kampf > My Struggle)—তেওঁৰ আত্মজীৱনী। এইখন প্ৰকাশিত হয় ১৯২৫ চনত আৰু অতি সোনকালেই নাজি পাৰ্টিৰ বাইবেলৰূপে পৰিগণিত হোৱা এই কিতাপখনৰ হাজাৰ হাজাৰ কপি বিক্ৰি হয় সমগ্ৰ জাৰ্মানীতে।

হিটলাৰে সৃষ্টি কৰা নাজিজিম ফেছিজিমৰে বা সাম্ৰাজ্যবাদৰে নামান্তৰ মাত্ৰ। তেওঁ ৰাজনৈতিক প্ৰশ্নত সংখ্যা গৰিষ্ঠতাৰ ওপৰত কোনো গুৰুত্ব দিয়া নাছিল। অৰ্থাৎ গণতান্ত্ৰিক পদ্ধতিৰ প্ৰতি তেওঁৰ কোনো বিশ্বাস বা আনুগত্য আৰু আস্থা নাছিল। নাজিজিম আছিল গণতন্ত্ৰৰ পৰিপন্থী, শান্তিৰ বিপৰীতে সামৰিক সংঘৰ্ষ তথা যুদ্ধত বিশ্বাসী আৰু নিৰ্ভৰশীল। বিৰোধী পক্ষৰ প্ৰতিও তেওঁৰ কোনো সদ্ভাৱ নাছিল। গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ বিপৰীতে হিটলাৰে কেৱল এজন লোকৰ অৰ্থাৎ নেতাজনৰ এদনীয়া শাসনৰ কথা কৈছিল। তেওঁৰ মতে, " true German democracy consisting of the free election of the leader here there is no roll- call of a mjority on individual questions but only the rule of an individual "

হিটলাৰৰ ৰাজনৈতিক লক্ষ্য আৰু আদৰ্শঃ

ইতিমধ্যে যুদ্ধ বিধস্ত জাৰ্মানীৰ দ্ৰুত অৱক্ষীয়মান অৰ্থনৈতিক অৱস্থাৰ বিষয়ে উল্লেখ কৰি অহা হৈছে। হিটলাৰে সেই অৱক্ষয়ৰপৰা পৰিত্ৰাণৰ বাবে কিছু ৰাজনৈতিক লক্ষ্য আৰু আদৰ্শ ঠিৰাং কৰি লৈ তাক ৰূপায়নৰ বাবে অহৰহ চেষ্টা চলাই গৈছিল। আহিছিল। সেই ৰাজনৈতিক লক্ষ্য আৰু আদৰ্শবিলাক আছিল নিম্নৰূপ—

১। হিটলাৰে ভাৰ্চাই শান্তি চুক্তিৰ চৰ্তসমূহে জাৰ্মানীৰ সম্প্ৰসাৰণত বাধাৰ সৃষ্টি কৰিছিল বুলি অভিযোগ কৰি তাক উলংঘা কৰাৰ পোষকতা কৰিছিল। সকলো জাৰ্মান লোকক এক জাৰ্মান ৰাষ্ট্ৰৰ তলতীয়া কৰিব লাগে বুলি দাবী উত্থাপন কৰাৰ লগতে

তেওঁ জাৰ্মানীৰ ক্ৰমবৰ্দ্ধমান জনসংখ্যাৰ বসবাসৰ উপযোগীকৈ উত্তৰ-পূৰ্ব ইয়োৰূপ আৰু ৰাচিয়াৰ দিশত জাৰ্মানীৰ ৰাজ্য ক্ষেত্ৰৰ সম্প্ৰসাৰণৰ পোষকতা কৰিছিল। তেওঁ কৈছিল, "The aim of National Socialism must be to secure for the German people an extension of the space in which our people must live."

এই সম্প্ৰসাৰণৰ বাবে বাছি লৈছিল তেওঁ পূৰ্ব ইয়োৰূপৰ চুবুৰীয়া দেশবোৰ আৰু ৰাচিয়াক। তেওঁ কৈছিল যে জাৰ্মানীৰ সীমাবৰ্তী ৰাচিয়াৰ অধীনত থকা চহকী ৰাজ্যবোৰ দখল কৰিব পাৰিলে জাৰ্মানীৰ লোকে প্ৰাচুৰ্যৰ পুখুৰীত সাঁতুৰি-নাদুৰি ফুৰিব পাৰিব। ১৯৩৬ চনত নুৰেমবাৰ্গত দিয়া ভাষণ এটিত তেওঁ কৈছিল, "If the Urals with their immeasurable wealth of raw materials, Siberia with its rich forests, and the Ukraine with its limitless cornfields, lay within Germany, this country under National Socialist leadership would swim in plenty. We would produce so that every single German would have more than enough to live on."

তেওঁ ফ্ৰান্সৰ প্ৰতিকটাক্ষ কৰি কৈছিল সেইখন দেশ জাৰ্মানীৰ দুৰ্ঘোৰ আৰু চিৰশত্ৰু। ১৯৩৩ চনত তেওঁ হাংগেৰীৰ প্ৰধানমন্ত্ৰীক কৈছিল, "I will grind France to powder."

২। হিটলাৰে জাৰ্মান জাতিৰ ৰক্তকৌলিন্যতত্ত্বত বিশ্বাস কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে জাৰ্মানসকল আৰ্য গোষ্ঠীসম্ভূত লোক। সকলো মানুহৰ ভিতৰত আৰ্যসকল শ্ৰেষ্ঠ, গতিকে এই শ্ৰেষ্ঠ জাৰ্মান জাতিটোৱে সকলো জাতিকে দমন কৰি শাসন কৰাৰ অধিকাৰ আছে। এই কথাৰপৰাই হিটলাৰৰ অহমিকাৰ উমান পাব পাৰি। জাৰ্মান জাতিৰ এই তথাকথিত শ্ৰেষ্ঠত্বৰ তত্ত্বই বিশেষকৈ নিবনুৱা ডেকা-যুৱকসকলক মতলীয়া কৰি ৰাখিছিল।

৩। জাৰ্মান জাতিৰ এই শ্ৰেষ্ঠত্বৰ তত্ত্ব প্ৰচাৰ কৰাৰ লগে লগে সমান্তৰালভাৱে জাৰ্মানীত বসবাস কৰা ইহুদি আৰু শ্লাভ জনগোষ্ঠীৰ লোক তথা নাগৰিকসকলৰ বিৰুদ্ধে অনবৰত অপপ্ৰচাৰ চলোৱা হৈছিল। জাৰ্মান সমাজত যিমানবিলাক ব্যভিচাৰ, ভ্ৰষ্টাচাৰৰ সূচনা বা সৃষ্টি হৈছে, সেই সকলোবোৰৰ মূলতে ইহুদি আৰু শ্লাভ জনগোষ্ঠীৰ লোকৰ অপকৰ্ম বুলি দেখুওৱা হৈছিল। তেওঁলোকক জাৰ্মান ৰাষ্ট্ৰৰ নাগৰিক অধিকাৰৰপৰা বঞ্চিত কৰাৰ লগতে চৰকাৰী চাকৰী-বাকৰিৰপৰাও অপসাৰিত কৰিছিল। ইহুদি হোৱাৰ তথাকথিত অপৰাধতেই এলবাৰ্ট আইনষ্টাইনৰ দৰে পদাৰ্থ বিজ্ঞানী আৰু ইহুদি মেনুহিনৰ দৰে বেহেলা বাদকে জাৰ্মানীৰপৰা প্ৰাণ লৈ পলাবলৈ বাধ্য হৈছিল।

৪। ২৫-দফীয়া আঁচনিৰ মাধ্যমত হিটলাৰে নাজি দলৰ ৰাজনৈতিক কাৰ্যসূচী বিস্তাৰিতভাৱে প্ৰচাৰ কৰিছিল। সেইবিলাকৰ ভিতৰত আছিল আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ নীতিৰ ভিত্তিত সকলো জাৰ্মান লোকক এক ৰাষ্ট্ৰৰ অধীন কৰা, ভাৰ্চাই আৰু ছেইন্ট জাৰ্মান শান্তি চুক্তি বাতিল কৰা, জাৰ্মানীৰ বৰ্দ্ধিত জনসংখ্যাৰ বাবে উপনিবেশ স্থাপন কৰা, বৃত্তিজীৱি সেনা বাহিনীৰ পৰিবৰ্তে জাতীয় সেনা বাহিনী গঠন কৰা, শক্তিশালী কেন্দ্ৰীয় চৰকাৰ গঠন কৰা আদি।

৫। নাজি দল এক প্ৰচাৰ সৰ্বস্ব ৰাজনৈতিক দল আছিল। জ্বালাময়ী, উত্তেজক ভাষণ আৰু নেৰা-নপৰা প্ৰচাৰৰ জৰিয়তে দেশৰ ৰাজনৈতিক পৰিবেশ অনবৰত উত্তপ্ত কৰি ৰাখিছিল যাতে অন্যান্য বিৰোধী দল বা ব্যক্তিয়ে নিজ দলৰ কাম-কাজ কৰাৰ বাবে কোনো সুযোগ-সুবিধা নাপায়। হিটলাৰে ৰাজনৈতিক প্ৰচাৰ কাৰ্য ইমান তীব্ৰ আৰু লেঠেৰি নিচিঙাকৈ কৰি গৈছিল যাতে শ্ৰোতাই বা জাৰ্মান জনসাধাৰণৰ অধিকাংশই সেই কথাবিলাকৰ সত্যাসত্য নিৰূপন কৰিবলৈ তাৰ ভাল-বেয়া দিশবিলাক ভাবি চাবলৈ সময়ে নাপায়। হিটলাৰে তেওঁৰ অনুগামী সহযোগীসকলক এইদৰে বুজনি দিছিল যে এটা মিছা কথা এশবাৰ কৈ থাকিলে শেষত মানুহে তাকেই সঁচা বুলি মানিবলৈ বাধ্য হ'ব। এই প্ৰচাৰৰ মাধ্যমত হিটলাৰে সমাজৰ সকলো শ্ৰেণীৰ লোকক তেওঁলোকে পাব খোজা বা বিচৰা সকলো বস্তু বা সা-সুবিধা দিবলৈ প্ৰতিশ্ৰুতি দিছিল। বিশেষকৈ দেশৰ ৫০,০০,০০০ পঞ্চাশ লাখ নিবনুৱা যুৱকৰ বহুতেই সেয়ে কৰ্মসংস্থানৰ আশাত হিটলাৰৰ নেতৃত্বত নাজি দলৰ সদস্যভুক্ত হৈ পৰিছিল।

৬। মুছুলিনিৰ ফেচিজিমৰ দৰে হিটলাৰৰ নাজিজিমো গণতন্ত্ৰৰ পৰিপন্থী আছিল। হিটলাৰও বিৰোধী মতৰ প্ৰতি অসহিষ্ণু আছিল। গণতন্ত্ৰ তথা উদাৰ ৰাজনৈতিক মতাদৰ্শ সম্বলিত বহু হাজাৰ গ্ৰন্থ ১৯৩৩ চনৰ ১০ মে' তাৰিখে অকাতৰে পুৰি পোলোৱা হৈছিল। দেশৰ হাজাৰ হাজাৰ বিদ্বানে তেওঁৰ মতৰ প্ৰতি অনুগত নহয় বাবেই কলেজ-বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ পদবীবিলাক হেৰুৱাইছিল। আইনষ্টাইনৰ কথা আগতে উল্লেখ কৰি অহা হৈছে। থমাছ মানৰ দৰে যশস্বী সাহিত্যিকো নিৰ্যাতনৰপৰা হাত সাৰি থাকিব পৰা নাছিল, পিচত নিৰাপত্তাৰ অভাৱত দেশৰপৰাই পলায়ন কৰিছিল। অকল বিৰোধী ৰাজনৈতিক দলৰ বা উদাৰ চিন্তাবিদেই নহয়, আনকি তেওঁৰ নিজৰ দলৰ লোকেও বিপৰীত মত পোষণ কৰিব নোৱাৰিছিল, কৰিলেই কঠোৰ শাস্তিৰে তাক কলিতে নিপাত কৰা হৈছিল। নাজিজিমে এক ৰাষ্ট্ৰ, এক দল, এক নেতা—এই নীতিত বিশ্বাস ৰাখি বাকীবোৰ ৰাজনৈতিক দলক নিষিদ্ধ কৰিছিল।

৭। নাজি দলে মুছুলিনিৰ দৰে নিজস্ব অৰ্দ্ধ-সামৰিক বাহিনী গঠন কৰি প্ৰতিপক্ষৰ ওপৰত জোৰ-জুলুম, শাৰীৰিক নিৰ্যাতন-আক্ৰমণ কেন্দ্ৰীভূত কৰাৰ ব্যৱস্থা কৰিছিল। সেই অৰ্দ্ধ-সামৰিক বাহিনীকে "ষ্টৰ্ম ট্ৰুপাৰছ" ("Storm Troopers" or "S A") বোলা হৈছিল। তদুপৰি আছিল হিটলাৰৰ নিজৰ নিৰাপত্তাৰ বাবে গঠিত 'স্কাটষ্টাফেল' (Schutzstaffel or S S)। সামান্য মত বিৰোধৰ অপৰাধত এই ষ্টৰ্ম ট্ৰুপাৰৰ লোকেই হিটলাৰৰ নিৰ্দেশত ১৯৩৪ চনৰ ৩০ জুনৰ পুৱাৰাতি শোৱাপাতিৰপৰা উঠাই আনি বহু লোককেগুলিয়াই হত্যা কৰিছিল। এই অৰ্দ্ধ-সামৰিক বাহিনীক হিটলাৰে বিৰোধী ৰাজনৈতিক, বিশেষকৈ কমিউনিষ্ট আৰু ছোচিয়েলিষ্ট, দলৰ লোকক হত্যা কৰিবলৈ, তেওঁলোকে আহ্বান কৰা সভা-সামিতি ভাঙি দিবলৈ ব্যৱহাৰ কৰিছিল।

৮। জাৰ্মানীত হিটালাৰৰ নেতৃত্বত নাজিজিমৰ প্ৰাদুৰ্ভাৱৰ অন্যতম কাৰণ আছিল বিক্ষুব্ধ আৰু প্ৰাক্তন সৈনিক আৰু সামৰিক বাহিনীৰ লোকৰ ৰাজনৈতিক অভিলাষ পূৰণ কৰাৰ আকাংক্ষা। বহু প্ৰাক্তন সৈনিক আৰু সামৰিক বাহিনীৰ উচ্চ পদস্থ বিষয়া আৰু জেনেৰেলে নিজ নিজ ৰাজনৈতিক ইচ্ছা-আকাংক্ষা পূৰণৰ অভিপ্ৰায়েৰে নাজি দলত যোগদান কৰিছিল।

৯। কমিউনিষ্ট ভীতিয়েও বহু বিত্তবান লোকক নাজি দললৈ আকৰ্ষিত কৰিছিল, কিয়নো এই দল কমিউনিষ্টসকলৰ প্ৰতি অত্যন্ত কঠোৰ আৰু অসহিষ্ণু আছিল। ১৯৩০ চনত জাৰ্মান সংসদত কমিউনিষ্ট সদস্যৰ সংখ্যা আছিল ৭৭ জন, ১৯৩২ চনৰ নিৰ্বাচনত তাৰ সংখ্যা হৈছিলগৈ ৮৯ জন, আৰু ১৯৩২ চনৰ দ্বিতীয়টো সাধাৰণ নিৰ্বাচনত সেই সংখ্যা বৃদ্ধি পাই হৈছিলগৈ ১০০ জন। গতিকে জাৰ্মান সংসদত কমিউনিষ্ট সদস্যৰ সংখ্যাৰ এই বৃদ্ধিয়ে জাৰ্মান সমাজৰ একাংশৰ মাজত ইতিমধ্যে থকা কমিউনিষ্ট ভীতিক আৰু বেছি তীব্ৰ কৰি তুলিছিল। নাজি দলেও সেয়ে প্ৰচাৰ কৰিবলৈ সুবিধা পাইছিল, "If the National Socialist party collapses, there will be another ten million Communists in Germany"

এই কমিউনিষ্ট ভীতিৰ বশৱৰ্তী হৈয়েই জাৰ্মানীৰ বৃহৎ বৃহৎ উদ্যোগপতিসকলে নাজি দলক কোটি কোটি টকাৰ দানেৰে পৰিপুষ্ট কৰি তুলিছিল। চিনেমা নিৰ্মাতা আৰু বৃহৎ বৃহৎ বাতৰি কাকতৰ মালিকসকলেও কমিউনিষ্ট ভীতিৰ বশৱৰ্তী হৈ নাজি দলৰ প্ৰতি সমৰ্থন দিছিল। কমিউনিষ্টৰ প্ৰতি থকা বিত্তবানসকলৰ এই ভীতি সাধাৰণ ঘৃণালৈ পৰিবৰ্তিতকৰিবলৈ হিটলাৰৰ এটা সুযোগ আহিছিল। ভন ডাৰ লুবে (van der Lubbe) নামে ওলন্দাজ লোক এজনে ১৯৩৩ চনৰ ২৭ ফেব্ৰুৱাৰী তাৰিখে জাৰ্মানীৰ সংসদ

ভৱনতঅগ্নি সংযোগ কৰিছিল। তেওঁৰ উদ্দেশ্য কি আছিল জনা নাযায়। কিন্তু হিটলাৰে সেই কাম কমিউনিষ্টে কৰা বুলি প্ৰচাৰ কৰিছিল। সেই মিছা অভিযোগৰ ভিত্তিতেই সমগ্ৰ দেশতে ৪,০০০ চাৰি হাজাৰ কমিউনিষ্টক গ্ৰেপ্তাৰ কৰা হৈছিল।

১০। তদুপৰি ১৯২৯-৩০ চনত বিশ্ব জুৰি দেখা দিয়া অৰ্থনৈতিক মন্দাই শিল্পপতি-সকলৰ মনত ত্ৰাসৰ সৃষ্টি কৰাৰ লগতে সাধাৰণ লোকৰ মাজতো অনিশ্চয়তাৰ সৃষ্টি কৰি বহুতকে নাজি দলৰ অনুগামী সমৰ্থকত পৰিণত কৰি তুলিছিল।

১১। আনহাতে প্ৰথম বিশ্ব যুদ্ধৰ সামৰণিৰ পিচত জাৰ্মানীত ৰাজনৈতিক দলৰ ভীষণ প্ৰসাৰ ঘটিছিল। ১৯৩০ চনৰ সাধাৰণ নিৰ্বাচনত জাৰ্মানীত অতি কমেও সৰু-বৰ ২৪ টা ৰাজনৈতিক দলে অংশ গ্ৰহণ কৰিছিল। ৰাজনৈতিক দলৰ এই সংখ্যাধিক্যই হিটলাৰৰ নাজি দলকেই শক্তিশালী কৰি তুলিছিল।

হিটলাৰৰ ক্ষমতা দখলঃ

গতিকে এই সকলোবোৰ কাৰণতেই জাৰ্মানীত হিটলাৰৰ নেতৃত্বত নাজিজিমৰ অভ্যুদয় হৈছিল। হিটলাৰৰ নেতৃত্বত গঢ়ি উঠা নাজি দলৰ সংগঠিত শক্তিৰ কথা ১৯৩০ চনত অনুষ্ঠিত সাধাৰণ নিৰ্বাচনৰ সময়তহে সদৰি হৈ পৰিছিল। সেই বছৰত অনুষ্ঠিত সংসদৰ সাধাৰণ নিৰ্বাচনত নাজি দলে পূৰ্বৰ ১২ জন সদস্যৰ বিপৰীতে ১০৭ জন সদস্য নিৰ্বাচিত কৰিব পাৰিছিল। তলৰ তালিকাখনৰপৰা যথাক্ৰমে ১৯৩০ আৰু ১৯৩২ চনত অনুষ্ঠিত তিনিটা নিৰ্বাচনৰ ফলস্বৰূপে জাৰ্মান সংসদত নাজি দলৰ লগতে সমাজবাদী আৰু কমিউনিষ্ট দলৰ সংখ্যা তথা অৱস্থান সম্পৰ্কে এটি আভাস পাব পাৰি—

মুঠ সদস্য সংখ্যা	নাজি দল	সমাজবাদী দল	কমিউনিষ্ট দল
৫৭৬	১০৭	১৪৩	২৩
৬০৮	২৩০	১৩৩	৮৯
৫৮৪	১৯৬	১২১	১০০

১৯৩২ চনত জাৰ্মানীৰ প্ৰেছিডেন্ট নিৰ্বাচনৰ প্ৰাৰ্থী আছিল তিনিজন— হিন্দেনবাৰ্গ, হিটলাৰ আৰু অন্যজন কমিউনিষ্ট দলৰ সদস্য। হিন্দেনবাৰ্গে ৫৩ শতাংশ ভোট পাই নিৰ্বাচিত হৈছিল, হিটলাৰ আৰু কমিউনিষ্ট প্ৰাৰ্থী থ্যালম্যানে যথক্ৰমে ভোট পাইছিল ৩৭ শতাংশ আৰু ১০ শতাংশকৈ। ১৯৩২ চনত সংসদলৈ হোৱা দ্বিতীয়টো সাধাৰণ নিৰ্বাচনত নাজি দলে ১৯৬ জন সদস্যৰে জিকি প্ৰধান ৰাজনৈতিক দলৰূপে পৰিগণিত হৈছিল। এনেতে ১৯৩৩ চনৰ জানুৱাৰী মাহত পূৰ্বৰ প্ৰধান মন্ত্ৰীজনে পদত্যাগ কৰাত প্ৰেছিডেন্ট হিন্দেনবাৰ্গে অনিচ্ছা স্বত্বেও হিটলাৰক সংযুক্ত মন্ত্ৰীসভাৰ প্ৰধানমন্ত্ৰী হ'বলৈ আহ্বান জনায়। সেই মতে

তেওঁ সেই বছৰৰে জানুৱাৰী মাহৰ ৩০ তাৰিখে জাৰ্মানীৰ প্ৰধানমন্ত্ৰীৰূপে দায়িত্বভাৰ লয়।

প্ৰধানমন্ত্ৰীৰূপে কাৰ্যভাৰ গ্ৰহণ কৰিয়েই হিটলাৰে অবাধ ক্ষমতা আৰু অসীম কৰ্তৃত্বৰ অধিকাৰ বিচাৰিলে। পেপেন উপ-প্ৰধানমন্ত্ৰী হিচাপে আছিল যদিও হিটলাৰৰ বিশ্বস্ত সহচৰ আছিল নাজি দলৰ হাৰম্যান গোৱেৰিং, যোছেফ গোৱেবেল্‌ছ, হেইনৰিখ হিম্‌লাৰ আদি আগশাৰীৰ নেতাসকল। গোৱেৰিং আছিল দপ্তৰ বিহীন মন্ত্ৰী। তেওঁ ইতিমধ্যে প্ৰুচিয়াৰ গৃহ মন্ত্ৰীৰূপে দলৰ ৫০,০০০ লোকক লৈ পুলিচৰ অৰ্দ্ধ-সামৰিক বাহিনী এটি গঠন কৰি তুলিছিল।

গোৱেবেল্‌ছৰ প্ৰচাৰ আৰু গোৱেৰিঙৰ এই অৰ্দ্ধ-সামৰিক বাহিনীয়ে দেশত সন্ত্ৰাসৰ ৰাজত্ব চলোৱাত সহায়কৰ ভূমিকা লৈছিল। ১৯৩৩ চনৰ ৪ আৰু ২৮ ফেব্ৰুৱাৰী তাৰিখে প্ৰেছিডেন্টে ঘোষণা কৰা অধিসূচনাৰ যোগেদি যথাক্ৰমে বাতৰি কাকতৰ স্বাধীনতা বাতিল কৰা আৰু ৰাজহুৱা সভা-সমিতি অনুষ্ঠিত কৰা আৰু নাগৰিক অধিকাৰ বাতিল কৰি চৰকাৰৰ পছন্দ মৰ্মে যি কোনো ব্যৱস্থা ল'বলৈ হিটলাৰক কৰ্তৃত্ব প্ৰদান কৰা হৈছিল।

তদুপৰি ২৩ মাৰ্চত হিটলাৰে জাৰ্মান সংসদত এখন আইন গ্ৰহণ কৰাই নিজকে অসীম ক্ষমতাৰ অধিকাৰী কৰি তুলিছিল। "Enabling Act" ৰূপে পৰিচিত এই আইনখন গ্ৰহণ কৰাৰ বাবে সংসদত দুই-তৃতীয়াংশ সদস্যৰ অনুমোদনৰ প্ৰয়োজন হোৱাত হিটলাৰৰ ষ্টৰ্ম ট্ৰুপাৰছৰ সদস্যসকলে সমগ্ৰ সময়ছোৱা সংসদ ভৱন ঘেৰাও কৰি ৰখাৰ উপৰিও সন্ত্ৰাসৰ সৃষ্টি কৰি আইনখনৰ প্ৰতি সমৰ্থন আদায় কৰাত সহায় কৰিছিল। এই আইনখন পাছ কৰাৰ লগে লগে হিটলাৰ আইনতঃ দেশৰ প্ৰচলিত "গণতান্ত্ৰিক চৰকাৰ আৰু সংসদে সৃষ্টি কৰা" একনায়কতন্ত্ৰৰ প্ৰতিভূত(Dictator) পৰিণত হৈছিল। তেওঁৰ


কনচেন্ট্ৰেচন কেম্পত নিহত লোকৰ কংকাল

ওপৰত প্ৰেছিডেন্ট বা মন্ত্ৰীসভাৰ কাৰো কোনো নিয়ন্ত্ৰণ নোহোৱা হ'ল।

১৯৩৪ চনৰ ২ আগষ্টত জাৰ্মানীৰ প্ৰেছিডেন্ট হিন্দেনবাৰ্গৰ মত্যু হোৱাত হিটলাৰে প্ৰেছিডেন্টৰ পদটিও দখল কৰিলে, অৰ্থাৎ তেঁৱেই হ'ল প্ৰেছিডেন্ট আৰু প্ৰধানমন্ত্ৰী, লগতে দেশৰ নেতা বা ফুহ্ৰাৰ (Fuhrer) আৰু প্ৰধানমন্ত্ৰী।

একনায়কতন্ত্ৰৰ সকলো উপাদানেই তেতিয়াৰপৰা সম্পূৰ্ণ হৈ পৰিল। হিটলাৰ ক্ষমতাৰ উচ্চ শিখৰত।

অপ্ৰতিৰোধ্য ক্ষমতাৰ গৰাকী হৈ হিটলাৰে দেশত নিজ দলৰ গৃহীত নীতি অনুযায়ী সকলো বিৰোধী ৰাজনৈতিক দল-উপদলক বল পূৰ্বকভাৱে দমন কৰিছিল। দেশত 'এক ৰাষ্ট্ৰ, এক দল, এক নেতা' এই নীতি-আদৰ্শ বলবৎ কৰিছিল। বিৰোধী দলসমূহৰ বহু নেতা-কৰ্মীক কঠোৰ শাস্তি দি নিজৰ শাসন নিষ্কণ্টক কৰাৰ ব্যৱস্থা কৰিছিল। শাস্তি দিয়াৰ বাবে তেওঁ এটি নতুন পদ্ধতি অৱলম্বন কৰি সেই পদ্ধতি মতে চৰকাৰ বিৰোধী সকলো লোকক কনচেন্‌ট্ৰেচন কেম্পত আবদ্ধ কৰি ৰাখিছিল। মানৱীয় আৰু আইনৰ সুবিধাৰ-পৰা বঞ্চিত বহু লোকৰ তাতেই মৃত্যু ঘটিছিল।


কন্‌চেন্ট্ৰেচন কেম্পলৈ নিয়াৰ আগমুহূৰ্তত ইহুদী লোক

জাৰ্মানীত ইহুদি আৰু আন জন গোষ্ঠীৰ লোকসকলৰ ওপৰত ৰাষ্ট্ৰীয় সন্ত্ৰাস জাপি দিয়া হৈছিল। তেওঁলোকৰ বহুতকে বিনা দোষতে দেশৰপৰা বিতাৰিত কৰা হৈছিল আৰু আন বহুতকে প্ৰথমে 'কন্‌চেন্ট্ৰেচন কেম্প'ত ৰাখি পিচত নিষ্ঠুৰভাৱে হত্যা কৰা হৈছিল। এনেদৰে হত্যা কৰা ইহুদি লোকৰ সংখ্যা ১৯৩৫ চনতে প্ৰায় ৫,০০,০০০ লাখ অতিক্ৰম কৰিছিল। ৰক্তকৌলিন্যতত্ত্বৰ জাৰ্মান জাতীয়ত্বৰ ভিত্তি হিচাপে লৈ হিটলাৰে ব্যাপক হাৰত ইহুদি হত্যাত জড়িত হৈ পৰিছিল। চৰকাৰকসমালোচনা কৰোঁতা সকলোৰে সাংবিধানিক

নাগৰিক আৰু ৰাজনৈতিক অধিকাৰৰপৰা জনসাধাৰণক বঞ্চিত কৰা হৈছিল। আনকি নিজৰ দলৰ ভিতৰতো কোনো ধৰণৰ সমালোচনা সহ্য কৰা হোৱা নাছিল। ১৯৩৪ চনতেই চৰকাৰীভাৱে স্বীকাৰ কৰা হৈছিল যে নাজি দলৰ ভিতৰতেই বিৰোধী মত পোষণ কৰা ৭৭ জন নেতাক নিষ্ঠুৰভাৱে হত্যা কৰা হৈছিল। এইসকলৰ ভিতৰত এজন প্ৰাক্তন প্ৰধানমন্ত্ৰী আৰু তেওঁৰ সহধৰ্মিনীও আছিল। তেওঁলোকক নিজৰ ঘৰতেগুলিয়াই হত্যা কৰা হৈছিল।

ইহুদিসকলৰ কথা বাদেই, থমাছ ম্যান আৰু হেইন্‌ৰিখ হাইনে আদিৰ দৰে উদাৰ খৃষ্টান আৰু তীক্ষ্ণধী প্ৰখ্যাত বহু জাৰ্মান সাহিত্যিকে দেশ এৰি বাহিৰত আশ্ৰয় ল'ব লগা হৈছিল। পেইনটিঙৰ ক্ষেত্ৰত জাৰ্মানীত নতুনকৈ আৰম্ভ হোৱা 'এক্‌সপ্ৰেছনিজিম' বোলা ধাৰাটো হিটলাৰে পছন্দ কৰা নাছিল বাবেই ১৯৩৯ চনত বাৰ্লিন চহৰত হাজাৰ হাজাৰ তেনে কলা-শিল্পৰ নিদৰ্শনসমূহ অগ্নি সংযোগ কৰি ধ্বংস কৰা হৈছিল। ব্যাঙ্গ সাহিত্যিক হেইন্‌ৰিখ হাইনে হিটলাৰ আৰু হিটলাৰৰ অনুগামীসকলৰ চকুৰ কুটা দাঁতৰ শূল আছিল, সিইঁতে তেওঁক চকু পাৰি দেখিব নোৱাৰিছিল।

সামৰিক দিশত হিটলাৰে আৰম্ভণিৰেপৰাই ৰাইন উপত্যকাত পুনৰ কোঠ নিৰ্মাণ কৰি সামৰিক ঘাটি তৈয়াৰ কৰাৰ পক্ষপাতী আছিল। সেয়ে ক্ষমতাত অধিষ্ঠিত হোৱাৰ পিচতে হিটলাৰে সেই দিশত মনোনিবেশ কৰে। ১৯৩৬ চনত জাৰ্মান সৈনিকেৰাইন নদীৰ বাও পাৰটো দখল কৰি তাত সামৰিক কোঠ মাৰি সামৰিক বাহিনী মোতায়েন কৰে। গতিকে দেখা যায় ক্ষমতাতঅধিষ্ঠিত হোৱাৰ অতি কম দিনৰ ভিতৰতে নাজি দলে হিটলাৰৰ নেতৃত্বত জাৰ্মানীক পুনৰ এক লেখত ল'বলগীয়া সামৰিক শক্তিৰূপে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিল।

বৈদেশিক নীতিঃ

ক্ষমতাত অধিষ্ঠিত হ'লেই হিটলাৰে যে জাৰ্মানীৰ বাবে এক আগ্ৰাসী বৈদেশিক নীতি হাতত ল'ব সেই সম্পৰ্কে কোনো সন্দেহ নাছিল। নাজি দলৰ যি ৰাজনৈতিক কাৰ্যসূচী হিটলাৰে ২৫-দফীয়া আঁচনিৰ মাধ্যমত ঘোষণা কৰিছিল তাতেই এই আগ্ৰাসী বৈদেশিক নীতিৰ সবিশেষ উল্লেখ কৰা আছিল। হিটলাৰৰ বৈদেশিক নীতিৰ মূল আধাৰ আছিল সামৰিক শক্তি। কিন্তু ভাৰ্চাই শান্তি চুক্তিয়ে সেই ক্ষেত্ৰত জাৰ্মানীৰ ওপৰত ব্যাপক বাধা-নিষেধ আৰোপ কৰি থৈছিল।

কিন্তু জাৰ্মানীক এক বৃহৎ সামৰিক শক্তিত পৰিণত কৰি ৰাজ্য বিস্তাৰৰ সপোনত বিভোৰ হিটলাৰকভাৰ্চাই শান্তি চুক্তিৰ স্বাক্ষৰকাৰী ইয়োৰূপৰ কোনো দেশেই সেই দিশত বাধা দিব নোৱাৰিলে। সকলোৰে এক বুজিব নোৱাৰা আত্মসন্তুষ্টিত কাল অতিবাহিত

কৰিছিল। এই ক্ষেত্ৰত বৃটেইন আৰু ফ্ৰান্সে হিটলাৰৰ প্ৰতি পোষণ কৰা তোষণ নীতিয়ে দায়ী আছিল বুলি ক'ব পাৰি।

হিটলাৰে ১৯৩৩ চনত নিৰস্ত্ৰীকৰণ সন্মিলন আৰু লগতে জাতি সংঘৰপৰা জাৰ্মানীৰ সদস্যপদ প্ৰত্যাহাৰ কৰে আৰু ভাৰ্চাইশান্তিচুক্তি একতৰফাভাৱে বাতিল কৰে। জাৰ্মান জনসাধাৰণে নৱেম্বৰ মাহতঅনুষ্ঠিত গণভোটৰ মাধ্যমত হিটলাৰৰ সেই কাৰ্যৰ প্ৰতি সমৰ্থন দিয়ে। ইয়াৰ পিচত ১৯৩৫ চনত হিটলাৰে ঘোষণা কৰে যে তেওঁ জাৰ্মানীৰ সেনা বাহিনীৰ সংখ্যা ১,০০,০০০ এক লাখৰপৰা ৫৫,৫০,০০০ পচপন্ন লাখ পঞ্চাশ হাজাৰলৈ বৃদ্ধি কৰাৰ আঁচনি হাতত লৈছে।

তাৰ পিচত তেওঁ নৌবাহিনীৰ শক্তি বৃদ্ধিৰ প্ৰতি মনোযোগ দিয়ে। এই ক্ষেত্ৰত তেওঁ বৃটেইনৰ সহানুভূতিও লাভ কৰে। ৰাইন নদীৰ পাৰত সামৰিক কোঠ নিৰ্মান কৰি সামৰিক বাহিনীৰ লোক মোতায়েন কৰাৰ কথা ইতিপূৰ্বে উল্লেখ কৰি অহা হৈছে।

১৯৩৪ চনতহিটলাৰে আষ্ট্ৰিয়া অধিকাৰ কৰাৰ অভিপ্ৰায়েৰে আষ্ট্ৰিয়াৰ আভ্যন্তৰীণ ক্ষেত্ৰত হস্তক্ষেপ কৰে। কিন্তু বৃটেইন, ফ্ৰান্স আৰু ইটালীয়ে আষ্ট্ৰিয়াৰ স্বাধীনতা সংৰক্ষণৰ প্ৰতি সচেতন হৈ পৰাত হিটলাৰ সাময়িকভাৱে থমকি ৰ'বলৈ বাধ্য হয়। মাত্ৰ ১৯৩৬ চনত আষ্ট্ৰিয়াৰ সৈতে এটি চুক্তি সম্পাদন কৰিয়েই তেওঁ সন্তুষ্ট থাকিব লগা হয়। কিন্তু তাৰ পিচতো ১৯৩৮ চনত হিটলাৰে পুনৰ আষ্ট্ৰিয়াত হস্তক্ষেপ কৰে। এইবাৰ অৱশ্যে হিটলাৰৰ পক্ষত ইটালীয়ে থিয় দিয়াৰ সম্ভাৱনা দেখা গ'ল।

ইতিমধ্যে আবিছিনিয়াৰ ক্ষেত্ৰত ইটালীয়ে লোৱা নীতিৰ পৰিপ্ৰেক্ষিতত বৃটেইন আৰু ফ্ৰান্সৰ দৃষ্টিভঙ্গীৰ বিপৰীতে জাৰ্মানীয়ে লোৱা নীতিয়ে ক্ৰমান্বয়ে ইটালী আৰু জাৰ্মানীক ওচৰ চপাই আনিছিল। এই সুযোগতে হিটলাৰে ১৯৩৬ চনৰ অক্টোবৰ মাহত মুছুলিনিৰ সৈতে ৰোম-বাৰ্লিন একছিছ (Rome- Berlin Axis) নামে এটি চুক্তি স্বাক্ষৰ কৰে। পিচৰ মাহত হিটলাৰে জাপানৰ সৈতে এটি কমিউনিষ্ট (Anti- Commintern Pact, 1936) বিৰোধী চুক্তি স্বাক্ষৰ কৰে। ১৯৩৭ চনৰ নৱেম্বৰ মাহত ইটালীয়ে এই চুক্তিৰ প্ৰতি নিজৰ সমৰ্থন সাব্যস্ত কৰি ৰোম-বাৰ্লিন-ট'কিও-একছিছ (Rome- Berlin- Tokyo Axis, 1937) গঠনত সহায় কৰে।

এইদৰে দেখা যায় হিটলাৰে অতি কম সময়ৰ ভিতৰতে ইয়োৰোপত জাৰ্মানীৰ হৃত গৌৰৱ পুনৰুদ্ধাৰ কৰে। ভাৰ্চাই সন্ধিৰ সকলোবোৰ চৰ্তৰপৰাই জাৰ্মানীক মুক্ত কৰি ইয়োৰোপত পুনৰ জাৰ্মানীৰ আধিপত্য স্থাপন কৰে। জাৰ্মানীৰ এই অগ্ৰগতিয়ে ইয়োৰোপত পুনৰ যুদ্ধৰ সম্ভাৱনাকেই ঘণীভূত কৰি তুলিছিল। প্ৰথম বিশ্ব যুদ্ধৰ সামৰণিৰ পিচতে সামুহিক নিৰাপত্তাৰ বাবে কেন্দ্ৰীয় শক্তি জোঁটৰ বিপৰীত পক্ষৰ দেশসমূহৰ মাজত যি

প্ৰক্ৰিয়া আৰম্ভ হৈছিল জাৰ্মানীত হিটলাৰে ক্ষমতা দখল কৰাৰ পিচৰপৰাই সেই প্ৰক্ৰিয়া লাহে লাহে দুৰ্বল হৈ পৰিছিল। হিটলাৰৰ নেতৃত্বত সংঘটিত জাৰ্মানীৰ এই ক্ৰমবৰ্দ্ধমান সামৰিকশক্তিৰ বৃদ্ধি আৰু আন্তৰাষ্ট্ৰীয় ক্ষেত্ৰত আধিপত্য লাভৰ বাবে ফ্ৰান্স আৰু বৃটেইনৰ বৈদেশিক নীতিও বহু পৰিমাণে দায়ী আছিল।

সি যি কি নহওক, ১৯৩৮ চনৰ মাৰ্চ মাহত হিটলাৰে আষ্ট্ৰিয়া দখল কৰি জাৰ্মানীৰ সৈতে চামিল কৰে। তাৰ পিচত ১৯৩৯ চনৰ ১৫ মাৰ্চত ছেক'শ্লোভাকিয়াৰ প্ৰেছিডেণ্ট এমিল হাচাক বাৰ্লিনলৈ মাতি নি বলপূৰ্বকভাৱে ছেক'শ্লোভাকিয়াকো জাৰ্মানীৰ অৰ্ন্তভূক্ত কৰি লয়। তাৰ পিচতে তেওঁ বাল্টিক সাগৰৰ উপকূলত মেমেলে নামে বন্দৰটো দখল কৰি তাত সামৰিক ঘাটি স্থাপন কৰে। এই ঘটনাৰ পিচত জাৰ্মানীয়ে ডানজ্বিগ দখলৰ প্ৰস্তুতি চলায়। জাৰ্মানীয়ে এইবাৰ ডানজিগসহ পোলেণ্ডৰ মাজেৰে পূৰ্ব প্ৰুচিয়াক সংলগ্ন কৰি এটি ক্ষুদ্ৰ পথ এৰি দিবলৈ পোলেণ্ডৰ ওচৰত দাবী উত্থাপন কৰে।

এটাৰ পিচত এটাকৈ দ্ৰুতভাৱে সংঘটিত এই ঘটনাবিলাকে হিটলাৰ আৰু মুছুলিনিৰ বিপৰীত শিবিৰত যথেষ্ঠ ৰাজনৈতিক উত্তেজনাৰ সৃষ্টি কৰিছিল। সেয়ে এই দুজন নেতাই তেওঁলোকৰ দুয়োখন দেশৰ মাজত আৰু বেছি ঘনিষ্ঠ সম্পৰ্ক স্থাপনৰ বাবে ১৯৩৯ চনৰ ২২ মে'ৰ দিনাখন '**পেক্ট অব ষ্টীল**' ("Pact of Steel") নামে এটি চুক্তিত স্বাক্ষৰ কৰে। তাৰ পিচতে আগষ্ট মাহৰ ২১ তাৰিখে জাৰ্মানীয়ে ছোভিয়েট দেশৰ সৈতে **ৰুচ-জাৰ্মান অনাক্ৰমণাত্মক চুক্তি** (Russo- German Non- Aggression Pact, 1939) স্বাক্ষৰ কৰি বিশ্বৰ কূটনৈতিক ইতিহাসত চমক সৃষ্টি কৰে।

এই ঘটনাৰ পিচতেই জাৰ্মানীয়ে ছেপ্তেম্বৰ মাহৰ ১ তাৰিখে পোলেণ্ড আক্ৰমণ কৰে। পোলেণ্ডৰ স্বাধীনতা আৰু ৰাষ্ট্ৰীয় অখণ্ডতা ৰক্ষাৰ দোঁহাই দি তাৰ দুদিন পিচত ফ্ৰান্স আৰু ইংলেণ্ডে জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। এইদৰে প্ৰথম বিশ্ব যুদ্ধৰ সামৰণি পৰাৰ প্ৰায় বিশ বছৰৰ পিচত পুনৰ আৰম্ভ হ'ল আন এখন বিশ্ব যুদ্ধ।

ইটালীত ফেছিজিমঃ

ইটালীক সাধাৰণতে ভূমধ্য সাগৰৰ কয়দী বোলা হয়। ৰাজনৈতিক সংহতিৰ অনুপস্থিতিত ভিয়েনা কংগ্ৰেছৰ (১৮১৫) সমসাময়িকভাৱে আষ্ট্ৰিয়াৰ প্ৰধানমন্ত্ৰী মেটৰনিখে ইটালীক এক ভৌগোলিক সত্বা বা নাম("Geographical Expression") বুলি অভিহিত কৰিছিল। বিভিন্ন ৰাজপৰিয়ালে ইটালীৰ বিভিন্ন প্ৰদেশত ৰাজত্ব কৰিছিল, শাসন ব্যৱস্থা সকলোতে আছিল প্ৰায় স্বৈৰতান্ত্ৰিক। ইফালে উত্তৰৰ ভালেমান প্ৰদেশৰ ওপৰত আষ্ট্ৰিয়াৰ ৰাজনৈতিকআধিপত্য স্থাপিত হৈছিল। অৰ্থাৎ স্বৈৰতান্ত্ৰিক ৰাজতন্ত্ৰ আৰু বৈদেশিক শক্তিৰ

অধীনত ইটালী বহুকাল ৰাজনৈতিক ক্ষেত্ৰত বিভক্ত হৈ আছিল। কিন্তু ইটালীৰ জনসাধাৰণৰ মাজতো ইটালীক জাতি-ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ আৰু তাক বিদেশী মুক্ত কৰাৰ এক তীব্ৰ আকাংক্ষাৰ জন্ম হৈছিল। এই ক্ষেত্ৰত গুছেপ্নে মেজ্জিনীৰ (১৮০৫-৭২) (Giuseppe Mazzini) অৱদান আছিল অধিক। তেওঁ ইটালীত জাতীয়তাবাদী মতাদৰ্শক প্ৰায় ধৰ্মীয় অনুভূতিৰ পৰ্যায়লৈ উন্নীত কৰাইছিল। ইটালীৰ ৰাজনৈতিক একত্ৰীকৰণত অৰিহণা যোগোৱা আন দুজন ৰাজনীতিক লোক আছিল গেৰিবল্ডী (১৮০৭-৮২) (Garibaldi) আৰু কাউন্ট ডা কেভুৰ (১৮১০-৬১) (Count De Cavour)। এই ত্ৰিমূৰ্ত্তিৰ নেৰানপেৰা চেষ্টাতেই ১৮৭০ চনত ইটালী জাতি-ৰাষ্ট্ৰৰূপে প্ৰতিভাত হয়।

প্ৰথম বিশ্ব যুদ্ধৰ পূৰ্বে ইটালী আছিল ত্ৰিপাক্ষিক চুক্তিৰ অন্তৰ্ভুক্ত, সেই ফালৰপৰা ইটালীয়ে কেন্দ্ৰীয় শক্তি জোঁটৰ হৈ যুদ্ধত অংশ গ্ৰহণ কৰিব লাগিছিল। কিন্তু আষ্ট্ৰিয়াৰ সৈতে থকা দীৰ্ঘদিনীয়া বিবাদৰ পৰিপ্ৰেক্ষিতত প্ৰথমতে নিৰপেক্ষ থাকি পিচত ১৯১৫ চনৰ মাজ ভাগৰপৰা পক্ষ সলনি কৰি মিত্ৰ পক্ষৰ হৈ যুদ্ধত লিপ্ত হৈ পৰে। ইটালীয়ে আশা কৰিছিল যে যুদ্ধৰ সমাপ্তিৰ পিচত ট্ৰেণ্টিনো, ব্ৰেনাৰ গিৰিপথ, ট্ৰিইষ্টে, ইষ্টত্ৰিয়া, ডালমাচিয়া আদি অঞ্চলসমূহ দখল কৰি নিজ ৰাজ্যৰ পৰিসৰ বৃদ্ধি কৰিবলৈ সক্ষম হ'ব। শাসন প্ৰণালীৰ ফালৰপৰা যুদ্ধৰ ভালেমান বছৰৰ আগৰপৰাই ইটালীত সাংবিধানিক ৰাজতন্ত্ৰ প্ৰচলিত আছিল যদিও মন্ত্ৰীসভা সংসদৰ প্ৰতি দায়বদ্ধ আছিল। ভাৰ্চাই শান্তি চুক্তিৰ সময়ত ইটালীৰ প্ৰধানমন্ত্ৰী আছিল অৰলাণ্ডো। যি আশাৰে ইটালীয়ে বিশ্ব যুদ্ধত অংশ গ্ৰহণ কৰিছিল সেই আশা ভাৰ্চাই শান্তি চুক্তিয়ে পূৰণ কৰিব নোৱাৰিলে। মিত্ৰ শক্তিৰ সদস্যসকলে ইটালীক কেৱল "ভোজ সভাত শিয়াল"ৰূপে গণ্য কৰিলে ("as the jackal at the feast")।

গতিকে এফালে কূটনৈতিক দিশত হতাশা আৰু আনফালে অৰ্থনৈতিক বিপৰ্যয়ে ইটালীৰ ৰাজনৈতিক পৰিস্থিতি অত্যন্ত জটিল কৰি তুলিছিল। প্ৰাকৃতিক সম্পদত দুখীয়া এই দেশখনে বৰ্দ্ধিত জনসংখ্যাক শিল্প উদ্যোগ তথা কল-কাৰখানা স্থাপন কৰি তাৰ মাধ্যমত কৰ্ম সংস্থান দিয়াৰপৰাও বঞ্চিত হৈছিল। মূল্য বৃদ্ধিৰ হাৰ আছিল ৩০০ ৰপৰা ৪০০ শতাংশ। আনহাতে খাদ্য শস্য বিদেশৰপৰা আমদানি কৰিব লাগিছিল, তাতে আকৌ ভূমধ্য সাগৰীয় পথ কোনোবা ফালে বন্ধ হৈ পৰিলেই দেশৰ জনসাধাৰণ নাখাই মৰাৰ অৱস্থা।

বিশ্ব যুদ্ধৰ অভিঘাত আৰু ক্ৰিয়া-প্ৰতিক্ৰিয়াই এই অৰ্থনৈতিক অৱস্থা আৰু জটিল কৰি আনিছিল। শিল্প-বাণিজ্য, কল-কাৰখানা, ৰাস্তা-ঘাট, যোগাযোগ ব্যৱস্থা বিকল হৈ

পৰিছিল। জনসাধাৰণৰ মাজত ঋণগ্ৰস্ততা, মুদ্ৰাস্ফীতি, নিবনুৱা সমস্যা আৰু সামাজিক নিৰাপত্তাহীনতা লাহে লাহে বৃদ্ধি পাই আহিছিল। চোৰাং বজাৰী, লাভখোৰ দোকানী-পোহাৰী একাংশৰ বাহিৰে মধ্যবিত্ত শ্ৰেণী, শ্ৰমিক আৰু কৃষকৰ অৱস্থা দিনক দিনে ভয়াবহ হৈ আহিছিল। ৰণাঙ্গনৰপৰা প্ৰত্যাবৰ্তন কৰা সৈনিক দেখিলে মানুহে শ্ৰদ্ধা আৰু সন্মান কৰাৰ বিপৰীতে গালি শিলগুটি দলিয়াবলৈ লৈছিল। নিজৰ অৱস্থা টনকিয়াল কৰিবলৈ তাৰে ভিতৰত বহুতেই ৰাজনীতিত অংশ গ্ৰহণ কৰিছিল। প্ৰাক্তন সৈনিকৰ ৰাজনীতিত অংশ গ্ৰহণে দেশৰ ৰাজনৈতিক পৰিস্থিতি আৰু জটিল কৰি তুলিছিল।

এনে অৱস্থাত চৰকাৰৰ ঘৰত গা কৰি উঠিছিল ৰাজনৈতিক চিন্তা আৰু সিদ্ধান্তৰ ক্ষেত্ৰত ব্যাপক শিথিলতা, উদ্দেশ্যহীনতা আৰু অনিশ্চয়তা। বহু দলীয় ৰাজনৈতিক ব্যৱস্থাই প্ৰশাসন যন্ত্ৰটো ক্ৰমান্বয়ে দুৰ্বল কৰি আনিছিল। প্ৰধানমন্ত্ৰী অৰলাণ্ডোৱে পদত্যাগ কৰাৰ পিচত ১৯১৯ চনৰ ২৩ জুনৰপৰা ১৯২২ চনৰ ৩১ অক্টোবৰলৈ ইটালীত এখন এখনকৈ ছয়খন মন্ত্ৰীসভাৰ উত্থান-পতন হৈছিল। এই অৱস্থাই দেশত চলি থকা চূড়ান্ত ৰাজনৈতিক অস্থিৰতাকে সূচায়। দেশৰ এই অস্থিৰ ৰাজনৈতিক পৰিস্থিতিত প্ৰাদুৰ্ভাৱ ঘটে বেনিটো মুছুলিনিৰ (১৮৮৩- ১৯৪৫) (Benito Mussolini) নেতৃত্বত ফেছিষ্ট দলৰ।

ফেছিজিম (Fascism) শব্দটো লেটিন ভাষাৰ "Fasces" শব্দৰপৰা লোৱা, তাৰ অৰ্থ হ'ল দল বা আঁটি। মুছুলিনিয়ে ইটালীৰ ডেকা তথা যুৱকসকলক ফেছেছ্ নামে দলত সংগঠিত কৰি জাতিৰ (অৰ্থাৎ নিজৰ দলৰ) বাবে শত্ৰু গণ্য কৰা লোকৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰিবলৈ নিয়োগ কৰিছিল। মিলান চহৰত ১৯১৯ চনৰ ২৩ মাৰ্চত পোনতে ফেছিষ্ট গোট গঠন কৰা হৈছিল। তেওঁলোকে গণতন্ত্ৰত বিশ্বাস নকৰিছিল, সেয়ে বিৰোধী দল থকাতো কোনোমতে পছন্দ নকৰিছিল। তেওঁলোকে বিশ্বাস কৰা ৰাজনৈতিক আদৰ্শকে ফেছিজিম বোলে।


ফেছিষ্ট দলৰ প্ৰতীক

বৃত্তিৰফালৰপৰা বেনিটো মুছুলিনিৰ দেউতাক আছিল চমাৰ। মুছুলিনি জীৱনৰ আদিতে সমাজবাদৰ প্ৰতি আকৰ্ষিত হৈ পৰে। ১৯০৮ চনত ৰামাগ্নাৰ কৃষক বিপ্লৱত অংশ গ্ৰহণ কৰাৰ অপৰাধত তেওঁক বন্দী কৰি কাৰাগাৰত থোৱা হৈছিল। পিচত তেওঁ সমাজবাদী দলৰ মুখপাত্ৰ "অৱন্তী"ৰ সম্পাদক পদত নিযুক্ত হয়। ইটালীয়ে বিশ্ব যুদ্ধত অংশ গ্ৰহণ নকৰিবলৈ

প্ৰচাৰ কৰাত মুছুলিনিয়ে সমাজবাদী দলৰপৰা পদত্যাগ কৰি ছিন্দিকেলিষ্টসকলৰ লগ লাগে আৰু যুদ্ধতইটালীৰ অংশ গ্ৰহণৰ পোষকতা কৰে। ১৯১৪ চনৰ শেহৰ পিনে তেওঁ "Pololo d'Italia" নামে এখন বাতৰি কাকত উলিয়াই তাত সমাজবাদীসকলৰ নেতৃত্বত বৃদ্ধি পাই অহা যুদ্ধ বিৰোধী প্ৰচাৰৰ প্ৰতি চৰকাৰক সতৰ্ক কৰি দিয়ে।

ইফালে এই সময়ছোৱাত ইটালীত বৃদ্ধি পাই অহা সাম্যবাদী প্ৰচাৰ আৰু সংগঠনে শিল্প তথা উদ্দ্যোগপতি, মাটিৰ বৃহৎ মালিক গোষ্ঠী, চহকী আৰু বিত্তবান শ্ৰেণী আৰু বৃহৎ বৃহৎ দোকান-পোহাৰৰ মালিকসকলক ভীত-সন্ত্ৰস্ত কৰি তুলিছিল। কমিউনিষ্ট ভীতিয়ে এই সকলো শ্ৰেণী লোকৰ লগতে প্ৰাক্তন সৈনিকসকলক লাহে লাহে বেনিটো মুছুলিনিৰ ফেছিষ্ট দললৈ লৈ গৈছিল। জাৰ শাসিত ৰুচ দেশৰ দৰে যদি কেনেবাকৈ ইটালীতো কমিউনিষ্ট তথা সাম্যবাদীসকলৰ নেতৃত্বত সমাজতান্ত্ৰিক বিপ্লৱ সংঘটিত হয় তেনেহলে উল্লেখিত শ্ৰেণীৰ লোকসকলৰ হাতত থকা উৎপাদনৰ সকলোবোৰ আহিলা—ভূমি, কল-কাৰখানা, পুঁজি আদি সা-সম্পত্তিসমূহ তেওঁলোকে হেৰুৱাব, সেই সকলোবোৰৰ ওপৰত সামাজিক অধিকাৰ স্থাপিত হ'ব।

সেয়ে সকলোৱে ভাবিছিল বেনিটো মুছুলিনিয়ে তেওঁলোকক, তেওঁলোকৰ সা-সম্পত্তি আৰু লগতে দেশখনক কমিউনিষ্টৰ হাতৰপৰা ৰক্ষা কৰাত সহায়কৰ ভূমিকা ল'ব। এই আশাত বহুতেই মুছুলিনিৰ নেতৃত্বাধীন ফেছিষ্ট দলৰ সদস্যভূক্ত হৈছিল। মুছুলিনিয়ে প্ৰথমতে ফেছিষ্ট গোটক কোনো ৰাজনৈতিক দল বুলি স্বীকাৰ কৰা নাছিল, তাক প্ৰতিষ্ঠিত ৰাজনৈতিক দল বিৰোধী এটা আন্দোলন বুলিহে কৈছিল। গতিকে চুড়ান্ত ভ্ৰষ্টাচাৰ আৰু দুৰ্নীতিত নিমজ্জিত সকলোবোৰ প্ৰতিষ্ঠিত ৰাজনৈতিক দলৰ প্ৰতি চুড়ান্ত ঘৃণাত অতিষ্ট আৰু অসন্তুষ্ট হৈ পৰা মানুহে সততেতথাকথিত ৰাজীনতিবিহীন ফেছিষ্ট গোটত সোমাই পৰিছিল।

ফেছিষ্টসকলৰ প্ৰথম দেশজোৰা কংগ্ৰেছ বহিছিল ১৯১৯ চনত, তাত ২২ টা গোটে অংশ গ্ৰহণ কৰিছিল আৰু মুঠ সদস্য সংখ্যা আছিল ১৭,০০০। ১৯২০ চনত বহা দ্বিতীয় কংগ্ৰেছত ফেছিষ্ট গোটৰ সংখ্যা আছিল ১১৮ টা আৰু মুঠ সদস্য সংখ্যা আছিল ৩০,০০০। তৃতীয় কংগ্ৰেছৰ সময়ত (১৯২১) ফেছিষ্ট গোটৰ সংখ্যা আছিল ২,২০০ টা আৰু সদস্য সংখ্যা ৩,০০,০০০ তিনি লাখ। এই ফেছিষ্ট গোটৰপৰাই অত্যন্ত বিশ্বস্তসকলক লৈ কলা চোলা (Black Shirts) পৰিধান কৰা এটি স্বেচ্ছাসেৱক বাহিনী গঠন কৰা হৈছিল, আৰু আৰম্ভণিৰেপৰাই এওঁলোকক কমিউনিষ্টসকলক আক্ৰমণ কৰাৰ কামত নিয়োগ কৰা হৈছিল। ১৯২১ চনৰ আৰম্ভণিৰেপৰা এই আক্ৰমণ- সংঘৰ্ষসমূহৰ বাবেই দেশখনত এক

গৃহ যুদ্ধ সদৃশ পৰিস্থিতিয়ে বিৰাজ কৰিছিল। আইনৰ শাসন বোলা বস্তুটো নোহোৱা হৈছিল। ফেছিষ্টসকলৰ ভয়তে চৰকাৰী আমোলা-বিষয়া সকলো নির্বিকাৰ হৈ পৰিছিল।

এনে এটা অৱস্থাতে ১৯২১ চনৰ মে' মাহত দেশত সাধাৰণ নির্বাচন অনুষ্ঠিত হৈছিল। এই নির্বাচনত অংশ গ্রহণ কৰি ফেছিষ্টসকলে সংসদলৈ মুছোলিনিসহ ৩৬ জন সদস্য নির্বাচিত কৰি পঠিয়াব পাৰিছিল। সেই বছৰৰে নৱেম্বৰ মাহত মুছোলিনিয়ে ফেছিষ্ট গোটসমূহক সুসংহত এক ৰাজনৈতিক দলত সংঘবদ্ধ কৰে। হত্যা, অপহৰণ, লুণ্ঠন, মাৰ-পিট সর্বত্র এক পৰিচিত ঘটনাত পৰিণত হয়। ১৯২২ চনৰ ৩ মার্চত মুছোলিনিয়ে ফিউমৰ প্রতিষ্ঠিত চৰকাৰ উচ্ছেদ কৰি তাত ক্ষমতা দখল কৰে। তাৰ মাজতো কমিউনিষ্ট আৰু সমাজবাদীসকলে আহ্বান কৰা সভা-সামিতি ভাঙি দিয়া আৰু নেতা-কর্মীসকলৰ ওপৰত আক্ৰমণ আদি চলিয়েই আছিল।

মুছোলিনিৰ নেতৃত্বত ফেছিষ্টসকলৰ আটাইতকৈ ডাঙৰ অভিযান চলিল ৰোম দখলৰ বাবে ১৯২২ চনৰ অক্তোবৰ মাহৰ শেহৰফালে। তাৰে আগতে ২৪ অক্তোবৰত নেপ'লছত অনুষ্ঠিত বিশাল জন সভাত ভাষণ দি মুছোলিনিয়ে কৈছিল, "হয় আমাক চৰকাৰ গঠন কৰিবলৈ দিয়ক, নহয় আমি ৰোমলৈ যাত্রা কৰিম।" ("Either the government will be given to us, or we shall march on Rome ") প্রধানমন্ত্রী ফেক্তাই (Facta) সামৰিক আইন বলবৎ কৰাৰ পৰামর্শ দিছিল যদিও ৰজা তৃতীয় ভিক্তৰ ইমানুয়েলে সেইটো নকৰিলে। সেয়ে ফেক্তাই (১৯২২ চনৰ) ২৭ অক্তোবৰত প্রধানমন্ত্রীৰ পদবীৰপৰা পদত্যাগ কৰিলে। পিচদিনাখন মুছোলিনিয়ে ৰোমলৈ যাত্রা কৰে আৰু ৰজাই ফেছিষ্টসকলৰ হেঁচাত ৩০ অক্তোবৰ তাৰিখে মুছোলিনিক ইটালীৰ প্রধানমন্ত্রী পাতে। সংসদে দেশত আইন আৰু শান্তি-শৃঙ্খলা স্থাপনৰ বাবে এবছৰলৈ মুছোলিনিক একছত্রী ক্ষমতা প্রদান কৰিলে।

ফেছিষ্টৰ ৰাজনৈতিক মতাদর্শঃ

সকলো ৰাজনৈতিক দর্শনৰ দৰে ফেছিজিমৰো কিছুমান আদর্শ আছিল। ফেছিজিম গণতন্ত্ৰৰ আৰু গণতান্ত্রিক প্রমূল্য আৰু পৰম্পৰাৰ পৰিপন্থী। নাগৰিক অধিকাৰ, ব্যক্তি স্বাতন্ত্র্যবোধ, ৰাজনৈতিক অধিকাৰ, মত প্রকাশৰ অধিকাৰ—গণতান্ত্রিক ব্যৱস্থাত সুলভ আৰু স্বীকৃত এই সকলোবোৰ অধিকাৰেই ফেছিজিমৰ পৰিপন্থী আছিল। ফেছিষ্ট ৰাষ্ট্ৰত সেইবোৰৰ কোনো স্থান নাই। ফেছিষ্ট ৰাষ্ট্ৰত নির্দিষ্ট আৰু বিশেষ এক ৰাজনৈতিক দল আৰু দলৰ নেতাই (Duce) সকলো। তেওঁ দলৰ নেতা, জনসাধাৰণৰ বিপৰীতে তেঁৱেই সকলো ক্ষমতাৰ অধিকাৰী, দেশখনৰ বিপুল জনসাধাৰণৰ ভাগ্য নিয়ন্তা। সকলো তেওঁৰ অধীন, তেওঁ কাৰো অধীন নহয়।

ফেছিজিমৰ বৈশিষ্ট্যসমূহ ঃ

ফেছিজিম সমাজবাদৰ পৰিপন্থী।

ফেছিজিম শান্তিৰ পৰিপন্থী।

ফেছিজিম মুক্ত বাণিজ্যিক আদান-প্ৰদানৰ পৰিপন্থী।

ফেছিজিম গণতন্ত্ৰৰ পৰিপন্থী।

ফেছিজিম ব্যক্তিস্বাতন্ত্র্যবোধৰ পৰিপন্থী।

ফেছিজিম সংবাদ পত্ৰৰ স্বাধীনতাৰ পৰিপন্থী।

ফেছিজিমৰ মূল চালিকা শক্তি সামৰিক সংঘৰ্ষ, যুদ্ধ।

ৰাষ্ট্ৰ সকলোৰে উৰ্দ্ধত, ৰাষ্ট্ৰৰ ওপৰত কোনো নাই। ৰাষ্ট্ৰৰ এক সৰ্বাত্মক কৰ্তৃত্ব আছে। ই সকলোতে বিদ্যামান। এই সৰ্বাত্মক ৰাষ্ট্ৰক চিনাক্ত কৰা হয় নেতাৰ মাধ্যমত। অৰ্থাৎ নেতাই ৰাষ্ট্ৰ, ৰাষ্ট্ৰই নেতা। ৰাষ্ট্ৰ আৰু নেতাৰ মাজত পাৰ্থক্য নাই।

দেশত মাত্ৰ এটাই ৰাজনৈতিক দল থাকিব, দলৰ নেতা এজন, তেঁৱেই হ'ব দেশৰ মুৰব্বী, একচ্ছত্ৰী শাসনকৰ্তা। ইয়াকে কয় একনায়কতন্ত্ৰবাদ (Totalitarianism)। প্ৰধানমন্ত্ৰীৰ পদত অধিষ্ঠিত হোৱাৰ পিচত মুছলিনিয়ে পাঁচটা দলৰ এক সংযুক্ত মন্ত্ৰীসভা গঠন কৰিছিল যদিও মন্ত্ৰীসভাত ফেছিষ্টসকলে নিজৰ আধিপত্য স্থাপন কৰিছিল। পোন্ধৰটা দপ্তৰৰ ভিতৰত চাৰিটাই আছিল ফেছিষ্টসকলৰ হাতত।

দলৰ ৰাজনৈতিক আদৰ্শ অনুযায়ী মুছলিনিয়ে লাহে লাহে সৰ্বত্ৰ নিজ দলৰ কৰ্তৃত্ব স্থাপন কৰি আনিছিল। ১৯২৪ চনৰ জুন মাহৰ ১০ তাৰিখে সমাজবাদী দলৰ নেতা গিয়াকামো মেট্টিওটিক (Giacomo Matteotti) হত্যা কৰা হৈছিল। তেওঁ আছিল মুছলিনিৰ তীক্ষ্ণ সমালোচক আৰু ৰাজনৈতিক প্ৰতিদ্বন্দ্বী। গিয়াকামো মেট্টিওটিৰে "*The Fascisti Exposed*" নামে এখন গ্ৰন্থ ৰচনা কৰি তাত ফেছিজিমৰ নগ্ন স্বৰূপটো প্ৰকাশ কৰিছিল। মুছলিনিয়ে ১৯২৫ চনত নতুন আইন তৈয়াৰ কৰি নিজে যি ইচ্ছা তাকে কৰাৰ ব্যৱস্থা কৰি লৈছিল। বিৰোধী দলৰ সদস্যসকলক মন্ত্ৰী সভাৰপৰা বিতাৰিত কৰি ফেছিষ্ট দলৰ লোকক নিযুক্তি দিছিল। ১৯২৬ চনত গ্ৰহণ কৰা এখন আইনৰ মাধ্যমত দেশত ৰাজনৈতিক বিৰোধী লোকক দেশান্তৰিত কৰিব পৰা, মৃত্যুদণ্ড দিব পৰা আৰু তেনে লোকক আইনৰ আশ্ৰয় পোৱাৰপৰা বঞ্চিত কৰিব পৰা ক্ষমতা লাভ কৰিছিল। বাতৰি কাকতৰ স্বাধীনতা কেতিয়াবাই হৰণ কৰা হৈছিল। দেশখন ১৯২৬ৰ পিচত এক পুলিচ ৰাজত পৰিণত হৈছিল।

বৈদেশিক নীতিঃ

ফেছিজিম পুঁজিবাদৰ এক জঘণ্য ৰূপ আৰু ই সাম্ৰাজ্যবাদৰ উদ্দ্যোক্তা আৰু প্ৰবক্তা।

মুছোলিনিয়ে এক আগ্ৰাসী বৈদেশিক নীতি পৰিচালনা কৰিছিল। ইটালী প্ৰাকৃতিক সম্পদত দুখীয়া হোৱাৰ কাৰণে চুবুৰীয়া অন্যান্য চহকী দেশ দখল কৰি ইটালীৰ ৰাজ্য ক্ষেত্ৰৰ সম্প্ৰসাৰণ ঘটোৱাতো আছিল ফেছিষ্টসকলৰ প্ৰধান লক্ষ্য। সেয়ে তেওঁলোকে ভাৰ্চাই শান্তি চুক্তিৰ বিৰোধীতা কৰি তাৰ চৰ্তসমূহ উলঙ্ঘা কৰিবলৈ বিচাৰিছিল। আন্তৰ্ৰাষ্ট্ৰীয় ৰাজনীতিত মুছোলিনিয়ে ভাৰ্চাই শান্তি চুক্তি আৰু জাতিসংঘৰ ঘোৰ শত্ৰুৰূপে দেখা দিছিল। মুছোলিনিৰ বদ্ধমূল ধাৰণা আছিল যে ইটালীৰ সম্প্ৰসাৰণত ভাৰ্চাই চুক্তি আৰু জাতিসংঘই বাধাৰ প্ৰাচীৰ গঢ়ি তুলিছিল, সেয়ে তেওঁ এফালে ভাৰ্চাই শান্তি চুক্তি আৰু আনফালে জাতিসংঘৰ প্ৰতি অহৰহ বিষোদগাৰ কৰিছিল। তেওঁ কৈছিল, "অৰ্থনৈতিক আৰু বৌদ্ধিকভাৱে সম্প্ৰসাৰণ কৰিব বিচৰা প্ৰতিটো জাতিৰ বাবে সাম্ৰাজ্যবাদেই হ'ল জীয়াই থকাৰ ভিত্তি।" ("   imperialism is the basis of life for every people which tends to expand economically and spiritually ")

ৰাজ্য ক্ষেত্ৰৰ পৰিসৰ বৃদ্ধিৰ উদ্দেশ্যে তেওঁ ব্যাপক সমৰায়োজন কৰিছিল। ১৯৩০ চনত তেওঁ কৈছিল, "Words are very fine things, but rifles, machine- guns, warships, airplanes and cannon are still finer things They are finer because right without might is an empty word "

ভূমধ্য সাগৰক মুছোলিনিয়ে ইটালীৰ বাবে এটি নিজস্ব হ্ৰদৰূপে গণ্য কৰিবলৈ লৈছিল আৰু তাৰ উপকূলবৰ্তী দেশসমূহ স্বাভাৱিকতেই ইটালীৰ নিয়ন্ত্ৰণলৈ আনিবলৈ চেষ্টা চলাইছিল। সেই উদ্দেশ্য আগত ৰাখিয়েই তেওঁ গ্ৰীচৰ কৰ্ফু নামে দ্বীপটো দখল কৰি পিচত বহু হাজাৰ টকাৰ বিনিময়ত পুনৰ গ্ৰীচক ওভোতাই দিছিল। ১৯৩৫ চনত ইটালীয়ে আবিছিনিয়া (ইথিওপিয়া) আক্ৰমণ কৰে আৰু পিচৰ বছৰৰ মে' মাহত তাৰ ৰাজধানী আদ্দিছ আবাবা দখল কৰি আনুষ্ঠানিকভাৱে তাক ইটালীৰ লগত চামিল কৰে। এটি চৰকাৰী ঘোষণাৰ জৰিয়তে ইথিওপিয়া, এৰিত্ৰিয়া, ছোমালিলেণ্ড আদিক ইটালীৰ অধিকৃত পূৰ্ব আফ্ৰিকাৰ সৈতে চামিল কৰি ইটালীয়ান সাম্ৰাজ্যৰ অৰ্ন্তভূক্ত কৰে।

১৯৩৯ চনত ইটালীয়ে আলবানিয়া আক্ৰমণ কৰে। ইটালীয়ান সৈনিকৰ আগমনত আলবানিয়াৰ ৰজাই তৎকালেই দেশৰপৰা পলায়ন কৰে। এইদৰে আলবানিয়া ইটালীৰ ৰাজ্যভূক্ত হৈ পৰিল। এই ঘটনাৰ পিচৰপৰা ইটালীৰ ৰজা ইথিওপিয়াৰ সম্ৰাট আৰু আলবানিয়াৰ ৰজাৰূপে পৰিগণিত হ'ল। আন্তৰ্ৰাষ্ট্ৰীয় ৰাজনীতিৰ এই ঘটনাৱিলাকে লাহে লাহে জাৰ্মানী আৰু ইটালীক ওচৰ চপাই আনিলে। ১৯৩৬ চনৰ অক্টোবৰ মাহত জাৰ্মানীয়ে ইটালীৰ সৈতে ৰোম-বাৰ্লিন একছিছ্ গঠন কৰিলে। তাৰ পিচৰ মাহত জাৰ্মানী আৰু

জাপানে কমিউনিষ্ট বিৰোধী চুক্তিত (Anti- Comintern Pact) সোমাই পৰে। পিচৰ বছৰত এই কমিউনিষ্ট বিৰোধী চুক্তিৰ অংশীদাৰ হ'ল ইটালী। ইটালীৰ অংশ গ্ৰহণৰ লগে লগে এই চুক্তি ৰোম-বাৰ্লিন-টকিও একছিছ্ ৰূপে জনাজাত হয়।

এইখিনিতে উল্লেখ কৰিব পাৰি যে আদিতে হিটলাৰৰ সৈতে মুছুলিনিৰ বিশেষ সদ্ভাব নাছিল, বিশেষকৈ ১৯৩৪ চনত হিটলাৰে আষ্ট্ৰিয়াৰ আভ্যন্তৰীণ ক্ষেত্ৰতহস্তক্ষেপ কৰাত মুছুলিনিয়ে তীব্ৰ বিৰোধিতা কৰিছিল। কিন্তু ইটালীৰ দ্বাৰা আবিছিনিয়া আক্ৰমণ কৰাৰ লগে লগে ফ্ৰান্স আৰু ইংলেণ্ডে পোষণ কৰা দৃষ্টিভঙ্গীৰ পৰিপ্ৰেক্ষিতত মুছুলিনি লাহে লাহে হিটলাৰৰ শিবিৰলৈ অগ্ৰসৰ হ'বলৈ ধৰে। অৱশেষত তেওঁ কমিউনিষ্ট বিৰোধী চুক্তিৰ অংশীদাৰ হৈ ৰোম-বাৰ্লিন-টকিও একছিছ্ (Rome-Berlin-Tokyo Axis) গঠনৰ ঘোষণা কৰে। এইবিলাকে আকৌ বিশ্বত যুদ্ধৰ আশংকা পুনৰ ঘণীভূত কৰি তুলিলে। ইয়াৰ বাবে বহুলাংশে দায়ী আছিল মুছুলিনি আৰু হিটলাৰৰ প্ৰতি ফ্ৰান্স, আৰু ইংলেণ্ডে সেই সময়ত অনুসৰণ কৰা তোষণ নীতি (Appeasement Policy)।

হিটলাৰ আৰু মুছুলিনিৰ প্ৰতি ইংলেণ্ড আৰু ফ্ৰান্সৰ তোষণ নীতিঃ

মুছুলিনি আৰু হিটলাৰৰ নেতৃত্বত ফেছিজিম আৰু নাজিজিমৰ অভ্যুদয় আৰু তেওঁলোকে অনুসৰণ কৰা আগ্ৰাসী বৈদেশিক নীতিৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হোৱা যুদ্ধ পৰিস্থিতিৰ বাবে সাধাৰণতে ঐতিহাসিকসকলে ইংলেণ্ড আৰু ফ্ৰান্সে গ্ৰহণ কৰা তোষণ নীতিকে দায়ী কৰিব খোজে। ইংলেণ্ডত ষ্টেন্‌লি বল্ডউইনৰ স্থলাভিষিক্ত হৈ প্ৰধানমন্ত্ৰীৰ আসনত সমাসীন হোৱা নিউৱিল ছেম্বাৰলেইনে (মে' ১৯৩৭) যথাৰ্থতে ইংলেণ্ডৰ বৈদেশিক নীতিৰ কোনো পৰিবৰ্তন নঘটাই বৰং হিটলাৰ আৰু লগতে মুছুলিনিৰ প্ৰতি দেখ দেখকৈ এক তোষণ নীতিহে কাৰ্যকৰী কৰাৰ দিশত অগ্ৰসৰ হৈছিল। নবেম্বৰ মাহত তেওঁ নতুন বৈদেশিক সচিব (মন্ত্ৰী) হালিফাক্‌সক হিটলাৰৰ ওচৰলৈ পঠিয়াই দিয়ে। এই যাত্ৰাত হালিফাক্‌সে হিটলাৰৰ ওচৰত স্বীকাৰ কৰে যে আষ্ট্ৰিয়া, ছেক'শ্লোভাকিয়া আৰু ডান্‌জিগ আদিৰ সম্পৰ্কত কিছু কিছু পৰিবৰ্তনৰ হয়তো প্ৰয়োজন হ'ব পাৰে, আৰু সেই পৰিবৰ্তন যেন শান্তিপূৰ্ণভাৱেহে হয়। সেয়ে দেখা যায় বিশেষকৈ আষ্ট্ৰিয়া আৰু ছেকশ্লোভাকিয়াৰ ক্ষেত্ৰত বৃটেইনে হিটলাৰৰ সম্প্ৰসাৰণবাদী নীতিকেই সমৰ্থন কৰিছিল। এইটো হিটলাৰৰ কাৰণে পৰম সন্তোষৰ কথা আছিল।

গতিকে ইয়াৰ পিচত আৰু আষ্ট্ৰিয়া দখল কৰিবলৈ হিটলাৰৰ বাবে অন্য কোনো সুবৰ্ণ সুযোগৰ বাবে বৈ থকাটো সময়ৰ অপচয়হে হ'ব। তেওঁ আষ্ট্ৰিয়া দখল কৰি ১৯৩৮ চনৰ ১৩ মাৰ্চত সেই দেশখন জাৰ্মানীৰ অন্তৰ্ভূক্ত কৰে।

ছেম্বাৰলেইনৰ তোষণ নীতিৰ আৰু এক উদাহৰণ হ'ল তেওঁ ১৯৩৮ চনৰ এপ্ৰিল মাহত মুছোলিনিৰ সৈতে স্বাক্ষৰ কৰা চুক্তিখন। এই চুক্তি অনুযায়ী ইটালীয়ে স্পেইনত কৰা হস্তক্ষেপ প্ৰত্যাহাৰ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। ১৯৩৬ চনৰ জুলাই মাহত ইটালীয়ে স্পেইনৰ গৃহ যুদ্ধত 'পুপুলাৰ ফ্ৰন্ট'ৰ বিপৰীতে জেনেৰেল ফ্ৰেঙ্কোৰ সমৰ্থনত হস্তক্ষেপ কৰিছিল। ইটালীয়ে স্পেইনৰপৰা আঁতৰি অহাৰ প্ৰতিশ্ৰুতি দিয়াৰ বিনিময়ত ছেম্বাৰলেইনে আবিছিনিয়া তথা ইথিওপিয়াত ইটালীৰ আধিপত্য স্বীকাৰ কৰি লৈছিল। এইদৰে সমৰ্থন দি ছেম্বাৰলেইনে ইটালীক জাৰ্মানীৰ প্ৰভাৱৰপৰা মুক্ত কৰাৰ বৃথা চেষ্টা কৰিছিল।

জাৰ্মানীৰ প্ৰতি বৃটেইনৰ তোষণ নীতিৰ তৃতীয়টো উদাহৰণ হ'ল ছেক শ্লোভাকিয়া। হিটলাৰে ছেক'শ্লোভাকিয়াৰ ছুডেটেনলেণ্ড বোলা এলেকাটো জাৰ্মানীৰ অন্তৰ্ভুক্ত কৰিবলৈ বিচাৰিছিল। তেওঁৰ যুক্তি আছিল এই যে সেই অঞ্চলটোৰ অধিবাসীসকল আছিল জাৰ্মান লোক। ছেম্বাৰলেইনে বৃটিশ সংসদত (১৯৩৮ চনৰ মাৰ্চৰ ২৪ তাৰিখে) ঘোষণা কৰিছিল যে সেই এলেকা সম্পৰ্কে উত্থাপিত সমস্যাটো ছেক'শ্লোভাকিয়াৰ আভ্যন্তৰীণ সমস্যা, তাত ইংলেণ্ডৰ কৰিবলগীয়া একো নাই। তাৰ পিচত ছেপ্তেম্বৰ মাহত হিটলাৰক লগ পাওতেও ছেম্বাৰলেইনে এই বুলি আশ্বাস দিছিল যে তেওঁ ছেক চৰকাৰ আৰু ফৰাছী চৰকাৰক ছুডেটেনলেণ্ড এলেকাটো জাৰ্মানীক এৰি দিবলৈ সন্মত কৰাব।

অৱশেষত এই সমস্যাটো সমাধান কল্পে মুছোলিনিৰ প্ৰস্তাৱ মৰ্মে মিউনিখ চহৰত অনুষ্ঠিত আন্তৰাষ্ট্ৰীয় সন্মিলনত ফ্ৰান্স, বৃটেইন, ইটালী আৰু জাৰ্মানীৰ মাজত এক চুক্তি স্বাক্ষৰিত হয়। অক্তোবৰ মাহৰ ১ তাৰিখে (১৯৩৮) স্বাক্ষৰিত এই চুক্তিকেই মিউনিখ চুক্তি (Munich Pact) বোলা হয়। ইয়াৰ দ্বাৰা ছুডেটেনলেণ্ড বোলা এলেকাটো জাৰ্মানীক এৰি দিয়াৰ সিদ্ধান্ত কৰা হয়। কিন্তু ইয়াৰ পিচতো হিটলাৰ সন্তুষ্ট হোৱা নাছিল। ছুডেটেনলেণ্ড পোৱাৰ পিচত তেওঁ এইবাৰ সমগ্ৰ ছেক'শ্লোভাকিয়া দখল কৰাৰ আঁচনি হাতত লয়। সেই মৰ্মে ১৯৩৯ চনৰ মাৰ্চ মাহত তেওঁ ছেক'শ্লোভাকিয়াত জাৰ্মান সেনা বাহিনী প্ৰৱেশ কৰোৱাই দেশখন জাৰ্মানীৰ সৈতে চামিল কৰে।

গতিকে দেখা যায় মুছোলিনি আৰু হিটলাৰৰ প্ৰতি ইংলেণ্ড আৰু ফ্ৰান্সে লোৱা তোষণ নীতিয়ে ইয়োৰূপৰ আন্তৰাষ্ট্ৰীয় ৰাজনীতি অত্যন্ত উত্তেজনাপূৰ্ণ কৰি ৰখাৰ ওপৰিও যুদ্ধৰ বিভীষিকা সৃষ্টি কৰাত সহায় কৰিছিল। হিটলাৰ বা মুছোলিনিৰ প্ৰতি লোৱা এই তোষণ নীতিৰ প্ৰধান কাৰণ আছিল এই যে মুছোলিনি আৰু হিটলাৰে আৰম্ভণিৰেপৰাই আভ্যন্তৰীণ আৰু বৈদেশিক দিশত এক শক্তিশালী কমিউনিষ্ট আৰু ছোভিয়েট বিৰোধী নীতি লৈ তাক কাৰ্যকৰী কৰি আহিছিল।

হিটলাৰ আৰু মুছুলিনিৰ বিপৰীতে পূৰ্ব ইয়োৰুপত ছোভিয়েটৰ প্ৰভাৱ স্থাপিত হয় বুলি ফ্ৰান্স আৰু ইংলেণ্ডৰ এক সন্দেহ আছিল। বিশেষকৈ ইংলেণ্ডে ভূমধ্য সাগৰীয় অঞ্চলত কোনোপধ্যেই ৰুচ প্ৰভাৱ প্ৰতিষ্ঠিত হোৱাতো পছন্দ নকৰিছিল। ফ্ৰান্স আৰু ইংলেণ্ডৰ দৰে পশ্চিমীয়া দেশবিলাকে সেয়ে স্বস্তিৰ নিশ্বাস পেলাইছিল আৰু মুছুলিনি আৰু হিটলাৰৰ প্ৰায় পৃষ্ঠপোষকত পৰিণত হৈছিল। আৰু তাৰ বাবে তেওঁলোকে পৰিণামো সঠিকভাৱেই ভূগিব লগা হৈছিল।

স্পেইনঃ গৃহ যুদ্ধ আৰু জেনেৰেল ফ্ৰেঙ্কোৰ নেতৃত্বত স্বৈৰতন্ত্ৰৰ প্ৰতিষ্ঠাঃ

স্পেইনে প্ৰথম বিশ্ব যুদ্ধত (১৯১৪-১৮) অংশ গ্ৰহণ কৰা নাছিল, কিন্তু যুদ্ধই সৃষ্টি কৰা ৰাজনৈতিক পৰিবৰ্তনৰ ঢৌৱে স্পেইনকো কোবাই গৈছিল। এই পৰিবৰ্তনৰ ঢৌটো প্ৰধানতঃ সৃষ্টি হৈছিল তাৰ অসামৰিক আৰু সামৰিক প্ৰশাসনৰ মাজত চলি অহা বিৰোধ আৰু প্ৰতিদ্বন্দ্বিতাৰ ফলশ্ৰুতি স্বৰূপে। তাত সামৰিক বিষয়াসকলক একোটা সমিতিত (Junta or Juntas) সংগঠিত কৰা হৈছিল আৰু তেওঁলোকই আছিল স্পেইনৰ প্ৰকৃত শাসনকৰ্তা। স্পেইনত সাংবিধানিক ৰাজতন্ত্ৰ চলি আছিল। ৰজা শাসনৰ মূৰব্বী আছিল আৰু ৰজাই মন্ত্ৰীসভা নিযুক্ত কৰিছিল যদিও তেওঁলোক দায়বদ্ধ আছিল সংসদৰ প্ৰতি।

প্ৰথম বিশ্ব যুদ্ধৰ সমাপ্তিৰ লগে লগে ইয়োৰুপৰ বহু দেশতে ভালেমান ৰাজনৈতিক আৰু প্ৰশাসনিক পৰিবৰ্তন সংঘটিত হৈছিল। সেইবিলাকৰ প্ৰভাৱ লাহে লাহে স্পেইনতো পৰিবলৈ লৈছিল। বিশেষকৈ যুদ্ধ শেষ হোৱাৰ পিচৰেপৰা তাতো জনসাধাৰণৰ মাজত লাহে লাহে প্ৰজাতান্ত্ৰিক আৰু সমাজবাদীসকলৰ প্ৰভাৱ-প্ৰতিপত্তি বাঢ়ি আহিছিল। প্ৰজাতান্ত্ৰিক আৰু সমাজবাদীসকলৰ এই ক্ৰমবৰ্দ্ধমান প্ৰভাৱ খৰ্ব কৰাৰ অভিপ্ৰায়েৰে তাৰ ৰজা ত্ৰয়োদশ এলফন্সোৱে (Alphonso XIII) ১৯২৩ চনত সেনাধ্যক্ষ প্ৰাইমো ডা ৰিভেৰাক (General Primo de Rivera) প্ৰধানমন্ত্ৰী নিযুক্ত কৰি সামৰিক শাসন বলবৎ কৰে। ৰজাৰ উদ্দেশ্য আছিল সামৰিক শাসনৰ মাধ্যমত দেশত কোনোমতে ৰাজতন্ত্ৰ বজাই ৰখাটো। প্ৰাইমো ডা ৰিভেৰাই শাসন ক্ষমতা লাভ কৰিয়েই গোনতে প্ৰচলিত সংবিধান বাতিল কৰি প্ৰচাৰ মাধ্যমত নিষেধাজ্ঞা প্ৰবৰ্তন কৰে আৰু প্ৰায় ১৯৩০ চনলৈ সাত বছৰ ধৰি "দেশ, ৰাজতন্ত্ৰ আৰু ধৰ্মৰ" নামত স্বৈৰতান্ত্ৰিক শাসন ব্যৱস্থা বাহাল ৰাখে।

১৯৩১ চনত অনুষ্ঠিত স্থানীয় নিকায়সমূহৰ নিৰ্বাচনত প্ৰজাতান্ত্ৰিকসকলে বিপুল ভোটাধিক্যত জয় লাভ কৰে। তেওঁলোকৰ নেতা নাইচেটো এলকালা জামোৰাই (Niceto Alcala Zamora) ৰজাক স্বেচ্ছাই সিংহাসন ত্যাগ কৰিবলৈ নতুবা এক সৰ্বাত্মক বিদ্ৰোহৰ সন্মুখীন হ'বলৈ প্ৰত্যাহ্বান জনায়। এই অৱস্থাত ৰজাই দেশৰপৰা পলায়ন কৰে আৰু

জামোৰাই এখন অস্থায়ী চৰকাৰ গঠন কৰি তাৰ প্ৰধান কাৰ্যকাৰক হৈ পৰে। এইদৰে স্পেইনত দ্বিতীয় প্ৰজাতন্ত্ৰৰ অভ্যুদয় হয়। (ইতিপূৰ্বে ১৮৭৩-৭৫ চনৰ কালছোৱাত স্পেইনত প্ৰথম প্ৰজাতন্ত্ৰৰ সৃষ্টি হৈছিল।) স্পেইনত দ্বিতীয় প্ৰজাতন্ত্ৰ প্ৰায় ৮ বছৰ কাল ধৰি বৰ্তি আছিল। কিন্তু স্পেইনৰ এই দ্বিতীয় প্ৰজাতন্ত্ৰৰ ইতিহাস বৰ ঘটনা বহুল আৰু বিপদসংকুল আছিল।

শাসনত অধিষ্ঠিত হৈয়েই জামোৰাই দেশৰ বাবে এখন নতুন সংবিধান ৰচনা কৰিবলৈ বুলি জাতীয় সংসদৰ বাবে সাধাৰণ নিৰ্বাচন ঘোষণা কৰে। ১৯৩১ চনৰ জুলাই মাহত অনুষ্ঠিত উক্ত নিৰ্বাচনৰ ফলশ্ৰুতিত জাতীয় সংসদত সমাজবাদী, ৰেডিকেল, কমিউনিষ্ট, ছিন্দিকেলিষ্ট (Syndicalists), ৰাজতন্ত্ৰী, নৈৰাজ্যবাদী (Anarchists), বাস্ক (Basque) আৰু কাটালান (Catalan) জাতীয়তাবাদী আদি বিভিন্ন ৰাজনৈতিক মতাদৰ্শৰ প্ৰতি অনুগত লোকসকলে সংখ্যা গৰিষ্ঠতা লাভ কৰে। এইদৰে নিৰ্বাচিত হৈ অহা জাতীয় সংসদে ডিচেম্বৰ মাহত এখন প্ৰজাতান্ত্ৰিক সংবিধান গ্ৰহণ কৰে। সংবিধানৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্যসমূহ আছিল (১) ধৰ্মসংঘক (Church) ৰাষ্ট্ৰৰপৰা পৃথক কৰা, (২) ধৰ্মসংঘৰ সা-সম্পত্তিৰ জাতীয়কৰণ কৰা, (৩) সংসদৰ প্ৰতি দায়বদ্ধ মন্ত্ৰীসভাৰ ব্যৱস্থাৰে সংসদীয় গণতন্ত্ৰ প্ৰতিষ্ঠা কৰা, (৪) সংসদৰ দ্বাৰা প্ৰেছিডেন্টৰ নিৰ্বাচন কৰা, ইত্যাদি।

এই নতুন প্ৰজাতান্ত্ৰিক সংবিধানৰ চৰ্ত অনুসৰি নাইছেটো এলকালা জামোৰাক স্পেইনৰ প্ৰেছিডেন্টৰ পদবীত স্বীকৃতি দিয়া হয় আৰু লগতে মানুয়েল আজানাই (Manuel Azana) প্ৰধানমন্ত্ৰীৰূপে উগ্ৰ প্ৰজাতান্ত্ৰিক আৰু সমাজবাদীসকলৰ দ্বাৰা গঠিত সংযুক্ত মন্ত্ৰীসভাৰ নেতৃত্ব কৰিবলৈ লয়। পিচৰ বছৰত (১৯৩২) চৰকাৰে কাটালোনীয়া, বাস্ক অধ্যুষিত লোকসকলৰ লগতে গেলিচিয়াৰ বাবেও পৃথক পৃথক প্ৰাদেশিক স্বায়ত্ব শাসনৰ ব্যৱস্থা কৰে।

এইবিলাক প্ৰশাসনিক সংস্কাৰৰ ওপৰিও চৰকাৰে সেই বছৰতে কেথলিক ধৰ্মসংঘৰ বিৰুদ্ধে ভালেমান কঠোৰ আইনসংগত ব্যৱস্থা হাতত লয়। বিশেষকৈ জেচুইটছসকলৰ কাৰ্যকলাপ বেআইনী ঘোষণা কৰাৰ লগতে তেওঁলোকৰ নিয়ন্ত্ৰণত থকা শিক্ষানুষ্ঠানসমূহৰ লগতে অন্যান্য সা-সম্পত্তি বাজেয়াপ্ত কৰে। তদুপৰি স্পেইনত থকা সকলো কেথলিক পাদ্ৰীকে চৰকাৰী দা-দৰমহা আৰু অন্যান্য পাৰিতোষিকৰপৰা বঞ্চিত কৰাৰ লগতে দেশত কল-কাৰখানা স্থাপন কৰা, ব্যৱসায়-বাণিজ্য চলোৱা আৰু শিক্ষানুষ্ঠান খোলাৰ ক্ষেত্ৰত নিষেধাজ্ঞা বলবৎ কৰা হয়।

প্ৰজাতান্ত্ৰিক চৰকাৰখনৰ এইবিলাক কাৰ্যই আভ্যন্তৰীণভাৱে এফালে ধৰ্মযাজকআৰু

পাদ্ৰী, ৰাজতান্ত্ৰিক, নৰমপন্থী প্ৰজাতান্ত্ৰিক আৰু ফালাঞ্জে (Falange) নামে ফেছিষ্ট দল আৰু গোটসমূহক বহুল পৰিমাণে অসন্তুষ্ট কৰি তোলাৰ লগতে বৈদেশিকভাৱে পোপকো স্পেইনৰ প্ৰজাতান্ত্ৰিক চৰকাৰৰ প্ৰতি বীতশ্ৰদ্ধ কৰি তুলিছিল। পোপৰপৰা উৎসাহ পাই উক্ত ৰাজনৈতিক আৰু ধৰ্মীয় গোটসমূহে দেশত চৰকাৰৰ বিৰুদ্ধে প্ৰতিৰোধ সংগ্ৰাম সংগঠিত কৰিবলৈ ধৰে। চৰকাৰেও এই ক্ষেত্ৰত কঠোৰ স্থিতি গ্ৰহণ কৰে। এইবিলাক কাৰণতেই স্পেইনত লাহে লাহে প্ৰজাতান্ত্ৰিক চৰকাৰ বিৰোধী ৰাজনৈতিক-সামৰিক অভ্যুত্থান সংঘটিত হ'বলৈ ধৰে। আগষ্ট মাহত (১৯৩২) চেভিলিত (Seville) সংঘটিত সামৰিক আৰু ৰাজতান্ত্ৰিকসকলৰ যুটীয় বিদ্ৰোহক চৰকাৰ পক্ষই মশীমুৰ কৰে।

পিচৰ বছৰত (১৯৩৩) অনুষ্ঠিত স্থানীয় নিকায়সমূহৰ নিৰ্বাচনত চৰকাৰৰ নীতি আৰু কাৰ্যৰ বিৰূপ প্ৰতিফলন ঘটে। প্ৰধানমন্ত্ৰী মানুয়েল আজানাই পদত্যাগ কৰে আৰু প্ৰেছিডেন্ট জামোৰাই জাতীয় সংসদ ভঙ্গ কৰি দেশত সাধাৰণ নিৰ্বাচনৰ ঘোষণা কৰে। এই নিৰ্বাচনৰ ফল স্বৰূপে নৰমপন্থী প্ৰজাতান্ত্ৰিক আৰু কেথলিকপন্থীসকলে যুটীয়া মন্ত্ৰীসভা গঠন কৰিলেও দেশত আভ্যন্তৰীণ আইন-শৃঙ্খলাৰ যথেষ্ট অবনতি ঘটিছিল। দেশৰ বিভিন্ন অঞ্চলত ১৯৩৩-৩৪ৰ বছৰটোত উপৰ্যোপৰি সংঘটিত হোৱা বিক্ষিপ্ত বিদ্ৰোহ-বিক্ষোভ দমনৰ নামত চৰকাৰে হাতত লোৱা নিপীড়নৰ নীতিয়ে দেশৰ সাধাৰণ লোকক সততে চৰকাৰ বিৰোধী অৱস্থান ল'বলৈ বাধ্য কৰাইছিল। আনকি এই অৱস্থাত চৰকাৰৰ সমৰ্থকসকলেও লাহে লাহে চৰকাৰ পক্ষৰ বিপৰীতে নিজৰ স্থিতি বাছি লৈছিল। এইবিলাকৰ পৰিণতি স্বৰূপেই দেশত বিশেষকৈ ৰেডিকেল, সমাজবাদী আৰু কমিউনিষ্টসকলে "পপুলাৰ ফ্ৰন্ট" ("Popular Front") গঠন কৰি জনসাধাৰণৰ সমৰ্থনত দেশত চৰকাৰ বিৰোধী ৰাজনৈতিক প্ৰতিৰোধ সংগ্ৰামৰ নেতৃত্ব দিবলৈ অগ্ৰসৰ হৈছিল।

এনে এটা উত্তপ্ত ৰাজনৈতিকপৰিৱেশত অন্য কোনো বিকল্প নাপাই প্ৰেছিডেন্ট জামোৰাই ১৯৩৬ চনৰ ফেব্ৰুৱাৰী মাহত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰে। এই নিৰ্বাচনৰ পৰিণতি স্বৰূপে পপুলাৰ ফ্ৰন্টৰ প্ৰাৰ্থীসকলে সংসদত সংখ্যা গৰিষ্ঠতা লাভ কৰে আৰু প্ৰায় লগে লগেই জামোৰা প্ৰেছিডেন্ট পদবীৰপৰা অপসাৰিত হৈ পৰে। মানুয়েল আজানা তেওঁৰ স্থলাভিষিক্ত হৈ প্ৰেছিডেন্টৰ পদবীত সমাসীন হয়। আজানা নেতৃত্বাধীন প্ৰজাতান্ত্ৰিক চৰকাৰে পূৰ্বৰ চৰকাৰে গ্ৰহণ কৰা সামাজিক আৰু ধৰ্মীয় কাৰ্যসূচীসমূহ বাস্তৱায়িত কৰাৰ দিশত অগ্ৰসৰ হয়। তেনে অৱস্থাত জুলাই মাহত (১৯৩৬) ৰাজতান্ত্ৰিক দলৰ নেতা এজনৰ হত্যাক কেন্দ্ৰ কৰি দেশৰ আভ্যন্তৰীণ ৰাজনৈতিক পৰিস্থিতিৰ যথেষ্ট অবনতি ঘটে।

দেশৰ বিভিন্ন অংশত ভালেমান সামৰিক বিষয়াই সামৰিক অভ্যুত্থানত মিলিত হৈ

পৰে। কানাৰী দ্বীপপুঞ্জৰ গৱৰ্ণৰ জেনেৰেল ফ্ৰানছিস্কো ফ্ৰেংকোয়ে (১৮৯২-১৯৭৫) (General Francisco Franco) এই সুযোগতে স্পেইনৰ অধিকৃত মৰক্কোলৈ গৈ তাৰপৰা এটি সামৰিক বাহিনীৰ নেতৃত্ব কৰি স্পেইনত উপনীত হয়। তেওঁ স্পেইনত উপস্থিত হোৱাৰ লগে লগে বহু সামৰিক লোকে ফ্ৰেংকোৰ পক্ষ লোৱাত স্পেইনৰ প্ৰজাতান্ত্ৰিক চৰকাৰে প্ৰধানমন্ত্ৰী ফ্ৰানছিস্কো লাৰ্গো কাবালাৰোৰ (Francisco Largo Caballero) নেতৃত্বত কমিউনিষ্ট, প্ৰজাতান্ত্ৰিক, কাটালান আৰু বাস্‌ক্ জাতীয়তাবাদী-সকলক লৈ এটি নতুন সামৰিক বাহিনী গঠন কৰি সামৰিক অভ্যুত্থানৰ মোকাবিলা কৰিবলৈ প্ৰস্তুত হয়। পূৰ্বৰেপৰা ছেগা-চোৰোকাকৈ চলি অহা গৃহ যুদ্ধ সদৃশ পৰিবেশ চলি থাকোঁতেই ফ্ৰেংকোৰ নেতৃত্বত সংঘটিত সামৰিক অভ্যুত্থানে দেশৰ প্ৰজাতান্ত্ৰিক চৰকাৰৰ অস্তিত্ব অধিক বিপদাপন্ন কৰি তোলে।

স্পেইনৰ এই আভ্যন্তৰীণ ঘটনাক্ৰমে ইতিমধ্যে ফ্ৰান্স, বৃটেইন, ছোভিয়েট ৰাচিয়া আমেৰিকা যুক্তৰাষ্ট্ৰ আদি অন্যান্য বহিঃ ৰাষ্ট্ৰৰো দৃষ্টি আকৰ্ষণ কৰিছিল। ঘটনাক্ৰমৰ উত্তৰণে এইটো স্পষ্টভাৱে প্ৰমাণ কৰি দিছিল যে স্পেইনত সংঘটিত ৰাজনৈতিক ঘটনা প্ৰবাহ আছিল এফালে ফেছিবাদী শক্তি আৰু আনফালে গণতান্ত্ৰিক শক্তিৰ মাজৰ বিৰোধ আৰু সংগ্ৰামৰ বহিঃ প্ৰকাশ। গতিকে পূৰ্বে উল্লেখ কৰি অহা বিশ্বৰ গণতান্ত্ৰিক দেশ তথা ৰাষ্ট্ৰসমূহে স্পেইনৰ প্ৰজাতান্ত্ৰিক চৰকাৰৰ পক্ষ লৈ সামৰিক সাহায্য দিয়াৰ ব্যৱস্থা কৰে। আনকি স্পেইনৰ প্ৰজাতান্ত্ৰিক চৰকাৰৰ প্ৰতি সমৰ্থন দিবলৈ আন্তৰ্জাতিক যুজাৰু বাহিনীও (International Brigade) সংগঠিত হৈ পৰিছিল। ইফালে বিশ্বৰ ফেছিষ্ট শক্তি ইটালী আৰু জাৰ্মানীৰ নাজি চৰকাৰে নৱেম্বৰ মাহত (১৯৩৬) ফ্ৰেংকোৰ চৰকাৰৰ প্ৰতি স্বীকৃতি দি সামৰিক সাহায্য দিবলৈ আৰম্ভ কৰে। ফেছিষ্ট আৰু নাজিসকলৰ পদাংক অনুসৰণ কৰি পৰ্টুগালেও ফ্ৰেংকোৰ চৰকাৰৰ প্ৰতি স্বীকৃতি প্ৰদান কৰে।

এইখিনিতে এইটো উল্লেখ কৰিব পাৰি যে ইটালী আৰু জাৰ্মানীয়ে যিটো হাৰত ফ্ৰেংকোৰ প্ৰতি সামৰিক সাহায্য দিছিল, ফ্ৰান্স, বৃটেইন, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰাচিয়াই তাৰ সমানুপাতিক হাৰত প্ৰজাতান্ত্ৰিক চৰকাৰৰ প্ৰতি সাহায্য দিয়া নাছিল। কিয়নো গণতান্ত্ৰিক দেশসমূহৰ মাজতো আদৰ্শগত বিৰোধ আছিল। ফ্ৰান্স, বৃটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই বিশেষকৈ ছোভিয়েট ৰাচিয়াক সম্পূৰ্ণৰূপে বিশ্বাসত ল'ব পৰা নাছিল, জানোচা স্পেইনত হস্তক্ষেপ কৰাৰ অছিলা লৈ ছোভিয়েট ৰাচিয়াই তাতো সমাজবাদী ৰাষ্ট্ৰ-ব্যৱস্থা প্ৰতিষ্ঠা কৰে। আনহাতে সেই সময়ত ফ্ৰান্স আৰু বৃটেইনে মুছোলিনি (ইটালী) আৰু হিটলাৰৰ (জাৰ্মানী) প্ৰতি তোষণনীতি লৈ নিজ নিজ জাতীয় স্বাৰ্থ সুৰক্ষা কৰাৰ প্ৰতি আগ্ৰহী আছিল।

সেয়ে স্পেইনৰ প্ৰজাতান্ত্ৰিক চৰকাৰৰ প্ৰতি তেওঁলোকৰ আশ্বাস প্ৰায়েই ফুটুকাৰ ফেনত পৰিণত হৈছিল। অৱশ্যে এইটো স্বীকাৰ কৰিব লাগিব যে আৰ্ন্তজাতিকযুজাৰু বাহিনীৰ বহু সদস্যই স্পেইনত প্ৰজাতন্ত্ৰ তথা গণতন্ত্ৰ ৰক্ষাৰ নামত স্বেচ্ছাই আত্মবলিদান দিছিল।

১৯৩৬ চনৰ মাজ ভাগৰপৰা ১৯৩৭ চনৰ মাজ ভাগলৈ স্পেইনত গণতান্ত্ৰিক আৰু ফেছিষ্ট জোঁটৰ মাজত ঘোৰতৰ সংগ্ৰাম চলিছিল। যুদ্ধৰ গতি লাহে লাহে ফ্ৰেঙ্কোৰ ফালে আহিবলৈ ধৰে। জাৰ্মানীয়ে ফ্ৰেঙ্কোক বিপুল পৰিমাণৰ যুদ্ধ জাহাজৰ যোগান ধৰাত তেওঁ আকাশ মাৰ্গৰপৰা যুদ্ধত আধিপত্য স্থাপন কৰিব পাৰিছিল। ইতিপূৰ্বে ১৯৩৭ চনৰ মে' মাহত প্ৰেছিডেন্ট মানুয়েল আজানাই প্ৰধানমন্ত্ৰী ফ্ৰানছিস্কো লাৰ্গো কাবালাৰোক অপসাৰিত কৰি জোৱান নেগ্ৰিনক (Juan Negrin) প্ৰধানমন্ত্ৰী পাতিলেও তেৰোঁ বিশেষ কৃতকাৰ্যতা লাভ কৰিব পৰা নাছিল। ফ্ৰেঙ্কোয়ে ১৯৩৭ চনৰ শেহৰপৰা ১৯৩৯ চনৰ আৰম্ভণিলৈ লাহে লাহে বাক্‌ছ, আষ্টুৰিয়া, গেলিচিয়া, কাটালোনিয়া আদি প্ৰদেশসমূহ দখল কৰি নিজ অধিকাৰলৈ আনে। কাটালোনিয়াৰ প্ৰধান চহৰ বাৰ্চিলোনাও তেওঁৰ অধিকাৰলৈ আহে। সামৰিক শাসনকৰ্তাৰ অধীনত থকা স্পেইনৰ ৰাজধানী চহৰ মাদ্ৰিদেও অৱশেষত ১৯৩৯ চনৰ মাৰ্চ মাহত ফ্ৰেঙ্কোৰ ওচৰত আত্মসমৰ্পন কৰে। এইদৰে স্পেইনত গণতন্ত্ৰৰ পতন হয় আৰু ফেঙ্কোৰ নেতৃত্বত ফেছিষ্ট অভ্যুত্থান সাফল্যমণ্ডিত হয়। প্ৰায় তিনি বছৰ ধৰি চলা এই গৃহ যুদ্ধত স্পেইনৰ প্ৰায় দহ লাখ মানুহ হানি হৈছিল। স্পেইনৰ এই গৃহ যুদ্ধত ফেছিষ্ট জোঁটৰ বিজয়ে আৰ্ন্তজাতিক ৰাজনীতিত তেওঁলোকৰ মান-মৰ্যদাবাহুল্য পৰিমাণে বৃদ্ধি কৰিছিল। আনহাতে ফ্ৰান্স, বৃটেইন আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰই ফ্ৰেঙ্কোৰ চৰকাৰৰ প্ৰতি স্বীকৃতি প্ৰদান কৰি তেওঁৰ সৈতে বন্ধুত্ব স্থাপন কৰাৰ পথ বাছি লৈছিল। ইফালে ফ্ৰেঙ্কোয়ে ইটালী-জাৰ্মানী-জাপানৰ সৈতে চামিল হৈ স্বৈৰতন্ত্ৰ তথা একনায়কতন্ত্ৰৰ প্ৰতিভূ হৈ পৰে।

জাপানত সামৰিক শাসনৰ প্ৰবৰ্তনঃ

কোৰিয়াৰপৰা ১১০ কিলোমিটাৰ উত্তৰ-পূৱত প্ৰশান্ত মহাসগৰত অৱস্থিত জাপান প্ৰায় সৰু-ডাঙৰ ৪,০০০ দ্বীপৰ সমষ্টি, প্ৰধান দ্বীপ চাৰিটা হ'ল—হনস্থু, হোক্কাইদো, কিউছো আৰু ছিকোকু। জাপানীসকলে নিজৰ দেশখনক নিপ্পন (Nippon or Nihon- the Land of Rising Sun), অৰ্থাৎ সূৰ্য উঠা দেশ বোলে। জাপানৰ উপকূল ৰেখাৰ দৈৰ্ঘ ২৬,৬০০ কিলোমিটাৰ। মুঠ মাটিকালি ৩,৭৭,৭৬৫ বৰ্গ কিলোমিটাৰ। হিন্দু আৰু বৌদ্ধ প্ৰধান ধৰ্ম, অৱশ্যে তাত খৃষ্টান আৰু অন্যান্য ধৰ্মৰ লোকে আছে, যদিও সেইবিলাকৰ অনুগামীৰ সংখ্যা অত্যন্ত তাকৰ। সাংস্কৃতিকভাৱে চীন আৰু কোৰিয়াৰ সৈতে জাপানৰ সাদৃশ্য মন কৰিবলগীয়া।

অতি প্ৰাচীন কালৰপৰাই জাপানত ৰাজতান্ত্ৰিক শাসন ব্যৱস্থা চলি আহিছে। জিমো টেনো (Jimmu Tenno) আছিল জাপানৰ প্ৰথম সম্ৰাট, তেওঁ ৬৬০ খৃষ্টাব্দপূৰ্বত ৰাজত্ব কৰিছিল। এতিয়াও তেওঁৰ বংশধৰে জাপানত ৰাজত্ব কৰি আছে। বৰ্তমান জাপানত সংসদীয় ৰাজতন্ত্ৰ চলি আছে। জাপানত সম্ৰাটক মিকাডো (Mikado) বোলে। সম্ৰাট শাসনৰ মূৰব্বী আছিল যদিও দেশৰ প্ৰকৃত ক্ষমতাৰ অধিকাৰী আছিল চুগোন (Shogun-the commander-in-chief) অৰ্থাৎ সামৰিক বাহিনীৰ মূৰব্বীজন।

মেইজী শাসনৰ আৰম্ভণিলৈ (জানুৱাৰী, ১৮৬৮) জাপানত সামন্তীয় ব্যৱস্থা প্ৰচলিত আছিল। মেইজী (Meiji) সম্ৰাট মিটছুহিটোৰ (Mitsuhito) ৰাজত্ব কালৰপৰা (১৮৬৮-১৯১২) জাপানত আধুনিকীকৰণ প্ৰক্ৰিয়াৰ সূচনা হয় আৰু জাপানে ক্ৰমাগতভাৱে সামন্তবাদৰপৰা পুঁজিবাদলৈ উত্তৰণ কৰিবলৈ লয়। তেওঁৰ ৰাজত্ব কালতে ফৰাচী বিশেষজ্ঞৰ দ্বাৰা আইন বিধিবদ্ধ কৰা আৰু সামৰিক লোকক প্ৰশিক্ষণ দিয়া, ইংৰাজলোকৰ দ্বাৰা ৰেললাইন বহুওৱাৰ লগতে টেলিগ্ৰাফ লাইন বহুওৱা আৰু নৌ-বাহিনী তৈয়াৰ কৰা, জাৰ্মানসকলৰ দ্বাৰা চিকিৎসা বিদ্যাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে জনস্বাস্থ্যৰ উন্নয়ন, আৰু মাৰ্কিন লোকৰ দ্বাৰা শিক্ষা সম্প্ৰচাৰৰ সূচনা কৰা হয়। এইবিলাকৰ অঙ্গাঙ্গীভাৱে দেশত সাংবিধানিক শাসনতন্ত্ৰৰ প্ৰবৰ্তন কৰাৰ প্ৰতিও গুৰুত্ব প্ৰদান কৰা হয়। তাৰেই ফলশ্ৰুতিত ১৮৮৯ চনত জাপানত নতুন সংবিধান এখন বলবৎ কৰা হয়।

সংবিধানৰ সকলো ক্ষমতাৰ উৎস আছিল সম্ৰাট। এই সংবিধান মৰ্মে দেশত দ্বি-সদনযুক্ত সংসদীয় শাসনতন্ত্ৰৰ ব্যৱস্থা ৰখা হৈছিল। দেশৰ অভিজাত আৰু চহকী শ্ৰেণীৰ লোকৰ দ্বাৰা আৰু তেওঁলোকৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধিক লৈ উচ্চ সদন গঠিত হৈছিল। আনহাতে নিম্ন সদন গঠিত হৈছিল দেশৰ মুঠ জনসংখ্যাৰ প্ৰায় ১ শতাংশ প্ৰাপ্তবয়স্ক পুৰুষ ভোটাধিকাৰৰ ভিত্তিত নিৰ্বাচিত প্ৰতিনিধিৰ দ্বাৰা। ইফালে সম্ৰাটক পৰামৰ্শ দিবলৈ তেওঁৰ এখন আছুতীয়া পাৰিষদ (Genro) আছিল, সেইখন ১৮৮৮ চনৰপৰাই বৰ্তি আছিল। দেশৰ গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত এই পাৰিষদখনে সম্ৰাটক সহায় কৰিছিল। তদুপৰি ১৮৮৫ চনৰপৰা চলি অহা মন্ত্ৰীসভাখন সদায়েই সংসদৰ পৰিবৰ্তে সম্ৰাটৰ প্ৰতি দায়বদ্ধ থাকিব লাগিছিল। এইদৰে দেখা যায় যে মেইজী সংবিধানৰ ফলশ্ৰুতিত দেশত প্ৰধানতঃ দুটা তাৎপৰ্যপূৰ্ণ ৰাজনৈতিক আৰু প্ৰশাসনিক সংস্কাৰ সাধন কৰা হৈছিল। প্ৰথমতে, ইয়াৰ দ্বাৰা দেশত সংসদীয় গণতন্ত্ৰৰ সূচনা কৰা হৈছিল আৰু দ্বিতীয়তে জাপানত সামন্ততন্ত্ৰৰ অৱসান ঘটোৱা হৈছিল।

জাপানৰ প্ৰধানমন্ত্ৰী আৰু আধুনিক জাপানৰ সামৰিক বাহিনীৰ স্ৰষ্টা য়মাগাটাৰ

পৰামৰ্শ মৰ্মে ১৯০০ চনত সম্ৰাটে জাৰি কৰা ৰাজকীয় অধিসূচনা যোগে মন্ত্ৰীসভাত কেৱল কৰ্মৰত উচ্চ পদস্থ সামৰিক বিষয়াকহে (Generals and Lieutenant-Generals) যুদ্ধ মন্ত্ৰী (Minister of War) আৰু নৌ-বাহিনীৰ মন্ত্ৰী (Minister of Navy) নিযুক্ত কৰাৰ ব্যৱস্থা কৰা হয়। সংবিধানিক তথা সংসদীয় গণতন্ত্ৰত সামৰিক বাহিনীক এই ধৰণৰ কৰ্তৃত্ব প্ৰদান কৰা কাৰ্যই ভৱিষ্যতে দেশত সামৰিক অভ্যুত্থান তথা সামৰিক শাসন প্ৰতিষ্ঠা হোৱাৰ পথ প্ৰশস্ত কৰি তুলিছিল। আনকি যুদ্ধ আৰু শান্তি সম্পৰ্কীয় গুৰুত্বপূৰ্ণ দিশত তেতিয়াৰপৰাই সামৰিক বাহিনীয়ে মন্ত্ৰীসভাৰ সিদ্ধান্তৰ ক্ষেত্ৰত মাজে-সময়ে বাধা প্ৰদান কৰাৰ লগতে নিজৰ অনুকূলে সিদ্ধান্ত লোৱাত সক্ষম হৈ পৰিছিল। এই প্ৰৱনতা আছিল দেশৰ বাবে আৰু লগতে বিশ্ব শান্তিৰ বাবে অত্যন্ত বিপজ্জনক। অকল সেইটোৱে নহয়, চীন আৰু ৰুচ দেশৰ বিৰুদ্ধে লাভ কৰা সামৰিক বিজয়ে অসামৰিক প্ৰশাসনৰ বিপৰীতে জাপানত সেনা বাহিনীক জনসাধাৰণৰ মাজত অত্যন্ত জনপ্ৰিয় কৰি তুলিছিল। ফলশ্ৰুতিত সেই সময়ৰপৰা প্ৰশাসনৰ সকলো ক্ষেত্ৰতে সামৰিক বাহিনীৰ উচ্চ পদস্থ বিষয়াসকলৰ সিদ্ধান্তই প্ৰাধান্য পাবলৈ লৈছিল।

সি যি কি নহওক, দেশৰ প্ৰশাসনিক-ৰাজনৈতিক দিশত এই ধৰণৰ অগ্ৰগতি লাভ কৰাৰ পিচত জাপানে লাহে লাহে পশ্চিমীয়া দেশসমূহক অনুকৰণ কৰি নিজকে আগ্ৰাসী জাতীয়তাবাদী আৰু সাম্ৰাজ্যবাদী শক্তিৰূপে প্ৰতিষ্ঠা কৰাৰ দিশত ধাবমান হৈছিল। ১৮৯৪-৯৫ চনৰ চীন-জাপান যুদ্ধ আৰু তাৰ পৰৱৰ্তী কালত ১৯০৪-০৫ চনৰ ৰুচ-জাপান যুদ্ধত যথাক্ৰমে চীন আৰু ৰুচ দেশক পৰাভূত কৰি জাপানে নিজৰ সামৰিক শক্তি প্ৰদৰ্শন কৰি সুদূৰ প্ৰাচ্যত এক প্ৰধান ৰাজনৈতিক শক্তিত পৰিণত হৈছিল। ১৮৯৫ চনৰপৰা ১৯১৪ চনলৈ জাপানে ক্ৰমান্বয়ে প্ৰশান্ত মহাসাগৰীয় অঞ্চলত নিজৰ আধিপত্য স্থাপন কৰিবলৈ সক্ষম হৈছিল। এই সময়ছোৱাত জাপানে ক্ৰমে ফৰমোছা, পেছকাডোৰছ, লিয়াটুং আৰু পৰ্ট আৰ্থাৰসহ দক্ষিণ মাঞ্চুৰিয়া দখল কৰে। ৰুচ-জাপান যুদ্ধৰ পৰিণতি স্বৰূপে ১৯০৫ চনত জাপানে মাঞ্চুৰিয়াৰ ৰাজধানী মুকদেন দখল কৰে। ১৯১০ চনত জাপানে কোৰিয়া দখল কৰে আৰু ইয়াৰ পৰৱৰ্তী ৩০ বছৰ ধৰি কোৰিয়াত জাপানৰ আধিপত্য অক্ষুণ্ণ থাকে। ১৯০৭, ১৯১০ আৰু ১৯১৭ চনত জাপানে দক্ষিণ মাঞ্চুৰিয়া দখল কৰি তাত নিজৰ ৰাজনৈতিক-অৰ্থনৈতিক আধিপত্য স্থাপন কৰে।

১৯১২ চনত মেইজী সম্ৰাট মিটছুহিটোৰ পৰলোক প্ৰাপ্তি ঘটে আৰু তেওঁৰ পুত্ৰ য়ুছিহিটোয়ে সিংহাসন লাভ কৰে। তেওঁৰ শাসনকালক টাইছু (Taisho) বোলা হয়। এইজন সম্ৰাটৰ শাসনকালতে প্ৰথম বিশ্ব যুদ্ধ আৰম্ভ হয় আৰু জাপানে ১৯০২ চনৰ ইংগ-জাপান

চুক্তিৰ গইনা লৈ বৃটেইন তথা মিত্র শক্তিৰ সমৰ্থনত যুদ্ধত জড়িত হৈ পৰে। যুদ্ধ অন্ত পৰাত ভাৰ্চাই শান্তি সন্মিলনত বিশ্বৰ অন্য চাৰিটা বৃহৎ শক্তিৰ লগতে জাপানে পঞ্চম বৃহৎ শক্তিৰূপে আসন লাভ কৰিছিল। উল্লেখ কৰিব পাৰি যে তেনে শক্তিৰ অধিকাৰী হোৱা এছিয়া মহাদেশৰ জাপানেই আছিল একমাত্র দেশ। তেতিয়াৰপৰাই বিশ্ব ৰাজনীতিত জাপানৰ প্ৰতিপত্তি আৰু প্ৰাধান্য বাঢ়ি আহে আৰু পৰবৰ্তী কালছোৱাত জাপনে অন্যান্য বৃহৎ শক্তিৰ লগতে ৱাছিংটন সন্মিলন (১৯২১-২২), ইংলেণ্ড, মাৰ্কিন যুক্তৰাষ্ট্ৰ, ফ্ৰান্স আৰু জাপানক লৈ স্বাক্ষৰিত চাৰি শক্তিৰ চুক্তি (ডিচেম্বৰ, ১৯২১), মাৰ্কিন যুক্তৰাষ্ট্ৰ, ফ্ৰান্স, ইটালী, ইংলেণ্ড আৰু জাপানৰ মাজত স্বাক্ষৰিত পঞ্চ শক্তি চুক্তি (১৯২২), আৰু বিশ্বৰ নটা বৃহৎ শক্তিৰ দ্বাৰা ১৯২২ চনৰ যেফ্রুৱাৰীত স্বাক্ষৰিত চুক্তিৰ অংশীদাৰত পৰিণত হয়। এইবিলাকৰপৰা দেখা যায় যে প্ৰথম বিশ্ব যুদ্ধৰ সময়ৰপৰা সুদূৰ প্ৰাচ্যৰ যিকোনো ৰাজনৈতিক-বাণিজ্যিকআৰু ঔপনিবেশিক প্ৰশ্নতে পশ্চিমীয়া বৃহৎ শক্তিসমূহৰ বাবে জাপানক উপেক্ষা কৰাটো অসম্ভব হৈ উঠিছিল।

বিশ্ব ৰাজনীতিত জাপানৰ প্ৰতিপত্তি আৰু প্ৰাধান্য বাঢ়ি অহাৰ সমান্তৰালভাৱে আভ্যন্তৰীণ দিশত জাপানৰ ৰাজনৈতিক-প্ৰশাসনিক নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত সামৰিক বিষয়াসকলৰ প্ৰভুত্বও লক্ষণীয়ভাৱে বৃদ্ধি পাই আহিছিল। ক্ষমতালিপ্সু সামৰিক বিষয়াসকলৰ সিদ্ধান্ত মৰ্মেই ১৯৩১ চনত জাপানে মাঞ্চুৰিয়া আক্ৰমণ কৰি দখল কৰে। তেতিয়াৰপৰাই জাপানৰ ৰাজনীতিত সামৰিক বাহিনীৰ কৰ্তৃত্ব লক্ষণীয়ভাৱে দৃশ্যমান হৈ পৰে। ১৯৩৮ চনত দেশত জাতীয় সামৰিক আইন (National Mobilisation Law, 1938) বলবৎ হোৱাৰ লগে লগে জাপানত গণতন্ত্ৰৰ যি অৱশিষ্ট আছিল সেইখিনিও বিলুপ্ত হৈ পৰে। এই ঘটনাৰ পিচত জাপানৰ আভ্যন্তৰীণ প্ৰশাসন আৰু ইটালী আৰু জাৰ্মানীৰ ফেচিষ্ট শাসনৰ মাজতপাৰ্থক্য নোহোৱা হৈ পৰে। জাপানত কেৱল সম্ৰাটৰ উপস্থিতিয়ে জাতীয় ঐক্য বজাই ৰখাত সহায় কৰিছিল। এই সামৰিক নেতৃত্বৰ অধীনত জাপানে ফেচিষ্ট জোঁটৰ অংশীদাৰৰূপে দ্বিতীয় বিশ্ব যুদ্ধত লিপ্ত হৈ পৰে। সেই সময়ত জেনেৰেল হাইডেকী টজোয়ে (১৮৮৪-১৯৪৮) (General Hideki Tojo) সামৰিক বাহিনীত নিজৰ প্ৰাধান্য প্ৰতিষ্ঠা কৰি প্ৰায় সকলো ক্ষমতাৰ গৰাকীত পৰিণত হৈছিল। ১৯৪০ চনৰ জুলাই মাহত তেওঁ জাপানৰ যুদ্ধ আৰু গৃহ মন্ত্ৰী হয় আৰু ১৯৪১ চনৰ অক্টোবৰত প্ৰধানমন্ত্ৰী হয়। ইয়াৰ ওপৰিও ১৯৪৪ চনত তেওঁ জাপানৰ সেনা বাহিনীৰ সৰ্বাধিনায়ক (Chief of the Army General Staff) পদবীত সমাসীন হয়। গতিকে দেখা যায় দ্বিতীয় বিশ্ব যুদ্ধৰ কালছোৱাত টজোয়ে জাপানত একনায়কতন্ত্ৰ প্ৰতিষ্ঠা কৰি সামৰিক শাসন চলাইছিল। ১৯৪৪ চনৰ

জুলাই মাহত টজোৰ নেতৃত্বাধীন মন্ত্ৰীসভাই পদত্যাগ কৰে। মিত্ৰ শক্তিৰ হাতত জাপানে আত্মসমৰ্পন কৰাৰ পিচত টজোক যুদ্ধ কৰাৰ অপৰাধত বিচাৰ কৰি মৃত্যু দণ্ডেৰে দণ্ডিত কৰি ফাঁচী দি হত্যা কৰা হৈছিল। (দ্বিতীয় বিশ্ব যুদ্ধত জাপানৰ ভূমিকা সম্পৰ্কে ইতিপূৰ্বে তৃতীয় অধ্যায়ত আলোচনা কৰি অহা হৈছে।)

ছোভিয়েট ৰাচিয়াৰ অভ্যুদয়ঃ

বিপ্লৱৰ পূৰ্ব ৰুচ দেশৰ জনসাধাৰণৰ জীৱন-জীৱিকা সম্পৰ্কত তথা তেওঁলোকৰ অৰ্থনৈতিক আৰু সামাজিক জীৱনধাৰা সম্পৰ্কে তলৰ কবিতাটিৰপৰা কিছু আভাস পাব পাৰি—

"The year's not important,
The place scarcely matters,
Where seven good peasants
Once met on a high-road,
From Province 'Hard-Battered",
From District "Most Wretched,"
From "Destitute" Parish,
From neighbouring hamlets-
"Patched", Barefoot" and "Shabby",
"Bleak", "Burnt-out", and "Hungry",
From "Harvestless" also,
They met and disputed
Of who can, in Russia,
Be happy and free?" —Nekrassov

ইয়োৰূপ আৰু এছিয়া—এই দুয়োখন মহাদেশতে বিস্তৃত হৈ থকা ছোভিয়েট ৰাচিয়া এক বিশাল দেশ, ১৯৮৫ চনৰ এক পৰিসংখ্যা মতে ইয়াৰ মুঠ মাটি-কালি হ'ল ২,২৪,০০,০০০ বৰ্গ কিলোমিটাৰ। বিপ্লৱৰ সময়ত ছোভিয়েট ৰাচিয়াৰ মুঠ জনসংখ্যা আছিল ১৬০ মিলিয়ন। এই দেশখনত বিপ্লৱ সংঘটিত হোৱাৰ পিচৰ বছৰতে ১৯১৮ চনৰ জুলাই মাহত এখন নতুন সংবিধান তৈয়াৰ কৰি প্ৰশাসনৰ ক্ষেত্ৰত পৰিবৰ্তন সাধন কৰা হৈছিল। পিচত ১৯২৪ চনত পুনৰ এখন নতুন সংবিধান ৰচনা কৰি দেশখনৰ নাম দিয়া হৈছিল সংযুক্ত ছোভিয়েট সমাজতান্ত্ৰিক প্ৰজাতন্ত্ৰ (Union of Soviet Socialist Re-

public, USSR)। ১৯২৪ চনৰ সবিংধান মতে ছোভিয়েট ইউনিয়নত মুঠতে৭ খন প্ৰজাতন্ত্ৰ আছিল, ১৯৩৬ চনত নতুন সংবিধান প্ৰবৰ্তন কৰাৰ সময়ত প্ৰজাতন্ত্ৰৰ সংখ্যা ১১ খনলৈ বৃদ্ধি কৰা হৈছিল।

ৰাছিয়া প্ৰধানতঃ আছিল এখন কৃষি প্ৰধান দেশ। জাৰ (Czar or Tsar) তথা সম্ৰাটৰ আমোলত দেশৰ মুঠ জনসংখ্যাৰ অধিকাংশই আছিল দাস (Serfs) আৰু ইয়াৰ কৃষি উপযোগী ভূমিৰ ১০ ভাগৰ ৯ ভাগ আছিল ৰুচ সম্ৰাট, ৰাজ পৰিয়াল আৰু প্ৰায় ১ লাখ সম্ভ্ৰান্ত তথা ডা-ডাঙৰীয়া শ্ৰেণীৰ লোকৰ অধিকাৰ তথা ভোগ-দখলত, বাকী ১ ভাগ কৃষি উপযোগী ভূমি আছিল মুক্ত কৃষকৰ (Free peasants) দখলত। দাসসকলৰ কোনো ধৰণৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক অধিকাৰ নাছিল। ভূমিৰ দৰে তেওঁলোকৰো মালিক বা গৰাকী আছিল সমাজৰ উচ্চবিত্ত শ্ৰেণীৰ লোকসকল। ৰুচ সম্ৰাট দ্বিতীয় আলেকজেণ্ডাৰে ১৮৬১ চনত এখন ৰাজকীয় ঘোষণাৰ জড়িয়তে দাসসকলক মুকলি কৰি দিছিল যদিও তেওঁলোকৰ বিশেষ কোনো অৰ্থনৈতিক পৰিবৰ্তন হোৱা নাছিল। তিনিটা সামাজিক শ্ৰেণীৰ ভিতৰত দাসসকলৰ অৱস্থাই আছিল অত্যন্ত শোচনীয়। সমগ্ৰ দেশখনৰ অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক সকলো দিশতে পশ্চাদপদতা আছিল লক্ষণীয়।



ছেইন্ট পিটাৰ্ছবাৰ্গৰ এখন সভাত লেনিন, ১৮৯৭ চনত

কিন্তু বিপ্লৱৰ পিচৰেপৰাই এই দেশখনে প্ৰতিটো দিশতে দ্ৰুত উন্নয়নৰ পথত অগ্ৰসৰ হৈছিল। কৃষি, শিল্প, বাণিজ্য, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা, শৈক্ষিক, সাংস্কৃতিক উন্নয়নৰ দিশত ব্যাপক অগ্ৰগতি লাভ কৰিছিল। বিপ্লৱৰ সময়ছোৱাতে দেশত আৰম্ভ হোৱা বৈদেশিক সামৰিক হস্তক্ষেপৰ অন্ত নৌপৰোঁতেই

(১৯১৮-২১) দেশৰ বিশেষকৈ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত ভালেমান নতুন পদক্ষেপ লৈছিল। ১৯১৮ চনৰপৰা ১৯২১ চনলৈ দেশৰ অৰ্থনৈতিক উন্নয়নৰ এই সময়ছোৱাক 'ৱাৰ কমিউনিজম'(War Communism) ৰূপে জনা যায়। বিপ্লৱৰ পিচতে দেশখনত দেখা দিয়া আটাইতকৈ ডাঙৰ সমস্যা আছিল খাদ্য সমস্যা। সেয়ে কৃষকসকলে নিৰ্দিষ্ট হাৰত খাদ্য শস্যৰ যোগান ধৰাটো বাধ্যতামূলক কৰা হৈছিল। লগতে দেশখনৰ সমুদায় শিল্প উদ্দ্যোগ আৰু প্ৰতিষ্ঠানসমূহৰ জাতীয়কৰণ কৰা হৈছিল আৰু ব্যক্তিগত মালিকানাধীন উদ্দ্যোগ প্ৰতিষ্ঠানৰ ক্ষেত্ৰত নিষেধাজ্ঞা বলবৎ কৰা হৈছিল আৰু সেই উদ্দ্যোগ প্ৰতিষ্ঠানত উৎপাদিত সামগ্ৰীসমূহ বজাৰত বিক্ৰি কৰাৰ ক্ষেত্ৰতো কটকটীয়া বাধা-নিষেধ আৰোপ কৰা হৈছিল।

ফলশ্ৰুতিত সকলো ক্ষেত্ৰতে উৎপাদনৰ হাৰ কমি গৈছিল। বিশেষকৈ বৃহৎ উদ্দ্যোগ প্ৰতিষ্ঠানবোৰৰ উৎপাদন ক্ষমতা প্ৰথম বিশ্ব যুদ্ধৰ আগতকৈ ১৯২০ চনত প্ৰায় ১২ শতাংশ আৰু কৃষি উৎপাদন ৩ শতাংশ হ্ৰাস পাইছিল। সমগ্ৰ অৰ্থনৈতিক ব্যৱস্থাটোৱেই ভাঙি যোৱাৰ উপক্ৰম হৈছিল আৰু দেশত দুৰ্ভিক্ষই দেখা দিছিল। প্ৰায় ৪০ মিলিয়ন লোক পুষ্টিহীনতাত ভোগাৰ লগতে আন ৫০,০০,০০০ লাখ লোক মৃত্যু মুখত পৰিছিল। বৈদেশিক সামৰিক হস্তক্ষেপৰ বিপৰীতে সাফল্য লাভ কৰিলেও অৰ্থনৈতিক পুনৰ গঠনৰ ক্ষেত্ৰত দেশে প্ৰথম অৱস্থাত হাৰ মানিছিল।

লেনিনে সেয়ে অৰ্থনৈতিক পুনৰ গঠনৰ ক্ষেত্ৰত দেখা দিয়া ত্ৰুটিৰ প্ৰতি সচেতন হৈ তৎকালেই 'ৱাৰ কমিউনিজম' বাতিল কৰি ১৯২১ চনৰপৰা কাৰ্যকৰী হোৱাকৈ নতুন অৰ্থনৈতিক আঁচনি বা নীতি (New Economic Policy or NEP) প্ৰবৰ্তন কৰিলে। এই নীতিৰ আধাৰতো কাম-কাজ বিশেষ আগবঢ়াৰ সময়তেই দেশত পুনৰ দুৰ্ভিক্ষই দেখা দিলে। এইবাৰো খাদ্য উৎপাদন বহল পৰিমাণে হ্ৰাস পোৱাৰ লগতে কেবা লাখ মানুহ মৃত্যু মুখত পৰিল।

অৱশ্যে পিচৰ বছৰৰপৰাই দেশে খাদ্য উৎপাদনত স্বাৱলম্বিতা লাভ কৰিবলৈ ধৰিলে। লগে লগে শিল্পৰ বিকাশতো যথেষ্ট অগ্ৰগতি লাভ কৰা হৈছিল, কিন্তু গুৰু শিল্পৰ বিকাশ আৰু উন্নয়নৰ ক্ষেত্ৰত ভালেমান সময়ৰ প্ৰয়োজন হ'ল। এই যে বিকাশৰ আৰম্ভণি হ'ল সি ক্ৰমাগতভাৱে উন্নয়নৰ দিশত গতি কৰিলে আৰু দেশে সকলো ক্ষেত্ৰতে সাফল্য লাভ কৰিবলৈ ধৰিলে। বৈদেশিক বাণিজ্যৰ ক্ষেত্ৰতো দেশে যথেষ্ট সাফল্য লাভ কৰিলে। ১৯২৩-২৪ৰ বছৰটোত খাদ্য শস্যকে ধৰি কৃষিজাত সামগ্ৰীৰ ৰপ্তানি বাণিজ্যৰ বৃদ্ধি হয় ৭৫ শতাংশ আৰু সেইদৰে শিল্পজাত সামগ্ৰীৰ আমদানি বাণিজ্যৰ পৰিমাণ হয়গৈ ৭৫

শতাংশ। এই সাফল্য সম্ভৱ হৈছিল 'নেপ'ৰ বাবে।

এইখিনিতে আৰু এটা কথা উল্লেখ কৰিব লাগিব যে সমাজতান্ত্ৰিক ছোভিয়েট ৰাচিয়াত ১৯২০ চনৰপৰাই কৃষিৰ ক্ষেত্ৰত সামুহিক কৃষি পামৰ ব্যৱস্থা চালু কৰা হৈছিল আৰু তাৰ মাধ্যমত উৎপাদনৰ ক্ষেত্ৰত অগ্ৰগতি লাভৰ পৰিকল্পনা সাধিত হৈছিল। এই সামুহিক কৃষি পামৰ মাধ্যমত কৃষি কাৰ্যৰ সূচনাই ছোভিয়েট দেশৰ কৃষি ক্ষেত্ৰত কুলক তথা ধনী কৃষকসকলৰ আধিপত্য খৰ্ব কৰিছিল। দ্বিতীয় বিশ্ব যুদ্ধৰ প্ৰাক্ মুহূৰ্ত্তত ছোভিয়েট দেশত প্ৰায় ৯৫ শতাংশ কৃষি ক্ষেত্ৰত সামুহিক কৃষি কাৰ্য সম্পাদন কৰিবলৈ লোৱা হৈছিল।

১৯২৪ চনৰ জানুৱাৰী মাহত লেনিনৰ মৃত্যু হয়। লেনিনৰ (১৮৭০-১৯২৪) প্ৰকৃত নাম আছিল ভ্লাদিমিৰ ইলিছ্ উলিয়ানোভ (Vladimir Ilyich Ulianov)। ছোভিয়েট ৰাচিয়াত সমাজতান্ত্ৰিক পুনৰ গঠনত লেনিনৰ প্ৰভূত অৱদান আছিল। তেওঁ ১৭ বছৰ বয়সতে, বিশেষকৈ ৰুচ সম্ৰাট তৃতীয় আলেকজেণ্ডাৰক হত্যা কৰিবলৈ কৰা ষড়যন্ত্ৰৰ অপৰাধত জ্যেষ্ঠ ভায়েকক ফাঁচী দি মৰাৰ পিচৰপৰা, সম্পূৰ্ণৰূপে সমাজবাদী আদৰ্শত দীক্ষিত হৈ পৰে; বিপ্লৱী ৰাজনীতিৰ প্ৰতি আনুগত্য থকাৰ অপৰাধতেই তেওঁক কৰ্তৃপক্ষই কাজান বিশ্ববিদ্যালয়ৰপৰা বহিষ্কাৰ কৰিছিল। পিচত তেওঁ ছেইণ্ট পিটাৰ্ছবাৰ্গৰপৰা আইনৰ ডিগ্ৰী ললেও ওকালতি কৰাৰ পৰিবৰ্তে নিজকে পেছাদাৰী বিপ্লৱীৰূপে গঢ়ি তোলাত আত্মনিয়োগ কৰে। বিপ্লৱী ৰাজনীতিৰ সংস্পৰ্শত থকাৰ বাবেই তেওঁ পোনতে ১৮৯৭-১৯০০ চনৰ কালছোৱাত চাইবেৰিয়াত নিৰ্বাসিত জীৱন কটায় আৰু পিচত ১৯০০-১৭ চনৰ কালছোৱাত ৰাচিয়াৰ শ্ৰমজীৱী মানুহৰ স্বাৰ্থত ৰুচ দেশৰ চোছিয়েল-ডেমোক্ৰেটিক দলৰ কৰ্মীৰূপে পশ্চিম ইয়োৰোপত ছদ্মবেশী ৰূপত কাল অতিবাহিত কৰে। ১৯১৭ চনৰ অক্টোবৰ বিপ্লৱত অন্যান্যসকলৰ লগতে তেওঁৰ প্ৰধান সহযোগী আছিল ষ্টেলিন আৰু ট্ৰটস্কী। প্ৰধানতঃ এই ত্ৰিমূৰ্ত্তিয়েই আছিল ৰুচ বিপ্লৱৰ স্ৰষ্টা।

ছোভিয়েট ৰাচিয়াত সমাজতান্ত্ৰিক ৰাষ্ট্ৰ-ব্যৱস্থা প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত লেনিনৰ অৱদানৰ প্ৰতি সচেতন থাকিয়েই ঐতিহাসিক এ জে পি টেইলৰে কৈছে, "Lenin did more than any other political figure to change the face of the twentieth century world The creation of Soviet Russia and its survival were due to him. He was a very great man and even, despite his faults, a very good man "

লেনিনৰ মৃত্যুৰ প্ৰায় লগে লগেই যোছেফ ষ্টেলিন (১৮৭৯-১৯৫৩) ছোভিয়েট ৰাষ্ট্ৰৰ সৰ্বময় কৰ্তাত পৰিণত হয়। তেওঁৰ প্ৰকৃত নাম আছিল যোছেফ ভিচাৰীওনোভিছ



ছদ্মবেশী লেনিন, আগষ্ট, ১৯১৭

ডু গাভিলী (Joseph Vissarionovich Dzhugahvili)। দেউতাক আছিল এজন সাধাৰণ মুচী তথা জোতা নিৰ্মাতা আৰু তেওঁ ষ্টেলিনক পাদ্ৰী হোৱাটো পছন্দ কৰি সেই মতে শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। কিন্তু বাইবেলতকৈ দাস কেপিটেলেহে ষ্টেলিনক বেছিকৈ আকৰ্ষিত কৰিলে আৰু তেওঁ ১৯০৩ চনত লেনিনৰ অনুগামী আৰু সংগী আৰু সহযোগীত পৰিণত হয়। তেওঁৰ কেবাটাও উপনাম বা ছদ্মনাম আছিল তাৰ ভিতৰত ষ্টেলিনটোৱে তেওঁ অধিক পৰিচিত হৈ পৰে। ষ্টেলিন এখন দেশত সামজ্যবাদ প্ৰতিষ্ঠাৰ পক্ষপাতী আছিল। আনহাতে লেনিনৰ অন্যতম অনুগামী আৰু সহযোগী লিও বৰ্নষ্টেইন ওৰফে লিও ট্ৰট্স্কী (১৮৭৯-১৯৪০) (Leon Bronstein alias Leon Trotsky) আছিল বিশ্ব বিপ্লৱৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত বিপ্লবী লোক। লেনিনৰ মৃত্যুৰ পিচত সংঘটিত হোৱা ক্ষমতাৰ যুঁজত ট্ৰট্স্কী পৰাভূত হয় আৰু ষ্টেলিন ছোভিয়েট ৰাচিয়াৰ সৰ্বময় কৰ্তত্বৰ অধিকাৰী হৈ পৰে। আনহাতে ষ্টেলিন এখন দেশত (ছোভিয়েট ৰাচিয়াত) সামাজতন্ত্ৰ প্ৰতিষ্ঠাৰ পক্ষপাতী আছিল।

পশ্চিমৰ দেশসমূহৰ উন্নয়নৰ প্ৰতি আঙুলিয়াই এসময়ত ষ্টেলিনে কৈছিল, "We are fifty or a hundred years behind the advanced countries We must make good this lag in ten years Either we do it, or they crush us " সি যি কি নহওক, ১৯২৮ চনৰপৰা ষ্টেলিনে পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ(Five-year Plan) মাধ্যমত দেশৰ অৰ্থনৈতিক উন্নয়নৰ আঁচনি গ্ৰহণ কৰে। এই পৰিকল্পনা সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে তেওঁ ৰাষ্ট্ৰীয় পৰিকল্পনা আয়োগ (State Planning Commission, Gosplan) গঠন কৰাৰ ব্যৱস্থা কৰে আৰু দেশৰ অৰ্থনৈতিক উন্নয়নৰ সমুদায় কাম-কাজ এই আয়োগৰ কৰ্তৃত্বৰ অধীনলৈ আনে।

প্ৰথম পঞ্চ বাৰ্ষিক পৰিকল্পনা আৰম্ভ হয় ১৯২৮ চনৰপৰা ১৯৩৩ চনলৈ আৰু এই সময়ছোৱাত বিশেষকৈ উৎপাদন দুগুণ বৃদ্ধিৰ লক্ষ্য আগত ৰাখি প্ৰধানতঃ প্ৰাথমিক শিল্পৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল যাতে এই ক্ষেত্ৰত উৎপাদনৰ হাৰ ৩০০ শতাংশলৈ বৃদ্ধি কৰিব পৰা যায়। প্ৰথম পৰিকল্পনাৰ সময়তেই নিপাৰ নদীৰ জলবিদ্যুৎ প্ৰকল্প সম্পূৰ্ণ কৰি উলিওৱা হৈছিল। এই কাৰ্যত নেতৃত্ব দিছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ কাৰিকৰী বিশেষজ্ঞ

কুপাৰে, যিজনে ইতিমধ্যে আমেৰিকা যুক্তৰাষ্ট্ৰতে টেনিছি ভেলি বান্ধ নিৰ্মাণ কৰি সেই দেশত জলবিদ্যুৎ উৎপাদনত বিশেষ খ্যাতি অৰ্জন কৰিছিল। তদুপৰি এই সময়তেই ১১০০ মাইল জোৰা তাৰ্কিস্তান-ছাইবেৰিয়ান ৰেল লাইন বহওৱাৰ কামো আৰম্ভ কৰা হৈছিল।

পৰিকল্পিত অৰ্থনৈতিক উন্নয়ন প্ৰক্ৰিয়াই ছোভিয়েট দেশৰ আন্তৰ্ৰাষ্ট্ৰীয় সন্মান যথেষ্ট বৃদ্ধি কৰিছিল, কিয়নো সেই সময়ত বিশ্ব জোৰা অৰ্থনৈতিক মন্দাই ছোভিয়েট অৰ্থনীতিৰ কোনো ক্ষতি সাধন কৰিব পৰা নাছিল, বৰং পৰিকল্পিত অৰ্থনীতিয়ে দেশক বেছি সবলহে কৰি তুলিছিল। দ্বিতীয় পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত কেঁচামাল উৎপাদন ক্ষেত্ৰৰ ওচৰতে শিল্প প্ৰতিষ্ঠান গঢ়ি তোলাৰ ব্যৱস্থা কৰা হৈছিল। এই পৰিকল্পনাৰ কালছোৱাত ভোগ্য পণ্য উৎপাদনত অধিক গুৰুত্ব দিয়া হৈছিল যাতে মানুহৰ দৈনন্দিন জীৱন যাত্ৰা পদ্ধতিৰ আমূল পৰিবৰ্তন সাধন কৰিব পৰা যায়। উল্লেখ কৰিব পাৰি যে এই দুয়োটা পৰিকল্পনাৰ (১৯২৮-৩৮) মাধ্যমত ষ্টেলিনে বিচৰা মতে এটা দশকতে ছোভিয়েট দেশত ব্যাপক অৰ্থনৈতিক উন্নয়ন সাধিত হৈছিল, বিশেষকৈ শিল্পায়নৰ ক্ষেত্ৰত ছোভিয়েট দেশৰ স্থান আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু জাৰ্মানীৰ প্ৰায় সমপৰ্যায়লৈ উঠিছিল।

ৰাজনৈতিক নিপীড়ন তথা শুদ্ধিকৰণঃ

লেনিনৰ মৃত্যুৰ সমসাময়িকভাৱে বলছেভিক পাৰ্টিৰ আভ্যন্তৰীণ ক্ষেত্ৰত নেতৃত্বশালী অংশৰ মাজত ক্ষমতাৰ বাবে এক ভীষণ যুঁজ চলি আহিছিল। এই যুঁজত অনেক লোকৰ আনকি পাৰ্টিৰ বহু ত্যাগী নেতা আৰু কৰ্মীৰ মৃত্যু হৈছিল। সাধাৰণ অপৰাধতে আৰু বহু ক্ষেত্ৰতে মনে সঁজা অভিযোগৰ ভিত্তিত হাজাৰ হাজাৰ লোকৰ প্ৰাণ নাশ কৰা হৈছিল। ১৯৩৫ চনৰ জানুৱাৰী মাহত লেনিন আৰু ষ্টেলিনৰ সহযোগী আৰু সহযোদ্ধা জিনোভিয়েভ আৰু কামানেভক ভুৱা অভিযোগৰ ভিত্তিত গ্ৰেপ্তাৰ কৰি পিচত ইউক্ৰেইনক পৃথক কৰিবলৈ চেষ্টা কৰা বুলি বিচাৰৰ কাঠগড়াত থিয় কৰাই দোষী সাব্যস্ত কৰি গুলিয়াই হত্যা কৰিছিল। তদুপৰি ইজ্‌ভেষ্টিয়াৰ প্ৰাক্তন সম্পাদক কাৰ্ল ৰাডেক, বৃটেইনত থকা ছোভিয়েট দেশৰ ভূতপূৰ্ব ৰাষ্ট্ৰদূত গ্ৰেগৰি ছকোলনিকভ, গৃহ যুদ্ধৰ সময়ত বলছেভিক পাৰ্টিৰ প্ৰায় বীৰ পুৰুষৰূপে পৰিচিত মাৰ্চাল টুখাছেভেস্কি আদি পাৰ্টিৰ বিখ্যাত লোকসকলক মিছা অভিযোগৰ ভিত্তিত হত্যা কৰা হৈছিল।

আনহাতে বৰোদিন আৰু বেলাকুন আদি বলছেভিক পাৰ্টি শীৰ্ষস্থানীয় নেতাক গ্ৰেপ্তাৰ কৰি চাইবেৰিয়ালৈ নিৰ্বাসিত কৰিছিল। ১৯৩৭ চনত বলছেভিক দলৰ হাজাৰ হাজাৰ নেতা-কৰ্মীক গ্ৰেপ্তাৰ কৰি বন্দীশালত নিক্ষেপ কৰিছিল। পিচৰ বছৰত বুখাৰিণ, ৰাকোভস্কি আৰু ৰাইকভ আদিক হত্যা কৰি ষ্টেলিনে নিজৰ একছত্ৰী শাসন ব্যৱস্থা নিষ্কণ্টক কৰিছিল।

অৱশেষত ষ্টেলিনৰ ৰাজনৈতিক নেতৃত্বৰ প্ৰতিদ্বন্দ্বীৰূপে পৰিগণিত ট্ৰট্স্কীক দেশান্তৰিত কৰি পিচত ১৯৪০ চনত মেক্সিকোত তেওঁক হত্যা কৰিছিল।



যোছেফ ষ্টেলিন

ক্ষমতাৰ প্ৰতি মতলীয়া ষ্টেলিনে নিজকে ক্ষমতাত অধিষ্ঠিত কৰি ৰাখিবলৈ এইদৰে ছোভিয়েট দেশত সৰ্বহাৰাৰ একনায়কতন্ত্ৰৰ বিপৰীতে নিজস্ব এক-নায়কতন্ত্ৰ প্ৰতিষ্ঠা কৰিছিল। ষ্টেলিনে মুঠতে ১৯৩৫-৪০ৰ ভিতৰত ৮,০০,০০০ নেতা-কৰ্মী, সদস্যক নিৰ্মমভাৱে হত্যা কৰিছিল। এইহত্যা যজ্ঞত নিহত লোকসকলৰ ভিতৰত আছিল পলিট-ব্যুৰ'ৰ ১৩ জন সদস্যৰ ৬ জন আৰু ১৩৬ জনীয়া কেন্দ্ৰীয় সমিতিৰ ৯৮ জন সদস্য।

সামৰিক বাহিনীতো সমানেই এই ধৰণৰ হত্যা কাণ্ড সংঘটিত হৈছিল। তাৰ ভিতৰত উল্লেখনীয় আছিল ৫ জন মাৰ্চালৰ ভিতৰত ৩ জন, ১৬ জন কামাণ্ডাৰৰ ভিতৰত ১৪ জন, ৬৭ জন কৰ্পছ কামাণ্ডাৰৰ ভিতৰত ৬০ জন, ১৯৯ জন ডিভিজনেল কামাণ্ডাৰৰ ভিতৰত ১৩৬ জন, ৩৯৭ জন ব্ৰিগেদ কামাণ্ডাৰৰ ভিতৰত ২২১ জনক হত্যা কৰা হৈছিল। এইবিলাকৰ ওপৰিও সেনা বাহিনীৰ ৩৫,০০০ জন অন্যান্য বিভাগীয় প্ৰধানক হত্যা কৰা হৈছিল। এইবিলাকৰ ওপৰিও ভালেমান বিখ্যাত অৰ্থনীতিবিদ, সাহিত্যিক আৰু ঐতিহাসিকেও ষ্টেলিনৰ নিপীড়নৰপৰা হাত সাৰিব পৰা নাছিল। ইয়াকে চোভিয়েট দেশৰ ইতিহাসত বলছেভিক দল আৰু প্ৰশাসনৰ শুদ্ধিকৰণ বোলা হৈছিল।

এই ফালৰপৰা দেখা যায় ছোভিয়েট ৰাছিয়াত ষ্টেলিনে সংঘটিত কৰা হত্যাকাণ্ড আৰু ফেছিষ্ট নেতা মুছোলিনি আৰু হিটলাৰে ইটালী আৰু জাৰ্মানীত সংঘটিত কৰা নৰসংহাৰৰ

মাজত কোনো পাৰ্থক্য নাছিল। নিজক ক্ষমতাত ৰাখিবলৈ হিটলাৰ আৰু মুছ্লিনিয়ে যেনেকৈ বিৰোধী পক্ষৰ লোকক নিৰ্মমভাবে হত্যা কৰিছিল সৰ্বহাৰাৰ একনায়কতন্ত্ৰত বিশ্বাসী ষ্টেলিনেও তেনেকৈ নিজ চৰকাৰ আৰু দলৰ লোকক হত্যা কৰি কমিউনিষ্ট চৰিত্ৰ হেৰুৱাই পেলাইছিল। ক্ষমতাৰ প্ৰতি যে ষ্টেলিনৰ এক বিশেষ দুৰ্বলতা আছিল সেই কথা লেনিনে কেতিয়াবাই লক্ষ্য কৰিছিল আৰু সেয়ে তেওঁ তেওঁৰ অবিহনে ছোভিয়েট দেশৰ শাসনৰ মুৰব্বীৰূপে ট্ৰট্স্কীকে পছন্দ কৰি আহিছিল। ষ্টেলিনে প্ৰথমেৰেপৰাই নিজৰ মত আৰু ইচ্ছা অত্যন্ত কঠোৰভাবে প্ৰয়োগ কৰিবলৈ বিচাৰিছিল আৰু তাৰ বাবে প্ৰয়োজন হলে বিৰুদ্ধবাদীসকলক নিশেষ কৰিবলৈ বদ্ধপৰিকৰ আছিল। ষ্টেলিনৰ কাৰ্যই দেশৰ ভিতৰত এক শ্বাসৰুদ্ধ পৰিস্থিতিৰ সৃষ্টি কৰিছিল।

সি যি কি নহওক, ষ্টেলিনৰ তথাকথিত পাৰ্টিৰ শুদ্ধিকৰণ প্ৰক্ৰিয়াই দেশৰ বাহিৰত বহুতৰ মনত সন্দেহৰ সৃষ্টি কৰিছিল। সেয়ে বহুতে ফেচ্ছিজিম, নাজিজিম আৰু কমিউনিজিমক একেই দৃষ্টিৰে চাবলৈ লৈছিল। ছোভিয়েট ৰাচিয়াত ষ্টেলিনৰ নিৰ্যাতনৰ কথা-কাহিনীয়ে এতিয়াও মানুহৰ মনত ত্ৰাসৰ সৃষ্টি কৰে। অন্য কথা বাদেই সমাজতান্ত্ৰিক ছোভিয়েট ৰাচিয়াত লাভ কৰা অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, শৈক্ষিক, সাংস্কৃতিক আদি বিভিন্ন দিশৰ সাফল্যক বহু সময়তে ষ্টেলিনৰ নিৰ্মম নিৰ্যাতনে ম্লান আৰু নিষ্প্ৰভ কৰি তুলিছিল।

বৈদেশিক নীতিঃ

বিশ্ব বিপ্লৱৰ আকাংক্ষা আৰু লক্ষ্য আগত ৰাখি ছোভিয়েট দেশে সেই দেশৰ বৈদেশিক নীতি উদ্ভাৱন কৰি পৰিচালনা কৰিবলৈ লৈছিল। ক্ষমতাত অধিষ্ঠিত হোৱাৰ পিচতেই বলছেভিক পাৰ্টিয়ে ৰুচ দেশে জাৰতন্ত্ৰৰ আমোলত স্বাক্ষৰিত কৰা বৈদেশিক চুক্তি, সন্ধি আদি বাতিল কৰিছিল আৰু লগতে জাৰৰ আমোলত লোৱা বৈদেশিক ঋণ পৰিশোধ কৰাৰ দায়িত্বও প্ৰত্যাখ্যান কৰিছিল। সমাজতান্ত্ৰিক বিপ্লৱ সাফল্যমণ্ডিত হোৱাৰ পিচত লেনিনে কৈছিল যে বিশ্বৰ বিভিন্ন দেশত শোষিত আৰু নিপীড়িত মানুহৰ মুক্তিৰ স্বাৰ্থত বিশেষকৈ ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ কবলত থকা দেশসমূহৰ মুক্তিৰ স্বাৰ্থত সেই সেই দেশত সংঘটিত বিপ্লৱৰ প্ৰতি বলছেভিক পাৰ্টিয়ে সমৰ্থন দিব। এই বক্তব্যৰ দ্বাৰা লেনিনে বিশেষকৈ আঙুলিয়াইছিল ভাৰতবৰ্ষ, চীন, পাৰস্য আদি এছিয়া মহাদেশৰ দেশসমূহলৈ। কিয়নো কম-বেছি পৰিমাণে সেই দেশবিলাকৰ কোনো কোনোখনত (যেনে ভাৰতবৰ্ষ) তেতিয়ালৈ সাম্ৰাজ্যবাদ বিৰোধী আন্দোলনে ব্যাপক জনসমৰ্থন লাভ কৰিবলৈ সমৰ্থ হৈছিল।

এই লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখিয়েই ১৯১৯ চনত কমিউনিষ্ট আন্তৰ্জাতিক, চমুকৈ কমিনটাৰ্ণ গঠন কৰিছিল। এই সংগঠনৰ কেন্দ্ৰীয় কাৰ্যালয় আছিল মস্কোত।

ঔপনিবেশিক আৰু সাম্ৰাজ্যবাদৰ কবলত থকা বিশ্বৰ বহু দেশৰ কমিউনিষ্ট লোকে এই সংগঠনৰ মাধ্যমত সমবেত হোৱাৰ সুবিধা পাইছিল। এই সংগঠনৰ মূল উদ্দেশ্য আছিল সাম্ৰাজ্যবাদ আৰু পুঁজিবাদৰ উচ্ছেদ সাধন কৰা আৰু তাৰ ঠাইত সৰ্বহাৰাৰ চৰকাৰ স্থাপন কৰা। ইতিপূৰ্বে ১৯১৮ চনত বলছেভিক পাৰ্টিয়ে পূৰ্ব ইয়োৰোপ বিশেষকৈ বলকান উপমহাদেশ আৰু মধ্য প্ৰাচ্যৰ দেশসমূহৰ কিছুমানত থকা বিপ্লৱী সংগঠনসমূহক সমৰ্থন দিছিল। এই নীতি ১৯১৮ চনৰপৰা ১৯২১ চনলৈ বিশেষভাৱে কাৰ্যকৰী কৰা হৈছিল। ১৯২০ চনত ছোভিয়েট দেশে ফিনলেণ্ড, লাটভিয়া, এষ্টোনিয়া, লিথুৱানিয়া আৰু পিচৰ বছৰত পোলেণ্ডৰ সৈতে দ্বিপাক্ষিক চুক্তি স্বাক্ষৰ কৰি সেই দেশবিলাকৰ সৈতে বৈদেশিক সম্পৰ্ক স্থাপন কৰিছিল। ১৯২১ চনত আফগানিস্তান, তুৰস্ক আৰু পাৰস্যৰ সৈতেও ছোভিয়েট দেশে পৃথক পৃথক চুক্তিৰ মাধ্যমত দ্বিপাক্ষিক সম্পৰ্ক স্থাপন কৰিছিল। সমসাময়িকভাৱে ৰাচিয়াই ইংলেণ্ড আৰু জাৰ্মানীৰ সৈতেও বাণিজ্যিক চুক্তি স্বাক্ষৰ কৰি অৰ্থনৈতিক ক্ষেত্ৰত সেই দুয়োখন দেশৰ সৈতে সম্পৰ্ক স্থাপন কৰিছিল।

১৯২২ চনত জাৰ্মানী আৰু ১৯২৪ চনত ইটালী, ফ্ৰান্স আৰু ইংলেণ্ডে ছোভিয়েট ৰাচিয়াৰ বলছেভিক চৰকাৰৰ প্ৰতি স্বীকৃতি দিয়ে। এইটো ৰাচিয়াৰ বৈদেশিক নীতিৰ ডাঙৰ সাফল্য বুলি পৰিগণিত হৈছিল। ১৯২৪ চনত স্বাক্ষৰিত হয় ইংগ-ছোভিয়েট চুক্তি, ইয়াৰ জড়িয়তে ছোভিয়েট দেশে ইংলেণ্ডৰপৰা যথেষ্ট আৰ্থিক সাহায্য লাভ কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰই ফ্ৰেঙ্কলিন ৰুজভেল্টৰ শাসনকালত (১৯৩৩) ছোভিয়েট চৰকাৰৰ প্ৰতি স্বীকৃতি দিছিল। পিচৰ বছৰত ছোভিয়েট দেশে জাতি সংঘৰ সদস্যৰ পদ লাভ কৰিছিল আৰু প্ৰায় লগে লগেই সেই সংগঠনৰ পৰিষদৰ স্থায়ী সদস্য মনোনীত হৈছিল।

জাৰৰ আমোলৰপৰাই ৰুচ দেশ আৰু জাপানৰ মাজৰ সম্পৰ্ক মধুৰ নাছিল। বলছেভিক পাৰ্টিয়ে ক্ষমতা দখল কৰাৰ পিচত জাপান আছিল ৰাচিয়াত কৰা বৈদেশিক হস্তক্ষেপৰ অংশীদাৰ ৰাষ্ট্ৰ। ১৯২৫ চনত ৰুচ-জাপান চুক্তিৰ চৰ্ত মৰ্মে জাপানে চাইবেৰিয়া আৰু ছাখালীন দ্বীপৰ উত্তৰাংশৰপৰা নিজ সৈন্য অপসাৰণ কৰিছিল।

জাৰ্মানীত হিটলাৰৰ নেতৃত্বত নাজিসকলে ক্ষমতা দখল কৰাৰ পৰিপ্ৰেক্ষিতত ছোভিয়েট ৰাচিয়াৰ ৰাষ্ট্ৰীয় অখণ্ডতা আৰু নিৰাপত্তাৰ প্ৰশ্নটো অত্যন্ত জটিল হৈ পৰিছিল। কিয়নো হিটলাৰে তেওঁৰ ৰাজ্যৰ সম্প্ৰসাৰণৰ বাবে বাৰে বাৰে ছোভিয়েট দেশৰ পিনে আঙুলি টোৱাইছিল। আনহাতে ফ্ৰান্স আৰু বৃটেইন হিটলাৰৰ এই সম্প্ৰসাৰণবাদী নীতিৰ প্ৰতি সহানুভূতিশীল আছিল। ১৯৩৫ চনত ফ্ৰান্স আৰু ছোভিয়েট দেশৰ মাজত এটি দ্বিপাক্ষিক চুক্তি স্বাক্ষৰিত হৈছিল যদিও জাৰ্মান ভীতিয়ে ছোভিয়েট দেশক সততে পীড়া দি থাকিছিল।

অৱশেষত ১৯৩৯ চনত জাৰ্মানী আৰু ছোভিয়েট ৰাচিয়াৰ মাজত এটি অনাক্ৰমণাত্মক চুক্তি স্বাক্ষৰিত হোৱাত ছোভিয়েট দেশ নিৰাপত্তাৰ ক্ষেত্ৰত নিশ্চিত হৈছিল। কিন্তু সেই চুক্তি স্বাক্ষৰ কৰাৰ অন্তৰালত হিটলাৰৰ কুঅভিসন্ধিহে জড়িত হৈ আছিল। ১৯৪১ চনৰ জুন মাহত হিটলাৰৰ দ্বাৰা ছোভিয়েট ৰাচিয়া আক্ৰান্ত হোৱাৰ ঘটনাই সকলোকে স্তম্ভিত আৰু হতবাক কৰাৰ লগতে হিটলাৰৰ অসৎ উদ্দেশ্যাকো উন্মোচিত কৰিছিল। এই ঘটনাই ছোভিয়েট দেশকো দ্বিতীয় বিশ্ব যুদ্ধত লিপ্ত কৰি পেলালে। ৰোম-বাৰ্লিন-টকিও একছিদ্ৰৰ বিপৰীতে ছোভিয়েট ৰাচিয়াই মিত্ৰ শক্তিৰ অংশীদাৰত পৰিণত হৈ যুদ্ধত নামি পৰিল।

আৰ্হি প্ৰশ্নমালাঃ

ৰচনাধৰ্মী প্ৰশ্নঃ

১। ভাৰ্চাই শান্তি চুক্তিৰ চৰ্তসমূহৰ বিষয়ে আলোচনা কৰা।
২। ভাৰ্চাই শান্তি চুক্তিৰ সামৰিক চৰ্তাৱলী উল্লেখ কৰা।
৩। ভাৰ্চাই শান্তি চুক্তিৰ চৰ্তাৱলী জাৰ্মানীৰ বাবে কিয় ক্ষতিকাৰক আছিল আলোচনা কৰা।
৪। জাতিসংঘৰ গঠন সম্পৰ্কে আলোচনা কৰা।
৫। জাতিসংঘৰ কৃতকাৰ্যতা সম্পৰ্কে চমুকৈ বিবৃত কৰা।
৬। জাতিসংঘৰ পতন সম্পৰ্কে আলোচনা কৰা।
৭। কি কি কাৰকে জাতিসংঘৰ পতনত ইন্ধন যোগাইছিল আলোচনা কৰা।
৮। ইটালীত ফেছিজিমৰ অভ্যুদয় সম্পৰ্কে আলোচনা কৰা।
৯। জাৰ্মানীত নাজিজিমৰ উত্থান সম্পৰ্কে আলোচনা কৰা।
১০। হিটলাৰৰ বৈদেশিক নীতিৰ বিষয়ে আলোচনা কৰা।
১১। হিটলাৰৰ আমোলত জাৰ্মানীত ইহুদী নিধনৰ এটি চমু আভাস দিয়া।
১২। স্পেইনত প্ৰজাতন্ত্ৰৰ পতন আৰু ফ্ৰেঙ্কোৰ নেতৃত্বত সামৰিক শক্তিৰ অভ্যুত্থান সম্পৰ্কে আলোচনা কৰা।
১৩। ফেছিজিমৰ প্ৰধান বৈশিষ্ট্যসমূহ কি আছিল?
১৪। স্পেইনৰ গৃহ যুদ্ধৰ বিষয়ে এটি টোকা লিখা।
১৫। জাপানত সামৰিক অভ্যুত্থান সম্পৰ্কে আলোচনা কৰা।
১৬। জাপানত সামৰিক অভ্যুত্থানে সুদূৰ প্ৰাচ্যত কি ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল আলোচনা কৰা।
১৭। ৰাচিয়াৰ সমাজতান্ত্ৰিক বিপ্লৱৰ বিষয়ে আলোচনা কৰা।
১৮। ৰাচিয়াৰ সমাজতান্ত্ৰিক বিপ্লৱ সাফল্যমণ্ডিত কৰাত লেনিন, ষ্টেলিন আৰু ট্ৰটস্কীৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।
১৯। লেনিন আৰু ষ্টেলিনৰ নেতৃত্বত ৰাচিয়াত অৰ্থনৈতিক পুনৰ্গঠন সম্পৰ্কে আলোচনা কৰা।
২০। দলীয় শুদ্ধিকৰণৰ নামত ষ্টেলিনে আৰম্ভ কৰা নিপীড়নৰ বিষয়ে চমুকৈ উল্লেখ কৰা।

২১। তোমাৰ পাঠ্যক্ৰমৰ ওপৰত নিৰ্ভৰ কৰি ৰাচিয়াৰ বৈদেশিক নীতি সম্পৰ্কে আলোচনা কৰাঁ।

চমু উত্তৰ দিয়াঃ

১। ভাৰ্চাই শান্তি আলোচনাত কিমান জন প্ৰতিনিধি সমবেত হৈছিল?
২। ১৪-দফীয় পৰামৰ্শাৱলীৰ ৰচক কোন আছিল?
৩। ভাৰ্চাই শান্তি চুক্তিত কিমানটা চৰ্ত আছিল?
৪। ভাৰ্চাই শান্তি আলোচনাত কোনে ইংল্যাণ্ডক প্ৰতিনিধিত্ব কৰিছিল?
৫। ভাৰ্চাই শান্তি আলোচনাত ইটালীক কোনে প্ৰতিনিধিত্ব কৰিছিল?
৬। ভাৰ্চাই শান্তি আলোচনাত ফ্ৰান্সক কোনে প্ৰতিনিধিত্ব কৰিছিল?
৭। ভাৰ্চাই শান্তি আলোচনাত আমেৰিকা যুক্তৰাষ্ট্ৰক কোনে প্ৰতিনিধিত্ব কৰিছিল?
৮। জাৰ্মানীৰ ওপৰত নিৰ্দ্ধাৰণ কৰা যুদ্ধৰ ক্ষতিপূৰণৰ পৰিমাণ কিমান আছিল?
৯। ভাৰ্চাই শান্তি চুক্তিৰ মাধ্যমত ইটালীয়ে কি লাভ কৰিছিল?
১০। ভাৰ্চাই শান্তি চুক্তিৰ মাধ্যমত পোল্যাণ্ডে কি লাভ কৰিছিল?
১১। কোন চনত জাতিসংঘৰ সংগঠন গঢ়ি তোলা হৈছিল?
১২। জাৰ্মান সংসদত অগ্নি সংযোগ কৰা ব্যক্তিজনৰ নাম কি আছিল?
১৩। হিটলাৰ আৰু মুছুলিনিৰ প্ৰতি বৃটেইন আৰু ফ্ৰান্সে লোৱা নীতিটোক কি নামেৰে জনা গৈছিল?
১৪। জাপানৰ সামৰিক নেতাজনৰ নাম কি আছিল?
১৫। আধুনিক জাপানৰ সামৰিক বাহিনীৰ স্ৰষ্টা কোন আছিল?
১৬। কোন চনত আধুনিক জাপানৰ সংবিধান বলবৎ কৰা হৈছিল?
১৭। সামৰিক বাহিনীৰ স্ৰষ্টা কোন আছিল?

তলত দিয়া ঘটনাসমূহৰ চন-তাৰিখ উল্লেখ কৰা ঃ

(১) লোকাৰ্ণো চুক্তি,
(২) কেলোগ-ব্ৰিয়াণ্ড চুক্তি,
(৩) চীনত কমিউনিষ্ট শাসনৰ প্ৰবৰ্তন,
(৪) হিটলাৰৰ ক্ষমতা দখল,
(৫) আন্তৰ্জাতিক ন্যায়ালয়ৰ স্থাপন,
(৬) হিটলাৰৰ অষ্ট্ৰিয়া দখল,
(৭) মুছুলিনিৰ ক্ষমতা দখল,
(৮) ট্ৰটস্কীৰ হত্যা
(৯) হিটলাৰৰ দ্বাৰা ছোভিয়েট ৰাচিয়া আক্ৰমণ।

দ্বাদশ অধ্যায়

দ্বিতীয় মহাসমৰঃ১৯৩৯-৪৫

যুদ্ধৰ কাৰক :

ইয়োৰূপত ফেছিষ্ট ইটালী আৰু নাজি জাৰ্মানীয়ে গ্ৰহণ কৰা সম্প্ৰসাৰণবাদী নীতি আৰু শক্তি প্ৰয়োগৰ দ্বাৰা তাৰ কাৰ্যকৰীকৰণ প্ৰক্ৰিয়াই ১৯৩৯ চনত দ্বিতীয় বিশ্ব যুদ্ধৰ সূচনা কৰে। যুদ্ধ আৰম্ভ হোৱাৰ সময়ত ইয়োৰূপৰ বৃহৎ দেশসমূহ দুটা প্ৰধান পৰস্পৰ বিৰোধী ৰাজনৈতিক-সামৰিক শিবিৰত বিভক্ত হৈ পৰিছিল। এফালে আছিল জাৰ্মানী আৰু ইটালী আৰু আনফালে আছিল ফ্ৰান্স আৰু ইংলেণ্ড। কিন্তু দিন অতিবাহিত হোৱাৰ লগে লগে যুদ্ধত লিপ্ত হৈ পৰা দেশৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাই আহিছিল আৰু সেই অনুপাতে যুদ্ধ ক্ষেত্ৰ আৰু ৰণাঙ্গণৰো সম্প্ৰসাৰণ ঘটিছিল।

পূৰ্বৰ মহা যুদ্ধখনৰ দৰে এই মহাযুদ্ধখনো আছিল প্ৰধানতঃ উপনিবেশৰ ভাগ-বাঁটোৱাৰৰ বাবে সংঘটিত হোৱা সাম্ৰাজ্যবাদী শক্তিৰ মাজৰ যুদ্ধ। কিন্তু তথাপিও এইবাৰৰ যুদ্ধখনৰ এক গুণগত পাৰ্থক্য আছিল। সেই পাৰ্থক্য ধৰা পৰে বিশেষকৈ বিবাদমান পক্ষ দুটাৰ ৰাষ্ট্ৰ চৰিত্ৰত। জাৰ্মানী আৰু ইটালীও ফ্ৰান্স আৰু ইংলেণ্ডৰ দৰে সাম্ৰাজ্যবাদী দেশ হোৱাৰ ওপৰিও আছিল ফেছিবাদী, অৰ্থাৎ ফেছিবাদী-সাম্ৰাজ্যবাদী। আনহাতে ইংলেণ্ড আৰু ফ্ৰান্স সাম্ৰাজ্যবাদী হোৱাৰ ওপৰিও আছিল গণতান্ত্ৰিক-সাম্ৰাজ্যবাদী দেশ। তদুপৰি গণতান্ত্ৰিক-সাম্ৰাজ্যবাদী শিবিৰৰ পক্ষত ছোভিয়েট ৰাচিয়াৰ অংশ গ্ৰহণে যুদ্ধখনৰ এক গুণগত পৰিবৰ্তন সাধন কৰিছিল। ছোভিয়েট ৰাচিয়াৰ অংশ গ্ৰহণৰ লগে লগে যুদ্ধৰত গণতান্ত্ৰিক-সাম্ৰাজ্যবাদী শিবিৰটো গণতান্ত্ৰিক-সাম্ৰাজ্যবাদী-সমাজতান্ত্ৰিক শিবিৰলৈ পৰিবৰ্তিত হৈ পৰিছিল। ছোভিয়েট ৰাচিয়া আছিল তেতিয়ালৈ বিশ্বৰ প্ৰথমখন সমাজতান্ত্ৰিক দেশ। যুদ্ধৰত অন্যান্য দেশৰ দৰে নিজ দেশৰ ভৌগোলিক-ৰাজনৈতিক পৰিসীমাৰ সম্প্ৰসাৰণ কৰাৰ আকাংক্ষা ছোভিয়েট ৰাচিয়াৰ নাছিল। কিন্তু ফেছিষ্ট শক্তি জোঁটৰ পৰাজয়ৰ বাবে ছোভিয়েট ৰাচিয়াই প্ৰাণটাকি যুঁজিছিল।

ভাৰ্চাই শান্তি চুক্তিৰ প্ৰতি ইটালী আৰু জাৰ্মানীৰ কোনো সন্তুষ্টি নাছিল আৰু সেয়ে এই দুয়োখন দেশে চুবুৰীয়া দেশসমূহ দখল কৰি নিজ নিজ ৰাজ্য ক্ষেত্ৰৰ সম্প্ৰসাৰণত বিশেষভাৱে মনোনিবেশ কৰিছিল। সেইটো লক্ষ্যত উপনীত হ'বলৈ দুয়োখন দেশে আন্তৰাষ্ট্ৰীয় ৰাজনীতিত এলানি চুক্তি স্বাক্ষৰিত কৰি সততে ৰাজনৈতিক উত্তেজনা বৃদ্ধি কৰিছিল। তাৰপৰা পৰিত্ৰাণ পাবলৈ সেয়ে ইংলেণ্ড আৰু ফ্ৰান্সে সেই দুখন দেশৰ প্ৰতি

প্ৰায়েই সহানুভূতি প্ৰদৰ্শন কৰিছিল। তেনে কৰিবলৈ যাওতে তেওঁলোকে নিজ নিজ দেশৰ বৈদেশিক নীতিত এক তোষণ নীতি চালু কৰিছিল। ফলত জোৰ পুৰি তেওঁলোকৰ হাত পাইছিলহি। এনে অৱস্থাত ইংলেণ্ড আৰু ফ্ৰান্সৰ সমৰ্থনত চীন, ৰাচিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰই জাৰ্মানী, ইটালী আৰু জাপানৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিবলৈ বাধ্য হৈছিল।

১৯৩৯ চনৰ ১লা ছেপ্তেম্বৰৰ দিনা জাৰ্মনীয়ে পোলেণ্ড আক্ৰমণ কৰাৰ লগে লগে দ্বিতীয় বিশ্ব যুদ্ধৰ সূচনা হয় বুলি ক'ব পাৰি। প্ৰশাসনিক দিশৰপৰা পোলেণ্ডকো জাৰ্মানীৰ সমপৰ্যায়ৰ দেশবুলি ক'ব পাৰি, কিয়নো জাৰ্মানীৰ দৰে পোলেণ্ডতো তেতিয়া একনায়ক-তন্ত্ৰবাদী শাসন ব্যৱস্থা প্ৰচলিত আছিল। জাৰ্মানীয়ে পোলেণ্ড আক্ৰমণ কৰাৰ লগে লগে ইংলেণ্ডৰ নিৰাপত্তা বিপদাপন্ন হৈ পৰে। গতিকে পোলেণ্ডৰ স্বাধীনতা আৰু ৰাষ্ট্ৰীয় অখণ্ডতা ৰক্ষাৰ দোহাই দি তাৰ দুদিন পিচত, ছেপ্তেম্বৰ মাহৰ ৩ তাৰিখে, ইংলেণ্ডে আৰু তাৰ প্ৰায় ৮ ঘন্টা পিচত ফ্ৰান্সে জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। ১৯৪৫ চনৰ ১০ আগষ্ট তাৰিখে জাপানে যুদ্ধ বিৰতি ঘোষণা কৰাৰ লগে লগে দ্বিতীয় বিশ্ব যুদ্ধৰ সামৰণি পৰে।

দ্বিতীয় বিশ্ব যুদ্ধখনো প্ৰথম বিশ্ব যুদ্ধৰ দৰেই পৃথিবীৰ বিভিন্ন ৰণাঙ্গনত সংঘটিত হৈছিল। তলত চন-তাৰিখৰে সৈতে যুদ্ধখনত আক্ৰমণকাৰী আৰু আক্ৰান্ত দেশসমূহৰ উল্লেখ কৰা হ'ল—

আক্ৰমণকাৰী দেশ	আক্ৰান্ত দেশ	চন-তাৰিখ
০১। জাৰ্মানী	পোলেণ্ড	১ ছেপ্তেম্বৰ, ১৯৩৯
০২। ইংলেণ্ড	জাৰ্মানী	৩ ছেপ্তেম্বৰ, ১৯৩৯
০৩। ফ্ৰান্স	জাৰ্মানী	৩ ছেপ্তেম্বৰ, ১৯৩৯
০৪। ৰাচিয়া	ফিন্‌লেণ্ড	৩০ নবেম্বৰ, ১৯৩৯
০৫। জাৰ্মানী	ডেনমাৰ্ক	৯ এপ্ৰিল, ১৯৪০
০৬। জাৰ্মানী	নৰওৱে	৯ এপ্ৰিল, ১৯৪০
০৭। জাৰ্মানী	হলেণ্ড	১০ মে', ১৯৪০
০৮। জাৰ্মানী	বেলজিয়াম	১০ মে', ১৯৪০
০৯। জাৰ্মানী	ফ্ৰান্স	৫ জুন, ১৯৪০
১০। জাৰ্মানী	ইংলেণ্ড	জুলাই, ১৯৪০
১১। ইটালী	বৃটিশ ছোমালিলেণ্ড	আগষ্ট, ১৯৪০
১২। ইটালী	ইজিপ্ত	ছেপ্তেম্বৰ, ১৯৪০
১৩। ইটালী	গ্ৰীচ	অক্টোবৰ, ১৯৪০
১৪। ইংলেণ্ড	ইটালীয়ান ছোমালিলেণ্ড	জানুৱাৰী, ১৯৪১

১৫। জাৰ্মানী	উত্তৰ আফ্ৰিকা, ত্ৰিপলী আৰু লিবিয়া	এপ্ৰিল, ১৯৪১
১৬। জাৰ্মানী	ৰাচিয়া	২২ জুন, ১৯৪১
১৭। ফিন্‌লেণ্ড	ৰাচিয়া	জুন, ১৯৪১
১৮। ৰোমানিয়া	ৰাচিয়া	জুন, ১৯৪১
১৯। হাঙ্গেৰী	ৰাচিয়া	জুন, ১৯৪১
২০। শ্লোভাকিয়া	ৰাচিয়া	জুন, ১৯৪১
২১। জাপান	ফৰাচী অধিকৃত ইন্দোচীন	জুলাই, ১৯৪১
২২। জাপান	পাৰ্ল হাৰ্বাৰ	৭ ডিচেম্বৰ, ১৯৪১
২৩। মাৰ্কিন যুক্তৰাষ্ট্ৰ	জাপান	৮ ডিচেম্বৰ, ১৯৪১
২৪। ইংলেণ্ড	জাপান	৮ ডিচেম্বৰ, ১৯৪১
২৫। জাপান	গোৱাম আৰু ওৱেক	ডিচেম্বৰ, ১৯৪১
২৬। জাপান	গিলবাৰ্ট আৰু হংকং	ডিচেম্বৰ, ১৯৪১
২৭। জাৰ্মানী	আমেৰিকা যুক্তৰাষ্ট্ৰ	১১ ডিচেম্বৰ, ১৯৪১
২৮। ইটালী	আমেৰিকা যুক্তৰাষ্ট্ৰ	১১ ডিচেম্বৰ, ১৯৪১
২৯। আমেৰিকা যুক্তৰাষ্ট্ৰ	জাৰ্মানী	১১ ডিচেম্বৰ, ১৯৪১
৩০। আমেৰিকা যুক্তৰাষ্ট্ৰ	ইটালী	১১ ডিচেম্বৰ, ১৯৪১
৩১। জাপান	মালয়,বৰ্ণিও আৰু নিউ গুইনা	জানুৱাৰী, ১৯৪২
৩২। জাপান	জাভা	ফেব্ৰুৱাৰী, ১৯৪২
৩৩। জাপান	ব্ৰহ্মদেশ	৮ মাৰ্চ, ১৯৪২
৩৪। ৰাচিয়া	বুলগেৰিয়া	৫ ছেপ্তেম্বৰ, ১৯৪৪
৩৫। ৰাচিয়া	জাপান	৮ আগষ্ট, ১৯৪৫

জাৰ্মানীৰ দ্বাৰা পোলেণ্ডসহ বাল্টিক সাগৰীয় দেশসমূহ আক্ৰমণঃ

১৯৩৯ চনৰ ১লা ছেপ্তেম্বৰৰ দিনা জাৰ্মানীয়ে পোলেণ্ড আক্ৰমণ কৰাৰ দুদিন পিচত বৃটেইন আৰু ফ্ৰান্সে ৩ ছেপ্তেম্বৰৰ দিনা জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। ২৭ ছেপ্তেম্বৰৰ দিনা পোলেণ্ডৰ ৰাজধানী জাৰ্মানসকলৰ হস্তগত হয়। জাৰ্মানীয়ে পোলেণ্ড ক্ৰমণ কৰাৰ কেইদিনামানৰ পিচত ৰাচিয়াইও নিজৰ নিৰাপত্তাৰ প্ৰয়োজনত পূব দিশৰপৰা পোলেণ্ডৰ ওপৰত আক্ৰমণ আৰম্ভ কৰিছিল। গতিকে এই আক্ৰমণৰ ফলশ্ৰুতিতে উক্ত

দুৰ্ভগীয়া দেশখনৰ পুব অংশটো ৰাচিয়াই আৰু পশ্চিম অংশটো জাৰ্মানীয়ে দখল কৰিছিল। পোলেণ্ডৰ স্বাধীনতা আৰু ৰাষ্ট্ৰীয় অখণ্ডতাৰ স্বাৰ্থত ইংলেণ্ড আৰু ফ্ৰান্সে জাৰ্মানীৰ বিপক্ষে যুদ্ধ ঘোষণা কৰিলেও দুয়োখন দেশেই জাৰ্মনীৰ বিৰুদ্ধে বিশেষ একো কৰিব পৰা নাছিল। অৰ্থাৎ মিত্ৰ পক্ষই জাৰ্মানীক প্ৰতিহত কৰিব নোৱাৰিলে।

আনহাতে এইখিনিতে উল্লেখ কৰিব পাৰি যে ১৯৩৯ চনৰ ছেপ্তেম্বৰ মাহত ছোভিয়েট ৰাচিয়াই ফিন্‌লেণ্ড আক্ৰমণ কৰিছিল আৰু পিচৰ বছৰৰ মাৰ্চ মাহত স্বাক্ষৰিত এটি চুক্তিৰ মাধ্যমত ৰাচিয়াই ফিন্‌লেণ্ডত নৌ-ঘাটি স্থাপন কৰাৰ অধিকাৰ লাভ কৰাৰ লগতে উত্তৰাংশত কিছু ৰাজ্যক্ষেত্ৰও লাভ কৰিছিল। ইয়াৰ ওপৰিও দুয়োখন দেশেই কোনো এখন যুদ্ধৰত দেশৰ সমৰ্থনত যুদ্ধত জড়িত হৈ পৰাৰপৰা বিৰত থাকিবলৈ সিদ্ধান্ত লৈছিল। অকল সেইটোৱে নহয়, ছোভিয়েট ৰাচিয়াই বাল্টিক সাগৰৰ পাৰৰ লাটভিয়া, এষ্টোনিয়া আৰু লিথুৱানিয়া আদি দেশতো সমসাময়িকভাৱে সামৰিক ঘাটি স্থাপন কৰি ৰাচিয়াৰ পশ্চিম সীমান্ত সুৰক্ষিত কৰাৰ ব্যৱস্থা কৰিছিল। দ'ৰাচলতে ক'বলৈ গ'লে ১৯৪০ চনৰ আগষ্টৰ ভিতৰত ছোভিয়েট ৰাচিয়াই উক্ত দেশসমূহ নিজৰ দখললৈ আনি তাত এেকাখনকৈ ছোভিয়েট প্ৰজাতান্ত্ৰিক চৰকাৰ গঠন কাৰছিল।

পোলেণ্ডৰ বিৰুদ্ধে জয় লাভ কৰাৰ পিচত হিটলাৰে বিজয় উল্লাসত মতলীয়া হৈ ১৯৪০ চনৰ এপ্ৰিল মাহত ডেনমাৰ্ক আৰু নৰওৱে আৰু মে' মাহত বেলজিয়াম, লুক্‌ছেমবাৰ্গ আৰু হলেণ্ডৰ ওপৰত উপৰ্যুপৰি আক্ৰমণ চলাইছিল। নৰওৱে আক্ৰমণ কৰোঁতে হিটলাৰে মুঠতে ৮০০ খন যুদ্ধ জাহাজ আৰু ২৫০ খন পৰিবহন জাহাজ ব্যৱহাৰ কৰিছিল। আক্ৰমণ স্থল আৰু জল দুয়ো ফালৰপৰাই সংঘটিত কৰা হৈছিল। ইতিমধ্যে নৰওৱেত ভাইডকুন কুইজলিং বোলা লোক এজনৰ নেতৃত্বত এটি ফেছিষ্ট দল সংগঠিত হৈছিল আৰু কুইজলিঙে হিটলাৰৰ সৈতে যোগাযোগ আৰম্ভ কৰি দিছিল। গতিকে আভ্যন্তৰীণভাৱে সাহায্য পাই হিটলাৰে অনায়সে নৰওৱে দখল কৰি কুইজলিঙৰ নেতৃত্বত এখন পুতলা চৰকাৰ পাতি তাত জাৰ্মান আধিপত্য স্থাপন কৰিছিল।

সি যি কি নহওক, মে' মাহৰ ২৮ তাৰিখে বেলজিয়ামৰ ৰজা তৃতীয় লিওপল্ডে হিটলাৰৰ ওচৰত আত্মসমৰ্পণ কৰে আৰু কেইঘন্টামানৰ ভিতৰতে লুক্‌ছেমবাৰ্গেও হিটলাৰৰ ওচৰত আত্মসমৰ্পণ কৰে। বেলজিয়ামৰ আত্মসমৰ্পনে মিত্ৰ পক্ষৰ বাবে ভীষণ বিপদৰ সৃষ্টি কৰিছিল আৰু তেওঁলোকৰ প্ৰায় ৪,০০,০০০ সৈনিক আসন্ন মৃত্যুৰ মুখত পৰিছিল। সেয়ে মিত্ৰ পক্ষই অতি খৰখেদাকৈ ২৮ মে'ৰপৰা ৪ জুনৰ ভিতৰত সেই ৰণাঙ্গনৰপৰা মুঠতে ৩,৩৮,০০০ সৈনিকক আঁতৰাই নিছিল।

হিটলাৰৰ হাতত পৰাজিত হোৱাৰ পিচত নৰওৱে, বেলজিয়াম আৰু হলেণ্ডৰ পূৰ্বৰ

প্ৰতিষ্ঠিত চৰকাৰৰ মুৰব্বীসকলে ইংলেণ্ডলৈ পলায়ন কৰি গৈ লণ্ডনত নিজ নিজ দেশৰ বাবে একোখনকৈ পলৰীয়া চৰকাৰ (Government in exile) গঠন কৰি লৈছিল।

জাৰ্মানীৰ বিৰুদ্ধে পোলেণ্ড, নৰওৱে, বেলজিয়াম আৰু হলেণ্ডত মিত্ৰ শক্তি জোঁট তথা ইংলেণ্ড আৰু ফ্ৰান্সৰ পৰাজয়ৰ লগে লগে ইংলেণ্ডত এক ৰাজনৈতিক পৰিবৰ্তন সংঘটিত হয়। নিউভিল ছেম্বাৰলেইন প্ৰধানমন্ত্ৰীত্বৰপৰা অপসাৰিত হয় আৰু তেওঁৰ ঠাইত ১৯৪০ চনৰ ১০ মে' তাৰিখে ৰক্ষণশীল দলৰ নেতা উইনষ্টন ছাৰ্চিল (Winston Churchill) সংযুক্ত মন্ত্ৰীসভাৰ প্ৰধানমন্ত্ৰী আৰু শ্ৰমিক দলৰ নেতা ক্লিমেণ্ট এট্‌লী (Clement Attlee) উপ-প্ৰধানমন্ত্ৰী হৈছিল। উইনষ্টন ছাৰ্চিলে বৃটেইনৰ হৈ সমগ্ৰ যুদ্ধখনতে কঠোৰ পৰিশ্ৰম কৰিছিল। দ্বিতীয় বিশ্ব যুদ্ধত মিত্ৰ শক্তিৰ বিজয়ৰ ক্ষেত্ৰত ছাৰ্চিলৰ এক অনবদ্য অৱদান আছে। দেশৰ প্ৰধানমন্ত্ৰীৰূপে নিযুক্তি পোৱাৰ সময়তে ছাৰ্চিলে কৈছিল, "At last I had the authority to give directions over the whole scene I felt as if I were walking with destiny, and that all my past life had been but a preparation for this hour and for this trial"

যুদ্ধৰ প্ৰথম অৱস্থাত উপৰ্যুপৰি লাভ কৰা বিজয়ে হিটলাৰক অতি সোনকালেই ফ্ৰান্স আক্ৰমণ কৰিবলৈ প্ৰৰোচিত কৰিছিল। হয়তো ইমান সোনকালে তেওঁ জয় লাভ কৰিব বুলি নিজেও আশা কৰা নাছিল। সেয়ে তেওঁ জুন মাহৰ প্ৰথম সপ্তাহতেই ফ্ৰান্স আক্ৰমণ কৰিলে। এই আক্ৰমণ আছিল অত্যন্ত ভয়াবহ, আৰু ডালাডিয়াৰৰ (Daladier) স্থলাভিষিক্ত হৈ প্ৰধানমন্ত্ৰীৰ আসনত সমাসীন হোৱা প'ল ৰেইনাই (Paul Reynaud) ৫ জুন তাৰিখে আক্ৰমণ সংঘটিত হোৱাৰ পিচতে অত্যন্ত ভীত-বিহ্বল হৈ ৯ তাৰিখেই ৰাজধানী পেৰী (Paris) চহৰ পৰিত্যাগ কৰি পলায়ন কৰে আৰু ১৬ জুন তাৰিখে তেওঁ প্ৰধানমন্ত্ৰীৰ পদবীৰপৰা পদত্যাগ কৰে। ইতিপূৰ্বে ইটালীয়েও জাৰ্মানীৰ সমৰ্থনত ১০ জুন তাৰিখে ফ্ৰান্সৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। সি যি কি নহওক, ৰেইনাৰ পদত্যাগৰ পৰিপ্ৰেক্ষিতত ফ্ৰান্সৰ প্ৰধানমন্ত্ৰী হ'ল প্ৰথম বিশ্ব যুদ্ধ খ্যাত মাৰ্ছাল পেঁটা (Marshal Henri Phillipe Petain)।

তেওঁ প্ৰধানমন্ত্ৰীৰ আসনত বহিয়েই হিটলাৰৰ সৈতে যুদ্ধ বিৰতিৰ প্ৰস্তাৱ দাঙি ধৰে। অৱশেষত ২২ জুন তাৰিখে দুয়োখন দেশৰ মাজত এখন যুদ্ধ বিৰতি চুক্তি স্বাক্ষৰিত হয়। এই চুক্তি মতে ফ্ৰান্সৰ অৰ্দ্ধেক হিটলাৰে দখল কৰি নিজ ৰাজ্যভুক্ত কৰে আৰু বাকী অৰ্দ্ধেকত পেঁটাই জাৰ্মানীৰ বহতীয়া চৰকাৰৰ মুৰব্বীৰূপে ভীকি নামে চহৰত অৱস্থান কৰেগৈ। পেঁটাৰ অধীনত ভীকিক ৰাজধানীৰূপে লৈ অৱশিষ্ট ফৰাছী অংশটোকে ফ্ৰান্সৰ সেই সময়ৰ ইতিহাসত ভীকি ফ্ৰান্স (Vichy France) বোলা হৈছিল।

হিটলাৰৰ হাতত ফ্ৰান্সৰ এই পতনৰ পৰিপ্ৰেক্ষিতত ভালেমান ফৰাছী সামৰিক বিষয়াই ইংলেণ্ডলৈ পলায়ন কৰিছিল। সেইসকলৰ ভিতৰত কৰ্ণেল (পিচত জেনেৰেল) ছাৰ্লচ ডি গলো (Colonel Charles De Gaulle) আছিল। ছাৰ্লচ ডি গ'লসহ সেই সামৰিক বিষয়াসকলে তাত **'মুক্ত ফ্ৰান্সৰ আন্দোলন'** সংগঠিত কৰিছিল আৰু মিত্ৰ শক্তি জোঁটৰ সৈতে লগ লাগি নাজি জাৰ্মানীৰ বিৰুদ্ধে সমৰ সজ্জাৰ আয়োজন কৰি প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তুলিছিল।

হিটলাৰৰ ইংলেণ্ড আক্ৰমণঃ

ফ্ৰান্সৰ পতনৰ লগে লগে হিটলাৰে ইংলেণ্ডৰ ওপৰত আক্ৰমণ কেন্দ্ৰীভূত কৰিছিল। জাৰ্মানীৰ দ্বাৰা ইংলেণ্ড আক্ৰান্ত হোৱাৰ ঘটনাই আছিল দ্বিতীয বিশ্ব যুদ্ধৰ অন্যতম চাঞ্চল্যকৰ ঘটনা। কিযনো ফ্ৰান্সৰ পতনৰ পিচত হিটলাৰ আৰু মুছ্লিনিৰ বিপক্ষে ৰণক্ষেত্ৰত অকল শৰীয়া হৈ পৰিছিল ইংলেণ্ড। কিন্তু ভীষণ আক্ৰমণ স্বত্বেও (আগষ্ট-ছেপ্তেম্বৰ, ১৯৪০) বৃটেইনৰ যুদ্ধত জাৰ্মানীযে জয়লাভ কৰিব নোৱাৰি **'অপাৰেচন ছি লায়ন'** (Operation-Sea Lion) ৰূপে সাংকেতিক নামত আৰম্ভ কৰা যুদ্ধখন সাময়িকভাৱে স্থগিত ৰাখিবলৈ বাধ্য হৈছিল। ১৯৪০ চনৰ আগষ্ট মাহৰ ৮ তাৰিখে অতৰ্কিতে নিশাৰ ভাগত ধাৰাসাৰ বোমা বৰ্ষণেৰে আৰম্ভ কৰা যুদ্ধখন শেষ হৈছিল সেই বছৰৰে ১৭ ছেপ্তেম্বৰত।

এই যুদ্ধৰ সময়ছোৱাত হিটলাৰে অকল যে ইংলেণ্ডৰ সামুদ্ৰিক বন্দৰসমূহতে আক্ৰমণ কেন্দ্ৰীভূত কৰিছিল সেইটো নহয়, লগতে তেওঁ আক্ৰমণ কৰিছিল বিমান ঘাটি, বিমান তৈয়াৰ কৰা কাৰখানা আৰু সাধাৰণ নাগৰিকৰ বাসস্থানৰ ওপৰত আৰু এলেকাসমূহত। প্ৰতিৰোধ আৰু প্ৰতিৰোধৰ সংগ্ৰামৰূপে বৃটেইনেও জাৰ্মানীৰ বাৰ্লিন চহৰৰ ওপৰত অহৰহ প্ৰতি-আক্ৰমণ সংঘটিত কৰিছিল। হিটলাৰৰ ধাৰাসাৰ বোমা বৰ্ষণৰ ফলত বৃটেইনৰ ভালেমান চহৰ সম্পূৰ্ণৰূপে বিধস্ত হোৱাৰ ওপৰিও অকল লণ্ডন চহৰতে ২০,০০০ হাজাৰতকৈ অধিক সাধাৰণ নাগৰিকৰ মৃত্যু হৈছিল। ১৯৪১ চনৰ এপ্ৰিল-মে' মাহৰপৰা আৰম্ভ হোৱা বৃটেইনৰ প্ৰতিৰোধ আক্ৰমণত **বৃটিশ ৰাজকীয় বিমান বাহিনীয়ে** প্ৰায় ২৪০০ খন জাৰ্মান যুদ্ধ জাহাজ গুলিয়াই ভূপাতিত কৰি ধ্বংস কৰিছিল। এই আকাশী যুদ্ধকে **'বেটল অব বৃটেইন'** (Battle of Britain) বোলা হৈছিল। বৃটিশ সেনা বাহিনীৰ দুঃসাহস, ঐকান্তিক চেষ্টা, ত্যাগ আৰু কষ্টৰ বিনিময়ত অৱশেষত ইংলেণ্ডে 'বেটল অব বৃটেইন'ত জয় লাভ কৰিছিল।

হিটলাৰৰ বিৰুদ্ধে ইংলেণ্ডৰ এই বিজয়ৰ মূলতে আছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ সামৰিক সাহায্য। আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেন্ট ফ্ৰেংকলিন ডেলানো ৰুজভেল্টে হিটলাৰৰ সামৰিক অভিযানৰ আৰম্ভণিৰেপৰাই ফেছিষ্ট জোঁটক পৰাভূত কৰিবলৈ মনস্থ কৰিছিল। সেই

মতে তেওঁ হিটলাৰে বৃটেইন আক্ৰমণ কৰাৰ পিচত ছেপ্তেম্বৰ মাহৰপৰাই অস্ত্ৰ-শস্ত্ৰ আদিৰ মাধ্যমত বৃটেইনক সমৰ সজ্জাৰে উপচাই পেলাইছিল। বৃটিশ অধিকৃত নিউ ফাউণ্ডলেণ্ড আৰু পশ্চিম ভাৰতীয় দ্বীপপুঞ্জত মাৰ্কিন নৌ-ঘাটি স্থাপন কৰিবলৈ দিয়াৰ বিনিময়ত আমেৰিকা যুক্তৰাষ্ট্ৰই সেই সময়ত ইংলেণ্ডক ৫০ খন ডেষ্ট্ৰয়াৰৰ যোগান ধৰিছিল। তদুপৰি আমেৰিকা যুক্তৰাষ্ট্ৰই মিত্ৰ পক্ষক সহায় কৰাৰ বাবে ১৯৪১ চনৰ মাৰ্চ মাহত 'লেণ্ড-লিজ এক্ট' (Lend-Lease Act) নামে এখন আইন গ্ৰহণ কৰি একছিহ্ শক্তি জোঁটৰ বিৰুদ্ধে থকা দেশসমূহক বাকীকৈ অস্ত্ৰ-শস্ত্ৰৰ যোগান ধৰাৰ নীতি লৈছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এই নীতিয়ে ফেছিষ্ট বিৰোধী শক্তি জোঁটক যুদ্ধ জিকাত যথেষ্ট পৰিমাণে সহায় কৰিছিল।

হিটলাৰৰ ছোভিয়েট ৰাচিয়া আক্ৰমণঃ অপাৰেচন বাৰবাৰোছাঃ

ইপিনে হিটলাৰেও যুদ্ধৰ খৰছ গোটোৱাৰ অভিপ্ৰায়েৰে ইতিমধ্যে প্ৰাচুৰ্যৰে ভৰপুৰ ছোভিয়েট ৰাচিয়া আক্ৰমণৰ পৰিকল্পনা সম্পূৰ্ণ কৰি পেলাইছিল। অপাৰেচন বাৰবাৰোছা (Operation Barbarossa) সাংকেতিক নামত প্ৰস্তুত কৰা এই আক্ৰমণ আৰম্ভ কৰা হৈছিল ১৯৪১ চনৰ ২২ জুন তাৰিখে। তাৎপৰ্যৰ কথা যে এই তাৰিখতেই হিটলাৰৰ পূৰ্বে প্ৰায় ১৩২ বছৰ আগতে ফৰাচী সম্ৰাট নেপ'লিয়ন বোনাপাৰ্টেও ৰুচ দেশ আক্ৰমণ কৰিছিল। হিটলাৰৰ ছোভিয়েট ৰাচিয়া আক্ৰমণৰ মূল লক্ষ্য আৰু উদ্দেশ্য আছিল কেইবাটাও। তাৰ ভিতৰত প্ৰধান আছিল—কমিউনিষ্ট শাসন ধ্বংস কৰা, ইহুদীসকলৰ লগতে ৰাচিয়াৰ শ্লাভ জাতিৰ লোকক নিশেষ কৰা, জাৰ্মানীৰ উদ্বৃত্ত লোক সংখ্যাৰ বাবে বিশেষকৈ ৰাচিয়াৰ ইউৰাইল অঞ্চলত বসতি স্থাপনৰ ব্যৱস্থা কৰা (Lebensraum, living space), ডনেজ উপত্যকাত অৱস্থিত শিল্প-উদ্দ্যোগৰ উপযোগী কেঁচামালেৰে ভৰপুৰ অঞ্চলটো দখল কৰা, ইউক্ৰেইনৰ দৰে অত্যন্ত সাৰুৱা আৰু ৰাচিয়াৰ শস্যৰ ভঁৰালৰূপে পৰিগণিত অঞ্চলটো আৰু লগতে ককেচাছ অঞ্চলৰ খনিজ তেলৰে পৰিপূৰ্ণ অঞ্চলসমূহ দখল কৰি জাৰ্মানীৰ প্ৰতিপত্তি আৰু শ্ৰীবৃদ্ধি সাধন কৰা, ইত্যাদি।

ছোভিয়েট ৰাচিয়া আক্ৰমণ কৰাৰ অভিপ্ৰায়েৰে হিটলাৰে তেওঁৰ চাৰিজন বিচক্ষণ সেনাধ্যক্ষৰ নেতৃত্বত এক বিশাল সামৰিক বাহিনী মোতায়েন কৰিছিল। মুঠতে এই সেনা বাহিনীত ৩২,০০,০০০ সৈনিক, ২,০০০ খন যুঁজাৰু বিমান আৰু ৩,৫০০ খন টেঙ্ক আছিল। লগতে আছিল প্ৰচুৰ পৰিমাণৰ অন্যান্য অস্ত্ৰ-শস্ত্ৰ।

ছোভিয়েট ৰাচিয়াৰ লাল ফৌজ সম্পৰ্কে হিটলাৰৰ এক লঘু ধাৰণা আছিল, তেওঁ কৈছিল, 'সেই লাল ফৌজ হাঁহিৰ টুনপাকৰ বাহিৰে আন একো নহয়' ('no more than a joke'), আৰু সদম্ভে ঘোষণা কৰিছিল যে তেওঁ অতি বেছি ৯বা ১৭ সপ্তাহৰ ভিতৰতে ৰাচিয়াৰ বিৰুদ্ধে বিজয় লাভ কৰিব। কিন্তু ছোভিয়েট ৰাচিয়াই হিটলাৰৰ সেই দম্ভালি আৰু

অত্যুৎসাহত চেঁচা পানী ঢালি অকল তেওঁৰে নহয় জাৰ্মানীত প্ৰতিষ্ঠিত তেওঁৰ নাজি চৰকাৰৰো পতন অনিবাৰ্য কৰি তুলিছিল।

হিটলাৰৰ আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ছোভিয়েট ৰাচিয়াই ভীষণ প্ৰতিৰোধ সংগ্ৰাম সংগঠিত কৰিছিল। জাৰ্মানীৰ বিৰুদ্ধে ছোভিয়েট ৰাচিয়াই মুঠতে ১৫৫ টা বিশাল সামৰিক বাহিনীৰ লগতে ৬০ খন টেঙ্ক প্ৰেৰণ কৰিছিল। ষ্টেলিন, মলোটভ, ভাৰ্ছিলোভ, বেৰিয়া আৰু মালেনকোভক লৈ এক শক্তিশালী ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা সমিতি গঠন কৰিছিল। হিটলাৰে ৰাচিয়া আক্ৰমণ কৰাৰ লগে লগে ফিন্‌লেণ্ড, ৰোমানিয়া, হাঙ্গেৰী আৰু শ্লোভাকিয়া আদি চাৰিখন দেশে জাৰ্মানীৰ সমৰ্থনত যুদ্ধ ক্ষেত্ৰত অৱতীৰ্ণ হয়। এনে অৱস্থাত বিশ্বৰ ৰাজনৈতিক নেতাসকলক স্তম্ভিত কৰি বৃটেইনৰ প্ৰধানমন্ত্ৰী উইনষ্টন ছাৰ্চিলে ৰাচিয়াৰ প্ৰতি সহায়ৰ হাত আগবঢ়াই বৃটেইন আৰু ৰাচিয়াৰ মাজত সামৰিক চুক্তিৰ প্ৰস্তাৱ দিয়ে। কিয়নো ছাৰ্চিল কমিউনিষ্টৰ দুৰ্ঘোৰ শত্ৰু হ'লেও তেতিয়াৰ আটাইতকৈ প্ৰয়োজনীয় কৰ্তব্য আছিল ফেছিষ্টসকলক নিপাত কৰাটো।

যুদ্ধৰ প্ৰথম ছোৱাত জাৰ্মানসকলে অগ্ৰগতি লাভ কৰিছিল। তেওঁলোকে এখনৰ পিচত এখনকৈ ৰাচিয়াৰ ভালেমান চহৰ দখল কৰিলে। কিয়েভ, স্মলোনেক্‌ছ আৰু ওডেছা দখল কৰি লগতে তেওঁলোকে ৰাচিয়াৰ সৈনিকক যুদ্ধ বন্দী কৰি অক্টোবৰ মাহৰ ২ তাৰিখে ক্ষীপ্ৰ গতিৰে মস্কোৰ পিনে ধাৱমান হয়। এই যাত্ৰাৰো আৰম্ভণিতে তেওঁলোকে যথেষ্ট কৃতকাৰ্যতা লাভ কৰে। তেওঁলোকে পুনৰ ৬,০০,০০০ ৰুচ সৈনিকক যুদ্ধবন্দী কৰি মস্কোৰপৰা প্ৰায় ২০ মাইল দূৰত্বত অৱস্থান কৰে। কিন্তু এনেতে ৰুচসকলৰ সহায়ৰ বাবে হাজিৰ হয় ৰাচিয়াৰ চিৰাচৰিত আৰু স্বাভাৱিক সেনাধ্যক্ষ, তীব্ৰ শীত প্ৰবাহ। অক্টোবৰৰপৰা আৰম্ভ হোৱা এই শীত প্ৰবাহৰ প্ৰাবল্য নবেম্বৰ মাৰ শেহৰ পিনে অত্যন্ত তীব্ৰ হৈ পৰে আৰু বতৰৰ তাপমান -৪০° ডিগ্ৰী ছেন্টিগ্ৰেডলৈ নামি যায়। জাৰ্মান সেনা শিবিৰত হাঁহাকাৰ লাগি পৰিল, তীব্ৰ ঠাণ্ডাত কোনেও তিষ্ঠিব নোৱাৰা অৱস্থা হ'ল, এনেতে অস্ত্ৰধাৰী ৰুচ সৈনিক তেওঁলোকৰ ওপৰত জঁপিয়াই পৰিল, আৰম্ভ হ'ল তীব্ৰ প্ৰতিৰোধ সংগ্ৰাম। ফলত জানুৱাৰী মাহৰ ভিতৰতে জাৰ্মান সেনাবাহিনী মস্কোৰ ওচৰ-পাজৰৰপৰা পশ্চাদপসাৰণ কৰিবলৈ বাধ্য হয়। নেপ'লিয়নৰ দৰে হিটলাৰো ৰাচিয়া জয় কৰিবলৈ গৈ ব্যৰ্থ হৈ ওভতি যায। প্ৰাথমিকভাৱে 'অপাৰেচন বাৰবাৰোছা' ব্যৰ্থ হ'ল যদিও অৱশ্যে হিটলাৰে ৰাচিয়া বিজয়ৰ সোপান সম্পূৰ্ণ পৰিত্যাগ নকৰিলে।

সেই সোপান বাস্তৱায়িত কৰিবলৈ হিটলাৰে পুনৰ নতুন উদ্দ্যমেৰে ১৯৪২ চনৰ এপ্ৰিল-মে' মাহত ছোভিয়েট ৰাচিয়াৰ ওপৰত আক্ৰমণ চলায়। এইবাৰো প্ৰথম অৱস্থাত সাফল্য লাভ কৰিলেও যুদ্ধৰ চুড়ান্ত ৰায়ে হিটলাৰক বিজয় লাভৰপৰা চিৰ বঞ্চিত কৰিলে।

জাৰ্মানসকলে ডন নদী উপত্যকা দখল কৰিলেও তেওঁলোকে ষ্টেলিনগ্রাড দখল কৰিবলৈ গৈ বিষমৰূপে পৰাভূত হয়। ষ্টেলিনগ্রাডত দুয়োপক্ষৰ মাজত ঘোৰতৰ সংগ্ৰাম সংঘটিত হয়। এই যুদ্ধ আগষ্ট মাহৰপৰা পিচৰ বছৰৰ (১৯৪৩) জানুৱাৰী মাহৰ শেষলৈ প্ৰায় পাঁচ মাহ ধৰি চলিছিল। ষ্টেলিনগ্ৰাডৰ যুদ্ধ ইমান ভয়ানক আছিল যে ইয়াৰ প্ৰতিটো ৰাস্তাতে আৰু প্ৰতিটো ইঞ্চি ভূমিৰ বাবে দুয়োপক্ষই প্ৰায় সমানেই যুঁজিছিল। যুদ্ধখনত অন্যান্য সহযোগী দেশৰ লগতে জাৰ্মানীৰ প্ৰায় ৩০,০০০ সৈন্য ৰণত পৰিছিল। যুদ্ধ ক্ষেত্ৰত আঘাতপ্ৰাপ্ত প্ৰায় ২০,০০০ সৈনিকে কোনো চিকিৎসা নোপোৱাকৈ লেলাই-ঢেন্দাই য'তে ত'তে পৰি থাকিবলৈ বাধ্য হৈছিল। আনহাতে অন্য ২০,০০০ সৈনিকে হাড় কঁপোৱা ঠাণ্ডাত সম্পূৰ্ণ কোঙা হৈ পৰিছিল। সেনাধ্যক্ষ জেনেৰেল পাউলাছে (General Paulus) ২ ফেব্ৰুৱাৰীৰ (১৯৪৩) দিনা প্ৰায় ১,৪০,০০০ জাৰ্মান আৰু সহযোগী দেশৰ সৈনিকসহ ৰাচিয়াৰ ওচৰত আত্মসমৰ্পণ কৰিছিল।

ইমানতো হিটলাৰৰ ৰাচিয়া আক্ৰমণৰ আকাংক্ষা পূৰণৰ চেষ্টাৰ অন্ত নপৰিল। তেওঁ ১৯৪৩ চনৰ মাজ ভাগতে পুনৰ ছোভিয়েট ৰাচিয়া আক্ৰমণ কৰিলে, কিন্তু এইবাৰো তেওঁ চূড়ান্তভাৱে ব্যৰ্থ হ'ল। আগষ্ট মাহত হিটলাৰৰ সেনা বাহিনী কাৰ্চকৰ যুদ্ধত বিষমৰূপে পৰাভূত হ'ল আৰু এইবাৰো তেওঁৰ প্ৰায় ৫,০০,০০০ সৈন্য ৰণত পৰিল। ৰাচিয়াই লাহে লাহে ইউক্ৰেইন আৰু তাৰ পিচত ১৯৪৪ চনৰ মাজভাগত ক্ৰিমিয়া হস্তগত কৰিবলৈ সক্ষম হয়। উপায়বিহীন হৈ পিচৰ বছৰৰ জানুৱাৰী মাহত অৱশিষ্ট জাৰ্মান সৈন্যই ৰণক্ষেত্ৰৰপৰা পশ্চাদপসাৰণ কৰে।

যুদ্ধত ইটালীৰ অংশ গ্ৰহণঃ আফ্ৰিকা আৰু ভূমধ্য সাগৰীয় অঞ্চললৈ যুদ্ধৰ সম্প্ৰসাৰণঃ

বৃটেইন হিটলাৰৰ দ্বাৰা আক্ৰান্ত হৈ জীৱন-মৰণ সংগ্ৰামত লিপ্ত হৈ থাকোঁতে ইটালীয়ে ১৯৪০ চনৰ আগষ্ট মাহত আফ্ৰিকাত বৃটিশ পদানত ছোমালিলেণ্ড অধিকাৰ কৰি ইজিপ্ত আৰু ছুয়েজ খাল অঞ্চলৰ প্ৰতি অগ্ৰসৰ হয়। ছেপ্তেম্বৰ মাহত ইটালীয়ান সেনাধ্যক্ষ মাৰ্চেল গ্ৰেজিয়ানিৰ নেতৃত্বত প্ৰায় ২,৫০,০০০ সৈন্যৰে গঠিত এটি বিশাল সেনা বাহিনীয়ে লিবিয়াৰপৰা ইজিপ্ত অভিমুখে ৰাওনা হয়। গ্ৰেজিয়ানি মৰুভূমি অঞ্চলত যুদ্ধ কৰাত অভিজ্ঞ আৰু পাকৈত আছিল।

ইফালে ইয়োৰোপত জাৰ্মানীৰ সাফল্যই ইটালীক জাৰ্মানীৰ সপক্ষত যুদ্ধ ঘোষণা কৰিবলৈ উৎসাহিত কৰি তুলিছিল আৰু ছেপ্তেম্বৰ মাহত (১৯৪০) ইটালীয়ে জাৰ্মানী আৰু জাপানৰ সৈতে এটি ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰ কৰি নিজৰ সাম্ৰাজ্যিক স্বাৰ্থ পৰিপূৰণৰ পথ মোকোলাই লৈছিল। এই চুক্তিৰ মৰ্ম আছিল পাৰস্পৰিক সামৰিক সহযোগিতা। তদুপৰি এই চুক্তিৰ মাধ্যমত ইটালী আৰু জাৰ্মানীয়ে দক্ষিণ-পূৰ্ব এছিয়া আৰু প্ৰশান্ত

মহাসাগৰীয় অঞ্চলত জাপানৰ আগ্ৰাসন নীতি নিৰঙ্কুশভাৱে মানি লৈছিল। গতিকে এনে এটা অনুকূল আন্তৰাষ্ট্ৰীয় পৰিস্থিতিত ইটালীয়ে আফ্ৰিকাৰ বৃটিশ অধিকৃত দেশসমূহৰ ওপৰত আক্ৰমণ কেন্দ্ৰীভূত কৰাটো আছিল স্বাভাৱিক কথা।

গ্ৰেজিয়ানিয়ে প্ৰথম অৱস্থাত বৃটিশৰ বিৰুদ্ধে আফ্ৰিকাৰ ৰণাঙ্গনত যথেষ্ট অগ্ৰগতি লাভ কৰিছিল যদিও বৃটিশ সেনাধ্যক্ষ ওৱাভেলে আৰম্ভ কৰা প্ৰতি-আক্ৰমণৰ সন্মুখত তেওঁ তিষ্টিব নোৱাৰিলে। ১৯৪১ চনৰ ৬ জানুৱাৰীত বৰদিয়াৰ সামৰিক ছাউনীত থকা প্ৰায় ৪৫,০০০ ইটালীয়ান সৈনিকে বৃটিশৰ ওচৰত আত্মসমৰ্পন কৰে। বৃটিশ সামৰিক বাহিনীয়ে অতি কম সময়ৰ ভিতৰতে ইটালীযানসকলক পৰাভূত কৰি ১,১৩,০০০ সৈনিকক যুদ্ধবন্দী কৰাৰ ওপৰিও অপৰ্যাপ্ত পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ হস্তগত কৰে। ইটালীয়ান সেনা বাহিনী বৃটিশৰ হাতত লিবিয়াত সম্পূৰ্ণৰূপে পৰ্যুদস্ত হ'ল। এইদৰে ইটালীয়ে ইজিপ্ত আৰু ছুয়েজ খাল অঞ্চলৰ প্ৰতি সৃষ্টি কৰা ভীতি আঁতৰাই ওৱাভেলে উক্ত অঞ্চলসমূহত বৃটিশৰ স্থিতি মজবুত কৰি তোলে।

আনহাতে ১৯৪১ চনৰ জানুৱাৰী মাহতে বৃটিশ সেনা বাহিনীয়ে ছুদান আৰু কেনিয়াৰপৰা ছোমালিলেণ্ড অভিমুখে ৰাওনা হয়। ছোমালিয়া অধিকাৰ কৰি তেওঁলোকে ইথিওপিয়াতো সোমাই পৰে আৰু সেইখন দেশকো ইটালীৰ কবলৰপৰা মুক্ত কৰে। মে' মাহত ইথিওপিযাৰ পলাতক ৰজা হেইলী ছেলাছিয়ে পুনৰ নিজ দেশত প্ৰৱেশ কৰি ৰাজধানী আদ্দিছ আবাবাত শাসনভাৰ গ্ৰহণ কৰে। আফ্ৰিকাত মিত্ৰ দেশ ইটালীৰ এই বিপৰ্যয়ৰ সংবাদ পাই হিটলাৰে তেওঁৰ এজন সুদক্ষ সেনাধ্যক্ষ আৰু ডিজাৰ্ট ফক্‌ছৰূপে (Desert Fox) জনাজাত আৰউইন ৰোমেলৰ(Erwin Rommel) নেতৃত্বত এটি সহায়ক জাৰ্মান সেনা বাহিনী প্ৰেৰণ কৰে। এপ্ৰিল মাহত উত্তৰ আফ্ৰিকাত উপনীত হৈয়েই ৰোমেলে ত্ৰিপলী আৰু লিবিয়াত ওৱাভেলৰ নেতৃত্বত বৃটিশ সেনা বাহিনীক ভীষণভাৱে পৰ্যুদস্ত কৰে আৰু বৃটিশক সেই অঞ্চলৰপৰা ইজিপ্তলৈ আঁতৰি যাবলৈ বাধ্য কৰায়।

আফ্ৰিকাত ইটালী আৰু জাৰ্মানীৰ বিৰুদ্ধে বৃটিশৰ প্ৰতি-আক্ৰমণ চলোৱা হৈছিল 'অপাৰেচন বেটে'ল একছ' (Operation Battleaxe) সাংকেতিক নাম ভূমিকাত। কিন্তু ওৱাভেলৰ নেতৃত্বত এই সামৰিক অভিযানে বিশেষ কাম নিদিয়াত ছাৰ্চিলে তেওঁৰ ঠাইত আইচিনলেকক সেনাধ্যক্ষ নিযুক্ত কৰি আফ্ৰিকাৰ ৰণাঙ্গনলৈ প্ৰেৰণ কৰে। লগতে তেওঁ এই ৰণাঙ্গনলৈ ৭৫০ খন টেংকসহ বৃটেইনৰ অত্যন্ত পাৰদৰ্শী সৈনিকসকলক প্ৰেৰণ কৰিছিল।

১৯৪১ চনৰ নবেম্বৰ মাহত আইচিনলেকে 'অপাৰেচন ক্ৰুছেডো'ৰ (Operation Crusader) সাংকেতিক নাম ভূমিকাত আৰম্ভ কৰা সামৰিক অভিযানো ৰোমেলৰ হাতত নিস্ফল হৈ পৰে। আইচিনলেকে আদিতে ৰোমেলক ছিৰেনাইকাকপৰা আঁতৰাই পঠিয়াইছিল

যদিও তেওঁ প্ৰায় পিচৰ ৫/৬ মাহৰ ভিতৰত নিজৰ অৱস্থান মজবুত কৰি লৈ বৃটিশক পুনৰ পৰ্যুদস্ত কৰি প্ৰায় ৩৩,০০০ বৃটিশ সৈনিকসহ টাব্ৰুক দখল কৰি অপাৰেচন ক্ৰুছেদোৰো ব্যৰ্থ কৰি পেলায়।

ইয়াৰ পিচতেই ৰোমেল লাহে লাহে ইজিপ্তৰ পিনে ধাবমান হয়। এই যাত্ৰাতে তেওঁ এল আলামেইন নামে ঠাইত জুলাই মাহত আইচিনলেকৰ দ্বাৰা ভীষণ প্ৰতিৰোধৰ সন্মুখীন হয়। কিন্তু বৃটিশ তথা মিত্ৰ পক্ষৰ বাবে এইটো চূড়ান্ত বিজয় নাছিল। এনে অৱস্থাতে ইটালী আৰু জাৰ্মানীৰ বিৰুদ্ধে মিত্ৰ পক্ষৰ যুদ্ধ প্ৰচেষ্টাত কিছু সাল-সলনি ঘটোৱা হয়। চাৰ্চিলে আইচিনলেকৰ ঠাইত জেনেৰেল মন্টগোমাৰিক বৃটিশ সেনাধ্যক্ষ নিযুক্ত কৰি একছিছ জোঁটৰ বিৰুদ্ধে নতুন উৎসাহেৰে সৈতে যুঁজাৰ প্ৰস্তুতি চলায়। সেই মৰ্মে ১৯৪২ চনৰ অক্টোবৰ মাহত জাৰ্মানী আৰু ইটালীৰ যুটীয়া সামৰিক প্ৰস্তুতিৰ পৰিণতি স্বৰূপে মোতায়েন কৰা ৮০,০০০ সৈনিক আৰু ২৬০ খন জাৰ্মান আৰু ২৮০ খন ইটালীয়ান টেঙ্কৰ বিপৰীতে মিত্ৰ শক্তিৰ ফালৰপৰা মন্টোগোমাৰিৰ নেতৃত্বত মুঠতে ২,৩০,০০০ সৈনিক আৰু ১,৪৪০ খন টেঙ্ক মোতায়েন কৰা হয়।

এইখিনিতে উল্লেখ কৰিব পাৰি যে হিটলাৰে ছোভিয়েট ৰাচিয়া আক্ৰমণ কৰাৰ লগে লগে বৃটেইনৰ প্ৰধানমন্ত্ৰী চাৰ্চিল আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেণ্ট ৰুজভেল্টে ছোভিয়েট ৰাচিয়াৰ সৈতে যৌথ প্ৰচেষ্টাৰে ফেছিষ্ট জোঁটক পৰাভূত কৰাৰ বাবে কাৰ্যসূচী প্ৰস্তুত কৰি কামত অগ্ৰসৰ হৈছিল। তেতিয়ালৈ মাৰ্কিন যুক্তৰাষ্ট্ৰ নিজেই যুদ্ধত প্ৰত্যক্ষভাৱে জড়িত হৈ পৰা নাছিল বা প্ৰতিপক্ষৰ কোনো এখন দেশৰ দ্বাৰা আক্ৰান্ত হোৱা নাছিল। কেৱল আমেৰিকা যুক্তৰাষ্ট্ৰ মিত্ৰ শক্তিৰ বাবে প্ৰচুৰ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ উৎপাদন আৰু যোগানকাৰী দেশৰূপে পৰিগণিত হৈছিল।

এতিয়া আফ্ৰিকাতো হিটলাৰ আৰু মুছলিনিৰ বিৰুদ্ধে মিত্ৰ পক্ষই যুটীয়াভাৱে সমৰ ক্ষেত্ৰত অৱতীৰ্ণ হোৱাৰ প্ৰস্তুতি চলাইছিল। তাৰ ফলস্বৰূপেই অক্টোবৰ (১৯৪২) মাহত এফালে মন্টোগোমাৰিয়ে টিউনিছিয়া, ত্ৰিপলী আৰু লিবিয়াত ৰোমেলৰ ওপৰত প্ৰচণ্ড আক্ৰমণ কেন্দ্ৰীভূত কৰে। আনহাতে ইংগ-মাৰ্কিন সেনা বাহিনীৰ নেতৃত্বত মাৰ্কিন সেনাধ্যক্ষ আইজেনহাৱাৰে মৰক্কো আৰু আলজেৰিয়াত ফেছিষ্ট বাহিনীৰ ওপৰত তীব্ৰ আক্ৰমণ কেন্দ্ৰীভূত কৰে। এই আক্ৰমণ আৰম্ভ কৰা হৈছিল 'অপাৰেচন টৰ্চ' নাম ভূমিকাত। এই আক্ৰমণত তিষ্ঠিব নোৱাৰি ৰোমেলে ৰণ ক্ষেত্ৰৰপৰা এহেজাৰ মাইল পিচ হুহকি যাবলৈ বাধ্য হৈছিল। এনেতে ফেছিষ্ট জোঁটৰ বাবে যুদ্ধ পৰিস্থিতিৰ যথেষ্ট অৱনতি ঘটে। মিত্ৰ শক্তিয়ে বিপুল পৰিমাণৰ সৈনিক কাছাব্লাঙ্কা, ওৰাণ আৰু আলজেৰিয়াৰ ৰাজধানী আলজিয়াৰছত অৱতৰণ কৰায়। আৰম্ভণিতে মৰক্কো আৰু আলজিয়াৰছত ফ্ৰান্সৰ পুতলা

চৰকাৰৰপৰা বাধা পালেও অতি কম সময়ৰ ভিতৰতে সেই বাধা অতিক্ৰম কৰি জেনেৰেল ডি গলে আলজিয়াৰছত এখন মুক্ত ফৰাছী চৰকাৰ গঠন কৰে। মিত্ৰ পক্ষৰ আক্ৰমণত তিষ্টিব নোৱাৰি ফেছিষ্ট বাহিনী লাহে লাহে দুৰ্বল হৈ পৰে আৰু অৱশেষত ১৯৪৩ চনৰ ৬ মাৰ্চত ৰোমেলৰ নেতৃত্বত কেছাৰান পাছৰ যুদ্ধত জাৰ্মান বাহিনী পৰাভূত হোৱাৰ পিচত ৰোমেলে আফ্ৰিকাৰপৰা পশ্চাদ প্ৰসাৰণ কৰিবলৈ বাধ্য হয়। এই যুদ্ধত জাৰ্মানসকলে মুঠতে ৫০ খন টেঙ্ক হেৰুৱাবলৈ বাধ্য হৈছিল। মে' মাহত মিত্ৰ পক্ষই ইটালীৰ বিৰুদ্ধে চূড়ান্ত বিজয় লাভ কৰে আৰু প্ৰায় ২,৫০,০০০ ইটালীয়ান সৈনিক তেওঁলোকৰ হাতত যুদ্ধবন্দী হয়। আফ্ৰিকাৰ ৰণাঙ্গনত মিত্ৰ পক্ষৰ বিজয়ে ফেছিষ্ট জোঁটৰ পতন চমু চপাই আনিছিল।

ইতিপূৰ্বে দক্ষিণ-পূৰ্ব ইয়োৰূপত ৰাজ্য বিস্তাৰৰ অভিলাষেৰে প্ৰলোভিত হৈ ১৯৪০ চনৰ অক্টোবৰ মাহত ইটালীয়ে আলবানিয়াৰপৰা এটি সামৰিক বাহিনী পঠিয়াই অতৰ্কিতে গ্ৰীচ দেশ আক্ৰমণ কৰিছিল। কিন্তু গ্ৰীকসকলে তীব্ৰ প্ৰতিৰোধ সংগ্ৰামৰ জৰিয়তে ইটালীয়ান আক্ৰমণ ব্যৰ্থ কৰি তেওঁলোকক পুনৰ আলবানিয়ালৈ ওভতি যাবলৈ বাধ্য কৰায়।

কিন্তু সেইটো হলেও গ্ৰীচৰ ওপৰত ইটালীৰ আক্ৰমণে ফেছিষ্ট জোঁটৰ বিৰুদ্ধে অন্য এটি ৰণাঙ্গন মুকলি কৰি সিহঁতক বিভ্ৰান্ত কৰিবলৈ ছাৰ্চিলৰ বাবে এটি নতুন সুযোগ আনি দিলে। ছাৰ্চিলে ১৯৪১ চনৰ মাৰ্চ মাহত ৫০,০০০ সৈন্যৰে গঠিত প্ৰকাণ্ড বৃটিশ সেনা বাহিনী এটি গ্ৰীচত পদাৰ্পণ কৰায়। কিন্তু হিটলাৰে ছোভিয়েট ৰাচিয়া আক্ৰমণ নকৰালৈ ছাৰ্চিলৰ এই উদ্দেশ্য ব্যৰ্থ হৈ থাকিল। তেওঁ বলকান উপমহাদেশত আশানুৰূপ সাফল্য লাভ কৰিব নোৱাৰিলে। হিটলাৰে ৰাচিয়া আক্ৰমণ কৰাতহে ছাৰ্চিলে ভৱা মতে মিত্ৰ শক্তিয়ে ভূমধ্য সাগৰীয় অঞ্চল আৰু মধ্য প্ৰাচ্যত নিজৰ অৱস্থান মজবুত কৰি তুলিব পাৰিছিল। মিত্ৰ শক্তিৰ এই অৱস্থানে বিশেষকৈ আফ্ৰিকাত ফেছিষ্ট জোঁটৰ বিৰুদ্ধে মিত্ৰ শক্তি জোঁটক প্ৰভূত সহায় কৰিছিল।

দ্বিতীয় বিশ্ব যুদ্ধত জাপানৰ অংশ গ্ৰহণঃ সুদূৰ প্ৰাচ্য আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চললৈ যুদ্ধৰ সম্প্ৰসাৰণঃ যুদ্ধত আমেৰিকা যুক্তৰাষ্ট্ৰৰ অংশগ্ৰহণ ঃ

১৯৪১ চনৰ ৭ ডিচেম্বৰ তাৰিখে জাপানে অতৰ্কিতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ হাৱাই দ্বীপপুঞ্জৰ পাৰ্ল হাৰ্বাৰৰ ওপৰত আক্ৰমণ চলায়। জাপানৰ নৌ অধ্যক্ষ য়ামামোটোৱে (Admiral Yamamoto) অত্যন্ত দক্ষতাৰে সৈতে সেই আক্ৰমণ সংগঠিত কৰিছিল। চীনকে ধৰি পূৰ্ব এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলত নিজৰ আধিপত্য স্থাপনৰ বাবে জাপানে দীৰ্ঘদিন ধৰি চেষ্টা চলাই আহিছিল। দ্বিতীয় বিশ্ব যুদ্ধ আৰম্ভ হোৱাৰ পিচত ১৯৪০ চনত জাপানে সেই দিশত কৃতকাৰ্যতা লাভ কৰিবলৈ উৎসাহ বোধ কৰি চীন, প্ৰশান্ত



জাপানী আক্ৰমণত বিধ্বস্ত পাৰ্ল হাৰ্বাৰ

মহাসাগৰীয় দ্বীপ-পুঞ্জ আৰু দক্ষিণ-পূৰ্ব এছিয়াৰ ফৰাছী অধিকৃত ইন্দোচীন আৰু থাইলেণ্ড, বৃটিশ পদানত ব্ৰহ্মদেশ, মালয় আদি দেশসমূহ নিজৰ সাম্ৰাজ্যৰ সৈতে সামৰি ল'বলৈ এক বৃহৎ আঁচনি প্ৰস্তুত কৰি তাক বাস্তৱায়িত কৰাৰ দিশত অগ্ৰসৰ হৈছিল।

জাপানৰ এই অভিলাষী আঁচনিয়ে যথাৰ্থতে আমেৰিকা যুক্তৰাষ্ট্ৰক সচকিত কৰি তুলিছিল। ১৯৪০ চনৰ ছেপ্তেম্বৰ মাহত জাপানে ইন্দোচীন দখল কৰে। কিন্তু দুখন ৰণাঙ্গনত যুদ্ধ কৰাৰপৰা হাত সাৰিবলৈ ১৯৪১ চনৰ এপ্ৰিল মাহত জাপানে ছোভিয়েট ৰাছিয়াৰ সৈতে এটি অনাক্ৰমণাত্মক চুক্তি স্বাক্ষৰ কৰে। সেই বছৰৰে জুলাই মাহত জাপানে ভিয়েটনাম দখল কৰে। দক্ষিণ-পূৰ্ব এছিয়াত জাপানৰ এই আগ্ৰাসন নীতি চলি থাকোঁতেই জাপানত এক সামৰিক অভ্যুত্থানৰ জড়িয়তে সামৰিক গোটে ক্ষমতা দখল কৰে। এই ঘটনাৰ পৰিণতি স্বৰূপে ১৯৪১ চনৰ অক্টোবৰ মাহত জেনেৰেল হাইডেকী ট'জো* (General Hideki Tojo) জাপানৰ প্ৰধানমন্ত্ৰী হয়। ইফালে জাপানে ফৰাছী পদানত ইন্দোচীনৰ ওপৰত আক্ৰমণ চলোৱাৰ পৰিপ্ৰেক্ষিতত আমেৰিকা যুক্তৰাষ্ট্ৰই জেনেৰেল মেক আৰ্থাৰক সুদূৰ প্ৰাচ্যৰ সেনাধ্যক্ষ নিযুক্ত কৰে।

পূৰ্বে উল্লেখ কৰি অহা পাৰ্ল হাৰ্বাৰত মাৰ্কিন নৌ-বাহিনীৰ ওপৰত জাপানে কৰা আক্ৰমণৰ ফলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৫ খন যুদ্ধ জাহাজৰ সৈতে ৩৫০ খন যুঁজাৰু বিমান আৰু ৩,৭০০ জন মাৰ্কিন সৈনিক নিহত হয়। এই আক্ৰমণত জাপানে সিহঁতৰ নৌ-বাহিনীৰ ৩৫৩ খন যুঁজাৰু বিমান ব্যৱহাৰ কৰিছিল। তাৎপৰ্যৰ কথা যে পাৰ্ল হাৰ্বাৰৰ

ওপৰত কৰা আক্ৰমণৰ সময়ত জাপানৰ প্ৰতিনিধি দল এটাই লোক-দৰ্শিতভাৱে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে ওৱাছিংটনত শান্তি চুক্তি এটা স্বাক্ষৰ কৰা সম্পৰ্কে আলোচনা চলাই আছিল। পাৰ্ল হাৰ্বাৰত সংঘটিত হোৱা এই অতৰ্কিত আক্ৰমণৰ পিচ দিনাখন আমেৰিকা যুক্তৰাষ্ট্ৰই আৰু ইংলেণ্ডে জাপানৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। এইদৰে দেখা যায় যে দ্বিতীয় বিশ্ব যুদ্ধ আৰম্ভ হোৱাৰ প্ৰায় দুবছৰৰ পিচত আমেৰিকা যুক্তৰাষ্ট্ৰ সেই যুদ্ধত লিপ্ত হৈ পৰে।

পাৰ্ল হাৰ্বাৰত কৃতকাৰ্যতাৰে আক্ৰমণ কৰাৰ পিচত জাপানে অপ্ৰতিহতভাৱে এফালৰপৰা সুদূৰ প্ৰাচ্যৰ প্ৰশান্ত মহাসাগৰীয় অঞ্চল আৰু দক্ষিণ-পূৰ্ব এছিয়াত দ্ৰুতগতিত নিজৰ সাম্ৰাজ্যিক স্বাৰ্থৰ সম্প্ৰসাৰণত ব্যস্ত হৈ পৰে। জাপানে ১৯৪১ চনৰ ২৫ ডিচেম্বৰত হংকং দখল কৰে। হংকং দখল কৰাৰ আগমুহূৰ্ত্তত জাপানে ১৯৪১ চনৰ ডিচেম্বৰ মাহৰ ১০ তাৰিখে ছিঙ্গাপুৰৰ ওচৰত মুঠতে ৮০ খন বোমাৰু বিমানৰ সহায়ত 'প্ৰিঞ্চ অব ওৱেল্‌ছ' (Prince of Wales) আৰু 'ৰিপাল্‌ছ' (Repulse) নামে দুখন বৃটিশ যুদ্ধ জাহাজ বিধ্বস্ত কৰে। পিচৰ বছৰৰ জানুৱাৰীত জাপানে ফিলিপাইন্‌ছ, ফেব্ৰুৱাৰীত ছিঙ্গাপুৰ আৰু মালায়াছিয়া, মাৰ্চত ইন্দোনেছিয়া আৰু মে'ত ব্ৰহ্মদেশ দখল কৰে। তাৰ পিচতে জাপানে ক্ৰমে জাভা, বৰ্ণিও, সুমাত্ৰা, বালি আদি আক্ৰমণ কৰি অধিকাৰ কৰে।

জাপানে প্ৰশান্ত মহাসাগৰীয় অঞ্চলত গোৱাম আৰু ওৱেক দ্বীপ কেইটা আমেৰিকা যুক্তৰাষ্ট্ৰৰপৰা আৰু গিলবাৰ্ট দ্বীপপুঞ্জ বৃটেইনৰপৰা দখল কৰে। ১৯৪২ চনৰ ১৫ ফেব্ৰুৱাৰীত ছিঙ্গাপুৰে ৬০,০০০ সৈনিকসহ জাপানৰ ওচৰত আত্মসমৰ্পণ কৰে। ৮ মাৰ্চত জাপানৰ হাতত ব্ৰহ্মদেশৰ ৰাজধানী ৰেঙ্গুনৰ পতন ঘটে আৰু মে' মাহৰ ভিতৰতে বৃটিশক তেওঁলোকৰ সেনা বাহিনীৰে সৈতে ব্ৰহ্মদেশৰপৰা ভাৰতবৰ্ষলৈ খেদি পঠিয়ায়। বৃটিশৰ এই বিপৰ্যয়ৰ লগে লগে সমগ্ৰ বিশ্বতে সামৰিক শক্তিৰূপে বৃটেইনৰ যশ-খ্যাতি সম্পূৰ্ণৰূপে ম্লান পৰি যায়।

এইখিনিতে উল্লেখ কৰিব পাৰি যে ভালেমান বছৰৰ পূৰ্বৰপৰাই জাপানে সুদূৰ প্ৰাচ্যত উপনিবেশ স্থাপন কৰি এফালে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে প্ৰতিদ্বন্দ্বিতাত নামিছিল আৰু আনফালে চীনৰ স্বাধীনতা আৰু ৰাষ্ট্ৰীয় অখণ্ডতাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰি আহিছিল। এই অঞ্চলত জাপানে ক্ৰমাগতভাৱে ১৮৯৫ চনত ফৰমোছা (টাৱাইন), ১৯০৬ চনত কোৰিয়া, ১৯৩১-৩৩ চনত মাঞ্চুৰিয়া আৰু ১৯৩৮ চনত নানকিং দখল কৰি সেই দেশ তথা অঞ্চলবিলাকত নিজৰ আধিপত্য বিস্তাৰ আৰু স্থাপন কৰিছিল।

আমেৰিকা যুক্তৰাষ্ট্ৰই যুদ্ধত অংশ গ্ৰহণ কৰিয়েই যি কোনো প্ৰকাৰে জাপানক পৰাভূত কৰিবলৈ প্ৰাণান্তক চেষ্টা কৰে। পূৰ্বে উল্লেখ কৰি অহা হৈছে যে ইয়োৰূপৰ ৰণাঙ্গনত ফেছিষ্ট জোঁটৰ পৰাজয়ৰ বাবে প্ৰায় আৰম্ভণিৰেপৰা আমেৰিকা যুক্তৰাষ্ট্ৰই বৃটেইন আৰু

ফ্ৰান্সক অস্ত্ৰ-শস্ত্ৰৰে সহায় কৰি আহিছিল। দ'ৰাচলতে ক'ব পাৰি যে দ্বিতীয় বিশ্ব যুদ্ধৰ আৰম্ভণিৰেপৰাই আমেৰিকা যুক্তৰাষ্ট্ৰ যুদ্ধৰ অস্ত্ৰাগাৰত পৰিণত হৈছিল। এতিয়া নিজেই প্ৰত্যক্ষভাৱে যুদ্ধত জড়িত হৈ পৰাত মিত্ৰ শক্তিৰ বাবে যুদ্ধত জয় লাভ কৰাটো নিশ্চিত হৈ পৰাৰ লগতে সি এক সময়ৰ প্ৰশ্ন হৈ পৰিছিল।

জাপানৰ সামৰিক অগ্ৰগতিক ৰোধ কৰিবলৈ আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰশান্ত মহাসাগৰীয় অঞ্চলত দুখন ভয়ানক নৌ-যুদ্ধত অৱতীৰ্ণ হৈছিল। প্ৰথমখন সংঘটিত হয় ১৯৪২ চনৰ মে' মাহত অষ্ট্ৰেলিয়া আৰু ছলোমান দ্বীপপুঞ্জৰ মাজৰ কোৰেল উপসাগৰত। এই যুদ্ধত আমেৰিকা যুক্তৰাষ্ট্ৰই জাপানৰ নৌ-বাহিনীৰ ব্যাপক ক্ষতি সাধন কৰে। তাৰ পিচৰ যুদ্ধখন সংঘটিত হয় জুন মাহত মধ্য প্ৰশান্ত মহাসাগৰৰ মিডওৱে দ্বীপৰ ওচৰত। মুঠতে ৪ দিন ধৰি চলা এই তয়াময়া যুদ্ধখনত জাপান বিষমৰূপে পৰাভূত হয়। যুদ্ধত জাপানৰ ৫,০০০ সৈনিক মৃত্যু মুখত পৰাৰ ওপৰিও ৩২২ খন যুঁজাৰু বিমান, ৪ খন পৰিবহনকাৰী জাহাজ আৰু ১ খন ক্ৰুইজাৰ সম্পূৰ্ণৰূপে বিধ্বস্ত হয়। এই পৰাজয়ৰ পিচত জাপানে আৰু বিশেষ অগ্ৰগতি লাভ কৰিব নোৱাৰিলে। ১৯৪৪ চনৰ জুন-জুলাই মাহত আমেৰিকা যুক্তৰাষ্ট্ৰই খোদ জাপানৰ ওপৰতেই আক্ৰমণ কেন্দ্ৰীভূত কৰে। জাপানৰ বিৰুদ্ধে মাৰ্কিন সৈন্যৰ এই অগ্ৰগতিৰ পৰিপ্ৰেক্ষিতত জাপানৰ সম্ৰাট হিৰ'হিটোৱে প্ৰধানমন্ত্ৰী ট'জোৰ ওপৰত আস্থা হেৰুৱাই ৯ জুলাইত তেওঁক পদত্যাগ কৰিবলৈ বাধ্য কৰায়। তাৰ পিচত তেওঁ কইজোক (Koiso) প্ৰধানমন্ত্ৰী পাতে। তাৰ পিচতো যুদ্ধত মাৰ্কিন অগ্ৰগতি অব্যাহত থাকে আৰু অক্টোবৰ মাহত জেনেৰেল মেক আৰ্থাৰে ফিলিপাইনছ্ দখল কৰে।

দ্বিতীয় বিশ্ব যুদ্ধৰ চূড়ান্ত সংঘৰ্ষঃ ফেছিষ্ট জোঁটৰ পৰাজয়ঃ

জাপানে পাৰ্ল হাৰ্বাৰত আক্ৰমণ কৰাৰ পিচতে মিত্ৰ শক্তিৰ যুদ্ধ প্ৰচেষ্টাত ভালেমান সাংগঠনিক পৰিবৰ্তন সাধন কৰা হৈছিল। হিটলাৰে ছোভিয়েট ৰাচিয়া আক্ৰমণ কৰাৰ পিচতে ষ্টেলিনে পশ্চিমীয়া গণতান্ত্ৰিক দেশসমূহক বাৰে বাৰে পশ্চিম ইয়োৰূপত ফেছিষ্ট জোঁটৰ বিৰুদ্ধে আক্ৰমণ সংঘটিত কৰি ফেছিষ্ট শক্তি জোঁটৰ সামৰিক শক্তিক দুখন ৰণাঙ্গনত ব্যতিব্যস্ত কৰি সিহঁতৰ সামৰিকবাহিনীত বিভাজন অনাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিছিল যাতে ৰাচিয়াত হিটলাৰৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ কিছু পৰিমাণে হলেও সুবিধা হয়। কিন্তু ষ্টেলিনৰ সেই পৰামৰ্শৰ গুৰুত্ব নুবুজি মিত্ৰ শক্তিয়ে তাৰ বিপৰীতে আফ্ৰিকা আৰু ভূমধ্য সাগৰীয় অঞ্চলতহে আক্ৰমণ কেন্দ্ৰীভূত কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰ জাপানৰ দ্বাৰা আক্ৰান্ত হোৱাৰ পিচত যেনিবা মিত্ৰ শক্তিয়ে পূৰ্বৰ ভুলৰ সংশোধনী কৰি ফেছিষ্ট জোঁটৰ বিৰুদ্ধে যুদ্ধ প্ৰচেষ্টাক এক সুসংহত ৰূপ দিবলৈ চেষ্টা কৰে।

১৯৪২ চনৰ জানুৱাৰী মাহত আমেৰিকা যুক্তৰাষ্ট্ৰ, বৃটেইন আৰু ছোভিয়েট ৰাচিয়াই

ফেছিষ্ট বিৰোধী অন্যান্য ২৩ খন ৰাষ্ট্ৰৰ সহযোগত সংযুক্ত ৰাষ্ট্ৰসংঘৰ এক ঘোষণা পত্ৰ প্ৰস্তুত কৰি পূৰ্বে ১৯৪১ চনৰ আগষ্ট মাহত ৰুজভেল্ট আৰু চাৰ্চিলে তৈয়াৰ কৰা আটলাণ্টিক ছনদৰ প্ৰতি আনুগত্য প্ৰকাশ কৰাৰ লগতে বিশ্বক ফেছিজিমৰপৰা মুক্ত কৰিবলৈ সংকল্পবদ্ধ হয়। ইয়াকে বৃটিশ প্ৰধানমন্ত্ৰী চাৰ্চিলে মহান চুক্তি (Grand Alliance) আখ্যা দিছিল।

সি যি কি নহওক, ছোভিয়েট ৰাচিয়া, আফ্ৰিকা আৰু ভূমধ্য সাগৰীয় অঞ্চলত সামৰিক বিপৰ্যয়ৰ পিচত সুদূৰ প্ৰাচ্য আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলতো বিশ্ব ফেছিষ্ট আৰু সামৰিক জোঁটৰ উপৰ্যুপৰি বিপৰ্যয়ে মিত্ৰ শক্তি জোঁটৰ বিজয় সুনিশ্চিতকৰি তুলিছিল। আফ্ৰিকাত জাৰ্মানী আৰু ইটালীৰ পৰাজয়ৰ প্ৰায় লগে লগেই মিত্ৰ শক্তিয়ে জাৰ্মানী আৰু ইটালীত তেওঁলোকৰ আক্ৰমণ কেন্দ্ৰীভূত কৰে। ১৯৪৩ চনৰ মে' মাহৰ শেহৰপৰা বৃটিশ ৰাজকীয় বিমান বাহিনীয়ে জাৰ্মানীৰ কলন আৰু ইছেনত বোমা বৰ্ষণ কৰিবলৈ লয়। এই ঘটনাৰ লগে লগে মিত্ৰ শক্তিয়ে জাৰ্মানীৰ বিভিন্ন অঞ্চলত বিশেষকৈ হামবাৰ্গ আৰু লৰিয়েটত আৰু জাৰ্মান অধিকৃত ফ্ৰান্স আৰু বেলজিয়ামত আৰু শেষত আনকি বাৰ্লিনতো ধাৰাসাৰ বোমা বৰ্ষণ কৰিবলৈ লৈছিল।

ইপিনে সেই বছৰৰে (১৯৪৩) জুলাই মাহত ইটালীৰ বিভিন্ন অঞ্চলত আক্ৰমণ কেন্দ্ৰীভূত কৰাৰ লগে লগে মিত্ৰ শক্তিৰ প্ৰায় ৭০০ খন বোমাৰু বিমানে ৰোমত বোমা বৰ্ষণ কৰে। তাৎপৰ্যৰ কথা যে সেই দিনাখনেই হিটলাৰ আৰু মুছলিনি এক আলোচনাত মিলিত হৈছিল যদিও তেওঁলোকে প্ৰতিপক্ষৰ বিৰুদ্ধে একো কৰিব নোৱাৰিলে। ২৪ জুলাইত ফেছিষ্টসকলৰ সৰ্বোচ্চ সম্মিলন অনুষ্ঠিত হোৱাত মুছলিনি ৮ টা ভোটৰ বিপৰীতে ১৯ টা ভোটৰ ব্যৱধানত ক্ষমতাৰপৰা অপসাৰিত হয়। পিচদিনাখনেই ইটালীৰ সম্ৰাটে মুছলিনিক প্ৰধানমন্ত্ৰীত্বৰপৰা বৰখাস্ত কৰি বন্দী কৰে আৰু লগে লগেই মাৰ্ছাল পিয়েট্ৰো বডোগ্লিওক (Marshal Pietro Badoglio) প্ৰধানমন্ত্ৰী পাতে।

ক্ষমতাত অধিষ্ঠিত হৈয়েই বড়োগ্লিওয়ে গোপনে মিত্ৰ পক্ষৰ সৈতে যুদ্ধ বিৰতিৰ বাবে যোগাযোগ স্থাপন কৰে। তাৰেই পৰিণতি স্বৰূপে ১৯৪৩ চনৰ ৩ ছেপ্তেম্বৰ তাৰিখে বডোগ্লিওয়ে মিত্ৰ পক্ষৰ সৈতে যুদ্ধ বিৰতি চুক্তিত স্বাক্ষৰ কৰি চৰ্তবিহীনভাৱে আত্মসমৰ্পণ কৰে। তাৰ পিচত ১৩ অক্টোবৰ তাৰিখে বডোগ্লিওয়ে মিত্ৰ পক্ষৰ হৈ জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। ইটালীত থকা জাৰ্মান সেনাধ্যক্ষ মাৰ্ছাল কেছেলৰিঙে ইটালীৰ বিৰুদ্ধে ঘোৰতৰ যুদ্ধত লিপ্ত হয়। ১৯৪৪ চনৰ এপ্ৰিল মাহৰপৰা মিত্ৰ শক্তিয়ে জাৰ্মান সেনা বাহিনীৰ ওপৰত আক্ৰমণ আৰম্ভ কৰে। এই আক্ৰমণৰ নেতৃত্ব কৰিছিল মিত্ৰ শক্তিৰ সেনাধ্যক্ষ ফিল্ড মাৰ্ছাল আলেকজেণ্ডাৰে। এই আক্ৰমণৰ ফলশ্ৰুতিত জুন মাহৰ প্ৰথম সপ্তাহতে মিত্ৰ শক্তিয়ে ৰোমৰ ওপৰত নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ সক্ষম হয়।

এইদৰে ইটালীত জাৰ্মানীৰ পতন হয়।

ইতিমধ্যে জাৰ্মান সৈনিকসকলে মুছুলিনিক বন্দীশালৰপৰা মুকলি হোৱাত সহায় কৰি দিছিল। মুক্ত হৈয়েই তেওঁ ঘৈণীয়েক ক্লাৰেট্টা পেটাচ্চীৰ(Claretta Petacci) সৈতে চুইজাৰলেণ্ডৰ পিনে পলাই যাবলৈ চেষ্টা কৰোঁতে ধৰা পৰে। শেষত দুয়োকে ধৰি আনি মৃত্যু দণ্ডেৰে দণ্ডিত কৰি ১৯৪৫ চনৰ ২৮ এপ্ৰিল তাৰিখে গুলিয়াই হত্যা কৰা হয়। এইদৰে ইটালীত ফেছিজিমৰ জন্মদাতাৰ সৈতে ফেছিজিমৰো অন্ত পৰে।

ইটালীত মুছুলিনিৰ পতন আৰু ফেছিষ্ট বাহিনীৰ সামৰিক বিপৰ্যয়ৰ সমসাময়িকভাৱে ছোভিয়েট লাল ফৌজেও পূৰ্ব ইয়োৰূপত জাৰ্মান ফেছিষ্ট বাহিনীৰ বিৰুদ্ধে এফালৰপৰা জয় লাভ কৰি গৈছিল। ১৯৪৪ চনৰ জুন মাহৰ ভিতৰত ছোভিয়েট লাল ফৌজে জাৰ্মানীৰ দখলৰপৰা বাইলোৰাচিয়া আৰু পোলেণ্ডৰ উত্তৰাংশ মুক্ত কৰে। ২৩ আগষ্টত ৰোমানিয়াই আৰু ৫ ছেপ্তেম্বৰত বুলগেৰিয়াই লাল ফৌজৰ ওচৰত আত্মসমৰ্পণ কৰে। ইফালে যুগোশ্লাভিয়াত মাৰ্ছাল যোছেফ ব্ৰজ টিটোৱে (Marshal Josip Broz Tito) তেওঁৰ সহযোগী আৰু লাল ফৌজৰ সমৰ্থনত যুগোশ্লাভিয়াক নাজিসকলৰ কৱলৰপৰা মুক্ত কৰিবলৈ সক্ষম হয়। ১৯৪৫ চনৰ জানুৱাৰী মাহত ৱাৰশ'সহ পোলেণ্ডৰ বাকী অংশও জাৰ্মান বাহিনীৰ হাতৰপৰা লাল ফৌজৰ দখললৈ যায়। তদুপৰি ইয়াৰ পূৰ্বেই এষ্টোনিয়া, লাটভিয়া, লিথুৱানিয়া আৰু ছেক'শ্লোভাকিয়াৰ পূৰ্বাংশটো ৰাছিয়াৰ দখললৈ যায়।

ইয়োৰোপৰ পশ্চিমৰ ৰণাঙ্গনতো ইতিমধ্যে ইংগ-মাৰ্কিন সেনা বাহিনীয়ে 'অপাৰেচন ওভাৰলৰ্ড' (Operation Overlord) সাংকেতিক নামেৰে নাজি সেনা বাহিনীৰ ওপৰত ভীষণ আক্ৰমণ চলায়। ১৯৪৪ চনৰ ৬ জুনৰপৰা আৰম্ভ হোৱা এই আক্ৰমণৰ বাবে মিত্ৰ পক্ষই ফ্ৰান্সৰ উত্তৰাংশত নৰ্মাণ্ডীৰ উপকূলত প্ৰচুৰ সৈনিক মোতায়েন কৰি ২৫ আগষ্টৰ ভিতৰত নাজিসকলৰপৰা পেৰী চহৰ মুক্ত কৰে। ৪ ছেপ্তেম্বৰত ব্ৰুছেলছো মুক্ত হয়। ইতিমধ্যে ১৫ আগষ্টত আৰু এটি সেনা বাহিনীয়ে নাইচত (ইটালীত) অৱতৰণ কৰাৰ পিচত নাজি বাহিনীয়ে মধ্য আৰু দক্ষিণ ফ্ৰান্সৰপৰাও আঁতৰি যাবলৈ বাধ্য হয়। ১৯৪৪ চনৰ ছেপ্তেম্বৰ মাহৰ ভিতৰত মিত্ৰ পক্ষ বিশেষকৈ ইংগ-মাৰ্কিন সেনা বাহিনী জাৰ্মানীৰ সীমান্তত উপনীত হয়। ১৯৪৫ চনৰ মাৰ্চ মাহৰ আদিতে জেনেৰেল আইজেনহাৱাৰৰ নেতৃত্বত মিত্ৰ পক্ষৰ সেনা বাহিনী জাৰ্মানীৰ ৰাইন উপত্যকালৈ ধাৱমান হয়।

ইতিপূৰ্বে ফেব্ৰুৱাৰী মাহৰ আদিতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেন্ট ৰুজভেল্ট, বৃটিশ প্ৰধানমন্ত্ৰী চাৰ্চিল আৰু ছোভিয়েট ৰাষ্ট্ৰ প্ৰধান ষ্টেলিনে ৰাছিয়াৰ য়াল্টাত (Yalta) (ক্ৰিমিয়া) মিলিত হৈ জাৰ্মানীৰ ভৱিষ্যত সম্পৰ্কে বিশদ আলোচনা কৰিছিল। এই আলোচনাত তেওঁলোকে জাৰ্মানীত উক্ত ৰাষ্ট্ৰসমূহৰ যৌথ নিয়ন্ত্ৰণৰ সূত্ৰ উদ্ভাৱন কৰিছিল। সেই উদ্দেশ্য

আগত ৰাখিয়েই জেনেৰেল আইজেনহাৱাৰৰ নেতৃত্বত পশ্চিম ফালৰপৰা ইংগ-মাৰ্কিন সেনা বাহিনী আৰু পূৰ্ব প্ৰান্তৰপৰা মাৰ্ছাল ঝুকোভ আৰু মাৰ্ছাল কোনেভৰ নেতৃত্বত ছোভিয়েট লাল ফৌজে জাৰ্মানী অভিমুখে অগ্ৰসৰ হৈছিল। মাৰ্চ-এপ্ৰিল মাহত ছোভিয়েট সৈনিকে ডান্‌জিগ্ আৰু ভিয়েনা অধিকাৰ কৰি ছেক'শ্লোভাকিয়াক মহতিয়াই যায়। ইফালে ইংগ-মাৰ্কিন আৰু ছোভিয়েট লাল ফৌজৰ আক্ৰমণত নাজি জাৰ্মানীৰ পতন হয়।

৩০ এপ্ৰিল তাৰিখে হিটলাৰে প্ৰথমে ঘৈণীয়েকক গুলিয়াই হত্যা কৰি পিচ মুহূৰ্ত্তে নিজেও আত্মহত্যা কৰে। ঠিক সেইদৰে গোৱেবেল্‌ছেও ঘৈণীয়েকক হত্যা কৰি নিজে আত্মহত্যা কৰে। বৃটিশৰ হাতত ধৰা পৰাৰ পিচত হিমলাৰেও আত্মহত্যা কৰে। বিশ্বৰ কোটি কোটি মানুহৰ জীৱনলৈ চূড়ান্ত দুখ-দুৰ্দশা কঢ়িয়াই অনা ফেছিষ্টসকলৰ এইদৰেই জীৱনাৱসান ঘটিছিল। জাৰ্মান ফেছিষ্টসকলৰ এইদৰে পতন হোৱাৰ সময়তেই বাৰ্লিন চহৰৰ বাটে-ঘাটে ঘোৰতৰ ৰণ দি অৱশেষত ২ মে' তাৰিখে বাৰ্লিন চহৰেও মিত্ৰ পক্ষৰ ওচৰত আত্মসমৰ্পণ কৰে। ৭ মে' তাৰিখে এডমিৰেল কাৰ্ল ডনিট্‌জৰ (Admiral Karl Doenitz) নেতৃত্বত নাজি জাৰ্মানীয়ে মিত্ৰ পক্ষৰ ওচৰত চৰ্তবিহীনভাৱে আত্মসমৰ্পণ কৰে। বিশ্ব ইতিহাসৰ এক কলঙ্কিত অধ্যায়ৰ এইদৰেই সামৰণি পৰিছিল।

ইয়োৰোপত দ্বিতীয় বিশ্ব যুদ্ধৰ সামৰণি পৰিলেও দক্ষিণ-পূৰ্ব এছিয়া আৰু সুদূৰ প্ৰাচ্যত তেতিয়াও যুদ্ধখন চলিয়েই আছিল। ইতিপূৰ্বে উল্লেখ কৰি অহা হৈছে যে জেনেৰেল মেক আৰ্থাৰে জাপানক পৰাভূত কৰি ১৯৪৪ চনৰ অক্টোবৰ মাহত ফিলিপাইন দ্বীপপুঞ্জ দখল কৰিছিল। তেওঁ এতিয়া নৱেম্বৰ মাহত জাপানৰ হনুছিও দ্বীপটো দখল কৰি ১৯৪৫ চনৰ ফেব্ৰুৱাৰী মাহত মেনিলা অধিকাৰ কৰে। (১৯৪৫ চনৰ) ৯ মাৰ্চৰ নিশাৰ ভাগত বোমাৰু বিমানেৰে কৰা মাৰ্কিন আক্ৰমণত টকিও চহৰৰ প্ৰায় ১৫ বৰ্গ মাইল জোৰা এলেকা এটি সম্পূৰ্ণৰূপে বিধ্বস্ত হয়। ইয়াৰ ওপৰিও সেই আক্ৰমণত তাৰ প্ৰায় ১,৮৫,০০০ লোক হতাহত হৈছিল। গৃহহীন হোৱা লোকৰ সংখ্যাই আছিল প্ৰায় ৩,০০,০০০।

১ এপ্ৰিলৰ দিনা আমেৰিকাৰ দশম সেনা বাহিনীটো অকিনাৱা দ্বীপত উপনীত হোৱাৰ লগে লগে জাপানত আকৌ কিছু ৰাজনৈতিক পৰিবৰ্তন সংঘটিত হয়। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী কাইজোৱে পদত্যাগ কৰে। লগে লগে এডমিৰেল ছুজুকীক প্ৰধানমন্ত্ৰীত্বৰ দায়িত্ব দি নতুন মন্ত্ৰীসভা এখন গঠন কৰা হয়।

ইফালে দক্ষিণ-পূৰ্ব এছিয়াৰ ৰণাঙ্গনতো ৰণ-কৌশলৰ ক্ষেত্ৰত কিছু পৰিবৰ্তন সাধন কৰা হৈছিল। ১৯৪৩ চনৰ আগষ্ট মাহত জাপানৰ বিৰুদ্ধে যুদ্ধ পৰিচালনা কৰাৰ বাবে বৃটিশ এডমিৰেল লৰ্ড লুই মাউণ্টবেটেনৰ নেতৃত্বত দক্ষিণ-পূৰ্ব এছিয়া কামাণ্ড গঠন কৰা হয়। এই কামাণ্ডৰ অধীনত কেৰাজনো জেনেৰেলৰ নেতৃত্বত মিত্ৰ পক্ষৰ সৈনিকসকলে

১৯৪৩-৪৫ চনৰ ভিতৰত ব্ৰহ্মদেশ (মিয়ানমাৰ), মালয়, ছিঙ্গাপুৰ আৰু চীনত জাপানী সৈন্যক বিপৰ্যস্ত কৰি আনিছিল।

জাপানৰ বিপক্ষে মিত্ৰ পক্ষই লাভ কৰা এই সামৰিক অগ্ৰগতিৰ পৰিপ্ৰেক্ষিতত অনুষ্ঠিত হৈছিল জাৰ্মানীৰ প'ট্‌ছডামত এখন শীৰ্ষ সন্মিলন। ইয়াকে প'ট্‌ছডাম সন্মিলন বোলে। ১৯৪৫ চনৰ ১৭ জুলাইত অনুষ্ঠিত এই শীৰ্ষ সন্মিলনত উপস্থিত আছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেন্ট হ্যাৰি এছ. ট্ৰুমেন**, বৃটিশ প্ৰধানমন্ত্ৰী এট্‌লি*** আৰু চীনৰ জাতীয়তাবাদী নেতা ছিয়াং-কাই-চেক। এই নেতাসকলে জাপানক হয়তো চৰ্তবিহীনভাৱে মিত্ৰ পক্ষৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ নহয়তো নিশ্চিত ধ্বংসৰ বাবে প্ৰস্তুত হ'বলৈ সতৰ্ক কৰি দিছিল।

আনৱিক বোমা নিক্ষেপ আৰু জাপানৰ আত্মসমৰ্পণঃ

ইতিমধ্যে ইয়োৰুপৰ ৰণাঙ্গনত ছোভিয়েট ৰাচিয়াৰ পৰাক্ৰমে বৃটেইনৰ ভূতপূৰ্ব প্ৰধানমন্ত্ৰী উইনষ্টন ছাৰ্চিল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেন্ট হেৰী এছ. ট্ৰুমেনক চিন্তিত কৰি তুলিছিল। সুদূৰ প্ৰাচ্যতো ছোভিয়েটৰ ভূমিকা সম্পৰ্কে ট্ৰুমেন যথেষ্ট সংকিত হৈ পৰিছিল। সেয়ে সুদূৰ প্ৰাচ্যত ছোভিয়েট ৰাচিয়াই বিশেষ একো কৰিবলৈ নৌ-পাওঁতেই যুদ্ধৰ গতিধাৰা নিজৰ নিয়ন্ত্ৰণত ৰাখিবলৈ মাৰ্কিন প্ৰেছিডেন্ট ট্ৰুমেনে জাপানৰ ওপৰত আনৱিক বোমা নিক্ষেপ কৰিবলৈ সিদ্ধান্ত লৈছিল। অৰ্থাৎ ছোভিয়েট ভীতিয়ে মাৰ্কিন যুক্তৰাষ্ট্ৰক জাপানৰ হিৰ'ছিমা আৰু নাগাছাকিত আনৱিক বোমা নিক্ষেপ কৰিবলৈ প্ৰৰোচিত কৰে। সেই সিদ্ধান্ত কাৰ্যত পৰিণত কৰা হয় ১৯৪৫ চনৰ ৬ আগষ্টত হিৰ'ছিমাত প্ৰথমটো আনৱিক বোমা নিক্ষেপ কৰাৰ লগে লগে। এই বোমা বৰ্ষণৰ ফলত নগৰখনৰ অৰ্দ্ধেক সম্পূৰ্ণৰূপে ধ্বংস প্ৰাপ্ত হোৱাৰ লগতে তাৰ ৮০,০০০ সাধাৰণ নাগৰিক তৎকালেই মৃত্যু মুখত পৰিছিল। মাৰ্কিন বৈমানিক এনোলা গে (Enola Gay) নামে লোকজনে এই বোমা নিক্ষেপ কৰিছিল। তাৰ দুদিন পিচত ছোভিয়েট ৰাচিয়াই জাপানৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি মাঞ্চুৰিয়া আৰু ছাখালীন দ্বীপলৈ সৈন্য বাহিনী প্ৰেৰণ কৰিছিল। এনেতে আমেৰিকাই ৯ আগষ্টৰ দিনা নাগাছাকিত দ্বিতীয়টো আনৱিক বোমা নিক্ষেপ কৰি সেই চহৰখনো বিধ্বস্ত কৰে। এই বোমাটো নিক্ষেপ কৰিছিল মাৰ্কিন বৈমানিক চাৰ্লছ ডব্লিউ ছুইনীয়ে (Charles W Sweeney)। ইয়াতো হাজাৰ হাজাৰ নিৰপৰাধী লোকৰ মৃত্যু হৈছিল। এই আক্ৰমণেও সম্পূৰ্ণ নগৰ এলেকাটো বিধস্ত কৰাৰ লগতে প্ৰায় ২,৪০,০০০ লোকক মৃত্যু মুখত পেলাইছিল। গতিকে দেখা যায় দুয়োখন চহৰতে এই বোমা বৰ্ষণৰ ফলত মৃত্যু বৰণ কৰা লোকৰ সংখ্যা আছিল ৩,২০,০০০। পুৰুষ মহিলা, শিশু, বৃদ্ধ কোনোৱেই মৃত্যুৰপৰা হাত সাৰিব পৰা নাছিল।

এই পাশৱিক ঘটনাৰ পিচতেই জাপানী সৈন্যই দক্ষিণ-পূৰ্ব এছিয়া, চীন আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ বিভিন্ন ঠাইত মিত্ৰ পক্ষৰ ওচৰত আত্মসমৰ্পণ কৰিছিল। ১৯৪৫ চনৰ ১৫ আগষ্টৰ দিনা দক্ষিণ-পূৱ এছিয়াত জাপানী সৈন্যই এড্‌মিৰেল লৰ্ড লুই মাউণ্টবেটেনৰ ওচৰত আত্মসমৰ্পণ কৰে। সেইদৰে জাপানী সৈন্যই মাঞ্চুৰিয়াত ছোভিয়েট লাল ফৌজৰ ওচৰত আৰু চীনত ছিয়াং-কাই-চেক আৰু চীনা কমিউনিষ্টসকলৰ ওচৰত আত্মসমৰ্পণ কৰে। সৰ্বশেষত ২ ছেপ্তেম্বৰ তাৰিখে জাপানে চৰ্তবিহীনভাৱে টকিও উপসাগৰত মিছৌৰী নামে মাৰ্কিন যুদ্ধ জাহাজত জেনেৰেল ডোগ্‌লাছ মেক্‌ আৰ্থাৰৰ ওচৰত আত্মসমৰ্পণ কৰাৰ লগে লগে সম্পূৰ্ণ ৬বছৰ ১ দিনৰ মূৰত দ্বিতীয় বিশ্ব যুদ্ধৰ আনুষ্ঠানিক সমাপ্তি ঘটে।

যুদ্ধৰ অভিঘাত তথা পৰিণামঃ

দ্বিতীয় বিশ্ব যুদ্ধৰ পৰিণাম আছিল অত্যন্ত ভয়াবহ। ক্ষয়-ক্ষতিৰ ফালৰপৰা যুদ্ধৰ অভিঘাত আছিল সুদূৰ প্ৰসাৰী। মানুহ সৃষ্টি কাৰ্যত যেনে মহান, ধ্বংস কাৰ্যতো তেনে পৈকেত, হিংস্ৰ আৰু বৰ্বৰ। বিশ্ব যুদ্ধৰ সময়ত সংঘটিত ধ্বংস কাৰ্যই তাক ভালকৈ প্ৰতীয়মান কৰিছে। দ্বিতীয় বিশ্ব যুদ্ধত মানুহৰ হিংস্ৰতা, ধ্বংসৰ প্ৰতি হেপাহ প্ৰতি পলে পলে ধৰা দিছিল। অৰ্থনৈতিক আৰু প্ৰাকৃতিক সম্পদৰ ক্ষয়-ক্ষতিৰ তুলনাত মানৱ সম্পদৰ ক্ষতি হৈছিল অধিক বেছি। এই যুদ্ধই বিশ্বত ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু কাৰিকৰী দিশত ব্যাপক পৰিবৰ্তন সাধন কৰিছিল।

যুদ্ধ কৌশলৰ পৰিবৰ্তন আৰু আনৱিক অস্ত্ৰকে ধৰি নিত্য নতুন অস্ত্ৰ-শস্ত্ৰৰ আৱিষ্কাৰে আৰু তাৰ ব্যৱহাৰে মানুহৰ মনত পূৰ্বতে নোহোৱা-নোপজা এটি ত্ৰাসৰ সৃষ্টি কৰিছিল। মানসিকভাৱে বিশ্বৰ বিভিন্ন দেশৰ মানুহৰ মনত সন্দেহ, অবিশ্বাস, শত্ৰুতা আদি অনুভূতিবিলাকক সাৰ-পানী দি জীয়াই ৰখাৰ বাবে প্ৰভূত অৰিহণা যোগাইছিল। স্বাধীনতা, গণতন্ত্ৰ আৰু অৰ্থনৈতিক নিৰাপত্তা বিপদাপন্ন হৈছিল। যুদ্ধৰ সময়ত সংঘটিত ঘটনা-পৰিঘটনাই মানুহৰ মানসিক স্তৰত এক এৰাব নোৱাৰা অথচ দুৰ্বিসহ ভীতিৰ সঞ্চাৰ কৰিছিল। এইবিলাকৰ স্মৃতিয়ে বিশ্বৰ জাতিসমূহৰ মাজত এফালে ক্ষোভ আৰু আনফালে সন্দেহ আৰু অবিশ্বাসক চিৰ-সহচৰ কৰি তুলিছিল। যুদ্ধখনৰ মনঃস্তাত্বিক অভিঘাত আছিল প্ৰচুৰ। বিজিতই হওক বা পৰাভূতই হওক সকলো ৰাষ্ট্ৰৰ মাজতে পৰস্পৰৰ প্ৰতি ক্ষোভ আৰু প্ৰতিহিংসা যথেষ্ট পৰিমাণে বৃদ্ধি পাইছিল।

যুদ্ধই কৰা ক্ষতিৰ খতিয়ানঃ

অৰ্থনৈতিক দিশত যুদ্ধই কৰা ক্ষতিৰ পৰিমাণ আছিল অত্যন্ত ভয়াবহ। ঐতিহাসিক কাৰ্লটন হেইজে দেখুৱাইছে যে অকল আমেৰিকা যুক্তৰাষ্ট্ৰৰে এই যুদ্ধখনত খৰচ হৈছিল ৩৫০ বিলিয়ন ডলাৰ। অন্যান্য দেশসমূহৰ খৰছ হৈছিল মুঠতে ১০০০ বিলিয়ন ডলাৰ



এটম বোমাৰ আক্ৰমণত বিধ্বস্ত নাগাছাকি

আৰু সা-সম্পত্তিৰ ধ্বংসৰ মাধ্যমত হোৱা ক্ষতিৰ পৰিমাণ আছিল ১০০০ বিলিয়ন ডলাৰ।

দ্বিতীয় বিশ্ব যুদ্ধত প্ৰায় ২২ মিলিয়ন লোক নিহত আৰু প্ৰায় ৩৪ মিলিয়ন লোক আহত হৈছিল। তদুপৰি যুদ্ধৰ বাবে সমগ্ৰ বিশ্বতে প্ৰায় ২০ মিলিয়ন সাধাৰণ নাগৰিক নিহত হৈছিল। পূৰ্বে উল্লেখ কৰি অহা হৈছে যে আমেৰিকা যুক্তৰাষ্ট্ৰই হিৰ'ছিমা আৰু নাগাছাকিত আনবিক বোমা নিক্ষেপ কৰাৰ ফলত দুয়োখন চহৰতে মৃত্যু মুখত পৰা লোকৰ সংখ্যা আছিল ৩,২০,০০০।

যুদ্ধৰ সমগ্ৰ সময়ছোৱাত যুঁজাৰু বিমানেৰে আকাশ মাৰ্গৰপৰা বোমা নিক্ষেপ কৰাৰ ফলত সমগ্ৰ বিশ্বতে নিহত হোৱা সাধাৰণ নাগৰিকৰ সংখ্যা আছিল ১৫,০০,০০০। ১৯৪৫ চনৰ ১৩/১৪ ফেব্ৰুৱাৰীত বৃটেইনে যুঁজাৰু বিমানেৰে বোমা বৰ্ষণ কৰাৰ ফলত অকল জাৰ্মানীৰ ড্ৰেছডেন নামে চহৰত মৃত্যু বৰণ কৰা সাধাৰণ নাগৰিকৰ পৰিমাণ আছিল ১,৩৫,০০০। অন্য এটি তথ্য মতে অকল জাৰ্মান-ছোভিয়েট যুদ্ধতেই ২০ মিলিয়ন লোকৰ মৃত্যু হৈছিল আৰু হিটলাৰৰ নিৰ্দেশত আইকমেনে প্ৰায় ৬০,০০,০০০ ইহুদী লোকক নিধন কৰিছিল। যুদ্ধত বিশেষকৈ ব্যাপক হাৰত সাধাৰণ নাগৰিকৰ মৃত্যুৰ ঘটনাৰপৰাই অনুমান কৰিব পাৰি যে যুদ্ধৰত দেশবিলাক কিমান বৰ্বৰতালৈ নামি গৈছিল, সেইবিলাকে কিমান পাশৱিক আচৰণ কৰিছিল। যুদ্ধত মৃত্যু বৰণ কৰা বিভিন্ন দেশৰ মৃত সৈনিক আৰু সাধাৰণ লোকৰ সংখ্যা আছিল এনেধৰণৰ—

দেশ	মৃত সৈনিকৰ পৰিমাণ	সাধাৰণ মৃত নাগৰিকৰ পৰিমাণ
ইংলেণ্ড আৰু সহযোগী দেশ	৪,৪৫,০০০	৬০,০০০

মাৰ্কিন যুক্তৰাষ্ট্ৰ	৪,০০,০০০	(পোৱা নগ'ল)
জাৰ্মানী	৪০,০০,০০০	১০,০০,০০০
চীন	৬০/৮০,০০,০০০	(পোৱা নগ'ল)
জাপান	২৪,০০,০০০	৬,০০,০০০
ইটালী	১,৮০,০০০	১,৩০,০০০
ছোভিয়েট ৰাচিয়া	৪০,০০,০০০	৫২,৫০,০০০ (ইহুদী+৭,৫০,০০০)
পোলেণ্ড	(পোৱা নগ'ল)	৬৫,০০,০০০

তাৎক্ষণিক ফলাফল, ক্ৰিয়া-প্ৰতিক্ৰিয়াঃ

প্ৰথম বিশ্ব যুদ্ধৰ দৰে দ্বিতীয় বিশ্ব যুদ্ধতো, পাৰ্ল হাৰ্বাৰৰ আক্ৰমণ বাদ দিলে, আমেৰিকা যুক্তৰাষ্ট্ৰ প্ৰত্যক্ষভাৱে আক্ৰান্ত হোৱা নাছিল। যুক্তৰাষ্ট্ৰ ৰণাঙ্গনৰপৰা বহু দূৰতে থাকি গৈছিল। আনহাতে ক'ব পাৰি যে যুদ্ধৰ সময়ত আমেৰিকা যুক্তৰাষ্ট্ৰত দ্ৰুত শিল্পায়ন সংঘটিত হৈছিল, বিশেষকৈ আমেৰিকা যুক্তৰাষ্ট্ৰ যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণৰ এক বিশাল কাৰখানালৈ ৰূপান্তৰিত হৈ পৰিছিল। যুদ্ধৰ কালছোৱাত আমেৰিকা যুক্তৰাষ্ট্ৰত ২,৯৬,৬০১ খন যুঁজাৰু বিমান, ৮৭,০০০ খন টেঙ্ক, ১,৭৪,০০,০০০ টা ৰাইফল, ২৪,৩৪,৫৫৩ খন ট্ৰাক আৰু ৩,১৫,০০০ টা কামান তথা বৰতোপ নিৰ্মাণ কৰি উলিওৱা হৈছিল।

এই বিপুল পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰসমূহ সাধাৰণতে মিত্ৰ পক্ষই আমেৰিকা যুক্তৰাষ্ট্ৰৰপৰা ক্ৰয় কৰি নিছিল। ৰণাঙ্গনৰপৰা বহু দূৰৈত অৱস্থান কৰাত যুক্তৰাষ্ট্ৰ শত্ৰু পক্ষৰ প্ৰত্যক্ষ আক্ৰমণৰপৰা যুদ্ধৰ সমগ্ৰ সময়ছোৱাত সম্পূৰ্ণ ৰক্ষা পৰিছিল। ফলত প্ৰত্যক্ষভাৱে যুক্তৰাষ্ট্ৰৰ অৰ্থনীতিত এই যুদ্ধই কোনো প্ৰতিকূল তথা অনিষ্টকাৰী প্ৰভাৱ পেলাব পৰা নাছিল। সেয়ে যুক্তৰাষ্ট্ৰৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল হৈ ৰৈছিল আৰু যুদ্ধৰ অব্যৱহিত পিচৰ কালছোৱাত বিশ্বৰ বিভিন্ন দেশক অৰ্থনৈতিক পুনৰ গঠনৰ বাবে বিপুল পৰিমাণৰ অৰ্থৰ যোগান ধৰিব পাৰিছিল আৰু তাৰেই গইনা লৈ যুক্তৰাষ্ট্ৰ বিশ্বৰ ভিতৰতে এক অন্যতম বৃহৎ শক্তিত (Super Power) পৰিণত হ'ব পাৰিছিল।

অকল আমেৰিকা যুক্তৰাষ্ট্ৰই নহয়, কানাডা আৰু দক্ষিণ আমেৰিকাৰ দেশসমূহতো অৰ্থনৈতিক ক্ষেত্ৰত যুদ্ধৰ কোনো প্ৰতিকূল প্ৰভাৱ পৰা নাছিল। বৰং সেইবিলাক দেশ অৰ্থনৈতিকভাৱে যথেষ্ট উপকৃত আৰু লাভবানহে হৈছিল। ফলত সেই দেশবিলাকত মানুহৰ জীৱন ধাৰণৰ মানদণ্ডৰ অকনো অৱনতি ঘটা নাছিল। আকৌ যুদ্ধৰ বিভীষিকা বোলা বস্তুটোনো কি সেই দেশসমূহৰ জনসাধাৰণে তাকো ভালকৈ গমেই নাপালে।

আনহাতে উপৰ্যুপৰি সংঘটিত হোৱা জাৰ্মান আক্ৰমণত বৃটেইনৰ অৰ্থনীতি সম্পূৰ্ণৰূপে

বিধ্বস্ত কৰি পেলাইছিল। দ্বিতীয় বিশ্ব যুদ্ধৰ পূৰ্বে বিশ্বৰ অৰ্থনৈতিক মানচিত্ৰত ইংলেণ্ডৰ যি অৱস্থান আৰু প্ৰতিপত্তি আছিল, যুদ্ধৰ শেষত তাৰ অৱসান ঘটিছিল। ৰাজনৈতিক তথা ঔপনিবেশিক-সাম্ৰাজ্যিক শক্তিৰূপে ইমান দিনে বৃটেইনৰ যি ক্ষমতা আৰু প্ৰতিপত্তি আছিল তাৰো অন্ত পৰিছিল যুদ্ধ শেষ হোৱাৰ কেইবছৰমানৰ ভিতৰতে। যুদ্ধৰ পিচত বৃটেইনৰ বৈদেশিক ঋণৰ পৰিমাণ হৈছিলগৈ ৩,৩৫৫ মিলিয়ন পাউণ্ড ষ্টাৰ্লিং।



বাৰ্লিন দেৱাল

অকল বৃটেইনৰে নহয়, ইয়োৰূপৰ সকলো দেশৰে অৰ্থনৈতিক অধঃপতন ঘটিছিল। ঘৰ-দুৱাৰ, কল-কাৰখানা, খেতি-পথাৰ সকলো ধ্বংসস্তুপত পৰিণত হৈছিল। সকলো দেশৰে হাজাৰ হাজাৰ মানুহ হৈছিল গৃহহীন আৰু প্ৰতিপক্ষৰ হাতত যুদ্ধবন্দী। তেনে হাজাৰ হাজাৰ লাখ লাখ যুদ্ধবন্দীয়ে হয় ফেছিষ্ট আৰু নাজিসকলৰ হৈ ৰণক্ষেত্ৰত যুদ্ধ কৰিব লাগিছিল, কোনো কোনোৱে জাৰ্মানীৰ কল-কাৰখানাত নাৰকীয় পৰিবেশত বন্ধা-শ্ৰমিকৰ দৰে শাৰিৰীক পৰিশ্ৰম কৰিব লাগিছিল, নহয়তো হিটলাৰে স্থাপন কৰা কনছেন্‌ট্ৰেছন কেম্পত জীৱন আহুতি দিব লাগিছিল। ফলত কৃষি, বাণিজ্য, শিল্প উৎপাদন সকলোতে সংকটে দেখা দিছিল।

অৰ্থনৈতিক পুনৰ গঠন আছিল অত্যন্ত জৰুৰী আৰু সকলো দেশৰে প্ৰাথমিক দায়িত্ব। কিন্তু বিধ্বস্ত ইয়োৰূপৰ সকলোৱে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ওচৰত হাত পাতিব লাগিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ওপৰত ইয়োৰূপৰ দেশসমূহৰ অৰ্থনৈতিক নিৰ্ভৰশীলতা দ্ৰুতভাৱে বৃদ্ধি পাই আহিছিল।

১৯৪৬ চনত ইটালী এখন প্ৰজাতন্ত্ৰত পৰিণত হৈছিল। যুদ্ধৰ ফলস্বৰূপে ইটালীয়ে নিজৰ সকলো উপনিবেশ হেৰুৱাইছিল। অৰ্থনৈতিকভাৱেও দুৰ্বল হৈ পৰিছিল।

প্ৰথম বিশ্ব যুদ্ধৰ দৰে দ্বিতীয় বিশ্ব যুদ্ধৰ অভিঘাতো জাৰ্মানীৰ বাবে আছিল সৰ্বাত্মক আৰু অত্যন্ত ক্ষয়ঙ্কৰী আৰু ভয়ানক। অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক সকলো দিশতে এই অভিশপ্ত দেশখন সম্পূৰ্ণ মূহ্যমান হৈ পৰিছিল। দেশখন দুটা ভাগত বিভক্ত হৈ পৰিছিল, পূবৰ ভাগত আধিপত্য স্থাপন কৰিছিল ছোভিয়েট ৰাচিয়াই আৰু পশ্চিমৰ ভাগত আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলেণ্ড আৰু ফ্ৰান্সে যুটীয়াভাৱে। দেশখনৰ দৰে ৰাজ-ধানী চহৰ বাৰ্লিনখনো দুভাগত বিভক্ত কৰা হৈছিল আৰু পিচত এখন সুবৃহৎ আৰু সুবিশাল দেৱালেৰে ৰাজধানী চহৰখনৰ এই বিভাজন চিহ্নিত কৰা হৈছিল। ১৯৪৯ চনৰ মে' মাহৰপৰা ছোভিয়েট অধিকৃতপূৰ্ব জাৰ্মানীৰ নাম হ'ল জাৰ্মান গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ (German Democratic Republic)আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলেণ্ড আৰু ফ্ৰান্সৰ দ্বাৰা অধিকৃত পশ্চিম জাৰ্মানীৰ নাম হ'ল জাৰ্মান ফেডাৰেল ৰিপাব্লিক (German Federal Republic)।

চাৰি বছৰ ধৰি জাৰ্মানীয়ে ফ্ৰান্স অধিকাৰ কৰি ৰাখিছিল। এই বাবে ফ্ৰান্সৰ যথেষ্ঠ ক্ষতি হৈছিল। ফ্ৰান্সলৈ বহু দিন ধৰি ৰাজনৈতিক সুস্থিৰতা ঘূৰি অহা নাছিল। দেশখনৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনধাৰা ভীষণভাৱে ব্যাহত হৈছিল। অৰ্থৰ অভাৱত অৰ্থনৈতিক পুনৰ গঠনৰ কাম ব্যাহত হোৱাত মানুহৰ জীৱন ধাৰণৰ মানদণ্ড নিম্নগামী হৈছিল।

দ্বিতীয় বিশ্ব যুদ্ধই পৃথিবীত ৰাজনৈতিকভাৱে শক্তিৰ ভাৰসাম্যৰ পৰিবৰ্তন সাধন কৰিছিল। যুদ্ধৰ সৰ্বশেষ পৰিণতি স্বৰূপে দুখন ৰাষ্ট্ৰ বিশ্বত প্ৰধান ৰাজনৈতিক শক্তিৰূপে ওলাই আহিছিল—আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰাচিয়া। দুয়োখন ৰাষ্ট্ৰ দুটা পৃথক আৰু পৰস্পৰ বিৰোধী ৰাজনৈতিক মতাদৰ্শৰ প্ৰতিভূ আছিল—আমেৰিকা যুক্তৰাষ্ট্ৰ পুঁজিবাদী আদৰ্শত বিশ্বাসী আৰু ছোভিয়েট ৰাচিয়া সমাজবাদত বিশ্বাসী। এই দুখন ৰাষ্ট্ৰক কেন্দ্ৰ কৰিয়েই বিশ্বৰ দেশসমূহৰ মাজত ৰাজনৈতিক মেৰুকৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছিল, এটা পুঁজিবাদী শিবিৰ আনটো সমাজবাদী শিবিৰ। আৰু তাৰে লগে লগে আৰম্ভ হৈছিল শীতল যুদ্ধ।

দ্বিতীয় বিশ্ব যুদ্ধত পৃথিবীৰ দেশসমূহ দটা প্ৰধান শিবিৰত বিভক্ত হৈ পৰিছিল, প্ৰথম শিবিৰত আছিল নাজি জাৰ্মানী, ফেছিষ্ট ইটালী আৰু সামৰিক-সাম্ৰাজ্যবাদী জাপান। দ্বিতীয় শিবিৰটোত আছিল ইংলেণ্ড, ফ্ৰান্স, ছোভিয়েট ৰাচিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু চীন। কিন্তু বিশ্ব যুদ্ধৰ সামৰণি পৰাৰ প্ৰায় পিচৰপৰাই ছোভিয়েট ৰাচিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ পৃথিবীৰ জাতিসমূহৰ প্ৰায় ভাগ্য নিয়ন্তাত পৰিণত হ'ল। এই দুখন দেশে বিশ্ব

ৰাজনীতি নিয়ন্ত্ৰণ কৰিবলৈ ধৰিলে। আৰম্ভ হ'ল দুয়োখন দেশৰ মাজত অঁৰিয়া-অঁৰি আৰু তীব্ৰ প্ৰতিদ্বন্দ্বিতা। যুদ্ধৰ সমসাময়িকভাৱে ছোভিয়েট ৰাচিয়াৰ দখললৈ অহা পূৰ্ব ইয়োৰূপৰ ভালেমান দেশ—যেনে, পোলেণ্ড, চেকো'শ্লোভাকিয়া, বুলগেৰিয়া, ৰোমানিয়া, হাঙ্গেৰী, আলবেনিয়া, যুগোশ্লাভিয়া আদি লাহে লাহে কমিউনিষ্ট মতাদৰ্শলৈ আহি সমাজবাদী ৰাষ্ট্ৰৰূপে পৰিগণিত হয়।

আনহাতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সম্পৰ্ক লাহে লাহে পশ্চিম জাৰ্মানী, ইটালী আৰু জাপানৰ সৈতে মধুৰ হৈ আহিবলৈ ধৰে আৰু এই দেশকেইখন প্ৰধানতঃ আমেৰিকা যুক্তৰাষ্ট্ৰৰ মুখাপেক্ষী আৰু সমৰ্থকত পৰিণত হৈ পৰে।

ইটালী আৰু জাৰ্মানীৰ দৰে যুদ্ধৰ বাবে জাপানেও যথেষ্ট ক্ষতিৰ সন্মুখীন হ'বলৈ বাধ্য হৈছিল। ৰাজনৈতিকভাৱে জাপানে তৎকালেই নিজৰ সাৰ্বভৌমত্ব আৰু স্বাধীনতা হেৰুৱাবলৈ বাধ্য হৈছিল। মিত্ৰ পক্ষৰ হৈ জেনেৰেল মেক্ আৰ্থাৰ জাপানৰ সৰ্বেসৰ্বা হ'ল। জাপানে পূৰ্বৰ সকলো উপনিবেশ হেৰুৱালে, লগতে যুদ্ধৰ সময়ত দখল কৰা দেশসমূহ। জাপানৰ সমৰকৰ্তা তথা ভূতপূৰ্ব প্ৰধানমন্ত্ৰী ট'জোসহ অন্যান্য ভালেমানক যুদ্ধ অপৰাধীৰূপে গণ্য কৰি ফাঁচী দি হত্যা কৰা হৈছিল।

জাপানৰ ওপৰত মিত্ৰ পক্ষৰ দখলদাৰী ভূমিকাৰ অন্ত পৰিছিল মাত্ৰ ১৯৫১ চনত। সেই বছৰতে জাপানে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ছান ফ্ৰাঞ্চিছকো চহৰত বিশ্বৰ ৪৯ খন ৰাষ্ট্ৰৰ সৈতে এটি চুক্তি সম্পাদন কৰি নিজৰ স্বাধীনতা আৰু সাৰ্বভৌমত্ব ওভোতাই পাইছিল।

দ্বিতীয় বিশ্ব যুদ্ধৰ আটাইতকৈ চমকপ্ৰদ পৰিণতি হ'ল বিশ্বত ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ অন্ত পৰাৰ বাবে সূচনা হোৱা প্ৰক্ৰিয়াটো। ১৯১৭ চনত ৰুচ দেশত অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লব সংঘটিত হোৱাৰ পিচত ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ দ্বাৰা পদানত বিশ্বৰ ভালেমান দেশত স্বাধীনতা আৰু আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ দাবীত আন্দোলন গঢ়ি উঠিছিল। দ্বিতীয় বিশ্ব যুদ্ধই সেই প্ৰক্ৰিয়া আগুৱাই নিয়াত প্ৰভূত সহায় কৰিছিল।

দ্বিতীয় বিশ্ব যুদ্ধৰ ফলস্বৰূপে ইংলেণ্ডৰ ৰাজনৈতিক, সামৰিক আৰু অৰ্থনৈতিক শক্তি-সামৰ্থ্য টুটি অহাৰ ফলত সেই দেশৰ দ্বাৰা পদানত ভাৰতবৰ্ষকে ধৰি বিশ্বৰ বহু দেশক তেওঁলোকৰ বাবে আৰু অধিক কালৰ বাবে নিয়ন্ত্ৰণ কৰি ৰখাটো সম্ভৱ হৈ নাথাকিল। এছিয়া মহাদেশত ১৯৪৫ চনত পোনতে ফিলিপাইনে আমেৰিকা যুক্তৰাষ্ট্ৰৰপৰা আৰু ১৯৪৭ চনত পাকিস্তান আৰু ভাৰতবৰ্ষই বৃটেইনৰপৰা স্বাধীনতা লাভ কৰাৰ লগে লগে বিশ্বত ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ অন্ত পৰিবলৈ ধৰে। বিশ্ব ৰাজনীতিত এটা

নতুন আৰু শক্তিশালী প্ৰক্ৰিয়াৰ শুভাৰম্ভ হ'ল। মুঠতে ১৯৪৫ চনৰপৰা ১৯৬০ চনৰ ভিতৰত বিশ্বৰ ৮০০ মিলিয়ন লোকৰ দ্বাৰা অধ্যুষিত ৪০ খন দেশে সাম্ৰাজ্যবাদৰ কবলৰপৰা মুক্ত হৈ স্বাধীনৰূপে বৰ্ত্তি থকাৰ অধিকাৰ লাভ কৰিছিল। দ্বিতীয় বিশ্ব যুদ্ধৰ এইটোৱে হ'ল স্থায়ী অৱদান তথা গুৰুত্বপূৰ্ণ পৰিণতি।

* হাইডেকী টজো (১৮৮৪-১৯৪৮) ১৯৪১ চনৰ ১৪ অক্টোবৰত জাপানৰ প্ৰধানমন্ত্ৰী হৈছিল। তেওঁ ১৯৩১ চনৰপৰা জাপানৰ সামৰিক দলৰ নেতা আছিল আৰু ১৯৩৮-৪০ৰ কালছোৱাত মাঞ্চুৰিয়াত জাপানৰ সামৰিক শাসনৰ প্ৰধান কাৰ্যকাৰক আছিল। তেওঁ প্ৰধানমন্ত্ৰী হৈয়েই জাপানত সামৰিক একনায়কতন্ত্ৰ প্ৰতিষ্ঠা কৰে। মিত্ৰ পক্ষই জাপান দখল কৰাৰ পিচত তেওঁক বন্দী কৰা হয় আৰু ১৯৪৮ চনৰ নবেম্বৰ মাহত অন্যতম যুদ্ধ অপৰাধীৰূপে বিচাৰ কৰি জাপানৰ আন জন যুদ্ধ অপৰাধীৰ সৈতে মৃত্যু দণ্ডেৰে দণ্ডিত কৰি ফাঁচী দি হত্যা কৰা হয়।

** ১৯৪৪ চনৰ ১২ এপ্ৰিল তাৰিখে প্ৰেছিডেণ্ট ৰুজভেল্টৰ মৃত্যু হোৱাত উপৰাষ্ট্ৰপতি হ্যাৰী এছ. ট্ৰুম্যান আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেণ্ট নিযুক্ত হয়।

*** ১৯৪৫ চনৰ আদি ভাগতে অনুষ্ঠিত ইংল্যাণ্ডৰ সাধাৰণ নিৰ্বাচনত চাৰ্চিলৰ ৰক্ষণশীল দলৰ পতন ঘটাত শ্ৰমিক দলৰ নেতা এটলীয়ে বনুৱা দলৰ হৈ নতুন মন্ত্ৰীসভা গঠন কৰে।

***

আৰ্হি প্ৰশ্নমালাঃ

ৰচনাধৰ্মী প্ৰশ্নঃ

১। পোলেণ্ড আৰু বাল্টিক সাগৰীয় দেশসমূহৰ ওপৰত জাৰ্মান আক্ৰমণ সম্পৰ্কে চমুকৈ বিবৃত কৰা।

২। বৃটেইনৰ যুদ্ধত সমাপ্তি হোৱা ইংলেণ্ডৰ ওপৰত জাৰ্মান আক্ৰমণ সম্পৰ্কে আলোচনা কৰা।

৩। জাৰ্মানীৰ ছোভিয়েট ৰাচিয়া আক্ৰমণ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

৪। মিত্ৰ শক্তি আৰু কেন্দ্ৰীয় শক্তি যোঁটৰ মাজত আফ্ৰিকা আৰু ভূমধ্য সাগৰীয় অঞ্চলত চলা দ্বিতীয় বিশ্ব যুদ্ধৰ অগ্ৰগতি সম্পৰ্কে আলোচনা কৰা।

৫। জাপানৰ দ্বাৰা পাৰ্ল হাৰ্বাৰ আক্ৰান্ত হোৱাৰ পিচত সুদূৰ প্ৰাচ্যত দ্বিতীয় বিশ্ব যুদ্ধৰ অগ্ৰগতি সম্পৰ্কে লিখা।

৬। ফেছিষ্টসকলৰ পতনৰ সৈতে জড়িত প্ৰধান ঘটনাসমূহ বিবৃত কৰা।

৭। মাৰ্কিন যুক্তৰাষ্ট্ৰই কেনেকৈ জাপানক আত্মসমৰ্পন কৰিবলৈ বাধ্য কৰাইছিল তাৰ পৰিণতিসহ বিবৃত কৰা।

৮। দ্বিতীয় বিশ্ব যুদ্ধৰ তাৎক্ষণিক পৰিণতি কি আছিল আলোচনা কৰা।

চমু উত্তৰ দিয়াঃ

১। কি পৰিস্থিতিত মাৰ্কিন যুক্তৰাষ্ট্ৰই দ্বিতীয় বিশ্ব যুদ্ধত অংশ গ্ৰহণ কৰিছিল?

২। হিৰ'ছিমা আৰু নাগাছাকিত এটম বোমা নিক্ষেপ কাৰ্য।

৩। পোলেণ্ডত সংগঠিত প্ৰতিৰোধ সংগ্ৰাম।

৪। ফ্ৰান্সত সংগঠিত প্ৰতিৰোধ সংগ্ৰাম।

৫। যুগোশ্লাভিয়াত সংগঠিত প্ৰতিৰোধ সংগ্ৰাম।

৬। গ্ৰীচত সংগঠিত প্ৰতিৰোধ সংগ্ৰাম।

৭। ভিয়েটনামত সংগঠিত প্ৰতিৰোধ সংগ্ৰাম।

৮। দ্বিতীয় বিশ্ব যুদ্ধত হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ।

অতি চমু উত্তৰ দিয়াঃ

তলত দিয়া ঘটনাবোৰৰ চন-তাৰিখ উল্লেখ কৰাঃ

১। হিটলাৰৰ ছোভিয়েট ৰাচিয়া আক্ৰমণ।

২। অপাৰেচন টৰ্চ।

৩। প্ৰিন্স অব ওৱেলছৰ পতন।

৪। ছিঙ্গাপুৰৰ আত্মসমৰ্পন।

৫। হিৰ'ছিমা আৰু নাগাছাকিত এটম বোমা নিক্ষেপ।

৬। ডোগ্‌লাছ্ মেকআৰ্থাৰৰ ওচৰত জাপানৰ আত্মসমৰ্পন।

৭। ফিলিপাইনছৰ স্বাধীনতা।

তলত উল্লেখ কৰাবোৰৰ উত্তৰ দিয়াঃ

১। নৰওৱে আক্ৰমণত হিটলাৰে কিমানখন যুদ্ধ জাহাজ ব্যৱহাৰ কৰিছিল?

২। ভাইডকুন কুইজলিং কোন আছিল?

৩। ফ্ৰি ফ্ৰান্স আন্দোলন কোনে সংগঠিত কৰিছিল?

৪। অপাৰেচন ছি লায়ন নাম ভূমিকাত হিটলাৰে কোন দেশ আক্ৰমণ কৰিছিল?

৫। ছিঙ্গাপুৰৰ সমীপত কোন দেশে বৃটিশ যুদ্ধ জাহাজ প্ৰিন্স অব ওৱেলছ আৰু ৰিপালছক বিধ্বস্ত কৰিছিল?

৬। ডিজাৰ্ট ফক্‌ছ্ ৰূপে পৰিচিত লোকজন কোন আছিল?

৭। ফৰমোছাৰ নতুন নামটো কি?

৮। হিৰ'ছিমা আৰু নাগাছাকিত এটম বোমা পেলোৱাৰ সময়ত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেন্ট কোন আছিল?

৯। হিৰ'ছিমাত কোনে এটম বোমা পেলাইছিল?

১০। নাগাছাকিত কোনে এটম বোমা পেলাইছিল?

১১। হিটলাৰৰ ঘৈণীয়েকৰ নাম কি আছিল?

১২। ১৯৪৩ চনৰ আগষ্টৰ পিচত মিত্ৰ শক্তিৰ সামৰিক প্ৰধান কোন আছিল?

১৩। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ সেনাধ্যক্ষ ডোগ্‌লাছ মেকআৰ্থাৰৰ ওচৰত জাপানে ক'ত আত্মসমৰ্পন কৰিছিল?

১৪। জাৰ্মানীয়ে ৰাচিয়া আক্ৰমণ কৰোঁতে কি গুপ্ত নাম লৈছিল?

১৫। কোন কোন দেশে অপাৰেচন ওভাৰলৰ্ড গুপ্ত নামেৰে নাজী জাৰ্মানী আক্ৰমণ কৰিছিল?

ত্ৰয়োদশ অধ্যায়

দ্বিতীয় মহাসমৰোত্তৰ কালৰ বিশ্ব

> **"We the peoples of the United Nations determined**
> To save succeeding generations from the scourge of war, which
> Twice in our lifetime has brought untold sorrow to mankind, and
> To reaffirm faith in fundamental human rights, in the dignity and
> Worth of the human person, in the equal rights of men and women
> And of nations large and small and
> To establish conditions under which justice and respect for the
> Obligations arising from treaties and other sources of international
> Law can be maintained, and
> To promote social progress and better standards of life in larger
> Freedom,
> **And for these ends**
> To practise tolerance and live together in peace with one another as
> Good neighbours, and
> To unite our strength to maintain international peace and security
> And
> To ensure, by the acceptance of principles and the institution of
> Methods, that armed force shall not be used, save in the common
> Interest,
> And
> To employ international machinery for the promotion of the economic
> And social advancement of all peoples" (Preamble to the Charter
> of the United Nations)

(ক) ৰাষ্ট্ৰসংঘৰ উৎপত্তি ঃ অৱতৰণিকাঃ প্ৰধান অংগসমূহ আৰু ১৯৯১ চনলৈ বিশ্বত শান্তি স্থাপনৰ বাবে লোৱা পদক্ষেপসমূহ ঃ

দ্বিতীয় অধ্যায়ত ইতিপূৰ্বে প্ৰথম বিশ্ব যুদ্ধৰ পিচত সংগঠিত জাতিসংঘৰ বিষয়ে উল্লেখ কৰি অহা হৈছে। ইটালীত ফেচিবাদ আৰু জাৰ্মানীত নাজিবাদৰ আৰু জাপানত সাম্ৰাজ্যবাদী-সামৰিক শক্তিৰ অভ্যুদয়ৰ ফলত বিশ্বত আকৌ শান্তি বিঘ্নিত হয়। কিয়নো সেই দেশবিলাকে চুবুৰীয়া দেশৰ ওপৰত চলোৱা আক্ৰমণ আৰু পৰৰাজ্য গ্ৰাস কৰাৰ নীতি লোৱাত জাতিসংঘ নিষ্ক্ৰীয় হৈ পৰে আৰু দ্বিতীয় বিশ্ব যুদ্ধ আৰম্ভ হোৱাৰ পৰিপ্ৰেক্ষিতত ১৯৩৯-৪০ চনত তাৰ কোনো অস্তিত্বই নোহোৱা হৈ পৰে।

দ্বিতীয় বিশ্ব যুদ্ধ চলি থকা সময়ত ১৯৪১ চনৰপৰা বিশ্বত যুদ্ধৰ পৰিবৰ্তে পুনৰ শান্তি প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰা হয় আৰু তাৰেই ফলশ্ৰুতিত বৰ্তমানৰ ৰাষ্ট্ৰসংঘৰ সৃষ্টি হয়। গতিকে দেখা যায় বিশ্বত আন্তৰাষ্ট্ৰীয় সংগঠন গঢ়ি তোলাৰ পৰম্পৰা তথা প্ৰক্ৰিয়া এটি প্ৰায় বিগত ৩৫০বছৰ ধৰি চলি আহিছিল। পূৰ্বৰ সকলোবোৰ আন্তৰাষ্ট্ৰীয় সংগঠনতকৈ ৰাষ্ট্ৰসংঘ তুলনামূলকভাৱে বেছি বছৰ ধৰি বৰ্তি আছে আৰু আন্তৰাষ্ট্ৰীয় সমস্যা সমাধানৰ ক্ষেত্ৰত এই সংগঠনৰ সাফল্যও অধিক প্ৰজ্জোল।

(ক) ৰাষ্ট্ৰসংঘৰ উৎপত্তিঃ ইয়াৰ লক্ষ্য আৰু উদ্দেশ্যঃ (Origin of UNO)

ৰাষ্ট্ৰসংঘৰ জন্ম হয় দ্বিতীয় বিশ্ব যুদ্ধ চলি থকা সময়ত। ৰাষ্ট্ৰসংঘই সাংগঠনিক ৰূপ পোৱাৰ আগতে তেনে এটি সংগঠন গঢ়ি তোলা সম্পৰ্কে বিশ্বৰ প্ৰধান দেশসমূহৰ ৰাষ্ট্ৰ-প্ৰধানসকলৰ মাজত কেবা লানিও আলোচনা সংঘটিত হৈছিল, কেবাখনো আন্তৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হৈছিল। তলত সেই বিষয়ে চমুকৈ আলোচনা কৰা হ'ল।

লণ্ডন সন্মিলন আৰু ঘোষণা পত্ৰঃ জুন ১৯৪১ঃ (London Conference and Its Declaration,June, 1941)

বিশ্ব যুদ্ধৰ ধ্বংসাত্মক প্ৰৱনতাই আৰু সেই প্ৰৱনতাই সৃষ্টি কৰা ভয়াবহ পৰিস্থিতিৰপৰা পৰিত্ৰাণ পাবলৈ নতুন এক আন্তৰাষ্ট্ৰীয় সংগঠন গঢ়িবলৈ পোনতে চেষ্টা কৰা হয় লণ্ডনত অনুষ্ঠিত এখন বহুদেশীয় সন্মিলনত। এই সন্মিলনত দক্ষিণ আফ্ৰিকা, অষ্ট্ৰেলিয়া, নিউ জিলেণ্ড, কানাডা আৰু ইংলেণ্ডৰ প্ৰতিনিধিও উপস্থিত আছিল। এই সন্মিলনত ভালেমান পলৰীয়া চৰকাৰৰ প্ৰতিনিধিও উপস্থিত আছিল। সন্মিলনখন অনুষ্ঠিত হৈছিল ১৯৪১ চনৰ জুন মাহত। এই সন্মিলনে এখন ঘোষণা পত্ৰ গ্ৰহণ কৰিছিল। এই ঘোষণা পত্ৰৰ জৰিয়তে যুদ্ধৰত দেশসমূহৰ মাজত পৃথক পৃথক সন্ধি-চুক্তি স্বাক্ষৰ কৰাতকৈ যুদ্ধৰ সামৰণি পেলাবলৈ সকলো ৰাষ্ট্ৰৰে গ্ৰহণযোগ্য সামুহিক সন্ধি-চুক্তি স্বাক্ষৰ কৰাৰ পোষকতা কৰা হৈছিল। লগতে বিশ্বত দেশসমূহৰ পাৰস্পৰিক সহযোগিতাৰে স্থায়ী শান্তিপ্ৰতিষ্ঠা কৰিবলৈও পোষকতা কৰা হৈছিল। ইয়াকে লণ্ডন ঘোষণা পত্ৰ (London Declaration) বোলে।

আটলাণ্টিক ছনদঃ আগষ্ট ১৯৪১ চনঃ (Atlantic Charter, August, 1941)

১৯৪১ চনৰ আগষ্ট মাহত আটলাণ্টিক মহাসাগৰৰ বুকুত 'প্ৰিন্স অব ওৱেলছ' (Prince of Wales) নামে জাহাজত আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেণ্ট ফ্ৰেঙ্কলিন ডি ৰুজভেল্ট আৰু বৃটিশ প্ৰধানমন্ত্ৰী উইনষ্টন ছাৰ্চিল মিলিত হৈছিল। সেই মাহৰে ১৪ তাৰিখে তেওঁলোকে এখন ঘোষণা পত্ৰত স্বাক্ষৰ কৰিছিল আৰু তাকেই আটলাণ্টিক চাৰ্তাৰ বা ছনদ (Atlantic Charter) বোলে। এই ঘোষণা পত্ৰত কোনো দেশৰ দ্বাৰাই ৰাজ্য বিস্তাৰ কৰাৰ বিৰোধীতা কৰা, আক্ৰমণৰ বিপৰীতে নিৰাপত্তাৰ ব্যৱস্থা কৰা, নিজ নিজ

দেশৰ মানুহক তেওঁলোকৰ পছন্দৰ চৰকাৰ গঠন কৰিবলৈ সুবিধা দিয়া আৰু বিশ্বৰপৰা যুদ্ধৰ বিভীষিকা আঁতৰ কৰা আদি সিদ্ধান্তৰ কথা উল্লেখ কৰা হৈছিল। এই ছনদৰ যোগেদি আক্ৰমণকাৰী দেশক (জাৰ্মানী আৰু ইটালীক) নিৰস্ত্ৰ কৰা আৰু যুদ্ধোত্তৰ কালত নিৰাপত্তাৰ ব্যৱস্থা কৰিবলৈ আন্তৰাষ্ট্ৰীয় সংগঠন গঢ়ি তোলাৰ পোষকতা কৰা হৈছিল।

ৰাষ্ট্ৰসংঘৰ ঘোষণা পত্ৰঃ ১ জানুৱাৰী ১৯৪২ চন ঃ (Declaration of the United Nations, 1 January 1942)

১৯৪২ চনৰ জানুৱাৰী মাহত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ওৱাছিংটন চহৰত বিশ্বৰ ২৬ খন দেশৰ এখন প্ৰতিনিধিত্বমূলক আন্তৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হৈছিল। এই সন্মিলনতেই সন্মিলিত জাতিসমূহে ১৯৪২ চনৰ ১ জানুৱাৰী তাৰিখে ৰাষ্ট্ৰসংঘৰ ঘোষণা পত্ৰত (Declaration of the United Nations) স্বাক্ষৰ দান কৰি ৰাষ্ট্ৰসংঘ নামৰ এই সংগঠনটো গঢ়ি তোলাৰ ক্ষেত্ৰত অন্য এক বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছিল। এই ঘোষণা পত্ৰত কোৱা হৈছিল যে আটলাণ্টিকছনদতউল্লেখিতআঁচনি তথা কাৰ্যসূচী মিত্ৰপক্ষৰ সামুহিক কাৰ্যসূচীৰূপে মানি লোৱা হ'ব, মিত্ৰ পক্ষৰ প্ৰতিখন ৰাষ্ট্ৰই পাৰস্পৰিক সহযোগিতাৰে যুদ্ধ প্ৰচেষ্টাত কাম কৰি যাব, কোনো ৰাষ্ট্ৰই শত্ৰু ৰাষ্ট্ৰৰ সৈতে পৃথক যুদ্ধ বিৰতি চুক্তি বা অন্য সন্ধি বা চুক্তি আদিত স্বাক্ষৰ দান নকৰিব, আৰু বিশ্বত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰিবলৈ সাংগঠনিক প্ৰচেষ্টা হাতত ল'ব। এই সন্মিলনতেই আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেন্ট ৰুজভেল্টে প্ৰস্তাৱিত সংগঠনৰ নাম হিচাপে উল্লেখ কৰা ৰাষ্ট্ৰসংঘ("United Nations") শব্দটো সাধাৰণভাৱে গ্ৰহণ কৰা হয়।

কাছাব্লাঙ্কা সন্মিলনঃ ১৪-২৪ জানুৱাৰী ১৯৪৩ চনঃ (Casablanca Conference 14-24 January 1943)

১৯৪৩ চনৰ ১৪-২৪ জানুৱাৰীত ফৰাছী অধিকৃত মৰক্কোৰ কাছাব্লাঙ্কা নামে ঠাইত আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেন্ট ৰুজভেল্ট আৰু বৃটিশ প্ৰধানমন্ত্ৰী চাৰ্চিলৰ মাজত অনুষ্ঠিত এই শীৰ্ষ সন্মিলনখন ৰাষ্ট্ৰসংঘ গঠনৰ ক্ষেত্ৰত অন্য এক প্ৰধান পদক্ষেপ আছিল। ইয়াত প্ৰধানতঃ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু বৃটেইনে এই প্ৰস্তাৱিত নতুন আন্তৰাষ্ট্ৰীয় সংগঠনটোত কি ভূমিকা ল'ব সেই সম্পৰ্কে আলোচনা কৰিছিল।

মস্কো ঘোষণা পত্ৰঃ ৩০ অক্টোবৰ ১৯৪৩ চন ঃ (Moscow Declaration, 30 October 1943)

১৯৪৩ চনৰ ৩০ অক্টোবৰ তাৰিখে মস্কোত ৰাচিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু বৃটেইনৰ বৈদেশিক মন্ত্ৰীসকলৰ এখন সন্মিলন অনুষ্ঠিত হৈছিল। এই সন্মিলনত তেওঁলোকে বিশ্বৰ সকলো শান্তি প্ৰিয় আৰু সাৰ্বভৌম ৰাষ্ট্ৰৰ সমানাধিকাৰৰ ভিত্তিত অতি সোনকালে

এটি আন্তৰাষ্ট্ৰীয় সংগঠন গঢ়ি তোলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। তেওঁলোকে উল্লেখ কৰিছিল যে বিশ্বত স্থায়ী শান্তি আৰু নিৰাপত্তা ৰক্ষাৰ বাবে প্ৰস্তাৱিত সংগঠনত সৰু-বৰ সকলো ৰাষ্ট্ৰৰে সদস্যভুক্তিৰ ব্যৱস্থা থাকিব লাগে। এই ঘোষণা পত্ৰৰ পিচত চীনেও তাৰ প্ৰতি সম্মতি প্ৰকাশ কৰি স্বাক্ষৰ দান কৰিছিল। ইয়াকে মস্কো ঘোষণা (Moscow declaration) বোলা হয়।

তেহৰাণ ঘোষণা পত্ৰঃ ১ ডিচেম্বৰ ১৯৪৩ চনঃ (Tehran Declaration October 1944(Declaration of the United Nations))

১৯৪৩ চনৰ ১ ডিচেম্বৰ তাৰিখে ইৰাণৰ ৰাজধানী তেহৰাণত ৰুজভেল্ট, উইনষ্টন ছাৰ্চিল আৰু ষ্টেলিনৰ মাজত এখন শীৰ্ষ সম্মিলন অনুষ্ঠিত হয়। তেওঁলোকে বিশ্বত স্থায়ী শান্তি আৰু নিৰাপত্তা স্থাপনৰ বাবে ৰাষ্ট্ৰসংঘ গঠনৰ কথা পুনৰ দোঁহাৰে আৰু যুদ্ধৰ বিভীষিকা আৰু ত্ৰাসৰপৰা বিশ্ব জনতাক মুক্ত কৰাৰ সংকল্পৰ প্ৰতি দৃঢ় মত পোষণ কৰে। ইয়াকে তেহৰাণ ঘোষণা (Teheran Declaration) বোলে।

ডাম্বাৰ্টন ওৱাক্‌ছ সম্মিলনঃ আগষ্ট-অক্টোবৰ ১৯৪৪ চনঃ (Dumbarton Oakes Conference,August-October,1944)

ইয়াৰ পিচত বিশ্বৰ দেশসমূহৰ নেতাসকলে বিভিন্ন সম্মিলনত ঘোষণা কৰা লক্ষ্য আৰু উদ্দেশ্যসমূহক কাৰ্যত ৰূপায়িত কৰিবলৈ ১৯৪৪ চনৰ আগষ্ট-অক্টোবৰ মাহত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ওৱাছিংটন চহৰত এখন শীৰ্ষ সম্মিলন অনুষ্ঠিত হৈছিল। এই সম্মিলনখন বহিছিল ডাৰ্ম্বাটন ওৱাক্‌ছ নামে এটি বিশাল অট্টালিকাত, সেয়ে অট্টালিকাটোৰ নামানুসাৰে সম্মিলনখন ডাৰ্ম্বাটন ওৱাক্‌ছ সম্মিলন (Dumbarton Oakes Conference) নামে জনা যায়। এই সম্মিলনত আমেৰিকা যুক্তৰাষ্ট্ৰ, বৃটেইন, ৰাচিয়া আৰু চীনৰ চৰকাৰী প্ৰতিনিধি উপস্থিত আছিল। এই সম্মিলনতেই পোন প্ৰথম বাৰৰ বাবে প্ৰস্তাৱিত আন্তৰাষ্ট্ৰীয় সংগঠনটোৰ নাম ৰাষ্ট্ৰসংঘ ৰাখিবলৈ সিদ্ধান্ত কৰে আৰু তাতেই ইয়াৰ সাংগঠনিক ৰূপৰেখাটো তৈয়াৰ কৰা হয়।

এই সম্মিলনতেই সিদ্ধান্ত কৰা হৈছিল যে বিশ্বত চিৰ শান্তি আৰু নিৰাপত্তা স্থাপন কৰিবলৈ ৰাষ্ট্ৰসংঘৰ মূল চাবি-কাঠি থাকিব বিশ্বৰ পাঁচখন বৃহৎ ৰাষ্ট্ৰৰ প্ৰতিনিধিৰে গঠিত নিৰাপত্তা পৰিষদৰ (Security Council) হাতত। নিৰাপত্তা পৰিষদৰ এই পাঁচখন স্থায়ী সদস্য ৰাষ্ট্ৰ হ'ল—আমেৰিকা যুক্তৰাষ্ট্ৰ, বৃটেইন, ফ্ৰান্স, ৰাচিয়া আৰু চীন। অকল সেইটোৱে নহয়, এই সম্মিলনতেই ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদ (General Assembly) আৰু নিৰাপত্তা পৰিষদৰ মাজত ক্ষমতা আৰু অধিকাৰৰ পৃথকীকৰণ কৰা হৈছিল। নিৰাপত্তা পৰিষদৰ মুঠ সদস্য থাকিব ১১ খন ৰাষ্ট্ৰ (পিচত ইয়াৰ সদস্য সংখ্যা ১৫ খনলৈ বৃদ্ধি কৰা হৈছিল)।

য়াল্টা সম্মিলনঃ ফেব্ৰুৱাৰী ১৯৪৫ চনঃ (Yalta Conference February 1945)

১৯৪৫ চনৰ ফেব্ৰুৱাৰী মাহত ছোভিয়েট ৰাচিয়া (ক্রিমিয়া)ৰ য়াল্টাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেন্ট ৰুজভেল্ট, বৃটেইনৰ প্ৰধানমন্ত্ৰী ছাৰ্চিল আৰু ৰাচিয়াৰ ৰাষ্ট্ৰ প্ৰধান ষ্টেলিন এক শীৰ্ষ সম্মিলনত মিলিত হয়। এই সম্মিলনত ডাৰ্ম্বাটন ওৱাক্‌ছ সম্মিলনত সমাধা কৰিব নোৱাৰা কিছুমান জটিল সমস্যা সামাধান কৰি প্ৰস্তাৱিত আন্তৰাষ্ট্ৰীয় সংগঠনটো গতি তোলাৰ ক্ষেত্ৰত পুনৰ ঐক্যমত পোষণ কৰা হৈছিল। এই সম্মিলনতেই তেওঁলোকে জাতিসমূহৰ মাজত বাৰম্বাৰ হৈ থকা যুদ্ধৰ অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক কাৰণসমূহ অধ্যয়ন কৰি তাক সমাধান কৰাৰ দিশত অগ্ৰসৰ হোৱাৰ কথা দোঁহাৰিছিল।

ছান ফ্ৰান্সিছকো সম্মিলনঃ এপ্ৰিল-জুন ১৯৪৫ চনঃ ৰাষ্ট্ৰসংঘৰ স্থাপনঃ (San Francisco Conference April-June 1945, Formation of UNO)

ৰাষ্ট্ৰসংঘ গঠনৰ অভিপ্ৰায়েৰে আহুত আৰু সম্মিলিত হোৱা ছান ফ্ৰান্সিছকো সম্মিলনেই আছিল বিশ্বৰ জাতিসমূহৰ মাজত অনুষ্ঠিত সৰ্ববৃহৎ আৰু সৰ্বশেষ সম্মিলন। এই সম্মিলনত বিশ্বৰ ৫১ খন ৰাষ্ট্ৰৰ মুঠ ২৬০ জন প্ৰতিনিধিয়ে অংশ গ্ৰহণ কৰিছিল। সম্মিলনখনত সভাপতিত্ব কৰিছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৈদেশিক সচিব এডবাৰ্ড ষ্টেটিনাছে (Edward Stettinius) আৰু সম্মিলনখন অনুষ্ঠিত হৈছিল ছান ফ্ৰান্সিছকো থিয়েটাৰ হলত, ১৯৪৫ চনৰ ২৬ এপ্ৰিল তাৰিখে। উল্লেখ কৰিব পাৰি যে ইয়াৰ পূৰ্বে ১২ এপ্ৰিল তাৰিখে হৃদৰোগত আক্ৰান্ত হৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেন্ট ৰুজভেল্টৰ মৃত্যু হৈছিল।

ইতিপূৰ্বে অনুষ্ঠিত হৈ যোৱা শীৰ্ষ সম্মিলনবিলাকত গ্ৰহীত প্ৰস্তাৱ, ঘোষণা পত্ৰ আৰু সিদ্ধান্তসমূহৰ ওপৰত এই সম্মিলনত পুনৰ বিতংভাৱে আলোচনা-বিলোচনা কৰাৰ পিচত প্ৰস্তাৱিত ৰাষ্ট্ৰসংঘৰ বিস্তৃত আৰু খাটাং সাংগঠনিক ৰূপ দিয়াৰ লগতে সংবিধানো (Charter of the United Nations) প্ৰস্তুত কৰা হৈছিল। এইদৰে প্ৰস্তুত কৰা সংবিধানত ১৯৪৫ চনৰ ২৬ জুন তাৰিখে সম্মিলনত প্ৰতিনিধিত্ব কৰা ৫১ খন ৰাষ্ট্ৰৰ প্ৰতিনিধিয়ে স্বাক্ষৰ দান কৰিছিল। পিচত পূৰ্বে উল্লেখ কৰি অহা পাঁচখন বৃহৎ ৰাষ্ট্ৰ আৰু স্বাক্ষৰ দানকাৰী অন্যান্য ৰাষ্ট্ৰসমূহৰ গৰিষ্ঠ সংখ্যাক চৰকাৰে এই সংবিধানৰ প্ৰতি আনুষ্ঠানিকভাৱে অনুমোদন (Ratify) জনোৱাত এই সংবিধানখন সেই বছৰেই ২৪ অক্টোবৰৰপৰা কাৰ্যকৰী কৰা হয়। তেতিয়াৰপৰা ২৪ অক্টোবৰৰ দিনটো ৰাষ্ট্ৰসংঘ দিৱসৰূপে পালন কৰি অহা হৈছে।

ৰাষ্ট্ৰসংঘৰ সংবিধানখন মূলতঃ এটি বহুজাতীয় চুক্তি। এই সংবিধানখন অকল ৰাষ্ট্ৰসংঘৰ মৌলিক আইনেই নহয়, ই আন্তৰাষ্ট্ৰীয় আইনৰো ভিত্তিমূল। ইয়াত সদস্য ৰাষ্ট্ৰসমূহৰ কৰ্তব্য আৰু দায়িত্বৰ কথা বিস্তৃতভাৱে সন্নিবিষ্ট কৰা হৈছে।

এইদৰে দেখা যায় দীৰ্ঘদিনৰ চেষ্টাৰ পিচত ৰাষ্ট্ৰসংঘৰ জন্ম হয়। সামুহিক স্বাৰ্থৰ

বাবে সামুহিক প্ৰচেষ্টাৰে আন্তৰ্ৰাষ্ট্ৰীয় কূটনীতি পৰিচালনা কৰাৰ বিষয়ত আৰু বিশ্বত শান্তি আৰু নিৰাপত্তা স্থাপনৰ ক্ষেত্ৰত এই পদক্ষেপ আছিল অত্যন্ত গুৰুত্বপূৰ্ণ। ৰাষ্ট্ৰসংঘৰ উৎপত্তিৰ লগে লগে বিশ্বৰ কূটনৈতিক ইতিহাসত এক নতুন যুগৰ সূচনা হয়। বিশ্বত যুদ্ধৰ বিপৰীতে শান্তি আৰু সামুহিক নিৰাপত্তা স্থাপনতো এক নতুন দিগন্ত মুকলি হয়।

ৰাষ্ট্ৰসংঘৰ লক্ষ্য আৰু উদ্দেশ্যঃ Aims and Objectives of UNO)

ৰাষ্ট্ৰসংঘৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে প্ৰস্তাৱনাত আৰু লগতে সংবিধানৰ (Charter) ১ নং আৰু ২ নং অনুচ্ছেদত (Article) বিতং আৰু স্পষ্টভাৱে উল্লেখ কৰা আছে। যুদ্ধৰপৰা বিশ্বক মুক্ত কৰি সৰু-বৰ সকলো দেশৰ বাবে সমানাধিকাৰৰ ভিত্তিত অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, শৈক্ষিক সকলো দিশতে পাৰস্পৰিক সহযোগিতাৰে বিশ্ব মানৱৰ সৰ্বাঙ্গীন কল্যাণ সাধন কৰাটোৱেই হ'ল ৰাষ্ট্ৰসংঘৰ মূল আৰু প্ৰধান লক্ষ্য। প্ৰস্তাৱনাত স্পষ্টকৈ কোৱা মতে ৰাষ্ট্ৰসংঘৰ লক্ষ্য আৰু উদ্দেশ্য হ'ল—

(১) ভৱিষ্যত প্ৰজন্মক যুদ্ধৰ ধ্বংস লীলাৰপৰা ৰক্ষা কৰা,

(২) বিশ্বত সৰু-বৰ সকলো ৰাষ্ট্ৰৰে পুৰুষ-মহিলা নিৰ্বিশেষে সমানাধিকাৰৰ ভিত্তিত সকলো মানুহৰে মৌলিক মানৱীয় অধিকাৰৰ প্ৰতি পুনৰ আস্থা স্থাপন কৰা, কিয়নো ইতিমধ্যে যুদ্ধৰ বিভীষিকাই বাৰে বাৰে এই অধিকাৰ খৰ্ব কৰি আহিছে,

(৩) আন্তৰ্ৰাষ্ট্ৰীয় সন্ধি আৰু চুক্তি আদিৰ মাধ্যমত সৃষ্টি হোৱা আন্তৰ্ৰাষ্ট্ৰীয় আইন-কানুনে বিশ্ব সম্প্ৰদায়ৰ মাজত আনি দিয়া দায়িত্ববোধৰ প্ৰতি ন্যায় আৰু সন্মান প্ৰদৰ্শন কৰিবলৈ অনুকূল পৰিবেশৰ সৃষ্টি কৰা, আৰু

(৪) বিশ্বত সকলো মানুহৰে মুকলি মূৰীয়া আৰু স্বাভাৱিক জীৱন যাত্ৰাৰ অনুকূলে সামাজিক উন্নয়ন আৰু জীৱন ধাৰণৰ মানদণ্ডৰ উন্নয়ন সাধন কৰা।

আৰু এইবোৰ লক্ষ্যত উপনীত হ'বলৈ-

(১) ৰাষ্ট্ৰসমূহে পৰস্পৰৰ সৈতে চুবুৰীয়াৰ দৰে পাৰস্পৰিক বুজাপৰা আৰু সহিষ্ণুতাৰ বশবৰ্তী হৈ শান্তিৰে বসবাস কৰিব লাগে,

(২) কোনো ক্ষেত্ৰতেই সামুহিক স্বাৰ্থৰ ব্যতিৰেকে শক্তি প্ৰয়োগেৰে সমস্যা সমাধান বা কোনো লক্ষ্যত উপনীত হ'বলৈ চেষ্টা কৰিব নালাগে, আৰু

(৩) বিশ্বৰ সকলো মানুহৰে অৰ্থনৈতিক আৰু সামাজিক উৎকৰ্ষ আৰু উন্নয়ন সাধনৰ বাবে আন্তৰ্ৰাষ্ট্ৰীয় সংস্থা তথা সংগঠনে সৃষ্টি কৰা পন্থা বা আহিলাসমূহ অৱলম্বন কৰিব লাগে।

সংবিধানৰ ১ নং অনুচ্ছেদত উল্লেখ থকা মতে ৰাষ্ট্ৰসংঘৰ লক্ষ্য আৰু উদ্দেশ্য হ'ল আন্তৰ্ৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা ৰক্ষা কৰা, শান্তি আৰু নিৰাপত্তা বিঘ্নিত কৰিব পৰা যি

কোনো ভাবুকি আঁতৰ কৰা, শান্তি আৰু নিৰাপত্তা ভঙ্গ কৰা যি কোনো শক্তিকে দমন কৰা, সামানাধিকাৰৰ ভিত্তিত সকলো সাৰ্বভৌম ৰাষ্ট্ৰৰ মাজত বন্ধুত্বমূলক সম্পৰ্ক গঢ়ি তোলা, জাতি ভাষা ধৰ্ম আৰু পুৰুষ মহিলা নিৰ্বিশেষে অৰ্থনৈতিক, সামাজিক সাংস্কৃতিক অথবা মানৱীয় দিশৰ যি কোনো সমস্যা সমাধান কৰোঁ জাতিসমূহৰ মাজত পাৰস্পৰিক সহযোগিতাৰ পৰিসৰ বৃদ্ধি কৰা আৰু এই সকলোবোৰ লক্ষ্যত উপনীত হোৱাৰ বাবে ৰাষ্ট্ৰসংঘক কেন্দ্ৰীয় সংগঠনৰূপে স্বীকাৰ কৰা, ইত্যাদি।

আনহাতে সংবিধানৰ ২ নং অনুচ্ছেদতো উল্লেখ কৰা হৈছে যে উপৰুক্ত লক্ষ্য আৰু উদ্দেশ্যসমূহত উপনীত হ'বলৈ হ'লে সদস্য ৰাষ্ট্ৰসমূহে নিম্নৰূপ কাৰ্য কৰিব লাগিব, প্ৰথমতে, যিহেতু সাৰ্বভৌম ৰাষ্ট্ৰসমূহৰ সমানাধিকাৰৰ ভিত্তিত ৰাষ্ট্ৰসংঘ গঠিত হৈছে সেয়ে সকলো সদস্য ৰাষ্ট্ৰই ৰাষ্ট্ৰসংঘৰ সংবিধানত সন্নিবিষ্ট কৰা দায়িত্বসমূহ সম্পাদনৰ ক্ষেত্ৰত নিজ নিজ অৰিহণা যোগোৱাৰ ব্যৱস্থা কৰিব। দ্বিতীয়তে, সকলো সদস্য ৰাষ্ট্ৰই আন্তৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বিঘ্নিত নোহোৱাকৈ বা নকৰাকৈ পৰস্পৰৰ মাজত দেখা দিয়া বিবাদসমূহ শান্তিপূৰ্ণ উপায়েৰে নিষ্পত্তি কৰিব। তৃতীয়তে, ৰাষ্ট্ৰসমূহে পাৰস্পৰিক সম্পৰ্ক ৰক্ষাৰ ক্ষেত্ৰত কোনো ৰাষ্ট্ৰৰে ৰাষ্ট্ৰীয় অখণ্ডতা উলঙ্ঘা নকৰিব। চতুৰ্থতে, বৰ্তমানৰ সংবিধানৰ আধাৰত ৰাষ্ট্ৰসংঘই কোনো ৰাষ্ট্ৰৰ বিৰুদ্ধে বিহিত ব্যৱস্থা হাতত ললে তাত সকলো সদস্য ৰাষ্ট্ৰই সহযোগ কৰিব আৰু সকলো সদস্য ৰাষ্ট্ৰই শাস্তি পোৱা ৰাষ্ট্ৰখনক সমৰ্থন কৰাৰপৰা বিৰত থাকিব। তদুপৰি ৰাষ্ট্ৰসংঘৰ সদস্যভুক্ত নোহোৱা ৰাষ্ট্ৰইও যাতে আন্তৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা ৰক্ষাৰ ক্ষেত্ৰত নীতি-নিৰ্দেশনাসমূহ মানি চলে তাক ৰাষ্ট্ৰসংঘই নিশ্চিত কৰিব লাগিব।

গতিকে দেখা যায় ৰাষ্ট্ৰসংঘৰ মূল লক্ষ্য আৰু উদ্দেশ্য হ'ল বিশ্বত শান্তি স্থাপন কৰা আৰু তাক ৰক্ষা কৰা, যুদ্ধৰ পৰিবৰ্তে শান্তিপূৰ্ণ উপায়েৰে বিবাদমান দেশসমূহৰ মাজৰ বিবাদ মীমাংসা কৰাৰ লগতে বিশ্বৰ মানৱ সমাজৰ অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক উন্নয়ন আৰু কল্যাণ সাধন কৰা। সেইটো কৰোঁতে যাতে কোনো ৰাষ্ট্ৰৰে স্বাধীনতা আৰু সাৰ্বভৌমত্বক অৱজ্ঞা বা উলঙ্ঘন কৰা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। সৰু-বৰ সকলো ৰাষ্ট্ৰৰে ৰাষ্ট্ৰসংঘত সমানাধিকাৰ আছে।

○ ২ **ৰাষ্ট্ৰসংঘৰ গঠন প্ৰণালীঃ** (Structure of UNO)

ৰাষ্ট্ৰসংঘৰ সাংগঠনিক ৰূপটো ১৯৪৫ চনৰ ছান ফ্ৰান্সিছকো সম্মিলনত ৰচনা আৰু গ্ৰহণ কৰা সংবিধানৰ (Charter) ওপৰত ভিত্তি কৰি গঢ়ি তোলা হৈছে। এই সংবিধানত মূঠতে প্ৰস্তাৱনাৰ (Preamble) ওপৰিও ১৯ টা অধ্যায় (Chapter) আৰু ১১১ টা (Article) অনুচ্ছেদ আছে।

ৰাষ্ট্ৰসংঘৰ প্ৰস্তাৱনা আৰু সংবিধানত উল্লেখিত সকলোবোৰ লক্ষ্য আৰু উদ্দেশ্যত উপনীত হ'বলৈ ৰাষ্ট্ৰসংঘৰ গঠন প্ৰণালীক কেবাটাও সাংগঠনিক ৰূপ দিয়া হৈছে, যাতে সমানাধিকাৰৰ ভিত্তিত সকলো সদস্য ৰাষ্ট্ৰই মানৱ সমাজৰ সাৰ্বিক কল্যাণ সাধন কৰাৰ দিশত অগ্ৰসৰ হ'ব পাৰে। ৰাষ্ট্ৰসংঘৰ সংবিধানৰ ৭ নং আৰু ৮ নং অনুচ্ছেদত ৰাষ্ট্ৰসংঘৰ অংগসমূহৰ বিষয়ে বিতংভাৱে উল্লেখ কৰা আছে। ১ নং অনুচ্ছেদত উল্লেখ থকা মতে ৰাষ্ট্ৰসংঘৰ ৬ টা প্ৰধান অংগ আছে আৰু সেইবোৰ হ'ল, (ক) সাধাৰণ পৰিষদ (General Assembly), (খ) নিৰাপত্তা পৰিষদ (Security Council), (গ) অৰ্থনৈতিক আৰু সামাজিক পৰিষদ (Economic and Social Council), (ঘ) ন্যাস পৰিষদ (Trusteeship Council), (ঙ) আন্তৰাষ্ট্ৰীয় আদালাত (International Court of Justice) আৰু (চ) সচিবালয় (Secretariat)।

ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যলিয় প্ৰথমতে ফ্ৰান্সৰ ৰাজধানী পেৰী চহৰত আছিল, পিচত তাৰপৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউ ইয়ৰ্ক চহৰলৈ স্থানান্তৰিত কৰা হয়। বৰ্তমানেও মুখ্য কাৰ্যালয় সেই চহৰতেই আছে।

ওপৰত উল্লেখ কৰি অহা প্ৰধান অংগসমূহৰ ওপৰিও কাৰ্য পৰিচালনা কৰাৰ সুবিধাৰ বাবে প্ৰয়োজন সাপেক্ষে আৰু কিছু বিশেষ উদ্দেশ্যমূলক সংস্থা ৰাষ্ট্ৰসংঘই গঢ়ি তুলিব পাৰে।

ৰাষ্ট্ৰসংঘৰ অংগ বা বিভাগসমূহ আৰু সেইবিলাকৰ নিজস্ব কাৰ্যসূচীঃ

(১) সাধাৰণ পৰিষদঃ(General Assembly)

ৰাষ্ট্ৰসংঘৰ সংবিধানৰ চতুৰ্থ অধ্যায়ত অনুচ্ছেদ নং ৯ ৰপৰা ২২ লৈ সাধাৰণ পৰিষদৰ গঠন, কাৰ্য-পদ্ধতি আৰু ক্ষমতা সম্পৰ্কে উল্লেখ কৰা আছে। সকলো সদস্য ৰাষ্ট্ৰক লৈ সাধাৰণ পৰিষদ গঠন কৰা হয়। ৰাষ্ট্ৰসংঘ গঠিত হোৱা বছৰটোত ইয়াৰ সদস্য ৰাষ্ট্ৰৰ সংখ্যা আছিল ৫১ খন, বৰ্তমান (২০০৬) ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰৰ সংখ্যা হ'ল ১৯১ খন। ২০০২ চনতৰাষ্ট্ৰসংঘৰ সদস্যৰূপে পৰিগণিত হোৱা ৰাষ্ট্ৰ দুখন হ'ল ইষ্ট টাইমুৰ (East Timor) আৰু চুইজাৰলেণ্ড (Switzerland)।

প্ৰতি বছৰৰ ছেপ্তেম্বৰ মাহৰ তৃতীয় মঙ্গলবাৰৰপৰা এবাৰকৈ সাধাৰণ পৰিষদৰ বাৰ্ষিক বৈঠক বহিব লাগে। এই সভাৰ আৰম্ভণিতে বছৰটোৰ বাবে সভাপতি এজন নিৰ্বাচিত কৰা হয়। ১৯৫৩-৫৪ চনৰ কাৰ্যকালৰ বাবে ভাৰতবৰ্ষৰ বিজয় লক্ষ্মী পণ্ডিতক ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ সভানেত্ৰী নিৰ্বাচিত কৰা হৈছিল। ৰাষ্ট্ৰসংঘৰ সংবিধানে নিৰ্দেশ কৰা আৰু সামৰি লোৱা সকলো বিষয়ৰ ওপৰতে সাধাৰণ পৰিষদে আলোচনা কৰি পৰামৰ্শ দান কৰিব পাৰে। সাধাৰণ পৰিষদে ৰাষ্ট্ৰসংঘৰ অন্যান্য সংস্থা বা অংগই দাখিল কৰা

প্ৰতিবেদনৰ ওপৰত আলোচনা আৰু সিদ্ধান্ত কৰিব পাৰে, নতুন সদস্য অন্তৰ্ভুক্ত কৰিব পাৰে, বাজেটৰ প্ৰতি অনুমোদন জনাব পাৰে আৰু নিৰাপত্তা পৰিষদৰ পৰামৰ্শ মৰ্মে ৰাষ্ট্ৰসংঘৰ সচিব-প্ৰধান নিযুক্ত কৰিব পাৰে। সাধাৰণ পৰিষদত প্ৰতিখন সদস্য ৰাষ্ট্ৰৰে একোটাকৈ ভোট আছে।

সাধাৰণ পৰিষদে ৰাষ্ট্ৰসংঘৰ আইন সভাৰ কাৰ্যও সমাপন কৰে।

(খ) নিৰাপত্তা পৰিষদঃ (Security Council)

নিৰাপত্তা পৰিষদৰ গঠনৰ বিষয়ে সংবিধানৰ পঞ্চম অধ্যায়ৰ অনুচ্ছেদ নং ২৩ ৰপৰা ৩২ৰ ভিতৰত উল্লেখ আছে। নিৰাপত্তা পৰিষদৰ মুঠ সদস্য ৰাষ্ট্ৰৰ সংখ্যা আদিতে ১১ খন আছিল, তাৰ ভিতৰত স্থায়ী সদস্য ৰাষ্ট্ৰ পাঁচখন–চীন, ৰাচিয়া, ফ্ৰান্স, বৃটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ। বাকী ৬ খন (সংশোধনীৰ পিচত ১০ খন) সদস্য ৰাষ্ট্ৰক সাধাৰণ পৰিষদে দুবছৰীয়া কাৰ্যকালৰ বাবে মনোনীত কৰে। সম্প্ৰতি স্থায়ী সদস্য ৰাষ্ট্ৰৰ সংখ্যা একে থাকিলেও ১৯৭১ চনৰ ২৩ নবেম্বৰত অন্যান্য সদস্য ৰাষ্ট্ৰৰ সংখ্যা ১১ খনৰপৰা ১৫ খনলৈ বৃদ্ধি কৰা হৈছে। নিৰাপত্তা পৰিষদৰ সভা সঘনে হৈ থাকে।

নিৰাপত্তা পৰিষদৰ কৰ্তব্য আৰু দায়িত্ব হ'ল–

(১) আন্তৰ্ৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা ৰক্ষা কৰা,

(২) শান্তি বিঘ্নিত কৰিব পৰা বিবাদ বা উৎসসমূহৰ অনুসন্ধান কৰা,

(৩) অস্ত্ৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা তথা উপায় উদ্ভাৱন কৰা,

(৪) যুদ্ধ সন্নিকট হলে তাক প্ৰতিৰোধ কৰা,

(৫) যুদ্ধৰত দেশৰ মাজত যুদ্ধ বিৰতি ঘোষণা কৰাৰ ব্যৱস্থা কৰা,

(৬) যুদ্ধ পৰিস্থিতিৰ সৃষ্টি হলে আলোচনাৰ মাধ্যমত দ্বি-পাক্ষিক বা বহু-পাক্ষিক বিবাদ বা সমস্যা সমাধান কৰা,

(৭) প্ৰয়োজন হলে নিজা ৰবীয়াকৈ শান্তিৰক্ষা বাহিনী প্ৰেৰণ কৰা,

(৮) ৰাষ্ট্ৰসংঘৰ সচিব-প্ৰধান নিয়োগ কৰিবলৈ সাধাৰণ পৰিষদক পৰামৰ্শ দিয়া ইত্যাদি কাম নিৰাপত্তা পৰিষদে কৰিব লাগে।

(৯) তদুপৰি নিৰাপত্তাপৰিষদৰ পাঁচখন স্থায়ী সদস্য ৰাষ্ট্ৰৰ প্ৰত্যেকেই সুকীয়া সুকীয়াকৈ ভেটো (Veto) অৰ্থাৎ কোনো কাৰ্য ব্যৱস্থা বাৰণ কৰাৰ ক্ষমতা প্ৰয়োগ কৰিব পাৰে।

(১০) নিৰাপত্তা পৰিষদে নিজৰ সিদ্ধান্ত কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত সময় সাপেক্ষে কোনো দোষী ৰাষ্ট্ৰৰ বিৰুদ্ধে শান্তিমূলক ব্যৱস্থাৰূপে অৰ্থনৈতিক অৱৰোধ (Economic sanctions) অথবা সামূহিকভাৱে সামৰিক শক্তি প্ৰয়োগ কৰিব পাৰে।

অৰ্থনৈতিক আৰু সামাজিক পৰিষদঃ (Economic and Social Council)

সংবিধানৰ দশম অধ্যায়ত (অনুচ্ছেদ নং ৬১ৰপৰা ৭২ লৈ) অৰ্থনৈতিক পৰিষদৰ গঠন প্ৰণালী, কাৰ্যসূচী আৰু ক্ষমতা সম্পৰ্কে উল্লেখ কৰা আছে। অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ সদস্য ৰাষ্ট্ৰৰ সংখ্যা ৫৪ খন। সদস্যসকলৰ কাৰ্যকাল তিনি বছৰীয়া। প্ৰতি তিনি বছৰৰ মূৰে মূৰে ১৮ খন সদস্য ৰাষ্ট্ৰই অব্যাহিতি লয় আৰু তাৰ ঠাইত নতুনকৈ আন ১৮ খন সদস্য ৰাষ্ট্ৰ নিৰ্বাচিত কৰা হয়। প্ৰতিখন সদস্য ৰাষ্ট্ৰৰে একোটাকৈ ভোট আছে। প্ৰতি বছৰে এই পৰিষদৰ একোখনকৈ দুমহীয়া সভা অনুষ্ঠিত হয়, এখন অনুষ্ঠিত হয় নিউ ইয়ৰ্কত আৰু আনখন ছুইজাৰল্যাণ্ডৰ জেনেভাত।

অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ কাৰ্যাৱলী হ'ল,

(১) বিশ্বৰ মানৱ সমাজৰ অৰ্থনৈতিক, সামাজিক, শৈক্ষিক, সাংস্কৃতিক, স্বাস্থ্য আদি আনুষঙ্গিক বিভিন্ন বিষয়ৰ ওপৰত অধ্যয়ন, অনুসন্ধান আৰু প্ৰতিবেদন প্ৰস্তুত কৰা,

(২) মানৱ অধিকাৰৰ প্ৰতি সমাজত সমাদৰ বৃদ্ধি কৰা, তাক ৰক্ষা কৰাৰ ব্যৱস্থা কৰা আৰু সকলো মানুহৰ বাবে স্বাধীনতাৰ মৌলিক চৰ্তসমূহ পৰিপূৰণৰ চেষ্টা কৰা,

(৩) নিৰ্দিষ্ট বিষয়ৰ ওপৰত আন্তঃৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত কৰি সেই সন্মিলনৰ আলোচনাৰ ভিত্তিত সাধাৰণ পৰিষদত দাখিল কৰিবলৈ প্ৰতিবেদন প্ৰস্তুত কৰা,

(৪) সাধাৰণ পৰিষদৰ অনুমোদন সাপেক্ষে সদস্য ৰাষ্ট্ৰৰ প্ৰতি সেৱা দান কৰা, ইত্যাদি।

তদুপৰি ৰাষ্ট্ৰসংঘৰ সংবিধানত সন্নিবিষ্ট বিশ্ব মানৱৰ ভালেমান কল্যাণমূলক আঁচনি ৰূপায়নৰ বাবে এই অংগৰ অধীনত ভালেমান সগোত্ৰীয় সংগঠন গঢ়ি তোলা হৈছে। সেইবিলাকৰ ভিতৰত উল্লেখনীয় হ'ল,

(ক) পাঁচটা আঞ্চলিক আয়োগ,

(১) অৰ্থনৈতিক আয়োগ, আফ্ৰিকা, (২) অৰ্থনৈতিক আৰু সামাজিক আয়োগ, এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চল, (৩) অৰ্থনৈতিক আয়োগ, ইয়োৰোপ, (৪) অৰ্থনৈতিক আয়োগ, লেটিন আমেৰিকা আৰু কেৰিবিয়ান উপসাগৰীয় অঞ্চল, (৫) অৰ্থনৈতিক আৰু সামাজিক আয়োগ, পশ্চিম এছিয়া।

(খ) নটা কাৰ্যকৰী পৰিষদ,

(১) পৰিসংখ্যা আয়োগ, (২) জনসংখ্যা আয়োগ, (৩) মানৱ অধিকাৰ আয়োগ, (৪) সামাজিক উন্নয়ন আয়োগ, (৫) নাৰীৰ অৱস্থান সম্পৰ্কীয় আয়োগ, (৬) নিচাযুক্ত দ্ৰব্য সম্পৰ্কীয় আয়োগ, (৭) অপৰাধ প্ৰতিৰোধ আৰু অপৰাধ আইন সম্পৰ্কীয় আয়োগ, (৮) উপজীৱিকা সম্পৰ্কীয় বিকাশমূলক আয়োগ, (৯) বিজ্ঞান আৰু প্ৰযুক্তিৰ উন্নয়নমূলক আয়োগ আদি।

(গ) চাৰিটা স্থায়ী সমিতি,

(১) আঁচনি (কাৰ্যসূচী) আৰু সমন্বয়ৰক্ষী সমিতি, (২) স্বেচ্ছাসেৱী সংগঠন সম্পৰ্কীয় সমিতি, (৩) বিভিন্ন চৰকাৰী সংগঠনৰ সৈতে সমন্বয়ৰক্ষী সমিতি, (৪) পমুৱা তথা ভগনীয়া পুনৰ সংস্থাপন সম্পৰ্কীয় সমিতি, ইত্যাদি।

এই বিশেষ সমিতিবিলাকৰ ওপৰিও আৰু অন্য ভালেমান সমিতিয়ে ৰাষ্ট্ৰসংঘ তথা অৰ্থনৈতিক আৰু সামাজিক সমিতিৰ অধীনত কাৰ্যনিৰ্বাহ কৰি আছে। তাৰ ভিতৰত প্ৰধান হ'ল, বিশ্ব স্বাস্থ্য সংস্থা, বিশ্ব খাদ্য আৰু কৃষি সংস্থা, বিশ্ব শ্ৰমিক সংস্থা, ৰাষ্ট্ৰসংঘৰ শিক্ষামূলক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থা, ৰাষ্ট্ৰসংঘৰ শিল্প উন্নয়ন সংস্থা, বিশ্ব বেঙ্ক, আন্তৰাষ্ট্ৰীয় মুদ্ৰা কোষ, বিশ্ব বাণিজ্যিক সংস্থা, আদি।

ন্যাস পৰিষদঃ (Trusteeship Council)

সংবিধানৰ ত্ৰয়োদশ অধ্যায়ত (অনুচ্ছেদ নং ৮৬ৰপৰা ৯১ লৈকে) ন্যাস পৰিষদৰ গঠন, কাৰ্যসূচী আৰু ক্ষমতা সম্পৰ্কে উল্লেখ কৰা আছে। দ্বিতীয় বিশ্ব যুদ্ধৰ পিচত ভালেমান অনুন্নত উপনিবেশ বৃহৎ শক্তিসমূহৰ তত্বাৱধানত ৰখাৰ ব্যৱস্থা কৰা হৈছিল যাতে সেইবিলাক উপনিবেশে প্ৰগতিৰ পথত দ্ৰুতভাৱে অগ্ৰসৰ হৈ স্বাধীনতাৰ বাবে প্ৰস্তুত হ'ব পাৰে। এই ধৰণৰ উন্নয়নৰ দিশটোৰ প্ৰতি লক্ষ্য কৰাটোৱেই ন্যাস পৰিষদৰ মূল কাম আছিল। ন্যাস পৰিষদৰ বিষয়ে সংবিধানৰ ৭৭ নং অনুচ্ছেদত উল্লেখ আছে। ন্যাস পৰিষদৰ তত্বাৱধানলৈ অনা উপনিবেশৰ সংখ্যা আছিল মুঠতে ১১ খন। সেই উপনিবেশ তথা দেশসমূহৰ স্বৰূপ অথবা অৱস্থান আছিল এনেধৰণৰ,

(ক) প্ৰথম বিশ্ব যুদ্ধৰ পিচত ভাৰ্চাই শান্তিচুক্তিৰ নিৰ্দেশত বৃহৎ শক্তিবৰ্গই বাধ্যতামূলক ক্ষমতাৰ (Mandatory Power) অধীনত শাসন কৰিবলৈ লোৱা দেশ বা অঞ্চলসমূহ,

(খ) ঔপনিবেশিক শক্তিসমূহে নিজৰ দখলত তথা অধিকাৰত থকা দেশৰ শাসন কাৰ্য স্বেচ্ছাই ন্যাস ব্যৱস্থাৰ কৰ্তৃত্বলৈ অৰ্পণ কৰা দেশ বা অঞ্চল, আৰু

(গ) দ্বিতীয় বিশ্ব যুদ্ধৰ সামৰণি পৰাৰ পিচত শত্ৰু পক্ষৰপৰা আঁতৰাই নিয়া দেশ বা ৰাজ্যাঞ্চলসমূহ।

ন্যাস পৰিষদৰ কৰ্তৃত্বৰ ভিতৰত থকা মুঠ ১১ খন উপনিবেশৰ ভিতৰত ইতিমধ্যে আটাইকেইখনেই স্বাধীনতা লাভ কৰিছে। এই দেশসমূহ আছিল আফ্ৰিকা আৰু এছিয়া মহাদেশত। ন্যাস পৰিষদৰ কৰ্তৃত্বত থকা আৰু স্বাধীনতা লাভ কৰা উপনিবেশখন হ'ল মাইক্ৰোনেছিয়া। এইখন প্ৰশান্ত মহাসাগৰীয় তিনিটা দ্বীপক লৈ গঠিত আৰু সেই দ্বীপ কেইটা হ'ল, মাৰ্চ্চলছ, কেৰোলাইন্‌ছ আৰু মেৰিয়ানাছ। দ্বিতীয় বিশ্ব যুদ্ধৰ পিচত আমেৰিকা যুক্তৰাষ্ট্ৰই জাপানৰপৰা এই দ্বীপসমূহ দখল কৰি নিজৰ হাতলৈ নিছিল। ১৯৯০ চনৰ ২৩

ডিচেম্বৰ তাৰিখে নিৰাপত্তা পৰিষদে মাইক্ৰোনেছিয়াৰ ওপৰত নিজৰ কৰ্তৃত্ব প্ৰত্যাহাৰ কৰাৰ লগে লগে আমেৰিকা যুক্তৰাষ্ট্ৰৰ শাসনৰো অন্ত পৰাত সেই দ্বীপ কেইটা স্বাধীন হৈ পৰে। ন্যাস পৰিষদৰ কৰ্তৃত্বত থকা অন্যতম উপনিবেশ হ'ল পালাউ (Palau) আৰু এই দেশখনে ১৯৯৪ চনৰ ডিচেম্বৰ মাহত স্বাধীনতা লাভ কৰে।

মানুহৰ সমানাধিকাৰ আৰু আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ নীতিৰ ওপৰত নিৰ্ভৰ কৰি ৰাষ্ট্ৰসংঘই এইদৰে ন্যাস ব্যৱস্থাৰ মাধ্যমত সেই দেশসমূহৰ বাবে স্বাধীনতাৰ পথ মোকোলাই দিছিল। সাম্প্ৰতিক কালত ন্যাস পৰিষদৰ কামৰ প্ৰায় অন্তই পৰিছে।

আন্তৰাষ্ট্ৰীয় আদালতঃ (International Court of Justice)

ৰাষ্ট্ৰসংঘৰ সংবিধানৰ অনুচ্ছেদ নং ৯২, ৯৩, ৯৪, ৯৫ আৰু ৯৬ত আন্তৰাষ্ট্ৰীয় আদালতৰ গঠন, কাৰ্য পদ্ধতি আৰু ক্ষমতাৰ পৰিমণ্ডল তথা এক্তিয়াৰ সম্পৰ্কে বিস্তৃতভাৱে উল্লেখ কৰা আছে। সাধাৰণ পৰিষদ আৰু নিৰাপত্তা পৰিষদে নিযুক্তি দিয়া ১৫ জন বিচাৰকৰ দ্বাৰা আন্তৰাষ্ট্ৰীয় আদালাত গঠিত হয়। এই বিচাৰকসকলক যোগ্যতা অনুসাৰে সদস্য ৰাষ্ট্ৰসমূহৰপৰা নিৰ্বাচিত কৰা হয়, আদালতত একে সময়তে এখন ৰাষ্ট্ৰৰ দুজন বিচাৰক থাকিব নোৱাৰে। বিচাৰকসকলৰ কাৰ্যকাল ৯ বছৰীয়া, পুনৰ নিৰ্বাচিত হোৱাত সাংবিধানিক কোনো বাধা-নিষেধ নাই। ইয়াৰ মূখ্য কাৰ্যালয় ডেনমাৰ্কৰ ৰাজধানী ডি হেগত (The Hague) অৱস্থিত।

আন্তৰাষ্ট্ৰীয় আদালতৰ ক্ষমতা তিনি প্ৰকাৰৰ, (ক) তদৰ্থ (Ad hoc), (খ) স্বেচ্ছা প্ৰণোদিত (Voluntary) আৰু (গ) বাধ্যতামূলক (Compulsory)।

সদস্য ৰাষ্ট্ৰসমূহৰ মাজৰ পাৰস্পৰিক বিবাদ, কোনো সদস্য ৰাষ্ট্ৰই উত্থাপন কৰা বিবাদ বা সমস্যা সম্পৰ্কে আৰু ৰাষ্ট্ৰসংঘৰ সংবিধানে সামৰি লোৱা বিষয়ৰ ওপৰত আন্তৰাষ্ট্ৰীয় আদালাতে ৰায় বা সিদ্ধান্ত দিব পাৰে আৰু তেনে ৰায় বা সিদ্ধান্ত বিবাদমান পক্ষৰ বাবে বাধ্যতামূলক তথা অৱশ্যে পালনীয় বুলি পৰিগণিত হয়।

প্ৰতিষ্ঠিত হোৱাৰপৰা অদ্য পৰিমিত আন্তৰাষ্ট্ৰীয় আদালাতে ৬৫ টা মোকৰ্দমা বিচাৰ কৰিছে, ৩২ টা ৰায় দান কৰিছে আৰু ২৭ টা আদেশ প্ৰদান কৰিছে। ১৯৪৬ চনত আন্তৰাষ্ট্ৰীয় আদালাত স্থাপন হোৱাৰ দিন ধৰি সদস্য ৰাষ্ট্ৰসমূহৰপৰা বিচাৰৰ বাবে ৫০ টা মোকৰ্দমা দাখিল কৰা হৈছিল আৰু আন্তৰাষ্ট্ৰীয় সংগঠনসমূহৰপৰা ১৮ টাৰ ক্ষেত্ৰত পৰামৰ্শমূলক মতামত বিচৰা হৈছিল। ৰাষ্ট্ৰসমূহে বিচাৰৰ বাবে দাখিল কৰা ৫০ টা মোকৰ্দমাৰ ভিতৰত বিভিন্ন কাৰণত তাৰে ১৫ টা প্ৰত্যাহাৰ কৰা হৈছিল আৰু ১০ টাৰ সম্পৰ্কত আদালতৰ এক্তিয়াৰ নথকাত সেইবোৰ বাতিল কৰা হৈছিল।

সচিবালয়ঃ (Secretariat)

ৰাষ্ট্ৰসংঘৰ সচিবালয়ৰ কাম-কাজ আৰম্ভ হয় ১৯৪৬ চনৰ ১ ফেব্ৰুৱাৰীৰপৰা। সেই দিনাৰপৰাই আনুষ্ঠানিকভাৱে সচিবালয়ৰ স্থাপন হয়। সচিবালয়ৰ গঠন, কাৰ্যসূচী আৰু ক্ষমতা সম্পৰ্কে সংবিধানৰ পঞ্চদশ অধ্যায়ৰ অনুচ্ছেদ নং ৯৭ ৰপৰা ১০১ লৈ বিতংভাৱে উল্লেখ কৰা আছে। ৯৭ নং অনুচ্ছেদত উল্লেখ আছে যে নিৰাপত্তা পৰিষদৰ পৰামৰ্শ মৰ্মে সাধাৰণ পৰিষদে ৰাষ্ট্ৰসংঘৰ সচিব-প্ৰধানক নিযুক্তি দিব। ৰাষ্ট্ৰসংঘৰ সচিবালয়ৰ পৰিচালনাৰ সমুদায় দায়িত্ব সচিব-প্ৰধানজনৰ। তেওঁ ৰাষ্ট্ৰসংঘৰ প্ৰধান প্ৰশাসনিক বিষয়া।

সচিবালয়ে ৰাষ্ট্ৰসংঘৰ বিধান পষিদ তথা সাধাৰণ পৰিষদ, নিৰাপত্তা পৰিষদ, অৰ্থনৈতিক আৰু সামাজিক পৰিষদ, ন্যাস পৰিষদ আৰু ৰাষ্ট্ৰসংঘৰ সংবিধান নিসৃত আনুষঙ্গিক সমূহ সংগঠন আৰু প্ৰতিষ্ঠানৰ প্ৰতি সততে সেৱা দান কৰিব লাগে। সচিবালয়ৰ সমুদায় কাম-কাজ চলোৱাৰ বাবে এক বিশাল কৰ্মী বাহিনী আছে। এই কৰ্মী বাহিনীটোৱে সচিব-প্ৰধানৰ নেতৃত্ব আৰু নিয়ন্ত্ৰণত থাকি ৰাষ্ট্ৰসংঘৰ সমূহ কাৰ্য পৰিচালনা কৰে।

ৰাষ্ট্ৰসংঘ তথা সচিবালয়ৰ মুখ্য কাৰ্যালয় নিউ ইয়ৰ্কত অৱস্থিত। ইয়াৰ ভালেমান শাখা কাৰ্যালয় আছে আৰু সেইবোৰ জেনেভা, ভিয়েনা আৰু নাইৰোবীত অৱস্থিত। ৰাষ্ট্ৰসংঘৰ বিভিন্ন আয়োগৰ আৰু আঞ্চলিক সংগঠনৰ নিজ নিজ কাৰ্যালয় আছে আৰু সেইবোৰ বিশ্বৰ বিভিন্ন দেশত সিঁচৰিত হৈ আছে। তেনে কাৰ্যালয় থকা বিশ্বৰ বিভিন্ন দেশৰ চহৰৰ নাম হ'ল, আদ্দিছ আবাবা, জেনেভা, ছান্টিয়াগ', বাগদাদ আৰু বেঙ্কক।

সচিব-প্ৰধানক তেওঁৰ দৈনন্দিন কাম-কাজত সহায় কৰাৰ বাবে সচিবালয়ক কেবাটাও প্ৰধান শাখাত ভাগ কৰা হৈছে আৰু প্ৰতিটো শাখাতে শাখা মুৰব্বীৰূপে আছে একোজনকৈ অৱৰ-সচিব-প্ৰধান (Under-Secretary-General), তেওঁৰ তলত এজনকৈ সহায় সচিব-প্ৰধান (Assistant-Secretary-General)। তদুপৰি বিভিন্ন আয়োগৰ মুৰব্বীৰূপে আছে একোজনকৈ সঞ্চালক-প্ৰধান (Director-General)।

সচিব-প্ৰধানজন ৰাষ্ট্ৰসংঘৰ বাৰ্ষিক বাজেট প্ৰস্তুত কৰাৰ বাবে দায়বদ্ধ। তেওঁ ৰাষ্ট্ৰসংঘৰ সকলো কামৰে দায়িত্বৰ অধিকাৰী। এতিয়ালৈ বিশ্বৰ বিভিন্ন দেশৰ সাতজন খ্যাতনামা ব্যক্তিয়ে সচিব-প্ৰধানৰ দায়িত্ব পালন কৰিছে। তেওঁলোক হ'ল,

সচিব-প্ৰধানৰ নাম	দেশৰ নাম	কাৰ্যকাল
১। ট্ৰাইগ'ভ লিই	নৰওৱে'	১৯৪৫-৫২
২। ডাগ হামাৰশিল্ড	ছুইডেন	১৯৫২-৬১
৩। ইউ থান্ট	ব্ৰহ্মদেশ	১৯৬১-৭১
৪। কুৰ্ট ওৱাল্ডহেইম	আষ্ট্ৰিয়া	১৯৭১-৮১

৫। জেভিয়াৰ পেৰেজ

ডা কুৱেলাৰ	পেৰু	১৯৮১-৯১
৬। ড° বট্রুছ্-বট্রুছ্ ঘালী	ইজিপ্ত	১৯৯১-৯৬
৭। কফি আন্নান	ঘানা	১৯৯৬-(কৰ্মৰত)

ৰাষ্ট্ৰসংঘৰ পুঁজিঃ (Fund of the UNO)

ৰাষ্ট্ৰসংঘ আৰু ইয়াৰ বিভিন্ন সংগঠনৰ কাম-কাজ পৰিচালনা কৰাৰ বাবে বছৰি প্ৰায় ৬ বিলিয়ন মাৰ্কিন ডলাৰৰ প্ৰয়োজন হয়। ৰাষ্ট্ৰসংঘৰ পুঁজিৰ এক-তৃতীয়াংশ সদস্য ৰাষ্ট্ৰসমূহৰপৰা বাধ্যতামূলক ৰৰগুনিৰূপে সংগ্ৰহ কৰা হয়। বাকী দুই-তৃতীয়াংশ স্বেচ্ছামূলক অনুদানৰপৰা আহে। ৰাষ্ট্ৰসংঘৰ মুঠ বাজেটৰ চাৰি-পঞ্চমাংশ ২০ খন ৰাষ্ট্ৰই যোগান ধৰে। সেই ৰাষ্ট্ৰ কেইখন হল, আমেৰিকা যুক্তৰাষ্ট্ৰ, বৃটেইন, ফ্ৰান্স, কানাডা, অধুনা লুপ্ত ছোভিয়েট ৰাচিয়া, ইটালী, জাৰ্মানী, জাপান, ছুইডেন, বেলজিয়াম, নেডাৰলেণ্ড, ফিন্‌লেণ্ড, লিবিয়া, স্পেইন, আষ্ট্ৰিয়া আৰু অন্যান্য। আমেৰিকা যুক্তৰাষ্ট্ৰই আটাইতকৈ বেছি অৰ্থৰ যোগান ধৰে, মুঠ বাজেটৰ ২৫ শতাংশ। আনহাতে আমেৰিকা যুক্তৰাষ্ট্ৰ, জাপান আৰু জাৰ্মানীয়ে একত্ৰে যোগান ধৰা পুঁজিৰ পৰিমাণ হ' ল মুঠ বাজেটৰ ৩০ শতাংশ। ইফালে উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ ৮০ খনতকৈ অধিক ৰাষ্ট্ৰই যোগান ধৰে মাত্ৰ ০ ০১ শতাংশ।

০ ৩ **ৰাষ্ট্ৰসংঘৰ সাফল্যঃ** (Achievements of UNO)

বৰ্তমানলৈ প্ৰায় ৫৭ বছৰ কাৰ্যনিৰ্বাহ কৰাৰ পিচত দেখা গৈছে যে যি লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি ৰাষ্ট্ৰসংঘৰ সংগঠন গঢ়ি তোলা হৈছিল সেই দিশত এই আন্তৰাষ্ট্ৰীয় সংগঠনটো সফল হৈছে। যুদ্ধোত্তৰ বিশ্বত শান্তি আৰু নিৰাপত্তা ৰক্ষাৰ ক্ষেত্ৰত এই আন্তৰাষ্ট্ৰীয় সংগঠনটো বহুলাংশে সফলকাম হৈছে। বিশ্বৰ ৰাষ্ট্ৰসমূহৰ মাজত অকল শান্তি আৰু নিৰাপত্তা ৰক্ষাৰ ক্ষেত্ৰতেই নহয়, কৃষিৰ সম্প্ৰসাৰণ আৰু অধিক খাদ্য উৎপাদন, বিশ্বৰ জনসাধাৰণৰ স্বাস্থ্য ৰক্ষা আৰু বৰ-আই তথা বৰ বসন্ত, যক্ষ্মা, কুষ্ঠ, মেলেৰিয়া, এইড্‌ছ্ আদি বিপজ্জনক ৰোগ-ব্যাধিৰপৰা মানৱ সমাজক মুক্ত কৰা, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক উন্নয়ন আৰু বিকাশ সাধন কৰা, বিশ্বৰ বিভিন্ন দেশৰ জনসাধাৰণৰ মাজত ভ্ৰাতৃত্বপূৰ্ণ সম্পৰ্ক গঢ়ি তোলা, নাৰী কল্যাণ সাধন কৰা, শিশু কল্যাণ সাধন কৰা, বিশ্বৰ সকলো দেশৰে মানুহৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত সমানাধিকাৰৰ ভিত্তিত বিকাশৰ স্তৰ উন্নীত কৰা, মানৱ অধিকাৰৰ সম্প্ৰসাৰণ ঘটোৱা আৰু তাৰ বিকাশ সাধন কৰা ইত্যাদি বিভিন্ন দিশত ৰাষ্ট্ৰসংঘ লক্ষণীয়ভাৱে সফলকাম হৈছে। বিশ্বৰ বহু দেশৰপৰা খাদ্যৰ অনাটন আঁতৰাই লাখ লাখ লোকক দুৰ্ভিক্ষৰপৰা ৰক্ষা কৰিছে।

ৰাষ্ট্ৰসংঘৰ নেৰানপৰা চেষ্টাৰ ফলতেই আজি বিশ্বত পৰাধীন দেশ প্ৰায় নোহোৱাই

হৈছে। ঔপনিবেশিকতাবাদ নিশেষ কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘই এক বিশেষ আৰু গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। বিশেষকৈ ন্যাস পৰিষদৰ ভূমিকা এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখনীয়। ৰাষ্ট্ৰসংঘৰ চেষ্টাৰ ফলতেই ১৯৪৫ চনৰপৰা ১৯৬০ চনৰ ভিতৰত বিশ্বৰ মুঠতে ৩০ খন পৰ-পদানত তথা পৰাধীন দেশে স্বাধীনতা পাইছে।

সাম্ৰাজ্যবাদী দেশৰ অধীনত থকা এছিয়া আৰু আফ্ৰিকাৰ ভালেমান পৰাধীন দেশে স্বাধীনতাৰ পোহৰ দেখিবলৈ পাইছে বহু ক্ষেত্ৰতেই ৰাষ্ট্ৰসংঘৰ চেষ্টা আৰু উদ্যোগত। দক্ষিণ আফ্ৰিকাৰ শ্বেতাঙ্গ শাসকসকলে ১৯৪৮ চনৰপৰা ১৯৯০ চনলৈ সেই দেশৰ মুঠ জনসংখ্যাৰ ৮০/৮৫ শতাংশ কৃষ্ণাঙ্গ লোকৰ বিৰুদ্ধে চলাই অহা বৰ্ণ-বৈষম্য নীতি (Apart-heid) ৰাষ্ট্ৰসংঘৰ উদ্দ্যোগতেই অন্ত পৰিছে বুলি ক'ব পাৰি।

০৩ (ক) ৰাষ্ট্ৰসংঘ আৰু বিশ্বৰ প্ৰধান ঘটনাসমূহ (Main International Events and Role of UNO)

ৰাষ্ট্ৰসংঘৰ চেষ্টা আৰু মধ্যস্থতাত যথাক্ৰমে আফ্ৰিকাৰ গুইনাই (গুইনা বিছিউৰূপে) ১৯৭৪ চনত, মোজাম্বিক আৰু এঙ্গোলাই ১৯৭৫ চনত আৰু দক্ষিণ আফ্ৰিকাৰপৰা নামিবিয়াই ১৯৯০ চনত স্বাধীনতা লাভ কৰিছে। ৰাষ্ট্ৰসংঘ গঠিত হোৱাৰ পিচৰপৰা বিশ্বত বিভিন্ন দেশৰ মাজত যুদ্ধ সংঘটিত হলেও ৰাষ্ট্ৰসংঘৰ সদৰ্থক ভূমিকাৰ বাবে সেইবোৰ আঞ্চলিক যুদ্ধতে সীমাবদ্ধ হৈ থাকিবলৈ বাধ্য হৈছে, বিশ্ব যুদ্ধলৈ উন্নীত হোৱাৰ সম্ভাৱনা থকা স্বত্বেও বিশ্ব প্ৰায় ৫৭ বছৰ ধৰি তেনে ক্ষয়কাৰী মহাসমৰৰপৰা আঁতৰি থাকিবলৈ পাৰিছে। এইটো কম সাফল্যৰ কথা নহয়। প্ৰথম আৰু দ্বিতীয় বিশ্ব যুদ্ধৰ ব্যৱধানলৈ (১৯১৪-১৮ ৰপৰা ১৯৩৯-৪৫ চনলৈ মাত্ৰ ২০ বছৰৰ ব্যৱধান) লক্ষ্য কৰিলে দেখা যায় যে এতিয়ামানলৈ আন ২/৩ খন বিশ্ব যুদ্ধ আৰম্ভ হৈ শেষ হ'ব লাগিছিল।

ৰাষ্ট্ৰসংঘৰ সংবিধানৰ ২ নং অনুচ্ছেদৰ তৃতীয় দফাত কোৱা হৈছে, "All members shall settle their international disputes by peaceful means in such a manner that international peace and security, and justice, are not endangered." (সকলো সদস্য ৰাষ্ট্ৰই আন্তৰাষ্ট্ৰীয় বিবাদসমূহ এনেদৰে শান্তিপূৰ্ণভাৱে সমাধা কৰিব যাতে আন্তৰাষ্ট্ৰীয় শান্তি, নিৰাপত্তা আৰু ন্যায় বিপদাপন্ন নহয়।) গতিকে সংবিধানৰ এই স্পষ্ট নীতি-নিৰ্দেশনাৰ প্ৰতি সকলো ৰাষ্ট্ৰৰে আনুগত্য থকাটো অপৰিহাৰ্য আৰু তাক কাৰ্যকৰী কৰিবলৈ থকা ৰাষ্ট্ৰসংঘৰ দায়বদ্ধতালৈ চাই দেখা যায় যে বহু ক্ষেত্ৰতে এই দিশতো ৰাষ্ট্ৰসংঘ সফল হৈছে। অৱশ্যে কোনো কোনো ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ নামত আমেৰিকা যুক্তৰাষ্ট্ৰই নিজৰ কৰণীয় কৰ্মৰ সীমা চেৰাই যোৱাটো পৰিলক্ষিত হৈছে।

১৯৪৫ চনৰপৰা ১৯৮১ চনৰ কালছোৱাত মুঠতে ১২৩ টা আন্তৰাষ্ট্ৰীয় বিবাদ

মীমাংসাৰ বাবে ৰাষ্ট্ৰসংঘৰ কৰ্তৃত্বলৈ অনা হৈছিল, তাৰ ভিতৰত ১৯৭০ চনৰপূৰ্বতে ২৮ টা বিবাদ মীমাংসা কৰাত ৰাষ্ট্ৰসংঘৰ সদৰ্থক ভূমিকা সৰ্বজন স্বীকৃত হৈছে। অন্য ৬৩ টা আন্তৰাষ্ট্ৰীয় বিবাদৰ ভিতৰতো ৰাষ্ট্ৰসংঘই ৩৫ টা সামাধান কৰাত সাফল্য অৰ্জন কৰিছে। তলত ৰাষ্ট্ৰসংঘই মীমাংসা কৰা কেইটামান গুৰুত্বপূৰ্ণ আন্তৰাষ্ট্ৰীয় বিবাদৰ বিষয়ে আলোচনা কৰা হ'ল,

১। ইৰাণ-ছোভিয়েট বিবাদঃ(Iran-Soviet Dispute)

১৯৪৬ চনৰ জানুৱাৰী মাহত ইৰাণে ৰাষ্ট্ৰসংঘৰ ওচৰত অভিযোগ কৰিছিল যে সেই দেশত থকা ছোভিয়েট সেনা বাহিনী আঁতৰাই নিব লাগে। ৰাষ্ট্ৰসংঘই বিষয়টো আলোচনা কৰাৰ পিচত মে' মাহত ইৰাণে জনালে যে ছোভিয়েট ৰাচিয়াই ইৰাণৰপৰা নিজৰ সেনা বাহিনী আঁতৰাই নিছে। দ্বিতীয় বিশ্ব যুদ্ধৰ সময়তে ফেছিষ্টসকলৰ বিৰুদ্ধে তাত ৰাচিয়াৰ সেনা বাহিনী মোতায়েন কৰা হৈছিল।

২। আফগানিস্তান-ছোভিয়েট বিবাদঃ (Afghan-Soviet Dispute)

তাৰ পিচত ১৯৮৮ চনতো ৰাষ্ট্ৰসংঘৰ মধ্যস্থতাত ছোভিয়েট ৰাচিয়াই আফগানিস্তানৰপৰা নিজৰ সৈন্য বাহিনী অপসাৰণ কৰিছিল।

৩। কোৰিয়াৰ যুদ্ধঃ (The Korean War)

কোৰিয়াৰ সমস্যাটো ৰাষ্ট্ৰসংঘৰ বাবে এফালে আছিল এক সামৰিক প্ৰত্যাহ্বান আৰু আনফালে প্ৰথম আৰু প্ৰধান ৰাজনৈতিক সমস্যা। কিয়নো সেই সময়ত পৰস্পৰ বিৰোধী ছোভিয়েট শিবিৰ আৰু মাৰ্কিন শিবিৰৰ মাজত প্ৰবাহমান শীতল যুদ্ধই সেই সমস্যাক বিশেষ জটিলতা প্ৰদান কৰিছিল।

দ্বিতীয় বিশ্ব যুদ্ধত পৰাভূত হৈ জাপানে কোৰিয়াৰপৰা পশ্চাদাপসাৰণ কৰাত উত্তৰ কোৰিয়া ছোভিয়েট প্ৰভাৱাধীন আৰু দক্ষিণ কোৰিয়া আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰভাৱাধীন এলেকাত পৰিণত হয়। সেয়ে দক্ষিণ কোৰিয়াৰপৰা মাৰ্কিন আধিপত্য আঁতৰাবলৈ ১৯৫০ চনৰ জুন মাহত উত্তৰ কোৰিয়াই দক্ষিণ কোৰিয়াৰ ওপৰত সামৰিক হস্তক্ষেপ আৰম্ভ কৰে। উত্তৰ কোৰিয়াৰ সমৰ্থনত চীনেও এই সামৰিক অভিযানত জড়িত হৈ পৰে। মাৰ্কিন পন্থী দক্ষিণ কোৰিয়াই উত্তৰ কোৰিয়াৰ বিৰুদ্ধে ৰাষ্ট্ৰসংঘত অভিযোগ নামা দাখিল কৰে। নিৰাপত্তা পৰিষদে উত্তৰ কোৰিয়াক দক্ষিণ কোৰিয়াৰপৰা আঁতৰি যাবলৈ নিৰ্দেশ দিয়ে।

অন্যাথা হোৱাত, আমেৰিকা যুক্তৰাষ্ট্ৰৰ হেঁচাত নিৰাপত্তা পৰিষদে কোৰিয়াত সামৰিক হস্তক্ষেপ কৰাৰ সিদ্ধান্ত লৈ তাক কাৰ্যকৰী কৰে। এই সামৰিক হস্তক্ষেপত আমেৰিকা যুক্তৰাষ্ট্ৰই ৫০ শতাংশৰ অধিক সৈনিক, ৮৫ শতাংশ নৌ-বাহিনীৰ সৈনিক আৰু ৯৫ শতাংশ বিমান বাহিনীৰ যোগান ধৰিছিল। অৰ্থাৎ ৰাষ্ট্ৰসংঘৰ সামৰিক হস্তক্ষেপৰ নামত

এইখন আছিল উত্তৰ কোৰিয়াৰ বিৰুদ্ধে আমেৰিকা যুক্তৰাষ্ট্ৰৰ যুদ্ধ। কিন্তু দিন অতিবাহিত হোৱাৰ লগে লগে কোৰিয়াৰ সমস্যা অধিক জটিল হৈহে পৰে, সময়ত তাৰ সামৰিক সমাধানৰ কোনো আশাই নোহোৱা হৈ পৰিল। বৰং ইয়াকে কেন্দ্ৰ কৰি তৃতীয় বিশ্ব যুদ্ধ এখনৰ সৃষ্টি হোৱাৰ আশঙ্কাই দেখা দিলে। অবশেষত ৰাষ্ট্ৰসংঘৰ নেৰানপৰা চেষ্টাৰ ফলত দুয়ো পক্ষৰ মাজত যুদ্ধ বিৰতি ঘোষণা কৰাত সাময়িকভাৱে হলেও কোৰিয়াৰ সমস্যাৰ অন্ত পৰে।

৪। **মধ্য প্ৰাচ্যৰ সমস্যাঃ** (Crisis in the Middle-East)

মধ্য প্ৰাচ্য দীৰ্ঘদিন ধৰি বিশ্ব ৰাজনীতিৰ এক প্ৰধান বিপদ বিন্দুৰূপে চিহ্নিত হৈ আহিছে। দুটা কাৰণত এই অঞ্চলত যি কোনো মুহূৰ্ত্ততে বিশ্ব শান্তি আৰু নিৰাপত্তা বিঘ্নিত হোৱাৰ আশঙ্কাৰ সৃষ্টি হৈছিল আৰু সেই অৱস্থাৰ এতিয়াও কোনো বিশেষ পৰিবৰ্তন হোৱা নাই। প্ৰথম কাৰণটো হ'ল দ্বিতীয় বিশ্ব যুদ্ধৰ অব্যৱহিত পিচৰ কালছোৱাত গঢ়ি উঠা আৰব জাতীয়তাবাদ আৰু দ্বিতীয়টো হ'ল মধ্য প্ৰাচ্যত ইহুদিসকলৰ বাবে ইজৰায়েল নামে এখন নতুন ৰাষ্ট্ৰ তৈয়াৰ কৰাটো।

দ্বিতীয় বিশ্ব যুদ্ধৰ সমসাময়িকভাৱে বৃটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৃষ্ঠপোষকতাত পেলেষ্টাইনলৈ (পেলেষ্টাইন তেতিয়া বৃটেইনৰ তত্ত্বাৱধানত আছিল) প্ৰথমতে ব্যাপক হাৰত ইহুদি লোকৰ প্ৰব্ৰজন ঘটোৱা হৈছিল। ১৯৪৭ চনৰ নৱেম্বৰ মাহত ৰাষ্ট্ৰসংঘই পেলেষ্টাইনক বিভাজিত কৰি দুখন দেশ—এখন আৰব দেশ আৰু আনখন ইজৰায়েল-সৃষ্টি কৰাৰ পোষকতা কৰি সিদ্ধান্ত কৰিছিল আৰু সেই মৰ্মে ১৯৪৮ চনৰ ১৪ মে' তাৰিখে পেলেষ্টাইনৰ বিভাজন ঘটাই ইজৰায়েলৰ সৃষ্টি কৰি আৰব জাতীয়তাবাদক ক্ষুণ্ন কৰা হৈছিল। এই নতুন ৰাষ্ট্ৰখন তৈয়াৰ কৰাৰ লগে লগে সংঘটিত হোৱা আৰব-ইজৰায়েল যুদ্ধত আৰব দেশসমূহ পৰাভূত হৈছিল।

১৯৫০ আৰু ১৯৬০ৰ দশকত ইজিপ্তৰ প্ৰেছিডেন্ট গামাল আব্দেল নাছেৰে আছিল আৰব দেশসমূহৰ অবিসম্বাদী নেতা। তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰৰ অৰ্থ সাহায্যত নীল নদীত আছোৱান বান্ধ তৈয়াৰ কৰাৰ কাম আৰম্ভ কৰিছিল, কিন্তু তাৰ কিছু দিন পাচত নাছেৰে ছোভিয়েট দেশৰপৰা অস্ত্ৰ-শস্ত্ৰ কিনিবলৈ লোৱাত যুক্তৰাষ্ট্ৰই আছোৱান বান্ধ নিৰ্মাণ কৰিবলৈ অৰ্থ সাহায্য দিয়াতো বন্ধ কৰি দিয়ে। প্ৰেছিডেন্ট নাছেৰেও পশ্চিমীয়া দেশ বিশেষকৈ ফ্ৰান্স আৰু বৃটেইনক এসেকা দিয়াৰ মানসেৰে ১৯৫৬ চনৰ ২৬ জুলাই তাৰিখে ছুয়েজ খালৰ জাতীয়কৰণ কৰে। লগে লগে ফ্ৰান্স, বৃটেইন আৰু ইজৰায়েলে ইজিপ্তৰ ওপৰত আক্ৰমণ আৰম্ভ কৰে।

এই ইংগ-ফৰাচী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ছোভিয়েট ৰাচিয়াই ৫ নৱেম্বৰ তাৰিখে

ক্ষেপনাস্ত্র নিক্ষেপেৰে ইজিপ্তৰ পক্ষত যুদ্ধত অংশ গ্ৰহণ কৰিবলৈ ফ্ৰান্স আৰু বৃটেইনৰ প্ৰতি এখন চৰম-পত্ৰ দিয়াত ৭ নবেম্বৰত ফ্ৰান্স আৰু বৃটেইনে ইজিপ্তৰপৰা পশ্চাদাপসাৰণ কৰে। পিচত আমেৰিকা যুক্তৰাষ্ট্ৰৰ মধ্যস্থতাত ৰাষ্ট্ৰসংঘৰ জড়িয়তে শান্তিপূৰ্ণভাৱে এই সমস্যাৰ সমাধান কৰা হয়।

গতিকে দেখা যায় মধ্য প্ৰাচ্যৰ এই ঘটনাইও আকৌ বিশ্ব যুদ্ধ সংঘটিত হোৱাৰ সম্ভৱনা কটিয়াই আনি

আৰৱ দেশসমূহে আকৱা উপসাগৰটো ইজৰায়েলৰ জাহাজ চলাচলৰ বাবে বন্ধ কৰি দিয়াত ১৯৬৭ চনত পুনৰ এফালে ইজৰায়েল আৰু আনফালে ইজিপ্ত, জৰ্দান আৰু ছিৰিয়া আদি আৰৱ দেশসমূহৰ মাজত যুদ্ধ সংঘটিত হৈছিল। এই যুদ্ধকে ছয় সপ্তাহৰ যুদ্ধ বোলে, কিয়নো যুদ্ধখন ছয় সপ্তাহ ধৰি চলিছিল। এই যুদ্ধতো আৰৱ দেশসমূহ পৰাভূত হয় আৰু ইজৰায়েলে ইজিপ্তৰপৰা চিনাই উপমহাদেশ, পেলেষ্টাইনৰপৰা জৰ্দান নদীৰ পশ্চিম পাৰ আৰু গাজা অঞ্চল আৰু ছিৰিয়াৰপৰা গোলান হেইটছ বোলা অঞ্চল আদি দখল কৰে। এই যুদ্ধত আমেৰিকা যুক্তৰাষ্ট্ৰই ইজৰায়েলক সামৰিক সাহায্য দি আৰৱ ৰাষ্ট্ৰসমূহৰ বিপক্ষে জয় লাভ কৰাত ইন্ধন যোগাইছিল।

১৯৭৩ চনত ইজিপ্তে অতৰ্কিতে ইজৰায়েল আক্ৰমণ কৰাত মধ্য প্ৰাচ্যত পুনৰ শান্তি বিঘ্নিত হয়। এই যুদ্ধৰ সময়তে খনিজ তেল উৎপাদন কৰা আৰৱ দেশসমূহে ইজৰায়েলৰ প্ৰতি সমৰ্থন দিয়া দেশবিলাকলৈ বিশেষকৈ আমেৰিকা যুক্তৰাষ্ট্ৰকে ধৰি নাটো অৰ্থাৎ উত্তৰ আটলাণ্টিক সন্ধিৰ (North Atlantic Treaty Organisation) অৰ্ন্তভূক্ত পশ্চিমীয়া শক্তিবৰ্গক তেলৰ যোগান নধৰিবলৈ সিদ্ধান্ত লয়।

আৰৱ দেশসমূহৰ এই সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত নাটোৰ সদস্যভূক্ত ইয়োৰপীয় ৰাষ্ট্ৰবৰ্গই ইজৰায়েলৰ পক্ষভূক্ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সঙ্গ এৰাৰ সিদ্ধান্ত কৰে। এনে অৱস্থাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ গোপন সমৰ্থন পাই ইজৰায়েলে ১৯৫৬, ১৯৬৭ আৰু ১৯৭৩ চনৰ যুদ্ধৰ ফলস্বৰূপে আৰৱ দেশসমূহৰপৰা কাঢ়ি লোৱা ৰাজ্যাঞ্চলসমূহ নিজৰ অধিকাৰত ৰখাৰ সিদ্ধান্ত কৰি তাক কাৰ্যকৰী কৰে। ফলশ্ৰুতিত মধ্য প্ৰাচ্য এতিয়াও উদ্‌গীৰণমুখী আগ্নেয়গিৰি সদৃশ হৈ আছে।

মধ্য প্ৰাচ্যৰ সমস্যাৰ আন এটা বাহ্যিক প্ৰকাশ হ'ল ১৯৯০-৯১ চনৰ উপসাগৰীয় যুদ্ধ। ইৰাক আৰু কুৱেইটৰ মাজত খনিজ তেলৰ দাম, সীমা বিবাদ আদি ভালেমান বিষয়ক কেন্দ্ৰ কৰি দীৰ্ঘদিন ধৰি মনোমালিন্য চলি আহিছিল। এই বিবাদৰ অচিলা লৈয়েই ইৰাকে ১৯৯০ চনৰ ২ আগষ্টৰ দিনা হঠাতে কুৱেইট আক্ৰমণ কৰে। আক্ৰান্ত দেশ কুৱেইটে প্ৰায় লগে লগেই ৰাষ্ট্ৰসংঘৰ ওচৰত ইৰাকৰ বিৰুদ্ধে অভিযোগ দাখিল কৰে।

সেই অভিযোগৰ ভিত্তিত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে সেই বছৰৰে ২০ নৱেম্বৰৰ ভিতৰত এটাৰ পিচত এটাকৈ মুঠতে ইৰাকৰ বিৰুদ্ধে ১২ টা প্ৰস্তাৱ গ্ৰহণ কৰে। এই প্ৰস্তাৱৰ জড়িয়তে কুৱেইটৰ ওপৰত ইৰাকৰ আক্ৰমণ কাৰ্যক গৰিহণা দিয়ে আৰু ৬ আগষ্টৰ প্ৰস্তাৱৰ জড়িয়তে ইৰাকৰ বিৰুদ্ধে অৰ্থনৈতিক অৱৰোধ (Economic sanctions) বলবৎ কৰে। এই অৰ্থনৈতিক অৱৰোধ কাৰ্য বলবৎ হোৱাৰ লগে লগেই আমেৰিকা যুক্তৰাষ্ট্ৰৰ তেতিয়াৰ প্ৰেছিডেণ্ট জৰ্জ বুছে উপসাগৰীয় অঞ্চলত মাৰ্কিন সৈনিক মোতায়েন কৰাৰ আদেশ দিয়ে। তাৰ পিচত ২৫ আগষ্টত নিৰাপত্তা পৰিষদে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু অন্যান্য সহযোগী পশ্চিমীয়া ৰাষ্ট্ৰক ইৰাকৰ বিৰুদ্ধে প্ৰয়োজনীয় কাৰ্য ব্যৱস্থা লবলৈ দায়িত্ব প্ৰদান কৰে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে পশ্চিমীয়া ৰাষ্ট্ৰবৰ্গই ইতিমধ্যে উপসাগৰীয় অঞ্চলত নিজ নিজ সামৰিক বাহিনীৰে সৈতে অৱস্থান লৈছিলগে। ইফালে নিৰাপত্তা পৰিষদে নৱেম্বৰ মাহত গ্ৰহণ কৰা অন্য এটি প্ৰস্তাৱ যোগে ১৯৯১ চনৰ ১৫ জানুৱাৰীৰ ভিতৰত ইৰাকে স্বেচ্ছাই কুৱেইটৰপৰা পশ্চাদাপসাৰণ নকৰিলে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু তেওঁলোকৰ সহযোগী ৰাষ্ট্ৰসমূহক 'সকলো ধৰণৰ পন্থা' হাতত লৈ ইৰাকক কুৱেইটৰপৰা বিতাৰিত কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰে। ইৰাকে এই দিশত কোনো সঁহাৰি নিদিয়াত আমেৰিকা যুক্তৰাষ্ট্ৰই সহযোগী দেশসমূহৰ সৈতে ১৯৯১ চনৰ ১৭ জানুৱাৰীত ইৰাকৰ ওপৰত ধাৰাসাৰ বোমা বৰ্ষণেৰে আক্ৰমণ চলাবলৈ ধৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত প্ৰায় ৩০ খন দেশৰ সৈনিকে মুঠতে ৪২ দিনৰ ভিতৰত কুৱেইটক ইৰাকৰ কবলৰপৰা মুক্ত কৰে।

উপসাগৰীয় যুদ্ধৰ সময়ত আমেৰিকা যুক্তৰাষ্ট্ৰই ৰাষ্ট্ৰসংঘক নিষ্ক্ৰীয় নকৰিলেও সেই আন্তৰ্ৰাষ্ট্ৰীয় সংগঠনটোক নিজ দেশৰ প্ৰশাসনৰ এক সাধাৰণ দপ্তৰলৈ পৰিৱৰ্তিত কৰি তুলিছিল। এই যুদ্ধৰ সময়ত ইৰাকক সম্পূৰ্ণৰূপে ধ্বংস কৰাটোৱেই আমেৰিকা যুক্তৰাষ্ট্ৰৰ লক্ষ্য হৈ পৰিছিল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ এই ভূমিকাৰ বাবেই ইৰাকৰ হাজাৰ হাজাৰ নাগৰিকে মৃত্যুক আকোৱালি ল'বলৈ বাধ্য হৈছিল। দেশখনৰ অৰ্থনীতি সম্পূৰ্ণৰূপে বিধ্বস্ত কৰি পেলোৱা হৈছিল। এই ঘটনাই আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতি বিশ্বৰ জনগণৰ সন্দেহ ঘণীভূত কৰি তুলিছিল।

৫। কঙ্গোৰ সমস্যাঃ (Crisis in Congo)

কঙ্গো বেলজিয়ামৰ উপনিবেশ আছিল। ১৯৬০ চনৰ ৩০ জুন তাৰিখে বেলজিয়ামৰপৰা স্বাধীনতা লাভ কৰাৰ আগলৈ এই দেশখন বেলজিয়ান কঙ্গোৰূপে পৰিচিত আছিল। কিন্তু স্বাধীনতা লাভ কৰাৰ লগে লগে তাত প্ৰায় গৃহ যুদ্ধ সদৃশ পৰিস্থিতিৰ সৃষ্টি হয়। স্বাধীনতাৰ আঁচনি মতে কাছাভাবুৱে (Kasavabu, 1917-69) প্ৰেছিডেণ্ট

আৰু পেট্ৰিছ লুমুম্বাই (Patrice Lumumba, 1926-61) প্ৰধানমন্ত্ৰী হিচাপে লিওপল্ডভিলাক (Leopoldville) ৰাজধানীৰূপে লৈ বেলজিয়ান প্ৰজাতন্ত্ৰৰ শাসন চলাব। এনেতে জুলাই মাহৰ আৰম্ভণিৰেপৰা দেশীয় সেনা বাহিনীয়ে বেলজিয়ান সামৰিক বিষয়াসকলৰ বিৰুদ্ধে সামৰিক বিদ্ৰোহ সংঘটিত কৰিলে। আনহাতে বেলজিয়ামৰ সামৰিক সাহায্যপুষ্ট হৈ টচুম্বে নামে আন এজন বেলজিয়ান ৰাজনৈতিক নেতাই খনিজ সম্পদেৰে পৰিপূৰ্ণ কাটাঙ্গা নামে প্ৰদেশখনৰ পৃথকীকৰণ আন্দোলনৰ নেতৃত্ব লৈ কঙ্গোৰ ৰাজনৈতিক সংকট অধিক ঘণীভূত কৰি তুলিলে।

১২ জুলাই তাৰিখে কঙ্গোৰ নতুন চৰকাৰে ৰাষ্ট্ৰসংঘৰ ওচৰত কঙ্গোত বৈদেশিক সামৰিক হস্তক্ষেপৰ বিৰুদ্ধে অভিযোগ দাখিল কৰাত নিৰাপত্তা পৰিষদে অতি সোনকালে তাত সামৰিক হস্তক্ষেপ কৰে আৰু বৈদেশিক (বেলজিয়াম আৰু অন্যান্য দেশৰ শ্বেতাঙ্গীয়া) সামৰিক বাহিনীক তাৰপৰা পশ্চাদাপসাৰণ কৰিবলৈ নিৰ্দেশ দিয়ে। এই সামৰিক সাহায্য চলি থাকোঁতেই কঙ্গোৰ বামপন্থী প্ৰধানমন্ত্ৰী পেট্ৰিছ লুমুম্বাক আঁততায়ীয়ে হত্যা কৰে। এই ঘটনাৰ পিচত কঙ্গোত ৰাষ্ট্ৰসংঘৰ সৈন্যবল আৰু বৃদ্ধি কৰা হয়। কঙ্গোৰ সমস্যাৰ সমাধান সূত্ৰ উলিয়াবলৈ গৈ ৰাষ্ট্ৰসংঘৰ সেই সময়ৰ সচিব-প্ৰধান ডাগ্ হামাৰশ্বিল্ড নডোলাত (বৰ্তমানৰ জাম্বিয়াত) বিমান দুৰ্ঘনাত পতিত হৈ ১৯৬১ চনৰ ১৭ ছেপ্তেম্বৰত মৃত্যু মুখত পৰে।

সি যি কি নহওক, ৰাষ্ট্ৰসংঘৰ মধ্যস্থতা আৰু চেষ্টাত অৱশেষত ১৯৬৩ চনৰ ফেব্ৰুৱাৰী মাহত কাটাঙ্গাক পুনৰ কঙ্গোৰ অৱশিষ্ট অংশৰ সৈতে সংলগ্ন কৰি কঙ্গোৰ সমস্যা সমাধান কৰা হয়। তাৰো পূৰ্বে ১৯৬০ চনৰ ছেপ্তেম্বৰ মাহৰপৰা এই দেশখনৰ নতুন নাম ৰখা হৈছিল জায়েৰী (Zaire)।

৬। **নামিবিয়াৰ সমস্যাঃ (Problem of Namibia)**

নামিবিয়া দক্ষিণ আফ্ৰিকাৰ পদানত হৈ থকাত তাৰ জনসাধাৰণে প্ৰায় ৭০ বছৰ ধৰি অশেষ দুখ-কষ্টৰ মাজেৰে শান্তি, স্বাধীনতা, নিৰাপত্তা আৰু গণতন্ত্ৰৰ বাবে সংগ্ৰাম কৰি আহিছিল। প্ৰথমে জাতিসংঘ আৰু পিচত ৰাষ্ট্ৰসংঘৰ উদ্যোগ আৰু মধ্যস্থতাত ১৯৯০ চনৰ ২১ মাৰ্চত নামিবিয়াত দক্ষিণ আফ্ৰিকাৰ ৰাজনৈতিক আধিপত্যৰ অন্ত পৰাৰ লগে লগে নামিবিয়া আফ্ৰিকা তথা বিশ্বৰ অন্যতম স্বাধীন ৰাষ্ট্ৰৰূপে পৰিগণিত হয়। সেই দিনাখনেই ৰাষ্ট্ৰসংঘৰ সচিব-প্ৰধান জেভিয়াৰ পেৰেজ ডা কুৱেলাৰে ছাম নাজুমাক (Sam Nujoma) নামিবিয়াৰ প্ৰেছিডেন্টৰূপে শপথ বাক্য পাঠ কৰায়।

আন্তৰাষ্ট্ৰীয় সমস্যা সমাধানত ৰাষ্ট্ৰসংঘৰ এনে ধৰণৰ ভালেমান উৎসাহজনক আৰু ঐতিহাসিক পদক্ষেপ আৰু সাফল্য দেখা যায়।

শীতল যুদ্ধ ঃ ৰাষ্ট্ৰসংঘৰ ভূমিকা (Cold War Role of UNO)

বিশ্ব ইতিহাসত শক্তিৰ উত্থান-পতনত যুদ্ধই এক বিশেষ ভূমিকা লৈ আহিছে। যুদ্ধৰ আগমুহূৰ্ত্তত যি ৰাষ্ট্ৰ অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামৰিক ক্ষেত্ৰত অন্যতকৈ শক্তিশালী আছিল, যুদ্ধৰ পিচত দেখা গৈছে সেই ৰাষ্ট্ৰৰ পূৰ্বৰ শক্তি-সামৰ্থ্য যথেষ্ট পৰিমাণে হ্ৰাস পাই আহিছে। সেই ৰাষ্ট্ৰ প্ৰথম শ্ৰেণীৰ শক্তিৰপৰা দ্বিতীয় বা তৃতীয় শ্ৰেণীৰ শক্তিলৈ অধঃপতিত হৈছে। প্ৰথম বিশ্ব যুদ্ধৰ আগমুহূৰ্ত্তত জাৰ্মানী, আষ্ট্ৰিয়া-হাংগেৰী, ইংলেণ্ড আৰু জাপান বৃহৎ শক্তিৰূপে প্ৰতিভাত হৈছিল। প্ৰথম বিশ্ব যুদ্ধই পূৰ্বৰ ৰাজনৈতিক সমীকৰণৰ সলনি কৰিলে। যুদ্ধৰ পিচত দেখা গ'ল যে আষ্ট্ৰিয়া-হাংগেৰী আৰু জাৰ্মানীৰ পৰিবৰ্তে বৃটেইন আৰু ৰাচিয়াৰ লগতে ফ্ৰান্স আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ বৃহৎ শক্তিৰূপে আবিৰ্ভাব হ'ল। গতিকে প্ৰথম বিশ্ব যুদ্ধই পূৰ্বৰ ৰাজনৈতিক সমীকৰণৰ সলনি কৰাৰ লগতে বৃহৎ শক্তিৰ অৱস্থানৰো পৰিবৰ্তন ঘটাইছিল। দেশ হিচাপে জাৰ্মানী বিধ্বস্ত হ' ল, সেই দেশৰ অৰ্থনীতি সম্পূৰ্ণৰূপে ভাঙি পৰিল, আষ্ট্ৰিয়া-হাংগেৰী বিভক্ত আৰু দুৰ্বল হ' ল। মিত্ৰ শক্তি-জোঁটৰ সদস্য ৰাষ্ট্ৰৰূপে যুদ্ধত জয় লাভ কৰিলেও ফ্ৰান্স আৰু ইংলেণ্ডৰ প্ৰতিপত্তি সমানে নাথাকিল, বৰ্‌ঞ্চখিনি টুটিল।

প্ৰথম বিশ্ব যুদ্ধৰ সময়তে ৰাচিয়াত সংঘটিত হোৱা বলছেভিক বিপ্লৱে (১৯১৭) পৰৱৰ্তী কালত ছোভিয়েট ৰাচিয়াক বৃহৎ শক্তিৰূপে গঢ়ি উঠাত সহায় কৰিলে। ৰুচ দেশত সংঘটিত বিপ্লৱে ছোভিয়েট ৰাচিয়াক সমাজতান্ত্ৰিক তথা কমিউনিষ্ট ৰাষ্ট্ৰৰূপে প্ৰতিষ্ঠা লাভ কৰাত সহায় কৰে। এই বিপ্লৱৰ সময়ৰপৰাই বিশ্বত নতুন ৰাজনৈতিক সমীকৰণ প্ৰক্ৰিয়াৰ আৰম্ভ হয়।

প্ৰথম বিশ্ব যুদ্ধত আটাইতকৈ বেছি লাভবান হৈছিল আমেৰিকা যুক্তৰাষ্ট্ৰ। যুদ্ধৰ পিচৰেপৰা বিশ্ব ৰাজনীতিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূমিকা অত্যন্ত ক্ৰিয়াশীল হৈ পৰিবলৈ ধৰে। বৃটেইনৰ স্থলাভিষিক্ত হৈ আমেৰিকা যুক্তৰাষ্ট্ৰই লাহে লাহে বিশ্ব ৰাজনীতিত পুঁজিবাদী শিবিৰৰ নেতৃত্ব কৰিবলৈ ধৰে আৰু তাৰেই সমকক্ষ আৰু সমান্তৰালভাৱে ছোভিয়েট ৰাচিয়াই সমাজবাদী শিবিৰৰ তথা সাম্ৰাজ্যবাদৰ দ্বাৰা পদানত আৰু শোষিত দেশসমূহৰ নেতৃত্ব লৈ ওলাই আহে। দ্বিতীয় বিশ্ব যুদ্ধত ছোভিয়েট ৰাচিয়াই লোৱা ভূমিকাই একালে মিত্ৰ শক্তিক জয়লাভ কৰাত সহায় কৰিলেও আনফালে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত থকা পুঁজিবাদী শিবিৰৰ মাজত আতঙ্ক আৰু ভীতিৰ সঞ্চাৰ কৰিছিল।

প্ৰথম বিশ্ব যুদ্ধৰ পিচত জাপানৰো শক্তি বৃদ্ধি হয় আৰু এই দেশখন অতি সোনকালেই বিশ্বৰ এক বৃহৎ শক্তিৰূপে পৰিগণিত হয়। জাপানে বিশেষকৈ প্ৰশান্ত মহাসাগৰীয় অঞ্চলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ পিচতে অন্য এক বৃহৎ শক্তিৰূপে ওলাই আহে।

দ্বিতীয় বিশ্ব যুদ্ধত লিপ্ত বিশ্বৰ বৃহৎ দেশসমূহৰ ভিতৰত যুদ্ধৰ সামৰণি পৰাৰ পিচত কেৱল দুখন দেশহে বৃহৎ ৰাষ্ট্ৰৰ মৰ্যদাৰ গণ্ডী চেৰাই গৈ শীৰ্ষ ক্ষমতাৰ (Super Power) অধিকাৰী হয়। ৰাষ্ট্ৰ দুখন হ'ল—ছোভিয়েট ৰাচিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ। দ্বিতীয় বিশ্ব যুদ্ধৰ সময়তে আমেৰিকা যুক্তৰাষ্ট্ৰ আনৱিক শক্তিৰ অধিকাৰী হয়, হিৰ' ছিমা আৰু নাগাছাকিত সেই আনৱিক অস্ত্ৰ ব্যৱহাৰ কৰি যুক্তৰাষ্ট্ৰই নিজৰ সামৰিক শক্তিৰ পৰিচয় দিয়াৰ লগতে আনকো ভীত-সন্ত্ৰস্ত কৰি বিশ্ব ৰাজনীতিত নিজৰ আধিপত্য স্থাপন কৰে। দ'ৰাচলতে ক'বলৈ গ'লে বিশ্বৰ বৃহৎ শক্তি দুটাৰ মাজৰ পৰস্পৰ বিৰোধী ৰাজনৈতিক মতাদৰ্শ আৰু সেই মতাদৰ্শৰ আৰ্হি-আদৰ্শত নিজ নিজ বৈদেশিক নীতি পৰিচালনা কৰাৰ পৰিপ্ৰেক্ষিতত‌েই সৃষ্টি হৈছিল শীতল যুদ্ধৰ।

বিশ্বৰ আন্তৰাষ্ট্ৰীয় ৰাজনৈতিক ঘটনাৱলী আৰু সেইবোৰক কেন্দ্ৰ কৰি সৃষ্টি হোৱা কূটনৈতিক সম্পৰ্কৰ বিচাৰ-বিশ্লেষণৰ ক্ষেত্ৰত শীতল যুদ্ধ বোলা এই বাক্যাংশৰ পোন প্ৰথম স্ৰষ্টা হ'ল ওৱাল্টাৰ লিপম্যান (Walter Lippman)। তেওঁ দ্বিতীয় বিশ্ব যুদ্ধৰ পিচৰ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰাষ্ট্ৰৰ মাজৰ দ্বি-পাক্ষিক সম্পৰ্কৰ প্ৰতি লক্ষ্য ৰাখি আন্তৰাষ্ট্ৰীয় ৰাজনৈতিক ইতিহাসত এই শীতল যুদ্ধ বোলা বাক্যাংশৰ সৃষ্টি কৰিছে। আকৌ কোনো কোনোৱে ক'ব খোজে যে এই বাক্যাংশৰ স্ৰষ্টা আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাৰ্ণাড মানেছ্‌ বাৰুখ (১৮৭০-১৯৬৫) (Bernard Mannes Baruch) বোলা ব্যক্তিজন।

আন্তৰাষ্ট্ৰীয় ৰাজনৈতিক সম্পৰ্কত শীতল যুদ্ধৰ ধাৰণাটো হ'ল প্ৰত্যক্ষ সামৰিক সংঘৰ্ষত চামিল নোহোৱাকৈ প্ৰতি নিয়ত ৰাজনৈতিক মতাদৰ্শগত সংগ্ৰামত আৰু প্ৰতিৰক্ষামূলক আৰু আক্ৰমণাত্মক দিশত খৰতকীয়াকৈ ব্যৱহাৰ কৰিব পৰাকৈ নিত্য নতুন অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণ কৰি সামৰিক উত্তেজনা আৰু প্ৰতিযোগিতাত লিপ্ত থকাটো।

শীতল যুদ্ধই আনহাতে অন্য ৰাষ্ট্ৰকো শিখণ্ডী কৰি প্ৰতিপক্ষৰ স্বাৰ্থক আঘাত কৰাটোও বুজায়। উদাহৰণ হিচাপে আৰব-ইজৰায়েল যুদ্ধ, কোৰিয়াৰ সমস্যা আৰু ভিয়েটনামৰ যুদ্ধকে ধৰিব পাৰি। এই সামৰিক সংঘৰ্ষবিলাক একোটা বিশেষ ভৌগোলিক এলেকাতে সীমিত হৈ থাকিলেও পৰ্দাৰ পিচফালে থকা শীৰ্ষ শক্তি দুটা হ'ল আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰাচিয়া। এই সংঘৰ্ষবিলাক বিশ্ব যুদ্ধলৈ পৰিবৰ্তিত হোৱাৰ বিশেষ লক্ষণ আছিল যদিও দুয়োটা শীৰ্ষ শক্তিয়েই পৰস্পৰৰ আক্ৰমণ আৰু প্ৰতি-আক্ৰমণত নিশেষ হোৱাৰ সম্ভৱনা থকাত তেওঁলোকে সেই সংঘৰ্ষবিলাকক উৎপত্তিস্থলতেসীমাবদ্ধ কৰি ৰাখিছিল। আন্তৰাষ্ট্ৰীয় কূটনৈতিক সম্পৰ্কৰ বিশেষজ্ঞ এজনে শীতল যুদ্ধৰ সূত্ৰায়ন কৰিছে এইদৰে,

" a state of intensive competition, political, economic and ideological, which yet falls below the threshold of armed conflict between states "

যথাৰ্থতে ক'বলৈ গ'লে শীতল যুদ্ধ হ'ল এফালে বিশ্বৰ পুঁজিবাদী ৰাষ্ট্ৰসমূহৰ হৈ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু আনফালে ছোভিয়েট ৰাচিয়াৰ নেতৃত্বত পূৰ্ব ইয়োৰোপৰ কমিউনিষ্ট দেশসমূহৰ মাজত গঢ়ি উঠা ৰাজনৈতিক মতাদৰ্শগত সংগ্ৰাম আৰু সামৰিক উত্তেজনা আৰু সংঘৰ্ষ।

ভালেমান ঐতিহাসিক আৰু বিশ্ব ৰাজনীতিৰ বিশেষজ্ঞৰ মতে ১৯১৭ চনৰ বলছেভিক বিপ্লবৰ পিচৰপৰাই বিশ্ব ৰাজনীতিত শীতল যুদ্ধৰ সূচনা হয়। বিপ্লৱৰ ফলশ্ৰুতিত নতুন ছোভিয়েট ৰাষ্ট্ৰ ব্যৱস্থা তৈয়াৰ হোৱাৰ লগে লগে ছোভিয়েট ৰাচিয়াত সেই বিপ্লৱ দমন কৰি তাত পূৰ্বাৱস্থা বাহাল ৰাখিবলৈ বৃটেইনৰ নেতৃত্বত বৈদেশিক সামৰিক হস্তক্ষেপ আৰম্ভ হৈছিল। তেতিয়াৰপৰাই কমিউনিষ্ট ৰাষ্ট্ৰ ব্যৱস্থা আৰু পুঁজিবাদী ৰাষ্ট্ৰ ব্যৱস্থাৰ মাজত মতাদৰ্শগত সংঘৰ্ষৰ সৃষ্টি হৈছিল আৰু তাৰেই ফলশ্ৰুতিত সামৰিক প্ৰতিযোগিতা আৰু অন্যত্ৰ ৰাজ্যক্ষেত্ৰ দখল কৰি তাত নিজৰ প্ৰভাৱ আৰু স্থিতি শক্তিশালী কৰাৰ প্ৰৱণতা বৃদ্ধি পাই আহে। সমূহ পুঁজিবাদী ৰাষ্ট্ৰৰ মাজত এখন মাত্ৰ সমাজতান্ত্ৰিক ৰাষ্ট্ৰ বৰ্তি থকাটোও আছিল অত্যন্ত জটিল ৰাজনৈতিক সমস্যা। বিশ্বৰ পুঁজিবাদী শক্তিসমূহৰপৰা আহিব পৰা বিপদ প্ৰতিহত কৰিবলৈ ছোভিয়েট ৰাচিয়াই শিল্প-উদ্যোগ, শিক্ষা, কৃষি, অৰ্থনীতি, বাণিজ্য আৰু সামৰিক সকলো দিশতে পাৰদৰ্শিতা আৰু দ্ৰুত উন্নয়ন সাধন কৰাটো আছিল অপৰিহাৰ্য। বিপ্লৱ সংঘটিত হোৱাৰপৰা দুই-তিনি দশকমানৰ ভিতৰতে ছোভিয়েট দেশে বৈষয়িক দিশত যি ধৰণৰ বিকাশ সাধন কৰিছিল সেইটোৱেও পুঁজিবাদী দেশসমূহক স্তম্ভিত কৰাৰ লগতে শঙ্কিতও কৰি তুলিছিল।

আনহাতে ছোভিয়েট ৰাচিয়াৰ দ্ৰুত অৰ্থনৈতিক বিকাশে ফ্ৰান্স, বৃটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে পুঁজিবাদী-সাম্ৰাজ্যবাদী ৰাষ্ট্ৰসমূহক আৰু বেছি চিন্তত পেলাইছিল। মুছোলিনি আৰু হিটলাৰ কমিউনিষ্টৰ আৰু ছোভিয়েট ৰাষ্ট্ৰৰ দুৰ্ঘোৰ শত্ৰু আছিল বাবেই দ্বিতীয় বিশ্ব যুদ্ধ আৰম্ভ হোৱাৰ পূৰ্বে বৃটেইন, ফ্ৰান্স আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই তেওঁলোকৰ প্ৰতি তোষণ নীতি লৈ উৎসাহিত কৰিছিল। দ্বিতীয় বিশ্ব যুদ্ধৰ আৰম্ভণিয়ে অৱশ্যে সেই ৰাজনৈতিক সমীকৰণত বাৰুকৈয়ে আউল লগাইছিল।

সেয়ে দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ৰপৰা যদিও বৃটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই ফেচিষ্ট আৰু নাজিসকলক পৰাভূত কৰাৰ প্ৰয়োজনত কমিউনিষ্ট ছোভিয়েট ৰাচিয়াৰ সৈতে একত্ৰে যুঁজিবলৈ বাধ্য হৈছিল তথাপিও দুয়োটা শিবিৰৰ মাজত সন্দেহ, আশঙ্কা আৰু ভীতি আঁতৰা নাছিল। উল্লেখ কৰি অহা হৈছে যে সুদূৰ প্ৰাচ্যত আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলত ছোভিয়েটৰ অনুপ্ৰৱেশ প্ৰতিহত কৰিবলৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেন্ট হ্যাৰী এছ. ট্ৰুম্যানে হিৰ'ছিমা আৰু নাগাছাকিত আনৱিক বোমা নিক্ষেপ কৰিছিল। অৱশ্যে পূৰ্বে তেহৰাণ, য়াল্টা আৰু পোট'ছডাম আদি ঠাইত অনুষ্ঠিত হোৱা শীৰ্ষ সন্মিলনসমূহত বৃটেইন আৰু

আমেৰিকা যুক্তৰাষ্ট্ৰ ছোভিয়েট ৰাষ্ট্ৰৰ সৈতে বহু বিষয়তে ঐক্যমতত উপনীত হ'ব পৰা নাছিল।

দ্বিতীয় বিশ্ব যুদ্ধ আৰু যুদ্ধাৱস্থাই পূৰ্ব ইয়োৰূপত ছোভিয়েট ৰাচিয়াৰ ৰাজনৈতিক আৰু সামৰিক প্ৰভাৱ প্ৰতিপত্তি অত্যন্ত বৃদ্ধি কৰিছিল। ১৯৪৫ চনৰূপৰাই পূৰ্ব ইয়োৰূপৰ দেশসমূহ এখন এখনকৈ ছোভিয়েট প্ৰভাৱাধীন হৈ কমিউনিষ্ট ৰাষ্ট্ৰত পৰিণত হয়। এইদৰে ছোভিয়েট ৰাচিয়াৰ প্ৰভাৱলৈ অহা পূৰ্ব ইয়োৰূপৰ দেশসমূহ হ'ল—১৯৪৬ চনত বুলগেৰিয়া, ১৯৪৭ চনত হাংগেৰী, ৰোমানিয়া আৰু পোলেণ্ড, ১৯৪৮ চনত ছেক' শ্লোভাকিয়া আৰু পূৰ্ব জাৰ্মানী তথা জাৰ্মান গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ, আলবানিয়া আৰু যুগোশ্লাভিয়া আদি। অকল সেইটোৱে নহয়, গ্ৰীচতো নাজি বিৰোধী প্ৰতিৰোধ সংগ্ৰামৰ নেতৃত্ব লৈ কমিউনিষ্টসকলে সেই দেশতো ছোভিয়েট দেশৰ সমৰ্থনত কমিউনিষ্ট চৰকাৰ গঠনৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছিল।

গতিকে পূৰ্ব ইয়োৰূপত ছোভিয়েট ৰাচিয়াৰ ৰাজনৈতিক মতাদৰ্শগত সম্প্ৰসাৰণে পুঁজিবাদী শিবিৰত আতঙ্কৰ সৃষ্টি কৰিছিল। সেয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত পুঁজিবাদী শিবিৰত ছোভিয়েটক প্ৰতিৰোধ কৰাৰ প্ৰয়োজনতেই শীতল যুদ্ধৰ সূচনা হৈছিল। বিশেষকৈ গ্ৰীচ আৰু তুৰস্কত ছোভিয়েটৰ নেতৃত্বত সাম্ভাব্য কমিউনিষ্ট অভ্যুত্থান প্ৰতিহত কৰাৰ প্ৰয়োজনতেই আন্তৰাষ্ট্ৰীয় ৰাজনীতিত শীতল যুদ্ধৰ আৰম্ভণী হৈছিল। মুঠতে ১৯৪৫-৪৭ৰ কালছোৱাক শীতল যুদ্ধৰ সম্প্ৰসাৰণ পৰ্ব বুলি ক'ব পাৰি।

ছোভিয়েটৰ নেতৃত্বত ক্ৰমবৰ্দ্ধমান কমিউনিষ্ট প্ৰভাৱ প্ৰতিহত কৰাৰ বাবে প্ৰথম নীতি উদ্ভাৱন কৰা হৈছিল ১৯৪৬ চনৰ মাৰ্চ মাহত ইংলেণ্ডৰ ভূতপূৰ্ব প্ৰধানমন্ত্ৰী উইনষ্টন ছাৰ্চিলে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফুল্টনত দিয়া লৌহ পৰ্দা (Iron Curtain) শীৰ্ষক ভাষণৰ মাধ্যমত। সেই ভাষণত ছাৰ্চিলে কৈছিল, " From Stettin in the Baltic to Trieste in the Adriatic an Iron Curtain has descended across the continent " লগে লগে তাত উপস্থিত আমেৰিকাৰ প্ৰেছিডেণ্ট হ্যাৰী এছ. ট্ৰুম্যানেও কৈছিল, "Unless Russia is faced with an iron fist, and strong languages, another war is in the making "

গতিকে গ্ৰীচৰ গৃহ যুদ্ধত ছোভিয়েটৰ বিপক্ষে হস্তক্ষেপ কৰাটো আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু বৃটেইনৰ বাবে অপৰিহাৰ্য হৈ পৰিছিল। গ্ৰীচত আমেৰিকাৰ এই সামৰিক হস্তক্ষেপে বিশ্ব ৰাজনীতিত শীতল যুদ্ধৰ পোনপতীয়া অৱতাৰণা কৰিলে। মাৰ্কিন প্ৰেছিডেণ্ট ট্ৰুম্যানে ছোভিয়েট তথা কমিউনিষ্ট প্ৰভাৱ প্ৰতিহত কৰিবলৈ গ্ৰীচ আৰু তুৰস্কৰ বাবে ৪০০ মিলিয়ন ডলাৰৰ আৰ্থিক সাহায্য দিয়াৰ কথা ঘোষণা কৰিলে। এই আৰ্থিক সাহায্য দিবলৈ মাৰ্কিন

কংগ্ৰেছৰ অনুমোদন বিচাৰি দিয়া ভাষণত (১৯৪৭ চনৰ ১২ মাৰ্চত) ট্ৰুম্যানে কৈছিল, "It must be the policy of US to support the free people who are resisting attempted subjugation by armed minorities or (by) outside pressure." ইয়াকে তেওঁৰ নামানুসাৰে ট্ৰুম্যান নীতি (Truman Doctrine) কোৱা হয়। তাৰ পৰৱৰ্তী প্ৰায় চাৰিটা দশক ধৰি এই ট্ৰুম্যান নীতিয়েই আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৈদেশিক নীতিৰ মূল চাবি-কাঠি আছিল।

দ্বিতীয় বিশ্ব যুদ্ধৰ শেষত জাৰ্মানী বিভাজিত হোৱাৰ দৰে ৰাজধানী চহৰ বাৰ্লিনখনো (১৯৪৬ চনত) দুটা ভাগত বিভক্ত হৈ পৰে, এটা ভাগ (পূৰ্ব বাৰ্লিন) থাকিল ৰাচিয়াৰ দখলত, আনটো (অৰ্থাৎ পশ্চিম বাৰ্লিন) আমেৰিকা-বৃটেইন আদিৰ দখলত। ১৯৪৮ চনত ৰাজনৈতিক মতবিৰোধৰ বাবে ছোভিয়েট ৰাচিয়াই পশ্চিম জাৰ্মানীৰপৰা পশ্চিম বাৰ্লিনলৈ যোৱা সকলো পথ অৱৰোধ কৰি পেলোৱাত তাত ভীষণ খাদ্য সংকটে দেখা দিয়ে। এনে অৱস্থাত আমেৰিকা আৰু বৃটেইনে আকাশী যানেৰে পশ্চিম বাৰ্লিনলৈ সকলো লাগতিয়াল সামগ্ৰীৰ সৰবৰাহ কৰিছিল। এঘাৰ মাহৰ পিচত ১৯৪৯ চনৰ মে' মাহত ৰাচিয়াই বাৰ্লিনৰ ওপৰত অৱৰোধ কাৰ্য উঠাই লয়। কিন্তু এই কাৰ্যই বিশ্বত ভীষণ উত্তেজনাৰ সৃষ্টি কৰিছিল।

১৯৬১ চনত ছোভিয়েট ৰাচিয়াই যাতে পশ্চিম বাৰ্লিন আৰু পশ্চিম জাৰ্মানীলৈ পূৰ্ব বাৰ্লিনৰপৰা জাৰ্মান লোক পলাই যাব নোৱাৰে তাৰ বাবে দুয়োখন বাৰ্লিনৰ মাজতে এখন বৃহৎ দেৱাল সাঁজি উলিয়ায়। বাৰ্লিন দেৱালে শীতল যুদ্ধত বিশেষ অৰিহণা যোগাইছিল।

ইয়াৰ পিচত আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত শীতল যুদ্ধৰ দ্ৰুত সম্প্ৰসাৰণ ঘটে বিশেষকৈ ইটালী আৰু পশ্চিম জাৰ্মানী (জাৰ্মান ফেডাৰেল ৰিপাব্লিক)কে ধৰি যুদ্ধ বিধ্বস্ত ইয়োৰোপৰ দেশসমূহৰ প্ৰতি মাৰ্ছাল প্ল্যানৰ অধীনত আৰ্থিক সাহায্য দিয়াৰ মাধ্যমত আৰু উত্তৰ আটলাণ্টিক সামৰিক শক্তি জোঁটৰ গঠনৰ জৰিয়তে। ১৯৪৭ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰই মাৰ্ছাল প্ল্যানৰ (Marshall Plan) জৰিয়তে বৃটেইন, ফ্ৰান্স, ইটালী, বেলজিয়াম আৰু পশ্চিম জাৰ্মানী আদি দেশৰ অৰ্থনৈতিক পুনৰ গঠন প্ৰক্ৰিয়াক শক্তি প্ৰদান কৰাৰ বাবে বহু কোটি ডলাৰৰ আৰ্থিক সাহায্য দিছিল। এই আঁচনি কমিউনিষ্ট সম্প্ৰসাৰণে সৃষ্টি কৰা ভীতি আৰু তাক প্ৰতিহত কৰাৰ বাবেই লোৱা হৈছিল।

তাৰ পৰৱৰ্তী পদক্ষেপটো লোৱা হৈছিল সামৰিক শক্তি জোঁট তৈয়াৰ কৰাৰ দিশত। ১৯৪৯ চনৰ এপ্ৰিল মাহৰ ৪ তাৰিখে ৱাছিংটনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত **উত্তৰ আটলাণ্টিক সন্ধি সংগঠন** (North Atlantic Treaty Organisation, NATO) নামে এটি সামৰিক শক্তি জোঁট সংগঠিত কৰা হয়। বিশ্বৰ পুঁজিবাদী শিবিৰক নেতৃত্ব দিয়া এই

সামৰিক শক্তি জোঁটৰ সদস্য ৰাষ্ট্ৰসমূহ হ'ল—বৃটেইন, ফ্ৰান্স, বেলজিয়াম, ডেনমাৰ্ক, আইছলেণ্ড, ইটালী, হলেণ্ড, নৰওৱে', পর্টুগাল, আমেৰিকা যুক্তৰাষ্ট্ৰ, গ্ৰীচ, তুৰস্ক আদি। এই চুক্তিৰ মূল মৰ্ম আছিল সাম্ৰাজ্যবাদী-পুঁজিবাদী দেশসমূহৰ মাজত পাৰস্পৰিক সামৰিক সাহায্য আৰু সহযোগিতা বৃদ্ধি কৰাটো। গতিকে দেখা যায় ট্ৰুমেন নীতি, মাৰ্ছাল প্লান আৰু উত্তৰ আটলাণ্টিক সন্ধি সংগঠন মাৰ্কিন শীতল যুদ্ধৰ প্ৰধান উপাদান আছিল।

১৯৫৫ চনৰ মে' মাহত পশ্চিম জাৰ্মানীক উত্তৰ আটলাণ্টিক সন্ধি সংগঠনৰ সদস্য-ৰূপে স্বীকৃতি দিয়াত ছোভিয়েট ৰাচিয়াৰ নেতৃত্বত সেই মাহৰ ১৪ তাৰিখে পূৰ্ব ইয়োৰূপৰ কমিউনিষ্ট ৰাষ্ট্ৰসমূহক লৈ গঠন কৰা হয় ওৱাৰশ' সন্ধি সংগঠন (Warsaw Pact)। তাৰো ভালেমান বছৰৰ পূৰ্বে ছোভিয়েট ৰাচিয়াৰ উদ্যোগ আৰু নেতৃত্বত ওৱাৰশ'ত কমিন ফৰ্ম অৰ্থাৎ কমিউনিষ্ট তথ্য সৰবৰাহ কেন্দ্ৰ (Communist Information Bureau, Cominform) এটি খোলা হৈছিল। ফ্ৰান্স, ছোভিয়েট ৰাচিয়া, ইটালী, বুলগেৰিয়া, চেক' শ্লোভাকিয়া, হাংগেৰী, পোলেণ্ড, ৰোমানিয়া, যুগোশ্লাভিয়া আদি দেশৰ কমিউনিষ্ট দলৰ নেতা-সদস্য এই সংগঠনৰ সদস্যভূক্ত হৈছিল।

পূৰ্বে উল্লেখ কৰি অহা হৈছে যে দ্বিতীয় বিশ্ব যুদ্ধৰ সময়তে আমেৰিকা যুক্তৰাষ্ট্ৰই আনৱিক বোমা তৈয়াৰ কৰি হিৰ' ছিমা আৰু নাগাছাকিত নিক্ষেপ কৰিছিল। তেতিয়াৰপৰা আনৱিক শক্তি আমেৰিকা যুক্তৰাষ্ট্ৰৰ একছেটিয়া অধিকাৰত আছিল। কিন্তু ১৯৪৯ চনত ছোভিয়েট ৰাচিয়াই আনৱিক বোমা তৈয়াৰ কৰি পৰীক্ষা কাৰ্য সুকলমে সামাধা কৰাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সেই অধিকাৰ খৰ্ব হয়।

ছোভিয়েট ৰাচিয়া আনৱিক শক্তিত পৰিণত হোৱাৰ বছৰতে (১ অক্টোবৰ ১৯৪৯) চীনত দীৰ্ঘকাল ধৰি চলা বিপ্লৱৰ পিচত কমিউনিষ্ট শাসন ব্যৱস্থা প্ৰবৰ্তিত হয়। প্ৰশান্ত মহাসাগৰীয় অঞ্চলত তথা সুদূৰ প্ৰাচ্যত এই ৰাজনৈতিক ঘটনা আমেৰিকাৰ বাবে উৎকণ্ঠাৰ অতিৰিক্ত কাৰণ হৈ পৰে। চীনত কমিউনিষ্ট শাসন প্ৰবৰ্তিত হোৱাত আমেৰিকাৰ পৃষ্ঠপোষকতা লাভ কৰা জাতীয়তাবাদী নেতা ছিয়াং-কাই-চেক তেওঁৰ দল-বল লৈ আমেৰিকাৰ সমৰ্থনত ফৰমোছা (টাৱাইন) দ্বীপত আশ্ৰয় লৈ চীনৰ বাবে পলৰীয়া চৰকাৰ এখন গঠন কৰি তাতে বৰ্তি থাকিবলৈ ললে। টাৱাইনৰ এই চৰকাৰৰ প্ৰতি আমেৰিকা যুক্তৰাষ্ট্ৰৰ সমৰ্থনে সুদূৰ প্ৰাচ্যত পৰবৰ্তী বহু বছৰলৈ তীব্ৰ ৰাজনৈতিক আৰু সামৰিক উত্তেজনাৰ সৃষ্টি কৰি আহিবলৈ ধৰে। আমেৰিকাৰ এই অৱস্থান কমিউনিষ্ট ৰাষ্ট্ৰ চীনৰ প্ৰতি দীৰ্ঘ কালৰ বাবে এক ভয়ানক ভাবুকি হৈ আছিল, বৰং শীতল যুদ্ধৰ অন্ত পৰাৰ পিচতো এতিয়াও এই অৱস্থাৰ কোনো পৰিবৰ্তন হোৱা নাই। ১৯৪৯ চনত ছোভিয়েট ৰাচিয়াই আনৱিক বোমা তৈয়াৰ কৰাৰ পিচত ১৯৫২ চনত আমেৰিকা যুক্তৰাষ্ট্ৰই হাইড্ৰ' জেন

বোমা তৈয়াৰ কৰে, আৰু তাৰ পিচৰ বছৰতে ছোভিয়েট ৰাচিয়াই।

পৰৱৰ্তী কালত বিশ্বৰ বিভিন্ন দেশত কমিউনিষ্ট অভ্যুত্থান সংঘটিত হয় আৰু সেইবোৰৰ সমৰ্থনত ছোভিয়েট ৰাচিয়াই আগবঢ়োৱা সাহায্যই আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰাচিয়াৰ মাজৰ শীতল যুদ্ধত যথেষ্ট তীব্ৰতা আনিছিল। ছোভিয়েট ৰাচিয়াই সমৰ্থন দিয়া (বছৰবে সৈতে) দেশসমূহ আছিল—১৯৫৪ চনত উত্তৰ ভিয়েটনাম, ১৯৬০ চনত কিউবা, ১৯৬৯ চনত দক্ষিণ ইয়েমেন, ১৯৭৫ চনত এংগোলা, লাওছ আৰু ভিয়েটনাম, ১৯৭৭ চনত ইথিওপিয়া আৰু মোজাম্বিক, ১৯৭৮ চনত আফগানিস্তান আৰু ১৯৭৯ চনত কম্বোদিয়া।

০ ২ শীতল যুদ্ধৰ সম্প্ৰসাৰণ বা ব্যাপ্তিঃ (Spread of Cold War)

শীতল যুদ্ধ হ'ল মতাদৰ্শগত সংগ্ৰাম, সমাজবাদী আৰু পুঁজিবাদী ৰাষ্ট্ৰ-ব্যৱস্থাৰ মাজৰ সংগ্ৰাম। বিশ্বৰ প্ৰথম সমাজবাদী ৰাষ্ট্ৰৰূপে ১৯১৭ চনত ছোভিয়েট ৰাচিয়াৰ জন্মলগ্নৰপৰাই সেই দেশে বিশ্বৰ নিপীড়িত আৰু সাম্ৰাজ্যবাদৰ দ্বাৰা পদানত দেশসমূহৰ মুক্তি আন্দোলনৰ প্ৰতি সমৰ্থন দিয়াৰ পোষকতা কৰি আহিছিল। এই নীতিৰ ওপৰত নিৰ্ভৰ কৰিয়েই ছোভিয়েট ৰাচিয়াই নিজৰ বৈদেশিক নীতি পৰিচালনা কৰিবলৈ লৈছিল। ৰুচ দেশৰ অক্টোবৰ বিপ্লৱৰ নেতা লেনিনৰ মতে সাম্ৰাজ্যবাদ হ'ল পুঁজিবাদৰ সৰ্বোচ্চ বিকাশৰ স্তৰ, তাৰ পিচত আৰু পুঁজিবাদৰ বিকাশ নহয়, সি স্তিমিত হৈ ৰ'বলৈ বাধ্য। গতিকে তেনে এটা স্থবিৰ অৱস্থাত পুঁজিবাদ তথা সাম্ৰাজ্যবাদে কোনো দেশৰেই বিপুল জনসাধাৰণৰ কল্যাণ সাধন কৰিব নোৱাৰে, আৰু পুঁজিবাদৰ সেই সৰ্বোচ্চ বিকাশৰ স্তৰৰ পিচত মানৱ সমাজৰ সমাজবাদলৈ উত্তৰণ ঘটাটো এক স্বাভাৱিক প্ৰক্ৰিয়া।

কিন্তু পুঁজিবাদী-সাম্ৰাজ্যবাদী শক্তিসমূহে নিজৰ স্বাৰ্থতেই মানৱ সমাজক সমাজবাদলৈ উন্নীত হ'বলৈ নিদিয়ে। তেনে অৱস্থাত স্বাধীনতা, গণতন্ত্ৰ আৰু সমাজতন্ত্ৰ প্ৰতিষ্ঠা কৰিবলৈ সমাজত বিপ্লৱ সংঘটিত হয়। কমিউনিষ্ট তথা সমাজবাদী ছোভিয়েট ৰাচিয়াই বিশ্বৰ যি কোনো দেশতে তেনেদৰে সংঘটিত হোৱা বিপ্লৱৰ প্ৰতি সমৰ্থন দিয়াৰ পোষকতা কৰা আৰু পুঁজিবাদী-সাম্ৰাজ্যবাদী ৰাষ্ট্ৰ আমেৰিকা যুক্তৰাষ্ট্ৰই তেনে বিপ্লৱৰ বিৰুদ্ধে প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তোলা কাৰ্য তথা ঘটনা-পৰিঘটনাৰ ফলশ্ৰুতিতেই ক্ৰমান্বয়ে বিশ্বত শীতল যুদ্ধৰ সম্প্ৰসাৰণ ঘটিছিল। আনকি যোৱা ৫০/৫৫ বছৰৰ ভিতৰত আমেৰিকা যুক্তৰাষ্ট্ৰই বিশ্বৰ বিভিন্ন দেশত নিজস্ব পুতলা চৰকাৰ গঠন কৰি বিপুল আৰ্থিক সাহায্যৰ মাধ্যমত সমাজবাদী আন্দোলন-সংগ্ৰাম আদি প্ৰতিৰোধ কৰি আহিছে। ফলত দেশে দেশে শীতল যুদ্ধৰ সম্প্ৰসাৰণ ঘটিছিল। ইয়োৰোপ, দক্ষিণ তথা লেটিন আমেৰিকা, মধ্য আমেৰিকা, আফ্ৰিকা আৰু এছিয়া মহাদেশৰ বিভিন্ন দেশত যোৱা পঞ্চাশ বছৰত শীতল যুদ্ধৰ ব্যাপক সম্প্ৰসাৰণ ঘটিছিল।

০ ২ (ক) এছিয়া মহাদেশত শীতল যুদ্ধৰ সম্প্ৰসাৰণ (কোৰিয়াৰ সমস্যা আৰু ভিয়েটনামৰ যুদ্ধ) ঃ (Cold War in Asia)

এফালে সমাজতন্ত্ৰিক আন্দোলন-সংগ্ৰামৰ প্ৰতি ছোভিয়েট ৰাচিয়াৰ মতাদৰ্শগত সমৰ্থন আৰু আনফালে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত সেই ধৰণৰ আন্দোলনৰ বিৰুদ্ধে গঢ়ি তোলা প্ৰতিৰোধ সংগ্ৰাম বা প্ৰতিবিপ্লৱী আন্দোলনে বিশ্বৰ ভালেমান ঠাইত শান্তি বিঘ্নিত কৰাৰ লগতে বহু দেশৰে নিৰাপত্তা নোহোৱা কৰি তুলিছিল। তাৰ ভিতৰত কোৰিয়া আৰু ভিয়েটনামৰ যুদ্ধৰ কথাকেই উনুকিয়াব পাৰি।

কোৰিয়াৰ যুদ্ধঃ (Korean War)

কোৰিয়াৰ যুদ্ধ সম্পৰ্কে ইতিপূৰ্বে ১২৮ পৃষ্ঠাত কিছু কথা উল্লেখ কৰি অহা হৈছে। ইয়াত পুনৰ বিস্তৃতভাৱে আলোচনা কৰা হ'ল। ঊনবিংশ শতিকাৰ শেহ দুই দশকমানৰপৰা জাপানে এফালে এছিয়াৰ মহাদেশীয অঞ্চল আৰু আনফালে প্ৰশান্ত মহাসাগৰীয় অঞ্চলত লাহে লাহে নিজৰ ৰাজনৈতিক-সাম্ৰাজ্যিক আধিপত্য স্থাপন কৰিবলৈ লয়। এই প্ৰচেষ্টাৰ ফলশ্ৰুতিতেই ১৯০৬ চনত জাপানে কোৰিয়া দখল কৰি নিজৰ অধীনলৈ আনে। দ্বিতীয় বিশ্ব যুদ্ধত জাপানৰ পৰাজয়ৰ পিচত কোৰিয়াৰ ওপৰত জাপানৰ আধিপত্য সম্পূৰ্ণৰূপে বিনাশ হয়। এই অৱস্থাত কোয়িৰ উত্তৰাংশ ছোভিয়েট ৰাচিয়াৰ আৰু দক্ষিণাংশ আমেৰিকা যুক্তৰাষ্ট্ৰৰ দখললৈ যায়। এই বিভাজন সম্পন্ন হৈছিল ৩৮তম দ্ৰাঘিমা (38th Parallel) ৰেখাক কেন্দ্ৰ কৰি।

এনেদৰে কেইবছৰমান যোৱাৰ পিচত আমেৰিকা যুক্তৰাষ্ট্ৰৰ দখলত থকা দক্ষিণ কোৰিয়াই ১৯৪৮ চনৰ আগষ্ট মাহত নিজকে প্ৰজাতন্ত্ৰৰূপে (Republic of Korea) ঘোষণা কৰে। সেই বছৰৰে পিচৰ মাহত উত্তৰ কোৰিয়াইও নিজকে জনগণতান্ত্ৰিক প্ৰজাতন্ত্ৰৰূপে (People's Democratic Republic of Korea) ঘোষণা কৰে। লক্ষণীয় কথা যে কোনোখন প্ৰজাতান্ত্ৰিক চৰকাৰৰ সৈতে দক্ষিণ কোৰিয়া বা উত্তৰ কোৰিয়া বুলি উল্লেখ কৰা হোৱা নাছিল, অৰ্থাৎ কোনেও দেশখনৰ বিভাজন মানি লোৱা নাছিল আৰু প্ৰত্যেকেই নিজ নিজ প্ৰজাতন্ত্ৰই সমগ্ৰ দেশখনকে সামৰি লোৱাটো বুজাইছিল।

সি যি কি নহওক, প্ৰথমখনৰ ৰাজধানী আছিল ছিউল আৰু দ্বিতীয়খনৰ পংগুিয়াঙ। কোৰিয়াৰ কমিউনিষ্ট দলৰ নেতা কিম ইল ছাং(Kim Il Sung) উত্তৰ কোৰিয়াৰ শাসনৰ মুৰব্বী আৰু সোঁপন্থী ৰাজনীতিক ছিংম্যান ৰি (Syngman Rhee) দক্ষিণ কোৰিয়াৰ প্ৰজাতান্ত্ৰিক চৰকাৰৰ মুৰব্বী হয়।

কিন্তু দুখন বেলেগ বেলেগ চৰকাৰ গঠিত হোৱাৰ পিচতো দুয়োখন চৰকাৰেই কোৰিয়াৰ বিভাজন মানি নলৈ পৰস্পৰে পৰস্পৰৰ ওপৰত সাৰ্বভৌমত্বৰ দাবী উত্থাপন

কৰি যাবলৈ ধৰিলে। ই ফালে নিজ নিজ দখলাধীন এলেকাত দুখন পৃথক পৃথক প্ৰজাতন্ত্ৰ তৈয়াৰ কৰাৰ পিচত পোনতে ছোভিয়েট ৰাচিয়াৰ সেনা বাহিনীয়ে সেই বছৰৰে (১৯৪৮) ছেপ্তেম্বৰ মাহত উত্তৰ কোৰিয়াৰপৰা পশ্চাদাপসাৰণ কৰিছিল। সেইটো দেখি আমেৰিকা যুক্তৰাষ্ট্ৰইও পিচৰ বছৰৰ (১৯৪৯) জুন মাহত নিজৰ সেনা বাহিনী দক্ষিণ কোৰিয়াৰপৰা আঁতৰাই নিছিল।

ইয়াৰ পিচতে অক্টোবৰ মাহত বিশ্ব ৰাজনীতিত অন্য এক চাঞ্চল্যকৰ আৰু গুৰুত্বপূৰ্ণ পৰিবৰ্তন ঘটে। চীন দেশত কমিউনিষ্ট বিপ্লৱ সফল হয় আৰু তাত কমিউনিষ্ট চৰকাৰ গঠিত হোৱাৰ লগে লগে সুদূৰ প্ৰাচ্য তথা বিশ্বত যথেষ্ট আলোড়নৰ সৃষ্টি হয়। আন্তৰ্ৰাষ্ট্ৰীয় ৰাজনীতিত এইবিলাক যুগান্তকাৰী ঘটনা সংঘটিত হোৱাৰ কেইমাহমানৰ ভিতৰতে কোৰিয়াৰ যুদ্ধ আৰম্ভ হয়। এই যুদ্ধই আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰাচিয়াৰ মাজত চলি থকা শীতল যুদ্ধক প্ৰকাশ্যে বিশ্বৰ জনগণৰ দৃষ্টিগোচৰলৈ আনে।

১৯৫০ চনৰ ২৫ জুনৰ দিনা উত্তৰ কোৰিয়াই অতৰ্কিতে দক্ষিণ কোৰিয়াৰ ওপৰত আক্ৰমণ আৰম্ভ কৰে। যুদ্ধৰ তিনিদিনৰ ভিতৰতে দক্ষিণ কোৰিয়াৰ ৰাজধানী ছিউলৰ পতন হয় আৰু বন্দৰ চহৰ পুছানৰ আশে-পাশে থকা অঞ্চলটো বাদ দি প্ৰায় সমগ্ৰ দক্ষিণ কোৰিয়া উত্তৰ কোৰিয়াৰ দখললৈ আহে। নিৰাপত্তা পৰিষদে এটি প্ৰস্তাৱ গ্ৰহণ কৰি উত্তৰ কোৰিয়াক আক্ৰমণকাৰী ঘোষণা কৰে আৰু দক্ষিণ কোৰিয়াৰপৰা উত্তৰ কোৰিয়াৰ সেনা বাহিনীক বিতাড়িত কৰিবলৈ সিদ্ধান্ত লয়। সেই মৰ্মে মুঠতে যোলখন সদস্য-ৰাষ্ট্ৰৰ মিলিত সেনা বাহিনী এটিয়ে মাৰ্কিন সেনাধ্যক্ষ জেনেৰেল মেক্ আৰ্থাৰৰ নেতৃত্বত উত্তৰ কোৰিয়াৰ বিৰুদ্ধে যুদ্ধত লিপ্ত হৈ পৰে। নিৰাপত্তা পৰিষদৰ নামত আমেৰিকা যুক্তৰাষ্ট্ৰই পৰিচালনা কৰা এই যুদ্ধখন প্ৰকৃততে এফালে শীতল যুদ্ধত লিপ্ত থকা আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু আনফালে ছোভিয়েট ৰাচিয়া আৰু চীনৰ মাজৰ শক্তি পৰীক্ষাহে আছিল।

সি যি কি নহওক, আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত উত্তৰ কোৰিয়াৰ বিৰুদ্ধে ৰাষ্ট্ৰসংঘৰ মিলিত সেনা বাহিনীয়ে উত্তৰ কোৰিয়াক দক্ষিণ কোৰিয়াৰপৰা খেদি পঠিওৱাৰ লগতে উত্তৰ কোৰিয়াতো সোমাই পৰাত কমিউনিষ্ট চীনে আমেৰিকাৰ সেনা বাহিনীক সতৰ্ক কৰি দিয়ে আৰু প্ৰায় ১,৮০,০০০ সৈন্যৰে গঠিত বিশাল সেনা বাহিনী এটি প্ৰত্যক্ষ সংঘৰ্ষৰ বাবে আগবঢ়াই দিয়ে। তদুপৰি বিপদৰ আশঙ্কা কৰি চীনে আৰু প্ৰায় ১,০০,০০০ সৈন্যৰে গঠিত সেনা বাহিনী এটি সন্থম কৰি ৰাখে। চীনৰ এই বিপুল সামৰিক সাহায্য পাই উত্তৰ কোৰিয়াই পুনৰ দক্ষিণ কোৰিয়াক পৰাভূত কৰি ৰাজধানী ছিউলসহ প্ৰায় সমগ্ৰ অঞ্চল নিজৰ দখলাধীন কৰে।

কিন্তু ১৯৫১ চনৰ এপ্ৰিল-মে' মাহৰ পিচৰপৰা যুদ্ধৰ গতি ঢিমা-তেতালা অৱস্থাত

ৰয়গৈ। তাৰ পিচৰপৰাই লাহে লাহে শান্তি স্থাপনৰ প্ৰক্ৰিয়া এটিৰ আৰম্ভ হয়। এই শান্তি স্থাপন প্ৰক্ৰিয়াত ভাৰতবৰ্ষই এক বিশেষ ভূমিকা লৈছিল। ভাৰতবৰ্ষৰ নেতৃত্বত বিশ্বৰ ভালেমান ৰাষ্ট্ৰই ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ সভাত আমেৰিকা যুক্তৰাষ্ট্ৰক কোৰিয়াত শান্তি স্থাপন প্ৰক্ৰিয়াত সহযোগ কৰিবলৈ প্ৰায় বাধ্যই কৰাইছিল। অৱশেষত প্ৰায় দুবছৰ ধৰি কৰা নেৰানপৰা চেষ্টাৰ ফলত ১৯৫৩ চনৰ জুলাই মাহত বিভক্ত কোৰিয়াৰ অস্তিত্বৰ প্ৰতি অনুমোদন জনাই এক যুদ্ধ বিৰতি চুক্তি সম্পাদন কৰি কোৰিয়াৰ যুদ্ধৰ সামৰণি মৰা হৈছিল।

এই শান্তি প্ৰক্ৰিয়া ফলপ্ৰসু হোৱাৰ ক্ষেত্ৰত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰাচিয়াৰ দুটা পৃথক পৃথক আভ্যন্তৰীণ ঘটনাইও সহায় কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰত অনুষ্ঠিত সাধাৰণ নিৰ্বাচনৰ ফলশ্ৰুতিত তাত শাসনৰ পৰিবৰ্তন হয়। উগ্ৰ কমিউনিষ্ট বিৰোধী প্ৰেছিডেন্ট ট্ৰুমেনৰ পৰাজয় হয় আৰু আইজেনহাৱাৰে নতুন প্ৰেছিডেন্টৰূপে কাৰ্যভাৰ গ্ৰহণ কৰে। ইফালে ছোভিয়েট ৰাচিয়াত ষ্টেলিনৰ মৃত্যু (৯ মাৰ্চ ১৯৫৩) হয়। এই দুটা ঘটনাইও কোৰিয়াৰ শান্তি প্ৰক্ৰিয়াত কিছুদূৰ প্ৰভাৱ পেলাইছিল বুলি ভাবিব পাৰি।

পূৰ্বতে কৈ অহা হৈছে যে কোৰিয়াৰ যুদ্ধ শীতল যুদ্ধৰ বহিঃপ্ৰকাশ আছিল। এই যুদ্ধ যি কোনো মুহূৰ্ত্ততে বিশ্ব যুদ্ধলৈ পৰিবৰ্তিত হোৱাৰ সম্ভৱনাই দেখা দিছিল। কমিউনিষ্ট ৰাষ্ট্ৰৰূপে সংগঠিত হোৱাৰ প্ৰায় লগে লগেই চীন দেশে নিজকে বিশ্বৰ এক অন্যতম প্ৰধান ৰাজনৈতিক-সামৰিক শক্তিৰূপে প্ৰতিষ্ঠা কৰিব পাৰিছিল। এই যুদ্ধত আনহাতে আমেৰিকা যুক্তৰাষ্ট্ৰই আনৱিক বোমা ব্যৱহাৰ কৰাৰ সম্ভৱনাও আছিল। এই ফালৰপৰা যুদ্ধখন অন্য এখন বিশ্ব যুদ্ধলৈ উন্নীত হোৱাৰ যথেষ্ট সম্ভৱনা আছিল।

কোৰিয়াৰ যুদ্ধত মৃত্যু হোৱা মাৰ্কিন সৈন্যৰ পৰিমাণ আছিল ১,৪২,০০০ আৰু ৰাষ্ট্ৰসংঘৰ মিলিত সেনা বাহিনীৰ অংশীদাৰ অন্যান্য দেশৰ মৃত্যু হোৱা সৈনিকৰ সংখ্যা আছিল ১৭,০০০। আনহাতে সাধাৰণ নাগৰিকসহ কোৰিয়াৰ প্ৰায় ৩ৰপৰা ৪ মিলিয়ন লোক নিহত হৈছিল। এনেদৰে কোৰিয়াৰ জনসাধাৰণ শীতল যুদ্ধৰ বলি হৈছিল।

ভিয়েটনামৰ যুদ্ধঃ (Vietnam War)

ভিয়েটনামৰ যুদ্ধ দক্ষিণ-পূৰ্ব এছিয়াত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সম্প্ৰসাৰণবাদৰ অন্য এটি উদাহৰণ। ভিয়েটনাম আছিল ইন্দো-চীনৰূপে পৰিগণিত দক্ষিণ-পূৰ্ব এছিয়াৰ এটি অত্যন্ত সাৰুৱা অঞ্চল। এই অঞ্চলটোৰে সামৰি লোৱা ৰাজ্যবোৰ আছিল—আন্নাম, টনকিং, কম্বোদিয়া, ছাইগন আৰু তাৰ আশে-পাশে থকা কোচিন-চীন বোলা অঞ্চলটো আৰু লাওচ। ১৮৬০-৯৩ৰ কালছোৱাত এই সমগ্ৰ অঞ্চলটো ফৰাচীসকলে দখল কৰি নিজৰ অধিকাৰলৈ নিয়াৰ পিচত তাৰ নাম দিছিল ইন্দো-চীন। অৰ্থাৎ ইন্দো-চীন নামটো

ফৰাছীসকলে দিয়া। ইন্দো-চীন ফৰাছীসকলৰ এখন চহকী উপনিবেশ আছিল।

দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত ভীকি ফ্ৰান্স হিটলাৰৰ আৰু তাৰেই গইনা লৈ জাপানৰ সহযোগী হোৱাত জাপানে ১৯৪১ চনৰ জুলাই মাহত সমগ্ৰ ইন্দো-চীন অঞ্চলটো ফৰাছীসকলক আঁতৰাই নিজেই দখল কৰে। ফৰাছীসকলৰ অধিকাৰত থাকোঁতেই ইতিমধ্যে এই ইন্দো-চীন বোলা অঞ্চলটো মুক্ত কৰিবলৈ ভিয়েটনামত জাতীয়তাবাদী সংগঠন আৰু আন্দোলন গঢ়ি উঠিছিল। ফৰাছীসকলৰপৰা জাপানে ইন্দো-চীন দখল কৰাৰ পিচত সেই অঞ্চলত কমিউনিষ্টসকলৰ নেতৃত্বত প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তোলা হৈছিল। এই প্ৰতিৰোধ সংগ্ৰামৰ নেতৃত্ব দিছিল হো-চি-মিন* (১৮৯০-১৯৬৯)(Ho Chi Minh) আৰু তেওঁৰ সহযোগী ভো নগোয়েন গিয়াপ (Von Nguyen Giap) আদিয়ে। দ্বিতীয় বিশ্ব যুদ্ধত জাপান পৰাভূত হোৱাৰ লগে লগে ১৯৪৫ চনৰ ২ ছেপ্তেম্বৰৰ দিনা হো-চি- মিনে ভিয়েটনামক গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ (Democratic Republic of Vietnam) ৰূপে ঘোষণা কৰে।

কিন্তু বৃটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰপৰা উচতনি পাই ফৰাছীসকলেও প্ৰায় সেই সময়তেই ভিয়েটনামৰ দক্ষিণাঞ্চলত উপস্থিত হৈ নিজৰ অধিকাৰ পুনৰ প্ৰতিষ্ঠাৰ বাবে চেষ্টা কৰে। হো-চি-মিনে ফৰাছীসকলৰ এই অধিকাৰ মানি নলৈ বৰং ফৰাছীসকলৰ বিৰুদ্ধে গৰিলা যুদ্ধ আৰম্ভ কৰি দিয়ে। ১৯৪৬ চনৰপৰা এইবাৰ পুনৰ আৰম্ভ হ'ল ফৰাছীসকলৰ বিৰুদ্ধে ভিয়েটনামৰ মুক্তি সংগ্ৰাম। ফৰাছীসকলক সামৰিক সাহায্য দিলে বিশেষকৈ আমেৰিকা যুক্তৰাষ্ট্ৰই আৰু ভিয়েটনামীসকলক ছোভিয়েট ৰাচিয়াই। সেই সময়ৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৈদেশিক সচিব ফষ্টাৰ ডালাছৰ ভয় আছিল এই বুলি যে ছোভিয়েট ৰাচিয়াৰ সমৰ্থনত আৰু ভিয়েটনামৰ কমিউনিষ্ট দলৰ নেতৃত্বত পৰিচালিত ভিয়েটনামৰ মুক্তি সংগ্ৰাম সফল হ'বলৈ এৰি দিলে সমগ্ৰ দক্ষিণ-পূৰ্ব এছিয়াতকমিউনিষ্ট ৰাজত্ব কায়েম হ'ব আৰু সমগ্ৰ এছিয়াতে তাৰ প্ৰভাৱ হ'ব সুদূৰ প্ৰসাৰী। গতিকে ভিয়েটনামৰ স্বাধীনতাৰ প্ৰশ্নটো আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাবে গৌণ হৈ পৰিছিল।

সি যি কি নহওক, এই ভিয়েটনামৰ মুক্তি সংগ্ৰাম চলিল ১৯৫৪ চনলৈ, সেই বছৰতে ডিয়েন বিয়েন ফোৰ (Dien Bien Phu) যুদ্ধত ভিয়েটনামৰ মুক্তি বাহিনীৰ সেনাধ্যক্ষ জেনেৰেল গিয়াপৰ হাতত ফৰাছী বাহিনী বিষমৰূপে পৰাভূত হয় আৰু প্ৰায় ১২,০০০ ফৰাছী সৈনিক তেওঁৰ হাতত যুদ্ধবন্দী হয়। এই অৱস্থাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেন্ট আইছেনহাৱাৰেও তেওঁৰ বৈদেশিক সচিব ফষ্টাৰ ডালাছৰ পৰামৰ্শ আওকাণ কৰি শান্তি প্ৰক্ৰিয়াত সহযোগ কৰিবলৈ ইচ্ছুক হয়। ফলত ফৰাছীসকলে ভিয়েটনামৰ ৰাজনৈতিক প্ৰশ্নটোৰ শান্তিপূৰ্ণ মীমাংসা কৰিবলৈ বাধ্য হয়।

সেই মৰ্মে ১৯৫৪ চনত জেনেভাত অনুষ্ঠিত আন্তৰাষ্ট্ৰীয় সন্মিলনত স্বাক্ষৰিত চুক্তিৰ জড়িয়তে ভিয়েটনামত ফৰাছী শাসনৰ অন্ত পৰে। দ্বিতীয়তে, ভিয়েটনামক উত্তৰ আৰু দক্ষিণ ভিয়েটনামৰূপে অস্থায়ীভাৱে দুভাগত বিভক্ত কৰা হয়। উত্তৰ ভিয়েটনামত হো-চি-মিনৰ নেতৃত্বত প্ৰতিষ্ঠিত চৰকাৰক স্বীকৃতি দিয়া হয় আৰু লগতে উল্লেখ থাকে যে ১৯৫৬ চনত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ পিচত উত্তৰ আৰু দক্ষিণ ভিয়েটনামক একত্ৰিত কৰি দেশখনৰ ৰাষ্ট্ৰীয় সংহতি আৰু অখণ্ডতা পুনৰ প্ৰতিষ্ঠা কৰা হ'ব।

কিন্তু জেনেভা চুক্তিৰ বিপৰীতে আমেৰিকা যুক্তৰাষ্ট্ৰই দক্ষিণ ভিয়েটনামক সম্পূৰ্ণ পৃথক আৰু স্বাধীন ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ কামত ব্ৰতী হৈ পৰে। অত্যন্ত দুৰ্নীতি পৰায়ণ আৰু সৌপন্থী ৰাজনীতিক নগো ডিন ডিয়েমক মূখ্য প্ৰশাসক পাতি তেওঁলোকে দেশ চলাবলৈ ধৰিলে। এনে অৱস্থাত ১৯৬৩ চনৰপৰা দক্ষিণ ভিয়েটনামতভিয়েটকং গৰিলাসকলে আমেৰিকাৰ বিৰুদ্ধে প্ৰতিৰোধ তথা স্বাধীনতা সংগ্ৰাম আৰম্ভ কৰে। ইয়াৰে গইনা লৈ আমেৰিকা যুক্তৰাষ্ট্ৰইও ১৯৬৫ চনৰ এপ্ৰিল-মে' মাহৰপৰা ভিয়েটনামৰ বিৰুদ্ধে প্ৰত্যক্ষ সামৰিক সংঘৰ্ষত লিপ্ত হৈ পৰে।

এই যুদ্ধত আমেৰিকা যুক্তৰাষ্ট্ৰই ১৯৬৭ চনৰ শেহলৈ মুঠতে ৫,০০,০০০ মাৰ্কিন সৈনিক নিয়োগ কৰাৰ ওপৰিও বিপুল পৰিমাণৰ বোমা-বাৰুদ ব্যৱহাৰ কৰিছিল। এটি সমীক্ষাৰপৰা জনা যায় যে দ্বিতীয় বিশ্ব যুদ্ধত ইয়োৰূপত যিমান বোমা বৰ্ষণ কৰা হৈছিল, ১৯৬৭ চনৰ শেহলৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ দ্বাৰা ভিয়েটনামত নিক্ষেপ কৰা বোমাৰ পৰিমাণ আছিল তাতকৈও বহু গুণে বেছি। ভিয়েটনামৰ যুদ্ধত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৰ্বৰতাইচৰম সীমা চেৰাই গৈছিল। মে লাইৰ (My Lai) নৰ-সংহাৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাবে এক মুছিব নোৱাৰা

মাৰ্কিন যুক্তৰাষ্ট্ৰৰ চান ফ্ৰান্সিস্কোত চহৰত ভিয়েটনাম যুদ্ধৰ প্ৰতিবাদী সমদল।

কলঙ্ক হৈ ৰৈছে। বিশ্বৰ অন্য দেশৰ কথা বাদেই এই যুদ্ধৰ বিৰুদ্ধে আনকি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভিতৰতে প্ৰবল জনমত গঢ়ি উঠিছিল।

ভিয়েটনাম যুদ্ধত জয়লাভ কৰাটো সম্ভৱ নহ'ব বুলি জানিয়েই আমেৰিকা যুক্তৰাষ্ট্ৰই ভিয়েটনাম এৰি যোৱাৰ আগতে শেষৰ চাৰি-পাঁচ বছৰমানৰ ভিতৰত তাত বিপুল পৰিমাণৰ ধ্বংস যজ্ঞ সংঘটিত কৰিছিল। এই যুদ্ধৰ সময়ছোৱাত ভিয়েটনামৰ প্ৰতিজন লোকেই মাৰ্কিন বিৰোধী একো একোজন দুৰ্ধৰ্ষ সৈনিকত পৰিণত হৈছিল। সমগ্ৰ দেশখনৰ লোকে হৈ পৰিছিল মাৰ্কিন বিৰোধী সৈনিক আৰু সহযোদ্ধা। দীৰ্ঘদিন ত্যাগ আৰু কষ্ট স্বীকাৰ কৰাৰ বিনিময়ত বিশ্বৰ অন্যতম শ্ৰেষ্ঠ সামৰিক শক্তি আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে কৰা যুদ্ধত ভিয়েটনামে বিজয় গৌৰৱ অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

১৯৭৫ চনৰ এপ্ৰিল মাহত আমেৰিকা যুক্তৰাষ্ট্ৰই ভিয়েটনাম যুদ্ধত পৰাজয়ৰ গ্লানি বুকুত বান্ধি লৈ চিৰদিনৰ বাবে ভিয়েটনাম এৰি গুচি যাবলৈ বাধ্য হৈছিল। মাৰ্কিন ঘাটি ছাইগনে নতুন নাম আৰু সন্মান পালে, এই চহৰ তেতিয়াৰপৰাই ভিয়েটনামৰ শ্ৰেষ্ঠ নেতা তথা ৰাজনীতিবিদ হো-চি-মিনৰ নামানুসাৰে হো-চি-মিন চহৰৰূপে পৰিচিত হৈ পৰিল।

০ ৩ শীতল যুদ্ধৰ অৱসানঃ (End of Cold War)

আন্তৰাষ্ট্ৰীয় ৰাজনীতিত শীতল যুদ্ধই এক বিশেষ ভূমিকা পালন কৰিছিল। এই যুদ্ধই আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰাচিয়াৰ মাজত আৰু তেওঁলোকৰ প্ৰভাৱাধীন ৰাষ্ট্ৰসমূহৰ মাজত অস্ত্ৰ প্ৰতিযোগিতাৰ সৃষ্টি কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰই ১৯৫০-৫১ৰ বছৰটোত হাইড্ৰ'জেন বোমা তৈয়াৰ কৰি ১৯৫২ চনৰ ১ নবেম্বৰৰ দিনা পৰীক্ষা কৰিছিল। ইয়াৰ পিচৰ বছৰৰ আগষ্ট মাহত ৰাচিয়াইও হাইড্ৰ'জেন বোমা তৈয়াৰ কৰিছিল। তাৰ পিচত ক্ৰমান্বয়ে বৃটেইনে ১৯৫৭ চনৰ ১৫ মে'ত, চীনে ১৯৬৭ চনৰ জুন মাহত আৰু ফ্ৰান্সে ১৯৬৮ চনৰ ২৫ আগষ্টত হাইড্ৰ'জেন বোমা তৈয়াৰ কৰি নিজ নিজ অস্ত্ৰ ভাণ্ডাৰ চহকী কৰিছিল। এইবিলাকৰ ওপৰিও হাজাৰ হাজাৰ মাইল দূৰত অৱস্থিত শত্ৰু পক্ষৰ নিৰ্দিষ্ট স্থানত নিক্ষেপ কৰিব পৰা ক্ষেপনাস্ত্ৰ উদ্ভাৱন কৰি ৰাষ্ট্ৰসমূহৰ মাজত ধ্বংসৰ ভয়াবহতা সৃষ্টি কৰি সকলোকে পেপুৰা লগোৱা হৈছিল।

কিন্তু এই সৰ্বাত্মক বিধ্বংসী অস্ত্ৰ ভাণ্ডাৰৰ সৃষ্টিৰ পৰিপ্ৰেক্ষিতত বিশ্বৰ একাংশ শান্তিকামী ৰাষ্ট্ৰৰ উদ্যোগত আনৱিক অস্ত্ৰৰ নিষিদ্ধকৰণ প্ৰক্ৰিয়া এটিৰো সূচনা হৈছিল আৰু তাৰেই ফলশ্ৰুতিত ১৯৬৩ চনত এফালে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু বৃটেইন আৰু আনফালে ছোভিয়েট ৰাচিয়াৰ মাজত আনৱিক শক্তি নিষিদ্ধকৰণ চুক্তি স্বাক্ষৰিত হৈছিল। এই ক্ষেত্ৰত দ্বিতীয়টো পদক্ষেপ লোৱা হৈছিল ১৯৬৯-৭২ৰ কালছোৱাত। এই সময়ছোৱাত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰাচিয়াৰ মাজত আনৱিক অস্ত্ৰ নিষিদ্ধকৰণ (Strate-

gic Arms Limitation Talks, SALT) সম্পৰ্কে কেবা লানিও আলোচনা অনুষ্ঠিত কৰা হৈছিল আৰু ক্ষেপনাস্ত্ৰ সম্পৰ্কেও চুক্তি স্বাক্ষৰিত হৈছিল।

সাম্ৰাজ্যবাদৰ কবলৰপৰা সদ্য স্বাধীন তৃতীয় বিশ্বৰূপে পৰিচিত বিশ্বৰ ভালেমান ৰাষ্ট্ৰই শীতল যুদ্ধত লিপ্ত কোনো এখন ৰাষ্ট্ৰ তথা কোনো এটা জোঁটৰ প্ৰতি আকৰ্ষিত নহৈ বৰং পৃথকে গোষ্ঠী নিৰপেক্ষ আন্দোলন নামে এবিধ নতুন আন্দোলন আৰম্ভ কৰাটোও এই দিশত এক তাৎপৰ্যপূৰ্ণ ঘটনা আছিল। ১৯৬১ চনত ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী জৱহাৰলাল নেহৰু, ইজিপ্তৰ প্ৰেছিডেন্ট গামাল আব্দেল নাছেৰ আৰু যুগোশ্লাভিয়াৰ প্ৰেছিডেন্ট যোছেফ ব্ৰজ টিটোৰ নেতৃত্বত আৰম্ভ হোৱা এই গোষ্ঠী নিৰপেক্ষ আন্দোলনে শীতল যুদ্ধক যথেষ্ট পৰিমাণে স্তিমিত কৰি অনাত সহায় কৰিছিল।

তাৰো কেইবছৰমান পূৰ্বে ১৯৫৫ চনত জেনেভাত অনুষ্ঠিত শীৰ্ষ সম্মিলনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেন্ট আইজেনহাৱাৰে কৰা ঘোষণাও বৰ তাযপৰ্যপূৰ্ণ আছিল। তেওঁ কৈছিল, " The time has come when we should drop all the curtains, whether of guns or of laws " ১৯৫৬ চনত ছোভিয়েট ৰাচিয়াৰ প্ৰেছিডেন্ট খ্ৰুছেভেও সহাঁৰি দি কৈছিল যে ৰাচিয়া বিভিন্ন ৰাজনৈতিক-সামাজিক ব্যৱস্থাৰ সৈতে শান্তিপূৰ্ণ সহাৱস্থানৰ নীতিত বিশ্বাসী ("Principles of peaceful co-existence of states with different social systems ")।

১৯৬১ চনত আলবানিয়াই ওৱাৰশ্ব' সন্ধিৰপৰা নিজৰ সদস্য পদ প্ৰত্যাহাৰ কৰা আৰু ১৯৭৪ চনত ফ্ৰান্সে নাটোৰপৰা ওলাই যোৱাতোও পৰোক্ষভাৱে শীতল যুদ্ধক স্তিমিত কৰাৰেই এক পদক্ষেপ বুলি পৰিগণিত হৈছে।

শীতল যুদ্ধৰ অৱসান ঘটোৱাত বিশেষকৈ ছোভিয়েট ৰাচিয়াৰ প্ৰেছিডেন্ট মিখাইল গৰ্বাছোভে বিশেষ অৰিহণা যোগাইছিল। তেওঁ আৰম্ভ কৰা উদাৰতাবাদে জাৰ্মানীৰ একত্ৰিকৰণত যথেষ্ট সহায় কৰিছিল। বৈদেশিক দিশত ১৯৯০ চনত জাৰ্মানীৰ একত্ৰিকৰণত সদৰ্থক ভূমিকা লোৱাৰ পিচতেই আভ্যন্তৰীণ দিশত তেওঁ কাৰ্যকৰী কৰা সেই একেই উদাৰতাবাদে সংযুক্ত সমাজতান্ত্ৰিক ছোভিয়েট ৰাচিয়াকে ধ্বংস কৰাত অৰিহণা যোগাইছিল। ১৯৯১ চনত সংযুক্ত সমাজবাদী ছোভিয়েট ৰাচিয়া মুঠতে ১৫ খন পৃথক পৃথক স্বাধীন ৰাষ্ট্ৰত পৰিণত হয়। এই ব্যৱস্থাই সমাজতন্ত্ৰৰ ক্ষতি কৰিলে নে ভাল কৰিলে সেইটো ভৱিষ্যতৰ ইতিহাসেহে ক'ব। এই ব্যৱস্থাই কিন্তু শীতল যুদ্ধৰ অৱসান ঘটোৱাত বিশেষ অৰিহণা যে যোগাইছে তাত কোনো সন্দেহ নাই। সেইটো হলেও বিশ্ব কিন্তু এতিয়াও আনবিক যুদ্ধ তথা তাৰ ধ্বংসৰপৰা মুক্ত নহয়। বিপদ এতিয়াও আঁতৰা নাই।

আৰ্হি প্ৰশ্নঃ

ৰচনাধৰ্মী প্ৰশ্নঃ

১। শীতল যুদ্ধৰ উৎপত্তিৰ পৰিস্থিতি সম্পৰ্কে আলোচনা কৰা।

২। কোৰিয়াৰ যুদ্ধৰ কাৰণসমূহ আলোচনা কৰা।

৩। ভিয়েটনাম যুদ্ধৰ কাৰণ আৰু ফলাফলসমূহ আলোচনা কৰা।

৪। কোৰিয়াৰ যুদ্ধৰ কাৰণসমূহ আলোচনা কৰা।

৫। কি কি কাৰকে শীতল যুদ্ধৰ অন্ত পৰাত অৰিহণা যোগাইছিল?

চমু উত্তৰ দিয়াঃ

১। শীতল যুদ্ধ শীৰ্ষক বাক্যাংশটো কোন কোন ব্যক্তিয়ে উদ্ভাৱন কৰিছিল?

২। বৃহৎ শক্তি ৰাষ্ট্ৰ বুলিলে কোন কোন ৰাষ্ট্ৰক বুজায়?

৩। শীতল যুদ্ধ শীৰ্ষক ধাৰণাৰ সূত্ৰায়ন কৰা।

৪। ট্ৰুমেন তত্ব কি?

৫। মাৰ্ছাল প্লেন কি?

৬। নেটোৰ সদস্য-ৰাষ্ট্ৰৰ নাম লিখা।

৭। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ শীতল যুদ্ধৰ প্ৰস্তুতি সম্পৰ্কীয় তিনিটা প্ৰধান উপাদান কি আছিল?

৮। বাৰ্লিন দেৱাল কি আছিল?

৯। SALT য়ে কি বুজায়?

অতি চমু উত্তৰ দিয়াঃ

১। Walter Lippmam কোন আছিল?

২। Bernard Mannes Baruch কোন আছিল?

৩। NATO বুলিলে কি বুজা?

৪। 'Iron Curtain' শীৰ্ষক ভাষণটো কোনে দিছিল?

৫। 'Iron Curtain' শীৰ্ষক ভাষণটো উইনষ্টন চাৰ্চ্ছিলে ক'ত দিছিল?

৬। ষাৰশ' চুক্তি কেতিয়া স্বাক্ষৰিত কৰা হৈছিল?

৭। বাৰ্লিন দেৱাল কেতিয়া নিৰ্মাণ কৰা হৈছিল?

৮। উত্তৰ আৰু দক্ষিণ কোৰিয়াক বিভাজিত কৰা সীমাৰেখা ডালৰ নাম উল্লেখ কৰা।

৯। জোছেফ ষ্টেলিনৰ মৃত্যুৰ চন-তাৰিখ উল্লেখ কৰা।

১০। উত্তৰ আৰু দক্ষিণ ভিয়েটনামক বিভাজিত কৰা সীমাৰেখা ডালৰ নাম উল্লেখ কৰা।

১১। ডিয়েন বিয়েন ফো যুদ্ধৰ বিজেতা কোন আছিল?
১২। ছায়গন চহৰৰ বৰ্তমান নাম কি?
১৩। মে লাইৰ নৰসংহাৰৰ তাৰিখটো উল্লেখ কৰা।
১৪। মাৰ্কিন যুক্তৰাষ্ট্ৰই কেতিয়া হাইড্ৰোজেন বোমাৰ পৰীক্ষা কৰিছিল?
১৫। মাৰ্শ্বাল ব্ৰজ টিটো কোন আছিল?

*হো-চি-মিন ছদ্মনামহে, তেওঁৰ আচল নাম আছিল নগোয়েন টাত থান, ১৯৪৩ চনত তেওঁ এই ছদ্মনামটো লয় আৰু তেতিয়াৰপৰা তেওঁ সেই নামেৰেই জগৎ বিখ্যাত হৈ পৰে। হো মানে পোহৰ বিচাৰোতা।

চতুৰ্দশ অধ্যায়

দ্বিতীয় বিশ্ব মহাসমৰোত্তৰ কালত এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ অভ্যুদয়

এছিয়াত স্বাধীন ৰাষ্ট্ৰৰ অভ্যুদয় ঃ

এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহত স্বাধীনতা আন্দোলনৰ আৰম্ভণী আৰু স্বাধীনতা প্ৰাপ্তি ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰেই পতনৰ আৰম্ভণী। স্বাধীনতা আন্দোলনৰ আৰম্ভণী আৰু স্বাধীনতা প্ৰাপ্তিৰ মাজত যথেষ্ট ব্যৱধান আছিল, অৰ্থাৎ প্ৰায় সকলো দেশতেই ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ বিৰুদ্ধে এক দীঘলীয়া আন্দোলনৰ ফলশ্ৰুতিত পৰপদানত দেশবিলাকে নিজ নিজ দেশৰ স্বাধীনতা লাভ কৰিছিল। এই স্বাধীনতা আন্দোলনবিলাকৰ ভিতৰত ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনে বিশ্বৰ ভালেমান দেশৰ স্বাধীনতা আন্দোলনৰ ওপৰত ব্যাপক প্ৰভাৱ পেলাইছিল। এই আন্দোলনৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল।

প্ৰথমেই উল্লেখ কৰিব পাৰি যে সাম্ৰাজ্যবাদৰ কবলত থকা দেশসমূহত সাম্ৰাজ্যবাদী শাসন ব্যৱস্থাই বিভিন্ন ভাষিক সাংস্কৃতিক ৰাজনৈতিক গোটৰ মাজত পূৰ্বাপৰ প্ৰচলিত বিভিন্নতা আঁতৰাই এক কেন্দ্ৰীভূত শাষণ ব্যৱস্থাৰ প্ৰবৰ্তন কৰিছিল। এই ব্যৱস্থাই বিভিন্ন জনগোষ্ঠীৰ মাজত কালক্ৰমত এক মনস্তাত্বিক আত্মীয়তা তথা একতাৰ ভাব সৃষ্টি কৰিছিল। ফলশ্ৰুতিত সাম্ৰাজ্যবাদৰ বিৰুদ্ধে ভাৰতবৰ্ষৰ দৰে এই দেশসমূহত বহু জাতিক বহু ভাষিক জাতীয়তা আৰু জাতীয়তাবাদৰ জন্ম আৰু বিকাশ হৈছিল। কিয়নো পশ্চিমীয়া ঔপনিবেশিক-সাম্ৰাজ্যবাদী শাসন-ব্যৱস্থাই পদানত দেশসমূহত প্ৰচলিত কৃষ্টি, সংস্কৃতি আৰু সভ্যতাৰ প্ৰতি প্ৰত্যাহ্বান সৃষ্টি কৰাৰ লগতে পৰম্পৰাগতভাৱে চলি অহা জীৱনবোধ আৰু অনুষ্ঠান-প্ৰতিষ্ঠানবো পৰালি পেলোৱাৰ আশংকাৰ সৃষ্টি কৰিছিল।

তদুপৰি সাম্ৰাজ্যবাদী নিৰ্মম শোষণে জাতিসমূহৰ বিকাশৰ পথ ৰুদ্ধ কৰি দিয়াৰ লগতে জাতিগত উন্নাসিক মনোবৃত্তিৰে দমন কৰি ৰাখিবলৈ কৰা চেষ্টাই ওলোটাভাৱে সেই সাম্ৰাজ্যবাদী শক্তিসমূহৰ বিৰুদ্ধে পদানত দেশৰ বিশেষকৈ শিক্ষিত শ্ৰেণীটোৰ মাজত ব্যাপক ক্ষোভ আৰু হতাশাৰ সৃষ্টি কৰিছিল। সাম্ৰাজ্যবাদী শোষণে সৃষ্টি কৰা অৰ্থনৈতিক পশ্চাদপদতাই এই শ্ৰেণীৰ লোকসকলকেই প্ৰথমতে ৰাজনৈতিকভাৱে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংগঠিত হ'বলৈ প্ৰৰোচিত কৰিছিল। মধ্যবিত্ত শ্ৰেণীৰূপে গঢ়ি উঠা এই শ্ৰেণীটোৰ উদ্যোগ আৰু নেতৃত্বতেই পোনতে ইয়োৰোপীয়সকলৰ জাতিগত শ্ৰেষ্ঠত্বৰ ধাৰণা আৰু দাম্ভিকতাৰ

বিৰুদ্ধে সাম্ৰাজ্যবাদ বিৰোধী চেতনা জাগৰূক হৈছিল। সেইটোৱে সামাজৰ সাধাৰণ শ্ৰেণীৰ মাজতো সাম্ৰাজ্যবাদ বিৰোধী চেতনা জাগ্ৰত হোৱাত অৰিহণা যোগাইছিল।

আনহাতে সাম্ৰাজ্যবাদে সৃষ্টি কৰা শিক্ষা ব্যৱস্থাই ক্ৰমান্বয়ে শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ মাজত ইয়োৰূপীয় গণতান্ত্ৰিক ধ্যান-ধাৰণা, উদাৰতাবাদ আৰু ব্যক্তি স্বাতন্ত্ৰ্যবোধ সৃষ্টি কৰিছিল। কিন্তু পদানত দেশত ঔপনিবেশিক-সাম্ৰাজ্যবাদী প্ৰশাসনিক পৰিমণ্ডলৰ ভিতৰত সেইবিলাকৰ অনুপস্থিতিয়ে স্বাভাৱিকতে বিকাশমান মধ্যবিত্ত শ্ৰেণীৰ বিবেকত আঘাত হানিছিল আৰু তেওঁলোকে নিজৰ দেশত প্ৰশাসনৰ মাধ্যমত জনসাধাৰণে সেই উপাদানবিলাক আয়ত্ব কৰাৰ সুবিধা পাবলৈ আন্দোলন আদি সংগঠন কৰিবলৈ আৰু নেতৃত্ব দিবলৈ লৈছিল। এই প্ৰক্ৰিয়াই লাহে লাহে মধ্যবিত্ত শ্ৰেণীটোক ৰাজনৈতিক আন্দোলনৰ পথলৈ উলিয়াই আনিছিল।

প্ৰথম বিশ্ব যুদ্ধৰ সমসাময়িকভাৱে সাম্ৰাজ্যবাদী শক্তিসমূহে ঘোষণা কৰিছিল যে এই যুদ্ধখন পৃথিৱীত যুদ্ধ শেষ কৰিবলৈ আৰু সমগ্ৰ পৃথিৱীখনকে গণতন্ত্ৰৰ বাবে মুক্ত কৰিবলৈ কৰা যুদ্ধ ('A war to end war and to make the world safe for democracy ') আছিল। এই ঘোষণাই পদানত দেশসমূহৰ বিশেষকৈ ৰাজনৈতিকভাৱে সচেতন মধ্যবিত্ত শ্ৰেণীৰ মাজত ব্যাপক আশাৰ সঞ্চাৰ কৰিছিল।

এই ঘোষণাৰ পিচতেই আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেন্ট উদ্ৰ' উইলছনে ১৪-দফীয়া পৰামৰ্শাৱলীৰ মাধ্যমত উল্লেখ কৰা জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ প্ৰশ্নটোৱে পদানত দেশসমূহত ব্যাপক আশাৰ উদ্ৰেক কৰিছিল। যুদ্ধৰ অন্তত সাম্ৰাজ্যবাদৰ দ্বাৰা পদানত দেশসমূহে আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ ভিত্তিত স্বাধীনতা লাভ কৰিব বুলি আশা কৰিছিল। সেইদৰে ১৯১৯ চনত স্বাক্ষৰিত ভাৰ্চাই শান্তি চুক্তিৰ মাধ্যমত ইয়োৰূপৰ ভালেমান দেশে এই নীতিৰ ভিত্তিতেই আত্মনিয়ন্ত্ৰণৰ অধিকাৰ লাভ কৰিছিল। কিন্তু এছিয়া আৰু আফ্ৰিকাৰ কোনো দেশতেই উক্ত নীতি কাৰ্যকৰী কৰা হোৱা নাছিল। এই বৈষম্যই সেই দেশসমূহত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল।

সাম্ৰাজ্যবাদৰ দ্বাৰা পদানত দেশসমূহত নিপীড়িত জনসাধাৰণৰ মাজত মাৰ্ক্সবাদৰ প্ৰতিও আকৰ্ষণ বাঢ়িছিল। বিশেষকৈ মাৰ্ক্সবাদৰ আধাৰতেই সংগঠিত ৰুচ দেশৰ অক্টোবৰ বিপ্লৱৰ সাফল্যই ঔপনিবেশিক দেশসমূহৰ ভালেমানৰে একাংশ বুদ্ধিজীৱিৰ মাজত উক্ত ৰাজনৈতিক মতাদৰ্শৰ প্ৰতি আকৰ্ষণৰ সৃষ্টি কৰিছিল। তদুপৰি ১৯১৭ চনত সংঘটিত অক্টোবৰ বিপ্লৱৰ ফলশ্ৰুতিত ছোভিয়েট ৰাচিয়াত আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ ভিত্তিত ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসত্তাসমূহৰ বাবে বিকাশৰ পথ উন্মুক্ত কৰা হৈছিল। এই ৰাজনৈতিক প্ৰক্ৰিয়াই সাম্ৰাজ্যবাদৰ দ্বাৰা পদানত দেশসমূহত ব্যাপক আলোড়নৰ সৃষ্টি কৰিছিল। দেশে দেশে

সংগঠিত স্বাধীনতা আন্দোলনত এই প্ৰক্ৰিয়াই প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰিছিল।

সাম্ৰাজ্যবাদৰ দ্বাৰা পদানত দেশসমূহত প্ৰায় আৰম্ভণিৰেপৰাই ঔপনিবেশিক-সাম্ৰাজ্যবাদী আগ্ৰাসানৰ বিৰুদ্ধে প্ৰতিৰোধ সংগ্ৰাম সংগঠিত আৰু পৰিচালিত হোৱা দেখা যায়। সেই প্ৰতিৰোধ সংগ্ৰাম তথা আন্দোলনসমূহ বহুক্ষেত্ৰতে আছিল সামন্তীয় নেতা-নেত্ৰীৰ দ্বাৰা সংগঠিত আৰু পৰিচালিত, সেইবিলাক একোটা বিশেষ ভৌগোলিক এলেকা বা অঞ্চলতে সীমিত হৈ আছিল। বহু সময়তে সংগ্ৰামবিলাক আছিল বিক্ষিপ্ত আৰু জনসমৰ্থনহীন। আনহাতে কোনো কোনো ক্ষেত্ৰত সামন্তীয় শ্ৰেণীৰ একাংশই ঔপনিবেশিক-সাম্ৰাজ্যবাদী শক্তিকেই সমৰ্থন দি দেশীয় সংগ্ৰাম বা আন্দোলনক দুৰ্বল কৰি তুলিছিল। কিন্তু ঔপনিবেশিক-সাম্ৰাজ্যবাদী পৰিমণ্ডলৰ ভিতৰতে এটি অগ্ৰণী মধ্যবিত্ত শ্ৰেণীৰ বিকাশৰ পিচত তেওঁলোকৰ নেতৃত্বত সংগঠিত আৰু পৰিচালিত স্বাধীনতা আন্দোলনে লাহে লাহে সমাজৰ বিভিন্ন অংশৰ সমৰ্থন লাভ কৰিবলৈ সক্ষম হয় আৰু এইদৰেই সেই আন্দোলনে ব্যাপক গণভিত্তি লাভ কৰিবলৈ ধৰে।

প্ৰথম বিশ্ব যুদ্ধৰ পিচৰপৰা উপনিবেশসমূহত স্বাধীনতা সংগ্ৰাম বা আন্দোলনে ব্যাপকতা লাভ কৰিবলৈ ধৰে। তদুপৰি ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদ বিৰোধী স্বাধীনতা আন্দোলনৰ প্ৰক্ৰিয়াটো এখন দেশতে সীমিত হৈ নাথাকি ই এখনৰ পিচত আনখন দেশলৈ বিয়পি পৰে। ফলত উপনিবেশসমূহত সাম্ৰাজ্যবাদ বিৰোধী আন্দোলন সময়ত বিশ্ব ৰাজনীতিৰ এক এৰাব নোৱাৰা ধাৰাত পৰিণত হয়।

ইয়াতে উল্লেখ কৰিব পাৰি যে দ্বিতীয় বিশ্ব যুদ্ধৰ সামৰণিৰ পিচৰ কেইবছৰমানৰ ভিতৰতে সাম্ৰাজ্যবাদৰ দ্বাৰা পদানত এছিয়া আৰু আফ্ৰিকাৰ ভালেমান দেশে স্বাধীনতা লাভ কৰিবলৈ সক্ষম হয়। এইটো সম্ভৱ হৈছিল এই কাৰণেই যে দ্বিতীয় বিশ্ব যুদ্ধত জয়লাভ কৰিলেও বৃটেইনৰ দৰে সাম্ৰাজ্যবাদী দেশ অৰ্থনৈতিকভাৱে সম্পূৰ্ণৰূপে দুৰ্বল হৈ পৰিছিল, অৰ্থাৎ স্বাধীনতা আন্দোলনৰ ক্ৰমবৰ্দ্ধমান অগ্ৰগতিক প্ৰতিৰোধ কৰাৰ শক্তি সেই দেশে হেৰুৱাই পেলাইছিল।

এছিয়াত জাতীয়তাবাদী আন্দোলনৰ বিকাশ আৰু অগ্ৰগতিঃ পটভূমিঃ

দ্বিতীয় বিশ্ব যুদ্ধৰ সমাপ্তিৰ লগে লগে এছিয়া মহাদেশৰ বিভিন্ন দেশত পূৰ্বৰেপৰা চলি অহা স্বাধীনতা আন্দোলনসমূহে ব্যাপক জনসমৰ্থন লাভ কৰিছিল। বিশেষকৈ এই সময়ছোৱাত ফেছিবাদ বিৰোধী আন্দোলনে জন জাগৰণত বিশেষ অৰিহণা যোগাইছিল। দেশে দেশে ফেছিবাদ আৰু জাপানী আগ্ৰাসান বিৰোধী প্ৰতিৰোধ সংগ্ৰাম গঢ়ি উঠিছিল আৰু ফেছিবাদ আৰু জাপানৰ পতনৰ লগে লগে সেই আন্দোলনসমূহ ব্যাপক জাতীয় জাগৰণ তথা স্বাধীনতা আন্দোলনলৈ উন্নীত হৈছিল। ভাৰতবৰ্ষ, ব্ৰহ্মদেশ, ভিয়েটনাম,

চীন, ইন্দোনেছিয়া আদি দেশত মুক্তি আন্দোলনে ব্যাপকতা আৰু তীব্ৰতা লাভ কৰিছিল। ফলশ্ৰুতিত দ্বিতীয় বিশ্ব যুদ্ধৰ সামৰণিৰ কেইবছৰমানৰ ভিতৰতেই এছিয়া মহাদেশৰ ভালেমান দেশে স্বাধীনত্ৰ লাভ কৰিবলৈ সক্ষম হয়।

দ্বিতীয় বিশ্ব যুদ্ধৰ পিচত এছিয়া মহাদেশত ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ কবলৰপৰা মুক্ত হোৱা দেশসমূহ হ'ল—

বৃটেইনৰপৰা স্বাধীনতা লাভ কৰা দেশ আৰু স্বাধীনতা প্ৰাপ্তিৰ চন-তাৰিখ

০১। পাকিস্তান	১৪ আগষ্ট ১৯৪৭
০২। ভাৰতবৰ্ষ	১৫ আগষ্ট ১৯৪৭
০৩। মিয়ানমাৰ (ব্ৰহ্মদেশ)	৪ জানুৱাৰী ১৯৪৮
০৪। শ্ৰীলঙ্কা	৪ ফেব্ৰুৱাৰী ১৯৪৮
০৫। ছিঙ্গাপুৰ	১৯৫৯
০৬। জৰ্দান	১৯৪৬
০৭। পেলেষ্টাইন	১৯৪৮
০৮। দক্ষিণ ইয়েমেন তথা এডেন	১৯৬৭
০৯। ইজ্ৰায়েল	১৫ মে' ১৯৪৮ (নতুন ৰাষ্ট্ৰ পেলেষ্টাইনৰপৰা সৃষ্টি কৰা)

আমেৰিকা যুক্তৰাষ্ট্ৰৰপৰা স্বাধীনতা প্ৰাপ্ত দেশ আৰু স্বাধীনতা প্ৰাপ্তিৰ চন-তাৰিখ

১১। ফিলিপাইন	৪ জুলাই, ১৯৪৬
১২। দক্ষিণ কোৰিয়া	১৫ আগষ্ট ১৯৪৮ (প্ৰথমে জাপানৰপৰা)
১৩। উত্তৰ কোৰিয়া	৯ ছেপ্তেম্বৰ ১৯৪৮ (প্ৰথমে জাপানৰপৰা)

হলেণ্ডৰপৰা স্বাধীনতা প্ৰাপ্ত দেশ আৰু স্বাধীনতা প্ৰাপ্তিৰ চন-তাৰিখ

১৪। ইন্দোনেছিয়া	২ ডিচেম্বৰ ১৯৪৯
১৫। মালয়	১৯৫৭

ফ্ৰান্সৰপৰা স্বাধীনতা প্ৰাপ্ত দেশ আৰু স্বাধীনতা প্ৰাপ্তিৰ চন-তাৰিখ

১৬। লাওছ	১৯৫৪
১৭। কম্বোদিয়া	৯ নবেম্বৰ ১৯৫৩
১৮। ভিয়েটনাম	১৯৫৪ (পিচত আমেৰিকা যুক্তৰাষ্ট্ৰৰপৰা)
১৯। ছিৰিয়া	১৯৪৬

এই দেশবিলাকৰ ওপৰিও পূৰ্বে চীনৰ অধিকাৰত থকা হংকং নামেৰে পৰিচিত

২৩৩ টা ক্ষুদ্ৰ ক্ষুদ্ৰ দ্বীপ ১৮৪৩ চনৰপৰাই ইংলেণ্ডৰ দখলত থকাৰ পিচত ১৯৯৭ চনত মুক্ত হৈ লগে লগে ই চীনৰ অৰ্ন্তভূক্ত হয়। হংকঙৰ দখলী স্বত্ব লৈ চীন আৰু ইংলেণ্ডৰ মাজত দীৰ্ঘদিন ধৰি বিবাদ চলি আহিছিল। দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত ইংলেণ্ডৰপৰা সেই দ্বীপবোৰ জাপানে দখল কৰে যদিও যুদ্ধত জাপানৰ পৰাজয়ৰ পিচত পুনৰ ইংলেণ্ডে দখল কৰি নিজৰ অধিকাৰলৈ আনিছিল।

১৭৫৭ চনত পলাশী যুদ্ধত জয় লাভ কৰি ইংলিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতবৰ্ষত ৰাজ্য জয় তথা সাম্ৰাজ্য স্থাপনৰ পাতনি মেলে আৰু বিভিন্ন যুদ্ধৰ জৰিয়তে লাহে লাহে সমগ্ৰ ভাৰতবৰ্ষ তেওঁলোকৰ দখললৈ আনি এক বিশাল সাম্ৰাজ্যৰ অধিকাৰী হয়। কিন্তু লক্ষণীয় কথা যে ভাৰতবৰ্ষত বৃটিশে ৰাজ্য জয়ৰ পাতনি মেলাৰ দিন ধৰি বিভিন্ন অঞ্চলত সময়ে সময়ে আৰু বিক্ষিপ্তভাৱে তেওঁলোকে প্ৰতিৰোধ সংগ্ৰামৰ সন্মুখীন হৈ আহিছিল। তেনে ভালেমান প্ৰতিৰোধ সংগ্ৰামৰ পিচত বৃটিশে ঊনবিংশ শতিকাত ভাৰতবৰ্ষত এটি ব্যাপক প্ৰতিৰোধ সংগ্ৰামৰ সন্মুখীন হৈছিল আৰু সেইটো আছিল ১৮৫৭-৫৮ চনৰ মহাবিদ্ৰোহ, যাক ইংৰাজ ঐতিহাসিকসকলে চিপাহী বিদ্ৰোহ নামেৰে নামাঙ্কিত কৰি তাৰ গুৰুত্ব ম্লান পেলাবলৈ চেষ্টা কৰিছিল।

এই বিদ্ৰোহ দমন কৰাৰ পৰৱৰ্তী কালছোৱাত দেশৰ প্ৰায় সকলো অঞ্চলতেই পৃথকে পৃথকে আৰু বিক্ষিপ্তভাৱে এলানি কৃষক বিদ্ৰোহ সংঘটিত হৈছিল। তাৰ সমসাময়িকভাৱে ইংৰাজী তথা পাশ্চাত্যৰ আৰ্হিত গঢ়ি উঠা শিক্ষা ব্যৱস্থা, পশ্চিমীয়া উদাৰতাবাদ আৰু গণতান্ত্ৰিক মূল্যবোধৰ লগতে ব্যক্তি স্বাতন্ত্ৰ্যবোধৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ফলশ্ৰুতিত ভাৰতবৰ্ষত গঢ়ি উঠা মধ্যবিত্ত শ্ৰেণীৰ নেতৃত্বত গঢ় লৈ উঠা জাতীয়তাবাদী আন্দোলনে দেশখনক অৱশেষত বৃটিশৰ কৱলৰপৰা মুক্ত কৰাত সহায় কৰিছিল।

কিন্তু মধ্যবিত্ত শ্ৰেণীৰ নেতৃত্বত গঢ়ি উঠিবলৈ লোৱা প্ৰতিৰোধ সংগ্ৰাম অথবা আন্দোলনে যাতে হিংসাশ্ৰয়ী পন্থা নলয় তাৰ বাবে বৃটিশ প্ৰশাসনিক বিষয়াসকল অত্যন্ত সচেতন আছিল। বিশেষকৈ ভূতপূৰ্ব কেন্দ্ৰীয় ৰাজহ সচিব এলেন অক্টোভিয়ান হিউমে মহা বিদ্ৰোহৰ পৰৱৰ্তী কালছোৱাত পঞ্জীভূত ভাৰতীয় লোকৰ ক্ষোভ যাতে হিংসা পন্থাৰে পৰিচালিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি সেই আন্দোলন-সংগ্ৰাম অহিংসাপন্থাৰে পৰিচালিত কৰাৰ জোখাৰে উদীয়মান শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ মুখিয়ালসকলক এক সৰ্বভাৰতীয় সংগঠনৰ অধীনলৈ আনিবলৈ চেষ্টা চলাইছিল। তাত সহযোগ কৰিছিল বৃটিশ বৰলাট লৰ্ড ডাফ্‌ৰিণে। ডাফ্‌ৰিণৰ দিহা-পৰামৰ্শ আৰু হিউমৰ চেষ্টা-উদ্যোগত ১৮৮৫ চনৰ ডিচেম্বৰ মাহত ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভাৰ (Indian National Congress) জন্ম হৈছিল। এই সংগঠনৰ প্ৰথম অধিবেশন বহে বোম্বে (মোম্বাই) চহৰত আৰু তাত সভাপতিত্ব

কৰিছিল বঙালী মধ্যবিত্ত শ্ৰেণীৰ লোক উমেশ চন্দ্ৰ বেনাৰ্জীয়ে। এই অধিবেশনত মুঠতে ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চল তথা প্ৰদেশৰপৰা ৭২ জন লোক উপস্থিত আছিল। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলন বহুলাংশে এই কংগ্ৰেছৰ দ্বাৰাই পৰিচালিত হৈছিল। হিউমে আশা কৰাৰ দৰে কংগ্ৰেছে ইংৰাজী শিক্ষাৰে শিক্ষিত ভাৰতীয় মধ্যবিত্ত শ্ৰেণীৰ ৰাজনৈতিক সংগঠনত পৰিণত হৈছিল।

ইংৰাজী শিক্ষাৰে শিক্ষিত আৰু পশ্চিমীয়া ৰাজনৈতিক ধ্যান-ধাৰণা আৰু মতাদৰ্শৰ দ্বাৰা উদ্বুদ্ধ ভাৰতীয় মধ্যবিত্ত শ্ৰেণীৰ নেতৃত্বত সংগঠিত আৰু পৰিচালিত এই বিদ্ৰোহ-আন্দোলনসমূহ কেবাটাও স্তৰেৰে আগ বাঢ়িছিল। স্বাধীনতা আন্দোলনৰ সেই স্তৰবোৰৰ ভিতৰত আছিল ১৯০৫-১১ চনৰ বংগভংগ বা স্বদেশী আন্দোলন, মহাত্মা গান্ধীৰ দ্বাৰা পৰিচালিত ১৯২০-২২ চনৰ অসহযোগ আন্দোলন, ১৯৩০-৩৪ চনৰ আইন অমান্য আন্দোলন, ১৯৪২-৪৫ চনৰ গণ আন্দোলন আৰু আছিল ১৯৪৬ চনৰ নৌ-বিদ্ৰোহ আদি। তদুপৰি ১৯২৫-৪৭ ৰ কালছোৱাত সমাজবাদী আৰু কমিউনিষ্টসকলৰ নেতৃত্বত পৰিচালিত শ্ৰমিক-কৃষকৰ সংগ্ৰামেও দেশৰ স্বাধীনতা অৰ্জনত বিশেষ অৰিহণা যোগাইছিল।

মাহাত্মা গান্ধীৰ দ্বাৰা পৰিচালিত স্বাধীনতা আন্দোলনৰ ধাৰাটোক গান্ধীবাদী অথবা অহিংসা আন্দোলনৰূপে অভিহিত কৰা হয়। অৱশ্যে তেওঁ আৰম্ভ কৰা ১৯৪২-৪৫ চনৰ গণ বিপ্লৱ আছিল ভাৰতবৰ্ষৰ জনতাৰ মুকলি বিদ্ৰোহ আৰু এই বিদ্ৰোহ আছিল বাহুল্য পৰিমাণে কূটঘাটমূলক আৰু হিংসাশ্ৰয়ী। গান্ধীৰ দ্বাৰা পৰিচালিত আন্দোলনৰ ধাৰাটোৰ ভিত্তি আছিল গ্ৰাম্য স্বৰাজ আৰু খাদী গ্ৰামোদ্দ্যোগ, আনহাতে সমাজবাদী আৰু কমিউনিষ্টসকলে সংগঠিত আৰু পৰিচালিত কৰা আন্দোলনসমূহৰ অৰ্থনৈতিক আৰ্হি-আঁচনি আৰু কাৰ্যসূচী আছিল মাৰ্কসীয় দৰ্শনৰ ওপৰত নিৰ্ভৰশীল। তেওঁলোকে শোষণ-নিৰ্যাতন বিহীন অৰ্থনৈতিকভাৱে মুক্ত স্বাধীন দেশ এখন গঢ়ি তোলাৰ কাৰ্যসূচী জনসাধাৰণৰ সন্মুখত দাঙি ধৰিছিল। তেওঁলোকৰ ৰাজনৈতিক আদৰ্শ আছিল মাৰ্ক্সবাদ আৰু তেওঁলোকে ছোভিয়েট ৰাছিয়াৰ আৰ্হিত ৰাষ্ট্ৰ গঠনৰ আঁচনি হাতত লৈ তাক কাৰ্যকৰী কৰাৰ পোষকতা কৰিছিল।

১৮৫৭-৫৮ চনৰ মহাবিদ্ৰোহৰ সময়ৰপৰাই বৃটিশে ভাৰতবৰ্ষত সাম্প্ৰদায়িক বিভেদ নীতিৰে দুই প্ৰধান জনগোষ্ঠীক—হিন্দু আৰু মুছলমানক—ধৰ্মীয় দৃষ্টিভংগীৰে বিভক্ত কৰি দেশৰ স্বাধীনতা আন্দোলনকো বিভক্ত কৰাৰ নীতি লৈ তাক কাৰ্যকৰী কৰিছিল। তাৰেই ফলশ্ৰুতিত ১৯০৬ চনত নিখিল ভাৰত মুছলিম লীগ (All India Muslim League) সংগঠিত হৈ পৰিছিল। এই সাম্প্ৰদায়িক-ৰাজনৈতিক সংগঠন গঢ়ি তোলাৰ বাবে বৃটিশ-ভাৰত চৰকাৰে ঢাকাৰ নবাব ছালিমুল্লাক বহুল পৰিমাণৰ আৰ্থিক অনুদানেৰে কৃতাৰ্থ

কৰিছিল। এই ৰাজনৈতিক দলে অৱশেষত বৃটিশৰ প্ৰৰোচনাত দেশ বিভাজনৰ দাবী তুলি পাকিস্তানৰ সৃষ্টি কৰাত সহায় কৰিছিল। ফলশ্ৰুতিত ১৯৪৭ চনৰ ১৪ আগষ্টত পাকিস্তানে আৰু ১৫ আগষ্টৰ দিনা ভাৰতবৰ্ষই বৃটিশ ঔপনিবেশিক-সাম্ৰাজ্যবাদী শাসন-শোষণৰ কবলৰপৰা মুক্তি আৰু স্বাধীনতা পাইছিল।

মিয়ানমাৰ (ব্ৰহ্মদেশ) ঃ

ব্ৰহ্মদেশ এতিয়া মিয়ানম্যাৰৰূপে পৰিচিত। দেশখন কৃষি আৰু বনজ সম্পদত অত্যন্ত চহকী আছিল। সমুদ্ৰ তীৰৱৰ্তী হোৱাত দক্ষিণ-পূৰ্ব এছিয়াৰ লগতে বিশ্বৰ অন্যান্য দেশৰ সৈতেও বৰ্হিবাণিজ্যিক সম্পৰ্ক আছিল।

ব্ৰহ্মদেশৰ সৈতে বৃটিশৰ প্ৰথম সামৰিক সংঘৰ্ষ লাগে ১৮২৪ চনৰ মাৰ্চ মাহত। ইয়াকে প্ৰথম ইংগ-বৰ্মী যুদ্ধ (First Anglo-Burmese War) বোলে। এই যুদ্ধৰ সময়ৰপৰা বৃটিশৰ ব্ৰহ্মদেশ দখলৰ প্ৰক্ৰিয়া আৰম্ভ হয়, আৰু যুদ্ধৰ সামৰণিৰ পিচত বৃটিশে ব্ৰহ্মদেশৰপৰা আৰাকান, টেনাছেৰিম আদি দখল কৰি নিজ ৰাজ্যৰ সৈতে চামিল কৰে। ব্ৰহ্মদেশৰ বিৰুদ্ধে বৃটিশে পৰৱৰ্তী কালত আৰু দুখন যুদ্ধত অৱতীৰ্ণ হৈছিল, এখন ১৮৫৪ চনত আৰু আনখন ১৮৮৫-৮৬ চনত। দ্বিতীয় আৰু তৃতীয় ইংগ-বৰ্মী যুদ্ধৰ ফলশ্ৰুতিত বৃটিশে যথাক্ৰমে নামনি ব্ৰহ্মদেশ আৰু উজনি ব্ৰহ্মদেশ বৃটিশ-ভাৰত সাম্ৰাজ্যৰ অন্তৰ্ভূক্ত কৰে। এইদৰে ভাৰতবৰ্ষৰ দৰে ব্ৰহ্মদেশো বৃটিশৰ উপনিবেশত পৰিণত হয়।

ভাৰতবৰ্ষত উপৰ্যোপৰি চলি অহা স্বাধীনতা আন্দোলনৰ পৰিপ্ৰেক্ষিতত বৃটিশে ১৯৩৫ চনৰ ভাৰত শাসন বিধি (India Act, 1935) বলবৎ কৰাৰ আগতে ১৯৩৭ চনৰ এপ্ৰিল মাহত ব্ৰহ্মদেশক প্ৰশাসনিকভাৱে ভাৰতবৰ্ষৰপৰা আঁতৰাই নিয়ে। ভাৰতবৰ্ষৰপৰা আঁতৰাই নি ব্ৰহ্মদেশক তেতিয়াৰপৰা ইংলেণ্ডৰ ৰাজকীয় উপনিবেশৰূপে প্ৰত্যক্ষ শাসনৰ অধীন কৰে। দ্বিতীয় বিশ্ব যুদ্ধত জাপানে ব্ৰহ্মদেশ আক্ৰমণ কৰি ১৯৪২ চনৰ মে' মাহৰ ভিতৰত সমগ্ৰ দেশখন তেওঁলোকৰ অধিকাৰলৈ নিয়ে। জাপানীসকলৰ ব্ৰহ্মদেশ আক্ৰমণৰ সময়ত আং ছান (Aung San) আৰু ইউ নু (U Nu)কে ধৰি তাৰ একাংশ ৰাজনীতিকে তেওঁলোকক (বৃটেইনৰপৰা) ব্ৰহ্মদেশৰ ত্ৰাণকৰ্তাৰূপে গণ্য কৰি জাপানৰ সৈতে পূৰ্ণ সহযোগিতা কৰিছিল। জাপানেও সেই সুবাদতে আং ছান আৰু ইউ নু আদিক লৈ তাত এখন পুতলা চৰকাৰ গঠন কৰিছিল।

কিন্তু কিছু দিনৰ পিচত তেওঁলোকে জাপানীসকলক এৰি বৃটেইনৰ সৈতে সহযোগ কৰিবলৈ লয় আৰু ব্ৰহ্মদেশক জাপানৰ কবলৰপৰা মুক্ত কৰিবলৈ আত্মনিয়োগ কৰে। অৰ্থাৎ এওঁলোকৰ সহযোগতেই ব্ৰহ্মদেশত জাপানৰ বিৰুদ্ধে প্ৰতিৰোধ সংগ্ৰাম গঢ়ি উঠে। ব্ৰহ্মদেশ জাপানৰ কবলৰপৰা মুক্ত হ'ল যদিও পুনৰ তাক বৃটেইনে দখল কৰে। ১৯৪৬

চনত ইংলেণ্ডৰ গৃহ চৰকাৰৰপৰা সঁহাৰি পাই আং ছানে ব্ৰহ্মদেশৰ ৰাজনৈতিক সমস্যাটো সম্পৰ্কে আলোচনা কৰিবলৈ লণ্ডনলৈ গৈছিল। তাৰপৰা স্বদেশলৈ ঘূৰি অহাৰ কেবা মাহৰো পিচত ১৯৪৭ চনৰ ১৯ জুলাই তাৰিখে তেওঁ ৰাজনৈতিক প্ৰতিদ্বন্দ্বীৰ ভেৰোণীয়া আঁততায়ীৰ হাতত প্ৰাণ হেৰুৱায়। তেওঁৰ মৃত্যুৰ পিচত ইউ নু আৰু বৃটেইনৰ গৃহ চৰকাৰৰ মাজত অনুষ্ঠিত হোৱা আলোচনা মৰ্মে ১৯৪৮ চনৰ ৪ জানুৱাৰী তাৰিখে ব্ৰহ্মদেশে স্বাধীনতা লাভ কৰে।

ইন্দোনেছিয়াঃ

আগৰ পূৰ্ব ভাৰতীয় দ্বীপপুঞ্জই বৰ্তমানৰ ইন্দোনেছিয়া। ইন্দোনেছিয়া প্ৰায় ১৩,৫০০ টা দ্বীপৰ সমষ্টি, তাৰে কেৱল ৬,০০০ টামান দ্বীপতহে জনবসতি আছে। ইন্দোনেছিয়াৰ প্ৰধান দ্বীপসমূহ হ'ল—সুমাত্ৰা, জাভা, বৰ্ণিও, সুলাভেছী আৰু আৰিয়ান জাভা। এই সমগ্ৰ দ্বীপপুঞ্জতে ওলাণ্ডাজসকলে তেওঁলোকৰ উপনিবেশ স্থাপন কৰিছিল আৰু সেই সূত্ৰে এই দ্বীপপুঞ্জক পূৰ্ব ভাৰতীয় দ্বীপপুঞ্জ (East Indies) বোলা হৈছিল।

ওলাণ্ডাজসকলে ইন্দোনেছিয়াত উপনিবেশ স্থাপন কৰাৰেপৰা তাত নিজৰ আধিপত্য অক্ষুন্ন ৰাখিছিল। তেওঁলোকে অঞ্চলটোৰ সমুদায় সম্পদ নিজৰ দেশৰ স্বাৰ্থত লুণ্ঠন কৰাৰ নীতি লৈ তাৰ খিলঞ্জীয়া জনসাধাৰণৰ জীৱন যাত্ৰা পদ্ধতি বিপদাপন্ন কৰি তুলিছিল। কেৱল বিংশ শতিকাৰ আৰম্ভণীৰপৰা তেওঁলোকে লাহে লাহে দ্বীপপুঞ্জটোৰ অৰ্থনৈতিক উন্নয়নৰ পিনে চকু দিবলৈ ধৰে আৰু তাৰ লগে লগে খিলঞ্জীয়া জনসাধাৰণৰ ফলাৰপৰা কিছুলোকক শাসনকাৰ্যত অংশ গ্ৰহণ কৰিবলৈ দিয়াৰ পৰম্পৰাৰ সৃষ্টি কৰে।

পূৰ্ব ভাৰতীয় দ্বীপপুঞ্জ তথা ইন্দোনেছিয়াত ঊনবিংশ শতিকাৰ প্ৰায় আদিৰেপৰা জাতীয়তাবাদী সংগঠন আৰু আন্দোলনে দেখা দিয়ে। এই আন্দোলনৰ অগ্ৰণী নেতা আৰু সংগঠক আছিল হাডিনীংৰাট (Hadiningrat) আৰু তেওঁৰ ভতিজী ৰাডেন আডজাং কাৰটিনী (Raden Adjang Kartini)। তেওঁলোকে ইন্দোনেছিয়াৰ জনসাধাৰণৰ মাজত শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ আৰু আধুনিকীকৰণৰ ওপৰত বিশেষ গুৰুত্ব দিছিল।

বিংশ শতিকাৰ প্ৰায় দ্বিতীয় দশকৰপৰা ইন্দোনেছিয়াত ওলান্দাজ বিৰোধী জাতয়ীতাবাদী আন্দোলনে এক সুসংহত ৰূপ লয়। প্ৰধানতঃ তিনিটা ৰাজনৈতিক সংগঠনে এই ক্ষেত্ৰত বিশেষ ভূমিকা লৈছিল। প্ৰথমটো হ'ল চাৰেকাট ইছলাম (Sarekat Islam), দ্বিতীয়টো মোহামমেদিয়া (Muhammadiyah) আৰু তৃতীয়টো ইন্দোনেছিয়াৰ সমাজতান্ত্ৰিক-গণতান্ত্ৰিক সংগঠন (Indische Sociaal-Demokratische Vereeniging)। শেষৰটো আছিল মাৰ্ক্সবাদী ৰাজনৈতিক সংগঠন।

এই তিনিওটা সংগঠনে স্বাভাৱিকতে ইন্দোনেছিয়াৰ স্থবিৰ ৰাজনৈতিক পৰিৱেশত

আলোড়নৰ সৃষ্টি কৰিছিল। ইন্দোনেছিয়াত ৰাজনৈতিক-সংগঠন আন্দোলনৰ এইটো আছিল দ্বিতীয় স্তৰ।

বিংশ শতিকাৰ তৃতীয় দশকত ইন্দোনেছিয়াৰ খিলঞ্জীয়ালোকৰ ৰাজনৈতিক সংগঠন আন্দোলনে ব্যাপক ৰূপ ধাৰণ কৰিছিল। এইটো আছিল ইন্দোনেছিয়াৰ খিলঞ্জীয়ালোকৰ ৰাজনৈতিক জীৱনৰ তৃতীয়টো স্তৰ। এই সময়ছোৱাত ইন্দোনেছিয়াৰ বিভিন্ন ঠাইত ছাত্ৰ-যুৱকসকল বিশেষকৈ জাতীয়তাবাদী আদৰ্শৰে উদ্বুদ্ধ হৈ ৰাজনৈতিক কৰ্মী বাহিনীৰূপে ওলাই আহিছিল। দেশৰ বিভিন্ন ঠাইত ছাত্ৰ-যুৱকৰ নেতৃত্বত ৰাজনৈতিক অধ্যয়ন চক্ৰ আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ গোট গঢ়ি উঠে। বিশেষকৈ পাৰছেৰিকাটান কমিউনিষ্ট ইণ্ডিয়া (Peresenkatan Komunist India,PKI) নামৰ মাৰ্কসবাদী ৰাজনৈতিক সংগঠনটোৰ নেতৃত্বত বিদ্ৰোহাত্মক ৰাজনীতিৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটে।

১৯২৫ চনত বান্দুঙত ছাত্ৰ-যুৱকসকলৰ নেতৃত্বত গঢ়ি উঠে সাধাৰণ অধ্যয়ন চক্ৰ। তাত নেতৃত্ব লৈছিল ডেক্কাৰ আৰু বান্দুঙ ইঞ্জিনিয়াৰিং কলেজত অধ্যয়ন কৰি থকা আহ্মেদ ছুকাৰ্ণো (১৯০১-৭০) নামে দুজন ছাত্ৰই। ১৯২৭ চনত সংগঠিত হয় ইন্দোনেছিয়াৰ জাতীয়তাবাদী সংগঠন (Indonesian National Association)। এই ৰাজনৈতিক সংগঠনটোৰ লক্ষ্য আৰু উদ্দেশ্য আছিল ইন্দোনেছিয়াত ৰাজনৈতিক একতা স্থাপন কৰা আৰু ওলান্দাজসকলৰ কবলৰপৰা দেশখনৰ মুক্তি লাভ কৰাটো।

১৯৩১ চনৰপৰা এই সংগঠনটোৱে দেশৰ স্বাধীনতা আন্দোলন সফল কৰিবলৈ বিশেষকৈ সৰ্বহাৰা আৰু কৃষকসকলক দলৰ মাজলৈ আনিবলৈ চেষ্টা চলায়। ইয়াৰ পিচতে ছুকাৰ্ণোৱে দেশৰ বিভিন্ন ৰাজনৈতিক দল-উপদলৰ মাজত মৈত্ৰী স্থাপন কৰি উপনিবেশ বিৰোধী এক শক্তিশালী আৰু উমৈহতীয়া মঞ্চ তৈয়াৰ কৰে। তাৰ নাম দিছিল "Association of Political Organisations of the Indonesian People"। এই সংগঠনৰ সভাপতি আছিল মহম্মদ হোছনী থামৰিণ। ৰাজনৈতিক কাৰ্য-কলাপত জড়িত থকাৰ অভিযোগত ওলান্দাজসকলে তেওঁক বন্দী কৰি ৰাখিছিল আৰু বন্দী অৱস্থাতেই ১৯৪১ চনৰ জানুৱাৰী মাহত তেওঁৰ মৃত্যু হয়। তেওঁৰ মৃত্যুয়ে ইন্দোনেছিয়াত এক ভীষণ ৰাজনৈতিক ধুমুহাৰ সৃষ্টি কৰিছিল আৰু তাৰ পৰিপ্ৰেক্ষিততেই তাত ওলান্দাজ বিৰোধী জাতীয়তাবাদী সংগ্ৰামে তীব্ৰ ৰূপ ধাৰণ কৰিছিল। ইন্দোনেছিয়াৰ স্বাধীনতা আন্দোলন মশিমূৰ কৰিবলৈ ওলান্দাজসকলে তাৰ জনসাধাৰণৰ ওপৰত তীব্ৰ নিৰ্যাতন আৰম্ভ কৰিছিল, বিশেষকৈ ১৯২৯-৩২ৰ কালছোৱাত আৰু তাৰ ভালেমান বছৰ পিচলৈ এই অৱস্থা অব্যাহত আছিল। বহু ৰাজনৈতিক নেতাক ভালেমান বছৰলৈ জেইলত বন্দী কৰি ৰাখিছিল। অন্য বহু উপনিবেশত ঘটাৰ দৰে তাতো প্ৰায় এক পুলিচ ৰাজত্বৰ সৃষ্টি কৰা হৈছিল। মানুহৰ

গণতান্ত্ৰিক আৰু নাগৰিক অধিকাৰতো নাছিলেই, পুলিচ ৰাজত্বত তেওঁলোকে জীয়াই থকাৰ সাধাৰণ অধিকাৰ খিনিও হেৰুৱাইছিল।

এই ৰাজনৈতিক বিপৰ্যয়ৰ মাজতেই ১৯৪২ চনৰ ১০ জানুৱাৰীৰপৰা জাপানে ইন্দোনেছিয়া আক্ৰমণ কৰিবলৈ লয় আৰু ওলান্দাজসকলে পৰাভূত হৈ সেই বছৰৰে ৮ মাৰ্চত জাপানৰ ওচৰত আত্মসমৰ্পন কৰে। সেই সময়ত ভালেমান জাতীয়তাবাদী নেতা-কৰ্মীয়ে জাপানীসকলৰ সৈতে সহযোগিতা কৰি ওলান্দাজ বিৰোধী ৰাজনৈতিক কাম-কাজ চলাই গৈছিল। দ্বিতীয় বিশ্ব যুদ্ধত জাপানৰ পৰাজয়ৰ লগে লগে ইন্দোনেছিয়াৰ স্বাধীনতাকাংক্ষী বিদ্ৰোহীসকলে জাকাৰ্তাত ১৯৪৫ চনৰ ১৭ আগষ্টত নিজ দেশৰ স্বাধীনতা ঘোষণা কৰিছিল। উল্লেখ কৰিব পাৰি যে ওলান্দাজসকলে এই জাকাৰ্তাকে বাটাভিয়া বুলিছিল।

কিন্তু এই ঘটনাৰ কেই সপ্তাহমানৰ ভিতৰতে ওলান্দাজসকল পুনৰ ইন্দোনেছিয়ালৈ ওভতি আহে আৰু ইন্দোনেছিয়াত নিজৰ প্ৰভূত্ব খটুৱাবলৈ ধৰে। তেতিয়াৰেপৰা ওলান্দাজ আৰু ইন্দোনেছিয়াৰ স্বাধীনতা সংগ্ৰামীসকলৰ মাজত ঘোৰতৰ সংঘৰ্ষ চলে আৰু ১৯৪৬ চনৰ ১৫ নবেম্বৰৰ দিনা ওলান্দাজসকলে সুমাত্ৰা আৰু জাভাত দেশীয় চৰকাৰক স্বীকৃতি দিয়ে আৰু ইন্দোনেছিয়াত সংযুক্ত ইন্দোনেছিয়া নামে এখন গণতান্ত্ৰিক সাৰ্বভৌম চৰকাৰৰ প্ৰতি সমৰ্থন দিবলৈ প্ৰতিশ্ৰুতি দিয়ে। তৎস্বত্বেও কিন্তু ওলান্দাজসকলে ইন্দোনেছিয়াৰ ওপৰত তেওঁলোকৰ কৰ্তৃত্ব পৰিত্যাগ কৰিবলৈ ইচ্ছুক নোহোৱাত আৰু দেশখনৰ জনসাধাৰণৰ ওপৰত নিৰ্যাতন চলাই যোৱাত লাহে লাহে বিশ্ব জনমত ওলান্দাজসকলৰ বিৰুদ্ধে যাবলৈ ধৰে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ হস্তক্ষেপত অৱশেষত ওলান্দাজসকলে ইন্দোনেছিয়াৰপৰা আঁতৰি যাবলৈ বাধ্য হয়। ১৯৪৯ চনৰ ২ ডিচেম্বৰৰপৰা ইন্দোনেছিয়া ওলান্দাজসকলৰপৰা স্বাধীন হয় আৰু সেইদিনাখনেই ছুকাৰ্ণো তাৰ ৰাষ্ট্ৰপতি হয়।

শ্ৰীলঙ্কাঃ

শ্ৰীলঙ্কাক পাক্ প্ৰণালীয়ে ভাৰতবৰ্ষৰপৰা পৃথক কৰিছে। ই ভাৰতবৰ্ষৰপৰা প্ৰায় ৮০ কিলোমিটাৰ দক্ষিণত ভাৰতমহাসাগৰত অৱস্থিত। ইয়াৰ মুঠ মাটি কালি ৬৫,৬১০ বৰ্গ কিলোমিটাৰ। শ্ৰীলঙ্কাৰ প্ৰধান ভাষা গোষ্ঠী দুটা হ'ল সিংহলী আৰু তামিল। ১৯৮১ চনৰ পৰিসংখ্যা মতে সিংহলী ভাষীসকলৰ জনসংখ্যা ৯০,০০০ নব্বৈ লাখৰ অধিক আৰু তামিলৰ ২৫,০০,০০০ লাখৰ অধিক। শ্ৰীলঙ্কাত মুছলমানসকলক মুৰ বুলি কয়, তেওঁলোকৰ জনসংখ্যা প্ৰায় ৮,৫০,০০০ আঠ লাখ পঞ্চাশ হাজাৰৰ অধিক। ধৰ্মৰ ফালৰপৰা সিংহলীসকল বৌদ্ধ ধৰ্মাৱলম্বী আৰু তামিলসকল হিন্দু। তামিল ভাষাত শ্ৰীলঙ্কাকইলাম (Ilam or Elam) বোলা হয়।

ইতিহাসৰ বিভিন্ন সময়ত শ্ৰীলংকা বিভিন্ন নামেৰে পৰিচিত আছিল। প্ৰাচীন কালত ইয়াক টাপ্ৰোবেন বোলা হৈছিল, তাৰ পিচত ছাৰেণদ্বীপ, পৰবৰ্তী কালত লংকা আৰু তাৰ পিচত আকৌ সিংহল দ্বীপ আৰু ছিল'ন। ১৯৭২ চনলৈ ই ছিল' নৰূপে পৰিচিত আছিল আৰু তাৰ পিচৰপৰা শ্ৰীলংকাৰূপে পৰিচিত হৈ আহিছে।

পশ্চিম ইয়োৰূপৰ দেশসমূহৰ নেতৃত্বত ভৌগোলিক আবিষ্কাৰ আৰু উপনিবেশ স্থাপনৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ দিন ধৰি প্ৰায় ষোড়শ শতিকাৰ আৰম্ভণিৰেপৰা শ্ৰীলংকাৰ ভাগ্য ৰবি সঘনে পৰিবৰ্তন হবলৈ ধৰে। এখন এখনকৈ তিনিখন ইয়োৰূপীয় দেশে— পৰ্টুগাল, হলেণ্ড আৰু ইংলেণ্ডে—বিভিন্ন সময়ত শ্ৰীলংকাত উপনিবেশ স্থাপন কৰে।

ভাৰতবৰ্ষলৈ সামুদ্ৰিক পথ আবিষ্কৃত হোৱাৰ প্ৰায় সমসাময়িকভাৱে পৰ্টুগীজসকলে পোনতে শ্ৰীলংকালৈ আহি তাত উপনিবেশ স্থাপন কৰে। ১৫০৫ চনত দৈবক্ৰমে পৰ্টুগীজ নাবিক লৰেঞ্জো ডা আলমেইডা শ্ৰীলংকাৰ পশ্চিম উপকূলৰ কলম্বোত উপস্থিত হয়। এই ঘটনাই শ্ৰীলংকাত পৰ্টুগালৰ উপনিবেশ স্থাপনৰ পথ মুকলি কৰে। তেওঁলোকে পোন প্ৰথমে ১৫১৮ চনত কোট্টিৰ ৰজা বীৰ পৰাক্ৰমবাহুৰ অনুমতি সাপেক্ষে কলম্বোত কোঠ মাৰে। ১৫৯৭ চনৰ ভিতৰত তেওঁলোকে কোট্টি ৰাজ্য দখল কৰি তাত তেওঁলোকৰ নিজ অধিকাৰ স্থাপন কৰে। ১৬১৯ চনত তেওঁলোকে একেবাৰে উত্তৰাংশত জাফনা ৰাজ্য অধিকাৰ কৰি নিজ ৰাজ্যভুক্ত কৰে। তাৰ পৰবৰ্তী কালত তেওঁলোকে পূৰ্ব উপকূলত ত্ৰিঙ্কোমালি আৰু বাট্টিকালোৱা অধিকাৰ কৰে। এইদৰে শ্ৰীলংকাৰ ওপৰত পৰ্টুগীজসকলৰ ৰাজনৈতিক অধিকাৰ স্থাপিত হয়। কেৱল শ্ৰীলংকাৰ দাক্ষিণাঞ্চলৰ মধ্য ভাগত অৱস্থিত কেন্দী ৰাজ্য স্বাধীন হৈ থাকে।

পৰ্টুগীজসকলে পোনতে শ্ৰীলংকাৰ পশ্চিম উপকূলত থিতাপি লৈছিল আৰু সেই অঞ্চলৰ ভালেমান স্থানীয় লোকক খৃষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত কৰিছিল। পৰবৰ্তী কালত তেওঁলোকৰ উপনিবেশৰ পৰিসৰ বৃদ্ধি হোৱাত পৰ্টুগীজসকলে স্থানীয় লোকৰ ওপৰত খৃষ্টান ধৰ্ম বল পূৰ্বকভাৱে জাপি দিছিল।

এটামান শতিকা এনেদৰে অতিবাহিত হোৱাৰ পিচত পৰ্টুগীজসকলক আঁতৰাই ওলান্দাজসকলে শ্ৰীলংকাত নিজৰ আধিপত্য স্থাপন কৰে। ১৬০২ চনত ওলান্দাজসকল পোনতে শ্ৰীলংকালৈ আহে। শ্ৰীলংকাৰ দক্ষিণ-পশ্চিম অঞ্চলৰ মাজ ভাগত থকা কেন্দী নামে ৰাজ্যখন বাদ দি ওলান্দাজসকলে পৰ্টুগালকপৰা শ্ৰীলংকাৰ প্ৰায় সমুদায় ৰাজ্য দখল কৰি নিজৰ উপনিবেশৰ পৰিসৰ বৃদ্ধি কৰে। ১৬৫৮-১৭৯৬ৰ কালছোৱাত শ্ৰীলংকাত ওলান্দাজসকলৰ আধিপত্য চলিছিল।

এনেদৰে ভালেমান বছৰ ওলান্দাজসকলৰ অধীনত থকাৰ পিচত ১৭৯৬ চনত

শ্ৰীলঙ্কা বৃটেইনৰ অধীনলৈ যায়। ১৮০২ চনত শ্ৰীলঙ্কা ইংলেণ্ডৰ ৰাজকীয় উপনিবেশত (Crown Colony) পৰিণত হয়। ১৮১৫ চনত কেন্দীকো বৃটিশ উপনিবেশৰ অংশত পৰিণত কৰে।

ভাৰতবৰ্ষত আৰম্ভ হোৱা স্বাধীনতা আন্দোলনৰ সমসাময়িকভাৱে শ্ৰীলঙ্কাতো বৃটিশ বিৰোধী ৰাজনৈতিক কাৰ্য-কলাপ তথা স্বাধীনতা আন্দোলনৰ সূত্ৰপাত হ'বলৈ লৈছিল। বিশেষকৈ প্ৰথম বিশ্ব যুদ্ধৰ সময়ৰপৰা তাত বৃটিশ বিৰোধী ৰাজনৈতিক কাম-কাজ যথেষ্ট বৃদ্ধি পাইছিল। বিভিন্ন ৰাজনৈতিক নেতা-কৰ্মীয়ে শ্ৰীলঙ্কাৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি একত্ৰিতভাৱে কাম কৰাৰ বাবে ১৯১৯ চনত ছিল'ন জাতীয় কংগ্ৰেছ (Ceylon National Congress,1919) গঠন কৰিছিল। এইটোৱেই আছিল শ্ৰীলঙ্কাৰ প্ৰথম জাতীয়তাবাদী ৰাজনৈতিক সংগঠন। ইয়াৰ নেতৃত্বতে শ্ৰীলঙ্কাত পোন প্ৰথম ৰাজনৈতিক আন্দোলন আদি আৰম্ভ হৈছিল।

ছিল'ন কংগ্ৰেছৰ নেতৃত্বত পৰিচালিত আন্দোলনৰ পৰিণতিতেই বৃটিশ চৰকাৰে ১৯২০ চনত এখন সংবিধান তৈয়াৰ কৰি শ্ৰীলঙ্কাৰ শাসন ক্ষেত্ৰত কিছু পৰিবৰ্তন সাধন কৰিছিল। এই ব্যৱস্থাৰ ফলত শ্ৰীলঙ্কাত সাংবিধানিক গণতন্ত্ৰৰ সূচনা হৈছিল। ১৯২৪ চনত উক্ত সংবিধানৰ কিছু সংশোধন কৰা হৈছিল। সাংবিধানিক গণতন্ত্ৰৰ মূল মৰ্ম হ'ল সংখ্যা গৰিষ্ঠৰ শাসন। সেয়ে এই প্ৰক্ৰিয়া আৰম্ভ কৰাৰ পিচৰপৰাই সংখ্যা লঘিষ্ঠসকলে কংগ্ৰেছৰপৰা ফালৰি কাটি আহি নিজস্ব পৃথক ৰাজনৈতিক সংগঠন গঢ়ি তুলিছিল।

বৃটিশ চৰকাৰে ১৯৩১ চনত শ্ৰীলঙ্কাৰ বাবে এখন নতুন সংবিধান প্ৰস্তুত কৰি তাক তাত কাৰ্যকৰী কৰিছিল।

১৯৪৭ চনত বৃটিশ সংসদত গ্ৰহণ কৰা আইনৰ মাধ্যমত অন্য এখন নতুন সংবিধান প্ৰস্তুত কৰি শ্ৰীলঙ্কাক ঔপনিবেশিক স্বায়ত্ব শাসন (Dominion Status)ৰ মৰ্যদা প্ৰদান কৰিছিল। সেই মৰ্মে তেতিয়াৰপৰা শ্ৰীলঙ্কাই আভ্যন্তৰীণ ক্ষেত্ৰত স্বায়ত্ব শাসন লাভ কৰে। কেৱল বৃটিশৰ সাম্ৰাজ্যিক স্বাৰ্থৰ সুৰক্ষাৰ বাবে নিৰপত্তাৰ দায়িত্ব আৰু বৈদেশিক নীতি পৰিচালনা কৰাৰ ভাৰ ইংলেণ্ডৰ ৰাজ মুকুটৰ হাতত ন্যস্ত ৰাখিছিল।

তাৰ পিচতো ভাৰতবৰ্ষৰ আৰ্হিত শ্ৰীলঙ্কাত বৃটিশ ঔপনিবেশিকতাবাদ-সাম্ৰাজ্যবাদ বিৰোধী স্বাধীনতা আন্দোলন চলি থকাৰ পৰিপ্ৰেক্ষিততেই ইংল্যাণ্ডে ১৯৪৮ চনৰ ৪ ফেব্ৰুৱাৰী তাৰিখে শ্ৰীলঙ্কা ত্যাগ কৰিবলৈ বাধ্য হয়। গতিকে সেই তাৰিখৰপৰা শ্ৰীলঙ্কা এখন স্বাধীন ৰাষ্ট্ৰত পৰিণত হয়। সেই বছৰৰে ২২ মে'ৰপৰা শ্ৰীলঙ্কা এখন প্ৰজাতান্ত্ৰিক দেশৰূপে প্ৰতিষ্ঠিত হয়।

চীনৰ অভ্যুত্থানঃ

চীনৰ অভ্যুদয় সম্পৰ্কে ইতিপূৰ্বে দ্বিতীয় অধ্যায়ত (৪৫-৫৩ পৃষ্ঠাত) বিস্তৃতভাৱে আলোচনা কৰি অহা হৈছে, সেয়ে ইয়াত সেই বিষয়ে পুনৰুক্তি কৰাৰপৰা বিৰত থকা হৈছে।

কোৰিয়াৰ অভ্যুদয়ঃ

এছিয়া মহাদেশত শীতল যুদ্ধৰ সম্প্ৰসাৰণ সম্পৰ্কে আলোচনা কৰোঁতে ইতিপূৰ্বে চতুৰ্থ অধ্যায়ত (১৩৯-১৪১পৃষ্ঠাত) কোৰিয়া সম্পৰ্কে বিস্তৃতভাৱে উল্লেখ কৰি অহা হৈছে, সেয়ে ইয়াত সেই বিষয়ে পনৰুক্তি কৰাৰপৰা বিৰত থকা হৈছে।

ভিয়েটনামৰ অভ্যুদয়ঃ

এছিয়া মহাদেশত শীতল যুদ্ধৰ সম্প্ৰসাৰণ সম্পৰ্কে আলোচনা কৰোঁতে ইতিপূৰ্বে চতুৰ্থ অধ্যায়ত (১৪১-১৪৩ পৃষ্ঠাত) ভিয়েটনাম সম্পৰ্কে বিস্তৃতভাৱে উল্লেখ কৰি অহা হৈছে, সেয়ে ইয়াত সেই বিষয়ে পনৰুক্তি কৰাৰপৰা বিৰত থকা হৈছে।

আফ্ৰিকাত স্বাধীন ৰাষ্ট্ৰৰ অভ্যুদয়ঃ আফ্ৰিকাত জাতীয়তাবাদী আন্দোলনৰ সূত্ৰপাতঃ

বিশ্বৰ ভিতৰতে সৌ সিদিনালৈকে অন্ধকাৰ মহাদেশৰূপে পৰিগণিত আফ্ৰিকা মহাদেশ আজি স্বাধীন আৰু সাৰ্বভৌম ৰাষ্ট্ৰৰে পৰিপূৰ্ণ। সেই মহাদেশৰ সমুদায় ৫১ খন দেশেই আজি পৰাধীনতাৰ গ্লানি আৰু সাম্ৰাজ্যবাদী শোষণ আৰু বৰ্ণ বৈষম্যবাদৰপৰা সম্পূৰ্ণৰূপে মুক্ত। আজি কৃষ্ণাঙ্গসকলেও বিশ্ব দৰবাৰত নিজৰ শিৰ উচ্চ কৰি বৰ্তি থকাৰ অধিকাৰ লাভ কৰিছে। তাৰ বাবে আফ্ৰিকাৰ দেশে দেশে নিপীড়িত লাঞ্ছিত শোষিত জনগণে জানো কম কষ্ট স্বীকাৰ কৰিব লগা হৈছিল? এটা সময় আছিল যেতিয়া আফ্ৰিকাৰ মানুহৰ কথা বাদেই আনকি ভাৰতবৰ্ষৰ দৰে প্ৰাচীন সভ্যতাৰ গৃহভূমিৰ মানুহেও সাম্ৰাজ্যবাদৰপৰা মুক্তি আৰু স্বাধীনতাৰ স্বপ্নত মৰো-জীও-শো-আধিকৈ মৰণক পণ কৰি যুঁজিব লগা হৈছিল। স্বাধীনতাৰ অধিকাৰ মানুহৰ জন্মস্বত্ব। কিন্তু তাকেই পাবলৈ কিমান কষ্ট, কিমান সংগ্ৰাম কৰিব লগা হয়। সিও নিজৰ প্ৰজাতিৰ বিৰুদ্ধে। মানুহেই মানুহৰ স্বাধীনতাৰ প্ৰধান শত্ৰু। এই শত্ৰুক পৰাভূত কৰি যেতিয়া মানুহে স্বাধীনতাৰ স্বাদ লাভ কৰে সেই মানুহক পুনৰাই পৰাধীন কৰিবলৈ আৰু কোনেও সাহস নকৰে, কৰিলেও সি বেছি দিন স্থায়ী নহয়।

আফ্ৰিকাৰ দেশসমূহৰ স্বাধীনতা আন্দোলন তথা সংগ্ৰাম আছিল ঔপনিবেশিকতাবাদী আৰু সাম্ৰাজ্যবাদী শোষণ-নিৰ্যাতনৰ প্ৰতিবাদ ৰূপে গঢ়ি উঠা গণ বিক্ষোভৰ স্বাভাৱিক পৰিণতি আৰু পৰিণাম। প্ৰথম আৰু দ্বিতীয় বিশ্ব যুদ্ধই সৃষ্টি কৰা ঘটনা-পৰিঘটনা, ৰুচ দেশত সংঘটিত হোৱা অক্টোবৰ বিপ্লৱ আৰু মাৰ্ক্সবাদৰ প্ৰতি মানুহৰ আকৰ্ষণ, পশ্চিমীয়া

দেশসমূহত প্ৰচলিত গণতান্ত্ৰিক শাসন পদ্ধতি, ব্যক্তি স্বাধীনতা, নাগৰিক অধিকাৰ আদি প্ৰমূল্যসমূহে বিশ্ব যুদ্ধৰ সমাপ্তিৰ পিচৰপৰাই আফ্ৰিকাৰ দেশসমূহৰ মানুহৰ ওপৰত সদৰ্থক প্ৰভাৱ পেলাই আহিছিল। অৰ্থাৎ বিংশ শতিকাৰ আৰম্ভণিতে ৰাজনৈতিক স্বাধীনতা আন্দোলন-সংগ্ৰামৰ বৰ্ণচ্ছটাৰে অন্ধকাৰ মহাদেশ আফ্ৰিকা আলোকিত হৈ পৰিছিল।

দৰাচলতে ক'বলৈ গ'লে দ্বিতীয় বিশ্ব যুদ্ধ ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ দ্বাৰা পদানত দেশসমূহৰ বাবে আৰ্শীবাদ স্বৰূপ আছিল। এই যুদ্ধই ইয়োৰূপীয় ঔপনিবেশিক আৰু সাম্ৰাজ্যবাদী দেশসমূহক দুৰ্বল কৰি পেলাইছিল। আক্ৰমণ আৰু প্ৰতি-আক্ৰমণৰ তীব্ৰতাত বৃটেইন, ফ্ৰান্স, হলেণ্ড, বেলজিয়াম, ইটালী, জাৰ্মানী, পৰ্টুগাল আদি দেশসমূহে পূৰ্বৰ ৰাজনৈতিক-সামৰিক আৰু অৰ্থনৈতিক শক্তি সাম্যৰ্থ হেৰুৱাই নিশকতীয়া হৈ পৰিছিল। সেয়ে পদানত দেশসমূহত সংগঠিত হোৱা স্বাধীনতা আন্দোলন তথা সংগ্ৰাম দমন কৰি পূৰ্বৰ অৱস্থা বাহাল ৰখাটো সেই দেশবিলাকৰ বাবে সম্ভৱ হৈ থকা নাছিল। ইয়োৰূপত বিকাশ লাভ কৰা জাতি-ৰাষ্ট্ৰৰ আৰ্হিতে বিশ্বৰ দেশে দেশে জাতীয়তাবাদী আন্দোলন সাম্ৰাজ্যবাদৰ শত্ৰুৰূপে দেখা দিছিল। এই প্ৰক্ৰিয়াৰপৰা আফ্ৰিকাৰ দেশসমূহো বাদ পৰা নাছিল। এক দীৰ্ঘ দিনীয়া আন্দোলনৰ ফলশ্ৰুতিত ভাৰতবৰ্ষই বৃটিশ সাম্ৰাজ্যবাদৰপৰা স্বাধীনাত লাভ কৰিছিল। এছিয়াৰ ভিতৰত ফিলিপাইনছৰ পিচত পাকিস্তান আৰু ভাৰতবৰ্ষই হ'ল প্ৰথম দেশ যিবিলাকে এক অভিনৱ পন্থাৰে দেশৰ স্বাধীনতা লাভ কৰিবলৈ সক্ষম হৈছিল। ভাৰতবৰ্ষৰ স্বাধীনতা প্ৰাপ্তি বিশ্বত ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ অৱলুপ্তিৰ শুভাৰম্ভ বুলি ক'ব পাৰি।

ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ প্ৰভাৱ এছিয়াৰ অন্যান্য পদানত দেশৰ ওপৰত পৰাৰ ওপৰিও আফ্ৰিকাৰ দেশসমূহতো পৰিছিল। ভাৰতীয় সংগ্ৰামীসকলে যেনেকৈ সাম্ৰাজ্যবাদী শাসকৰ কঠোৰ নিৰ্যাতন নিৰৱে সহ্য কৰিও স্বাধীনতাৰ প্ৰশ্নত অবিচল আছিল আফ্ৰিকাৰ ভালেমান দেশৰ স্বাধীনতা সংগ্ৰামীসকলেও সেই আদৰ্শকে সাৰোগত কৰি যাত্ৰাপথত অগ্ৰসৰ হৈছিল। ভাৰতবৰ্ষত যেনেকৈ পশ্চিমীয়া আধুনিক শিক্ষাৰে শিক্ষিত লোকসকলে পোনতে স্বাধীনতা আন্দোলনৰ নেতৃত্ব লৈছিল আফ্ৰিকাৰ দেশসমূহৰ শিক্ষিত চামেও পোনতে স্বাধীনতা আন্দোলনৰ নেতৃত্ব লৈ তাক কৃতকাৰ্যতাৰ পিনে লৈ গৈছিল। উদাহৰণ স্বৰূপে ঘানাৰ স্বাধীনতা সংগ্ৰামী কোৱামি এনক্ৰুমা (১৯০৯-৭২) আমেৰিকা যুক্তৰাষ্ট্ৰৰ লিংকলন বিশ্ববিদ্যালয়ৰ এছিমোটা কলেজ আৰু পিচত 'লণ্ডন স্কুল অৱ ইকনমিক্‌ছ'ৰ ছাত্ৰ আছিল। জিম্বাবোৱেৰ সংগ্ৰামী ৰাজনৈতিক নেতা ৰবাৰ্ট মোগাবে (১৯২৪-) দক্ষিণ আফ্ৰিকাৰ ফৰ্ট হেয়াৰ বিশ্ববিদ্যালয়ৰ কলেজ আৰু লণ্ডনত অধ্যয়ন কৰিছিল। টাঞ্জানিয়াৰ প্ৰেছিডেণ্ট জুলিয়াছনাইৰেৰীয়ে (১৯২২-) মাকাৰাৰে ইউনিভাৰচিটি কলেজ আৰু এডিনবাৰ্গ

বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিছিল।

সি যি কি নহওক, বহু ক্ষেত্ৰতেই এই স্বাধীনতা সংগ্ৰামবোৰ আছিল হিংসা বৰ্জিত কিন্তু অত্যন্ত শক্তিশালী। ভাৰতৰ স্বাধীনতা আন্দোলন তথা সংগ্ৰামৰ শিক্ষা আফ্ৰিকাৰ দেশসমূহৰ সংগ্ৰামী লোকৰ পাথেয় আছিল। দীৰ্ঘদিন ধৰি দক্ষিণ আফ্ৰিকাৰ বৰ্ণ বৈষম্যবাদী শ্বেতাঙ্গ শাসকসকলৰ বিৰুদ্ধে আপোচহীন সংগ্ৰামৰ নেতা নেলছন মেণ্ডেলা মহাত্মা গান্ধীৰ হিংসা বৰ্জিত ৰাজনৈতিক আন্দোলনৰ আদৰ্শৰ দ্বাৰা সততে অনুপ্ৰাণিত আৰু পৰিচালিত হৈছিল।

আফ্ৰিকা মহাদেশত স্বাধীনতা আন্দোলনৰ মূল চালিকা শক্তি আছিল শ্বেতাঙ্গ শাসকসকলে কৃষ্ণাঙ্গসকলৰ বিৰুদ্ধে প্ৰবৰ্তন কৰা বৰ্ণ বৈষম্যবাদ। এই নীতিয়ে সমগ্ৰ মহাদেশতে পদানত লোকসকলক স্বাধীনতাৰ বাবে উত্থাউল কৰি তুলিছিল। দ্বিতীয় বিশ্ব যুদ্ধৰ অন্ত পৰাৰ কেইবছৰমানৰ ভিতৰতে ১৯৫১ চনত লিবিয়াই স্বাধীনতা লাভ কৰি পথ প্ৰদৰ্শকৰ ভূমিকাত অৱতীৰ্ণ হৈছিল।

১৯৫১ চনৰপৰা ১৯৯৪ চনলৈ প্ৰায় ৪৩/৪৪ বছৰৰ ইতিহাসত আফ্ৰিকা মহাদেশৰ সমুদায় একাৱন্নখন দেশ স্বাধীন হৈছিল। অকল মাত্ৰ এটা বছৰতেই, অৰ্থাৎ ১৯৬০ চনত আফ্ৰিকা মহাদেশত ১৭ খন দেশ স্বাধীন হৈছিল। ক'ব পাৰি যে সেই বছৰটোতে আফ্ৰিকাত ঔপনিবেশিক-সাম্ৰাজ্যবাদী ব্যৱস্থাটো বালিৰ ঘৰৰ দৰে সম্পূৰ্ণৰূপে ভাঙি পৰিছিল। আফ্ৰিকাৰ এই সমুদায় দেশেই স্বাধীনতা পোৱাত বিশ্বত সাম্ৰাজ্যবাদৰেই অন্ত পৰে। এতিয়া আৰু বিশ্বত কোনো পৰাধীন দেশ নাই। সাম্ৰাজ্যবাদৰ কবলৰপৰা স্বাধীনতা প্ৰাপ্ত আফ্ৰিকাৰ দেশসমূহৰ নাম আৰু স্বাধীনতা প্ৰাপ্তিৰ চন-তাৰিখ তলত উল্লেখ কৰা হ'ল,-

দেশ	স্বাধীনতা প্ৰাপ্তিৰ তাৰিখ	দেশ	স্বাধীনতা প্ৰাপ্তিৰ তাৰিখ
০১। লিবিয়া	১৯৫১	০২। ইথিওপিয়া	১৯৪৭
০৩। ইটালীয়ান ছোমালিয়া	০১/০৭/৬০	০৪। এৰিট্ৰিয়া	১৯৬০
০৫। মৰক্কো	০২/০৩/৫৬	০৬। টিউনিচিয়া	২০/০৩/৫৬
০৭। চুদান	০১/০১/৫৬	০৮। গুইনা	০২/১০/৫৮
০৯। নাইজাৰ	০৩/০৮/৬০	১০। বুৰকিনাফাছো	০৫/০৮/৬০
১১। আইভৰী কষ্ট	০৭/০৮/৬০	১২। গেবোন	১৭/০৮/৬০
১৩। ছেনিগাল	২০/০৮/৬০	১৪। চেণ্ট্ৰেল আফ্ৰিকান বিপাব্লিক	১৩/০৮/৬০
১৫। কঙ্গো	৩১/০৮/৬০	১৬। কেমেৰুন	০১/০১/৬০
১৭। টগো	২৭/০৪/৬০	১৮। মালী	১৯৬০

১৯। চাদ	১১/০৮/৬০	২০। মাদাগাস্কাৰ	২৬/০৬/৬০
২১। মৌৰিটানিয়া	২৮/১১/৬০	২২। আলজেৰিয়া	০৫/০৭/৬১
২৩। (স্বৰ্ণ উপকূল) ঘানা	০৬/০৩/৫৭	২৪। নাইজেৰিয়া	০১/১০/৬০
২৫। টাঙ্গানিয়া	০৯/১২/৬১	২৬। বৃটিশ ছোমালিয়া	১৯৬০
২৭। কেনিয়া	১২/১২/৬৩	২৮। জিম্বাবোৱে	২৮/০৪/৮০
২৯। বটচোৱানা	৩০/০৯/৬৬	৩০। ইজিপ্ত	২৩/০৭/৫২
৩১। ছিয়েৰা লিয়'ন	২৭/০৪/৬১	৩২। গাম্বিয়া	১৮/০২/৬৫
৩৩। স্পেইনীজ মৰক্কো	১৯৫৬	৩৪। ইকুইটৰিয়েল গুইনা	১২/১০/৬৮
৩৫। স্পেনীজ চাহাৰা	১৯৭৫	৩৬। কঙ্গো (জাইয়েৰী)	৩০/০৬/৬০
৩৭। বুৰুন্দী	০১/০৭/৬২	৩৮। ৰুৱান্দা	০১/০৭/৬২
৩৯। গুইনা বিচাও	২৪/০৯/৭৪	৪০। মোজাম্বিক	২৫/০৬/৭৫
৪১। এঙ্গোলা	১১/১১/৭৫	৪২। বেনিন	১৯৬০
৪৩। উগাণ্ডা	০৯/১০/৬২	৪৪। মালাৱী	০৬/০৭/৬৪
৪৫। জাম্বিয়া	২৪/১০/৬৪	৪৬। লেছোথু	০৪/১০/৬৬
৪৭। মৰিছাছ	১২/০৩/৬৮	৪৮। ছোৱাজিল্যাণ্ড	০৬/০৯/৬৮
৪৯। কেমোৰুজ	০৬/০৭/৭৫	৫০। ছেইচেলিছ	২৮/০৬/৭৬
৫১। জিবৌটী	২৭/০৬/৭৭	৫২। নামিবিয়া	২১/০৩/৯০
৫৩। দক্ষিণ আফ্ৰিকা	১০/০৫/৯৪		

ঘানা, নাইজেৰিয়া, কঙ্গো (জাইয়েৰী), নামিবিয়া, ছোমালিয়া আলজেৰিয়া আৰু দক্ষিণ আফ্ৰিকাৰ স্বাধীনতা আন্দোলনঃ

আফ্ৰিকা মহাদেশৰ উপৰোক্ত দেশসমূহৰ স্বাধীনতা সংগ্ৰামৰ বিষয়ে আলোচনা কৰিলে সেই মহাদেশত সংঘটিত স্বাধীনতা আন্দোলনৰ এটি সম্যক ধাৰণা কৰিব পৰা যাব।

ঘানাঃ

ঘানা দক্ষিণ আটলাণ্টিক মহাসাগৰৰ গুইনা উপসাগৰৰ উপকূলবৰ্তী আফ্ৰিকা মহাদেশৰ এখন ক্ষুদ্ৰ দেশ। হলেণ্ড, ডেনমাৰ্ক আৰু চুইডেনৰ বণিকসকলে সপ্তদশ শতিকাত গুইনা উপসাগৰৰ উপকূলবৰ্তী অঞ্চলত বাণিজ্যিক ঘাটি স্থাপন কৰিছিল। বৃটেইনে ১৮২১ চনত স্বৰ্ণ উপকূলৰূপে পৰিচিত বৰ্তমানৰ ঘানা দখল কৰি তাত এক উপনিবেশ স্থাপন কৰে। ১৮৭৪ চনত তাৰ উত্তৰাংশত ৰাজ্যৰ পৰিসৰ বৃদ্ধি কৰি সমগ্ৰ অঞ্চলটো ইংলেণ্ডৰ ৰাজকীয় উপনিবেশৰূপে স্বীকৃতি দিয়ে। প্ৰথম বিশ্ব যুদ্ধত জাৰ্মানী মিত্ৰ শক্তিৰ হাতত পৰাভূত হোৱাত বৃটেইনে পূৰ্বৰ জাৰ্মান উপনিবেশ ট'গোলেণ্ডৰ ওপৰত তদাৰকী চৰকাৰ গঠন



কোৱামি এনক্ৰুমা

কৰাৰ অধিকাৰ লাভ কৰা সূত্ৰে সেই অঞ্চলটোও বৃটেইনৰ অধীনলৈ আহে।

ভালেমান বছৰৰ পূৰ্বৰেপৰাই স্বৰ্ণ উপকূলৰ বাসিন্দাসকলে স্বায়ত্ব শাসনৰ দাবী কৰি আহিছিল, কিন্তু স্বায়ত্ব শাসনৰ নামত বৃটেইনে তাত যিখিনি ৰাজনৈতিক সা-সুবিধা প্ৰদান কৰিছিল জনসাধাৰণ তাত সন্তুষ্ট হোৱা নাছিল। ফলত ৰাজনৈতিক আন্দোলন চলিয়েই আছিল। দ্বিতীয় বিশ্ব যুদ্ধৰ অন্ত পৰাৰ পিচত সেই আন্দোলনৰ তীব্ৰতা আৰু বৃদ্ধি পাইছিল। সেয়ে বৃটিশ গৃহ চৰকাৰে ১৯৪৬ চনত স্বৰ্ণ উপকূলৰ জনসাধাৰণৰ সন্তুষ্টিৰ বাবে কৃষ্ণাঙ্গসকলৰ সংখ্যা গৰিষ্ঠতাৰ ভিত্তিত চৰকাৰ গঠন কৰিব পৰাকৈ এখন নতুন সংবিধান প্ৰবৰ্তন কৰে।

কিন্তু সেই ব্যৱস্থাই তাৰ বাসিন্দাসকলৰ মন ভুলাব নোৱাৰিলে। কোৱামি এনক্ৰুমাৰ নেতৃত্বত স্বাধীনতা সংগ্ৰামে নতুন গতি লাভ কৰিলে। ১৯৪৯ চনৰ জুন মাহত তেওঁ "Convention of People's Party"এটি গঠন কৰি সংগ্ৰামত অৱতীৰ্ণ হ'ল। তেওঁ ইয়াক সুসংহত ৰাজনৈতিক দল ৰূপে সংগঠিত কৰি তুলিলে আৰু ব্যাপক প্ৰচাৰৰ জড়িয়তে তাক জনসাধাৰণৰ ওচৰ চপাই নিলে। ১৯৫১ চনৰ সাধাৰণ নিৰ্বাচনত এনক্ৰুমাৰ এই ৰাজনৈতিক দলটোৱে বিধান পৰিষদত ৭০ শতাংশ আসন লাভ কৰি সংখ্যা গৰিষ্ঠ দল ৰূপে পৰিগণিত হ'ল। ফলশ্ৰুতিত স্বাধীনতাৰ আকাংক্ষা আৰু বেছি উজ্জ্বল হৈ পৰিল। তাৰ পৰৱৰ্তী আন দুটা সাধাৰণ নিৰ্বাচনতো তেওঁৰ দলেই বিধান পৰিষদত সংখ্যা গৰিষ্ঠতা লাভ কৰিছিল। স্বাধীনতা আন্দোলনৰ তীব্ৰতা আৰু তেওঁৰ জনপ্ৰিয়তা শীৰ্ষত উঠা অৱস্থাতেই কোৱামি এনক্ৰুমাই ১৯৫৬ চনত বিধান পৰিষদত স্বৰ্ণ উপকূলৰ স্বাধীনতাৰ দাবীত এটি প্ৰস্তাৱ উত্থাপন কৰিলে। বিধান পৰিষদে সেই প্ৰস্তাৱ বিপুল ভোটাধিক্যত গ্ৰহণ কৰিলে।

স্বৰ্ণ উপকূলৰ জনসাধাৰণৰ স্বাধীনতাৰ প্ৰতি থকা উচ্চাকাংক্ষাৰ প্ৰতি শ্ৰদ্ধা জনাই বৃটেইনে সেই দেশক স্বাধীনতা দিবলৈ স্বীকাৰ কৰিলে। ১৯৫৭ চনৰ ৬ মাৰ্চত স্বৰ্ণ উপকূল স্বাধীন হৈ ঘানাৰূপে পৰিচিত হৈ পৰিল। ঘানাত বৃটেইনৰ বিৰুদ্ধে স্বাধীনতা আন্দোলনৰ

নেতৃত্ব কৰি কোৱামি এনক্ৰুমা অতিসোনকালেই আফ্ৰিকা মহাদেশৰ নিপীড়িত মানুহৰ মুক্তিৰ মূৰ্ত্ত প্ৰতীক হৈ পৰিল। তেওঁ অকল ঘানাৰেই নহয় সমগ্ৰ আফ্ৰিকাৰেই স্বাধীনতা আন্দোলনৰ নেতাত পৰিণত হ'ল।

ঘানাৰ ৰাজধানী আক্ৰা।

নাইজেৰিয়াঃ

নাইজেৰিয়াও দক্ষিণ আটলাণ্টিক মহাসাগৰৰ গুইনা উপসাগৰৰ উপকূলবৰ্তী আফ্ৰিকীয় দেশ। নাইজেৰিয়াৰ উপকূল অঞ্চল ১৮৯৯ চনত আশ্ৰিত ৰাজ্যৰূপে বৃটেইনৰ শাসনাধীন হয়। ১৯০৩ চনৰপৰা ১৯১৪ চনৰ ভিতৰত নাইজেৰিয়াৰ উত্তৰাংশৰ অৱশিষ্ট সমূদায় এলেকা বৃটেইনৰ অধিকাৰলৈ আহে। তাৰ বাবে বৃটেইনে ভালেমান বছৰ ধৰি সামৰিক অভিযান চলাব লগা হয়। আফ্ৰিকাত থকা বৃটেইনৰ উপনিবেশসমূহৰ ভিতৰত নাইজেৰিয়াই আছিল আটাইতকৈ বৃহৎ।

বৃটিশৰ আমোলত নাইজেৰিয়াৰ একাংশ উচ্চবিত্ত লোকে পশ্চিমৰ বিভিন্ন দেশত আধুনিক শিক্ষা আহৰণ কৰাৰ সুবিধা লাভ কৰিছিল। সময়ত এই উচ্চ শিক্ষাৰে শিক্ষিত লোকসকলেই নাইজেৰিয়াত স্বাধীনতা আন্দোলনৰ গুৰি ধৰিছিল। সেইসকলৰ ভিতৰত উল্লেখযোগ্য ব্যক্তি আছিল ডঃ নামডি আজিকিউৱে (১৯০৪-) (Dr Nnamdi Azikiwe)। তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰৰ লিংকলন কলেজ আৰু পেনছিলভেনিয়া বিশ্ববিদ্যালয়ত উচ্চ শিক্ষা লাভ কৰিছিল। উচ্চ শিক্ষা সাং কৰি নিজ দেশলৈ ওভতি অহাৰ পিচত তেওঁ জাতীয় স্বাধীনতা আন্দোলনৰ সৈতে জড়িত হৈ পৰে আৰু দুকুৰি বছৰৰ দেওনা পাৰ নৌ-হওতেই নাইজেৰিয়াৰ শীৰ্ষস্থানীয় ৰাজনৈতিক নেতাত পৰিণত হয়। নাইজেৰিয়াত সংঘটিত বৃটিশ বিৰোধী জাতীয়তাবাদী স্বাধীনতা আন্দোলনৰ ফলশ্ৰুতিত ১৯৬০ চনৰ ১ অক্তোবৰৰপৰা এইখন বৃটিশ উপনিবেশ স্বাধীন ৰাষ্ট্ৰৰূপে পৰিগণিত হয়। স্বাধীনতা প্ৰাপ্তিৰপৰা ১৯৯৪ চনলৈ নাইজেৰিয়াত মুঠতে ৩২ টা সামৰিক অভ্যুত্থান (military coup) সংঘটিত হৈছে। এই ঘটনাই নাইজেৰিয়াৰ ৰাজনৈতিক অস্থিৰতা সূচায়।

ইয়াৰ ৰাজধানী আবুজা।

কঙ্গোঃ

বৰ্তমান জাইয়েৰীৰূপে পৰিগণিত আফ্ৰিকাৰ এই স্বাধীন দেশখন বেলজিয়ামৰ উপনিবেশ আছিল কাৰণে তাক বেলজিয়াম কঙ্গো বুলিছিল। কঙ্গোত উপনিবেশ স্থাপনক কেন্দ্ৰ কৰি উনবিংশ



পেট্ৰিছ লুমুম্বা
(১৯২৬-৬১)

শতিকাৰ শেহৰ পিনে পর্টুগাল, ফ্ৰান্স, জাৰ্মানী, বেলজিয়াম আৰু ইংলেণ্ডৰ মাজত যথেষ্ট ৰাজনৈতিক উত্তেজনাৰ সৃষ্টি হৈছিল। ১৮৮৪-৮৫ চনত বার্লিনত স্বাক্ষৰিত এক আন্তৰ্ৰাষ্ট্ৰীয় চুক্তিৰ মাধ্যমত কঙ্গো অৱবাহিকাত বেলজিয়ামৰ আধিপত্য মানি লোৱা হৈছিল। ইয়াৰ পিচৰপৰাই ১৯০৮ চনলৈ কঙ্গো বেলজিয়ামৰ ৰজা দ্বিতীয় লি'ওপল্ডৰ অধীনত ব্যক্তিগত ৰাজকীয় সম্পত্তিৰূপে 'কঙ্গো ফ্ৰি ষ্টেট' নামে ভূমিকাত থাকি গৈছিল। ১৯০৮ চনৰপৰা ৰজাৰ ব্যক্তিগত সম্পত্তিৰ পৰিবৰ্তে কঙ্গো বেলজিয়ামৰ উপনিবেশত পৰিণত হয়।

দ্বিতীয় মহাযুদ্ধৰ পিচত কঙ্গোতো জাতীয়তাবাদী মুক্তি আন্দোলনৰ সূত্ৰপাত হয়। কঙ্গোৰ এই মুক্তি আন্দোলনৰ নেতৃত্ব দিয়ে পেট্ৰিছ লুমুম্বা (১৯২৬-৬১) (Patrice Lumumba) নামে সেই দেশৰ ডাক বিভাগত কেৰাণীৰূপে জীৱিকা অৰ্জন কৰিবলৈ লোৱা থলুৱা লোক এজনে। ডেকা অৱস্থাতে তেওঁ বামপন্থী ৰাজনীতিৰ সংস্পৰ্শলৈ আহে আৰু ছোভিয়েট ৰাছিয়াৰ প্ৰতি আকৰ্ষিত হয়। ১৯৫৭ চনত তেওঁ কঙ্গোবাসীৰ জাতীয় আন্দোলন (Congolese National Movement) শীৰ্ষক ৰাজনৈতিক দল এটি সংগঠিতকৰে। পিচৰ বছৰত ঘানাৰ ৰাজধানী আক্ৰাত অনুষ্ঠিত নিখিল আফ্ৰিকা মহা সম্মিলনত অংশ গ্ৰহণ কৰে আৰু তাতেই তেওঁ পোন প্ৰথমবাৰৰ বাবে ইজিপ্তৰ প্ৰেছিডেন্ট নাছেৰ আৰু ঘানাৰ প্ৰেছিডেন্ট এনক্ৰুমাৰ সৈতে ঘনিষ্ঠ সংস্পৰ্শলৈ আহে।

সি যি কি নহওক, তেওঁ নেতৃত্ব দিয়া জাতীয়তাবাদী মুক্তি আন্দোলনে ১৯৫৭-৬০ ৰ কালছোৱাত ব্যাপক জন সমৰ্থন লাভ কৰে। ইফালে বেলজিয়ামৰ সেনা বাহিনীত কৰ্মৰত কঙ্গোৰ থলুৱা সৈনিকসকলেও স্বাধীনতাৰ দাবীত ভালেমান ঠাইত বিদ্ৰোহত চামিল হৈ পৰিল। তেওঁলোকে বিদেশী সামৰিক (বেলজিয়ামৰ) বিষয়াসকলৰ নিৰ্দেশ অমান্য কৰিবলৈ ধৰিলে। এইবিলাকৰ পৰিপ্ৰেক্ষিতত বেলজিয়াম চৰকাৰে ১৯৬০ চনৰ ৩০ জুনত কঙ্গোক স্বাধীনতা প্ৰদান কৰে। এই নতুন ৰাষ্ট্ৰখনৰ প্ৰেছিডেন্ট আৰু প্ৰধানমন্ত্ৰীৰূপে যথাক্ৰমে কাছাভাবু আৰু পেট্ৰিছ লুমুম্বাই কাৰ্যভাৰ গ্ৰহণ কৰে।

এই ঘটনাৰ ঠিক পিচতেই কাটাঙ্গা নামে প্ৰদেশখনৰ গৱৰ্ণৰজনে বিদেশী ভেৰোণীয়া সৈনিকৰ সমৰ্থনত পৃথকত্ববাদী আন্দোলনৰ নেতৃত্ব কৰিবলৈ লয়। ইফালে কঙ্গোৰ চৰকাৰৰ অনুৰোধক্ৰমে ৰাষ্ট্ৰসংঘই কঙ্গোৰ ৰাজনৈতিক সমস্যাৰ শান্তিপূৰ্ণ সমাধানৰ বাবে জুলাই মাহৰ মাজভাগত কঙ্গোত সামৰিক হস্তক্ষেপ কৰে। পৃথকত্ববাদী আন্দোলনৰ ধামখুমীয়াতে সেই আন্দোলনৰ নেতা মইছে টছোম্বেৰ (১৯১৯-৬৯) (Moise Tshombe) নিৰ্দেশত ১৯৬১ চনৰ ১৭ জানুৱাৰীত পেট্ৰিছ লুমুম্বাক হত্যা কৰা হয়। পেট্ৰিছ লুমুম্বাক আমেৰিকা যুক্তৰাষ্ট্ৰৰ গুপ্তচৰ সংস্থা চিয়াৰ (CIA, Central Intelligence Agency) পৰিকল্পনা মতে হত্যা কৰা হৈছিল বুলি পিচত সাব্যস্ত কৰা হৈছে। লুমুম্বা আফ্ৰিকাৰ মুক্তি আন্দোলনৰ

অন্যতম প্ৰভাৱশালী নেতা আছিল।

সি যি কি নহওক, প্ৰায় দুবছৰ ধৰি নেৰা-নপৰা চেষ্টাৰ পিচত নিৰাপত্তা পৰিষদৰ সামৰিক সাহায্যৰ পৰিণতিত কঙ্গো কাটাঙ্গাৰে সৈতে একত্ৰিতভাৱে স্বাধীন ৰাষ্ট্ৰৰূপে বৰ্তি থাকিবলৈ পাৰিছে।

১৯৭১ চনৰ ২৭ অক্টোবৰৰপৰা কঙ্গোক নতুনকৈ জাইয়েৰীৰূপে নামাকৰণ কৰা হৈছে। দেশখনৰ মাজেৰে বৈ যোৱা জাইয়েৰী নদীৰ নামানুসাৰে দেশখনৰ নামো জাইয়েৰী কৰা হৈছে।

ইয়াৰ ৰাজধানী কিনছাচা(Kinshasa)।

(জাইয়েৰীৰ পশ্চিমে আৰু গাবোনৰ পূৱত অৰ্থাৎ উক্ত দুয়োখন দেশৰ মাজত কঙ্গো নদীৰ নামেৰে কঙ্গো নামে আৰু এখন ক্ষুদ্ৰ দেশ আছে। এই দেশখন এসময়ত পূৰ্বৰ বেলজিয়াম কঙ্গোৰ অংগ আছিল। ১৯৬০ চনৰ ৩১ আগষ্টত এই দেশখন স্বাধীন হয়। ইয়াৰ ৰাজধানী ব্ৰাজাভিলা।)

নামিবিয়াঃ

আফ্ৰিকাৰ পশ্চিম উপকূলত আৰু দক্ষিণ আফ্ৰিকাৰ উত্তৰত অৱস্থিত এই দেশখন জাৰ্মানীৰ উপনিবেশ আছিল। ১৮৮৪-৯০ চনৰ কালছোৱাত উত্তৰৰ ডামাৰলেণ্ড আৰু দক্ষিণৰ নামালেণ্ডক লৈ জাৰ্মানীয়ে বিচমাৰ্কৰ আমোলতে তাত উপনিবেশ স্থাপন কৰিছিল। সেই সূত্ৰে অঞ্চলটো জাৰ্মান দক্ষিণ-পশ্চিম আফ্ৰিকাৰূপে জনাজাত আছিল। ১৯১৫ চনত এই অঞ্চলটো জাৰ্মানীৰপৰা দক্ষিণ আফ্ৰিকাই কাঢ়ি লৈ তাত নিজৰ শাসন চলাইছিল। দ্বিতীয় বিশ্ব যুদ্ধৰ পিচত দক্ষিণ আফ্ৰিকাই তাক নিজ ৰাজ্যৰ সৈতে চামিল কৰাৰ চেষ্টা কৰিছিল। কিন্তু তাত ছাম নাজুমাৰ নেতৃত্বত ১৯৬০ চনত সংগঠিত শোৱাপোৰ South-West African People's Organisation for Namibia, SWAPO) নেতৃত্বত প্ৰতিৰোধ আৰু স্বাধীনতা সংগ্ৰাম গঢ় লৈ উঠিছিল। উক্ত সংগঠনৰ সদস্যসকলে দেশখনৰ বিভিন্ন অঞ্চলত গৰিলা সংগ্ৰামৰ সূচনা কৰি দক্ষিণ আফ্ৰিকাৰ আগ্ৰাসান প্ৰতিৰোধ কৰি নিজ দেশৰ স্বাধীনতাৰ পথ মুকলি কৰি লৈছিল।

নামিবিয়াই স্বাধীনতা পোৱাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘই এক উল্লেখনীয় ভূমিকা পালন কৰিছিল। ১৯৭১ চনত ৰাষ্ট্ৰসংঘই শোৱাপোক নামিবিয়াৰ জনসাধাৰণৰ একমাত্ৰ আৰু প্ৰত্যায়িত ৰাজনৈতিক প্ৰতিনিধি ৰূপে স্বীকৃতি দিয়ে। তাৰ পৰবৰ্তী কালতো, বিশেষকৈ ১৯৭৬ চনৰ ৩০ জানুৱাৰীত, নিৰাপত্তা পৰিষদে নামিবিয়াৰ স্বাধীনতাৰ সপক্ষে পাঁচখন সদস্য-ৰাষ্ট্ৰই উত্থাপন কৰা প্ৰস্তাৱ এটি গ্ৰহণ কৰে। একফালে আভ্যন্তৰীণভাৱে স্বাধীনতা সংগ্ৰাম আৰু আনফালে বৈদেশিক দিশত আন্তৰ্ৰাষ্ট্ৰীয় সমৰ্থন আৰু হেঁচাৰ শেষত দক্ষিণ

আফ্ৰিকাই নামিবিয়াৰপৰা তেওঁলোকৰ অধিকাৰ প্ৰত্যাহাৰ কৰিবলৈ সন্মত হয় আৰু ১৯৯০ চনৰ ২১ মাৰ্চত নামিবিয়া স্বাধীন ৰাষ্ট্ৰৰূপে প্ৰতিভাত হয়। ছাম নাজুমাই সেইদিনাখনেই এই নতুন ৰাষ্ট্ৰখনৰ প্ৰেছিডেন্টৰূপে কাৰ্যভাৰ গ্ৰহণ কৰে।

নামিবিয়াৰ ৰাজধানী উইনধোক।

ছোমালিয়াঃ

পূৰ্বৰ ইটালীয়ান ছোমালিলেণ্ড আৰু বৃটিশ ছোমালিলেণ্ডক একত্ৰিত কৰি ১৯৬০ চনৰ ১ জুলাই তাৰিখে বৰ্তমানৰ ছোমালিয়াৰ সৃষ্টি কৰা হয়। এই দেশখন আফ্ৰিকা মহাদেশৰ পূৰ্ব উপকূল তথা ভাৰত মাহসাগৰৰ পাৰত অৱস্থিত। এই অঞ্চলৰ উত্তৰাংশত এডেনৰ ওচৰৰপৰা দক্ষিণলৈ পোনতে বৃটেইনে ১৮৮৪ চনত উপনিবেশ স্থাপন কৰিছিল। তাৰ পিচত ইটালীয়ে দক্ষিণৰ সমুদায় অংশটো দখল কৰি তাত তেওঁলোকৰ উপনিবেশ স্থাপন কৰে। ১৯৪১-৫০ ৰ কালছোৱাত বৃটেইনে ইটালীক বিতাড়িত কৰি সমগ্ৰ অঞ্চলটো নিজৰ অধিকাৰলৈ আনে। এনেতে ৰাষ্ট্ৰসংঘই ছোমালিয়াৰ শাসনৰ ক্ষেত্ৰত ইটালীক ন্যাসৰক্ষী পাতি সেই দেশখনৰ স্বাধীনতাৰ পথ উন্মুক্ত কৰে। পূৰ্বে উল্লেখ কৰি অহা তাৰিখতে ছোমালিয়াক স্বাধীন ৰাষ্ট্ৰৰূপে স্বীকৃতি দিয়া হয় আৰু তেতিয়াৰপৰা ছোমালিয়া এখন প্ৰজাতান্ত্ৰিক দেশ ৰূপে বৰ্তি আছে।

মোগাদিছু ইয়াৰ ৰাজধানী।

আলজেৰিয়াঃ

আলেজেৰিয়া আফ্ৰিকা মহাদেশৰ উত্তৰ-পশ্চিম প্ৰান্তত অৱস্থিত এখন ভূমধ্য সাগৰীয় দেশ। এই দেশৰ ভূমধ্য সাগৰীয় উপকূল ৰেখা প্ৰায় ১০০০ কিলো মিটাৰ দৈৰ্ঘ্যৰ। ১৮৩০-৬০ৰ কালছোৱাত ফ্ৰান্সে সামৰিক অভিযান পঠিয়াই আলজেৰিয়াক নিজৰ দখললৈ আনে।

দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত জেনেৰেল ডি গলৰ নেতৃত্বত ফেছিষ্ট আগ্ৰাসন প্ৰতিৰোধ কৰিবলৈ জাতীয় মুক্তি সমিতি গঠন কৰি প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তোলা হৈছিল। যুদ্ধ অন্ত পৰিলে আলজেৰিয়াক স্বাধীনতা প্ৰদান কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়াৰ পিচতো জেনেৰেল ডি গলৰ নেতৃত্বত গঠিত ফৰাছী সামৰিক শাসনে সেই প্ৰতিশ্ৰুতি পালন নকৰিলে। ফলত আফ্ৰিকাৰ অন্যান্য দেশৰ দৰে আলজেৰিয়াতো ফ্ৰান্সৰ বিৰুদ্ধে স্বাধীনতা আন্দোলন সংগঠিত হৈ পৰিল।

ফৰাছী সেনা বাহিনীত সৈনিকৰূপে কাম কৰা বেন বেলা নামে প্ৰাক্তন সৈনিক এজনে ১৯৪৭ চনত আলজেৰিয়াৰ মুক্তি আন্দোলনৰ নেতা হৈ পৰিল। ১৯৫০ চনত ফৰাছী চৰকাৰে তেওঁক বন্দী কৰি জেইলত ৰাখিলে, তেওঁ তাৰপৰা ১৯৫২ চনত কাইৰোলৈ পলায়ন কৰে আৰু তাতেই ১৯৫৪ চনত আলজেৰিয়াৰ জাতীয় মুক্তি বাহিনী (National

Liberation Front) গঢ়ি তুলিলে। আৰম্ভ হ'ল ফ্ৰান্সৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰাম।

১৯৫৮ চনত আলজেৰিয়াৰ মুক্তি বাহিনীয়ে দেশৰ স্বাধীনতা ঘোষণা কৰি অস্থায়ী চৰকাৰ গঠন কৰিলে। এই ঘটনাৰ লগে লগে ফ্ৰান্সে আলজেৰিয়াত নিৰ্মম নিপীড়ন আৰম্ভ কৰিলে। দেশখনত প্ৰায় ৮,০০,০০০ আঠ লাখ ফৰাছী সৈনিক মেলি দিলে আলজেৰিয়াৰ স্বাধীনতা সংগ্ৰাম মশীমূৰ কৰিবলৈ। কিন্তু তাৰ মাজতো বিশ্বৰ বহু দেশেই আলজেৰিয়াৰ অস্থায়ী চৰকাৰক আন্তৰাষ্ট্ৰীয় স্বীকৃতি দিলে। উপায়বিহীন হৈ অৱশেষত জেনেৰেল ডি গলে আলজেৰিয়াৰ স্বাধীনতাৰ প্ৰশ্নটোৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় মতামত পাবলৈ ১৯৬০ চনত ফ্ৰান্সত 'ৰেফাৰেণ্ডাম' পাতিলে। আনন্দৰ কথা যে ফৰাছী জনসাধাৰণে বিপুল ভোটাধিক্যত আলজেৰিয়াৰ স্বাধীনতাৰ দাবীটো মানি ললে।

দেশৰ স্বাধীনতা যুদ্ধত ফৰাচী সৈনিকৰ হাতত প্ৰায় ১৫,০০,০০০ পোন্ধৰ লাখ লোকৰ মৃত্যুৰ বিনিময়ত ১৯৬২ চনৰ ৩ জুলাই তাৰিখে আলজেৰিয়া ফ্ৰান্সৰ কবলৰপৰা মুক্ত হৈ স্বাধীন হৈ পৰিল। দেশে স্বাধীনতা পোৱাৰ পিচত বেন বেলা প্ৰধানমন্ত্ৰী হয় আৰু ১৯৬৩ চনত তেওঁ প্ৰজাতন্ত্ৰিক আলজেৰিয়াৰ প্ৰেছিডেণ্ট হয়।



২৭ বছৰ জেইল জীৱন কটোৱাৰ (১৯৬২) পূৰ্বৰ নেলছন মেণ্ডেলা

আলজেৰিয়াৰ ৰাজধানী হ'ল ভূমধ্য সাগৰীয় বন্দৰ-চহৰ আলজিয়াৰ্ছ।

দক্ষিণ আফ্ৰিকাঃ

দক্ষিণ আফ্ৰিকা নামে কামে দক্ষিণ আফ্ৰিকা। এই দেশখন আফ্ৰিকা মহাদেশৰ একেবাৰে দক্ষিণ প্ৰান্তত অৱস্থিত। দক্ষিণ আফ্ৰিকা বৃটেইনৰ দখলাধীন আছিল। দক্ষিণ আফ্ৰিকা আৰম্ভণীতে শ্বেতাঙ্গসকলৰ চাৰিখন পৃথক পৃথক উপনিবেশ আছিল—উত্তমাশা অন্তৰীপক কেন্দ্ৰ কৰি থকা অঞ্চলটো, নাটাল, ট্ৰানছভাল আৰু অৰেঞ্জ ফ্ৰি ষ্টেট। ১৯০৯ চনত বৃটিশ সংসদে গ্ৰহণ কৰা দক্ষিণ আফ্ৰিকা বিধি (South Africa Act,1909) মৰ্মে ১৯১০ চনত উক্ত চাৰিখন

উপনিবেশ একত্ৰিত কৰি সংযুক্ত দক্ষিণ আফ্ৰিকা (Union of South Africa) গঠন কৰা হয়। উল্লেখিত বিধি মতে দক্ষিণ আফ্ৰিকাত বৃটিশ আৰু ওলন্দাজ বংশধৰসকলে, অৰ্থাৎ সংখ্যা লঘিষ্ঠ শ্বেতাঙ্গসকলে সামানাধিকাৰৰ ভিত্তিত ৰাজনৈতিক অধিকাৰ ভোগ কৰিব পাৰিব, আনহাতে সংখ্যা লঘিষ্ঠ কৃষ্ণাঙ্গসকলৰ কোনো ৰাজনৈতিক অধিকাৰ নাথাকিব।

উল্লেখিত বিধিখন কাৰ্যকৰী কৰাৰ লগে লগে ১৯১০ চনৰ ৩১ মে'ত জেনেৰেল লুই বোথা (১৮৬২-১৯১৯) (Louis Botha) দক্ষিণ আফ্ৰিকাৰ প্ৰধান মন্ত্ৰী হয়। তেতিয়াৰপৰাই দক্ষিণ আফ্ৰিকাত বিধিগতভাৱে বৰ্ণ বৈষম্যবাদ নীতি কঠোৰভাৱে প্ৰবৰ্তন কৰি কৃষ্ণাঙ্গসকলক অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, শৈক্ষিক, সাংস্কৃতিক সকলো মানবীয় অধিকাৰৰপৰা বঞ্চিত কৰা হয়।

দক্ষিণ আফ্ৰিকাৰ শ্বেতাঙ্গসকলক আফ্ৰিকানাৰ বোলা হৈছিল। ইয়াত বৰ্ণ বৈষম্যবাদী নীতিৰ আধাৰত গঠিত শ্বেতাঙ্গসকলৰ ৰাজনৈতিক সংগঠন আছিল জাতীয়তাবাদী দল (Nationalist Party) আৰু ১৯১৪-১৫ চনত সংগঠিত এই দলৰ সংগঠক আছিল জেনেৰেল হাৰযোগ (১৮৬৬-১৯৪২) (General James Barry Munnik Hertzog)। এই লোকজনকে আফ্ৰিকাৰ শ্বেতাঙ্গ শাসকসকলে অনুসৰণ কৰা বৰ্ণ বৈষম্যবাদী (Apartheid) নীতিৰ পিতৃ পুৰুষ বুলি কোৱা হয়।

১৯৩৪ চনত বৃটিশ সংসদে গ্ৰহণ কৰা অন্য এখন বিধি মতে দক্ষিণ আফ্ৰিকাক স্বাধীন সাৰ্বভৌম ৰাষ্ট্ৰৰ স্বীকৃতি দিয়া হয় আৰু লগতে ইচ্ছা কৰিলে সেই দেশখনক বৃটিশ ৰাজমুকুটৰ অধীনৰপৰা আঁতৰি আহিবলৈও অনুমতি প্ৰদান কৰা হয়। ১৯৬১ চনৰ ৩১ মে'ৰ দিনা দক্ষিণ আফ্ৰিকা বৃটেইনৰপৰা সম্পূৰ্ণৰূপে মুক্ত হৈ পৰে। তাৰো ভালেমান বছৰৰ পুৰ্বে ড° মালান নামে নেতাজন ১৯৪৮ চনত প্ৰধান মন্ত্ৰী হোৱাৰপৰা তাত বৰ্ণ বৈষম্যবাদ আৰু বেছি কঠোৰভাৱে প্ৰয়োগ কৰা হয়। ফলত দক্ষিণ


ৰাজনৈতিক সহযোগীৰ সৈতে মেণ্ডেলা

লোকে অৱশিষ্ট ২০/২৫ শতাংশ

শ্বেতাঙ্গ লোকৰ হাতত প্ৰতি নিয়ত লাঞ্ছিত অপমানিত আৰু নিৰ্যাতিত হৈ আহিবলৈ বাধ্য হয়।

সংখ্যা লঘিষ্ঠ শ্বেতাঙ্গ শাসনকৰ্তাসকলে দক্ষিণ আফ্ৰিকাত আৰম্ভণিৰেপৰাই চলাই অহা এই বৰ্ণ বৈষমাবাদী নীতিৰ পৰিপ্ৰেক্ষিতত কৃষ্ণাঙ্গসকলৰ মাজত চূড়ান্ত ক্ষোভ আৰু প্ৰতিবাদৰ সৃষ্টি হয় আৰু তাকেই সুসংহতভাৱে শ্বেতাঙ্গসকলৰ বিৰুদ্ধে ৰাজনৈতিক দিশত পৰিচালিত কৰাৰ বাবে ১৯১২ চনত ব্লুফন্টেইনত (Bloemfontein) আফ্ৰিকীয় জাতীয় কংগ্ৰেছৰ (African National Congress, ANC) জন্ম হয়। ১৯২৬ চনত ভাৰতীয় বংশোদ্ভৱ কৃষ্ণাঙ্গ লোকসকলেও তাত সহযোগ কৰে আৰু তাৰেই পৰিণতিত আফ্ৰিকাৰ জাতীয় কংগ্ৰেছৰ কাৰ্য ক্ৰমনিকাত ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ প্ৰভাৱ পৰিবলৈ ধৰে। দক্ষিণ আফ্ৰিকাৰ শ্বেতাঙ্গ চৰকাৰে ১৯৬১ চনত কংগ্ৰেছক বেআইনী ঘোষণা কৰে আৰু লগতে কংগ্ৰেছৰ নেতা কৰ্মীসকলৰ ওপৰত অকথিত নিৰ্যাতন-নিপীড়ন আৰম্ভ কৰিবলৈ ধৰে। হাজাৰ হাজাৰ কৃষ্ণাঙ্গ লোকক বহু বছৰলৈ জেইলত ভাৰই ৰাখিলে। ১৯৬৩ চনত কংগ্ৰেছৰ সভাপতি নেলছন মেণ্ডেলাকো গ্ৰেপ্তাৰ কৰি ভালেমান বছৰলৈ জেইলত ভাৰাই ৰাখিলে।

এই নিৰ্যাতনৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ বিশ্বতে প্ৰতিবাদৰ জোঁৱাৰ উঠিল। মানৱ অধিকাৰ ভঙ্গ কৰাৰ অভিযোগত সমগ্ৰ বিশ্বতে দক্ষিণ আফ্ৰিকাৰ শ্বেতাঙ্গ শাসকসকলক ধিক্কাৰ দিয়া হ'ল। ৰাষ্ট্ৰসংঘইও প্ৰতিবাদ জনালে। কিন্তু কি হ ষ? দ্বিতীয় বিশ্ব যুদ্ধৰ পিচৰপৰাই দক্ষিণ আফ্ৰিকাই ৰাষ্ট্ৰসংঘৰ প্ৰস্তাৱৰ প্ৰতি বুঢ়া আঙুলি প্ৰদৰ্শন কৰি আহিছিল। এনে এটি অৱস্থাত দক্ষিণ আফ্ৰিকাত শ্বেতাঙ্গ শাসক বিৰোধী আন্দোলনে হিংস্ৰ পথ গ্ৰহণ কৰিলে। ব্যাপক হাৰত দেশখনৰ বিভিন্ন অঞ্চলত কূটঘাতমূলক হিংসাশ্ৰয়ী ৰাজনৈতিক কাম-কাজৰ সূচনা আৰু বিস্তৃতি ঘটিল। ইতিমধ্যে ১৯৭৫ চনত পৰ্টুগীজ উপনিবেশ এঙ্গোলা আৰু মোজাম্বিকে স্বাধীনতা লাভ কৰিলে। তাৰ প্ৰভাৱো দক্ষিণ আফ্ৰিকাত বৰ ক্ৰিয়াশীল হৈ পৰিল।

অৱশেষত বিশ্ব জনমতৰ হেঁচা আৰু ৰাষ্ট্ৰসংঘৰ চেষ্টাত ১৯৮৯ চনৰপৰা লাহে লাহে শ্বেতাঙ্গ শাসনকৰ্তাসকলৰ মন ঃ শুভবুদ্ধিৰ উদয় হ'বলৈ ধৰে। তাৰ পিচৰ বছৰৰপৰা তেওঁলোকে বৰ্ণ বৈষম্যবাদ পৰিহাৰৰ ঃ ৰাব প্ৰথম পদক্ষেপ ৰূপে আফ্ৰিকীয় জাতীয় কংগ্ৰেছ, কমিউনিষ্ট দল আৰু অন্যান্য ৰাজনৈতিক দল-উপদলৰ ওপৰত প্ৰয়োগ কৰা নিষেধাজ্ঞা বাতিল কৰি বন্দী ৰাজনৈতিক নেতা-কৰ্মীসকলক মুকলি কৰি দিবলৈ ধৰিলে। সুদীৰ্ঘ ২৭ বছৰ জেইলত থকাৰ পিচত নেলছন মেণ্ডেলাইও জেইলৰপৰা মুক্ত হ'ল। আভ্যন্তৰীণভাৱে কৃষ্ণাঙ্গসকলৰ বিদ্ৰোহ আৰু বিশ্ব জনমতৰ সন্মুখত তিষ্টিব নোৱাৰি দক্ষিণ আফ্ৰিকাৰপৰা

বৰ্ণ বৈষম্যবাদে মেলানি মাগিলে। ১৯৯৪ চনৰ ২৬-২৯ এপ্ৰিলৰ দিনা অনুষ্ঠিত সাধাৰণ নিৰ্বাচনত আফ্ৰিকীয় জাতীয় কংগ্ৰেছে ৬২ ৬ শতাংশ, ইকাথা ফ্ৰিদম পাৰ্টি ১০ ৫ শতাংশ, আৰু শাসকীয় জাতীয় পাৰ্টিয়ে ২ ৪ শতাংশ ভোট লাভ কৰাৰ লগে লগে নেলছন মেণ্ডেলাৰ নেতৃত্বত আফ্ৰিকীয় জাতীয় কংগ্ৰেছে চৰকাৰ গঠন কৰে। তেওঁ ১৯৯৪ চনৰ ১০ মে' তাৰিখে দক্ষিণ আফ্ৰিকাৰ প্ৰেছিডেণ্টৰূপে কাৰ্যভাৰ গ্ৰহণ কৰে। লগে লগে দক্ষিণ আফ্ৰিকাৰ ইতিহাসত এটি নতুন যুগৰ সূচনা হ'ল।

পশ্চিম এছিয়া আৰু উত্তৰ আফ্ৰিকাৰ ৰাজনৈতিক ঘটনাৱালীঃ ইজিপ্ত, ইজৰায়েল, ছিৰিয়া, লেবানন আৰু অন্যান চুবুৰীয়া দেশৰ সমস্যাঃ

প্ৰথম বিশ্ব যুদ্ধৰ সময়ৰপৰাই পশ্চিম এছিয়া আৰু উত্তৰ আফ্ৰিকাৰ দেশসমূহত ভালেমান ৰাজনৈতিক পৰিবৰ্তন সংঘটিত হয়। দুটা প্ৰধান ঘটনাই উত্তৰ আফ্ৰিকাক বিশেষকৈ ইজিপ্ত আৰু পশ্চিম এছিয়াক আন্তৰাষ্ট্ৰীয় ৰাজনীতিত বিশেষ গুৰুত্ব প্ৰদান কৰিছে। প্ৰথমটো হ'ল ছুয়েজ খালৰ সৃষ্টি আৰু ইজিপ্তৰ স্বাধীনতা আন্দোলন আৰু দ্বিতীয়টো হ'ল পেলেষ্টাইনক বিভাজিত কৰি নতুন ইহুদি ৰাষ্ট্ৰ ইজৰায়েলৰ সৃষ্টি। দুয়োটা ঘটনাই বিশ্ব ইতিহাসত ভালেমান বছৰৰপৰা এক অশান্ত ঘূৰ্ণি বতাহৰ সৃষ্টি কৰি আহিছে।

তদুপৰি দ্বিতীয় বিশ্ব যুদ্ধৰ পিচত পশ্চিম এছিয়াত সংঘটিত ৰাজনৈতিক-সামৰিক সংঘৰ্ষৰ মূল কাৰণ হ'ল ছোভিয়েট ৰাছিয়াৰ নেতৃত্বত কমিউনিজমৰ প্ৰভাৱৰ আশংকাৰ পৰিণতি স্বৰূপে এফালে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত পশ্চিমীয়া দেশসমূহৰ দ্বাৰা ইজৰায়েলৰ সৃষ্টি আৰু আনফালে আৰব দেশসমূহৰ মাজত জাতীয়তাবাদৰ বিকাশ আৰু তেওঁলোকৰ সামূহিক চেষ্টাত ইজৰায়েলৰ ৰাজনৈতিক অস্তিত্বৰ প্ৰতি প্ৰত্যাহ্বান। এই দুয়োটা ঘটনাৰ প্ৰতি দৃষ্টি ৰাখিয়েই উত্তৰ আফ্ৰিকা আৰু পশ্চিম এছিয়াৰ বিষয়ে তলত সবিশেষ আলোচনা কৰা হ'ল। এইখিনিতে উল্লেখ কৰিব পাৰি যে উত্তৰ আফ্ৰিকাৰ ইজিপ্ত আৰু আলোচনা কৰিবলৈ লোৱা মধ্য এছিয়াৰ দেশসমূহ প্ৰায় ১৯১৮ চনলৈ তুৰস্ক তথা অ'টোমেন সাম্ৰাজ্যৰ তলতীয়া আছিল।

ইজিপ্তঃ

গ্ৰীক ঐতিহাসিক হিৰোডটাছে ইজিপ্তক নীল নদীৰ দান ("Gift of the Nile") বুলি কৈছিল। এই দেশখন এক সুপ্ৰাচীন সভ্যতাৰ গৃহভূমি। খৃষ্টাব্দপূৰ্ব ৫,০০০ হাজাৰ বছৰৰ আগতে ইয়াত নীল নদীক কেন্দ্ৰ কৰি এক সভ্যতাৰ বিকাশ হৈছিল। পূবে লোহিত সাগৰ আৰু উত্তৰে ভূমধ্য সাগৰৰ দ্বাৰা বিধৌত উপকূল ৰেখাৰে পৰিবেষ্টিত এই দেশখনৰ পশ্চিমে আছে লিবিয়া আৰু দক্ষিণত চুদান। ইউগাণ্ডাত উৎপত্তি লাভ কৰা নীল নদী চুদান আৰু ইজিপ্তৰ মাজেৰে বৈ গৈ ভূমধ্য সাগৰত পৰিছে। ইজিপ্তৰ মাজেৰে ছুয়েজ খাল

খান্দি ভূমধ্য আৰু লোহিত সাগৰক সংলগ্ন কৰাৰ ফলত বাণিজ্যিক সুবিধাৰ সৃষ্টি হোৱাৰ লগতে সামুদ্ৰিক যাত্ৰা পথৰো দৈৰ্ঘ বহুলাংশে হ্ৰাস পাইছে। বৃটেইনৰপৰা প্ৰায় ৪০ শতাংশ অৰ্থ সাহায্য লৈ ফ্ৰান্সৰ দ্বাৰা গঠিত ছুয়েজ কেনেল কোম্পানীৰ নেতৃত্বত ফৰাছী কাৰিকৰী বিশেষজ্ঞসকলে ১৮৫৯-৬৯ ৰ কালছোৱাত এই ছুয়েজ খালটো খান্দি উলিয়াইছিল।

ইজিপ্ত ১৯১৪ চনলৈ তুৰস্কৰ অধীনত অটোম্যান সাম্ৰাজ্যৰ অঙ্গ ৰাজ্যৰূপে বৰ্তি আছিল। সেই বছৰতে প্ৰধানতঃ ছুয়েজ খালৰ প্ৰতিৰক্ষাৰ দোহাই দি বৃটেইনে ইজিপ্তক নিজৰ অধিকাৰলৈ আনে। অৱশ্যে তাৰো ভালেমান বছৰৰ পূৰ্বৰেপৰাই (১৮৮৩ চনৰপৰা ১৯০৭ চনলৈ) ইজিপ্তত বৃটিশ ৰাজমুকুটৰ এজেন্টৰূপে লৰ্ড ক্ৰমাৰে কাৰ্যনিৰ্বাহ কৰিছিল। সি যি কি নহওক, ১৯১৪ চনৰপৰা ১৯৫৬ চনলৈ ইজিপ্ত বৃটিশ দখলদাৰী সৈনিকৰ তত্ত্বাৱধানত আছিল।

কিন্তু ইজিপ্তৰ ওপৰত বৃটেইনৰ এই দখলদাৰী আধিপত্যৰ বিৰোধত স্থানীয়ভাৱে জাতীয়তাবাদী আন্দোলনৰ সূত্ৰপাত হ'বলৈ লৈছিল। এই আন্দোলনমুখী ৰাজনৈতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ইংলেণ্ডে ১৯২২ চনত ইজিপ্তক স্বাধীন সাৰ্বভৌম দেশৰূপে মানি লৈ চুলতান আহম্মদ ফায়েদক ৰজা প্ৰথম ফায়েদৰূপে স্বীকৃতি দিয়ে। তথাপিও অৱস্থাৰ বিশেষ পৰিবৰ্তন নঘটিল। গতিকে ক্ৰমবৰ্দ্ধমান এই জাতীয়তাবাদী আন্দোলনৰ পৰিপ্ৰেক্ষিতত ছুয়েজ খাল এলেকাটো বাদ দি ইজিপ্তৰ বাকী অংশৰপৰা বৃটেইনে আঁতৰি যাবলৈ সিদ্ধান্ত কৰিলে। কিন্তু দ্বিতীয় বিশ্ব যুদ্ধ সমাগত হোৱাত আৰু ইটালীয়ে কৰা আক্ৰমণৰ অজুহাতত বৃটিশে সহজে ইজিপ্তৰপৰা আঁতৰি যোৱাৰ সিদ্ধান্তৰ সলনি কৰে।

আনহাতে বিশ্ব যুদ্ধৰ অন্তত ১৯৪৮ চনত পশ্চিম এছিয়াত ইজৰায়েল নামে এখন নতুন ইহুদী ৰাষ্ট্ৰ তৈয়াৰ কৰাৰ লগে লগে ইজিপ্তৰ জাতীয়তাবাদী ৰাজনৈতিক আন্দোলন আৰু তীব্ৰ হৈ পৰিল। ইজিপ্তত দ্ৰুতভাৱে ৰাজনৈতিক পট পৰিবৰ্তন হ'বলৈ ধৰিলে। এই আন্দোলনৰ ফল স্বৰূপে প্ৰথমতে ইজিপ্তত ৰাজতন্ত্ৰৰ অৱসান ঘটিল। দ্বিতীয়তে, ১৯৫২ চনৰ জুলাই মাহত জেনেৰেল নেগুইবে ক্ষমতা দখল কৰিলে। তাৰ পিচৰ বছৰত তেওঁ ইজিপ্তক প্ৰজাতন্ত্ৰৰূপে ঘোষণা কৰি নিজে প্ৰেছিডেন্ট হয়। তাৰ পিচৰ বছৰত (নবেম্বৰ ১৯৫৪) গামাল আবডেল নাছেৰে (১৯১৮-৭০) জেনেৰেল নেগুইবক ক্ষমতাচ্যুত কৰি নিজে প্ৰেছিডেন্ট হিচাপে আত্মপ্ৰকাশ কৰে।

ক্ষমতা দখল কৰাৰ পিচতে নাছেৰে ১৯৫৬ চনত ইজিপ্তৰপৰা বৃটিশ সেনা বাহিনীক অপসাৰিত কৰি দেশৰ উন্নয়নৰ কামত মনোনিবেশ কৰে। তেওঁ নীল নদীত আছোৱান ডাম (Aswan High Dam) তৈয়াৰ কৰি এটি বিশাল জলবিদ্যুত প্ৰকল্পৰ কাম হাতত লয়। এই ডাম নিৰ্মাণৰ বাবে প্ৰচুৰ অৰ্থৰ প্ৰয়োজন হয়, কিন্তু পশ্চিমীয়া দেশবোৰে সেই

ক্ষেত্রত কোনো সঁহাৰি নিদিয়াত তেওঁ ছোভিয়েট ৰাছিয়াৰপৰা প্রচুৰ অর্থ সাহায্য লবলৈ বাধ্য হয়। তদুপৰি ছুয়েজ খাল জাতীয়কৰণ কৰি তাৰ ওপৰত শুল্ক নির্দ্ধাৰণ কৰি সেই দিশৰপৰাও কিছু অর্থ সংগ্রহ কৰাৰ পৰিকল্পনা কৰি তেওঁ ১৯৫৬ চনৰ জুলাই মাহত ছুয়েজ খালটো জাতীয়কৰণ কৰে।

এই ঘটনাৰ গইনা লৈ ফ্রান্স আৰু বৃটেইনে ইজিপ্তৰ ওপৰত আক্রমণ আৰম্ভ কৰে। ইতিমধ্যে ইজৰায়েলৰ সৃষ্টিক কেন্দ্র কৰি ইজিপ্তকে ধৰি আৰব দেশসমূহৰ মাজত ইজৰায়েলৰ বিৰুদ্ধে ব্যাপক ক্ষোভ আছিলেই। গতিকে এই যুদ্ধত ইজৰায়েলেও ফ্রান্স আৰু বৃটেইনৰ সৈতে সহযোগ কৰিলে। এইখন যুদ্ধ ছয় দিন ধৰি চলিছিল (১৯৬৭)। পৰিশেষত ১৯৭৫ চনৰ জুন মাহত আন্তৰাষ্ট্রীয় চুক্তিৰ মাধ্যমত ছুয়েজ খালক পুনৰ যাতায়তৰ বাবে মুকলি কৰি দিয়া হৈছিল।


গামাল আব্দেল নাছেৰ

ইজৰায়েলৰপৰা হোৱা উপৰ্যোপৰি আক্রমণৰ পৰিপ্রেক্ষিতত নাছেৰৰ নেতৃত্বত ইজিপ্ত আৰু ছিৰিয়াক লৈ ১৯৫৮ চনৰ ১লা ফেব্রুৱাৰীৰপৰা কার্যকৰী হোৱাকৈ সংযুক্ত আৰব প্রজাতন্ত্র গঠন কৰা হয়। অৱশ্যে ১৯৬১ চনত ছিৰিয়া সেই সংযুক্ত প্রজাতন্ত্ৰৰপৰা আঁতৰি যায়।

১৯৭০ চনত নাছেৰৰ মৃত্যু হয়। নাছেৰৰ জাতীয়তাবাদী নীতিয়ে আৰব দেশসমূহক এক বিশেষ ৰাজনৈতিক মৰ্যদা দিছিল। নাছেৰ আছিল আৰব জাতীয়বাদীসকলৰ এজন দায়িত্বশীল আৰু গুৰুত্বপূর্ণ নেতা আৰু কর্মী। পশ্চিমীয়া পুঁজিবাদী দেশসমূহে তেওঁক ছোভিয়েট পন্থী তথা কমিউনিষ্টসকলৰ সমৰ্থক বুলি সন্দেহ কৰিছিল। নাছেৰৰ মৃত্যুৰ পিচত মহম্মদ আনোৱাৰ আল্-ছাদাত (১৯১৮-৮১) ইজিপ্তৰ প্রেছিডেন্ট হয়। ছাদাতে নাছেৰে অনুসৰণ কৰা বৈদেশিক নীতিৰপৰা আঁতৰি আহি পশ্চিমীয়া পুঁজিবাদী দেশসমূহৰ সৈতে বন্ধুত্বপূর্ণ সম্পর্ক স্থাপন কৰে। তেওঁৰ শাসনকালতেই ছুয়েজ খাল সম্পৰ্কীয় উত্তেজনাৰ অন্ত পৰে যদিও ১৯৭৭ চনৰ জুলাই মাহত দেশৰ পশ্চিম সীমান্তত চুবুৰীয়া দেশ লিবিয়াৰ সৈতে ইজিপ্তৰ এক তয়াময়া সামৰিক সংঘৰ্ষ হয়।

১৯৮১ চনত চিয়াৰ (আমেৰিকা যুক্তৰাষ্ট্ৰৰ চোৰাংচোৱা সংস্থা)ৰ

এজন আঁততায়ীৰ গুলিত তেওঁ নিহত হয় আৰু তেওঁৰ স্থলাভিষিক্ত হৈ হোছনী মোবাৰক ইজিপ্তৰ প্ৰেছিডেন্ট হয়।

ইজিপ্তৰ ৰাজধানী কাইৰো।

ইজৰায়েলঃ

ইজৰায়েল সম্পৰ্কে ইতিমধ্যে ভিন্ন প্ৰসংগত উল্লেখ কৰি অহা হৈছে। ভূমধ্য সাগৰৰ পূৰ্ব উপকূলত পেলেষ্টাইনৰ একাংশক লৈ ১৯৪৮ চনৰ মে' মাহৰ ১৪ তাৰিখে ইহুদিসকলৰ বাবে এখন সুকীয়া স্বাধীন ৰাষ্ট্ৰৰ সৃষ্টি কৰা হয়। এই ৰাষ্ট্ৰখনৰ সৃষ্টি কৰাৰ আগলৈ বিশ্বত ইহুদীসকলৰ কোনো নিৰ্দিষ্ট গৃহভূমি নাছিল। এওঁলোকে নিজৰ ধৰ্ম, ভাষা, সাহিত্য-সংস্কৃতি লৈ বিশ্বৰ বিভিন্ন ঠাইত সিঁচৰিত হৈ আছিল। ইজৰায়েলৰ সৃষ্টিৰ লগে লগে ইহুদিসকলে এখন স্থায়ী আৰু নিজস্ব গৃহভূমি লাভ কৰিলে। তাৰ পূৰ্বে ইহুদিসকল আছিল দেশ বা ৰাষ্ট্ৰবিহীন এটি জাতি (Nation)।

কিন্তু এই কাৰ্যই পশ্চিম এছিয়াত আন্তৰাষ্ট্ৰীয় শান্তি বিঘ্নিত কৰিলে। এই দেশখন জন্মৰেপৰা তিনিও ফালে—উত্তৰ, দক্ষিণ আৰু পূৰ্ব—বিভিন্ন আৰব দেশৰ দ্বাৰা পৰিবেষ্টিত হৈ পৰিল। ইজাৰায়েল ৰাষ্ট্ৰখন তৈয়াৰ কৰাৰ আগতে প্ৰথম বিশ্ব যুদ্ধৰ পিচৰপৰাই পেলেষ্টাইনৰ ওপৰত জাতিসংঘই বৃটেইনৰ অভিভাৱকত্ব মানি লৈছিল। পেলেষ্টাইনৰ ওপৰত বৃটেইনৰ অভিভাৱকত্ব চলি থাকোঁতেই আমেৰিকা যুক্তৰাষ্ট্ৰ, বৃটেইন আদি দেশৰ প্ৰৰোচনা আৰু উচতনিত বিশ্বৰ বিভিন্ন দেশৰপৰা ইহুদি লোকে পেলেষ্টাইনলৈ ব্যাপক হাৰত প্ৰব্ৰজন কৰিবলৈ লৈছিল। ১৯৩১ চনলৈ পেলেষ্টাইনলৈ প্ৰব্ৰজন কৰা ইহুদি লোকৰ সংখ্যা আছিল ৪,০৭৫ জন, ১৯৩৫ চনত সি হৈছিলগৈ ৬১,৮৫৪ জন। তাৰ পৰৱৰ্তী কলাতো ইহুদি প্ৰব্ৰজনৰ পৰিমাণ লাহে লাহে বাঢ়ি গৈ থাকিল। ফলত ইহুদি আৰু আৰবসকলৰ মাজত সঘনে সংঘৰ্ষ হ'বলৈ ধৰিলে। এনে এটা পৰিস্থিতিত বৃটিশ চৰকাৰে পিলৰ (Earl Peel) নেতৃত্বত এটি আয়োগ (Peel Commission, 1936-37) গঠন কৰি সমস্যা সমাধানৰ পথ লয়। এই আয়োগে পেলেষ্টাইনক আৰব আৰু ইহুদিসকলৰ বাবে দুখন পৃথক ৰাষ্ট্ৰত বিভাজন কৰাৰ পক্ষে মত দিয়ে।

দ্বিতীয় বিশ্ব যুদ্ধৰ অন্ত পৰাৰ পিচত বিশেষকৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিৰ্বাচনত ইহুদিসকলৰ ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি সেই দেশৰ ডেমক্ৰেটিক চৰকাৰেও পেলেষ্টাইনক দুখন পৃথক ৰাষ্ট্ৰত বিভাজিত কৰি একাংশত ইহুদিসকলৰ বাবে এখন গৃহভূমি তৈয়াৰ কৰাৰ প্ৰতি আগ্ৰহী হৈ পৰিল। ১৯৪৭ চনত ৰাষ্ট্ৰসংঘইও, বিশেষকৈ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু বৃটেইনৰ হেঁচাত, এটি প্ৰস্তাৱৰ মাধ্যমত পেলেষ্টাইনক বিভাজন কৰাৰ নীতি মানি লয়। ফলশ্ৰুতিত ১৯৪৮ চনৰ ১৪ মে'ত ইজৰায়েল নামে নতুন ৰাষ্ট্ৰখনৰ সৃষ্টি হয়।

পিচদিনাখনে এই সদ্যজাত ইহুদি ৰাষ্ট্ৰখনৰ প্ৰতি আমেৰিকা যুক্তৰাষ্ট্ৰই স্বীকৃতি প্ৰদান কৰে।

সি যি কি নহওক, ইজৰায়েলৰ জন্মৰ লগে লগে আৰব দেশসমূহ আৰু ইজৰায়েলৰ মাজত সামৰিক সংঘৰ্ষ অনিবাৰ্য হৈ পৰে। যুদ্ধত কিন্তু আৰবসকল পৰাভূত হয়। ইজৰায়েলৰ সৃষ্টিৰ ফলত হাজাৰ হাজাৰ আৰব লোকে তেওঁলোকৰ ঘৰ-বাৰী হেৰুৱাই ৰাষ্ট্ৰটোৰ ভিতৰতে উদ্বাস্তু হৈ পৰিল। প্ৰায় দহ লাখতকৈও অধিক আৰব লোকে ভগনীয়া হৈ শৰণাৰ্থী শিবিৰত আশ্ৰয় ল'ব লগা হ'ল। (ইফালে চুবুৰীয়া দেশ জৰ্দানেও ১৯৪৯ চনত জৰ্দান নদীৰ পশ্চিম পাৰত "ৱেষ্ট বেঙ্ক" ৰূপে পৰিচিত অঞ্চলটো পেলেষ্টাইনৰপৰা দখল কৰি লয়। জৰ্দানৰ পূৰ্বৰ নাম আছিল ট্ৰেন্চ্-জৰ্দান, আৰু এই দেশখন ১৯১৮ চনলৈ তুৰস্ক তথা অ'টোমেন সাম্ৰাজ্যৰ অধীন আছিল। এই দেশখন ১৯৪৬ চনলৈ জাতিসংঘৰ সিদ্ধান্ত মৰ্মে বৃটেইনৰ কতৃত্বাধীন হয় আৰু আৰু সেই ব্যৱস্থাৰ ওৰ পৰাত সেই বছৰতে জৰ্দানে স্বাধীনতা লাভ কৰে।)

ইজৰায়েল ৰাষ্ট্ৰ তৈয়াৰ কৰাৰ প্ৰতিবাদত পেলেষ্টাইন ৰাষ্ট্ৰ পুনঃ প্ৰতিষ্ঠাৰ উদ্দেশ্যে পেলেষ্টাইন মুক্তি সংগ্ৰাম নামে এক ৰাজনৈতিক সংগঠন গঢ়ি তোলা হৈছিল। ১৯৬৪ চনত সংগঠিত এই সংগঠনৰ নেতৃত্বত ইজৰায়েলৰ অস্তিত্ব নাকচ কৰি পুনৰ পেলেষ্টাইনক প্ৰতিষ্ঠা কৰাৰ বাবে অহৰহ ৰাজনৈতিক আৰু সামৰিক কাৰ্য ব্যৱস্থা অব্যাহত ৰখা হৈছিল। কিন্তু আজি কেই বছৰমানৰ পূৰ্বে পশ্চিম এছিয়াত শান্তি প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে এই সংগঠনটোৱেও ইজৰায়েলৰ প্ৰতি ৰাজনৈতিক-কূটনৈতিক স্বীকৃতি প্ৰদান কৰে।

সি যি কি নহওক, ইজৰায়েলক কেন্দ্ৰ কৰি পশ্চিম এছিয়াত এতিয়ালৈ কেবাখনো যুদ্ধ সংঘটিত হৈ গৈছে, তাৰ ভিতৰত ১৯৫৬-৫৭, ১৯৬৭, ১৯৭৩, ১৯৮১ আৰু ১৯৮২-৮৩ চনত হোৱা যুদ্ধ কেইখনেই প্ৰধান আছিল।

ইজৰায়েলৰ ৰাজধানী জেৰুজালেম।

ছিৰিয়াঃ

অ'টোমেন সাম্ৰাজ্যৰ অধীন ছিৰিয়া ১৯১৮ চনৰপৰা ফ্ৰান্সৰ তত্বাৱধানলৈ আহে। দ্বিতীয় বিশ্ব যুদ্ধ চলি থকা অৱস্থাতে ১৯৪৪ চনৰ ১লা জানুৱাৰীত ছিৰিয়া স্বাধীন ৰাষ্ট্ৰৰূপে প্ৰতিভাত হয়। ১৯৮১ আৰু ১৯৮২ চনত ইজৰায়েলৰ দ্বাৰা আক্ৰান্ত হোৱাত ছিৰিয়া বিপুল ক্ষতিৰ সন্মুখীন হৈছিল।

ছিৰিয়াৰ ৰাজধানী ডামাস্কাছ।

লেবাননঃ

পশ্চিম এছিয়াৰ ভালেমান দেশৰ দৰে লেবাননো ১৯১৮ চনলৈ অ'টোমেন সাম্ৰাজ্যৰ অন্তৰ্ভূক্ত আছিল। লেবানন ইজৰায়েল আৰু ছিৰিয়াৰ মাজত ভূমধ্য সাগৰৰ পূৰ্ব উপকূলত

অৱস্থিত এখন ক্ষুদ্ৰাকৃতিৰ দেশ। ইয়াৰ মাটিকালি ১০,৪০০ বৰ্গ কিলোমিটাৰ। অ'টোমেন সাম্ৰাজ্যৰ অধীন হলেও ১৮৬০ চনৰপৰাই লেবাননত ফ্ৰান্সৰ কৰ্তৃত্ব প্ৰতিষ্ঠিত হয় আৰু সেই সূত্ৰে জাতিসংঘই তাত ফ্ৰান্সৰ অভিভাৱকত্ব আৰোপ কৰে। দ্বিতীয় বিশ্ব যুদ্ধ চলি থকা অৱস্থাতে ১৯৪১ চনত লেবানন স্বাধীন ৰাষ্ট্ৰৰূপে পৰিগণিত হয়। অন্যান্য আৰব দেশৰ দৰে লেবাননো ইজৰায়েলৰ দ্বাৰা কেবাবাৰো আক্ৰান্ত হয়। তাৰ ভিতৰত ১৯৬৭, ১৯৭৭, ১৯৮০, ১৯৮১ আৰু ১৯৮২ চনৰ আক্ৰমণ আছিল অত্যন্ত ক্ষতিকাৰক। আনহাতে দেশখনৰ আভ্যন্তৰীণ শান্তি-শৃঙ্খলাও আছিল অনুপস্থিত। দেশখনৰ দুইটা প্ৰধান মুছলমান সম্প্ৰদায়ৰ—ছিয়া আৰু ছুন্নীৰ—মাজত সঘনে সংঘৰ্ষ হৈ থাকিছিল। ১৯৭৫-৭৬ চনত এই সংঘৰ্ষই গৃহ যুদ্ধৰ ৰূপ পাইছিল।

লেবাননৰ ৰাজধানী বেইৰুট।

পেলেষ্টাইন মুক্তি সংগঠনঃ



য়াছেৰ আৰাফাট

১৯৬৪ চনৰ মে' মাহত জৰ্দানত পেলেষ্টাইন মুক্তি সংগঠনটো গঢ়ি তোলা হয়। ইজৰায়েল ৰাষ্ট্ৰ সৃষ্টি কৰাৰ পিচৰপৰাই পেলেষ্টাইনৰ আৰব আৰু অন্যান্য চুবুৰীয়া দেশৰ লোকে পুনৰ এখন পেলেষ্টাইন ৰাজ্য তৈয়াৰ কৰাৰ উদ্দেশ্যেৰে প্ৰায় চাৰি দশক ধৰি অহৰহ সংগ্ৰাম কৰি আহিছিল। সেই লক্ষ্য আৰু উদ্দেশ্যত উপনীত হ'বলৈ অকল সামৰিক দিশতে সীমাবদ্ধ হৈ নাথাকি কূটনৈতিকভাৱে বিশ্ব জনমতৰ সমৰ্থন পাবলৈ ইয়াছেৰ আৰাফাটৰ নেতৃত্বত উক্ত সংগঠন গঢ়ি তোলা হৈছিল। আদিতে সংগঠনটোৰ ওপৰত আল ফাটাহ ৰূপে পৰিচিত ছিৰিয়াৰ গোটটোৰ আধিপত্য আছিল। আল ফাটাহৰ ওপৰিও এই সংগঠনৰ ভিতৰত পেলেষ্টাইনৰ মুক্তি ফ্ৰন্ট, ব্লেক ছেপ্তেম্বৰ আদি উগ্ৰপন্থী গোটে কাম কৰি আহিছিল। সেই সময়ত বিশ্বৰ বিভিন্ন ঠাইত সংঘটিত কূটঘাতমূলক কাৰ্যত পেলেষ্টাইন মুক্তি সংগঠন আৰু তাৰ অধীনৰ গোটসমূহ জড়িত আছিল বুলি সন্দেহ কৰা হৈছিল। ইফালে জৰ্দানত ইয়াৰ উপস্থিতিয়ে গৃহ যুদ্ধ সদৃশ পৰিস্থিতিৰ সৃষ্টি কৰাত তাৰপৰা পেলেষ্টাইন মুক্তি সংগঠনৰ গৰিলা যোদ্ধাসকল আঁতৰি গৈ ছিৰিয়া আৰু লেবাননত সোমায়। পেলেষ্টাইন মুক্তি সংগঠনৰ উপস্থিতিৰ বাবেই ছিৰিয়া, লেবানন আদি দেশৰ ওপৰত ইজৰায়েলে আক্ৰমণ চলাই আহিছিল।

১৯৭৪ চনত আলজেৰিয়াৰ ৰাজধানী আলজিয়াৰ্ছত পেলেষ্টাইন মুক্তি সংগঠনৰ প্ৰধান

কাৰ্যালয় স্থানান্তৰিত কৰা হৈছিল। তেতিয়াৰপৰাই ৰাষ্ট্ৰসংঘই পেলেষ্টাইন মুক্তি সংগঠনক ৰাষ্ট্ৰসংঘত স্থায়ী পৰ্যবেক্ষকৰূপে স্বীকৃতি দিয়ে।

১৯৮৮ চনৰ ১৫ নবেম্বৰ তাৰিখে ইয়াছেৰ আৰাফাটে ঘোষণা কৰে যে বেষ্ট বেঙ্ক আৰু গাজা ষ্ট্ৰীপক লৈ এখন স্বাধীন পেলেষ্টাইন ৰাষ্ট্ৰ তৈয়াৰ কৰা হৈছে। ভাৰতবৰ্ষকে ধৰি বিশ্বৰ ৮০ খন ৰাষ্ট্ৰই প্ৰায় লগে লগেই এই নতুন ৰাষ্ট্ৰখনৰ প্ৰতি স্বীকৃতি প্ৰদান কৰে। কিন্তু ইজৰায়েল চৰকাৰে পেলেষ্টাইন মুক্তি সংগঠন তথা নতুন পেলেষ্টাইন ৰাষ্ট্ৰখনক স্বীকৃতি প্ৰদান কৰা নাছিল।

১৯৯৪ চনৰ ১৩ মে'ত স্বাক্ষৰিত ইজৰায়েল-পেলেষ্টাইন চুক্তিৰ মাধ্যমত ইয়াছেৰ আৰাফাটৰ নেতৃত্বত পেলেষ্টাইনত পেলেষ্টাইনীসকলৰ বাবে স্বায়ত্ব শাসনৰ ব্যৱস্থা কৰা হয়।

লেটিন আমেৰিকাৰ অভ্যুদয়ঃ (Rise of Letin American)

মেক্‌সিকোসহ মধ্য আৰু দক্ষিণ আমেৰিকাৰ দেশসমূহক একত্ৰে লেটিন আমেৰিকা ৰূপে জনা যায়। আধুনিক যুগত ভৌগোলিক আবিষ্কাৰৰ লগে লগে পঞ্চদশ আৰু অষ্টাদশ শতিকাৰ ভিতৰত বিশেষকৈ পশ্চিম ইয়োৰোপৰ স্পেইন আৰু পৰ্টুগালে সেই দেশবিলাকত একো একোখন উপনিবেশ স্থাপন কৰি নিজৰ অধিকাৰ স্থাপন কৰিছিল। পৃথক পৃথক ৰাজনৈতিক ভূখণ্ডত বিভক্ত হলেও সেই দেশসমূহৰ ভাষা-সাহিত্য-সংস্কৃতি আদিৰ ক্ষেত্ৰত স্পেইন আৰু পৰ্টুগালৰ মাত্ৰাধিক প্ৰভাৱ আছে বাবেই সেই দেশসমূহক লেটিন আমেৰিকা বুলি জনা যায়। অৱশ্যে সেই দেশবিলাকত কিছু পৰিমাণে ইটালী আৰু ফ্ৰান্সৰ প্ৰভাৱো লক্ষণীয়। লেটিন আমেৰিকা বোলা এই অঞ্চলটোতেই পূৰ্বতে আজটেক(Aztecs), মায়া (Mayan) আৰু ইনকা (Incas) আদি বিশ্বৰ কেবাটাও প্ৰাচীন সভ্যতাৰ জন্ম আৰু বিকাশ হৈছিল।

লেটিন আমেৰিকাত ৰাজনৈতিক পৰিবৰ্তনৰ সূচনা হয় ঊনবিংশ শতিকাৰ প্ৰায় আৰম্ভণিৰেপৰা। বিশেষকৈ ১৭৮৯ চনৰ ফৰাচী বিপ্লৱৰ ৰাজনৈতিক আদৰ্শই লেটিন আমেৰিকাতো ৰাজনৈতিক পৰিবৰ্তনৰ বাৰ্তা কঢ়িয়াই আনিছিল। তদুপৰি পৰ্টুগাল আৰু স্পেইনৰ ওপৰত নেপ'লিয়নৰ আক্ৰমণে ইয়োৰোপত সেই দেশ দুখনক বহুল পৰিমাণে দুৰ্বল কৰি আনিছিল। তেনে অৱস্থাত গৃহ দেশপৰ্টুগাল আৰু স্পেইনে লেটিন আমেৰিকাত থকা তেওঁলোকৰ পদানত উপনিবেশবোৰৰ ওপৰত পূৰ্বৰ নিয়ন্ত্ৰণ অব্যাহত ৰাখিব পৰা নাছিল। গতিকে লেটিন আমেৰিকাত সেই দেশ দুখনৰ নিয়ন্ত্ৰণৰ শিকলি শিথিল হৈ পৰাৰ তাৎক্ষণিক পৰিণতি স্বৰূপে ঊনবিংশ শতিকাৰ আৰম্ভণিৰেপৰা সেই দেশবিলাকত স্বাধীনতা আন্দোলনৰ সূচনা হ'বলৈ লৈছিল। উল্লেখ কৰিব পাৰি যে ১৭৭৫-৮৩ চনৰ কালছোৱাত বৰ্তমানৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ১৩ খন উপনিবেশে বৃটেইনৰ বিৰুদ্ধে কৰা স্বাধীনতা

সংগ্ৰামৰ ফলশ্ৰুতিত ঔপনিবেশিকতাবাদৰপৰা মুক্ত হৈ পৰিলেও সেই ঘটনাই লেটিন আমেৰিকাত বৰ বিশেষ অনুপ্ৰেৰণাৰ সৃষ্টি কৰিব পৰা নাছিল।

লেটিন আমেৰিকাৰ দেশসমূহত দীৰ্ঘদিন ধৰি গৃহভূমি স্পেইন আৰু আৰু স্থানীয়ভাৱে লেটিন আমেৰিকাত জন্মলাভ কৰা স্পেইনীয় লোকৰ (Creoles or Criollos) মাজত এক ধৰণৰ বৰ্ণ বৈষম্য বোধ চলি আহিছিল। ইয়োৰুপীয় স্পেনীয়সকলে থলুৱা স্পেইনীয়সকলক সততে অৱহেলা আৰু অবজ্ঞাৰ দৃষ্টিৰে চাইছিল। এই ঘটনাক কেন্দ্ৰ কৰিয়েই পোনতে আৰ্জেণ্টিনাৰ ৰাজধানী চহৰ বুয়েনছ আয়াৰছত থলুৱা স্পেইনীয় লোকসকলে ইয়োৰুপীয় তথা গৃহভূমিৰ স্পেইনীয় লোকসকলৰ বিৰুদ্ধে এটি সামান্য বিদ্ৰোহত চামিল হৈ পৰে। এই কাৰ্যই অৱশেষত লেটিন আমেৰিকাৰ দেশে দেশে স্পেইনীয় সাম্ৰাজ্যবাদৰ বিৰুদ্ধে এক বলিষ্ঠ আৰু ব্যাপক স্বাধীনতা সংগ্ৰামৰ আগলি বাতৰা কঢ়িয়াই আনিছিল। তলত সেই দেশবোৰৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসৰ লগতে অন্যান্য গুৰুত্বপূৰ্ণ দিশৰ ওপৰত সংক্ষেপে আলোচনা কৰা হ'ল।

বৰ্তমান লেটিন আমেৰিকাত মুঠতে ২০ খন প্ৰজাতন্ত্ৰ আছে। সেইবোৰ হ'ল—

১। আৰ্জেণ্টিনা, ২। এল-ছালভেদোৰ, ৩। ইকুৱেডৰ, ৪। উৰুগুৱে, ৫। কলম্বিয়া, ৬। কোষ্টাৰিকা, ৭। কিউবা, ৮। গুৱাটেমেলা, ৯। চিলি, ১০। নিকাৰাগুৱা, ১১। ডমিনিকান ৰিপাব্লিক ১২। পানামা, ১৩। পাৰাগুৱে, ১৪। পেৰু, ১৫। বলিভিয়া, ১৬। ব্ৰাজিল, ১৭। ভেনিজুৱেলা ১৮। মেক্সিকো, ১৯। হেইটী, ২০। হন্দুৰাছ।

উক্ত দেশসমূহে প্ৰধানতঃ স্পেইনৰ বিৰুদ্ধে সংগ্ৰাম কৰি নিজ নিজ দেশৰ স্বাধীনতা লাভ কৰিছিল। আৰ্জেণ্টিনা লেটিন আমেৰিকাৰ দ্বিতীয় বৃহৎ দেশ। ১৫১৬ চনত স্পেইনৰ নাবিক জোৱান ডা চোলীয়ে (Juan de Solis) আৰ্জেণ্টিনা আবিষ্কাৰ কৰে। এই দেশখন উত্তৰে বলিভিয়াৰপৰা দক্ষিণ আমেৰিকাৰ একেবাৰে দক্ষিণত কেপ হৰ্ণলৈ বিস্তৃত, পূবে দক্ষিণ আটলাণ্টিক মহাসাগৰ আৰু পশ্চিমে চিলিৰ দ্বাৰা পৰিবেষ্টিত। কেবা শতিকাও স্পেইনৰ পদানত হৈ থকাৰ পিচত আৰ্জেণ্টিনাৰ স্বাধীনতা যুদ্ধ আৰম্ভ হয় ১৮১০ চনত।

বুয়েনছ আয়াৰছত আৰ্জেণ্টিনাৰ স্বাধীনতা আন্দোলন আৰম্ভ হোৱাৰ লগে লগে লেটিন আমেৰিকাৰ অন্যান্য চুবুৰীয়া দেশতো তাৰ তাৎক্ষণিক প্ৰভাৱ পৰিবলৈ ধৰে। আৰ্জেণ্টিনাৰ স্বাধীনতা সংগ্ৰামৰ সমসাময়িকভাৱে স্বাধীনতা সংগ্ৰাম আৰম্ভ হোৱা চুবুৰীয়া দেশবোৰ আছিল উৰুগুৱে, পাৰাগুৱে, বলিভিয়া, চিলি, ভেনিজুৱেলা, নিউ গ্ৰেনাডা, পেৰু আদি। স্পেইনৰ বিৰুদ্ধে সংগঠিত এই স্বাধীনতা সংগ্ৰামৰ নেতৃত্ব দিছিল জো জেচ্পাৰ ৰড্ৰিগো ডা ফ্ৰেঞ্চিয়া (Jose Gaspar Rodriguez de Francia), ছাইমন বলিভাৰ (Simon Bolivar), ডন জো ডা চান মাৰ্টিন (Don Jose de San Martin), বাৰ্ণাডো

ও হিগিনছ (Bernardo O Higgins) আদি ৰাজনৈতিক আৰু সামৰিক নেতাই। ছাইমন বলিভাৰ প্ৰকৃত নাম আছিল ছাইমন এন্টানিও ডা লা ছান্তিছিমা ত্ৰিনিডাড বলিভাৰ য়া পালাচিও (Simon Antonio de la Santisima Trinidad Bolivar y Palacio)। তওঁ ১৮১১ চনৰপৰা ১৮২৬ চনৰ ভিতৰত লেটিন আমেৰিকাৰ মুঠতে পাঁচখন দেশ মুক্ত কৰিছিল, সেইবিলাক আছিল ভেনিজুৱেলা, কলম্বিয়া (পূৰ্বে নিউ গ্ৰেনাডাৰূপে পৰিচিত), ইকুৱেডৰ, পেৰু আৰু বলিভিয়া। লাহে লাহে এই স্বাধীনাতা সংগ্ৰাম সমগ্ৰ লেটিন আমেৰিকালৈ পৰিব্যাপ্ত হৈ পৰিছিল আৰু তাৰেই ফলশ্ৰুতিত সেই দেশসমূহে স্পেনীজ ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰপৰা মুক্ত হৈ পৰিছিল।

প্ৰায় ৬ বছৰ ধৰি স্পেইনৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ পিচত ১৮১৬ চনৰ ৯ জুলাই তাৰিখে আৰ্জেণ্টিনাই স্বাধীনতা লাভ কৰে। স্বাধীনতা প্ৰাপ্তিৰ কেইবছৰমানৰ ভিতৰতে ১৮১৯ চনত এখন সংবিধান বলবৎ কৰা হৈছিল যদিও সেইখনে দেশত কেন্দ্ৰীভূত শাসনৰ ব্যৱস্থাহে কৰিছিল। প্ৰশাসনিক দিশত সামৰিক বিষয়াসকলে অত্যন্ত উদ্ধতভাৱে আচৰণ কৰিবলৈ লৈছিল। ১৮৫৩ চনৰপৰা বলবৎ হোৱা সংবিধান মৰ্মে আৰ্জেণ্টিনা এখন যুক্তৰাষ্ট্ৰীয় প্ৰজাতন্ত্ৰ, প্ৰেছিডেণ্ট ইয়াৰ ৰাষ্ট্ৰ প্ৰধান।


ছাইমন বলিভিয়াৰ

দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত আৰ্জেণ্টিনা এক্‌ছিছ জোটৰ সমৰ্থক আছিল আৰু ১৯৪৪ চনৰ আৰম্ভণিতে সেই সামৰিক জোটৰপৰা আতৰি আহে। সেই কাৰণে আৰ্জেণ্টিনা আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰোষত পৰিছিল। যুদ্ধৰ অন্ত পৰাৰ পিচত ১৯৪৬ চনত

জোৱান ডি পেৰণ(Juan de Peron) আৰ্জেন্টিনাৰ প্ৰেছিডেন্ট হয়। তেওঁ নিজৰ ইচ্ছা মতে দেশত প্ৰায় ফেছিষ্ট শাসন চলাইছিল। ১৯৫৫ চনত সামৰিক বাহিনীৰ জেনেৰেল এডৱাৰ্ডো লোৰ্নাদিয়ে (General Eduardo Lonardı) সামৰিক বাহিনী, ধৰ্মসংঘ আৰু চহকী লোকসকলৰ সমৰ্থন পাই পেৰণক ক্ষমতাচ্যুত কৰি নিজে শাসনৰ মুৰব্বী হৈ পৰে। তাৰ পিচতো দেশত ক্ষমতা দখলক কেন্দ্ৰ কৰি কেবাটাও ৰাজনৈতিক অভ্যুত্থান সংঘটিত হৈছিল। ইছাবেল পেৰণ (Isabel Peron) নামে যিজনে ক্ষমতা দখল কৰিছিল তেওঁকো ১৯৭২ চনৰ সামৰিক অভ্যুত্থানৰ জৰিয়তে ক্ষমতাচ্যুত কৰি অন্য এজনে শাসনৰ মুৰব্বী হৈ বহিছিল। অবশেষত ১৯৮২ চনত আৰ্জেন্টিনাত দীৰ্ঘদিনীয়া সামৰিক শাসনৰ অন্ত পৰে।

ভেনিজুৱেলা (ক্ষুদ্ৰ ভেনিছ) কেৰিবিয়ান উপসাগৰৰ উপকূলবৰ্তী আৰু দক্ষিণ আমেৰিকাৰ উত্তৰাংশত অৱস্থিত এখন দেশ। ১৮১১ চনত স্পেইনৰপৰা স্বাধীন হোৱাৰ লগে লগেই ফ্ৰেঞ্চিছকো ডা মিৰান্দাৰ (Francısco de Mıranda) নেতৃত্বত তাত একনায়কতন্ত্ৰ প্ৰতিষ্ঠা হয়। কিন্তু তেওঁৰ সহযোগীসকলে বিশ্বাসঘাটকতা কৰাৰ ফল স্বৰূপে তেওঁ স্পেনীজ শাসনকৰ্তাসকলৰ হাতত বন্দী হৈ জীৱনৰ বাকী অংশ স্পেইনৰ কাৰাগাৰত কটাই ১৮১৬ চনত তাতেই মৃত্যু বৰণ কৰে। ১৮৩০ চনত ভেনিজুৱেলা এখন প্ৰজাতন্ত্ৰৰূপে পৰিচিত হয় যদিও বিংশ শতিকাৰ সৰহভাগ বছৰ তাত কঠোৰ সামৰিক শাসন চলে। ১৯৫৯ চনৰপৰা ভেনিজুৱেলাত গণতান্ত্ৰিকভাৱে নিৰ্বাচিত চৰকাৰ চলি আহিছে। ভেনিজুৱেলাৰ ৰাজধানী কাৰাকাছ।

১৫৩৮ চনত বলিভিয়া স্পেইনৰ পদানত হয় আৰু তেতিয়াৰেপৰা স্পেনীজসকলে তাৰ শাসনকাৰ্য পেৰুৰপৰা পৰিচালনা কৰিবলৈ লৈছিল। বলিভিয়াক আদিতে চাৰকাছ (Charcas) বোলা হৈছিল, কিন্তু পৰৱৰ্তী কালত তাৰ মুক্তিদাতা ছাইমন বলিভাৰৰ নামানুসাৰে সেই দেশখনক বলিভিয়াৰূপে নামাকৰণ কৰা হয়। ১৮২৫ চনত বলিভিয়া স্পেইনৰপৰা মুক্ত হয় আৰু তেতিয়াৰেপৰা তাত প্ৰজাতান্ত্ৰিক শাসনব্যৱস্থা প্ৰতিষ্ঠিত হয়। লেটিন আমেৰিকাৰ অন্যান্য দেশৰ দৰে ইয়াতো কেবাবাৰো সামৰিক অভ্যুত্থান হোৱাৰ পৰিণতি স্বৰূপে তাত বহু বছৰ ধৰি সামৰিক শাসন প্ৰায় নিয়মীয়া হৈ পৰে। ১৯৮২ চনৰপৰাহে বলিভিয়াত অসামৰিক শাসন চলিবলৈ ধৰে। বলিভিয়াৰ ৰাজধানী লা পাজ।

ব্ৰাজিল দক্ষিণ তথা লেটিন আমেৰিকাৰ সৰ্ববৃহৎ দেশ। ইয়াৰ ৰাজধানী ৰিও ডি জেনেৰিও। ইয়াৰ জনসাধাৰণ ইয়োৰোপীয় মূলৰ হোৱাৰ লগতে আফ্ৰিকা আৰু খিলঞ্জীয়া (ভাৰতীয়) লোকৰ দ্বাৰা সমৃদ্ধ। এই বিভিন্ন জনগোষ্ঠীৰ মাজত হোৱা বৈবাহিক সম্পৰ্কৰ পৰিণতি স্বৰূপে সৃষ্টি হোৱা লোক সমষ্টিক মূলাটো (Mulatto) বোলে। ব্ৰাজিলত

ইয়োৰূপীয় মূলৰ ভিতৰত পৰ্টুগীজ লোকৰ সাংখ্যাধিক্য আছে, অন্যান্য ইয়োৰূপীয় লোক হ'ল ইটালীয়ান আৰু জাৰ্মান।

১৫০০ চনত পৰ্টুগীজ নাবিক পেড্ৰো আলভাৰেজ ডা কেব্ৰালে ব্ৰাজিল আবিষ্কাৰ কৰে। তাৰ কেইবছৰমানৰ ভিতৰতে ১৫৩০ চনৰপৰা পৰ্টুগালে ব্ৰাজিলত উপনিবেশ স্থাপন কৰিবলৈ লয়। নেপলিয়নৰ আক্ৰমণৰ ফলশ্ৰুতিত পৰ্টুগালৰ টুটি অহা ৰাজনৈতিক-সামৰিক শক্তিৰ সুযোগ লৈ পৰ্টুগালৰ ৰাজ পৰিয়ালৰ সন্তান প্ৰথম ডম পেড্ৰোয়ে(Dom Pedro I) ব্ৰাজিলত ১৮২২ চনত স্বাধীন ৰাজতান্ত্ৰিক চৰকাৰ গঠন কৰে। সেই বছৰবে অক্টোবৰ মাহত তেওঁ ব্ৰাজিলৰ সাংবিধানিক ৰাজতন্ত্ৰৰ মুৰব্বীৰূপে দেশ শাসন কৰিবলৈ লয়। ১৮৮৮ চনত ব্ৰাজিলত সাংবিধানিক ৰাজতন্ত্ৰৰ অৱসান ঘটাই এখন প্ৰজাতান্ত্ৰিক চৰকাৰ প্ৰতিষ্ঠা কৰা হয়। ইটালী আৰু জাৰ্মানীৰ আৰ্হিত ১৯৩৪ চনত ব্ৰাজিলত এখন ফেছিষ্ট সংবিধান প্ৰবৰ্তন কৰি তাত ফেছিষ্ট শাসনৰ সূচনা কৰা হয়। ১৯৩৭ চনত গেটেলিও ভাৰ্গাছে (Getulio Vragas) নিজকে একনায়কতন্ত্ৰৰ প্ৰতিভূৰূপে প্ৰতিষ্ঠা কৰি দেশ শাসন কৰিবলৈ লৈছিল। ১৯৬৪ চনলৈ তাত সামৰিক শাসন বলবৎ থকাৰ পিচত ১৯৮৫ চনৰপৰা অসামৰিক শাসন ব্যৱস্থাৰ পুনৰ প্ৰবৰ্তন হয়। ব্ৰাজিলৰ ৰাজধানী ব্ৰাছিলা।

দক্ষিণ প্ৰশান্ত মহাসাগৰীয় উপকূলবৰ্তী চিলি এখন স্পেনীজ উপনিবেশ আছিল আৰু ১৮১০ চনত তাত স্বাধীনতা সংগ্ৰামৰ সূত্ৰপাত হয়। লেটিন আমেৰিকাত স্বাধীনতা ৰণৰ নেতৃত্ব লোৱা ডন জো ডা চান মাৰ্টিনে (Don Jose de San Martin) ১৮১৭ চনত চিলি আক্ৰমণ কৰি তাত স্পেইনৰ ৰাজকীয় বাহিনীক পৰ্যোদস্ত কৰি তেওঁৰ সহযোগী বাৰ্ণাৰডো ও হিগিনছক (Bernardo O Higgins) চিলিৰ শাসনকৰ্তা পাতে। স্বাধীনতা প্ৰাপ্তিৰ পিচতে প্ৰেছিডেন্টক ৰাষ্ট্ৰপ্ৰধান হিচাপে লৈ চিলিত এখন প্ৰজাতন্ত্ৰ স্থাপন কৰা হয়। চিলিৰ ৰাজধানী ছান্টিয়াগো।

দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত প্ৰথমে একছিহ্ শক্তি জোঁটৰ সৈতে আছিল যদিও ১৯৪৩ চনৰ আদিৰেপৰা চিলি সেই শক্তি জোঁটৰপৰা আতৰি আহে। মহাযুদ্ধৰ সময়ৰেপৰা চিলিৰ অৰ্থনৈতিক অৱস্থাৰ দ্ৰুত অৱনতি ঘটিবলৈ ধৰে আৰু ফলশ্ৰুতিত এখনৰ পিচত আনখন সংযুক্ত চৰকাৰৰ পতন ঘটে। পিচৰ পিনে প্ৰেছিডেন্ট গুঞ্জালেজ ভিডেলাৰ আমোলত কমিউনিষ্টসকলৰ ওপৰত যথেষ্ট বাধা-নিবেধ আৰোপ কৰা হৈছিল। ১৯৬৪ চনত বামপন্থীসকলৰ প্ৰতি সহানুভূতিশীল গণতান্ত্ৰিক লোক এডৱাৰ্ডো মন্টালভা চিলিৰ প্ৰেছিডেন্ট নিযুক্ত হয়। তেওঁৰ শাসন কালত দেশৰ নিস্ব আৰু সাধাৰণ লোকৰ কল্যাণকামী ভালেখিনি সামাজিক-অৰ্থনৈতিক আঁচনি ৰূপায়িত কৰা হৈছিল। ১৯৭০ চনত চালভাডোৰ এলেণ্ডিৰ (Salvador Allende) নেতৃত্বত চিলিত এখন কমিউনিষ্ট চৰকাৰ প্ৰতিষ্ঠিত হয়। দক্ষিণ

আমেৰিকাৰ মূল তথা মহাদেশীয় ভূখণ্ডত এইখনেই আছিল প্ৰথম কমিউনিষ্ট চৰকাৰ।

১৯৭৩ চনত আগাষ্টো পিনোচেটে (Augusto Pinochet) সামৰিক অভ্যুত্থানৰ জৰিয়তে এলেন্দিক ক্ষমতাচ্যুত কৰি চিলিত সামৰিক শাসন বলবৎ কৰে। ১৯৮৯ চনত পিনোচেটক ক্ষমতাৰপৰা অপসাৰিত কৰা হয় আৰু তেওঁৰ শাসনকালত মানৱ অধিকাৰ ভঙ্গৰ অপৰাধত বিচাৰ কৰি শাস্তি দিবলৈ ১৯৯৮ চনত তেওঁক লণ্ডনত গ্ৰেপ্তাৰ কৰা হৈছিল। পিচত ২০০১ চনত তেওঁক বিচাৰৰ অযোগ্য বুলি ঘোষণা কৰা হয়। সি যি কি নহওক, হিটলাৰৰ পিচতে তেওঁ বিশ্বৰ অন্যতম কুখ্যাত নৰহত্যাকাৰীৰূপে পৰিচিত ৰাজনৈতিক নেতা।

কিউবা (Cuba) হ'ল পশ্চিম ভাৰতীয় দ্বীপপুঞ্জৰ আটাইতকৈ সৰ্ববৃহৎ দ্বীপ, ইয়ুথ (Youth) আৰু অন্যান্য প্ৰায় ৪,০০০ ক্ষুদ্ৰ ক্ষুদ্ৰ দ্বীপক লৈ কিউবা নামে বৰ্তমানৰ কমিউনিষ্ট ৰাষ্ট্ৰখন গঠিত হৈছে। কিউবাৰ মুঠ মাটিকালি ১,১০, ৯২২ বৰ্গ কিলোমিটাৰ। কিউবাক কেৰিবিয়ান সাগৰৰ মুকুটা (Pearl of the Caribbean Sea) বোলা হয়।


ফাইডেল কেষ্ট্ৰো

১৪৯২ চনত স্পেনীজ নাৱিক কলম্বাছে কিউবা আৱিষ্কাৰ কৰাৰ প্ৰায় পিচৰেপৰা তাত স্পেনীজ উপনিবেশ স্থাপিত হৈছিল আৰু সুদীৰ্ঘ ৪০০ বছৰ ধৰি স্পেইনৰ পদানত হৈ থকাৰ পিচত ১৮৯৮ চনত কিউবাই স্বাধীনতা লাভ কৰে। পোনতে প্ৰজাতন্ত্ৰৰূপে প্ৰতিষ্ঠা লাভ কৰা কিউবাত সঘনে ৰাজনৈতিক বিপ্লৱ আৰু সংঘৰ্ষ চলি অহাৰ পিচত মাচাডো (Gerardo Machado Morales) নামে এজন ব্যক্তিয়ে প্ৰেছিডেন্টৰূপে দেশ শাসন কৰিবলৈ লয়। কিন্তু ১৯৩৩ চনৰ বিপ্লৱৰ পৰিণতি স্বৰূপে তেঁৱো দেশান্তৰিত হৈ পৰে। তাৰ পিচতো লোকদৰ্শিতভাৱে কেবাজনো প্ৰেছিডেন্ট শাসনৰ মূৰব্বী হৈ থাকিলেও কৰ্ণেল ফালজেঞ্চিও বেটিষ্টা (১৯০১-১৯৭৩) (Col Fulgencia Batista) বোলা সামৰিক বিষয়াজনহে

দেশৰ প্ৰকৃত শাসনকৰ্তা আছিল। তেওঁ পোনতে ১৯৩৩-৪৪ চনত আৰু পিচত ১৯৫২-৫৯ চনত কিউবাৰ সামৰিক শাসনতৰ্কাৰূপে অধিষ্ঠিত হৈ তাত এবাৰ এবাৰকৈ দুবাৰ একনায়কতন্ত্ৰ প্ৰতিষ্ঠা কৰিছিল। ১৯৫৮-৫৯ চনত ফাইডেল কেষ্ট্ৰো (জন্ম-১৯২৬) (Fidel Castro) আৰু চেগুৱেভেৰাৰ (Ernesto Che Guevara) নেতৃত্বত প্ৰায় ৮০০ শ কমিউনিষ্ট গৰিলাই ১৯৫৯ চনৰ ১ জানুৱাৰী তাৰিখে বেটিষ্টাৰ নেতৃত্বাধীন প্ৰায় ৩০,০০০ সৈন্যক পৰাভূত কৰি কিউবাত কমিউনিষ্ট শাসন প্ৰবৰ্তন কৰে। কমিউনিষ্ট অভ্যুত্থানৰ লগে লগে ফাইডেল কেষ্ট্ৰো কিউবাৰ প্ৰধানমন্ত্ৰী হয় আৰু ১৯৭৬ চনলৈ সেই পদবীতে সমাসীন হৈ থাকে। সেই বছৰতে (১৯৭৬) বলবৎ হোৱা দেশৰ নতুন সংবিধান মৰ্মে তেওঁ কিউবাৰ প্ৰেছিডেন্ট হয়। কিউবাৰ ৰাজধানী হাভানা।

পশ্চিম গোলাৰ্দ্ধত কিউবাই আছিল প্ৰথম কমিউনিষ্ট ৰাষ্ট্ৰ। এই ৰাষ্ট্ৰখনৰ নিৰাপত্তাৰ প্ৰতি আমেৰিকা যুক্তৰাষ্ট্ৰৰপৰা অনবৰতচলি থকা ভাবুকিৰ পৰিপ্ৰেক্ষিতত এটা সময়ত বন্ধু ৰাষ্ট্ৰ ছোভিয়েট ৰাচিয়াই তাত আনবিক ক্ষেপনাস্ত্ৰ স্থাপন কৰিছিল। এই ঘটনাক কেন্দ্ৰ কৰি ১৯৬২ চনত এফালে কিউবা আৰু ছোভিয়েট ৰাচিয়া আৰু আনফালে আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত সামৰিক সংঘৰ্ষ সন্নিকট হৈ পৰিছিল। অৱশেষত সেই সমস্যাৰ শান্তিপূৰ্ণ সমাধান হোৱাত যুদ্ধাৱস্থাৰ অৱসান ঘটিছিল।

১৪৯২ চনত স্পেনীজ নাবিক কলম্বাছে আবিষ্কাৰ কৰা আৰু কেৰিবিয়ান সাগৰত অৱস্থিত ছান্টো ডমিনগোয়েই হ'ল বৰ্তমানৰ ডমিনিকান ৰিপাব্লিক। এইখন প্ৰজাতন্ত্ৰৰ ৰাষ্ট্ৰ প্ৰধানজনক প্ৰেছিডেন্ট বোলা হয়। ছান্টো ডমিনগো ইয়াৰ ৰাজধানী।


চে গুৱেভেৰা

এইদ্বীপ-ৰাজ্যখন ১৪৯৬ চনৰপৰা ১৭৯৫ চনলৈ স্পেইনৰ উপনিবেশ আছিল। ১৭৯৫ চনত হেইটীত থকা ফৰাছীসকলে ইয়াক দখল কৰি তাত ফৰাছী উপনিবেশ পাতে। ১৮১৪ চনত ইয়াক পুনৰ স্পেনীজসকলে অধিকাৰ কৰি নিজ দখলাধীন কৰে। ১৮২১ চনত ডমিনিকানসকলে স্পেইনৰ বিৰুদ্ধে আৰম্ভ কৰা স্বাধীনতা আন্দোলনৰ সুযোগ লৈ ফৰাছীসকলে ১৮২২-৪৪ চনৰ কালছোৱাতআকৌ তাত নিজ অধিকাৰ স্থাপন কৰিছিল। ১৮৪৪ চনত ডমিনিয়ন ৰিপাব্লিক সম্পূৰ্ণৰূপে স্বাধীন হৈ পৰে আৰু তাত এখন প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা কৰা হয়।

সামৰিক বিষয়া ৰাফেল ট্ৰাজিলো (Rafael Trujillo) ১৯৩০-১৯৬১ চনলৈ কেবা বছৰ ধৰি ডমিনিকান ৰিপাব্লিকৰ প্ৰেছিডেণ্ট আছিল। তেওঁৰ শাসনকালত দেশত প্ৰকৃততে সামৰিক একনায়কতন্ত্ৰহে চলিছিল। ১৯৬১ চনত তেওঁ আঁততায়ীৰ হাতত প্ৰাণ দিয়াৰ দুবছৰমানৰ পিচত ১৯৬৩ চনত ডমিনিকান বিপ্লৱী পাৰ্টিৰ নেতা জোৱান বোচ্ছৰ (Juan Bosch) নেতৃত্বত পোনতে দেশত গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ সূচনা হৈছিল। এইদৰে গণতান্ত্ৰিক শাসন ব্যৱস্থা চলি থাকোঁতেই ১৯৬৫ চনত তাত সমাজতান্ত্ৰিক বিপ্লৱৰ সূচনা হয়। এই বিপ্লৱৰ প্ৰতি তাৰ জনসাধাৰণৰ বিপুল সমৰ্থন আছিল। কিন্তু এই বিপ্লৱৰ প্ৰতি স্বাভাৱিককাৰণতেই আমেৰিকা যুক্তৰাষ্ট্ৰৰ কোনো সমৰ্থন নাছিল। বৰং মধ্য আমেৰিকাত দ্বিতীয়খন কমিউনিষ্ট ৰাষ্ট্ৰৰ সৃষ্টি হোৱাৰ আশংকাত আমেৰিকা যুক্তৰাষ্ট্ৰই লগে লগে ডমিনিকান ৰিপাব্লিকত সামৰিক হস্তক্ষেপ কৰি ১৯৬৬ চনত নিজৰ নিয়ন্ত্ৰণত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰে। এই নিৰ্বাচনৰ ফল স্বৰূপে মাৰ্কিন সমৰ্থন পুষ্ট জোৱাকুইন বালাগাৰে (Joaquın Balaguer) ক্ষমতা লাভ কৰে।

অৱশ্যে ১৯৭৮ চনৰ নিৰ্বাচনত তেওঁৰ পতন হয় আৰু এণ্টিনিও গুজমেন ফাৰ্নেন্দিজ (Antonio Guzman Fernandez) প্ৰেছিডেণ্ট নিৰ্বাচিত হয়। চাৰি বছৰ পিচত ১৯৮২-৮৬ৰ কাৰ্যকালৰ বাবে চালভাডোৰ জৰ্জ ব্লেংকো (Salvador Jorge Blanco) প্ৰেছিডেণ্ট নিৰ্বাচিত হয আৰু ১৯৮৬ চনৰ নিৰ্বাচনত জোৱাকুইন বালাগৰে (Joaquın Balaguer) পুনৰ ক্ষমতালৈ ঘূৰি আহে আৰু ১৯৯০ চনৰ নিৰ্বাচনতো তেওঁ পুনৰ জয় লাভ কৰি প্ৰেছিডেণ্টৰ পদবীত সমাসীন হৈ আছিল।

স্পেনীজ উপনিবেশ কলম্বিয়া পোনতে নিউ গ্ৰেনাডাৰূপে পৰিচিত আছিল। ইয়াৰ ৰাজধানী বগোটা। পশ্চিম গোলাৰ্দ্ধ তথা দক্ষিণ আমেৰিকাত স্পেনীজ নাৱিক কলম্বাছৰ নামানুসাৰে আখ্যায়িত এইখনেই একমাত্ৰ দেশ, অৱশ্যে এই দেশখনৰ আৱিষ্কাৰক আছিল অন্য এজন স্পেনীজ নাৱিক, নাম আলফঞ্জো ডা অজেডা। তেওঁ ১৪৯৯ চনত এই দেশখন আৱিষ্কাৰ কৰিছিল।

১৮১৯ চনত লেটিন আমেৰিকাৰ স্বাধীনতা যোদ্ধা ছাইমন বলিভাৰে নিউ গ্ৰেনাডাক স্পেইনৰপৰা মুক্ত কৰি সেই বছৰতে তেওঁ তাক পানামা, ভেনিজুৱেলা আৰু ইকুয়েডৰৰ সৈতে চামিল কৰি এক বৃহৎ ৰাজ্য তৈয়াৰ কৰিছিল। ছাইমন বলিভাৰ আছিল নিউ গ্ৰেনাডা তথা কলম্বিয়াৰ প্ৰথমজন প্ৰেছিডেণ্ট। কলম্বিয়া কনফেডাৰেছনৰূপে পৰিচিত এই ৰাজ্যখন কিন্তু বেছিদিন নিটিকিল। ১৯০৩ চনত পানামা আৰু ১৯৩০ চনত ইকুৱেডৰ আৰু ভেনিজুৱেলা কলম্বিয়াৰপৰা বিচ্ছিন্ন হৈ পৰে আৰু সুকীয়া সুকীয়া ৰাষ্ট্ৰত পৰিণত হয়।

ত্ৰিশৰ দশকত আৰু দ্বিতীয় বিশ্ব যুদ্ধৰ কালছোৱাত কলম্বিয়াত একেধাৰে গণতান্ত্ৰিক শাসন ব্যৱস্থা বৰ্তি আছিল। ১৯৪৬ চনত অনুষ্ঠিত নিৰ্বাচনৰ সময়ত উদাৰপন্থী আৰু কঠোৰপন্থীসকলৰ মাজত তীব্ৰ ৰাজনৈতিক সংঘৰ্ষই দেখা দিয়াৰ ফলত দেশত ব্যাপক হিংসাত্মক ঘটনাৰ সূত্ৰপাত হয় আৰু গৃহ যুদ্ধ সদৃশ সেই অৱস্থা প্ৰায় ৩২ বছৰ (১৯৪৬-৬৪) ধৰি অব্যাহত থাকে। এই ৰাজনৈতিক সংঘৰ্ষত ২,০০,০০০ লোকৰ মৃত্যু হোৱাৰ ওপৰিও ৫৭০ মিলিয়ন মাৰ্কিন ডলাৰ মূল্যৰ সা-সম্পত্তি বিনাশ হয়।

গৃহ যুদ্ধ সদৃশ পৰিস্থিতিৰ মাজতে ১৯৬২ চনত অনুষ্ঠিত নিৰ্বাচনত লিঅ ভেলেন্সিয়া (Leon Valencia) বোলা ৰক্ষণশীল ব্যক্তি এজন প্ৰেছিডেন্ট নিৰ্বাচিত হয়। তাৰ পিচত কাৰ্লো ৰেষ্ট্ৰপো (Carlos Restrepo) কলম্বিয়াৰ প্ৰেছিডেন্ট (১৯৬৬-৭০) নিৰ্বাচিত হয়।

১৪৯২ চনত কলম্বাছে আৱিষ্কাৰ কৰিছিল যদিও হেইটী আছিল ফৰাছী উপনিবেশ আৰু এই দ্বীপ-ৰাজ্যখনে ১৮০৪ চনত ফ্ৰান্সৰপৰা স্বাধীন হয়। মধ্য আমেৰিকাত এইখনেই হ'ল প্ৰজাতন্ত্ৰৰূপে স্বাধীনতা লাভ কৰা প্ৰথম কৃষ্ণাঙ্গ লোকৰ দেশ। ১৯৫৮ চনৰপৰা ১৯৮৬ চনলৈ প্ৰায় ২৮ বছৰ ধৰি হেইটীত স্বৈৰতান্ত্ৰিক শাসন ব্যৱস্থা চলিছিল। লেটিন আমেৰিকাৰ অন্যান্য ৰাজ্যৰ দৰে ১৯৯০ চনৰপৰা ইয়াতো কেবা বছৰলৈ ৰাজনৈতিক অস্থিৰতা বিৰাজ কৰিছিল।

১৫২১ চনত কৰ্টেজে মেক্সিকো আৱিষ্কাৰ কৰাৰ পিচত তাত স্পেনীজ উপনিবেশ স্থাপিত হৈছিল। ১৮২১ চনত স্পেইনৰপৰা স্বাধীনতা লাভ কৰাৰ পিচত ১৮২৩ চনত মেক্সিকো এখন প্ৰজাতন্ত্ৰত পৰিণত হয়। সাংবিধানিক আৰু প্ৰশাসনিক দিশৰপৰা এইখন যুক্তৰাষ্ট্ৰীয় প্ৰজাতন্ত্ৰ। ৰিপাব্লিকানসকলৰ নেতা এন্টনিও লোপেজ ডা ছান্টা আন্না (Antonio Lopez de Santa Anna) মেক্সিকোৰ প্ৰথম প্ৰেছিডেন্ট।

দ্বিতীয় বিশ্ব যুদ্ধৰ পিচত (১৯৪৬ চনত) মেগুৱেল আলমেন (Miguel Aleman) প্ৰেছিডেন্ট নিৰ্বাচিত হোৱাৰপৰা দেশত একেৰাহে প্ৰজাতন্ত্ৰ বাহাল আছে। লেটিন আমেৰিকাৰ অন্যান্য দেশত হোৱাৰ দৰে মেক্সিকোত দ্বিতীয় বিশ্ব যুদ্ধোত্তৰ কালত সামৰিক অভ্যুত্থানৰ পৰিণতি স্বৰূপে শাসনৰ কোনো পৰিবৰ্তন হোৱা নাই। মেক্সিকোৰ ৰাজধানী মেক্সিকো চিটি।

পানামা মধ্য আমেৰিকাৰ এখন অন্যতম গুৰুত্বপূৰ্ণ প্ৰজাতান্ত্ৰিক দেশ। দেশখনৰ ভৌগোলিক অৱস্থানেই ইয়াৰ ৰাজনৈতিক, সামৰিক আৰু বাণিজ্যিক গুৰুত্ব বৃদ্ধি কৰিছে, বিশেষকৈ পানামা খাল খন্দাৰ পিচৰপৰাই সেই গুৰুত্ব বৃদ্ধি পাইছে। পূৰ্বে উল্লেখ কৰি

অহা হৈছে যে পানামা কলম্বিয়াৰ অংশীদাৰৰূপে স্পেনীজ ঔপনিবেশিকতাবাদৰপৰা মুক্ত হৈ পৰিছিল, কিন্তু ১৯০৩ চনত পানামা কলম্বিয়াৰপৰা পৃথক আৰু স্বাধীন হৈ পৰে। প্ৰশান্ত আৰু আটলাণ্টিক মহাসাগৰক সংলগ্ন কৰি খান্দি উলিওৱা এই পানামা খালটো ১৯১৪ চনৰ ১৫ আগষ্টৰপৰা পৰিবহনৰ বাবে মুকলি কৰা হৈছিল। খালটো মুকলি কৰাৰ সুবাদতেই আমেৰিকা যুক্তৰাষ্ট্ৰই ভালেমান বছৰ ধৰি তাৰ ওপৰত নিজৰ অধিকাৰ অক্ষুণ্ণ ৰাখিছিল; কিন্তু ২০০০ চনৰ ১ জানুৱাৰীৰপৰা পানামাই পানামা খালৰ ওপৰত নিজৰ সাৰ্বভৌম অধিকাৰ স্থাপন কৰে।

পূৰ্বে উল্লেখ কৰি অহা লেটিন আমেৰিকাৰ অন্যান্য প্ৰজাতন্ত্ৰসমূহ হ'ল এল চালভাডোৰ, হন্দুৰাছ, পাৰাগুৱে, পেৰু আৰু উৰুগুৱে। এল চালভাডোৰ আৰু হন্দুৰাছ ১৮২১ চনত স্পেইনৰপৰা মুক্ত হয়। হন্দুৰাছ পোনতে মেক্সিকোৰ সৈতে সংলগ্ন আছিল, পিচত ১৮৩৮ চনত পৃথক হৈ স্বাধীন হয়। এল চালভাডোৰ, পাৰাগুৱে আৰু পেৰুত প্ৰজাতন্ত্ৰৰ জীৱন কাল অত্যন্ত কণ্টকীয়া, সেই ৰাজ্যবিলাকত সঘনে সামৰিক অভ্যুত্থান হৈ আহিছে। জনসাধাৰণৰ জীৱন মানো অত্যন্ত অনুন্নত।

লেটিন আমেৰিকাৰ দেশসমূহ প্ৰধানতঃ স্পেনীজ উপনিবেশ আছিল আৰু স্বাধীনতা প্ৰাপ্তিৰ পিচত সেই দেশবোৰত প্ৰজাতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰৱৰ্তন কৰিলেও সেইবোৰত সঘনে সামৰিক অভ্যুত্থান হৈ থকাত গণতন্ত্ৰ সদায়েই বিপদাপন্ন হৈ আহিছে। আনহাতে গণতন্ত্ৰ স্থাপনৰ নামত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ সঘন সামৰিক হস্তক্ষেপে সেই দেশবোৰৰ ৰাজনৈতিক সংকট আৰু অধিক ঘণীভূত কৰি তুলিছে। সেই দেশসমূহৰ ক্ষেত্ৰত মাৰ্কিন যুক্তৰাষ্ট্ৰই প্ৰধানতঃ আৰু মূলতঃ নিজস্ব ডলাৰ ডিপ্লোমেচি অৰ্থাৎ অৰ্থ সাহায্য দিয়াৰ বিনিময়ত ৰাজনীতি নিয়ন্ত্ৰণৰ নীতি অব্যাহত ৰাখিছে। এইটো নব্য ঔপনিবেশিকতাবাদৰেই বহিঃপ্ৰকাশ আৰু সুস্থ গণতান্ত্ৰিক বিকাশৰ বাবে পৰিপন্থী বুলি প্ৰমাণিত হৈছে।

গোষ্ঠী নিৰপেক্ষ আন্দোলনঃ (Non-alignment Movement)

ৰুচ দেশত ১৯১৭ চনত অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱ সাফল্যমণ্ডিত হোৱাৰপৰাই বিশ্বৰ দেশসমূহ কম-বেছি পৰিমাণে দুটা প্ৰধান ৰাজনৈতিক শিবিৰত বিভক্ত হৈ পৰিছিল। বৃটেইন, ফ্ৰান্স, আমেৰিকা যুক্তৰাষ্ট্ৰ আদি পুঁজিবাদী দেশসমূহ আছিল পুঁজিবাদী শিবিৰত আৰু আনহাতে সমাজতান্ত্ৰিক দেশ ছোভিয়েট ৰাছিয়া আৰু সেই দেশৰ প্ৰতি সহানুভূতিশীল আৰু সমৰ্থক ৰাষ্ট্ৰসমূহ আছিল সমাজবাদী শিবিৰত। ভাৰতবৰ্ষকে ধৰি সদ্য স্বাধীন দেশ তথা ৰাষ্ট্ৰসমূহ লাহে লাহে অন্য এটি শিবিৰৰ সদস্য তথা অৰ্ন্তভূক্ত হৈ পৰিল।

এই তিনিটা শিবিৰকে আকৌ প্ৰথম বিশ্ব (পুঁজিবাদী শিবিৰ), দ্বিতীয় বিশ্ব (সমাজবাদী

শিবিৰ) আৰু তৃতীয় বিশ্ব (সদ্য স্বাধীন দেশসমূহ) আদি ৰাজনৈতিক অভিধাৰেও জনা যায়। উল্লেখ কৰিব পাৰি যে দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ৰপৰা দ্বিতীয় বিশ্বৰ প্ৰভাৱ দ্ৰুতভাৱে বৃদ্ধি পাই আহিছিল। পূৰ্ব ইয়োৰূপৰ ভালেমান দেশত কমিউনিষ্ট শাসনতন্ত্ৰ প্ৰতিষ্ঠিত হৈছিল আৰু ফলশ্ৰুতিত দ্বিতীয় বিশ্বৰ সম্প্ৰসাৰণ ঘটিছিল। ১৯৪৯ চনত চীনত আৰু ১৯৫৯ চনত কিউবাত কমিউনিষ্ট শাসন ব্যৱস্থা কায়েম হোৱাত দ্বিতীয় বিশ্বৰ পৰিসৰ আৰু শক্তিৰ যথেষ্ঠ বৃদ্ধি ঘটিছিল। গতিকে এইটো স্পষ্ট যে ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ কবলৰপৰা স্বাধীনতা লাভ কৰা দেশসমূহকে তৃতীয় বিশ্ব বুলি কোৱা হয়। পূৰ্বে উল্লেখ কৰি অহা হৈছে যে ছোভিয়েট ৰাছিয়াৰ অভ্যুদয়ৰ সময়ৰপৰাই সমাজবাদী আৰু পুঁজিবাদী-সাম্ৰাজ্যবাদী শিবিৰৰ মাজত চলি অহা ৰাজনৈতিক মতাদৰ্শগত সংগ্ৰাম, সংশয়, অবিশ্বাস আৰু সন্দেহৰ ফলশ্ৰুতিত দুইটা শিবিৰৰ মাজত শীতল যুদ্ধৰ সৃষ্টি হৈছিল। এই শীতল যুদ্ধৰ ফলত বিশ্বত দেশসমূহৰ মাজত ৰাজনৈতিক মেৰুকৰণ প্ৰক্ৰিয়াৰ সূচনা হৈছিল। নিজ নিজ দেশৰ প্ৰচলিত ৰাজনৈতিক মতাদৰ্শ অনুযায়ী তিনিটা শিবিৰৰ যি কোনো এটা শিবিৰত সোমাই পৰিছিল।

কিন্তু ভাৰতবৰ্ষ, ইন্দোনেছিয়া, ইজিপ্ত, যুগোশ্লাভিয়া আদি দেশৰ দৰে সদ্য স্বাধীন দেশসমূহে তেনে কোনো শিবিৰত অংশ নলৈ বা অৰ্ন্তভুক্ত নহৈ এক পৃথক ৰাজনৈতিক সমীকৰণৰ প্ৰতি আগ্ৰহান্বিত হৈ পৰিছিল। এফালে পুঁজিবাদী আৰু আনফালে সমাজবাদী এই দুটাৰ কোনো এটি প্ৰতিষ্ঠিত ৰাজনৈতিক-সামৰিক শিবিৰতেই অংশ নোলোৱাকৈ সদ্য স্বাধীন দেশসমূহে লাহে লাহে নিজা ধৰীয়াকৈ এক আন্তৰাষ্ট্ৰীয় ৰাজনৈতিক সংগঠন গঢ়ি তোলাৰ দিশত অগ্ৰসৰ হৈছিল। তাৰেই পৰিণতিত সৃষ্টি হৈছিল গোষ্ঠী নিৰপেক্ষ আন্দোলন(Non-aligned Movement)।

গোষ্ঠী নিৰপেক্ষ আন্দোলন সম্পৰ্কে আলোচনা কৰাৰ আগতে পঞ্চশীল নীতিৰ বিষয়ে কিছু আলোচনা কৰাৰ প্ৰয়োজন আছে। কিয়নো পঞ্চশীল নীতিৰ ওপৰত নিৰ্ভৰ কৰিয়েই গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ সৃষ্টি হৈছে।

পঞ্চশীল নীতিঃ

পঞ্চশীল নীতি গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ আধাৰ ৰূপে স্বীকৃত হৈছিল। পঞ্চশীল নীতি বৌদ্ধ ধৰ্মৰ পাঁচটা নৈতিক আচৰণ বিধিৰপৰা অনুসৃত, সেই কেইটা হ'ল—

(ক) জীৱ হত্যা নকৰা,

(খ) এজনক দিয়া বস্তু অন্য এজনে গ্ৰহণ নকৰা,

(গ) মিতব্যায়িতা পালন কৰা,

(ঘ) মিছা কথা নোকোৱা, আৰু

(ঙ) মাদক দ্ৰব্য সেৱন নকৰা।

বৌদ্ধ ধৰ্মাৱলম্বীসকলে নিজৰ ব্যৱহাৰিক জীৱনত পালন কৰা এই পঞ্চশীল নীতিসমূহৰ ভিত্তিতেই স্বাধীনতা লাভ কৰাৰ পিচত দেশৰ বৈদেশিক নীতি গঢ়ি তোলা হৈছিল। অৰ্থাৎ ভাৰতবৰ্ষৰ বৈদেশিক নীতিৰ ওপৰত বৌদ্ধ ধৰ্মৰ নৈতিকতাৰ প্ৰভাৱ লক্ষণীয়।

পঞ্চশীল তথা ৰাষ্ট্ৰসমূহৰ পাৰস্পৰিক সহাৱস্থানৰ পাঁচটা নীতি চীনত কমিউনিষ্ট বিপ্লৱ সফল হোৱাৰ (১৯৪৯) অব্যাবহিত পিচৰ কালছোৱাত পোনতে সেই দেশৰ ৰাষ্ট্ৰ প্ৰধান মাও জে-দুঙে উদ্ভাৱন কৰিছিল। প্ৰজাতান্ত্ৰিক চীন সাধাৰণতন্ত্ৰৰ আবিৰ্ভাৱৰ লগে লগে সেই দেশৰ বৈদেশিক নীতিৰ মূল বৈশিষ্ঠ্য সম্পৰ্কে উল্লেখ কৰি মাও-জে-দুঙে কৈছিল যে সেই দেশৰ উদ্দেশ্য আছিল, " to establish diplomatic relations with all countries willing to observe the principles of equality, mutual benefit and mutual respect for territorial integrity and sovereignty "

ব্যৱহাৰিক ৰাজনীতিত এই পঞ্চশীল নীতিৰ পোনতে প্ৰয়োগ কৰা হৈছিল ১৯৫৪ চনৰ ২৯ মে'ত স্বাক্ষৰিত ভাৰত-চীন দ্বিপাক্ষিক চুক্তিত। এই চুক্তিটো নতুন দিল্লীত ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী জৱহৰলাল নেহৰু আৰু চীনৰ প্ৰধানমন্ত্ৰী জৌ-এন-লাইয়ে সম্পাদন কৰিছিল। সেই বছৰৰে ২৮ জুন তাৰিখে বাতৰি কাকতলৈ দুয়োজনে দিয়া যুটীয়া বিবৃতিত সেই চুক্তিৰ চৰ্তাৱলীৰ কথা সদৰি কৰা হৈছিল। সেই চীন-ভাৰত দ্বি-পাক্ষিক চুক্তিৰ প্ৰস্তৱনাতে পঞ্চশীল নীতিৰ চৰ্তাৱলী সন্নিবিষ্ট কৰা আছিল আৰু সেইবোৰ আছিল—

১। সাৰ্বভৌমত্ব আৰু ৰাষ্ট্ৰীয় অখণ্ডতাৰ প্ৰতি পাৰস্পৰিক স্বীকৃতি আৰু শ্ৰদ্ধা প্ৰদান,

২। পৰস্পৰৰ প্ৰতি অনাক্ৰমণ নীতিত বিশ্বাস,

৩। পৰস্পৰৰ আভ্যন্তৰীণ ৰাজনৈতিক বিষয়ত হস্তক্ষেপ কৰাৰপৰা বিৰত থকা,

৪। সমানাধিকাৰৰ ভিত্তিত পাৰস্পৰিক সুবিধাৰ সৃষ্টি কৰা, আৰু

৫। শান্তিপূৰ্ণ সহ-অৱস্থান।

তিব্বতক কেন্দ্ৰ কৰি চীন আৰু ভাৰতবৰ্ষৰ মাজত স্বাক্ষৰিত এই চুক্তিয়ে পোন প্ৰথমবাৰৰ বাবে আন্তৰাষ্ট্ৰীয় ৰাজনীতিত পঞ্চশীল নীতিৰ প্ৰয়োগ সূচীত কৰে। ইয়াৰ পিচত ১৯৫৫ চনৰ ১৭-২৪ এপ্ৰিলত ইন্দোনেছিয়াৰ বান্দুঙত অনুষ্ঠিত প্ৰথম আফ্ৰো-এছীয় সন্মিলনৰ বিশ্ব শান্তি আৰু সহযোগিতা শীৰ্ষক ঘোষণা পত্ৰতো ("Declaration on the Promotion of World Peace and Cooperation") এই নীতিসমূহ সন্নিবিষ্ট কৰা হৈছিল।

• বান্দুং সন্মিলনত এছিয়াৰ ২৩ খন আৰু আফ্ৰিকাৰ ৬ খন ৰাষ্ট্ৰই অংশ গ্ৰহণ কৰিছিল।

এই ৰাষ্ট্ৰসমূহেও পঞ্চশীল নীতিৰ প্ৰতি তেওঁলোকৰ আনুগত্য প্ৰকাশ কৰিছিল। এছিয়াৰ তিনিখন দেশে—ভাৰতবৰ্ষ, চীন আৰু ইন্দোনেছিয়াই—এই সম্মিলনত এছিয়া আৰু আফ্ৰিকাৰ সদ্য স্বাধীন দেশসমূহৰ মাজত ঘনিষ্ঠ সম্পৰ্ক আৰু ৰাজনৈতিক সংহতি স্থাপনৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিছিল। বান্দুং সম্মিলনত পঞ্চশীল নীতি অন্যান্য আফ্ৰো-এছীয় ৰাষ্ট্ৰৰ দ্বাৰাও সমাদ্ৰিত হৈছিল।

এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে ভাৰতবৰ্ষই নিজৰ ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদ বিৰোধীতাৰ নীতিক বিশ্বৰ বহল ৰাজনৈতিক প্ৰেক্ষাপটলৈ লৈ যোৱাৰ বাবেই বান্দুঙত পঞ্চশীল নীতি বিশেষকৈ সাম্ৰাজ্যবাদৰ কবলৰপৰা মুক্ত হোৱা সদ্য স্বাধীন দেশসমূহৰ দ্বাৰা সমাদ্ৰিত হৈছিল। উদাহৰণ স্বৰূপে ভাৰতবৰ্ষই দ্বিধাহীনভাৱে দক্ষিণ-পূৰ্ব এছিয়াৰ ইন্দোনেছিয়া আৰু আফ্ৰিকাৰ লিবিয়া, টিউনিছিয়া, আলজেৰিয়া আদি দেশৰ জনসাধাৰণৰ সাম্ৰাজ্যবাদ বিৰোধী স্বাধীনতা সংগ্ৰামৰ প্ৰতি সমৰ্থন দিছিল। তদুপৰি পেলেষ্টাইনৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ প্ৰতি ভাৰতবৰ্ষই নিজৰ সমৰ্থন আৰু সহানুভূতি প্ৰদৰ্শন কৰিছিল। ১৯৪৯ চনত চীনত কমিউনিষ্ট শাসন প্ৰতিষ্ঠিত হোৱাৰ লগে লগেই সেই চৰকাৰৰ প্ৰতি তৎকালেই স্বীকৃতি প্ৰদান কৰি সাহসিকতাৰ পৰিচয় দিয়াৰ লগতে ভাৰতবৰ্ষই নিজৰ স্বাধীন সত্তাৰ পৰিচয় দিব পাৰিছিল।

বিশ্বৰ নিপীড়িত মানুহৰ মুক্তি আৰু স্বাধীনতাৰ প্ৰতি ভাৰতবৰ্ষৰ এই দায়বদ্ধতাই দেশে দেশে সংগঠিত সাম্ৰাজ্যবাদ বিৰোধী স্বাধীনতা আন্দোলন-সংগ্ৰামক উৎসাহ-অনুপ্ৰেৰণা যোগাইছিল। এইবিলাক কাৰণতে ভাৰতবৰ্ষৰ প্ৰতি বিশ্বৰ নিপীড়িত জনগণৰ আস্থা বৃদ্ধি পাই গৈছিল। তাৰেই ফলশ্ৰুতিত বান্দুং সম্মিলনত চীন-ভাৰত পঞ্চশীল নীতি সকলোৰে দ্বাৰা সমানেই সমাদ্ৰিত হৈছিল। আনহাতে এই বান্দুং সম্মিলনেই গোষ্ঠী নিৰপেক্ষ আন্দোলন গঢ়ি তোলাত মুখ্য ভূমিকা লৈছিল।

বান্দুং সম্মিলনত সেই সময়ৰ বিশ্ব ৰাজনীতিৰ কেবাজনো সিংহ পুৰুষে অংশ গ্ৰহণ কৰিছিল। তেওঁলোক আছিল ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী জৱহৰলাল নেহৰু, চীনৰ প্ৰধানমন্ত্ৰী চৌ-এন-লাই, ইজিপ্তৰ প্ৰেছিডেণ্ট গামাল আবডেল নাছেৰ, যুগোশ্লাভিয়াৰ প্ৰেছিডেণ্ট যোছেফ ব্ৰজ টিটো, ইন্দোনেছিয়াৰ প্ৰেছিডেণ্ট আহ্মেদ ছুকাৰ্ণো আদি।

সদ্য স্বাধীন তৃতীয় বিশ্বৰ দেশসমূহ বহুকাল ধৰি ঔপনিবেশিক-সাম্ৰাজ্যবাদী শাসন-শোষণৰ কবলত থকাত সেই দেশসমূহৰ অৰ্থনৈতিক অৱস্থা একেবাৰে অনুন্নত হৈ ৰৈছিল। ৰাজনৈতিক, সাংস্কৃতিক, শৈক্ষিক, জনস্বাস্থ্য সকলো দিশতে চাৰিওপিনে কেৱল পশ্চাদপদতাৰ বেঙনি বিৰিণ্ডি উঠিছিল। গতিকে সাম্ৰাজ্যবাদৰপৰা স্বাধীনতা পালেই

নহ'ব,অৰ্থনৈতিক পুনৰগঠন আৰু আনুষঙ্গিক মানবীয় দিশসমূহৰো সুষম বিকাশ আৰু উন্নয়ন সাধন কৰিব লাগিব। তাৰ বাবে প্ৰয়োজন প্ৰচুৰ অৰ্থ সম্পদ। গতিকেই সদ্য স্বাধীন ৰাষ্ট্ৰসমূহৰ মাজত পাৰস্পৰিক অৰ্থনৈতিক সংহতি আৰু সহযোগিতা আছিল অপৰিহাৰ্য। সেই সংহতি আৰু সহযোগিতাৰ সৃষ্টি কৰিবলৈ হ'লে অনুন্নত দেশসমূহৰ বাবে প্ৰয়োজন এক আন্তৰাষ্ট্ৰীয় সংগঠন।

প্ৰচলিত শক্তি জোঁটৰপৰা (Power blocs) অৰ্থনৈতিক সাহায্য পালেও হয়তো তাৰ লগে লগে আহিব ৰাজনৈতিক-সামৰিক চৰ্তৰ বোজা। তেনে অৱস্থাত সদ্য স্বাধীন দেশসমূহে পুনৰ হেৰুৱাব তেওঁলোকৰ কষ্টোপাৰ্জিত স্বাধীনতা আৰু মুক্ত চিন্তা আৰু বিকাশৰ অধিকাৰ। তদুপৰি শক্তি জোঁটলৈ আহিলেই অস্ত্ৰ প্ৰতিযোগিতাত লিপ্ত হ'ব লাগিব, নিজৰ দেশৰ কোটি কোটি লোকক ঘাহ খাই থাকিবলৈ দি হলেও আনৱিক বোমা তৈয়াৰ কৰাত জনসাধাৰণৰপৰাই সংগ্ৰহ কৰা ৰাজহ খৰছ কৰিব লাগিব।

তদুপৰি শীতল যুদ্ধত লিপ্ত দেশসমূহৰ দ্বাৰা যি কোনো মুহূৰ্ত্তত পুনৰ তৃতীয়খন বিশ্ব যুদ্ধৰ সৃষ্টি হোৱা আৰু বিশ্ব শান্তি বিঘ্নিত হোৱাৰ সম্ভৱনাও সেই সময়ত প্ৰকট হৈ পৰিছিল। কাজেই বিশ্বত যুদ্ধ পন্থা পৰিহাৰ কৰি শান্তি বজাই ৰাখিবলৈ হ'লে তৃতীয় এটি নিৰপেক্ষ শক্তিৰ প্ৰয়োজন আছিল। গতিকে সদ্য স্বাধীন দেশসমূহৰ বাবে গোষ্ঠী নিৰপেক্ষ আন্দোলন গঢ়ি তোলাৰ বাহিৰে কোনো গত্যন্তৰ নাছিল। পৰম সন্তোষৰ কথা যে সেই অৱস্থাত ইন্দোনেছিয়াৰ প্ৰেছিডেণ্ট ছুকাৰ্ণোৰ আতিথ্যত অনুষ্ঠিত বান্দুং সন্মিলনে তেনে এটি আন্তৰাষ্ট্ৰীয় সংগঠন গঢ়ি তোলাৰ সম্ভৱনা কঢ়িয়াই আনিছিল।

(খ) গোষ্ঠী নিৰপেক্ষ নীতি আৰু আফ্ৰো-এছিয় সংহতিঃ

দ্বিতীয় বিশ্ব যুদ্ধৰ সামৰণিৰ পিচত এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ বহু দেশ সাম্ৰাজ্যবাদৰ কবলৰপৰা মুক্ত আৰু স্বাধীন হৈ পৰে। এই ঘটনা-পৰিঘটনাৰ পৰিপ্ৰেক্ষিতত বিশ্ব ৰাজনীতিৰ সমীকৰণত যথেষ্ট পৰিবৰ্তন আহে। আনহাতে ছোভিয়েট ৰাছিয়া আৰু পূৰ্ব ইয়োৰোপৰ কমিউনিষ্ট দেশসমূহৰ লগতে ১৯৪৯ চনত কমিউনিষ্ট দেশ হিচাপে চীনৰ আবিৰ্ভাৱে বিশ্ব ৰাজনীতিত কমিউনিষ্ট দেশবিলাকৰ প্ৰভাৱ আৰু অধিক বঢ়াই তুলিছিল। সেয়ে শীতল যুদ্ধই সৃষ্টি কৰা বিবাদমান শক্তি জোঁটৰ বিপৰীতে এই সদ্য স্বাধীন দেশসমূহে বিশ্ব ৰাজনীতিত নিজৰ প্ৰভাৱ-প্ৰতিপত্তি স্থাপন কৰাৰ লগতে নিজ নিজ দেশৰ অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, জনস্বাস্থ্য আদি বিভিন্ন দিশৰ বিকাশৰ বাবে পাৰস্পৰিক সহযোগিতাৰ পৰিবেশ গঢ়ি তোলাৰ চেষ্টা কৰিছিল। লগতে ৰাষ্ট্ৰসংঘ আদি আন্তৰাষ্ট্ৰীয় সংগঠনত বৃহৎ শক্তিসমূহৰ প্ৰভাৱ-প্ৰতিপত্তিৰ বিপৰীতে সদ্য স্বাধীন অথচ ৰাজনৈতিক, অৰ্থনৈতিক, সামৰিক দিশত দুৰ্বল দেশসমূহে যাতে সেই সংগঠনৰ

মজিয়াত নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত যুটীয়াভাৱে এটি ক্ৰিয়াশীল গোট হিচাপে কাম কৰিব পাৰে তাৰ বাবেও তেওঁলোক সচেতন হৈ পৰিছিল। এইবিলাক কাৰণতেই দ্বিতীয় বিশ্ব যুদ্ধৰ পিচত এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ দেশসমূহৰ মাজত ভালেমান আন্তৰাষ্ট্ৰীয় ৰাজনৈতিক, অৰ্থনৈতিক সহযোগিতামূলক সংগঠনৰ সৃষ্টি হৈছিল। সেই সংগঠনসমূহ হ'ল—

১। প্ৰথম এছীয় সম্পৰ্কৰক্ষী সন্মিলন, ১৯৪৭,

২। দ্বিতীয় এছীয় সম্পৰ্কৰক্ষী সন্মিলন, ১৯৪৮,

৩। ২৬ খন সদ্য স্বাধীন এছীয় দেশৰ কলম্বো আঁচনি, ১৯৬০,

৪। গোষ্ঠী নিৰপেক্ষ আন্দোলন, ১৯৬১,

৫। বৃটেইনৰপৰা স্বাধীনতা পোৱা ৫৩ খন দেশৰ কমনওৱেলথ সন্মিলন,

৬। আফ্ৰিকা সংহতি সংস্থা (৫৩ খন ৰাষ্ট্ৰ যুক্ত), ১৯৬৩,

৭। দক্ষিণ এছিয়া আঞ্চলিক সহযোগিতা সংগঠন, ১৯৮৫, আদি।

এই সংগঠনসমূহৰ ভিতৰত আন্তৰাষ্ট্ৰীয় ৰাজনীতিত গোষ্ঠী নিৰপেক্ষ আন্দোলনে এক বিশেষ ক্ৰিয়াশীল ভূমিকা পালন কৰি আহিছে। ১৯৫৪ চনত বান্দুং সন্মিলনত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ ধাৰণাটোৰ সৃষ্টি হোৱাৰ পিচত সেই আন্দোলনক আনুষ্ঠানিক আৰু সাংগঠনিক ৰূপ দিয়ালৈ প্ৰায় সাত বছৰতকৈও অধিক কাল লাগিল। গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ সাংগঠনিক শীৰ্ষ সন্মিলনখন অনুষ্ঠিত হৈছিল যুগোশ্লাভিয়াৰ ৰাজধানী বেলগ্ৰেড চহৰত। এই সন্মিলনখন অনুষ্ঠিত হৈছিল ১৯৬১ চনৰ ছেপ্তেম্বৰ মাহত। এই শীৰ্ষ সন্মিলনত মুঠতে ২৫ খন দেশৰ ৰাষ্ট্ৰ প্ৰধান তথা চৰকাৰৰ মুৰব্বীসকলে অংশ গ্ৰহণ কৰিছিল, আৰু তিনিখন দেশে পৰ্যবেক্ষক ৰূপে উপস্থিত আছিল। এই সন্মিলনত বিশেষকৈ এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহৰ অংশ গ্ৰহণেই আছিল সৰ্বাধিক, ইয়োৰোপৰপৰা যুগোশ্লাভিয়া আৰু মধ্য আমেৰিকাৰপৰা কেৱল কিউবাই অংশ গ্ৰহণ কৰিছিল।

এই শীৰ্ষ সন্মিলনত এখন ঘোষণা পত্ৰ যোগে এলানি ২৭-দফীয়া নীতি গ্ৰহণ কৰা হৈছিল, তাৰে প্ৰধান কেইটামান নীতি তলত উল্লেখ কৰা হ'ল—

১। সকলো ধৰণৰ ঔপনিবেশিকতবাদ আৰু সাম্ৰাজ্যবাদক ধিক্কাৰ দিয়া,

২। বিশ্বৰ যি কোনো দেশতে প্ৰচলিত বৰ্ণ বৈষম্যবাদক ধিক্কাৰ দিয়া,

৩। ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ দ্বাৰা পদানত দেশসমূহৰ মুক্তি আৰু স্বাধীনতাৰ দাবী কৰা,

৪। বিশ্বত শান্তি বজাই ৰাখিবলৈ সম্পূৰ্ণ নিৰস্ত্ৰীকৰণ কৰা,

৫। আলজেৰিয়া, এঙ্গোলা, কঙ্গো আৰু টিউনিছিয়াৰ স্বাধীনতা সংগ্রামৰ প্রতি সমর্থন দিয়া আৰু বিদেশী শক্তিসমূহক নিজ নিজ দেশৰ সামৰিক বাহিনী আঁতৰাই নিবলৈ দাবী কৰা,

৬। মহা শক্তি জোঁট দুটাক—আমেৰিকা যুক্তৰাষ্ট্র আৰু ছোভিয়েট ৰাছিয়াক—বিশ্ব শান্তি বিঘ্নিত নকৰিবলৈ সঁকিয়াই দিয়া,

৭। মুক্ত আৰু স্বাধীনভাৱে, কোনো বাধা বিপত্তি নোহোৱাকৈ আৰু ভীতি প্রদর্শন নকৰাকৈ, সমানাধিকাৰৰ ভিত্তিত সকলো অনুন্নত দেশৰে অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক উন্নয়নৰ কাম কৰিবলৈ সুবিধা দিয়া, আৰু

৮। সমনাধিকাৰৰ আৰু ন্যায্যতাৰ ভিত্তিত উন্নয়নশীল দেশসমূহৰ বাবে বৈদেশিক বাণিজ্যৰ সম্প্রসাৰণ ঘটোৱা।

বেলগ্রেড শীর্ষ সন্মিলনৰ পৰৱৰ্তী কালত গোষ্ঠী নিৰপেক্ষ আন্দোলনে বেছ সঁহাৰি পায় আৰু এই আন্দোলন ক্রমাগতভাৱে তৃতীয় বিশ্বৰ ৰাষ্ট্রসমূহৰ এক শক্তিশালী আন্তৰাষ্ট্রীয় সংগঠনত পৰিণত হয়। এই আন্দোলনৰ পৰৱৰ্তী শীর্ষ সন্মিলনসমূহ হ'ল—

দ্বিতীয় শীর্ষ সন্মিলন, (ইজিপ্ত) কাইৰো, ১৯৬৪,
তৃতীয় শীর্ষ সন্মিলন, (জাম্বিয়া) লুছাকা, ১৯৭০,
চতুর্থ শীর্ষ সন্মিলন, (আলজেৰিয়া) আলজিয়ার্ছ, ১৯৭৩,
পঞ্চম শীর্ষ সন্মিলন (শ্রীলঙ্কা), কলম্বো, ১৯৭৬,
ষষ্ঠ শীর্ষ সন্মিলন, (কিউবা) হাভানা, ১৯৭৯,
সপ্তম শীর্ষ সন্মিলন (ভাৰতবর্ষ), নতুন দিল্লী, ১৯৮৩,
অষ্টম শীর্ষ সন্মিলন (জিম্বাবোৱে), হাৰাৰে, ১৯৮৬,
নৱম শীর্ষ সন্মিলন (যুগোশ্লাভিয়া) বেলগ্রেড, ১৯৮৯,
দশম শীর্ষ সন্মিলন (ইন্দোনেছিয়া) জাকার্টা, ১৯৯২, আৰু
একাদশ শীর্ষ সন্মিলন (কলম্বিয়া), কার্টাজেনা, ১৯৯৫।

১৯৬১ চনত বেলগ্রেডত অনুষ্ঠিত প্রথম সন্মিলনৰপৰা ১৯৯৫ চনত কার্টাজেনাত অনুষ্ঠিত একাদশ সন্মিলনৰ মাজৰ সময়ছোৱাত বিশ্বত বহু দেশে সাম্রাজ্যবাদৰ কবলৰপৰা মুক্ত আৰু স্বাধীন হৈ পৰিছিল। এই সময়ছোৱাত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰো প্রভূত বিকাশ সাধন হয়। প্রথম সন্মিলনত সদস্য ৰাষ্ট্রৰ সংখ্যা আছিল ২৫, সম্প্রতি এই সংগঠনৰ সদস্য-ৰাষ্ট্রৰ সংখ্যা হৈছেগৈ ১১৪। জাকার্টাত অনুষ্ঠিত শীর্ষ সন্মিলনৰ সময়ত বিশ্বত শীতল যুদ্ধৰ অৱসান ঘটিছে। এফালে ছোভিয়েট ৰাছিয়াৰ বিলুপ্তি আৰু আনফালে ভাৰতবর্ষ আদি দেশেও আনবিক অস্ত্র তথা শক্তিৰ অধিকাৰী হোৱাত বিশ্বত পৰমানবিক যুদ্ধৰ

ভয়বহতা বহুলাংশে হ্ৰাস পাই আহিছে। আনহাতে ছোভিয়েট ৰাছিয়াৰ বিলুপ্তিৰ পিচৰপৰাই বিশ্ব ৰাজনীতিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত একক ৰাজনৈতিক মেৰুকৰণ (Unipolar) প্ৰক্ৰিয়াৰ আৰম্ভ হৈছে। এই পৰিণতি আকৌ স্বাধীন আৰু অৰ্থনৈতিক আৰু সামৰিকভাৱে দুৰ্বল ৰাষ্ট্ৰসমূহৰ বাবে বিপদৰ কাৰণ হৈ পৰিছে আৰু তাৰেই পৰিপ্ৰেক্ষিতত বিশ্ব ৰাজনীতিত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ গুৰুত্ব বাঢ়ি আহিছে। সেয়ে জাকাৰ্টাত অনুষ্ঠিত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ দশম শীৰ্ষ সম্মিলনতেই ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীয়ে কৈছিল, "No one amongst us would favour alignment with one bloc, even if it is the only bloc "

গোষ্ঠী নিৰপেক্ষ আন্দোলনে বিশেষকৈ তৃতীয় বিশ্বৰ দেশসমূহৰ মাজত সংহতি স্থাপন কৰি নিপীড়িত মানুহৰ মুক্তি আৰু স্বাধীনতাৰ পথ মুকলি কৰাত সহায় কৰিছে। লগতে দক্ষিণ আফ্ৰিকা আদিৰ দৰে দেশত ভালেমান বছৰৰপৰা চলি অহা বৰ্ণ বৈষম্যবাদৰ অৱসান ঘটোৱাতো প্ৰভূত অৰিহণা যোগাইছে। বিশেষকৈ সদ্য স্বাধীন দেশসমূহৰ অৰ্থনৈতিক পুনৰ গঠনৰ কাম অব্যাহত ৰখা আৰু মানৱ অধিকাৰ ৰক্ষাৰ আৰু তাৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ অৱদান লেখত ল'বলগীয়া।

আনহাতে ৰাষ্ট্ৰসংঘৰ ভিতৰতে অন্যান্য দেশসমূহৰ সৈতে সমানাধিকাৰৰ ভিত্তিত সদ্য স্বাধীন দেশসমূহৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত গোষ্ঠী নিৰপেক্ষ আন্দোলনে ক্ৰিয়াশীল ভূমিকা লৈছে। অনুন্নত আৰু উন্নয়নশীল দেশসমূহৰ অৰ্থনৈতিক বিকাশৰ স্বাৰ্থত ৰাষ্ট্ৰসংঘৰ ভিতৰতে বিশেষ ভূমিকা লোৱাৰ অভিপ্ৰায়েৰে তৃতীয় বিশ্বৰ দেশসমূহক লৈ গোট-৭৭ৰ (Group-77) সৃষ্টি কৰি লক্ষ্যণীয় সাফল্য লাভ কৰিছে।

তদুপৰি বিশ্বত সংঘটিত ভালেমান যুদ্ধক বিশ্ব যুদ্ধলৈ উন্নীত হোৱাত বাধা প্ৰদান কৰি গোষ্ঠী নিৰপেক্ষ আন্দোলনে সেইবিলাকক একোটা নিৰ্দিষ্ট এলেকাতে সীমাবদ্ধ কৰি ৰাখিবলৈ সক্ষম হৈছে। উদাহৰণ হিচাপে কোৰিয়াৰ যুদ্ধ, ভিয়েটনামৰ যুদ্ধ, কঙ্গোৰ সমস্যা, পশ্চিম তথা মধ্য এছিয়াৰ সমস্যাৰ কথাকে ক'ব পাৰি। গোষ্ঠী নিৰপেক্ষ আন্দোলন সংগঠিত নোহোৱাহেঁতেন এতিয়ামানে বিশ্বত আৰু দুখনমান বিশ্ব মহাৰণ সংঘটিত হ'লহেঁতেন।

***

আৰ্হি প্ৰশ্ন:

<u>ৰচনাধৰ্মী প্ৰশ্ন:</u>

১। এছিয়াৰ উপনিবেশসমূহত আৰম্ভ আৰু বিকাশ লাভ কৰা মুক্তি আন্দোলনসমূহৰ

কাৰক সম্পৰ্কে আলোচনা কৰা।

২। এছিয়াৰ দেশসমূহত আৰম্ভ হোৱা মুক্তি আন্দোলনসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা।

৩। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ অগ্ৰগতি সম্পৰ্কে আলোচনা কৰা।

৪। ইন্দোনেছিয়াৰ মুক্তি আন্দোলনৰ বিষয়ে আলোচনা কৰা।

৫। প্ৰথম বিশ্ব যুদ্ধৰ অব্যৱহিত পিচৰ কালছোৱাৰ চীনৰ ৰাজনৈতিক পৰিস্থিতি সম্পৰ্কে আলোচনা কৰা।

৬। ১৯৪৯ চনৰ অক্তোবৰ মাহত চীনত প্ৰজাতান্ত্ৰিক সাধাৰণতন্ত্ৰ স্থাপন হোৱালৈ তাত সংঘটিত হোৱা বিপ্লৱৰ এক খতিয়ান দাঙি ধৰা।

৭। চীনৰ গৃহ যুদ্ধ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

৮। ভিয়েটনামৰ মুক্তি সংগ্ৰামৰ বিষয়ে চমুকৈ আলোচনা কৰা।

৯। আফ্ৰিকা মহাদেশত সূচনা হোৱা মুক্তি আন্দোলনৰ ঐতিহাসিক পটভূমি সম্পৰ্কে চমুকৈ আলোচনা কৰা।

১০। কোৰিয়াৰ যুদ্ধ সম্পৰ্কে আলোচনা কৰা।

১১। পৰিণতিসহ আফ্ৰিকাৰ বৰ্ণবৈষম্যবাদ বিৰোধী আন্দোলনৰ অগ্ৰগতি সম্পৰ্কে আলোচনা কৰা।

১২। ইজিপ্তৰ নাছেৰৰ নেতৃত্বত গঢ়ি উঠা আৰব জাতীয়তাবাদী অভ্যুত্থান সম্পৰ্কে আলোচনা কৰা।

১৩। লেটিন আমেৰিকাৰ মুক্তি সংগ্ৰাম সম্পৰ্কে এটি চমু খতিয়ান দাঙি ধৰা।

১৪। মধ্য আমেৰিকাত বিশেষকৈ কিউবাত সংঘটিত কমিউনিষ্ট বিপ্লৱ সম্পৰ্কে আলোচনা কৰা।

১৫। লেটিন আমেৰিকাৰ বহু দেশতে প্ৰজাতন্ত্ৰ কিয় কৃতকাৰ্য হোৱা নাই?

১৬। গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ সৃষ্টি কেনেকৈ হৈছিল চমুকৈ আলোচনা কৰা।

১৭। গোষ্ঠী নিৰপেক্ষ আন্দোলনে বিশ্বত শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত কেনে ভূমিকা লৈছিল আলোচনা কৰা।

১৮। গোষ্ঠী নিৰপেক্ষ আন্দোলনে আফ্ৰো-এছীয় সংহতি স্থাপনত কেনে ভূমিকা লৈছিল সেই বিষয়ে চমুকৈ উল্লেখ কৰা।

১৯। গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ মূল আধাৰ কি আছিল বিতংভাৱে আলোচনা কৰা।

চমু উত্তৰ দিয়াঃ

১। মিয়ানমাৰৰ মুক্তি আন্দোলন

২। শ্ৰীলঙ্কাৰ মুক্তি আন্দোলন
৩। ঘানাৰ মুক্তি আন্দোলন
৪। কঙ্গোৰ মুক্তি আন্দোলন
৫। আলজেৰিয়াৰ মুক্তি আন্দোলন
৬। ইজৰায়েল ৰাষ্ট্ৰৰ সৃষ্টি
৭। পেলেষ্টাইন মুক্তি সংগঠন
৮। ইয়াছেৰ আৰাফট
৯। আৰ্জেন্টিনাৰ স্বাধীনতা সংগ্ৰাম
১০। বলিভিয়াৰ মুক্তি সংগ্ৰাম
১১। চালভাডোৰ এলেন্দি
১২। আগাষ্টো পিনোচেটে
১৩। চান মাৰ্টিন
১৪। ফাইডেল কেষ্ট্ৰো

<u>অতি চমু উত্তৰ দিয়াঃ</u>

১। স্বাধীনতা লাভ কৰা এছিয়াৰ প্ৰথম দেশখনৰ নাম লিখাঁ।
২। ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰতিষ্ঠাতা কোন আছিল?
৩। আফ্ৰিকাৰ জাতীয় কংগ্ৰেছৰ প্ৰতিষ্ঠাতা কোনে আছিল?
৪। ব্ৰহ্মদেশৰ মুক্তি আন্দোলনৰ নেতাসকল কোন কোন আছিল?
৫। ইন্দোনেছিয়াৰ স্বাধীনতা আন্দোলনৰ দুজন নেতাৰ নাম উল্লেখ কৰাঁ।
৬। চীনত কোনে টুং-মুং-হাই সংগঠিত কৰিছিল?
৭। কুৱামিংটাং সংগঠন কৰাত জড়িত এজন ব্যক্তিৰ নাম উল্লেখ কৰাঁ।
৮। ছিয়াং-কাই- ছেকে কত চীনৰ জাতীয় চৰকাৰ প্ৰতিষ্ঠা কৰিছিল?
৯। স্বৰ্ণ উপকূলৰ বৰ্তমান নাম কি?
১০। কোন মহাদেশক অন্ধকাৰ মহাদেশ বোলা হৈছিল?
১১। পিকিংৰ বৰ্তমান নাম কি?
১২। ড° ছান ইয়েৎ চেনৰ মৃত্যুৰ তাৰিখটো কি?
১৩। কঙ্গোৰ বৰ্তমান নাম কি?
১৪। আলেজেৰিয়াৰ মুক্তি সংগ্ৰামৰ নেতা কোন আছিল?
১৫। ছুয়েজ খাল কোন কোম্পানীয়ে খনন কৰিছিল?
১৬। নেলছন মেণ্ডেলাই কিমান বছৰ জেইলত কটাইছিল?

১৭। কেতিয়া আফ্ৰিকাৰ জাতীয় কংগ্ৰেছৰ জন্ম হৈছিল?
১৮। SWAPOৰ অৰ্থ কি?
১৯। কুৱামি এনক্ৰুমাই ক'ত তেওঁৰ কলেজীয়া শিক্ষা লাভ কৰিছিল?
২০। ৰবাৰ্ট মুগাবে ক'ত তেওঁৰ কলেজীয়া শিক্ষা লাভ কৰিছিল?
২১। কোন স্বাধীনতা সংগ্ৰামীৰ নামানুসাৰে বলিভিয়াৰ নামাকৰণ কৰা হৈছে?
২২। কোন দ্বীপ-ৰাজ্যক কেৰিবিয়ান সাগৰৰ মুকুতা বোলা হয়?
২৩। লেটিন আমেৰিকাত প্ৰতিষ্ঠা লাভ কৰা কমিউনিষ্ট দেশখনৰ নাম কি?
২৪। মেক্সিকোৰ প্ৰথম প্ৰেছিডেন্ট জন কোন আছিল?
২৫। কোন চনত পানামা খাল পৰিবহনৰ বাবে মুকলি কৰা হৈছিল?

পঞ্চদশ অধ্যায়

দ্বিতীয় বিশ্ব মহাসমৰোত্তৰ কালত বিশ্বত বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু সাংস্কৃতিক বিকাশ

প্ৰাচীন আৰু মধ্য যুগৰপৰা পৃথকাই দেখুৱাবলৈ বৰ্তমান যুগটোক আধুনিক যুগ বোলা হয়। আনহাতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব বিকাশ আৰু তাৰেই আধাৰত প্ৰস্তুত আৰু উৎপাদন কৰা সামগ্ৰীৰ ওপৰত দৈনন্দিন জীৱনৰ নিৰ্ভৰশীলতাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমান যুগটোক বিজ্ঞানৰ যুগো বোলা হয়। মানুহৰ দৈনন্দিন জীৱনত বিজ্ঞানে আবিষ্কাৰ কৰা যন্ত্ৰ-পাতিৰ ব্যাপক ব্যৱহাৰৰ প্ৰতি লক্ষ্য ৰাখি আকৌ এই যুগটোক যান্ত্ৰিক সভ্যতাৰ যুগো বোলা হয়। আনহাতে দ্বিতীয় বিশ্ব যুদ্ধৰ সমসাময়িকভাৱে আবিষ্কাৰ কৰি ৰণ ক্ষেত্ৰত প্ৰয়োগ কৰা আনবিক শক্তিৰ প্ৰতি লক্ষ্য ৰাখি এই যুগটোক আনবিক যুগো বোলা হয়। সম্প্ৰতি আকৌ কম্পিউতাৰ আৰু ইণ্টাৰনেট ব্যৱস্থাৰ আৱত্তণিৰ লগে লগে এই যুগটোক কম্পিউতাৰ-ইণ্টাৰনেটৰ যুগো বুলিবলৈ লোৱা হৈছে। যি নামেৰেই বোলা নাযাওক কিয় আধুনিক যুগত মানুহ যে সম্পূৰ্ণৰূপে যন্ত্ৰ নিৰ্ভৰ হৈ পৰিছে তাত কোনো সন্দেহ নাই। মানুহৰ জীৱন ধাৰণৰ সকলো ক্ষেত্ৰতে যন্ত্ৰৰ প্ৰভাৱ সদায়েই অনুপক্ষেণীয় হৈ পৰিছে। মানুহৰ এই যন্ত্ৰ নিৰ্ভৰ অৱস্থাটো এদিনতে সৃষ্টি হোৱা নাই।

যন্ত্ৰৰ সহায়ত মানুহৰ দৈনন্দিন জীৱনৰ বাবে প্ৰয়োজনীয় আৰু লাগতিয়াল সামগ্ৰীৰ উৎপাদনৰ ক্ষেত্ৰত সূচনা হোৱা গুণগত পৰিবৰ্তনটোকে শিল্প বিপ্লৱ বোলা হয়। বিজ্ঞানৰ সম্প্ৰসাৰণ আৰু কাৰিকৰী আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ লগে লগে সমাজত উৎপাদনৰ ক্ষেত্ৰত ব্যাপক পৰিবৰ্তন সাধিত হৈছে। বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰত নতুন নতুন তত্বৰ আবিষ্কাৰ আৰু তাৰ ব্যৱহাৰিক প্ৰয়োগে ক্ৰমাগতভাৱে মানৱ সমাজৰ উন্নয়নত প্ৰভূত অৱদান দি আহিছে। অষ্টবিংশ শতিকাৰ প্ৰায় মধ্যভাগৰপৰা আৰম্ভ হোৱা এই শিল্প বিপ্লৱৰ বিকাশ হৈছিল মূলত ধৰ্মীয় গোড়ামীৰপৰা বহুলাংশে মুক্ত স্কটলেণ্ডৰ বিশ্ববিদ্যালয়সমূহত আয়ত্ব কৰা বৈজ্ঞানিক আৰু কাৰিকৰী জ্ঞানৰ ফলশ্ৰুতিত। বেনেচাঁৰ সময়ৰপৰা দেখা গৈছে যে ধৰ্ম মুক্ত মন আৰু পৰিবেশ নাথাকিলে বিজ্ঞান আৰু কাৰিকৰী দিশত অগ্ৰগতি লাভ কৰাটো সম্ভৱপৰ নহয়। অষ্টবিংশ শতিকাত স্কটলেণ্ডৰ ধৰ্মীয়-সামাজিক পৰিবেশ বিজ্ঞান চৰ্চাৰ অনুকূলে থকাত তাত ভালেমান বিদ্বানে নিশ্চিন্তমনে নিজ নিজ ক্ষেত্ৰত অধ্যয়ন আৰু গৱেষণা কাৰ্য চলাই যাব পাৰিছিল। উৎপাদনত বিজ্ঞান আৰু কাৰিকৰী জ্ঞানৰ ব্যৱহাৰে বিশেষকৈ উদীয়মান বুৰ্জোৱা শ্ৰেণীক বেছি উৎসাহিত কৰিছিল, আৰু তেওঁলোকে

বিশেষভাৱে অধিক উৎপাদনৰ জড়িয়তে অধিক মুনাফা লাভৰ তাগিদাত বিজ্ঞান আৰু কাৰিকৰী জ্ঞানৰ বিকাশ আৰু উত্তৰোত্তৰ উন্নয়নৰ প্ৰতি অধিক সচেতন আছিল। বেঞ্জামিন ফ্ৰেঙ্কলিন (১৭০৬-৯০), জন উইলকিন্‌ছন (১৭২৮-১৮০৮), ইৰাছমাছ ডাৰউইন (১৭৩১-১৮০২), মেথিও বল্টন (১৭২৮-১৮০৯), যোছেফ প্ৰিষ্টলি (১৭৩৩-১৮০৪), জেইমছ্‌ ৱাট (১৭৩৬-১৮১৯), মাৰডক(১৭৫৪-১৮৩৯) আদি বিদ্বানসকলৰ প্ৰযত্নত জীৱ, উদ্ভিদ আৰু প্ৰাকৃতিকবিজ্ঞানৰ ক্ষেত্ৰত মানুহৰ জ্ঞানৰ নতুন নতুন দিগন্ত উন্মোচিত হৈছিল।

ফৰাছী বিপ্লৱ পিচত আৰু নেপ'লিয়নৰ ৰাজত্ব কালত ফ্ৰান্সতো তেনে এটা পৰিবেশ তৈয়াৰ হোৱাত আৰু বিশেষকৈ নেপ'লিয়নৰ পৃষ্ঠপোষকতাত সেই দেশতো বিজ্ঞান চৰ্চাৰ দ্ৰুত সম্প্ৰসাৰণ ঘটিছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে নেপ'লিয়নৰ পৃষ্ঠপোষকতাত ফ্ৰান্সত ভালেমান কাৰিকৰী প্ৰশিক্ষণ কেন্দ্ৰ গঢ়ি উঠিছিল। ফ্ৰান্সত বিশেষকৈ সামৰিক বাহিনীৰ প্ৰয়োজন পূৰাবলৈ নিত্য নতুন অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণৰ বাবেই বিজ্ঞান আৰু কাৰিকৰী জ্ঞানৰ প্ৰয়োজনে দেখা দিছিল। লাহে লাহে সেই বিজ্ঞান আৰু কাৰিকৰী জ্ঞানক অন্যান্য উৎপাদন ক্ষেত্ৰলৈও সম্প্ৰসাৰিত কৰা হৈছিল। নেপ'লিয়নে প্ৰবৰ্তন কৰা মেট্ৰিক পদ্ধতি ১৭৯৯ চনতেই সম্পূৰ্ণ কৰা হৈছিল।

আজিৰপৰা প্ৰায় ডেৰ-দুই শতিকা জুৰি চলি অহা বিজ্ঞানৰ অগ্ৰগতিৰ সমান্তৰালভাৱে প্ৰযুক্তি বিদ্যাৰ ক্ষেত্ৰত লাভ কৰা অভূতপূৰ্ব সাফল্যই বৰ্তমান যুগটোক প্ৰাচীন আৰু মধ্য যুগৰপৰা সম্পূৰ্ণকৈ পৃথক কৰি পেলাইছে। অন্য কথা বাদেই মানব সভ্যতাৰ বিগত ৫,০০০ বছৰৰ ইতিহাসত যিমান খিনি অগ্ৰগতি তথা সাফল্য লাভ কৰা হৈছিল, তাৰ তুলনাত বিগত ডেৰ-দুই শতিকাত কৰা অগ্ৰগতিৰ কোনো তুলনা নহয়। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই মানব সমাজক যেন এক স্থবিৰ অৱস্থাৰপৰা প্ৰচণ্ড গতিহে প্ৰদান কৰিলে তেনে লাগে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ এই অগ্ৰগতিৰ দুটা দিশ আছে—এটা ধনাত্মক আৰু আনটো ঋণাত্মক। অৰ্থাৎ এই প্ৰক্ৰিয়াই যেনেকৈ নতুন নতুন সৃষ্টিৰ সম্ভাবনা আৰু পৰিবেশ তৈয়াৰ কৰিছে তেনেকৈ তাৰ সমান্তৰালভাৱে ধ্বংসৰ পৰিবেশ আৰু প্ৰৱনতাৰো সৃষ্টি কৰি আহিছে। দ্বিতীয় বিশ্ব যুদ্ধত আনবিক অস্ত্ৰৰ ব্যৱহাৰে আৰু তাৰ পৰৱৰ্তী কালত সেই অস্ত্ৰৰ দ্ৰুত ক্ৰমোন্নয়নে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ধ্বংসাত্মক দিশটো বাৰুকৈয়ে উন্মোচিত কৰিছে বুলি খাটাংকৈ কব পাৰি। কিন্তু সেইটো হ'লেও বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই মানুহৰ জীৱন ধাৰণৰ মানদণ্ডৰ প্ৰভূত উন্নয়ন সাধন কৰিছে, শাৰীৰিক দুখ-কষ্টৰ লাঘৱ কৰিছে, মাৰি-মৰকৰপৰা জীৱন ৰক্ষা কৰিছে, মানুহৰ স্বাস্থ্যৰ উন্নয়নৰ ক্ষেত্ৰত সহায় কৰাৰ লগতে বাহুল্য পৰিমাণে আয়ুস বৃদ্ধি কৰিছে আৰু তাৰ লগতে বৃদ্ধি কৰিছে মানুহৰ সুখ-সমৃদ্ধিৰ আৰু সাংস্কৃতিক জীৱন ধাৰাৰ আৰু মানদণ্ডৰ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা এতিয়া

আৰু কেবল বিজ্ঞানী আৰু প্ৰযুক্তিবিদৰ একচেতিয়া নিয়ন্ত্ৰণ বা অধিকাৰৰ বিষয় হৈ থকা নাই নতুবা বিজ্ঞানাগাৰ বা প্ৰয়োগশালাতে আবদ্ধ হৈ থকা নাই, মানুহৰ জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে তাৰ প্ৰভাৱ বিয়পাই হৈ পৰিছে। এক কথাত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক বাদ দি আজি মানব সমাজৰ কথা চিন্তাই কৰিব নোৱাৰি, আজি বিজ্ঞান-প্ৰযুক্তিবিদ্যা আৰু মানৱ সমাজৰ মাজৰ সম্পৰ্ক ইমান নিবিড় হৈ পৰিছে যে যদি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক ক্ষন্তেকৰ বাবেও আঁতৰাই নিয়া হয় তেনেহলে সেই সমাজখন নিমিষতে স্তব্ধ হৈ পৰিব।

মানৱ সমাজলৈ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অবদান সম্পৰ্কে প্ৰধানতঃ নিম্ন লিখিত শিতানত আলোচনা কৰিব পাৰি—(১) ঔষধ আৰু চিকিৎসা বিজ্ঞান, (২) শিল্প আৰু কল-কাৰখানাত প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ, (৩) যাতায়াত আৰু পৰিবহনৰ ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱ, (৪) যোগাযোগৰ ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱ আৰু (৫) যুদ্ধাস্ত্ৰ নিৰ্মাণ আৰু নিৰাপত্তাৰ ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অবদান।

(১) ঔষধ আৰু চিকিৎসা বিজ্ঞানঃ

আধুনিক যুগত বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে ঔষধ আৰু চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত অভূতপূৰ্ব সাফল্য লাভ কৰা হৈছে। ফৰাছী বৈজ্ঞানিক লুই পেষ্টাৰে (১৮২২-৯৫) (Lois Pasteur) লাউপানী (Beer) আৰু দৈৰ (Curd) বিষয়ে অধ্যয়ন কৰি জীৱানুৰ (Bacteria) ক্ৰিয়া-প্ৰতিক্ৰিয়া সম্পৰ্কে অবহিত হয়। তেওঁৰ এই কাৰ্যই জীৱানুৰ অধ্যয়নৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ উন্মোচন কৰে। তেওঁৰ অধ্যয়নৰ আঁট ধৰিয়েই লাহে লাহে বৰ-আই, কলেৰা, ঘোঁৰাশলখা, জলাতঙ্ক, এনথ্ৰেক্স আদি ৰোগৰ উৎপত্তি সম্পৰ্কে জনাটো সম্ভৱ হৈছিল।

ইংৰাজ চিকিৎসক উইলিয়াম জেনাৰে (১৮১৫-৯৮) (William Jenner) পোনতে টাইফয়ড আৰু টাইফাছ জ্বৰৰ পাৰ্থক্য উদ্ভাৱন কৰি সেইমতে তাৰ চিকিৎসাৰ ব্যৱস্থা কৰাৰ পদ্ধতি আবিষ্কাৰ কৰিছিল। ৰবাৰ্ট কোচ (১৮৪৩-১৯১০) (Robert Koch) নামে জাৰ্মান জীৱানু বিশেষজ্ঞজনে ক্ষয় তথা যক্ষ্মা ৰোগৰ জীৱানু চিনাক্তকৰণ আৰু পৃথকীকৰণত সাফল্য লাভ কৰিছিল। চিনকোনা গছৰ ছালৰপৰা কুইনাইন বোলা ৰসায়নিক দ্ৰব্যবিধ আবিষ্কাৰৰ কৰাৰ পিচৰেপৰা মেলেৰিয়া ৰোগীৰ চিকিৎসাৰ ক্ষেত্ৰত অভূতপূৰ্ব সাফল্য লাভ কৰা হয়। এই ক্ষেত্ৰত পথ প্ৰদৰ্শকৰ ভূমিকা লৈছিল মাৰ্কিন ডাক্তৰ উডৱাৰ্ড (১৯১৭-৭৯) (Woodward) (১৯৪৪) আৰু ডোৱেৰিঙে (Doering)। উডৱাৰ্ড হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ত ৰসায়ন শাস্ত্ৰৰ অধ্যাপক আছিল। ১৯২৮ চনত ইংৰাজ চিকিৎসক আলেক্‌জেণ্ডাৰ ফ্লেমিঙে (১৮৮১-১৯৫৫) পেনিচিলিন আবিষ্কাৰ কৰি চিকিৎসা বিজ্ঞানত বিপুল সমাদৰ লাভ কৰে। বিংশ শতিকাৰ ত্ৰিশৰ দশকত হাৱাৰ্ড ফ্লৰী আৰু আৰ্নেষ্ট বৰিছ

চেইনে তাক অধিক উন্নত কৰে আৰু ১৯৪১ চনৰপৰা পেনিচিলিন ইনজেকচনৰ প্ৰচলন কৰা হয়। প্ৰায় সমসাময়িকভাৱে চালফা নামে আন এবিধ ঔষধ প্ৰস্তুত কৰি উলিওৱা হৈছিল। জীৱানুৰ আক্ৰমণৰপৰা আৰোগ্য লাভৰ বাবে প্ৰস্তুত কৰি উলিওৱা এইবিধ ঔষধ আৰম্ভণিৰেপৰা ব্যাপকভাৱে প্ৰয়োগ কৰা হৈ আহিছে।

মানুহৰ স্বাস্থ্য উন্নত আৰু শৰীৰৰ পুষ্টি সাধন কৰি তাক শক্তিশালী কৰি ৰাখিবলৈ আনুষংগিক খাদ্যৰূপে ভিটামিন আবিষ্কাৰ কৰা হয়। কাজিমিৰ ফাঙ্ক (Casimir Funk) নামে লোক এজনে পোনতে ১৯১২ চনত এই ভিটামিন শব্দটো ব্যৱহাৰ কৰিছিল। তেতিয়াৰপৰা লাহে লাহে এটা এটাকৈ কেবাটাও ভিটামিন আবিষ্কাৰ কৰা হয়, সেইবিলাকক এ,বি,চি, ডি, ই আৰু কে নামে জনা যায়।

১৮৯৫ চনত জাৰ্মানীৰ পদাৰ্থ বিজ্ঞানী ৰন্টজেন উইলিয়াম কৰ্নাডে (১৮৪৫-১৯২৩) (Rontgen William Conrad) এক্স-ৰে (X-ray) আবিষ্কাৰ কৰাৰ ফলশ্ৰুতিত চিকিৎসা বিজ্ঞানৰ যথেষ্ট উন্নতি হয়। এই ৰেৰ সহায়ত মানুহৰ শৰীৰৰ অভ্যন্তৰত কি ঘটিছে তাৰ সম্ভেদ পোৱাটো সম্ভৱপৰ হৈ পৰিল। ১৯০১ চনত এই জন জাৰ্মান বিজ্ঞানীক পদাৰ্থ বিজ্ঞানৰ ক্ষেত্ৰত দিয়া অৱদানৰ প্ৰতি লক্ষ্য ৰাখি নোবেল পুৰষ্কাৰেৰে পুৰষ্কৃত কৰা হৈছিল।

ইতিমধ্যে শৈল্য চিকিৎসাৰ অগ্ৰগতিয়ে বিশেষকৈ হৃদপিণ্ড বা হৃদযন্ত্ৰ, কাণ, নাক আৰু ডিঙিৰ চিকিৎসাৰ লগতে প্লাষ্টিক চাৰ্জাৰীৰ ক্ষেত্ৰত যথেষ্ট সদৰ্থক প্ৰভাৱ পেলাইছিল। ১৮৩১ চনত লেইবিগ (জাৰ্মান), গুথ্রি (মাৰ্কিন) আৰু চুবাৰিয়ান (ফৰাছী) নামে তিনিজন বৈজ্ঞানিকে পৃথক পৃথকভাৱে ক্লোৰোফৰ্ম (Chloroform) আবিষ্কাৰ কৰাত তাক মানুহৰ শৰীৰত উদ্ভৱ হোৱা উৎকট বিষৰ উপশম কৰাত ব্যৱহাৰ কৰিব পৰা হৈছিল। তাৰ পিচত ইথাৰ নামৰ এবিধ ৰঙবিহীন জুলীয়া পদাৰ্থ পোনতে ১৮৪২ চনত ক্ৰাউফৰ্ড লঙে (Crawford Long) এনাচস্থেচিয়াৰূপে ব্যৱহাৰ কৰি মানুহৰ শৰীৰত অস্ত্ৰোপ্ৰসাৰ কৰা কাৰ্যত ব্যৱহাৰ কৰিছিল। তাৰ পিচত ডাঃ উইলিয়াম মৰ্টন (Dr William Morton) আৰু চাৰ জেইমছ চিম্পচনে (Sir James Simpson) তাক যথাক্ৰমে ১৮৪৬ আৰু ১৮৪৭ চনত ব্যৱহাৰ কৰিছিল।

চিকিৎসা বিজ্ঞানৰ আটাইতকৈ চমকপ্ৰদ ঘটনাটো হ'ল মানুহৰ শৰীৰৰ অকামিলা বা বিনষ্ট হোৱা অংগ প্ৰত্যাৰোপন কৰা কাৰ্য। এই দিশত বাটকটীয়া আছিল মাৰ্কিন ডাক্তৰ যোছেফ মোৰে (Dr Joseph Murrays)। তেওঁ ১৯৫৪ চনত পোনতে বৃক্ক (Kidney) প্ৰত্যাৰোপন কৰি চিকিৎসা বিজ্ঞানৰ ইতিহাসত চাঞ্চল্যৰ সৃষ্টি কৰিছিল। তাৰ দহ বছৰ পিচত (১৯৬৪) মিছিচিপি বিশ্ববিদ্যালয়ৰ চিকিৎসা বিজ্ঞানৰ অধ্যাপক জেইমছ হাৰ্ডীয়ে (Dr James Hardy) ছিম্পাঞ্জীৰ হৃদ পিণ্ড (Heart) মানুহৰ শৰীৰত প্ৰত্যাৰোপন কৰি

সেইদিশত গোনতে সম্পৰীক্ষা চলাইছিল। তাৰ তিনি বছৰ পিচত (১৯৬৭) দক্ষিণ আফ্ৰিকাত ডাক্তৰ খৃষ্টীয়ান বাৰ্নাৰ্ডে (Dr Christian Barnard) মানুহৰ শৰীৰত মানুহৰ হৃদ পিণ্ড প্ৰত্যাৰোপন কৰি সাফল্য লাভ কৰিছিল। ইতিপূৰ্বে ১৯৬৩ চনত থমাছ ষ্টাৰ্লে (Thomas Starzl) লিভাৰ বা যকৃৎৰ প্ৰত্যাৰোপন কৰিছিল। সম্প্ৰতি বিশ্বৰ প্ৰায় সকলো দেশতে বৃক্কৰ প্ৰত্যাৰোপন কাৰ্য প্ৰায় প্ৰতিদিনেই সংঘটিত হৈ আহিছে। হৃদ পিণ্ড আৰু যকৃতৰ প্ৰত্যাৰোপন কাৰ্য বাহুল্য ৰূপত হোৱা নাই। সি যি কি নহওক, চিকিৎসা বিজ্ঞানৰ এই অগ্ৰগতিয়ে বিশ্বত মানুহৰ যথেষ্ট কল্যাণ সাধন কৰিছে।

জীৱ বিজ্ঞানৰ অগ্ৰগতিয়ে বিংশ শতিকাতবিশেষকৈ ডি এন এৰ (DNA- deoxyribonucleic acid) আবিষ্কাৰে জেনিটিক তথা বংশানুক্ৰমিক প্ৰযুক্তিৰ (Genetic Engineering) পথ মুকলি কৰে। এই প্ৰক্ৰিয়াৰ উদ্ভাৱনে চিকিৎসা বিজ্ঞানত বৈপ্লৱিক পৰিবৰ্তন অনাৰ লগতে মানুহৰ বংশগত চৰিত্ৰ আৰু বিশেষত্বসমূহ জনাত সহায় কৰিছে। এই প্ৰক্ৰিয়াই মানুহৰ বাহিৰেও অন্য জীৱ-জন্তুৰ ক্ৰমবিকাশৰ অধ্যয়নত সহায় কৰাৰ লগতে কৃষি বিজ্ঞানৰ উন্নয়নতো প্ৰচুৰ সহায় কৰিছে।

জেনিটিক ইঞ্জিনিয়াৰিঙৰ ওপৰত নিৰ্ভৰ কৰিয়েই ১৯৮২ চনত ডাৱবেটিছ ৰোগীৰ বাবে ইনছুলীন (Insulin) তৈয়াৰ কৰি উলিওৱা হৈছিল। তাৰ কেইবছৰ মানৰ পিচত মানৱ দেহত প্ৰয়োগ কৰিব পৰা হৰমোন (Hormone) আবিষ্কাৰ কৰা হৈছিল। বিংশ শতিকাত চিকিৎসা বিজ্ঞানৰ সহায়কৰূপে ব্যৱহাৰ কৰিবলৈ লোৱা প্ৰধান প্ৰযুক্তিবিদ্যা কেইটা হ'ল, আল্ট্ৰা ছনোগ্ৰাফী (১৯৫৮) (Ultra Sonography), ছি টি স্কেন (১৯৭২) (C T Scan, Computerised Tomography) আৰু এম আৰ আই (১৯৭৩) (MRI, Magnetic Resonance Imaging)।

অবশ্যে চিকিৎসা বিজ্ঞানৰ ইমানবিলাক অগ্ৰগতি হোৱাৰ পিচতো বৰ্তমান কেন্সাৰ বেমাৰ আৰু এইডছে (AIDS-Acquired Immune Deficiency Syndrome) সমগ্ৰ বিশ্বতে ত্ৰাসৰ সৃষ্টি কৰি আহিছে। এই দুয়োবিধ বেমাৰৰ ঔষধ আবিষ্কাৰ কৰিবলৈ অহৰহ প্ৰচেষ্টা চলি আছে যদিও এতিয়ালৈ যথোপযুক্ত সাফল্য লাভ কৰিব পৰা হোৱা নাই। হয়তো অদূৰ ভৱিষ্যতে সেই দিশতো আশাপ্ৰদ সাফল্য লাভ কৰা হ'ব।

(২) শিল্প আৰু কল-কাৰখানাত প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগঃ

বিগত ডেৰ-দুশবছৰৰ ভিতৰতঅন্যান্য ক্ষেত্ৰৰ লগতেৰসায়নিক ক্ষেত্ৰত প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগে মানুহৰ জীৱন-যাত্ৰা পদ্ধতিৰ আমূল পৰিবৰ্তন সাধন কৰিছে। ৰসায়নিক প্ৰযুক্তিবিদ্যা ৰূপে পৰিচিত এই বিজ্ঞানে সাধাৰণতে মানুহৰ সাধাৰণ দৈনন্দিন ব্যৱহাৰ্য বহু লাগতিয়াল সামগ্ৰী উৎপাদন কৰাত বিশেষ অৰিহণা যোগাইছে। সেইবিলাকৰ ভিতৰত প্ৰধান হ'ল

কাগজৰ মন্দা, বিট চুগাৰ, ৰসায়নিক সাৰ, ষ্টেইনলেছ ষ্টীল, চিমেন্ট, ঔষধ, ৰং, কাৰ্বলিক এছিদ, ছাকাৰিণ, আলকাত্ৰা, মম, বিভিন্ন ধৰণৰ প্লাষ্টিক সামগ্ৰী যেনে চেলুলয়ড, বৈদ্যুতিক শক্তি পৰিবহন কৰা তাৰৰ ওপৰিভাগত ব্যৱহাৰ কৰা প্লাষ্টিক (ইনচুলিন) আদি। টেলিফোনৰ তাৰতো এই ধৰণৰ ইনচুলিন ব্যৱহাৰ কৰা হয়। এইবিলাকৰ ওপৰিও বিগত ৫০/৬০ বছৰৰ ভিতৰত ভালেমান ছিন্টেথিক কাপোৰ যেনে নাইলন, টেৰিলিন আৰু ৰেয়নৰ উদ্ভাৱন কৰি ব্যৱহাৰযোগ্য কৰি তোলা হৈছে।

বৰ্তমান মানৱ সমাজত বৈদ্যুতিক শক্তিৰ প্ৰভাৱ আৰু প্ৰয়োজন সৰ্বত্ৰ বিৰাজমান। বৈদ্যুতিক শক্তিৰ আবিষ্কাৰৰ ক্ষেত্ৰত বিশেষ অৱদান দি থৈ যোৱা বৈজ্ঞানিকসকল হ'ল পূৰ্বে উল্লেখ কৰি অহা বেঞ্জামিন ফ্ৰেঙ্কলিন (১৭০৬-৯০), লুইজি গালভানী (১৭৩৭-৯৮), আলেছান্দ্ৰো গিউছেপো এন্টনিও ভল্টা (১৭৪৫-১৮২৭), থমাছ আলভা এডিচন, মাইকেল ফাৰাডে(১৭৯১-১৮৬৭) আৰু ক্লাৰ্ক মেক্সওবেল ।এওঁলোকে প্ৰত্যেকজনেই বৈদ্যুতিকশক্তি সম্পৰ্কে ক্ৰমাগতভাৱে ভালেমান সম্পৰীক্ষা চলাই বৈদ্যুতিক শক্তি আবিষ্কাৰৰ পথ উন্মুক্ত কৰিছিল। বৈদ্যুতিক শক্তি সম্পৰ্কে মেক্সওবেলে ৰচনা কৰা গ্ৰন্থখনৰ নাম হ'ল, *'Treatise on Electricity and Magnetism"* ,1881।

চাৰ্লচ বেবেজ (১৭৯২-১৮৭১) নামে ইংৰাজ মেকানিক এজনে পোনতে গণনা কৰিব পৰা যন্ত্ৰ এটি আবিষ্কাৰ কৰি কম্পিউতাৰ উদ্ভাৱনৰ প্ৰাথমিক চৰ্ত পূৰণ কৰিছিল। হেলেট-পেকাৰ্ড (Hewlett-Packard) কোম্পানীয়ে ১৯৬৬ চনত কম্পিউতাৰ তৈয়াৰ কৰি ব্যৱহাৰ কৰিবলৈ লয় আৰু পিচতষ্টিফেন জি ওজনিক (Stephen G Wozniak) কোম্পানীয়ে আৰু তাৰ পিচত হেলেট-পেকাৰ্ড কোম্পানীয়ে যথাক্ৰমে ১৯৭৬ চনত ১৯৮০ চনত সাৰ্বজনীনভাৱে ব্যৱহাৰযোগ্য কম্পিউতাৰ প্ৰস্তুত কৰি উলিয়ায়। সম্প্ৰতি সমগ্ৰ বিশ্ব জুৰি কম্পিউতাৰৰ ব্যৱহাৰ প্ৰায় সাৰ্বজনীন হৈ পৰিছে। বিশ্বৰ বিভিন্ন দেশৰ কল-কাৰখানাত সম্প্ৰতি ব্যাপক হাৰত কম্পিউতাৰ ব্যৱহৃত হৈ আহিছে। ১৯৬০ চনতে ছুইডেনতকম্পিউতাৰ নিয়ন্ত্ৰিত ট্ৰেইনৰ প্ৰচলন কৰা হয়।

(৩) যাতায়াত আৰু পৰিবহনৰ ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱঃ

বিজ্ঞান আৰু আধুনিক প্ৰযুক্তিবিদ্যাৰ উৎকৰ্ষৰ ফলশ্ৰুতিত উনবিংশ শতিকাৰ শেহৰফালে ইয়োৰুপৰ ভালেমান দেশ আৰু আমেৰিকাত বিদ্যুৎ চালিত ট্ৰেইন আৰু ট্ৰাম গাড়ীৰ প্ৰচলন হয়। ১৯০৩ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰত অৰভাইল আৰু উইলবাৰ ৰাইট (Orville and Wilbur Wright) নামে দুজন ককাই-ভাইয়ে পোন প্ৰথম বাৰৰ বাবে উৰাজাহাজ তৈয়াৰ কৰিছিল। সেই বছৰতে তেওঁলোকে নিজে তৈয়াৰ কৰা আকাশী যানৰ সহায়ত ২৮৪ গজ দূৰত্বলৈ উৰি গৈছিল। ১৯০৯ চনত কৰ্ণেল ব্ৰেৰিয়টে (Colo-

nel Bleriot) আকাশী যানৰ সহায়ত ডোভাৰ প্ৰণালী পাৰ হৈছিল। প্ৰথম বিশ্ব যুদ্ধৰ সময়ত ইয়োৰূপত আকাশী যান তৈয়াৰ কৰা কাৰ্যই ক্ষীপ্ৰতা লাভ কৰিছিল। ১৯১৬ চনত ইয়োৰূপত যাত্ৰীবাহী উৰাজাহাজৰ প্ৰচলন কৰা হৈছিল। ১৯১৯ চনত এলকক্ (Alcock) আৰু ব্ৰাউন (Brown) নামে দুজন লোকে উৰা জাহাজেৰে আটলাণ্টিক মহাসাগৰ অতিক্ৰম কৰি চাঞ্চল্যৰ সৃষ্টি কৰিছিল। দ্বিতীয় মহা যুদ্ধৰ সময়ৰপৰা হেলিকেপ্তাৰ আৰু জেট ইঞ্জিন চালিত আকাশী যানৰ প্ৰচলন হয়।



য়ুৰী গাগাৰিণ

উৰাজাহাজৰ আবিষ্কাৰ আৰু প্ৰচলনে পৰৱৰ্তী কালত মহাকাশ যানৰ আবিষ্কাৰ আৰু মহাকাশ যাত্ৰাৰ পথ মুকলি কৰি তুলিছিল। এই ক্ষেত্ৰত ছোভিয়েট ৰাচিয়াই প্ৰথম পদক্ষেপ লৈছিল। ১৯৫৭ চনৰ ৪ অক্তোবৰ তাৰিখে ৰাচিয়াই পোনতে ১ম স্ফুটনিক নামে এটি কৃত্ৰিম উপগ্ৰহ মাহাকাশলৈ পঠিয়াইছিল। তাৰ পিচত ১৯৬১ চনত ছোভিয়েট মহাকাশচাৰী য়ুৰী গাগাৰিণে মহাকাশ যানেৰে পৃথিৱী পৰিভ্ৰমণ কৰিছিল। তেওঁক অনুসৰণ কৰিয়েই পৰৱৰ্তী কালত ৰুচ মহিলা ভেলেন্টিনা তেৰাছকোভাই ১৯৬৩ চনত মহাকাশ যাত্ৰা কৰিছিল। তাৰ পিচত নীল এ আৰ্মষ্টং, এডউইন এলড্ৰিন আৰু কৰ্ণেল মাইকেল কলিনছ নামে তিনিজন মাৰ্কিন মহাকাশচাৰীয়ে এপলো-১১ৰ সহায়ত চন্দ্ৰলৈ যাত্ৰা কৰে আৰু তেওঁলোকৰ ভিতৰত নীল এ আৰ্মষ্ট্ৰঙে পোনতে আৰু এডউইন এলড্ৰিন বোলা জনে তেওঁৰ অলপ পিচতে ১৯৬৯ চনৰ ২০ জুলাই তাৰিখে চন্দ্ৰৰ ভূ-পৃষ্ঠত অৱতৰণ কৰি চাঞ্চল্যৰ সৃষ্টি কৰে। সাম্প্ৰতিক কালত বুধ আৰু মঙ্গল গ্ৰহৰ লগতে অন্যান্য গ্ৰহলৈ মাহাকাশ যান পঠিওৱাৰ প্ৰচেষ্টা অব্যাহত আছে।

নীল এ আৰ্মষ্ট্ৰঙে ১৯৬৯ চনৰ ২০ জুলাই তাৰিখে চন্দ্ৰৰ ভূ-পৃষ্ঠত। কৰিছে।

১৯৬০ চনতে ছুইডেনতকম্পি-উতাৰ নিয়ন্ত্ৰিত

ট্ৰেইনৰ প্ৰচলন কৰা হয়। ইংৰাজ বৈজ্ঞানিক চাৰ্লছ বেবেজে (Charles Babbage) ১৮৩৩ চনতে গণনাক্ষম এনালেটিকেল যন্ত্ৰ (Analytical Machine) এটি আবিষ্কাৰ কৰি কম্পিউতাৰ তৈয়াৰ কৰাৰ পথ মুকলি কৰিছিল। বেবেজৰ এনালেটিকেল যন্ত্ৰৰ ওপৰত নিৰ্ভৰ কৰিয়েই ১৯৪৩ চনত ইংলেণ্ডত কলোচাছ (Colossus) নামে পূৰ্ণ পৰ্যায়ৰ কম্পিউতাৰ এটি নিৰ্মাণ কৰি উলিওৱা হৈছিল। সাম্প্ৰতিক কালত কম্পিউতাৰ সভ্য সমাজৰ অপৰিহাৰ্য আহিলাত পৰিণত হৈছে। আবিষ্কাৰ কৰাৰেপৰা পৰ্যায়ক্ৰমে জাহাজ, উৰাজাহাজ, মহাকাশ যান সকলোতে ব্যাপক হাৰতকম্পিউতাৰৰ ব্যৱহাৰ কৰি অহা হৈছে। উৰাজাহাজত পোনতে ১৯৬৭ চনৰপৰা কম্পিউতাৰ ব্যৱহাৰ কৰিবলৈ লোৱা হৈছিল। আনবিক শক্তিৰ শান্তিপূৰ্ণ ব্যৱহাৰৰ বাবে স্থাপিত শক্তি কেন্দ্ৰসমূহতো কম্পিউতাৰ ব্যৱহাৰ কৰা হৈ আহিছে। আনকি শত্ৰু ৰাষ্ট্ৰৰ বিৰুদ্ধে এটম বোমা আৰু মিছাইলকে আদি কৰি আনবিক শক্তিৰ প্ৰয়োগৰ ক্ষেত্ৰতো কম্পিউতাৰ ব্যৱহাৰ কৰা হয়। গতিকে দেখা যায় সাম্প্ৰতিক কালত মানৱ সমাজৰ সৰ্ব স্তৰতে, কল-কাৰখানা, যাতায়ত আৰু পৰিবহন ব্যৱস্থাত কম্পিউতাৰৰ ব্যৱহাৰ অপৰিহাৰ্য হৈ পৰিছে। বাতৰি কাকত আৰু গ্ৰন্থ ছপোৱাৰ ক্ষেত্ৰতো কম্পিউতাৰৰ ব্যৱহাৰে প্ৰভূত অৰিহণা যোগাইছে। সম্প্ৰতি বিশ্বৰ সকলো দেশতে ছপা কামত আৰু নক্সা তৈয়াৰ কৰা কামত ব্যাপক হাৰত কম্পিউতাৰ ব্যৱহাৰ কৰা হৈছে। কম্পিউতাৰে ডেক্স টপ প্ৰিটিং (DTP-Desk Top Printing) অতি জনপ্ৰিয় কৰি তুলিছে।

যাতায়ত আৰু পৰিবহনৰ ক্ষেত্ৰত প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগে মানৱ সমাজৰ প্ৰভূত উপকাৰ সাধন কৰিছে। বাণিজ্যিক আদান-প্ৰদান, দেশ ভ্ৰমণ আৰু শিক্ষা-দীক্ষা আহৰণ, নগৰ-চহৰৰ বিস্তৃতি আৰু সম্প্ৰসাৰণ আদি বিভিন্ন ক্ষেত্ৰত যাতায়ত আৰু পৰিবহনে অভূতপূৰ্ব পৰিবৰ্তন সাধন কৰিছে। সমগ্ৰ পৃথিৱীখনেই এতিয়া প্ৰায় এখন গাঁৱত পৰিণত হৈছে। সময়ৰ ফালৰপৰা পৃথিৱীৰ যি কোনো ঠাইৰ দূৰত্ব বাহুল্য পৰিমাণে টুটি আহিছে। লগতে মানুহৰ জীৱন যাত্ৰা পদ্ধতিদ্ৰুততৰপৰা দ্ৰুততৰ হৈছে।

(৪) যোগাযোগৰ ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱঃ

ঊনবিংশ শতিকাত পোনতে টেলিগ্ৰাফ আৰু টেলিফোন আবিষ্কাৰ হোৱাৰ লগে লগে যোগাযোগৰ ক্ষেত্ৰত অভূতপূৰ্ব আৰু বৈপ্লৱিক পৰিবৰ্তন সাধিত হয়। তাৰ পূৰ্বে কেৱল ডাক ব্যৱস্থাহে যোগাযোগৰ প্ৰশস্ত অৱলম্বন আছিল। টেলিগ্ৰাফ আৰু টেলিফোন ব্যৱস্থাৰ প্ৰবৰ্তনৰ লগে লগে বিশ্বৰ বিভিন্ন অঞ্চলৰ সৈতে সংযোগ স্থাপন কৰি সকলো ধৰণৰ খা-খবৰ সংগ্ৰহ কৰাৰ বাস্তৱিক পৰিস্থিতিৰ সৃষ্টি হয়। এই ব্যৱস্থা প্ৰবৰ্তনৰ পৰিণতি স্বৰূপে খবৰকাকত বা-বাতৰি সংগ্ৰহ কৰাটো সুবিধাজনক হৈ পৰে। টেলিগ্ৰাফ আৰু

টেলিফোন দুয়োটা ব্যৱস্থাতে তাঁৰৰ (Wires) মাধ্যমত বৈদ্যুতিক সংকেতৰ (Electric signals) জড়িয়তে বা-বাতৰি, খা-খবৰ আদি প্ৰেৰণ আৰু সংগ্ৰহ কৰা হয়। অৰ্থাৎ দুয়োটা ব্যৱস্থাতে বা-বাতৰি প্ৰেৰণ আৰু সংগ্ৰহৰ ক্ষেত্ৰত তাঁৰৰ ভূমিকা আছিল গুৰুত্বপূৰ্ণ। আলেক্‌জেণ্ডাৰ গ্ৰাহাম বেল নামে মাৰ্কিন কাৰিকৰী বিশেষজ্ঞ এজনে ১৮৭৬ চনত টেলিফোন আৱিষ্কাৰ কৰিছিল।

টেলিফোন আৱিষ্কাৰ কৰাৰ কেইবছৰমানৰ ভিতৰতে ইটালীৰ ইঞ্জিনিয়াৰ গুগলিয়েলমো মাৰ্কণীয়ে (Guglielmo Marconi) ১৮৯৭ চনত ১৮ মাইল দূৰত্বলৈ তাঁৰবিহীনভাৱে (Wireless) বৈদ্যুতিক সংকেতৰ মাধ্যমত বাতৰি প্ৰেৰণ কৰাৰ উপায় উদ্ভাৱন কৰে। মাৰ্কণীৰ এই আৱিষ্কাৰে ৰেতাৰ বাৰ্তা প্ৰেৰণ কৰাৰ পথ প্ৰশস্ত কৰাৰ লগতে ৰেডিঅ' আৱিষ্কাৰৰ পথো মুকলি কৰে। স্বৰূপাৰ্থত ক'বলৈ গ'লে মাৰ্কণীয়েই হ'ল ৰেডিঅ'ৰ আৱিষ্কাৰক। ১৮৯৮ চনত ডেনমাৰ্কৰ ইঞ্জিনিয়াৰ ভাল্ডামাৰ পলচেনে (Valdemar Poulsen) শব্দ বাণীবদ্ধ কৰাৰ (Magnetic sound recording) পদ্ধতি আৱিষ্কাৰ কৰে। তাৰ পিচত ১৯৫০ আৰু ১৯৭০ৰ কালছোৱাত যথাক্ৰমে ভিডিঅ' টেপ আৰু কেছেট ভিডিঅ' টেপৰ উন্নয়ন সাধন কৰি শব্দ বাণীবদ্ধ কৰাৰ প্ৰণালীৰ প্ৰৱৰ্তন কৰা হয়।

তাৰ পৰৱৰ্তী কালত ১৯২৬ চনত দূৰদৰ্শনৰ আৱিষ্কাৰৰ লগে লগে সচিত্ৰ বাৰ্তা প্ৰেৰণৰ কৌশল আয়ত্ব কৰা হয়। ১৯৩৬ চনত গোনতে ইংলেণ্ডৰ বৃটিশ ব্ৰডকাষ্টিং কৰপোৰেচনে (BBC-British Broadcasting Corpopration) দূৰদৰ্শনৰ মাধ্যমত বাৰ্তা সম্প্ৰচাৰ কাৰ্যৰ সূচনা কৰে। কৃত্ৰিম উপগ্ৰহৰ (Artificial Earth Satellites) সহায়ত বাৰ্তা প্ৰেৰণ কৰিব পৰা ব্যৱস্থা কাৰ্যক্ষম হোৱাৰপৰা যোগাযোগ ব্যৱস্থাৰ আৰু অধিক উন্নয়ন সাধিত হয়। ১৯৬০ চনৰপৰা এই ব্যৱস্থাৰে বাৰ্তা প্ৰেৰণ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হয়। ভাৰতবৰ্ষকে ধৰি বিশ্বৰ ৫০ খনতকৈ অধিক দেশে এই কৃত্ৰিম উপগ্ৰহ তৈয়াৰ কৰি বাৰ্তা প্ৰেৰণ আৰু সংগ্ৰহ কাৰ্যত সাফল্য লাভ কৰিছে। আনহাতে সম্প্ৰতি এই উপগ্ৰহ সেৱাৰপৰা বিশ্বৰ প্ৰায় ১৫০ খন দেশ উপকৃত হৈ আহিছে আৰু সমগ্ৰ বিশ্বতে ভূ-পৃষ্ঠত প্ৰায় ৬০০ বা অধিক ৰেতাৰ বাৰ্তা বিনিময় কেন্দ্ৰ স্থাপিত কৰা হৈছে।

এইবিলাকৰ উপৰিও বিংশ শতিকাৰ সত্তৰৰ দশকৰপৰা গ্ৰন্থ প্ৰণয়ন, প্ৰবন্ধ পাতি ৰচনা আৰু সম্পাদনা কৰাৰ লগতে বাৰ্তালোচনী আৰু বাতৰি কাকত প্ৰস্তুত আৰু প্ৰকাশৰ ক্ষেত্ৰত কম্পিউটাৰৰ ব্যৱহাৰে বৌদ্ধিক সম্পদ সৃষ্টি আৰু সংৰক্ষণৰ ক্ষেত্ৰত অভূতপূৰ্ব পৰিৱৰ্তন সাধন কৰে। পূৰ্বতে এই সকলোবিলাক কাম হাতেৰে বা টাইপ ৰাইটাৰৰ সহায়ত সম্পাদন কৰা হৈছিল।

বহুবিলাক কম্পিউটাৰ সংলগ্ন (Computer Networks) কৰি বিশ্বৰ বিভিন্ন

ঠাইৰ সৈতে মিনিটতে সম্পৰ্ক স্থাপন কৰি যি কোনো বিষয় সম্পৰ্কত জ্ঞান লাভ কৰাৰ লগতে বাৰ্তা বিনিময় কৰিব পৰা পৰিস্থিতিৰ সৃষ্টি কৰা হৈছে। কম্পিউতাৰে মানুহৰ শাৰিৰীক পৰিশ্ৰম হ্ৰাস কৰাৰ লগতে কৰ্ম সংস্কৃতি পূৰ্বতকৈ অধিক দ্ৰুততৰ কৰি তুলিছে। ফলত সময়ৰ অপচয় বাহুল্য পৰিমাণে হ্ৰাস পাইছে। আনকি বেঙ্ক আদি বিত্তীয় প্ৰতিষ্ঠানত টকা-পইচাৰ লেন-দেনত এ টি এমৰ (ATM- Automatic teller machine) ব্যৱহাৰে গ্ৰাহকৰ বাবে অধিক সুবিধাৰ সৃষ্টি কৰিছে। অকল সেইটোৱে নহয় বিংশ শতিকাৰ আশীৰ দশকত কম্পিউতাৰ নেটৱৰ্কৰ সহায়ত নিমিষতে বৈদ্যুতিক বাৰ্তা (E-mail-Electronic mail) প্ৰেৰণ কৰাৰ পদ্ধতিও প্ৰচলন হোৱাত সম্প্ৰতি তাক ব্যাপক হাৰত প্ৰয়োগ কৰা হৈছে। সমসাময়িকভাৱে ফেক্স বাৰ্তা (Facsmile or Fax) প্ৰেৰণৰ প্ৰক্ৰিয়াৰো প্ৰচলন কৰা হৈছিল। আনহাতে প্ৰায় একে সময়তেই মবাইল ফোনৰ (Mobile phone) আবিষ্কাৰেও যোগাযোগৰ ক্ষেত্ৰত অন্য এক দিগন্ত উন্মোচন কৰিছে।

সাম্প্ৰতিক কালত বৈদ্যুতিক প্ৰচাৰ মাধ্যমৰ প্ৰয়োগে যোগাযোগ ব্যৱস্থাত বৈপ্লৱিক পৰিবৰ্তন সাধন কৰিছে। বাৰ্তা সম্প্ৰচাৰৰ ক্ষেত্ৰত অভাৱনীয় অৱদান দিয়াৰ লগতে এই ব্যৱস্থাই জ্ঞানৰ সম্প্ৰসাৰণতো প্ৰভূত উন্নয়ন সাধন কৰিছে। লগতে মানুহৰ মনোৰঞ্জনৰ নিত্য-নতুন কলা-কৌশল উদ্ভাৱন আৰু পৰিৱেশ্য কলাৰ সম্প্ৰচাৰত বিশেষ সহায় কৰি আহিছে। বৰ্তমান সমাজত এই মাধ্যমৰ প্ৰাধান্য ইমানেই বৃদ্ধি পাইছে যে ইয়াক বাদ দি আধুনিক সমাজ বৰ্তি থকাটোৱেই কঠিন হৈ পৰিছে।

(৫) যুদ্ধাস্ত্ৰ নিৰ্মাণ আৰু নিৰাপত্তাৰ ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অৱদানঃ

বৰ্তমান যুগত বিশেষকৈ প্ৰথম বিশ্ব যুদ্ধৰ পিচৰপৰা বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিয়ে চহকী দেশসমূহৰ মাজত অস্ত্ৰ প্ৰতিযোগিতাৰ এক ভয়ঙ্কৰ প্ৰৱনতাৰ সৃষ্টি কৰিছে। যুদ্ধাস্ত্ৰ নিৰ্মাণ আৰু দেশৰ নিৰাপত্তা ৰক্ষাৰ দিশতো বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই নিৰ্ণায়ক ভূমিকা পালন কৰি আহিছে। পৰম্পৰাগত যুদ্ধাস্ত্ৰৰ বিপৰীতে সম্প্ৰতি বিশ্বৰ প্ৰায়বোৰ উন্নত আৰু চহকী দেশেই অত্যাধুনিক যুদ্ধাস্ত্ৰ নিৰ্মাণত মনোনিবেশ কৰি আহিছে। দ্বিতীয় বিশ্ব যুদ্ধৰ শেহৰ পিনে আমেৰিকা যুক্তৰাষ্ট্ৰই এটম বোমা তৈয়াৰ কৰি যথাক্ৰমে ১৯৪৫ চনৰ ৬ আৰু ৯ আগষ্ট তাৰিখে জাপানৰ হিৰ'ছিমা আৰু নাগাছাকিত নিক্ষেপ কৰে। তাৰ পিচত ১৯৪৯ চনত ছোভিয়েট ৰাচিয়াই এটম বোমা তৈয়াৰ কৰি কৃতকাৰ্যতাৰে তাৰ সম্পৰীক্ষা চলায়। তাৰ কেইবছৰমানৰ ভিতৰতে ১৯৫২ আমেৰিকা যুক্তৰাষ্ট্ৰই আৰু পিচৰ বছৰত ছোভিয়েট ৰাচিয়াই হাইড্ৰোজেন বোমা উদ্ভাৱন কৰি আনৱিক অস্ত্ৰ প্ৰতিযোগিতাক চূড়ান্ত ৰূপ দিয়ে। গতিকে দেখা যায় দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ৰপৰাই বিশ্বৰ বহু দেশে আনবিক বোমা, হাইড্ৰোজেন বোমা, মিছাইল বা ক্ষেপনাস্ত্ৰ, ছাবমেৰিণ, মাইন

আদিৰ নিৰ্মাণকে ধৰি নিত্য-নতুন যুদ্ধাশস্ত্ৰ নিৰ্মাণ কৰি আহিছে। মূলতঃ দেশৰ নিৰাপত্তাৰ প্ৰশ্নটো আগত ৰাখি এই অস্ত্ৰসমূহ নিৰ্মাণ কৰিলেও সেইবিলাকে আওপকীয়াভাৱে দেশ-সমূহৰ মাজত চলি অহা যুদ্ধ প্ৰস্তুতিৰ কথাকেই সূচীত কৰে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সম্প্ৰসাৰণে কোনো এখন দেশ বা ৰাষ্ট্ৰকে অত্যাধুনিকঅস্ত্ৰ নিৰ্মাণৰপৰা নিষ্কৃতিদিয়া নাই। এই প্ৰৱণতাই বিগত শতিকাৰ শেহৰ ফালে ছোভিয়েট ৰাচিয়া আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ মাজত নক্ষত্ৰ যুদ্ধ (Space war) সম্ভৱনাবো সৃষ্টি কৰিছিল। বহু ৰাষ্ট্ৰই দেশৰ তথাকথিত নিৰাপত্তাৰ প্ৰয়োজনত গণ নিধনকাৰী অস্ত্ৰও নিৰ্মাণ কৰি উলিয়াইছে।

হাইড্ৰোজেন বোমা এটম বোমাতকৈ বহু পৰিমাণে শক্তিশালী আৰু ইয়াৰ ধ্বংসৰ ক্ষমতাও অপৰিসীম। আনবিক যুদ্ধাস্ত্ৰৰ প্ৰতিযোগিতা ইমান বৃদ্ধি পাই আহিছে যে সাম্প্ৰাতকি কালত অন্ততঃ ৰাচিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ, ফ্ৰান্স, ইংলেণ্ড আৰু চীন আদি পাঁচখন দেশৰ হাতত হাইড্ৰোজেন বোমা মজুত আছে বুলি সমৰ বিশেষজ্ঞসকলে ধাৰণা কৰে। দ্বিতীয় বিশ্ব যুদ্ধৰ কালছোৱাতে জাৰ্মানীয়ে ভি-১ আৰু ভি-২ মিছাইল তথা ক্ষেপনাস্ত্ৰ তৈয়াৰ কৰি প্ৰতিপক্ষৰ বিৰুদ্ধে ৰণ ক্ষেত্ৰত প্ৰয়োগ কৰিছিল। ভি-১ আছিল স্বয়ংক্ৰিয়ভাৱে অৰ্থাৎ চালকবিহীনভাৱে চালিত আৰু যুদ্ধাস্ত্ৰ কঢ়িয়াব পৰা যান। এইবিধ যানে অতি কমেও ২,২০০ পাউণ্ড ওজনৰ বোমা কঢ়িয়াব পাৰিছিল আৰু ইয়াৰ গতিবেগ আছিল ঘণ্টাত ৩৫০ মাইল আৰু ই ১৫০ মাইল দূৰত্বত থকা নিৰ্দিষ্ট লক্ষ্যত বোমাৰে আঘাত হানিব পাৰিছিল। ভি-২ যানৰ গতিবেগ ভি-১তকৈ অধিক বেছি আছিল। এই ভি-১ আৰু ভি-২ যানৰ ওপৰত নিৰ্ভৰ কৰিয়েই দ্বিতীয় বিশ্ব যুদ্ধৰ পিচত ছোভিয়েট ৰাচিয়া আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰই এবিধ আৰু অধিক উন্নত মিছাইল বা ৰকেট তৈয়াৰ কৰি উলিয়াইছিল। এইবিলাক মিছাইল বা ৰকেটৰ সহায়ত আনবিক বোমা নিক্ষেপ কৰাটো অধিক সুবিধাজনক বুলি পৰিগণিত হৈছে। এই ধৰণৰ মিছাইলকে ইণ্টাৰ কণ্টিনেণ্টল বেলিষ্টিক মিছাইল (ICBMs-Intercontinental ballistic Missiles) বোলে। সম্প্ৰতি ৰাচিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইংলেণ্ডৰ হাতত আনবিক শক্তি চালিত চাবমেৰিণ মজুত আছে বুলি সম্ভেদ পোৱা গৈছে। গতিকে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিয়ে উন্নত আৰু চহকী দেশসমূহৰ মাজত অস্ত্ৰ প্ৰতিযোগিতা বৃদ্ধি কৰাৰ লগতে যুদ্ধৰ ভয়াবহতাও অধিক ঘনীভূত কৰি তুলিছে।

(৬) সাংস্কৃতিক উন্নয়নঃ

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ সমান্তৰালভাৱে মানুহৰ জীৱন ধাৰণৰ মানদণ্ডও যথেষ্ট উন্নত হৈছে। অৱশ্যে এই উন্নয়ন সমহাৰত নহৈ অসমহাৰত সংঘটিত হৈছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নয়নে বহু ক্ষেত্ৰতে সমাজৰ ধনী আৰু চহকী অংশৰ লোকহে অধিক

সম্পদৰ গৰাকী কৰি তুলিছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ফলশ্ৰুতিত গঢ়ি উঠা কল-কাৰখানাত উৎপাদিত অধিক পৰিমাণৰ সামগ্ৰীয়েই যে সমাজৰ চহকী লোকসকলৰ সুখ-সমৃদ্ধি বৃদ্ধি কৰিছে তাত কোনো সন্দেহ নাই। কিন্তু চহকী লোকসকলৰ সুখ-সমৃদ্ধি যি হাৰত বৃদ্ধি পাইছে বা পাই আহিছে তাৰ তুলনাত সমাজৰ সাধাৰণ শ্ৰেণীৰ লোকৰ সুখ-সমৃদ্ধি সেই হাৰত বৃদ্ধি পোৱা নাই। বৰং বহু ক্ষেত্ৰতে সমাজৰ উচ্চ শ্ৰেণীৰ লোকৰ সুখ-সমৃদ্ধি বৃদ্ধি পোৱাৰ সমান্তৰালভাৱে সাধাৰণ শ্ৰেণীৰ লোকৰ দুখ-কষ্ট বৃদ্ধিহে পাই আহিছে।

আধুনিক বিশ্বত শিল্প বিপ্লৱৰ আৰম্ভণিৰেপৰা চলি অহা ধনী-নিৰ্ধনীৰ এই বৈষম্যই সমাজৰ সচেতন অংশৰ শিল্পী-সাহিত্যিক কলাকাৰ, সুৰকাৰ-গীতিকাৰৰ মাজত বিশেষ আলোড়নৰ সৃষ্টি কৰি আহিছে। অৰ্থাৎ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই সৃষ্টি কৰা অভিঘাতৰ ফলশ্ৰুতিত শিল্পী-সাহিত্যিক, কলাকাৰ-সুৰকাৰ-গীতিকাৰসকলে সমাজত প্ৰচলিত অৰ্থনৈতিক বৈষম্য আৰু তাৰে ফলশ্ৰুতিত গঢ়ি উঠা বাস্তৱতাক নতুন নতুন আংগিক আৰু বিষয়বস্তুৰ আধাৰত দাঙি ধৰাৰ প্ৰয়াস কৰি আহিছে। সংস্কৃতিৰ বিশাল ক্ষেত্ৰখনত সৃষ্টি হৈছে নতুন নতুন আংগিক, কলা-কৌশল আৰু বিষয়বস্তুৰ। এইবিলাকে সাংস্কৃতিক জগতখনত আলোড়নৰ সৃষ্টি কৰাৰ লগতে মানুহৰ সামাজিক চেতনা আৰু ৰাজনৈতিক ইচ্ছা-আকাংক্ষাও বাহুল্য পৰিমাণে বৃদ্ধি কৰিছে। উদাহৰণ স্বৰূপে আধুনিকতাৰ বাৰ্তা বহনকাৰী ৰোমাণ্টিক কবি ৱৰ্ডছৱৰ্থেও নতুন ৰাজনৈতিক মতাদৰ্শক আদৰণী জনাই ফৰাছী বিপ্লৱৰ সূচনা পৰ্বতে লিখিছিল,

"Bliss was it in that dawn to be alive

And to be young was very heaven" (The Prelude-Wordsworth)

নতুন ৰাজনৈতিক মতাদৰ্শই কেনেকৈ মানুহক আকৰ্ষণ কৰে উক্ত উদ্ধৃতিয়ে তাকেই প্ৰমাণ কৰিছে। শিল্প বিপ্লৱৰ অংগাংগীভাৱে ইয়োৰোপীয় দেশসমূহত যি সাহিত্যিক-সাংস্কৃতিক ঐতিহ্য-পৰম্পৰাৰ সৃষ্টি হৈছিল তাৰ প্ৰভাৱ লাহে লাহে ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ দ্বাৰা পদানত বিশ্বৰ বিভিন্ন দেশত পৰিব্যপ্ত হৈছিল।

পুঁজিবাদে সৃষ্টি কৰা নতুন সামাজিকপৰিস্থিতিৰ উপযোগীকৈ নতুন নতুন সাংস্কৃতিক মতাদৰ্শ আৰু কৰ্ম পৰিক্ৰমাৰ সৃষ্টি কৰা হৈছিল। বিশেষকৈ ইংলেণ্ডত ৰুডাৰ্ড কিপ্‌লিঙৰ দৰে কোনো কোনো সাহিত্যিকে সাম্ৰাজ্যবাদৰ উত্তৰণ আৰু অগ্ৰগতিৰ দ্বাৰা অনুপ্ৰাণিত হৈ ধনতন্ত্ৰবাদৰ লগতে সাম্ৰাজ্যবাদৰ প্ৰবক্তাত পৰিণত হৈছিল। ১৯০৭ চনত ইংৰাজী সাহিত্যত পোন প্ৰথম বাৰৰ বাবে নবেল পুৰস্কাৰেৰে সন্মানিত হোৱা এইজন সাহিত্যিকৰ প্ৰধান ৰচনাৱাজি আছিল "Kim", "They", "Puck of Pook's Hill", "The Brush-

wood Boy", "Actions and Reactions" উৎকট সাম্ৰাজ্যবাদী কিপলিঙৰ বিশ্বাস আছিল "East and West can never meet."

কিপ্‌লিঙৰ পিচতে বিংশ শতিকাৰ আৰম্ভণিৰ ইংৰাজ সাহিত্যিকসকলৰ ভিতৰত অন্যতম আছিল হিলাৰী বেলক, জি কে চেষ্টাৰটন, জৰ্জ বাৰ্নাড শ্ব, এইচ জি ওৱেলছ, টি এছ এলিয়ট, ডি এইচ্ লৰেঞ্চ, গ্ৰাহাম গ্ৰীন, আল্ডুৱাছ হাক্সলি, জৰ্জ ৰবওৱেল, ডি এম থমাছ, ডেভিদ হেয়াৰ আদি। এলিয়টে তেওঁৰ কবিতাৰ জড়িয়তে বিশেষকৈ "The Waste Land"ত আধুনিক মনৰ প্ৰচলিত হতাশাবাদ প্ৰকাশ কৰিছিল। তেওঁৰ অন্যতম বিখ্যাত ৰচনা আছিল "The Murder in the Cathedral", আৰু "The Family Reunion"। জৰ্জ ৰবওৱেলৰ উপন্যাস "1984", আৰু "Animal Farm"আৰু সমসাময়িক অন্যান্য সাহিত্যিকৰ লিখনিয়ে যুদ্ধ বিধ্বস্ত মানৱ সমাজৰ দুখ-দুৰ্দশাৰ প্ৰতিচ্ছবি দাঙি ধৰিছিল। ইংৰাজ সাহিত্যিকসকলৰ ভিতৰত জৰ্জ বাৰ্নাড শ্ব আছিল ফেবিয়ান ছচিয়েলিষ্ট দলৰ সদস্য। সমসাময়িক ইংৰাজ কবি উইলফ্ৰিড আৱেনে (Wilfred Owen) যুদ্ধই মাতি অনা মৃত্যুৰ বিভীষিকাৰ প্ৰতি মানুহৰ দৃষ্টি আকৰ্ষণ কৰিছিল আৰু তেওঁৰ লিখনিৰ মাজেৰে যুদ্ধৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছিল। "Futility"তেওঁৰ প্ৰখ্যাত কবিতা পুথি। ইংৰাজ ঔপন্যাসিক জন গল্‌ছৱাৰ্থিয়ে (John Galsworthy) ১৯৩২ চনত সাহিত্যত নবেল পুৰস্কাৰ লাভ কৰিছিল। তেওঁৰ গ্ৰন্থৰাজিৰ ভিতৰত উল্লেখযোগ্য হ'ল "Forsyte Saga", "The Man of Property" আৰু "The Silver Box"।

জাৰ্মানীৰ বাৰ্লিন চহৰক কেন্দ্ৰ কৰি গঢ়ি উঠা সাহিত্যিক আন্দোলনৰ নেতা আছিল হেছেনক্লেভাৰ, ইউৰোহ, ষ্টাৰ্নহেইন, কৰ্ণফিল্ড আৰু বাৰ্টোল্ট ব্ৰেখ্‌ট (Bertolt Brecht) (১৮৯৮-১৯৫৬)। বাৰ্টোল্ট ব্ৰেখ্‌ট আছিল কমিউনিষ্ট মতাদৰ্শৰ প্ৰতি আসক্ত আৰু তেওঁৰ সাহিত্য ৰাজি বিশেষকৈ "Drums in the Night"(1922), "The Threepenny Opera"(1928) আদি নাটকসমূহে সমসাময়িক জাৰ্মান সমাজত বিশেষ আলোড়নৰ সৃষ্টি কৰিছিল।

ইটালীৰ সাহিত্যিকসকলৰ ভিতৰত বিখ্যাত আছিল লুইজী পিৰাণ্ডেলো (Luigi Pirandello), তেওঁ বিশেষকৈ বিখ্যাত আছিল নাট্যকাৰ হিচাপে আৰু তেওঁ ৰচনা কৰা নাটসমূহ আছিল—"Six Chacracters", "Right You Are", ' As You Desire Me"। তেওঁ ১৯৪৩ চনত সাহিত্যত নবেল পুৰস্কাৰ লাভ কৰিছিল।

মাৰ্কিন যুক্তৰাষ্ট্ৰৰ প্ৰথম জন নবেল পুৰস্কাৰ পোৱা সাহিত্যিক আছিল ছিনক্লেয়াৰ লুইছ (Sinclair Lewis)। তেওঁ সমসাময়িক মাৰ্কিন সমাজৰ কটু সমালোচক আছিল। তেওঁৰ প্ৰধান গ্ৰন্থখন আছিল "Main Street"। "The Sun also Rises"(1926),

"Farewell to Arms"(1929), "The Fifth Column"(1938),"For Whom the Bell Tolls"(1940), "A Farewell to Arms"(1944), "The Old Man and the Sea"(1952) আদি আছিল আৰ্নেষ্ট হেমিঙওৱেৰ (১৮৯৯-১৯৬১) বিখ্যাত উপন্যাস। তেওঁ ১৯৫৪ চনত সাহিত্যত নোবেল বটা লাভ কৰিছিল। স্পেইনৰ গৃহ যুদ্ধৰ সময়ত তেওঁ জেনেৰেল ফ্ৰেংকোৰ ফেছিষ্ট জোঁটৰ বিপৰীতে প্ৰজাতান্ত্ৰিক শক্তিৰ সমৰ্থনত অৰ্থ সংগ্ৰহ কৰি গণতন্ত্ৰৰ সপক্ষে নিজৰ স্থিতি বিচাৰি লৈছিল। ফিফ্‌থ কলম নামৰ নাটখনৰ পটভূমি আছিল স্পেইনৰ গৃহ যুদ্ধ।

দুই বিশ্ব যুদ্ধৰ সমসাময়িক কালছোৱাৰ স্পেইনৰ অন্যতম প্ৰখ্যাত লিখকআছিল খৃষ্টোফাৰ ছেইন্ট জন স্প্ৰীগ (১৯০৭-৩৭), তেওঁ খৃষ্টোফাৰ কডওৱেল ছদ্মনামেৰেহে জনাজাত আছিল। তেওঁ ৰচনা কৰা আটাইকেইখন গ্ৰন্থই তেওঁৰ মৃত্যুৰ পিচত প্ৰকাশ হৈছিল। তেওঁ ৰচনা কৰা বিখ্যাত গ্ৰন্থ কেইখন আছিল—"Illusion and Reality"(1937), "Studies in a Dying Culture"(1938), "Poems", (1939), "The Crisis in Physics"(1939), "Further Studies in a Dying Culture" (1949)। তাৎপৰ্যৰ কথা যে তেওঁৰ আটাইকেইখন গ্ৰন্থই সমসাময়িক বিশ্ব সাহিত্যত আলোড়নৰ সৃষ্টি কৰিছিল। আন্তৰ্জাতিক সেনা বাহিনীৰ অংশীদাৰৰূপে জেনেৰেল ফ্ৰেংকোৰ ফেছিষ্ট বাহিনীৰ বিৰুদ্ধে যুদ্ধ দি তেওঁ ১৯৩৭ চনৰ ১২ ফেব্ৰুৱাৰী তাৰিখে গণতন্ত্ৰৰ সপক্ষত মৃত্যু বৰণ কৰিছিল।

সমসাময়িক মাৰ্কিন কবি আছিল ৰবাৰ্ট ফ্ৰষ্ট আৰু এজৰা পাউণ্ড। ফ্ৰষ্টৰ কবিতা পুথি এখনৰ নাম আছিল "Stopping by Woods in a Snowy Evening"। আমেৰিকা যুক্তৰাষ্ট্ৰত দ্বিতীয় বিশ্ব যুদ্ধৰ পিচত কৃষ্ণাঙ্গসকলৰ মাজত ভালেমান প্ৰখ্যাত সাহিত্যিকৰ আবিৰ্ভাৱ হয়। তেনে সাহিত্যিকৰ মাজত মহিলাও আছিল। কৃষ্ণাঙ্গ মহিলা সাহিত্যিকৰ ভিতৰত প্ৰখ্যাত আছিল বেটি ফ্ৰেইডানছ (Betty Friedans)। "Feminine Mystique" তেওঁৰ এখন বিখ্যাত গ্ৰন্থ।

১৯১৭ চনৰ অক্টোবৰ মাহত সংঘটিত সমাজতান্ত্ৰিক বিপ্লৱে ছোভিয়েট ৰাচিয়াত সাহিত্য-সংস্কৃতিৰ আঙ্গিক আৰু মতাদৰ্শৰ ক্ষেত্ৰত ভালেমান নতুনত্ব আনিছিল। ছাইমানোভৰ দ্বাৰা ৰচিত আৰু ১৯৪৪ চনত প্ৰকাশিত উপন্যাস "Days and Nights" খনৰ মূল মৰ্ম আছিল ব্যক্তিগত দুখ-দুৰ্দশাৰ পৰিবেশন। ১৯৬২ চনত আলেকজেণ্ডাৰ ছলজেনিটছিনৰ দ্বাৰা ৰচিত উপন্যাস "One Day in the Life of Ivan Denisovich" খনৰ প্ৰকাশৰ লগে লগে সমগ্ৰ বিশ্বতে ষ্টেলিনৰ আমোলত প্ৰচলিত ৰাষ্ট্ৰ সন্ত্ৰাসৰ কথা সদৰি হৈ পৰে। ষ্টেলিনৰ স্বৈৰতান্ত্ৰিক শাসনৰ বিৰুদ্ধে ভিন্ন মত পোষণ কৰা বহু সাহিত্যিকসকলে তেওঁলোকৰ ৰচনাৰাজি মুকলিমূৰীয়াকৈ নিজ দেশত প্ৰকাশ কৰাৰ অধিকাৰ হেৰুৱাইছিল।

তেনে অৱস্থাত ভালেমান ৰুচ ঔপন্যাসিকৰ উপন্যাস ৰুচ দেশৰ বাহিৰত প্ৰকাশ হৈছিল। সি যি কি নহওক, অন্যান্য ৰুচ উপন্যাসৰ ভিতৰত প্ৰখ্যাত আছিল বৰিছ্ পেষ্টাৰনকৰ ড° জিভাগো আৰু আলেকজেণ্ডাৰ ছলজেনিটছিনৰ গোলাগ আৰ্কিপেলেগো (১৯৭৩)। দুয়োখন উপন্যাসেই ইয়োৰূপত প্ৰকাশ হৈছিল। ড° জিভাগোৰ বাবে বৰিছ্ পেষ্টাৰনকে ১৯৫৮ চনত সাহিত্যত নবেল পুৰস্কাৰ পাইছিল যদিও ৰুচ চৰকাৰে তেওঁক সেই পুৰস্কাৰ প্ৰত্যাখ্যান কৰিবলৈ বাধ্য কৰাইছিল। আনহাতে আলেকজেণ্ডাৰ ছলজেনিটছিনে ১৯৭৪ চনত প্ৰদান কৰা নবেল পুৰস্কাৰ গ্ৰহণ কৰিবলৈ পাৰিছিল।

দ্বিতীয় বিশ্ব যুদ্ধৰ অব্যৱহিত পিচৰ কালছোৱাত লেটিন আমেৰিকাতো ন ন আঙ্গিক আৰু মতাদৰ্শৰ ভিত্তিত সাহিত্য চৰ্চাৰ পথ মুকলি হৈছিল। গেব্ৰিয়ালা মিষ্ট্ৰেল, মেৰিও ডা এনড্ৰেড, বৰ্জেজ আৰু কাৰপেন্টিয়াৰ আদি লেটিন আমেৰিকাৰ প্ৰখ্যাত সাহিত্যিক। গেব্ৰিয়ালা মিষ্ট্ৰেলে ১৯৪৫ চনত সাহিত্যত নবেল পুৰস্কাৰ লাভ কৰে।

চীনত সাহিত্যিকসকল এফালে পশ্চিমীয়া মতাদৰ্শ আৰু আনফালে ৰুচ বিপ্লৱৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। ৰুচ বিপ্লৱ আৰু কমিউনিষ্ট মতাদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা সাহিত্যিকসকলৰ ভিতৰত প্ৰখ্যাত আছিল লু ছুন (Lu Hsun) আৰু মাও টুন (Mao Tun)। মাও জে দুঙৰ আমোলত চীনত কলা-সাহিত্য-সংস্কৃতি জন সাধাৰণৰ শিক্ষাৰ এক প্ৰধান মাধ্যমত পৰিণত হয়।

দ্বিতীয় বিশ্ব যুদ্ধৰ পিচত জাপান সম্পূৰ্ণৰূপে মূহ্যমান হৈ পৰে। আনৱিক বোমাৰ অভিঘাতে তাৰ সমাজ-সভ্যতা-সংস্কৃতি সকলো বিধ্বস্ত কৰি পেলাইছিল। যুদ্ধৰ প্ৰতি মানুহৰ এক প্ৰচন্দ ঘৃণাৰ সৃষ্টি হৈছিল আৰু তাৰেই পটভূমিত ১৯৫১ চনত ওৱাকা ছুহেই (Ooka Shoehei) "Fire on the Plain" নামৰ উপন্যাসখন ৰচনা কৰিছিল। জাপানত আনৱিক বোমা নিক্ষেপৰ ঘটনাক কেন্দ্ৰ কৰি ১৯৬৭ চনত মাছুজীয়ে (Masuji) ৰচনা কৰিছিল "Black Rain" নামৰ উপন্যাসখন।

কৃষ্ণাঙ্গ লোকৰ মহাদেশ আফ্ৰিকাতো দ্বিতীয় বিশ্ব যুদ্ধোত্তৰ কালত সাহিত্যৰ যথেষ্ট অগ্ৰগতি হৈছিল। দেশে দেশে সাম্ৰাজ্যবাদ বিৰোধী মুক্তি আন্দোলনৰ সমান্তৰালভাৱে এই সাহিত্য ৰাজিৰ সৃষ্টি হৈছিল। নাইজেৰিয়াৰ নাট্যকাৰ ওলে ছয়িনকাই (Wole Soyinka) সাহিত্যত নবেল পুৰস্কাৰ লাভ কৰিছিল।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিয়ে অকল যে সাহিত্যতেই প্ৰভাৱ বিস্তাৰ কৰিছিল সেইটো নহয়, চিত্ৰকলাতো প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰিছিল। চিত্ৰকলাত নতুন নতুন আঙ্গিকৰ লগতে বিষয়বস্তুৰ ব্যৱহাৰ কৰা হৈছিল। ১৯০৭ চনত ফ্ৰান্সত পৰীক্ষামূলকভাৱে চিত্ৰকলাত পোনতে কিউবিজমৰ (Cubism) ব্যৱহাৰ কৰা হয়। এই ক্ষেত্ৰত বাটকটীয়া আছিল ফ্ৰান্সৰ,



গোঁৱেৰণিকা

জৰ্জ ব্ৰাক (George Braque)আৰু স্পেইনৰ পাবলো পিকাছো (Pablo Picasso) (১৮৮১-১৯৭৩)। পিকাছো বিংশ শতিকাৰ আটাইতকৈ প্ৰতিভাধৰ শিল্পী আছিল। তেওঁ স্পেইনৰ গৃহ যুদ্ধত ফেছিষ্ট ফ্ৰেঙ্কোৰ বিৰুদ্ধে আৰু গণতন্ত্ৰৰ সপক্ষে তেওঁৰ ৰং আৰু তুলিকা ব্যৱহাৰ কৰিছিল। তেওঁ কমিউনিষ্ট মতাদৰ্শত বিশ্বাস কৰিছিল আৰু আজীৱন সেই দলৰ সদস্য আছিল। গৃহ যুদ্ধত বিধ্বস্ত স্পেইনৰ চহৰ গোঁৱেৰণিকাৰ ওপৰত সেই নামেৰে অঙ্কিত কৰা গোঁৱেৰণিকা তেওঁৰ শিল্পী জীৱনৰ অপূৰ্ব সৃষ্টি আৰু কীৰ্তিস্তম্ভ। কিউবিজমৰ মাধ্যমত প্ৰতিনিধিত্ব কৰা গোঁৱেৰণিকা শিল্প কৰ্ম হ'ল ফেছিষ্টসকলৰ দ্বাৰা সংঘটিত হিংসা, সন্ত্ৰাস, পাশৱিকতা আৰু ধ্বংসৰ প্ৰতিবাদী প্ৰতীক।

কিউবিজমৰ প্ৰসাৰৰ কেই বছৰমানৰ ভিতৰতে ইয়োৰুপত ক্ৰমে কেবাটাও নতুন নতুন কলা কীৰ্তিৰ উদ্ভাৱন কৰা হৈছিল। সেইবিলাক আছিল এক্সপ্ৰেছনিজম (Expressionism), ডাডাইজম (Dadaism), ফিউচাৰিজম (Futurism) আৰু ছাৰ্‌ৰিয়েলজম (Surrealism)। এইখিনিতে উল্লেখযোগ্য যে এক্সপ্ৰেছনিজমৰ উদ্ভৱ হৈছিল জাৰ্মানীত আৰু হিটলাৰে এই ধাৰাৰ শিল্পীসকলৰ শিল্প কীৰ্তিসমূহ পাইকাৰী হাৰত অগ্নিত দাহ কৰিছিল আৰু শিল্পীসকলকো নিৰ্যাতন কৰিবলৈ পাহৰা নাছিল।

ছুইজাৰলেণ্ডৰ শিল্পী ত্ৰিষ্টান জাৰাৰ (Tristan Tzara) নেতৃত্বত ডাডিজমৰ সৃষ্টি হৈছিল, ইয়াৰ সূচনা হৈছিল কলা বিৰোধী আন্দোলনৰূপে।

ফিউচাৰিজমৰ উৎপত্তি হৈছিল ইটালীত। এই ধাৰাৰ শিল্পীসকলে তেওঁলোকৰ কলা-কীৰ্তিত আধুনিক সমাজত যান্ত্ৰিক শক্তিৰ প্ৰভাৱৰ প্ৰতিফলন ঘটাইছিল।

এইবিলাকৰ ওপৰিও দ্বিতীয় বিশ্ব যুদ্ধোত্তৰ কালত ইয়োৰূপ আৰু আমেৰিকাত যথাক্ৰমে পপ আৰ্ট (Pop Art) আৰু অপ আৰ্ট (Op or Optical Art) নামে নতুন

নতুন কলাৰ আঙ্গিকৰ সৃষ্টি হৈছিল। এইদৰে দেখা যায় যে আধুনিক যুগত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰে আনকি কলা-শিল্প সাহিত্যতো লক্ষণীয় আৰু সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাইছিল।

***

আৰ্হি প্ৰশ্নমালাঃ

রচনাধৰ্মী প্ৰশ্নঃ

১। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই মানুহৰ বৈষয়িক জীৱনটো কি ধৰণে নিয়ন্ত্ৰণ কৰিছে আলোচনা কৰা।

২। আধুনিক যুগত ঔষধ আৰু চিকিৎসা বিজ্ঞানৰ অগ্ৰগতি সম্পৰ্কে চমুকৈ আলোচনা কৰা।

৩। শিল্প আৰু কল-কাৰখানাত প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগে মানৱ সমাজত কি ধৰণৰ পৰিবৰ্তন আনিছে উল্লেখ কৰা।

৪। বৰ্তমান বিশ্বত যাতায়াত আৰু পৰিবহনৰ ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই কি ধৰণ প্ৰভাৱ পেলাইছে আলোচনা কৰা।

(৫) যোগাযোগৰ ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱে মানৱ সমাজক কি কল্যাণ সাধন কৰিছে উল্লেখ কৰা।

(৬) যুদ্ধাস্ত্ৰ নিৰ্মাণ আৰু নিৰাপত্তাৰ ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

(৭) যুদ্ধাস্ত্ৰ নিৰ্মাণৰ প্ৰতিযোগিতাত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই কি ধৰণে প্ৰভাৱ পেলাইছে চমুকৈ আলোচনা কৰা।

(৮) দ্বিতীয় বিশ্ব যুদ্ধৰ পৰৱৰ্তী কালছোৱাত বিশ্বত হোৱা সাংস্কৃতিক উন্নয়ন সম্পৰ্কে আলোচনা কৰা।

চমু টোকা লিখাঃ

(১) এ টি এম

(২) কৃত্ৰিম উপগ্ৰহ

(৩) গুগলিয়েলমো মাৰ্কণী

(৪) আলেকজেণ্ডাৰ ফ্লজেনিটছিন

(৫) পাবলো পিকাছো

অতি চমু উত্তৰ দিয়াঃ

(১) মেট্ৰিক পদ্ধতি কোনে প্ৰবৰ্তন কৰিছিল?

(২) টাইফয়ড আৰু টাইফাছ জ্বৰৰ পাৰ্থক্য কোনে উদ্ভাৱন কৰিছিল?

(৩) ভিটামিন শব্দটো পোনতে কোনে ব্যৱহাৰ কৰিছিল?

(৪) এক্স-ৰে (X-ray) কোনে আবিষ্কাৰ কৰিছিল?

(৫) কোনে বৃক্ক (Kidney) প্ৰত্যাৰোপন কৰি চিকিৎসা বিজ্ঞানৰ ইতিহাসত চাঞ্চল্যৰ সৃষ্টি কৰিছিল?

(৬) কোন ডাক্তৰে পোনতে মানুহৰ শৰীৰত মানুহৰ হৃদ পিণ্ড প্ৰত্যাৰোপন কৰি সাফল্য লাভ কৰিছিল?

(৭) কোন চনত ডাৱবেটিছ্ ৰোগীৰ বাবে ইনছুলীন (Insulin) তৈয়াৰ কৰি উলিওৱা হৈছিল?

(৮) বৈদ্যুতিক শক্তি আবিষ্কাৰক এজনৰ নাম লিখাঁ।

(৯) কোন কোম্পানীয়ে পোনতে কম্পিউটাৰ তৈয়াৰ কৰি ব্যৱহাৰ কৰিবলৈ লৈছিল?

(১০) কোন চনত কৰ্ণেল ব্লেৰিয়টে (Colonel Bleriot) আকাশী যানৰ সহায়ত ডোভাৰ প্ৰণালী পাৰ হৈছিল?

(১১) পৃথিবীৰ প্ৰথম মহাকাশচাৰীজন কোন?

(১২) ১৯৬৯ চনৰ ২০ জুলাই তাৰিখে চন্দ্ৰৰ ভূ-পৃষ্ঠত অৱতৰণ কৰা লোকজন কোন?

(১৩) মাৰ্কিন যুক্তৰাষ্ট্ৰৰ প্ৰথম জন নবেল পুৰস্কাৰ পোৱা সাহিত্যিক কোন আছিল?

(১৪) "Stopping by Woods in a Snowy Evening"কোন কবিৰ গ্ৰন্থ? ।

(১৫) "1984", আৰু "Animal Farm" কোনে ৰচনা কৰিছিল?